PG AS S1-02 (DSC)

দুবছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এচ; এন.ই.পি ২০২০ অনুসৰি)

প্ৰথম ষাণ্মাসিক

অসমীয়া সাহিত্যৰ বুৰঞ্জী

(অৰুণোদই যুগৰ পৰা ৰামধেনু-পৰৱৰ্তী কাললৈ)

অসমীয়া



পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপক (অৱসৰপ্ৰাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° উপেন ৰাভা হাকাচাম, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° বিমল মজুমদাৰ, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, সহযোগী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° মৃণাল জ্যোতি গোস্বামী, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অধ্যায়ৰ নাম	লেখক
১	অৰুণোদই যুগৰ অসমীয়া সাহিত্য-১	ড° মনোজ কুমাৰ দাস, আৰ. জি. বৰুৱা মহাবিদ্যালয়
২	অৰুণোদই যুগৰ অসমীয়া সাহিত্য-২	ড° বনলতা ডেকা, পূব কামৰূপ মহাবিদ্যালয়
৩	অৰুণোদই যুগৰ অসমীয়া সাহিত্য-৩	ড° বর্ণালী ডেকা, পূব কামৰূপ মহাবিদ্যালয়
৪	জানাকী যুগৰ অসমীয়া সাহিত্য-১	ড° প্রণিতা বর্মন, আর্য্য বিদ্যাপীঠ মহাবিদ্যালয়
৫	জোনাকী যুগৰ অসমীয়া সাহিত্য-২	ড° মঞ্জু গোস্বামী, আর্য্য বিদ্যাপীঠ মহাবিদ্যালয়
৬	জোনাকী যুগৰ অসমীয়া সাহিত্য-৩	ড° গোবিন্দ প্রসাদ ভূঞা, কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়
৭	আৱাহন যুগৰ অসমীয়া সাহিত্য	ড° পাচান আলি আহমেদ, পশ্চিম বড়িগোগ আ.ম.
৮	জয়ন্তী যুগৰ অসমীয়া সাহিত্য	ৰুমী দলৈ, সোণাপুৰ মহাবিদ্যালয়
৯,১০	ৰামধেনু যুগৰ অসমীয়া সাহিত্য-১ আৰু ২	ড° প্রণতি শর্মা গোস্বামী, প্রাগজ্যোতিষ মহাবিদ্যালয়
১১	ৰামধেনু-পৰৱর্তী কালৰ অসমীয়া সাহিত্যঃ পটভূমি	ড° প্রফুল্ল কুমাৰ নাথ, গুৱাহাটী বিশ্ববিদ্যালয়
১২	ৰামধেনু- পৰৱর্তী কালৰ অসমীয়া সাহিত্যঃ নির্বাচিত সাহিত্যিকসকল	ড° প্রফুল্ল কুমাৰ নাথ, গুৱাহাটী বিশ্ববিদ্যালয়
১৩	ৰামধেনু- পৰৱর্তী কালৰ অসমীয়া সাহিত্যঃ দ্বিতীয় পর্ব	ড° প্রফুল্ল কুমাৰ নাথ, গুৱাহাটী বি ৱিদ্যালয়
১৪	অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহ আৰু অসমীয়া সাহিত্যৰ যুগবিভাজন	ড° কনে ৱৰ বৰুৱা, গোসাইগাঁও মহাবিদ্যালয়

সম্পাদনা

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, সহযোগী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, সহযোগী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জুলাই, ২০২৩

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
নগৰ চৌহদ ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২; www.kkhsou.in

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ অৰুণোদই যুগৰ অসমীয়া সাহিত্য-১ ৭-৪৮

অৰুণোদই যুগৰ ঐতিহাসিক পটভূমি; অৰুণোদই যুগৰ সাহিত্য ঃ প্রাক্-অৰুণোদই স্তৰ (১৮২৬-১৮৪৬), *অৰুণোদই* ঃ অসমীয়া ভাষাৰ পুনঃ প্রতিষ্ঠাৰ স্তৰ, আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্রতিষ্ঠাৰ স্তৰ

অধ্যায় ২ ঃ অৰুণোদই যুগৰ অসমীয়া সাহিত্য-২ ৪৯-৭৯

*অৰুণোদই*কাকত আৰু অসমীয়া সাহিত্য; *অৰুণোদই*কাকত প্রকাশৰ সময়ছোৱাৰ অসমীয়া সাহিত্যৰ চমু আভাস ঃ *অৰুণোদই* কাকতলৈ অৰিহণা যোগোৱা অনা-অসমীয়া লেখক-লেখিকাসকল, *অৰুণোদই* কাকতলৈ অৰিহণা যোগোৱা অসমীয়া লেখক-লেখিকাসকল

অধ্যায় ৩ ঃ অৰুণোদই যুগৰ অসমীয়া সাহিত্য-৩ ৮০-১০১

অৰুণোদই যুগৰ অসমীয়া সাহিত্য ঃ *আসাম বিলাসিনী, আসাম বিলাসিনী*ৰ বৈশিষ্ট্যসমূহ, *আসাম নিউজ, আসাম নিউজ*ৰ বৈশিষ্ট্যসমূহ, *মৌ, মৌ*ৰ বৈশিষ্ট্যসমূহ, *আসাম বন্ধু, আসাম বন্ধু*ৰ বৈশিষ্ট্যসমূহ, অন্যান্য কাকতসমূহ

অধ্যায় ৪ ঃ জোনাকী যুগৰ অসমীয়া সাহিত্য-১ ১০২-১২৯

জোনাকী যুগৰ পটভূমি; জোনাকী যুগৰঅসমীয়া সাহিত্য; জোনাকী যুগৰ অসমীয়া সাহিত্যৰ বিবিধ ভাগ ঃ কবিতা, নাটক, উপন্যাস, চুটিগল্প, প্রবন্ধ আৰু সমালোচনা; জোনাকী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য

অধ্যায় ৫ ঃ জোনাকী যুগৰ অসমীয়া সাহিত্য-২ ১৩০-১৪৭

জোনাকী যুগৰ অসমীয়া সাহিত্য ঃ *ঊষা, ঊষা*ৰ বৈশিষ্ট্যসমূহ, *বাঁহী, বাঁহী*ৰ বৈশিষ্ট্যসমূহ

অধ্যায় ৬ ঃ জোনাকী যুগৰ অসমীয়া সাহিত্য-৩ ১৪৮-১৭১

জোনাকী যুগৰ সাহিত্যিকসকল ঃ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্রকুমাৰ আগৰৱালা, হেমচন্দ্র গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা, আনন্দ চন্দ্র আগৰাৱাল, বেণুধৰ ৰাজখোৱা, সত্যনাথ বৰা, কনকলাল বৰুৱা, ৰঘুনাথ চৌধাৰী, দুর্গেশ্বৰ শর্মা, ৰজনীকান্ত বৰদলৈ, হিতেশ্বৰ বৰবৰুৱা

অধ্যায় ৭ ঃ *আৱাহন*ৰ সাহিত্য ১৭২-২০১

*আৱাহন*ৰ পটভূমি; আৱাহন আৰু অসমীয়া সাহিত্য; *আৱাহন*ৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য তথা বিবিধ ধাৰা; *আৱাহন*ৰ সাহিত্যিকসকল

অধ্যায় ৮ ঃ জয়ন্তী যুগৰ অসমীয়া সাহিত্য ২০২-২৩৭

জয়ন্তী যুগৰ সাহিত্যৰ পটভূমি; জয়ন্তী আৰু অসমীয়া সাহিত্য; জয়ন্তী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য তথা বিবিধ ধাৰা; জয়ন্তী যুগৰ প্রধান সাহিত্যিকসকল

অধ্যায় ৯ ঃ ৰামধেনু যুগৰ অসমীয়া সাহিত্য-১ ২৩৮-২৫৩
ৰামধেনু যুগৰ পটভূমি; ৰামধেনু যুগৰ অসমীয়া সাহিত্য; ৰামধেনু যুগৰ অসমীয়া সাহিত্যৰ বিবিধ ধাৰা ঃ প্ৰগতিবাদী বা সমাজবাদী ধাৰা, হাস্য-ব্যঙ্গৰ ধাৰা, আধুনিকতা আৰু বাস্তৱবাদী ধাৰা, মনঃস্তাত্ত্বিক ধাৰা, ৰাজনৈতিক আৰু অৰ্থনৈতিক ধাৰা, অস্তিত্ববাদী ধাৰা আৰু চেতনাস্ৰোত পদ্ধতি

অধ্যায় ১০ ঃ ৰামধেনু যুগৰ অসমীয়া সাহিত্য-২ ২৫৪-২৭৮
ৰামধেনু যুগৰ নিৰ্বাচিত সাহিত্যিকৰ পৰিচয়

অধ্যায় ১১ ঃ ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া সাহিত্য ২৭৯-২৯৫
ৰামধেনু-পৰৱৰ্তী কাল (১৯৭০-১৯৯০)ৰ অসমীয়া সাহিত্যৰ পটভূমি; বিবিধ ধাৰা; বৈশিষ্ট্যসমূহ

অধ্যায় ১২ ঃ ৰামধেনু-পৰৱৰ্তী কালৰ নিৰ্বাচিত সাহিত্যিকসকলক ২৯৬-৩১৬
ৰামধেনু-পৰৱৰ্তী কাল (১৯৭০-১৯৯০)ৰ নিৰ্বাচিত সাহিত্যিকসকলৰ পৰিচয়

অধ্যায় ১৩ ঃ ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া সাহিত্য ঃ দ্বিতীয় পৰ্ব (১৯৯০-২০০০) ৩১৭-৩৩৩
ৰামধেনু-পৰৱৰ্তী কাল (১৯৯০-২০০০)ৰ পটভূমি; গল্প, কবিতা, নাটকৰ বিভিন্ন ধাৰা তথা বৈশিষ্ট্যসমূহ

অধ্যায় ১৪ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহ আৰু অসমীয়া সাহিত্যৰ যুগবিভাজন ৩৩৪-৩৬৫
অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহৰ চমু পৰিচয়, অসমীয়া সাহিত্যৰ যুগবিভাজন, অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতাসকল

প্ৰসঙ্গ পুথি **৩৬৬-৩৭০**

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (অৰুণোদই যুগৰ পৰা ৰামধেনু-পৰৱৰ্তী কাললৈ)

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ২০২৩ বৰ্ষৰ পৰা দুবছৰীয়া স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰম চি.বি.চি.এচ. অনুসৰি আগবঢ়াৰলৈ লৈছে। এই স্নাতকোত্তৰ পাঠ্যক্ৰমৰ প্ৰথম ষাণ্মাসিকৰ বুনিয়াদী পাঠ্যবিষয় হিচাপে শিক্ষাৰ্থীসকলে বাধ্যতামূলকভাৱে ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় এই তিনিখন পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব। তাৰ অন্তৰ্গত এইখন দ্বিতীয় পাঠ্যবিষয়। পাঠ্যবিষয়ৰ শিৰোনাম "অসমীয়া সাহিত্যৰ বুৰঞ্জী (অৰুণোদই যুগৰ পৰা ৰামধেনু-পৰৱৰ্তী কাললৈ)"। অৰ্থাৎ এইখন স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিকৰ দ্বিতীয় পাঠ্যবিষয় "অসমীয়া সাহিত্যৰ বুৰঞ্জী (অৰুণোদই যুগৰ পৰা ৰামধেনু -পৰৱৰ্তী কাললৈ)। পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়টো হৈছে 'অৰুণোদই যুগৰ অসমীয়া সাহিত্য-১'। ইয়াত অৰুণোদইৰ ঐতিহাসিক পটভূমি আৰু প্ৰাক্-অৰুণোদই যুগৰ অসমীয়া সাহিত্যৰ বিষয়ে জানিব পাৰিব। দ্বিতীয় অধ্যায় 'অৰুণোদই যুগৰ অসমীয়া সাহিত্য-২'ৰ মাধ্যমেদি *অৰুণোদই* প্ৰকাশৰ সময়ছোৱাৰ লেখক-লেখিকাসকলৰ ৰচনাৰ বিষয়ে পঢ়িবলৈ পাব। তৃতীয় অধ্যায় 'অৰুণোদই যুগৰ অসমীয়া সাহিত্য-৩'ত অৰুণোদই যুগটোৱে সামৰি লোৱা সময়ছোৱাৰ ভিতৰত প্ৰকাশিত হোৱা অন্যান্য কাকত-আলোচনী, যেনে— *মৌ, আসাম বন্ধু*ৰ আলোচনা সন্নিৱিষ্ট হৈছে। এই অধ্যায়টোৱে শিক্ষাৰ্থীক সেই সময়ৰ সাহিত্য-সংবাদ সেৱাৰ লগত জড়িত নানান দিশৰ লগত শিক্ষাৰ্থীক পৰিচয় কৰাই দিব। ইয়াৰ পৰৱৰ্তী অধ্যায় চাৰি, পাঁচ আৰু ছয়ত ক্ৰমে 'জোনাকী যুগৰ অসমীয়া সাহিত্য-১, ২ আৰু ৩' —এই দৰে সজোৱা হৈছে। ইয়াৰ অন্তৰ্গত পঞ্চম অধ্যায়টোত জোনাকী যুগৰ পটভূমি, জোনাকী যুগৰ অসমীয়া সাহিত্যৰ বিবিধ বৈশিষ্ট্য আৰু ধাৰাৰ বিষয়ে আলোচিত হৈছে। পঞ্চম অধ্যায় 'জোনাকী যুগৰ অসমীয়া সাহিত্য-২' 'জোনাকী যুগ' ৰূপে প্ৰসিদ্ধ সময়ছোৱাৰ ভিতৰত প্ৰকাশিত হোৱা *উষা* আৰু *বাঁহী*ৰ বিশেষ উল্লেখসহ সেই সময়ছোৱাৰ সাহিত্যত চকু ফুৰোৱা হৈছে। ষষ্ঠ অধ্যায় 'জোনাকী যুগৰ অসমীয়া সাহিত্য-৩'ত *জোনাকী* আলোচনীলৈ যি কেইগৰাকী সাহিত্যিকে নিজৰ বহুমূলীয়া আগবঢ়াইছিল, তেওঁলোকৰ ৰচনা কৃতিৰ আলোচনা পঢ়িবলৈ পাব। সপ্তম অধ্যায়ে '*আৰাহন*ৰ সাহিত্য' সামৰিছে। ইয়াত বিস্তৃত পৰিসৰত *আৰাহন* আলোচনীলৈ অৰিহণা যোগোৱা লেখকসকলৰ কৃতিসমূহ আলোচনা কৰাৰ লগতে *আৰাহনে* অসমীয়া সাহিত্যৰ বিকাশ আৰু বিস্তাৰত কেনে ধৰণৰ অৰিহণা আগবঢ়াই গ'ল তাৰ আলোচনা আছে।

পাঠ্যবিষয়ৰ অষ্টম অধ্যায়ৰ শিৰোনাম 'জয়ন্তী যুগৰ অসমীয়া সাহিত্য'। *জয়ন্তী* আলোচনীখনৰ প্ৰকাশৰ লগত জড়িত এই গুৰুত্বপূৰ্ণ কালছোৱা অসমীয়া সাহিত্য, সমাজ আৰু ৰাজনীতিৰ লগত জড়িত এটা গুৰুত্বপূৰ্ণ কাল। বিশেষকৈ ৰাজনৈতিক ক্ষেত্ৰত হোৱা পৰিৱৰ্তন আৰু সামাজিক জীৱনত সেই পৰিৱৰ্তনে পেলোৱা প্ৰভাৱে সমসাময়িক সাহিত্য শ্ৰেণীক কি গতি-প্ৰকৃতি প্ৰদান কৰিছিল তাৰ মনোজ্ঞ লেখ এই অধ্যায়ত পাব। অধ্যায় নৱম আৰু দশমত ক্ৰমে 'ৰামধেনু যুগ' ৰূপে প্ৰখ্যাত যুগটোত প্ৰকাশিত হোৱা আলোচনী *ৰামধেনুত* যিসকল লেখকে অৰিহণা আগবঢ়াইছিল, তাৰ বিৱৰণৰ লগতে সেই শ্ৰেণীৰ সাহিত্যৰ বৈশিষ্ট্য আৰু ৰামধেনু যুগটো কি কি ধাৰাই প্ৰভাৱিত কৰিছিল তাৰ লেখ পাব। পাঠ্যবিষয়ৰ একাদশ, দ্বাদশ আৰু ত্ৰয়োদশ অধ্যায়ত ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যৰ বিষয়ে আলোচনা সন্নিৱিষ্ট হৈছে। ইয়াৰ অন্তৰ্গত একাদশ অধ্যায় 'ৰামধেনু- পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যঃ পটভূমি' আৰু দ্বাদশ অধ্যায় 'ৰামধেনু- পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যঃ নিৰ্বাচিত সাহিত্যিকসকল (১৯৭০-১৯৯০)'ত বিংশ শতিকাৰ সপ্তম দশকৰ পৰা অষ্টম দশকৰ শেষলৈকে অসমীয়া সাহিত্যৰ যি গতি-প্ৰকৃতি তাৰ আভাস পাব। ত্ৰয়োদশ অধ্যায় 'ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া সাহিত্য ঃ দ্বিতীয় পৰ্ব (১৯৯০-২০০০)'ত বিংশ শতিকাৰ শেষ দশকৰ অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতিৰ লগতে ইয়াৰ বৈশিষ্ট্য আৰু ধাৰাসমূহৰ মনোজ্ঞ আলোচনা পঢ়িবলৈ পাব। পাঠ্যবিষয়ৰ চতুৰ্দশ তথা শেষ অধ্যায় 'অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহ আৰু অসমীয়া সাহিত্যৰ যুগবিভাজন'ৰ মাধ্যমেদি শিক্ষাৰ্থীয়ে এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ধাৰণা লাভ কৰিব পাৰিব। সেয়া হৈছে অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতিৰ লেখযুক্ত অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহ আৰু তাৰ আঁৰত থকা বিদ্বান ব্যক্তিত্বশীল পুৰুষৰ বিষয়েও জানিব পাৰিব।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্রগতিৰ খতিয়ান'ত সন্নিৱিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্রশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ অৰুণোদই যুগৰ অসমীয়া সাহিত্য-১

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ অৰুণোদই যুগৰ ঐতিহাসিক পটভূমি

১.৪ অৰুণোদই যুগৰ সাহিত্য

১.৪.১ প্ৰাক্-অৰুণোদই স্তৰ (১৮২৬-১৮৪৬)

১.৪.২ *অৰুণোদই* ঃ অসমীয়া ভাষাৰ পুনঃ প্ৰতিষ্ঠাৰ স্তৰ

১.৪.৩ আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাৰ স্তৰ

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৬ অধিক জানিবলৈ

১.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১.৮ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যৰ বুৰঞ্জীত কোনছোৱা সময়ক অৰুণোদই যুগ বুলি কোৱা হয় সেই বিষয়ে জ্ঞাত হ'ব পাৰিব
- অৰুণোদই যুগৰ ঐতিহাসিক পটভূমি সম্পৰ্কে তথ্য লাভ কৰিব
- অৰুণোদই যুগ অধ্যয়নৰ বিভিন্ন স্তৰসমূহৰ পৰিচয় লাভ কৰিব
- অৰুণোদই যুগত সাহিত্য ৰচনা কৰা সাহিত্যিকসকলৰ তথ্য লাভ কৰিব
- অৰুণোদই যুগৰ সাহিত্যৰাজি আৰু সেইবোৰৰ বিশেষত্বসমূহৰ বিষয়ে ধাৰণা লাভ কৰিব
- অসমীয়া সাহিত্যলৈ অৰুণোদই যুগটোৱে অসমীয়া ভাষা-সাহিত্য আৰু জনজীৱনলৈ কেনে ধৰণৰ অৱদান আগবঢ়াইছে তাৰ সম্ভেদ লাভ কৰিব
- কি দৰে অৰুণোদই যুগে ৰূপান্তৰৰ মাধ্যমেৰে অসমীয়া সাহিত্যলৈ আধুনিকতা কঢ়িয়াই আনিলে সেই বিষয়ে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ প্ৰথম ষাণ্মাসিকৰ অন্তৰ্গত দ্বিতীয় পাঠ্যবিষয়ৰ এইটো প্ৰথম অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'অৰুণোদই যুগৰ অসমীয়া সাহিত্য-১'। এই অধ্যায়টোত অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ এক গুৰুত্বপূৰ্ণ সময় অৰুণোদই যুগৰ বিষয়ে বহলাই আলোচনা কৰা

হৈছে। অধ্যায়টোত অৰুণোদই যুগৰ ঐতিহাসিক পটভূমি, এই যুগটোত ৰচিত সাহিত্যৰাজি আৰু সাহিত্যিকসকলৰ পৰিচয় প্ৰদান কৰা হৈছে। অসমীয়া সাহিত্যত অৰুণোদই যুগটোক ৰূপান্তৰৰ যুগ বুলি ক'ব পাৰি, কিয়নো এই যুগৰ সাহিত্যতে পুৰণি অসমীয়া সাহিত্যত থকা ধৰ্মীয় প্ৰাধান্যৰ অৱসান ঘটে আৰু অসমীয়া সাহিত্যলৈ পাশ্চাত্য সাহিত্যৰ বৈশিষ্ট্যপূৰ্ণ কবিতা, প্ৰবন্ধ, নাটক, উপন্যাস আদি বিভিন্ন অঙ্গবোৰৰ উক্মুকনি উঠে। এই যুগতেই অসমীয়া সাহিত্যই ছন্দৰ পৰিধি ভাঙি প্ৰকৃত গদ্য সাহিত্যলৈ উন্নীত হয়। এই যুগতেই অসমীয়া সাহিত্যই প্ৰথম ছপা ৰূপ লাভ কৰে। ১৮৪৬ চনত প্ৰথম অসমীয়া সংবাদ-পত্ৰ তথা আলোচনী *অৰুণোদই* প্ৰকাশ পায়। এই আলোচনীখনৰ নামেৰেই অসমীয়া সাহিত্যৰ বুৰঞ্জীত এই ৰূপান্তৰৰ কালছোৱাক অৰুণোদই যুগ বুলি নামকৰণ কৰা হৈছে। ১৮৮০ চন মানত *অৰুণোদই* আলোচনীখনৰ প্ৰকাশ বন্ধ হয়। অৰুণোদই যুগটোৰ বিস্তৃতি কাল ১৮২৬ চনৰ পৰা ১৮৮৮ চনলৈ। ১৮৮৯ চনত প্ৰকাশিত *জোনাকী* নামৰ আলোচনীখনক কেন্দ্ৰ কৰি 'জোনাকী' নামেৰে অন্য এটা যুগৰ শুভাৰম্ভ হয়।

এই অধ্যায়টোত অৰুণোদই যুগৰ বিভিন্ন স্তৰ, প্ৰতিটো স্তৰতে ৰচিত সাহিত্য আৰু তাৰ বৈশিষ্ট্য বিশেষ, অসমীয়া সাহিত্যলৈ এই যুগৰ সাহিত্যিকসকলৰ অৱদান আদি সম্পৰ্কে আলোচনা কৰা হৈছে।

১.৩ অৰুণোদই যুগৰ ঐতিহাসিক পটভূমি

অসমীয়া সাহিত্যৰ বুৰঞ্জীত অৰুণোদই যুগটো সাহিত্যৰ ৰূপান্তৰণৰ যুগ। এই যুগতেই অসমীয়া সাহিত্যই প্ৰথম আধুনিকতাৰ সাজ পৰিধান কৰিছিল। আনহাতে, এই ৰূপান্তৰণৰ অন্তৰালত কেইবাটাও ঐতিহাসিক কাৰকে ক্ৰিয়া কৰিছিল। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসমত বৃটিছসকলৰ প্ৰৱেশ ঘটে আৰু অসমৰ শাসন ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ যায়। বৃটিছে অসমত ঔপনিৱেশ বিস্তাৰ কৰাৰ অৰ্থাৎ ১৮২৬ চনৰ আগৰ সময়ছোৱাৰ কেইবাটাও দশক অসমৰ ইতিহাসৰ দুৰ্ভাগ্যপূৰ্ণ অন্ধকাৰাছন্ন কাল। ১৭৬৯ চনৰ পৰা ১৮০৬ চনলৈ অসমত আহোম ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ শোষণ নীতি, অবিচাৰ আৰু অত্যাচাৰৰ বিৰুদ্ধে ঠায়ে ঠায়ে বিদ্ৰোহৰ সূচনা হৈছিল। ইতিহাসত এই বিদ্ৰোহ মোৱামৰীয়া বিদ্ৰোহ নামে খ্যাত। এই সময়ছোৱাত অসমত চৰম ৰাজনৈতিক অস্থিৰতাই জনজীৱন দুৰ্বিসহ কৰি তুলিছিল। মোৱামৰীয়া বিদ্ৰোহে আহোম সাম্ৰাজ্যৰ চালিকা শক্তি দুৰ্বল কৰি পেলাইছিল আৰু কেইবাখনো স্বপৰিচালিত ক্ষুদ্ৰ ৰাজ্যৰ সৃষ্টি কৰিছিল। এই ৰাজনৈতিক অস্থিৰতাই অসমৰ আৰ্থ-সামাজিক-সাংস্কৃতিক পৰিৱেশৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছিল আৰু ইয়াৰ গতি আৰু বিস্তাৰ একেবাৰে মন্থৰ কৰি তুলিছিল। মোৱামৰীয়া বিদ্ৰোহৰ পিছত ১৮১৭ চনৰ পৰা ১৮২৬ চনলৈ তিনিবাৰকৈ হোৱা মান সেনাৰ আক্ৰমণত অসমীয়া জাতি যেন ক্ষত-বিক্ষত হৈ পৰিল। ৰাজনীতি, অৰ্থনীতি, ভাষা-সাহিত্য-সংস্কৃতি সকলো থানবান হৈ গ'ল আৰু সৰ্বসাধাৰণ প্ৰজাৰ বিলাই-বিপত্তিৰ অন্ত নোহোৱা হ'ল। এই সময়তে আহোম ৰজা গৌৰীনাথ সিংহই মানৰ আক্ৰমণ আৰু অত্যাচাৰৰ পৰা নিস্তাৰ পাবলৈ কলিকতাত

থকা বৃটিছৰ ওচৰত সহায় বিচাৰে। ১৮২৬ চনৰ ২৪ ফেব্রুৱাৰী তাৰিখে ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হয় আৰু অসম মানৰ অত্যাচাৰৰ পৰা মুক্ত হয়।

বৃটিছে মানক অসমৰ পৰা খেদিলে ঠিকেই, কিন্তু নিজে অসমৰ পৰা আঁতৰি নগ'ল। ক্রমান্বয়ে বৃটিছে অসমত নিজৰ ঔপনিৱেশ স্থাপন কৰিলে আৰু অসমীয়া পৰাধীন জাতিলৈ ৰূপান্তৰিত হ'ল। যদিও অসমৰ শাসন ব্যৱস্থা ইংৰাজৰ হাতত গ'ল, অন্ততঃ মানৰ অত্যাচাৰৰ পৰা মুক্তি লাভ কৰাৰ বাবেই অসমীয়া লোকেও সেই পৰাধীনতা স্বীকাৰ কৰি ল'লে। আনহাতে, ইংৰাজক প্রতিবাদ কৰিব পৰাকৈ অসমীয়াৰ সেই শক্তিকণো সেই সময়ত আছিল বুলি ক'ব নোৱাৰি। যি কি নহওক, অন্ধকাৰাচ্ছন্ন এই সময়ছোৱাতেই আহোমৰ ছশ বছৰীয়া ৰাজত্বৰ অন্ত পৰিল, অসমৰ স্বাধীনতা বিলুপ্ত হ'ল, অসমত কোম্পানীৰ শাসন প্রৱর্তন হ'ল, ইংৰাজ বাহিনীৰ লগতে অসমলৈ নতুন বতাহ, নতুন চিন্তাৰ আগমন হ'ল।

পৰাধীন অসমত বৃটিছ গৱর্ণৰ ডেভিদ স্কটৰ নেতৃত্বত ইষ্ট ইণ্ডিয়া কোম্পানীৰ নীতিত অসমৰ প্রশাসনিক কাম কাজ আৰম্ভ হয়। বৃটিছ চৰকাৰে আহোম ৰাজবিষয়া, ডা-ডাঙৰীয়াসকলে ইমান দিনে লাভ কৰি অহা ৰাজকীয় সা-সুবিধা আৰু মর্যাদাৰ কর্তন তথা বিলুপ্তিকৰণ কৰে। অসমীয়া মানুহে আওভাও নোপোৱা নতুন নতুন নিয়মৰ প্রৱর্তন কৰে। ভূমি ৰাজস্বৰ বাহিৰে অসমত প্রজা শোষণৰ আন কোনো উপায় নাছিল। প্রশাসনীয় সুবিধা আৰু শোষণ প্রক্রিয়া নিৰাপদ আৰু নিশ্চিত কৰিবলৈ বৃটিছে অসমখনক ছখন জিলাত বিভক্ত কৰি প্রতিখন জিলাক খাজানা আদায়ৰ সুবিধাৰ কাৰণে কিছুমান মৌজাত বিভক্ত কৰে। প্রতিখন মৌজাৰ দায়িত্ব একোজন মৌজাদাৰ, তহচিলদাৰ বা চৌধাৰীক দিলে। ইংৰাজ প্রশাসনিক ব্যৱস্থাত অশিক্ষিত লোকে স্থান লাভ কৰাৰ কোনো অৱকাশ নাছিল। মৌজাদাৰ, তহচিলদাৰ আদি পদসমূহ পুৰণি অভিজাত শ্রেণীৰ শিক্ষিত লোকসকলক দি তেওঁলোকৰ অসন্তুষ্টিও নাইকিয়া কৰিলে। সেয়েহে, কেৱল আঢ্যৱন্ত আৰু উচ্চবর্ণৰ শিক্ষিত অসমীয়াইহে ইংৰাজৰ প্রশাসনৰ অঙ্গ হোৱাৰ সুযোগ লাভ কৰিলে। বৃটিছ চৰকাৰে নতুন ভূমি নীতি বলবৎ কৰিলে, টকাৰ মাধ্যমত মাটিৰ খাজানা আদায় কৰিবলৈ ল'লে, বজাৰ-সমাৰ, হাট, ঘাট, হাবি, বিল আদি সকলোতে কৰ আৰোপ কৰিলে। নিত্য নতুন কৰৰ বোজাত অসমীয়া প্রজাৰ অর্থনৈতিক অৱস্থাৰ অৱনতি ঘটে আৰু জীৱন ধাৰণৰ মান শোচনীয় হৈ পৰে। অসমত ব্যৱসায় বাণিজ্যৰ অধিক প্রচলন নথকাত মুদ্রা অর্থনীতিৰ বিকাশ সম্ভৱ হৈ উঠা নাছিল। ফলস্বৰূপে টকাৰ মাধ্যমেৰে কৰ আদায় দিয়াটো প্রজাৰ বাবে সহজসাধ্য নাছিল। আনহাতে, ইংৰাজে কৰৰ হাৰ ক্রমাৎ বৃদ্ধি কৰি গৈ আছিল।

বৃটিছ প্রশাসনৰ অঙ্গ হোৱা অসমীয়া মৌজাদাৰ, তহচিলদাৰ, হাকিম, মুন্সিফ, কেৰাণী, উকীল, দাৰোগা আদিয়ে ক্রমাৎ এটা অসমীয়া মধ্যবিত্ত শ্রেণীৰ জন্ম দিলে। একে সময়তে গ্রামাঞ্চলৰ কিছু শিক্ষিত গাঁওবুঢ়া, মণ্ডল, পুৰোহিত আদিও এই মধ্যবিত্ত মানসিকতাৰ অধিকাৰী হ'ল। এই মধ্যবিত্ত শ্রেণীটো যিমানেই বৃটিছৰ ওচৰ চাপি গৈছিল সিমানেই বেছিকৈ উপলব্ধি কৰিছিল যে চাকৰি অবিহনে তেওঁলোকৰ সতি-সন্ততি মান মর্যাদাৰে বর্তি থকাৰ আন পথ নাই। শ্রেণীটোৰ জীৱন নির্বাহ বৃটিছৰ অনুগ্রহৰ ওপৰত নির্ভৰশীল হেতুকে এওঁলোকে বৃটিছৰ আনুগত্য

স্বীকাৰ কৰি লৈছিল। আনহাতে, বৃটিছৰ ছত্ৰছায়াতে অসম আৰু অসমীয়াৰ বিকাশ আৰু উন্নতিৰ সপোন এওঁলোকে দেখিছিল। বৃটিছৰ অনুগত হোৱা বাবে সাধাৰণ প্ৰজাৰ দুখ-দুৰ্গতিৰ প্ৰতি এই মধ্যবিত্ত শ্ৰেণীটোৱে বৰ চকু দিয়া নাছিল আৰু সেয়েহে বৃটিছ বিৰোধী প্ৰতিবাদৰ সময়ত এওঁলোকৰ কণ্ঠ ৰুদ্ধ হৈয়ে আছিল।

১৮৭৪ চনলৈকে অসমে সুকীয়া প্ৰদেশৰ মৰ্যাদা নোপোৱালৈকে অসম বঙ্গ প্ৰেচিডেন্সিৰ অন্তৰ্গত আছিল আৰু ঘাইকৈ কলিকতাৰ পৰাই অসমৰ প্ৰশাসনিক কাম-কাজ নিয়ন্ত্ৰিত হৈছিল। অসমত যিসকল ব্যক্তিক প্ৰশাসনিক কামত লগোৱা হৈছিল তেওঁলোকৰ অধিকাংশই বৃটিছ প্ৰশাসনিক ব্যৱস্থাটোৰ সৈতে ফেৰ মাৰি চলিব পৰা নাছিল আৰু বৃটিছ চাহাবসকলে অতি কম সময়তে অসমীয়া আমোলাৰ এই অনভিজ্ঞতা উপলব্ধি কৰিব পাৰিছিল। ফলস্বৰূপে, বৃটিছ প্ৰশাসনে প্ৰশাসনিক সুবিধাৰ বাবে একাংশ বঙালী আমোলা আমদানি কৰি ১৮৩৬ চনৰ পৰা অসমত বাংলা ভাষাতেই কাম-কাজ পৰিচালনা কৰাৰ সিদ্ধান্ত লৈছিল। একে সময়তে অসমৰ ৰেভিনিউ কমিছনাৰ জেনকিন্স চাহাব আৰু উইলিয়াম ৰবিন্সন চাহাবৰ উদ্যোগত ১৮৩৬ চনৰ পৰা অসমৰ কাছাৰী আৰু বিদ্যালয়তো বাংলা ভাষা জাপি দিয়া হয়। মনকৰিবলগীয়া যে, অসমত বাংলা ভাষাৰ প্ৰচলন হোৱাৰ তৎমুহূৰ্তত কোনো ধৰণৰ প্ৰতিবাদ হোৱা নাছিল। আনহাতে, এই ক্ষেত্ৰত প্ৰথমাৱস্থাত অসমীয়া অভিজাত শ্ৰেণীটোৱে ইংৰাজক সহায়হে কৰিছিল। সেই সময়ত অসমীয়া অভিজাত শ্ৰেণীটোৰ মাজত বাংলা ভাষাৰ প্ৰতি দুৰ্বলতা আছিল আৰু অসমীয়া ভাষাৰ প্ৰতি এটা নিচাত্মিকতা ভাব আছিল। অসমত বাংলা সংবাদ-পত্ৰ, আলোচনীৰ নিয়মীয়া পাঠকৰ সংখ্যা যথেষ্ট আছিল। এই সন্দৰ্ভত আত্ম-জীৱন-চৰিতত হেমচন্দ্ৰ বৰুৱাই লিখিছে যে, "সকলোৱেই ৰঙ্গিনী বঙ্গীয়াক সঙ্গিনী কৰি লৈছিল, অৱশ্যে ময়ো এই নিয়মৰ বাহিৰ নাছিলো, বঙ্গ ভাষা মোৰ বুকুৰ কুটুম আছিল।"

১৮৩৫ চনত প্ৰশাসনিক কাম-কাজ চলাই নিয়াৰ নিমিত্তে কৰ্মচাৰীৰ প্ৰয়োজন উপলব্ধি কৰি বৃটিছে অসমত ইংৰাজী শিক্ষাৰ শিক্ষানুষ্ঠান আৰম্ভ কৰে। গুৱাহাটীত ইংলিছ চেমিনাৰী নামৰ ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা কৰি অসমত ইংৰাজী শিক্ষাৰ প্ৰচাৰ আৰম্ভ কৰা হয়। ১৮৪১ চনত শিৱসাগৰত দ্বিতীয়খন ইংৰাজী বিদ্যালয় স্থাপন কৰা হয়। বৃটিছে তেওঁলোকৰ প্ৰশাসনিক কাম কাজত সহায় কৰিব পৰাকৈ অসমৰ মানুহ সক্ষম কৰি তোলাৰ উদ্দেশ্য আগত ৰাখি ইংৰাজী শিক্ষাৰ পাতনি মেলিছিল যদিও ইয়াৰ অন্তৰালত সাম্ৰাজ্যবাদী চিন্তাই ক্ৰিয়া কৰিছিল। তথাপি বৃটিছৰ এই সিদ্ধান্তই অসমৰ শিক্ষা জীৱনলৈ আমূল পৰিৱৰ্তন কঢ়িয়াই আনে। এই বিদ্যালয় দুখনত অধ্যয়ন কৰা বহুতেই পৰৱৰ্তী সময়ত কলিকতালৈ উচ্চ শিক্ষা লাভ কৰিবলৈ গৈছিল আৰু অসমলৈ উভতিআহোঁতে তেওঁলোকে লগত লৈ আহিছিল বহির্জগতৰ আধুনিকতাৰ বাৰ্তা। বৃটিছৰ আমোলা সৃষ্টিৰ এই অভিযানেই আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আদিৰ দৰে বৃটিছৰ প্ৰতি আনুগত্য থকা প্ৰশাসনিক কৰ্মী সৃষ্টি কৰিছিল যদিও ইংৰাজী উচ্চ শিক্ষাৰ গুণেৰে মহিমামণ্ডিত এইসকলেই অসমীয়া ভাষা-সাহিত্যৰ বৃদ্ধি আৰু বিকাশৰ বাবেও দেহে-কেহে খাটিছিল।

অসমত বৃটিছ শাসন প্ৰৱৰ্তন হোৱাৰ লগে লগেই অসমত খ্ৰীষ্টিয়ান মিছনেৰীসকলৰ প্ৰৱেশ ঘটিল। বৃটিছ সাম্ৰাজ্যবাদৰ প্ৰসাৰণৰ উদ্দেশ্যে ১৮১৩ চনত চাৰ্টাৰ এক্টৰ অধীনত খ্ৰীষ্টিয়ান মিছনেৰীসকলক ভাৰতত খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰৰ অনুমতি প্ৰদান কৰা হয়। অসমত ১৮২৯ চন মানৰ পৰাই মিছনেৰীসকলৰ প্ৰচাৰ আৰম্ভ হৈছিল। তেওঁলোকৰ মুখ্য উদ্দেশ্য আছিল চীন, ম্যানমাৰ আৰু দক্ষিণ চীনৰ শ্বানসকলৰ মাজত খ্ৰীষ্টিয়ান ধৰ্মৰ প্ৰচাৰ চলোৱা। তেওঁলোকৰ এই মিছনটোৰ নাম আছিল মিছন অব শ্বান। শ্ৰীৰামপুৰৰ ৰেভাৰেণ্ড কেৰি চাহাবে ডেভিড স্কটৰ অনুৰোধ ক্ৰমে জেম্চ ৰে নামৰ এজন বৃটিছ মিছনেৰীক ১৮২৯ চনত ধৰ্ম প্ৰচাৰৰ বাবে অসমলৈ পঠিয়ায়। তেওঁ গুৱাহাটীত খ্ৰীষ্টিয়ান ধৰ্মৰ প্ৰচাৰ পুস্তিকা বিতৰণ কৰি এটা গিৰ্জাঘৰ স্থাপন কৰে। কিন্তু আৰ্থিক অসুবিধা আৰু ব্যক্তিগত দুৰ্যোগৰ কাৰণে শ্ৰীৰামপুৰ মিছনেৰীয়ে আমেৰিকান বেপ্তিষ্ট মিছনক ধৰ্ম প্ৰচাৰৰ পথ এৰি দিয়ে। পৰৱৰ্তী সময়ত জেনকিন্স চাহাবৰ অনুৰোধক্ৰমে আমেৰিকান মিছনেৰীসকলে অসমত প্ৰৱেশ কৰে। পোনপ্ৰথমে ১৯৩৬ চনৰ মাৰ্চ মাহত ৰেভাৰেণ্ড নাথান ব্ৰাউন আৰু অ'টি কাট্টাৰ সপৰিয়ালে শদিয়াত উপস্থিত হয়। কেইমাহমানৰ পিছতেই ড° মাইলচ ব্ৰন্সন আৰু জেকব থমাচ অসমলৈ আহে যদিও নাও দুৰ্ঘটনাত জেকব থমাচৰ মৃত্যু হয়। শদিয়াতে এওঁলোকে মিছনৰ কাম আৰম্ভ কৰে। কিন্তু চিংফৌ আৰু খামতি লোকৰ অত্যাচাৰত কাম কৰা কষ্টকৰ হোৱাত লক্ষীমপুৰৰজয়পুৰলৈ আহে। পৰ্বতীয়া লোকৰ মাজত খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰ কৰা সহজ নহ'ব বুলি জানি পৰৱৰ্তী সময়ত শিৱসাগৰ, নগাঁও আৰু গুৱাহাটীত মিছন স্থাপন কৰি ধৰ্ম প্ৰচাৰৰ কাম চলাই নিয়ে।



জানি থোৱা ভাল

ভাৰতবৰ্ষলৈ বিদেশী বণিকসকলৰ আগমনৰ প্ৰায় সমসাময়িক কালৰ পৰাই খ্ৰীষ্টিয়ান ধৰ্মীয় যাজক, ধৰ্ম প্ৰচাৰক (পাদ্ৰী)সকলৰো আগমন ঘটিছিল। ১৫৪২ চনতেই পৰ্তুগীজ শাসকে ভাৰতত জেসুইট পাদ্ৰীসকলক ধৰ্মপ্ৰচাৰৰ সুযোগ দিছিল। ইয়াৰ পিছত দিল্লী আৰু আগ্ৰাত মোগল সম্ৰাটৰ সভাত পৰ্তুগীজ পাদ্ৰী আৰু ধৰ্মপ্ৰচাৰকসকলৰ উপস্থিতিয়ে দেশীয় সমাজতো তেওঁলোকৰ প্ৰতিপত্তি বৃদ্ধি কৰে। পলাশীৰ যুদ্ধৰ পিছত কলিকতা ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰধান কেন্দ্ৰ হৈ পৰাৰ পিছত ইংলণ্ডৰ পৰা প্ৰোটেষ্টাণ্ট পাদ্ৰীসকলো ভাৰতলৈ আহিবলৈ আৰম্ভ কৰে। তেওঁলোকে ব্যক্তিগত প্ৰচেষ্টাৰেই ভাৰতীয় লোকৰ মাজত খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰ কৰিবলৈ ধৰে। ১৬৯২ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ বাবে ঘোষণা কৰা চনদৰ এটা উপদফাত উল্লেখ কৰা হৈছিল যে ৫০০ টন বা তাতকৈ অধিক ওজনৰ জাহাজত একোজনকৈ চ্যাপলেন থকাৰ লগতে ভাৰতৰ প্ৰত্যেক বাণিজ্য কেন্দ্ৰত কোম্পানীয়ে একোজন যাজক নিযুক্ত কৰিব লাগিব। আন এটা উপদফাত চ্যাপলেনসকলে স্থানীয় ভাষা শিকিব লাগিব বুলি উল্লেখ আছিল।

মিছনেৰীসকলে ভালদৰে অনুভৱ কৰিছিল যে অসমত বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত অসমীয়া ভাষাটোৱেই সংযোগী ভাষাৰ কাম কৰে আৰু অসমীয়া ভাষাৰ অবিহনে ইয়াত ধর্ম প্রচাৰ সম্ভৱ নহ'ব। তেওঁলোকে ভালদৰে জানিছিল যে থলুৱা ভাষাত ধর্ম সম্পর্কীয় পুথি পাঁজি প্রকাশ নকৰি বিদেশী বাংলা ভাষাৰ সহায় ল'লে মিছনৰ উদ্দেশ্য সিদ্ধি নহয়। ফলস্বৰূপে, অসমীয়া ভাষাৰ পুনৰ প্রতিষ্ঠাৰ বাবে মিছনেৰীসকল উঠি পৰি লাগিল। সেয়েহে তেওঁলোকে অসমীয়া ভাষাত পুথি ৰচনাৰ কামত হাত দিলে। বৃটিছ বিষয়াৰ পৃষ্ঠপোষকতাত পঢ়াশালি পাতিলে। মিছনেৰীসকলৰ প্রচেষ্টাতে প্রথম অসমীয়া সংবাদ-পত্র *অৰুণোদই* ১৮৪৬ চনত শিৱসাগৰৰ মিছনেৰী প্রেছৰ পৰা প্রকাশ পালে।

এই সময়তে কলিকতাত অধ্যয়নৰত অসমীয়া ছাত্রসকলেও নতুন চিন্তা, জ্ঞান আৰু পাশ্চাত্য সভ্যতা-সংস্কৃতিৰ সৈতে পৰিচিত হৈ উঠিছিল। কলিকতাৰ আধুনিক পৰিৱেশত তেওঁলোকে বুজি উঠিছিল যে, অসমীয়া জাতিৰ সর্বতো প্রকাৰৰ বিকাশৰ ক্ষেত্রত বাংলা ভাষাই হেঙাৰ স্বৰূপ। মাতৃভাষাৰ শিক্ষা অবিহনে যে অসমীয়া জাতিয়ে আগবাঢ়িব নোৱাৰিব সেই কথা উপলব্ধি কৰিয়েই তেওঁলোকে বৃটিছ প্রশাসনৰ ওচৰত অসমীয়া ভাষাৰ পুনৰপ্রচলনৰ বাবে আর্জি দিলে। ১৮৫৩ চনত মোফট মিলছ চাহাব অসমলৈ আহোতে আনন্দৰাম ঢেকিয়াল ফুকনে অসমৰ পঢ়াশালি আৰু কাছাৰীত পুনৰ অসমীয়া ভাষাৰ প্রচলনৰ বাবে যুক্তি দাঙি ধৰি প্রতিবেদন আগবঢ়ালে। মোফট মিলছেও নিজৰ প্রতিবেদনত (১৮৫৪) অসমীয়া ভাষাৰ সপক্ষে মত দিছিল যদিও বৃটিছ চৰকাৰে এই ক্ষেত্রত কোনো ধৰণৰ সঁহাৰি নজনালে। পৰৱর্তী সময়ত ঢেকিয়াল ফুকনে A Native ছদ্মনামেৰে 'A Few Remarks on Assamese Language and on Vernacular Education in Assam' নামৰ পুস্তিকা এখন মিছনেৰীসকলৰ সহায় সহযোগিতাত ৰচনা কৰি বিনামূলীয়াকৈ বিতৰণ কৰিছিল আৰু বিষয়টো বৃটিছ চৰকাৰৰ দৃষ্টিগোচৰ কৰিছিল। পৰৱর্তী সময়ত হেমচন্দ্র বৰুৱা আৰু গুণাভিৰাম বৰুৱাই অসমীয়া ভাষা পুনঃ প্রতিষ্ঠাৰ বাবে প্রচেষ্টা চলায়। অৱশেষত ইংৰাজ চৰকাৰে নিজৰ ভুল বুজি পাই ১৮৭৩ চনত পঢ়াশালি আৰু কাছাৰীত অসমীয়া ভাষাক পুনৰ প্রতিষ্ঠা কৰি ভাষাটোৰ ন্যায্য স্থান ঘূৰাই দিয়ে। আনন্দৰাম-হেমচন্দ্র-গুণাভিৰাম আৰু মিছনেৰীসকলৰ একান্ত প্রচেষ্টাৰ ফলতেই মৰণমুখী অসমীয়া ভাষাই পুনৰ প্রাণ পালে।

পঢ়াশালিত অসমীয়া ভাষাৰ পুনঃ প্রচলন হোৱাত অসমীয়া পাঠ্যপুথিৰ সমস্যাই দেখা দিয়ে। এই সমস্যাও মিছনেৰীসকলেই সমাধান কৰিলে। বাৰেমতৰা, প্রথম কিতাপ, সাধুকথা, প্রথম গণনা, দুতিয়া গণনা আদি পুথিসমূহ প্রণয়ন কৰি অসমীয়া ভাষাৰ পুনৰ প্রতিষ্ঠাত মিছনেৰীসকলে অৱদান আগবঢ়ালে। মিছনেৰীসকলে প্রকাশ কৰা অৰুণোদই সংবাদ-পত্রই সুদীর্ঘ কাল চর্চাহীন হৈ থকা অসমীয়া সাহিত্য-চর্চাক এক নতুন ভেটি গঢ় দিলে। এই অৰুণোদইৰ ভেটিতেই ক্রমে ১৮৭১ চনত আউনীআটী সত্রৰ পৰা প্রদান কৰিলে *আসাম-বিলাসিনী*, ১৮৮২ চনত *আসাম নিউজ* ১৮৮৫ চনত *আসাম বন্ধু* আৰু ১৮৮৬ চনত *মৌ* আদি আলোচনী প্রকাশ

হ'বলৈ ধৰে। উল্লেখযোগ্য যে, ১৮৮৯ চনত প্ৰকাশিত *জোনাকী* নামৰ আলোচনীখনে অসমীয়া সাহিত্যলৈ ৰমন্যাসৰ টো বোৱাই আনিছিল। অসমীয়া সাহিত্যৰ বুৰঞ্জীত *জোনাকী*আলোচনীখনৰ স্থান ইমানেই গুৰুত্বপূৰ্ণ যে *জোনাকী* আলোচনীখনৰ সময়টোক সাহিত্যৰ বুৰঞ্জীত জোনাকী যুগ বুলি নামকৰণ কৰা হয়। যি কি নহওঁক, মানৰ আক্ৰমণে ককাঁল ভাঙি থৈ যোৱা অসমীয়া জাতিৰ সাহিত্য চৰ্চা মিছনেৰীসকলৰ প্ৰচেষ্টাতেই পুনৰ ঠন ধৰি উঠিবলৈ ধৰে।

বৃটিছ শাসনৰ এই আদি কালছোৱাত অসমীয়া শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোৱেই অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ একান্ত সেৱক আছিল। এই মধ্যবিত্ত শ্ৰেণীটোৱে অতি আন্তৰিকতাৰে অসমীয়া ভাষা-সাহিত্যৰ বিকাশৰ বাবে প্ৰচেষ্টা চলাইছিল। আগতেই উল্লেখ কৰা হৈছে যে, এই অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৱে বৃটিছ চৰকাৰৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিছিল। যি সময়ত বৃটিছ চৰকাৰৰ শোষণ-নিপীড়ণৰ বিৰুদ্ধে অসমীয়া সাধাৰণ ৰাইজে মুকলিভাৱে বিদ্ৰোহ কৰিছিল সেই সময়ত এই অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৱে তাত অংশ গ্ৰহণ কৰাৰ পৰা বিৰত আছিল। বহুক্ষেত্ৰত বিদ্ৰোহ দমন কৰাত এই শ্ৰেণীটোৱে বৃটিছক সহায় সহযোগিতাহে কৰিছিল। সেয়েহে এই মধ্যবিত্ত শ্ৰেণীটোৰ সৃষ্ট সাহিত্যই পৰাধীনতাৰ বাধ্যবাধকতা আৰু ৰাজভক্তিৰ পৰা মুক্ত হৈ সৰ্বসাধাৰণ প্ৰজাৰ কণ্ঠস্বৰ নিনাদিত কৰিব পৰা নাছিল। অৱশ্যে এই সাহিত্যখিনিয়েই অসমীয়া আধুনিক সাহিত্যৰ ভেটিটো গঢ় দিছিল। এই সময়ছোৱাৰ সাহিত্যৰাজি আৰু সাহিত্যিকসকলৰ বিষয়ে অধ্যায়টোৰ পৰৱৰ্তী শাখাবোৰত বহলাই আলোচনা কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বৃটিছ ৰাজত্বৰ আৰম্ভণিত অসমত কি ধৰণৰ আৰ্থ-সামাজিক-ৰাজনৈতিক পৰিৱৰ্তন হ'ল, চমুকৈ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

১.৪ অৰুণোদই যুগৰ অসমীয়া সাহিত্য

আগতেই উল্লেখ কৰা হৈছে যে ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে ১৮২৬ চনত অসম বৃটিছৰ হাতলৈ যায়। পৰৱৰ্তী সময়ত অসমত মিছনেৰীসকলৰ প্ৰৱেশ ঘটে আৰু তেওঁলোকেই ১৮৪৬ চনত শিৱসাগৰৰ পৰা প্ৰথম অসমীয়া সংবাদ-পত্ৰ *অৰুণোদই* প্ৰকাশ কৰে। অৰুণোদই প্ৰকাশৰ ফলস্বৰূপেই অসমীয়া ভাষা-সাহিত্যৰ ৰুদ্ধ জীৱনে যেন নতুন প্ৰাণ নতুন গতি লাভ কৰে। সেয়েহে, অসমীয়া সাহিত্যৰ বুৰঞ্জীত ১৮২৬ চনৰ পৰা ১৮৯৮ চনলৈ ৰচিত অসমীয়া সাহিত্যৰাজিক অৰুণোদই যুগৰ সাহিত্য বুলি অভিহিত কৰা হৈছে। একেদৰে, ১৮৮৯ চনৰ পৰা ১৯৪০ চনলৈ ৰচিত সাহিত্যৰাজিক *জোনাকী* আলোচনীখনৰ নামেৰে জোনাকী যুগ বুলি অভিহিত কৰা হয়। অৰুণোদই যুগৰ সমস্ত সাহিত্যৰাজিক তিনিটা উপবিভাগত ভাগ কৰি আলোচনা কৰিব পৰা যায়। এই উপবিভাগকেইটা হ'ল—

১) ১৮২৬ চনৰ পৰা ১৮৪৬ চনলৈ **প্ৰাক্-অৰুণোদই স্তৰ**।

২) ১৮৪৬ চনৰপৰা ১৮৭৩ চনলৈ ***অৰুণোদই* ঃ অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠাৰ স্তৰ** আৰু

৩) ১৮৭৩ চনৰ পৰা ১৮৮৮ চনলৈ **আধুনিক অসমীয়া ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ স্তৰ**।


অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা সত্যেন্দ্ৰনাথ শৰ্মাই ১৮২৬ চনৰ পৰা ১৮৪৬ চনলৈ ৰচিত অসমীয়া সাহিত্যৰাজিক **প্ৰাক্-অৰুণোদই স্তৰ** বুলি নামকৰণ কৰিছে। অৰুণোদই যুগৰ ঐতিহাসিক পটভূমি শিতানত উল্লেখ কৰা হৈছে যে মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণে অসমীয়া সমাজ জীৱনৰ কঁকাল ভাঙি পেলাইছিল। সেই সময়ত সমগ্ৰ জাতিটোৱে একপ্ৰকাৰ নিজ প্ৰাণ ৰক্ষাৰ যুঁজত ব্ৰতী থাকিবলগীয়া হোৱাত সাহিত্য-সংস্কৃতিৰ দিশটোৰ প্ৰতি চকু দিবলৈ কাৰো আহৰি নাছিল।ৰাজনৈতিক দ্বন্দ্ব আৰু সামাজিক অস্থিৰতাই সাহিত্যৰপথাৰখন ছন পেলাই থৈছিল। সেয়েহে ঊনবিংশ শতিকাৰ প্ৰথম তিনিটা দশকত কোনো ধৰণৰ গুৰুত্বপূৰ্ণ সাহিত্য ৰচনা হোৱা নাছিল। মাথোন ১৮১৩ চনত মিছনেৰীসকলৰ সহায়ত শ্ৰীৰামপুৰ প্ৰেছৰ পৰা আত্মাৰাম শৰ্মাই কৰা বাইবেলৰ অসমীয়া ভাঙনি *ধৰ্মপুস্তক* পুথিখন প্ৰকাশ পায়। এইখনেই ছপাশালত গঢ় লোৱা প্ৰথম অসমীয়া ছপা পুথি। ১৮২৬ চনত বৃটিছৰ অসম আগমনৰ লগে লগে মিছনেৰীসকলৰো প্ৰৱেশ ঘটে। সেয়েহে ঊনবিংশ শতিকাৰ তৃতীয় দশকৰ পাছতহে অসমীয়া ভাষা সাহিত্যৰ কিছু উত্তৰণ সাধন হয়। কেইজনমান অসমপ্ৰেমী খ্ৰীষ্টিয়ান মিছনেৰী আৰু থলুৱা লোকৰ প্ৰচেষ্টাত অসমীয়া ভাষাত দুই এক পুথি প্ৰকাশ পায় আৰু একপ্ৰকাৰ নুমাই যোৱা অসমীয়া সাহিত্যৰ বস্তি গছিত কোমল আভা জিলিকি উঠে।

মিছনেৰীসকলে ১৮৪৬ চনত অৰুণোদই কাকতখন প্ৰকাশ কৰে। সেই সময়ৰপৰা আদালতআৰু পঢ়াশালিত পুনৰ অসমীয়া ভাষাৰ প্ৰচলন হোৱালৈকে অৰ্থাৎ ১৮৪৬ চনৰ পৰা ১৮৭৩ চনৰ ভিতৰত ৰচিত অসমীয়া সাহিত্যৰাজিক সত্যেন্দ্ৰনাথ শৰ্মাই **অৰুণোদই স্তৰ** বুলি অভিহিত কৰিছে। আগতেই উল্লেখ কৰা হৈছে যে প্ৰশাসনিক কাম কাজত সুবিধা হ'ব বুলি ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈ অসমৰ আদালতআৰু পঢ়াশালিত বৃটিছ চৰকাৰে বাংলা ভাষা জাপি দিছিল। এই সময়ছোৱাত মিছনেৰীসকলৰ সহযোগত আনন্দৰাম-গুণাভিৰাম-হেমচন্দ্ৰৰ একান্ত প্ৰচেষ্টাত ১৮৭৩ চনত বাংলা অধ্যায়ৰ সমাপ্তি ঘটে আৰু অসমৰ কাছাৰী আৰু পঢ়াশালিত পুনৰ অসমীয়া ভাষাই স্থান লাভ কৰে। সেয়েহে, মহেশ্বৰ নেওগে অৰুণোদই কাকতখন প্ৰকাশৰ সময়ৰ পৰা অসমীয়া ভাষাই হৃত মৰ্যাদা উভতাই পোৱা সময়ছোৱালৈ অৰ্থাৎ ১৮৪৬ চনৰ পৰা ১৮৭৩ চনৰ ভিতৰত ৰচিত অসমীয়া সাহিত্যৰাজিক ***অৰুণোদই* ঃ অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠাৰ সময়** স্তৰৰ অন্তৰ্ভুক্ত কৰি আলোচনা কৰিছে। তেওঁ ভাষা-সাহিত্যৰ বুৰঞ্জীৰ ফালৰ পৰা ১৮৭৩ চনটোক মাইলৰ খুটি বুলিও অভিহিত কৰিছে।

অসমত অসমীয়া ভাষাৰ পুনৰ প্ৰচলন আৰম্ভ হয় ১৮৭৩ চনত। অসমীয়া সাহিত্যত নৱ আলোড়নৰ জোৱাৰ কঢ়িয়াই অনা *জোনাকী* আলোচনীখন প্ৰকাশ হয় ১৮৮৯ চনত। এই দুয়োটা ঘটনাৰ মাজৰ সময়ছোৱাত কেইবাখনো অসমীয়া কাকত আলোচনীৰ জন্ম হয়।

আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীৰ উদ্যোগত *আসাম বিলাসিনী* (১৮৭১-১৮৮৩), হেমচন্দ্ৰ বৰুৱাৰ *আসাম নিউজ* (১৮৮২-১৮৮৫), গুণাভিৰাম বৰুৱাৰ *আসাম-বন্ধু* (১৮৮৫-১৮৮৬), হৰিনাৰায়ণ বৰাৰ সম্পাদনাত বলিনাৰায়ণ বৰাৰ *মৌ* (১৮৮৬), কৰুণাভিৰাম বৰুৱাৰ *ল'ৰাবন্ধু* (১৮৮৮) আদি আলোচনী এই সময়ছোৱাত প্ৰকাশ হয়। এই আলোচনীসমূহে অসমীয়া সাহিত্যৰ ভেটিটো দৃঢ় কৰি পৰৱৰ্তী সময়ৰ বাবে বাট কাটি সূচল কৰি তুলিলে। আনহাতে, এই সময়ছোৱাতে হেমচন্দ্ৰ বৰুৱাই মিছনেৰীসকলৰ দ্বাৰা প্ৰৱৰ্তিত বৰ্ণবিন্যাসৰ পৰিৱৰ্তন সাধন কৰি অসমীয়া বৰ্ণবিন্যাসৰ স্বৰূপ নিৰ্মাণ কৰি তুলিছিল। সেয়েহে, অসমীয়া সাহিত্যৰ ইতিহাস প্ৰণেতা সত্যেন্দ্ৰনাথ শৰ্মাই ১৮৭৩ চনৰ পৰা ১৮৮৮ চনলৈ, অসমীয়া সাহিত্যৰ এই গুৰুত্বপূৰ্ণ সময়ছোৱাক **হেমচন্দ্ৰ-গুণাভিৰাম অভ্যুদয়** আৰু **আধুনিক সাহিত্যৰ প্ৰকৃত প্ৰতিষ্ঠাৰ স্তৰ** বুলি নামকৰণ কৰিছে। ইয়াত এই স্তৰটোক **আধুনিক অসমীয়া ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ স্তৰ** ৰূপে নামকৰণ কৰা হৈছে।

অৰুণোদই যুগৰ এই তিনিওটা স্তৰত ৰচিত সাহিত্য আৰু সাহিত্যিকসকলৰ বিষয়ে তলৰ শাখা-উপশাখাসমূহত আলোচনা আগবঢ়োৱা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ অৰুণোদই যুগটোক কেইটা স্তৰত ভাগ কৰা হৈছে? প্ৰতিটো স্তৰৰ ভিত্তি উল্লেখ কৰি স্তৰসমূহৰ চমু পৰিচয় আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

১.৪.১ প্ৰাক্-অৰুণোদয় স্তৰ (১৮২৬-১৮৪৬)

অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতাসকলে ১৮২৬ চনৰ পৰা ১৮৪৬ চনলৈ অৰ্থাৎ বৃটিছসকল অসমলৈ প্ৰৱেশ কৰা বৰ্ষটোৰ পৰা *অৰুণোদই* আলোচনী প্ৰকাশ হোৱা বৰ্ষটোলৈ এই বিশ বছৰ কালছোৱাত ৰচিত অসমীয়া সাহিত্যৰাজিক প্ৰাক্-অৰুণোদই স্তৰৰ সাহিত্য ৰূপে চিহ্নিত কৰিছে। আগৰ শাখাত উল্লেখ কৰা হৈছে যে, ঊনবিংশ শতিকাৰ প্ৰথম তিনিটা দশকত কোনো ধৰণৰ গুৰুত্বপূৰ্ণ সাহিত্য ৰচনা হোৱা নাছিল। মাথোন ১৮১৩ চনত মিছনেৰীসকলৰ সহায়ত শ্ৰীৰামপুৰ প্ৰেছৰ পৰা আত্মাৰাম শৰ্মাই কৰা বাইবেলৰ অসমীয়া ভাঙনি *ধৰ্মপুস্তক* পুথিখন প্ৰকাশ পায়। তৃতীয় দশকৰ পিছত ১৮৩৯ চনত ৰবিন্চন চাহাবৰ ইংৰাজী ভাষাত লিখা অসমীয়া ব্যাকৰণ পুথিখন প্ৰকাশ পাইছিল। একেদৰে, ১৮৩৯ চনত যদুৰাম ডেকাবৰুৱাৰ *অসমীয়া বঙলা অভিধান*, ১৮৪০ চনত শ্ৰীমতী কট্টাৰৰ (মিষ্টাৰ কট্টাৰৰ পত্নী) *অসমীয়া শব্দাৱলী আৰু খণ্ডবাক্য* আদি ভাষাবিষয়ক গ্ৰন্থ প্ৰকাশ পাইছিল। এই স্তৰত কেইবাখনো বুৰঞ্জী বিষয়ক গ্ৰন্থ প্ৰকাশ পাইছিল। ১৮৩৩ চনত বিশ্বেশ্বৰ বৈদ্যাধিপৰ *বেলিমাৰ বুৰঞ্জী*, ১৮৩৮ চনত মণিৰাম বৰভাণ্ডাৰ দেৱানৰ *বুৰঞ্জী বিৱেকৰত্ন*, ১৮৪৪ চনত কাশীনাথ তামুলী ফুকনৰ

অসম বুৰঞ্জী আদি। উল্লেখযোগ্য যে এই স্তৰতেই ১৮৩৯ চনত হলিৰাম ঢেকিয়াল ফুকনৰ *আসাম বুৰঞ্জী* গ্ৰন্থখন প্ৰকাশ পাইছিল যদিও উক্ত গ্ৰন্থখন তেওঁ বাংলা ভাষাতহে ৰচনা কৰিছিল। এইদৰে প্ৰাক্-অৰুণোদই স্তৰত মুষ্টিমেয় কেইগৰাকীমান দেশী-বিদেশী সাহিত্যিকে অসমীয়া সাহিত্যৰ একপ্ৰকাৰ ৰুদ্ধ হৈ পৰা বিকাশৰ যাত্ৰাটোত গতি সঞ্চাৰ কৰাৰ প্ৰয়াস কৰিছিল। তলত এই স্তৰৰ সাহিত্যিকসকলৰ চমু পৰিচয় আগবঢ়োৱা হৈছে।

- **আত্মাৰাম শৰ্মা ঃ** আত্মাৰাম শৰ্মা নগাঁৱৰ কলিয়াবৰ অঞ্চলৰ লোক আছিল। শৰ্মাই জগন্নাথ ধাম তীৰ্থ কৰি উভতি অহাৰ পথত শ্ৰীৰামপুৰত খ্ৰীষ্টিয়ান মিছনেৰী উইলিয়াম কেৰিৰ সান্নিধ্য লাভ কৰে আৰু খ্ৰীষ্টিয়ান ধৰ্মৰ দীক্ষাৰে দীক্ষিত হৈ বিয়াবাৰু কৰাই নিগাজীকৈ থাকে। পৰৱৰ্তী সময়ত উইলিয়াম কেৰিৰ নিৰ্দেশ অনুসৰি তেওঁ *বাইবেলৰ নিউ টেষ্টামেণ্ট* আৰু পাছত *অ'ল্ড টেষ্টামেণ্ট* অসমীয়ালৈ ভাঙনি কৰে। অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতাসকলে অসমীয়া ভাষাত লিখা খ্ৰীষ্টিয়ান ধৰ্মৰ প্ৰচাৰ পুস্তিকাসমূহো আত্মাৰাম শৰ্মায়ে ৰচনা কৰিছিল বুলি ধাৰণা কৰিছিল। গুৱাহাটীলৈ খ্ৰীষ্টিয়ান ধৰ্মৰ প্ৰচাৰ কৰিবলৈ পঠোৱা প্ৰথমজন প্ৰচাৰক জেমছ্ ৰেক আত্মাৰাম শৰ্মায়ে অসমীয়া ভাষাৰ কাৰিকৰী জ্ঞান প্ৰদান কৰি পঠোৱাৰ উল্লেখ পোৱা যায়। আত্মাৰাম শৰ্মাৰ ৰচনাত তৎসম শব্দৰ বহুল প্ৰয়োগ বিচাৰি পোৱা যায়। তেওঁৰ আখৰ জোঁটনিও ব্ৰাউন,ব্ৰন্চন আদি মিছনেৰীসকলতকৈ পৃথক আছিল আৰু মিছনেৰীসকলৰ দৰে যিদৰে কোৱা হয় সেইদৰেই লিখাৰ পক্ষপাতী তেওঁ নাছিল।

- **কাশীনাথ তামুলীফুকন ঃ** কাশীনাথ তামুলীফুকন আছিল অসমৰ শেষ ৰজা পুৰন্দৰ সিংহই বৃটিছৰ পৰা লালবন্দীকৈ লোৱা ৰাজত্ব কালৰ (১৮৩৪-১৮৩৮) ৰাজসভাৰ সভাসদ। পুৰন্দৰ সিংহৰ মৃত্যুৰ পাছত তামুলীফুকনে ইংৰাজৰ অধীনত মুন্সিফ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। তামুলীফুকনে *অসম বুৰঞ্জী* নামৰ বুৰঞ্জী এখন ৰচনা কৰিছিল। শিৱসাগৰৰ আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলৰ প্ৰেছৰ পৰা ১৮৪৪ চনত এই বুৰঞ্জীখন প্ৰকাশ পাইছিল। *তুংখুঙীয়া বুৰঞ্জী*ৰ প্ৰণেতা শ্ৰীনাথ বৰবৰুৱাৰ পুত্ৰ ৰাধানাথ বৰবৰুৱাই তামুলীফুকনক *অসম বুৰঞ্জী*খন ৰচনা কৰাৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াইছিল। উল্লেখযোগ্য যে, তামুলীফুকনে প্ৰণয়ন কৰা *অসম বুৰঞ্জী*ৰ আলমতে পৰৱৰ্তী কালত হৰকান্ত শৰ্মা সদাৰামীনে অন্য এখন বুৰঞ্জী *আসাম বুৰঞ্জী* নামেৰে ৰচনা কৰিছিল।

- **বিশ্বেশ্বৰ বৈদ্যাধিপ ঃ** আহোম ৰজা পুৰন্দৰ সিংহৰ দ্বিতীয় আমোলত দৈৱজ্ঞ কুলৰ বিশ্বেশ্বৰ বৈদ্যাধিপে ৰাজ বৈদ্যৰ দায়িত্ব পালন কৰিছিল। এওঁৰ অন্য এটা নাম

বিকাৰাম। বৈদ্যাধিপে পুৰণি কাব্যৰ ৰীতি, পদ, দুলড়ী, ছবি, লেছাৰী, ঝুমুৰা আদি ছন্দত বুৰঞ্জী এখন ৰচনা কৰিছিল। সূর্য্য কুমাৰ ভূঞাই এই বুৰঞ্জীখন *বেলিমাৰৰ বুৰঞ্জী*নামেৰে প্ৰকাশ কৰিছিল। বুৰঞ্জীখনত গৌৰীনাথ সিংহৰ পৰা চন্দ্ৰকান্ত সিংহৰ দিনলৈকে আনুমানিক ১৭৯০ চনৰ পৰা ১৮১৯ চনলৈ সংঘটিত ঐতিহাসিক ঘটনাৱলীৰ অবিকৃত আৰু কাব্যসুলভ মধুৰ বিৱৰণ বিচাৰি পোৱা যায়। সূর্য্য কুমাৰ ভূঞাৰ মতে বুৰঞ্জীখনৰ ৰচনা কাল ১৮৩৩ চনৰ পৰা ১৮৪৬ চনৰ ভিতৰত হ'ব লাগে।

জানি থোৱা ভাল



ক) বিশ্বেশ্বৰ বৈদ্যাধিপৰ *বেলিমাৰৰ বুৰঞ্জী* আৰু দুতিৰাম হাজৰিকাৰ *কলিভাৰত* দুয়োখন বুৰঞ্জীয়ে ড° সূর্য্য কুমাৰ ভূঞা সম্পাদিত *অসমৰ পদ্য বুৰঞ্জীত* সন্নিৰিষ্ট হৈ আছে।

খ) *অসমীয়া সাহিত্যৰ বুৰঞ্জীত* প্ৰথম পদ্য বুৰঞ্জী ৰচনা কৰে বিশ্বেশ্বৰ বৈদ্যাধিপে। তেওঁৰ বুৰঞ্জীখন হ'ল— *বেলিমাৰৰ বুৰঞ্জী*।

- **মণিৰাম দেৱান ঃ** মণিৰাম দেৱানৰ জন্ম ১৮০৬ চনত শিৱসাগৰত হৈছিল। তেওঁ শিৱসাগৰৰ চাৰিঙৰ ৰাজদত্ত বৰুৱাৰ পুত্ৰ আছিল। আহোম ৰজা পুৰন্দৰ সিংহৰ দ্বিতীয় শাসন কালত মণিৰাম দেৱানে ৰাজসভাসদ ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। পাছত বৃটিছ আমোলত মিৰমুঞ্চি আৰু পেচ্‌কাৰৰ দায়িত্বও গ্ৰহণ কৰিছিল আৰু শেষত অসম চাহ কোম্পানীত দেৱান হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। পিছলৈ তেওঁ নিজাকৈ চাহ বাগিছা খুলিছিল আৰু প্ৰথমজন অসমীয়া চাহ খেতিয়ক হৈছিল। চাহ খেতি আৰু তাৰ ব্যৱসায়ৰ অভিজ্ঞতাই মণিৰামক ইংৰাজসকলৰ ৰাজহ নীতিৰ বিৰুদ্ধে বিদ্রোহী কৰি তুলিছিল। সেয়েহে অসমত বৃটিছ ৰাজত্বৰ অৱসান বিচাৰি কন্দৰ্পেশ্বৰ সিংহক পুনৰ ৰাজপাটত বহুৱাবলৈ পুৰুষার্থ কৰিছিল। ইংৰাজ বিৰোধী কার্যকলাপত জড়িত হোৱাৰ বাবে ইংৰাজ চৰকাৰে চিপাহী বিদ্রোহত সংশ্লিষ্ট বুলি মণিৰাম দেৱানক ১৮৫৮ চনত মৃত্যুদণ্ড বিহে। মণিৰাম দেৱানে কেইবাটাও খণ্ডত বিভক্ত *বুৰঞ্জীবিবেক ৰত্ন*নামৰ বুৰঞ্জী পুথি ৰচনা কৰাৰ সম্ভেদ পোৱা যায়। অৱশ্যে পুথিখনৰ কেৱল দ্বিতীয় খণ্ডটোহে এতিয়ালৈ উদ্ধাৰ হৈছে। ১৮৩৮ চনত ৰচিত উক্ত খণ্ডটোত অসমৰ ৰাজনৈতিক, সামাজিক, ধার্মিক আৰু অর্থনৈতিক অৱস্থা সম্পর্কে গভীৰ তথ্য আৰু জ্ঞানৰ পৰিচয় পোৱা যায়। প্ৰাচীন অসমৰ ধর্ম তথা

সমাজ, জাতি আৰু বর্ণ, আহোমৰ শাসন পদ্ধতিৰ বিভিন্ন দিশ, বৈষ্ণৱ পন্থা তথা সত্ৰৰ উৎপত্তি, শাক্তসকলৰ 'আগমোক্ত মার্গ'ৰ প্ৰচাৰ, মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ দিনৰ ভালেমান কথা এই বুৰঞ্জীখনত লিপিবদ্ধ হৈছে।

- **যদুৰাম ডেকাবৰুৱা ঃ** যদুৰাম ডেকাবৰুৱাৰ জন্ম হৈছিল ১৮০১ চনত যোৰহাটত। তেওঁৰ পিতৃৰ নাম আছিল কৃষ্ণদাস ভৰালী। চন্দ্ৰকান্ত সিংহ আৰু পুৰন্দৰ সিংহৰ ৰাজশাসনত বিষয়া ৰূপে বিষয় ভোগ কৰি পাছত ইংৰাজ শাসকৰ তলত মুন্সিফ ৰূপে কার্যনির্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। যদুৰাম ডেকাবৰুৱাই কলিকতাৰ পৰা প্ৰকাশিত বিভিন্ন আলোচনীত আৰু *অৰুণোদইত* প্ৰবন্ধপাতি লিখিছিল। তেওঁৰ জীৱনৰ উল্লেখযোগ্য কৃতি হ'ল বঙলা-অসমীয়া অভিধান। ১৯৩৯ চনত তেওঁ এই অভিধানখন প্ৰণয়ন কৰি কর্ণেল জেনকিঞ্চৰ হাতত অর্পণ কৰিছিল। অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা সত্যেন্দ্ৰনাথ শর্মাই অনুমান কৰিছে যে ডেকাবৰুৱাৰ *বঙলা-অসমীয়া অভিধান*খনৰ ওপৰত ভিত্তি কৰিয়েই সম্ভৱতঃ পৰৱর্তী কালত মাইল্চ ব্ৰন্সন চাহাবে তেওঁৰ অভিধানখন সম্পূর্ণ কৰিছিল।

এনেদৰে প্ৰাক্-অৰুণোদই কালত বিভিন্ন প্ৰৱন্ধ পাতি আৰু পুথি প্ৰকাশ হৈছিল যদিও ক্ষীণকৈ বৈষ্ণৱ সাহিত্যৰ ধাৰা এটিও চলি আছিল। এই সময়ছোৱাতে ঘনশ্যাম খাৰঘৰীয়া ফুকনে *কল্কিপুৰাণ*ৰ অসমীয়া অনুবাদ কৰে, পৰশুৰাম দ্বিজে *ধর্মপুৰাণ* আৰু *বিষ্ণুপুৰাণ*ৰ পদ অসমীয়ালৈ ভাঙনি কৰে। একেদৰে পৰশুৰাম দ্বিজে *শ্ৰীকেলিৰহস্য* ৰচনা কৰে। দুতিৰাম হাজৰিকাৰ *কলিভাৰত বুৰঞ্জী* নামৰ বুৰঞ্জী পুথিখনো এই স্তৰৰে ৰচনা। উক্ত বুৰঞ্জীখন ছন্দত ৰচিত আৰু মুক্তাৱলী, লেছাৰী আদি ছন্দৰ প্ৰয়োগ ইয়াত আছে।

এইদৰে প্ৰাক্-অৰুণোদই স্তৰত অতি নগণ্য সংখ্যক সৃষ্টিৰাজিৰে হ'লেও চতুর্দশ শতিকাৰ পৰাই প্ৰৱাহমান হৈ থকা অসমীয়া সাহিত্যৰ বিকাশ সূত্ৰডাল অসমীয়া সাহিত্যিকৰ আপ্ৰাণ চেষ্টাত কোনো প্ৰকাৰে ছিঙি নোযোৱাকৈ থাকিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ 'প্ৰাক্-অৰুণোদই স্তৰ'ত কোন কোন উল্লেখযোগ্য সাহিত্যিকে অসমীয়া সাহিত্যিলৈ বৰঙণি আগবঢ়াইছিল ? এই স্তৰত ৰচিত অসমীয়া ভাষা সম্পর্কীয় পুথিবোৰৰ এটি পৰিচয় দাঙি ধৰক।

(২০০টা শব্দৰ ভিতৰত)

১.৪.২ *অৰুনোদই* ঃ অসমীয়া ভাষাৰ পুনঃ প্ৰতিষ্ঠাৰ স্তৰ

মিছনেৰীসকলৰ উদ্যোগত ১৮৪৬চনৰ জানুৱাৰী মাহত শিৱসাগৰৰ পৰা প্ৰথম অসমীয়া সংবাদ-পত্ৰ, আলোচনী *অৰুণোদই*প্ৰকাশ পায়। অসমীয়া মানুহৰ মনৰ মাজত সোমাই খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰ কৰাটোৱেই আলোচনীখনৰ মুখ্য উদ্দেশ্য আছিল। যদিও আলোচনীখনে খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰ কৰাত বৰ সফল হ'ব পৰা নাছিল তথাপি দিনে দিনে বাঢ়ি যোৱা পাঠকৰ সংখ্যাই মিছনেৰীসকলক যথেষ্ট উৎসাহিত কৰিছিল। বিভিন্ন কাৰণত সেই সময়ত অসমীয়া সমাজত *অৰুণোদই*কাকতে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সমৰ্থ হৈছিল। আনকি অসমীয়া ভাষাৰ কোনো জ্ঞান নথকা ইংৰাজী ভাষীসকলেও এই সুযোগতে অসমীয়া ভাষা শিকিবলৈ যত্নপৰ হৈছিল। বিশেষকৈ ভাষাৰ নতুন প্ৰয়োগ আৰু ব্যাকৰণগত ৰূপ, বাক্যগঠন ৰীতিয়ে এই ক্ষেত্ৰত অধিক প্ৰভাৱ বিস্তাৰ কৰিছিল। ধৰ্ম প্ৰচাৰত সফল হ'ব নোৱাৰিলেও অৰুণোদইয়ে অসমীয়া সাহিত্যৰ আধুনিকতাৰ ভেটিটো নিৰ্মাণ কৰিছিল। এই আলোচনীৰ জৰিয়তেই অসমীয়া গদ্যই আধুনিক ৰূপ লাভ কৰিবলৈ সক্ষম হয়। আলোচনীখনত প্ৰকাশ হোৱা বিভিন্ন প্ৰবন্ধই অসমীয়া গদ্যৰ ভাব প্ৰকাশৰ স্বৰূপটোক শক্তিশালী কৰি তোলে। *অৰুণোদই*ৰ আগতে যিবোৰ গদ্য প্ৰকাশ হৈছিল সেইবোৰত অসমীয়া গদ্যশৈলীৰ কিশলয় ৰূপটোহে দেখা পোৱা গৈছিল। *অৰুণোদই*ত অসমীয়া গদ্যই ক্ৰমান্বয়ে বিকাশৰ ফালে অগ্ৰসৰ হৈছিল।

জানি থোৱা ভাল



বৃটিছ অধিকৃত ভাৰতৰ কেৱল অসমতেই ***অৰুণোদই*** নামেৰে আলোচনী বা সংবাদ-পত্ৰ প্ৰকাশ হোৱা নাছিল। ১৮৩৯ চনত এই নামেৰে এখন বাংলা আলোচনীও ওলাইছিল। আলোচনীখনৰ সম্পাদক আছিল জগতনাৰায়ণ মুখার্জী। ১৮৪৮ চনত একেটা নামেৰে পঞ্চানন বানার্জী নামৰ এজনে সাপ্তাহিক কাকত এখন উলিয়াইছিল। ১৮৬৬ চনতো *অৰুণোদই* নামেৰে এখন কাকত ছপা হৈছিল। মিছনেৰীসকলৰ প্ৰচেষ্টাতে ওড়িআ ভাষাতো *অৰুণোদই* নামৰ সংবাদ-পত্ৰ এখন প্ৰকাশ পাইছিল। অৱশ্যে এই কাকতখনৰ আয়ুস আছিল মাত্ৰ তিনি বছৰ।

অৰুণোদই কাকতখন কিমানদিন চলিছিল সেই সম্পৰ্কে উপযুক্ত তথ্য পোৱা নাযায়। ১৮৮২ চনত শিৱসাগৰৰ মিছন প্ৰেছৰ যন্ত্ৰ ই. ডব্লিউ. ক্লার্কে বেছি দিয়া বুলি এটি তথ্য পোৱা যায়। ১৮৪৬ চনৰ পৰা ১৮৮০ চনলৈকে *অৰুণোদই*ৰ সম্পাদকসকলৰ নামো স্পষ্টকৈ ক'ব পৰা নাযায়। ওলিভাৰ ও. টি. কট্টাৰে প্ৰকাশক আৰু মুদ্ৰণৰ কাম কৰিছিল। গতিকে কাকতখনত তেওঁৰ নামটিহে প্ৰকাশ হৈ ওলাইছিল। ১৮৫০ চনৰ শেষৰ ফালেহে কাকতখনত ড°নাথান ব্ৰাউনৰ নামটি সম্পাদক হিচাপে প্ৰকাশ কৰিছে। প্ৰকাশক আৰু মুদ্ৰক হিচাপে ও. টি. কট্টাৰৰ নাম থকা বাবে তেওঁকেই প্ৰথম সম্পাদক

বুলি বহুতে ভুল কৰে। মুঠতে কাকতখনৰ প্ৰথম নটা বছৰ নাথান ব্ৰাউনেই আছিল। ইয়াৰ পিচত ক্ৰমে এ. হাও ডেনফোৰ্থ, ছেমুৱেল এম হোৱাইটনিং, উইলিয়াম ৰার্ড, এডৰার্ড ডব্লিউ, ক্লার্ক, শ্ৰীমতী ৰার্ড, এ. কে. গার্নি ইত্যাদিয়ে সম্পাদকৰ দায়িত্ব বহন কৰে। আনহাতে, *অৰুণোদই* প্ৰকাশৰ ১৫ বছৰ পিছত অর্থাৎ ১৮৬১ চনৰ জানুৱাৰীৰ পৰা *অৰুণোদইৰ* সলনি কাকতখনৰ নামটো *অৰুণোদয়হয়*। কাকতখনৰ প্ৰতি সংখ্যাতে ১৬ৰ পৰা ২৪ পিঠিলৈ আছিল। কাকতখনৰ বছৰেকীয়া বৰঙণি আছিল এটকা। ১৮৬৭ খ্ৰীঃত ইয়াৰ গ্ৰাহক ৭০০ মান হৈছিল। কাকতখনৰ শিৰোনামা এনেদৰে লিখা হৈছিল— "*অৰুণোদই* সম্বাদ-পত্ৰ। প্ৰথম ছোআ মোঃ শিবসাগৰ জানোআৰি ১৮৪৬ খ্ৰিষ্ট অঃ সঁক। ১ নম্বৰ।"

খ্ৰীষ্টিয়ান ধর্ম প্ৰচাৰ কৰাটোৱেই *অৰুণোদইৰ* মূল উদ্দেশ্য আছিল যদিও আলোচনীখনত অন্যান্য বিভিন্ন বিষয়ৰ প্ৰবন্ধ প্ৰকাশ পাইছিল। কিয়নো *অৰুণোদইখন* আছিল Monthly Magazine, devoted to religion, science and general intelligence। সেয়েহে এই আলোচনীখনত অনেক দেশৰ সংবাদ প্ৰদান, বিভিন্ন দেশৰ প্ৰসিদ্ধ ঐতিহাসিক ঘটনাৰ পৰিচয়, প্ৰকৃত অধ্যয়ন, নৈতিক শিক্ষা, হিন্দুস্তানৰ বিৱৰণ, অসমত সেই সময়ত ঘটা কিছুমান ঘটনা, চুটি সাধু, জীৱনী, ভূগোল বিষয়ক ৰচনা, বৈজ্ঞানিক আৱিস্কাৰ আদি প্ৰকৃতিৰ ৰচনা প্ৰকাশ পাইছিল। *অৰুণোদইয়ে* আলোচনী আৰু বাতৰি কাকত দুয়োটাৰ কাম কৰিছিল। দেশ বিদেশৰ তথ্যপূর্ণ ভাঙনিৰ উপৰিও পুৰণি অসমীয়া বুৰঞ্জী আৰু জ্ঞানৰ পুথি ছোৱা-ছোৱাকৈ ইয়াত প্ৰকাশ পাইছিল। আলোচনীখনত স্থান বিশেষে চিত্ৰ সংযোগ কৰি আকর্ষণীয় কৰি তোলাৰো যত্ন কৰা হৈছিল। মূলতঃ বৈষ্ণৱ গণ্ডীৰ সাহিত্য চর্চাতে সীমাবদ্ধ থকা অসমীয়া মানুহক *অৰুণোদইয়ে* নতুন নতুন বিষয় আৰু ধ্যান ধাৰণাৰে উদ্বেলিত কৰি তুলিছিল।

অৰুণোদই সংবাদ-পত্ৰখনত প্ৰবন্ধৰ লগতে কিছু সংখ্যক কবিতাও প্ৰকাশ পাইছিল। এই কবিতাবোৰৰ অধিকাংশই নিধিৰাম ফাৰৱেলে ৰচনা কৰা। তেওঁ ৰচনা কৰা কবিতা কিছুমান হ'ল— নিস্তাৰৰ উপাই, ঈশ্বৰৰ দশম আখ্যা, স্বর্গৰ বিৱৰণ, নৰকৰ বিৱৰণ, বিনই বচন, প্ৰভু যীচুখ্ৰীষ্টৰ অৱতাৰ বিৱৰণ, কামাখ্যাৰ বিৱৰণ আদি। *অৰুণোদইত* প্ৰকাশ পোৱা নিধিৰাম ফাৰৱেলৰ কবিতাবোৰ আছিল খ্ৰীষ্টিয়ান ধর্মৰ আদর্শ প্ৰকাশক। *অৰুণোদইত* প্ৰকাশ পোৱা অন্য কিছুমান কবিতা হ'ল— দয়াৰাম চেটিয়াৰ চপাখানাৰ বিৱৰণ, মুন্সি কেফায়ৎ উল্লাৰ জ্ঞানী-অজ্ঞানীৰ চৰিত্ৰ বর্ণনা, কিনাৰাম সত্ৰিয়াৰ কলিকতাৰ সুখিয়াতি, পূর্ণানন্দ গোহাঁইৰ বিবেচনাৰ গুণ আদি। এই কবিতাবোৰত বৈষ্ণৱ ঠাঁচ আৰু পাশ্চাত্য ৰীতিৰ মিশ্ৰিত আবেদন বিচাৰি পোৱা যায়। এই কবিতাবোৰৰ বিষয়বস্তু বৰ গভীৰ নাছিল। বিভিন্ন ঠাই, তীর্থস্থানৰ বর্ণনা আৰু চাৰিত্ৰিক বর্ণনাই অধিকাংশ কবিতাৰ বিষয়বস্তু আছিল। একেদৰে কবিতাবোৰত প্ৰকাশিত ভাববস্তুও আছিল তৰল প্ৰকৃতিৰ। কবিতাবোৰত থকা আংগিকগত দুর্বলতাই কবিতাবোৰৰ সাহিত্যিক সুষমা

বিনষ্ট কৰিছিল। সেয়ে হ'লেও কবিতাবোৰৰ ঐতিহাসিক মূল্য নুই কৰিব নোৱাৰি। *অৰুণোদই*ত প্ৰকাশিত অসমীয়া কবিতাবোৰেই পৰৱৰ্তী কালৰ অসমীয়া কবিতাৰ বাট পোনাইছিল। এইবোৰ কবিতাৰ ভেটিতেই নতুন অসমীয়া কবিতাৰ চৰ্চা আৰম্ভ হৈছিল।

মিছনেৰীসকলে যত্ন কৰি অসমীয়া ভাষা শিকি লৈছিল যদিও তেওঁলোকৰ ভাষা আছিল সৰল আৰু কথিত ভাষাৰ ওচৰ চপা। তেওঁলোকে অসমীয়া ভাষাৰ জতুৱা ঠাঁচটো বিশুদ্ধ ৰূপত আয়ত্ত কৰিব পৰা নাছিল। সেয়েহে, মিছনেৰীসকলৰ গদ্যৰীতি সৰল আৰু বৰ্ণবিন্যাস প্ৰণালী আছিল উচ্চাৰণগত। তেওঁলোকে যুক্তধ্বনিবোৰ ভাঙি কোমল কৰি লৈছিল। শ, ষ আৰু স ৰ পৰিৱৰ্তে কেৱল স, য, জ আৰু ঝ ৰ ঠাইত কেৱল জ, চ আৰু ছ ৰ ভিতৰত কেৱল চ বৰ্ণটো ব্যৱহাৰ কৰিছিল। মূৰ্ধন্য ধ্বনিবোৰ বাদ দিছিল আৰু কেৱল দন্ত্য ধ্বনিসমূহ ব্যৱহাৰ কৰিছিল। ক্ষ ৰ ঠাইত খ্য, জ্ঞ-ৰ ঠাইত গ্য, দৃ-ৰ ঠাইত দ্রি ব্যৱহাৰ কৰিছিল। কথিত অসমীয়াৰ গুণ অনুসৰিয়েই মিছনেৰীসকলে নিজৰ গদ্যত দীৰ্ঘ স্বৰৰ ব্যৱহাৰ কৰা নাছিল। মিছনেৰীসকলৰ মাতৃভাষা ইংৰাজী হোৱা বাবে তেওঁলোকে লিখা অসমীয়া গদ্যৰ বাক্যবিন্যাস ইংৰাজী অনুগামী হৈছিল। সেয়েহে গদ্যবোৰ বিজতৰীয়া আৰু আচহুৱা ধৰণৰ আছিল। অৱশ্যে গাঁথনিক দুৰ্বলতা থাকিলেও অৰুণোদইৰ গদ্যৰ মাজেৰেই অসমীয়া ভাষাৰ প্ৰকৃত আধুনিক গদ্যৰ বিকাশৰ ধাৰাই পাতনি মেলিছিল। পৰৱৰ্তী সময়ত হেমচন্দ্ৰ বৰুৱাই অৰুণোদইৰ গদ্যকে আধাৰ ৰূপে লৈ অসমীয়া গদ্যক সংস্কৃতানুগামী কৰি স্থিৰ ৰূপ এটা নিৰ্দ্ধাৰণ কৰি দিয়ে।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে যদিও মিছনেৰীসকল সম্ৰাজ্যবাদী ইংৰাজসকলৰেই সঙ্গী আছিল আৰু মূলতঃ খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰ কৰাটোৱেই তেওঁলোকৰ মুখ্য উদ্দেশ্য আছিল, তথাপি অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ তেওঁলোকৰ অৱদান চিৰস্মৰণীয়। মিছনেৰীসকলৰ অৱদানসমূহ তলত উল্লেখ কৰা ধৰণে দেখুৱাব পাৰি—

১) মিছনেৰীসকলে বৃটিছ চৰকাৰৰ লগত যুঁজ দি অসমীয়া ভাষাক পঢ়াশালি আৰু আদালতত পুনৰ প্ৰতিষ্ঠা কৰাত সহায় কৰিলে। কলিকতাৰ সদৰ দেৱানী আদালতৰ জজ মোফাট মিল্‌চ চাহাবৰ আগত এত্‌লা দাখিল কৰোঁতে, ৰবিন্সন চাহাবৰ অসমীয়া ভাষা প্ৰচলন বিৰোধী অভিমতৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ জনাই অসমীয়া ভাষাৰ স্বতন্ত্ৰতা প্ৰমাণ কৰোঁতে আৰু অসমীয়া জনসাধাৰণৰ উন্নতি যে মাতৃভাষাৰ যোগেদি লাভ কৰা শিক্ষাৰ পৰাহে সম্ভৱ এই কথা পদে-প্ৰমাণে ব্যাখ্যা কৰোঁতে মিছনেৰীসকলে যি অহোপুৰুষাৰ্থ কৰিলে তাৰ কাৰণে অসমীয়া ভাষী লোক তেওঁলোকৰ ওচৰত ঋণী হৈ ৰ'ল।

২) মিছনেৰীসকলে অসমীয়া ভাষাৰ ব্যাকৰণ, অভিধান, পাঠ্যপুথি ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যৰ ভেটি সুদৃঢ় কৰিলে। অভিধান, ব্যাকৰণ, পাঠ্যপুথি অবিহনে কোনো ভাষা আয়ত্ব কৰা আৰু সাহিত্য ৰচনা কৰা সম্ভৱ নহয়। যদিও মিছনেৰীসকলে খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰ কৰাৰ সুবিধাৰ্থেই এইবোৰ ৰচনা কৰিছিল তথাপি পৰোক্ষ

ৰূপে ইবোৰে অসমীয়া ভাষাৰ যুগজয়ী উপকাৰ সাধন কৰিলে।

৩) মিছনেৰীসকলৰ কৃপাতেই অসমীয়া ভাষাত প্ৰথম আলোচনী-বাতৰি কাকত প্ৰকাশ হয়। ফলস্বৰূপে বহির্বিশ্বৰ লগত সম্পৰ্কহীন অসমীয়া মানুহে পাশ্চাত্য জগতৰ সংবাদ লাভ কৰিলে।

৪) মিছনেৰীসকলে পুৰণি জ্ঞান-বিজ্ঞান তথা বুৰঞ্জীৰ পুথি সংগ্ৰহ কৰি সেইবোৰক ছপা ৰূপ দিছিল। এয়াই পুৰণি পুথি সংগ্ৰহ আৰু সংৰক্ষণৰ প্ৰথম প্ৰচেষ্টা আছিল। মিছনেৰীসকলে সংৰক্ষণৰ ব্যৱস্থা নকৰাহেঁতেন হয়তো বহুতো অসমীয়া পুথি কালৰ বুকুত বিলুপ্ত হৈ গ'লহেঁতেন। আনহাতে, এই সংৰক্ষণ প্ৰক্ৰিয়াই অসমীয়া মানুহক দুষ্প্ৰাপ্য আৰু মূল্যবান সম্পদৰ সংৰক্ষণৰ প্ৰকাৰ আৰু প্ৰয়োজনীয়তাৰ জ্ঞান দিলে।

৫) মিছনেৰীসকলে অসমীয়া ভাষাৰ শব্দাৱলীত নতুন পোহৰ পেলালে। ইংৰাজী শব্দৰ ভাব লৈ অসমীয়াত নতুন নতুন শব্দৰ সৃষ্টি কৰিলে, যেনে— ইংৰাজী switzerland নামটোৰ বাবে অসমীয়াত জুপিতৰাৰ দেশ, ইংৰাজী ice শব্দটোৰ বাবে পানীশিল আদি শব্দ গঠন কৰিলে।অসমীয়া ভাষাৰ যিবোৰ মিঠা মিঠা শুৱলা শব্দ ব্যৱহাৰ নকৰাত মামৰে ধৰিছিল, তেওঁলোকে সেইবোৰ শব্দ পুনৰ ব্যৱহাৰৰ উপযোগী কৰি তুলিলে।

৬) মিছনেৰীসকলে অসমীয়া ভাষাক এটা নতুন সুৰ শিকাই থৈ গ'ল, সেই সুৰ পাশ্চাত্য সাহিত্যৰ নিজা সম্পত্তি। মিছনেৰী চাহাবসকলে সাত সাগৰ তেৰ নদী পাৰ হৈ আহি ভাৰতৰ কোনো ভাষাই আগতে নজনা, নুশুনা সেই সুৰ শিকাই দিলেহি। এই সুৰ আছিল পাশ্চাত্য ভাৱধাৰাৰ সুৰ। সমগ্ৰ নব্য ভাৰতীয় আৰ্য ভাষাত এতিয়া এই সুৰৰেই স্বৰ-তালৰ গুঞ্জন শুনিবলৈ পোৱা যায়।

৭) মিছনেৰীসকলৰ প্ৰচেষ্টাতেই আনন্দৰাম ঢেকিয়াল ফুকন, নিধিৰাম ফাৰৱেল, যদুৰাম ডেকাবৰুৱা, হেমচন্দ্ৰ-গুণাভিৰামৰ দৰে দেশহিতৈষী ডেকাই সাহিত্য ৰচনাৰ অনুপ্ৰেৰণা আৰু সুযোগ লাভ কৰিছিল। সেইসকল ডেকাৰ সাহিত্য চৰ্চাৰ মাধ্যমেৰেই অসমীয়া সাহিত্যৰ ভৱিষ্যতৰ বাট পকী হৈ ৰ'ল।

৮) মিছনেৰীসকলৰ অনুগ্ৰহতেই অসমৰ ঠায়ে ঠায়ে পঢ়াশালি স্থাপন হ'ল আৰু অসমীয়া সৰ্বসাধাৰণে নতুন শিক্ষাৰে দীক্ষিত হৈ অসমী আইক সেৱাৰ সুযোগ লাভ কৰিলে।

৯) মুদ্ৰাযন্ত্ৰৰ স্থাপন মিছনেৰীসকলৰ অবিস্মৰণীয় কাম। মুদ্ৰাযন্ত্ৰই শিক্ষা আৰু মনন চৰ্চাক যুগজোৰা বন্ধনৰ পৰা মুক্তি দিলে। মিছনেৰীসকলে অসমীয়া আখৰত অসমীয়া কিতাপ ছপা কৰি আধুনিক যুগৰ আৰম্ভণি ঘোষণা কৰিলে।

আগতেই উল্লেখ কৰা হৈছে যে মিছনেৰীসকলে *অৰুণোদই*সংবাদ-পত্ৰ প্ৰকাশ কৰি অসমীয়া ভাষা-সাহিত্যৰ পথাৰখন আৰু সমাজ জীৱনলৈ অভূতপূৰ্ব অৱিহণা আগবঢ়াই গৈছে। *অৰুণোদই*আলোচনীখনৰ অসমীয়া ভাষা-সাহিত্য-সমাজলৈ সুদূৰ প্ৰসাৰি প্ৰভাৱ

বিস্তাৰ কৰিছিল আৰু সেয়েহে অসমীয়া সাহিত্যৰ বুৰঞ্জীত এই কাকতখনৰ স্থান অতি গুৰুত্বপূৰ্ণ। এই ছেগতে *অৰুণোদই*ৰ অৱদান সম্পৰ্কে চমুকৈ উল্লেখ কৰিব পাৰি।

অৰুণোদই হ'ল অসমীয়া ভাষা সাহিত্যৰ বুৰঞ্জীৰ প্ৰথম সংবাদ-পত্ৰ বা আলোচনী। মিছনেৰীসকলে আৰম্ভণিতে খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেই যদিওবা এই কাকতখন প্ৰকাশ কৰিছিল, তথাপি পিছলৈ এই কাকতখনৰ সহযোগতেই অসমীয়া ভাষাই প্ৰাণপ্ৰতিষ্ঠা লাভ কৰিছিল। প্ৰথম সংবাদ-পত্ৰ বা আলোচনী হিচাপে অসমীয়া সাহিত্য জগতলৈ *অৰুণোদই*য়ে যি অৱদান আগবঢ়াইছে সেয়া চিৰস্মৰণীয়।

১) মিছনেৰীসকলে ইংৰাজ শাসনৰ বিৰুদ্ধে যুঁজ দি অসমীয়া ভাষাক অসমৰ পঢ়াশালি আৰু আদালতত পুনৰ প্ৰতিষ্ঠা কৰাত সহায় কৰিলে। লগতে অসমীয়া ভাষাৰ স্বতন্ত্ৰতাও প্ৰমাণ কৰিলে।

২) *অৰুণোদই* হ'ল প্ৰথম সংবাদ-পত্ৰ তথা আলোচনী। অসমীয়া সাহিত্যত এই কাকতখনেই প্ৰথম সাংবাদিকতাৰ দিশ মুকলি কৰে। ইয়াৰ যোগেদিহে সাংবাদিকতাৰ ব্যৱসায়িক মানসিকতাৰ প্ৰভাৱ লাভ কৰে।

৩) *অৰুণোদই* কাকত প্ৰকাশ হোৱাৰ আগতে অসমীয়া সাহিত্যত চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য আৰু জ্যোতিষ শাস্ত্ৰ আদিৰ কথা থাকিলেও বিশেষকৈ *ৰামায়ণ, মহাভাৰত*ৰ কাহিনী লৈ ধৰ্মবিষয়ক পুথি ৰচিত হৈছিল।কিন্তু *অৰুণোদই*ৰ প্ৰকাশে সেই ধৰ্মীয় নীতি অৱহেলা কৰা নাছিল যদিও লৌকিক বিষয়বস্তুও সেই সময়ত প্ৰকাশ লাভ কৰিছিল। লগতে দেশ-বিদেশৰ জ্ঞান ভাণ্ডাৰৰ সম্ভেদ দিছিল আৰু এখন বহল জগতৰ লগত অসমবাসীক পৰিচয় কৰাইছিল।

৪) *অৰুণোদই*ৰ সহায়তে অসমীয়া সাহিত্যই পাশ্চাত্য সাহিত্যৰ নতুন ভাবধাৰাৰ সৈতে একাত্ম হ'বলৈ সুযোগ লাভ কৰে। পাশ্চাত্য সাহিত্যৰ আদৰ্শত অসমীয়া সাহিত্যও নতুনত্বৰ (আধুনিকতাৰ) ফালে ধাৱমান হোৱা পৰিলক্ষিত হয়।

৫) *অৰুণোদই*ৰ যোগেদিয়েই অসমীয়া সাহিত্যানুৰাগী ডেকাই সাহিত্যত মনোনিৱেশ কৰিবলৈ সুবিধা লাভ কৰে। সেইসকলৰ ভিতৰত আনন্দৰাম ঢেকিয়াল ফুকন, নিধিলিবাই ফাৰোৱেল আদি উল্লেখযোগ্য। ইয়াৰ উপৰি *অৰুণোদই*য়ে প্ৰভাৱিত কৰা সাহিত্যিক গুণাভিৰাম বৰুৱা, হেমচন্দৰ বৰুৱাকে ধৰি তেওঁলোকৰ সমসাময়িক সাহিত্যিকসকলৰ নামো লেখত ল'বলগীয়া।

৬) ভাষা আৰু সাহিত্যৰ মাজত ওতঃপ্ৰোত সম্পৰ্ক আছে। ভাষাই বিভিন্ন পৰিৱেশ আৰু পৰিস্থিতিত পৰিৱৰ্তন লাভ কৰে। *অৰুণোদই*ৰ যোগেদি অসমীয়া ভাষাই নতুনত্ব লাভ কৰে। নতুনকৈ সৃষ্টি হোৱা কিছুমান শব্দ আৰু পাশ্চাত্য প্ৰভাৱে অসমীয়া ভাষা ৰীতিৰ ক্ষেত্ৰত পৰিৱৰ্তন আনে। মিছনেৰীসকলে অসমীয়া ভাষাক নতুন সুৰ শিকাই থৈ যোৱা বুলি পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়েও স্বীকাৰ কৰিছে।

৭) *অৰুণোদই*ৰ প্ৰভাৱৰ ফলতে ঊনবিংশ শতিকাৰ অষ্টম দশকৰ ভিতৰত বহুকেইখন

সংবাদ পত্ৰ আলোচনীয়ে জন্মলাভ কৰে।সেইসমূহৰ ভিতৰত *আসাম বিলাসিনী*, *আসাম দৰ্পণ*, *আসাম দীপিকা* আৰু *চন্দ্ৰোদয়* আদি আলোচনী উল্লেখযোগ্য। *অৰুণোদই*ৰ প্ৰকাশ বন্ধ হোৱাৰ পিছতে ঊনবিংশ শতিকাৰে নৱম দশকৰ ভিতৰত *আসাম নিউজ*, *আসাম বন্ধু* আদি আলোচনী প্ৰকাশ পায়। *অৰুণোদয়ে* দি থৈ যোৱা এই সংবাদ-পত্ৰৰ পৰম্পৰাই *জোনাকী* কাকতৰো বাট মুকলি কৰি দিয়ে।

৮) *অৰুণোদই* কাকততে অসমীয়া সাহিত্যৰ পুৰণি পুথি উদ্ধাৰ আৰু তাৰ প্ৰকাশ হৈছিল। মিছনেৰীসকলে তেওঁলোকৰ প্ৰেছতে পুৰণি জ্ঞান-বিজ্ঞান আৰু বুৰঞ্জীৰ পুথি সংগ্ৰহ কৰি প্ৰকাশ কৰিছিল। *অৰুণোদই*ৰ পাততে এইসমূহ প্ৰকাশ নহ'লে হয়তো প্ৰাচীন পুথিসমূহ কেতিয়াবাই কালৰ সোঁতত নাইকিয়া হৈ গ'লহেঁতেন। *অৰুণোদই*য়ে পুৰণি পুথি সংগ্ৰহৰ এক নতুন দিশৰ উন্মোচন কৰি থৈ গ'ল।



জানি থোৱা ভাল

মিছনেৰী তথা *অৰুণোদই*ৰ জৰিয়তেই অসমীয়া গদ্যলৈ নানাবিধ যতি-চিহ্নৰ আগমন হয়। মধ্যযুগৰ অসমীয়া সাহিত্যত কেৱল দাড়ি (।) আৰু পূৰ্ণচ্ছেদ (।।)ৰ ব্যৱহাৰ আছিল। মিছনেৰীসকলেহে অসমীয়া সাহিত্যত পোনপ্ৰথমে যতি-চিহ্নৰ ব্যৱহাৰৰ আৰম্ভ কৰে। ১৮৫৩ চনৰ নৱেম্বৰ সংখ্যা *অৰুণোদই*ত জনৈক পুৰ্ণানন্দ শৰ্মাই *ভাল ৰূপে কাকত পঢ়াৰ নিয়ম* শীৰ্ষক লিখাটোত *চিনৰ বিৱৰণত* এক মাত্ৰ যতি (,), দ্বিমাত্ৰ (;), চেদ (।), পূৰ্ণ চেদ (।।), প্ৰশ্নাৰ্থ মাত্ৰ (?), আবেগ মাত্ৰ (।), প্ৰখ্যেপ চিন (“ ”), দ্বিধেনু ৰেখা (()), সাংযুক্তিক চিন (-) এই নবিধ যতি চিহ্নৰ কথা উদাহৰণসহ ব্যাখ্যা কৰি দেখুৱাইছে।

অৰুণোদই কাকত আৰু সেই সময়তপ্ৰকাশিতৰচনাসমূহত মিছনেৰীসকলে অসমীয়া ভাষাকে ব্যৱহাৰ কৰিছিল। *অৰুণোদই* কাকতৰ জৰিয়তে তেওঁলোকে এক নতুন গদ্যশৈলীৰো সৃষ্টি কৰিছিল। ধৰ্মপ্ৰচাৰৰ উদ্দেশ্য লৈ অহা খ্ৰীষ্টান মিছনেৰীসকলে প্ৰথমে ভাষাটোৰওপৰত গুৰুত্ব দিয়ে।যিহেতু তেওঁলোকে বিশ্বাস কৰে যে মাতৃভাষাত ধৰ্মপ্ৰচাৰ কৰিলে জনসমাজত ধৰ্মই প্ৰসাৰতা লাভ কৰিব। কিন্তু তেওঁলোকক ভাষাৰ বেমেজালিয়ে কিছু হ'লেও সমস্যাৰ সৃষ্টি কৰিছিল। তথাপি ভাষাৰ বেমেজালিৰ মাজতো তেওঁলোকে অসমীয়া ভাষাৰ স্বতন্ত্ৰতাৰ দাবীত উঠি-পৰি লাগিছিল।ধৰ্মপ্ৰচাৰৰ খাতিৰতে তেওঁলোকে প্ৰথমে অসমীয়া ভাষা শিকি লৈছিল। ভাষা এটা আয়ত্ত কৰাৰ ক্ষেত্ৰত তেওঁলোকে যত্নৰ কোনো ত্ৰুটি কৰা নাছিল। তথাপি বিদেশী ভাষা এটিক ইমান সোনকালে শিকি শুদ্ধভাৱে প্ৰকাশ কৰাটো সহজসাধ্য নাছিল। তেওঁলোকৰ ভাষাৰ মাজত খুঁত বৈ

যোৱাটো স্বাভাৱিক। তেওঁলোকে অসমীয়া ভাষাৰ কথিত ৰূপটোৰ উচ্চাৰণ পদ্ধতি অনুসৰি বাক্য গঠন কৰিছিল যদিও ইংৰাজী ভাষাৰ প্ৰভাৱৰ ফলত নিভাঁজ শুদ্ধ অসমীয়া বাক্যৰ সৃষ্টি হোৱা নাছিল। শব্দসমূহৰ উচ্চাৰণৰ ক্ষেত্ৰত অসুবিধা পোৱাৰ সময়ত তেওঁলোকে ইংৰাজী শব্দ ব্যৱহাৰ কৰিছিল।কিছু ঠাইত বিদেশী শব্দ ব্যৱহাৰকৰি অসমীয়া প্ৰতিশব্দটো বহলাই আলোচনা কৰিছিল। এনে ধৰণৰ গদ্যশৈলীৰে *অৰুণোদই*কাকততো বিভিন্ন ৰচনা প্ৰকাশ হৈছিল। হেমচন্দ্ৰ বৰুৱাৰ নতুন বাক্যবিন্যাস ৰীতি প্ৰৱৰ্তন হোৱাৰ পিছত এই গদ্যৰীতিৰ পৰিৱৰ্তন হ'ল। মিছনেৰীসকলে ব্যৱহাৰ কৰা এই নতুন গদ্যৰীতিৰ কেইটিমান নিদৰ্শন (উদাহৰণ) তলত দাঙি ধৰা হ'ল—

১) মিছনেৰীসকলৰ গদ্যৰীতিৰ মূল নীতি হ'ল উচ্চাৰণ অনুযায়ী ভাষাৰ ব্যৱহাৰ। বৰ্ণবিন্যাস প্ৰণালীৰ ক্ষেত্ৰতো তেওঁলোকে উচ্চাৰণৰ ওপৰতহে গুৰুত্ব দিছে। কথিত ভাষাত উচ্চাৰণৰ ক্ষেত্ৰত হ্ৰস্ব আৰু দীৰ্ঘস্বৰৰ পাৰ্থক্য নথকা হেতুকে ৰচনাৰ ক্ষেত্ৰতো তেওঁলোকে এই পাৰ্থক্য মানি চলা দেখা নাযায়।

২) শ, ষ, স-ৰ ঠাই কেৱল 'স'ৰ ব্যৱহাৰ।

৩) 'ঈ', 'আ', 'ঊ'-ৰ মাজত তেওঁলোকে কোনো ব্যৱধান নাৰাখি কেৱল 'ই' আৰু 'উ'ৰ ব্যৱহাৰ কৰিছে।

৪) উচ্চাৰণৰ ক্ষেত্ৰত তলৰ এই বৰ্ণকেইটিৰ কোনো পাৰ্থক্য নাই বাবে 'ছ'ৰ ঠাইত 'চ', 'ণ'ৰ ঠাইত 'ন', 'ক্ষ'ৰ ঠাইত 'খ্য', 'য়'ৰ ঠাইত 'ই'ৰ ব্যৱহাৰ কৰিছে। উদাহৰণ স্বৰূপে, ৰূপ (ৰূপ), মুৰ (মূৰ), ভুমি (ভূমি), দিঘল (দীঘল), আদিবাসি (আদিবাসী), সেস (শেষ), সুনি (শুনি), সাস্ত্ৰ (শাস্ত্ৰ), ৰন (ৰণ) ইত্যাদি।

৫) ৰেফৰ তলত দুটা ব্যঞ্জনৰ উচ্চাৰণ নহয় বাবে এনে ধাৰাত বৰ্ণবিন্যাসৰ সমীকৰণ কৰা হৈছে। কিন্তু এই সমীকৰণ পুৰণি পুথিত দেখা নাযায়।

৬) মিছনেৰীসকলৰ ৰচনাত ধ্বনিতাত্ত্বিক পৰিৱৰ্তন দেখা যায়। যেনে— 'আ'ৰ ঠাইত 'এ', 'ঋ'ৰ ঠাইত 'ৰি', 'ও'ৰ ঠাইত 'অ', 'ৰ'ৰ ঠাইত 'ও', 'য়'ৰ ঠাইত 'ই', 'ষ'ৰ ঠাইত 'খ'ৰ ব্যৱহাৰ কৰা হয়।

৭) পুৰণি পুথি-পাঁজি অথবা শঙ্কৰ-মাধৱৰ ৰচনাৱলীৰ মাজত অসমীয়া ভাষা সম্পৰ্কে কোনো তথ্য পোৱা নাযায়। ১৮৩৩ চনত শ্ৰীৰামপুৰ প্ৰেছত প্ৰকাশ লাভ কৰা ধৰ্মপুস্তকত অসমীয়া ভাষাটিক পাতনিতে 'অহমীয়া পাত' বুলি উল্লেখ কৰা হৈছে। *অৰুণোদই*ত 'অসমীয়া ভাষা' অথবা 'অসমীয়া লোক' বুলিও উল্লেখ কৰা নাছিল। 'অসম কথা' 'অচম ভাষা', অচম মতে কথা' বুলি ভাষাটিৰ চিনাকি দিছিল।



জানি থোৱা ভাল

অসমীয়া ভাষাত আধুনিক গদ্যশৈলী *অৰুণোদই*ৰ পাতত প্ৰকাশ হৈছিল। এই গদ্যশৈলী সেই সময়ত উজনি অসমৰ কথিত ভাষা (গদ্য) আৰু বুৰঞ্জীৰ গদ্যৰ অনুকৰণত সৃষ্টি হৈছিল।

৮) মিছনেৰীসকলে ইংৰাজী শব্দৰ অর্থ বুজাবৰ কাৰণে অসমীয়াতে কিছুমান নতুন শব্দৰ সৃষ্টি কৰিছিল। যেনে— ভাপৰ কল, পৰ্হাসালি, ধৰমপুথি, ভাপৰ নাও, পানিমিল, গিয়ানৰ সভা, লতা পনিয়ল (আঙুৰ) ইত্যাদি।

৯) তৎসম শব্দৰ ক্ষেত্ৰত তেওঁলোকে সহজে উচ্চাৰণ কৰিব পৰাকৈ কিছুমান শব্দ ব্যৱহাৰ কৰিছে। যেনে— ধৰম (ধর্ম), গিয়ান (জ্ঞান), সবদ (শব্দ), অকৰম (অকর্ম), বিলম (বিলম্ব), ভগন (ভগ্ন) ইত্যাদি।

১০) খণ্ডবাক্যৰ ক্ষেত্ৰত তেওঁলোকে কথিত ৰূপটোকে ব্যৱহাৰ কৰিছে। যেনে— 'আখৰ ঢালিবলৈ কার্বাৰ কৰিলে' আদি।

১১) *অৰুণোদই*ৰ পূর্বৱর্তী গদ্যৰ মাজত দুবিধ যতিচিহ্নৰ ব্যৱহাৰ হৈছিল। এবিধ ডাৰি (।) আৰু আনবিধ হ'ল কলোন (ঃ)। অৱশ্যে *অৰুণোদই*ত প্ৰায়বোৰ যতিচিহ্নৰে ব্যৱহাৰ আছে। ইয়াৰ উদাহৰণ স্বৰূপে, আমি পূর্ণানন্দ শর্মাৰ লেখাটিৰ কথা ক'ব পাৰো। ১৮৫৩চনৰ নৱেম্বৰত *অৰুণোদই*ত পূর্ণানন্দ শর্মাই 'ভাল ৰূপে কাকত পর্হাৰ নিয়ম' নামৰ এটি প্ৰবন্ধ লিখিছিল। তাত একমাত্ৰ যতি বা comma, দ্বিমাত্ৰ যতি বা semicolon, ছেদ বা period (ডাৰি), প্ৰশ্নার্থ মাত্ৰ বা interrogation (প্ৰশ্নবোধক চিন), আবেগ মাত্ৰ বা exclamation (!), প্ৰক্ষেপ চিন বা quotation (ঊর্দ্ধ কমা), সাংযুক্তিক চিন বা hyphen, আৰু দ্বিধনু ৰেখা বা parenthesis (সৰু বন্ধনী)— এই সকলোবোৰৰ পৰিচয় আৰু ব্যৱহাৰ সম্পর্কে এটি দীঘলীয়া আলোচনা আছে।

গতিকে দেখা যায় *অৰুণোদই*ৰ ৰচনাৰ মাজত সাধাৰণতে তিনিটা ৰীতি ব্যৱহাৰ হৈছিল। সেইকেইটা হ'ল— (ক) পুৰণি অসমীয়া ৰীতি; (খ) যদুৰাম ব্ৰাউন ৰীতি; আৰু (গ) নব্য ৰীতি।

অসমীয়া বর্ণবিন্যাসৰ ক্ষেত্ৰত কোনো নিৰূপিত বিধি-বিধান নাই বাবে ব্ৰাউন/ব্ৰনছনে পুৰণি অসমীয়া ৰীতিকে মানি চলিবলগীয়া হৈছিল।

এইদৰে আলোচনা কৰিলে দেখা যায় যে মিছনেৰীসকল আৰু *অৰুণোদই* আলোচনীখনৰ অসমীয়া ভাষা-সাহিত্য তথা সমাজ জীৱনলৈ অৱদান অনস্বীকার্য। মিছনেৰীসকলে ৰচনা কৰা সাহিত্য বা অৰুণোদইত প্ৰকাশ পোৱা ৰচনাসমূহৰ সাহিত্যিক

মূল্য যিয়েই নহওঁক অৰুণোদই স্তৰে অসমীয়া সাহিত্যক নতুন প্ৰাণেৰে জীপাল কৰি তুলিলে আৰু অন্ধকাৰৰ দেওনা গৰকি পোহৰৰ দিশে ধাৱমান হোৱাত সহায় কৰিলে। সেয়েহে, এই যুগটোৰ সাহিত্যৰাজিৰ ঐতিহাসিক মূল্য অনন্য।

*অৰুণোদই*খন মূলতঃ খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য সন্মুখত ৰাখিহে প্ৰকাশ কৰা হৈছিল। সেয়েহে ইয়াত খ্ৰীষ্টিয়ান মিছনেৰীসকলৰ খ্ৰীষ্টিয়ান ধৰ্ম সম্পৰ্কীয় লেখাসমূহৰ সংখ্যাধিক্য দেখা যায়। আনহাতে, নিধিৰাম ফাৰৱেলৰ দৰে দেশীয় খ্ৰীষ্টিয়ানেও খ্ৰীষ্টিয়ান ধৰ্মৰ মহিমা প্ৰচাৰক লেখসমূহ ইয়াত প্ৰকাশ কৰিছিল। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে নিধিৰাম ফাৰৱেলে ন.ল.ফ. ছদ্ম নামেৰে *অৰুণোদই*ত লিখিছিল। আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱাৰ দৰে অনা খ্ৰীষ্টিয়ান লেখকৰ প্ৰবন্ধ পাতিও *অৰুণোদই*ত প্ৰকাশ পাইছিল। সেয়েহে, এই যুগৰ সাহিত্যিক-সকলক খ্ৰীষ্টিয়ান আৰু অখ্ৰীষ্টিয়ান লেখক ৰূপে দুটা ভাগত ভাগ কৰি তলত তেওঁলোকৰ আলোচনা আগবঢ়োৱা হৈছে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৪ ঃ মিছনেৰীসকলৰ দ্বাৰা প্ৰণীত অসমীয়া গদ্য ৰীতিৰ বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰক।

(২০০টা শব্দৰ ভিতৰত)

- **খ্ৰীষ্টিয়ান লেখকসকল ঃ**অসমীয়া ভাষা-সাহিত্যৰ দুৰ্যোগৰ সময়ত ভাষাটোৰ পুনঃ প্ৰচলন আৰু শিক্ষা সম্প্ৰসাৰণৰ বাবে কষ্ট সহ্য কৰা লেখকসকলৰ ভিতৰত নাথান ব্ৰাউন, তেওঁৰ পত্নী এলিজা ব্ৰাউন, মাইল্চ ব্ৰন্সন, এ. কে. গাৰ্ণি আদি খ্ৰীষ্টিয়ান সাহিত্যিকসকলৰ নাম স্মৰণীয়। যদিও এওঁলোকৰ মুখ্য উদ্দেশ্য খ্ৰীষ্টিয়ান ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ আছিল, সেই উদ্দেশ্যৰ মাজেৰেই অসমীয়া ভাষা সাহিত্যলৈ তেওঁলোকে যি অৱদান আগবঢ়াই থৈ গ'ল সি অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীত স্বৰ্ণবৰ্ণেৰেই লিপিবদ্ধ হৈ ৰৈছে। তলত এই খ্ৰীষ্টিয়ান লেখকসকলৰ চমু পৰিচয় আৰু অসমীয়া ভাষা-সাহিত্যলৈ তেওঁলোকৰ অৱদান সন্দৰ্ভত সূক্ষ্ম ৰেখাপাত কৰা হ'ল।
  - **ড° নাথান ব্ৰাউন ঃ** ব্ৰাউনৰ জন্ম আমেৰিকাৰ যুক্তৰাষ্ট্ৰত ১৮০৭ খ্ৰীঃৰ ২২ জুনত ল'ৰালি কালতে (ন বছৰ বয়সত) তেওঁ খ্ৰীষ্টধৰ্ম গ্ৰহণ কৰে। তেওঁ ৰিলিয়েমচ্ কলেজৰ পৰা গ্ৰেজুৱেশ্যন ডিগ্ৰী লাভ কৰে। প্ৰথমতে তেওঁ শিক্ষকতা কৰে আৰু পিছতে মিছনেৰীত নিযুক্ত হয়। ১৮৩৩ খ্ৰীঃত তেওঁ পত্নীসহ ব্ৰহ্মদেশৰ মৌলনলৈ আহে। ইয়াৰ পিছত ১৮৩৬ খ্ৰীঃত এটি ছপাকল,

বন্ধু ওলিভাৰ ও. টি. কাট্টাৰ আৰু পৰিয়ালৰ সৈতে ব্ৰাউন অসমলৈ আহে। ব্ৰাউনে পৰিয়ালসহ পোন প্ৰথমে শদিয়াত থিতাপি লয় আৰু তাত অসমীয়া তথা খাম্‌তি এই দুয়োটা ভাষা আয়ত্ত কৰে।শদিয়াতথকা সময়ছোৱাতে তেওঁ নতুনকৈ পতা বিদ্যালয়ত পাঠদান কৰাৰ নিমিত্তে অসমীয়া ভাষাৰ বিভিন্ন পাঠ্যপুথি ৰচনা কৰে আৰু একে সময়তে *বাইবেলৰ নিউ টেষ্টামেণ্ট*অসমীয়ালৈ তৰ্জমা কৰে। ১৮৩৯ চনত খামতি বিদ্রোহৰ সূচনা হয়। এই বিদ্রোহত শদিয়াত থকা বৃটিছ বাহিনীৰ লগতে কৰ্ণেল আডাম হোইটক বিদ্রোহীয়ে হত্যা কৰে। চিংফৌ-খামতিৰ উৎপাতত থাকিব নোৱাৰি উক্ত বৰ্ষতে ব্ৰাউনে পৰিয়ালসহ জয়পুৰলৈ উঠি আহে। ব্ৰাউন দম্পত্তিয়ে জয়পুৰৰ পৰাই খামতি, চিংফৌ, নগা আৰু অসমীয়া ভাষাত সৰু সৰু পুস্তিকা প্ৰণয়ন কৰি প্ৰকাশ কৰিছিল। এই সময়ছোৱাতে ব্ৰাউনৰ গাভৰু জীয়ৰী ডৰথি ছফিয়াৰ মৃত্যু হয় আৰু পত্নী এলিজা ব্ৰাউনৰো স্বাস্থ্যৰ অৱনতি ঘটে। তেওঁ সঘনে বিভিন্ন অসুখত ভুগিবলৈ ধৰে। ১৮৪৩ চনত ব্ৰাউন দম্পত্তি জয়পুৰৰ পৰা শিৱসাগৰলৈ উঠি আহে আৰু ১৮৫৫ চন পৰ্যন্ত খ্ৰীষ্টিয়ান ধৰ্মৰ পোহৰ বিলায় তথা অসমীয়া ভাষা আৰু সাহিত্য চৰ্চা কৰি অসমতে দিন কটায়। ১৮৫৫ চনত অসমৰ পৰা চুটি লৈ তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যায়। তাত আমেৰিকান ব্যাপ্তিষ্ট মিছনেৰী ইউনিয়নৰ লগত অসমৰ মিছনেৰী কাৰ্য সন্দৰ্ভত তেওঁৰ মতভেদ হয় আৰু সেইসূত্ৰে প্ৰচাৰকৰ পদৰ পৰা ইস্তাফা দিয়ে।১৮৮৬ খ্ৰীঃত জাপানৰ য়াকোহামাত ৭৯বছৰ বয়সত তেওঁৰ মৃত্যু হয়।

নাথান ব্ৰাউনে *বাইবেলৰ নিউ টেষ্টামেণ্টৰ* অসমীয়া ভাষান্তৰ আমাৰ ত্ৰাণকৰ্তা যিচুখ্ৰীষ্টৰ নতুন নিয়ম, বাইবেলৰ মেথিউ, লিউক, মাৰ্ক, য়হান— এই চাৰিটা খণ্ড অসমীয়া ভাষালৈ তৰ্জমা কৰি খ্ৰীষ্টৰ বিৱৰণ আৰু শুভবাৰ্ত্তা (বাৰ্তা) নাম দি পুথি আকাৰে প্ৰকাশ কৰে। অসমীয়া ভাষা চৰ্চাৰ ইতিহাসত ব্ৰাউনৰ উল্লেখযোগ্য অৱদান হ'ল অসমীয়া ভাষাৰ বিষয়ে ইংৰাজীত লিখা 'Grammatical Notices of the Assamese Language' নামৰ ব্যাক�ৰণখন। ইংৰাজ মিছনেৰী উইলিয়াম ৰবিন্সনৰ 'Grammar of the Assamese Langauge' (১৮৩৯)খনৰ পিছত লিখা এইখনেই অসমীয়া ভাষাৰ দ্বিতীয় ব্যাকৰণ। ব্যাকৰণখনৰ প্ৰথম সংস্কৰণটো অধুনা উপলব্ধ নহয়। ব্যাকৰণখন ১৮৯৩ চনত পি. এইছ. মূৰে চাহাবে সম্পাদনা কৰি পূৰ্বৰ নামটো কিছু সলনি কৰি 'Grammatical Notes on the Assamese Langauge' নাম দি প্ৰকাশ কৰে। অৱশ্যে নতুন নাম থকা সংস্কৰণটো তৃতীয় সংস্কৰণহে। ব্যাকৰণখনৰ দ্বিতীয় সংস্কৰণটো উপলব্ধ নহয় আৰু সেয়েহে কোনে, কেতিয়া, ক'ৰ পৰা দ্বিতীয় সংস্কৰণটো প্ৰকাশ কৰিছিল সেই বিষয়ে জনা নাযায়। ব্ৰাউনৰ

ব্যাকৰণখন এখন পূৰ্ণাঙ্গ ব্যাকৰণ নহয় যদিও অসমীয়া ভাষা শিকিবৰ নিমিত্তে প্ৰয়োজনীয় বিষয়সমূহ ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে। ব্যাকৰণখনত ভাষাটোৰ কথিত ৰূপবোৰকে লিখিত ৰূপ দিয়া হৈছে।

নাথান ব্ৰাউনে জন বুনিয়ানৰ 'Pilgrim's Progress'খন *যাত্ৰিকৰ যাত্ৰা* নাম দি অসমীয়ালৈ অনুবাদ কৰিছিল। *যাত্ৰিকৰ যাত্ৰাৰ* ৰচনা কৌশল উপন্যাসধৰ্মী। এইখন ৰচনাই পৰৱৰ্তী সময়ত অসমীয়া ভাষাত উপন্যাস ৰচনাৰ বাবে বাট কাটি দিছিল। একেদৰে ব্ৰাউনে যোচেফৰ কাহিনী আৰু যীশুখ্ৰীষ্টৰ জীৱনীও ৰচনা কৰিছিল। লগতে ১৮৪৪ চনত কাশীনাথ তামুলী ফুকনৰ *আসাম বুৰঞ্জী*, ১৮৪৫ চনত বকুল কায়স্থৰ *গণিতৰ পুথি*, ১৮৫০ চনত *চুটিয়া বুৰঞ্জী*ছপা কৰি উলিয়াইছিল। অসমীয়া ভাষা-সাহিত্যলৈ ব্ৰাউনৰ উল্লেখযোগ্য অৱদান হ'ল *অৰুণোদই*আলোচনী। নাথান ব্ৰাউনে ১৮৪৬ চনত ও. টি. কট্টাৰৰ লগলাগি প্ৰথমখন অসমীয়া সংবাদ-পত্ৰ *অৰুণোদই*শিৱসাগৰৰ মিছনেৰী প্ৰেছৰ পৰা প্ৰকাশ কৰি উলিয়াইছিল। এইজনা মহান ব্যাকৰণবিদ, অনুবাদক, প্ৰকাশক, সম্পাদক আৰু ধৰ্ম প্ৰচাৰকে ১৮৮৬ চনত শেষ নিশ্বাস ত্যাগ কৰে।

জানি থোৱা ভাল



অৰুণোদইৰ প্ৰথম সংখ্যা, ১৮৪৬ চনৰ জানুৱাৰীত প্ৰকাশিত *ৰজাৰ মৈদাম খনা* শীৰ্ষক লেখাটিকে অসমীয়া সাহিত্যৰ প্ৰথম প্ৰবন্ধ বুলি ইতিহাসবিদসকলে কৈছে। অৱশ্যে, অসমীয়া সাহিত্যৰ এই প্ৰথম প্ৰবন্ধটোৰ লিখক সম্পৰ্কে ভিন্ন মত আছে। কিয়নো, প্ৰৱন্ধটোত লিখকৰ নাম নাম নাই, তাৰ পৰিৱৰ্তে '।।' চিনটোহে আছে। মহেশ্বৰ নেওগৰ মতে '।।' চিন থকা প্ৰৱন্ধসমূহ সম্পাদক নাথান ব্ৰাউনে লিখিছে।

- **এলিজা ব্ৰাউন ঃ** ড° নাথান ব্ৰাউনৰ সুযোগ্যা পত্নী এলিজা ব্ৰাউন নাথান ব্ৰাউনৰ সৈতে ১৮৩৬ চনতেই অসমলৈ আহিছিল। অসমীয়া ভাষা-সাহিত্যৰ দুৰ্যোগৰ কালত ব্ৰাউনৰ সৈতে পত্নী এলিজা ব্ৰাউনেও দেহে-কেহে খাটিছিল বুলি ক'ব পাৰি। নিজ গাভৰু কন্যাৰ মৃত্যুৰ শোকৰ মাজতো ব্ৰাউনৰ সহযোগী ৰূপে তেওঁ কেইবাখনো পঢ়াশলীয়া পুথি ৰচনা কৰিছিল। তদুপৰি শিশু মনৰ উপযোগীকৈ সাধুকথাৰ পুথি, গণনাৰ পুথি আৰু ভূগোলৰ বিৱৰণ নামেৰে পঢ়াশলীয়া পুথি তেওঁ ৰচনা কৰিছিল।
- **ড° মাইলচ্ ব্ৰন্সন ঃ** ১৮১২ চনত আমেৰিকাৰ নিউয়ৰ্কত মাইলচ্ ব্ৰন্সনৰ জন্ম হয়। ১৮৩৬ চনত বন্ধু জেকব থমাচ আৰু নিজ পৰিয়ালৰ সৈতে মাত্ৰ ২৪

বছৰ বয়সত খ্ৰীষ্টিয়ান ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে অসমলৈ বুলি যাত্ৰা আৰম্ভ কৰি ১৮৩৭ চনত অসমত উপস্থিত হয়। যাত্ৰা পথত ব্ৰহ্মপুত্ৰ নদীয়েদি উজাই আহোঁতে নাও দুৰ্ঘটনাত বন্ধু জেকব থমাচৰ মৃত্যু হয়। প্ৰথমবাৰ অসমলৈ আহি ব্ৰম্পনে জয়পুৰ, নামচাং আৰু শদিয়াত ধৰ্ম প্ৰচাৰৰ কাম কৰে। নামচাঙত থাকোতে পূবনগাসকলৰ শব্দাৱলী এখন প্ৰস্তুত কৰে। পৰৱৰ্তী সময়ত ১৯৪১ চনত শাৰীৰিক অসুস্থতাৰ বাবে ব্ৰম্পন চাহাব নগাঁৱলৈ আহে আৰু তাত এখন পঢ়াশালী আৰু এখন অনাথ আশ্ৰম স্থাপন কৰে। শাৰীৰিক অসুস্থতাৰ বাবে তেওঁ দুবাৰকৈ আমেৰিকালৈ যাবলগীয়া হয়। প্ৰথমবাৰ ১৮৪৮ চনত আমেৰিকালৈ যায় আৰু ১৮৫১ চনত উভতি আহে আৰু দ্বিতীয়বাৰ ১৮৬৮ চনত আমেৰিকালৈ গৈ ১৮৭১ চনত অসমলৈ উভতে। দ্বিতীয়বাৰ আমেৰিকাত থকা কালছোৱাতে তেওঁৰ পত্নীৰ বিয়োগ ঘটে। অসমলৈ উভতি অহাৰ পিছত ডেনফোৰ্থৰ বিধৱা পত্নীৰ পাণি গ্ৰহণ কৰে যদিও দুবছৰৰ পিছতে দ্বিতীয়া পত্নীৰ লগতে জীয়ৰী মেৰিয়াৰো অকাল বিয়োগ ঘটে। ব্ৰম্পন চাহাবে এই অসমতে দ্বিতীয়া পত্নী, জীয়ৰী মেৰিয়া, ভগ্নী ৰোডকে আদি কৰি কেইবাজনো আত্মীয়ক চিৰদিনৰ কাৰণে হেৰুৱাই যদিও আত্মীয়ৰ বিয়োগজনিত শোক তল পেলাই আশাশুধীয়াভাৱে তেওঁৰ ধৰ্ম প্ৰচাৰ আৰু সাহিত্য ৰচনাৰ কাম কৰি যায়।

মাইলচ্ ব্ৰম্পনে বাইবেলৰ ভালেখিনি গুটীয়া অনুবাদ কৰাৰ লগতে একুৰিমান স্তুতিগীতৰো অসমীয়া অনুবাদ কৰিছিল। অসমীয়া ভাষা সাহিত্যলৈ ব্ৰম্পন চাহাবৰ উল্লেখযোগ্য অৱদান হ'ল ১৮৬৭ চনত শিৱসাগৰৰ মিছনেৰী প্ৰেছৰ পৰা ছপা হৈ ওলোৱা *অসমীয়া আৰু ইংৰাজী অভিধান*খন। অভিধানখনত মুঠ ১৪,০০০ শব্দ অন্তৰ্ভুক্ত কৰা হৈছিল। অভিধানখনত থকা শব্দসমূহৰ অধিকাংশই নিভাঁজ অসমীয়া শব্দ, তুলনামূলকভাৱে তৎসম বা সংস্কৃত শব্দৰ সংখ্যা কম। অভিধানখনত উচ্চাৰণ ৰীতিৰ ফালৰ পৰা দৃষ্টি ৰাখি বানান প্ৰণালী প্ৰয়োগ কৰা হৈছে। আগতেই উল্লেখ কৰা হৈছে যে ব্ৰম্পন চাহাবে যদুৰাম ডেকাবৰুৱাই কৰ্ণেল জেনকিন্স চাহাবক উপহাৰ দিয়া অভিধানখনৰ আখৰ জোঁটনিক অনুসৰণ কৰিছে বুলি অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা সত্যেন্দ্ৰনাথ শৰ্মাই মন্তব্য কৰিছে। অভিধানখনৰ বানান উচ্চাৰণ অনুসৰি লিখা হৈছে বাবে উচ্চাৰণ আৰু লিখাৰ মাজত বৈষম্য নাই। অসমীয়া ভাষাৰ উচ্চাৰণ অনুসৰি তেওঁ মূৰ্ধণ্য বৰ্ণসমূহ, দীৰ্ঘস্বৰ, অন্তঃস্থ বৰ্ণ আদিৰ ব্যৱহাৰ কৰা নাই। অৱশ্যে শব্দৰ মূল বিচৰাত অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। ১৯০০ চনলৈ হেমচন্দ্ৰ বৰুৱাৰ *হেমকোষ অভিধান*খন প্ৰকাশ হোৱাৰ আগলৈকে ব্ৰম্পন চাহাবৰ অভিধানখনেই অসমীয়া আৰু ইংৰাজী ভাষা শিকাৰুৰ বাবে হাতপুথিৰ দৰে আছিল।

- **এ. কে. গার্ণি ঃ** অৰুণোদই যুগৰ অন্যতম খ্ৰীষ্টিয়ান লেখক এ. কে. গার্ণিৰ জন্ম হৈছিল ১৮৫৪ চনত। তেওঁ ১৮৭৪ চনত আমেৰিকাৰ পৰা অসমলৈ আহিছিল আৰু মিছনেৰীৰ অধীনত ধর্ম যাজকৰ পদৰ দায়িত্ব গ্ৰহণ কৰিছিল। তেতিয়াৰ পৰা ১৯০৭ চনলৈকে ধর্ম যাজক ৰূপে অসমত খ্ৰীষ্টিয়ান ধর্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কামত গার্ণি ব্ৰতী আছিল। তেওঁ ধর্ম যাজকৰ দায়িত্বভাৰৰ লক্ষ্য পূৰণার্থে কেইবাখনো পুথি ৰচনা কৰিছিল আৰু *অৰুণোদই* সংবাদ-পত্ৰৰ সম্পাদনাৰ কামো কৰিছিল।গার্ণিয়ে মূল হিব্ৰু ভাষাৰ পৰা *অ'ল্ড টেষ্টামেণ্ট*খনৰ অনুবাদ কৰিছিল আৰু পি. এইছ. মূৰৰ লগ লাগি *নিউ টেষ্টামেণ্ট*খনৰ অনুবাদো সংশোধন কৰিছিল। গার্ণিৰঅন্যান্য উল্লেখযোগ্য ৰচনাসমূহ হ'ল— *ৰুথ আৰু যোচেফৰ কাহিনী* (১৮৮১), *কানি বেহেৰুৱাৰ কথা* (১৮৭৮), *এলোকেশী বেশ্যাৰ কথা* (১৮৭৭), *কামিনীকান্তৰ চৰিত্ৰ* (১৮৭৭) আদি। ১৯০৫ চনত গার্ণিয়ে *দীপ্তি* নামৰ এখন মাহেকীয়া আলোচনী প্ৰকাশ কৰিছিল। আলোচনী-খনৰ ৬টা সংখ্যা প্ৰকাশ পাইছিল। *এলোকেশী বেশ্যাৰ কথা* পুথিখনৰ মূল এম. ই. লেছনিৰ সেই নামৰেই বাংলা ভাষাত ৰচনা কৰা পুথি। *এলোকেশী বেশ্যাৰ কথা* আৰু *কামিনীকান্তৰ চৰিত্ৰ* পুথি দুখন উপন্যাসধর্মী যদিও পুথি দুখনত আখ্যানৰ যোগেদি খ্ৰীষ্টিয়ান ধর্ম প্ৰচাৰ কৰাৰ প্ৰয়াস কৰা হৈছে। প্ৰচাৰধর্মী আৰু সাম্প্ৰদায়িক মতপুষ্ট হোৱাৰ কাৰণে আখ্যান দুভাগ উপন্যাসৰ শ্ৰেণীলৈ উঠিব নোৱাৰিলেও অসমীয়া উপন্যাসৰ প্ৰাথমিক নিদর্শন ৰূপে দুয়োখন পুথিৰে মান্যতা আছে।

- **শ্ৰীমতী গার্ণি ঃ** এ. কে. গার্ণিৰ সুযোগ্যা পত্নী শ্ৰীমতী গার্ণিয়েও নিজৰ স্বামীৰ ধর্ম প্ৰচাৰৰ কামত সহায় সহযোগিতা আগবঢ়াইছিল। ফলস্বৰূপে শ্ৰীমতী গার্ণিয়েও অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াইছিল আৰু সাহিত্যৰ বুৰঞ্জীত নিজৰ নাম অন্তর্ভুক্ত কৰাত সফল হৈছিল। তেওঁ কেইবাখনো অসমীয়া পুথি ৰচনা কৰিছিল যদিও উল্লেখযোগ্য পুথিখন হ'ল *ফুলমণি আৰু কৰুণাৰ কাহিনী*। এই আখ্যানটো শ্ৰীমতী গার্ণিয়ে বাংলা উপন্যাসৰ পৰা অসমীয়া অনুবাদ কৰিছে।

- **নিধিৰাম ফাৰৱেল ঃ** নিধিৰাম ফাৰৱেলৰ প্ৰকৃত নাম নিধিৰাম কেঁওট। নিধিৰাম কেঁওটৰ জন্ম হৈছিল ১৮২৩ চনত তেজপুৰ মহকুমাৰ কলংপুৰ মৌজাৰ সুতাৰ গাঁৱত। ১৮৪১ চনত জয়পুৰত এওঁ মাইলচ্ ব্ৰন্সনৰ সংস্পৰ্শলৈ আহে আৰু খ্ৰীষ্টিয়ান ধর্মৰ প্ৰতি আকৃষ্ট হয়। তেওঁ ব্ৰন্সনৰ অধীনত খ্ৰীষ্ট ধর্মত শৰণ লয় আৰু ফাৰৱেল উপাধি গ্ৰহণ কৰে। তেতিয়াৰ পৰাই নিধিৰাম কেঁওট হয়গৈ নিধিৰাম ফাৰৱেল। খুব সত্তৰ নিধিৰামেই খ্ৰীষ্টিয়ান ধর্ম গ্ৰহণ কৰা প্ৰথমজন

অসমীয়া অনুসূচীত জাতিৰ লোক। এওঁ মিছনেৰীসকলৰ সহায়ত শিক্ষা লাভ কৰে আৰু কালক্ৰমত এজন প্ৰধান খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰক হৈ পৰে।

ফাৰৰেল *অৰুণোদই* কাকতৰ এগৰাকী নিয়মীয়া লেখক আছিল। এওঁ ন.ল.ফ. ছদ্ম নামেৰে *অৰুণোদই*ত বিভিন্ন কবিতা, প্ৰবন্ধ, বুৰঞ্জী বিষয়ক ৰচনা নিয়মিতভাৱে লিখিছিল। ১৮৫৫ চনত ফাৰৰেলে পদাৰ্থ বিদ্যাৰ সাৰ নামৰ পুথি এখন ৰচনা আৰু প্ৰকাশ কৰিছিল। ১৮৬৫ চনত তেওঁ ভাৰতীয় দণ্ডবিধি আইনখন অসমীয়ালৈ অনুবাদ কৰিছিল আৰু শিৱসাগৰৰ মিছনেৰী প্ৰেছে উক্ত অনূদিত পুথিখন প্ৰকাশ কৰিছিল। এইবোৰৰ উপৰিও তেওঁ খ্ৰীষ্টধৰ্ম সম্পৰ্কীয় ভালেমান পুস্তক ৰচনা কৰিছিল।

অসমীয়া ভাষাৰ সংকট কালত মিছনেৰীসকলৰ অসমীয়া ভাষা উদ্ধাৰ আৰু উন্নতিৰ প্ৰচেষ্টাত আনন্দৰাম-গুণাভিৰাম-হেমচন্দ্ৰৰ লগতে নিধিৰাম ফাৰৰেলেও যথাসম্ভৱ সহায় সহযোগিতা আগবঢ়াইছিল যদিও হেমচন্দ্ৰ বৰুৱাই ব্ৰহ্মন চাহাবে প্ৰৱৰ্তন কৰা আখৰ-জোঁটনি সংস্কাৰ সাধন কৰিব খোজোতে এওঁৰ পৰা বিশেষ বাধা পাইছিল বুলি উল্লেখ কৰি গৈছে। যি কি নহওঁক, *অৰুণোদই*ত এওঁৰ প্ৰবন্ধ, কবিতাৰ সংখ্যাই আছিল সৰহ। অৱশ্যে এওঁৰ কবিতাবোৰ পুৰণি সাঁচত ঢলা। সেইবোৰক প্ৰকৃত অৰ্থত কবিতা বোলা টান। খ্ৰীষ্টিয়ান ধৰ্মৰ মহিমা, হিন্দুধৰ্ম আৰু অনুষ্ঠানৰ বিদ্ৰূপ আৰু খ্ৰীষ্টিয়ান ধৰ্মই যে একমাত্ৰ ত্ৰাণকাৰক ধৰ্ম সেই কথা কবিতাবোৰত প্ৰকাশ হৈছে।

❍ **অন্যান্য খ্ৰীষ্টিয়ান লেখকসকল ঃ** অসমলৈ খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰৰ বাবে অহা ভালেমান মিছনেৰী কৰ্মকৰ্তা তথা তেওঁলোকৰ আত্মীয়ই অসমীয়া ভাষা-সাহিত্যলৈ অৱদান আগবঢ়াই থৈ গৈছে। সেইবোৰৰ ভিতৰত শ্ৰীমতী কট্টাৰে ১৮৪৮ ৰচনা কৰা *ইংৰাজী-অসমীয়া খণ্ডবাক্য কোষ* আৰু শ্ৰীমতী এছ. আৰ. ৰার্ডে ১৮৬৪ চনত ৰচনা কৰা *ইংৰাজী অসমীয়া শব্দকোষ* পুথি দুখন বিশেষভাৱে উল্লেখযোগ্য। ও. টি. কট্টাৰ, ডেনফোৰ্থ, ক্লাৰ্ক, ৰার্ড আদি মিছনেৰীয়ে সময়ে সময়ে অৰুণোদই সংবাদ-পত্ৰখনৰ সম্পাদনা কৰি অসমীয়া সাহিত্যলৈ বৰঙণি আগবঢ়াইছে। এইবোৰৰ উপৰিও অপৰিমিতাচাৰৰ পৰিণাম, জোচেফৰ কাহিনী, হেনৰি আৰু তেওঁৰ লগুৱা, আমেৰিকা আৱিস্কাৰ, পণ্ডিত আৰু ধৰ্ম প্ৰচাৰ, বাইবেলৰ সাধু, কৃষ্ণ আৰু খ্ৰীষ্টৰ তুলনা আদি বিভিন্ন বিষয়ক পুথি বিভিন্ন সময়ত খ্ৰীষ্টিয়ান লেখকসকলে ৰচনা কৰিছিল।

এইদৰে অৰুণোদই কালত দেশী-বিদেশী বিভিন্ন খ্ৰীষ্টিয়ান লেখকে মূলতঃ ধৰ্ম প্ৰচাৰৰ বাবে অসমীয়া ভাষাত বিভিন্ন পুথি, প্ৰবন্ধ, আখ্যান আদি ৰচনা কৰিছিল যদিও অসমীয়া সাহিত্যৰ বুৰঞ্জীত এই ৰচনাবোৰৰ মূল্য যথেষ্ট।

আনহাতে, অসমীয়া ভাষাৰ পুনঃ প্ৰতিষ্ঠা আৰু বিকাশৰ বাবে ভাষা বিষয়ক যিবোৰ পুথি খ্ৰীষ্টিয়ান লোকসকলে ৰচনা কৰিছিল সেইবোৰৰ মূল্য অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীত অপৰিসীম।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ অৰুণোদইৰ কোন কোন খ্ৰীষ্টিয়ান লেখকে অসমীয়া ভাষা-সাহিত্যলৈ অৱদান আগবঢ়াইছে? তেওঁলোকৰ অৱদানসমূহ বিশ্লেষণ কৰি এটি প্ৰবন্ধ যুগত কৰক। (২০০টা শব্দৰ ভিতৰত)

- **অখ্ৰীষ্টিয়ান লেখকসকল ঃ** আগতেই উল্লেখ কৰা হৈছে যে অৰুণোদই স্তৰৰ লেখকসকলক খ্ৰীষ্টিয়ান লেখক আৰু অখ্ৰীষ্টিয়ান লেখক এই দুটা ভাগত ভাগ কৰি আলোচনা কৰা হৈছে। *অৰুণোদই*ত অসমীয়া ভাষা-সাহিত্য-জাতিৰ উন্নতিৰ হকে আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদিয়ে লেখা মেলা কৰিছিল। অৰুণোদইৰ পৰৱৰ্তী সময়ত হেমচন্দ্ৰ-গুণাভিৰামে মিছনেৰী বৈশিষ্ট্যৰ অৱসান ঘটাই এটা নতুন স্তৰৰ দিক্ নিৰ্ণয় কৰাৰ বাবে পৰৱৰ্তী শাখাতহে তেওঁলোকৰ বিষয়ে আলোকপাত কৰা হৈছে। এই শাখাত কেৱল আনন্দৰাম ঢেকিয়াল ফুকন আৰু অৰুণোদইৰ প্ৰভাৱমুক্ত লেখকসকলৰ পৰিচয় আগবঢ়োৱা হৈছে।
  - **আনন্দৰাম চেকীয়াল ফুকন ঃ** অসমীয়া ভাষা-সাহিত্যৰ পুনৰ প্ৰতিষ্ঠাৰ অন্যতম গুৰি ধৰোঁতা আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্ম ১৮২৯ চনত গুৱাহাটীত। তেওঁৰ পিতৃ আছিল হলিৰাম ঢেকিয়াল ফুকন। আনন্দৰামে প্ৰাৰম্ভিক স্কুলীয়া শিক্ষা গুৱাহাটীতে আৰম্ভ কৰিছিল যদিও তেওঁৰ মেধা আৰু বোধশক্তি কমিছনাৰ জেনকিন্স আৰু মেথি চাহাবৰ দৃষ্টিগোচৰ হোৱাত দুয়োজনৰ উদ্যোগত ১৮৪১ চনত আনন্দৰামক কলিকতাৰ হিন্দু কলেজত পঢ়িবলৈ পঠোৱা হয়। কলিকতাৰ হিন্দু কলেজত তিনি বছৰ অধ্যয়ন কৰি আনন্দৰাম গুৱাহাটীলৈ উভতি আহে আৰু ব্লেণ্ড চাহাবৰ ওচৰত পুনৰ ইংৰাজীৰ অধ্যয়ন কৰে। লগতে এজন মুন্সিৰ সহায়ত উৰ্দু আৰু ফাৰ্চি ভাষাও শিকে। আনন্দৰামে ১৮৪৬ চনত বিবাহপাশত আৱদ্ধ হয় আৰু ১৮৪৭ চনত বিজনি ৰজাৰ দেৱান ৰূপে নিজৰ কৰ্ম জীৱনৰ আৰম্ভণি কৰে। আনন্দৰামে মুন্সিফ আৰু জুনিয়ৰ এছিষ্টেণ্ট কমিছনাৰ ৰূপেও কাৰ্যনিৰ্বাহ কৰে। অতি পৰিতাপৰ কথা যে, ১৮৫৯ চনত মাত্ৰ ২৯ বছৰ বয়সত তেওঁৰ অকাল বিয়োগ ঘটে।

    ১৮৪৭ চনৰ *অৰুণোদই*কাকততআনন্দৰাম বৰুৱাৰ বিখ্যাত প্ৰবন্ধ ইংলণ্ডৰ

বিৱৰণ প্ৰকাশ হয়।প্ৰায় চাৰিশ পৃষ্ঠাজোৰা *অসমীয়া ল'ৰাৰ মিত্ৰ* ১৮৪৯ চনত দুটাকৈ খণ্ডত প্ৰকাশ হয়। ১৮৫৩ চনত অসমৰ প্ৰশাসনিক ব্যৱস্থা সম্পৰ্কে অনুসন্ধান কৰিবলৈ অহা বৃটিছ চাহাব মোফাত মিলছ্ক আনন্দৰাম ঢেকিয়াল ফুকনে এখন স্মাৰক-পত্ৰ প্ৰদান কৰিছিল। আনন্দৰামে এই স্মাৰক-পত্ৰখনত তদানীন্তন অসমৰ আৰ্থ-সামাজিক-ৰাজনৈতিক সমস্যাৰ সুগভীৰ বিশ্লেষণ, অসমীয়া ভাষা আৰু শিক্ষাৰ সমস্যাৰ প্ৰতিকাৰ, অসমীয়া মানুহৰ অৰ্থনৈতিক দুৰৱস্থাৰ কাৰণ আৰু তাৰ প্ৰতিকাৰৰ দিশ,অসমৰ নিজস্ব উৎপন্ন সামগ্ৰী আৰু তাৰ উন্নয়ন আদি বিষয় অতি নিখুঁত ইংৰাজী ভাষাৰে উপস্থাপন কৰিছে। আনহাতে, অসমত চৰকাৰীভাৱে অসমীয়া ভাষাৰ পুনৰ প্ৰচলন কৰিবলৈ আগবঢ়োৱা এইখনেই প্ৰথম আৰ্জি আছিল।

আনন্দৰামে ১৮৫৫ চনত *A Few Remarks on Assamese Language and on Vernacular Education in Assam* নামৰপুস্তিকা এখন ৰচনা কৰে। উক্ত পুস্তিকাখন শিৱসাগৰৰ মিছনেৰী প্ৰেছৰ পৰা প্ৰকাশ পায়।পুস্তিকাখনে অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। পুস্তিকাখনত অসমীয়া ভাষাৰ স্বতন্ত্ৰতা, বাংলা ভাষা জাপি দিয়াৰ ফলত হোৱা ক্ষতি আদিৰ বিষয়ে তথ্য সম্বলিত আলোচনা আগবঢ়োৱা হৈছে। পুস্তিকাখনত ফুকনে অসমীয়া ভাষাৰ ৬২খন পদপুথি আৰু ৪০খন নাটৰ কথা উল্লেখ কৰিছে। ইয়াৰ বাহিৰেও আনন্দৰামে ইংৰাজী-অসমীয়া আৰু অসমীয়া-ইংৰাজী দুখন অভিধান প্ৰণয়ন কৰিবলৈ আৰু তাৰ অংশ বিশেষ *অৰুণোদই*লৈ নিদৰ্শন ৰূপে পঠাইছিল, কিন্তু সেই কাৰ্য সম্পূৰ্ণ হ'ল নে নাই জনা নাযায়।

আনন্দৰাম ঢেকীয়াল ফুকনে ওঠৰ বছৰ বয়সৰ পৰাই সাহিত্যসেৱাত মনোনিৱেশ কৰিছিল আৰু তেতিয়াৰ পৰা মৃত্যু পৰ্যন্ত সাহিত্যসেৱা আৰু দেশহিতৈষণাই তেওঁৰ জীৱনৰ ব্ৰত স্বৰূপ হৈ পৰিছিল। ফুকনৰ যুক্তিসংগত বিচাৰ, তীক্ষ্ণ বুদ্ধি আৰু স্বভাষা-স্বজাতি প্ৰেম দেখিয়েই কৰ্ণেল হপ্‌কিন্স চাহাবে মত দিছিল যে বঙ্গ দেশত ৰাজা ৰামমোহন ৰায় যেনে, অসমত আনন্দৰাম ঢেকীয়াল ফুকন তেনে, কিন্তু অল্প আয়ুতে ফুকনে কৰা কৰ্মৰাজিলৈ চাই ফুকনক ৰামমোহনতকৈ উচ্চ স্থান দিব পাৰি।

অৰুণোদই স্তৰত *অৰুণোদই* কাকতত লিখা অন্য কিছুমান অখ্ৰীষ্টিয়ান লেখক হ'ল বলোৰাম ফুকন, দয়াৰাম চেতিয়া, ধৰ্মকান্ত বুঢ়াগোহাঁই, কিনাৰাম সত্ৰিয়া, গোবিন্দৰাম ভূঞা আদি। এওঁলোকে ভালেমান পদ্যধৰ্মী ৰচনা আৰু প্ৰবন্ধ *অৰুণোদই*ৰ বিভিন্ন সংখ্যাত ৰচনা কৰিছিল।

❍ ***অৰুণোদই*ৰ প্ৰভাৱমুক্ত লেখকসকলঃ** *অৰুণোদই*ৰ প্ৰভাৱৰ পৰা মুক্ত ভালেমান

লেখকে পুৰণি ৰীতিত কাব্য, পদ্য আৰু গদ্য ৰচনা কৰিছিল। এওঁলোকৰ ৰচনাৰ মূল আদর্শ আছিল প্রাক্-ইংৰাজ কালৰ সাহিত্য। এওঁলোক অৰুণোদইৰ সংস্পর্শলৈ অহা নাছিল আৰু পাশ্চাত্য ভাবধাৰাৰে একাত্ম হোৱা নাছিল। অৰুণোদইৰ প্রভাৱমুক্ত লেখকসকলৰ ভিতৰত দুতিৰাম হাজৰিকা, দীননাথ বেজবৰুৱা, হৰকান্ত বৰুৱা সদৰামীন, গোপীনাথ চক্রৱর্তী, ৰঘুদেৰ গোস্বামী, ললিত চন্দ্র গোস্বামী আদিৰ নাম উল্লেখযোগ্য।

দুতিৰাম হাজৰিকাই কামেশ্বৰ সিংহ যুৱৰাজৰ আদেশক্রমে প্রাচীন কাব্য ৰীতিত ১৮৬২ চনত *কলিভাৰত*ৰচনা কৰিছিল। এইখন বুৰঞ্জী বিষয়ক পুথিত আহোম ৰাজত্বৰ শেষছোৱাৰ ঐতিহাসিক বিৱৰণপদ, দুলড়ী আদি ছন্দত বর্ণনা কৰিছে। পুথিখনৰ মাজে মাজে সাংসাৰিক সুখৰ অনিত্যতা দেখুৱাই হৰিনামৰ আশ্রয় লোৱাৰ উপদেশ সন্নিৱিষ্ট কৰিছে।

হৰকান্ত বৰুৱা সদৰামীনে কাশীনাথ তামুলীফুকনৰ বুৰঞ্জীৰ আলমত এখন বুৰঞ্জী প্রণয়ন কৰিছিল। শিৱসাগৰৰ দীননাথ বেজবৰুৱাই *আচার্য্য সংহিতা* আৰু *উৎকল খণ্ড* নামৰ দুখন ধর্ম পুথি ৰচনা কৰিছিল। একেদৰে, নগাঁৱৰ ৰঘুনাথ গোস্বামীয়ে *হিতোপদেশ*, কামৰূপৰ গোপীনাথ চক্রৱর্তীয়ে *ৰাধাৰ কলঙ্ক ভঞ্জন* আৰু নলবাৰী সত্রৰ ললিত গোস্বামীয়ে ৰাধা কৃষ্ণ লীলা বিষয়ক পুথি *কেলি ৰহস্য* ৰচনা কৰিছিল।

*অৰুণোদই*ৰ প্রভাৱমুক্ত লেখকসকলৰ বিষয়ে উল্লেখ কৰি সত্যেন্দ্রনাথ শর্মাই কৈছে যে প্রাচীন ৰীতিত লিখা সাহিত্যৰএই সুঁতিটো অতি ক্ষীণ, দুর্বল আৰু গতিহীন। ইয়াক এক প্রকাৰ এৰা-সুঁতিৰ বন্ধ পানীৰ লগত ৰিজাব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ অসমীয়া ভাষাৰ হৃত মর্যাদা উভতাই অনাত আনন্দৰাম ঢেকিয়াল ফুকনে কিদৰে পুৰুষার্থ কৰিছিল বর্ণনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

১.৪.৩ আধুনিক অসমীয়া ভাষা-সহিত্যৰ প্রতিষ্ঠাৰ স্তৰ

অৰুণোদই আলোচনীখন যদিও ১৮৪৬ চনৰ পৰা ১৮৮০ চনলৈকে প্রচলিত আছিল, প্রকৃতপক্ষে পিছৰ বাৰ বছৰ কালত *অৰুণোদই*ৰ প্রভাৱ বহুখিনি কমি গৈছিল। ব্রাউন, ব্রন্সন, কাট্টাৰ আদিৰ সম্পাদনাত *অৰুণোদই*ৰ যি জনপ্রিয়তা আছিল, তেওঁলোকৰ পাছৰ সম্পাদকসকলৰ হাতত *অৰুণোদই*ৰ জনপ্রিয়তা বহুলাংশে হ্রাস পায়। আনহাতে, ঊনবিংশ শতিকাৰ সপ্তম দশকটোৰ আৰম্ভণিৰ পৰা অন্যান্য অসমীয়া আলোচনী প্রকাশ

পাবলৈ ধৰাত ই অৰুণোদইৰ পাঠকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। আনহাতে, ১৮৬৭ চনৰ পিছৰ পৰা নিয়মিতভাৱে *অৰুণোদই* প্ৰকাশো নোহোৱাটোও ইয়াৰ জনপ্ৰিয়তা হ্ৰাস হোৱাৰ অন্য এক কাৰণ। যি কি নহওঁক, *অৰুণোদই*ৰ দ্বাৰা অসমীয়া সাহিত্যৰ ছন পৰা পথাৰখনত যি কৰ্ষণ সিদ্ধ হৈছিল তাত প্ৰকৃতপক্ষে নব সাহিত্যৰ বীজ সিঁচি দিছিল হেমচন্দ্ৰ-গুণাভিৰাম প্ৰমুখ্যে কেইবাজনো অসমীয়া সাহিত্যিকে। আনন্দৰাম ঢেকিয়াল ফুকন আৰু মিছনেৰীসকলৰ অসমীয়া ভাষাৰ পুনৰ প্ৰচলনৰ যুঁজখন ১৮৭৩ চনত ইয়াৰ পৰিণতিত উপনীত হৈছিল। কিয়নো বৃটিছ প্ৰশাসনে নিজৰ ভুল বুজি ১৮৭৩ চনৰ পৰা অসমৰ পঢ়াশালি, কাছাৰীত পুনৰ অসমীয়া ভাষাৰ প্ৰচলন আৰম্ভ কৰিছিল। ১৮৭৩ চনৰ পৰা *জোনাকী* কাকত প্ৰকাশৰ আগৰ সময়ছোৱা অৰ্থাৎ ১৮৮৮ চনলৈ অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসৰ এটা গুৰুত্বপূৰ্ণ সময়। কাৰণ এই সময়ছোৱাতে হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, ৰমাকান্ত চৌধুৰী, ভোলানাথ দাস, কমলাকান্ত ভট্টাচাৰ্য্যৰ দৰে সাহিত্যিকৰ হাতত আধুনিক অসমীয়া সাহিত্যৰ প্ৰকৃত যাত্ৰাৰ আৰম্ভণি হৈছিল। *অৰুণোদই*ৰ আখৰ জোঁটনিআৰু ভাষাৰ গাঁথনিক পৰিহাৰ কৰি অসমীয়া ভাষাই সংস্কৃতৰ আৰ্হিত এটা নিৰ্দিষ্ট ৰূপ পৰিগ্ৰহ কৰিবলৈ আৰম্ভ কৰে আৰু নতুন সাহিত্যৰো সূচনা হয় এইছোৱা কালতে।

*অৰুণোদই*ক কেন্দ্ৰ কৰি মিছনেৰীসকলে যি সাহিত্য ৰচনা কৰিছিল সিয়েই সমসাময়িক আৰু পৰৱৰ্তী সময়ৰ অসমীয়া সাহিত্যিকসকলক অনুপ্ৰেৰণা যোগাইছিল যদিও অৰুণোদই স্তৰৰ সাহিত্যত অসমীয়া জাতিৰ প্ৰাণৰ সন্ধান, অসমীয়া সমাজৰ সমস্যা আৰু জীৱন যাত্ৰাৰ অভিব্যক্তি ব্যক্ত হোৱা নাছিল। মিছনেৰীসকলৰ ৰচনাৰ প্ৰধান বিষয়বস্তু আছিল খ্ৰীষ্টিয়ান ধৰ্মৰ নীতি, গৰিমা, দেশ বিদেশৰ সংবাদ আৰু বুৰঞ্জী। অসমীয়া জাতিৰ দেশাত্মবোধ জগোৱা, ঐক্য সাধন কৰা নাইবা সমাজ সংস্কাৰ কৰা মিছনেৰীসকলৰ ৰচনাৰ উদ্দেশ্য নাছিল। তেওঁলোকৰ সাহিত্য আছিল বস্তুবাদী আৰু সি প্ৰকৃত সৃষ্টিশীল সাহিত্য নাছিল। আনহাতে, আনন্দৰাম ঢেকিয়াল ফুকনে কিঞ্চিত ৰূপত দেশপ্ৰেম আৰু সমাজ সংস্কাৰমূলক সাহিত্য ৰচনা কৰিছিল যদিও সি অৰুণোদই স্তৰৰ সাহিত্যৰ সমোচ্ছাৰিত ধ্বনি হৈ উঠা নাছিল, ৰচনাসমূহত নিনাদিত হোৱা নাছিল মুক্তিৰ বাণী। অসমীয়া সাহিত্যত স্বদেশ-প্ৰেম আৰু জাতীয়তাবোধৰ স্পষ্ট ধ্বনি অনুৰণিত হয় আধুনিক অসমীয়া ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ স্তৰত হেমচন্দ্ৰ-গুণাভিৰাম প্ৰভৃতি সাহিত্যিকসকলৰ ৰচনাত।

অৰুণোদই যুগৰ পটভূমি শিতানত আলোচনা কৰা হৈছে যে বৃটিছ শাসনৰ ফলস্বৰূপে অসমত মধ্যবিত্ত শ্ৰেণী এটাৰ সৃষ্টি হৈছিল। এই নতুনকৈ সৃষ্টি হোৱা শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ সৰহভাগেই বৃটিছ চৰকাৰৰ প্ৰশাসনৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত আছিল। এই শ্ৰেণীটো স্বদেশ প্ৰেমৰ দ্বাৰা উদ্বুদ্ধ হৈছিল যদিও তেওঁলোকে বৃটিছৰ বিৰুদ্ধাচাৰণ কৰা নাছিল। তেওঁলোকে ইংৰাজ শাসনৰ কম বেছি পৰিমাণে সমালোচনা

কৰিলেও ইংৰাজ শাসন উঠি যোৱাটো কামনা কৰা নাছিল। এই মধ্যবিত্ত শ্ৰেণীটো বৃটিছ চৰকাৰৰ দ্বাৰা উপকৃত হোৱা বাবে, দেশত পুনৰ মানৰ দিনৰ সূচনা নোহোৱাৰ স্বাৰ্থত আৰু অসমীয়া মানুহৰ অজ্ঞতা, নিৰক্ষৰতা, কুসংস্কাৰ আদি লক্ষ্য কৰি শিক্ষাৰ জৰিয়তে পোহৰৰ বাটলৈ লৈ অনাটোহে প্ৰথম কৰ্তব্য বুলি বিবেচনা কৰি বৃটিছৰ আনুগত্য স্বীকাৰ কৰি লৈছিল।সেয়েহে, আনন্দৰাম-হেমচন্দ্ৰ-গুণাভিৰামেও স্বাধীনতাতকৈ অসমীয়া সমাজৰ সংস্কাৰ সাধন কৰাটোহে অধিক কাম্য বুলি বিবেচনা কৰিছিল আৰু সাহিত্য চৰ্চাৰ মাজেৰে এই কৰ্তব্য পালনৰ যত্ন কৰিছিল। অৱশ্যে বৃটিছ শাসনত যন্ত্ৰণা ভোগা সাধাৰণ অসমীয়াৰ সমস্যাবোৰ এই শিক্ষিত মধ্যবিত্ত ডেকাচামৰ একেবাৰে যে চকুত পৰা নাছিল তেনে নহয়; ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱাকে আদি কৰি মুষ্টিমেয় কেইজনমানৰ ৰচনাত সমস্যাবোৰৰ ছয়াময়া ৰূপ এটা ফুটি উঠিছিল আৰু তেওঁলোকে নিজস্ব দৃষ্টিভঙ্গীৰে সমস্যাবোৰ অংকন কৰি পাঠকৰ দৃষ্টি আকৰ্ষণৰ চেষ্টাও কৰিছিল। অসম আৰু অসমীয়া জাতিৰ সাৰ্বভৌমত্বৰ বাবে নুযুঁজিলেও এই ডেকাদলে অসমৰ অন্ধকাৰ আৰু অসমীয়াৰ সংস্কাৰ সাধনত নিশ্চয় ব্ৰতী হৈছিল। সেয়েহে অসম প্ৰদেশৰ তিমিৰ নাশৰ বাবে তেওঁলোকে সাহিত্যৰ বৰ্ত্তিগছিক জ্বলোৱাৰ সাধনাত ব্ৰতী হৈছিল।

অসমৰসামাজিক সমস্যালৈ প্ৰথম চকু দিয়া আৰুঅসমীয়াত সৃষ্টিধৰ্মী সাহিত্যৰ সূচনা কৰাত হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ স্থান সকলোৰে আগত।এই দুয়োজন সাহিত্যিকৰ হাততেই অসমীয়া গদ্যই মিছনেৰী পৰম্পৰাৰ পৰা মুক্তি লভি বিশুদ্ধ আৰু গুৰু-গম্ভীৰ হৈ উঠিল। তেওঁলোক দুয়োজনেই অৰুণোদই কাকততে সাহিত্যিক জীৱনৰ পাতনি মেলিছিল যদিও তেওঁলোকৰ ৰচনাৰ বিষয়বস্তু *অৰুণোদই*ৰ গণ্ডীৰ মাজৰ পৰা বাহিৰ ওলাই দূৰ দিগন্তলৈ বিয়পি পৰিল। বাক্-চাতুৰ্যপূৰ্ণ হাস্যৰস, সহানুভূতিপূৰ্ণ কৰুণামিশ্ৰিত হাস্যৰস আৰু বিদ্ৰূপাত্মক হাস্যৰস —এই তিনিশ্ৰেণীৰ হাস্যৰস সৃষ্টিৰ মাজেৰে হেমচন্দ্ৰ-গুণাভিৰামে অসমীয়া সমাজৰ বিভিন্ন দিশবোৰ নিজৰ ৰচনাত তুলি ধৰি সেইবোৰৰ সমাধান কামনা কৰিছিল। হেমচন্দ্ৰ-গুণাভিৰামৰ বয়োকনিষ্ঠ বলিনাৰায়ণ বৰাই পোন প্ৰথমবাৰৰ বাবে অসমীয়া সাহিত্যত ব্যঙ্গ কবিতাৰ সংযোজন কৰে। পৰৱৰ্তী সময়ৰ জোনাকী যুগত লক্ষ্মীনাথ বেজবৰুৱা, লম্বোদৰ বৰাই ৰচনা কৰা ব্যঙ্গ সাহিত্যৰ ধাৰাটোৰ ভেটি হেমচন্দ্ৰ-গুণাভিৰামৰ হাততেই গঢ় লৈ উঠে।

ভাষা আৰু জাতীয় চেতনা, জাতীয় সংস্কাৰ সাধন আৰু ব্যঙ্গ সাহিত্যৰ আবিৰ্ভাৱে অৰুণোদই যুগৰ শেষ স্তৰৰ সাহিত্যৰাজিক বিশেষ গুৰুত্বপূৰ্ণ কৰি তোলে। অসমীয়া নাটক, কাব্য, ভ্ৰমণ কাহিনী প্ৰভৃতি প্ৰকৃত সাহিত্য ৰচনাৰ সূচনা এই স্তৰতেই হয়। তলত হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱাকে আদি কৰি এই সময়ছোৱাৰ অন্যান্য সাহিত্যিকসকলৰ বিষয়ে চমুকৈ আলোচনা আগবঢ়োৱা হৈছে।

- **হেমচন্দ্ৰ বৰুৱা ঃ** শিৱসাগৰৰ ৰজাবাহৰ গাঁৱত ১৮৫৭ চনত হেমচন্দ্ৰ বৰুৱাৰ জন্ম হৈছিল। তেওঁৰ পিতৃৰ নাম আছিল মুক্তাৰাম বৰুৱা। প্ৰথম অৱস্থান ৯ বছৰ মান

বয়সত দেউতাকৰ অধীনতে শিক্ষা জীৱন আৰম্ভ কৰে যদিও হেমচন্দ্ৰ বৰুৱাই মাত্ৰ বাৰ বছৰ বয়সতে দেউতাকক হেৰুৱায় আৰু সেয়ে পৰৱৰ্তী সময়ত খুড়াক লক্ষ্মীৰাম বৰুৱাৰ তত্ত্বাৱধানত সংস্কৃত শিক্ষা লাভ কৰে। তাৰ কেইবছৰমান পিছত মাহে ৪ টকা বেতনত শিৱসাগৰ জিলাত নকল নবীচৰ কামত যোগদান কৰি কৰ্মজীৱনৰ পাতনি মেলে। বৰুৱাই নকল নবীচৰ দায়িত্ব পালন কৰি থকাৰ মাজতেই কেপ্তেইন ব্ৰোডী চাহাবৰ সংস্পৰ্শলৈ আহে আৰু ব্ৰোডী চাহাবৰ ছত্ৰ-ছায়াতেই ঘৰত কোনোৱে নজনাকৈ ইংৰাজী শিক্ষা ল'বলৈ ধৰে। অৱশ্যে প্ৰথমে ব্ৰোডী চাহাবৰ সহায়ত তেওঁ দেৱনাগৰী লিপিহে শিকিছিল। বৰুৱাই নিজৰ আত্মজীৱন-চৰিতত উল্লেখ কৰি গৈছে যে খুড়াক লক্ষ্মীৰাম বৰুৱা যথেষ্ট ৰক্ষণশীল আছিল আৰু ইংৰাজী শিক্ষাৰ ঘোৰ বিৰোধিতা কৰিছিল। কিন্তু এই ঘৰুৱা বাধাক অতিক্ৰম কৰি হ'লেও হেমচন্দ্ৰ বৰুৱাই ইংৰাজী ভাষাত ব্যুৎপত্তি লাভ কৰিবলৈ সমৰ্থ হৈছিল। ব্ৰোডী চাহাবৰ দৰে দুই এজন বন্ধুৱেও তেওঁক ইংৰাজী শিকাত যথেষ্ট সহায় আগবঢ়াইছিল। ইংৰাজী ভাষাৰ জ্ঞান আয়ত্ত কৰাৰ বাবেই বৰুৱাই চৰকাৰী কামত দোপতদোপে উন্নতি লাভ কৰি ট্ৰেন্সলেটৰ বা ভাষা ভঙা কাকতিৰ পদ লাভ কৰি পিছত অসমৰ জুডিছিয়েল কমিছনাৰৰ অফিচত চুপাৰিন্‌টেণ্ডেণ্টৰ পদলৈ উন্নীত হয়। ১৮৮১ চনত চৰকাৰী দায়িত্বৰ পৰা অৱসৰ গ্ৰহণ কৰে আৰু গুৱাহাটীতে নিগাজিকৈ থাকি অসমীয়া ভাষা-সাহিত্যৰ চৰ্চাত আত্মনিয়োগ কৰে। অসমীয়া ভাষা সাহিত্যৰ ওজা হেমচন্দ্ৰ বৰুৱাই ১৮৯৬ চনত গুৱাহাটীতে মৃত্যু বৰণ কৰে।

হেমচন্দ্ৰ বৰুৱাই নিজৰ সাহিত্যিক জীৱনৰ পাতনি মেলিছিল *অৰুণোদই* কাকতত। অৰুণোদইৰ ১৮৫৬ চনৰ সংখ্যাবোৰত সোণাৰচাঁদ নামৰ ছদ্মনামেৰে তেওঁ প্ৰবন্ধ পাতি লিখাৰ তথ্য বিচাৰি পোৱা যায়। বৰুৱাই মিছনেৰীসকলৰ দ্বাৰা প্ৰৱৰ্তিত অসমীয়া বৰ্ণ বিন্যাস পদ্ধতিৰ সংশোধন সাধন কৰি সংস্কৃতমূলীয় কৰিবলৈ প্ৰয়াস কৰিছিল। অসমীয়া শব্দৰ বানান পদ্ধতি বৈজ্ঞানিক আৰু মূলানুগত কৰিবলৈ বৰুৱাই *অৰুণোদই* কাকতত বিভিন্ন প্ৰবন্ধ প্ৰকাশ কৰিছিল।

১৮৭৩ চনত যেতিয়া অসমৰ পঢ়াশালিত অসমীয়া ভাষাৰ পুনৰ প্ৰচলন হৈছিল তেতিয়া পাঠ্যপুথিৰ অভাৱ পূৰণৰ নিমিত্তে বৰুৱাই আগভাগ লৈছিল। তেওঁ *আদিপাঠ, পাঠমালা, স্বাস্থ্য ৰক্ষাৰ নিয়ম* নামৰ ইংৰাজী পুথিৰ ভাঙনি আদি ছাত্ৰৰ উপযোগী পুথি প্ৰণয়ন কৰি সেই সময়ৰ চৰকাৰৰ পৰা ১১০০ টকা পুৰস্কাৰ লাভ কৰিবলৈ সমৰ্থ হৈছিল।

হেমচন্দ্ৰ বৰুৱাই প্ৰণয়ন কৰা উল্লেখযোগ্য পুথি কেতবোৰ হ'ল— *অসমীয়া ব্যাকৰণ* (১৮৫৯), *আদিপাঠ* (১৮৭৩), *অসমীয়া ল'ৰাৰ ব্যাকৰণ* (১৮৮৬), *পঢ়াশলীয়া অভিধান* (১৮৯২), *সংক্ষিপ্ত হেমকোষ* (১৮৯৪) আদি। ভাষা শিকিবলৈ আৰু শুদ্ধভাৱে লিখিবলৈ ছাত্ৰৰ কাৰণে উপযুক্ত সাহিত্য পাঠ, ব্যাকৰণ

পুথি আৰু অভিধানৰ প্ৰয়োজন। শব্দৰ উপযুক্ত প্ৰয়োগ আৰু ভাষাৰ বিশুদ্ধতা ৰক্ষা কৰি সাহিত্য ৰচনা কৰিবলৈ ব্যাকৰণ আৰু অভিধানৰ একান্ত প্ৰয়োজন। হেমচন্দ্ৰ বৰুৱাই ছাত্ৰৰ এই অভাৱ দূৰ কৰি অসমীয়া সাহিত্যৰ ভৱিষ্যত ৰচনা কৰি গ'ল। হেমচন্দ্ৰ বৰুৱাৰ যাউতিযুগীয়া সৃষ্টি *হেমকোষ*খন কেৱল ছাত্ৰ-ছাত্ৰীৰেই নহয় প্ৰতিজন অসমীয়া সাহিত্যসেৱীৰ বাবে অপৰিহাৰ্য। অৱশ্যে বৰুৱাৰ জীৱন কালত *হেমকোষ*খন পূৰ্ণাঙ্গ ৰূপে প্ৰকাশ পোৱা নাছিল। তেওঁৰ মৃত্যুৰ চাৰি বছৰ পিছত ১৯০০ চনতহে হেমচন্দ্ৰ গোস্বামী আৰু গৰ্ডন চাহাবৰ প্ৰয়াসত পূৰ্ণাঙ্গ অভিধানখন প্ৰকাশ হৈ ওলায়। এই *হেমকোষ* দ্বিতীয় অসমীয়া অভিধান আৰু ব্ৰহ্মন চাহাবৰ অভিধানখনতকৈ ইয়াত প্ৰায় আঠ হাজাৰ অধিক শব্দ বিচাৰি পোৱা যায়। *হেমকোষ*খন হেমচন্দ্ৰ বৰুৱাৰ পাণ্ডিত্য, ভাষাজ্ঞান, অপৰিসীম পৰিশ্ৰমৰ আদৰ্শ নিদৰ্শন। সত্যেন্দ্ৰনাথ শৰ্মাৰ ভাষাত ই গাইগুটীয়া বা অকলশৰীয়া চেষ্টাৰ চূড়ান্ত সৌধ।

হেমচন্দ্ৰ বৰুৱাই এগৰাকী নাট্যকাৰ ৰূপেও নিজৰ দক্ষতাৰ প্ৰমাণ দি থৈ গৈছে। তেওঁৰ *কানীয়া-কীৰ্ত্তন* (১৮৬১) নাটকখনত তেওঁ কানি বৰবিহৰ কবলত পৰি কেনেকৈ নিজৰ চৰিত্ৰ আৰু সম্পত্তি দুয়োটাই ভ্ৰষ্ট হয় সেই ছবি ব্যঙ্গাত্মক ৰূপত চিত্ৰিত কৰিছে।

বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী হেমচন্দ্ৰ বৰুৱাৰ উপন্যাসধৰ্মী ৰচনা। ৰচনাখনত অসমীয়া সমাজৰ বাহ্যিক নৈষ্ঠিকতা আৰু আচাৰ-ব্যৱহাৰৰ অন্তৰালত থকা ব্যাভিচাৰ, ভণ্ডামি, দুৰ্নীতিৰ বিকট স্বৰূপটো প্ৰকাশ কৰিছে। বৰুৱাই *কানীয়া-কীৰ্ত্তন* আৰু *বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী* এই দুয়োখন ৰচনাৰ মাজেৰে পোন প্ৰথমবাৰৰ বাবে অসমীয়া সাহিত্যত বুদ্ধিনিষ্ঠ, ব্যঙ্গাত্মক আৰু সমাজ সচেতন হাস্যৰসৰ সৃষ্টি কৰি থৈ গৈছে।

হেমচন্দ্ৰ বৰুৱাই ইংৰাজীত লিখা 'Assamese Marriage System' এখন উল্লেখযোগ্য পুথি। এইখন পুথিয়ে তেওঁৰ পাণ্ডিত্যৰ পৰিচয় বহন কৰিছে। তেওঁ কাকত সম্পাদনাৰ দায়িত্বও বহন কৰিছিল। তেওঁ *আসাম নিউজ*নামৰ কাকতখন সম্পাদনা কৰিছিল। এই কাকতখনৰ জৰিয়তেই অসমীয়া বৰ্ণ বিন্যাস পদ্ধতিৰ মান নিৰ্দ্ধাৰণ আৰু স্থিৰ কৰা হৈছিল বুলি ক'ব পাৰি।

ব্যক্তিগতভাৱে হেমচন্দ্ৰই ভণ্ডামিক ঘিণাইছিল আৰু নিজৰ জীৱনত সেই কাৰণে কোনো প্ৰকাৰৰ ভণ্ডামিক প্ৰশ্ৰয় নিদিছিল। পশ্চিমীয়া ভাবধাৰাই বহন কৰি অনা যুক্তিবাদ আৰু উদাৰতাবাদত তেওঁ আস্থা ৰাখিছিল। সেয়েহে তেওঁ বিধৱা বিবাহ সমৰ্থন কৰিছিল, পুৰুষৰ একাধিক পত্নী গ্ৰহণৰ বিৰোধী আছিল আৰু ব্যক্তিগত তথা সামাজিক জীৱনৰ কপটাচাৰ, দুৰ্নীতি আৰু অন্ধসংস্কাৰক নিজৰ লেখনিৰ মাজেৰে আক্ৰমণ কৰিছিল।

বৈজ্ঞানিক পদ্ধতিত প্ৰথম অসমীয়া অভিধান প্ৰণয়নকাৰী ৰূপে, অসমীয়া

আখৰ জোঁটনিক সুস্থিৰ ৰূপ দিওঁতা হিচাপে, প্ৰথম আৰু অদ্বিতীয় ব্যঙ্গলেখক ৰূপে আৰু আদৰ্শ গদ্য লেখকৰূপে হেমচন্দ্ৰ বৰুৱাৰ নাম অসমীয়া সাহিত্যৰ বুৰঞ্জীত চিৰকাললৈ ধ্ৰুৱ তৰাৰ দৰে জ্যোতিষ্মান হৈ থাকিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ হেমচন্দ্ৰ বৰুৱাৰ সাহিত্যকৃতিৰ পৰিচয় দি সেই সৃষ্টিয়ে কিদৰে অসমীয়া সাহিত্যলৈ নতুনত্ব কঢ়িয়াই আনিলে চমুকৈ বিশ্লেষণ কৰক। (১৫০টা শব্দৰ ভিতৰত)

- **গুণাভিৰাম বৰুৱা ঃ** ১৮৩৭ চনত গুৱাহাটীৰ ৰণৰাম বৰুৱাৰ দ্বিতীয় ভার্যাৰ গৰ্ভত যোৰহাটত গুণাভিৰাম বৰুৱাৰ জন্ম হয়। আনন্দৰাম ঢেকিয়াল ফুকনৰ পৰিয়ালৰ ব্যক্তি হোৱা হেতুকে গুণাভিৰাম বৰুৱাই ইংৰাজী শিক্ষা লাভ কৰাত যথেষ্ট সা-সুবিধা লাভ কৰিছিল। কম বয়সতে পিতৃৰ বিয়োগ হোৱা বাবে আনন্দৰাম ঢেকিয়াল ফুকনৰ তত্বাৱধানত গুণাভিৰামে শিক্ষা গ্ৰহণ কৰিছিল। তেওঁ কলিকতাৰ প্ৰেচিডেন্সি কলেজত দ্বিতীয় বাৰ্ষিক শ্ৰেণীলৈ শিক্ষা লাভ কৰি আইন অধ্যয়ন কৰিছিল। তেওঁ প্ৰথমা পত্নী ব্ৰজসুন্দৰীৰ মৃত্যুৰ পিছত ১৮৭০ চনত বিষ্ণুপ্ৰিয়া নামৰ ব্ৰাহ্মণ বিধৱা এগৰাকীৰ সৈতে দ্বিতীয়বাৰৰ বাবে বিবাশ পাশত আৱদ্ধ হয়। ১৮৫৯ চনত তেওঁ চৰকাৰী চাকৰিত সোমায় আৰু এবছৰৰ পিছত একষ্ট্ৰা-এছিষ্টেণ্ট কমিছনাৰ পদলৈ উন্নীত হয়। ১৮৯০ চনত তেওঁ চৰকাৰী চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰি কলিকতাত স্থায়ীভাৱে বসবাস কৰিবলৈ ধৰে।

  গুণাভিৰাম বৰুৱাই *অৰুণোদই* কাকতৰ মাজেৰেই নিজৰ সাহিত্যিক জীৱনৰ পাতনি মেলিছিল। তেওঁৰ জীৱনৰ উল্লেখযোগ্য কীৰ্তি হ'ল *ৰাম নৱমী নাটক*। নাটকখন ৰচনা কৰা হৈছিল ১৮৫৭ চনত। কেইবাটাও অঙ্কত বিভক্ত এই নাটকখনতে পোন প্ৰথমবাৰৰ বাবে পাশ্চাত্য নাটকৰ কলা-কৌশলৰ প্ৰয়োগ আৰু ভাৰতীয় নাটকত থকা যোগাত্মক পৰিণতিৰ বিপৰীতে বিয়োগাত্মক পৰিসমাপ্তিৰ উপস্থাপন হোৱা দেখা পোৱা যায়। সেই সময়ত বঙ্গদেশত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ নেতৃত্বত চলা বিধৱা বিবাহ প্ৰচলনৰ আন্দোলনৰ দ্বাৰা প্ৰভাৱান্বিত গুণাভিৰাম বৰুৱাই *ৰাম নৱমী নাটকত* বিধৱা বিবাহৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰি উদাৰপন্থী ডেকা ৰামচন্দ্ৰ আৰু বাল বিধৱা নৱমীৰ সমাজবিৰোধী প্ৰণয়ৰ শোকাবহ পৰিণতি অঙ্কন কৰিছে। উল্লেখযোগ্য যে গুণাভিৰামে কেৱল তেওঁ ৰচনা কৰা নাটকতে বিধৱা বিবাহৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰা নাই, নিজেও বিধৱা এগৰাকীক বিয়া পাতি তাৰ দৃষ্টান্তও সমাজক দিছিল আৰু হিন্দু সমাজত বিৰাজমান গোড়ামিৰ প্ৰতিবাদ স্বৰূপে গুণাভিৰামে ব্ৰাহ্ম ধৰ্ম গ্ৰহণ কৰিছিল।

*আসাম-বন্ধু*ৰ দুটা সংখ্যাত প্ৰকাশ হৈ আধৰুৱাভাৱে শেষ হোৱা *বিধৱা-ৰহস্য* নামৰ নাটকখনো গুণাভিৰামে ৰচনা কৰিছিল বুলি সন্দেহ কৰা হয়। ১৮৮০ চনত তেওঁ ৰচনা কৰা *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত* প্ৰকাশ হয়। আধুনিক অসমীয়াত এইখনেই প্ৰথম উল্লেখযোগ্য জীৱন-চৰিত। ঢেকিয়াল ফুকনৰ জীৱনৰ সৰু বৰ সকলো ঘটনাৰে সমৃদ্ধ এই জীৱনীখন বহু ক্ষেত্ৰত এতিয়াও আদৰ্শনীয়। ১৮৮৪ চনত তেওঁৰ প্ৰসিদ্ধ *অসম বুৰঞ্জী*খন প্ৰকাশ পায়। বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে ৰচনা কৰা এই বুৰঞ্জীখন নিৰপেক্ষ ঐতিহাসিক বিচাৰৰ বাবে আৰু গাম্ভীৰ্যপূৰ্ণ গদ্যৰীতিৰ বাবে বিশেষ মূল্য সম্বলিত। নিভাঁজ হাস্যৰস আৰু কৌতুকপূৰ্ণ কঠিন শব্দৰ ৰহস্য পুথিখনে গুণাভিৰামৰ ৰসিক মনটোৰ পৰিচয় বহন কৰে।

১৮৮৫ চনত গুণাভিৰামে *আসাম-বন্ধু* নামৰ মাহেকীয়া আলোচনী এখন সম্পাদনা কৰি প্ৰকাশ কৰিছিল। আলোচনীখনৰ প্ৰায় ১৬টা সংখ্যা প্ৰকাশ পাইছিল যদিও পিছত ই বন্ধ হৈ যায়। *আসাম-বন্ধু*তেই গুণাভিৰামৰ *আসাম-অতীত আৰু বৰ্তমান* নামৰ ঐতিহাসিক প্ৰবন্ধ ধাৰাবাহিকভাৱে প্ৰকাশ পাইছিল। গুণাভিৰামে গুৰুদত্ত ছদ্মনাম লৈ *বিজুলী* আলোচনীত কেইবাটাও কবিতা প্ৰকাশ কৰিছিল।

ঊনবিংশ শতিকাৰ অন্তিম কালছোৱাত অসমীয়া ভাষা-সাহিত্যৰ লতাডালক সাৰ পানীৰ যোগান ধৰা ব্যক্তি দুজনেই হ'ল হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা। নাটক ৰচনা, ঐতিহাসিক গৱেষণা, জীৱনী, ভ্ৰমণ বৃত্তান্ত, কাকত সম্পাদনা কৰা সকলো বিষয়তে গুণাভিৰাম আছিল পথপ্ৰদৰ্শক। গুণাভিৰামৰ অমায়িক ব্যক্তিত্বই প্ৰথমে নগাঁৰত আৰু শেষত কলিকতাত থকা অসমীয়া ডেকাচামক সাহিত্যৰ পথাৰখন চহকী কৰিবলৈ উদ্‌গনি যোগাইছিল। এইজনা মহান অসমীয়াই ১৮৯৪ চনত কলিকতাত জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ গুণাভিৰাম বৰুৱাৰ সাহিত্যকৃতিৰ বিষয়ে উল্লেখ কৰি তেওঁৰ সমাজ সংস্কাৰমুখী মনটোৰ এটি বিশ্লেষণ আগবঢ়াওক। (২০০টা শব্দৰ ভিতৰত)

- **ৰমাকান্ত চৌধুৰী ঃ** কামৰূপৰ লক্ষ্মীকান্ত চৌধুৰীৰ পুত্ৰ ৰমাকান্ত চৌধুৰী (জন্ম-১৮৪৬ মৃত্যু-১৮৮৯)। চৌধুৰীয়ে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত গুৱাহাটীৰ কাছাৰীত কেৰাণী হিচাপে কামত যোগদান কৰে। তেওঁ ১৮৭৫ চনত মাইকেল মধুসূদন দত্তই মিল্টনৰ ব্লেঙ্ক ভাৰ্ছৰ আৰ্হিৰে ৰচনা কৰা *মেঘনাদ বধ*কাব্যৰ কৌশলেৰে অমিত্ৰাক্ষৰ ছন্দত *অভিমন্যু বধ* নামৰ এখন কাব্য ৰচনা কৰে। তেওঁ মধুসুদন দত্তৰ কাব্যৰ ৰীতি অনুসৰণ কৰিছে যদিও *অভিমন্যু বধ*ত আচহুৱা শব্দ

নাই বা কষ্টকল্পনাৰ প্ৰয়োগ নাই। দত্তৰ মেঘনাদ আৰু প্ৰমীলাৰ অনুৰূপত চৌধুৰীয়ে উত্তৰা আৰু অভিমন্যুৰ চৰিত্ৰ অঙ্কন কৰিছে। তেওঁ *সীতাহৰণ* আৰু *ৰাৱণ বধ* নামৰ দুখন নাটকো ৰচনা কৰিছিল। নাটক দুখন অসমৰ বিভিন্ন মঞ্চত সফলতাৰে মঞ্চস্থ হৈছিল যদিও দুয়োখন নাটকৰে পাণ্ডুলিপি বৰ্তমান বিচাৰি পোৱা নাযায়।

- **ভোলানাথ দাস ঃ** ভোলানাথ দাসৰ প্ৰাচীন ঘৰ নগাঁৱত। বুৰঞ্জী প্ৰসিদ্ধ বাখৰ বৰাৰ ঘৰৰ বাপিৰাম দাসৰ একমাত্ৰ পুত্ৰ ভোলানাথ দাস। স্কুলীয়া শিক্ষা নগাঁৱতে সমাপ্ত কৰি ১৮৭৯ চনত কলিকতাৰ মেট্ৰোপলিটান কলেজত পঢ়িবলৈ লয় যদিও ঘৰুৱা লেঠাৰ বাবে অসমলৈ উভতি আহি কিছুদিন শিক্ষকতা আৰু ছাৰ্ভেয়াৰৰ কাম কৰি পিছত ছাব-ডেপুটি কালেক্টৰ হয়। ১৯১২ চনত চৰকাৰী কামৰ পৰা অৱসৰ লৈ গুৱাহাটীত স্থায়ীভাৱে থাকিবলৈ লয়।১৯২৯ চনত গুৱাহাটীতে তেওঁৰ মৃত্যু হয়।

  ভোলানাথ দাসেও ৰমাকান্ত চৌধুৰীৰ দৰে অমিত্ৰাক্ষৰ ছন্দত *সীতাহৰণ কাব্য* ৰচনা কৰিছিল। কাব্যখনৰ কিছু অংশ মাজুলীৰ আউনীআটি সত্ৰৰ পৰা প্ৰকাশিত *আসাম-বিলাসিনী* কাকতত ১৮৭৮-৮০ চন মানত প্ৰকাশ হৈছিল। কাব্যখনৰ ৰচনা ১৮৮৮ চনতহে সম্পূৰ্ণ হয়। এইখন আধুনিক যুগৰ দ্বিতীয়খন বৰ্ণনাত্মক কাব্যপুথি। কাব্যখনৰ আচহুৱা শব্দ, নামধাতুৰ প্ৰচুৰ প্ৰয়োগ আদিয়ে কাব্যখনৰ ৰচনাৰীতি কৃত্ৰিম কৰি তুলিছে যদিও কবি প্ৰতিভাৰ পৰিস্ফূৰণ ঠায়ে ঠায়ে নোহোৱাকৈ থকা নাই। তেওঁ ৰচনা কৰা খণ্ড কবিতাৰ পুথি *কবিতামালাৰ* প্ৰথম খণ্ড ১৮৮১ চনত আৰু দ্বিতীয় খণ্ড ১৮৮৩ চনত প্ৰকাশ পায়। *কবিতামালাৰ* দুই খণ্ডৰে কবিতাসমূহ শিশুৰ উপযোগী কৰি ৰচনা কৰা, সেই কাৰণে নীতিকথা, উপদেশ আৰু সহজ প্ৰাকৃতিক চিত্ৰৰ প্ৰকাশ এই কবিতাখিনিত দেখা পোৱা যায়। দাসৰ দ্বিতীয় কবিতা পুথি *চিন্তাতৰঙ্গিনীৰ* দুয়োটা খণ্ড ক্ৰমে ১৮৮৪ আৰু ১৮৮৫ চনত প্ৰকাশ পায়। *চিন্তাতৰঙ্গিনীত* থকা কবিতাসমূহ লিৰিক জাতীয়। প্ৰকৃতিৰ বিভিন্ন বৰ্ণনা, ব্যক্তিগত দুখ বেদনা, শিশু প্ৰীতি, দেশপ্ৰেম আৰু বিভিন্ন অলংকাৰ প্ৰয়োগৰ দ্বাৰা সৃষ্ট চিত্ৰাৱলী এই কবিতাসমূহৰ বৈশিষ্ট্য।

  দাসৰ বিভিন্ন কবিতাত আধুনিক যুগৰ গীতি-কবিতাৰ কিশলয় স্বৰূপটো দেখা পোৱা যায় যদিও সেইসময়ৰ কেইবাখনো কাকতত দাসৰ কবিতাসমূহৰ ঋণাত্মক আলোচনা হোৱাত তেওঁ পাছলৈ সাহিত্য চৰ্চা কৰিবলৈ এৰি দিয়ে।

- **কমলাকান্ত ভট্টাচাৰ্য্য ঃ** কমলাকান্ত ভট্টাচাৰ্য্যৰ জন্ম হৈছিল তেজপুৰ মহকুমাৰ ন-দুৱাৰত ১৮৫৪ চনত। তেওঁৰ পিতৃ বাণেশ্বৰ ভট্টাচাৰ্য্য বৃটিছ আৰক্ষী বিভাগৰ দাৰোগা আছিল। ভট্টাচাৰ্য্যই তেজপুৰ আৰু গুৱাহাটীৰ ইংৰাজী স্কুলত শিক্ষা গ্ৰহণ কৰি কিছুদিন ইটো সিটো চাকৰি কৰি পিছত হৰিবিলাস আগৰৱালাৰ লগত যৌথভাৱে ব্যৱসায় কৰে। পিছত এককভাৱে নানা ব্যৱসায় কৰি জীৱন-নিৰ্বাহ

কৰে। তেওঁ সাহিত্যিক জীৱনৰ পাতনি মেলিছিল *অৰুণোদই* কাকতৰ যোগেদি আৰু পৰৱৰ্তী কালত *আসাম নিউজ, জোনাকী, আৱাহন* আদি আলোচনীতো তেওঁৰ লেখা প্ৰকাশ পাইছিল। ভট্টাচাৰ্য্যৰ মন আছিল কুসংস্কাৰমুক্ত আৰু স্বাধীনতাপ্ৰয়াসী। পৰম্পৰাগত বিশ্বাসত তেওঁৰ আস্থা নাছিল আৰু যুক্তিৰ ভেটিতহে বিশ্বাস গ্ৰহণ-বৰ্জন কৰিছিল। গদ্য আৰু পদ্য দুয়ো প্ৰকাৰ সাহিত্যই ৰচনা কৰি যোৱা কমলাকান্তৰ কবিতাত স্বদেশপ্ৰেম আৰু বিদ্ৰোহৰ অগ্নিৰ উত্তাপ বিচাৰি পোৱা যায়। মহেশ্বৰ নেওগৰ মতে তেওঁৰ কবিতাত লিৰিকৰ গঢ় আছে; কিন্তু কবিতাৰ ছন্দৰ লাগ-বান্ধ নাই। ভট্টাচাৰ্য্যই ৰচনা কৰা কবিতা পুথিকেইখন হ'ল— *চিন্তানল* (আগছোৱা, ১৮৯০), *চিন্তানল* (শেষছোৱা, ১৮৯২) আৰু *চিন্তাতৰঙ্গ* (১৯৩৩)।

গদ্য ৰচনাৰ ভিতৰত *কঃ পন্থা* আৰু *অষ্টবক্ৰ*ৰ আত্মজীৱনী নামৰ দুখন পুথিৰ প্ৰথমখন তেওঁৰ জীৱিত কালত ১৯৩৪ চনত প্ৰকাশ পাইছিল যদিও দ্বিতীয়খন অপ্ৰকাশিত। তেওঁৰ অন্যান্য বহুতো মৌলিক চিন্তা আৰু গৱেষণামূলক প্ৰবন্ধৰাজি বিভিন্ন কাকত, আলোচনীত সিঁচৰতি হৈ আছে। ভাষা সংস্কৃতগন্ধী নকৰাকৈ গুৰু গম্ভীৰ ভাব, ঘৰুৱা অসমীয়া ভাষাৰ যোগেদি প্ৰকাশ কৰিব পৰা ক্ষমতা ভট্টাচাৰ্য্যৰ গদ্যত দেখা পোৱা যায়। এইজন অসমীয়া সাহিত্যসেৱকৰ ১৯৩৬ চনত গুৱাহাটীত জীৱন নাটৰ ইতি পৰে।

- **ৰত্নেশ্বৰ মহন্ত ঃ** গুৱাহাটীত ১৮৬৪ চনত ৰত্নেশ্বৰ মহন্তৰ জন্ম হয়। মহন্তই স্কুলীয়া শিক্ষা গুৱাহাটীতে গ্ৰহণ কৰিছিল যদিও নগাঁৱৰ পৰা এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰে। অৰ্থৰ অভাৱত উচ্চ শিক্ষা ল'ব নোৱাৰি মহন্তই নগাঁৱৰ কাছাৰিত চাকৰি কৰি জীৱন-নিৰ্বাহৰ পথ বাছি লয়।নগাঁৱত সেই সময়ত গুণাভিৰাম বৰুৱাক কেন্দ্ৰ কৰি এটি সাহিত্যিক গোষ্ঠী গঢ় লৈ উঠিছিল। উক্ত গোষ্ঠীৰ সদস্য ৰূপে ৰত্নেশ্বৰ মহন্তই সাহিত্য প্ৰতিভা বিকাশৰ এটা উপযোগী পৰিৱেশ লাভ কৰিছিল। গুণাভিৰাম বৰুৱা সম্পাদিত *আসাম-বন্ধু* আৰু পাছৰ *জোনাকী* আৰু *বিজুলী* আলোচনীত মহন্তৰ বুৰঞ্জীমূলক আৰু অন্যান্য বিষয়ক প্ৰবন্ধসমূহ প্ৰকাশ পাইছিল। মহন্তৰ দুটা খণ্ডত প্ৰকাশ হোৱা *কবিতাহাৰ* নামৰ কবিতাপুথি দুখনে তেওঁৰ কবিত্ব সম্ভাৱনাৰ চানেকী দাঙি ধৰে। তেওঁ *দ্ৰৌপদী হৰণ, হৰিশ্চন্দ্ৰ* আৰু *দ্ৰৌপদীৰ বেণীবন্ধন* নামৰ নাটক ৰচনা কৰিছিল যদিও শেষৰখন নাটকে প্ৰকাশৰ মুখ দেখা নাপালে। এইজন প্ৰতিভাশালী অসমীয়া সাহিত্যিকৰ ১৮৯৩ চনত অকাল বিয়োগ ঘটাত তেওঁৰ প্ৰতিভা অঙ্কুৰিত নোহোৱাকৈ ৰৈ গ'ল।

- **লম্বোদৰ বৰা ঃ** ১৮৬০ চনত তেজপুৰৰ গমিৰি অঞ্চলত লম্বোদৰ বৰাৰ জন্ম হয়। ছাত্ৰ অৱস্থাৰ পৰাই সাহিত্য সেৱাত ব্ৰতী বৰাৰ প্ৰথম ৰচনা *আসাম বিলাসিনী*

কাকতত প্ৰকাশ পায়। পৰৱৰ্তী সময়ত *আসাম বন্ধু, আসাম তাৰা, আসাম নিউজ* আদি কাকতত তেওঁৰ প্ৰবন্ধ প্ৰকাশ পায়। বৰাই এই প্ৰবন্ধবোৰত নিজৰ শক্তিশালী গদ্যৰ প্ৰমাণসহ অসমীয়া সমাজত প্ৰচলিত কেতবোৰ কুপ্ৰথাৰ নিস্তাৰ সম্পৰ্কে লিখিছে। বৰাই ৰচনা কৰা দুখন উল্লেখযোগ্য পুথি হ'ল *ল'ৰাবোধ* আৰু *জ্ঞানোদয়*। তেওঁৰ সদানন্দৰ *কলাঘুমতি* নামৰ প্ৰসিদ্ধ হাস্যৰসাত্মক ব্যঙ্গ ৰচনাখন *আসাম বন্ধুত* প্ৰকাশ পাইছিল। বৰাই মহাকবি কালিদাসৰ *অভিজ্ঞানম শকুন্তলম্* নাটকখনো অসমীয়ালৈ অনুবাদ কৰিছিল। তেওঁ ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ জীৱনী, আনন্দৰাম বৰুৱাৰ জীৱনী আৰু *সমাজ দৰ্পণ* নামৰ নাটক ৰচনা কৰি আছিল যদিও অকালতে মৃত্যু বৰণ কৰিবলগীয়া হোৱাত সেইবোৰ অসম্পূৰ্ণ হৈ ৰ'ল। এইজন সম্ভাৱনাপূৰ্ণ অসমীয়া সাহিত্যিকে মাত্ৰ ৩২ বছৰ বয়সতে ১৮৯২ চনত নশ্বৰদেহ ত্যাগ কৰিছিল।

- **বলিনাৰায়ণ বৰা ঃ** পেছাত ইঞ্জিনীয়াৰ বলিনাৰায়ণ বৰাই হৰিনাৰায়ণ বৰাৰ সম্পাদনাৰে *মৌ* আলোচনীখন প্ৰকাশ কৰিছিল। *মৌ* আলোচনীত তেওঁ অসমীয়া বাবু, ডাঙৰীয়া আদি ব্যঙ্গাত্মক কবিতা ৰচনা কৰিছিল। উচ্চ শিক্ষা, অসমৰ ভূমি আৰু ৰাজহ, অসমৰ স্বাস্থ্য, পুৰুষৰ স্বাধীনতা আদি তেওঁৰ উচ্চমান বিশিষ্ট প্ৰবন্ধও মৌ আলোচনীত প্ৰকাশ পাইছিল। পৰৱৰ্তী সময়ত *মৌ* আলোচনীখনৰ প্ৰকাশ বন্ধ হৈ যোৱাত বলিনাৰায়ণ বৰায়েও সাহিত্য সাধনা পৰিত্যাগ কৰে।

- **পদ্মাৱতী দেৱী ফুকননী ঃ** আনন্দৰাম ঢেকিয়াল ফুকনৰ পুত্ৰী পদ্মাৱতী দেৱী ফুকননী (১৮৫৩-১৯২৯) এই স্তৰৰ উল্লেখযোগ্য মহিলা লেখিকা। তেওঁ *সুধৰ্মাৰ উপাখ্যান* নামৰ এখন উপন্যাস ৰচনা কৰিছিল। ফুকননীয়ে শিশুসকলৰ উপযোগীকৈ *হিতসাধিকা* নামৰ পুথি এখনো ৰচনা কৰিছিল।

- **অন্যান্য সাহিত্যিকসকল ঃ** এই সময়ছোৱাত ভালেমান সাহিত্যিকে কম বেছি পৰিমাণে অসমীয়া সাহিত্যৰ ভঁৰাললৈ নিজ সৃষ্টিৰ ফচল দান দি অসমীয়া সাহিত্যক চহকী কৰিছিল। ইন্দিবৰ বৰুৱাই নীলকমল ছদ্ম নামেৰে *জীৱনাদৰ্শ, মণিৰাম দেৱান, পিয়লি ফুকন* আদি জীৱনীমূলক ৰচনা ৰচিছিল। একেদৰে, ৰুদ্ৰৰাম বৰদলৈয়ে *বঙাল-বঙালনী*, হৰেশ্বৰ শৰ্মা বৰুৱাই *অভিমন্যু বধ, শকুন্তলা নাটক*; পূৰ্ণকান্ত শৰ্মাই *নলচৰিত, হিতকথা, জ্ঞানাঙ্কুৰ*; পদ্মহাঁস গোস্বামীয়ে *পদ্যমালা* আৰু *শিক্ষাসাৰ*; দেৱনাথ বৰদলৈয়ে *হেমপ্ৰভা আৰু বৈদেহী বিচ্ছেদ* নাটক; বিষ্ণুপ্ৰিয়া দেৱীয়ে সাধুকথাৰ পুথি *নীতিকথা*; স্বৰ্ণলতা দেৱীয়ে *আৰ্হি তিৰোতা* আদি পুথি ৰচনা কৰিছিল।

এই সময়ছোৱাত ক্ষীণকৈ হ'লেও পুৰণি অসমীয়া সাহিত্যৰ ধাৰাৰ ভালেমান ৰচনা প্ৰকাশ হৈছিল। তেজপুৰৰ হৰিবিলাস আগৰৱালাই ১৮৭৬ চনত মহাপুৰুষ শ্ৰীমন্ত

শংকৰদেৱ বিৰচিত *কীৰ্ত্তন-ঘোষা*ছপা ৰূপত প্ৰকাশ কৰিছিল। তদুপৰি *ভাগৱতৰ* দশম আৰু একাদশ খণ্ড, *ৰামবিজয় নাট, গুণমালা, ভক্তি ৰত্নাৱলী*আদিৰো ছপা ৰূপৰ প্ৰৱৰ্তন কৰে। মাধৱচন্দ্ৰ বৰদলৈয়ে *সাতকাণ্ড ৰামায়ণ* আৰু *দীপিকা চন্দ্ৰ*, কালিৰাম বৰুৱাই ৰাম সৰস্বতীৰ *গীত গোৱিন্দ* আৰু *কীৰ্ত্তন, দশম* প্ৰকাশ কৰিছিল।



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া সাহিত্যৰ বুৰঞ্জীত ১৮২৬ চনৰ পৰা ১৮৮৮ চনলৈ ৰচিত সাহিত্যৰাজিক অৰুণোদই যুগৰ সাহিত্য বুলি কোৱা হয়। ১৮৪৬ চনত মিছনেৰীসকলে শিৱসাগৰৰ পৰা *অৰুণোদই* সংবাদ-পত্ৰ তথা আলোচনীখন প্ৰকাশ কৰিছিল আৰু এই আলোচনী-খনৰ নামে�ৰেই এই যুগটোৰ নামকৰণ অৰুণোদই কৰা হৈছে।
- অধ্যায়টোত অৰুণোদই যুগৰ ঐতিহাসিক পটভূমি শিতানত বৃটিছৰ অসম প্ৰৱেশৰ ফলত হোৱা অসমৰ আৰ্থ-সামাজিক-ৰাজনৈতিক আৰু শিক্ষা-সাহিত্যৰ ছবি স্পষ্ট হৈছে।
- অৰুণোদই যুগটোক তিনিটা স্তৰত বিভক্ত কৰি অধ্যয়ন কৰিব পাৰি। ১৮২৬ চনৰ পৰা ১৮৪৬ চনলৈ প্ৰাক্-অৰুণোদই স্তৰ; ১৮৪৬ চনৰ পৰা ১৮৭৩ চনলৈ *অৰুণোদই* ঃ অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠাৰ স্তৰ আৰু ১৮৭৩ চনৰ পৰা ১৮৮৮ চনলৈ আধুনিক অসমীয়া ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ স্তৰ।
- অৰুণোদই যুগৰ প্ৰতিটো স্তৰৰ লেখকসকল আৰু তেওঁলোকৰ সাহিত্যৰাজিৰ পৰিচয় পোৱা গ'ল। প্ৰতিটো স্তৰৰ বিশেষত্বসমূহ আলোচনা কৰা হ'ল।
- অসমীয়া ভাষা-সাহিত্যলৈ মিছনেৰীসকলৰ অৱদানসমূহ জানিব পৰা গ'ল।
- নতুনকৈ গঢ় লোৱা অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৰ অসমীয়া সাহিত্যলৈ অৱদান সম্পৰ্কে জনা গ'ল।



১.৬ অধিক জানিবলৈ

১) গোস্বামী, যতীন্দ্ৰ নাথ (১৯৯৪) ঃ *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী*; গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

২) গোস্বামী, ৰঞ্জিত কুমাৰ দেৱ (২০১৫) সম্পাদনা ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী, পঞ্চম খণ্ড*; গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৩) তালুকদাৰ, নন্দ (১৯৭৫) ঃ *সম্বাদপত্ৰৰ ৰ'দ কাঁচলিত অসমীয়া সাহিত্য*; গুৱাহাটী ঃ

বৰুৱা এজেন্সি।

৪) দাস, নাৰায়ণ (১৯৯৬) ঃ *অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ*; গুৱাহাটী ঃ প্ৰকাশন গোট, প্ৰাগজ্যোতিষ মহাবিদ্যালয়।

৫) নেওগ, ডিম্বেশ্বৰ (১৯৬৪) ঃ *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*; গুৱাহাটী।

৬) নেওগ, মহেশ্বৰ (১৯৮৩) সঙ্কলিত আৰু সম্পাদিত ঃ *অৰুণোদই ১৮৪৬-১৮৫৪*; গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৭) নেওগ, মহেশ্বৰ (২০০০) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৮) বৰকটকী, বীৰেন (১৯৬৯) ঃ *সাহিত্যৰ পটভূমি*; গুৱাহাটী ঃ অসম বুক ডিপো।

৯) বৰুৱা, বিবিঞ্চি কুমাৰ (১৯৯১) সম্পাদনা ঃ *অৰুণোদইৰ ধলফাট*; অসম সাহিত্য সভা।

১০) বৰগোঁহাঞি, হোমেন (১৯৯৩) সম্পাদিত ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী, ষষ্ঠ খণ্ড*; গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

১১) বৰ্মন, শিৱনাথ (১৯৯৭) সম্পাদিত ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী, দ্বিতীয় খণ্ড*; গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

১২) ভূঞা, সূর্য্য কুমাৰ (১৯৮৮) সম্পাদনা ঃ *অসম বুৰঞ্জী*; গুৱাহাটী ঃ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ।

১৩) ভৰালী, শৈলেন (১৯৭৮) ঃ *আধুনিক অসমীয়া সাহিত্য (দুটি তৰঙ্গ)*; গুৱাহাটী ঃ নিউ বুক ষ্টল।

১৪) ভৰালী, শৈলেন (১৯৯০) ঃ *নাটক আৰু অসমীয়া নাটক*; গুৱাহাটী ঃ বাণী প্ৰকাশ।

১৫) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৫) ঃ *উপন্যাস আৰু অসমীয়া উপন্যাস*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

১৬) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৯৭) ঃ *অসমীয়া উপন্যাসৰ ভূমিকা*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৭) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০২) ঃ *অসমীয়া নাট্য সাহিত্য*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৮) শৰ্মা, সত্যেন্দ্ৰনাথ (২০১৩) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৯) শৰ্মা, হেমন্ত কুমাৰ (২০০৭) ঃ *অসমীয়া সাহিত্যত দৃষ্টিপাত*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

১.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ অসমত ১৮২৬ চনত বৃটিছৰ প্ৰৱেশ ঘটে। অসমৰ শাসন ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ যোৱাৰ লগে লগে প্ৰশাসন ব্যৱস্থাৰ পৰিৱৰ্তন হ'ল। আহোম যুগৰ ডা-ডাঙৰীয়াসকলৰ সা-সুবিধা কৰ্তন হ'ল। মুদ্ৰা ব্যৱস্থাৰ জৰিয়তে প্ৰজাই কৰ আদায় দিবলগীয়া হ'ল। মধ্যবিত্ত শ্ৰেণীৰ আৱিৰ্ভাৱ হ'ল। মিছনেৰীৰ আগমনত

পঢ়াশালি স্থাপন হ'ল... এইদৰে আর্থ-ৰাজনৈতিক-সামাজিক পৰিৱর্তনসমূহ একাদিক্রমে বর্ণনা কৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ *অৰুণোদই* আলোচনীখনক আধাৰ কৰি অৰুণোদই যুগটোক তিনিটা স্তৰত ভাগ কৰা হৈছে। *অৰুণোদই* প্রকাশ হোৱাৰ আগৰ পৰা *অৰুণোদই* প্রকাশ হোৱালৈকে প্রথম স্তৰ, অৰুণোদই প্রকাশ হোৱাৰ পৰা জনপ্রিয় হৈ থকা সময়ছোৱালৈ দ্বিতীয় স্তৰ আৰু অসমীয়া ভাষা পুনঃ প্রচলন হোৱাৰ পৰা *জোনাকী* আলোচনী প্রকাশ হোৱা সময়ছোৱালৈ শেষ স্তৰ। ...স্তৰসমূহৰ সময় উল্লেখ কৰি প্রতিটো স্তৰৰ পটভূমি ব্যাখ্যা কৰি স্তৰসমূহৰ ভিত্তি নির্ণয় কৰি দেখুৱাব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ প্রাক্-অৰুণোদই স্তৰত আত্মাৰাম শর্মা, কাশীনাথ তামুলীফুকন আদি লেখকে সাহিত্য ৰচনা কৰিছিল। এই সাহিত্যিকসকলৰ ৰচনাৰাজিৰ পৰিচয় চমুকৈ উল্লেখ কৰিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ মিছনেৰীসকলে অশেষ যত্ন কৰি অসমীয়া ভাষা শিকি লৈছিল। ভাষাটো যেনেভাৱে কোৱা হৈছিল তেনেকৈয়ে লিখাৰ প্রয়াস কৰিছিল। যুক্ত ধ্বনিবোৰ ভাঙি কোমল কৰি লৈছিল, দন্ত্য আৰু মূর্ধণ্যৰ ভিতৰত কেৱল দন্ত্যধ্বনি ব্যৱহাৰ কৰিছিল। ...জতুৱা ঠাঁচটো ইংৰাজীৰ দ্বাৰা প্রভাৱান্বিত ...আদি বৈশিষ্ট্যবোৰ উদাহৰণসহ আলোচনা কৰিব লাগিব।

৫নং প্রশ্নৰ উত্তৰ ঃ নাথান ব্রাউন, এ. কে. গার্নি, নিধিৰাম ফাৰৱেল আদি খ্রীষ্টিয়ান লেখকসকলে অৱদান আগবঢ়াইছিল। তেওঁলোকৰ ৰচনাৰাজিৰ বিষয়ে বর্ণনা কৰিব লাগিব।

৬নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষা-সাহিত্যৰ পুনৰ প্রতিষ্ঠাৰ অন্যতম গুৰি ধৰোঁতা আনন্দৰাম ঢেকিয়াল ফুকন। অসমৰ পঢ়াশালি আদালতত অসমীয়া ভাষা পুনৰ প্রচলন কৰিবলৈ ঢেকিয়াল ফুকনে ইংৰাজৰ ওচৰত স্মাৰক পত্র দিছিল। ...অসমীয়া ভাষাৰ স্বকীয়তা প্রতিপন্ন কৰিবলৈ ছদ্ম নামত পুথি প্রণয়ন আৰু বিতৰণ কৰিছিল। ...এইদৰে ঢেকিয়াল ফুকনৰ প্রচেষ্টাসমূহ আৰু তাৰ ফলাফল লিখিব লাগিব।

৭নং প্রশ্নৰ উত্তৰ ঃ হেমচন্দ্র বৰুৱাৰ ৰচনাৰাজিৰ পৰিচয় দি কিদৰে এই ৰচনাবোৰত অসমীয়া আখৰ জোঁটনিয়ে সুস্থিৰ ৰূপ পালে ...ব্যঙ্গ সাহিত্য ৰচিলে ...বৈজ্ঞানিক পদ্ধতিত অভিধান প্রণয়ন কৰিলে ...বর্ণনা কৰিব লাগিব।

৮নং প্রশ্নৰ উত্তৰ ঃ গুণাভিৰাম বৰুৱাৰ সাহিত্যৰাজিৰ পৰিচয় লিখিব লাগিব ...ৰাম নবমী নাটকত বিধবা বিবাহৰ সপক্ষে যুক্তি প্রদর্শন কৰিছিল ...নিজেও বিধৱা বিবাহ কৰিছিল ...এইদৰে তেওঁৰ সাহিত্য আৰু কর্ম সম্পর্কে লিখি সংস্কাৰকামী মনটোৰ প্রসঙ্গ আনিব লাগিব।



১.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ চমুটোকা লিখক ঃ

(ক) নাথান ব্ৰাউন (খ) নিধিৰাম ফাৰৱেল (গ) A Native

(ঘ) ভোলানাথ দাস (ঙ) *অৰুণোদই* (চ) আত্মাৰাম শৰ্মা

প্ৰশ্ন নং ২ ঃ অসমীয়া সাহিত্যত অৰুণোদই যুগৰ গুৰুত্ব সম্পৰ্কে এক নিবন্ধ যুগত কৰক।

প্ৰশ্ন নং ৩ ঃ অৰুণোদই যুগৰ স্তৰ কেইটা আৰু কি কি? প্ৰতিটো স্তৰৰে পৰিচয় প্ৰদান কৰি স্তৰকেইটাৰ অন্তৰ্ভুক্ত ৰচনাৰাজিৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্ৰশ্ন নং ৪ ঃ অৰুণোদই যুগত হোৱা অসমীয়া ভাষাৰ সংকট আৰু ইয়াৰ সমাধান সন্দৰ্ভত বহলাই আলোচনা কৰক।

প্ৰশ্ন নং ৫ ঃ হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ সাহিত্যকৃতিৰ বিষয়ে উল্লেখ কৰি তেওঁলোকৰ অৱদান সম্পৰ্কে আলোচনা আগবঢ়াওক।

প্ৰশ্ন নং ৬ ঃ অসমীয়া ভাষা-সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান বহলাই আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ অৰুণোদই যুগৰ অসমীয়া সাহিত্য-২

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ *অৰুণোদই* কাকত আৰু অসমীয়া সাহিত্য
২.৪ *অৰুণোদই* কাকত প্ৰকাশৰ সময়ছোৱাৰ অসমীয়া সাহিত্যৰ চমু আভাস
২.৪.১ *অৰুণোদই* কাকতলৈ অৰিহণা যোগোৱা অনা-অসমীয়া লেখক-লেখিকাসকল
২.৪.২ *অৰুণোদই* কাকতলৈ অৰিহণা যোগোৱা অসমীয়া লেখক-লেখিকাসকল
২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৬ অধিক জানিবলৈ
২.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
২.৮ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যৰ বুৰঞ্জীত অৰুণোদই যুগৰ স্থান সম্পৰ্কে অৱগত হ'ব
- অৰুণোদই যুগৰ পৰিচয় জানিব পাৰিব
- *অৰুণোদই* কাকতে অসমীয়া সাহিত্যলৈ কি কি অৱদান আগবঢ়ালে সেই বিষয়ে কিছু জ্ঞান লাভ কৰিব
- *অৰুণোদই* কাকতৰ প্ৰকাশৰ সময়ছোৱাত অসমীয়া সাহিত্যৰ চমু আভাস লাভ কৰিব
- *অৰুণোদই* কাকতলৈ অৰিহণা যোগোৱা খ্ৰীষ্টান মিছনেৰীসকলৰ ৰচিত সাহিত্যৰাজি আৰু বৈশিষ্ট্যসমূহ জানিব পাৰিব
- *অৰুণোদই* কাকতত অসমীয়া লেখকসকলৰ অৱদান আৰু সাহিত্যিক বৈশিষ্ট্য জানিব পাৰিব
- এই যুগৰ সাহিত্যই অসমীয়া সাহিত্যৰ বুৰঞ্জীত পৰৱৰ্তী যুগৰ সূচনাৰ বাবে কেনেদৰে বাটকটীয়াৰ ভূমিকা গ্ৰহণ কৰিলে, সেই বিষয়ে অধ্যয়ন কৰিব পাৰিব।

২.২ পৰিচয়

এই অধ্যায়টি স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ প্ৰথম ষাণ্মাসিকৰ দ্বিতীয় বুনিয়াদী পাঠ্যবিষয়ৰ অন্তৰ্গত দ্বিতীয় অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'অৰুণোদই যুগৰ অসমীয়া সাহিত্য-২'। অধ্যায়টিত অৰুণোদই যুগৰ সাহিত্যৰাজিৰ বিষয়ে বহলাই আলোচনা কৰা হ'ব।

এই অধ্যায়ত অধ্যয়ন কৰিলে অসমত ব্রিটিছৰ ৰাজত্ব, মিছনেৰীসকলৰ আগমন, অসমীয়া মাতৃভাষা পুনৰ প্রচলনত মিছনেৰীসকলৰ ভূমিকা, *অৰুনোদই*ৰ প্রকাশ, *অৰুণোদই*ত খ্রীষ্টান-অখ্রীষ্টিয়ান লেখকৰ বৰঙণি, আধুনিক গদ্যৰীতিৰ নিদর্শন, বিভিন্ন নতুন নতুন সাহিত্যৰ ৰচনা (জন্ম) তথা প্রকাশ, পৰৱর্তী কাকত-আলোচনী প্রকাশত *অৰুণোদই*ৰ ভূমিকা সম্পর্কে বহলাই আলোচনা কৰা হ'ব।

আমাৰ সকলোৰে জ্ঞাত যে ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চর্তমতে অসমখন ইংৰাজৰ অধীনলৈ যায়। ইংৰাজে অসমৰ শাসনভাৰ কান্ধ পাতি লয়। মানে অসম অধিকাৰ কৰি লোৱাৰ পিছত মানৰ অত্যাচাৰত অতিষ্ঠ হৈ অসমে ইংৰাজৰ (বৃটিছৰ) সহায় লয়। ১৮৩৮ চনত ৰজা পুৰন্দৰ সিংহৰ অকর্মণ্যতাৰ অজুহাতত তেওঁক সিংহাখনৰ পৰা নমাই উজনি অসম পোনপটীয়াকৈ ইংৰাজ শাসনৰ অধীনলৈ আনে। ইংৰাজে অত্যাচাৰী মানক অসমৰ পৰা খেদি পঠিওৱাত সাধাৰণ প্রজাই কিছু সকাহ পাই উঠিল যদিও পিছলৈ ইংৰাজৰ শাসন ব্যৱস্থাই সেই বিশ্বাসত চেঁচাপানী ঢালিলে। তাৰ উদাহৰণ স্বৰূপে, পিয়লি ফুকন, গমধৰ কোঁৱৰ, মণিৰাম দেৱানৰ কথাকে ক'ব পাৰি। অসমখন ইংৰাজৰ অধীন হোৱাৰ পাছৰে পৰা বাহিৰৰ পৰা বাংলা, হিন্দী, ইংৰাজী আদি বিবিধ ভাষা-ভাষীসকল আৰু তাৰ ভিতৰত প্রধানভাৱে বঙলাভাষীসকল আহি অসমত সোমায়। মণিৰাম দেৱান, পিয়লি ফুকন আদিৰ বিদ্রোহৰ ফলত ইংৰাজে অসমৰ মানুহক বিশ্বাসত নলৈ বঙ্গদেশৰ পৰা কেৰাণী, মহৰি আনি দেশৰ শাসনব্যৱস্থা চলাবলৈ আৰম্ভ কৰে। তেওঁলোকৰ প্ররোচনাতে পৰি ১৮৩৬ খ্রীষ্টাব্দৰ পৰা অসমৰ স্কুল-আদালতৰ পৰা অসমীয়া ভাষাক বহিষ্কাৰ কৰি বঙলা ভাষাকে শাসক দলে প্রতিষ্ঠা কৰিলে।

ইংৰাজ শাসক দলে ১৮৩৬ খ্রীষ্টাবদৰ পৰা ১৮৭৩ খ্রীষ্টাব্দলৈ অসমত অসমীয়াৰ সলনি প্রায় দুকুৰি বছৰ বঙলা ভাষায়ে চলালে। যাৰ ফলত অসমীয়া ভাষাৰ বহু বিস্তৰ ক্ষতি সাধন হ'ল।

অসমত বঙলা ভাষা চলি থকাৰ সময়তে সুদূৰ আমেৰিকাৰ পৰা ১৮৩৬ চনত খ্রীষ্টধর্ম প্রচাৰৰ উদ্দেশ্যে মিছনেৰীসকল অসম পায়হি। প্রথমতে আমেৰিকাৰ বেপ্তিষ্ট কেইজনমান অহাৰ আগতে জেমচ ৰে' নামৰ এজন মিছনেৰীক অসমলৈ পঠিয়ায়। জেমছ ৰে'ই ১৮২৯ চনত অসমলৈ আহি খ্রীষ্টান ধর্মৰ পুস্তিকা বিতৰণ কৰি এটি গীর্জাঘৰো স্থাপন কৰে। জেমছ ৰে'ৰ সহযোগী উইলিয়াম ৰবিন্সন চাহাবে শিক্ষাবিভাগৰ কাম হাতত লয়। ইয়াৰ কেইবছৰমান পিছতে ৰেভাৰেণ্ড নাথান ব্রাউন পৰিয়ালসমূহ ১৮৩৬ চনত অসমত ভৰি দিয়েহি।মিছনেৰীসকলে শিৱসাগৰ, নগাঁও আৰু গুৱাহাটীত থাকি ধর্মপ্রচাৰ কৰিবলৈ লয়।

মিছনেৰীসকলে অসমত ধর্মপ্রচাৰ কৰিবলৈ আৰম্ভ কৰাৰ সময়তে ভাষা বিভ্রান্তিৰ কথা বুজি পায়। তেওঁলোকে দেখা পালে যে অসমৰ পঢ়াশালি, আদালতত নিজৰ মাতৃভাষাৰ সলনি বঙলা ভাষাৰহে প্রচলন হৈ আছে।

শাসক দলে অসমীয়া ভাষা পঢ়াশালি, অফিচ-আদালতৰ পৰা উঠাই দিয়াৰ বাবে ভাষাৰ বেমেজালিৰ সৃষ্টি হৈছে আৰু তাৰ ফলত বিভিন্ন খিচিৰি ভাষাৰ জন্ম হৈছে। তেওঁলোকে ভালদৰে অনুভৰ কৰিছিল যে মাতৃভাষাৰ দ্বাৰাহে ধর্মপ্রচাৰ কৰিবলৈ সুবিধা হ'ব আৰু অসমবাসীয়ে

সোনকালে বুজি পাব। সেয়েহে মিছনেৰীসকলে লুপ্তপ্রায় অসমীয়া ভাষাৰ পুনৰুদ্ধাৰৰ চেষ্টাত প্রথমে ব্রতী হ'ল। তেওঁলোকে অসমীয়া ভাষাতে বিভিন্ন পুথি-পাঁজি ছপা কৰিলে আৰু অসমীয়া ভাষাৰ পুনৰ প্রচলনৰ বাবে ইংৰাজ কর্তৃপক্ষকো বিভিন্ন ধৰণে আবেদন কৰিলে।

'অসমীয়া ভাষা এটি স্বতন্ত্র ভাষা' —এই ভাষা প্রচলনৰ সপক্ষে কেইবাজনেও যুক্তি দিছিল। অসমত বাংলা ভাষা প্রচলনৰ যে কোনো যুক্তি নাই সেই বিষয়েও তেওঁলোকে উল্লেখ কৰিছিল। ১৮৫৩-৫৪ চনত এ. জে. মাফ্‌টমিলছে তেওঁৰ *Report on the province of Assam*ত এই বিষয়ে স্বীকাৰ কৰিছে। লগতে ইংৰাজ শাসনৰ অফিচিয়েটিং কমিছনাৰ কর্ণেল জে.চি. হাটন চাহাবেও অসমীয়া ভাষা অসমত পুনৰ প্রচলনৰ সপক্ষে মত দিয়ে। কিন্তু ইংৰাজ চৰকাৰে এই বিষয়ে কোনো গুৰুত্ব প্রকাশ নকৰিলে। পৰৱর্তী সময়ত আনন্দৰাম ঢেকিয়াল ফুকনে A Native ছদ্মনামেৰে *A few Remarks on the Assamese Language and on Varnacular Education of Assam* নামেৰে এখন পুস্তিকা প্রস্তুত কৰি অসমীয়া ভাষাৰ স্বতন্ত্রতা দাবী কৰি নিজ ৰাজ্যত অসমীয়া ভাষা চলাবৰ বাবে যুক্তি দিয়ে। ইয়াৰ মাজতে মিছনেৰীসকলৰ অশেষ প্রচেষ্টাৰ ফলত ১৮৪৬ খ্রীঃত অসমীয়া ভাষাৰ প্রথমখন আলোচনী তথা সংবাদ-পত্র *অৰুণোদই* প্রকাশ হয়।

অসমীয়া ভাষা পুনঃ প্রৱর্তনৰ ক্ষেত্রত মিছনেৰীসকলক সম্পূর্ণভাৱে সহযোগ কৰিছিল অসমীয়া ডেকা আনন্দৰাম ঢেকিয়াল ফুকনে। গুণাভিৰাম বৰুৱাই *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱনী চৰিত*ত লিখিছে— "...পাদ্রীসকলে অসমীয়া ভাষা চলাবলৈ বৰ যত্ন কৰিছিল। ব্রহ্মন পাদ্রী চাহাবে অসমীয়া চলাবলৈ এক আবেদন-পত্র প্রস্তুত কৰে। ফুকনে সেই চাহাবক এই বিষয়ে অনেক সাহায্য কৰিছিল। ফুকন বিনে দেশীয় লোকৰ মাজত দেশীয় লোকৰ হৈ দুআষাৰ কথা কয়, বা কোনো আলোচনা কৰে; বা বুদ্ধি দিয়ে, তেতিয়া এনে লোক নাছিল।... পাদ্রী চাহাবসকলে যত্ন কৰিছিল হয়, তাৰ পৰা বিশেষ ফল নদর্শিলে। পাছে ফুকনে পাদ্রী চাহাবসকলক আৰু পাদ্রী চাহাবসকলে ফুকনক দেশীয় ভাষাৰ বিষয়ে সাহায্য কৰাত উভয়ে এই ভাষাৰ বিশেষ যত্ন কৰিবলৈ ধৰে।" কিন্তু দুর্ভাগ্যৰ বিষয় যে ১৮৫৯ খ্রীষ্টাব্দত ভাষাৰ পুনৰুদ্ধাৰৰ ক্ষেত্রত মিছনেৰীসকলক সহযোগ কৰা এইজনা শক্তিশালী ব্যক্তিয়ে অকাল মৃত্যুক সাবটি ল'ব লগা হয়। যাৰ বাবে অসমীয়া ভাষা প্রতিষ্ঠাৰ ক্ষেত্রত বিস্তৰ ক্ষতি হয়। ইয়াৰ উপৰি ১৮৫৭ খ্রীঃৰ পৰা ১৮৬১ চনলৈ মাইলছ ব্রহ্মন যুক্তৰাষ্ট্রলৈ গুচি যায়। এই দুয়োটা কাৰণতে মিছনেৰীসকলৰ কর্মকার্য মন্থৰ গতিত আগবাঢ়িবলৈ ধৰে। ব্রহ্মন ১৮৬১ খ্রীঃত ঘূৰি অহাৰ পিছত অসমীয়া ভাষা প্রতিষ্ঠাৰ কাম দ্রুত গতিত আগবাঢ়ে।

১৮৭৩ চনৰ ২৫ জুলাইত অসমীয়া ভাষা পুনৰ প্রতিষ্ঠা হয়। বঙ্গ গৱর্ণমেণ্টৰ ন্যায়ালয়ৰ পৰা এই নির্দেশ ঘোষণা কৰা হয়। ভাষাটোৰ ন্যায্যতা প্রাপ্তিৰ ক্ষেত্রত আনন্দৰাম ঢেকিয়াল ফুকনকে আদি কৰি অসমীয়া ডেকা আৰু মিছনেৰীসকলৰ সহযোগ অবিহনে ই কেতিয়াও সম্ভৱ হৈ নুঠিলহেঁতেন। ভাষাৰ পুনৰ প্রতিষ্ঠাৰ ন্যায়মর্মে অসমৰ পাঁচখন প্রধান জিলা— কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ, লক্ষীমপুৰ জিলাত অসমীয়া ভাষা বলৱৎ কৰা হয়। প্রায় পঞ্চাশ বছৰ পিছত অসমীয়া ভাষাৰ পুনৰ প্রতিষ্ঠাই জাতিটোৰ অস্তিত্ব ৰক্ষাত সহায় কৰিলে।

- **অৰুণোদই/অৰুণোদয় ঃ** ১৮৪৬ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহত *অৰুণোদই*কাকত তথা সংবাদ-পত্ৰ প্ৰকাশ হ'ল। শিৱসাগৰৰ মিছনেৰী প্ৰেছৰ পৰা প্ৰতি মাহে *অৰুণোদই*প্ৰকাশ হ'বলৈ ধৰে। (The Orunodoi, Monthly paper, devoted to religion, science and general intelligence)। ইয়াৰ আগতে কলিকতাত প্ৰকাশিত কাকত/পত্ৰিকাসমূহ আছিল *অৰুণোদই*ৰ মূল আদৰ্শ। *অৰুণোদই*ৰ আছিল সেই সময়ৰ ব্যাপ্তিষ্ট মিছনেৰীসকলৰ মুখপত্ৰ। কাকতখন যদিও মূলতঃ খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰ কৰাই উদ্দেশ্য আছিল, তথাপি পৃথিৱীৰ নানা কথা প্ৰকাশ হৈছিল। বিশেষকৈ অনেক দেশৰ সংবাদ, ধৰমৰ কথা-বাত্ৰা, নতুন নতুন জ্ঞান-বিজ্ঞানৰ বিৱৰণ প্ৰকাশিত হৈছিল। ইয়াৰ উপৰি কাকতখনত দেশ-বিদেশৰ বিভিন্ন খবৰ, নীতিশিক্ষা, জীৱনী, সাঁথৰ, জ্যোতিষতত্ত্ব, ভাৰতৰ তথা অসমৰ বুৰঞ্জীৰ বহু তথ্য প্ৰকাশ কৰিছিল। জন্ বুনিয়ানৰ *Pilgrim's Progress*ৰ ভাঙনি 'জাত্ৰিকৰ যাত্ৰা' নামেৰে কিছু অংশ *অৰুণোদই*তে ১৮৫১ চনত প্ৰকাশ পাইছিল।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ১ ঃ *অৰুণোদই* আলোচনী তথা সংবাদ-পত্ৰ কেতিয়া প্ৰকাশ হৈছিল? কাকতখনৰ মুখ্য উদ্দেশ্য কি আছিল? লিখক।
(১০০টা শব্দৰ ভিতৰত)

জানি থোৱা ভাল



- *The Illustrated London News* কাকতৰ পৰা ওলোৱা এখন কাকতৰপৰা লোৱা ছবি ব্ৰাউন চাহাব আৰু অসমীয়া বাঢ়েয়ে লগ লাগি কাটি তাৰে ব্লক সজাই *অৰুণোদই*তে ছপাইছিল। অৰুণোদইৰ লেখকসকলে ঘৰুৱা ভাষাত প্ৰচলিত শব্দৰ লগত নতুন অসমীয়া শব্দৰ মিশ্ৰণ ঘটাই নতুনত্বৰ সৃষ্টি কৰিছিল। উদাহৰণ স্বৰূপে, বৰফৰ সলনি শিলপানী বা পানীশিল, আঙুৰৰ সলনি লতা পনিয়ল Baptismৰ সলনি— বুৰ পোআ, aposlte সলনি পাঁচনি ইত্যাদি।
- খ্ৰীষ্টান মিছনেৰীসকলে প্ৰকাশ কৰা প্ৰথম অসমীয়া সম্বাদ-পত্ৰ/ আলোচনীখনৰ নাম *অৰুণোদই* ৰাখিছিল যদিও শব্দটোৰ আখৰ জোঁটনিৰ ক্ষেত্ৰত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ সৈতে তেওঁলোকৰ মতবিৰোধ ঘটিছিল। অৱশেষত হেমচন্দ্ৰ গোস্বামীৰ অকাট্য যুক্তিত সেও মানি ১৮৬১ খ্ৰীঃৰ জানুৱাৰী মাহৰ সংখ্যাটোৰ পৰা আলোচনীখনৰ নাম *অৰুণোদই*ৰ সলনি *অৰুনোদয়* কৰা হয়।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ২ ঃ অসমীয়া ভাষা সাহিত্যলৈ *অৰুণোদই*ৰ অৱদান চমুকৈ উল্লেখ কৰক। (১০০টা শব্দৰ ভিতৰত)

ব্রাউন চাহাবে *অৰুণোদই*ত পুৰণি পুথি সংগ্রহ কৰি প্রকাশ কৰিছিল। জাদুৰাম ডেকা বৰুৱা অথবা ব্রাউন চাহাবে পুৰণি ৰীতিক অনুসৰণ কৰিছিল যদিও অসমীয়া মানুহৰ কথিত আৰু পুথিসমূহৰ লিখিত ৰূপৰ ভাষা অধ্যয়ন কৰি তাৰ আখৰ জোঁটনি আৰু বর্ণবিন্যাসক ব্যৱহাৰ কৰিছিল। এই সন্দর্ভত ৰবিন্সন চাহাবে এযাৰি মন্তব্য আগবঢ়াইছে— "During the few years I have been studying and speaking the Assamese I have confined myself exclusively to the language as spoken by the people and as found in their own books." ব্রাউনৰ বর্ণবিন্যাসৰ পদ্ধতিটো হ'ল— পুৰণি বর্ণবিন্যাসৰ লগতে কথিত ৰূপৰ ব্যৱহাৰ। ৰবিন্সন চাহাবে এই ৰীতি মানি চলিবলৈ টান পাইছিল। ব্রন্সন চাহাবে ৰবিন্সন চাহাবৰ যুক্তিৰ বিৰোধিতা কৰিছিল। ব্রন্সনৰ মতে— "much better corresponds with the actual pronunciation of the people then any other sytstem." তেওঁৰ মতে ভাষা এটি ব্যৱহাৰৰ ক্ষেত্রত সদায় শুদ্ধ ৰূপত প্রকটিত হ'ব লাগে। নাথান ব্রাউনৰ মতে— "ভাসা লিখোঁতে আখৰৰ জিমান জাতি, তিমানহে লিখিব লাগে; একে জাতিৰ দুই তিনি প্রকাৰৰ সকাম নাই।" (নাথান ব্রাউন, *অৰুণোদই*, এপ্রিল ১৮৫৪)।

'নব্য ৰীতি' এই দুয়ো প্রকাৰৰ ৰীতিৰ পৰা আঁতৰত আছিল। নব্য ৰীতি প্রধানতঃ শ্রীৰামপুৰীয়া পাদুৰিৰ পদ্ধতিৰ অনুগামী আছিল। ৰবিন্সন চাহাবে যিহেতু শ্রীৰামপুৰীয়া পাদুৰি আছিল, গতিকে তেওঁ এই ৰীতিৰ পক্ষপাতী আছিল। ব্রন্সনে এই নব্য ৰীতিক Dr. Carey's ridge pole অ-ৰ বঢ়া ভাগ বুলিহে কৈছে। সেই সময়ত অসমীয়া পুথি নতুনকৈ ছপোৱাৰ ক্ষেত্রত নৱশিক্ষিত লেখকসকলে এই ৰীতিকেই গ্রহণ কৰিছিল। ডº কেৰী আছিল এই ৰীতিৰ পথ প্রদর্শক। কেৰী এজন সংস্কৃতৰ অধ্যাপক।গতিকে এই ৰীতিত ভাৰতীয় প্রায়বোৰ ভাষাৰ অনুবাদতে সংস্কৃত বর্ণবিন্যাসৰ ৰীতিৰ প্রভাৱ দেখা পোৱা গৈছিল। ব্রাউন অথবা ব্রন্সনে এই ৰীতিক মানি চলা নাছিল।

গতিকে দেখা যায় যে মিছনেৰীসকলে অসমীয়া সাহিত্যলৈ নতুন গদ্য প্রৱর্তনৰ সূচনা কৰে। ওপৰত উল্লেখ কৰা হৈছে যে তেওঁলোকে এটি আচহুৱা ভাষা শিকি সেই ভাষাত পুথি বা অন্যান্য সাহিত্য ৰচনা কৰাটো সহজসাধ্য নাছিল।তথাপি তেওঁলোকে এই ভাষা শিকি লৈ নকৈ সাহিত্যও ৰচনা কৰিছিল। লগতে তেওঁলোকে ভাষাটোৰ এটি শুদ্ধ ৰূপ দিবলৈও যৎপৰোনাস্তি চেষ্টা কৰিছিল। এই ক্ষেত্রত তেওঁলোকৰ ৰচনাত সামান্য হ'লেও ভুল-ত্রুটি ৰৈ যোৱাটো স্বাভাৱিক। বর্তমানত অসমীয়া গদ্য ৰচনাৰ ক্ষেত্রত কোনো ত্রুটি নথকাৰ ক্ষেত্রত মিছনেৰীসকলৰ অৱদানৰ কথা নুই কৰিব নোৱাৰি। এই ক্ষেত্রত মহেশ্বৰ নেওগৰ এযাৰি বক্তব্য প্রণিধানযোগ্য।

"এই খ্রীষ্টান গদ্যই জয়ে জয়ে ভাবৰ বন্ধন গুচাই পূবৰ ভাব ৰাজ্যৰ কপাট মেলি দি অসমীয়া সাহিত্যৰ মঙ্গলময় ভৱিষ্যতৰ সূচনা কৰিছিল।"

২.৩ *অৰুণোদই* কাকত আৰু অসমীয়া সাহিত্য

১৮২৬ খ্রীঃৰ পৰা ১৮৮৯ খ্রীঃলৈ ৰচিত হোৱা অসমীয়া সাহিত্যৰাজিক 'অৰুণোদই যুগৰ সাহিত্য' বোলা হয়। *অৰুণোদই* কাকতখনকে আধাৰ হিচাপে লৈ এই নামকৰণ কৰা হৈছে।

অৱশ্যে আলোচনাৰ সুবিধার্থে এই সুদীর্ঘ সময়ছোৱাৰ সাহিত্যৰাজিক তিনিটা স্তৰত বিভাজিত কৰিব পাৰি।

ক) প্ৰাক্-অৰুণোদই স্তৰ

খ) *অৰুণোদই* ঃ অসমীয়া ভাষাৰ পুনঃপ্ৰতিষ্ঠাৰ সময়

গ) আধুনিক অসমীয়া ভাষা সাহিত্যৰ প্ৰতিষ্ঠাৰ যুগ।

আগত উল্লেখ কৰা হৈছে যে ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চর্ত অনুযায়ী অসম দেশ আহোমৰ হাতৰ পৰা ইংৰাজৰ শাসনাধীন হয়। অসমীয়া জাতিৰ চিৰকলীয়া স্বাধীনতা বিলুপ্তিৰ লগতে দেশখনৰ সামাজিক, ধর্মীয়, সাংস্কৃতিক আদি ক্ষেত্ৰত স্থবিৰতা আনে। আকৌ অষ্টাদশ শতিকাৰ দ্বিতীয় দশকৰ মোৱামৰীয়া বিদ্রোহ, তাৰ পিছত তিনিবাৰ মানৰ আক্ৰমণে অনা অস্থিৰতা, ইংৰাজ শাসনকালত কিছু সুস্থিৰ হয়।

বৈষ্ণৱ যুগৰ পৰিসমাপ্তিৰ পিছতেই নতুন সাহিত্য সৃষ্টিৰ শুভাৰম্ভ হয়। ১৮১৩ খ্ৰীঃত শ্ৰীৰামপুৰৰ মিছনেৰী প্ৰেছৰ পৰা প্ৰথম অসমীয়া ছপা পুথি *ধর্মপুস্তক*(বাইবেলৰ অসমীয়া ভাঙনি) প্ৰকাশ পায়। এই সময়ছোৱা হ'ল— প্ৰাক্-অৰুণোদই স্তৰৰ সাহিত্য। এই সময়ত যিখিনি সাহিত্যৰ সৃষ্টি হৈছিল সেয়া সামান্যতম। আত্মাৰাম শর্মাৰ *বাইবেলৰ অসমীয়া ভাঙনি*ৰ দ্বিতীয় সংস্কৰণ (১৮৩৩) চনত প্ৰকাশ পায়। ৰবিন্সন চাহাবৰ ইংৰাজীত লিখা *অসমীয়া ভাষাৰ ব্যাকৰণ* (A grammer of Assamese language), কাশীনাথ তামুলী ফুকনৰ *অসম বুৰঞ্জী*, শ্ৰীমতী কট্টাৰৰ *অসমীয়া শব্দাৱলী আৰু খণ্ডবাক্য* (১৮৪০), বিশ্বেশ্বৰ বৈদ্যাধিপৰ *বেলিমাৰৰ বুৰঞ্জী* আদি কৰি অন্যান্য আন কেইজনমানৰ সাহিত্যক প্ৰাক্-অৰুণোদই স্তৰৰ সাহিত্য বুলি সত্যেন্দ্ৰনাথ শর্মাই অভিহিত কৰিছে।

১৮৪৬ খ্ৰীঃত *অৰুণোদই* প্ৰকাশৰ লগে লগে সাহিত্যই এটি নতুন বাট লয়। ১৮৪৬ চনৰ পৰা ১৮৭৩ খ্ৰীঃলৈ প্ৰকাশিত ৰচনাৰাজিকেই মহেশ্বৰ নেওগে *অৰুণোদই* —অসমীয়া ভাষা পুনঃপ্ৰতিষ্ঠাৰ সময় বুলি অভিহিত কৰিছে। ১৮৬৭ চনলৈকে *অৰুণোদই*কাকত নিয়মিতভাৱে প্ৰকাশিত হৈছিল যদিও ১৮৬৯ চনৰ পৰা ১৮৮০ চনলৈকে এই কাকতখনৰ নিয়মিত প্ৰকাশত ব্যাঘাত জন্মিছিল। ১৮৫৬ চনলৈ কাকতখন আলোচনী আৰু সংবাদ-পত্ৰ দুটা খণ্ডত প্ৰকাশ পাইছিল। ১৮৫৬ চনত সংবাদ-পত্ৰৰ খণ্ডটি উঠাই দি কেৱল আলোচনী খণ্ডটিহে ৰাখিছিল। ওপৰত উল্লেখ কৰা হৈছে যে কাকতখন প্ৰধানকৈ খ্ৰীষ্টধর্ম প্ৰচাৰৰ বাবেহে প্ৰকাশিত হৈছিল। কিন্তু পিছলৈ কাকতখনত 'অনেক দেশৰ সংবাদ', 'বাইবেলৰ কাহিনীৰ অনুবাদ', 'পুৰণি অসম বুৰঞ্জী' আদি বিবিধ সাহিত্যৰ সৃষ্টি হৈছিল। আনন্দৰাম ঢেকিয়াল ফুকনকে আদি কৰি ডক্টৰ নাথান ব্ৰাউন, মাইলছ ব্ৰন্সন, এ. কে. গার্নি, নিধিলিবাই ফাৰোৱেলকে আদি কৰি খ্ৰীষ্টিয়ান-অখ্ৰীষ্টিয়ান বহুকেইজনে এই সময়ছোৱাত সাহিত্য সৃষ্টি কৰিছিল।

*অৰুণোদই*কাকতৰ প্ৰভাৱত আধুনিক অসমীয়া সাহিত্যৰ ভেটি প্ৰতিষ্ঠা হয়। *অৰুণোদই*ৰ সময়তে অসমীয়া ভাষা প্ৰতিষ্ঠা হোৱাৰ পিছতে ১৮৭৩চনৰ পৰা ১৮৮৯ চনলৈ অসমীয়া সাহিত্যত নতুন ভাৱধাৰাৰ বিস্তাৰ সাধন হয়। কিন্তু ১৮৭০ চনৰ পৰা *অৰুণোদই*ৰ জনপ্ৰিয়তা লাহে লাহে

কমিবলৈ আৰম্ভ কৰে। এইখিনি সময়তে অসমীয়া ভাষা অসমত পুনৰ প্ৰতিষ্ঠা হয়। *জোনাকী* কাকতৰ প্ৰকাশৰ আগছোৱা সময় ১৮৭৩ৰ পৰা ১৮৮৯ —এই সময়ছোৱা বৈশিষ্ট্যপূৰ্ণ যুগ। এই সময়ছোৱাত *অৰুণোদই*ৰ প্ৰভাৱৰ ফলতে অসমীয়া বহুকেইখন আলোচনীৰ জন্ম হয়। আউনীআটী সত্ৰৰ সত্ৰাধিকাৰৰ *আসাম বিলাসিনী* (১৮৭১-১৮৮৩), হেমচন্দ্ৰ বৰুৱাৰ *আসাম নিউজ* (১৮৮২-৮৫), গুণাভিৰাম বৰুৱাৰ *আসাম বন্ধু* (১৮৮৫-৮৬), হৰিনাৰায়ণ বৰাৰ সম্পাদিত বলিনাৰায়ণ বৰাৰ *মৌ* (১৮৮৬), গুৱাহাটীৰ ধৰ্মপ্ৰকাশ যন্ত্ৰৰ পৰা শ্ৰীধৰ বৰুৱাৰ *আসাম তৰা* (১৮৮৯-৯০) আৰু কৰুণাভিৰাম বৰুৱাৰ শিশু আলোচনী *ল'ৰাবন্ধু* (১৮৮৮) আদি অন্যতম। ইয়াৰ উপৰি ১৮৮৯ চনত প্ৰকাশিত *জোনাকী* কাকতৰ প্ৰকাশে নতুনত্বৰ ৰীতি আৰু ভাবধাৰাৰে অসমীয়া সাহিত্যক নতুনত্বৰ সোৱাদ দান কৰি এক ইতিহাসৰ ৰচনা কৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ *অৰুণোদই* যুগৰ সাহিত্যিক কি কি ভাগত ভাগ কৰি আলোচনা কৰা হয়? সেই ভাগকেইটিৰ চমু আভাস দিয়ক।

(১০০টা শব্দৰ ভিতৰত)

২.৪ *অৰুণোদই* কাকত প্ৰকাশৰ সময়ছোৱাৰ অসমীয়া সাহিত্যৰ চমু আভাস

অসমীয়া সাহিত্যৰ প্ৰথম আলোচনী তথা সংবাদ-পত্ৰ হ'ল *অৰুণোদই*। এই কাকতখন মিছনেৰীসকলৰ একান্ত প্ৰচেষ্টাৰ ফলস্বৰূপে জন্ম হয়। অৱশ্যে মিছনেৰীসকলে ধৰ্মপ্ৰচাৰৰ মাধ্যম ৰূপে এই কাকতখনৰ জন্ম হয় যদিও এই কাকতখনৰ মাধ্যমেৰে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা, পঢ়াশালি স্থাপন, স্ত্ৰী শিক্ষাৰ গুৰুত্ব, ধৰ্মপুথি আদি অসমীয়াত ছপা কৰা শব্দকোষ, ব্যাকৰণ আদি ৰচনা, পাশ্চাত্য সাহিত্যৰ লগত সংযোগ স্থাপন, খ্ৰীষ্টধৰ্মৰ প্ৰচাৰৰ লগতে দেশ-বিদেশৰ নানা বা-বাতৰি আৰু অন্যান্য বিষয়ো সামৰি লোৱা হৈছিল। *অৰুণোদই*ৰ প্ৰকাশৰ ফলতে অসমীয়া সাহিত্যয়ো এক নতুন মাত্ৰা লাভ কৰিছিল। অৱশ্যে ইংৰাজে অসমৰ শাসনভাৰ গ্ৰহণ কৰা আগৰ সময়ছোৱাত মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ তিনিবাৰ আক্ৰমণত অসমীয়া সমাজ জুৰুলা হৈ পৰিছিল। গতিকে এনে ধৰণৰ পৰিৱেশৰ মাজত সাহিত্য সৃষ্টি অসম্ভৱ আছিল। তথাপি তাৰ মাজতেই ১৮১৩ চনত শ্ৰীৰামপুৰ মিছনেৰী প্ৰেছৰ পৰা প্ৰথমখন অসমীয়া ছপাপুথি *ধৰ্মপুস্তক* (বাইবেলৰ ভাঙনি) প্ৰকাশ পায়। এই বিষয়ে আগৰ শাখাত উল্লেখ কৰা হৈছে। *অৰুণোদই*ৰ প্ৰকাশে অসমীয়া ভাষা-সাহিত্যৰ আধুনিকতাৰ প্ৰতিষ্ঠা ঘটাই ভাষালৈ এটা নতুন ঠাঁচ কঢ়িয়াই আনে আৰু থলুৱা লেখকসকলক সাহিত্য সৃষ্টিৰঅনুপ্ৰেৰণা যোগায়। আনন্দৰাম ঢেকিয়াল ফুকন আছিল এই ক্ষেত্ৰত অগ্ৰগণ্য। তেওঁৰ পথ অনুসৰণ কৰিয়েই গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা, ৰমাকান্ত চৌধুৰী, ভোলানাথ দাস, লম্বোদৰ বৰা আদিয়ে অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ বাবে চেষ্টা চলায়।

ওপৰত উল্লেখ কৰি অহা হৈছে যে ১৮২৬ৰ পৰা ১৮৪৬ খ্ৰীঃৰ সময়ছোৱাৰ সাহিত্যখিনিক প্ৰাক্-অৰুণোদই স্তৰৰ সাহিত্য বুলি চিহ্নিত কৰা হৈছে। ঊনবিংশ শতিকাৰ চতুৰ্থ দশকত প্ৰকাশিত সাহিত্যৰাজি হ'ল— কাশীনাথ তামুলী ফুকনৰ *অসম বুৰঞ্জী* (১৮৪৪), শ্ৰীমতী কাট্টাৰৰ *অসমীয়া শব্দাৱলী আৰু খণ্ডবাক্য* (১৮৪৪), বিশ্বেশ্বৰ বৈদ্যাধিপৰ *বেলিমাৰৰ বুৰঞ্জী* (১৮৩৩-৩৮), যদুৰাম ডেকা বৰুৱাৰ *অসমীয়া বঙলা অভিধান* (১৮৩৯), মণিৰাম বৰভাণ্ডাৰ বৰুৱা (মণিৰাম দেৱান)ৰ *বুৰঞ্জী বিবেকৰত্ন* (১৮৩৮) আদি উল্লেখযোগ্য।

'অৰুণোদইঃ অসমীয়া ভাষা পুনঃপ্ৰতিষ্ঠাৰ সময় স্তৰ' আৰম্ভ হৈছে ১৮৪৬ৰ পৰা ১৮৭৩ খ্ৰীঃৰ ভিতৰত। ১৮৪৬ চনত *অৰুণোদই* কাকতৰ জন্ম হয়। *অৰুণোদই*ৰ প্ৰকাশৰ লগে লগে খ্ৰীষ্টিয়ান লেখকসকলৰ লগতে অখ্ৰীষ্টিয়ান অৰ্থাৎ অসমীয়া থলুৱা লেখকসকলেও আত্মপ্ৰকাশ কৰে। এই সময়ছোৱাত খ্ৰীষ্টিয়ান লেখকসকলে অসমীয়া সাহিত্যলৈ বিশেষ বৰঙণি আগবঢ়ায়। তাৰ ভিতৰত ডº নাথান ব্ৰাউনৰ *নিউ টেষ্টামেণ্টৰ অসমীয়া ভাঙনি, যাত্ৰিকৰ যাত্ৰা, অসমীয়া ভাষাৰ ব্যাকৰণ* (দ্বিতীয়খন)ৰ উপৰি অসমীয়া পুৰণি পুথি উদ্ধাৰ আৰু তাৰ প্ৰকাশৰ কাম হাতত লৈছিল। উল্লেখযোগ্য যে ব্ৰাউনৰ এই কৰ্মই অসমীয়া বহু পুৰণি পুথি বিলুপ্তিৰ গৰাহৰ পৰা ৰক্ষা পৰিছিল। নাথান ব্ৰাউনৰ পত্নী এলিজা ব্ৰাউনে সৰু ল'ৰা-ছোৱালীৰ উপযোগীকৈ এখন সাধুৰ পুথি, গণনাৰ পুথি আৰু ভূগোলৰ বিৱৰণ নামে পুথি লিখি প্ৰকাশ কৰিছিল। মাইলছ ব্ৰন্সনে ১৮৬৭ খ্ৰীঃত *অসমীয়া ইংৰাজী অভিধান* লিখি প্ৰকাশ কৰিছিল। হেমচন্দ্ৰ বৰুৱাৰ *হেমকোষ* প্ৰকাশ হোৱাৰ আগলৈকে এইখন অভিধানকেই সকলোৱে অনুকৰণ কৰিছিল। এই সময়ছোৱাত কিছু কবিতাও ৰচিত হৈছিল। নিধিলিবাই ফাৰোৱেলৰ কবিতাবোৰ এই ক্ষেত্ৰত উল্লেখযোগ্য। তেওঁৰ বহু সংখ্যক কবিতাত খ্ৰীষ্টধৰ্মৰ আদৰ্শ প্ৰকাশিত হৈছিল। যেনে— 'নিস্তাৰৰ উপাই', 'ইশ্বৰৰ দশম আখ্যা', 'প্ৰভু যিচুখ্ৰীষ্টৰ অৱতাৰ বিৱৰণ', 'নৰকৰ বিৱৰণ', 'স্বৰ্গৰ বিৱৰণ', 'বিনই বচন কামাখ্যাৰ বিৱৰণ' ইত্যাদি। তেওঁ *হিন্দুস্থানৰ বুৰঞ্জী* আদি বুৰঞ্জী পুথি, কিনাৰাম সত্ৰিয়াৰ 'কলিকতাৰ মুখিয়াতি', দয়াৰাম চেটিয়াৰ 'চপাখানাৰ বিৱৰণ', পূৰ্ণানন্দ গোঁহাইৰ 'বিবেচনাৰ গুণ', মুনশী কেফায়ৎ উল্লাৰ 'জ্ঞান অজ্ঞানীৰ চৰিত্ৰ বৰ্ণনা' আদি কবিতাসমূহ *অৰুণোদই*ত প্ৰকাশ পাইছিল।

শ্ৰীমতী এইচ. বি. এল কট্টাৰৰ *অসমীয়া শব্দ বাক্যকোষ* ১৮৭৭ চনত প্ৰকাশ পায়। এ. কে. গাৰ্নিৰ *কনি বেহেৰুৱাৰ কথা, ৰুথৰ বিৱৰণ, এলাকেশ্বী বেশ্যাৰ কথা* আৰু *কামিনীকান্ত* নামৰ উপন্যাস ৰচনা কৰে। খ্ৰীষ্টিয়ান লেখকৰ উপৰি অসমীয়া লেখকেও এই ক্ষেত্ৰত অৱদান আগবঢ়ায়। এই সময়ছোৱাত সাহিত্যানুৰাগীৰ সংখ্যা বাঢ়িছিল। *অৰুণোদই*ৰ প্ৰভাৱৰ ফলতে আন আন কাকতেও জন্মলাভ কৰিছিল আৰু সেইসমূহত এই লেখকসকলে সাহিত্য সৃষ্টি কৰিছিল। এই স্তৰত সাহিত্যৰ গুৰিৰ'ঠা ধৰিছিল হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই। হেমচন্দ্ৰ বৰুৱাই আধুনিক অসমীয়া ভাষা সাহিত্যৰ প্ৰতিষ্ঠাৰ কালছোৱাত (১৮৭৩-৮৯) বহুকেইখন উল্লেখযোগ্য পুথি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি তোলে। হেমচন্দ্ৰ বৰুৱাই ১৮৫৯ চনত *অসমীয়া ব্যাকৰণ, ৰে টু হেল্‌থৰ* অসমীয়া ভাঙনি *গা ভালে ৰাখিবৰ উপায়, বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰী, কানীয়াৰ কীৰ্ত্তন, পঢ়াশলীয়া অভিধান* আৰু *হেমকোষ* ৰচনা কৰে। গুণাভিৰাম

বৰুৱাই প্ৰথম অসমীয়া সামাজিক নাট *ৰামনৱমী* ৰচনা কৰে। ইয়াৰ পিছত *বিবাহ ৰহস্য, আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত, আসাম বুৰঞ্জী* আদি ৰচনা কৰি অসমীয়া সাহিত্যলৈ বৰঙণি আগবঢ়ায়। ৰমাকান্ত চৌধুৰীয়ে মাইকেল দত্তৰ আৰ্হিত *অভিমন্যু বধ* ৰচনা কৰে। এই কাব্যখনি ১৮৭৫ চনত ৰচিত হৈছিল। কাব্যখন মাইকেল মধুসূদন দত্তৰ আৰ্হিত অমিত্রাক্ষৰ ছন্দত ৰচনা কৰা হৈছিল। ভোলানাথ দাসে একে অমিত্রাক্ষৰ ছন্দতে *সীতাহৰণ* কাব্যখন ৰচনা কৰে। কাব্যখন আউনীআটী সত্ৰৰ পৰা ওলোৱা *আসাম বিলাসিনী* কাকতত প্ৰকাশ পাইছিল। *চিন্তাতৰঙ্গিনী* তেওঁৰ আন এখন কবিতাপুথি। বলদেৱ মহন্তই *উজু পাঠ* ৰচনা কৰে। কমলাকান্ত ভট্টাচাৰ্য্যই *অৰুণোদই*ৰ পাততে আত্মপ্ৰকাশ কৰিছিল। তেওঁ কবি হিচাপে পৰিচিত। ভট্টাচাৰ্য্যৰ কবিতা পুথিকেইখন হ'ল— *চিন্তানল, চিন্তাতৰঙ্গ* আদি। ইয়াৰ উপৰি লম্বোধৰ বৰা, ৰত্নেশ্বৰ মহন্ত, বলিনাৰায়ণ বৰা, পদ্মাৱতী দেৱী ফুকননী, ৰুদ্ৰৰাম বৰদলৈ আদি বহুকেইজন লেখক-লেখিকাই এই সময়ছোৱাত সাহিত্য সৃষ্টি কৰি অসমীয়া সাহিত্যক সমৃদ্ধিশালী কৰি তুলিছিল।

*অৰুণোদই*ৰ প্ৰভাৱৰ পৰা মুক্ত হৈ বহুকেইজন লেখকে সাহিত্য সৃষ্টি কৰিছিল। এওঁলোকৰ সাহিত্যসমূহ *অৰুণোদই*ৰ প্ৰভাৱৰ উপৰি পশ্চিমীয়া সাহিত্যৰ আদৰ্শৰ দ্বাৰাও অনুপ্ৰাণিত হোৱা নাছিল। সেইসকল হ'ল— দুতিৰাম হাজৰিকা (১৮০৬-১৯০১), দীননাথ বেজবৰুৱা (১৮১৩-৯৫), হৰকান্ত বৰুৱা সদৰামীন (১৮১৩-১৯০০), গোপীনাথ চক্ৰৱৰ্তী, ৰঘুনাথ গোস্বামী, ললিতচন্দ্ৰ গোস্বামী আদি।

২.৪.১ *অৰুণোদই* কাকতলৈ অৰিহণা যোগোৱা অনা-অসমীয়া লেখক-লেখিকাসকল

খ্ৰীষ্টিয়ান মিছনেৰী বুলি ক'লে প্ৰথমে ভাৰতত প্ৰৱেশ কৰা খ্ৰীষ্টিয়ান মিছনেৰী তিনিজনৰ নামৰ ল'ব লাগিব। সেই কেইজন হ'ল উইলিয়াম কেৰী, জছুৱা মৰ্শমেন আৰু উইলিয়াম ৱাৰ্ড। সেই সময়ত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে মিছনেৰীসকলৰ ধৰ্মপ্ৰচাৰৰ ক্ষেত্ৰত কিছু উদ্বেগ প্ৰকাশ কৰিছিল। তেওঁলোকে ভয় কৰিছিল যে মিছনেৰীসকলে ধৰ্ম প্ৰচাৰ কৰিলে তেওঁলোকৰ হাতৰ পৰা ৰাজ্যৰ শাসন হেৰাই যাব। মিছনেৰীসকলে শ্ৰীৰামপুৰত থকা ডেনমাৰ্কৰ অধীনৰ ঠাইত প্ৰথমে খ্ৰীষ্টধৰ্মৰ বীজ ৰোপণ কৰে। উইলিয়াম কেৰীয়ে ১৭৯৩ চনত আৰু বাকীকেইজনে ১৭৯৯ চনত ইংলেণ্ডৰ পৰা অসম পায়হি। কেৰী চাহাব এই সময়তে বঙলা, হিন্দী, মাৰাঠী আৰু সংস্কৃতত সুপণ্ডিত হৈ উঠে। তেওঁ চেষ্টা কৰিছিল যে ভাৰতৰ সকলো ভাষাতে *বাইবেল* ছপা হওক। ১৮০৭ চনত সম্পূৰ্ণ বঙলাত 'নতুন নিয়ম' ছপা হৈ ওলায়।

ই ডেনিয়েল পটছে তেওঁৰ এখন গ্ৰন্থত উল্লেখ কৰিছে যে কেৰীয়ে ১৮০৩ খ্ৰীঃত জগন্নাথত এজন ব্ৰাহ্মণৰ সংস্পৰ্শলৈ আহি শ্ৰীৰামপুৰত থাকিবলৈ লয়। পণ্ডিতসকলে সেই ব্ৰাহ্মণজনক কলিয়াবৰৰ আত্মৰাম শৰ্মা বুলি ক'ব খোজে। তেওঁৰ

সহায়তে কেৰীয়ে প্ৰথমে অসমীয়াত *বাইবেল* ছপায়। কিন্তু এই অনুবাদ সহজ-সৰল নাছিল বাবে পিছত ব্ৰাউন চাহাবে পুনৰ ভাঙনি কৰিবলগীয়া হৈছিল।

১৮৪৬ খ্ৰীঃত *অৰুণোদই* কাকতৰ প্ৰকাশৰ লগে লগে বহুকেইজন লেখক-লেখিকাই সাহিত্য ৰচনাত ব্ৰতী হয়। *অৰুণোদই* কাকতৰ লেখক-লেখিকাসকলক পণ্ডিতসকলে দুটা স্তৰত ভাগ কৰি আলোচনা কৰিছে। সেই ভাগ দুটা হ'ল— (ক) খ্ৰীষ্টিয়ান লেখক (অনা-অসমীয়া); (খ) অখ্ৰীষ্টিয়ান (অসমীয়া) লেখকসকল।

অনা-অসমীয়া বা খ্ৰীষ্টিয়ান লেখকসকল হ'ল—

- **ডক্টৰ নাথান ব্ৰাউন (১৮০৭-৮৬) ঃ** ড° নাথান ব্ৰাউনৰে প্ৰথমে শদিয়ালৈ যায় আৰু তাত খামটি আৰু অসমীয়া ভাষা শিকি লয়। শদিয়াত তেওঁ অসমীয়া আৰু খামটি ভাষাৰ পঢ়াশালি স্থাপন কৰি পাঠ্যপুথিও ৰচনা কৰে। শদিয়াতে তেওঁৰ গাভৰু জীয়াৰী ভৰথি ছফিয়াৰ মৃত্যু হয়। আনহাতে পত্নী এলিজা ব্ৰাউনৰ সঘন অসুস্থতাই তেওঁক কিছু আঘাত দিয়ে। ১৮৩৯ চনত চিংফৌ আৰু খামটি বিদ্ৰোহত থাকিব নোৱাৰি শদিয়াৰ পৰা জয়পুৰলৈ গুচি যায়। জয়পুৰত তেওঁ ৰোমান আৰু অসমীয়া লিপিত বিবিধ ভাষাৰ পুথি ছপোৱা কাম আৰম্ভ কৰে। ১৮৪৩ খ্ৰীঃত তেওঁ কাট্টাৰসহ শিৱসাগৰলৈ আহি স্থায়ীভাৱে থাকিবলৈ লয়। শিৱসাগৰত ধৰ্মপ্ৰচাৰৰ লগতে অসমীয়া ভাষা পুনৰ প্ৰচলনৰ কাম হাতত লয়। ১৮৫৫ খ্ৰীঃলৈ ব্ৰাউন চাহাবে খ্ৰীষ্টধৰ্ম প্ৰচাৰ আৰু অসমীয়া ভাষা সাহিত্য চৰ্চাত ব্ৰতী হয়। ১৮৫৫ খ্ৰীঃত তেওঁ অসম এৰি যুক্তৰাষ্ট্ৰলৈ উভতি যায়। ১৮৭২ খ্ৰীঃত তেওঁ জাপানলৈ গৈ ধৰ্মপ্ৰচাৰৰ কাম কৰিবলৈ লয়। তাত জাপানী ভাষাত *বাইবেল*অনুবাদ কৰিবলৈ লয়। উল্লেখযোগ্য যে, আমেৰিকাৰ বেপ্তিষ্ট মিছনৰ লগত অসমৰ মিছনেৰী কাৰ্যৰ ক্ষেত্ৰত তেওঁৰ মতভেদ হয়। ইয়াৰ বাবে তেওঁ প্ৰচাৰকৰ পদৰ পৰা ইস্তফা দিয়ে।
  সাহিত্যকৃতি ঃ অসমীয়া সাহিত্যলৈ নাথান ব্ৰাউনৰ যথেষ্ট বৰঙণি আছে। অসমলৈ আহি ব্ৰাউনে প্ৰথমে অসমীয়া ভাষাত *নিউ টেষ্টামেণ্ট*ৰ ভাঙনি কৰে। লগতে *বাইবেলৰ মাথি*(মেথিউ), *মাৰ্ক, লুক*(লিউক), *য়োহান*—এই চাৰিখন পুথিৰ পৰা চাৰিটা খণ্ড ভাঙি *খ্ৰীষ্টৰ বিৱৰণ আৰু শুভবাৰ্ত্তা*নাম দি ১৮৫৪ চনত পুথি আকাৰত প্ৰকাশ কৰে। ইয়াৰ লগত তেওঁ প্ৰায় ষাঠি (৬০)টি স্তুতিগীতৰো ভাঙনি কৰে। ১৮৪৮ খ্ৰীঃত তেওঁ *অসমীয়া ভাষাৰ ব্যাকৰণ*ৰচনা কৰে। (*Gramatical Notices of the Assamese language*, Sibsagar, Printed at the American Beptist Misson Press, 1848; তৃতীয় পৰিৱৰ্তিত সংস্কৰণ, Published by American Beptist Missonary Union Nowgoan, Assam, 1893) অসমীয়া ভাষা পুনঃপ্ৰতিষ্ঠাৰ বাবে এই গ্ৰন্থখনৰ যোগেদি এটি প্ৰয়াস কৰিছিল। ৰবিসন চাহাবৰ *A Grammer of Assamese Language*ৰ পিছত ব্ৰাউন চাহাবৰ

এইখন দ্বিতীয় ব্যাকৰণ। পুৰণি পুথি সংগ্রহ আৰু প্রকাশৰ ক্ষেত্রতো ব্রাউনে আগভাগ লৈছিল। *চুতিয়া বুৰঞ্জী*, কাশীনাথ তামুলী ফুকনৰ *অসম বুৰঞ্জী* বকুল কায়স্থৰ *গণিতৰ পুথি* তেওঁ প্রকাশ কৰে। *যোচেফৰ কাহিনী* আৰু *যীশুখ্রীষ্টৰ জীৱনী* তেওঁ ৰচনা কৰে। ব্রাউনে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা আন এটা অৱদান হ'ল— জন বুনিয়ানৰ *The Pilgrim's Progress*ৰ অসমীয়া অনুবাদ। ব্রাউনে ৰচনা কৰা এইখনেই প্রথম উপন্যাসধর্মী ৰচনা। ওলিভাৰ ও. টি. কাট্টাৰৰ সৈতে লগ লাগি ১৮৪৬ খ্রীঃত তেওঁ অসমীয়া ভাষাৰ প্রথমখন আলোচনী তথা সংবাদ-পত্র *অৰুণোদই* প্রকাশ কৰে। তেওঁ ন বছৰ *অৰুণোদই*ৰ সম্পাদক আছিল। মহেশ্বৰ নেওগৰ ভাষাত— "অনুবাদক গ্রন্থকাৰ, প্রকাশক, মুদ্রাকৰ, সম্পাদক, শিক্ষক, ধর্ম প্রচাৰক ৰূপে ব্রাউনে অসমক যি দান দি থৈ গ'ল সি যেনে বহুমুখী, তেনে স্থায়ীও।"

- **শ্রীমতী এলিজা ব্রাউন ঃ** ড° নাথান ব্রাউনৰ সুযোগ্যা পত্নী শ্রীমতী এলিজা ব্রাউন। তেওঁ স্বামী নাথান ব্রাউনৰ লগতে অসমলৈ আহিছিল। অসমীয়া ভাষাৰ সঙ্কটময় অৱস্থাত এলিজা ব্রাউনেও অৱদান আগবঢ়াইছে। তেওঁ ব্রাউন চাহাবৰ সহযোগী হৈ কেইবাখনো পঢ়াশলীয়া পুথি ৰচনা কৰে। ল'ৰা-ছোৱালীৰ উপযোগীকৈ তেওঁ এখন *সাধুৰ পুথি* আৰু এখন *গণনাৰ পুথি* ৰচনা কৰে। ইয়াৰ উপৰি পিষ্টাৰ পার্লিৰ অনুকৰণত *ভূগোলৰ বিৱৰণ* নামৰ এখন পুথিও ৰচনা কৰি প্রকাশ কৰে।

- **ওলিভাৰ ও. টি. কাট্টাৰ ঃ** ড° নাথান ব্রাউনৰ লগ লাগি আমেৰিকা যুক্তৰাষ্ট্রৰ পৰা ১৮৩৬ খ্রীঃত ও. টি. কাট্টাৰ অসম পায়। কাট্টাৰেও অসমীয়া ভাষাৰ প্রাণ প্রতিষ্ঠাৰ ক্ষেত্রত অগ্রগণী ভূমিকা গ্রহণ কৰে। ব্রাউনৰ সৈতে লগ লাগি তেওঁ প্রথমে শদিয়া, পিছলৈ জয়পুৰ আৰু শিৱসাগৰত থাকিবলৈ লয়। ব্রাউনৰ লগত তেওঁ প্রথম অসমীয়া আলোচনী তথা সংবাদ-পত্র *অৰুণোদই* প্রকাশ কৰে। কাট্টাৰে *অৰুণোদই* কাকতৰ প্রকাশৰ পৰা মুদ্রকৰ দায়িত্ব পালন কৰে। কাট্টাৰৰ পত্নী শ্রীমতী কাট্টাৰেও এখন *ইংৰাজী অসমীয়া খণ্ডবাক্যকোষ* ১৮৪৮ খ্রীঃত প্রকাশ কৰে।

- **ডক্টৰ মাইলছ ব্রন্সন (১৮১২-১৮৮৩) ঃ** ১৮১২ খ্রীঃত আমেৰিকাৰ নিউয়র্কৰ নৰৰে নামৰ ঠাইত ডক্টৰ মাইলছ ব্রন্সনৰ জন্ম হয়। ব্রন্সন খ্রীষ্টান মিছনেৰীসকলৰ অন্যতম আছিল। ব্রন্সনে ২৪ বছৰ বয়সতে খ্রীষ্টধর্ম প্রচাৰৰ উদ্দেশ্যে অসমত প্রৱেশ কৰিছিল। ১৮৩৬ খ্রীঃত বন্ধু জেকব থমাচ আৰু নিজৰ পৰিয়ালসহ তেওঁ অসমলৈ আহিছিল। অসমলৈ আহি থকা পথত ব্রহ্মপুত্রত নাও ডুবি বন্ধু জেকব থমাচক হেৰুৱায়। অসমতে দ্বিতীয়া পত্নী, ভনীয়েক ৰোডা আৰু জীয়ৰী মেৰিয়াকো চিৰদিনৰ বাবে হেৰুৱায়। আত্মীয়ৰ অকাল মৃত্যুক তল পেলাই তেওঁ ধর্ম প্রচাৰ আৰু সাহিত্য সাধনত ব্রতী হয়। ব্রন্সনে প্রথমতে শদিয়া, জয়পুৰ আৰু নামচাঙত কাম কৰে।

তাত তেওঁ পূব নগাসকলৰ শব্দাৱলীৰ সংগ্রহ এটা প্রস্তুত কৰে। নামচাঙত নগা বিদ্রোহৰ ফলত তাৰপৰা তেওঁ ১৮৪০ খ্রীঃত জয়পুৰলৈ উভতি আহে। জয়পুৰতো উপযুক্ত পৰিৱেশ নাপাই তেওঁ ১৮৪১ খ্রীঃত শিৱসাগৰেদি নগাঁৱলৈ আহে আৰু ইয়াতে ধর্ম প্রচাৰ, শিক্ষাদান আদি কার্যত আত্মনিয়োগ কৰে। নগাঁৱতে তেওঁৰ ধর্মপ্রচাৰৰ উপৰি ল'ৰা-ছোৱালীৰ এখন বিদ্যালয় স্থাপন কৰে লগতে অনাথ শিশুৰ বাবে এখনি আশ্রমো খোলে। অসমত থকা কালত তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটে। সেই কাৰণে স্বাস্থ্য লাভৰ বাবে প্রথমবাৰ ১৮৪৮ খ্রীঃৰ পৰা ১৮৫১ খ্রীঃলৈ আৰু দ্বিতীয়বাৰ ১৮৬৭ৰ পৰা ১৮৭১ লৈ ছুটী লৈ তেওঁ আমেৰিকালৈ যায়। ১৮৭১ চনত পুনৰ অসমলৈ ঘূৰি আহি নিজ কর্মত নিয়োজিত হয়। অসমীয়া ভাষাৰ ন্যায্য স্থান ঘূৰাই আনিবলৈ প্রচেষ্টা কৰাসকলৰ ভিতৰত প্রধান নেতা আছিল মাইলছ ব্রন্সন। মহেশ্বৰ নেওগৰ মতে— "ব্রাউনৰ দৰে অভিজ্ঞ ভাষাতাত্ত্বিক মাইলছ ব্রন্সনৰ দুটি অক্ষয় কীর্তি হ'ল— প্রথম *অচমীয়া ইংৰাজী অভিধান* (১৮৬৭) আৰু অসমীয়া ভাষাৰ হকে যুঁজত সেনাপতিৰ পদ গ্রহণ কৰি বিজয় লাভ।" ১৮৭৮ খ্রীষ্টাব্দত আকৌ অকলশৰে আমেৰিকালৈ উভতি যায়। ১৮৮৩ খ্রীঃৰ ১০ নৱেম্বৰত আমেৰিকাৰে মিচিগানত তেওঁৰ মৃত্যু হয়।

সাহিত্যকৃতি ঃ হেমচন্দ্র বৰুৱাৰ *হেমকোষ* প্রকাশ হোৱাৰ আগলৈকে যিখন অভিধান অসমীয়াৰ সাৰথি আছিল সেইখন হ'ল ব্রন্সনৰ *অসমীয়া অভিধান*। ১৮৬৭ খ্রীঃত যাদুৰাম ডেকা বৰুৱাৰ বর্ণবিন্যাসৰ ৰীতিকে অনুসৰণ কৰি অসমীয়া ভাষা আৰু শব্দাৱলীৰ মান নির্ণয় কৰিবৰ বাবে তেওঁ ১৪,০০০ শব্দ সুমুৱাই এই অভিধান ৰচনা কৰে। (*অচমিয়া আৰু ইংৰাজি অভিধান*, Compiled by M. Bronson, American Beptist Missionary, First Edition, American Beptist Misson Press, Sibsagar, 1867) অভিধানখনত অসমীয়া ভাষাৰ উচ্চাৰণ অনুসৰি তেওঁ মূর্ধণ্য বর্ণসমূহ, দীর্ঘস্বৰ, অন্তঃস্থ য— আদি ব্যৱহাৰ কৰা নাছিল। ব্রন্সনে অভিধানখনিৰ পাতনিতে লিখিছে— "সকলো পুথিৰ মাজত অভিধান অতি প্রয়োজনীয়। অনেক ইংৰাজ লোকে অচমিয়া ভাসা সিকিবলৈ ইচা কৰে, আৰু অনেক অচমিয়া লোকেও ইংৰাজি ভাসা সিকিবলৈ স্রম কৰি আছে। সকলে উপকাৰৰ নিমিত্তে অচমিয়া ভাসাৰে এই প্রথম অভিধান সমাপ্ত কৰিলোঁ। ইয়াত ১৪০০০ চৈধ্য হাজাৰমান সৰু শব্দ আচে, তাৰ অর্থ অচমিয়া আৰু ইংৰাজী, এই দুই ভাসাৰে দিয়া হ'ল।" অভিধানখনৰ প্রায়বোৰ শব্দই নিভাঁজ অসমীয়া, তৎসম বা সংস্কৃত শব্দৰ সংখ্যা কমকৈ ব্যৱহাৰ কৰিছে। আনকি বানান প্রণালীসমূহো উচ্চাৰণ অনুসৰি কৰা হৈছে। অভিধানৰ বানান উচ্চাৰণ অনুসৰি লিখা আৰু সেই কাৰণে উচ্চাৰণ আৰু লিখাৰ মাজত কোনো বৈষম্য দেখা পোৱা নাযায়। অৱশ্যে শব্দৰ মূল বিচৰাৰ ক্ষেত্রত কিছু অসুবিধাৰ সন্মুখীন হ'বলগীয়া

হয়। ৰবিন্সন চাহাবে অসমৰ শিক্ষা অধিকাৰৰ ক্ষেত্ৰত বঙলা ভাষা চলোৱাৰ সপক্ষে মাত মাতিছিল। কিন্তু মাইলছ ব্ৰন্সনে ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰি অসমত অসমীয়া ভাষা চলাবলৈ দাবী কৰিছিল। *হেমকোষ* ৰচনা হোৱাৰ পিছত ব্ৰন্সনৰ অভিধানৰ প্ৰভাৱ কমি যায়। এই অভিধানখনৰ পাতনিতে তেওঁ আৰু এযাৰি কথা কৈছে— "অচমিয়া ভাসা ব্ৰহ্মপুত্ৰ নদিৰ সোঁতৰ নিচিনাকৈ ৰাজ্যৰ একেদৰে চলি আছে, আগলৈকে চলিব।" ব্ৰন্সন জয়পুৰত থাকোতে *A Spilling Book and Vocabulary in English, Assamese, Sinpho and Naga*. (১৮৩৯) নামে এখন ৬৬ পৃষ্ঠাৰ পুথি প্ৰকাশ কৰিছিল। তাত থাকোঁতেই তেওঁ নক্তে ভাষাৰ পুস্তিকা এখনিও প্ৰকাশ কৰিছিল— *Phrases in English and Naga* (১৮৪০)। ইয়াৰ উপৰি *বাইবেলৰ* কিছু অংশ ভাঙনি কৰিছিল আৰু কিছু স্তুতিগীত ৰচনা কৰিছিল।

- **নিধিলিবাই ফাৰোৱেল (১৮২৩-১৮৭৩)ঃ** *অৰুণোদই* গোষ্ঠীৰ আন এজন অসমীয়া খ্ৰীষ্টিয়ান লেখক হ'ল নিধিলিবাই ফাৰোৱেল। ১৮২৩ খ্ৰীঃত তেজপুৰৰ কলংপুৰ মৌজাৰ সুতাৰগাঁৱত ফাৰোৱেলৰ জন্ম হয়। তেওঁৰ প্ৰকৃত নাম আছিল নিধিৰাম কেওট। সৰু কালতে এই ল'ৰাজনক শ্ৰীমতী ব্ৰাউন আৰু কাট্টাৰে বুটলি আনি শদিয়াৰ মিছন প্ৰেছত নাম লগাই দিয়ে। পঢ়াশুনাৰ লগতে তেওঁক ছপাশালৰ কাম শিকায়। প্ৰথম অৱস্থাত ফাৰোৱেলৰ খ্ৰীষ্টধৰ্মৰ প্ৰতি আস্থা (বিশ্বাস) নাছিল। পিছলৈ এই ধৰ্মৰ প্ৰতি বিশ্বাসঘূৰি অহাত খ্ৰীষ্টধৰ্ম গ্ৰহণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে। ১৮৪১ খ্ৰীঃত মাইলছ ব্ৰন্সনে তেওঁক জয়পুৰত খ্ৰীষ্টধৰ্মত শৰণ কৰাই নিধিলিবাই ফাৰোৱেল নাম দিয়ে। ১৮৪৬ খ্ৰীঃত খ্ৰীষ্টিয়ান নিয়ম-নীতিৰে তেওঁ আহোম ছোৱালী অৰ্ফেন ইনষ্টিটিউছনৰ ছাত্ৰী আৰু প্ৰথম অসমীয়া মহিলা খ্ৰীষ্টিয়ান আৰি থুক্কুক বিয়া কৰায়। ১৮৫১ খ্ৰীঃত থুক্কুৰ মৃত্যুৰ পিছত ১৮৫৩ খ্ৰীঃত শ্ৰীমতী ইলাইজা নাচিমনি ওৱার্ডক বিয়া কৰায়। ১৮৭৩ খ্ৰীঃৰ ২৪ জানুৱাৰীত ফাৰোৱেলৰ মৃত্যু হয়।

  সাহিত্যকৃতি ঃ নিধিবিলাই ফাৰোৱেল খ্ৰীষ্টধৰ্ম গ্ৰহণৰ পিছত খ্ৰীষ্টধৰ্মৰ সহকাৰী প্ৰচাৰক হিচাপে নিযুক্ত হৈছিল। অসমীয়া ভাষা উদ্ধাৰ আৰু উন্নতিৰ ক্ষেত্ৰত তেওঁ মিছনেৰীসকলক সম্পূৰ্ণ সহযোগ কৰিছিল। *অৰুণোদই*ত তেওঁ নিয়মিত লেখা-মেলা কৰিছিল। *অৰুণোদই*ত যিসকলে সাহিত্য ৰচনা কৰিছিল তাৰ ভিতৰত ফাৰোৱেলৰ লেখনিয়েই সৰহ আছিল। *অৰুণোদই*ত ন. ল. ফ এই চুটি নামেৰেই সাহিত্য ৰচনা কৰিছিল। তেওঁ *অৰুণোদই*ত *নামঘোষা, কীৰ্ত্তনঘোষাৰ* আৰ্হিৰ বিভিন্ন কবিতা, নানা প্ৰবন্ধ আদি ৰচনা কৰিছিল। অসমীয়া কবিতাৰ দুৰ্বল আৰম্ভণি ফাৰোৱেলে কৰিছিল। ফাৰোৱেলৰ বিশেষ দান হ'ল— *ওল্ড টেষ্টামেণ্টৰ* 'Books of Semual' আৰু 'Books of Kings'ৰ অনুবাদ। *অৰুণোদই*ত 'বিনয় বচন',

'সৰগৰ বিৱৰণ', 'তীর্থৰ বিৱৰণ', 'নৰকৰ বিৱৰণ', 'নিস্তাৰৰ উপাই নাই', 'হিন্দুস্তানৰ বুৰঞ্জী' আদি বহুখিনি প্ৰবন্ধ আৰু কবিতা প্ৰকাশ কৰে। তদুপৰি ১৮৬৫ খ্ৰীঃত মিছন প্ৰেছৰ পৰা তেওঁৰ *ভাৰতীয় দণ্ডবিধি আইন* প্ৰকাশ হয়। তেওঁৰ আন এখন পুথি *পদাৰ্থবিদ্যাৰ সাৰ* অৰ্থাৎ *ইশ্বৰে সৃজা বস্তুৰ কথাত শিক্ষক-ছাত্ৰৰ কথোপকথন* (Natural Science in Familiar Dialogue) ৰচনা কৰে ১৮৭৪ চনত পুথিখনিক ই. ডব্লিউ. ক্লার্কে সম্পাদনা কৰি প্ৰকাশ কৰিছিল। ফাৰোৱেলে ব্ৰন্সন আৰু ব্ৰাউন চাহাবৰ বর্ণবিন্যাস নীতিৰ পৰা অলপো ফালৰি কাটি অহা নাছিল। ব্ৰন্সনে অভিধান ৰচনা কৰা সময়ত ফাৰোৱেলে যথেষ্ট প্ৰকাৰে সহায় কৰিছিল। হেমচন্দ্ৰ বৰুৱাই *হেমকোষ* ৰচনাৰ সময়ত ব্ৰাউন অথবা ব্ৰন্সনৰ বাক্যবিন্যাস ৰীতি অনুসৰণ কৰা নাছিল। জনা যায় সেই ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাই ফাৰোৱেলৰ পৰা যথেষ্ট বাধা পাইছিল। সেইবাবে হেমচন্দ্ৰ বৰুৱাই আত্মজীৱনীখনৰ পাতত লিখিছিল— "সি (নিধিলেবি) তাৰ গুৰু ব্ৰাউন চাহাবৰ বর্ণবিন্যাস প্ৰণালীৰ পৰা এক আঙ্গুলো লৰচৰ হোৱাক মহাপাপ যেন ভাবিছিল।" গতিকে দেখা যায় খ্ৰীষ্টধর্ম গ্ৰহণৰ পৰা খ্ৰীষ্টধর্ম প্ৰচাৰৰ লগতে এই বিষয়ক বিভিন্ন লেখাৰে অসমীয়া খ্ৰীষ্টিয়ান নিধিলিবাই ফাৰোৱেলৰ *অৰুণোদই* গোষ্ঠীৰ মাজত এখন উচ্চ স্থান আছে।

- **এ. কে. গার্নি (১৮৪৫-১৯০৯) ঃ** 'অৰুণোদই যুগ'ৰ আন এগৰাকী উল্লেখযোগ্য মিছনেৰী হ'ল— এ. কে. গার্নি। ১৮৪৫ খ্ৰীঃৰ ২৯ মে'ত আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ কাম্বাৰলেণ্ড নামে ঠাইত জন্ম হয়। ১৮৭৪ খ্ৰীঃত গার্নি আমেৰিকাৰ পৰা শিৱসাগৰলৈ আহে। শিৱসাগৰলৈ আহি তেওঁ ধর্মযাজকৰ পদ গ্ৰহণ কৰে। ১৮৭৭ খ্ৰীঃত তেওঁ মেৰী লৰেন্সক বিয়া কৰায়। ১৮৭৯ খ্ৰীঃত তেওঁ *অৰুণোদই* সম্পাদনা কৰাৰ কথা জনা যায়। ১৮৮৩ খ্ৰীঃত তেওঁ আমেৰিকালৈ যায়। আকৌ পুনৰ ১৮৮৫ খ্ৰীঃত অক্টোবৰত পুনৰ অসমলৈ আহে। তেওঁ প্ৰধানকৈ বাগিচাৰ বনুৱাসকলক দীক্ষা দিছিল। ১৯০৭ খ্ৰীঃলৈ তেওঁ শিৱসাগৰত থাকি মিছনৰ কামত নিয়োজিত হৈ আছিল।

  সাহিত্যকৃতি ঃ ওপৰত উল্লেখ কৰা হৈছে যে গার্নিয়ে ১৮৭৯ খ্ৰীঃত অৰুণোদই সম্পাদনা কৰিছিল। ১৮০৭ চনলৈ তেওঁ ধর্ম প্ৰচাৰৰ লগতে পুথি প্ৰণয়ন কার্যও কৰিছিল। ১৮৮০ খ্ৰীঃত তেওঁ হিব্ৰু ভাষাৰ পৰা *ওল্ড টেষ্টামেণ্ট*ৰ ভাঙনি কৰে। ইয়াৰ নাম দিয়ে 'য়িহুচুৱাৰ আৰু বিচাৰকর্তৰ পুথি আৰু ৰুথৰ বিৱৰণ', আন এটি অংশৰ নাম দিয়ে 'প্ৰাচীন নিয়ম'। গার্নিয়ে ৰচনা কৰা উল্লেখযোগ্য পুথি হ'ল— *ৰুথ আৰু যোচেফৰ কাহিনী* (১৮৮১), *কণি বেহেৰুৱাৰ কথা* (১৮৭৮), *এলাকেশ্বী বেশ্যাৰ কথা* (১৮৭৭) আৰু *কামিনীকান্তৰ চৰিত্ৰ* (১৮৭৭) আদি। গার্নিয়ে ব্ৰাউন, ফাৰোৱেল, হোৱাইটনিং আৰু ৰার্ডে এৰি থৈ যোৱা *বাইবেল*ৰ অংশবিশেষ অনুবাদ

কৰি ১৮০৩ত পূর্ণ *অসমীয়া বাইবেল* উলিয়ায়। তেওঁ বঙালী উপন্যাসৰ অসমীয়া ভাঙনিও কৰিছিল। উপন্যাসখনৰ নাম *এলাকেশ্বী বেশ্যাৰ কথা*। উপন্যাসখনৰ লেখিকা আছিল কুমাৰী এম. ই. লেছলি। আঠ বছৰ বয়সতে বাৰী হোৱা বঙালী ছোৱালী এলাকেশ্বী গাভৰু হোৱাত ক্ষেত্র বাবুৰ প্রলোভনত ৰক্ষিতা ৰূপ লয়। সেই ঘটনাৰ পাকচক্রত তাই কেনেকৈ বেশ্যাবৃত্তি অৱলম্বন কৰিব লগা হ'ল, শেষত হাস্পতালত লগ পোৱা এগৰাকী ধার্মিক তিৰোতাৰ সংস্পর্শলৈ আহি খ্রীষ্টধর্ম গ্রহণ কৰি পৱিত্র জীৱন-যাপন কৰে। এয়ে উপন্যাসখনৰ মূল কাহিনী। ১৮৭৬ খ্রীঃত চপোৱা *কনি বেহেৰুৱাৰ সাধুত* স্কটলেণ্ডৰ পর্বততে চৰাই কণী বিচৰা এজন ডেকাই বিপদত পৰি যীশুত শৰণ লোৱাৰ এটি সৰু কাহিনী ৰচনা কৰিছে। *কামিনীকান্তৰ চৰিত্রত* গৌৰীপুৰৰ ৰামজয় বন্দ্যোপাধ্যয়ৰ লগত কামিনীকান্তই খ্রীষ্টধর্ম গ্রহণ কৰি ঘৰত এৰি থৈ যোৱা পত্নী সৰলালৈ খ্রীষ্টধর্মৰ শ্রেষ্ঠতা প্রতিপন্ন কৰি চিঠি দিয়ে আৰু শেষত সৰলায়ো সেই ধর্মত দীক্ষিত হয়। দুয়োখন উপন্যাসৰে মূল কথা হ'ল খ্রীষ্টধর্মৰ প্রচাৰ; সেইবাবে হয়তো দুয়োখন পুথিয়েই উপন্যাসৰ শাৰীলৈ উঠিব নোৱাৰিলে। অসমীয়া উপন্যাসৰ এটি সৰল আৰম্ভণি গার্নিৰ *কমলাকান্তৰ চৰিত্রৰ* যোগেদিয়েই হোৱা বুলি ক'ব পাৰি। গার্নিয়ে ১৯০৫ খ্রীঃত *দীপ্তি* নামে এখন মাহেকীয়া আলোচনীৰ ছটা সংখ্যা প্রকাশ কৰিছিল।

- **শ্রীমতী গার্নি (মিছেছ গার্নি) ঃ** এ. কে. গার্নিৰ পত্নী মিছেছ গার্নিয়েও অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াইছে। মিছেছ গার্নিয়ে ১৮৫২ খ্রীঃত বাংলা ভাষাত ৰচিত কেথৰিন মূলেনৰ *ফুলমণি কৰুণাৰ বিৱৰণ* গ্রন্থখনিৰ ১৮৭৭ খ্রীঃত অসমীয়ালৈ অনুবাদ কৰি প্রকাশ কৰে। ইয়াৰে অসমীয়া অনুবাদটিৰ নাম হ'ল *ফুলমণি আৰু কৰুণা*। গ্রন্থখনিৰ প্রত্যেকটি চৰিত্রই খ্রীষ্টিয়ান ধর্মযাজকৰ সজ উপদেশ অনুসৰণ কৰি কেনেদৰে সুখী জীৱনযাপন কৰিছিল সেই কাহিনীয়েই হ'ল অনুবাদৰ মূল বিষয়বস্তু।

- **অন্যান্য খ্রীষ্টিয়ান লেখকসকল ঃ** এই সময়ছোৱাৰ ভিতৰতে আৰু ভালেকেইজন খ্রীষ্টিয়ান মিছনেৰীয়ে সাহিত্য ৰচনা কৰিছিল। তেওঁলোকৰ সাহিত্যসমূহ উচ্চ মানবিশিষ্ট নহ'লেও সেই ৰচনাসমূহেও অসমীয়া ভাষা সাহিত্যৰ ক্ষেত্রত কিছু হ'লেও বৰঙণি আগবঢ়াইছিল বুলি ক'ব পাৰি। এ. এইছ. ডেনফোর্ড, ছেমুৱেল এম. হোৱাইটিং, উইলিয়াম ৰার্ড, এডোৱার্ড ডব্লিউ, শ্রীমতী ৰার্ড, ক্লার্ক, আদিয়ে *অৰুণোদই* সম্পাদনা কৰিছিল। এই সময়ত শ্রীমতী এছ. আৰ. ৰার্ডে *ইংৰাজী অসমীয়া শব্দকোষ* (১৮৬৪), ব্রন্সনৰ জীয়ৰীয়ে 'সৰু চিত্রমূল' নামৰ এটি কবিতা, শ্রীমতী কাট্টাৰৰ *ইংৰাজী অসমীয়া শব্দবাক্যকোষ* উল্লেখযোগ্য। ইয়াৰ উপৰি মিছনেৰীসকলে *জাত্রিকৰ যাত্রা, হেনৰি আৰু তেওঁৰ লগুৱা, অপৰিমিতাচাৰৰ*

পৰিণাম, জোচেফৰ কাহিনী, আমেৰিকা আৱিষ্কাৰ, পণ্ডিত আৰু ধৰ্মপ্ৰচাৰ, তুতি গীত, বাইবেলৰ সাধু, ৰামপতিৰ কাহিনী, ধাৰ্মিক ছহা, মাউৰী ছোৱালী, আফ্ৰিকাৰ কোঁৱৰ, কৃষ্ণ আৰু যীশুৰ তুলনা, আপত্তিনাশক, স্বৰূপ আশ্ৰয়, সুবৰ্ণৰ তুল (তুলাদণ্ড), নিস্তাৰৰ উপায়, সৃষ্টি আৰু প্ৰলয়, গুৰু আহিল তোমাক মাতিছে, পাপ খেমা পোৱা ছোৱালী, পৰিত্ৰ অৱতাৰ, Christianity & Hinduism Compared Exposure of Hindu Religion আদি ভালেখিনি পুথিৰ নাম সত্যেন্দ্ৰনাথ শৰ্মাই উল্লেখ কৰিছে।

দেখা যায় মিছনেৰীসকলে যি সাহিত্য ৰচনা কৰিছিল সেইসমূহৰ প্ৰায়বোৰেই উদ্দেশ্য খ্ৰীষ্টধৰ্ম প্ৰচাৰ।তথাপি অসমীয়া সাহিত্যলৈএই সাহিত্যই যি অৱদান আগবঢ়ালে সেয়া চিৰস্মৰণীয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ "অসমীয়া সাহিত্যলৈ মিছনেৰীসকলৰ দান।" — আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

২.৪.২ *অৰুণোদই* কাকতলৈ অৰিহণা যোগোৱা অসমীয়া লেখক-লেখিকাসকল

অৰুণোদই কাকত প্ৰকাশ হোৱাৰ আগৰ সময়খিনিক অৰ্থাৎ ১৮২৬-১৮৪৬ খ্ৰীঃলৈ ৰচিত সাহিত্যখিনিক বুৰঞ্জীবিদসকলে 'প্ৰাক্-অৰুণোদই স্তৰৰ সাহিত্য' বুলি অভিহিত কৰিছে।কিছুমান পণ্ডিতে এই সাহিত্যখিনিক 'যুগসন্ধিৰ' সাহিত্য বুলিও ক'ব খোজে। মিছনেৰীসকল অসমলৈ অহাৰ আগৰে পৰা অসমত কিছু সাহিত্য ৰচিত হৈছিল। অৱশ্যে সেই সাহিত্যসমূহক কালজয়ী সাহিত্য বুলিলে ভুল কোৱা হ'ব। তথাপি সেই সাহিত্যসমূহৰ উল্লেখ নকৰিলে সাহিত্যৰ এটি দিশ আধৰুৱা হৈ থাকিব।এই স্তৰত ৰচিত হোৱা সাহিত্যৰ ভেটিতে মিছনেৰীসকলে অট্টালিকা নিৰ্মাণ কৰিবলৈ সুযোগ পাইছিল। যদু�ৰাম ডেকা বৰুৱাৰ *অসমীয়া বঙলা অভিধানে*ইয়াৰ প্ৰমাণ দাঙি ধৰে। মাইলছ ব্ৰন্সনে যদু�ৰাম ডেকা বৰুৱাৰ অভিধানকে অনুসৰণ কৰি তেওঁৰ সাহিত্যিক কীৰ্তিস্তম্ভ *অসমীয়া ইংৰাজী অভিধান* প্ৰণয়ন কৰে। ক'ব লাগিব যে অৰুণোদই যুগৰ আৰম্ভ হোৱাৰ আগতে বহুকেইজন অসমীয়া সাহিত্যিকে *অৰুণোদই* কাকতৰ বৰভেটি গঢ়াত অৱদান আগবঢ়াইছিল। গতিকে এই অধ্যায়ত *অৰুণোদই* কাকতলৈ অৰিহণা যোগোৱা প্ৰাক্-অৰুণোদই স্তৰৰ লেখক-লেখিকাসকলৰো চমু আভাস দিবলৈ যত্ন কৰিম।

প্ৰথমভাগৰ লেখকসকল ঃ

- **আত্মাৰাম শৰ্মা ঃ** আত্মৰাম শৰ্মাৰ জন্ম কলিয়াবৰত। প্ৰথম স্তৰত ভাৰতলৈ অহা

খ্ৰীষ্টান মিছনেৰী ডেনিয়েল পটছে তেওঁৰ এখন গ্ৰন্থত আত্মাৰাম শৰ্মাৰ বিষয়ে উল্লেখ কৰিছে। এই বিষয়ে আগৰ অধ্যায়ত আলোচনা কৰা হৈছে। কেৰীৰ সংস্পৰ্শত আত্মৰাম শৰ্মাই খ্ৰীষ্টধৰ্ম গ্ৰহণ কৰে। কেৰী চাহাবৰ নিৰ্দেশমতে শৰ্মাই *বাইবেলৰ নিউ টেষ্টামেণ্ট*আৰু পিছত *অল্ড টেষ্টামেণ্টৰ* অসমীয়া ভাঙনি কৰে। উল্লেখযোগ্য যে গুৱাহাটীলৈ পঠোৱা প্ৰথম খ্ৰীষ্টিয়ান জেমছ ৰে'ক তেওঁ অসমীয়া ভাষাৰ প্ৰাথমিক জ্ঞান দিয়া বুলিও জনা যায়। তেওঁ ধৰ্মৰ পুস্তিকাও লিখিছিল। আত্মাৰাম শৰ্মাৰ আখৰ জোঁটনি ব্ৰাউন ব্ৰন্সনৰ পৰা পৃথক আছিল।

- **যদুৰাম ডেকা বৰুৱা (১৮০১-৬৭) ঃ** প্ৰথম অসমীয়া ভাষাতত্ত্ববিদ যদুৰাম ডেকাবৰুৱাৰ ঘৰ যোৰহাটত। তেওঁৰ পিতৃৰ নাম কৃষ্ণদাস ভৰালী বৰুৱা। প্ৰথম অৱস্থাত তেওঁ আহোম ৰজা চন্দ্ৰকান্ত সিংহ আৰু পুৰন্দৰ সিংহৰ বিষয়ৱবীয়া আছিল। ইংৰাজৰ শাসনকালত তেওঁ মুন্সিফ হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰিছিল। তেওঁ *অৰুণোদই* কাকতত দুই-এটি প্ৰবন্ধ ৰচনা কৰিছিল। লগতে কলিকতাৰ পৰা প্ৰকাশিত বিভিন্ন আলোচনীতো তেওঁৰ প্ৰবন্ধ প্ৰকাশ পাইছিল। ১৮৩৯ খ্ৰীঃত যদুৰাম ডেকাবৰুৱাৰ বিশেষ কৃতি *বঙলা-অসমীয়া অভিধান*প্ৰকাশ পাইছিল। এই অভিধানখন প্ৰকাশ হোৱাৰ পিছতে বৃটিছ বিষয়া কৰ্ণেল জেনকিন্স চাহাবক উপহাৰ হিচাপে দিছিল। মাইলছ ব্ৰন্সনে এই অভিধানৰ আদৰ্শ আৰু আখৰ জোঁটনিৰ নিয়ম মানি লৈ তেওঁৰ অভিধানখন প্ৰণয়ন কৰিছিল বুলি জনা যায়। বৰুৱাৰ অভিধানখন ৰচনা কৰা প্ৰসঙ্গত ব্ৰাউন চাহাবে মন্তব্য কৰিছে— ''The system of orthography adopted in the work is that of Jaduram Baruah, a learned Assamese Pandit, which it is Believed much better corresponds with the actual pronunciation of the people then any other system met with.''

- **হলিৰাম ঢেকিয়াল ফুকন (১৮০২-৬৯)ঃ** আনন্দৰাম ঢেকিয়াল ফুকনৰ পিতৃ হলিৰাম ঢেকিয়াল ফুকন। হলিৰাম ঢেকিয়াল ফুকনৰ পিতৃ পৰশুৰাম বৰুৱা। আহোম ৰজা চন্দ্ৰকান্ত সিংহ গুৱাহাটীত থাকোঁতে তেওঁক ঢেকিয়াল ফুকনৰ বাব দিয়ে। হলিৰাম ঢেকিয়াল ফুকনে প্ৰথমে নগাঁও আৰু দৰঙৰ বন্দোৱস্ত কৰে। তেওঁ চিৰস্তদাৰো আছিল। ফুকনে কামৰূপৰ বন্দোৱস্তৰ কাম কৰিছিল। ১৮২৯ খ্ৰীঃত তেওঁ *অসম বুৰঞ্জী*ৰচনা কৰে। এই বুৰঞ্জীখন এছিয়াটিক ছ'চাইটিৰ জাৰ্ণেলত প্ৰকাশ পাইছিল। বঙ্গ দেশৰ প্ৰধান সংবাদ-পত্ৰ *সমাচাৰ দৰ্পণ*আৰু *সমাচাৰ চণ্ডিকাই* এই পুথিখনিৰ প্ৰশংসা কৰিছিল। ১৮৩১ খ্ৰীঃত তেওঁৰ আন এখন সংস্কৃত পুথি প্ৰকাশ কৰিছিল। সেইখন হ'ল *কামাখ্যা যাত্ৰা পদ্ধতি*। এই পুথিখনিত ৰজাসকলৰ বুৰঞ্জী, ধৰ্ম-কৰ্ম উপাসনা, ৰাজ্যশাসন, আচাৰ-ব্যৱহাৰ, নদ-নদীৰ বিৱৰণ, বেপাৰ-বাণিজ্যৰ বিভিন্ন

ৰীতিৰ কথা উল্লেখ আছে।

- **মণিৰাম দেৱান (১৮০৬-৫৮) ঃ** মণিৰাম দেৱান শিৱসাগৰৰ চাৰিঙৰ ৰামদত্ত দোলাকাষৰীয়া বৰুৱাৰ পুত্ৰ। মণিৰাম দেৱান পুৰন্দৰ সিংহৰ ৰাজত্বকালত ৰাজসভাসদ হিচাপে কার্যনির্বাহ কৰিছিল। তেওঁ প্ৰথম অৱস্থাত বৃটিছৰ শাসনত সহায় কৰিছিল। বৃটিছ চৰকাৰৰ অধীনত ৰংপুৰ কাছাৰিত মিৰ্মুঞ্চি আৰু পেচকাৰ হিচাপে কার্যনির্বাহ কৰিছিল। ১৮৩৩ খ্ৰীঃত পুৰন্দৰ সিংহ বৃটিছৰ অধীনত ৰজা হৈছিল। সেই সময়ত দেৱানে ৰৱভাণ্ডাৰ বৰুৱা হিচাপে কাম কৰিছিল। কিছুদিন তেওঁ চাহ কোম্পানীৰ দেৱান হিচাপেও দায়িত্ব গ্ৰহণ কৰিছিল। পিছলৈ তেওঁ নিজাকৈ কেইবাখনো চাহ বাগিচা খুলিছিল।উল্লেখযোগ্য যে দেৱানেই আছিল প্ৰথম অসমীয়া চাহ খেতিয়ক। তেওঁ ইংৰাজৰ কিছুমান নীতিত অসন্তুষ্ট আছিল। বিশেষকৈ ইংৰাজৰ ৰাজহ নীতিৰ তেওঁ বিৰোধিতা কৰিছিল। সেই সময়ত সমগ্ৰ ভাৰততে চিপাহী বিদ্ৰোহে প্ৰভাৱ বিস্তাৰ কৰিছিল। এই চিপাহী বিদ্ৰোহৰ লগত দেৱানৰ সম্পর্ক থকা বুলি সন্দেহ কৰি তাৰেই অপৰাধত দেৱানক কলিকতাত বন্দী কৰে আৰু ১৮৫৮ খ্ৰীঃত যোৰহাটত তেওঁক ফাঁচী দিয়ে। তেওঁ ৰচনা কৰা উল্লেখযোগ্য গ্ৰন্থ হ'ল— *বুৰঞ্জী বিবেক ৰত্ন*। বুৰঞ্জীখন বহুকেইটা খণ্ডত বিভক্ত কৰি ৰচনা কৰিছিল বুলি জনা যায়। কিন্তু বর্তমান এই পুথিখনিৰ দ্বিতীয় খণ্ডটিহে উদ্ধাৰ কৰা হৈছে। *বুৰজী বিবেকৰত্নত* আহোমৰ শাসন পদ্ধতি, প্ৰাচীন কামৰূপত ধর্ম আৰু সমাজ, জাতি আৰু বর্ণ, শঙ্কৰ-মাধৱৰ চৰিত আৰু ধর্মমত, মটক দৌৰাত্ম্য, মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণ তথা অত্যাচাৰৰ বিৱৰণ পোৱা যায়। পুথিখনিত মিছনেৰীসকলৰ গদ্যৰ প্ৰভাৱ দেখা নাযায়। তেওঁ বুৰঞ্জীৰ গদ্যৰীতিকে অনুসৰণ কৰিছে যদিও সেই গদ্যৰীতিৰ পৰিবর্তিত ৰূপহে পোৱা যায়। পুথিখনিত ঠায়ে ঠায়ে বঙলুৱা, ঠায়ে ঠায়ে অসমীয়া ভাষাৰ প্ৰয়োগৰ বাবেই মহেশ্বৰ নেওগে *বুৰঞ্জী বিবেক ৰত্নই* অসমীয়া ভাষা সাহিত্যৰ বেছি ঠাই দখল নকৰে বুলি মত দিয়ে।

- **কাশীনাথ তামুলী ফুকন (১৮১০-৮০) ঃ** কাশীনাথ তামুলী ফুকন আহোম ৰজা পুৰন্দৰ সিংহৰ বিষয়া আছিল। তেওঁৰ পিতৃৰ নাম শ্ৰীনাথ। ইংৰাজ চৰকাৰৰ অধীনত তেওঁ মুঞ্চিফ্ পদত নিযুক্ত হৈ কাম কৰে। ৰজা পুৰন্দৰ সিংহৰ আদেশত তেওঁ *অসম বুৰঞ্জী* ৰচনা কৰে। বুৰঞ্জীখন ৰচনা কৰা কালত ফুকনক তুংখুঙীয়া বুৰঞ্জীৰ লেখক শ্ৰীনাথ দুৱৰাৰ পুত্ৰ ৰাধানাথ দুৱৰা আৰু বাইলুং আদি পণ্ডিতে সহায় কৰিছিল বুলি তথ্য পোৱা যায়। এই বুৰঞ্জীখন শিৱসাগৰৰ মিছনেৰী প্ৰেছত ছপা হয়। এইখন বুৰঞ্জীৰ অনুকৰণত হৰকান্ত বৰুৱা মদৰামিনে তেওঁৰ *অসম বুৰঞ্জী* ৰচনা কৰে।

- **বিশ্বেশ্বৰ বৈদ্যাধিপ (১৯ শতিকা) ঃ** বিশ্বেশ্বৰ বৈদ্যাধিপ আহোম ৰজা পুৰন্দৰ সিংহৰ এজন বিষয়া তথা বৈদ্য আছিল। তেওঁৰ আন এটি নাম বিকাৰাম বেজবৰুৱা। ৰজা পুৰন্দৰ সিংহৰ আজ্ঞা অনুসৰি তেওঁ *বেলিমাৰৰ বুৰঞ্জী* নামেৰে এখনি পদ্য বুৰঞ্জী ৰচনা কৰে। পুথিখনিত পুৰণি কাব্যৰীতিৰে অর্থাৎ পদ-দুলড়ী-ছবি-লেছাৰি, ঝুমুৰা ছন্দত প্রণয়ন কৰিছিল। ড° সূর্য্য কুমাৰ ভূঞাই বুৰঞ্জীখনৰ ৰচনাকাল ১৮৩৩ৰ পৰা ১৮৪৬ চনৰ ভিতৰত বুলি মত দিয়ে। বুৰঞ্জীখনত ১৭৯০ চনৰ পৰা অর্থাৎ গৌৰীনাথ সিংহৰ পৰা চন্দ্রকান্ত সিংহৰ ৰাজত্বকাললৈকে অর্থাৎ ১৮১৯ৰ প্রথম ভাগলৈকে ঐতিহাসিক ঘটনা পৰম্পৰাৰ কাব্যসুলভ ৰসাল বিৰৰণ পোৱা যায়। বিশ্বেশ্বৰ বৈদ্যাধিপৰ *বেলিমাৰৰ বুৰঞ্জী* আৰু দুতিৰাম হাজৰিকাৰ *কলিভাৰত* দুয়োখন বুৰঞ্জীয়ে ড° সূর্য্য কুমাৰ ভূঞা সম্পাদিত *অসমৰ পদ্য বুৰঞ্জীত* সন্নিৱিষ্ট হৈ আছে।

- **হৰকান্ত বৰুৱা সদৰামীন (১৮১৫-১৯০২) ঃ** হৰকান্ত শর্মা মজিন্দাৰ বৰুৱা অথবা হৰকান্ত বৰুৱা সদৰামীনৰ ঘৰ উত্তৰ গুৱাহাটীত। তেওঁ সোণামুৰা দৈৰজ্ঞৰ মজিন্দাৰ বংশৰ লোক আছিল। ১৮৩৫ খ্রীঃত তেওঁ কালেক্টৰী অফিচত প্রথম নকল নবিচ হিচাপে কর্মজীৱন আৰম্ভ কৰে। শেষত ডেপুটি মেজিষ্টেটৰ (কলেক্টৰ) বিষয়াৰ পদ পায়। ১৮৭৭ খ্রীঃত এই পদৰ পৰাই অৱসৰ গ্রহণ কৰে। হৰকান্ত বৰুৱাই দুখন গ্রন্থ ৰচনা কৰিছিল— *অসম বুৰঞ্জী* আৰু *সদৰামীনৰ আত্মজীৱনী*। বৰুৱাই কাশীনাথ তামুলী বৰুৱাৰ *অসম বুৰঞ্জী* আৰু অন্যান্য বুৰঞ্জীৰ আধাৰত *অসম বুৰঞ্জী* ৰচনা কৰে। ১৮৩০ খ্রীঃত 'অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে' বুৰঞ্জীখন প্রকাশ কৰে। দ্বিতীয়খনক অসমীয়া সাহিত্যৰ প্রথম আত্মজীৱনীৰ বাটকটীয়া বুলি ধৰা হয়। আত্মজীৱনীখনৰ প্রথমছোৱা দিনলিপি (১৮৩৪-৩৫) হিচাপে আৰু পিছৰছোৱা (১৮৮৯-৯০) বর্ষলিপিৰ আর্হিত ৰচনা কৰা হৈছে। আত্মজীৱনীখনত অসমৰ সমাজ, সংস্কৃতি, ভাষা সাহিত্য, অর্থনৈতিক পৰিস্থিতি, ৰাজনৈতিক দৃষ্টিভঙ্গীৰ উজ্জ্বল নিদর্শন পোৱা যায়।



জানি থোৱা ভাল

ইয়াৰ উপৰি দীননাথ বেজবৰুৱা, বলৰাম খাৰঘৰীয়া ফুকন, দুতিৰাম হাজৰিকা, গোপীনাথ চক্রৱর্তী, ঘনশ্যাম খাৰঘৰীয়া ফুকন, ললিত চন্দ্র গোস্বামী, পূর্ণকান্ত দেৱশর্মা আদি লেখকে প্রাক্-অৰুণোদই স্তৰত গদ্য আৰু পদ্যত বিভিন্ন পুথি ৰচনা কৰিছে।

***অৰুণোদই* কাকতলৈ অৰিহণা যোগোৱা দ্বিতীয় স্তৰৰ লেখকসকল ঃ** 'অৰুণোদই'ৰ সময়ছোৱাত বহুকেইজন অসমীয়া লেখকে সাহিত্য ৰচনা কৰিবলৈ উদগনি পাইছিল।

মিছনেৰীসকলে অসমীয়া ভাষা উদ্ধাৰ কৰিবলৈ কৰাপ্রচেষ্টাত এই অসমীয়া লেখকসকলে সহায়ৰ হাত আগবঢ়াইছিল। সেইসকলৰ ভিতৰত সর্বশ্রেষ্ঠ আছিল আনন্দৰাম ঢেকিয়াল ফুকন। ফুকনৰ পিছত গুণাভিৰাম বৰুৱা, হেমচন্দ্র বৰুৱায়ো এই স্তৰতে *অৰুণোদই*কাকতলৈ বৰঙণি যোগাইছিল। গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্র বৰুৱাই অৰুণোদই স্তৰৰে অৱসান আৰু এটি নতুন স্তৰৰ আৰম্ভণি সময়ত সাহিত্য ৰচনা কৰিছিল। তথাপি *অৰুণোদই*কাকতলৈ তেওঁলোকৰ অৱদান অনস্বীকার্য। আমাৰ এই আলোচনাত *অৰুণোদই*কাকতৰ প্রভাৱমুক্ত হৈ শেষ স্তৰত সাহিত্য ৰচনা কৰা লেখকসকলৰে চমু পৰিচয় দিবলৈ যত্ন কৰা হ'ব।

- **আনন্দৰাম ঢেকিয়াল ফুকন ঃ** অসমীয়া ভাষা প্রতিষ্ঠাৰ ৰণত ব্রহ্মনক সহায় কৰা এজন প্রধান অসমীয়া সেনাপতি স্বৰূপ আছিল আনন্দৰাম ঢেকিয়াল ফুকন। ১৮২৯ খ্রীঃত গুৱাহাটীত ফুকনৰ জন্ম হয়। তেওঁৰ পিতৃ হলিৰাম ঢেকিয়াল ফুকন আৰু মাতৃ প্রসূতী দেৱী। তেওঁ ল'ৰালি কালতে সংস্কৃত ব্যাকৰণৰ লগতে বঙলা ভাষাও শিকিছিল। ১৮৩৫ চনত স্থাপন হোৱা ইংৰাজী মাধ্যমৰ স্কুলত তেওঁ নামভর্তি কৰে। সেই ইংৰাজী স্কুলতে ফুকনে জেমছ্ মেথি আৰু জেনকিন্ছ চাহাবৰ সান্নিধ্যলৈ আহে। তেওঁলোকৰ সহায়ত ফুকনে ইংৰাজী ভাষাত বিশেষ ব্যুৎপত্তি লাভ কৰে। ১৮৪১ খ্রীঃত তেওঁ কমিছ্নাৰ জেনকিন্ছ আৰু মেথি চাহাবৰ অনুপ্রেৰণাত কলিকতাৰ হিন্দু কলেজত পঢ়িবলৈ আৰম্ভ কৰে।তাত তেওঁ পাশ্চাত্য জ্ঞান আৰু ৰীতি-নীতিৰ বিশেষ জ্ঞান আহৰণ কৰে। কলিকতাত তেওঁ তিনি বছৰ শিক্ষা গ্রহণ কৰি অসমলৈ উভতি আহে। অসমলৈ উভতি আহি আকৌ গুৱাহাটীৰ ব্রেগু চাহাবৰ ওচৰত ইংৰাজী পঢ়ে। ইয়াৰ লগতে তেওঁ এজন মুনছিৰ সহায়ত ফার্চি আৰু উর্দু ভাষাও আয়ত্ত কৰে। ১৮৪৬ খ্রীঃত অর্থাৎ সোতৰ বছৰ বয়সত তেওঁ বিবাহ পাশত আবদ্ধ হয়। ইয়াৰ পিছৰ বছৰত তেওঁ চৰকাৰী চাকৰিত যোগদান কৰে। তেওঁ বিজনি ৰজাৰ দেৱান, মুন্সিফ আৰু জুনিয়ৰ এচিষ্টেণ্ট কমিছ্নাৰ হিচাপে কার্যনির্বাহ কৰে ১৮৫৯ খ্রীঃত জুন মাহত মাত্র ঊনত্রিশ বছৰ বয়সতে তেওঁ মৃত্যুক আঁকোৱালি ল'বলগা হয়। তথাপি এই ঊনত্রিশ বছৰীয়া জীৱনকালত ফুকনৰ যি অৱদান সেই অৱদানে তেওঁক আমাৰ মাজত সদায় চিৰস্মৰণীয় হৈ থাকিল।

  সাহিত্য ঃ ১৮৪৬ খ্রীঃৰ পৰা ঢেকিয়াল ফুকনে অৰুণোদইত প্রবন্ধ লিখিবলৈ আৰম্ভ কৰে। ফুকনে চৰকাৰী বিষয়াৰূপে নগাঁৱত থকা সময়ত তেওঁ মাইলছ ব্রহ্মনৰ লগত ঘনিষ্ঠতাৰ সূত্রপাত হয়।ব্রহ্মনৰ সান্নিধ্যতেই তেওঁ *অৰুণোদই* গোষ্ঠীৰ লগত সংযুক্ত হয়।১৮৪৭ খ্রীঃত *অৰুণোদই*ত *ইংগ্লণ্ডৰ বিৱৰণ*প্রকাশ পায়।ইয়াৰ পিছত অর্থাৎ ১৮৪৯ খ্রীঃত চাৰিশ পিঠিয়া *অসমীয়া ল'ৰাৰ মিত্র* দুটা খণ্ডত প্রকাশ পায়। এই পুথিখনি প্রথম আধুনিক অসমীয়া গদ্যৰ নিদর্শন দাঙি ধৰে। ১৮৫৩ খ্রীঃত অসমৰ প্রশাসন সম্পর্কে অনুসন্ধান কৰিবলৈ অহা মোফাট মিলচ্ চাহাবৰ আগত

ফুকনে এখন আবেদন দাখিল কৰে। এই আবেদন বা স্মাৰক পত্ৰখনত অসমৰ ৰাজনৈতিক আৰু প্ৰশাসনিক অৱস্থা আৰু সমস্যাৰ গভীৰ উপলব্ধি আৰু সমালোচনা, অসমীয়া ভাষা আৰু শিক্ষা সমস্যাৰ বিশ্লেষণ, অসমীয়া মানুহৰ অৰ্থনৈতিক দু�ৰৱস্থাৰ কাৰণ নিৰ্ণয় আৰু তাৰ প্ৰতিকাৰৰ উপায়, অসমত উৎপন্ন হোৱা বস্তু আৰু তাৰ উন্নতিৰ উপায় বিশ্লেষণ— এই সকলোবোৰ তেওঁ ইংৰাজী ভাষাতে লিখিছিল। এই স্মাৰক-পত্ৰখন ফুকনে চৌব্বিশ বছৰ বয়সতে প্ৰস্তুত কৰা কথাই সকলোকে আচৰিত কৰি তুলিছিল। এই স্মাৰক-পত্ৰখনে ফুকনৰ বুদ্ধিনিষ্ঠতা আৰু গভীৰ জ্ঞানৰ পৰিচয় দাঙি ধৰে। ১৮৫৫ খ্ৰীঃত তেওঁৰ— *A Few Remarks on Assamese Language and on Vernacular Education in Assam* নামৰ পুস্তিকাখনি প্ৰকাশ পায়।এই পুস্তিকাখনি শিৱসাগৰৰ মিছনেৰী প্ৰেছত ছপা হৈ ওলাইছিল। অসমীয়া ভাষাৰ সঙ্কটময় কালছোৱাত এই পুস্তিকাখনিয়ে অসমীয়া ভাষাৰ স্বতন্ত্ৰতাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছিল। এই পুস্তিকাখনিত ৬২খন পদপুথি আৰু ৪০খন নাটৰ কথাও উল্লেখ আছে। ফুকনে *ইংৰাজী-অসমীয়া* আৰু *অসমীয়া-ইংৰাজী* দুখন অভিধান প্ৰস্তুত কৰিবলৈ আৰম্ভ কৰা বুলি তথ্য পোৱা যায়। কিন্তু অভিধান দুখন সম্পূৰ্ণ হ'লনে নাই সেই বিষয়ে কোনো তথ্য পোৱা নাযায়। এ. এইছ. ডেনফ'ৰ্ডে ১৮৫২ খ্ৰীঃত *অৰুণোদই* কাকতত দিয়া এটি মন্তব্যৰ পৰা ফুকনৰ অভিধান প্ৰণয়নৰ বিষয়ে জনা যায়— "কিন্তু এই দুয়ো লোকৰ উপকাৰ হ'বৰ নিমিত্তে শ্ৰীযুত আনন্দৰাম ঢেকিয়াল ফুকনে *ইংৰাজী-অসমীয়া* আৰু *অসমীয়া-ইংৰাজী* এই ৰূপে দুই খণ্ড অভিধান লিখিছে। এই অভিধানত আখৰ জোঁটোৱা আমাতকৈ কিছু বেলেগ হৈছে হয়।"

ঢেকিয়াল ফুকন অৰুণোদই যুগৰ এজন শ্ৰেষ্ঠ লেখক হ'লেও মিছনেৰীসকলৰ গদ্যৰীতিৰ লগত তেওঁৰ গদ্যৰীতিৰ মিল নাছিল। আগতে উল্লেখ কৰা হৈছে যে ফুকনে আধুনিক অসমীয়া গদ্যৰীতিৰ নিদৰ্শন দাঙি ধৰিছিল। বিশেষকৈ বানান পদ্ধতিৰ ক্ষেত্ৰত মিছনেৰীসকলৰ সামান্য প্ৰভাৱ থাকিলেও ফুকনৰ ৰচনাৰ মাজত যতিচিহ্ন নিয়ন্ত্ৰিত আধুনিক গদ্যৰীতি স্পষ্ট হৈ পৰে। ফুকনৰ ৰচিত *ইংগ্লণ্ডৰ বিৱৰণত* তেওঁৰ গদ্যৰীতিৰ প্ৰমাণ পোৱা যায়। যেনে— "হে কৃপাময় জগদিশ্বৰ, এই অসম দেসৰ লোকসকলক সভ্য গিয়ানি আৰু ধাৰ্মিক কৰিবলৈ মতি দিয়া, যিবিলাকৰ অভাৱ আৰু দুৰৱস্থা জানিবলৈ সিবিলাকক গিয়ান দিয়া আৰু তোমাৰ বিচিত্ৰ সক্তিৰে সিবিলাকক সভ্য কৰা আৰু তোমাক জানিবৰ আৰু আজ্ঞা পালিবৰ যোগ্য কৰা।"

আনন্দৰাম ঢেকিয়াল ফুকনৰ স্বদেশানুৰাগ ইমান গভীৰ আছিল যে কৰ্ণেল হপ্‌কিন চাহাবেও ইয়াক স্বীকাৰ কৰি গৈছে। তেওঁৰ মতে বঙ্গ দেশৰ ৰামমোহন ৰায়ৰ লগত আনন্দৰামৰ তুলনা কৰিব পাৰি আনকি তেওঁৰ অল্পায়ু বয়সলৈ চাই তেওঁতকৈ ফুকনক উচ্চস্থান দিব পাৰি বুলি মন্তব্য দিয়ে।

অৰুণোদই স্তৰতে অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা হয়। আগতে উল্লেখ কৰা হৈছে যে ঊনবিংশ শতিকাৰ প্ৰায় শেষলৈকে *অৰুণোদই* ছেগা-চোৱোকাকৈ চলি আছিল। কিন্তু ১৮৭৩ খ্ৰীঃৰ পৰা ইয়াৰ প্ৰভাৱ লাহে লাহে কমিবলৈ আৰম্ভ কৰে। আনকি ১৮৬৭ খ্ৰীঃৰ পৰা কাকতখন নিয়মিতভাৱে প্ৰকাশো হোৱা নাছিল। অৱশ্যে এই কাকতখনক কেন্দ্ৰ কৰিয়েই এই সময়ত বহুকেইখন কাকত-আলোচনীয়ে প্ৰকাশ লাভ কৰিছিল। বিভিন্ন পণ্ডিতে ১৮৭৩-১৮৮৯ খ্ৰীঃৰ এই সময়ছোৱাক বৈশিষ্ট্যপূৰ্ণ যুগ বুলি মন্তব্য দিয়ে। ১৮৭৩ খ্ৰীঃৰ অসমীয়া ভাষা অসমৰ স্কুল-আদালতত পুনঃ প্ৰচলন হয়। কিন্তু স্কুলসমূহত অসমীয়া পঢ়াশলীয়া পুথিৰ বিশেষ অভাৱ হ'ল। হেমচন্দ্ৰ বৰুৱাই ইয়াকে প্ৰত্যাহ্বান ৰূপে গ্ৰহণ কৰি পাঠ্যপুথি ৰচনাৰ কামত হাত দিলে। বৰুৱাৰ এই সময়তে অসমীয়া বৰ্ণবিন্যাস ৰীতি নিৰূপণ কৰিবলৈ ধৰিলে। হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই *অৰুণোদইৰ* পাতত বিভিন্ন প্ৰবন্ধ ৰচনা কৰিছিল যদিও তেওঁলোকে অসমীয়া বৰ্ণবিন্যাসৰ ক্ষেত্ৰত মিছনেৰীসকলৰ পৰা বাধা পাইছিল। কাৰণ মিছনেৰীসকলে যদুৰাম ডেকাবৰুৱাৰ ব্যাকৰণগত ৰূপকে মানি চলিছিল। হেমচন্দ্ৰ বৰুৱাই সকলো যুক্তি নাকচ কৰি অসমীয়া বৰ্ণবিন্যাসৰ সৰলীকৃত ৰূপ দিছিল। এই সময়ছোৱাত আধুনিক অসমীয়া শৈলী প্ৰতিষ্ঠিত হয়। লগতে প্ৰবন্ধ সাহিত্য, উপন্যাস, নাটক, জীৱনী, আধুনিক পদ্ধতিৰ বুৰঞ্জী, ভ্ৰমণ বৃত্তান্ত আদি নানাবিধ সাহিত্যৰ প্ৰকাশে অসমীয়া সাহিত্যক এক স্বকীয় ৰূপ দিয়ে। এই সময়ছোৱাৰ আন এক বৈশিষ্ট্য হ'ল— শিশু সাহিত্য আৰু শিশু আলোচনীৰ লগতে মহিলা সাহিত্যিকসকলৰো আবিৰ্ভাব ঘটে। আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ আৰু গুণাভিৰাম বৰুৱাই বিশেষকৈ সমাজ জীৱনৰ পৰা অজ্ঞতা, নিৰক্ষৰতা, কুসংস্কাৰ আদি আঁতৰাবৰ যত্ন কৰিছিল। তেওঁলোকে সাহিত্যৰ মাজেদি অসমীয়া সমাজৰ উত্তৰণ ঘটাব বিচাৰিছিল। এইসকল সাহিত্যিকৰ সাহিত্য ৰচনাৰ আন এটি বৈশিষ্ট্য হ'ল তীব্ৰ জাতীয়তাবোধ। হেমচন্দ্ৰ, গুণাভিৰামৰ দৰে এই সময়ছোৱাৰে আন আন লেখকসকলৰ ৰচনাৰাজ্যিৰ মাজতো এই বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এই সময়তে হাস্যৰসাত্মক সাহিত্য, ব্যঙ্গ সাহিত্য আদিৰো সৃষ্টি হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ অসমীয়া ভাষা সাহিত্যলৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান সম্পৰ্কে আলোচনা কৰক।

(১৫০টা শব্দৰ ভিতৰত)

মুঠতে দেখা যায় এই সময়ছোৱাত বিশেষকৈ হেমচন্দ্ৰ-গুণাভিৰামৰ নেতৃত্বত অসমীয়া সাহিত্যই আকৌ ঠন ধৰি উঠিছিল। সেইবাবে মহেশ্বৰ নেওগে এই স্তৰটোক

'আধুনিক অসমীয়া ভাষা প্ৰতিষ্ঠা' আৰু সত্যেন্দ্ৰনাথ শৰ্মাই সাহিত্যৰ এই স্তৰক 'হেমচন্দ্ৰ গুণাভিৰামৰ স্তৰ' আখ্যা দিব পাৰি বুলি মত আগবঢ়ায়।আধুনিক অসমীয়া ভাষা প্ৰতিষ্ঠা হোৱাৰ এই স্তৰৰ আগশাৰীৰ লেখকসকলৰ বিষয়ে তলত চমুকৈ আলোচনা কৰা হ'ল—

- **হেমচন্দ্ৰ বৰুৱা (১৮৩৫-৯৬)ঃ** শিৱসাগৰৰ ৰজাবাঁহৰ গাঁৱত ১৮৩৫ শকত হেমচন্দ্ৰ বৰুৱাৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম মুক্তাৰাম বৰুৱা। বাৰ বছৰ বয়সতে তেওঁৰ পিতৃ বিয়োগ ঘটে আৰু খুৰাক লক্ষ্মীৰাম বৰুৱাৰ লগত থাকিবলৈ লয়। ৰক্ষণশীল পৰিয়ালত জন্ম গ্ৰহণ কৰা বৰুৱাই প্ৰথমে পৰম্পৰাগতভাৱে ঘৰতে থাকি সংস্কৃত শিক্ষা গ্ৰহণ কৰে। ইয়াৰ কেইবছৰমান পিছত খুৰাকে মাহে চাৰি টকা বেতনত নকল-নবীচৰ কামত সোমায়। ৰক্ষণশীল সমাজ আৰু পৰিয়ালৰ বিশেষকৈ খুৰাকৰ বিৰোধ থকা সত্ত্বেও তেওঁ পৰিয়ালৰ অজ্ঞাতে ইংৰাজী ভাষা শিকিবলৈ লৈছিল। এই ক্ষেত্ৰত কেপ্তেইন ব্ৰোডী চাহাব আৰু বেপ্তিষ্ট পাদুৰীসকলে তেওঁক বিশেষভাৱে সহায় কৰিছিল। তেওঁলোকৰ সহায়ত বৰুৱাই ইংৰাজী ভাষাত বিশেষ ব্যুৎপত্তি লাভ কৰিছিল। কৰ্মৰ প্ৰতি একনিষ্ঠতা আৰু ভাষাজ্ঞানৰ বাবে তেওঁ অসমৰ জুডিচিয়েল কমিচনাৰ অফিচৰ ছুপাৰিণ্টেণ্ডেণ্টৰ পদ লাভ কৰে। ১৮৮১ চনত তেওঁ কামৰ পৰা অৱসৰ গ্ৰহণ কৰে অৱসৰৰ পিছত তেওঁ গুৱাহাটীত থাকিবলৈ লয় আৰু সাহিত্য চৰ্চা কৰিবলৈ ধৰে। ১৮৯৬ চনৰ ২০এপ্ৰিলত গুৱাহাটীতে মৃত্যুবৰণ কৰে।
  সাহিত্যঃ হেমচন্দ্ৰ বৰুৱাই *অৰুণোদইৰ* পাততে সাহিত্যিক জীৱনৰ পাতনি মেলিছিল। *অৰুণোদই* কাকতত তেওঁ অসমীয়া বৰ্ণবিন্যাসৰ সংশোধনৰ চেষ্টা কৰিছিল। তেওঁ তৎসম, তদ্ভৱ আৰু বিদেশী ভাষাৰ ভাৰসাম্য ৰক্ষা কৰি অসমীয়া শব্দাৱলীৰ বৰ্ণবিন্যাস কৰিবলৈ ধৰিছিল। ইয়াৰ বাবে *অৰুণোদইৰ* পাতত 'সোণাৰচাঁদ' বৰুৱা ছদ্মনামেৰে বিভিন্ন প্ৰবন্ধও ৰচনা কৰিছিল। এই ছদ্মনামত 'অনেক বিয়া অযুগুত' প্ৰবন্ধও ৰচনা কৰিছিল। বৰুৱাক ব্ৰোডী আৰু বেপ্তিষ্টসকলৰ সান্নিধ্যই তেওঁৰ দৃষ্টিভঙ্গীৰ প্ৰসাৰতা বঢ়াইছিল। বৰুৱাই গুণাভিৰাম বৰুৱা, ঢেকিয়াল ফুকনৰ লগ লাগি সমাজৰ পৰা অজ্ঞতা নিৰক্ষৰতা, কুসংস্কাৰ আঁতৰাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। সাহিত্যৰ মাজেদি তেওঁলোকে সামাজিক উত্তৰণ সাধিছিল। সেইবাবে তেওঁ সমাজ সংস্কাৰৰ বিষয় লৈ *বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰী* আৰু *কানিয়াৰ কীৰ্ত্তন* —এই দুখন গ্ৰন্থ ৰচনা কৰে।গ্ৰন্থ দুখনত সমাজ সংস্কাৰৰ স্বৰূপ ব্যঙ্গাত্মকভাবে বৰ্ণনা কৰা হৈছে। *বাহিৰে ৰংচং ভিতৰে কোৱা ভাতুৰী* নামৰ এই উপন্যাসধৰ্মী ৰচনাত ধৰ্মৰ নামত ব্যভিচাৰ, কুসংস্কাৰ, অনীতি, অশিক্ষা আদি ৰূপ প্ৰকাশ পাইছে। তেওঁৰ দ্বিতীয়খন আধুনিক অসমীয়া নাট *কানিয়াৰ কীৰ্ত্তনত* কানি আৰু বৰবিহৰ সেৱনৰ পাকচক্ৰত পৰি কেনেদৰে সকলো হেৰুৱাব লগা হয় তাক এই সৰু নাটখনিৰ জৰিয়তে হাস্য-ব্যঙ্গ ৰূপত প্ৰকাশ কৰা হৈছে। তেওঁৰ আন এখন পুথি হ'ল— *অসমীয়া বিবাহ*

পদ্ধতি। হেমচন্দ্ৰ বৰুৱাই বিধৱা বিবাহক সমর্থন জনাইছিল। অসমীয়া সমাজত বিবাহক লৈ প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰ সম্পৰ্কে এই পুথিখনিত উল্লেখ কৰা হৈছে।

তেওঁ পুৰুষৰঅধিক বিবাহৰ পক্ষপাতী নাছিল।আনকি নিজৰ জীৱনতো তাৰ প্ৰতিফলন ঘটাইছিল। যাৰ বাবে তেওঁৰ পত্নীৰ মৃত্যুৰ পিছতো দ্বিতীয় বিবাহ কৰোৱা নাছিল। বৰুৱাই ৰচনা কৰা আন কেইখনমান উল্লেখযোগ্য পুথি হ'ল— *আদিপাঠ* (১৮৭৩), *পাঠমালা* (১৮৯২), *অসমীয়া ব্যাকৰণ* (১৮৫৯), *অসমীয়া পঢ়াশলীয়া অভিধান* (১৮৯২), *অসমীয়া ল'ৰাৰ ব্যাকৰণ* (১৮৮৬) আদি কৰি বহুকেইখন পঢ়াশলীয়া পুথি ৰচনা কৰিছিল।

উল্লেখযোগ্য যে *আদিপাঠ* পুথিখনৰ সমপৰ্যায়ৰ বহুকেইখন পুথিৰ মাজত পৰীক্ষকে এই পুথি শ্ৰেষ্ঠ বুলি পৰিগণিত কৰি ৫০০.০০ টকা পুৰস্কাৰ দিছিল বুলি জনা যায়। *পাঠমালা* পুথিখনিত ইংৰাজী আৰু সংস্কৃত ভাষাৰ লগতে *ৰামায়ণ-মহাভাৰতৰ* দুটামান উপাখ্যান ইয়াত সন্নিৱিষ্ট কৰা হৈছে। *স্বাস্থ্য ৰক্ষা বা গা ভালে ৰাখিবৰ উপায়* (Way to Healthৰ অনুবাদ)হ'ল হেমচন্দ্ৰ বৰুৱাৰএখন গদ্য ৰচনা। *পাঠমালা* আৰু *স্বাস্থ্য ৰক্ষা* ৰচনাৰ বাবেও বৰুৱাই চৰকাৰৰ পৰা ১১০০.০০ টকা পুৰস্কাৰ লাভ কৰিছিল। এনে ধৰণৰ গদ্য ৰচনাই পৰৱৰ্তী সময়ৰ লেখকসকলক অনুপ্ৰেৰণা যোগাইছিল।

বৰুৱাৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ হ'ল— *হেমকোষ*। বৰুৱাই তিনিখন অভিধান ৰচনা কৰিছে। সেইকেইখন হ'ল— *পঢ়াশলীয়া অভিধান, সংক্ষিপ্ত হেমকোষ* আৰু *হেমকোষ*। *পঢ়াশলীয়া অভিধান* ১৮৯২ খ্ৰীঃত *সংক্ষিপ্ত হেমকোষ* ১৮৯৪, আৰু শেষৰখন বৰুৱাৰ মৃত্যুৰ পিছত প্ৰকাশ কৰা হৈছে। *হেমকোষ*খন হেমচন্দ্ৰ গোস্বামী আৰু গৰ্ডন চাহাবৰ প্ৰচেষ্টাত ১৯০০ চনত প্ৰকাশ পায়। *হেমকোষ*খনত ব্ৰহ্মনৰ অভিধানতকৈ প্ৰায় আঠ হেজাৰ শব্দ বেছিকৈ পোৱা যায়। ব্যাকৰণ আৰু অভিধান ৰচনাৰে হেমচন্দ্ৰ বৰুৱাই অসমীয়াসাহিত্যৰ ভেটি দৃঢ় কৰি থৈ গৈছে। অভিধানখনত বৰুৱাৰ পাণ্ডিত্য আৰু ভাষাজ্ঞানৰ লগতে কৰ্মনিষ্ঠতাৰ পৰিচয় পোৱা যায়।

বৰুৱাই *আচাম নিউচ* (১৮৮৩-৮৫) নামৰ এখন কাকতো সম্পাদনা কৰিছিল। *অৰুণোদই* কাকত বন্ধ হোৱাৰ সময়ছোৱাত এই কাকতখনৰ প্ৰকাশ হৈছিল। এই সংবাদ-পত্ৰখন দুটা ভাগত প্ৰকাশিত হৈছিল— এটা অসমীয়া আৰু আনটো ইংৰাজী ভাষাত। কাকতখনৰ মাজেৰে অসমীয়া ভাষাৰ স্থিৰীকৰণ কৰে।

- **গুণাভিৰাম বৰুৱা (১৮৩৭-১৮৯৪) ঃ** ১৭৫৯ শকত (ইং ১৮৩৭) যোৰহাটত গুণাভিৰাম বৰুৱাৰ জন্ম হয়। আনন্দৰাম ঢেকিয়াল ফুকনৰ বৰদেউতাক ৰণৰাম বৰুৱাৰ পুত্ৰ গুণাভিৰাম বৰুৱা। সৰুতে পিতৃ বিয়োগ ঘটাত গুণাভিৰাম বৰুৱাই ঢেকিয়াল ফুকনৰ তত্ত্বাৱধানত ডাঙৰ-দীঘল হয়। ঢেকিয়াল ফুকনৰ যত্নতে তেওঁ

কলিকতাৰ প্ৰেছিডেন্সী কলেজত নামভৰ্তি কৰে। প্ৰেছিডেন্সী কলেজত দ্বিতীয় বাৰ্ষিক শ্ৰেণীলৈ পঢ়ি পিছত আইনৰ শিক্ষা গ্ৰহণ কৰে। ১৮৫৯ চনত ঢেকিয়াল ফুকনৰ মৃত্যুত তেওঁ অসমলৈ উভতি আহে সেই বছৰতে তেওঁ ছাব-এচিষ্টেণ্ট পদত নিযুক্ত হয় আৰু তাৰ এবছৰ পিছত এক্সট্ৰা-এচিষ্টেণ্ট কমিছনাৰ পদ লাভ কৰে। ১৮৫৭ চনত ব্ৰজসুন্দৰী দেৱীৰ লগত বিবাহ পাশত আবদ্ধ হয়। প্ৰথমা পত্নী ব্ৰজসুন্দৰীৰ মৃত্যুৰ পিছত তেওঁ বিষ্ণুপ্ৰিয়া নামে এগৰাকী ব্ৰাহ্মণ বিধৱাক বিয়া কৰায়। কলিকতাত থাকোঁতে ইশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ প্ৰভাৱ আৰু ব্ৰাহ্মসমাজ আন্দোলনৰ প্ৰভাৱ পৰিছিল। হিন্দু সমাজ সংস্কাৰৰ প্ৰভাৱৰ ফলস্বৰূপেই তেওঁ বিধৱা বিবাহ কৰাইছিল। ১৮৯০ খ্ৰীঃত তেওঁ কামৰ পৰা অৱসৰ গ্ৰহণ কৰে। ১৮৯৪ খ্ৰীঃত তেওঁৰ মৃত্যু হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা স্তৰত হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই কেনেদৰে অৱদান আগবঢ়াইছিল আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

হেমচন্দ্ৰ বৰুৱাৰ দৰে গুণাভিৰাম বৰুৱাৰ মনতো সমাজ সংস্কাৰৰ মনোভাবে ক্ৰিয়া কৰিছিল। ব্ৰাহ্ম সমাজৰ প্ৰভাৱত তেওঁ পিছলৈ সেই ধৰ্মই গ্ৰহণ কৰিছিল। বৰুৱাৰ সাহিত্যৰ সকলো দিশতে অৰিহণা আছে। তেওঁ নাট্যকাৰ, প্ৰবন্ধকাৰ, জীৱনী লেখক, বুৰঞ্জী প্ৰণেতা, হাস্যৰসিক, সাংবাদিক আৰু কবি হিচাপেও পৰিচিত। ১৮৫৭ খ্ৰীঃত তেওঁ *অৰুণোদই*ৰ পাতত প্ৰকাশ কৰে *ৰামনৱমী* নাটক। *ৰামনৱমী* প্ৰথম অসমীয়া সামাজিক নাটক। এই নাটকখনিৰ জৰিয়তে তেওঁৰ সৃষ্টিমূলক প্ৰতিভাৰ প্ৰমাণ পোৱা যায়। *অৰুণোদই*ত এই নাটকখন ধাৰাবাহিকভাৱে প্ৰকাশিত হয়। ১৮৭০ খ্ৰীঃত এই নাটকখন পুথি আকাৰে ছপা হয়। নাটকখন পাশ্চাত্য নাটকৰ অনুকৰণত লিখা হৈছে যদিও ইয়াত সংস্কৃত নাটকৰ প্ৰভাৱ পৰিলক্ষিত হয়। নাটকখনি হ'ল সামাজিক বিয়োগান্তক নাটক। ভাৰতীয় নাট্য সাহিত্যত ইয়াৰ আগলৈকে বিয়োগান্তক নাটকৰ পৰম্পৰা নাছিল। গুণাভিৰাম বৰুৱাই প্ৰথম পাশ্চাত্য সাহিত্যৰ অনুকৰণত বিয়োগান্তক নাটক ৰচনাৰ আৰম্ভণি কৰে। ইয়াত উদাৰপন্থী ৰামচন্দ্ৰ আৰু বাল্যবিধৱা নৱমীৰ মাজত প্ৰণয় আৰু শেষত সমাজৰ পাকচক্ৰত পৰি শোকাৱহ পৰিণতিৰে নাটকখনিৰ সামৰণি পৰিছে। *বিবাহ ৰহস্য* নামৰ আন এখনি নাটক গুণাভিৰাম বৰুৱাই ৰচনা কৰিছিল বুলি পণ্ডিতসকলে অনুমান কৰে। তেওঁৰ *আসাম বন্ধু* নামৰ কাকতখনত এই নাটকখনিৰ মাত্ৰ দুটা দৃশ্যহে প্ৰকাশিত হৈছিল। এই নাটকখনিও অসমীয়া গাঁৱলীয়া বিবাহ সমস্যাৰ আধা�ৰত ৰচনা কৰা হৈছিল। ১৮৮০ খ্ৰীঃত বৰুৱাৰ *আনন্দৰাম ঢেকিয়াল ফুকনৰ*

জীৱন চৰিত প্ৰকাশ পায়। ঢেকিয়াল ফুকনৰ জীৱনৰ সৰু-বৰ সকলো ঘটনা এই চৰিতখনত সন্নিৱিষ্ট হৈছে। ১৮৮৪ চনত বৰুৱাৰ *অসম বুৰঞ্জী* প্ৰকাশিত হয়। বুৰঞ্জীখনিত অসমত মানৰ শেহছোৱা আৰু অসমৰ অতীত আৰু বৰ্তমানৰ দীঘলীয়া আলোচনা আছে। ইয়াৰ উপৰি হাস্য ৰসৰ প্ৰবন্ধ 'কঠিন শব্দৰ ৰহস্য' প্ৰকাশ পায়। বৰুৱাই *বিজুলী*কাকতত 'গুৰুদত্ত' ছদ্মনামেৰে কেইটিমান কবিতাও ৰচনা কৰিছিল। ১৮৫৫ চনত বৰুৱাৰ সম্পাদনাত *আসাম বন্ধু* নামেৰে এখনি মাহেকীয়া কাকতে জন্মলাভ কৰে। কাকতখন প্ৰায় ডেৰ বছৰলৈ চলি বন্ধ হৈছিল। *আসাম বন্ধুত* মুঠতে ১৬টি সংখ্যা প্ৰকাশ পাইছিল। *আসাম বন্ধুক* ৰোমাণ্টিক যুগৰ বাটকটীয়া বুলিব পাৰি। কাকতখনে সেই সময়ৰ লেখকগোষ্ঠীক আকৰ্ষণ কৰিছিল। অৰুণোদই যুগৰ শেষ আৰু জোনাকী যুগৰ আগছোৱাত গুণাভিৰাম বৰুৱাৰ ৰচনাই সেই সময়ৰ সাহিত্যক প্ৰভাৱিত কৰিছিল।

- **ৰমাকান্ত চৌধুৰী (১৮৪৬-১৮৮৯) ঃ** নলবাৰী জিলাৰ বতাহঘিলা গাঁৱত ৰমাকান্ত চৌধুৰীৰ জন্ম হয়। পিতৃ লক্ষ্মীকান্ত চৌধুৰী। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ চৌধুৰীয়ে গুৱাহাটীৰ কাছাৰীত কেৰাণী পদত সোমায়। পিছত তেওঁ পদোন্নতি লাভ কৰি চি�ৰস্তাদাৰ পদ লাভ কৰে। ১৮৮৯ খ্ৰীঃত চিৰস্তাদাৰ পদত কাৰ্যনিৰ্বাহ কৰি থাকোঁতেই অকালতে মৃত্যুবৰণ কৰে। ৰমাকান্ত চৌধুৰীয়ে মাইকেল মধুসূদন দত্তৰ ব্লেঙ্ক ভাৰ্ছৰ আৰ্হিত অমিত্ৰাক্ষৰ ছন্দত ১৮৭৫ খ্ৰীঃত *অভিমন্যু বধ* কাব্যখন ৰচনা কৰে। এই বধকাব্যখনৰ মূল হ'ল মাইকেল মধুসূদন দত্তৰ *মেঘনাথ বধ*। ৰমাকান্ত চৌধুৰী *সীতাহৰণ* আৰু *ৰাৱণবধ* নামৰ দুখন পৌৰাণিক নাটকো ৰচনা কৰে। *ৰাৱণ বধ* নাটকখন এতিয়াও অপ্ৰকাশিত হৈ আছে।

- **ভোলানাথ দাস (১৮৫৮-১৯২৯) ঃ** ভোলানাথ দাসৰ ঘৰ প্ৰাচীন নগাঁৱত। পিতৃ বাপিৰাম আৰু মাতৃ হ'ল পদ্মাৱতী। নগাঁৱত স্কুলীয়া শিক্ষা শেষ কৰি কলিকতাৰ মেট্ৰ'পলিটান কলেজত গৈ পঢ়িবলৈ আৰম্ভ কৰে, কিন্তু শিক্ষা শেষ নহওতেই ঘৰলৈ উভতি আহি শিক্ষকতা আৰম্ভ কৰে। দাসে চিভিল চাৰ্ভিছ পৰীক্ষাত উত্তীৰ্ণ হৈ ১৮৮৮ খ্ৰীঃৰ পৰা ভূমি বিভাগৰ বিষয়া ৰূপে কাম কৰে। ১৯২২ খ্ৰীঃত চাকৰিৰ পৰা অৱসৰ লয়। ১৯২৯ খ্ৰীঃত তেওঁৰ মৃত্যু হয়।

  ভোলানাথ দাসেও মাইকেল মধুসূদন দত্তৰ অমিত্ৰাক্ষৰ ছন্দত *সীতাহৰণ কাব্য* ৰচনা কৰে। কাব্যখন *আসাম বিলাসিনী*(১৮৭১) কাকতত প্ৰকাশ পাইছিল। ১৯০২ খ্ৰীঃত কাব্যখন পুথি আকাৰে প্ৰকাশ হয়। *সীতাহৰণ কাব্য*খন আধুনিক যুগৰ দ্বিতীয়খন বৰ্ণনাত্মক কাব্য। কাব্যখন সাতোটা সৰ্গত ৰচনা কৰিছে। খণ্ড কবিতাৰ ৰচক হিচাপে ভোলানাথ দাস পৰিচিত। তেওঁৰ *কবিতামালা* নামৰ খণ্ড কবিতাৰ

পুথিখন দুটা খণ্ডত প্ৰকাশ পাইছিল। ১৮৮৩ খ্ৰীঃত দ্বিতীয় কবিতা পুথি *চিন্তাতৰঙ্গিনী*প্ৰকাশ পায়। এইখন পুথিও দুটা খণ্ডত প্ৰকাশ হয়। কাব্যখনত কবিৰ সুখ-দুখৰ অনুভূতি, স্বদেশপ্ৰীতি আদি প্ৰকাশিত হৈছে। তেওঁ *সুভদ্ৰাহৰণ কাব্য* আৰু *প্ৰসঙ্গমালা* (গদ্য পদ্য মিহলি) গ্ৰন্থও ৰচনা কৰিছিল বুলি জনা যায়। এই দুখন গ্ৰন্থ অপ্ৰকাশিত হৈ ৰ'ল।

- **লম্বোদৰ বৰা (১৮৬০-১৮৯২) ঃ** তেজপুৰৰ আলিপোকৰীয়া গাঁৱত ১৯৬০ খ্ৰীঃত লম্বোদৰ বৰাৰ জন্ম হয়। তেওঁ পঢ়ি থকা অৱস্থাতেই *আসাম বিলাসিনী*ত বিভিন্ন প্ৰবন্ধ লিখিছিল। বৰাই বি.এ. পাছ কৰি কিছুদিনৰ বাবে কহিমা হাইস্কুলত শিক্ষকতা কৰে। ইয়াৰ পিছত কলিকতালৈ গৈ বি.এল. পাছ কৰি তেজপুৰত ওকালতি আৰম্ভ কৰে। ১৮৯২ খ্ৰীঃত হাইজা ৰোগত আক্ৰান্ত হৈ ৩২ বছৰ বয়সতে মৃত্যুক সাবটি ল'বলগা হয়।

  বৰাই *আসাম বিলাসিনী*ৰ উপৰি *আসাম তৰা, আসাম বন্ধু, আসাম নিউচ* আদি কাকততো প্ৰবন্ধ ৰচনা কৰিছিল। বৰাই *জ্ঞানোদয়* আৰু *ল'ৰাবোধ*— এই দুখন পঢ়াশলীয়া পুথি ৰচনা কৰে। *আনন্দৰাম বৰুৱাৰ জীৱন চৰিত* আৰু *ইশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ জীৱন চৰিত* ৰচনা কৰিছিল যদিও আধৰুৱা হৈ থাকিল। *আসাম বন্ধু* কাকতত 'সদানন্দৰ কলাঘুমটি' নামৰ হাস্য-ব্যঙ্গাত্মক লেখনি প্ৰকাশ পাইছিল। তেওঁ কালিদাসৰ *শকুন্তলা* নাটকৰ তেওঁ অসমীয়া অনুবাদ কৰিছিল। *জোনাকী* কাকতত তেওঁ 'অসমীয়া ভাষাৰ আখৰ জোঁটনি' নামৰ চাৰিটা প্ৰবন্ধ প্ৰকাশ পাইছিল। বৰাৰ সাহিত্যৰ মাজত শক্তিশালী গদ্যৰ চানেকি পোৱা যায়।

- **ৰত্নেশ্বৰ মহন্ত (১৮৬৪-১৮৯৩) ঃ** ১৮৬৪ খ্ৰীঃত গুৱাহাটীত ৰত্নেশ্বৰ মহন্তৰ জন্ম হয়। তেওঁৰ পিতৃ থানেশ্বৰ মহন্ত। পিতৃ লক্ষ্মীমপুৰৰ বলিয়াগুৰু সত্ৰৰ অধিকাৰ আছিল। তেওঁ স্কুলীয়া শিক্ষা গুৱাহাটীত লাভ কৰে আৰু নগাঁৱৰ পৰা এণ্ট্ৰেন্স পাছ কৰে। মহন্তই কাছাৰীৰ একাউণ্টেণ্ট পদত কাৰ্যনিৰ্বাহ কৰে। ১৮৯৩ খ্ৰীঃত কলাজ্বৰত আক্ৰান্ত হৈ মৃত্যুমুখত পৰে।

  গুণাভিৰাম বৰুৱাক কেন্দ্ৰ কৰি যি এদল সাহিত্যিকৰ জন্ম হৈছিল তাৰ ভিতৰত মহন্ত অন্যতম। তেওঁ *আসাম বন্ধু*ৰ লগতে *জোনাকী* আৰু *বিজুলী* কাকততো বহু মূল্যৱান প্ৰবন্ধ লিখি থৈ গৈছে। 'জয়মতী কুঁৱৰী'ৰ দৰে কেইবাটাও বুৰঞ্জীমূলক প্ৰবন্ধ লিখি থৈ যায়। এই প্ৰবন্ধ লিখাৰ পিছতহে জয়মতীৰ সতীত্বৰ মহিমা দেশত প্ৰচাৰ হয়। *দ্ৰৌপদী মহিমা, জয়দ্ৰথ বধ, গোপলীলা* আৰু *হৰিশ্চন্দ্ৰ* নামে চাৰিখন নাটকো ৰচনা কৰে। *দ্ৰৌপদীৰ বেণীবন্ধন* নামে আন এখন নাটকো ৰচনা কৰিছিল যদিও অপ্ৰকাশিত হৈ থাকিল। *কবিতা হাৰ* নামে তেওঁ এখন কবিতা পুথিও ৰচনা কৰিছিল। পুথিখনি তিনিটা খণ্ডত প্ৰকাশ হৈছিল। তেওঁ 'ৰামদাস গোস্বামী'

ছদ্মনামতো বহুকেইটি প্রবন্ধ ৰচনা কৰিছিল। উন্নত, শক্তিশালী গদ্যলেখক হিচাপেও মহন্তৰ স্থান আছে।

- **কমলাকান্ত ভট্টাচার্য্য ঃ** তেজপুৰৰ ন-দুৱাৰৰ দাৰোগা বাণেশ্বৰ ভট্টাচার্য্যৰ পুত্র কমলাকান্ত ভট্টাচার্য্য। *অৰুণোদই*তে তেওঁ সাহিত্যিক জীৱন আৰম্ভ কৰিছিল। ইয়াৰ পিছত *আসাম নিউজ, আসাম বন্ধু, জোনাকী, বাঁহী, ঊষা* আৰু *আৱাহন* আদি কাকতত প্রবন্ধ প্রকাশ পাইছে। ভট্টাচার্য্যয়ো সংস্কাৰমুক্ত আৰু স্বাধীনতাপ্রয়াসী মনোভাৱপ্রকাশ পাইছে।তেওঁৰ প্রকাশিত কবিতাপুথি হ'ল— *চিন্তানল* (আগছোৱা, ১৮৯০), *চিন্তানল* (শেষছোৱা, ১৮৯২), *চিন্তাতৰঙ্গ* (১৯৩৩)।গদ্য ৰচনা *কঃ পন্থা* আৰু *অষ্টবক্রৰ আত্মজীৱনী*নামৰ দুখন পুথিৰ ভিতৰত দ্বিতীয়খন মৰণোত্তৰভাৱে প্রকাশ পাইছে। ১৯৩৬ চনত ৮৫ বছৰ বয়সত গুৱাহাটীত মৃত্যুবৰণ কৰে।

- **বলদেৱ মহন্ত (১৮৫০-১৮৯৫) ঃ** ১৮৫০ খ্রীঃত বলদেৱ মহন্তৰ জন্ম হয়। তেওঁ শঙ্কৰদেৱৰ আজ্ঞাপৰ নাৰায়ণ দাস ঠাকুৰৰ বংশধৰ আছিল। মহন্তই *পৰিমিতি, জ্যামিতি, পাটীগণিত* আদি ৰচনা কৰাৰ উপৰি *উজুপাঠ* নামৰএখন ছন্দোবদ্ধ পুথি ৰচনা কৰে।

- **বলিনাৰায়ণ বৰা (১৮৮৬-১৯৮৭) ঃ** এই সময়ছোৱাৰ ভিতৰত বৰাও অন্যতম। *মৌ* আলোচনীৰ সম্পাদক হৰনাৰায়ণ বৰায়ো তেওঁৰ নাম উল্লেখ কৰিছে। মাত্র তিনিটা প্রবন্ধৰ বাহিৰে *মৌ*আলোচনীৰ চাৰিটা সংখ্যাত প্রকাশিত সকলোবোৰ বৰাৰ ৰচনা।

- **পদ্মাৱতী দেৱী ফুকননী (১৮৫৩-১৯২৯) ঃ** অসমীয়া মহিলা লেখিকাৰ ভিতৰত পদ্মাৱতী দেৱী ফুকননী অন্যতম। তেওঁ আনন্দৰাম ঢেকিয়াল ফুকনৰ কন্যা। পদ্মাৱতীয়ে *সুধর্মাৰ উপাখ্যান* নামেৰে এখন উপন্যাস ৰচনা কৰে। ১৮৮৪ খ্রীঃত উপন্যাসখন প্রকাশ হয়। ছাত্রসকলৰ উপযোগীকৈ ৰচনা কৰা আন এখন পুথি *হিতসাধিকা* ৰচনা কৰে।

ইয়াৰ উপৰিও আন বহুকেইজনে সাহিত্য ৰচনাত হাত দিছিল। তেওঁলোকৰ ভিতৰত কালিৰাম বৰুৱাই— *কীর্ত্তন, দশম, নামঘোষা, গীতগোবিন্দ, শঙ্কৰ চৰিত* আদি পুৰণি পুথি উদ্ধাৰ কৰি প্রকাশ কৰে। নীলকুমুদ বৰুৱাৰ *জীৱনাদর্শ*, পুর্ণকান্ত শর্মাৰ *নল চৰিত্র*আৰু গদ্যৰ পুথি *হিতকথা*আৰু *জ্ঞানাঙ্কুৰ*, পদ্মহাঁস গোস্বামীৰ সঙ্কলন *পদ্যমালা* আৰু *শিক্ষাসাৰ*, ৰুদ্রৰাম বৰদলৈৰ *বঙাল বঙালনী*, দেৱনাথ বৰদলৈৰ *হেমপ্রভা* আৰু *বৈদেহী বিচ্ছেদ* আদি হেমচন্দ্র গুণাভিৰামৰ কালছোৱাত ৰচিত হৈছিল।

মহিলা লেখিকা পদ্মাৱতী দেৱী ফুকননীৰ উপৰি গুণাভিৰাম বৰুৱাৰ পত্নী বিষ্ণুপ্রিয়া দেৱীৰ *নৈতিক সাধুকথাৰ পুথি*আৰু *নীতিকথা*আৰু জীয়ৰী স্বর্ণলতা দেৱীৰ *আর্হি তিৰোতা* নামৰ পুথি ৰচনা কৰে।

এনেদৰে বহুকেইজন সাহিত্যিকে কমসংখ্যক হ'লেও ৰচনা কৰি অসমীয়া সাহিত্যৰ উন্নতিত অৰিহণা যোগাইছিল।



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ চর্ত অনুসৰি অসমৰ শাসন ব্যৱস্থা ইংৰাজৰ হাতলৈ যায়। ইংৰাজসকলে অসমত ১৮৩৬ খ্ৰীঃৰ পৰা অসমত অসমীয়াৰ সলনি বঙলা ভাষাৰ প্ৰচলন কৰিলে। মিছনেৰী আৰু সচেতন অসমীয়াৰ লগ লাগি ভাষা প্ৰতিষ্ঠাৰ যুঁজখনৰ পৰিসমাপ্তি ঘটিল ১৮৭৩ খ্ৰীঃত। ১৮৭৩ খ্ৰীঃত অসমীয়া ভাষাৰ পুনৰ প্ৰচলন আৰম্ভ হয়।
- ১৮৪৬ খ্ৰীঃত মিছনেৰীসকলৰ প্ৰচেষ্টাত প্ৰথম অসমীয়া মাহেকীয়া আলোচনী তথা সম্বাদপত্ৰ *অৰুণোদই* প্ৰকাশ পায়। ১৮২৬ৰ পৰা ১৮৮৯ খ্ৰীঃলৈ এই সময়ছোৱাৰ সাহিত্যখিনিক 'অৰুণোদই যুগৰ সাহিত্য' বুলি জনা যায়।
- অধ্যায়টিত মিছনেৰীসকলৰ গদ্যৰীতিৰ নিদৰ্শনৰ লগতে অসমীয়া সাহিত্যলৈ তেওঁলোকৰ অৱদানৰ বিশদ আলোচনা আছে। খ্ৰীষ্টিয়ান মিছনেৰী আৰু অখ্ৰীষ্টিয়ান লেখকসকলৰ জীৱন আৰু সাহিত্য কৃতিৰো আভাস দিয়া হৈছে।
- *অৰুণোদই* কাকতৰ প্ৰকাশৰ আগছোৱাত অসমীয়া লেখকসকলৰ জীৱন আৰু সাহিত্য কৃতিৰ পৰিচয়ো আগবঢ়োৱা হৈছে।
- অৰুণোদই যুগৰ শেষ স্তৰত হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱাৰ নেতৃত্বত যি সাহিত্য সৌধ নির্মাণ হৈছিল তাৰ এটি চমু আভাস দিয়াৰ লগতে তেওঁলোকৰ সাহিত্য কৃতিৰ পৰিচয় দিয়া হৈছে।



২.৬ অধিক জানিবলৈ

১) গোস্বামী, যতীন্দ্ৰনাথ (১৯৮৬) ঃ *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী*; গুৱাহাটী ঃ মণিমাণিক প্ৰকাশ।

২) নেওগ, মহেশ্বৰ (সম্পা.) (১৯৮৩) ঃ *অৰুণোদই*; গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৩) নেওগ, মহেশ্বৰ (১৯৮৬) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; টিহু ঃ চন্দ্ৰ প্ৰকাশ।

৪) বৰা, ড° হেম (১৯৯৪)ঃ *অসমীয়া সাহিত্যলৈ মহিলা লেখকৰ দান*; গোলাঘাট ঃ সপ্তাদী প্ৰকাশন।

৫) শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পা.) (১৯৯৮) ঃ *অসমৰ বাতৰিকাকতৰ ডেৰশ বছৰীয়া ইতিহাস*; গুৱাহাটী ঃ অসমৰ বাতৰিকাকতৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতি।

৬) শর্মা, সত্যেন্দ্রনাথ (২০০০) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, গুৱাহাটী ঃ অৰুনোদয় প্রেছ।

৭) শর্মা দলৈ, ড° হৰিনাথ (২০০৫) ঃ *অসমীয়া সাহিত্যৰ পূর্ণ ইতিহাস*, নলবাৰী ঃ পদ্মাপ্রিয়া লাইব্রেৰী।

২.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ *অৰুণোদই* আলোচনী তথা সম্বাদপত্র ১৮৪৬ খ্রীঃত প্রকাশ হৈছিল। মূলতঃ খ্রীষ্টধর্ম প্রচাৰৰ লগতে অসমীয়া ভাষাৰ উদ্ধাৰৰ প্রচেষ্টা, পুৰণি পুথি প্রকাশ আদিৰ বিষয়ে লিখিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ *অৰুণোদই* কাকতে অসমীয়া ভাষা সাহিত্যলৈ এক নতুনত্বৰ জোৱাৰ আনে। অৰুণোদই হ'ল প্রথম অসমীয়া আলোচনী তথা সম্বাদপত্র। এই কাকতখনৰ যোগেদি অসমীয়া ভাষা পুনৰুদ্ধাৰ, নতুন বাক্যবিন্যাস প্রণালীৰ উদ্ভাৱন, আন বহুতো অৱদানৰ বিষয়ে লিখিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ *অৰুণোদই* কাকতক কেন্দ্র কৰি ১৮২৬ খ্রীঃৰ পৰা ১৮৮৯ খ্রীঃৰ ভিতৰত ৰচিত সাহিত্যখিনি হ'ল 'অৰুণোদই যুগৰ সাহিত্য'। কিন্তু এই সাহিত্যখিনিত তিনিটা সৰু সৰু ভাগত বিভাজন কৰি আলোচনা কৰিলে সুবিধা হ'ব। তেতিয়া প্রতিটো স্তৰৰ বৈশিষ্ট্যসমূহো ওলাই পৰিব।

৪নং প্রশ্নৰ উত্তৰ ঃ মিছনেৰীসমূহে অসমলৈ খ্রীষ্টধর্ম প্রচাৰৰ উদ্দেশ্য লৈ অহা বাবেই অসমীয়া ভাষাই পুনঃপ্রতিষ্ঠা লাভ কৰিলে। নহ'লে কিজানি অসমীয়া ভাষা কালৰ বুকুত হেৰাই গ'লহেঁতেন।অসমীয়া ভাষা উদ্ধাৰ আৰু প্রতিষ্ঠাৰ লগতে অসমীয়াসাহিত্য ৰচনা আৰু প্রকাশত মিছনেৰীসকলে খ্রীষ্টিয়ানসকলে আগবঢ়োৱা অৱদানৰ বিষয়ে লিখিব লাগিব।

৫নং প্রশ্নৰ উত্তৰ ঃ আনন্দৰাম ঢেকিয়াল ফুকনে কি ৰচনা কৰিছিল সেই বিষয়ে উল্লেখ কৰি সেই সাহিত্যৰ বিষয়বস্তু ...অসমীয়া ভাষা পুনৰুদ্ধাৰৰ বাবে তেওঁ কি কি সাহিত্য সৃষ্টি কৰিছিল আলোচনা কৰিব লাগিব।

৬নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষালৈ *অৰুণোদই*ৰ অৱদান অতুলনীয়। *অৰুণোদই*ৰ অনুপ্রেৰণাতে বহুকেইখন আলোচনী-সংবাদ-পত্রৰ জন্ম হয়। অৰুণোদই স্তৰৰ শেষ অংশত সাহিত্য সৃষ্টিত মনোনিৱেশ কৰা হেমচন্দ্র বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ যথেষ্ট অৱদান আছে। বিশেষকৈ এই স্তৰত নতুন নতুন সাহিত্য সৃষ্টিৰে অসমীয়া সাহিত্যৰ ৰৱভেটি গঢ়িছিল। গতিকে তেওঁলোকৰ অৱদানৰ বিষয়ে লিখিব লাগিব।



২.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীত *অৰুণোদই*ৰ স্থান সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ *অৰুণোদই*কাকতত মিছনেৰীসকলে ব্যৱহাৰ কৰা নতুন বাক্যবিন্যাস তথা গদ্যৰীতিৰ নিদৰ্শন সম্পৰ্কে লিখক।

প্ৰশ্ন নং ৩ ঃ *অৰুণোদই* কাকতলৈ অৰিহণা যোগোৱা অনা-অসমীয়া (খ্ৰীষ্টিয়ান) লেখকসকলৰ অৱদানসমূহৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন নং ৪ ঃ প্ৰাক্-অৰুণোদই স্তৰত কি সাহিত্য ৰচিত হৈছিল? সেই সাহিত্যসমূহৰ বিষয়ে এটি আভাস দিয়ক।

প্ৰশ্ন নং ৫ ঃ চমুটোকা লিখক ঃ

ক) ড° নাথান ব্ৰাউন খ) মাইলছ ব্ৰন্সন গ) গুণাভিৰাম বৰুৱা

ঘ) কাশীনাথ তামুলী ফুকন ঙ) বিশ্বেশ্বৰ বৈদ্যাধিপ চ) ৰামনৱমী নাটক।

*** ***** ***

অধ্যায় ৩ ঃ অৰুণোদই যুগৰ অসমীয়া সাহিত্য-৩

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ অৰুণোদই যুগৰ অসমীয়া সাহিত্য

৩.৩.১ *আসাম বিলাসিনী*

৩.৩.২ *আসাম বিলাসিনী*ৰ বৈশিষ্ট্যসমূহ

৩.৩.৩ *আসাম নিউজ*

৩.৩.৪ *আসাম নিউজ*ৰ বৈশিষ্ট্যসমূহ

৩.৩.৫ *মৌ*

৩.৩.৬ *মৌ*ৰ বৈশিষ্ট্যসমূহ

৩.৩.৭ *আসাম বন্ধু*

৩.৩.৮ *আসাম বন্ধু*ৰ বৈশিষ্ট্যসমূহ

৩.৩.৯ অন্যান্য কাকতসমূহ

৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৫ অধিক জানিবলৈ

৩.৬ অগ্রগতিৰ খতিয়ান (কেৰল ৰূপৰেখা)

৩.৭ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সংবাদ-পত্রৰ জন্মৰ প্রাৰম্ভিক ধাৰণা লাভ কৰিব
- অসমীয়া সংবাদ-পত্রসমূহৰ ক্রম অনুসৰি নাম জানিব পাৰিব
- আনহাতে, কেইখনমান গুৰুত্বপূর্ণ অসমীয়া সংবাদ-পত্রৰ বিষয়ে বৈশিষ্ট্যৰে সৈতে আলোচনা কৰিব পাৰিব
- *জোনাকী* কাকতৰ জন্মৰ আগৰ সময়ছোৱাত প্রকাশ হোৱা গুৰুত্বপূর্ণ কাকতৰ ভিতৰ চ'ৰাৰ একোটি আভাস লাভ কৰিব
- অন্যান সংবাদ-পত্রৰ বিষয়ে চমুকৈ জানিব পাৰিব।

৩.২ পৰিচয়

ইয়াৰ পূর্বৱর্তী অধ্যায়টিত আপুনি অৰুণোদই যুগৰ অসমীয়া সাহিত্য আৰু সাহিত্যিক-সকলৰ সম্পর্কত অধ্যয়ন কৰিলে। এইটো অধ্যায়ত অৰুণোদই কাকত জন্মৰ পাছৰ আৰু *জোনাকী*

কাকত জন্ম হোৱাৰ আগৰ অসমত প্ৰচলিত সংবাদ-পত্ৰসমূহৰ ভিতৰত কেইখনমানৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব।

কাষৰীয়া বঙ্গ দেশত বাংলা ভাষাত *দিকদৰ্শন* আৰু *সমাচাৰ দৰ্পণ*, ওড়িশাত *ওড়িয়া সংবাদ-পত্ৰ*, *অৰুণোদই* কাকত ছপা হোৱাৰ পাছত অসমতো ছপাশাল প্ৰতিষ্ঠাআৰু সংবাদ-পত্ৰৰ প্ৰচলনৰ বাটকটীয়া আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলৰ প্ৰচেষ্টাতেই ১৮৪৬ চনত *অৰুণোদই*য়ে ধলফাট দিছিল। ভাৰতবৰ্ষলৈ ছপাশালৰ সকলো আহিলা-পাতি ১৫৫০ চনতেই আমদানি হৈছিল যদিও ১৫৫৭ চনলৈ ইয়াত ছপাকাৰ্য আৰম্ভ হোৱা নাছিল। ১৭৭৮ চনত জেমছ অগষ্টাছ হিকীয়ে কলিকতাত প্ৰথম ছপাশাল প্ৰতিষ্ঠা কৰি তাৰ পৰাই ভাৰতৰ সৰ্বপ্ৰথম বাতৰিকাকত প্ৰকাশ কৰে ১৭৮০ চনৰ জানুৱাৰী মাহত। মাত্ৰ দুই পৃষ্ঠাৰ (বাৰ ইঞ্চি দীঘল আৰু আঠ ইঞ্চি বহল) বাতৰি-কাকতখনত পৃষ্ঠাই প্ৰতি তিনিটি কলম আছিল। একোটি পৃষ্ঠাত তিনিটি কলমেৰে সৈতে মাত্ৰ দুটি পৃষ্ঠাৰ *Bengal Gazette of The Calcutta General Advertiser* নামৰ বাতৰিকাকতখন ভাৰতীয় ভাষাৰ ১৮১৮ চনত ছপা হোৱা প্ৰথমখন বাতৰিকাকত। ইয়াৰ পাছত শ্ৰীৰামপুৰৰ পৰা *সমাচাৰ দৰ্পণ* নামৰ প্ৰকাশিত কাকতখনৰ সম্পাদক আছিল এছ. চি. মাৰ্চমেন নামৰ এজন মিছনেৰী। ১৮২৬ চনৰ পৰা ১৮৩৮ চনলৈ ১০ খনৰ ওচৰা-উচৰি বাংলা ভাষাৰ কাকত প্ৰকাশিত হৈছিল। সেয়েহে ১৮৪৬ চনত *অৰুণোদই* বাৰ্তালোচনীৰ আবিৰ্ভাৱ সেই কাকতবোৰৰে সহজাত সংযোজন বুলি ক'বলৈ বিচৰা হৈছে। ভাৰতৰ স্বাধীনতা লাভৰ আগলৈকে প্ৰকাশিত বাতৰিকাকতবোৰৰ সুৰ আছিল বৃটিছ শাসনৰ বিৰুদ্ধে দেশবাসীক জাগ্ৰত কৰি স্বাধীনতাৰ বাণী বিয়পাই দিয়া।

অসমত একোখন বাতৰিকাকত আৰু আলোচনীৰ নামেৰে সাহিত্যৰ এটা যুগৰ নিৰ্মাণ হয়। পৃথিৱীৰ সাহিত্যত দুৰ্লভ এই কথাটিয়ে অসমৰ জাতীয় জীৱনত বাতৰিকাকত আৰু আলোচনীৰ কি সৰ্বব্যাপী প্ৰভাৱ তাক নিৰ্ণীত কৰিছে। *জোনাকী*ৰ সময়লৈ তেৰখন অসমীয়া ভাষাৰ পত্ৰ-পত্ৰিকা প্ৰকাশিত হৈছিল।

১৮৪৬-১৮৮২	*অৰুণোদই*
১৮৭১-১৮৮৩	*আসাম বিলাসিনী* (মাজুলি)
১৮৭২-৭৩	*আসাম মিহিৰ*
১৮৭৪-৭৫	*আসাম দৰ্পণ*
১৮৭৬	*চন্দ্ৰোদয়*
১৮৭৬	*আসাম দীপক*
১৮৭৬-৭৮	*গোৱালপাৰা হিতসাধিনী*
১৮৮২-৮৫	*আসাম নিউজ*
১৮৮৫-৮৬	*আসাম বন্ধু*
১৮৮৬-৮৭	*মৌ*
আৰু	
১৮৭৬-৭৭	*আসাম দীপক*

১৮৮৮ *আসাম তৰা*

১৮৮৮ *ল'ৰাবন্ধু* (শিশু আলোচনী)

ইয়াৰ ভিতৰত *আসাম বিলাসিনী*, *আসাম নিউজ*, *আসাম বন্ধু* আৰু *মৌ* এইকেইখনেই প্ৰধান বুলি ক'ব পৰা যায়। উপৰোক্ত কাকতসমূহৰ ভিতৰত *আসাম মিহিৰ*ইংৰাজী-বঙলা আৰু *আসাম নিউজ* ইংৰাজী-অসমীয়া ভাষাৰ অৰ্থাৎ দ্বিভাষিক আছিল।

৩.৩ অৰুণোদই যুগৰ অসমীয়া সাহিত্য

৩.৩.১ *আসাম বিলাসিনী*

অসমীয়া ভাষাৰ দ্বিতীয়খন সংবাদ-পত্ৰ হ'ল *আসাম বিলাসিনী*। আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীৰ পৃষ্ঠপোষকতাত *অৰুণোদই*-এ চিকুণাই যোৱা বাটেৰে এইখন সংবাদ-পত্ৰই খোজ দিয়ে। সৰ্বসাধাৰণ ৰাইজৰ খ্ৰীষ্টধৰ্মৰ প্ৰতি ক্ৰমাৎ বাঢ়ি অহা আকৰ্ষণত শঙ্কিত হৈ মিছনেৰীৰা খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ বিৰুদ্ধে ছপাশাল আৰু সংবাদ-পত্ৰক হিন্দু ধৰ্ম প্ৰচাৰৰ মাধ্যম হিচাপে গ্ৰহণৰ সঙ্কল্প লৈ *আসাম বিলাসিনী*ৰ জন্ম। বৈষ্ণৱ ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত কাকতখনে *অৰুণোদই*ৰ প্ৰতিদ্বন্দ্বী হিচাপেই আত্মপ্ৰকাশ কৰাৰ লগতে প্ৰতিষ্ঠা আৰু বিস্তাৰ লাভ কৰে।

ঊনবিংশ শতিকাত মাজুলীৰ নিচিনা ঠাইৰ পৰা 'ধৰ্মপ্ৰকাশ যন্ত্ৰ'ত মুদ্ৰিত *আসাম বিলাসিনী* পত্ৰিকাৰ প্ৰকাশ তাৎপৰ্যপূৰ্ণ। দৰাচলতে খ্ৰীষ্টধৰ্মৰ প্ৰতি *অৰুণোদই*ৰ প্ৰচাৰ-প্ৰসাৰৰ প্ৰতিক্ৰিয়া স্বৰূপেই *আসাম বিলাসিনী*ৰ জন্ম। ইয়াক অসমৰ সংবাদ-পত্ৰৰ ইতিহাসত এক যুগান্তকাৰী প্ৰযত্ন, এক অঘোষিত বিপ্লৱ বুলি কোৱা হৈছে। ১৮৮৩ চনৰ *প্ৰকাশ* আলোচনীৰ *অৰুণোদই* সংখ্যাটিত "অৰুণোদই যুগত শিৱসাগৰ জিলাৰ সাংস্কৃতিক অৱস্থা" বিষয়ক প্ৰবন্ধত যতীন্দ্ৰনাথ গোস্বামীয়ে লিখিছে— "*অৰুণোদই* কাকতৰ জৰিয়তে খ্ৰীষ্টান ধৰ্মৰ বাণী প্ৰচাৰ হোৱাত তাৰ প্ৰতিক্ৰিয়া স্বৰূপে আউনীআটী সত্ৰৰ পৰা ওলোৱা *আসাম বিলাসিনী* (১৮৭১-৮৩) কাকতে সনাতন হিন্দু ধৰ্মৰ তত্ত্বকথা আলোচনা কৰে।"

আউনীআটী সত্ৰৰ বুৰঞ্জীত তীৰ্থনাথ শৰ্মাই লিখিছে— "...বিদেশীয়ে প্ৰকাশ কৰা *অৰুণোদই*ৰ পাছতে আসমীয়া (অসমীয়া) লোকে উলিওৱা প্ৰথম সংবাদ-পত্ৰ হ'ল প্ৰভু দত্তদেৱৰ মোহনীয় কীৰ্তি *আসাম বিলাসিনী*।"

আসাম বিলাসিনী পত্ৰিকা সম্পাদনা আৰু প্ৰচাৰ কৰা সত্ৰাধিকাৰৰ কাৰ্যত সহায়ক ৰূপে আছিল শ্ৰীধৰ বৰুৱা। আঠ পিঠিৰ পত্ৰিকাখনৰ প্ৰতিটো পিঠিত স্তম্ভ তিনিটাৰে সৈতে কাগজৰ (ডিমাই) আকাৰ আছিল ১১″×৮″। ...প্ৰথম সাময়িক পত্ৰৰ দায়িত্ব আৰু কৰণীয় বহুত। নতুনকৈ আৰম্ভ হোৱা পৰিৱৰ্তিত যুগ এটাৰ ভাব, অভাৱ, অভিযোগ মূৰ্ত হোৱাকৈ ভাষাক পোনাই-পজৰাই ল'ব লগা হৈছে। আৰম্ভ যুগৰ এই

দায়িত্ব আসাম বিলাসিনীয়ে... প্রশংসার্হ ৰূপে সম্পাদন কৰিছিল।"

শেষৰ পিঠিৰ তলৰ পিনে এনেদৰে লিখা আছিল— "এই *আসাম বিলাসিনী* পত্রিকা আসাম যোড়হাটৰঅন্তর্গত মোং মাজালীৰ আউনীআটী সত্রত ধর্ম প্রকাশ যন্ত্রে প্রতি মাসে মুদ্রিত হয়, বার্ষিক অগ্রিম মূল্য ১।। টকা।" ইয়াত 'মাজুলী' শব্দটি 'মাজালী' ৰূপতহে দেখিবলৈ পোৱা যায়। *আসাম বিলাসিনী* পত্রিকাখনিৰ কেৱল এটি (পঞ্চম বছৰৰ ১২ শ) সংখ্যাটিহে পোৱা গৈছে। ইয়াৰ চানেকি উল্লেখ কৰিব পাৰি—

সংখ্যাটিৰ প্রথম আৰু দ্বিতীয় স্তম্ভত দুটি বিজ্ঞাপন আছে।

ক) "সাধাৰণৰ জ্ঞাতার্থে এই বিজ্ঞাপন দিয়া গ'ল, যে চন্দ্রোদয় পত্রিকাৰ ১ম, ও ২য় সংখ্যা ডাকত পঠিওয়াত যি অতিৰিক্ত মাচুল গ্রাহকসকলে ভৰিছে, সেইবাবে চন্দ্রোদয়ৰ মূল্যৰ পৰা ভৰণি বাবে কাটি ৰাখিব। শ্রীক্ষীৰেশ্বৰ বড়ুয়া। সম্পাদক।" (মন কৰক যে, ১৮৭৬ চনত নগাঁৱৰ দিহিঙ্গীয়া গোসাঁয়ে *চন্দ্রোদয়*নামৰ ধর্মমূলক মাহেকীয়া কাকত উলিয়ায়। পিছে অলপ দিনৰ পাছত কাকতখন বন্ধ হৈ যায়।)

খ) "আমাৰ নিজা ছধনা দঁতাল হাতী এটা ১৭৯৭ শকৰ ২৩ চৈত্র ৰাতি পুৱণা ৰঙ্গঘৰৰ সমুখৰ হাবিৰ পৰা বেতৰ বাণ্ডা মেলি চুৰ কৰি নিছে। সেই হাতীৰ নিসান ওখই ৫ হাতৰ ঊর্দ্ধ, দাঁত প্রায় এহাতমান হ'ব, দাঁতত পোকে বিন্ধাৰ চিন আছে, দুই কাণ ওলমি থকা, শিকোৱাৰ সময়ত ২ কি. ৩ আঙুল কাণৰ লতি চিগাৰ চিন আছে। দাঁত বাঁও জয়া, ধামখুম বড় নহয়, ১৮ নখ, মুখৰ ফালে বর্ষা কালত বড়কৈ ফুটুকা পড়ে, শতি কালত কম থাকে। কড়িয়া ঠেঙ্গিয়া, চাল দেখিবলৈ মধ্যম, নৰম নহয় দেখিবলৈ উত্তম। শ্রীকৃষ্ণৰাম ভুঁয়া। জিলা শিৱসাগৰ। মৌজা কাকতি গাওঁ।"

পত্রখনিৰ শীর্ষ নামটি চকুত লগা । ইয়াৰ ভিতৰত দুটি সংস্কৃত শ্লোক আৰি দিয়া হৈছিল। তাৰ অর্থ এনেধৰণৰ—

(প্রথম ঃ "জগদ্দীশ্বৰ কৃপাৰ অনুসাৰে যি সদ্‌গুণৰ অলঙ্কাৰযুক্ত বার্তা বহন *আসাম বিলাসিনী*কাকতখনে জনগণৰ মনত শৰৎকালৰ চন্দ্রকিৰণৰ সদৃশ আনন্দ বিধান কৰক।)

(দ্বিতীয় ঃ "দেশৰ বা-বাতৰি প্রকাশ কৰা আখ্যানমূলক প্রবন্ধাদিৰে জনসাধাৰণৰ আনন্দ বর্ধন কৰা এই *আসাম বিলাসিনী* কাকতখনিয়ে জ্ঞানী-গুণীসকলক মনত সন্তোষিত কৰাৰ কাৰণে শ্রীদত্তদেৱ গোস্বামীয়ে নিজ হস্তে প্রচাৰ কৰে।)

শেষ পৃষ্ঠাত 'মূল্য প্রাপ্তি'ৰ তালিকা সন্নিৱিষ্ট আছে।

আনহাতে, শেষৰ পৃষ্ঠাত লিখা আছিল যে, "...এৰ অই *আসাম বিলাসিনী* পত্রিকা আসাম যোড়হাটৰ অন্তর্গত মোং মাজালীৰআউনীআটী সত্রত ধর্ম প্রকাশ যন্ত্রে প্রতি মাসে মুদ্রিত হয়। বার্ষিক অগ্রিন মূল্য ১।। (ডেৰ) টাকা।"

সংখ্যাটিৰ আৰম্ভ কৰা হৈছে পৃষ্ঠা ৮৯, ৯০ আৰু ৯১ত ছপা কৰা 'যুৱৰাজৰ ভ্রমণ'ৰ কথাৰে। ৩১ জানুৱাৰী তাৰিখে ৰাতিপুৱা আগ্রাৰ পৰা গোৱালিয়ৰ অভিমুখে গমন কৰা যুৱৰাজৰ ভ্রমণ বৃত্তান্ত ইয়াত সন্নিৱিষ্ট আছে। ভাৰতীয় সংবাদৰ পাছতেই

বিবিধ বিষয়ৰ দেশীয় সংবাদৰ শিতানটিৰ নাম দিছে 'সম্বাদাবলী'। ইয়াৰ প্ৰথমতেই 'বাঘে মানুহ খোৱা' বাতৰি ছপা কৰিছে। আন এক সংবাদ হ'ল 'আসামৰ মহামহিম চিফ কমিশ্যনৰ' পৃষ্ঠা ৯১ৰ পৰা ৯৩ লৈ পত্ৰকাৰ সেখ ফেৰাউদ্দিনৰ দীঘলীয়া টোকাটোৰ সামৰণিত অন্তৰেৰে ধন্যবাদ দি সুস্বাস্থ্যৰ অধিকাৰী হৈ নিৰীহ প্ৰজাক সুখত ৰাখিব বুলি আশা কৰিছে। সুস্পষ্ট আৰু প্ৰাঞ্জল গদ্যৰসমাহাৰেৰে এই গদ্যটিৰ ছপাৰ আঁৰত *অৰুণোদই* কাকতৰ প্ৰভাৱৰ কথা নুই কৰিব নোৱাৰি। সম্পাদকলৈ লিখা চিঠিৰ শিতান এটা হ'ল— ঘোঁৰাৰ ছবিখনৰ ভিতৰত 'প্ৰেৰিত-পত্ৰ'। ৫ম বছৰ দ্বাদশ সংখ্যাত তিনিখন বিভিন্ন প্ৰসঙ্গৰ চিঠি ছপা হৈছিল। প্ৰথমখন চিঠিত— গুৱাহাটীৰ চিদানন্দ প্ৰেছৰ পৰা প্ৰকাশিত মাহেকীয়া কাকত *চন্দ্ৰোদয়*ৰ শ্লোক এটাৰ প্ৰসঙ্গ উত্থাপন কৰি গৌৰীনাথ অধ্যাপকক মুকলিভাৱে আক্ৰমণ কৰিছে। ৯৪ৰ পৰা ৯৫ পৃষ্ঠালৈ ছপা হোৱা সুদীৰ্ঘ দ্বিতীয়খন পত্ৰত 'দেশহিতৈষী এজন সত্য বক্তা'ই অসম দেশৰ ভিতৰত প্ৰচলন হ'ল 'চোৱালী বেচাৰ নিয়ম'ৰ সমালোচনা কৰিছে। সমাজ সংস্কাৰৰ মনোভাবেৰে লিখা চিঠিৰ লেখকজন হেমচন্দ্ৰ বৰুৱা হোৱাৰ সম্ভাৱনাই বেছি। তৃতীয়খন চিঠি আকৌ শ্ৰীছ, চ পত্ৰকাৰৰ। তেওঁ পৃথিৱীৰ গতি, ভাগৱত ৰচনা আদি বিভিন্ন বিষয়ৰ ওপৰত আলোকপাত কৰা মিলাৰাম শৰ্মাৰ প্ৰবন্ধ এটাৰ কিছু কথাত অমত প্ৰকাশ কৰিছে। ধৰ্মীয় বিষয় প্ৰকাশৰ ওপৰত আৱদ্ধ এই কাকতখনে শাস্ত্ৰসম্পৰ্কীয় আলোচনাত আক্ৰোশমূলক স্থিতি লোৱা দেখা নাযায়। তদানীন্তন প্ৰসিদ্ধ লেখক পদ্মহাস গোস্বামীয়ে ৰচনা কৰা কবিতাটিত পৰিৱৰ্তিত যুগৰ কবিতাৰ আৰ্হি থকা বুলি কোৱা হৈছে, পৃষ্ঠা ৯৫ আৰু ৯৬ প্ৰকাশ কৰা দীঘলীয়া কবিতাটি স্বদেশপ্ৰেমমূলক। প্ৰাক্-জোনাকী যুগৰ কবি ভোলানাথ দাসে বঙ্গৰ কবি মাইকেল মধুসূদন দত্তৰ অমিত্ৰাক্ষৰ ছন্দৰ কাব্যৰ অনুকৰণতেই ৰচনা কৰা 'সীতা হৰণ কাব্য' আংশিকভাৱে এই আলোচনীত প্ৰকাশিত হয় আৰু ১৯০২ চনতহে পুথি আকাৰত ছপা হয়। ইয়াত ব্যৱহাৰ কৰা ছন্দৰ প্ৰতি চোকা বাক্যবাণেৰে ভোলানাথক আক্ৰমণ কৰা হৈছিল। যি নহওক আসাম বিলাসিনীতেই সমালোচনাৰ ধাৰাটিৰ আৰম্ভণি হৈছিল। *আসাম বিলাসিনী*ৰ যুগত অসমীয়া আখৰ জোঁটনিৰ বাবে কিছু আহুকাল নোহোৱা নহয়। সেই সময়ৰ ইংৰাজী বা অসমীয়া অভিধান নিৰ্ভৰযোগ্য নাছিল। গতিকে শঙ্কৰী পৰিৱেশতেই অসমীয়া ভাষাই আগবাঢ়ি সামান্য সকাহ পাইছিল। সম্বাদাৱলীৰ দ্বিতীয় বাতৰিৰ উদাহৰণ— "...অতি অসন্তোষেৰে প্ৰকাশ কৰা হৈছে, শিবসাগৰ জিলাৰ অধীন সমুদায় মৌজাতে মহামাৰী উপস্থিত হৈ নাজিৰাৰে পৰা গোলাঘাট মহকুমালৈকে ভয়ঙ্কৰ মূৰ্তি ধৰি অনেক লোকক যমলোকলৈ বিদায় দিছে..."

ফেব্ৰুৱাৰী মাহ, ১৮৭৭ চনৰ আসাম বিলাসিনীৰ ১ম সংখ্যাৰ 'কিতাপ আৰু পাঠক' শীৰ্ষক প্ৰথম প্ৰবন্ধটিত বিলাসিনী ছপাশালত মুদ্ৰিত কিতাপ কিনাৰ বিষয়ে দোহৰা হৈছে। আনহাতে দ্বিতীয় প্ৰবন্ধ 'গোলাঘাটৰ বিষয়ে'ত ভাল-বেয়া বিচাৰ নকৰাকৈ গোলঘাটৰ সকলো কেৰাণীক আঁতৰ কৰা সম্পৰ্কত লিখা হৈছে। সম্পাদকে প্ৰাচীন

আখ্যানৰ যুক্তি দি 'বিধৱা বিবাহ' সমর্থনকাৰীৰ ব্যাখ্যা খণ্ডন কৰিছে। আন কিছুমান বাতৰি হ'ল— শিবসাগৰৰ বিয়াত বন্দুক দুর্ঘটনা, আৰৰ পাহাৰ জৰীপ দলৰ প্রত্যাৱর্তন, ডিব্রুগড়লৈকে টেলিগ্রাফ সম্প্রসাৰণ— ইংৰাজৰ আশ্চর্য কৌশল, গুৱাহাটীত জাহাজ ডুব যোৱা আৰু প্রাণহানি, নগাঁৱত এটা সংস্কৃত বিদ্যালয়ৰ কৃতকার্যতা, ঢাকাত বিধৱা বিবাহৰ বাতৰি, এজন দেশীয় খ্রীষ্টানক ব্রাহ্ম ধর্মত দীক্ষিতকৰণ আদি।



জানি থোৱা ভাল

১৯২৪ চনৰ ৭ আগষ্টৰ সংখ্যাটিত '*আসাম বিলাসিনী* ২য়' কাকতখন ছপা হোৱা প্রেছটো 'আসাম প্রেছ' বুলি উল্লেখ আছে।

মাজুলীৰ নিচিনা ঠাইৰ পৰা সাংবাদিকতাৰ কোনো জ্ঞান নথকাকৈ ছপাযন্ত্র কিনি সনাতন ধর্মৰ বাণী প্রচাৰ কৰিবলৈ এখন মাহেকীয়া কাকত প্রকাশ কৰা সহজ কথা নহয়।অসমীয়া ভাষাৰ পুতৌ লগা অৱস্থাত *আসাম বিলাসিনী*য়ে অতীত গৌৰৱ সোঁৱৰণ কৰাই নৱ যুগৰ পাতনি মেলিলে।পাশ্চাত্যৰ আধুনিক শিক্ষাৰ মেৰপেচৰ পৰা আঁতৰত থাকি আধুনিক শিক্ষা-সভ্যতাৰ মহৎ অনুষ্ঠান এটি প্রতিষ্ঠা কৰি এইখন আলোচনীয়ে তৎকালীন সমাজত দুঃসাহসিকতা আৰু প্রগতিশীলতাৰ পৰিচয় দি কৃতিত্ব লভিছে। এই কাকতৰ প্রেৰণাতেই *আসাম দীপক* আৰু *আসাম তৰা* নামৰ দুখন ধর্মালোচনী আৰু *চন্দ্রোদয়* পৰৱর্তী সময়ত ছপা হৈ ওলায়। বিলাসিনী বন্ধ হোৱাৰ কাৰণ হিচাপে তিনিটি কথা লক্ষ্য কৰিব পাৰি— ব্রহ্মপুত্রৰ খহনীয়াৰ বাবে সত্রৰ ঠাই সলনি কৰিবলগীয়া হোৱাত ১৮৮৩ চনত *আসাম বিলাসিনী* কাকতৰ প্রকাশ বন্ধ হৈ যায়।

আনহাতে, সেই সময়ছোৱাত জাতীয়তাবাদী ভাৱধাৰাৰ আৱির্ভাবে ধর্মালোচনীৰ চাহিদা কমাই অনাটোও বিলাসিনীৰ প্রলয়ৰ আন এক কাৰক বুলিব পাৰি।

আকৌ তেতিয়াৰ জিলাধিপতি এ. চি. কেম্পবেলে কাকতখনে ৰাজনীতি চর্চা কৰা বুলি ভাবুকি দি কাকতখনৰ প্রকাশ বন্ধ কৰাইছিল।

***যোৰহাটৰ আসাম বিলাসিনী*ঃ** আউনিআটী সত্রৰ পৰা প্রকাশিত আন দুখন কাকতো বন্ধ হৈ যোৱাৰ পাছত ধর্ম প্রকাশ যন্ত্রটি তাতে পৰি থাকিল। পাছলৈ যোৰহাটৰ পেস্কাৰ কৃষ্ণকান্ত ভট্টাচার্য্যই তাৰপৰা ধর্ম প্রকাশ যন্ত্রটি আনি আউনিআটী সত্রৰ *আসাম বিলাসিনী*ৰ স্মৃতি আৰু প্রেৰণাৰে ১৯১৩ চনত যোৰহাটৰ পৰা *আসাম বিলাসিনী* সাদিনীয়া বাতৰিকাকতৰ ৰূপত পুনৰ আত্মপ্রকাশ কৰায়। পূর্বৰ দৰেই শীর্ষনাম ৰাখি কেৱল 'সাদিনীয়া বাতৰিকাকত', SECOND SERIES এনেদৰে লিখি ভাতৃ ঘনকান্ত ভট্টাচার্য্যৰ সম্পাদনাত সাদিনীয়া কাকত এখনতকৈ অলপ ডাঙৰ আকাৰৰ ৰাজনৈতিক আৰু জাতীয়তাবাদী সুৰ থকা পৰাক্রমী বাতৰিকাকতখন প্রকাশ কৰিলে। কাকতখনৰ

মূল্য আছিল এক অনা আৰু বছৰেকীয়া বৰঙণি আঢ়ৈ টকা। কাকতখনৰ মূল বক্তব্য প্ৰকৃততে চৰকাৰ বিৰোধী আছিল আৰু মূল উদ্দেশ্য আছিল ব্যৱসায়িক দৃষ্টিভঙ্গী বিহীন কাকতখনৰ দেশপ্ৰেম, ভাষাপ্ৰেম, স্বাধীনতাৰ প্ৰতি আগ্ৰহ, ইংৰাজক সমালোচনা আৰু কংগ্ৰেছক সমৰ্থনৰ অপৰাধত দুবছৰ কাকতখন বন্ধ ৰাখিবলগীয়া হয়। পুনৰ ১৯২০ চনত প্ৰকাশ আৰম্ভ কৰা হয়।

১৯২৩ চনৰ জুলাই মাহত প্ৰকাশিত কৃষ্ণকান্ত ভট্টাচাৰ্য্যই 'আত্মকথা' শীৰ্ষক সম্পাদকীয়ত লিখিছিল "...১৯২১ চনৰ এপ্ৰিল মাহত বিলাসিনী হঠাৎ এদিন অন্তৰ্ধান হ'ল। ... বিলাসিনী হঠাৎ অন্তৰ্ধান হৈ ৰাইজক হতবাক কৰিছিল; কিন্তু কাকতখন ৰাইজৰ বৰ আদৰৰ আছিল আৰু কৰ্তৃপক্ষৰ অপ্ৰিয়ভাজন। অপ্ৰিয়ভাজনতাৰ প্ৰকোপ আৰু প্ৰেছ আইনৰ প্ৰয়োগত বিলাসিনী নিহত হয়। বিলাসিনীয়ে সদায় ৰাইজ বা কৰ্তৃপক্ষৰ অহিতকৰ কথা অকুণ্ঠিতভাৱে প্ৰকাশ কৰিছিল। ৰাইজৰ আবেদন কৰ্তৃপক্ষৰ কৰ্ণগোচৰৰ সহায়ক হ'ব পৰাকে স্পষ্টভাৱে প্ৰকাশ কৰিছিল। কৰ্তৃপক্ষৰ কাৰ্য ৰাইজে সমালোচনা কৰি লিখা মন্তব্য বিলাসিনীয়ে সমৰ্থন কৰিছিল। অৱশ্যে কৰ্তৃপক্ষৰ প্ৰজাহিতকৰ কাৰ্যৰ শলাগ বিলাসিনীয়ে নোলোৱাকৈ নাথাকিছিল।

কাকতখনৰ সম্পাদকীয়বোৰ অতিশয় সময়োপযোগী আৰু তাৎপৰ্যপূৰ্ণ আছিল। সম্পাদকীয় স্তম্ভটিৰ ওপৰত 'শ্ৰীকৃষ্ণায় নমঃ' বাক্যাংশ আৰি দিয়া হৈছিল। নৱম বছৰৰ ১৫শ সংখ্যাত 'লোকেল ব'ৰ্ড আৰু মিউনিচিপালিটি' ৰচনাটিত স্বৰাজ পাবৰ উপযুক্ত হোৱাৰ যুক্তি আগবঢ়াইছে। দুয়োটি বিভাগ ৰাইজক চলাবলৈ ইংৰাজ চৰকাৰে ভাৰ দিয়াৰ উল্লেখ আছে। তেনে ক্ষেত্ৰত দায়িত্বশীল ব্যক্তিসকলৰো নিজৰ কৰ্তব্যবোধৰ জ্ঞান থাকিব লাগিব। কামৰ উপযুক্ত নহয় তেনে লোকে এই কামৰ দায়িত্ব নোলোৱাই ভাল। এই প্ৰসঙ্গত ১৯৫২ চনত প্ৰকাশিত *নতুন অসমীয়া* কাকতত বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যই লিখিছে— "*আসাম বিলাসিনী* দেখিবলৈ আপচু; আজিকালি পঢ়ুৱৈয়ে তেনে কাগ এলাগী বুলি দলিয়াই পেলাব।" ডবল কলম এটিও নাই, বিদেশী বা অসমৰ বাহিৰৰ বাতৰিবোৰে সম্ভৰ কলিকতীয়া দৈনিকবোৰৰ পৰা অনুবাদ কৰা। ...একমাত্ৰ স্থায়ী বস্তু আছিল সম্পাদকীয়টো।" পিছে খেলা-ধূলা বা থিয়েটাৰ আদিৰ খবৰ পোৱা নগৈছিল। কিন্তু কৃষ্ণকান্ত সন্দিকৈয়ে এক নম্বৰৰ বাবে বি.এ. প্ৰথম শ্ৰেণী হেৰুওৱা, গোপীনাথ বৰদলৈৰ নিচিনা ডেকাই কিংছ কমিচনলৈ যাব বিচৰা, নীলমণি ফুকনে অসম কাউন্সিলত স্বায়ত্ত শাসনৰ বিৰোধিতা কৰা, গৰ্ডন চাহাবৰ অসমীয়া আৰু সত্যনাথ বৰা-গঙ্গাগোবিন্দ ফুকনৰ ইংৰাজীত বক্তৃতা, 'অসমত অসম বায়স্কোপ'ৰ বিজ্ঞাপন, চৰকাৰী বিভাগবোৰত অসমীয়া মানুহক চাকৰি দিয়াৰ দাবী আদি খবৰবোৰেই স্থান অধিকাৰ কৰি আছিল। এইবোৰ আমাৰ মহাৰণৰ আগৰ অসমীয়া শিক্ষিত, মধ্যবিত্ত শ্ৰেণীৰ আত্মপ্ৰতিষ্ঠাৰ একোটি প্ৰচেষ্টা। ১৯২০ চনত 'নন ক'পাৰেচনৰ প্ৰচাৰ' নামেৰে এটি বিশেষ সংখ্যা উলিয়ায়। ইয়াত ছদ্মনামেৰে লিখা প্ৰকাশ হৈছিল। ১৯২৩ চনত

স্বৰাজ দলৰ ৰাজনীতিৰ বাবেই হয়তো বিলাসিনীয়ে 'গৱর্ণৰ ৰিডৰ ভাষণ' শোষণ তত্ত্ব মাটিৰ পুনৰ বন্দবস্তীটো ব্যৱসায়ৰ কথা থকা বাবে সম্পাদকীয়ৰ যোগেদি প্রচাৰ কৰিছিল। শেষৰ ফালে বিলাসিনীৰ সম্পাদকীয়ৰ ভাষা চোকা হৈছিল। জনসাধাৰণৰ মাজত জনপ্রিয় হ'লেও ইংৰাজ বিৰোধী ধাৰাবাহিক প্রবন্ধ প্রকাশ হোৱাৰ পাছত সম্পাদক কৃষ্ণকান্ত ভট্টাচার্য্যৰ বিপত্তিৰ সীমা নোহোৱা হ'ল। তেওঁৰ পেন্সন চৰকাৰে বন্ধ কৰি দিয়াত প্রেছৰ কর্মচাৰীক দৰমহা দিব নোৱাৰা হ'ল। নিজে আখৰ বাচি কাকত ছপা কৰিবলগীয়া দিন উপস্থিত হ'লগৈ। শেষত কাকতখন ডাকত পঠিয়াবলৈ ৫ টকাটিৰো অভাৱ হ'ল। গতিকে ধর্মপ্রকাশ ছপাশাল বিক্রী কৰিব লগা হ'ল আৰু তাৰ লগে লগে ১৯২৪ চনত বিলাসিনীৰ প্রকাশ চিৰদিনলৈ বন্ধ হৈ গ'ল। অৱশ্যে কাকতখনত প্রকাশিত 'আবকাৰী দোকান', 'ৰাইজৰ ৰোহ', 'সহযোগিতা বর্জন', স্কুল-কলেজ কিয় এৰিব লাগে, ৰিফর্ম গৱর্ণমেণ্ট আদি শীর্ষক সম্পাদকীয় প্রবন্ধৰ বাবে কাকতখনে জৰিমনা ভৰিব লগা হৈছিল— যিটো কাকতখনৰ মৃত্যুৰ কাৰণ। বিলাসিনীৰ মৃত্যু নিঃসন্দেহে অসমৰ সংবাদ-পত্রৰ ইতিহাসৰ এক মর্মান্তিক ঘটনা। কিন্তু জটিল সন্ধিক্ষণত অসমৰ জনসাধাৰণক *আসাম বিলাসিনী*য়ে যি সাহস আৰু নেতৃত্ব দিলে সেয়া পাহৰিব পৰা বিধৰ নহয়।এনে নির্ভীক আৰু প্রতিবাদী সংবাদ-পত্র সতকাই পোৱা নাযায়।এই উদ্যমেৰে ধাৰাবাহিকভাৱে বিলাসিনী ছপা হৈ থাকিলে অসম বুৰঞ্জীৰ এটি অংশ সুকীয়াকৈ পঢ়িব পৰা গ'লহেঁতেন। কৃষ্ণকান্ত ভট্টাচার্য্যৰ *আসাম বিলাসিনী* বিলোপ হোৱাৰ ৬০ বছৰ পাছত ১৯৮৭ চনত *নতুন অসম বিলাসিনী*নামৰ এখন সাদিনীয়া বাতৰিকাকতে ভূমুকি মাৰিছিল। প্রস্তাৱনা সংখ্যাত মুখ্য সম্পাদক নলিনীধৰ ভট্টাচার্য্যই এইখন কাকত কৃষ্ণকান্ত ভট্টাচার্য্যৰ নামতেই উৎসর্গা কৰা বুলি উল্লেখ কৰিছে। এবছৰতকৈ কম দিন চলা এইখন কাকত পূর্বৰ দুখন বিলাসিনীৰ নিচিনা বিশেষ বৰঙণি নাই। দুয়োখন বিলাসিনীয়েই অসমীয়া জাতিক মুমূর্ষু পৰিস্থিতিৰ সার্থক নেতৃত্ব দিয়াৰ প্রয়াস কৰিছিল। সেয়ে সংবাদ-পত্রৰ সংগ্রাম আৰু উত্তৰণৰ ইতিহাসৰ এক অবিস্মৰণীয় অগ্রদূত।

৩.৩.২ *আসাম বিলাসিনী*ৰ বৈশিষ্ট্যসমূহ

ক) এখন গ্রহণযোগ্য অসমীয়া অভিধানৰ অভাৱত দুখিলা পাতৰ কাকতখনৰ বর্ণাশুদ্ধিৰ পিনে মন নকৰা সত্ত্বেও ভাষা, বাক্য গাঁথনি আদি ওখ খাপৰ আছিল।

খ) আসাম বিলাসিনীয়ে পুৰণি কথন ৰীতি ত্রুটীপূর্ণভাৱে ব্যৱহাৰ কৰিলেও অসমীয়া ভাষাক খহনীয়াৰ পৰা ৰক্ষা কৰা বুলি ক'ব পাৰি।

গ) অসমীয়া 'ৰ'ৰ সলনি বঙলা 'র'হে পত্রিকাখনত পৰিলক্ষিত হয়।

ঘ) অসমীয়া লিপিৰে লিখা এই সংস্কৃত শ্লোক দুটিৰে আলোচনীখনে নিজৰ পৰিচিতি আৰু নীতি ঘোষণা কৰিছিল।

ঙ) 'সম্বাদাবলী' শিৰোনামৰ সৈতে বিবিধ বিষয়ৰ এটি দেশীয় সংবাদৰ শিতান সন্নিৱিষ্ট কৰিছে।

চ) কবি ভোলানাথ দাসে বঙ্গৰ কবি মাইকেল মধুসূদন দত্তৰ অমিত্রাক্ষৰ ছন্দৰ কাব্যৰ অনুকৰণতেই লিখা 'সীতা হৰণ কাব্য'ৰ কিছু অংশ প্রথমবাৰ ইয়াত প্রকাশিত হয়।

ছ) আউনিআটী সত্রৰ *আসাম বিলাসিনী*ৰ স্মৃতি আৰু প্রেৰণাৰে ১৯১৩ চনত যোৰহাটৰ পৰা *আসাম বিলাসিনী* সাদিনীয়া বাতৰিকাকতৰ ৰূপত পুনৰ আত্মপ্রকাশ কৰে।

জ) *অৰুণোদই*ৰ প্রতিদ্বন্দ্বী হিচাপে আৰু হিন্দু ধর্ম প্রচাৰক মাধ্যম ৰূপে গ্রহণৰ সঙ্কল্প লৈ *আসাম বিলাসিনী*ৰ জন্ম।

ঝ) ১৮৮৩ লৈকে সুদীর্ঘ বাৰ বছৰ সংবাদ-পত্র আৰু ছপাশালৰ লগত অসমীয়া জাতিটোক জড়িত হ'বলৈ সাহস আৰু প্রেৰণা যোগোৱা একমাত্র কাকত *আসাম বিলাসিনী*।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ *অৰুণোদই*ৰ প্রতিদ্বন্দ্বী হিচাপে *আসাম বিলাসিনী*ৰ এটি চমু আলোচনা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

৩.৩.৩ *আসাম নিউজ*

১৮৮২ চনত মাহেকীয়া কাকত *আসাম বিলাসিনী*ৰ জীৱিত কালত গুৱাহাটীৰ পৰা *আসাম নিউজ* প্রকাশিত হয়। এইখনেই প্রথম অসমীয়া সাপ্তাহিক বাতৰিকাকত। কাকতখন অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাত প্রকাশিত হৈছিল। মাণিক চন্দ্র বৰুৱা আৰু অন্নদাচৰণ ঢেকিয়াল ফুকনৰ (আনন্দৰাম ঢেকিয়াল ফুকনৰ পুত্র) দ্বাৰা ব্যৱসায়-বাণিজ্য কৰাৰ ক্ষেত্রত পাশ্চাত্যৰ আর্হিত প্রতিষ্ঠিত অসমৰ প্রথম বিখ্যাত ব্যৱসায়ী প্রতিষ্ঠান 'বৰুৱা-ফুকন ব্রাদার্চ'। উক্ত প্রতিষ্ঠানৰ পৃষ্ঠপোষকতাত 'আসাম প্রিণ্টিং কর্পোৰেচন'ত মুদ্রিত হয়। *আসাম নিউজ* কাকতখনৰ সম্পাদক হ'ল হেমচন্দ্র বৰুৱা। আধুনিক অসমীয়া ভাষাৰ এজন প্রধান দ্রষ্টা আৰু স্রষ্টা হেমচন্দ্র বৰুৱাই সম্পাদনা কৰা *আসাম নিউজ* কাকতখনে অসমীয়া সাংবাদিকতাক বহুদূৰ আগবঢ়াই লৈ গ'ল। লক্ষ্মীনাথ বেজবৰুৱাই স্বীকাৰ কৰিছে, "...বাস্তৱিকতে *আসাম নিউজ* পঢ়ি তাৰ অসমীয়া লিখাৰ গঢ়ৰ ফালে ভালকৈ মন দিহে প্রথমতে মই অসমীয়া ভাষাত ৰচনা লিখিবলৈ শিকো।" সত্যেন্দ্রনাথ শর্মাৰ মতে, "এই কাকতেই বর্তমান অসমীয়া বর্ণবিন্যাস পদ্ধতিৰ মান স্থিৰ কৰি দিয়ে...।" ইংৰাজী 'Newspaper' শব্দটোৰ অসমীয়া ৰূপান্তৰ 'বাতৰিকাকত' এইখন কাকততে প্রথম ব্যৱহাৰ কৰা হয় বুলি কোৱা হৈছে। মন কৰিব যে, পুথি সমালোচনাৰ ক্ষেত্রত *আসাম নিউজ* বাটকটীয়া। অসমৰ জুডিচিয়েল কমিছনাৰ অফিচাৰ

ছুপাৰিটেণ্ডেণ্টৰ পৰা অৱসৰ লোৱাৰ পাছতেই হেমচন্দ্ৰ বৰুৱাই কাকতখনৰ সম্পাদনাৰ কাম হাতত লয়। গতিকে মুকলিকৈ ইংৰাজ চৰকাৰৰ কিছুমান কাম-কাজৰ সমালোচনা কৰাৰ সুযোগ লৈছিল। যিটো কাম পূৰ্বৰ কাকত দুখনে কেতিয়াও কৰিব পৰা নাছিল। প্ৰজাৰ প্ৰতি চৰকাৰে কৰা অনিয়মৰ বিপক্ষে হেমচন্দ্ৰ বৰুৱাই কাকতৰ জৰিয়তে মাত মাতিছিল। এফালে ৰাইজৰ অভাৱ-অভিযোগ আৰু আনফালে চৰকাৰৰ প্ৰশাসনীয় ৰীতি-নীতি দুয়োটিলৈ মন দিহে *আসাম নিউজৰ* সম্পাদনাৰ নীতি নিৰ্দ্ধাৰণ কৰা হৈছিল। সাধাৰণতে কাকতৰ সম্পাদকক 'Political Radical' বুলি সমালোচনা কৰা হৈছিল, যিটো সত্য বুলি প্ৰমাণিত হৈছিল।

১৮৮৫ চনত *আসাম নিউজৰ* প্ৰকাশ বন্ধ হৈ যায়। সকলো দিশত আগবঢ়া এনে এখন কাকতৰ আয়ুস ইমান কম কিয় হ'ল সেই বিষয়ে তথ্য পোৱা নাযায়। এই সম্পৰ্কত লক্ষ্মীনাথ বেজবৰুৱাই হেমচন্দ্ৰ বৰুৱাৰ শাৰীৰিক অসুস্থতাই ঘাই কাৰণ বুলি উল্লেখ কৰিলেও হেমচন্দ্ৰ বৰুৱাই পিছে *আত্মজীৱনী চৰিতত* লিখিছে— "...আনৰ পৰা অধিক সহায়তা নোলোৱাকৈ একেহাতে সেই কাকত চলাওঁ; কিন্তু কওঁতে বেজাৰ লাগে যে সি চিৰজীৱী নহ'ল।" চৰকাৰৰ দৃষ্টিত পেলোৱা স্থানীয় অভাৱ-অভিযোগ আৰু সম্পাদকীয় প্ৰবন্ধ অসমীয়া-ইংৰাজী দুয়োটি ভাষাতে লিখা হৈছিল। বিখ্যাত ৰাজনীতিবিদ মাণিক চন্দ্ৰ বৰুৱা আৰু বাঙালী ভদ্ৰলোক অভয়শঙ্কৰ গুহই ইংৰাজী অংশ লিখাৰ ক্ষেত্ৰত সহায় আগবঢ়াইছিল। হেমচন্দ্ৰ বৰুৱাৰ ভাষাৰ বলতেই কাকতখনে উচ্চ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। চৰকাৰে দেশী চিভিলিয়ানৰ পেন্সন বন্ধ কৰা সম্পৰ্কত বিচৰা পৰামৰ্শ হেমচন্দ্ৰই কাকতখনৰ জৰিয়তেহে দিছিল। তেনেদৰে চিটা দিয়া, দেৱালয়ৰ নিয়ম-কানুন, কানি আয়োগৰ ওচৰত দাখিল কৰা সাক্ষ্য আদি সম্পৰ্কত পৰামৰ্শাৱলী *আসাম নিউজ*যোগে কৰ্তৃপক্ষক জনাইছিল। এই পৰামৰ্শ অথলে নোযোৱাৰ এটি উদাহৰণ হ'ল, দৰং জিলাত থকা কুপ্ৰথা 'বেগাৰ ধৰা'ৰ বিষয়ে কাকতখনত সমালোচনা প্ৰকাশ পোৱাত কৰ্তৃপক্ষই প্ৰথাটি উঠাই দিয়ে। অসমৰ ৰাইজৰ উন্নতিৰ অৰ্থে স্থাপিত আসাম এছোচিয়েশ্যনৰ লক্ষ্য পূৰণৰ বাবে দেশবাসীৰ পৰা দান-বৰঙণি বিচাৰি ১৮৮২ চনৰ জুলাই সংখ্যাত এটি গোহাৰি প্ৰকাশ কৰে। নানা উৎসৰ পৰা খবৰ গোটাই আনি ছপোৱাৰ লগতে অশুদ্ধ বুলি ভবা প্ৰবন্ধৰ লেখকক "আপোনাৰ চিঠিয়ে আমাৰ ফটা কাকতৰ পাচিতহে ঠাই পালে" —বুলি টানকৈ সমালোচনা কৰিবলৈ দ্বিধাবোধ কৰা নাছিল।... সততে নিজৰ মত নেৰা হেমচন্দ্ৰ বৰুৱাৰ গঢ় দেখি সৰ্বসাধাৰণ ৰাইজে ইতিকিং কৰিবলৈ এৰা নাছিল "কি ভাতখোৱা মাছখোৱা ভাষাৰে বাতৰিকাকত লেখে?" হেমচন্দ্ৰই ভালেমান ইংৰাজী শব্দৰ অসমীয়া প্ৰতিশব্দ উলিয়াইছিল। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ মন্তব্যটি এইখিনিতে মন কৰিব, "*আসাম নিউজে* যি ভাষা শিকাই গ'ল, আজিকালি অসমীয়া অসমীয়া গদ্য-ভাষাই তাকেহে আওৰাইছে"। বেজবৰুৱাৰ মতে, হেমচন্দ্ৰ বৰুৱাৰ কাপৰ গুণত *আসাম নিউজে* অতি শীঘ্ৰে ওখ ঠাই অধিকাৰ

কৰিছিল। সকলো মানুহে অতি আগ্রহেৰে কাকতখন পঢ়িছিল। পূৰ্বৰ *আসাম বিলাসিনীত* বাক্য-বিন্যাস প্রণালী, ব্যক্তিগত আক্রমণে সমাদৰ হেৰুওৱাৰ বিপৰীতে 'দোষ-ত্রুটিহীন' আৰু ৰসাল ভাষাৰ সেই কালৰ উপযোগী এইখন *আসাম নিউজে* সকলোকে হৰ্ষ দিয়ে। মন কৰিব পাৰে যে, যিগৰাকী লেখকক পৰৱৰ্তী পণ্ডিত-সাহিত্যিকে লিখাৰ ক্ষেত্রত আৰ্হি স্বৰূপে লৈছিল, সেইগৰাকী বেজবৰুৱাই পূৰ্বৰতী ভাষাৰ ওজা হেমচন্দ্র বৰুৱাক তেওঁৰ আদর্শ কৰি লোৱাটো সাধাৰণ কথা নহয়। আধুনিক অসমীয়া ভাষা আৰু সাহিত্যলৈ *আসাম নিউজৰ* গুৰুত্ব ইয়াৰ পৰাই অনুমান কৰিব পাৰি।

অসমৰ কোনোবা স্থানত নিশ্চয় *আসাম নিউজৰ* কিছুসংখ্যা সংৰক্ষিত হৈ আছে বুলি অনুমান কৰা হৈছে। পিছে সেয়া উদ্ধাৰ কৰিব পৰা হোৱা নাই। এতিয়ালৈ যিখিনি *আসাম নিউজ* বুলি সামান্য তথ্য পোৱা হৈছে সেয়া নিউজ বা বাতৰি নহয়, কাকতখনৰ এটি আভাসহে মাথোন। ফুলস্কেপ আকাৰৰ আঠপিঠীয়া সাদিনীয়া বাতৰিকাকতৰ প্রথম পৃষ্ঠাত এনেদৰে লিখা আছিল।"

আসাম নিউজ

সাদিনীয়া অসমীয়া-ইংৰাজী বাতৰিকাকত

The Assam News

কায্যংবা সাধয়েচ্ছৰীৰংবা পাতয়েদ্বুধঃ

সোমবাৰ, ১৪ ভাদ, ১৮০৪ শক,

২৮ আগষ্ট, ১৮৮২

ইয়াত হৰিবিলাস আগৰৱালাৰ দ্বাৰা প্রকাশিত *কীর্ত্তন* পুথিৰ বিষয়ে এনেদৰে আছে... "এই দেশত বৈষ্ণৱ ধর্ম প্রচাৰ কৰোঁতে ° শঙ্কৰ আৰু তেওঁ শিষ্য মাধৱদেৱে সংস্কৃত *ভাগৱত* আদি পুথিৰ বৈষ্ণৱ ধর্ম সম্বন্ধীয় কোনো অংশ ভাঙ্গি অসমীয়া ভাষাৰে ভালেমান শব্দ পুথি কৰি থৈ গৈছে। আৰু বোধহয় অসমীয়া ভাষাত তেওঁবিলাকেই আদি কবি আছিল।..." হৰিবিলাস বাবুৰে *কীর্ত্তন* পুথি আগেয়ে এবাৰ ছপাইছিল। এই দ্বিতীয়বাৰ। দুয়োবাৰৰ পুথি আমি দেখিছোঁ আৰু তেওঁ যে শুদ্ধৰূপে ছপাবৰ নিমিত্তে প্রচুৰ পৰিশ্রম কৰিছে তাকো আমি বুজিছো।..." 'ল'ৰাৰ নিজা পুথি' বুলি আন এখন সম্পর্কে লিখিছে— "গুৱাহাটীৰ নর্মেল ইস্কুলৰ হেডমাষ্টৰ শ্রীযুত বাবু ব্রজপতি বন্দোপাধ্যায়ৰ দ্বাৰা লিখিত আৰু প্রকাশিত, ...ব্রজপতি বাবু বঙ্গালী। অসমীয়া ভাষা তেওঁৰ সম্বন্ধি বিদেশী তথাপিও যে তেওঁ সেই ভাষাৰে এখন পুথি লিখিছে, তাৰ বাবে তেওঁ ধন্যবাদৰ পাত্র..."। বেণুধৰ শর্মাই কাকতখনত দুটি বিজ্ঞাপনৰ নমুনা উল্লেখ কৰিছে। এই দ্বিভাষী কাকতখনৰ যোগেদি অসমীয়া বর্ণবিন্যাস পদ্ধতিৰ এটা মান স্থিৰ কৰাৰ লগতে আধুনিক অসমীয়া গদ্যৰ এটা গঢ় হেমচন্দ্র বৰুৱাই দিয়ে। অৱশ্যে অশুদ্ধ ভাষাৰ লিখা প্রবন্ধৰ ৰচকক চোকা বাক্যবাণ নিক্ষেপ কৰা বাবে সমসাময়িক বহুতো

লেখক ভগ্ন মনোৰথ হ'বলগীয়া হৈছিল। বৰুৱাৰ ব্যক্তিত্বৰ পৰশত কাকতখনে পাইছিল এক মর্যাদা আৰু গাম্ভীর্য। কাকতখনৰ যোগেদি সমাজ আৰু কিতাপ এই দুয়োটাৰে তীক্ষ্ণ আৰু সুস্থ সমালোচনাৰ বাট মুকলি কৰি দিলে। পুথি সমালোচনাৰ বাবে সমীক্ষিত পাঠৰ প্রসঙ্গ প্রথমে ইয়াতেই উত্থাপন কৰে। *আসাম নিউজ* বন্ধ হোৱাৰ পিছত ১৮৯৪ চনত *আসাম*নামৰ দ্বিতীয়খন সাপ্তাহিক কাকত গুৱাহাটীৰ শিক্ষানুৰাগী ব্যক্তি কালীৰাম বৰুৱাই *আসাম নিউজ*ৰ আর্হিত দ্বিভাষী (অসমীয়া-ইংৰাজী) কাকতখন প্রকাশ কৰে। ইয়াত মানিক চন্দ্র বৰুৱাই ইংৰাজী আৰু সত্যনাথ বৰাই অসমীয়া ভাগত সহায় আগবঢ়াইছিল। সাত বছৰ চলি ১৯০১ চনত কাকতখনৰ বিস্তৰ ক্ষতিৰে সৈতে ছপা কার্য বন্ধ হয়।



জানি থোৱা ভাল

লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ আত্মজীৱনী *মোৰ জীৱন সোঁৱৰণত* কৈছে, "*আসাম নিউজে* নিশ্চয় অসমীয়া ভাষাৰ যুগান্তৰ উপস্থিত কৰিলে।"

৩.৩.৪ *আসাম নিউজৰ* বৈশিষ্ট্যসমূহ

ক) *অৰুণোদই* কাকততে সাহিত্যিক জীৱন আৰম্ভ কৰা হেমচন্দ্র বৰুৱাই *অৰুণোদইৰ* বানান পদ্ধতিৰ প্রতি প্রত্যাহ্বান জনাই মিছনেৰীসকলৰ মত সলাই পেলাইছিল।

খ) কাকতখনৰ মূল মন্ত্র কাকতখনৰ সমুখ ভাগত লিখা আছিল।

গ) সম্পাদকীয় প্রবন্ধ অসমীয়া-ইংৰাজী দুয়োটা ভাষাতেই লিখা হৈছিল।

ঘ) পুথি সমালোচনাৰ ক্ষেত্রত *আসাম নিউজ* বাটকটীয়া।

ঙ) বর্তমান অসমীয়া বর্ণবিন্যাস পদ্ধতিৰ মান স্থিৰ কৰা হয় এই কাকতত।

চ) অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে লিখা প্রথম সাদিনীয়া বাতৰিকাকত।

ছ) সত্যেন্দ্রনাথ শর্মাৰ মতে, *আসাম নিউজ* কাকতখনে প্রকৃতার্থত অসমীয়া আখৰ জোঁটনিৰ বর্তমানৰ গঢ়টোক স্থায়িত্ব প্রদান কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ প্রথম দ্বিভাষী সাদিনীয়া কাকত *আসাম নিউজ* কাকতখনে কিয় উচ্চ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল? চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত)

৩.৩.৫ *মৌ*

অসমীয়া সংবাদ-পত্রৰ ইতিহাসত মাহিলী কাকত *মৌৰ* স্থান দশম। ১৮৮৬

চনৰ ডিচেম্বৰ মাহৰ পৰা ১৮৮৭ চনৰ মার্চ মাহলৈ মাত্র চাৰিটা সংখ্যা প্রকাশ হৈ বন্ধ হৈ যোৱা হৰনাৰায়ণ বড়া (হরনারায়ণ বড়া) সম্পাদিত *মৌ* কাকতৰ ভূমিকা নুই কৰিব নোৱাৰি। ১৮৮৬ চনৰে মে' মাহত নিজৰ পত্নীলৈ লিখা এখন চিঠিত উল্লেখ থকা মতে *মৌৰ* দৰে কাকত এখন প্রকাশৰ কথা বলিনাৰায়ণ বৰাই কিছুদিন আগৰ পৰা চিন্তা নকৰাকৈ নাছিল। মহেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখাত* তেওঁ যুক্তি দর্শাই পৰিচয় দিছে এনেদৰে— "হৰনাৰায়ণ বৰাৰ সম্পাদিত বলিনাৰায়ণ বৰাৰ *মৌ*।" *মৌ* প্রকাশৰ উদ্দেশ্য অসমত নতুন সামাজিক চেতনাৰ উন্মীলন।

মৌৰ প্রকাশ কালত বলিনাৰায়ণ বৰা এছিষ্টেণ্ট ইঞ্জিনিয়াৰ হিচাপে চৰকাৰী চাকৰি কৰি থকা বাবে সম্পাদকৰ নামটিৰ স্থান ভাতৃক দি আলোচনীখনৰ সমস্ত কার্য অকলশৰে সম্পন্ন কৰিছিল। আলোচনীখন ছপোৱাৰ বাবদ প্রয়োজনীয় অর্থ বৰাই বহন কৰিছিল। প্রকাশিত সকলোবোৰ প্রবন্ধ বৰাই নিজে ৰচনা কৰা কামফেৰাও কৰিছিল। মাত্র চাৰিটা সংখ্যাৰ *মৌত* প্রকাশিত বৰাৰ নিজৰ প্রবন্ধবোৰত অসমৰ শিক্ষা, সামাজিক আৰু ৰাজনৈতিক অৱস্থা, ৰাজহ আৰু ভূমি ব্যৱস্থা, স্ত্রী-স্বাধীনতা, সাময়িক প্রসঙ্গ আদিয়েই প্রাধান্য লাভ কৰিছিল।ইয়াৰ মাজেদি সেই সময়ৰ উচ্চশিক্ষিত উদাৰ, নৰমপন্থী, মাতৃভূমিৰ উন্নতিৰচিন্তা কৰা ব্যক্তিৰঅভিমতহে প্রকাশিত হৈছে। ধীৰে ধীৰে প্রশাসনীয় আৰু সামাজিক সংস্কাৰ *মৌৰে* বিচাৰিছে। এই ক্ষেত্রত ক'ব পৰা যায় যে, "স্ত্রীশিক্ষা অপ্রয়োজনীয় বুলি *মৌত* উল্লেখ কৰা নাই; কিন্তু তিৰোতাৰ শিক্ষা আৰু স্বাধীনতা সম্পর্কত ব্যক্ত কৰা মন্তব্য সাম্প্রতিক কালৰ দৃষ্টিত উদাৰ বুলি ক'ব নোৱাৰি।" বৰাৰ মতে "তিৰুতাক পঢ়িবলৈ দিয়া বেয়া কথা নহয়; কিন্তু... কি ডাক্তৰ বা উকিল হই মুনিহৰ ব্যৱসায়বোৰ চলাব ইও বাঞ্ছনীয় নহয়।" এই কথাত বৰাৰ চিন্তাৰ অস্পষ্টতা আৰু স্ববিৰোধিতা প্রকট কৰি তুলিছে। তেওঁৰ স্পষ্ট মত— "ঘৰেই ছোৱালীৰ ঘাই পঢ়াশালী"; নাৰী পুৰুষৰ অধীন আৰু পুৰুষ আর্থিক পৰিস্থিতিৰ অধীন।

পশ্চিমীয়া শিক্ষা, আচাৰ-নীতি অন্ধভাৱে ভাৰতীয়সকলে অনুকৰণ নকৰি দেশ, কাল আৰু পাত্রৰ উপযোগিতা চাইহে গ্রহণ কৰাৰ বাবে *মৌৰে* উপদেশ দিছে। অসমৰ চাহ বাগানৰ বনুৱা সম্পর্কত আগবঢ়োৱা অভিমতে সেই সময়ৰ ডেকাচামক উত্তপ্ত কৰি তুলিছিল। অৱশ্যে কেইখনমান বঙলা কাকতে অতিৰঞ্জিতভাৱে চাহ বাগিচাৰ বনুৱাৰ দুর্দশাৰ বর্ণনা দাঙি ধৰিলেও বলিনাৰায়ণ বৰাই বনুৱাৰ একপক্ষীয় স্বর্গসুখৰ চিত্র প্রদর্শন কৰিছে। বৰাৰ দৃষ্টিভঙ্গী খেতিয়ক আৰু বনুৱাৰ প্রতি থকা অৱজ্ঞামিশ্রিত পুতৌৰে ভৰপূৰ। প্রয়োজন অনুসৰি বৰাই চৰকাৰক তীব্র সমালোচনা নকৰাকৈও থকা নাই। *মৌৰে* শাসনৰ উন্নতিৰ নিমিত্তে উদ্দেশ্যপ্রণোদিত সক্রিয় ৰাজনৈতিক আন্দোলনত বিশ্বাস নকৰিছিল। বঙালী-অসমীয়াৰ পাৰস্পৰিক বিদ্বেষক প্রশ্রয় নিদি বঙালী উচ্চমান্যতা আৰু অসমীয়া ভাষাৰ প্রতি থকাঅৱজ্ঞাক নিন্দা কৰা হৈছে।অৱশ্যে *মৌত* প্রকাশিত দুই-এটি মন্তব্য ভাষাৰ বিকাশৰ দুর্ঘোৰ পৰিপন্থী বুলি কোৱা হৈছে। কিন্তু

আনফালে সেই সময়ত একপ্রকাৰ অভাৱনীয় সর্বভাৰতীয় সংহতিমূলক দৃষ্টিভঙ্গীৰ অসমীয়াসকলক ঠেক মনোবৃত্তি পৰিহাৰ কৰিবলৈ আহ্বান জনোৱা কথাটি মন কৰিবলগীয়া। *মৌ*বি. চি. চৰকাৰৰ দ্বাৰা বহু বাজাৰ ষ্ট্রিটৰ 'ইণ্ডিয়া প্রেছ'ত ছপা হৈছিল। বছৰেকীয়া বৰঙণি ৩ টকা আৰু প্রতিটো সংখ্যাৰ দাম ছ অনা। প্রতিটো সংখ্যাৰ প্রবন্ধসূচীৰ ওপৰত মাইকেল মধুসূদন দত্তৰ কাব্যৰ পংক্তি দিয়া হৈছিল—

"রচ মধুচক্র, গৌড়জন যাহে
আনন্দে করিবে পাণ সুধা নিরবধি।"

সমসাময়িক সমাজখনে বৰাক আঁকোৱালি নোলোৱাটো বৰাৰ দোষ নহয়। কলিকতীয়া প্রবসুৱা ছাত্র কিছুমানৰ বিৰোধিতাৰ ফলশ্রুতিত কাকতখন বন্ধ কৰিবলগীয়া হয়। আনহাতে, নগাঁৱত থাকি কলিকতাৰ পৰা আলোচনী প্রকাশ কৰা কামটো যথেষ্ট কঠিন হৈ পৰা কথাটিও নুই কৰিব নোৱাৰি। এই সম্পর্কত *মোৰ জীৱন সোঁৱৰণত* লক্ষ্মীনাথ বেজবৰুৱাই এনেদৰে লিখিছে— "আমি লৰালি কৰি তেতিয়া নুবুজিলোঁ যে *মৌৰ* নিচিনা এখন ভাল কাকত বধ কৰি আমাৰ দেশৰ কি অনিষ্টকে সাধন কৰিলোঁ।" সম্পাদনা, প্রতিবেদন, ৰচনা প্রস্তুতকৰণ, গ্রাহকৰ উদাসীনতা, বাণিজ্যিক বিফলতা, কলিকতীয়া অসমীয়া ছাত্রৰ আক্রমণ আদি মিলি হোৱা সৰু নাৱত গুৰুভাৰ লৈ *মৌ* বুৰিল। *মৌৰ* নতুন ঠাঁচৰ বৌদ্ধিক আবেদনৰ প্রতি সঁহাৰি নজনোৱা বাবে অসমীয়া মানুহখিনিৰ সুস্থ জীৱন-দর্শন গঢ়ি নুঠিল। অসমীয়া সাহিত্যত তেওঁৰ অৱদান সামান্য হ'লেও ঊনবিংশ শতিকাৰ এজন বুদ্ধিদীপ্ত অসমহিতৈষী ব্যক্তি ৰূপে বলিনাৰায়ণ বৰাৰ নাম সদায় মনত ৰখা উচিত।



জানি থোৱা ভাল

১৮৮৬-৮৭ চনত প্রায় কুৰিগৰাকীমান অসমীয়া ভাষী লেখক-লেখিকা থকা সত্ত্বেও মাত্র এজন লেখকৰ এটি ৰচনা *মৌৰ* চতুর্থ আৰু শেষ সংখ্যাত ছপা হোৱা বুলি অনুমান কৰা হয়।

৩.৩.৬ *মৌৰ* বৈশিষ্ট্যসমূহ

ক) সমাজ ব্যৱস্থাৰ সুস্থিৰ পৰিৱর্তন সাধনেৰে ক্রমে প্রশাসনীয় আৰু সামাজিক সংস্কাৰ।

খ) বর্তমানৰ পটভূমিত কিছুমান অভিমত প্রতিক্রিয়াশীল। স্ত্রীশিক্ষাৰ আৰু স্বাধীনতা সম্পর্কে *মৌৰে* উদাৰ মত পোষণ কৰা নাই।

গ) নাৰীৰ কর্মস্থল ঘৰখন। গতিকে পুৰুষে লোৱা পশ্চিমীয়া শিক্ষা নাৰীৰ উপযোগী নহয়। *মৌৰ* প্রথম সংখ্যাতেই 'তিৰুতাৰ বন কি?' আৰু দ্বিতীয় সংখ্যাত 'পুৰুষ স্বাধীনতা' এই দুটি ৰচনা ছপা হৈছিল। *মৌৰে* সেই সময়ত নাৰীৰ সামাজিক

স্বাধীনতাতকৈ পুৰুষৰ আর্থিক স্বাধীনতাক অধিক গুৰুত্ব দিছিল।

ঘ) দেশ-কাল-পাত্ৰৰ উপযোগিতা চাই পশ্চিমীয়া আচাৰ-নীতি অনুকৰণ কৰিবলৈ উপদেশ দিছে।

ঙ) চাহ-বাগিচাৰ বনুৱা সম্পর্কত *মৌত* আগবঢ়োৱা মতৰ কিছু সত্যতা আছে। ডেকাশক্তি উথলি উঠা মন্তব্যও তাত নথকা নহয়।

চ) ঊনবিংশ শতিকাৰ উচ্চ শিক্ষিত মধ্যবিত্ত চাকৰিয়ালৰ খেতিয়ক আৰু বনুৱাৰ প্ৰতি থকা অৱজ্ঞাসূচক পুতৌৰ ভাব বৰাৰ দৃষ্টিভঙ্গীত ফুটি উঠিছে।

ছ) শিক্ষা বিস্তাৰত গাফিলতি কৰা বাবে অসম চৰকাৰৰ কঠোৰ সমালোচনা কৰা হৈছে। *মৌত* প্ৰকাশিত 'ইংৰাজি শিক্ষা' আৰু 'উচ্চ শিক্ষা' শীর্ষক ৰচনা দুটিত বৰাৰ পূৰ্ঠ মন আৰু অশান্ত চেতনাৰ পৰিচয় আছে।

জ) সমজুৱা শিক্ষাৰ পৰিৱর্তে বৃত্তিমূলক শিক্ষাদানৰ সপক্ষে মত পোষণ কৰিছে।

ঝ) ভাৰতীয় জাতীয় মহাসভা স্থাপন আৰু আদর্শৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰিছে।

ঞ) বৃটিছ শাসনৰ দ্ৰুত অৱসান নিবিচাৰি *মৌৰে* অৱশ্যেই এই সময়ছোৱাত অসমীয়া সমাজখনত প্ৰচলিত কুপ্ৰথা কিছুমানৰ দূৰীকৰণৰ হকে মন্তব্য আগবঢ়াইছিল।

ট) ইতৰ প্ৰাণী আৰু সভ্য মানুহ এই দুটি শ্ৰেণীত জনসাধাৰণক *মৌৰে* ভগাই পেলাইছে।

ঠ) মৌজাদাৰ নিয়োগৰ ক্ষেত্ৰত *মৌৰ* অভিমত বর্তমান যুগৰ পৰিপন্থী।

ড) অসমীয়া সমাজক উন্নতিৰ পথ নির্দেশ কৰাহে প্ৰধান উদ্দেশ্য আছিল।

ঢ) অসমীয়া আৰু বাংলা ভাষাৰ মাজত সৌহার্দ্য স্থাপনৰ উদ্দেশ্যেৰে 'ৱ'ৰ ব্যৱহাৰৰ পৰা বিৰত আছিল। ইয়াৰ স্থান 'য়'ৰ দ্বাৰা পূৰণ কৰিছিল।

ণ) ইচ্ছাকৃতভাৱে অসমীয়া 'ৰ'ৰ সলনি বঙলা 'ৰ'ৰ ব্যৱহাৰ কৰা হৈছিল।

ত) ভাষা, বানান আৰু প্ৰকাশভঙ্গীয়ে আধুনিক পাঠকৰ দৃষ্টি আকর্ষণ নকৰাকৈ নাথাকে।

থ) কিছুমান আচহুৱা ব্যাকৰণিক প্ৰয়োগ মন কৰিবলগীয়া— হই, পাই, জাই আদি। ক্ৰিয়া বিশেষণত বিভক্তি 'কৈ'ৰ ঠাইত 'কে' দেখা গৈছিল— নোহোৱাকে, কলৌজপৌকে। 'ও' প্ৰত্যয় সাধাৰণতে শব্দৰ শেষৰ ব্যঞ্জনৰ লগত মিলি যোৱা দেখা যায়। কিন্তু 'মৌ'ত ই পৃথক ৰূপত দেখা দিছে— কাৰও, অলপও আদি। 'ঞ'ৰ ব্যৱহাৰ দেখা নাযায়— কেওাঁ (কেঞা), এওাঁ (এঞা)। কামৰূপী উপভাষাৰ উচ্চাৰিত শব্দৰ প্ৰয়োগ।

দ) প্ৰতিটো ৰচনাত কেৱলমাত্ৰ এজন মানুহৰ দৃষ্টিভঙ্গী প্ৰতিফলিত হৈছে। বাছকৰনীয়া শব্দৰ প্ৰয়োগেৰে পোনপটীয়া, নিৰলঙ্কাৰ অথচ বলিষ্ঠ ভাষাৰ প্ৰয়োগেৰে অকৃত্ৰিম ৰূপত প্ৰকাশ কৰিছে।

ধ) ইংৰাজী প্ৰবচন কিছুমানৰ অসমীয়া ৰূপান্তৰ কৰি কৰা প্ৰয়োগ মন কৰিবলগীয়া।

ন) উচ্চশিক্ষা বিস্তাৰৰ বাবে তেওঁ পৰামর্শ আগবঢ়াইছিল— কলেজ প্ৰতিষ্ঠা কৰা, ইয়াৰ পৰা পাছ কৰা ছাত্ৰক বৃত্তি দি কলিকতা বা বিলাতলৈ পঠোৱা আৰু অসমৰ

হাইস্কুলবোৰৰ অৱস্থাৰ উন্নতিকৰণ কৰা।

প) সুশিক্ষিত বঙালী মানুহ অসমলৈ আদৰণি জনোৱা বৰাৰ মনোভাৰ দ্বিতীয় সংখ্যাত প্রকাশিত 'অসমীয়া আৰু বাঙালি' ৰচনাখনত স্পষ্ট।

ফ) প্রথম সংখ্যাত 'চাহ বাগিচাৰ কুলি' প্রকাশ হোৱাৰ পাছত বৰা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ মাজত অভূতপূর্ব কলম-যুদ্ধ এখন হয়।

ব) দেশৰ ৰাজনৈতিক ঐক্য সাধন কৰা ইংৰাজ শাসন চিৰকলীয়া হোৱাৰ কামনা কৰা হৈছিল।

ভ) কামৰূপীয়া কথ্য ভাষাত 'আসাম ৰহস্য' লঘু ৰচনা প্রকাশ উল্লেখযোগ্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ *মৌ* কাকতখনৰ এটি চমু আলোচনা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

৩.৩.৭ *আসাম বন্ধু*

১৮৮৫ খ্রীঃত প্রকাশ হোৱা *আসাম বন্ধু* এখন মাহেকীয়া কাকত— *মাসিক পত্র*। কাকতখনৰ প্রকাশক, সম্পাদক আৰু উদ্ভাৱক হ'ল গুণাভিৰাম বৰুৱা। নগাঁও নগৰত জন্ম লাভ কৰা কাকতখন সাহিত্য, কলা আৰু বিজ্ঞান বিষয়ৰ ৰচনাৰে সমৃদ্ধ। কলিকতাৰ পৰা মুদ্রিত *আসাম বন্ধু* কাকতৰ প্রথম বছৰৰ প্রতিটো সংখ্যা ৩২ পৃষ্ঠাযুক্ত আছিল। বছৰেকীয়া বৰঙণিৰ উল্লেখ তাত পোৱা হোৱা নাছিল। ব্রিটিছ প্রশাসনৰ উচ্চপদস্থ বিষয়া হিচাপে নগাঁৱত কার্যনির্বাহ কৰি থকা সময়ছোৱাতেই কাকতখন সম্পাদনাৰ কাম হাতত লয়। অসমীয়া সাহিত্যৰ বুৰঞ্জীত *জোনাকী*ৰ অগ্রদূত স্বৰূপ। হেমচন্দ্র বৰুৱাৰ ভাষা সম্পর্কত থকা কঠোৰতা *আসাম বন্ধু*ৰে মানি লোৱা নাই। এই বিষয়ত *আসাম বন্ধু* কিছু উদাৰ আছিল। ভাষাৰ বুনিয়াদ সুদৃঢ় কৰা *আসাম নিউজ* পিছত *আসাম বন্ধু*ৰে সাহিত্য সৃষ্টিৰ ক্ষেত্রখন মুকলি কৰি দিলে। ৰোমাণ্টিক কবিতাৰ ধাৰাৰ শুভাৰম্ভ হয় ভোলানাথ দাস আৰু ৰত্নেশ্বৰ মহন্তৰ হাতত আসাম বন্ধুৰ বুকুত।

*আসাম বন্ধু*ৰ সম্পাদকীয় পৃষ্ঠাত এনেকৈ লিখা আছিল— "আমাৰ উদ্দেশ্য সামান্য। সেইয়ে, সাধাৰণ মনোৰঞ্জন আৰু জ্ঞান চর্চা"। মনোৰঞ্জনৰ অর্থে কাকতখনত কবিতা আৰু কবিতাসদৃশ ৰচনা আৰু হাস্য-ব্যঙ্গযুক্ত ৰসাত্মক সমাজ-সমালোচনা নিয়মিতভাৱে প্রকাশ কৰা হৈছিল। ঐতিহাসিক তথ্যৰ বর্ণনা, জনজাতীয় জীৱন-চর্যাৰ বর্ণনা, পদার্থ একোটাৰ বৈজ্ঞানিক বিশ্লেষণ বা পর্যালোচনা, নতুন প্রকাশনৰ গঠনাত্মক সমালোচনা আদি প্রকাশেৰে শিক্ষিত জনসাধাৰণৰ মনোযোগ আকর্ষণ কৰিবলৈ বিচাৰিছিল।

আনহাতে, এনেদৰে ঘোষণাও কৰিছিল— "...আমি শাসন, বিচাৰ আদি

ৰাজনৈতিক বিষয়বিলাকত হস্তক্ষেপ কৰিব নোখোজো। ৰাজনীতিত আমি অনভিজ্ঞ। সাম্প্রদায়িক ধর্ম সম্বন্ধে আমি মতামত প্রকাশ নকৰো। কিন্তু ই পৰিস্থিতি সম্ভূত প্রতিশ্রুতি। ১৮৬৯ খ্রীঃত গুণাভিৰাম বৰুৱাই ব্রাহ্মণ্য ধর্ম গ্রহণ কৰে যদিও ধর্ম-সম্প্রদায় নির্বিশেষে শিক্ষিত সাধাৰণে কাকতখন গ্রহণ কৰাটোৱেই তেওঁৰ প্রধান ইচ্ছা আছিল। "দেশত এখান কাকত আছে থাওক। আৱশ্যক হওক বা নহওক দেশৰ গৌৰৱ ৰওক, ভাষাৰ বাট মুকলি হওক।" সম্পাদকীয়ত এনে আকাংক্ষাই *আসাম বন্ধুৰ* চালিকা শক্তি।প্রথম সম্পাদকীয়ত কোৱা হৈছে,"আমাৰ দেশত যিবিলাক মেল হয়, সেইবিলাকত সমাজৰ আচাৰ-ৰীতিৰ মাথোন আন্দোলন হয়। সেইবিলাক মেলত বিজ্ঞান, শিল্প, সাহিত্যৰ আন্দোলন হোৱা প্রথা ইয়াত সমূলি নাই। এই আন্দোলনৰ অভাৱ মোচন কৰিবৰ আশা কৰি *আসাম বন্ধু* আগবাঢ়িব খুজিছে।"

মুঠ ১৪টা সংখ্যা প্রকাশ পোৱাৰ পাছত ১৮০৭-০৮ শকৰ চ'ত-ব'হাগ সংখ্যাটো প্রকাশ পোৱাৰ লগে লগে *আসাম বন্ধুৰ* গতি বন্ধ হৈ অকাল মৃত্যু ঘটিল। ১৮৮৬ খ্রীঃত *আসাম বন্ধু* বন্ধ হয়।

অসমীয়া শিক্ষিত লোকে নিজৰ মাতৃভাষাত চিন্তা-চর্চা কৰাটো সেই সময়ত লাজৰ বিষয় আছিল। গতিকে *আসাম বন্ধুৰ* প্রথম বছৰৰ ১২টা সংখ্যাৰ প্রতিটোতে গড় হিচাপত দুজনকৈ লেখকেও কাকতখনৰ লগত জড়িত নাছিল। সেয়ে নামী-বেনামী-ছদ্মনামী বিভিন্ন লেখাৰে ৩২ পৃষ্ঠাৰ কাকতখন পূৰ কৰিবলগীয়া অৱস্থা এটাৰ সৃষ্টি হৈছিল।এই সময়ছোৱাত অসমত দেশৰ সর্বাঙ্গীন উন্নতিত সহায়ক হোৱা অনুষ্ঠান নাছিল। সম্পাদকীয়ত কোৱা হৈছে "দুর্ভগীয়া আসাম দেশত এইবিলাকৰ অনুষ্ঠান নোহোৱা বাবে ইয়াৰ মানুহৰ মন নিচেই সঙ্কীর্ণ।" ১৮৫৫ চনত আসাম দেশ হিতৈষিণী সভা, ১৮৫৭ চনত জ্ঞান প্রদায়িনী সভা, ১৮৬৭ চনত 'আসাম এছ'চিয়েচন', ১৮৭২ চনত 'আসাম লেংগুইজ ইম্প্রুভমেণ্ট ছোচাইটি' স্থাপিত হৈছিল যদিও ঊনবিংশ শতিকাৰ আশীৰ দশকত সেইবোৰ লুপ্ত হৈ গ'ল। এইবোৰ অনুষ্ঠানে শিল্প, সাহিত্য, বিজ্ঞানৰ ক্ষেত্রখনত আলোড়নৰ সৃষ্টি কৰিব নোৱাৰাত 'এই আন্দোলনৰ অভাৱ মোচন'ৰ বাবেই আৰু 'আন্দোলনৰ দ্বাৰায় জ্ঞানৰ উন্নতি' সাধন কৰিবৰ বাবেই *আসাম বন্ধুৰ* জন্ম।

১৬ মাহ আৰু ১৪টা সংখ্যা প্রকাশ পোৱা কাকতখনত প্রথম বছৰত ১২টা আৰু দ্বিতীয়টো বছৰত মাত্র দুটা সংখ্যাহে প্রকাশিত হৈছিল। ডিম্বেশ্বৰ নেওগ আৰু হেমচন্দ্র গোস্বামীয়ে কিন্তু *আসাম বন্ধুৰ* ১৬টা সংখ্যা প্রকাশ হোৱা বুলি উল্লেখ কৰিছে। প্রকৃততে দ্বিতীয় খণ্ডৰ সংখ্যা দুটাৰ শীর্ষ ভাগত ১/২সংখ্যা আৰু ৩য়-৪র্থ সংখ্যা বুলি মুদ্রিত হোৱাৰ ফলতেই তেনেকুৱা হৈছিল। দ্বিতীয় খণ্ডত কাকতখন দুমহীয়া আৰু চাৰিটা মাহত দুটা সংখ্যা ওলোৱা যেনহে হ'লগৈ। এইখিনিতে উল্লেখ থকা ভাল যে, নগেন শইকীয়াৰ দ্বাৰা পুনৰ সঙ্কলিত *আসাম বন্ধুৰ* দ্বিতীয় খণ্ডৰ প্রথমটো সংখ্যা ৭২

পিঠিৰ আৰু অন্তিম সংখ্যাটি ৭০ পিঠিৰ ৰূপত পোৱা গৈছে। সম্ভৱতঃ *আসাম বন্ধু* মুঠ পৃষ্ঠা সংখ্যা ৫৭৬ হ'লে দ্বিতীয় সংখ্যাটিৰ শেষ পৃষ্ঠাটি ৭২তকৈ কম হোৱাৰ কোনো কাৰণ দেখা নাযায়। যি নহওক মুঠ ১৪টা সংখ্যা প্ৰকাশ পোৱাৰ পাচত ১৮৮৬ চনৰ মার্চ-এপ্ৰিল সংখ্যা প্ৰকাশ পোৱাৰ লগে লগে *আসাম বন্ধু* গতিৰুদ্ধ হৈ পৰিল। অকাল মৃত্যু হোৱা কাকতখনৰ মৰণৰ দুমাহ আগতেই সম্পাদকীয়ত কোৱা হৈছিল "নানা কাৰণত আমাৰ দেশত আমাৰ মাতৃভাষাৰ সাময়িক পত্ৰ দীৰ্ঘকাল স্থায়ী নহয়। নহ'বৰ কাৰণো অনেক। সাময়িক পত্ৰ ল'ব পৰা মানুহৰ যি সংখ্যা তাৰ অনেকেই ইংৰাজী আৰু বাঙ্গালা-পত্ৰ লয়। আৰু তাৰ দ্বাৰাই সাময়িক পত্ৰৰ বাবে যি অভাৱ সি গুছে।" *আসাম বন্ধুৰ* ভাষা আৰু ৰুচি সমসাময়িক বহু লোকৰ গ্ৰহণযোগ্য হোৱা নাছিল। আখৰ জোঁটনি আৰু ব্যাকৰণৰ নিকপকপীয়া বান্ধোন এই কাকতখনত নথকাটোৱে ইয়াৰ কাৰণ। আনহাতে, কনকলাল বৰুৱাৰ মতে, "ব্যাকৰণিক নিয়মৰ কঠিন নিগড় নথকা বাবেই *আসাম বন্ধু* বহুত ন-লিখাৰুৰ আদৰৰ ধন আছিল।" এবছৰমান আৰু অধিক চলি থাকিলে 'ন-লিখাৰুৰ আদৰৰ ধন' *আসাম বন্ধুৱে* নতুন লেখক সমাজ এখন নিশ্চয় গঢ়ি তুলিব পাৰিলেহেঁতেন।

মাত্ৰ ডেৰ বছৰ কালতেই কমলাকান্ত ভট্টাচার্য্য, ভোলানাথ দাস আৰু লম্বোদৰ বৰাৰ নিচিনা সাহিত্য প্ৰতিভাক প্ৰতিষ্ঠা দান কৰিলে। জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী *আসাম বন্ধুৰেই* অৱদান। কবি-প্ৰবন্ধকাৰ ৰত্নেশ্বৰ মহন্ত, চিন্তাবিদ সত্যনাথ বৰা, পদ্মাৱতী দেৱী ফুকননীৰ প্ৰতিভা বিকাশৰ স্থলো আছিল *আসাম বন্ধু* ন-পুৰণি, খ্যাত-অখ্যাত ব্যক্তিৰ লেখা প্ৰকাশিত হোৱা ব্যক্তিবোৰে পৰৱৰ্তী সময়ত অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰত নিজৰ অৱদান আগবঢ়াইছে। "...প্ৰতিভা সৃষ্টি কৰা আৰু প্ৰকাশ কৰাৰ প্ৰতি থকা প্ৰৱণতাহে *আসাম বন্ধুত* পৰিলক্ষিত হয় বেছিকৈ..." বুলি নগেন শইকীয়াই সঠিক মন্তব্যই কৰিছে। ঊনবিংশ শতিকাৰ সমাজখন প্ৰধানকৈ কাকতখনৰ লেখাবোৰৰ মাজত বিচাৰি পোৱা যায়। পোনতেই সদৰি কৰা ধৰণে কাকতখনে অসমৰ ৰাজনৈতিক প্ৰেক্ষাপট দাঙি ধৰিব বিচৰা নাই। সমকালীন সমাজৰ আশা-আকাংক্ষা, হাঁহি-কান্দোন, সততা-শঠতা আদিৰ প্ৰতিফলন আসাম বন্ধুত ঘটিছে। কাকতখনত 'স্বাধীনতা নে স্বেচ্ছাচাৰ' আৰু 'ঘৈণীৰ কর্তব্য ও স্ত্ৰীশিক্ষা' বিষয়ক ধাৰাবাহিক প্ৰবন্ধত পুৰুষ প্ৰধান অসমীয়া সমাজখনৰ মনুযুগীয়া ৰক্ষণশীলতা প্ৰকাশ পাইছে। নিজৰ স্ত্ৰী স্বৰ্ণলতা, আনন্দৰাম ঢেকিয়াল ফুকনৰ কন্যা পদ্মাৱতী দেৱী ফুকননীৰ ৰচনা প্ৰকাশ কৰি স্ত্ৰীশিক্ষাৰ গুৰুত্ব সমাজখনক বুজাবলৈ কৰা বৰুৱাদেৱৰ চেষ্টা বিফল হৈছিল। আনহাতে, শঙ্কৰদেৱৰ বিৰুদ্ধাচৰণ কৰা লোকক এইখন কাকততে 'কীর্ত্তন' শীৰ্ষক প্ৰবন্ধত কৈছে— "যিসকলে শঙ্কৰদেৱক গ্লানি কৰে, সেইসকলেও সেই সমস্ত কার্যত *কীর্ত্তন* পঢ়ায়।" আকৌ ভোলানাথ দাসে পৰাধীন অসমত স্বাধীনতাৰ স্পৃহা থকা অসমীয়াৰ মনটিৰ পৰিচয় দাঙি ধৰিছিল 'কাৰাবদ্ধ ৰাজপুত্ৰ' আৰু 'ৰজনী' কবিতাৰে।

৩.৩.৮ *আসাম বন্ধুৰ* বৈশিষ্ট্যসমূহ

ক) নিয়মিত কবিতাগঢ়ী ৰচনা আৰু হাস্য-ব্যঙ্গ ৰসাত্মক সমাজ-সমালোচনা প্ৰকাশৰ দ্বাৰা সাধাৰণ মানুহৰ মনোৰঞ্জন আৰু জ্ঞান দিয়া হৈছিল।

খ) আনহাতে, শিক্ষিতসকলক ঐতিহাসিক ঘটনাৰ বৰ্ণনা, বিষয় একোটাৰ বৈজ্ঞানিক বিশ্লেষণ, নতুন মুদ্ৰণৰ গঠনাত্মক সমালোচনা আদিৰে আকৰ্ষিত কৰিবলৈ চেষ্টা কৰিছিল।

গ) ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে *আসাম বন্ধু* কাকতখন গ্ৰহণ কৰাৰ ওপৰত গুণাভিৰাম বৰুৱাৰ ইচ্ছা আছিল।

ঘ) অসমৰ পুৰণি সাহিত্য-সংস্কৃতিৰ প্ৰতি সমসাময়িক অসমীয়াৰ দৃষ্টি আকৰ্ষণ কৰাৰ যত্ন।

ঙ) শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্যৰাজি ধোঁৱাচাং আৰু থাপনাৰ পৰা নমাই সৰ্বসাধাৰণৰ আগত মেলি ধৰাৰ প্ৰয়াস কৰে।

চ) আখৰ-জোঁটনি আৰু ব্যাকৰণৰ কপকপীয়া বান্ধোন নথকা বাবে কাকতখন ইতিকিঙৰ পাত্ৰ হৈছিল।

ছ) কলিকতীয়া ছপাশাল আসাম বন্ধুৰ চেৰাশালি। বঙালী কৰ্মচাৰীয়ে মুদ্ৰক আৰু আৰ্হি কাকত সংশোধক হোৱা বাবে আখৰ-জোঁটনি ভুল যথেষ্ট দেখা যায়।

জ) লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী *আসাম বন্ধুৰ* অৱদান।

ঝ) ইয়াত ঊনবিংশ শতিকাৰ অসমীয়া সমাজখনৰ সততা-শঠতা, হাঁহি-কান্দোন, হতাশা-আশা আদিৰ প্ৰতিফলন ঘটিছিল।

ঞ) তিৰোতাৰ শিক্ষাৰ বিষয়টোৱে *আসাম বন্ধুৰ* অধিক ঠাই দখল কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ *আসাম বন্ধু* কাকত সম্পৰ্কে এটি চমু আলোচনা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

৩.৩.৯ অন্যান্য কাকতসমূহ

অৰুণোদই আৰু *আসাম বিলাসিনী*ৰ বাহিৰে বাকীবোৰ কাকতৰ আয়ুস বৰ কম আছিল। ১৮৭২ চনত গুৱাহাটীৰ চিদানন্দ প্ৰেছৰ পৰা প্ৰথম অসমীয়া সাদিনীয়া সংবাদ-পত্ৰ *আসাম মিহিৰ*প্ৰকাশ হয়। পত্ৰখনৰ আয়ুস একেবাৰে কম, ১৮৭৩ চনত ইয়াৰ প্ৰকাশ বন্ধ হয়। কাকতখনসম্পৰ্কত বেণুধৰ শৰ্মাই লিখিছে—"ই প্ৰথমতে বঙলাত ওলায়, পিছত বঙলা-ইংৰাজী দ্বিভাষী হয়।"

১৮৭৩ চনত দৰং জিলাৰ তেজপুৰৰ বিশ্বনাথৰ পৰা *আসাম দর্পণ* নামে মাহেকীয়া আলোচনীখন প্রকাশ হয়; সম্পাদক আছিল লক্ষ্মীকান্ত বৰকাকতি। এইখন কাকতৰো আয়ুস বৰ কম।

১৮৭৬ চনত নগাঁৰৰ দিহিং সত্রৰ পৰা *চন্দ্রোদয়* নামৰ আন এখন মাহেকীয়া ধর্মীয় আলোচনী প্রকাশ হয়। প্রকাশ কৰিছিল নগাঁৱৰ দিহিঙীয়া গোসাঁয়ে। প্রায় একে সময়তে ১৮৭৬ চনত গোৱালপাৰাৰ পৰা *হিতসাধিনী* নামৰ সাদিনীয়া কাকত এখন প্রকাশিত হয়। ইয়াৰ ভাষা আছিল বঙলা। এইখনৰ আয়ুস মাত্র দুবছৰ।

মাত্র এবছৰৰ বাবে আউনীআটী সত্রাধিকাৰৰ সম্পাদনাত ধর্ম প্রকাশ যন্ত্রৰ পৰা ১৮৭৬ চনত *আসাম দীপক*নামৰ আন এখন আলোচনী প্রকাশিত হয়। উক্ত চনত নৱেম্বৰ মাহৰ আলোচনীখনৰ কৃতকার্যতা কামনা কৰি এটি প্রার্থনাৰে আৰম্ভ কৰা হয়। মন কৰক যে, ইয়াৰ এটা প্রবন্ধত শিকনৰ গুণ-গান কৰিছে; আন এটা প্রবন্ধত দেশীয় লোকে কিয় বেহা-বেপাৰ কৰিব লাগে তাকে দোহাৰিছে। আকৌ কানি পানৰ অহিতকাৰী প্রভাৱৰ কথাও অইন এটা প্রবন্ধত কৈছে। হাতীৰ খবৰ, তিনিটা সন্তান প্রসৱৰ খবৰ, নগাঁৱত পুথি প্রকাশৰ খবৰ, সম্রাটৰ উৎপীড়ন, গছ কটাৰ কৰ, মাজুলীৰ বিৱৰণৰ সৈতে চৰকাৰৰ পাঠশালাৰ প্রতি বিৰূপ মনোভাৱৰ সমালোচনা আৰু মাজুলীৰ গড়মূৰৰ পৰা এসোঁতা খোৱামুখলৈ হ'বলগীয়া পথৰ বাবে কমিছনাৰক ধন্যবাদ জনোৱা আদি খবৰ ইয়াত আছে। ১৮৭৭ চনত যোৰহাটৰ সহকাৰী উপায়ুক্তই এটি টোকাত কৈছে যে, এনেকুৱা কাকতে বৰ বেছি ভাল কৰিব নোৱাৰিলেও কোনো অনিষ্ট নকৰে। এটি ধর্মীয়-নৈতিক উদ্দেশ্য আগত ৰাখি শুৱলা ভাষাৰে প্রবাদ-প্রবচন পূর্ণ এই কাতকখন কম দিন চলিছিল।

১৮৭৬ চনত গুৱাহাটীৰ পৰা *আসাম দীপিকা* ছিদানন্দ প্রেছৰ পৰা প্রকাশ হৈছিল। ১৮৮৬ চনত আউনীআটী সত্রৰ পৰা শ্রীধৰ বৰুৱা সম্পাদিত *আসাম তৰা* মাহেকীয়া আলোচনী প্রকাশ হয়। 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা'ৰ উদ্দেশ্যৰ কথা প্রথমতে এইখন আলোচনীতেই প্রকাশিত হয়। ১৮৯০ চনত ইয়াৰ প্রকাশ বন্ধ হয়। কৰুণাভিৰাম বৰুৱাৰ সম্পাদনাত প্রথম শিশু আলোচনী *ল'ৰাবন্ধু* প্রকাশ হয়। শিশুৰ মানসিক বিকাশৰ ক্ষেত্রত আলোচনীখনৰ যথেষ্ট অৰিহণা আছে।



৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অৰুণোদই যুগৰ সাহিত্যসমূহৰ আভাস লাভ কৰিলোঁ।
- *অৰুণোদই*ৰ পৰৱর্তী বাতৰিকাকতসমূহৰ ক্রম অনুসৰি জানিব পাৰিলোঁ।
- মাজুলী আৰু যোৰহাটৰ পৰা প্রকাশিত *আসাম বিলাসিনী*ৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিলোঁ।
- অসমীয়া আৰু ইংৰাজী দুয়োটি ভাষাত ছপা হোৱা প্রথম সাদিনীয়া বাতৰিকাকত *আসাম*

*নিউজ*ৰ পৰিচয় পালোঁ।

- হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষা শিকাবলৈ লোৱাৰ লগতে ইংৰাজী শব্দ কিছুমানৰ অসমীয়া প্ৰতিশব্দ কৰা কাৰ্যৰ আৰম্ভণি যে *আসাম নিউজ*তে কৰিছিল সেয়া পঢ়িবলৈ পালোঁ।
- *মৌ* কাকতৰ বিষয়ে পঢ়ি কেনেকৈ এজন লেখকে এখন কাকতৰ সমূহ প্ৰবন্ধ লিখি এখন কাকত চলাই নিব পাৰে সেই জ্ঞাত হলোঁ।
- *আসাম বন্ধু*ৰ জৰিয়তে ন-লেখাৰুসকলে নিজৰ সাহিত্যিক জীৱনৰ পাতনি মেলি ভৱিষ্যতৰ পথ মসৃণ কৰাত ধাৰণা লাভ কৰিলোঁ।
- *জোনাকী* কাকত প্ৰকাশৰ আগতে অসমত কি কি বাতৰিকাকত আৰু আলোচনী ছপা হৈ ওলাইছিল তাৰ এটি ৰূপৰেখা পালোঁ।



৩.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ডেকা, উমেশ (২০১৬) ঃ *প্ৰসঙ্গ ঃ ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্য;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২) নেওগ, মহেশ্বৰ (১৯৬৪) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী।

৩) নেওগ, মহেশ্বৰ (সঙ্কলিত আৰু পুনঃ সম্পাদিত) (১৯৮৩) ঃ *অৰুণোদই;* গুৱাহাটী।

৪) ভট্টাচাৰ্য্য, বীৰেন্দ্ৰ কুমাৰ (১৯৮৫) ঃ *ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি;* গুৱাহাটী।

৫) শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পা.) (১৯৯৮) ঃ *অসমৰ বাতৰিকাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস;* গুৱাহাটী।

৬) শইকীয়া, নগেন (সম্পা.) (১৯৮৪) ঃ *আসাম বন্ধু,* গুৱাহাটী।

৭) শৰ্মা, তীৰ্থনাথ (১৯৭৫) ঃ *আউনীআটী সত্ৰৰ বুৰঞ্জী;* আউনীআটী সত্ৰ।

৮) শৰ্মা, সত্যেন্দ্ৰনাথ (সম্পা.) (১৯৮০) ঃ *মৌ;* গুৱাহাটী।

৯) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৮৯) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী।

১০) হাজৰিকা, অতুলচন্দ্ৰ (সম্পা.) (১৯৬৮) ঃ *বেজবৰুৱা গ্ৰন্থাৱলী,* ১ম খণ্ড *(মোৰ জীৱন সোঁৱৰণ);* গুৱাহাটী।

ইংৰাজী গ্ৰন্থ ঃ

1) Saikia, N. (1988) : *Background of Modern Assamese Literature;* New Delhi.



৩.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ প্রথম অসমীয়া বাতৰিকাকতখনৰ উদ্দেশ্য... ...কাকতখনৰ সমকক্ষ হোৱাৰ মানসেৰে *আসাম বিলাসিনী*ৰ কার্য... ...বৈশিষ্ট্য আদি লিখিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ ইংৰাজী আৰু অসমীয়া ভাষাত লিখা *আসাম নিউজ*ৰ পৰিচয়... ...সম্পাদক বৰুৱাৰ ভাষাৰ বৈচিত্র্য... আদি লিখিব।

৩নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া বাতৰিকাকতৰ দশম স্থানত থকা কাকতখনৰ পৰিচয়... ...তাত প্রকাশ হোৱা প্রবন্ধসমূহৰ আৰু প্রাবন্ধিকৰ নামাদি লিখি চমু আলোচনা কৰিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ কাকতখন ছপা হোৱা... ...কাকত ছপাৰ উদ্দেশ্য... ...বৈশিষ্ট্যসমূহৰ বর্ণনাৰে এটি আলোচনা দাঙি ধৰিব লাগিব।



৩.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ *অৰুণোদই* কাকতৰ পৰৱর্তী কাকত *আসাম বিলাসিনী*ৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ২ ঃ সাদিনীয়া কাকত *আসাম নিউজ* কাকতখনে সম্পাদক হেমচন্দ্র বৰুৱাৰ ভাষাৰ গুণত আগুৱাই যাবলৈ সক্ষম হৈছিল। ইয়াৰ যুক্তিযুক্ততা বিচাৰ কৰক।

প্রশ্ন ৩ ঃ *মৌ*ৰ সম্পাদক বৰাই কাকতখনত অসমীয়া সমাজৰ কোনকেইটি দিশৰ প্রতিফলন ঘটাইছে? আলোচনা আগবঢ়াওক।

প্রশ্ন ৪ ঃ *আসাম বন্ধু* কাকতখনক ন লেখাৰুৰ ধন বুলি কিয় কোৱা হৈছে? ব্যাখ্যা কৰক।

প্রশ্ন ৫ ঃ *অৰুণোদই*ৰ পৰৱর্তী বাতৰিকাকতসমূহৰ এটি ৰূপৰেখা দিবলৈ চেষ্টা কৰক।

প্রশ্ন ৬ ঃ *জোনাকী*ৰ আগতে প্রকাশ হোৱা কম আয়ুসৰ কাকতৰ এটি চমু পৰিচয় দিয়ক।

প্রশ্ন ৭ ঃ চমু টোকা লিখক— যোৰহাটৰ *আসাম বিলাসিনী*, হেমচন্দ্র বৰুৱা, হৰনাৰায়ণ বড়া।

*** ***** ***

অধ্যায় ৪ ঃ জোনাকী যুগৰ অসমীয়া সাহিত্য-১

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ জোনাকী যুগৰ পটভূমি
৪.৪ জোনাকী যুগৰ অসমীয়া সাহিত্য
৪.৫ জোনাকী যুগৰ অসমীয়া সাহিত্যৰ বিবিধ ভাগ
৪.৫.১ কবিতা
৪.৫.২ নাটক
৪.৫.৩ উপন্যাস
৪.৫.৪ চুটিগল্প
৪.৫.৫ প্ৰবন্ধ আৰু সমালোচনা
৪.৬ জোনাকী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৪.১০ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জোনাকী যুগৰ অসমীয়া সাহিত্যৰ পটভূমি, বিস্তৃতি তথা সাধাৰণ বৈশিষ্ট্যসমূহৰ ধাৰণা লাভ কৰিব
- জোনাকী যুগৰ অসমীয়া সাহিত্য সৃষ্টিত পাশ্চাত্য আৰু সমসাময়িক বাংলা ভাষা-সাহিত্যৰ মাজেৰে অহা ৰমন্যাসবাদৰ প্ৰভাৱ সম্পৰ্কে জানিব পাৰিব
- ৰোমাণ্টিক সাহিত্যৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- পাশ্চাত্য সাহিত্যৰ প্ৰভাৱত আলোচ্য যুগটোত সৃষ্টি হোৱা কবিতাৰ ন ন ৰূপ, ভাব আৰু ছন্দৰ লগত পৰিচিত হ'ব
- ইংৰাজী নাটকৰ আৰ্হিত সৃষ্ট অসমীয়া আধুনিক নাটকৰ উৎপত্তি বিকাশ আৰু স্বৰূপ সম্বন্ধে জানিব পাৰিব
- অসমীয়া গদ্য সাহিত্যক বৈচিত্ৰ্যময় ৰূপ প্ৰদান কৰা উপন্যাস, চুটিগল্প আদি সৃষ্টিধৰ্মী সাহিত্যৰ লগতে বিবিধ শ্ৰেণীৰ প্ৰবন্ধৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে অৱগত হ'ব।

৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া প্ৰথম ষাণ্মাসিকৰ অন্তৰ্গত বুনিয়াদী দ্বিতীয় পাঠ্যবিষয়ৰ এইটো চতুৰ্থ অধ্যায়। জীৱন আৰু জগত সম্পৰ্কীয় ভাবাদৰ্শৰ পৰিৱৰ্তনৰ আধাৰতে সাহিত্যৰ যুগ বিভাজন কৰা হয়। অসমীয়া সাহিত্যৰ বুৰঞ্জী অধ্যয়নৰ দ্বাৰা যুগভেদে সৃষ্টি হৈ অহা ন ন ৰূপৰ সাহিত্যৰাজিৰ বিষয়ে জানিব পাৰি। ইয়াৰ আগৰ অধ্যায়ত আপুনি অৰুণোদই যুগৰ অসমীয়া সাহিত্যৰ স্বৰূপ সম্বন্ধে অধ্যয়ন কৰিলে। এই অধ্যায়টিত জোনাকী যুগ বুলি অভিহিত কৰা অৰুণোদই যুগৰ পৰৱৰ্তী অসমীয়া সাহিত্যৰএটি আলোচনা দাঙি ধৰা হ'ব। পাশ্চাত্য সাহিত্যৰ ৰোমাণ্টিক ভাবাদৰ্শক আদৰি আনি অসমীয়া সাহিত্যত জোনাকী যুগৰ সূচনা কৰা *জোনাকী* কাকতৰ উদ্ভৱ প্ৰসঙ্গ, অসমীয়া সাহিত্যৰ বিকাশত জোনাকীৰ অৱদান, ৰোমাণ্টিক সাহিত্যৰ বিশেষত্বসমূহৰ বিষয়ে জানিব পাৰিব। তদুপৰি পূৰ্বৰ অৰুণোদই যুগৰ সাহিত্যৰ ভাব গঠন ৰীতিৰ পৰিৱৰ্তন সাধন কৰি ইংৰাজী আৰু বাংলা সাহিত্যৰ প্ৰভাৱ আৰু অনুকৰণত সৃষ্ট আলোচ্যমান যুগৰ গীতিকাব্য, নাটক, উপন্যাস, চুটিগল্প, ভিন্‌ভিন্‌ শ্ৰেণীৰ প্ৰবন্ধ-নিৱন্ধ তথা ৰম্য ৰচনা আদি আধুনিক অসমীয়া সাহিত্যৰ বিভিন্ন ধাৰাৰপৰিচয়ৰ লগতে এইবোৰৰ এটি সামগ্ৰিক বিচাৰ বিশ্লেষণ দাঙি ধৰা হৈছে।

৪.৩ জোনাকী যুগৰ পটভূমি

মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণত জুৰুলা হোৱা অসমত ইংৰাজসকলে শান্তি প্ৰতিষ্ঠা কৰে যদিও ভাষা-সাহিত্যৰ উন্নতিৰ ক্ষেত্ৰত বহু জটিলতা আহি পৰিছিল। তদুপৰি প্ৰশাসনীয় সুবিধাৰ বাবে তেওঁলোকে অসমীয়া ভাষা অপসাৰণ কৰি বাংলা ভাষাৰ প্ৰৱৰ্তন কৰিছিল। বৃটিছৰ সাম্ৰাজ্যবাদী হাতোৰাত অসমীয়াৰ আত্মপৰিচয় বিনষ্ট হ'বলৈ ধৰে।অসমীয়া ভাষাই ন্যায্য মৰ্যাদা হেৰোৱাৰ সেই সময়খিনিতে মিছনেৰীসকল খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ বাবে অসমলৈ আহে। তেওঁলোকে ব্যাকৰণ, অভিধান, পঢ়াশলীয়া পুথি, জ্ঞান-বিজ্ঞানৰ পুথি ৰচনা, আৰু *অৰুণোদই* নামৰ কাকতৰ প্ৰচলন তথা অসমীয়া ভাষাৰ হেৰোৱা স্থান পুনৰুদ্ধাৰৰ যি প্ৰচেষ্টা আগবঢ়ালে সিয়েই অসমীয়া ভাষাৰ স্বকীয় অস্তিত্ব প্ৰতিষ্ঠা কৰিলে আৰু প্ৰাচীন কালৰে পৰা চলি অহা ধ্ৰুপদী সাহিত্যৰ অৱসান ঘটাই অসমীয়া সাহিত্যৰ আধুনিকীকৰণৰ বাট কাটি দিলে। মিছনেৰীসকলৰ ভাষা উদ্ধাৰৰ এই সাহিত্যিক প্ৰচেষ্টাৰ সহযোগী হ'ল আনন্দৰামে ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদি ইংৰাজী শিক্ষাৰে শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ অসমীয়া লেখককেইজনমান। এওঁলোকৰ আশাসুধীয়া প্ৰচেষ্টাতে মিছনেৰীসকলৰ উচ্চাৰণ অনুসৰি কৰা ঠুনুক-ঠানাক গদ্যই এটি নিৰ্দিষ্ট ওজঃ সম্পন্ন ৰূপ লাভ কৰিলে। হেমচন্দ্ৰ, গুণাভিৰামৰ লগতে ৰমাকান্ত চৌধুৰী, ভোলানাথ দাস, কমলাকান্ত ভট্টাচাৰ্য আদি লেখকৰ হাতত সৃষ্ট প্ৰবন্ধ, নাটক ভ্ৰমণ কাহিনী, জীৱন বৃত্তান্ত, ব্যঙ্গাত্মক ৰচনা, উপন্যাসতুল্য আখ্যান আদিৰে আধুনিক অসমীয়া সাহিত্যৰ ভেটি গঢ় লৈ উঠিল। এওঁলোকে দেখুৱাই যোৱা বাটেৰে আগবাঢ়ি যোৱা লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা,

হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা আদি উদীয়মান উদ্যোগী যুৱকৰ ৰচনাৰাজিৰ মাজেৰে পৰৱৰ্তী সময়ত আধুনিক অসমীয়া সাহিত্যৰ ভেটিটো কটকটীয়া হৈ পৰিল। কলিকতালৈ উচ্চ শিক্ষা গ্ৰহণৰ বাবে যোৱা এইচাম অসমীয়া ছাত্ৰই অসমীয়া ভাষাক সমৃদ্ধ কৰিব নোৱাৰিলে ইয়াৰ স্বকীয় অস্তিত্ব পুনৰ বিলোপ হ'বপাৰে বুলি উপলব্ধি কৰি সাহিত্য প্ৰচাৰৰ দ্বাৰা জাতিক আত্মসচেতন কৰিবলৈ সঙ্কল্পবদ্ধ হৈ ১৮৮৮ 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা' নামৰ এটি অনুষ্ঠানৰ জন্ম দিয়ে। সভাৰ বিভিন্ন বৈঠকত অসমীয়া সাহিত্যৰ সৰ্বাংগীন উন্নতি সাধনৰ বাবে লোৱা উদ্দেশ্য কাৰ্যত পৰিণত কৰিবৰ বাবে ১৮৮৯ চনত সভাৰ মুখপত্ৰ *জোনাকী* নামৰ মাহেকীয়া আলোচনী প্ৰকাশ কৰা হয়। এই আলোচনীয়ে এক সাহিত্যিক আন্দোলনৰ সৃষ্টি কৰি ঊনবিংশ শতিকাৰ ইংৰাজী সাহিত্যৰ নতুন ভাবধাৰা (ৰোমাণ্টিক) আৰু আধুনিক সাহিত্যৰ বিভিন্ন অংগ অসমীয়া সাহিত্যলৈ আমদানি কৰি আনে। এইদৰে জোনাকীৰ পৃষ্ঠপোষকসকলে সম্পূৰ্ণভাবে পাশ্চাত্য সাহিত্যৰ অনুকৰণ কৰি অসমীয়া সাহিত্যত এটি নতুন যুগৰ সূচনা কৰিলে। এই যুগটোৱেই অসমীয়া সাহিত্যৰ বুৰঞ্জীত জোনাকী যুগ ৰূপে পৰিচিত।

শ্বেইক্সপীয়েৰৰ সময়তে (ষোড়শ শতিকা) ইংৰাজী সাহিত্যত ৰোমাণ্টিকতাৰ সূচনা হৈছিল যদিও ঊনবিংশ শতিকাত তাৰ পুনৰুত্থান হৈ ইংলেণ্ডত এই ৰোমাণ্টিক আন্দোলনে ভৰপক ৰূপ লৈছিল। ফৰাচী আন্দোলনৰ ফলশ্ৰুতিত সৃষ্টি হোৱা সাম্য, মৈত্ৰী আৰু স্বাধীনতাৰ ধ্বনি আৰু ভাবাদৰ্শ, ৰুছোৰ প্ৰকৃতিৰ বুকুলৈ উভতি যোৱাৰ আহ্বান, জাৰ্মান দেশৰ কাণ্ট, হেগেলৰ অতীন্দ্ৰিয়বাদী দৰ্শন আদি সমসাময়িকভাৱে ইউৰোপত উদ্ভৱ হোৱা ৰাজনৈতিক আৰু দাৰ্শনিক ভাবধাৰাই ৰোমাণ্টিক আন্দোলন সৃষ্টিৰ মূল কাৰণ আছিল। অসমত অৱশ্যে এনে পৰিৱেশৰ সৃষ্টি হৈ ৰোমাণ্টিক ভাবধাৰা গঢ়ি উঠা নাছিল। অসমীয়া সাহিত্যত সৃষ্টি হোৱা ৰোমাণ্টিচিজম সম্পূৰ্ণভাৱে পাশ্চাত্য সাহিত্যৰ পৰা আমদানিকৃত। ৰোমাণ্টিচিজিমক এটা নিৰ্দিষ্ট সংজ্ঞাৰে নিৰ্দ্ধাৰণ কৰিব নোৱাৰি। সমালোচকসকলৰ মন্তব্যৰ আধাৰত ক'ব পাৰি যে যুক্তিতকৈ কল্পনাভূতিৰ প্ৰাধান্য থকা সাহিত্যৰ মাজত প্ৰকাশ পোৱা এক বিশেষ ভাবাৱস্থাই ৰোমাণ্টিচিজম। ইংৰাজী সাহিত্যৰ সমালোচকসকলে প্ৰকৃতিলৈ প্ৰত্যাৱৰ্তন, সাহিত্যত উদাৰতা, কল্পনাপ্ৰৱণতাৰ অসামান্য বিকাশ, বিস্ময় ভাৱৰ নৱজাগ্ৰত চেতনা, সুন্দৰৰ লগত অদ্ভুতৰ সংযোগ, অতীতৰ প্ৰতি শ্ৰদ্ধা, সাহিত্যত আত্মমুক্তি আদি বিভিন্ন ধৰণে ৰোমাণ্টিক সাহিত্যৰ লক্ষণ নিৰ্দ্ধাপিত কৰিছে। এনেদৰে পাশ্চাত্য দেশত পূৰ্ণতা লাভ কৰা ৰোমাণ্টিক ভাবাদৰ্শৰ প্ৰভাৱত অসমীয়া সাহিত্যত গীতিকবিতা, উপন্যাস, নাটক, চুটিগল্প, প্ৰবন্ধ আদি সৃষ্টি হৈ আধুনিক অসমীয়া সাহিত্যৰ ভেটিটো সুদৃঢ় হৈ পৰিল। এই প্ৰসঙ্গত সমসাময়িক বংগদেশৰ ভাবধাৰা আৰু সাহিত্যয়ো জোনাকী যুগৰ লেখকসকলক অনুপ্ৰাণিত কৰিছিল। বিশেষকৈ পূৰ্বতে ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ আদৰ্শৰে অনুপ্ৰাণিত হোৱা মধুসূদন দত্ত, বংকিম চন্দ্ৰ, গিৰিশ চন্দ্ৰ, দ্বিজেন্দ্ৰলাল আদি প্ৰখ্যাত বঙালী সাহিত্যিকৰ ৰচনাই অসমীয়া লেখকক প্ৰভাৱান্বিত কৰিছিল।

জোনাকী আলোচনীখন ১৮৯৬ চনলৈ নিয়মীয়াকৈ আৰু তাৰ পিছত কেইবছৰমান অনিয়মিতভাৱে প্ৰকাশ পায়। এই ক্ষেত্ৰত *জোনাকী*ৰ প্ৰচলনৰ কালডোখৰকে জোনাকী যুগ

বুলি ধৰা হয় যদিও *জোনাকী*ৰ দ্বাৰা প্ৰতিষ্ঠাপিত ৰোমাণ্টিক ধাৰাটো সমসাময়িক *বিজুলী*(১৮৯০) আৰু ইয়াৰ অব্যৱহিত পৰৱৰ্তী *উষা* (১৯০৭), *বাঁহী* (১৯০৯), *আলোচনী* (১৯১০), *চেতনা* (১৯১৯), *আৱাহন* (১৯২৯) আদি আলোচনীয়ে দ্বিতীয় মহাযুদ্ধৰ সময়লৈকে অব্যাহত ৰাখি অসমীয়া সাহিত্যক গতিশীল কৰি ৰাখিছে। সেয়েহে ১৮৮৯ চনৰ পৰা ১৯৪০ চনলৈকে এই অৰ্ধশতিকা কালছোৱা অসমীয়া সাহিত্যৰ বুৰঞ্জীত ৰোমাণ্টিক যুগ বা জোনাকী যুগ ৰূপে অভিহিত হৈছে।

৪.৪ জোনাকী যুগৰ অসমীয়া সাহিত্য

জোনাকী যুগৰ অসমীয়া সাহিত্য পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ আৰু অনুকৰণত সৃষ্ট। এই পাশ্চাত্য প্ৰভাৱৰ মূলতে *জোনাকী, জোনাকী*ৰ পৃষ্ঠপোষকসকলে ইংৰাজী শিক্ষাৰে শিক্ষিত হৈ পাশ্চাত্য প্ৰভাৱ মুক্তভাৱে গ্ৰহণ কৰি বাংলা সাহিত্যৰ বৰেণ্যসকলৰ আদৰ্শ আগত ৰাখি ৰোমাণ্টিক ভাবধাৰা আৰু আধুনিক সাহিত্যৰ বিভিন্ন ৰূপ অসমীয়া সাহিতলৈ আমদানি কৰি আনে। এইদৰে পাশ্চাত্য সাহিত্যৰ আৰ্হিত লিৰিক বা গীতি-কবিতা, আধুনিক নাটক, প্ৰহসন, উপন্যাস, চুটিগল্প, বিভিন্ন প্ৰবন্ধ আদি সৃষ্টিৰে *জোনাকী*য়ে এক সাহিত্যিক আন্দোলন গঢ়ি তুলি অসমীয়া সাহিত্যক গতিশীল ৰূপ প্ৰদান কৰিলে। এই ৰোমাণ্টিক আন্দোলনৰ দ্বাৰা প্ৰভাৱিত অসমীয়া সাহিত্যৰ জোনাকী যুগটো মূলতঃ গীতি-কবিতাৰ যুগ।চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, ৰঘুনাথ চৌধাৰী, হিতেশ্বৰ বৰবৰুৱা আদিয়ে ৰমন্যাসবাদৰ যোগেদি বিভিন্ন প্ৰকাৰৰ গীতি-কবিতাৰ সৃষ্টি কৰি অসমীয়া কাব্য সাহিত্যৰ পৰিপুষ্টি সাধন কৰিলে। প্ৰকৃতি, প্ৰেম, স্বদেশপ্ৰেম, অতীতপ্ৰীতি, অতীন্দ্ৰিয়বাদ, কল্পনাপ্ৰৱণতা আদি ভিন্ ভিন্ ভাবধাৰা প্ৰতিফলিত কৰি অসমীয়া কবিতাই বৈচিত্ৰ্যপূৰ্ণ ৰূপ গ্ৰহণ কৰিলে। ইংৰাজী নাটকৰ আৰ্হিত ট্ৰেজেডী, কমেডী, মেলোড্ৰামা, ফাৰ্চ জাতীয় নাটকৰ সৃষ্টিয়ে জোনাকী যুগৰ আধুনিক অসমীয়া নাটকক বিস্তৃতি প্ৰদান কৰিলে। তদুপৰি পৌৰাণিক নাটকৰ নৈতিকতা আৰু ভাৰতীয় জাতীয়তাবাদী ভাবধাৰাৰ দ্বাৰা অনুপ্ৰাণিত হৈ ৰচনা কৰা পৌৰাণিক আৰু ঐতিহাসিক শ্ৰেণীৰ নাটকেও জোনাকী যুগৰ অসমীয়া নাট্যসাহিত্যৰ বিকাশত অৰিহণা যোগালে। লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, চন্দ্ৰধৰ বৰুৱা, অতুল চন্দ্ৰ হাজৰিকা আদিৰ হাতত নাটকে বিকাশ লাভ কৰিলে। পাশ্চাত্য সাহিত্যৰ অধ্যয়নৰ ফলত জন্ম হোৱা উপন্যাস আৰু চুটিগল্পয়ো জোনাকী যুগৰ অসমীয়া সাহিত্যৰ গদ্যক বৈচিত্ৰ্যময় কৰি তোলে। পদ্মনাথ গোহাঞিবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱাই আৰম্ভ কৰা অসমীয়া উপন্যাসৰ ধাৰাটো ৰজনীকান্ত বৰদলৈৰ দ্বাৰা ৰচিত উপন্যাসৰাজিৰ মাজেৰে প্ৰতিষ্ঠিত হয়। ঐতিহাসিক, সামাজিক উপন্যাসৰ লগতে ইংৰাজীৰ পৰা অনূদিত ৰূপৰ উপন্যাসৰাজিয়ে অসমীয়া উপন্যাস সাহিত্যৰ বিকাশ সাধন কৰিলে। *জোনাকী*ৰ জৰিয়তে অসমীয়া সাহিত্যত পদাৰ্পণ কৰা চুটিগল্পই লক্ষ্মীনাথ বেজবৰুৱা আৰু শৰৎ চন্দ্ৰ গোস্বামীৰ হাতত বিকাশ লাভ কৰে। বিভিন্ন প্ৰকাৰৰ প্ৰবন্ধ, ব্যঙ্গ ৰচনা আৰু সমালোচনা সাহিত্য সৃষ্টিৰ দ্বাৰাও জোনাকী যুগৰ অসমীয়া সাহিত্য চহকী হৈ উঠিছে। বিশেষকৈ ইংৰাজী সাহিত্যৰ শ্যুইফ্ট, এডিচন, প'প, ফিল্ডিং আদিৰ

ব্যঙ্গ ৰচনাৰ আৰ্হিত এই সময়ছোৱাত বহুতো হাস্যৰসাত্মক গদ্য আৰু কবিতাৰ সৃষ্টি হ'ল। ব্যঙ্গ ৰচনা, প্ৰবন্ধ ৰচনা, সমালোচনাৰ ক্ষেত্ৰখন প্ৰধানভাৱে লক্ষ্মীনাথ বেজবৰুৱাই আগবঢ়াই নিলে। এইদৰে জোনাকী যুগৰ অসমীয়া সাহিত্যৰ ৰোমাণ্টিক ধাৰাটো পৰৱৰ্তী বিভিন্ন আলোচনীয়ে জন্ম দিয়া লেখকসকলৰ হাতত সৃষ্টি হোৱা ভিন্ ভিন্ ৰূপ সাহিত্যৰ মাজেদি প্ৰায় অৰ্ধশতাব্দী কাল অব্যাহত থাকিল।

৪.৫ জোনাকী যুগৰ অসমীয়া সাহিত্যৰ বিবিধ ভাগ

৪.৫.১ কবিতা

ৰৰ্ডছৱৰ্থ, ক'লৰিজ, বাইৰণ, শ্যেলী, কীট্ছ আদি ইংৰাজ ৰোমাণ্টিক কবিৰ লগতে বংগ দেশৰ মধুসূদন দত্ত, হেমচন্দ্ৰ বন্দোপাধ্যায় আদি বাংলা কবিৰ ৰচনাৰ দ্বাৰা অনুপ্ৰাণিত হৈ কলিকতীয়া শিক্ষিত ডেকাসকলে অসমীয়া কবিতাত ৰোমাণ্টিকতাৰ সূচনা কৰে। ভোলানাথ দাস, ৰমাকান্ত চৌধুৰী আদি *অৰুনোদই*ৰ লেখকে অমিত্ৰাক্ষৰ ছন্দ প্ৰয়োগ আৰু গীতিকবিতা সৃষ্টিৰে কবিতাৰ বিষয়বস্তু আৰু কলা-কৌশলৰ পুৰণি ৰূপৰ সলনি কৰে যদিও সূক্ষ্ম অনুভূতি, নতুন নতুন ছন্দ প্ৰয়োগেৰে কবিতাত প্ৰকৃত ৰোমাণ্টিক ধাৰাৰ সূচনা হয় জোনাকী যুগৰ পৰাহে। মন্ময় বা গীতিকবিতা আৰু তন্ময় বা বস্তুনিষ্ঠ কবিতাৰ সৃষ্টি এই যুগৰ কবিতাৰ ধৰ্ম। পাশ্চাত্য সাহিত্যৰ আদৰ্শত সৃষ্টি হোৱা ছনেট, শোককবিতা, দীৰ্ঘবৰ্ণনাত্মক কবিতা, বেলাড বা কাহিনী গীত, ব্যঙ্গাত্মক কবিতা আদি বিভিন্ন কাব্যিক ৰূপে অসমীয়া ৰোমাণ্টিক কবিতাক পৰিপুষ্ট কৰি তোলে। প্ৰকৃতিৰ সৌন্দৰ্য বৰ্ণনা ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য। কবি ভেদে কবিতাত প্ৰকৃতিৰ স্থান কম-বেছি হ'লেও এই যুগৰ প্ৰায় সকলো কবিৰ হাততে প্ৰকৃতিয়ে জীৱন্ত ৰূপে দেখা দিলে। প্ৰকৃতি আৰু মানৱৰ মাজত আত্মীয়তা স্থাপন কৰা হ'ল। আলোচ্যমান যুগত প্ৰেম গীতিকবিতাৰ প্ৰধান বিষয় হৈ পৰিল। প্ৰেমমূলক কবিতাত কাল্পনিক প্ৰিয়াৰ ৰূপ বৰ্ণনা, বিশ্বপ্ৰকৃতিত প্ৰিয়াৰ ৰূপ দৰ্শন, বিৰহৰ গৌৰৱ আদি বিভিন্ন ভাব প্ৰতিফলিত হ'ল। প্ৰকৃতি বিষয়ক কবিতাৰ লগত ইংৰাজী মিষ্টিক শ্ৰেণীৰ কবিতায়ো আত্মপ্ৰকাশ লাভ কৰিলে। এই ক্ষেত্ৰত কোনোজন কবিৰ কবিতাত প্ৰাচ্য আৰু পাশ্চাত্য ভাবৰ সংযোগ ঘটিল। বিশেষকৈ ভাৰতীয় দৰ্শন আৰু সংস্কৃতিৰ ৰহস্যবাদ আৰু আধ্যাত্মাবাদৰ আদৰ্শই ৰোমাণ্টিক অসমীয়া কবিক যথেষ্ট ৰূপে আকৰ্ষণ কৰিলে। স্বদেশপ্ৰীতি, জাতীয় জাগৰণ এই যুগৰ কবিতাৰ এটি প্ৰধান বিশেষত্ব। বৃটিছৰ শাসন-শোষণ নীতিৰ বিৰুদ্ধে গঢ়ি উঠা জাতীয়তাবাদী ভাবধাৰাই অসমীয়া কবি সাহিত্যিকসকলক অনুপ্ৰেৰণা দান কৰিছে। এই স্বদেশ প্ৰীতিৰ ভাব বেজবৰুৱাৰ হাততে আৰম্ভ হৈ স্বাধীনতা আন্দোলনৰ সময়ত ই পৰিপূষ্ট হৈ পৰে আৰু বিংশ শতিকাৰ তৃতীয়-চতুৰ্থ দশকত এনে ভাবৰ ঢল বাগৰি পৰে। অতীত প্ৰীতি ৰোমাণ্টিক সাহিত্যৰ এটি প্ৰধান লক্ষ্যণীয় বিশেষত্ব। বৃটিছ

সাম্ৰাজ্যবাদৰ বিৰুদ্ধে জাতীয় ভাব জাগৃত কৰি জাতীয় ঐক্য সাধনৰ বাবে দেশৰ অতীত গৌৰৱৰ কথা কবিতাত স্থান দিয়া হ'ল।এইদৰে জাতীয়তাবাদী ভাবধাৰাৰে তেজোদ্দীপক কবিতা ৰচনা কৰি এই যুগৰ কবিয়ে স্বাধীনতা সংগ্ৰামত অৰিহণা যোগালে। সাধাৰণ মানুহ বা বস্তুত গুৰুত্ব আৰোপ কৰি ৰোমাণ্টিক কবিতা ৰচনা কৰা হ'ল। এই যুগৰ কবিতাত ন-ন ছন্দৰ প্ৰয়োগ দেখিবলৈ পোৱা গ'ল। জোনাকী যুগৰ ৰোমাণ্টিক কবিসকল বাস্তৱবিমুখ, ভাববিলাসী আছিল যদিও কল্পনাৰ প্ৰাধান্যকে কবিতাক পূৰ্ণ স্বাধীনতা প্ৰদান কৰি তেওঁলোকে কবিতাক হৃদয়গ্ৰাহী কৰি গঢ়ি তুলিলে। ৰোমাণ্টিক সাহিত্যৰ উক্ত বৈশিষ্ট্যসমূহ জোনাকী যুগৰ বিভিন্নজন কবিৰ কবিতাত ভিন্ ভিন্ ধৰণে ৰূপায়িত হোৱা দেখা যায়।

জোনাকী যুগৰ কবিসকল—

- **চন্দ্ৰকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৮) ঃ** অসমীয়া সাহিত্যত ৰোমাণ্টিক কবিতাৰ দুৱাৰ মুকলি কৰা চন্দ্ৰকুমাৰ আগৰৱালা *জোনাকী*ৰ প্ৰথম সম্পাদক আছিল। তেওঁৰ কবিত্ব প্ৰতিভাৰ চানেকী স্বৰূপ *জোনাকী* আৰু *বাঁহী*ত প্ৰকাশিত কবিতাসমূহ *প্ৰতিমা* (১৯১৪) আৰু *বীণ বৰাগী* (১৯২৩) পুথিত সংগৃহীত হৈ আছে। মানৱৰ প্ৰতি সহানুভূতি, ভাবৰ গাম্ভীৰ্য, সৌন্দৰ্যৰ সন্ধান, উচ্চ-নীচ ভেদ ভাবেৰে পূৰ্ণ পুৰণি পৃথিৱীক ধ্বংস কৰি সাম্যভাবৰ ওপৰত প্ৰতিষ্ঠিত নতুন সমাজৰ আহ্বান, সবল আশাবাদ তেওঁৰ কবিতাৰ বিশেষত্ব। তেওঁৰ 'মানৱ বন্দনা' কবিতাটিত মানুহৰ মহত্ত্ব আৰু দেৱত্ব প্ৰতিফলিত হৈছে। মানুহৰ মাজতে বৈষম্যপূৰ্ণ মনোভাব আছে যদিও মানৱৰ ভৱিষ্যৎ সম্বন্ধে তেওঁ সম্পূৰ্ণ আশাবাদী। সেয়েহে মানৱৰ অসীম সম্ভাৱনা সম্পৰ্কে তেওঁ আস্থা হেৰুৱা নাই।পুৰণি লোকগীতিত নতুন ভাব আৰু ৰূপ আৰোপ কৰি প্ৰতিপ্ৰাকৃত পৰিৱেশৰ সৃষ্টি কৰি ৰচনা কৰা 'তেজীমলা','বনকুৱৰী', 'ফুলকুঁৱৰী' আদি কবিতাকেইটাৰ দ্বাৰা কবি হিচাপে সফলতা লাভ কৰিছে। ইংৰাজ কবি ব্ৰাউনিঙৰ দৰে ৰীতিতকৈ ভাব আৰু বিষয়বস্তুৰ ওপৰতহে অধিক গুৰুত্ব দিছিল যদিও তেওঁৰ ভাবালুতাই সকলো সময়তে সৌন্দৰ্যময় ৰূপ পৰিগ্ৰহ কৰিব পৰা নাই।

জানি থোৱা ভাল



*জোনাকী*ৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত প্ৰকাশ পোৱা চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুৱৰী' কবিতাটি প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতা। *জোনাকী*ত প্ৰকাশ পোৱা তেওঁৰ গীতিকবিতাসমূহেই অসমীয়া গীতিকবিতাৰ পৰম্পৰা সৃষ্টিত অৰিহণা যোগাইছে বুলি ক'ব পাৰি।

- **লক্ষ্মীনাথ বেজবৰুৱা (১৮৬৪-১৯৩৮) ঃ** বহুমুখী প্ৰতিভাৰ অধিকাৰী লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যৰ প্ৰায় সকলোকেইটি বিভাগেই পৰিপুষ্ট কৰি

তুলিছিল। তেওঁৰ একমাত্ৰ কবিতাপুথি হ'ল— *কদমকলি*। ইয়াৰে কেতবোৰ কবিতা প্ৰণয়মূলক আৰু কেতবোৰ খুহুতীয়া ব্যঙ্গাত্মক প্ৰকৃতিৰ। কল্পনা আৰু ভাবপ্ৰৱণতাৰ সংমিশ্ৰণেৰে ৰচনা কৰা 'প্ৰিয়তমা', 'প্ৰিয়তমাৰ সৌন্দৰ্য' আদি প্ৰণয়মূলক কবিতাৰাজিয়ে বেজবৰুৱাক ৰোমাণ্টিক কবি ৰূপে পৰিচয় দিছে। 'ধনবৰ আৰু ৰতনী', 'মালতী', 'নিমাতী কন্যা' আদি প্ৰেমৰ ভিত্তিত ৰচনা কৰা কাহিনী গীত বা বেলাড। বেজবৰুৱাৰ 'ধনবৰ আৰু ৰতনী' আধুনিক অসমীয়া সাহিত্যৰ প্ৰথম বেলাড। ব্যঙ্গ-বিদ্ৰূপ আদিৰ দ্বাৰা হাস্যৰস সৃষ্টিৰ উদ্দেশ্যেও তেওঁ কেতবোৰ খুহুতীয়া কবিতা লিখিছিল। স্বদেশ প্ৰেম আৰু আত্মিক অনুভূতিৰ প্ৰেৰণাতে তেওঁ বহুতো গহীন ভাবৰ কবিতাও ৰচনা কৰিছিল। 'বীণ আৰু বৰাগী', 'অসম সঙ্গীত', 'ব্ৰহ্মপুত্ৰ' আদি কবিতাত স্বদেশপ্ৰেমৰ পৰিচয় পোৱা যায়। বেজবৰুৱাৰ কবিতাত নিৰাশাবাদৰ ছাঁ নাই। জীৱনৰ সুখ-দুখ হা-হুমুনিয়াহ সহজভাৱে গ্ৰহণ কৰি সবল আশাবাদেৰে জীৱন পথত আগবাঢ়ি গৈছিল। ইংৰাজ কবি চেম্পিয়ন, হেৰিক, বাৰ্ণছ, ৱৰ্ডছৱৰ্থ শ্ৰেলী আদিৰ কবিতাৰ ভাব চিত্ৰৰ লগতে অসমীয়া লোকগীতৰ বৰ্ণনাৰ প্ৰভাৱ পৰিছে যদিও বেজবৰুৱাই এই সকলোবোৰ আত্মস্থ কৰি নিজস্ব দৃষ্টিভঙ্গীত কবিতা ৰচনা কৰি গৈছে।

- **হেমচন্দ্ৰ গোস্বামী (১৮৭২-১৯২৮) ঃ** লক্ষ্মীনাথ আৰু চন্দ্ৰকুমাৰৰ দৰে *জোনাকী* কাকতৰ উদ্যোক্তা আৰু অক্লান্ত কৰ্মী হেমচন্দ্ৰ গোস্বামী। জীৱনৰ আগছোৱাত ৰচনা কৰা কবিতাসমূহে তেওঁৰ কবিপ্ৰতিভাৰ পৰিচয় দাঙি ধৰে। অৱশ্যে তেওঁৰ কাব্য প্ৰতিভা পূৰ্ণ বিকশিত নহ'ল। *আসাম বন্ধু*, *জোনাকী* আৰু তাৰ পৰৱৰ্তী সময়ত ৰচনা কৰা তেওঁৰ কবিতাবোৰ 'ফুলৰ চাকি' নামৰ কবিতা সংগ্ৰহত সন্নিৱিষ্ট হৈছে। 'কাকো আৰু হিয়া নিবিলাও','পুৱা' আদি গীতিকবিতাই *জোনাকী*য়ে সূচনা কৰা নতুন সাহিত্যিক আন্দোলনত বিশেষ অৱিহণা যোগাইছে। সংযত কল্পনা, আশাবাদেৰে মহিমামণ্ডিত 'পুৱা' কবিতাটিয়ে *জোনাকী*য়ে সূচনা কৰা নতুন ৰোমাণ্টিক আন্দোলনৰ ইঙ্গিত দিয়ে।



জানি থোৱা ভাল

*জোনাকী*ত প্ৰকাশ পোৱা হেমচন্দ্ৰ গোস্বামীৰ 'প্ৰিয়তমাৰ চিঠি' নামৰ কবিতাটো অসমীয়া সাহিত্যৰ প্ৰথম ছনেট বা চতুৰ্দশপদী কবিতা।

- **মফিজুদ্দিন আহমদ হাজৰিকা (১৮৭০-১৯৫৮) ঃ** হিচাপেৰে জোনাকী যুগৰ কবি যদিও *জোনাকী*আলোচনীৰ লগত মফিজুদ্দিন আহমদ হাজৰিকাৰ কোনো সম্বন্ধ নাছিল। তেওঁৰ কবিতাপুথি *জ্ঞানমালিনী* (১৮৯৬)ত জীৱজগত সম্বন্ধে কবিৰ ধাৰণা, জীৱনৰ লক্ষ্য, কৰ্তব্যৰ বিষয়ে উপলব্ধি, নৈতিক আদৰ্শ আদি ঘৰুৱা উপমাৰ

সহায়ত প্ৰকাশ কৰা হৈছে। 'বিশ্বখনিকৰ', 'দিনকণা', 'মইমতালি ভাবৰ ভেটি উচন' আদি কবিতা *জ্ঞানমালিনী*ৰ অন্তৰ্ভুক্ত। কবিতাকেইটা আধ্যাত্মিক আৰু ৰহস্যবাদী চিন্তাধাৰাৰ পৰিচায়ক। *মালিনীৰ বীণ, তত্ত্ব পাৰিজাত* (অপ্ৰকাশিত) তেওঁৰ আন দুখন কবিতাৰ পুথি।

- **পদ্মনাথ গোহাঞিবৰুৱা (১৮৭১-১৯৪৬) ঃ** কবি, নাট্যকাৰ ঔপন্যাসিক ৰূপে পৰিচিত পদ্মনাথ গোহাঞিবৰুৱাই সাহিত্যৰ বিভিন্ন দিশ সমৃদ্ধ কৰিছে। কবিতা, নাটক, উপন্যাসৰ বাহিৰেও তত্ত্বমূলক ৰচনা, আত্মজীৱনী আৰু পাঠ্যপুথি ৰচনাৰ দ্বাৰাও অসমীয়া ভাষা সাহিত্যক প্ৰতিষ্ঠিত ৰূপ দান কৰিছিল। *লীলা* (১৯০১), *জুৰণি* (১৯০১), *ফুলৰ চানেকি* (১৯৪১) এই তিনিখন পদ্মনাথ গোহাঞিবৰুৱাৰ প্ৰধান কাব্যিক অৱদান।কোনো কাব্যিক মহত্ত্ব দান নকৰাকৈ আৰু নৈৰ্ব্যক্তিক স্তৰলৈ নিনিয়াকৈ কেৱল ব্যক্তিগত জীৱনৰ ঘটনাকে *লীলা* কাব্যত বৰ্ণনা কৰিছে। পত্নী বিয়োগৰ বেদনাৰ সুৰ সংযোজিত হোৱা বাবে এই কাব্যখন এক হিচাপে বৰ্ণনাত্মক শোক কবিতাসদৃশ হৈ পৰিছে। সৰস বাক্‌ভঙ্গীৰে ৰচনা কৰা *জুৰণি* কবিতাবোৰে কবিৰ কাব্যপ্ৰতিভা দাঙি ধৰিছে। ইয়াৰ কেইটিমান চতুৰ্দশপদী কবিতা। ৰোমাণ্টিক ভাবধাৰাৰে পৰিপুষ্ট তেওঁৰ কেইটিমান কবিতাত সমাজ অনুমোদিত প্ৰেমৰ স্বৰূপ বৰ্ণনা কৰিছে। *ফুলৰ চানেকীত জুৰণি* আৰু তেওঁৰ নাটককেইখনৰ পৰা সংগ্ৰহ কৰা কবিতাসমূহ সন্নিৱিষ্ট কৰিছে।
- **আনন্দচন্দ্ৰ আগৰৱালা (১৮৭৪-১৯৪০) ঃ** মৌলিক আৰু অনূদিত কবিতাৰে ৰোমাণ্টিক কাব্যসাহিত্যলৈ বৰঙণি আগবঢ়োৱা আনন্দচন্দ্ৰ আগৰৱালাই *জোনাকী* কাকতত 'শ্ৰীহৰ্ষ' নাম লৈ কবিতা ৰচনা কৰিছিল। তেওঁৰ একমাত্ৰ কবিতা পুথি *জিলিকনি* (১৯২০)ত সন্নিৱিষ্ট 'চহা আৰু পণ্ডিত', 'জীৱন সঙ্গীত', 'সুখৰ ঠাই', 'আজি আৰু কালি' আদি মূল ইংৰাজী কবিতাৰ অনূদিত ৰূপ যদিও তেওঁৰ প্ৰতিভাৰ দ্বাৰা মৌলিক কবিতাসদৃশ হৈ পৰিছে। মৌলিক কবিতাৰ ভিতৰত তেওঁৰ বেলাড বা কাহিনী গীতকেইটি প্ৰণিধানযোগ্য। 'পানেশৈ', 'ফুলকোঁৱৰ' আদি মৌলিক কবিতাকেইটি তেওঁৰ কাব্য প্ৰতিভাৰ পৰিচায়ক। মৌলিক কবিতাৰ তুলনাত আগৰৱালাৰ অনুবাদ বা ভাঙনি কবিতাকেইটিৰ জনপ্ৰিয়তা বেছি। কবিৰ লেখনীৰ স্পৰ্শত ভাঙনি কৰি লিখা কবিতাকেইটি মূল ইংৰাজী কবিতাকেইটাতকৈও মধুৰ আৰু সুৱদি হৈ পৰিছে। সেয়েহে অসমীয়া সাহিত্যত তেওঁক 'ভাঙনি কোঁৱৰ' বা 'অনুবাদ কোঁৱৰ' বুলি কোৱা হয়।
- **চন্দ্ৰধৰ বৰুৱা (১৮৭৪-১৯৬১)ঃ** চন্দ্ৰধৰ বৰুৱাৰ কবিতাত ৰোমাণ্টিক লক্ষণ কম। তেওঁৰ কবিতাত সমাজ সংস্কাৰমূলক ব্যঙ্গাত্মক সুৰহে স্পষ্ট। তেওঁৰ একমাত্ৰ খণ্ড *কবিতাৰ পুথি ৰঞ্জন* (১৯১৭) এই পুথিৰ অন্তৰ্গত প্ৰণয়মূলক কবিতাকেইটা ৰোমাণ্টিক লক্ষণযুক্ত। মধুৰ কল্পনা আৰু সৰস প্ৰকাশভঙ্গীৰে এই কবিতাকেইটাত প্ৰেমৰ ৰূপ

ফুটাই তোলা হৈছে। কবিতা পুথিখনৰ সৰহভাগেই খুহুতীয়া আৰু ব্যঙ্গমূলক যদিও গহীন ভাবৰ কবিতাও দুই-চাৰিটা সন্নিৱিষ্ট হৈছে।'স্বদেশ সেৱা','মই শিক্ষিত ডেকা', 'হঠাৎ পেট্ৰিয়ট', 'জৰুৰ চাহাব হ'ম', 'মোকৰ্দমা' আদি ব্যঙ্গাত্মক ধাৰাৰ কবিতা। এই কবিতাসমূহতসমসাময়িক সমাজৰ বাস্তৱ ছবি প্ৰতিফলিত হৈছে। ইয়াত 'স্মৃতি' আৰু 'ধূলিকণা মই'ৰ দৰে গহীন ভাবৰ কবিতাও সন্নিৱিষ্ট হৈ আছে। বঙ্গদেশৰ মধুসূদন দত্তৰ আৰ্হিত অসমীয়া কাব্য আৰু নাটকত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰৱৰ্তন কৰোঁতা হিচাপে তেওঁৰ বিশেষ নাম আছে। অৱশ্যে *কামৰূপ জীয়ৰী* আৰু *বিদ্যুৎ বিকাশ* নামৰ কাব্য দুখনৰছন্দ বাংলা লেখক গিৰিশচন্দ্ৰ ঘোষৰ ছন্দৰ সৈতেহে বেছি সাদৃশ্য আছে।

- **হিতেশ্বৰ বৰবৰুৱা (১৮৭৬-১৯৩৯)**ঃবৰ্ণনাত্মক কাব্যৰ ৰচনাৰে বৰবৰুৱাই অসমীয়া সাহিত্যত প্ৰতিষ্ঠা লাভ কৰিছে। *কমতাপুৰ ধ্বংস*(১৯১০) আৰু *বিৰহিনী বিলাপ* (১৯১২) এই বৰ্ণনাত্মক কাব্য দুখনত তেওঁৰ কবিত্ব প্ৰতিভাৰ পৰিচয় পোৱা যায়। ঘৰুৱা ভাষা, জাতীয় বুৰঞ্জীৰ সমল লৈ কাব্য ৰচনা আৰু নিভাঁজ অসমীয়া ভাষাৰ অমিত্ৰাক্ষৰছন্দ প্ৰয়োগৰ দ্বাৰাপ্ৰথম কাব্য ৰচনা কৰি অসমীয়া কাব্য জগতত তেওঁ সুপ্ৰতিষ্ঠিত হৈ পৰিছে। তেওঁৰ *ঢোপাকলি* (১৯০২) কবিতা পুথিৰ প্ৰথম খণ্ডত আঠেকুৰি চতুৰ্দশপদী কবিতা আৰু ২য় খণ্ডৰ ১৫টি অন্য কবিতা সন্নিৱিষ্ট হৈছে। এই কবিতা পুথি ওলোৱাৰ কিছু বছৰ পিছত *কমতাপুৰ ধ্বংস, বিৰহিনী বিলাপ, তিৰোতাৰ আত্মদান* (১৯১৩), *আভাস* (১৯১৪), *যুদ্ধক্ষেত্ৰত আহোম ৰমণী* (১৯১৫)আদি অমিত্ৰাক্ষৰ ছন্দত ৰচিত উল্লেখযোগ্য কাব্য।তেওঁৰ কমতাপুৰ ধ্বংস অসমীয়াত ৰচিত প্ৰথম ঐতিহাসিক কাব্য।এই কাব্যত সৰ্গ বিভাগ আদিত মহাকাব্যৰ লক্ষণ ফুটি উঠিছে যদিও মহাকাব্যৰ বাবে আৱশ্যকীয় গাম্ভীৰ্য ফুটি উঠা নাই। দীঘলীয়া বৰ্ণনাত্মক কাব্য হিচাপে *যুদ্ধ ক্ষেত্ৰত আহোম ৰমণী* শ্ৰেষ্ঠ। শ্বেইক্সপিয়েৰৰ *অ'থেলো* নাটকৰ অৱলম্বনত *ডেচ্‌ডিমোনা* আৰু গোল্ড স্মিথৰ 'Vicar of Wakefield'ৰ অৱলম্বনত *অঙ্গিলা*নামৰ দুখন সৰু কাব্য প্ৰকাশ পায়। বৰবৰুৱাৰ কাব্য নাৰী চৰিত্ৰ প্ৰধান। বৰবৰুৱাৰ হাতত প্ৰকাশ লাভ কৰা তেওঁৰ ৰচিত ৯২টা ছনেটৰ সংগ্ৰহ *মালচ*প্ৰথম অসমীয়া ছনেটৰ পুথি। তেওঁৰ বেছিভাগ ছনেটত ভাবৰ ঐক্য আৰু অনুভূতিৰ সংযম মন কৰিবলগীয়া। তেওঁ ৰচনা কৰা আন এখন ছনেটৰ পুথি হ'ল *চকুলো*।শেহতীয়াকৈ কৰা তেওঁৰ ৰচনাসমূহত কৰুণ সুৰশুনিবলৈ পোৱা যায়। স্বদেশপ্ৰীতি আৰু কৰুণ ৰসৰ প্ৰাধান্য তেওঁৰ কবিতাত দেখিবলৈ পোৱা যায়। কবিতাত দুখবোধৰ প্ৰতিফলিত হৈছে যদিও নিৰাশাবাদে ভুমুকি মৰা নাই। তেওঁৰ ছনেটসমূহত ছেইক্সপীয়েৰৰ ছনেটৰ দৰে প্ৰথম দ্বাদশ শাৰীত ভাবৰ পৰিস্ফুৰণ ঘটাই শেষৰ দুটা শাৰীত ভাবক চৰম অৱস্থালৈ নি প্ৰশমিত কৰিছে।
- **ৰঘুনাথ চৌধাৰী (১৮৭৯-১৯৬৮)** ঃ ৰৰ্ডছ্ৱৰ্থৰ কবিতাৰ পৰা প্ৰেৰণা লাভ কৰি

প্ৰকৃতি আৰু চৰাই বিষয়ক কবিতা ৰচনাৰে আত্মপ্ৰকাশ কৰা ৰঘুনাথ চৌধাৰী কুৰি শতিকাৰ আদিভাগৰ উল্লেখযোগ্য ৰোমাণ্টিক কবি। 'বিহগী কবি' ৰূপে জনাজাত চৌধাৰী 'সাদৰী' (১৯১০), 'কেতেকী' (১৯২৩), 'কাৰবালা' (১৯২৪), 'দহিকতৰা' (১৯৩৯), 'নৱমল্লিকা' (কথা কবিতা) আৰু মৰণোত্তৰভাৱে প্ৰকাশিত মনাই বৰাগী আদি ফুল আৰু চৰাই বিষয়ক কবিতাকেইটি কবিগৰাকীৰ উচ্চ কাব্যিক প্ৰতিভাৰ পৰিচয় দাঙি ধৰে। 'কেতেকী', 'দহিকতৰা', 'প্ৰিয় বিহঙ্গিনী' আদি চৰাই বিষয়ক, 'গোলাপ', 'গিৰিমল্লিকা' আদি ফুল আৰু নৈ, বসন্তকাল, বৰ্ষাকাল বিষয়ক কবিতা-কেইটিত কবিয়ে প্ৰকৃতিৰ লগত আত্মীয়তা স্থাপন কৰা দেখা যায়। তেওঁৰ কবিতাত প্ৰকৃতিৰ আনন্দময় পৰিৱেশৰ লগত নিজৰ ব্যক্তিগত জীৱনৰ দুখ, কাৰুণ্য প্ৰকাশিত হৈছে। প্ৰকৃতি বিষয়ক কবিতাখিনিৰ উপৰিও সাংসাৰিক ভোগ-লালসাৰ প্ৰতি ওপজা বৈৰাগ্য ভাবৰ আধাৰতো তেওঁ কেইটিমান কবিতা ৰচনা কৰে। শৈশৱৰ পৰা সন্মুখীন হোৱা কৰুণ অভিজ্ঞতাই এই ধৰণৰ কাব্য সৃষ্টিৰ মূল কথা 'বৈৰাগ্যৰ কথা', 'মৰণ', 'অন্তিম জ্যোতি', 'ফুলশয্যা' আদি কবিতাৰ মাজেৰে কবিৰ পুঞ্জীভূত বেদনা প্ৰকাশিত হৈছে। তন্ময় ভাবৰ কবিতাপুথি *কাৰবালা* গীতিকবিতাসমূহৰ তুলনাত নিষ্প্ৰভ। চৌধাৰী ইংৰাজী কবিতকৈ সংস্কৃত কবিসকলৰ দ্বাৰাহে অধিকভাৱে প্ৰভাৱান্বিত। বিশেষকৈ ভাষা, শব্দচয়ন, উপমা অলঙ্কাৰ প্ৰয়োগ আদিৰ ক্ষেত্ৰত সংস্কৃত কবিসকলৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱান্বিত হৈছিল।

- **দুৰ্গেশ্বৰ শৰ্মা (১৮৮৫-১৯৬১)ঃ** কবি আৰু নাট্যকাৰ ৰূপে পৰিচিত দুৰ্গেশ্বৰ শৰ্মাৰ দুখন গীতিকবিতাৰ পুথি *অঞ্জলি* (১৯১০) আৰু *নিবেদন* (১৯২০)। ৰৰ্ডছৱৰ্থৰ 'লুচি' কবিতাটি সহজ আৰু সৰস অসমীয়ালৈ ৰূপান্তৰিত কৰাত কবিৰ দক্ষতা প্ৰকাশ পাইছে। পাশ্চাত্য প্ৰভাৱৰ উপৰিও ভাৰতীয় দৰ্শনৰ প্ৰভাৱেৰেও তেওঁৰ কবিতা প্ৰভাৱান্বিত। আত্মাৰ অবিনশ্বৰতা, জন্মান্তৰবাদত বিশ্বাস, সংযত জীৱন-যাপন, জীৱনৰ প্ৰতি মোহ তেওঁৰ কবিতাৰ বিশেষত্ব। তেওঁৰ ৰচনাত ভাষাৰ সৰলতা আৰু ভাবৰ স্পষ্টতা পৰিলক্ষিত হয়।

জোনাকী যুগত আৱিৰ্ভাৱ হোৱা ৰোমাণ্টিক ভাবৰ কবিতা পৰৱৰ্তী সময়ত বিভিন্ন লেখকে *বাঁহী, ঊষা, আলোচনী, আসাম বন্ধু, চেতনা* আদি আলোচনীৰ দ্বাৰা বিংশ শতিকাৰ দ্বিতীয় দশকৰ পৰা চতুৰ্থ দশকমানলৈ প্ৰৱাহশীল কৰি ৰাখিছিল। ন-ন ভাবধাৰ আৰু আদৰ্শৰ সন্ধান দিয়া লেখকৰ পৰিচয় চমুকৈ তলত আলোচনা কৰা হ'ল—

- ৰহস্যবাদী চিন্তাধাৰাৰে প্ৰভাৱিত হৈ নীলমণি ফুকনে (জ্যেষ্ঠ) *জ্যোতিকণা, মানসী, গুটিমালী, জিঞ্জিৰি, অমিত্ৰা* আদি কবিতাৰ পুথি প্ৰকাশ কৰে। ৰহস্য সন্ধানী মনৰ কবিয়ে সৃষ্টিৰ ক্ষুদ্ৰতম বস্তুৰপৰা বৃহত্তম বস্তুলৈ সকলোতে এটি মহান শক্তিৰ অস্তিত্ব উপলব্ধি কৰিলে। ফুকনৰ কেতবোৰ কবিতাৰ মাজেৰে সমাজৰ অৱহেলিতজনৰ

প্ৰতি সহানুভূতি প্ৰকাশ পাইছে।

- অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাত অতীন্দ্ৰিয়বাদ আৰু জাতীয়তাবাদ দুয়োটা সুৰেই শুনা যায়। জীৱনৰ আৰম্ভণি স্তৰত লিখা *তুমি*(১৯১৫) আৰু *বীণা*(১৯১৬) ৰহস্যবাদী কবিতাৰ পুথি। এই দুখন কবিতা পুথিৰ কবিতাত কবিৰ যৌৱনৰ ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেম আধ্যাত্মিক প্ৰেমলৈ ৰূপান্তৰিত হৈছে। অনুভূতিৰ গভীৰতাৰ বাবে এই কবিতাটোক ৰোমাণ্টিক সাহিত্যৰ অনুপম সৃষ্টি বুলি ক'ব পাৰি। দ্বিতীয় স্তৰৰ কবিতাবোৰ স্বদেশানুৰাগমূলক। উগ্ৰ দেশপ্ৰেমৰ বাবে স্বদেশী আন্দোলনত অংশ গ্ৰহণ কৰা ৰায়চৌধুৰীৰ এই শ্ৰেণীৰ কবিতাৰ মাজেদি অন্যায়, অত্যাচাৰ, নিষ্পেষণৰ বিৰুদ্ধে নিৰ্ভীকভাৱে কৰা প্ৰতিবাদৰ সুৰ ধ্বনিত হৈছে। তেওঁৰ অন্তৰত লুকাই থকা উদাৰ আৰু গভীৰ মানৱ প্ৰেমো কবিতাৰ মাজেৰে প্ৰতিফলিত হৈছে। *অনুভূতি, বন্দো কি ছন্দৰে, স্থাপন কৰ স্থাপন কৰ, বেদনাৰ উল্কা*আদি কবিতা পুথিৰ মাজেৰে ৰায়চৌধুৰীৰ দেশপ্ৰেম আৰু উদাৰ মানৱপ্ৰেম উজ্জ্বল হৈ পৰিছে।
- ঔপন্যাসিক তথা নাট্যকাৰৰূপে পৰিচিত দণ্ডিনাথ কলিতাই কাব্যজগতলৈও অনবদ্য অৱদান আগবঢ়াই আহিছে। সমাজ সংস্কাৰৰ মনোভাবেৰে লিখা তেওঁৰ কবিতাসমূহ তীব্ৰ ব্যঙ্গাত্মক। *বহঘৰা, ৰগৰ, বহুৰূপী* আদি কবিতা পুথিত আমোদজনক ৰগৰৰ মাজেদি সমাজৰ প্ৰতি চোকা ব্যঙ্গ বাণ মাৰিছে।
- যতীন্দ্ৰনাথ দুৱৰাৰ ৰচনাৰাজিত ৰোমাণ্টিক লক্ষণযুক্ত গীতিকবিতাই পূৰ্ণতা লাভ কৰিছে। তেওঁৰ কবিতাত গ্ৰে, শ্যেলী, টেনিচন আদি পাশ্চাত্য কবিৰ প্ৰভাৱ পৰিছে। দুৱৰা মূলতঃ প্ৰেমৰ কবি। তেওঁৰ কবিতাৰ মাজেদি কাৰুণ্য আৰু নিৰাশাবাদ প্ৰকাশিত হৈছে। ব্যক্তিগত হা-হুমুনিয়াহ, প্ৰেম-প্ৰীতিত ব্যৰ্থতা, সাংসাৰিক দুখত অকলশৰীয়া ভাবৰ আক্ষেপ তেওঁৰ কবিতাসমূহত প্ৰতিধ্বনিত হৈছে। ইংৰাজ কবি শ্যেলী, পাৰস্যৰ কবি ওমৰ খায়াম আৰু হাফিজ আদিৰ কবিৰ কবিতাৰ প্ৰভাৱ দুৱৰাৰ কবিতাত দেখিবলৈ পোৱা গৈছে। কবি শ্যেলীৰ দৰে তেৱোঁ সামাজিক জীৱনৰ কাঁইটীয়া বনৰ মাজত আৰ্তনাদ কৰিছে। আন্তৰিক অনুভৱ, সুকুমাৰ ভাব, সাৱলীল ছন্দ তথা প্ৰকাশভঙ্গীৰ মাধুৰ্যই তেওঁৰ কবিতাসমূহ হৃদয়স্পৰ্শী কৰি তুলিছে। *ওমৰ তীৰ্থ*(১৯২৫), *আপোন সুৰ*(১৯৩৮), *বনফুল*(১৯৫২), *মিলনৰ সুৰ*(১৯৬০) আদি দুৱৰাৰ উল্লেখযোগ্য কবিতাৰ পুথি। ৰুছ সাহিত্যিক টুৰ্গেনিভৰ কথা-কবিতাৰ আৰ্হিত যতীন্দ্ৰ নাথ দুৱৰায়ো কথাকবিতা ৰচনা কৰে। সঙ্গীতৰ মাধুৰ্যই তেওঁৰ কবিতাৰ জনপ্ৰিয়তা বঢ়াইছে যদিও অতিশয় আত্মকেন্দ্ৰিক ভাবে সময়ৰ সোঁতত এনে জনপ্ৰিয়তা হ্ৰাসো কৰা দেখা গৈছে। তেওঁৰ 'আপোন সুৰ' আৰু 'বনফুল'ৰ কবিতা-সমূহত আত্মনিষ্ঠ গীতিকবিতাৰ লক্ষণ পূৰ্ণমাত্ৰাত প্ৰকাশিত হৈছে।
- অসমৰ প্ৰকৃতি জগতৰ সকলোতে জাতীয় ভাব প্ৰতিফলিত কবি ৰচনা কৰা 'নিজৰাৰ কবি' শৈলধৰ ৰাজখোৱাৰ কবিতাৰ মূল বিষয় হ'ল জাতীয় চেতনা। তেওঁৰ একমাত্ৰ

কবিতা পুথি *নিজৰা*। বৰপেটা, পাষাণ প্রতিমা আদি জাতীয় ভাব প্রতিফলিত হোৱা কবিতা। নিমজ ৰচনাৰীতি, ছন্দৰ সাৱলীলতা, কল্পনাপ্রৱণ ৰোমাণ্টিক দৃষ্টিভঙ্গীয়ে তেওঁৰ কবিতাসমূহ আকর্ষণীয় কৰি তুলিছে। প্রেমানুভূতি আৰু জাতীয়তাবোধ তেওঁৰ কবিতাৰ দুটি উল্লেখযোগ্য বৈশিষ্ট্য।

- স্বদেশ প্রেমমূলক কবিতাৰে জোনাকী যুগত আত্মপ্রকাশ কৰা এগৰাকী উল্লেখযোগ্য কবি পদ্মধৰ চলিহা। *ফুলনি* (১৯১৫), *স্বৰাজ সঙ্গীত* (১৯২১), *গীতিলহৰী* (১৯২৩), *শৰাই* (১৯২৮), *ৰংপুৰে কথা কয়* (১৯৬৫), *পদুমণি* (১৯৬৫) চলিহাৰ এইকেইখন গীত আৰু কবিতা পুথিত স্বদেশপ্রীতিৰ পৰিচয় পোৱা যায়।
- ৰোমাণ্টিক যুগৰ গীতিকবি হিচাপে উল্লেখযোগ্য ৰত্নকান্ত বৰকাকতি। দৈহিক প্রেম তেওঁৰ কবিতাৰ ঘাই বিষয়বস্তু। তাজমহল, বিশ্বহৰণ আদি ৰোমাণ্টিক প্রেমৰ কবিতাৰ অপূর্ব নিদর্শন। বিশ্বকবি ৰবীন্দ্রনাথৰ দ্বাৰা অনুপ্রাণিত বৰকাকতিৰ কবিতাৰ পুথি তিনিখন *শেৱালি* (১৯৩২), *তর্পণ* (১৯৫৩) আৰু *চন্দ্রহাৰ* (১৯৬৩)।
- ভাৰতীয় দর্শনৰ কর্মফলবাদ, আত্মাৰ অবিনশ্বৰতা আদিক মূল ভাব হিচাপে লৈ কাব্য ৰচনা কৰা নলিনীবালা দেৱীৰ *সন্ধিয়াৰ সুৰ* (১৯১৮) উল্লেখযোগ্য কবিতা পুথি। পার্থিৱ জগত অতিক্রম কৰি অপার্থিৱ জ্যোতি স্বৰূপ চিৰসুন্দৰৰ সৈতে নিজৰ আত্মা মিলিত হোৱাৰ আকাংক্ষা 'পৰম তৃষ্ণা', 'শেষ অর্ঘ্য' আদি কবিতাৰ মাজেৰে প্রতিফলিত হৈছে। আধ্যাত্মিক ভাবৰ দৰে জাতীয়তাবাদী ভাবধাৰাৰেও নলিনীবালা দেৱীয়ে কবিতা ৰচনা কৰিছে। জাতীয়তাবাদী ভাবধাৰাৰে লিখা তেওঁৰ স্বদেশপ্রেম-মূলক কবিতাৰ মাজেদি জন্মভূমিৰ গৌৰৱ অথবা ৰূপ বন্দনা প্রকাশিত হৈছে। *সপোনৰ সুৰ, পৰশমণি, যুগদেৱতা, অলকানন্দা* আদি নলিনীবালা দেৱীৰ কাব্য পুথি।
- ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত স্বদেশ প্রেমত উদ্বুদ্ধ হৈ দেশবাসীৰ অন্তৰত জাতীয় জাগৰণৰ সৃষ্টি কৰিবলৈ উমেশ চন্দ্র চৌধাৰী, জ্যোতিপ্রসাদ আগৰৱালা আদিয়ে গীতৰ সৃষ্টি কৰিলে। চৌধাৰীৰ প্রতিধ্বনি, মন্দাকিনী, দেৱধ্বনি আদিত সন্নিৱিষ্ট হৈ থকা গীতে জাতীয় ভাব জগাই তুলিলে। জ্যোতিপ্রসাদৰ 'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা' গীত আৰু 'কনকলতা', 'লাচিতৰ আহ্বান', অসমীয়া ডেকাৰ উক্তি, অসমীয়া ছোৱালীৰ উক্তি, জ্যোতিশঙ্খ আদি কবিতাৰ মাজেদি স্বদেশপ্রেমৰ সুৰ ধ্বনিত হৈছে। জাতীয় ভাবৰ কবিতা সৃষ্টিৰে অসমবাসীৰ মাজত স্বদেশপ্রেমৰ ভাব জাগ্রত কৰিবলৈ চেষ্টা কৰা আন কেইগৰাকীমান কবি হ'ল— প্রসন্নলাল চৌধুৰী, বিনন্দ চন্দ্র বৰুৱা, অতুল চন্দ্র হাজৰিকা আদি। প্রসন্নলাল চৌধুৰীৰ কবিতাত বিপ্লৱী ভাব প্রকট হৈ পৰিছে। 'অগ্নিমন্ত্র'ত কবিৰ বিদ্রোহী ভাবাপন্ন কবিতাসমূহ সন্নিৱিষ্ট হৈছে।
- অসমৰ অতীত কীর্তি কাহিনী সোঁৱৰাই অসমবাসীৰ অন্তৰত জাতীয় ভাব উদ্রেক কৰিব বিচৰা বিনন্দ চন্দ্র বৰুৱাৰ উল্লেখযোগ্য কবিতা 'গড়গাঁও' আৰু 'ৰংপুৰ'।

শঙ্খধ্বনি আৰু *প্ৰতিধ্বনি* বৰুৱাৰ দুখন উল্লেখযোগ্য কবিতাৰ পুথি। অতুলচন্দ্ৰ হাজৰিকাৰ কবিতাত স্বদেশপ্ৰেম আৰু প্ৰকৃতিয়ে বিশেষ স্থান লাভ কৰিছে। মাতৃভূমি আৰু মাতৃভাষাৰ প্ৰতিএকনিষ্ঠ ভক্তিৰে তেওঁ স্বদেশ প্ৰেমমূলক কবিতাকেইটি ৰচনা কৰিছে। *মণিমালা, মুকুতামালা, পাঞ্চজন্য, দীপালী, তপোবন, মনমাধুৰী* আদি তেওঁৰ উল্লেখযোগ্য কবিতাৰ পুথি। 'ইন্দ্ৰধনু'ৰ কবি বুলি পৰিচিত ডিম্বেশ্বৰ নেওগৰ কবিতাত যৌৱনৰ প্ৰেমস্নান আৰু স্বদেশপ্ৰীতি এই দুটি ধাৰা স্পষ্ট হৈ পৰিছে। 'শাপমুক্তা', 'বুৰঞ্জী লেখক', 'শেষ গায়ক', 'অসম সন্ধিয়া' আদি কবিতাত নেওগৰ স্বদেশ প্ৰেমৰ পৰিচয় পোৱা যায়। *মালিকা, সঁফুৰা, থুপিতৰা, মালতী, ইন্দ্ৰধনু, মুকুতা, মানুহ, মেঘদূত, অসমা, বিচিত্ৰা, থাপনা, শ্বহিদান, শুৱনি* নেওগৰ কবিতা পুথি। তেওঁৰ চতুৰ্দশপদী কবিতাৰ পুথিখন হ'ল *মুকুতা*।

- জোনাকী যুগৰ কবিতাত প্ৰেমে উল্লেখযোগ্য স্থান লাভ কৰিছে। বেজবৰুৱাৰ পৰা আৰম্ভ কৰি বিংশ শতিকাৰ তৃতীয় দশকমানলৈ মিলন, বিচ্ছেদ, সম্ভোগৰ সুখ আদি বিভিন্ন ধৰণে প্ৰেমে প্ৰকাশ লাভ কৰি গীতিকবিতাক এটি আকৰ্ষণীয় ৰূপ দান কৰিছে। কবি গণেশ চন্দ্ৰ গগৈ, আনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত প্ৰেমে ভুমুকি মাৰিছে। *পাপৰি, স্বপ্নভঙ্গ, ৰূপজ্যোতি* গণেশ চন্দ্ৰ গগৈৰ কবিতাৰ পুথি। প্ৰণয়মূলক কবিতাৰ উপৰিও দেশৰ অতীত গৌৰৱ স্মৰণৰ দ্বাৰা স্বদেশ প্ৰেমত উদ্বুদ্ধ হৈ ৰচনা কৰা এক শ্ৰেণীৰ দেশপ্ৰেমমূলক কবিতাও গগৈয়ে ৰচনা কৰিছে। যৌৱনৰ আশা-আকাংক্ষাৰে প্ৰেয়সীৰওচৰ চাপি নিৰাশ হোৱা ব্যক্তিগত হা-হুমুনিয়াহ গগৈৰ কবিতাৰ মাজেৰে প্ৰকাশিত হৈছে। বিভিন্ন আলোচনীত প্ৰকাশ পোৱাৰ উপৰিও আনন্দ চন্দ্ৰ বৰুৱাৰ *পৰাগ, হাফিজৰ সুৰ, ৰঞ্জন ৰশ্মি* নামৰ তিনিখন কবিতাৰ পুথি প্ৰকাশিত হৈছে। 'বকুল বনৰ কবি'ৰূপে পৰিচিত বৰুৱাৰ শেহতীয়া কাব্য সঙ্কলন *বকুল বনৰ কবিতা*। ৰোমাণ্টিক কবিৰ কল্পনাৰ চঞ্চলতা, সুকুমাৰ অনুভূতি, আবেগৰ তীব্ৰতা পূৰ্ণমাত্ৰাই বৰুৱাৰ কবিতাত দেখিবলৈ পোৱা যায়। তেওঁৰ শেহতীয়া কবিতাসমূহ ভাৰতীয় দৰ্শনৰ প্ৰভাৱেৰেও প্ৰভাৱান্বিত হৈছে। আশাবাদ, মানৱপ্ৰেম আৰু জগতৰ সৌন্দৰ্যৰ মোহ তেওঁৰ কবিতাৰ বিশিষ্টতাৰ মূল কথা। অতি কম সংখ্যক কবিতা ৰচনা কৰিও অসমীয়া কাব্যজগতত স্থায়ী আসন লাভ কৰা কলংপৰীয়া কবি দেৱকান্ত বৰুৱা মূলতঃ প্ৰেমৰ কবি। দেৱকান্ত বৰুৱাৰ কবিতাৰ সংগ্ৰহ পুথি *সাগৰ দেখিছা*। প্ৰেয়সীৰ উদাসীনতা, নিষ্ঠুৰ প্ৰতিদানত বিচলিত নহৈ কবিয়ে সমাজৰ তথাকথিত ৰীতি-নীতিৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ বিচাৰিছে। ৰবাৰ্ট ব্ৰাউনিঙৰ কবিতাৰ নাটকীয় স্বগতোক্তিৰ আৰ্হিত কবিতা ৰচনা কৰি বৰুৱাই অসমীয়া কাব্যশৈলীত নতুন পথৰ সন্ধান দিছে।

উল্লিখিত কবিসকলৰ উপৰিও আৰু ভালেমান কবি আৰু গীতিকাৰে জোনাকী যুগৰ অসমীয়া কাব্যসাহিত্যলৈ বৰঙণি আগবঢ়াই গীতিকবিতাৰ ভঁৰাল চহকী কৰি

তুলিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ৰোমাণ্টিক যুগৰ কাব্য সাহিত্যৰ বৈশিষ্ট্য নিৰূপণ কৰি এটি প্রবন্ধ যুগুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ২ ঃ স্বদেশ প্রীতিৰ ভাব ফুটি উঠা জোনাকী যুগৰ অসমীয়া কবিতাৰ এটি আলোচনা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

৪.৫.২ নাটক

অঙ্কীয়া নাট আৰু সংস্কৃত নাটকৰ আকৃতিগত আৰু প্রকৃতিগত দিশ বিসর্জন দি সম্পূর্ণভাৱে পাশ্চাত্য নাটকৰ কলাত্মক দিশৰ আদর্শ অনুসৰণ কৰি আধুনিক অসমীয়া নাটক ৰচিত হ'বলৈ ধৰে জোনাকী যুগৰ পৰা। তদুপৰি বাংলা নাট্যকাৰ গিৰিশ চন্দ্র, দ্বিজেন্দ্রলাল ৰায় আদিৰ ঐতিহাসিক নাটকৰ দ্বাৰাও এই সময়ৰ নাট্যকাৰসকল প্রভাৱান্বিত হৈছিল। এই সময়ত আৰম্ভ হোৱা স্বদেশী আন্দোলনেও নাট্যকাৰসকলক অনুপ্রাণিত কৰিছিল। কলা-কৌশলৰ দিশত জোনাকী যুগৰ নাট্যকাৰসকলে ইংৰাজ নাট্যকাৰ শ্বেইক্সপীয়েৰৰ ৰীতি অনুসৰণ কৰে। বিশেষকৈ ট্রেজেডী, কমেডী, মেলোড্রামা, ফার্চ আদি পাশ্চাত্য নাটকৰ আর্হিত অসমীয়া নাটকৰ শ্রেণী বিভাজন কৰা হ'ল।এক বা একাধিক অঙ্কৰ দ্বাৰা দৃশ্য বিভাজন, অঙ্কৰ ভিতৰত গর্ভাঙ্ক বা একাধিক দৃশ্যাংশৰ অন্তর্ভুক্তি, একোক্তি, স্বগতোক্তি, ফ্লেচ বেক আদি নাটকীয় কলা-কৌশল পাশ্চাত্য নাটকৰ আর্হিত গ্রহণ কৰা হয়। ঊনবিংশ শতিকাৰ শেষলৈকে অসমত স্থায়ী মঞ্চ নির্মাণ হোৱা নাছিল। অৱশ্যে ইংৰাজসকলৰ ৰঙ্গমঞ্চৰ আর্হিত ঊনবিংশ শতিকাৰ শেষ দশকৰ পৰা অসমত ৰঙ্গমঞ্চ প্রতিষ্ঠিত হয়। এই সময়ত দুই-এখন অসমীয়া নাটক অভিনীত হয় যদিওঅসমীয়া মৌলিক নাটকৰ অভাৱত বাংলা নাটকৰ অনুবাদহে বেছিকৈ অভিনয় কৰিবলগীয়া হৈছিল। এনেদৰে ৰঙ্গমঞ্চত বঙলা নাটকৰ প্রচলনে অসমীয়া নাট্য সাহিত্যৰ সৃষ্টিত বাধা সৃষ্টি কৰিব বুলি ভাবিয়ে জোনাকী যুগৰ লেখকসকলে মৌলিক নাটক সৃষ্টিৰে অসমীয়া নাটঘৰ আৰু নাট্য সাহিত্য পৰিপুষ্ট কৰিবলৈ আগবাঢ়ি আহিছিল। বিশেষকৈ এই লেখকসকলে ইংৰাজী নাটক পঢ়ি আৰু ইংৰাজী নাটকৰ আর্হিত ৰচনা কৰা বাংলা নাটকৰ অভিনয় চাই অসমীয়াতো তেনে নাটক ৰচনা কৰিবলৈ লোৱাৰ পৰা আধুনিক অসমীয়া নাটকে বিকাশৰ পথত আগবাঢ়ি যায়।

পাশ্চাত্য নাটকৰ কলা-কৌশলৰ আর্হিত গুণাভিৰাম বৰুৱাৰ *ৰামনৱমী নাটক* (১৮৫৭), হেমচন্দ্র বৰুৱাৰ *কানীয়াৰ কীর্ত্তন* (১৮৬১) আৰু ৰুদ্রৰাম বৰদলৈৰ *বঙাল বঙালনী* (১৮৭১) নাটক প্রকাশেৰে আধুনিক নাটকৰ সূচনা হয়। অৱশ্যে সামাজিক

সংস্কাৰকামী মনোভাবে নাটককেইখনৰ সৌন্দর্য হ্রাস কৰিছে। মন কৰিবলগীয়া যে আধুনিক অসমীয়া নাটকৰ বিকাশত ঊনবিংশ শতিকাৰ উক্ত গহীন সামাজিক নাটকৰ ধাৰাটোৱে প্রভাৱ পেলাব নোৱাৰিলে।ঊনবিংশ শতিকাৰ শেষৰ পৰা বিংশৰ আৰম্ভণিলৈ ৰচনা কৰা নাটকৰ বেছিভাগেই ধেমেলীয়া বা প্রহসন জাতীয় নাটক। এই ধেমেলীয়া নাটককেইখনৰ বাহিৰে স্বাধীনতাৰ আগলৈকে গহীন সামাজিক নাটকৰ বিকাশ সম্ভৱ হৈ উঠা নাছিল। কাৰণ এই সময়ৰ দর্শকৰ অধিকাংশই আছিল চহা হজুৱা মানুহ। অঙ্কীয়া নাটৰ পৰম্পৰাৰে চলি অহা এই শ্রেণীৰ দর্শকসকলে সামাজিক নাটকৰ গহীন সমস্যা উপলব্ধি কৰিবলৈ সমর্থ হোৱা নাছিল। সমাজ জীৱনৰ জটিল প্রশ্নবোৰতকৈ আধ্যাত্মিক ভাব সম্বলিত *ৰামায়ণ, মহাভাৰত* আদি পৌৰাণিক আখ্যান আৰু পাতলীয়া প্রহসন জাতীয় বিষয়বস্তুৰেহে তেওঁলোকক আকর্ষণ কৰিছিল। সেয়েহে নাট্যকাৰসকলেও প্রহসন আৰু পৌৰাণিক শ্রেণীৰ নাটক ৰচনাতহে মনোনিৱেশ কৰিছিল।

১৮৮৯ চনত লক্ষ্মীনাথ বেজবৰুৱাই *জোনাকী*কাকতৰ প্রকাশ কৰা *লিতিকাই* নাটকখন ধেমেলীয়ানাটকৰ উৎকৃষ্ট নিদর্শন। *লিতিকাই*ৰ বহু বছৰৰ পিছত *পাচনি, নোমল* আৰু *চিকৰপতি নিকৰপতি* নামৰ ধেমেলীয়া নাটককেইখন তেওঁ লিখি উলিয়াইছিল। এই নাটককেইখনত চৰিত্রৰ বিসঙ্গতিমূলক কথা আৰু কার্যৰ দ্বাৰা অস্বাভাৱিক পৰিস্থিতিৰ সৃষ্টি কৰি হাস্যৰসৰ সৃষ্টি কৰিছে। বেজবৰুৱাৰ আন দুখন নাটক ক্রমে *গদাধৰ*(১৯১৮) আৰু *ৰৰবৰুৱাৰ বেতাল ষষ্ঠবিংশতি*(১৯৩২)ত ধেমেলীয়া শ্রেণীৰ যদিও আগৰকেই-খনতকৈ কিছু পৃথক। দুর্গাপ্রসাদ মজিন্দাৰ বৰুৱাৰ *মহৰী* (১৮৯৬) প্রসহনৰ এক উল্লেখযোগ্য নিদর্শন।লঘু ভাষা পৰিস্থিতিৰ সৃষ্টি কৰিপ্রহসনখনত হাস্যৰসৰ সৃষ্টি কৰিছে। অৱশ্যে নাটকখনৰ দ্বাৰা তৎকালীন সমাজৰ বাস্তৱ দিশ এটিও প্রতিফলিত কৰা হৈছে। *নিগ্রো* আৰু *কলিযুগ* বৰুৱাৰ আন দুখন উল্লেখযোগ্য ধেমেলীয়া নাটক। ঊনবিংশ শতিকাৰ ধেমেলীয়া শ্রেণীৰ নাটকৰ ভিতৰত পদ্মনাথ গোহাঞিবৰুৱাৰ *গাঁওবুঢ়া*(১৮৯৭) উল্লেখযোগ্য। লঘু সংলাপে হাস্যৰসৰ সৃষ্টি কৰিছে যদিও হাস্যৰস সৃষ্টিক উদ্দেশ্য কৰি তেওঁ নাটকখন লিখা নাছিল। বৃটিছ শাসনৰ আদিছোৱাত সাধাৰণ অবৈতনিত চৰকাৰী কর্মচাৰীৰ জীৱনৰ দুৰৱস্থাৰ এক বাস্তৱ চিত্র ৰূপায়ণ কৰাহে নাটকখনৰ মূল উদ্দেশ্য। পৰৱর্তী সময়তে তেওঁ *টেটোন তামুলী*(১৯০৮) আৰু ভূত *নে ভ্রম*(১৯২৪) নামৰ দুখন ধেমেলীয়া নাটক ৰচনা কৰে যদিও প্রহসন হিচাপে দুয়োখন নাটকৰে মূল্য বিশেষ নাই। লক্ষ্মীনাথ বেজবৰুৱা, গোহাঞিবৰুৱা আৰু মজিন্দাৰ বৰুৱাই পৰিপুষ্ট কৰি তোলা এই প্রহসনৰ ধাৰাটো সুদৃঢ় কৰি তোলাত বিশেষভাৱে বৰঙণি আগবঢ়োৱা কেইগৰাকী মান নাট্যকাৰ হ'ল বেণুধৰ ৰাজখোৱা, মিত্রদেৱ মহন্ত, সুৰেন্দ্রনাথ শইকীয়া, লক্ষ্মীধৰ শর্মা, কুমুদ চন্দ্র বৰুৱা, বিনন্দচন্দ্র বৰুৱা, প্রবীণ ফুকন ইত্যাদি।

এই সময়ছোৱাত গুণাভিৰাম বৰুৱাই আৰম্ভ কৰা গহীন সামাজিক নাটকৰ ধাৰাটোৱেও ছেগা-চোৰোকাকৈ ভুমুকি নমৰাকৈ থকা নাছিল। এই প্রসঙ্গত বেণুধৰ

ৰাজখোৱাৰ *সেউতি-কিৰণ*(১৮৯৪), লক্ষ্মীধৰ শর্মাৰ *নির্মলা*(১৯২৬), *শৃঙ্খল*(১৯৩১), *হৃদয়ৰ মূল্য*(১৯৩৯) অম্বিকাগিৰী ৰায়চৌধুৰীৰ *বিশ্বনাট্য*(১৯২১), হৰিচন্দ্ৰ ভট্টাচার্যৰ *ৰমণীশক্তি*(১৯৩৫), *কুপুত্ৰ*(১৯৩৮) আদিৰ নাম উল্লেখ কৰিব পাৰি। গহীন সামাজিক নাটক হিচাপে জ্যোতিপ্ৰসাদ আগৰৱালাৰ *কাৰেঙৰ লিগিৰী*(১৯৩৭) এই সময়ৰ এখন উল্লেখযোগ্য নাটক। শ্বেইক্সপীয়েৰীয় আৰু ইবছেনীয় ৰীতিৰ সংমিশ্ৰণত মধ্যযুগীয় পটভূমিত পুৰণি আৰু নতুনৰ মাজৰ আদর্শৰ সংঘাতক লৈ ৰচনা কৰা এই নাটকখন অসমীয়া নাট্যসাহিত্যৰ এক অপূর্ব সংযোজন বুলি ক'ব পাৰি। চৰিত্ৰ সৃষ্টিৰ দক্ষতাৰে ৰচনা কৰা *ৰূপালীম*(১৯৩৬) জ্যোতিপ্ৰসাদৰ আন এখন উল্লেখযোগ্য সামাজিক নাটক।

উল্লিখিত নাটকসমূহৰ উপৰিও পার্বতিপ্ৰসাদ বৰুৱাৰ *সোণৰ সোলেং*(১৯২৯), দীন মেধিৰ *পুনর্জন্ম*(১৯২১), কমলেশ্বৰ চলিহাৰ *ধূলি*(১৯৩০) আদি কেইখনমান ৰূপক আৰু প্ৰতীকধর্মী নাটকেও জোনাকী যুগৰ সামাজিক নাটকৰ ধাৰাটোৰ বিকাশত অৰিহণা যোগাই গৈছে।

বিংশ শতিকাৰ প্ৰাৰম্ভৰ পৰা অসমীয়া সাহিত্যত পৌৰাণিক আৰু ঐতিহাসিক নাটকৰ ধাৰাবাহিকতা আৰম্ভ হয়। এই সময়ছোৱাত স্বদেশী আন্দোলন আৰু ভাৰতীয় জাতীয়তাবাদী ভাবধাৰাৰ প্ৰবর্তনে লেখকসকলৰ জাতীয় চেতনা জাগ্ৰত কৰে। সেয়েহে পৌৰাণিক কাহিনীৰ নৈতিক আদর্শ আৰু ঐতিহাসিক ঘটনাত নিহিত থকা স্বদেশপ্ৰেম, বীৰত্ব আদিৰ যোগেদি জনগণৰ মাজত জাতীয় চেতনা জগাই তুলিবৰ বাবে এই সময়ৰ নাট্যকাৰসকলে পৌৰাণিক আৰু ঐতিহাসিক নাটক ৰচনাত মনোনিৰেশ কৰে।

ঊনবিংশ শতিকাৰ শেষৰফালে পূর্ণকান্ত দেৱশর্মাৰ *হৰিশ্চন্দ্ৰ নাটক*(১৮৯৩) আৰু *হৰধনু ভঙ্গ*(১৮৯৩) নাটক ৰচনাৰে পৌৰাণিক নাটকৰ শুভাৰম্ভ হয়। ছয় অঙ্কীয়া এই নাটক দুখনৰ ৰচনা কৌশল পাশ্চাত্য নাটকৰ আর্হিতে কৰা হ'লেও সংস্কৃত আৰু অঙ্কীয়া নাটৰ প্ৰভাৱো ইয়াত পৰিলক্ষিত নোহোৱাকৈ থকা নাই।

বিংশ শতিকাৰ আৰম্ভণিৰ পৰাহে পৌৰাণিক নাটক ৰচনাৰ লেথাৰি নিছিগা ধাৰাবাহিকতা আৰম্ভ হয়। এই প্ৰসঙ্গত দেৱনাথ বৰদলৈৰ *বৈদেহী বিচ্ছেদ*(১৯০১) দুর্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ *গুৰু দক্ষিণা*(১৯০১) বেণুধৰ ৰাজখোৱাৰ *দুর্যোধনৰ উৰুভঙ্গ* (১৯০১), *দক্ষযজ্ঞ*(১৯০৮), চন্দ্ৰধৰ বৰুৱাৰ *মেঘনাদ বধ*(১৯০৮) আদি উল্লেখযোগ্য। এই সময়ছোৱাতে চন্দ্ৰধৰ বৰুৱাই আধুনিক অসমীয়া পৌৰাণিক নাটকক এটি স্বকীয় আৰু গতিশীল ৰূপ প্ৰদান কৰে। তেওঁৰ *মেঘনাদ বধ*ৰ মূল কাহিনীটো *ৰামায়ণ*ৰ অন্তর্গত হ'লেও নাট্যকাৰে কাহিনীভাগ একে নামৰে বাংলা কবি মাইকেল মধুসূদন দত্তৰ মহাকাব্যধর্মী কবিতাক ভিত্তি কৰি ৰচনা কৰিছে। পৌৰাণিক নাটক ৰচনাৰে আধুনিক অসমীয়া নাট্যসাহিত্যলৈ চন্দ্ৰধৰ বৰুৱাই আগবঢ়োৱা উল্লেখযোগ্য বৰঙণি হ'ল অমিত্ৰাক্ষৰ ছন্দ। ইয়াৰ আগতে ভোলানাথ দাসে *সীতা হৰণ কাব্যত*(১৮৮৮), পদ্মনাথ গোহাঞিবৰুৱাই *জয়মতী*(১৯০০) নাটত আৰু দেৱনাথ বৰদলৈয়ে *বৈদেহী বিচ্ছেদত*

(১৯০১) এইবিধ ছন্দ ব্যৱহাৰ কৰিছিল যদিও তেওঁ অমিত্রাক্ষৰ ছন্দক গহীন নাটকৰ উপযোগী মাধ্যম কৰি গঢ়ি তুলিলে। তেওঁৰ আন দুখন পৌৰাণিক নাটক হ'ল *তিলোত্তমা সম্ভৱ* (১৯২৯) আৰু *ৰাজর্ষি* (১৯৩৭)। *ৰামায়ণ* আৰু *মহাভাৰতৰ* কাহিনীৰ আধাৰত ৰচিত দুর্গেশ্বৰ শর্মাৰ *পার্থ পৰাজয়* (১৯০৯) আৰু *ৰালীবধ* (১৯১২) নাটক দুখনত নাট্যকাৰে কল্পনাৰ সহায়েৰে নাটকীয় পৰিস্থিতি সুন্দৰভাবে বর্ণনা কৰিছে। অতুলচন্দ্র হাজৰিকাৰ *বেউলা, নন্দ দুলাল, চম্পাৱতী, কুৰুক্ষেত্র, নৰকাসুৰ, ৰুক্মিণীহৰণ, নির্যাতিতা সতী* আদি উল্লেখযোগ্য নাটকেও পৌৰাণিক নাটকৰ ধাৰাটো সৰল কৰি তুলিছে। তেওঁ নাটকৰ পুৰাণ আৰু মহাকাব্যিক চৰিত্রবোৰ নতুন যুগৰ নতুন চিন্তাধাৰাতে আকর্ষণীয় ৰূপত চিত্রিত কৰিছে।

বিংশ শতিকাৰ আৰম্ভণিৰ পৰা তৃতীয়, চতুর্থ দশকমানলৈ পৌৰাণিক আখ্যানৰ আধাৰত ৰচিত কিছুমান নাটক হ'ল দুর্গাপ্রসাদ মজিন্দাৰ বৰুৱাৰ *গুৰুদক্ষিণা*, অম্বিকাগিৰী ৰায়চৌধুৰীৰ *জয়দ্রথ বধ*, ইন্দ্রেশ্বৰ বৰঠাকুৰৰ *শ্রীবৎস চিন্তা*, কমলানন্দ ভট্টাচার্যৰ *অৰসান*, আনন্দ চন্দ্র বৰুৱাৰ *বিসর্জন, নল দময়ন্তী*, কামাখ্যানাথ ঠাকুৰৰ *বেউলা, নন্দ দুলাল*, গণেশ চন্দ্র গগৈৰ *শকুনিৰ প্রতিশোধ*, বিনন্দ চন্দ্র বৰুৱাৰ *পার্থ সাৰথি*, শৰৎ চন্দ্র গোস্বামীৰ *পৰীক্ষা*, দুগ্ধনাথ খাউণ্ডৰ *সীতা হৰণ নাট*, থানেশ্বৰ হাজৰিকাৰ *বভ্রুবাহন* ইত্যাদি। পৌৰাণিক কাহিনীসমূহ যথাযথভাৱে ৰূপ দিয়া বাবে উক্ত নাটকসমূহৰ সাহিত্যিক মূল্য বৰ বেছি নাই। অৱশ্যে অসমীয়া মৌলিক নাটকৰ সীমাবদ্ধতা আঁতৰ কৰাত এই নাটকবোৰৰ ঐতিহাসিক ভূমিকা অতি গুৰুত্বপূর্ণ।

জ্যোতিপ্রসাদ আগৰৱালাই পৌৰাণিক আখ্যানক নতুন দৃষ্টিভঙ্গীৰে কল্পনা আৰু আর্টৰ সমন্বয়ত তথা মঞ্চ নির্দেশনা সন্নিৱিষ্ট কৰি আকর্ষণীয় আৰু চমৎকাৰী ৰূপ দান কৰিছে। তেওঁ অসমীয়া নাটকৰ গতানুগতিক ৰীতি পৰিহাৰ কৰি পাশ্চাত্য নাট্যকাৰ ইবছেন, বার্ণার্ড শ্ব' আদিৰ নাটকীয় কলা-কৌশল ব্যৱহাৰ কৰিছে। বিশেষকৈ তেওঁ *শোণিত কুঁৱৰী* নাটকত পৌৰাণিক আখ্যান ভাগক প্রাধান্য দিয়াৰ পৰিৱর্তে ঊষা-অনিৰুদ্ধৰ প্রেমৰ কাহিনীটোৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি পৌৰাণিক নাটকখনত বাস্তৱতা আৰোপ কৰিবলৈ চেষ্টা কৰিছে। তদুপৰি সঙ্গীত আৰু কাব্যধর্মী সংলাপ, থলুৱা গীত আৰু সুৰৰ ব্যৱহাৰৰ দ্বাৰা নাট্যকাহিনী আকর্ষণীয় কৰি তোলা হৈছে।

ঐতিহাসিক নাটক জোনাকী যুগৰ উল্লেখযোগ্য সৃষ্টি। বিংশ শতিকাৰ আৰম্ভণিতে স্বাধীনতা আন্দোলন আৰু বঙ্গীয় সাহিত্যত ফুটি উঠা জাতীয় চেতনাৰ দ্বাৰা উদ্বুদ্ধ হৈ ইংৰাজী নাটকৰ অনুকৰণত অসমীয়া নাট্যকাৰ কেইজনমানে ঐতিহাসিক নাটক ৰচনাৰ ধাৰাটো আৰম্ভ কৰে। স্বদেশপ্রেমত উদ্বুদ্ধ হৈ ১৯০০ চনত পদ্মনাথ গোহাঞিবৰুৱাই ৰচনা কৰা *জয়মতী* নাটকে বুৰঞ্জীমূলক নাটকৰ পাতনি মেলে। *জয়মতীৰ* দৰে আহোম যুগৰ অসম বুৰঞ্জীৰ ভেটিত ৰচিত তেওঁৰ আন কেইখনমান নাটক হ'ল— *গদাধৰ* (১৯০৭), *সাধনী* (১৯১০) আৰু *লাচিত বৰফুকন* (১৯১৫)।

গোহাঞিবৰুৱাৰ দৰে আহোমৰ দিনৰ অসম বুৰঞ্জীৰ কাহিনীৰ আধাৰত ৰচিত লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা বুৰঞ্জীমূলক নাটক তিনিখন হ'ল *জয়মতী কুঁৱৰী* (১৯১৫), *বেলিমাৰ* (১৯১৫), *চক্রধ্বজ সিংহ* (১৯১৫)। কৰুণ কাহিনীৰে *জয়মতী কুঁৱৰী* তথা চন্দ্রকান্ত সিংহৰ দিনত আহোম ৰাজ্যৰ অধঃপতনৰ কাহিনীৰে *বেলিমাৰ* নাটক দুখন ট্রেজেডী শ্রেণীৰ। আনহাতে, শৰাইঘাটৰ ৰণত অসমৰ জয় আৰু মোগলৰ পৰাজয়ৰ কাহিনীৰে লিখা *চক্রধ্বজ সিংহ* কমেডী শ্রেণীৰ। তেওঁৰ নাটককেইখনত শ্বেইক্সপীয়েৰৰ নাটকৰ প্রভাৱ আছে। চন্দ্রকান্ত সিংহৰ গজপুৰীয়া, গজপুৰীয়ানী, প্রিয়ৰাম আৰু সিহঁতৰ লগৰীয়া চৰিত্রকেইটা শ্বেইক্সপীয়েৰৰ হেন্ৰী ফোর্ডৰ ফলষ্টাফৰ আৰ্হিত ৰচিত। মানৰ আক্রমণ আৰু আহোম ৰাজত্বৰ পতনৰ কাহিনীৰ আধাৰত ৰচিত এই সময়ৰ দুখন ঐতিহাসিক নাটক হ'ল— নকুল চন্দ্র ভূঞাৰ *বদন বৰফুকন* (১৯২৭) আৰু *চন্দ্রকান্ত সিংহ* (১৯৩১)। বিংশ শতিকাৰ তৃতীয়-চতুর্থ দশকত ইংলেণ্ডৰ Revenge Playৰ দৰে প্রতিশোধপৰায়ণতাক কেন্দ্র কৰি ৰচিত হোৱা কেইখনমান ঐতিহাসিক নাটক হ'ল— দৈৱচন্দ্র তালুকদাৰৰ *বামুণী কোঁৱৰ*, প্রসন্নলাল চৌধুৰীৰ *নীলাম্বৰ*, কমলাকান্ত ভট্টাচার্যৰ *নগা কোঁৱৰ*, আনন্দ চন্দ্র বৰুৱাৰ *কমতা কুঁৱৰী* আদি। বিংশ শতিকাৰ আৰম্ভণিৰ পৰা বিশেষকৈ দ্বিতীয়ৰ পৰা চতুর্থ দশকৰ ভিতৰত অসম বুৰঞ্জীৰ বাহিৰত ভাৰতৰ অন্য প্রান্তৰ বুৰঞ্জীৰ সমলৰ আধাৰত ৰচনা কেইখনমান ঐতিহাসিক নাটকেও অসমীয়া ঐতিহাসিক নাটকৰ ধাৰাটো উজ্জ্বল কৰি তুলিছিল। পজিৰুদ্দিন আহমেদৰ 'গুলেনাৰ', অতুলচন্দ্র হাজৰিকাৰ *কনৌজ কুঁৱৰী*, *ছত্রপতি শিৰাজীৰ* নাম এই প্রসঙ্গত উল্লেখযোগ্য।

এই সময়ছোৱাৰে আন কেইখনমান ঐতিহাসিক নাটক হ'ল ৰাধাকান্ত সন্দিকৈৰ *মূলাগাভৰু* (১৯২৪), শৈলধৰ ৰাজখোৱাৰ *স্বর্গদেউ প্রতাপ সিংহ* (১৯৩২), *বিদ্যাৱতী* (১৯১৮), বিনন্দ চন্দ্র বৰুৱাৰ *শৰাইঘাট* (১৯৩৭), বিপিন চন্দ্র শর্মা বৰুৱাৰ *মেৰাৰ সন্ধ্যা* (১৯৩৭) আদি প্রধান। বেছিভাগ নাট্যকাৰে ঐতিহাসিক যুগৰ উপযুক্ত পৰিৱেশ সৃষ্টি কৰাত কৃতকার্য হোৱা নাই যদিও বুৰঞ্জীৰ একো একোটি ঘটনা চিত্রিত কৰিবলৈ সমর্থ হৈছে।

অনূদিত নাটক ঃ ইংৰাজী নাটকৰ অধ্যয়ন আৰু ইংৰাজী নাটকৰ আৰ্হিত ৰচিত বঙালী নাটকৰ অভিনয় দর্শনেৰে জোনাকী যুগত কেবাজনো নাট্যকাৰে তেনে নাটক ৰচনা কৰিবলৈ অনুপ্রাণিত হয়। ফলস্বৰূপে নাট্যকাৰসকলে শ্বেইক্সপীয়েৰৰ নাটকৰ আৰ্হিত নাটক ৰচনা কৰাৰ উপৰিও শ্বেইক্সপীয়েৰৰ এলানি নাটক অনুবাদো কৰিছিল। পোন প্রথমে ১৮৮৮ চনত শ্বেইক্সপীয়েৰৰ *কমেডী অৱ এৰ্ৰৰছ্ব* অসমীয়া ভাঙনি হিচাপে *ভ্রমৰঙ্গ* নামৰ নাট অনুবাদ কৰাৰ পিছত পৰৱর্তী সময়ত শ্বেইক্সপীয়েৰৰ কেবাখনো নাটক অসমীয়ালৈ ৰূপান্তৰিত কৰা হয়। এই প্রসঙ্গত শ্বেইক্সপীয়েৰৰ *As you like it*ৰ অনূদিত ৰূপ দুর্গেশ্বৰ শর্মাৰ *চন্দ্রাৱলী* (১৯১০), *Mecbeth*ৰ ভাৱানুবাদ ৰূপ দেৱানন্দ

ভৰালীৰ *ভীমদৰ্প* (১৯১৮), *Romeo and Juliet* আৰু *Cymbeline*ৰ অনুবাদ পদ্মধৰ চলিহাৰ *অমৰ লীলা* (১৯২০), অম্বিকাপ্রসাদ গোস্বামীৰ *তাৰা* (১৯৩৫), *Merchant of Venice* আৰু *King Lear*ৰ অনুবাদ ৰূপে ক্রমে অতুল চন্দ্র হাজৰিকাৰ *বণিজ কোঁৱৰ* (১৯৪৬) আৰু *অশ্রুতীর্থ* (১৯৫০) আদিৰ কথা উল্লেখ কৰিব পাৰি। আলোচ্যমান যুগত সংস্কৃত নাটককেইখনমানো অসমীয়ালৈ অনূদিত হৈছে। শূদ্রকৰ *মৃচ্ছকটিকম্* নাটকৰ অসমীয়া ৰূপান্তৰ *ৰাজনটী* আৰু কালিদাসৰ *অভিজ্ঞান শকুন্তলম্*ৰ অনুবাদ *শকুন্তলা* নাটকৰ নাম এই ক্ষেত্রত প্রণিধানযোগ্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ জোনাকী যুগৰ অসমীয়া নাটকৰ বিষয়ে এটি আলোচনা প্রস্তুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

৪.৫.৩ উপন্যাস

অৰুনোদই যুগত *জাত্রিকৰ যাত্রা, ফুলমণি আৰু কৰুণা, এলোকেশী বেশ্যাৰ কথা, কামিনীকান্ত* আদি জনদিয়েক মিছনেৰীৰ হাতত উপন্যাসৰ লেখীয়া অনূদিত দীঘলীয়া আখ্যান প্রকাশ পাইছিল যদিও উৎকট প্রচাৰধর্মী মনোভাবৰ বাবে এইবোৰে উপন্যাসৰ কলাত্মক সৌন্দর্য দান কৰিব পৰা নাই। বাস্তৱ দৃষ্টিভঙ্গীৰে হেমচন্দ্র বৰুৱাৰ *বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী* (১৮৬৯)ত ৰচিত হৈছে যদিও তীব্র ব্যঙ্গভৰা সংস্কাৰমূলক মনোভাবৰ বাবে ই প্রকৃত উপন্যাসৰ শাৰীত প্রতিষ্ঠিত হ'ব পৰা নাই। ইয়াৰ পৰৱর্তী কালত ১৮৮০ চনত পদ্মাৱতী দেৱী ফুকননীয়ে ৰচনা কৰা *সুধর্মাৰ উপাখ্যান*ত প্রচাৰধর্মী মনোভাব নাই যদিও প্রকৃত বাস্তৱবাদৰ ওপৰত প্রতিষ্ঠিত হ'ব পৰা নাই বাবে উপন্যাস ৰূপে স্বীকৃতি লাভ কৰিব নোৱাৰিলে। জোনাকী যুগৰ পৰাহে প্রকৃত উপন্যাস ৰচনা হ'বলৈ ধৰে। পদ্মনাথ গোহাঞিবৰুৱা অসমীয়া সাহিত্যৰ প্রথম ঔপন্যাসিক। মোৱামৰীয়া বিদ্রোহৰ পটভূমিত ৰচনা কৰা তেওঁৰ *ভানুমতী* (১৮৯০-৯১) উপন্যাসখনেই আধুনিক অর্থত প্রথম অসমীয়া উপন্যাস। মানৰ দিনৰ শেষ সময়ছোৱাৰ পটভূমিত ৰচিত *লাহৰী* (১৮৯২) তেওঁৰ দ্বিতীয় উপন্যাস। ইতিহাসক আশ্রয় কৰি পূর্ণাঙ্গ অসমীয়া উপন্যাসৰ জন্ম দিয়া পদ্মনাথ গোহাঞিবৰুৱাৰ সময়তে লক্ষ্মীনাথ বেজবৰুৱায়ো উপন্যাস ৰচনাত হাত দিয়ে। অসম বুৰঞ্জী প্রসিদ্ধ *দন্দুৱা দ্রোহ*ৰ ভেটিত বেজবৰুৱাই ৰচনা কৰা একমাত্র উপন্যাসখন *পদুম কুঁৱৰী* (১৮৯১)। বুৰঞ্জীৰ ঘটনাৰ সৈতে সূর্য্য কুমাৰ আৰু হৰদত্তৰ জীয়ৰী পদুমৰ প্রণয় কাহিনী এটি সংযোজনেৰে উপন্যাসখনৰ কাহিনী নির্মাণ কৰা হৈছে। ইতিহাসৰ পটভূমিত উপন্যাস ৰচনা হোৱা বাবে অসমীয়া উপন্যাস সাহিত্যৰ আৰম্ভণিছোৱা ঐতিহাসিক উপন্যাসৰ কাল ৰূপে চিহ্নিত কৰিব পাৰি। গোহাঞিবৰুৱা আৰু বেজবৰুৱাই আৰম্ভ কৰা ঐতিহাসিক উপন্যাসৰ

ধাৰাটি পৰিপুষ্ট কৰি তোলে ৰজনীকান্ত বৰদলৈয়ে। তেওঁ ৰচনা কৰা উপন্যাসৰ সৰহ সংখ্যকেই আছিল ঐতিহাসিক। সাধাৰণতে গৌৰৱোজ্জ্বল প্ৰাচীন কাহিনীৰ যোগেদি জাতিৰ প্ৰতি পাঠকক সচেতন কৰি তোলাৰ উদ্দেশ্যেৰে এই সময়ৰ ঔপন্যাসিকে ইতিহাসৰ পটভূমিত উপন্যাস ৰচনা কৰিবলৈ লৈছিল। *জোনাকীৰ* পৰা দ্বিতীয় মহাযুদ্ধৰ আগলৈকে এই সময়ছোৱাত আশাশুধীয়াভাৱে উপন্যাস ৰচনাত হাত দিয়ে ৰজনীকান্ত বৰদলৈয়ে। তেওঁৰ উপন্যাসৰাজিৰ মাজেৰেই অসমীয়া উপন্যাসৰ ভেটি সুপ্ৰতিষ্ঠিত হয়। তেওঁ ৰচনা কৰা মুঠ নখন উপন্যাসৰ ভিতৰত এখনেই সামাজিক উপন্যাস। সেইখন হ'ল মিচিং সমাজৰ পটভূমিত ৰচনা কৰা উপন্যাস *মিৰি জীয়ৰী* (১৮৯৫)। তদুপৰি মণিপুৰৰ পৌৰাণিক আখ্যানৰ ভেটিত ৰচনা কৰা তেওঁৰ আন এখন উপন্যাস হ'ল *থম্বা থুইবীৰ সাধু*। এই দুখন উপন্যাসৰ বাহিৰে বৰদলৈৰ বাকীকেইখন উপন্যাস বুৰঞ্জীমূলক।

অসম বুৰঞ্জীৰ দুৰ্যোগপূৰ্ণ সময় এছোৱাৰ পটভূমিত ৰচনা কৰা *মনোমতী* (১৯০০) বৰদলৈৰ প্ৰথম ঐতিহাসিক উপন্যাস। *মনোমতীৰ* পিছত ৰচনা কৰা কামৰূপৰ হৰদত্ত বীৰদত্তৰ নেতৃত্বত হোৱা *দন্দুৱা দ্ৰোহ* (১৯২৯) আৰু মোৱামৰীয়া বিদ্ৰোহৰ ভেটিত ৰচনা কৰা *ৰাধা-ৰুক্মিণীৰ ৰণ* (১৯২৫) উপন্যাস দুখন ঐতিহাসিক ঘটনাৰ ওপৰত প্ৰধানভাৱে গুৰুত্ব আৰোপ কৰি ৰচনা কৰা ইতিহাসপ্ৰধান উপন্যাস। আনহাতে, *নিৰ্মল ভকত* (১৯২৬), *ৰহদৈ লিগিৰী* (১৯৩০) আৰু *তাম্ৰেশ্বৰী মন্দিৰ* (১৯২৬) এইকেইখন উপন্যাস ঐতিহাসিক ঘটনাৰ পটভূমিত কাল্পনিক কাহিনীৰ ওপৰত প্ৰাধান্য দি ৰচনা কৰা হৈছে। বৰদলৈৰ আটাইকেইখন উপন্যাসেই নাৰী চৰিত্ৰপ্ৰধান। তেওঁৰ বেছিভাগ উপন্যাসৰে মূল বিষয় প্ৰেম। স্কট আৰু বঙ্কিম চন্দ্ৰৰ দৰে বৰদলৈৰ উপন্যাসতো প্ৰেমমূলক কাহিনীৰ যোগেদি ৰোমান্সৰ ৰস পৰিৱেশন কৰা হৈছে। তেওঁৰ উপন্যাসত প্ৰেম দৈহিক মিলনৰ স্তৰৰ ঊৰ্ধত ভগৱৎ প্ৰেমৰ স্তৰত পৰিণতি লাভ কৰিছে। সহজ-সৰল জীৱন আৰু নৈসৰ্গিক প্ৰকৃতিৰ প্ৰতি থকা প্ৰেমৰ পৰিচয় তেওঁৰ উপন্যাসত দেখিবলৈ পোৱা যায়। তেওঁৰ উপন্যাসৰ চৰিত্ৰবোৰত মানসিক দ্বন্দ্ব ফুটি উঠা নাই; অৱশ্যে সৰু-বৰ সৎ-অসৎ সকলোবোৰ চৰিত্ৰ তেওঁ সহানুভূতিশীল দৃষ্টিৰে অঙ্কন কৰিছে। মানুহৰ মন আধ্যাত্মিকতাৰ প্ৰতি ঢাল খুৱাবৰ বাবে তেওঁ উপন্যাস ৰচনা কৰিছিল। বিশেষকৈ বৈষ্ণৱ ধৰ্মৰ প্ৰতি থকা একনিষ্ঠতা, গভীৰ আস্থা আৰু আশাবাদী দৃষ্টিভঙ্গী তেওঁৰ উপন্যাসৰাজিৰ মাজেৰে চিত্ৰিত হৈছে। সেইবাবেই সুবিধা বুজি উপন্যাসৰ মাজত বৈষ্ণৱ ধৰ্ম সম্বন্ধীয় তত্ত্ব ব্যাখ্যা কৰাৰ লগতে শান্তিৰ পথ হিচাপে উপন্যাসৰ নায়ক-নায়িকাক বৈষ্ণৱ ধৰ্মত শৰণ লোৱা দেখুৱাইছে। অৱশ্যে বৈষ্ণৱ ধৰ্মতত্ত্ব সম্বন্ধীয় মাত্ৰাধিক বৰ্ণনাই উপন্যাসৰ কথাবস্তু বিক্ষিপ্ত কৰাৰ লগতে কাহিনীৰ গতিশীলতাত বাধা দিছে। নিৰ্মল ভকত, ৰহদৈ লিগিৰী আদি উপন্যাসত এনে ধৰণৰ ধৰ্মতত্ত্ব সম্বন্ধীয় বৰ্ণনা মাত্ৰাধিক ব্যৱহাৰ কৰা হৈছে। ইতিহাসৰ পুনৰাবৃত্তি কৰাৰ পৰিৱৰ্তে কোনো এটি বিশেষ যুগৰ

মানুহৰ জীৱনধাৰাক স্পষ্ট কৰি তুলিব পৰাটোহে ঐতিহাসিক উপন্যাসৰ প্ৰধান কথা। স্কট আৰু বঙ্কিমচন্দ্ৰৰ দৰে বৰদলৈয়ে অসমৰ ইতিহাসৰ পটভূমিত পুৰণি অসমীয়া সমাজ জীৱনৰ ধৰ্ম, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, প্ৰেম আদিৰ এখন জীৱন্ত আৰু স্পষ্ট ছবি উপন্যাসৰ মাজেৰে প্ৰতিফলিত কৰিছে। মুঠতে ঐতিহাসিক পটভূমিত আহোম ৰাজত্বৰ শেষ সময়ছোৱাৰ এটি সামাজিক চিত্ৰ পাঠকক সুন্দৰকৈ বুজাই দি সমাজখন সজীৱ কৰি তোলাই বৰদলৈৰ উপন্যাস ৰচনাৰ প্ৰধান লক্ষ্য আছিল। *মিৰি জীয়ৰী, মনোমতী, ৰহদৈ লিগিৰী* বৰদলৈৰ শ্ৰেষ্ঠ সাহিত্যিক কৃতি বুলি ক'ব পাৰি। তেওঁৰ *নিৰ্মল* ভকত উপন্যাসখনৰ মূল ঘটনা ইংৰাজ কবি টেনিচনৰ *এনোক আৰ্ডেন*ৰ ৰূপান্তৰ যদিও ইয়াৰ সমস্ত পৰিৱেশ সৃষ্টিত ঔপন্যাসিকৰ স্বকীয়তা পৰিলক্ষিত হয়। মানৰ প্ৰথম আক্ৰমণৰ ভেটিত *ৰঙিলী* আৰু তৃতীয় আক্ৰমণৰ ভেটিত *নিৰ্মল* ভকতৰ কাহিনী নিৰ্মাণ কৰা হৈছে।

বৰদলৈৰ পিছত জোনাকী যুগত একনিষ্ঠভাৱে উপন্যাস ৰচনাত প্ৰবৃত্ত হোৱা লেখক প্ৰায় নাই বুলিয়েই ক'ব পাৰি। অন্যান্য ৰচনাৰ লগতে ঐতিহাসিক আৰু সামাজিক উপন্যাস ৰচনা কৰা এই সময়ৰ এজন ঔপন্যাসিক দণ্ডিনাথ কলিতা। মানৰ তৃতীয় আক্ৰমণৰ সময়ৰ অসমৰ অস্থিৰ অৱস্থাৰ পটভূমিত ৰচিত তেওঁৰ প্ৰথম উপন্যাস *ফুল* (১৯০৮)। তেওঁৰ আন দুখন উপন্যাস *পৰিচয়* আৰু *গণবিপ্লৱে* উপন্যাস হিচাপে সাৰ্থকতা লাভ কৰিব পৰা নাই। *সাধনা* (১৯২৯) আৰু *আৱিষ্কাৰ* (১৯৫১) সামাজিক সমস্যা আৰু দোষ-ত্ৰুটীৰ বিশ্লেষণেৰে ভৰা দুখন উল্লেখযোগ্য উপন্যাস। মহাত্মা গান্ধীৰ ৰাজনৈতিক আৰু সামাজিক আন্দোলনে প্ৰভাৱান্বিত কৰা দৈৱচন্দ্ৰ তালুকদাৰৰ উপন্যাসত আদৰ্শবাদ প্ৰচাৰ আৰু সমাজ সংস্কাৰৰ মনোভাৱে উপন্যাসৰ কলাত্মক সৌন্দৰ্যৰ বিকাশ ঘটাব নোৱাৰিলে। *ধুঁৱলী কুঁৱলী, অপূর্ণ, আগ্নেয়গিৰি, বিদ্রোহী, আদর্শ পীঠ, দুনীয়া* আদি আদৰ্শাত্মক আৰু বৰ্ণনামূলক হোৱা বাবে উপন্যাসৰাজিৰ কলাত্মক সৌন্দৰ্যৰ বিকাশ নঘটিল। সমসাময়িক সামাজিক সমস্যা চিত্ৰিত হোৱা নাই বাবে কলাগত দিশত সাৰ্থকতা লাভ কৰিব নোৱাৰিলেও সামাজিক তথা জাতীয় চৈতন্য জাগ্ৰত কৰাত উপন্যাসৰাজিয়ে কিছু পৰিমাণে হ'লেও বৰঙণি আগবঢ়াব পাৰিছে। এওঁলোকৰ পৰৱৰ্তীকালত বিংশ শতিকাৰ চতুর্থ দশকৰ ভিতৰত ভালেকেইখন উপন্যাস ৰচনা হৈছিল। সেইসমূহৰ ভিতৰত ঐতিহাসিক পটভূমিত ৰচনা কৰা শৰৎ চন্দ্ৰ গোস্বামীৰ *পাণিপথ*, হৰি নাৰায়ণ দত্ত বৰুৱাৰ *চিত্ৰ দৰ্শন* আৰু সামাজিক পটভূমিত ৰচনা কৰা শান্তিৰাম দাসৰ *বৈৰাগী*, চিন্তাহৰণ পাটগিৰিৰ *সংসাৰ চিত্ৰ*, দণ্ডিধৰ সোণোৱালৰ *চপলা*, নবীন ভট্টাচার্যৰ *চন্দ্ৰপ্ৰভা*, স্নেহলতা ভট্টাচার্যৰ *বীণা*, দীননাথ শর্মাৰ *ঊষা, বেমেজালি* আদি উল্লেখযোগ্য। আলোচ্যমান যুগত কেইখনমান ইংৰাজী উপন্যাস অসমীয়ালৈ অনূদিত হৈছে। তাৰ ভিতৰত লক্ষেশ্বৰ শর্মাৰ *মাতৃ* আৰু *পম্পিয়াইৰ প্ৰলয় কাহিনী*, শান্তিৰাম দাসৰ *মিলন মন্দিৰ, ছদ্মৱেশী*, ৰোহিণীকান্ত বৰুৱাৰ *পৰম ক্ষুধা* আদিৰ নাম উল্লেখ কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ৰজনীকান্ত ৰৱদলৈৰ উপন্যাসৰাজিৰ এটি চমু বর্ণনা দাঙি ধৰক। (১৫০টা শব্দৰ ভিতৰত)

৪.৫.৪ চুটিগল্প

পাশ্চাত্য সাহিত্যৰ আৰ্হিত গঢ় লৈ উঠা আধুনিক সাহিত্যৰ জনপ্রিয় শাখা চুটিগল্পই *জোনাকী*ৰ জৰিয়তে অসমীয়া সাহিত্যত পদার্পণ কৰে। অৰুণোদই যুগত নৈতিক আখ্যান-উপাখ্যান আদি প্রকাশিত হ'লেও জোনাকী যুগত লক্ষ্মীনাথ বেজবৰুৱাৰ হাততেই অসমীয়া চুটিগল্পই আত্মপ্রকাশ লাভ কৰে। *জোনাকী*আলোচনীত জন্ম পালেও 'আৱাহন'ৰ কালছোৱাতহে চুটিগল্পই আঙ্গিক তথা বিষয়বস্তুৰ ফালৰ পৰা বিস্তৃতি লাভ কৰি উচ্চমান বিশিষ্ট কলা মাধ্যমত পৰিণত হয়।

জোনাকী আৰু *বাঁহী* আলোচনীৰ দ্বাৰা সৰৱৰহী কৰি তোলা লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পসমূহ *সুৰভি*(১৯০৯), *সাধুকথাৰ কুকি*(১৯১০) আৰু *জোনবিবি* (১৯১৩)ত সন্নিৱিষ্ট কৰা হৈছে। অসমীয়া সমাজখনক বিশ্লেষণ কৰি সমাজখনৰ দোষ-ত্রুটীবোৰ আঁতৰ কৰাই তেওঁৰ গল্প ৰচনাৰ প্রধান লক্ষ্য আছিল।পশ্চিমীয়া শিক্ষা-দীক্ষাৰে বিদেশী শাসকক অন্ধভাৱে অনুকৰণ কৰা ঊনবিংশ শতিকাৰ ভাঙোনমুখী, অন্তঃসাৰশূন্য, অভিজাত, নিম্ন মধ্যবিত্ত শ্রেণী, দুর্নীতিপৰায়ণ আমোলা শ্রেণী তথা অন্ধ সংস্কাৰেৰে বশীভূত শুচিবায়ুগ্রস্ত গাঁৱৰ এচাম নেতাৰে ভৰা সমাজৰ ফোঁপোলা স্বৰূপটো বেজবৰুৱাৰ গল্পত হাস্য-ব্যঙ্গৰ মাজেৰে দাঙি ধৰা হৈছে। 'মলক গুইন গুইন', 'নাঙলু চন্দ্র', 'ভেমপুৰীয়া মৌজাদাৰ', 'ভোকেন্দ্র বৰুৱা', 'জাতিৰামৰ জাত' আদি এই শ্রেণীৰ চুটিগল্প। ইয়াৰ বিপৰীতে গাঁৱলীয়া সমাজৰ চৰিত্রৰ সৰলতা, অকৃত্রিমতা আৰু অমসৃণ বাহ্যিক ৰূপটোও বেজবৰুৱাই অতি নিপুণতাৰে অঙ্কন কৰিছে। অসমীয়া সমাজৰ বাহিৰেও বঙালী আৰু কোল-মুণ্ডা সমাজৰ চৰিত্রৰ পটভূমিতো তেওঁ কেবাটাও গল্প ৰচনা কৰি অসমীয়া চুটিগল্পৰ ধাৰাটি সৱল কৰি তোলাত অৰিহণা যোগাইছে। 'পুত্রবান পিতা', 'কাশিবাসী', 'লাওখোলা' আদি বাংলা সমাজৰ পটভূমিত ৰচনা কৰা বেজবৰুৱাৰ উল্লেখযোগ্য গল্প। *ৰতনমুণ্ডা, কন্যা কোলমুণ্ডা* সমাজৰ পটভূমিত ৰচনা কৰা তেওঁৰ দুটি উল্লেখযোগ্য গল্প। মুঠতে গল্পৰ আখ্যানৰ আকর্ষণীয়তা বৃদ্ধিৰ পৰিৱর্তে সমসাময়িক সমাজৰ ভিন্ ভিন্ স্তৰৰ সজীৱ আৰু বাস্তৱ চৰিত্রবোৰ আকর্ষণীয়কৈ প্রকাশৰ ওপৰতহে বেজবৰুৱাই অধিক গুৰুত্ব প্রদান কৰিছিল। বেজবৰুৱাৰ পিছতে অসমীয়া চুটিগল্পৰ বিকাশত অৰিহণা যোগোৱা উল্লেখযোগ্য গল্পকাৰ শৰৎচন্দ্র গোস্বামী। *গল্পাঞ্জলি* (১৯১৪), *ময়না*(১৯২০), *বাজীকৰ* তেওঁৰ গল্প সংগ্রহ পুথি। বেজবৰুৱাৰ দৰে ব্যঙ্গ আৰু চতুৰ হাস্যৰসাত্মক দৃষ্টিভঙ্গী নাই যদিও সামাজিক দুই-এটা সমস্যা গৌণভাৱে

তেওঁ গল্পত প্রতিফলিত নকৰাকৈ থকা নাই। সুখ-দুখ, ভাগৰ, বিপর্যয়, দুর্বলতা আদি মানৰীয় ভাবানুভূতিৰ চিত্রণ তেওঁৰ গল্পৰ মূল কথা। মানুহৰ প্রতি থকা সহানুভূতিৰ ভাব তেওঁ গল্পৰ মাজেৰে প্রকাশ কৰিছে। গাঁৱলীয়া জীৱনৰ পটভূমিতেই গোস্বামীয়ে গল্প ৰচনা কৰিছে। যৌন সম্বন্ধীয় বিষয়বস্তুও দুই-এটি গল্পত স্থান পাইছে যদিও ইয়ে তেওঁৰ গল্পক ৰুচিবিহৰ্গিত স্তৰলৈ নমাই অনা নাই। 'সন্ন্যাসিনী', 'ব্রহ্মপুত্রৰ বুকুত' আদি অসামাজিক প্রেমক লৈ ৰচিত। সামাজিক দিশৰ পৰিৱর্তে ব্যক্তিৰ শোক-দুখৰ ছবি অঙ্কন কৰাতহে তেওঁ বেছি গুৰুত্ব দিছে। মুঠতে পীড়িত, অৱহেলিতজনৰ প্রতি সহানুভূতিৰ মনোভাবেই গোস্বামীৰ বেছিভাগ গল্পৰ মূল বিষয়। গোস্বামীৰ সমসাময়িকভাৱে নকুল চন্দ্র ভূঞা আৰু লক্ষ্মীনাথ ফুকনেও গল্প ৰচনা কৰি অসমীয়া গল্প-সাহিত্যৰ বিকাশত ভূমিকা গ্রহণ কৰিছিল। *চোৰাংচোৰাৰ চ'ৰা, জোনোৱালি, গল্পৰ শৰাই* নকুল চন্দ্র ভূঞাৰ গল্পসংগ্রহৰ পুথি। চুটিগল্পৰ বাবে আৱশ্যকীয় ঘটনাবিন্যাস আৰু ৰসাল বর্ণনাৰ পৰিৱর্তে গাঁৱলীয়া সমাজৰ পটভূমিত গাঁৱলীয়া পৰিৱেশ সৃষ্টি কৰাৰ বাবে তেওঁ বেছিভাগ গল্প ৰচনা কৰে। লক্ষ্মীনাথ ফুকনৰ 'মালা','ওফাইদাং', 'মৰমৰ মাধুৰি', 'আনন্দে নধৰে হিয়া' আদি গল্প সঞ্চয়নত দুখীয়া নিম্ন মধ্যবিত্ত শ্রেণী আৰু ধনী মধ্যবিত্ত শ্রেণীৰ চৰিত্রই স্থান পাইছে। তেওঁৰ কেবাটাও গল্পত অভিজাত সম্প্রদায়ৰ অন্তঃসাৰশূন্যতা সুন্দৰকৈ প্রকাশিত হৈছে। এই সময়ৰে গল্প লেখক দণ্ডিনাথ কলিতাৰ গল্পত সমাজ সংস্কাৰৰ মনোভাব ফুটি উঠিছে। এই প্রসঙ্গত তেওঁৰ *সাতসৰী* গল্পসংগ্রহ পুথিৰ গল্পকেইটা উল্লেখযোগ্য। সূর্য্য কুমাৰ ভূঞাৰ *পঞ্চমী*ৰ অন্তর্ভুক্ত গল্পসমূহত সামাজিক দিশৰ পৰিৱর্তে ব্যক্তিগত জীৱনৰ দুখ-যাতনাৰ ছবিহে প্রতিফলিত হৈছে। এই গল্পকাৰসকলৰ গল্পই জোনাকী যুগটোক সমৃদ্ধ কৰাৰ লগতে নিজৰ সৃষ্টিৰ মাজেদি সমসাময়িক যুগচিন্তাৰ প্রতিফলন ঘটাইছিল।

৪.৫.৫ প্রবন্ধ আৰু সমালোচনা

আধুনিক অসমীয়া গদ্যৰ এটি বিশেষ শাখা প্রবন্ধ সাহিত্য। অৰুণোদই যুগত প্রবন্ধ সাহিত্যৰ জন্ম হয় যদিও সেই প্রবন্ধ বা গদ্য ৰচনা আছিল বস্তুধর্মী আৰু চিন্তামূলক। পৰৱর্তী জোনাকী যুগত ৰোমাণ্টিক ভাবধাৰাই গল্প, নাটক, উপন্যাস আদি সাহিত্যৰ সৃষ্টিধর্মী দিশক প্রসাৰিত কৰে আৰু প্রবন্ধ-নিৱন্ধ আদি চিন্তামূলক ৰচনাৰ লগতে ব্যক্তিনিষ্ঠ বা ৰম্য সৰস ৰচনাৰ সৃষ্টিৰে আধুনিক অসমীয়া সাহিত্যৰ গদ্যৰ ৰূপটো বৈচিত্র্যময় কৰি তোলে। এই জোনাকী যুগতে আধুনিক অসমীয়া সাহিত্যৰ অন্যান্য দিশৰ লগতে সমালোচনা সাহিত্যয়ো গঢ় লৈ উঠে।

জোনাকী যুগৰ প্রবন্ধকাৰৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা অন্যতম। বেজবৰুৱাৰ প্রবন্ধৰাজি খুহুতীয়া বা ব্যঙ্গমূলক আৰু চিন্তাশীল এই দুই শ্রেণীত আলোচনা কৰিব পাৰি। কৃপাবৰ বৰুৱাক কেন্দ্র কৰি *জোনাকী, ঊষা* আৰু *বাঁহী* কাকতত প্রকাশিত বেজবৰুৱাৰ

প্ৰবন্ধবোৰৰ সংগ্ৰহ *কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা*, *কৃপাবৰ বৰুৱাৰ ওভতনি* আৰু *বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি* আৰু *বৰবৰুৱাৰ বুলনি*। কৃপাবৰক লৈ ৰচনা কৰা এই ৰম্য ৰচনাজাতীয় নিৱন্ধাৱলী ব্যঙ্গ, সহানুভূতিসূচক হাস্যৰস, অননুকৰণীয় ৰচনা ভঙ্গী আৰু নিজস্ব দৃষ্টিভঙ্গীৰে পৰিপুষ্ট। ব্যঙ্গ আৰু বক্ৰোক্তিযুক্ত নিভাঁজ হাস্যৰসৰ মাজেৰে বেজবৰুৱাই ইয়াত অসমীয়া জাতীয় চৰিত্ৰৰ আলোচনা কৰিছে। ৰাজনৈতিক, সামাজিক আৰু ব্যক্তিচিত্ৰ নানা বিষয়ক প্ৰবন্ধ ৰচনা সংগ্ৰহত সন্নিৱিষ্ট হৈছে। মুঠতে বুদ্ধিদীপ্ত মন্তব্য, নিৰ্দোষ হাস্যৰস আৰু স্থানবিশেষে কটু ব্যঙ্গৰ দ্বাৰা বেজবৰুৱাই অসমৰ জাতীয় জীৱনৰ সকলো দিশ উন্মোচিত কৰিছে। বেজবৰুৱাই লিখা গহীন প্ৰবন্ধবোৰ বৈষ্ণৱ ধৰ্ম সম্পৰ্কীয়। *উপনিষদ*, *ভাগৱত পুৰাণ* আদি অধ্যয়নৰ দ্বাৰা লাভ কৰা তেওঁৰ আধ্যাত্মিক চিন্তাৰ পৰিচয় পোৱা যায় *ভাগৱত কথা*, *তত্ত্বকথা*, ***The Religion of Love and Devotion*** আৰু *বাঁহীত* প্ৰকাশিত *কৃষ্ণকথা* আদিত। বেজবৰুৱাৰ আন এখন সৰু চিন্তামূলক গ্ৰন্থ হ'ল— *কামত কৃতিত্ব লভিবৰ সঙ্কেত*।

বেজবৰুৱাই *শঙ্কৰদেৱ* আৰু *শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ*নামৰ গ্ৰন্থ দুখনিৰে অসমীয়া সমালোচনা সাহিত্যৰো পথ প্ৰদৰ্শন কৰিছে। এই গ্ৰন্থত তেওঁ গুৰু দুজনাৰ জীৱন আৰু সাহিত্যৰ সুন্দৰ সমীক্ষা দাঙি ধৰিছে। *ৰুক্মিণীহৰণ* কাব্যৰ আলোচনাও এই প্ৰসঙ্গত উল্লেখযোগ্য। সত্যনাথ বৰাৰ গহীন প্ৰবন্ধৰ সংগ্ৰহ *সাৰথি*আৰু *চিন্তাকলি*। *কেন্দ্ৰ সভা* তেওঁৰ হাস্যৰসাত্মক গদ্য। তদুপৰি বিজ্ঞান বিষয়ক পুথি *সাহিত্যৰ লক্ষণ*, বিশ্লেষণাত্মক *সাহিত্য বিচাৰ*, ব্যাকৰণ পুথি *বহল ব্যাকৰণ* আদিও বৰাৰ উল্লেখযোগ্য গদ্য ৰচনা। বুৰঞ্জীমূলক প্ৰবন্ধৰ লেখক হিচাপে পৰিচিত সূৰ্য্য কুমাৰ ভূঞাই *আহোমৰ দিন*, *বুৰঞ্জীৰ বাণী*, *ৰমণী গাভৰু*, *লাচিত বৰফুকন* আদি অসমীয়া আৰু ***Anglo Assamese Relations***, ***Lachit Barphukan and his Times*** আদি ইংৰাজী ভাষাত ভালেমান বুৰঞ্জীমূলক প্ৰবন্ধ ৰচনা কৰি জোনাকী যুগৰ গদ্যক সমৃদ্ধিশালী কৰি তুলিছে। বেণুধৰ শৰ্মাৰ বুৰঞ্জীমূলক প্ৰবন্ধবোৰ সন্নিৱিষ্ট কৰি *দূৰবীণ*, *সাতাৰন ছাল*, *কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত*, *আৰ্য্যাৱলী* আদি সংগ্ৰহ পুথি প্ৰকাশ কৰা হৈছে। থলুৱা অসমীয়া শব্দ, ঘৰুৱা ঠাঁচৰ বাক্যাংশ, খণ্ডবাক্য, ফকৰা যোজনা আদি প্ৰয়োগৰ দ্বাৰা তেওঁ বুৰঞ্জীৰ নিৰস বিষয়বস্তুক সৰস ৰূপ দান কৰিছে। ডিম্বেশ্বৰ নেওগে *আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী*, *অসমীয়া সাহিত্যৰ জিলিকনি*, *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*আদি উল্লেখযোগ্য সাহিত্যৰ সমালোচনামূলক পুথি ৰচনাৰে জোনাকী যুগৰ সমালোচনা সাহিত্যক উজ্জ্বল ৰূপ দিছে। ৰাজমোহন নাথ, সৰ্বেশ্বৰ কটকী, হেমচন্দ্ৰ গোস্বামী, কনকলাল বৰুৱা আদিয়ে প্ৰত্নতত্ত্বমূলক প্ৰবন্ধ ৰচনাৰে অসমীয়া প্ৰবন্ধ সাহিত্য চহকী কৰি তোলে। নীলমণি ফুকন, অম্বিকাগিৰী ৰায়চৌধুৰী, জ্ঞাননাথ বৰা আদিয়ে ৰাজনৈতিক, সামাজিক সাহিত্য আদি বিষয়ক প্ৰবন্ধলেখাৰে জোনাকী যুগৰ প্ৰবন্ধ সাহিত্য বিকাশৰ পথত লৈ গৈছে।বেজবৰুৱাই বাট কাটি যোৱা ব্যক্তিনিষ্ঠ,ৰসাল প্ৰবন্ধক

চহকী কৰি থোৱা জোনাকী যুগৰ কেইগৰাকীমান প্ৰবন্ধকাৰ হ'ল— হলিৰাম ডেকা, দণ্ডিনাথ কলিতা (আত্মানন্দ), মহেশ চন্দ্ৰ দেৱ গোস্বামী (কুমাৰ মধুসূদন), ৰাজমোহন নাথ (পীতাম্বৰ ৰাজমেধি), শুক্লেশ্বৰ বৰা (চিকা চোৰাংচোৱা) আদি উল্লেখযোগ্য।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ আধুনিক অসমীয়া গদ্যৰ বিকাশত জোনাকী যুগৰ প্ৰবন্ধ সাহিত্যৰ বৰঙণি সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

৪.৬ জোনাকী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য

- ব্যক্তিস্বাতন্ত্ৰ্য প্ৰকাশৰ বাহক গীতিকবিতাৰ সৃষ্টি জোনাকী যুগৰ অসমীয়া সাহিত্যৰ এটা প্ৰধান বৈশিষ্ট্য। পাশ্চাত্যৰ ৰোমাণ্টিক প্ৰভাৱে অসমীয়া কাব্যৰ পূৰ্বৰ বিষয়বস্তু আৰু কলা-কৌশলৰ পৰিৱৰ্তন সাধন কৰে। অৰুণোদই যুগতে গীতিকবিতাৰ জন্ম হৈছিল যদিও সূক্ষ্ম অনুভূতিৰ ৰূপায়ণ, সহজ-সৰল ভাষাৰ প্ৰয়োগ তথা ছন্দৰ ন-ন পৰীক্ষা-নিৰীক্ষাৰে গীতিকবিতাৰ বিশেষত্ববোৰ জোনাকী যুগৰ কবিতাতহে পৰিলক্ষিত হয়।
- প্ৰকৃতি, প্ৰণয়, দেশপ্ৰেম, অতীন্দ্ৰিয়বাদ, জাতীয় চেতনা, অতীতৰ প্ৰতি শ্ৰদ্ধা, সৰল চহা জীৱনৰ প্ৰতি সহানুভূতি, কল্পনা, মানৱপ্ৰেম আদি ভিন্ ভিন্ ভাব-অনুভূতি প্ৰকাশৰ দ্বাৰা কাব্য ৰচনা আলোচ্যমান যুগৰ বিশেষত্ব।
- ইংৰাজী সাহিত্যৰ আদৰ্শত চতুৰ্দশপদী কবিতা বা ছনেট, বেলাড বা কাহিনী গীত, ব্যঙ্গ কবিতা, বৰ্ণনাত্মক দীৰ্ঘ কাব্য আদি ভিন্ ভিন্ কাব্যিক ৰূপৰ সৃষ্টি।
- কবিতাত পদ, দুলড়ী, লেচাৰী আদি পুৰণি ছন্দৰ উপৰিও ন-ন ছন্দৰ প্ৰয়োগ ন-ন ভাবে পৰ্ব, পৰ্বাঙ্গ, চৰণ, যতি স্থাপন কৰি ছন্দৰ বৈচিত্ৰ্য সম্পাদন, নতুন শব্দ, চিত্ৰ আৰু উপমাৰ প্ৰয়োগ জোনাকী যুগৰ অসমীয়া সাহিত্যৰ লক্ষণীয় বৈশিষ্ট্য।
- ইংৰাজী নাটকৰ আদৰ্শৰে ট্ৰেজেডী, কমেডী, মেলোড্ৰামা, ফাৰ্চ জাতীয় নাটক ৰচনাৰ প্ৰচেষ্টা।
- পাশ্চাত্যৰ আৰ্হি আৰু জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ দেশৰ ঐতিহ্য আৰু শৌৰ্য-বীৰ্য বিমণ্ডিত অতীতৰ গৌৰৱময় কাহিনীৰ আধাৰত ঐতিহাসিক নাটক আৰু উপন্যাসৰ অভ্যুদয়।
- সামাজিক দোষ-ত্ৰুটীৰ প্ৰতি লক্ষ্য ৰাখি প্ৰহসন বা ধেমেলীয়া শ্ৰেণীৰ নাটক ৰচনাৰ প্ৰয়াস।
- সংস্কাৰকামী মনোভাৱ সম্পৃক্ত সামাজিক উপন্যাসৰ সৃষ্টি।
- পাশ্চাত্য সাহিত্যৰ আদৰ্শেৰে অসমীয়া সাহিত্যত আধুনিক সাহিত্যৰ জনপ্ৰিয় বিভাগ

চুটিগল্পৰ অভ্যুদয়। বিশেষকৈ লক্ষ্মীনাথ বেজবৰুৱা আৰু শৰৎ চন্দ্ৰ গোস্বামীৰ হাতত গ্ৰাম্য জীৱনভিত্তিক চুটিগল্পৰ প্ৰৱৰ্তন তথা *আৱাহনৰ* সময়ত চুটিগল্পৰ আঙ্গিক আৰু প্ৰকাশভঙ্গীৰ পৰিৱৰ্তন আলোচ্যমান যুগৰ অসমীয়া সাহিত্যৰ বিশেষ বৈশিষ্ট্য।

- তথ্যগধুৰ চিন্তামূলক বস্তুনিষ্ঠ গহীন প্ৰবন্ধ আৰু ব্যক্তিনিষ্ঠ ৰসাল প্ৰবন্ধ বা ৰম্যৰচনাৰ উদ্ভৱ তথা সমালোচনা সাহিত্যৰ সৃষ্টি।



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগৰ সূচনা কৰা *জোনাকী* কাকতক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সাহিত্যিক আন্দোলনে ঊনবিংশ শতিকাৰ ইংলেণ্ডৰ ৰোমাণ্টিক ভাবাদৰ্শক আদৰি আনি অসমীয়া সাহিত্যক ন ৰূপত সজাই আধুনিক অসমীয়া সাহিত্যৰ ভেটি কটকটীয়া কৰি তুলিলে।
- জোনাকী যুগটো মূলতঃ কাব্যিক। জোনাকী যুগত পাশ্চাত্য প্ৰভাৱ আৰু বাংলা সাহিত্যৰ আদৰ্শ গ্ৰহণৰ ফলত অসমীয়া কাব্যৰ পূৰ্বৰ বিষয়বস্তু আৰু কলা-কৌশল পৰিৱৰ্তন ঘটি অসমীয়া কাব্যসাহিত্যত নৱন্যাসৰ সূচনা হয়। ফলস্বৰূপে ব্যক্তি স্বাতন্ত্ৰ্য প্ৰকাশৰ মাধ্যম গীতিকবিতা, আখ্যানমূলক কবিতা বা বেলাড, ছনেট বা চতুৰ্দশপদী কবিতা, দীঘলীয়া বৰ্ণনাত্মক কাব্য, ব্যঙ্গ কবিতা, শোক কবিতা আদি বিভিন্ন কাব্যিক ৰূপৰ বিকাশ ঘটি অসমীয়া সাহিত্য পৰিপুষ্ট হৈ উঠে। তদুপৰি ন-ন ছন্দৰ প্ৰয়োগে অসমীয়া কবিতাক বৈচিত্ৰ্যময় কৰি তোলে।
- কল্পনা আৰু ভাব প্ৰৱণতা, ব্যক্তিসত্তাৰ প্ৰাধান্য, প্ৰকৃতি প্ৰীতি, প্ৰেম, দেশপ্ৰেম, অতীত প্ৰীতি, অতীন্দ্ৰিয়বাদ, সাধাৰণ প্ৰাণী বা পদাৰ্থৰ প্ৰতি উদাৰ মনোভাব আদি ৰোমাণ্টিক সাহিত্যৰ লক্ষণসমূহ কবিতাৰ উপৰিও উপন্যাস-গল্প আদিতো কম-বেছি পৰিমাণে পৰিলক্ষিত হয়।
- প্ৰাচীন নাটকৰ কলা-কৌশল বিসৰ্জন দি পাশ্চাত্য নাটক আৰু সেই নাটকৰ আৰ্হিত ৰচিত বঙালী নাটকৰঅভিনয়ৰ দ্বাৰা অনুপ্ৰাণিত হৈ বিভিন্ন আধুনিক নাটক ৰচনা হ'বলৈ ধৰে জোনাকী যুগৰ পৰা। বিশেষকৈ ট্ৰেজেডী, কমেডী, মেলোড্ৰামা, ফাৰ্চ আদি পাশ্চাত্য নাটকৰ আৰ্হিত অসমীয়াতো এনে ধৰণৰ নাটকৰ সৃষ্টি হ'বলৈ ধৰে। তদুপৰি এক বা একাধিক অঙ্ক গৰ্ভাঙ্ক আৰু দৃশ্যবিভাজন,একোক্তি, স্বগতোক্তি,ফ্লেচ বেক আদি নাটকীয় কলা-কৌশলৰ ক্ষেত্ৰতো পাশ্চাত্য নাটকৰ আৰ্হি গ্ৰহণ কৰা হয়। জোনাকী যুগত পৌৰাণিক শাস্ত্ৰৰ উপৰিও ইতিহাস আৰু সামাজিক সমস্যাৰ পৰাও বিষয় নিৰ্বাচন কৰা হয়।
- স্বাধীনতা আন্দোলনআৰু বঙ্গীয় সাহিত্যৰ ঐতিহাসিক নাটকত ফুটি উঠা জাতীয় চেতনাৰ দ্বাৰা উদ্বুদ্ধ হৈ জোনাকী যুগৰ নাট্যকাৰসকলে অতীত বুৰঞ্জীৰ গৌৰৱোজ্জ্বল কাহিনীৰ আধাৰত ৰচনা কৰা ঐতিহাসিক নাটকে আধুনিক অসমীয়া নাটকৰ বিকাশত অৰিহণা

যোগালে।

- জোনাকী যুগৰ পৰাইপ্ৰকৃত অৰ্থত উপন্যাস ৰচনা হ'বলৈ ধৰে। পদ্মনাথ গোহাঞিবৰুৱাৰ *ভানুমতী*, *লাহৰী* আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী* উপন্যাসৰ দ্বাৰাই অসমীয়া উপন্যাসৰ ভেটিটো প্ৰতিষ্ঠিত হয়। এই সময়ছোৱাত ৰজনীকান্ত বৰদলৈয়ে একনিষ্ঠতাৰে উপন্যাস ৰচনা কৰি অসমীয়া উপন্যাসৰ ভেটিটো সুদৃঢ় কৰি তোলে। জোনাকী যুগৰ আদিভাগত ঐতিহাসিক আৰু শেষ ভাগত সামাজিক উপন্যাসে বিকাশ লাভ কৰে।
- *জোনাকী*ৰ দ্বাৰা আধুনিক সাহিত্যৰ জনপ্ৰিয় শাখা চুটিগল্পক লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যলৈ আদৰি আনে। জোনাকী যুগত লক্ষ্মীনাথ বেজবৰুৱা আৰু শৰৎ চন্দ্ৰ গোস্বামীয়ে গ্ৰাম্য জীৱনৰ আধাৰিত চুটিগল্পৰ প্ৰৱৰ্তন কৰে। *আৰাহনৰ* সময়ত আঙ্গিক আৰু প্ৰকাশভঙ্গীৰ ক্ষেত্ৰত অসমীয়া চুটিগল্পৰ পৰিৱৰ্তন হোৱা পৰিলক্ষিত হয়।
- জোনাকী যুগত চিন্তামূলক বস্তুনিষ্ঠ গহীন প্ৰবন্ধৰ লগতে ব্যক্তিনিষ্ঠ ৰসাল প্ৰবন্ধৰ সৃষ্টি আৰু প্ৰসাৰে আধুনিক অসমীয়া গদ্যশৈলীক বৈচিত্ৰ্যময় ৰূপ দান কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। ৰম্যৰচনা সৃষ্টি আৰু প্ৰসাৰণত লক্ষ্মীনাথ বেজবৰুৱাই মুখ্য ভূমিকা গ্ৰহণ কৰিছিল।



৪.৮ অধিক জানিবলৈ

১) গোস্বামী, অশোক কুমাৰ; দেৱগোস্বামী, ৰঞ্জিৎ কুমাৰ (সম্পা.) (২০১৫) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (পঞ্চম খণ্ড); গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

২) গোস্বামী, যতীন্দ্ৰনাথ (১৯৬১)ঃ *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী*; গুৱাহাটী ঃ নিউ বুক ষ্টল।

৩) নেওগ, মহেশ্বৰ (১৯৬২) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী।

৪) ভৱালী, শৈলেন (১৯৯২)ঃ *আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৮১)ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিছিং কোঃ।

৬) শৰ্মা, হেমন্ত কুমাৰ (২০১৫) ঃ *অসমীয়া সাহিত্যত দৃষ্টিপাত*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী

৭) শৰ্মা দলৈ, হৰিনাথ (২০০৫) ঃ *অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাস*; নলবাৰী ঃ পদ্মপ্ৰিয়া লাইব্ৰেৰী।



৪.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া কবিতাত ৰোমাণ্টিকতাৰ সূচনা, গীতিকবিতাৰ অন্তৰ্ভুক্ত বিভিন্ন

কাব্যিক ৰূপৰ প্ৰকাশ... ...প্ৰকৃতি, প্ৰেম, দেশপ্ৰেম, অতীত প্ৰীতি, অতীন্দ্ৰিয়বাদ আদিৰ সুৰ ধ্বনিত হোৱা কবিসকলৰ কবিতাৰ বিশ্লেষণ দাঙি ধৰিব লাগিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ অম্বিকাগিৰী ৰায়চৌধুৰী, পদ্মধৰ চলিহা, উমেশ চন্দ্ৰ চৌধাৰী, জ্যোতিপ্ৰসাদ আগৰৱালা, প্ৰসন্নলাল চৌধুৰী, বিনন্দ বৰুৱা, অতুলচন্দ্ৰ হাজৰিকা, ডিম্বেশ্বৰ নেওগ... ...আদিৰ কবিতাৰ বিষয়ে আলোচনা কৰিব লাগিব।

৩নং প্ৰশ্নৰ উত্তৰ ঃ আধুনিক নাটকৰ উৎপত্তি... ...প্ৰহসন... ...ঐতিহাসিক, পৌৰাণিক আৰু অনূদিত নাটকৰ বিষয়ে লিখিব লাগিব।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ৰজনীকান্ত বৰদলৈৰ সামাজিক আৰু বুৰঞ্জীমূলক নাটকৰ পৰিচয়ৰ লগতে তেওঁৰ উপন্যাসৰাজিৰ বৈশিষ্ট্যসমূহ দাঙি ধৰিব লাগিব।

৫নং প্ৰশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ বেজবৰুৱা, সত্যনাথ বৰা, সূৰ্য্য কুমাৰ ভূঞা, বেণুধৰ শৰ্মা, ৰাজমোহন নাথ, সৰ্বেশ্বৰ কটকী, নীলমণি ফুকন, অম্বিকাগিৰী ৰায়চৌধুৰী, জ্ঞাননাথ বৰা, হলিৰাম ডেকা, দণ্ডিনাথ কলিতা... ...আদিৰ প্ৰবন্ধৰ বিষয়ে আলোচনা প্ৰস্তুত কৰিব লাগিব।



৪.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি নিৰূপণ কৰি এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ২ ঃ *জোনাকী* আলোচনীৰ উদ্ভৱ প্ৰসঙ্গৰ লগতে অসমীয়া সাহিত্যৰ বিকাশলৈ *জোনাকী*ৰ অৱদান সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ জোনাকী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্যৰাজি আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্য প্ৰতিভা বিচাৰ কৰক।

প্ৰশ্ন ৫ ঃ ঊনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আদি ভাগত ৰচিত প্ৰহসন বা ধেমেলীয়া নাটকৰ নাট্যকাৰসকলৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৬ ঃ জোনাকী যুগৰ ঐতিহাসিক নাটকৰ বিষয়ে এটি আলোচনা প্ৰস্তুত কৰক।

প্ৰশ্ন ৭ ঃ দণ্ডিনাথ কলিতা আৰু দৈৱচন্দ্ৰ তালুকদাৰকে ধৰি বিংশ শতিকাৰ চতুৰ্থ দশকলৈ ঔপন্যাসিকসকলৰ বিষয়ে এটি চমু প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৮ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্প সম্বন্ধে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৯ ঃ শৰৎ চন্দ্ৰ গোস্বামীকে ধৰি জোনাকী যুগৰ অন্যান্য গল্পকাৰসকলৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ১০ ঃ 'লক্ষ্মীনাথ বেজবৰুৱা জোনাকী যুগৰ শ্ৰেষ্ঠ প্ৰবন্ধ লেখক।'— আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ জোনাকী যুগৰ অসমীয়া সাহিত্য-২

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ জোনাকী যুগৰ অসমীয়া সাহিত্য
৫.৩.১ *ঊষা*
৫.৩.২ *ঊষা*ৰ বৈশিষ্ট্যসমূহ
৫.৩.৩ *বাঁহী*
৫.৩.৪ *বাঁহী*ৰ বৈশিষ্ট্যসমূহ
৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৫ অধিক জানিবলৈ
৫.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৫.৭ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *অৰুণোদই*ৰ পৰা *জোনাকী* আলোচনীলৈ অসমীয়া আলোচনীৰ ধাৰা সম্পৰ্কে জানিব পাৰিব
- জোনাকী যুগৰ অসমীয়া সাহিত্যৰ কিছু আভাস পাব
- জোনাকী যুগৰ অসমীয়া সাহিত্যৰ যোগেৰে অসমীয়া সাহিত্যিকসকলৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ আগবঢ়োৱা অৱদান সম্পৰ্কে জ্ঞাত হ'ব
- *ঊষা* আলোচনীৰ বৈশিষ্ট্য আৰু অসমীয়া সাহিত্যলৈ *ঊষা*ৰ অৱদান সম্পৰ্কে জানিব পাৰিব
- *বাঁহী* আলোচনীৰ বৈশিষ্ট্য আৰু অসমীয়া সাহিত্যলৈ *বাঁহী*ৰ অৱদান সম্পৰ্কে জানিব পাৰিব
- *ঊষা* আৰু *বাঁহী* আলোচনীৰ মাজেৰে অসমীয়া সাহিত্যৰ বিকাশৰ পৰিচয় পাব
- স্বদেশ, স্বজাতি আৰু ভাষা-সাহিত্যৰ প্ৰতি সাহিত্যিকসকলৰ দায়িত্ববোধ তথা প্ৰীতিৰ বিষয়ে জ্ঞাত হ'ব।

৫.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া প্ৰথম ষাণ্মাসিকৰ দ্বিতীয় পাঠ্যবিষয়ৰ অন্তৰ্গত এইটো পঞ্চম অধ্যায়। ইয়াৰ শিৰোনাম 'জোনাকী যুগৰ অসমীয়া সাহিত্য-২'। ১৮৪৬ চনত প্ৰথম অসমীয়া

সংবাদ-পত্ৰ *অৰুণোদই* প্ৰকাশ পোৱাৰ পৰা আধুনিক অসমীয়া সাহিত্যই বিকাশ লাভ কৰে। *অৰুণোদই*-এ অসমীয়া ভাষা-সাহিত্যৰ আৰু আধুনিক দৃষ্টিভঙ্গীৰ পৰিসৰ বৃদ্ধি কৰিলে। *অৰুণোদই*ৰ পাছত *জোনাকী* আলোচনী প্ৰকাশে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ভেটি সুদৃঢ় কৰি তুলিলে। আশীৰ দশকত কলিকতাত অধ্যয়নৰ বাবে যোৱা অসমীয়া ছাত্ৰসকলৰ মাজত অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ প্ৰচেষ্টা চলিল। ১৮৮৮ চনত প্ৰবাসী ছাত্ৰসকলৰ দ্বাৰা *অসমীয়া ভাষা উন্নতি সাধিনী সভা* চমুকৈ *অ.ভা.উ.সা.* গঠন হ'ল। এই সভাৰ জৰিয়তে ১৮৮৯ চনত চন্দ্ৰ কুমাৰ আগৰৱালাৰ সম্পাদনাত *জোনাকী* আলোচনী প্ৰকাশ পায়। *জোনাকী* আলোচনীয়ে অসমীয়া ভাষা-সাহিত্যত এক আন্দোলনৰ সৃষ্টি কৰিলে। *জোনাকী*ৰ মাজেৰে পাশ্চাত্যৰ ৰোমাণ্টিক ভাব-আদৰ্শ, দেশাত্মবোধ, সাংস্কৃতিক চেতনা আদি অসমীয়া সাহিত্যত প্ৰসাৰ লাভ কৰিলে। ১৮৮৯ চনৰ পৰা ১৯০৩ চনলৈকে *জোনাকী* আলোচনীখন প্ৰকাশ পাইছিল। ইয়াৰ মাজতে 'আছামিজ ষ্টুডেণ্টছ লিটাৰেৰি ক্লাব' গঠন হয় আৰু এই অনুষ্ঠানৰ জৰিয়তে *বিজুলী* নামৰআন এখন আলোচনী প্ৰকাশ পায়। ১৮৯০ চনৰ পৰা ১৮৯৩ চনলৈ আলোচনীখন প্ৰকাশ পাইছিল। ইয়াৰ পাছতে পদ্মনাথ গোহাঞিবৰুৱাৰ সম্পাদনাত *ঊষা* আলোচনীখন প্ৰকাশ পায়। ১৯০৭ চনৰ পৰা ১৯১২ চনলৈকে *ঊষা* আলোচনী প্ৰকাশ পাইছিল। *ঊষা* আলোচনীখনৰ যোগেৰে ভালে সংখ্যক লেখকে অসমীয়া ভাষা-সাহিত্য বিষয়ক, আখৰ জোঁটনি, শব্দ ভাণ্ডাৰ, নানা সামাজিক বিষয়ক, শিল্প-বাণিজ্য আদি বিষয়ৰ আলোচনা আগবঢ়াইছিল।

১৯০৯ চনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত *বাঁহী* আলোচনী প্ৰকাশ পায়। *ঊষা* আলোচনীৰ প্ৰকাশিত লক্ষ্মীনাথ বেজবৰুৱাৰ 'কৃপাবৰ'ৰ এটি প্ৰবন্ধৰ বাবেই বেজবৰুৱা আৰু গোহাঞিবৰুৱাৰ মাজত মতানৈক্যৰ বাবেই বেজবৰুৱাৰ সম্পাদনাত *বাঁহী* আলোচনীৰ সৃষ্টি হয়। *বাঁহী* আলোচনীৰ প্ৰকাশে অসমীয়া সাহিত্যৰ বুৰঞ্জীত এটা নতুন যুগৰ সূচনা কৰিলে। অসমীয়া সাহিত্যলৈ *বাঁহী*ৰ অৱদান অনবদ্য। কবিতা, গল্প, প্ৰবন্ধ, উপন্যাস, অনুবাদ সাহিত্য, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক প্ৰবন্ধ, ব্যঙ্গাত্মক ৰচনা আদি বিবিধ প্ৰবন্ধ *বাঁহী* আলোচনীত প্ৰকাশ পাইছিল। এই অধ্যায়টিৰ পৰা আমি জোনাকী যুগৰ সাহিত্যৰ আভাসৰ লগতে *ঊষা* আৰু *বাঁহী* আলোচনীৰ অৱদানৰ বিষয়ে জানিব পাৰিম।

৫.৩ জোনাকী যুগৰ অসমীয়া সাহিত্য

১৮৮৮ চনত কলিকতাত উচ্চ শিক্ষা লাভ কৰিবলৈ যোৱা ছাত্ৰসকলৰ প্ৰচেষ্টাত *অসমীয়া ভাষা উন্নতি সাধিনী সভা* চমুকৈ *অ.ভা.উ.সা.* গঠন হয়। এই সভাৰ জৰিয়তে প্ৰবন্ধ আদি ছপাই প্ৰকাশ কৰাৰ কথা ওলাল। ফলস্বৰূপে ১৮৮৯ চনত চন্দ্ৰ কুমাৰ আগৰৱালাৰ সম্পাদনাত *জোনাকী* আলোচনী প্ৰকাশ হৈ ওলায়। অসমীয়া সাহিত্যৰ বুৰঞ্জীত জোনাকী যুগে এক নৱ-জাগৰণৰ সূচনা কৰিছিল।এই সময়ছোৱাত বিভিন্ন সাহিত্যিকে অসমীয়া সাহিতৰ বিভিন্ন ধাৰাত হাত ফুৰাই অসমীয়া সাহিত্যৰ বিকাশ ঘটাইছিল।১৮৪৬ চনত *অৰুণোদই* প্ৰকাশ পোৱাৰপাছৰে পৰা অসমীয়া সাহিত্যৰ গতিপথ আধুনিক সাহিত্যৰ দিশলৈ আগবাঢ়ি আহিল। *অৰুণোদই*ৰ সময়ছোৱাতে

অসমীয়া ভাষা-সাহিত্যই আত্মপ্রতিষ্ঠা লাভ কৰাৰ সুযোগ পালে। *অৰুণোদই*ৰ পাছতে প্ৰকাশ পোৱা *জোনাকী* আলোচনীৰ মাজেৰে ৰোমাণ্টিক চেতনা অসমীয়া সাহিত্যত প্ৰৱেশ কৰিলে। সাহিত্যৰ বিভিন্ন ধাৰাই এই সময়ছোৱাতে গতি লাভ কৰিলে। কবিতা, নাটক, উপন্যাস, চুটিগল্প, সমালোচনা সাহিত্য, প্ৰবন্ধ, জীৱনী, ভ্ৰমণ সাহিত্য আদি বিভিন্ন ধাৰাই *জোনাকী* আলোচনীত আত্মপ্রকাশ কৰিলে। দেশাত্মবোধ, জাতীয় চেতনা, পাশ্চাত্যৰ ৰোমাণ্টিক ভাব-আদৰ্শ আদি *জোনাকী*ৰ মাধ্যমেৰে অসমীয়া সাহিত্যলৈ বাট বুলিলে।

জোনাকী আলোচনীৰ প্ৰথম সংখ্যাতে চন্দ্ৰ কুমাৰ আগৰৱালাৰ 'বন কুঁৱৰী' নামৰ কবিতাটি ৰোমাণ্টিক গুণযুক্ত প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতা। এই কবিতাটিৰ মাজেৰেই অসমীয়া কবিতাত ৰোমাণ্টিক ঢল নামি আহিল। চন্দ্ৰ কুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, মফিজুদ্দিন আহমদ হাজৰিকা, আনন্দ চন্দ্ৰ আগৰৱালা, হিতেশ্বৰ বৰবৰুৱা, কমলাকান্ত ভট্টাচাৰ্য, চন্দ্ৰধৰ বৰুৱা, ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰ নাথ দুৱৰা, অম্বিকাগিৰি ৰায়চৌধুৰী প্ৰমুখ্যে কবিসকলে *জোনাকী*ৰ পাততে প্ৰতিষ্ঠা লাভ কৰে। ৰর্ডছৱর্থ, ক'লৰিজ, শ্বেলী, বাইৰণ, কীট্ছ আদি কবিসকলৰ হাতত পূৰ্ণতা লাভ কৰা ৰোমাণ্টিক ভাব-আদৰ্শ অসমীয়া কাব্য-সাহিত্যতো বিয়পি পৰিল। জোনাকী যুগৰ ত্ৰিমূৰ্তি চন্দ্ৰ কুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী—এই কবি-সাহিত্যিক তিনিজনৰ চেষ্টাতে অসমীয়া ৰোমাণ্টিক চেতনাৰ দুৱাৰ মুকলি হ'ল। ৰোমাণ্টিক আন্দোলনে ব্যক্তি স্বাতন্ত্ৰ্যৰ ওপৰত গুৰুত্ব দিছিল। ৰোমাণ্টিক যুগটো প্ৰধানকৈ আছিল গীতি-কবিতাৰ যুগ। কল্পনাপ্ৰৱণতা এই যুগৰ সাহিত্যৰ আন এটা লক্ষণ। সেয়েহে কবিতাত প্ৰকৃতি-পৰিৱেশে প্ৰধান ভূমিকা গ্ৰহণ কৰিলে। সাধাৰণ নৰ-নাৰীৰ প্ৰেমপূৰ্ণ জীৱন, প্ৰকৃতি প্ৰেম, প্ৰেম আৰু সৌন্দৰ্য, অতীতৰ বিষয়বস্তু, পৃথিৱীৰ জয় ঘোষণা, কথ্য ভাষাৰ প্ৰয়োগ আদি ৰোমাণ্টিক ভাব-আদৰ্শ অসমীয়া কাব্য-সাহিত্যৰ ভিতৰুৱা হৈ পৰিল। এনেদৰে ৰোমাণ্টিক চিন্তাধাৰা *জোনাকী* আলোচনীৰ মাজেৰে অসমীয়া সাহিত্যত প্ৰৱেশ কৰিলে। বঙ্গদেশৰ নৱ-জাগৰণৰ সোঁতেও *জোনাকী*ৰ মাজেৰেই আহি অসমীয়া সাহিত্যক চুই যোৱাত অসমীয়া কাব্য জগতত কবি-সাহিত্যিকসকল এখোপ আগবাঢ়ি আহিল। জাতীয় চেতনা তথা ৰোমাণ্টিক ভাব-বিলাসিতাৰ লগতে জোনাকী যুগৰ সাহিত্যই বাস্তৱবাদী আৰু যুক্তিবাদী মনোভাবো প্ৰদৰ্শন কৰিলে। জোনাকী যুগৰ সাহিত্যই ভালেমান সাহিত্যিকৰ জন্ম দিলে।

জোনাকীৰ সময়ৰ পৰা অসমীয়া নাটক ৰচনাৰো চেষ্টা আৰম্ভ হ'ল। উচ্চ শিক্ষাৰ বাবে কলিকতাত থকা ছাত্ৰসকলে ইংৰাজী নাট্য সাহিত্যৰ সৈতে চিনাকি হৈছিল। বাংলা নাটকৰ অভিনয় তেওঁলোকে দৰ্শন কৰিছিল আৰু অসমতো নাটক ৰচনাৰ বাবে আগ্ৰহী হৈছিল। বেজবৰুৱাৰ *লিটিকাই* ধেমেলীয়া নাটকখন *জোনাকী*ৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাৰে পৰা প্ৰকাশ পাইছিল। গুণাভিৰাম বৰুৱাৰ *ৰাম নৱমী* নাটকখনৰ মাজেৰে পাশ্চাত্যৰ কলা-কৌশল প্ৰকাশ পায়। জোনাকী যুগৰ পৰাই পাশ্চাত্যৰ আদৰ্শ নাটকসমূহৰ মাজেৰে প্ৰতিফলিত হোৱা দেখা গ'ল। ১৯০০ চনত পদ্মনাথ গোহাঞিবৰুৱাৰ *জয়মতী* নাটকে ঐতিহাসিক নাটকৰ দুৱাৰ মুকলি কৰিলে। ইয়াৰ পাছত বেজবৰুৱাকে আদি কৰি ভালেকেইজন নাট্যকাৰে এই শ্ৰেণীৰ নাটক ৰচনাৰে অসমীয়া নাট্য-

সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিলে। এওঁলোক দুজনৰ বাহিৰেও পূৰ্ণকান্ত দেৱশৰ্মা, দুৰ্গা প্ৰসাদ মজিন্দাৰ বৰুৱা, বেণুধৰ ৰাজখোৱা, চন্দ্ৰধৰ বৰুৱা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, দণ্ডিনাথ কলিতা, মিত্ৰদেৱ মহন্ত, নকুল চন্দ্ৰ ভূঞা, প্ৰসন্নলাল চৌধুৰী, জ্যোতিপ্ৰসাদ আগৰৱালা, অতুল চন্দ্ৰ হাজৰিকা, গণেশ চন্দ্ৰ গগৈকে আদি কৰি আন ভালেকেইজন নাট্যকাৰে নাটক ৰচনা কৰি এই সময়ছোৱাতে অসমীয়া নাট্য-সাহিত্যৰ ভঁৰাল চহকী কৰিলে।

মৌলিক নাটকৰ উপৰিও অনূদিত নাটকৰ সৃষ্টি এই সময়ছোৱাৰ আন এটি বৈশিষ্ট্য। শ্বেইক্সপীয়ে�ৰৰ ইংৰাজী নাটকৰ অনুবাদ কেবাগৰাকী নাট্যকাৰে কৰি গৈছে। সংস্কৃত নাটকৰ অনুবাদো উল্লেখযোগ্য।

জোনাকী যুগৰ পৰাই অসমীয়া সাহিত্যত উপন্যাস ৰচনাৰ পয়োভৰ ঘটিল। গোহাঞিৰুৱৰুৱাৰ *ভানুমতী* (১৮৯০-৯১) ৰচনাৰ পাছত ভালেখন উপন্যাস ৰচিত হোৱা দেখা গ'ল। বেজবৰুৱাই *পদুম কুঁৱৰী* নামৰ এখন মাত্ৰ উপন্যাস লিখে। ঐতিহাসিক উপন্যাসেৰে উপন্যাস সাহিত্যৰ ভঁৰাল চহকী কৰে ৰজনীকান্ত বৰদলৈয়ে। তদুপৰি দণ্ডিনাথ কলিতা, দৈৱচন্দ্ৰ তালুকদাৰ আদি ঔপন্যাসিকৰ উপন্যাসেও এই ধাৰাটোত অৱিহণা যোগায়।

জোনাকী যুগতে বেজবৰুৱাৰ চুটিগল্প ৰচনাৰ মাজেৰে অসমীয়া চুটিগল্পৰো শ্ৰীবৃদ্ধি ঘটে। *সুৰভি*, *সাধুকথাৰ কুকি*, *জোনবিৰিত* সন্নিৱিষ্ট গল্পসমূহৰ মাজেৰে অসমীয়া সমাজ জীৱনৰ চিত্ৰ প্ৰতিফলিত হৈছে। *জোনাকী*ৰ পৰাই অসমীয়া সাহিত্যত ভালেকেইজন লেখকে গল্প ৰচনাত মনোনিৱেশ কৰে।

প্ৰবন্ধ আৰু সমালোচনা সাহিত্যও এই যুগৰ অন্যতম সৃষ্টি। কমলাকান্ত ভট্টাচাৰ্যৰ 'জাতীয় উন্নতি', 'অসমীয়াৰ উন্নতি', পানীন্দ্ৰ নাথ গগৈৰ 'জাতীয় প্ৰেম', হেমচন্দ্ৰ গোস্বামীৰ 'অসমীয়া ভাষা', বেজবৰুৱাৰ 'অসমীয়া ভাষা' আদি গহীন প্ৰবন্ধই অসমীয়া ভাষা-সাহিত্যৰ শ্ৰীবৃদ্ধি সাধন কৰিলে। তদুপৰি বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে সাহিত্য-সমালোচনাৰ বাটো এই সময়ছোৱাতে আৰম্ভ হ'ল।

ইয়াৰ বাহিৰেও জীৱনী সাহিত্য, প্ৰহসন, ৰম্য ৰচনা, ভ্ৰমণ সাহিত্য আদি বিবিধ ধাৰাই *জোনাকী* আলোচনীৰ যোগেৰে প্ৰকাশ পোৱাত অসমীয়া সাহিত্যৰ বিভিন্ন ধাৰা উন্মোচিত হ'ল আৰু তাৰ লগে লগে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বাটত জোনাকী যুগ এক চিৰস্মৰণীয় দিশ হৈ ধৰা দিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমীয়া আলোচনী সাহিত্যত *জোনাকী*ৰ অৱদান সম্পৰ্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

৫.৩.১ *ঊষা*

জোনাকী আৰু *বিজুলী* আলোচনীৰ পাছত প্ৰায় বাৰ বছৰ কোনো অসমীয়া

আলোচনী প্ৰকাশ পোৱা নাছিল। *বিজুলী* আলোচনীখন বন্ধ হোৱাৰ এবছৰ পাছত *ঊষা* আলোচনীখন প্ৰকাশ পাইছিল। ১৯০৭ চনৰ পৰা ১৯১২ চনলৈকে তেজপুৰৰ পৰা *ঊষা* আলোচনী প্ৰকাশ পাইছিল। পদ্মনাথ গোহাঞিবৰুৱাই অসম সাহিত্য সভাৰ প্ৰথম অধিবেশনত আলোচনীখন তেজপুৰৰ পৰা প্ৰকাশিত হোৱা বুলি উল্লেখ কৰি গৈছে। অসমীয়া সাহিত্যৰ উন্নতিৰ বাবে একাণপতীয়াকৈ মুক্ত মনেৰে কাম কৰাৰ উদ্দেশ্যকে লৈ গোহাঞিবৰুৱাই *ঊষা* আলোচনীখন প্ৰকাশ কৰিছিল। আলোচনীখন নামকৰণো গোহাঞিবৰুৱাই নিজে কৰিছিল। সেই সময়ৰ মাহেকীয়া আলোচনীসমূহৰ ভিতৰত *ঊষা* আলোচনীখন লেখত ল'বলগীয়া আলোচনী আছিল। বেজবৰুৱা আৰু গোহাঞিবৰুৱা এই দুজন মহান সাহিত্যপ্ৰেমীৰ প্ৰচেষ্টাত *ঊষা* আলোচনীখনে অসমীয়া সাহিত্য জগতত এক খলকনিৰ সৃষ্টি কৰিছিল। *ঊষা* আলোচনীৰ জন্ম সম্পৰ্কে পদ্মনাথ গোহাঞিবৰুৱাই *মোৰ সোঁৱৰণী*ত লিখিছে যে— "সাহিত্যিক পেন্সন প্ৰাপ্তিৰ পাছত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰি উঠি মুকলিমূৰীয়াকৈ আৰু একাণপতীয়াকৈ সাহিত্য চৰ্চাত মন পাৰি লাগি গ'লোঁ।"

জোনাকী আলোচনীৰ প্ৰকাশ বন্ধ হোৱাৰ পাছত এখন আলোচনীৰ প্ৰয়োজন গোহাঞিবৰুৱাই বাৰুকৈ অনুভৱ কৰিছিল। বন্ধুবৰ্গৰ মাজত এই কথা আলোচনাও কৰিলে। গোহাঞিবৰুৱাই লিখিছে— "এই চিন্তালোচনালৈ মই একেৰাহে মাহচেৰেক কটালোঁ। তাৰ পাছত এদিন সেই চিন্তালোচনাৰ গুপুত কথা প্ৰকাশ্যে মোৰ প্ৰিয়তম সাহিত্যিক বন্ধু স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীদেৱৰ আগত ব্যক্ত কৰি তেওঁৰে সৈতে এই বিষয়ে পৰামৰ্শ কৰিলোঁ।" হেমচন্দ্ৰ গোস্বামীৰ আশাতীত সঁহাৰি লাভ কৰি গোহাঞিবৰুৱাই এখন আলোচনী উলিওৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। লগতে তেওঁৰ আন আন সাহিত্যিক বন্ধুৰ সৈতে পৰামৰ্শ কৰি আলোচনীখন প্ৰকাশ কৰাৰ সঙ্কল্প গ্ৰহণ কৰিলে। এনেদৰেই বন্ধুবৰ্গৰ পৰামৰ্শ তথা অনুপ্ৰেৰণাত *ঊষা* আলোচনীৰ প্ৰকাশ হ'ল। পদ্মনাথ গোহাঞিবৰুৱাৰ সম্পাদনাত ওলোৱা এই আলোচনীত লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, আনন্দ চন্দ্ৰ আগৰৱালা, বেণুধৰ ৰাজখোৱা, দেবানন্দ ভঁৰালী, শৰৎ চন্দ্ৰ গোস্বামী, সত্যনাথ বৰা, দুৰ্গেশ্বৰ শৰ্মা, ৰজনীকান্ত বৰদলৈ, যোগেন্দ্ৰ নাথ বৰুৱা, ভূধৰ চৌধুৰী, লক্ষেশ্বৰ বৰঠাকুৰ আদি কবি-সাহিত্যিকসকলে আৰম্ভণিৰে পৰা নিয়মীয়াকৈ প্ৰবন্ধ, কবিতা আদি লিখি অসমীয়া ভাষা-সাহিত্যক সমৃদ্ধ কৰিবলৈ যত্নপৰ হৈছিল। ছাত্ৰ-লেখকসকলক উদগনি জনাবলৈ *ঊষাৰ* ভূমিকা অনন্য ৰূপে প্ৰতিষ্ঠিত হৈছিল। *ঊষা* আলোচনীৰ যোগেৰে এদল নতুন লেখকৰ সৃষ্টি কৰাটো গোহাঞিবৰুৱাৰ অন্যতম স্বীকৃতি। আনহাতে, ছাত্ৰ অৱস্থাতে *ঊষাৰ* পাতত লিখি কেবাগৰাকী ছাত্ৰ পাছলৈ একো একোজন স্বনামধন্য তথা প্ৰতিষ্ঠিত লেখক হিচাপে পৰিগণিত হৈছিল। সূর্য্য কুমাৰ ভূঞা, পদ্মধৰ চলিহা, মহীচন্দ্ৰ বৰা, দণ্ডিনাথ কলিতা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, ৰত্নকান্ত বৰকাকতি আদি সাহিত্যিকে *ঊষা* আলোচনীৰ পাততে সাহিত্যিক জীৱন আৰম্ভ কৰি

পাছলৈ অসমীয়া সাহিত্য জগতত প্ৰতিষ্ঠা লাভ কৰিছিল।

লক্ষ্মীনাথ বেজবৰুৱায়ো *ঊষাৰ* নিয়মীয়া লগতে প্ৰতিষ্ঠিত লেখক আছিল। *ঊষা* আলোচনীৰ জৰিয়তেই বেজবৰুৱাই 'কৃপাবৰ বৰুৱা' নামে প্ৰখ্যাত হৈ পৰিছিল। *ঊষা* আলোচনীতে লক্ষ্মীনাথ বেজবৰুৱাৰ *সুৰভ্ভি* গল্পসমূহ প্ৰকাশ হৈছিল। *ঊষাৰ* প্ৰথম বছৰৰ প্ৰথম সংখ্যাতে বেজবৰুৱাৰ চুটিগল্প 'বাপিৰাম' প্ৰকাশ পাইছিল।

ঊষা আলোচনী প্ৰথম বছৰৰ পৰাই নিয়মিত ৰূপত প্ৰকাশ পোৱাত বাধাৰ সৃষ্টি হৈছিল। প্ৰথম সংখ্যাতে সম্পাদক পদ্মনাথ গোহাঞিবৰুৱাই (পদ্মনাথ বৰুৱা) *ঊষাৰ* জন্ম সম্পৰ্কে আৰু আলোচনীখনৰ মূল উদ্দেশ্য সম্পৰ্কে আলোচনা কৰি 'সম্পাদকৰ শৰাই'ত আগবঢ়াইছে।প্ৰথম বছৰ *ঊষাত* দশম সংখ্যা, দ্বিতীয় বছৰত অষ্টম সংখ্যা, তৃতীয় বছৰত দ্বাদশ সংখ্যা, চতুৰ্থ বছৰত নৱম সংখ্যা প্ৰকাশ হৈছিল। পঞ্চম বছৰৰ *ঊষাৰ* সংখ্যা বিচাৰি পোৱা নগ'ল। ষষ্ঠ বছৰত ছটা সংখ্যাই প্ৰকাশৰ মুখ দেখিছিল। এই খণ্ডটি *বাঁহী*আলোচনীৰ অংশ হিচাপেহে *ঊষাৰ* ষষ্ঠ বছৰৰ ষষ্ঠ সংখ্যালৈকে প্ৰকাশ হৈছিল। গোহাঞিবৰুৱাই 'অভাৱেই আৱিষ্কাৰৰ মূল' কথাফাকিৰ মাধ্যমেৰে *ঊষা* আলোচনীখনিৰ প্ৰকাশৰ মূল আদৰ্শ ফঁহিয়াই দেখুৱাইছে। তেওঁ মনত অযুত আশা লৈ অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ হকে আলোচনীখন প্ৰকাশ কৰিবলৈ লৈ সন্তোষ লাভ কৰিছে। তেওঁ লিখিছে যে— "এতিয়া ঊষা-যাত্ৰাৰ শুভক্ষণ পালেহি; অসমীয়াই এই শুভক্ষণত শুভযাত্ৰা কৰি, জাতীয় উন্নতিৰ নিচান লৈ, কাৰ্যক্ষেত্ৰলৈ আগবাঢ়িব লাগে। চিৰকাল সময়ানুযায়ী শুভকৰ্মলৈ আঙুলিয়াই থাকিবলৈ 'ঊষা'ৰ আবিৰ্ভাৱ। অসমীয়াৰ এফালৰ পৰা দিনে দিনে কাৰ্যাৰম্ভণৰ শুভক্ষণ আহক, দিনে দিনে আজীৱন অসমীয়াই উন্নতিৰ গতিত শুভযাত্ৰা কৰি কাৰ্যপৰায়ণ হওক, দিনে দিনে আসামৰ অলেখ অভাৱ আঁতৰ হওক।"

ষষ্ঠ বছৰৰ ষষ্ঠ সংখ্যাৰ সময়ছোৱাই আছিল বেজবৰুৱা আৰু গোহাঞিবৰুৱাৰ অমতৰ সমাপ্তিৰ সময়। *বাঁহী*আৰু *ঊষাৰ* মিলনো এনেদৰেই হৈছিল।

ঊষা আলোচনীখন প্ৰকাশ কৰি তাৰ উদ্দেশ্য সম্পাদক গোহাঞিবৰুৱাই অতি সুন্দৰভাৱে দাঙি ধৰিছে। জাতীয় সাহিত্যৰ উন্নতিৰ বাবেই একোখন আলোচনীয়ে মুখ্য ভূমিকা গ্ৰহণ কৰিব পাৰে। দেশৰ সমাজ, বিজ্ঞান, শিল্প, কৃষি-বাণিজ্য, সংস্কৃতি আদিক আলোচনীৰ পাতত আলোচনা কৰি জাতীয় জীৱন উন্নতিৰ বাটত আগবাঢ়ে। আলোচনীত ৰাজনীতি তথা ধৰ্মীয় আলোচনাক ঠাই দিয়াটো তেওঁ বিচৰা নাই। তদুপৰি আলোচনীত আলোকিত বিষয়ক সম্পাদকে যুক্তিৰেহে চালি-জাৰি চাবলৈ অনুৰোধ কৰিছে। এনেদৰেই পদ্মনাথ গোহাঞিবৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা *ঊষা* আলোচনীয়ে অসমীয়া সাহিত্য-আলোচনীৰ ধাৰাত বিশেষ অৱিহণা যোগাইছে। প্ৰথম বছৰৰ প্ৰথম সংখ্যাৰে পৰা *ঊষাত* বিভিন্ন বিষয়ৰ আলোচনা, প্ৰবন্ধ প্ৰকাশ পাইছিল। সম্পাদক পদ্মনাথ গোহাঞিবৰুৱাই 'ঊষা' নামৰ কবিতা এটিৰে *ঊষা* আলোচনীৰ

শুভাৰম্ভ কৰিছিল। অসমীয়া সাহিত্যত 'মনোবিজ্ঞান' বিষয়ক প্ৰবন্ধ লিখি ৰজনীকান্ত বৰদলৈয়ে এই শ্ৰেণীৰ সাহিত্যক জনপ্ৰিয় কৰি তুলিছিল *উষা* আলোচনীৰ মাজেৰে। ইয়াৰ বাহিৰেও শিল্প, বিজ্ঞান, বাণিজ্য, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিবিধ প্ৰবন্ধ, সঙ্গীত, নাৰী বিষয়ক প্ৰবন্ধ, ভ্ৰমণ কাহিনী, কবিতা, সমালোচনা, নাটক, গীত, জীৱনী সাহিত্য, গল্প, সাধুকথা, পদ্য আদি নানান বিষয় *উষা* আলোচনীত প্ৰকাশ পাইছিল। *উষাই* এনেদৰে এদল সাহিত্যিকৰো সৃষ্টি কৰিছিল। মুঠতে গোহাঞিবৰুৱাৰ 'সম্পাদনা'ত প্ৰকাশ পোৱা *উষাৰ* প্ৰকাশে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ ভালেখিনি অৱদান আগবঢ়ালে। লগতে ভালে সংখ্যক সাহিত্যিকেও প্ৰতিষ্ঠা লাভ কৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ অসমীয়া আলোচনী সাহিত্যত *উষাৰ* অৱদান সম্পৰ্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

৫.৩.২ *উষা* আলোচনীৰ বৈশিষ্ট্যসমূহ

অসমীয়া আলোচনী সাহিত্যত *উষা* আলোচনীয়ে এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। পদ্মনাথ গোহাঞিবৰুৱাই মুকলিমূৰীয়াকৈ আৰু একান্তভাৱে সাহিত্য সেৱা কৰিবৰ অৰ্থে *উষা* আলোচনীখন প্ৰকাশ কৰিছিল। আগৰ আলোচনাত এই প্ৰসঙ্গ দাঙি ধৰা হৈছে। গোহাঞিবৰুৱাই সম্পাদনা কৰা *বিজুলী*, *উষা* আলোচনী আৰু *আসাম বন্ধি* কাকতৰ যোগেদি অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা কৰাৰ লগতে এদল সাহিত্যিককো সৃষ্টি কৰি থৈ গৈছে। *জোনাকী* আলোচনীৰ প্ৰকাশ বন্ধ হৈ যোৱাৰ পাছত এখন আলোচনীৰ প্ৰয়োজনীয়তাৰ কথা চিন্তা কৰাৰ ফলতেই *উষা* আলোচনীৰ জন্মৰ কথা আগতে উল্লেখ কৰা হৈছে। এনে ক্ষেত্ৰত সাহিত্যিক বন্ধু লক্ষ্মীনাথ বেজবৰুৱা, সত্যনাথ বৰা, হেমচন্দ্ৰ গোস্বামী প্ৰমুখ্যে আন বহুতো ব্যক্তিৰ পৰা তেওঁ অনুপ্ৰেৰণাও লাভ কৰিছিল। *উষা* আলোচনীৰ আবিৰ্ভাৱৰ ব্যাখ্যাও গোহাঞিবৰুৱাই দাঙি ধৰিছে। জাতীয় উন্নতিৰ বাবে কাৰ্যক্ষেত্ৰলৈ আগবাঢ়ি যোৱাৰ লগতে অসমীয়াই উন্নতিৰ গতিত শুভযাত্ৰা কৰি *উষাৰ* মাজেৰে আগবাঢ়ি যোৱাটোকে গোহাঞিবৰুৱাই কামনা কৰিছিল। *মোৰ সোঁৱৰণীত* তেওঁ এই কথা উল্লেখ কৰিছে। আলোচনী এখনৰ উদ্দেশ্য সম্পৰ্কেও গোহাঞিবৰুৱাই ব্যাখ্যা দাঙি ধৰিছে। অসমীয়া আলোচনীৰ ক্ষেত্ৰত *উষাৰ* বৈশিষ্ট্য সম্পৰ্কে আলোচনা দাঙি ধৰা হ'ল—

- এখন আলোচনীৰ মাজেৰে জাতীয় সাহিত্যৰ উন্নতি সাধন হয়। *উষা* আলোচনীৰ মাজেৰেও এই বৈশিষ্ট্য প্ৰকাশ পাইছে। *উষাত* সমাজ জীৱন, বিজ্ঞান, কৃষি, শিল্প, বাণিজ্য, এনে সকলো বিষয়ৰ বিষয় আলোচিত হৈছে। ধৰ্ম আৰু ৰাজনীতিৰ কথা বাদ দি, মতভেদ বা মতানৈক্য পৰিহাৰ কৰি যুক্তিৰে বিষয়টো তুলি ধৰিবলৈ ইয়াত

চেষ্টা কৰা হৈছে। গোহাঞিবৰুৱাই এনে যুক্তিৰে আলোচনীখনৰ উন্নতি বিচাৰিছিল।

- অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ প্ৰচেষ্টা *উষাই* আৰম্ভণিৰে পৰা কৰি গৈছিল। অসমীয়া সাহিত্য, অসমীয়া ভাষা আদি সম্পৰ্কে লিখা বিবিধ প্ৰবন্ধ আলোচনীখনত প্ৰকাশ পাইছিল। শৰৎ চন্দ্ৰ গোস্বামীৰ 'অসমীয়া সাহিত্য', দেৱেশ্বৰ চলিহাৰ 'অসমীয়া ভাষা' আদি প্ৰবন্ধত অসমীয়া ভাষা-সাহিত্যৰ উন্নতি, অসমীয়া আখৰ জোঁটনি, উচ্চাৰণ, বিভক্তি, শব্দ আদিৰ আলোচনা প্ৰকাশ পাইছে। ভাষাৰ শুৱলা শব্দৰ প্ৰযোগ আদিয়েও যে সাহিত্যৰ উন্নতি সাধন কৰিব পাৰে তাকো প্ৰবন্ধৰ মাজেৰে দেখুওৱা হৈছে। ভাষা-সাহিত্যৰ বাহিৰেও বিবিধ প্ৰবন্ধৰ প্ৰকাশে *উষা* আলোচনীক বিশিষ্টতা প্ৰদান কৰিছে। 'শৰাইঘাটৰ যুদ্ধ', 'মনোবিজ্ঞান', 'বাণিজ্য', 'খেতি', 'অসমীয়া বোৱাৰী', 'স্ত্ৰী শিক্ষা', 'শৰীৰ আৰু বস্ত্ৰৰ শুদ্ধতা', 'ধন আৰু ধনৰ ব্যৱহাৰ' আদি প্ৰবন্ধৰ আলোচনাই *উষা* আলোচনীক বিশেষভাৱে উপকৃত কৰাৰ লগতে *উষা* জনপ্ৰিয় আলোচনী হিচাপেও পৰিগণিত হৈছিল।
- সঙ্গীতৰ আলোচনাও আলোচনীখনৰ এটা বৈশিষ্ট্য। লক্ষ্মীনাথ বৰুৱাৰ সঙ্গীত বিষয়ক আলোচনাই আলোচনীখনত ঠাই পাইছিল। আনন্দ চন্দ্ৰ আগৰৱালাৰ প্ৰবন্ধৰাজিয়েও আলোচনীখনৰ সৌষ্ঠৱ বঢ়াইছিল। তদুপৰি অম্বিকা বৰাৰ 'চন্দ্ৰলোকলৈ গমন' নামৰ গুৰুত্বপূৰ্ণ প্ৰবন্ধ এটিয়েও আলোচনীখনৰ মৰ্যাদা বহন কৰিছে।
- *উষাৰ* প্ৰথম অধ্যায়ত 'কৃপাবৰ বৰবৰুৱাৰ প্ৰত্যাৱৰ্তন' নামৰ প্ৰবন্ধৰাজি *উষা* আলোচনীৰ অন্যতম বৈশিষ্ট্য। লক্ষ্মীনাথ বেজবৰুৱাৰ হাস্যৰস সম্বলিত এই প্ৰবন্ধসমূহ আলোচনীখনৰ ঘাই আকৰ্ষণ ৰূপে পৰিগণিত হৈছিল। বেজবৰুৱাৰ 'বাপিৰাম' নামৰচুটিগল্পটিও *উষাৰ* প্ৰথমসংখ্যাত প্ৰকাশপাইছিল। গোহাঞিবৰুৱাৰ কবিতা আৰু জগন্নাথ বৰুৱাৰ মৃত্যুত লিখা তথা প্ৰকাশ পোৱা 'শোকগীত' এই সংখ্যাতে প্ৰকাশ পাইছিল।
- *উষা* আলোচনীৰ আন এটা বৈশিষ্ট্য হ'ল— ইয়াৰ অন্তৰ্গত 'সম্পাদকৰ শৰাই'। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক ভালেমান আলোচনা ইয়াত সন্নিৱিষ্ট হৈছিল। সৰ্বসাধাৰণ পাঠকৰ প্ৰতি লক্ষ্য ৰাখি অসমীয়া ভাষা, সাহিত্য সেৱা, স্বাস্থ্য, অন্ধবিশ্বাস, অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ প্ৰসাৰ, জাতীয় চিন্তা, অসমীয়া সাহিত্যৰ উন্নতি, অসমীয়া সাহিত্যৰ বুৰঞ্জী, আমাৰ উন্নতিৰ গতি আদি লেখনিৰ দ্বাৰা ভাষা-সাহিত্যৰ সেৱকসকলৰ প্ৰতি সচেতনতাৰ ভাব জগাই তোলাটো *উষা* আলোচনীৰ প্ৰধান বৈশিষ্ট্য।
- 'সম্পাদকৰ শৰাই' শিতানৰ বাহিৰেও অসমীয়া জাতিৰ সৰ্বতোপ্ৰকাৰ মঙ্গল কামনা কৰি প্ৰকাশ কৰা প্ৰবন্ধৰাজিয়েও *উষা* আলোচনীৰ গুৰুত্ব বঢ়াইছিল। আনহাতে, উপদেশমূলক প্ৰবন্ধৰ প্ৰকাশো আলোচনীখনৰ আন এটা বৈশিষ্ট্য।
- অসম আৰু অসমীয়া বিভিন্ন সমস্যা আদি বিষয়ক প্ৰবন্ধও *উষাৰ* আন এক বৈশিষ্ট্য।

তদুপৰি মনোবিজ্ঞান বিষয়ক লেখনি আমাৰ সাহিত্যত নিচেই নগণ্য। তেনে ক্ষেত্রত ৰজনীকান্ত বৰদলৈৰ 'মনোবিজ্ঞান' শীৰ্ষক লেখনিয়ে *ঊষাক* গাম্ভীৰ্যপূৰ্ণ কৰি তুলিছিল।

- *ঊষা* আলোচনীৰ বিশেষ বৈশিষ্ট্য হ'ল জীৱনীমূলক লেখনিৰ প্রকাশ। হেমচন্দ্র গোস্বামী, হৰনাথ বৰুৱা, দেৰেশ্বৰ চলিহা, হৰিবিলাস আগৰৱালা, পদ্মনাথ গোহাঞিবৰুৱা, দেবেন্দ্র নাথ বেজবৰুৱা, কালীনাথ হাজৰিকা, সূর্য্য কুমাৰ ভূঞা, চন্দ্রনাথ শর্মা প্রমুখ্যে সাহিত্যিকসকলে এই জীৱনীমূলক বিষয়ক বিবিধ লেখাৰে *ঊষাৰ* পাত সমৃদ্ধ কৰিছিল।
- *ঊষাত* ভালেমান কবিতাও প্রকাশ পাইছিল। *ঊষা* আলোচনীক কেন্দ্র কৰি আৰু অন্যান্য ভালে সংখ্যক কবিতাৰে *ঊষাৰ* সংখ্যাসমূহ পৰিপূৰ্ণ হৈছিল। *ঊষাই* ভালে সংখ্যক কবিকো সুপ্রতিষ্ঠিত কৰিছিল।
- আলোচনীখনৰ আন এটা বৈশিষ্ট্য হ'ল ইয়াত প্রকাশ পোৱা সমালোচনামূলক প্রবন্ধৰ প্রকাশ। হেমচন্দ্র গোস্বামী, সোণাৰাম চৌধুৰী, চন্দ্রনাথ শর্মাকে ধৰি কেবা গৰাকী লেখকে যুক্তিৰে সমালোচনাধর্মী প্রবন্ধ আগবঢ়াইছিল। সোণাৰাম চৌধুৰীয়ে আহোম যুগৰ সাঁচিপতীয়া পুথি *মণিকূট* আৰু *লীলাৱতী* পুথিৰো সমালোচনা আগবঢ়াইছিল। আহোমসকলৰ ঐতিহ্যমণ্ডিত দিশসমূহৰ ওপৰত আলোকপাত কৰি লিখা প্রবন্ধয়ো *ঊষাক* গাম্ভীৰ্য প্রদান কৰিছিল।
- অসমীয়া সাহিত্যৰ বুৰঞ্জী বিষয়ক ভালেমান প্রবন্ধৰ প্রকাশো *ঊষা* আলোচনীত ঠাই পাইছিল। সূর্য্য কুমাৰ ভূঞাৰ 'আহোমৰ দিন', সর্বেশ্বৰ বৰুৱাৰ 'সাহিত্য আৰু সাহিত্যত বুৰঞ্জীৰ ঠাই' আদি প্রবন্ধৰ প্রকাশ আলোচনীখনৰ বিশেষ বৈশিষ্ট্য।
- ভ্রমণ কাহিনী, গীত, ধেমেলীয়া নাটক, গীতি-নাটিকা, প্রহসন, কাহিনী, গল্প আদিৰ প্রকাশেও *ঊষা*আলোচনীক জনপ্রিয় কৰি তুলিছিল। তদুপৰি প্রত্নতত্ত্বমূলক প্রবন্ধই আলোচনীখনৰ জৰিয়তে পাঠকক প্রাচীন ফলিৰো আভাস দাঙি ধৰিছিল।
- সম্পাদক হিচাপে পদ্মনাথ গোহাঞিবৰুৱাৰ অসম আৰু অসমীয়া জাতি-ভাষা-সাহিত্য-সংস্কৃতিৰ প্রতি থকা উদাৰতা তেওঁৰ সম্পাদকীয়ৰ মাজে�ৰে প্রকাশ পাইছিল। *ঊষাৰ* মাজে�ৰেই নতুন নতুন লেখকৰ জন্ম হৈছিল আৰু বহু লেখকে প্রতিষ্ঠাও লাভ কৰিছিল।
- *ঊষাৰ* আন এটি বিশেষ বৈশিষ্ট্য হ'ল *বাঁহী*আলোচনীৰ জন্ম। *ঊষাৰ* তৃতীয় ভাগৰ দ্বিতীয় সংখ্যাত বেজবৰুৱাৰ 'এংলো-ইণ্ডিয়ান' আৰু তৃতীয় ভাগৰ চতুর্থ সংখ্যাত লিখা 'কৃপাবৰ বৰুৱাৰ প্রত্যাগমন'ত 'বম' প্রবন্ধত বেজবৰুৱাই বৃটিছক ব্যঙ্গ কৰি লিখা প্রবন্ধৰ বাবেই দুই সাহিত্য কাণ্ডাৰীৰ মাজত বিৰোধৰ সৃষ্টি হৈছিল। সম্পাদক গোহাঞিবৰুৱাই 'কৃপাবৰ বৰুৱাৰ লগত অমত' বুলি প্রবন্ধ লিখি বেজবৰুৱাৰ সেই প্রবন্ধৰ লগত *ঊষাৰ* সম্বন্ধ নাই বুলি স্পষ্টভাৱে ঘোষণা কৰিছিল। দুই সাহিত্য কাণ্ডাৰীৰ

এনে বিৰোধৰ ভিত্তিতে অসমীয়া সাহিত্যৰ যুগান্তকাৰী আলোচনী *বাঁহী*ৰ সৃষ্টি।

পদ্মনাথ গোহাঞিবৰুৱাই তৃতীয় ভাগৰ একাদশ সংখ্যাত 'সপ্তম এডোৱার্ড মহাৰাজৰ মহাপ্রয়ান' শীর্ষক প্রবন্ধ-কবিতাৰে বৃটিছৰ প্রশস্তি গাইছিল। *ঊষা*/আলোচনীয়ে অসমীয়া আলোচনী সাহিত্যত এক অভূতপূর্ণ অৰিহণা যোগাই থৈ গ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ *ঊষা* আলোচনীখনৰ মাজেৰে প্রকাশ পোৱা সাহিত্যৰ শাখাসমূহৰ বিষয়ে এটি প্রবন্ধ যুগুত কৰক।

(১৫০টা শব্দৰ ভিতৰত)

৫.৩.৩ *বাঁহী*

১৯০৯ চনৰ ডিচেম্বৰ মাহত লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত *বাঁহী* আলোচনীখন প্রকাশ পায়। বেজবৰুৱাই বাঁহীত 'ফু' মাৰি অসমীয়া আলোচনী সাহিত্যৰ ইতিহাস ৰূপে পৰিগণিত হোৱা *বাঁহী*ৰ জন্ম দিলে। কলিকতাত থকা বেজবৰুৱাৰ হাওৰাৰ ঘৰৰ ওচৰতে থকা 'সলকিয়া প্রিংণ্টিং ৱর্কচ' নামৰ ছপাখানাৰ পৰাই "নহি জ্ঞানেন সদৃশং পৱিত্রমিহ বিদ্যতে" —গীতাৰ এই বাণী শিৰত লৈ ৩২ পৃষ্ঠাৰ *বাঁহী* আলোচনীখন প্রকাশিত হৈছিল। কলিকতাৰ ২নং লালবাজাৰ ষ্ট্রীট, আসাম বেঙ্গল ষ্টোর্ছৰ হৰিনাথ বেজবৰুৱা আছিল *বাঁহী*ৰ প্রকাশক। লগে লগে অসমীয়া আলোচনীৰ বাবে *বাঁহী* আলোচনীখন হৈ পৰিল এক ইতিহাস— এটা নতুন যুগৰ আৰম্ভণি। অসমীয়া জাতি-ভাষা-সাহিত্য-সংস্কৃতিৰ বাবে *বাঁহী* এক দলিল স্বৰূপে আজিও অসমীয়া সাহিত্যত স্বীকৃত হৈ আহিছে। *বাঁহী*/আলোচনী সৃষ্টিৰ মূলতে আছিল লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞিবৰুৱা এই দুই সাহিত্য কাণ্ডাৰীৰ মাজত হোৱা মনোমালিন্য। ১৯০৭ চনত পদ্মনাথ গোহাঞিবৰুৱাৰ সম্পাদনাত *ঊষা* আলোচনীখন প্রকাশ পায়। বেজবৰুৱাই 'কৃপাবৰ বৰুৱা' ছদ্মনামত আলোচনীখনত প্রবন্ধ লিখি উদগণি দি আহিছিল। আলোচনীখনৰ তৃতীয় ভাগৰ দ্বিতীয় সংখ্যাত 'কৃপাবৰ বৰুৱাৰ নতুন টোপোলা'ৰ লগত সন্নিৱিষ্ট 'এংলো-ইণ্ডিয়ান' আৰু তৃতীয় ভাগৰে চতুর্থ সংখ্যাত 'কৃপাবৰ বৰুৱাৰ প্রত্যাগমন'ৰ লগত সন্নিৱিষ্ট 'বম' প্রবন্ধ প্রকাশ পাইছিল। ৰাজৰোষত পৰি সম্পাদক গোহাঞিবৰুৱাই বেজবৰুৱাৰ প্রবন্ধ *ঊষা*ৰ পৰা উঠাই লোৱাত সাহিত্যিক বেজবৰুৱা ক্ষুণ্ণ হৈ পৰেআৰু *ঊষা*/আলোচনীৰ সৈতে তেওঁৰ সম্পর্ক ছেদ কৰে। এনে মনোমালিন্যৰ অন্তৰালতে বেজবৰুৱাই তেওঁৰ সম্পাদনাত *বাঁহী*/আলোচনীখন প্রকাশ কৰে।

প্রকৃততে বেজবৰুৱা আৰু গোহাঞিবৰুৱাৰ মনোমালিন্য অসমীয়া ভাষা-সাহিত্যৰ বাবে আশীর্বাদ স্বৰূপ হৈ পৰিল। সাহিত্য জগতত দুই সাহিত্য কাণ্ডাৰীৰ

মাজৰ এই দ্বন্দ্বৰ ফলতেই দুদল সাহিত্যিকৰো সৃষ্টি হ'ল। আধুনিক অসমীয়া মনৰ প্রকাশৰ লগতে সাহিত্যৰ ভিন্ন ধাৰাই *বাঁহী*ৰ মাজেৰে বাট বুলিছিল। সাহিত্য-ভাষাৰ নানান দিশৰ সংঘাত বেজবৰুৱাই হেলাৰঙে অতিক্রম কৰি *বাঁহী*ৰ মাজেৰে ইতিহাস গঢ়াৰ সঙ্কল্প লৈছিল। বেজবৰুৱাই তেওঁৰ মৃত্যুৰ আগলৈকে অসমীয়া ভাষা-সাহিত্যৰ প্রতি থকা প্রেম *বাঁহী*ৰ মাজেৰে প্রকাশ কৰি গৈছে।বেজবৰুৱাৰ পৰলোক গমনত *বাঁহী*ও থমকি ৰ'ল যদিও ভতিজাক মাধৱ চন্দ্র বেজবৰুৱাৰ তত্ত্বাৱধানত *বাঁহী* পুনৰ কলিকতাৰ ২৮-এ চার্কাছ এভিনিউৰ 'বাঁহী' পাব্লিছিং হাউছৰ পৰা প্রকাশৰ মুখ দেখা পালে। সম্পাদক মাধৱ চন্দ্র বেজবৰুৱাই লিখিছে— "সাহিত্যৰথী স্বর্গীয় লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ স্মৃতি ৰক্ষার্থে আমি মৰসাহ কৰিও *বাঁহী*খন আকৌ প্রকাশ কৰিবলৈ হাতত ল'লোঁ।"

*বাঁহী*ৰ প্রথম সংখ্যাৰ পৰাই বেজবৰুৱা সম্পাদক হিচাপে আছিল। *বাঁহী*ৰ প্রথম বছৰৰ প্রথম সংখ্যাৰ আটাইখিনি লেখনি বেজবৰুৱাৰে আছিল। দ্বিতীয় সংখ্যাৰ পৰা বিভিন্ন লেখকৰ প্রবন্ধ প্রকাশ পায়। পাছৰ ফালে ক্রমে চন্দ্র কুমাৰ আগৰৱালা আৰু যতীন্দ্র নাথ দুৱৰাৰ প্রচেষ্টাত আলোচনীখনে প্রকাশৰ গতি লাভ কৰিছিল। প্রথম অৱস্থাত কলিকতাৰ পৰাই *বাঁহী* প্রকাশ পাইছিল। নৱম বছৰৰ পৰা *বাঁহী*ৰ প্রকাশত বাধা পৰিল বেজবৰুৱাৰ প্রবাসত নিবাস হেতুকে। সেয়েহে পিছলৈ *বাঁহী*ৰ প্রকাশ অনিয়মীয়া হোৱা বাবে চন্দ্র কুমাৰ আগৰৱালাৰ তত্ত্বাৱধানত ডিব্রুগড়ৰ অসমীয়া প্রেছৰ পৰা আলোচনীখন ওলাব ধৰে। বেজবৰুৱা সম্পাদক হিচাপে থাকিল *বাঁহী*ৰ চতুর্বিংশ বছৰলৈ। ১৯০৯ চনৰ পৰা ১৯৩৮ চনলৈকে বেজবৰুৱা আৰু *বাঁহী*ৰ সম্পর্ক অটুট আছিল। তদুপৰি, *বাঁহী*খন প্রথম অৱস্থাত ইংৰাজী মাহৰ শেষত প্রকাশ পাইছিল। তাৰ পাছত ব'হাগৰ বিহু দিনটোতেই *বাঁহী*খন প্রকাশ পাই আছিল।

প্রথম বছৰ প্রথম সংখ্যাৰ *বাঁহী*ত নাৰী এগৰাকীয়ে গছৰ তলত বাঁহী বজাই থকা আৰু সেই ছবিৰ তলতে বেজবৰুৱাৰ—

ত্রিভুবন মাজে যত বস্তু মধুময়,
সি সবৰ সাৰ ভাগ কৰি একে ঠাই,
পুৰালি উদৰ তোৰ হে বাঁহী অমিয়া।

প্রেমিকে মাগিছে কণা পূর্ণ কৰ হিয়া। -- এই কবিতাটি লিখিছিল। এই সংখ্যাৰ প্রকাশিত তেওঁৰ 'ৰেডিয়ম' নামৰ প্রবন্ধটিয়ে বেজবৰুৱাৰ আধুনিক চিন্তা-চর্চাৰ পৰিচয় দাঙি ধৰিছে। *বাঁহী*ৰ প্রথম বছৰ প্রথম সংখ্যাত 'সম্পাদকীয়' শিতান নাছিল। দ্বিতীয় সংখ্যাৰ পৰাহে 'সম্পাদকীয়' শিতানটো প্রকাশ কৰা হৈছিল। *বাঁহী*ৰ 'সম্পাদকীয়'ৰ ক্ষেত্রত তেওঁ এনেদৰে মতামত দিছিল— "কার্যক্ষেত্রত সোমাই নিজৰ ক্ষুদ্র শক্তি অনুসৰি লাহে লাহে কাম কৰি যোৱাটোহে বাঁহীৰ ইচ্ছা। কার্য্যহে যোগ্যতা-অযোগ্যতাৰ চিনাকি, ডাঙৰ-দীঘল জাননী নহয়। ক্ষুদ্র বাঁহী টিকিবৰ অযোগ্য হ'লে ৰসাতললৈ যাব আৰু যোগ্য হ'লে ওপৰলৈ উধাব, এইটো নিশ্চয়।"

বেজবৰুৱাই *বাঁহী* মর্যাদা ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। আধুনিক অসমীয়া ভাষাৰ প্রতিষ্ঠাপক হিচাপে *বাঁহী*ৰ উল্লেখযোগ্য ভূমিকা আছে। অসমীয়া সমাজ-ভাষা-সাহিত্যৰ দোষ-ত্রুটি আঙুলিয়াই তাক সংস্কাৰকামী মনোভাবেৰে প্রতিষ্ঠা কৰাটো *বাঁহী*ৰ অৱদান অনস্বীকার্য। অসমীয়া ভাষাৰ ওপৰত আনে আক্রমণ কৰিলে বেজবৰুৱাই তাক সহ্য নকৰিছিল। *বাঁহী*ৰ পাতত তেওঁ তাৰ প্রতি আক্রমণ চলাইছিল। তেওঁৰ লেখাসমূহেই এই কথাৰ প্রমাণ দাঙি ধৰে। *বাঁহী*ৰ যোগেৰে এদল লেখক-সাহিত্যিকৰ সৃষ্টিৰ লগে লগে অসমৰ বৌদ্ধিক পৰিৱেশো উন্নতিৰ পিনে গতি কৰিলে। বেজবৰুৱাৰ প্রবন্ধ-কবিতা প্রকাশ পোৱাৰ উপৰিও কেবাগৰাকী কবি-সাহিত্যিকৰ কবিতা-লেখনিও আলোচনীখনত প্রকাশ পাইছিল। সেইসকল সাহিত্যিকৰ ভিতৰত কমলাকান্ত ভট্টাচার্য, দুর্গাকিঙ্কৰ গোস্বামী, জ্ঞানানন্দ জগতী, হৰিনাথ বেজবৰুৱা, জ্ঞানদাভিৰাম বৰুৱা, অম্বিকা নাথ বৰা, চন্দ্র কুমাৰ আগৰৱালা, দুর্গেশ্বৰ শর্মা, উমেশ চন্দ্র বৰুৱা, মহীচন্দ্র বৰা, ৰত্নকান্ত বৰকাকতী, শৈলধৰ ৰাজখোৱা, পদ্মাৱতী দেৱী ফুকননী, কনকলাল বৰুৱা, শৰৎ চন্দ্র গোস্বামী, পদ্মধৰ চলিহা, দণ্ডিনাথ কলিতা, হিতেশ্বৰ বৰবৰুৱা, কৃষ্ণকান্ত সন্দিকৈ আদিৰ নাম উল্লেখযোগ্য।

মুঠতে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ দলিল স্বৰূপে অসমীয়া সাহিত্যৰ *বাঁহী*য়ে এটা নতুন যুগৰ সৃষ্টি কৰিলে। *বাঁহী*ৰ অৱদানে অসমীয়া ভাষা-সাহিত্যক শতগুণে উজ্বলাই তুলিছে। কবিতা, অনূদিত কবিতা, প্রবন্ধ, ব্যক্তিমুখী ৰচনা, ব্যঙ্গ ৰচনা, অনুবাদ সাহিত্য, ভাষা সম্পর্কীয় বিবিধ আলোচনা, মনস্তাত্ত্বিক ৰচনা, স্বদেশপ্রেমমূলক ৰচনা আদি বিবিধ প্রবন্ধ-লেখনি *বাঁহী*ত প্রকাশ পাইছিল। বেজবৰুৱাই তেওঁৰ সংস্কাৰকামী মনোভাবেৰে অসমীয়া ভাষা-সাহিত্যৰ এটি চিৰ যুগমীয়া সৌধ নির্মাণ কৰিছিল *বাঁহী* আলোচনীখনৰ মাজেৰে। ১৮৮৯ চনত আৰম্ভ হোৱা *জোনাকী*ৰ সাহিত্যৰ ধাৰাটো গোহাঞিৰুৱাৰ নেতৃত্বত প্রকাশ পোৱা *উষা*ত বিকাশ লাভ কৰিছিল। তাৰ পাছত বেজবৰুৱাৰ সম্পাদনাত প্রকাশ পোৱা *বাঁহী*ত সেই সাহিত্যৰ ধাৰাই পূর্ণতা প্রকাশ কৰি ভাষা-সাহিত্যৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। *বাঁহী*ৰ অৱদানে অসমীয়া ভাষা-সাহিত্যক উন্নতিৰ পথলৈ আগবঢ়াই আনিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ অসমীয়া সাহিত্যলৈ *বাঁহী*ৰ অৱদান সম্পর্কে এটি আলোচনা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

৫.৩.৪ *বাঁহী* আলোচনীৰ বৈশিষ্ট্যসমূহ

অসমীয়া ভাষা-সাহিত্যলৈ *বাঁহী* আলোচনীৰ অৱদান অনবদ্য। অসমীয়া সাহিত্যৰ ভিন্ন চর্চা আলোচনী *বাঁহী*ৰ পাততেই সৃষ্টি হৈছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ নেতৃত্বত অসম-

অসমীয়াৰ জাতীয় চেতনা জগাই, আধুনিক দৃষ্টিভঙ্গীৰে সমাজ-সংস্কৃতিক আগবঢ়াই লৈ যোৱাত *বাঁহী*য়ে যি ভূমিকা গ্ৰহণ কৰিছিল তাক সকলোৱে এক মুখে স্বীকাৰ কৰিব লাগিব। জনসাধাৰণক *বাঁহী*ৰ সুৰে আকৰ্ষণ কৰি এক বৌদ্ধিক পৰিৱেশৰ সৃষ্টি কৰাত বেজবৰুৱাৰ কৃতিত্ব অনস্বীকাৰ্য। অসমীয়া ভাষাৰ উন্নতিৰ হকে সাহিত্যিকসকলে যি সাহিত্য চৰ্চাৰ নমুনা *বাঁহী*ত দেখুৱাইছে—সিয়ে জাতীয় চেতনাৰো উদ্ৰেক কৰিছে। সমালোচক মহেশ্বৰ নেওগে *বাঁহী*আলোচনীখনক অসমীয়া সাহিত্যিকৰ তীৰ্থস্থানৰূপে অভিহিত কৰি গৈছে। অসমৰ প্ৰাচীন ইতিহাস, অসমীয়া ভাষাৰ বৈয়াকৰণিক দিশ, কবিতা, অনূদিত কবিতা, গীতি সাহিত্য, উপন্যাস, বিবিধ প্ৰবন্ধ, হাস্য-ব্যঙ্গ ৰচনা, স্বাস্থ্য, নাৰীৰ মৰ্যাদা ৰক্ষা কৰা মহিলাসকলৰ ৰচনা, চিত্ৰ-কাৰ্টুন, বেজবৰুৱাৰ মন্তব্য আদি বিভিন্ন দিশে *বাঁহী*ৰ প্ৰসাৰতা বঢ়াইছিল। জোনাকী যুগতে আৰম্ভ হোৱা সাহিত্য চিন্তাই *বাঁহী*ৰ মাজেৰে নতুন দৃষ্টিৰে-সৃষ্টিৰে আগবাঢ়ি যোৱাত সাহিত্য জগতত *বাঁহী*ৰ আদৰ্শ অবিস্মৰণীয় হৈ ৰ'ল। অসমীয়া আলোচনী সাহিত্যত *বাঁহী*ৰ বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল—

- বেজবৰুৱাৰ সম্পাদনাত *বাঁহী*আলোচনী প্ৰকাশৰ লগে লগে অসমীয়া সাহিত্যত এটা নতুন যুগৰ আৰম্ভণি হ'ল। *বাঁহী*ৰ প্ৰকাশে এদল নতুন লেখকৰ সৃষ্টি কৰিলে। এচাম নতুন লেখকৰ লেখনিক স্বীকৃতি দিয়াত *বাঁহী*য়ে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিলে। লগতে অসমীয়া সাহিত্য জগতত নতুন দৃষ্টিভঙ্গী আৰু আধুনিকতা সোমাই পৰিল। নতুন লেখকৰ বাবে *বাঁহী*ৰ দুৱাৰ মুকলিৰ কথা কৈ কোৱা হৈছিল যে— "লিখক সমাজ গঢ়ি তোলাটোৱেই *বাঁহী*ৰ গৌৰৱ।" এনে ক্ষেত্ৰত বহু নতুন লেখক *বাঁহী*ৰ মাজেৰেই প্ৰতিষ্ঠা লাভ কৰিছিল।
- *বাঁহী*আলোচনীৰ মাজেৰেই অসমীয়া ভাষাৰ শুদ্ধ ৰূপ এটা পোৱাৰ চেষ্টা চলিছিল। অসমীয়া আখৰ-জোঁটনিৰ প্ৰতিও *বাঁহী*আলোচনীয়ে গুৰুত্ব প্ৰদান কৰিছিল। 'আখৰ জোঁটনিত উচ্চাৰণৰ প্ৰভাৱ' নামৰ *বাঁহী*ৰ ২৬শ বছৰৰ তৃতীয় সংখ্যাত প্ৰকাশ পোৱা প্ৰবন্ধটিত আখৰ জোঁটনিৰ— আখৰৰ উচ্চাৰণৰ সুন্দৰ উদাহৰণ দাঙি ধৰি আখৰৰ লগতে অসমীয়া ভাষাৰ শুদ্ধ উচ্চাৰণ তথা ৰূপৰ প্ৰতি গুৰুত্ব আৰোপ কৰা দেখা গৈছে।
- *বাঁহী*আলোচনীখনৰ অন্যতম বৈশিষ্ট্য হ'ল সাহিত্যৰ বিভিন্ন শাখা প্ৰকাশ পোৱাটো। এনেবোৰ বিভিন্ন সাহিত্যই *বাঁহী*আলোচনীখনক জনপ্ৰিয় কৰিতোলাই নহয় সাহিত্যৰ ভিন্ন শাখাকো উজ্জীৱিত কৰি তুলিছে। তেনে শাখাবোৰৰ ভিতৰত প্ৰবন্ধ, ব্যক্তিমুখী লেখা, ব্যঙ্গ কবিতা, অনূদিত সাহিত্য, দেশপ্ৰেমমূলক ৰচনা, ভাষা-সাহিত্য বিষয়ক ৰচনা আদি উল্লেখযোগ্য। এনেবোৰ শাখাই *বাঁহী*ৰ জৰিয়তে অসমীয়া ভাষা-সাহিত্যক সমৃদ্ধ কৰি তুলিছিল। লগতে অসমীয়া ভাষাৰ প্ৰতি গুৰুত্বও *বাঁহী*ৰ অন্যতম বৈশিষ্ট্য। অসমীয়া ভাষা যে অতি প্ৰাচীন আৰু চহকী তাকো *বাঁহী*য়ে স্পষ্টভাৱে প্ৰতিষ্ঠা কৰাত অৰিহণা যোগাইছে।

- ইয়াৰ বাহিৰেও *বাঁহী*ৰ প্ৰথম বছৰ তৃতীয় সংখ্যাত প্ৰকাশ পোৱা 'বৰ্তমান ভাষাৰ অৱস্থা' শীৰ্ষক প্ৰবন্ধটিৰ মাজেৰে অসমীয়া ভাষাৰ উচ্চাৰণ, আখাৰ জোঁটনি তথা ব্যাকৰণৰ যি ৰূপ প্ৰকাশ পাইছে সিয়ে অসমীয়া ভাষাক উন্নতিৰ পথলৈ নিয়াৰ প্ৰয়াস ফুটি উঠিছে।
- অসমীয়া ভাষাৰ বিবিধ প্ৰবন্ধ *বাঁহী*ত আৰম্ভণিৰে পৰা প্ৰকাশ পাইছিল। বেজবৰুৱাই অসমীয়া ভাষা সম্পৰ্কে *বাঁহী*ত (প্ৰথম বছৰ, দ্বিতীয় সংখ্যা) লিখিছে— "শঙ্কৰ-মাধৱ আৰু কন্দলি সকলৰ দিনৰে পৰা আজিলৈকে যি ভাষাত কিতাপ-পুথি ৰচিত হৈ আহিছে, যি ভাষাত অসমৰ মানুহে, ঘাইকৈ ওপৰ খাপৰ মানুহে ইজনে সিজনৰ ভিতৰত দিনৌ মনৰ ভাব সলনা-সলনি কৰি আহিছে আৰু কৰে, সেইটোৱেই অসমীয়া ভাষা।"
- বুৰঞ্জীমূলক নামৰ ক্ষেত্ৰতো উচ্চাৰণৰ শুদ্ধতাৰ ক্ষেত্ৰত *বাঁহী*য়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে।
- পুৰণি পুথি সংগ্ৰহৰ ক্ষেত্ৰত আৰু সাহিত্যৰ বুৰঞ্জীত পুৰণি পুথিৰ গুৰুত্বৰ কথাও *বাঁহী*ত আলোচিত হৈছে। সাহিত্যৰ বুৰঞ্জী অধ্যয়নত প্ৰাচীন পুথিৰ গুৰুত্ব অপৰিসীম। *বাঁহী*ত আলোচিত এনে প্ৰবন্ধই অসমীয়া সাহিত্যৰ ভেটি সবল কৰি তুলিছে।
- *বাঁহী*ৰ প্ৰথম সংখ্যাত অকল বেজবৰুৱাৰে লেখাসমূহ আছিল। এই আৰম্ভণি সংখ্যাতে 'ৰেডিয়ম', 'আনন্দৰাম বৰুৱাৰ জীৱন চৰিত', 'গীত', 'অসমীয়া ভাষা সম্পৰ্কে আষাৰ চেৰেক কথা' আৰু অন্যান্য বিবিধ প্ৰবন্ধেৰে আধুনিক দৃষ্টিভঙ্গী দাঙি ধৰাৰ প্ৰয়াস প্ৰকাশ পাইছিল।
- অসমীয়া কবিতা আৰু কবিক প্ৰতিষ্ঠা কৰাত *বাঁহী*য়ে অভূতপূৰ্ব আদৰ্শ দাঙি ধৰিলে। অনুবাদ কবিতাৰ প্ৰকাশেও *বাঁহী*ক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। তাৰ লগে লগে গীতি-সাহিত্য ৰচনাৰ আৰু প্ৰকাশৰ বাবেও অসমীয়া সাহিত্যত *বাঁহী*ৰ অৱদান অনস্বীকাৰ্য। ভালেকেইগৰাকী অসমীয়া কবিক কবি হিচাপে *বাঁহী*য়েই প্ৰতিষ্ঠা কৰি থৈ গ'ল। চন্দ্ৰ কুমাৰ আগৰৱালা, যতীন্দ্ৰ নাথ দুৱৰা, লক্ষ্মীনাথ বেজবৰুৱা, দণ্ডিনাথ কলিতা, অম্বিকানাথ বৰা, উমেশ চন্দ্ৰ বৰুৱা, লক্ষীধৰ শৰ্মা, জ্ঞাননাথ বৰা, তৰুণৰাম ফুকন, পদ্মাৱতী দেৱী ফুকননী প্ৰমুখ্যে আৰু পিছলৈ কমলাকান্ত ভট্টাচাৰ্য, দুৰ্গেশ্বৰ শৰ্মা, সূৰ্য্য কুমাৰ ভূঞা, প্ৰসন্নলাল চৌধুৰী, অতুল চন্দ্ৰ হাজৰিকা, জ্যোতিপ্ৰসাদ আগৰৱালা, ৰঘুনাথ চৌধাৰী, ধৰ্মেশ্বৰী দেৱী বৰুৱানী, নলিনীবালা দেৱীকে আদি কৰি পুৰুষ-মহিলা কেইবাগৰাকীও কবি *বাঁহী*আলোচনীৰ পাততে কবিতা লিখি কবি হিচাপে প্ৰতিষ্ঠিত হয়।
- চুটিগল্প, নাটক আৰু উপন্যাস সাহিত্যৰ জগতলৈও *বাঁহী*য়ে এক জাগৰণ আনি দিলে। বেজবৰুৱাৰ 'পাতমুগী' গল্পকে আদি কৰি ভালে সংখ্যক চুটিগল্পই *বাঁহী* আলোচনীক সমৃদ্ধ কৰি গৈছে। অনূদিত গল্পও *বাঁহী*ত ঠাই পাইছিল।

- অসমীয়া নাট্য সাহিত্যৰ প্ৰগতিতো *বাঁহী*য়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। তদুপৰি, উপন্যাস সাহিত্যৰ ক্ষেত্ৰত শৰৎ চন্দ্ৰ গোস্বামীৰ *পানীপথ* উপন্যাস উল্লেখযোগ্য অৱদান বুলিব পাৰি।
- *বাঁহী*আলোচনীৰ পাততে হোৱা মহাপুৰুষ শঙ্কৰদেৱ, মহাপুৰুষ মাধৱদেৱ সম্পৰ্কীয় আলোচনা-প্ৰবন্ধই শঙ্কৰ-মাধৱ গুৰু দুজনাক জগত সভাত চিনাকি কৰি দিলে। বৈষ্ণৱ ধৰ্ম আৰু তত্ত্বকথাৰ বিভিন্ন আলোচনা-প্ৰবন্ধয়ো অসমীয়া জাতিক উন্নত কৰাত *বাঁহী*য়ে সহায় কৰিলে।
- সমাজত নাৰীৰ মৰ্যাদাৰ প্ৰতিও *বাঁহী*আলোচনী সচেতন আছিল। মহিলা লেখিকা-কবি হিচাপেও কেবাগৰাকী মহিলা কবিক *বাঁহী*য়ে প্ৰতিষ্ঠা কৰি থৈ গৈছে। প্ৰজ্ঞা-সুন্দৰী দেৱী, অন্নদাদেৱী বৰকটকী, চন্দ্ৰপ্ৰভা শইকীয়ানী, স্নেহলতা ভট্টাচাৰ্য আদি মহিলা কবিসকলে *বাঁহী*ৰ পাততে সু-প্ৰতিষ্ঠিত হৈছিল।
- *বাঁহী*আলোচনীৰ আন এক বৈশিষ্ট্য হ'ল— স্বাস্থ্য সম্পৰ্কীয় আলোচনাৰ প্ৰকাশ। ষষ্ঠ বছৰ দ্বাদশ সংখ্যাত প্ৰকাশিত 'অসমীয়াৰ আহাৰ আৰু স্বাস্থ্য', 'কানিৰ প্ৰতিকাৰ' শীৰ্ষক লেখা আদি উল্লেখযোগ্য।
- প্ৰবন্ধ, গল্প, কবিতা আদিৰ দৰে *বাঁহী*গহীন আলোচনা আদিৰ বাদেও বেজবৰুৱাৰ 'কৃপাবৰী' বেশেৰে *বাঁহী*ত ঠাই পাইছিল। সাহিত্যত হাস্যৰসেও যে খলকনি তুলিব পাৰে কৃপাবৰ বৰুৱাৰ ৰচনাৱলীয়ে তাক প্ৰমাণ কৰে। বেজবৰুৱাই কৃপাবৰ বৰুৱাৰ সাজেৰে অসমীয়া সমাজখনক সংস্কাৰ মুক্ত আৰু নিকা কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল।
- *বাঁহী*ৰ আনএক বৈশিষ্ট্য হ'ল—ইয়াত প্ৰকাশিত চিত্ৰ আৰু কার্টুনসমূহ। এনে চিত্ৰ আৰু কার্টুনৰ মাজেৰে বেজবৰুৱাই কাৰোবাৰ সমালোচনাৰ প্ৰত্যুত্তৰ নহ'লে হাস্যৰস প্ৰকাশ কৰিছিল।
- *বাঁহী*আলোচনীৰ অন্যতম বৈশিষ্ট্য এটা হ'ল যে কেবাগৰাকী সাহিত্যিকে ছদ্মনামত কবিতা-প্ৰবন্ধ আদি লেখা। আকৰা, জ্ঞানানন্দ জগতী, দেশ, বম, বুঢ়া ল'ৰা, চিৰ প্ৰবাসী, সাজতোলা, কথাচহকী, মিৰি, যদু আদি বিভিন্ন লেখকে ছদ্মনামত *বাঁহী*ত অৰিহণা আগবঢ়াইছিল।
- ন-লেখকসকলক উদগনি দি নতুন ভাব-চিন্তাৰে অসমীয়া ভাষা-সাহিত্যক উন্নতিৰ বাটলৈ আগবঢ়াই নিয়াটোৱেই *বাঁহী*ৰ কৰ্তব্য আছিল। লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক *বাঁহী* আলোচনীৰ মাধ্যমেৰে উন্নতিৰ বাটলৈ আগবঢ়াই লৈ যোৱাত যি পদক্ষেপ আগবঢ়ালে সেয়া আদৰণীয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ *বাঁহী* আলোচনীৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)



৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *অৰুণোদই*য়ে অসমীয়া ভাষা-সাহিত্যৰ লগতে আধুনিক চিন্তা-চর্চাৰ পৰিসৰ বৃদ্ধি কৰিলে। *অসমীয়া ভাষা উন্নতি সাধিনী সভা* প্রতিষ্ঠা হোৱাত আৰু সভাৰ জৰিয়তে *জোনাকী* আলোচনীৰ প্রকাশ হোৱাত পাশ্চাত্যৰ ৰোমাণ্টিক ভাব-আদর্শ, দেশাত্মবোধ, সাংস্কৃতিক চেতনা আদিয়ে অসমীয়া সাহিত্যতো প্রসাৰণ লাভ কৰিলে। *জোনাকী* আলোচনীৰ প্রকাশে অসমীয়া সাহিত্যক নতুন দিক্ দর্শন কৰালে।
- *বিজুলী* আলোচনীৰ এবছৰ পাছত পদ্মনাথ গোহাঞিবৰুৱাৰ সম্পাদনাত তেজপুৰৰ পৰা *উষা* আলোচনীখন প্রকাশ পায়। সেই সময়ত *উষা* লেখত ল'বলগীয়া আলোচনী আছিল। আলোচনীখনত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ উন্নতিৰ প্রচেষ্টা প্রতিষ্ঠিত হৈছে। সাহিত্যৰ বিভিন্ন শাখা আলোচনীখনত ঠাই পাইছিল।
- *উষা* আলোচনীখনৰ মাজেৰে ভালে সংখ্যক সাহিত্যিকে অসমীয়া সাহিত্যত প্রতিষ্ঠা লাভ কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱায়ো হাস্যৰস সম্বলিত প্রবন্ধৰে *উষা*ক জনপ্রিয় কৰি তুলিছিল।
- সমালোচনামূলক প্রবন্ধ, কবিতা, জীৱনী সাহিত্য আদিৰ প্রকাশ, অসমীয়া-সাহিত্য, বুৰঞ্জী বিষয়ক প্রবন্ধ, সম্পাদকৰ শৰাই আদি *উষা* আলোচনীৰ মুখ্য আকর্ষণ আছিল।
- বেজবৰুৱাৰ সম্পাদনাত *বাঁহী* আলোচনীখন প্রকাশ পায়। গোহাঞিবৰুৱা আৰু বেজবৰুৱাৰ মনোমালিন্যৰ বাবেই *বাঁহী* ৰ সৃষ্টি বুলিব পাৰি। *বাঁহী* ৰ প্রকাশৰ লগে লগে অসমীয়া সাহিত্যত নতুন যুগৰ সৃষ্টি হ'ল।
- *বাঁহী*ত সাহিত্যৰ নানা শাখা প্রকাশ পাইছিল। *বাঁহী*য়ে নতুন লেখকসকলক স্বীকৃতি দিয়াৰ লগতে এচাম সাহিত্যিকক প্রতিষ্ঠা কৰিও গৈছে।
- অসমীয়া ভাষাৰ এটা শুদ্ধ ৰূপৰ চানেকি *বাঁহী*য়ে দি গৈছে। তদুপৰি অসমীয়া ভাষাৰ উচ্চাৰণ, বৈয়াকৰণিক শুদ্ধতা, পুৰণি পুথিৰ অধ্যয়ন-সংগ্রহ আদিৰ ওপৰত *বাঁহী*ৰ ভূমিকা অনস্বীকার্য।
- বেজবৰুৱাই 'কৃপাবৰ'ৰ মাজেৰে *বাঁহী*ৰ পাতত প্রবন্ধ লিখি অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাইছিল।

- এই অধ্যায়টি অধ্যয়নৰ মাজেৰে আমি জোনাকী যুগৰ লগতে গোহঞিবৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা *ঊষা* আৰু বেজবৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা *বাঁহী*ৰ অৱদান সম্পৰ্কে অৱগত হ'লোঁ।



৫.৫ অধিক জানিবলৈ

১) গোস্বামী, যতীন্দ্ৰনাথ (সঙ্কলয়িতা) (২০০১)ঃ *বাঁহী*(প্ৰথম খণ্ড); অসম সাহিত্য সভা।

২) গোস্বামী, যতীন্দ্ৰনাথ (২০০২) ঃ *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী*; গুৱাহাটী ঃ অসম বুক ডিপো।

৩) চৌধুৰী, সতীশ চন্দ্ৰ (সম্পা.) (১৯৯৩) ঃ *যোৱা দুই দশকৰ অসমীয়া সাহিত্য*; গুৱাহাটী ঃ অসম সাহিত্য সভা।

৪) তামূলী, লক্ষ্মীনাথ (সম্পা.) (২০০৫) ঃ *ঊষা*; গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৫) তামূলী, লক্ষ্মীনাথ (সম্পা.) (২০০৮) ঃ *বাঁহী*; গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৬) নেওগ, মহেশ্বৰ (১৯৮৬) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) বৰগোহাঞি, হোমেন (১৯৮৭) ঃ *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য*; গুৱাহাটী ঃ বনলতা।

৮) ভৱালী, শৈলেন (১৯৯২) ঃ *আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৯) শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পা.) (১৯৯৮) ঃ *অসমৰ বাতৰিকাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস*; অসমৰ বাতৰিকাকতৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতি।

১০) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৮৬) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।



৫.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ *জোনাকী* আলোচনীৰ জন্ম...সাহিত্যিকসকলৰ অৱদান...পাশ্চাত্যৰ ৰোমাণ্টিক সাহিত্যৰ প্ৰভাৱ... আধুনিক চিন্তা-চৰ্চাৰ চমু আলোচনা।

২নং প্ৰশ্নৰ উত্তৰ ঃ *ঊষা*আলোচনীৰ প্ৰকাশ...সাহিত্যৰ বিভিন্ন শাখাৰ প্ৰকাশ... নতুন লেখকৰ সাহিত্য সৃষ্টি...অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ প্ৰচেষ্টা...আদিৰ চমু আলোচনা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ *ঊষা* আলোচনীত প্ৰকাশ পোৱা কবিতা, প্ৰবন্ধ আৰু অন্যান্য শাখাসমূহৰ উল্লেখ...চমু আলোচনা।

৪নং প্ৰশ্নৰ উত্তৰ ঃ *বাঁহী* আলোচনীৰ প্ৰকাশ...অসমীয়া সাহিত্যত নতুন যুগৰ আৰম্ভণি... অসমীয়া ভাষাৰ শুদ্ধতাৰ প্ৰতি সচেতনতা...ভাষা-সাহিত্যৰ উন্নতিৰ চিন্তা... বৈয়াকৰণিক... উচ্চাৰণৰ শুদ্ধতা...সাহিত্যৰ বিভিন্ন শাখাৰ প্ৰকাশ...আদিৰ চমু

আলোচনা।

৫নং প্ৰশ্নৰ উত্তৰ ঃ *বাঁহী*ৰ মাজেৰে অসমীয়া সাহিত্যৰ উন্নতিৰ চেষ্টা...নতুন সাহিত্যিকৰ নতুন দৃষ্টিভঙ্গী...কবিতা-অনূদিত কবিতা..ব্যক্তিমুখী ৰচনা...নতুন লেখা...ভাষা-সাহিত্যৰ প্ৰতি গুৰুত্ব...আদিৰ বিষয়ে আলোচনা।



৫.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ জোনাকী যুগৰ সাহিত্যৰ ধাৰা সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ জোনাকী যুগৰ সাহিত্যৰ ৰোমাণ্টিকতাৰ প্ৰভাৱ কেনেদৰে পৰিছে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া আলোচনী সাহিত্যত *ঊষা* আলোচনীৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ *ঊষা* আলোচনীৰ মাজেৰে সাহিত্যৰ কেনেবোৰ শাখা প্ৰকাশ পাইছিল লিখক।

প্ৰশ্ন ৫ ঃ *ঊষা* আলোচনীৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ অসমীয়া আলোচনী সাহিত্যত *বাঁহী*ৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ *বাঁহী* আলোচনীত প্ৰকাশ পোৱা সাহিত্যৰ ভিন্ন শাখা সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৮ ঃ *বাঁহী* আলোচনীৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৯ ঃ *বাঁহী*ত প্ৰকাশ পোৱা বেজবৰুৱাৰ 'কৃপাবৰ বৰুৱা'ৰ লেখনিসমূহৰ এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ১০ ঃ অসমীয়া সাহিত্যলৈ *জোনাকী, ঊষা* আৰু *বাঁহী*ৰ অৱদান সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

*** ***** ***

অধ্যায় ৬ ঃ জোনাকী যুগৰ অসমীয়া সাহিত্য-৩

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ জোনাকী যুগৰ সাহিত্যিকসকল

- ৬.৩.১ লক্ষ্মীনাথ বেজবৰুৱা
- ৬.৩.২ চন্দ্রকুমাৰ আগৰৱালা
- ৬.৩.৩ হেমচন্দ্র গোস্বামী
- ৬.৩.৪ পদ্মনাথ গোহাঞিবৰুৱা
- ৬.৩.৫ আনন্দ চন্দ্র আগৰৱালা
- ৬.৩.৬ মফিজুদ্দিন আহমদ হাজৰিকা
- ৬.৩.৭ সত্যনাথ বৰা
- ৬.৩.৮ কনকলাল বৰুৱা
- ৬.৩.৯ ৰঘুনাথ চৌধাৰী
- ৬.৩.১০ দুর্গেশ্বৰ শর্মা
- ৬.৩.১১ ৰজনীকান্ত বৰদলৈ
- ৬.৩.১২ হিতেশ্বৰ বৰবৰুৱা

৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৫ অধিক জানিবলৈ

৬.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৬.৭ আর্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আলোচনীকেন্দ্রিক অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী যুগৰ কবি-সাহিত্যিকসকলৰ পৰিচয় আৰু তেওঁবিলাকৰ সাহিত্যৰাজিৰ পৰিচয় লাভ কৰিব
- জোনাকী যুগৰ সাহিত্যিকসকলৰ সাহিত্যৰ বৈশিষ্ট্য সম্পর্কে ধাৰণা লাভ কৰিব।

৬.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া প্রথম ষাণ্মাসিকৰ অন্তর্গত দ্বিতীয় পাঠ্যবিষয় 'অসমীয়া সাহিত্যৰ বুৰঞ্জী (অৰুনোদই যুগৰ পৰা যুদ্ধোত্তৰ যুগলৈ)'ৰ এইটো ষষ্ঠ অধ্যায়। জোনাকী যুগৰ যিসকল লেখক-লেখিকাই অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াইছিল সেইসকলৰ ভিতৰৰে উল্লেখযোগ্য

লেখক-লেখিকাসকল হৈছে— লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱালা, আনন্দ চন্দ্ৰ আগৰৱালা, পদ্মনাথ গোহাঞিবৰুৱা, ৰজনীকান্ত বৰদলৈ, ৰত্নেশ্বৰ মহন্ত, মফিজুদ্দিন আহমদ হাজৰিকা, বেণুধৰ ৰাজখোৱা, সত্যনাথ বৰা, দুৰ্গেশ্বৰ শৰ্মা, ৰঘুনাথ চৌধাৰী, কালিৰাম মেধি, মীনধৰ হাজৰিকা, চন্দ্ৰধৰ বৰুৱা, হিতেশ্বৰ বৰবৰুৱা ইত্যাদি।

৬.৩ জোনাকী যুগৰ সাহিত্যিকসকল

৬.৩.১ লক্ষ্মীনাথ বেজবৰুৱা

দীননাথ বেজবৰুৱাৰ ঔৰষত জন্মগ্ৰহণ কৰা লক্ষ্মীনাথ বেজবৰুৱাই অসমৰ বিভিন্ন ঠাইৰ বিদ্যালয়ত পঢ়ি ১৮৮৩ চনত শিৱসাগৰৰ চৰকাৰী ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যায়। কলিকতাৰ পৰা বি.এ. পৰীক্ষাত উত্তীৰ্ণ হৈ ইংৰাজী বিষয়ত এম.এ. আৰু আইন পঢ়ে যদিও ডিগ্ৰী নোলোৱাকৈ এৰে। ১৮৯১ খ্ৰীঃত তেওঁ বঙ্গদেশৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ হেমেন্দ্ৰ নাথৰ কন্যা প্ৰজ্ঞাসুন্দৰী দেৱীক বিয়া কৰায়। প্ৰথমে ভোলানাথ বৰুৱাৰ সৈতে কাঠৰ ব্যৱসায় কৰাৰ পিছত সম্বলপুৰত নিজাকৈ কাঠৰ ব্যৱসায় আৰম্ভ কৰে।

বেজবৰুৱাৰ ব্যক্তিত্বই সমস্ত জোনাকী যুগটোক প্ৰভাৱিত কৰিছিল। তেৱেঁই আধুনিক যুগৰ নতুন লেখকসকলৰ অনুপ্ৰেৰণাৰ উৎস আছিল। দৰাচলতে বেজবৰুৱাৰ বহুমুখী প্ৰতিভাই অসমীয়া সাহিত্যৰ সকলো শাখাক পৰিপুষ্টি প্ৰদান কৰাৰ উপৰি অসমীয়া সাহিত্যলৈ অভূতপূৰ্ব জাগৰণ আনিলে। প্ৰায় আঢ়ৈকুৰি বছৰ ধৰি তেওঁৰ ব্যক্তিত্বই অসমীয়া সাহিত্যৰ গতিপথ নিৰ্ণয় কৰিছিল; সাহিত্য সম্পৰ্কে তেওঁৰ সিদ্ধান্ত সকলোৱে মানি লৈছিল। লক্ষ্মীনাথ বেজবৰুৱা একাধাৰে কবি, নাট্যকাৰ, চুটিগল্পৰ প্ৰবৰ্তক, ব্যঙ্গ লেখক, গদ্যশিল্পী, সাংবাদিক-সমালোচক, শিশু-সাহিত্যৰ জনক, প্ৰাচীন সাহিত্যৰ ৰসজ্ঞ সমালোচক।

ঘাইকৈ প্ৰহসন আৰু লঘু হাস্যৰসৰ প্ৰবন্ধ ৰচনাৰে বেজবৰুৱাই 'জোনাকী' আন্দোলনত অংশগ্ৰহণ কৰিছিল যদিও সেই সময়ৰ পৰাই তেওঁ 'কবিতা হয় যদি হওক, নহয় যদি নহওক' বুলি গহীন আৰু ধেমেলীয়া ভাবৰ কবিতাও লিখিছিল। সেই কবিতাখিনিয়েই তেওঁৰ একমাত্ৰ কবিতাপুথি *কদমকলিত* (১৯১৩) ঠাই পাইছে। তেওঁৰ কবিতা সম্পৰ্কে মহেশ্বৰ নেওগৰ বক্তব্য, 'ইয়াৰ দুই-এটি প্ৰকৃততে কবিতা বুলিব নোৱাৰি, কিন্তু যিকেইটাত কাব্যৰ পৰশ পৰিছে, সেইকেইটি সোণপানীৰে ছপাই বন্ধাই থ'বলগীয়া।' 'ধনবৰ আৰু ৰতনী', 'মালতী', 'নিমাতী কন্যা' আদি লোকগীতৰ আৰ্হিত তেওঁ কেইবাটাও কবিতা ৰচনা কৰিছিল। তেওঁৰ 'প্ৰিয়তমা', 'প্ৰিয়তমাৰ সৌন্দৰ্য', 'প্ৰেম' আদি কবিতা অসমীয়া প্ৰণয় কবিতাৰ উৎকৃষ্ট নিদৰ্শন। বেজবৰুৱাৰ দৃষ্টিত 'প্ৰেমত ঘূৰিছে ভূমণ্ডল, প্ৰেমত ফুলিছে শতদল'। 'প্ৰিয়তমাৰ সৌন্দৰ্য' কবিতাটো ইংৰাজ কবি শ্যেলীৰ

প্ৰেমৰ দৰ্শন আৰু সপ্তদশ শতিকাৰ আদৰ্শত ৰচনা কৰা হৈছে। কবিতাটোত ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমৰ আভাস থাকিলেও 'প্ৰেম' আৰু 'প্ৰিয়তমাৰ সৌন্দৰ্য' কবিতা দুটিৰ ভাববস্তুৰে ইন্দ্ৰিয়জগত অতিক্ৰমি আন্তৰিক প্ৰেমৰ বন্দনা কৰিছে। বেজবৰুৱাৰ কবিতাত গভীৰ আশাবাদৰ সুৰ ঝংকাৰিত হৈছে। পুৰণি পৃথিৱীক ন-কৈ চাই লোৱাৰ হেঁপাহ বেজবৰুৱাৰ কবিতাত অনুৰণিত হৈছে—

"নতুন প্ৰাণৰ ন চকুযুৰি
দীপিতি ঢালি দে তাত
পুৰণি পৃথিৱী নকৈ চাই লওঁ
হে বীণ এযাৰি মাত।" (বীণ আৰু বৰাগী)

সাহিত্য সমালোচক সত্যেন্দ্ৰ নাথ শৰ্মাই তেওঁৰ গ্ৰন্থ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* উল্লেখ কৰি গৈছে— "দৰাচলতে বেজবৰুৱাৰ প্ৰকৃত কবিমানসত সৃষ্টি হোৱা ৰসসঞ্চাৰী কবিতাখিনি ইংৰাজ কবি চেম্পিয়ন (Campion), হেৰিক (Herick), বাৰ্ণছ (Burns), ৱৰ্ডছৱৰ্থ (Wordsworth), শ্বেলী (Shelley) আদিৰ কবিতাৰ ভাব আৰু চিত্ৰক আত্মগত কৰি বুকুৰ উম দি, অসমীয়া পৰিৱেশত দ্বিজত্ব দান কৰি প্ৰকাশ কৰিছে।"

নাট্যকাৰ বেজবৰুৱা ঃ *লিতিকাই* (১৮৮৯)ৰ যোগেদি নাট্যকাৰ ৰূপে সাহিত্য ক্ষেত্ৰত প্ৰৱেশ কৰা বেজবৰুৱাৰ ১৯১৩ চনত *নোমল, পাঁচনি* আৰু *চিকৱপতি-নিকৱপতি* নামৰ প্ৰহসন প্ৰকাশ পায়। বেজবৰুৱাৰ তিনিওখন গহীন নাটকেই বুৰঞ্জীমূলক। সেইকেইখন হৈছে ক্ৰমে *চক্ৰধ্বজ সিংহ, বেলিমাৰ* আৰু *জয়মতী কুঁৱৰী*; তিনিওখন নাটক ১৯১৫ খ্ৰীঃত প্ৰকাশ হয়। ১৯১৮ খ্ৰীঃত প্ৰকাশিত *গদাধৰ ৰজা* ঐতিহাসিক পৰিৱেশত ৰচিত ক্ষুদ্ৰ ধেমেলীয়া নাটক। ১৯৩১ চনত প্ৰকাশিত *হ-য-ব-ৰ-ল* তিনিটা দৃশ্যযুক্ত লঘু নাটিকা।

বেজবৰুৱাৰ প্ৰহসনকেইখনৰ কাহিনী সৰল নহয় বুলিবই পাৰি। এইবোৰত হাস্যমূলক পৰিস্থিতি কেতবোৰৰ মাথোন চিত্ৰণ কৰা হৈছে। নাট্যপৰিস্থিতিবোৰ অতিৰঞ্জিত আৰু উদ্ভট যদিও নিভাঁজ হাস্যৰসে নাটককেইখন উপভোগ্য কৰি তুলিবলৈ সক্ষম হৈছে। সহজ-সৰল গ্ৰাম্য আৰু নিৰ্বোধ চৰিত্ৰ তথা সংলাপে হাঁহিৰ খোৰাক যোগাইছে। বেজবৰুৱাৰ প্ৰহসনকেইখনৰ সাধাৰণ বৈশিষ্ট্য এনেদৰে নিৰ্ণয় কৰিব পৰা যায়—

১) বেজবৰুৱাৰ প্ৰহসনকেইখনৰ প্ৰায়বোৰ চৰিত্ৰই বৈষ্ণৱ ভাবাপন্ন। *লিতিকাই*ত নিতাইৰ মুখত 'পাৰ কৰা এ ৰঘুনাথ সংসাৰ সাগৰে' আদি *কীৰ্ত্তনৰ* পদ দিয়া হৈছে, *নোমলত* ভাগৱতীয়ে দশাৱতাৰ স্তোত্ৰৰ পদ, *পাঁচনিত* ধৰ্মাই পাঁচনিয়ে হৰিনাম স্মৰণ কৰি 'যত দেখা ভাৰ্য্যা পুত্ৰ সবে অকাৰণ' আদি পদ মাতিছে। *লিতিকাই*ত তিতায়ে সাধুকথা এটা কওঁতেও 'কৃষ্ণক চিন্তি' বুলিহে আৰম্ভ কৰে।

২) নাটকবোৰত অৱতাৰণা কৰা বিয়া-সবাহ আদি অনুষ্ঠানত অসমীয়া গীত-পদ, যোৱানাম, ফকৰা-যোজনা আদি সংযোগ কৰা হৈছে।

৩) ঊনবিংশ শতিকাৰ অন্তিমভাগত অসমৰ ভাষা-সাহিত্য-সংস্কৃতিক বাংলা ভাষা-সাহিত্য-সংস্কৃতিয়ে গ্রাস কৰাৰ উপক্রম হৈছিল। তাৰ বিৰুদ্ধে বেজবৰুৱাৰ ব্যঙ্গ প্রহসনবোৰত তীব্র প্রতিবাদ কৰা মন কৰিবলগীয়া। *নোমলত* আঠীয়াবাৰীৰ সত্রাধিকাৰে বঙলা নাটক ৰচনা কৰাৰ উল্লেখ পোৱা যায়। সেই নাটকৰ গুণ বখানি গোসাঁই আৰু কেঁহোৰাম গায়নৰ মন্তব্য, "বঙ্গলা নাটকৰ বৰ তেজ। অঙ্কীয়া নাটকৰ নিচিনাতো আৰু সি মেৰ্‌মেৰীয়া নহয়।"

৪) প্রাচীন অসমৰ পত্র-লিখন ৰীতিৰ আভাস তেওঁৰ প্রহসনত পোৱা যায়। উদাহৰণ স্বৰূপে, *লিতিকাইত* তিতাইক বধ কৰাবলৈ দেউৰামে *জেঠেৰীয়েকলৈ* লিখা চিঠিৰ কথা উল্লেখ কৰিব পাৰি।

৫) বিষয়বস্তুৰ ক্ষেত্রত নাট্যকাৰ লৌকিক সাধুকথাৰ ওচৰত ধৰুৱা।

গহীন নাটককেইখনৰ ৰচনা-কৌশলৰ ক্ষেত্রত বেজবৰুৱাই শ্বেইক্সপীয়েৰৰ নাট্য-ৰীতিৰ অনুসৰণ কৰিছে। দুই-এটা চৰিত্র সৃষ্টিৰ ক্ষেত্রতো তেওঁ শ্বেইক্সপীয়েৰৰ অনুসৰণ কৰিছে।

ব্যঙ্গ ৰচনা আৰু প্রহসনৰ যোগে বেজবৰুৱাই জাতীয় জীৱনৰ দুর্বলতা আৰু কেৰোণবোৰ উদঙাই দেখুৱাইছে যদিও জাতিক উদ্বুদ্ধ কৰিবলৈ আৰু অনুপ্রেৰণা যোগাবলৈ লঘু হাস্যৰস উপযোগী নহয় কাৰণেই মহিমামণ্ডিত, গৌৰৱময়, ঘটনাবহুল সজীৱ ঐতিহাসিক কাহিনীৰ অৱলম্বনত জীৱনৰ ভাটি বয়সত ঐতিহাসিক নাটক ৰচনাত মনোনিৱেশ কৰে। *বেলিমাৰ* নাটকৰ মুখবন্ধত বেজবৰুৱাই লিখিছে, "বুৰঞ্জীমূলক প্রধান নায়ক-নায়িকাৰ গাত ৰহণ সানি তেওঁলোকক Ideal hero, Ideal heroine কৰিবলৈ গ'লে সেই নাট ঐতিহাসিক নাটকৰ শাৰীৰ পৰা নামি যায় বুলি মোৰ বিশ্বাস।" সেয়ে, তেওঁ ঐতিহাসিক চৰিত্রসমূহ যিমান পৰা যায় একেদৰে ৰাখি, মূল ঘটনা নাইবা নায়ক-নায়িকাৰ চৰিত্রৰ বৈশিষ্ট্য হানি নোহোৱাকৈ ৰহণ সানিছে। সেয়েহে তেওঁৰ ঐতিহাসিক নাটককেইখনে ইতিহাস আৰু সাহিত্যৰ মর্যাদা ৰক্ষা কৰি সফলতা লাভ কৰিছে বুলি ক'ব পৰা যায়।

বেজবৰুৱাৰ ঐতিহাসিক নাটককেইখনৰ বৈশিষ্ট্য এনেদৰে নির্ণয় কৰিব পৰা যায়—

১) প্রত্যেকখন নাটকতে গহীন আৰু কৰুণ দৃশ্যৰ অৱতাৰণা কৰাৰ আগে আগে লঘু হাস্যজনক দৃশ্যৰ প্রয়োগ।

২) মূল ঐতিহাসিক বিষয়বস্তুৰ সমান্তৰালভাৱে কাল্পনিক উপবস্তু অথবা ঘটনাৰ সমাৱেশ।

৩) এক বা ততোধিক খুহুতীয়া চৰিত্রৰ অৱতাৰণাৰে প্রধান চৰিত্রবোৰৰ কাম-কাজৰ সমালোচনা কৰা হৈছে।

৪) আটাইকেইখন নাটকতে হাস্যৰসৰ উপস্থিতিয়ে পৰিস্থিতি সজীৱ কৰি তুলিছে।

৫) তিনিওখন নাটকতে চৰিত্ৰ সৃষ্টি তথা নাটকীয় কলা-কৌশলত মহাকবি শ্বেইক্সপীয়েৰৰ নাটকৰ প্ৰভাৱ দেখা যায়।

৬) পত্ৰবহুলতা বেজবৰুৱাৰ ঐতিহাসিক নাটককেইখনৰ অন্য এক বৈশিষ্ট্য। চিঠি-পত্ৰৰ জৰিয়তে নাট্যকাৰে নানা কাৰ্য সম্পন্ন কৰিছে।

৭) বেজবৰুৱাই তেওঁৰ ঐতিহাসিক নাটককেইখনত মৃত্যু নাইবা বধ দৃশ্য বৰ্জন কৰিছে। উদাহৰণ স্বৰূপে, *চক্ৰধ্বজ সিংহ* নাটকত লাচিতে মোমায়েকক কটা দৃশ্যটো নেদেখুৱাই চিঠিৰ যোগেৰেহে প্ৰকাশ কৰিছে। একেদৰে, 'বেলিমাৰ' নাটকত বদন হত্যাৰ দৃশ্য উপস্থাপন নকৰাকৈ বাতৰি হিচাপেহে প্ৰচাৰ কৰা হৈছে।

৮) তিনিওখন ঐতিহাসিক নাটকৰ বিষয়বস্তু কৰুণ যদিও নাটককেইখনত কৰুণ ৰসৰ ঠাই নিচেই সামান্য। *জয়মতী কুঁৱৰী* নাটকৰ বাহিৰে বাকী দুখন নাটকত কৰুণ ৰসৰ প্ৰাধান্য দেখা নাযায়।

৯) হাস্য ৰসৰ মাত্ৰাধিক্যই অন্যান্য ৰসস্ৰোতক বাধা দিয়া পৰিলক্ষিত হয়।

১০) ৰজা-মহাৰজাৰ পৰা লগুৱা-লিক্‌চৌ পৰ্যন্ত সকলোবোৰ চৰিত্ৰৰ মুখত কথিত আৰু ঘৰুৱা কথিত গদ্য ব্যৱহাৰ কৰাৰ বাবে নাটককেইখন লৌকিক স্তৰত পৰিছেহি।

১১) *চক্ৰধ্বজ সিংহ*নাটকত লাচিত বৰফুকনৰ আত্মকাহিনী (দ্বিতীয় অঙ্ক, তৃতীয় দৰ্শন), *বেলিমাৰত* চন্দ্ৰকান্তৰ আক্ষেপ (প্ৰথম অঙ্ক, সপ্তম দৰ্শন) আদি অতি দীৰ্ঘ স্বগতোক্তিয়ে নাট্য পৰিৱেশ ভাৰাক্ৰান্ত তথা বিৰক্তিদায়ক কৰি তুলিছে।

১২) লৌকিক গীত-মাতৰ সঘন প্ৰয়োগে নাটককেইখন দৰ্শক-শ্ৰোতাৰ আপোন কৰি তুলিছে।

১৩) অত্যধিক জতুৱা ঠাঁচৰ প্ৰয়োগে নাট্য-পৰিণতি তথা ৰস সৃষ্টিত বাধা জন্মাইছে।

১৪) হাস্যৰস সৃষ্টিৰ উদ্দেশ্যে বেজবৰুৱাই কেতিয়াবা অপ্ৰয়োজনীয় বৰ্ণনা অথবা বিষয়ৰ অৱতাৰণা কৰিছে। উদাহৰণ স্বৰূপে, *চক্ৰধ্বজ সিংহ* নাটকৰ দ্বিতীয় অঙ্কৰ প্ৰথম দৰ্শনত প্ৰিয়ৰাম, গজপুৰীয়া আৰু তেওঁৰ লগৰীয়াসকলৰ সৈতে অৱতাৰণা কৰা দৃশ্য, *বেলিমাৰ*নাটকৰ জন্মি, পিয়লী আৰু ধনী বৰুৱাৰ কথোপকথনৰ জৰিয়তে দিয়া কলিকতা মহানগৰীৰ ব্যঙ্গাত্মক বৰ্ণনা (প্ৰথম অঙ্ক, দ্বিতীয় দৰ্শন) এনেবোৰ বিষয় কেৱল হাস্যৰস সৃষ্টিৰ উদ্দেশ্যেই সংযোগ কৰা হৈছে; এইবোৰৰ নাটকীয় উদ্দেশ্য নাই।

১৫) প্ৰহসনকেইখনত থকাৰ দৰে বেজবৰুৱাৰ ঐতিহাসিক নাটকেইখনতো বৈষ্ণৱ ভাব সিঁচৰতি হৈ থকা দেখা গৈছে।

চুটিগল্প ঃ লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া গল্পসাহিত্যৰ ইতিহাসত চুটিগল্পৰ স্ৰষ্টা হোৱাৰ গৌৰৱ অৰ্জন কৰিলে। এই প্ৰসঙ্গত সাহিত্য সমালোচক মহেশ্বৰ নেওগৰ মন্তব্য উল্লেখযোগ্য— "তেওঁ বেছিভাগ গল্পক সামাজিক সমালোচনাৰ অস্ত্ৰৰূপে ব্যৱহাৰ কৰিছে— নতুন শাসনৰ তলত খাপ খুৱাব নোৱৰা আৰু তাৰ সুবিধা লৈ গঙাটোপ

হোৱা পুৰণি আৰু নতুন অভিজাত সম্প্রদায়ৰ ভেম ভাঙি দিয়াটোৱেই যেন তেওঁৰ গল্পৰ উদ্দেশ্য।" তেওঁৰ 'কন্যা', 'নকওঁ', 'জালুকবাৰী', 'এৰাবাৰী', 'বিহু' আৰু 'মুক্তি' ইত্যাদি গল্পত মানুহৰ সৈতে প্রকৃতিৰ নিবিড় সম্পর্ক চিত্রিত হৈছে।

'মলক গুইন গুইন', 'নাঙলু চন্দ্র' *জোনাকী*ৰ চতুর্থ বছৰৰ অষ্টম সংখ্যাত প্রকাশিত লক্ষ্মীনাথ বেজবৰুৱাৰ 'পণ্ডিত মহাশয়' গল্পৰ যোগেৰেই অসমীয়া সাহিত্যত চুটিগল্পৰ শুভ আৰম্ভণি ঘটে। তেওঁৰ *সাধুকথাৰ কুকি*(১৯১০), *সুৰভি*(১৯৯০) আৰু *জোনবিবি*(১৯১৩) অসমীয়া সাহিত্যত প্রথম চুটিগল্প সঙ্কলন। মৃত্যুৰ পিছত চৈধ্যটা গল্পৰ সংগ্রহ *কেঁহোকলি* প্রকাশ হয়। আধুনিক চুটিগল্পৰ কলা-কৌশলেৰে বেজবৰুৱাৰ গল্প নিখুঁত বুলি ক'ব পৰানগ'লেও তেওঁ অসমীয়া গল্প-সাহিত্যক সাধুকথাৰ পৰা পৃথক কৰি আধুনিক চুটিগল্পৰ ওচৰত স্থাপন কৰিলে। দুই-এটা গল্পত ৰবীন্দ্রনাথৰ দূৰণিবটীয়া সুৰ এটায়ো দেখা নিদিয়াকৈ থকা নাই। 'ভোকেন্দ্র বৰুৱা', 'ভোমকেৰেলা', 'ঘণ্টাকর্ণ শর্মা', 'ভেমপুৰীয়া মৌজাদাৰ','জাতিৰামৰ জাত'আদি গল্পৰ জৰিয়তে তদানীন্তন সময়ৰ ভণ্ড চৰিত্র কিছুমানক ক্ষুৰধাৰে ব্যঙ্গ কৰিছে। ফৰাচী সৃষ্টিশীল সাহিত্যত পোন প্রথমে এমিল জোলাই বাস্তৱবাদৰ সফল প্রতিষ্ঠা কৰিছিল। হেমচন্দ্র বৰুৱাই অসমীয়া সাহিত্যত মুকলি কৰি দিয়া বাস্তৱবাদী ধাৰাটোক বেজবৰুৱাই গল্পৰ যোগেদি শক্তিশালী কৰাৰ প্রথম গৌৰৱ অর্জন কৰিলে বুলি গল্পৰ আলোচক প্রহ্লাদ কুমাৰ বৰুৱাই উল্লেখ কৰিছে। আঙ্গিক অথবা কলা-কৌশলৰ দিশৰ পৰা বেজবৰুৱাৰ গল্প নিখুঁত বুলি ক'ব পৰা নগ'লেও অসমীয়া সাহিত্যৰ বুৰঞ্জীত অসমীয়া চুটিগল্পৰ জনক হিচাপে তেওঁৰ ঐতিহাসিক গুৰুত্ব অম্লান হৈ আছে।

হাস্যৰস সম্বলিত ৰচনা ঃ হাস্যৰস বেজবৰুৱাৰ সাহিত্যৰ অন্যতম বৈশিষ্ট্য। 'জোনাকী কাকতত প্রকাশ পোৱা ব্যঙ্গ আৰু হাস্যৰসপূর্ণ প্রবন্ধৰাজি ১৯০৪ চনত *কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা* নামেৰে প্রকাশ হয়। পিছত, গুৱাহাটীৰ পৰা প্রকাশিত *জোনাকী* আৰু *ঊষা* আলোচনীত প্রকাশিত হাস্য-ব্যঙ্গ প্রবন্ধৰ সঙ্কলন *কৃপাবৰ বৰুৱাৰ ওভতনি* (১৯০৯)। *বাঁহী*ত প্রকাশিত প্রবন্ধলানি 'কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবুৰণি' (১৯৫১) আৰু 'বৰবৰুৱাৰ বুলনি' (১৯৬৪) সঙ্কলনত সন্নিৱিষ্ট হৈছে। এই সঙ্কলনকেইটাৰ প্রবন্ধবোৰত নিভাঁজ হাস্য আৰু ব্যঙ্গই অসমীয়া সমাজখনৰ সর্বদিশতে ৰশ্মি বিকিৰিত কৰিছে। মহেশ্বৰ নেওগৰ ভাষাত— "ৰচনা-চাতুর্যত নিহিত হাস্য বা ৱিট্ আৰু পাতল ব্যঙ্গৰ যোগেদি বেজবৰুৱাৰ দেশপ্রাণতা এই লেখাবোৰত বিৰিঙি উঠিছে।"

গহীন প্রবন্ধ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ প্রায়বোৰ গহীন লেখাই বৈষ্ণৱ ধর্ম সম্বন্ধীয়। *উপনিষদ, ভাগৱত পুৰাণ* আদিৰ অধ্যয়নৰ জৰিয়তে 'কৃষ্ণকথা', 'তত্ত্বকথা' (১৯৫৩) গ্রন্থত বৈষ্ণৱ ধর্মৰ তত্ত্বৰ দিশত পোহৰ পেলাইছে।

জীৱনী গ্ৰন্থ ঃ বেজবৰুৱাৰ *শঙ্কৰদেৱ* (১৯১২) মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ জীৱনীগ্ৰন্থ। *ডাঙৰীয়া দীননাথ বেজবৰুৱা* (১৯০৯) লক্ষ্মীনাথৰ পিতৃৰ জীৱন-চৰিত।

উপন্যাস ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ একমাত্ৰ উপন্যাস *পদুম কুঁৱৰী* (১৯০৫)। উপন্যাসখন বুৰঞ্জীমূলক ঘটনাৰ পটভূমিত ৰমন্যাসিক উপাদানেৰে কাহিনীবিন্যাস কৰা হৈছে। উপন্যাসখনত প্ৰেমাখ্যানটো বুৰঞ্জী বিখ্যাত দন্দুৱা দ্ৰোহৰ লগত ভালকৈ মিলাই দিছে যদিও, অস্বাভাৱিক ঘটনা আৰু অপ্ৰয়োজনীয় বৰ্ণনাই উপন্যাসৰ সৌন্দৰ্য হ্ৰাস কৰিছে বুলি যতীন্দ্ৰনাথ গোস্বামীয়ে মন্তব্য কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ নাট্যকৃতিৰ পৰিচয় দি তেওঁৰ নাটকসমূহৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

(১৫০টা শব্দৰ ভিতৰত)

৬.৩.২ চন্দ্ৰকুমাৰ আগৰৱালা

জোনাকী কাকতৰ প্ৰথম সম্পাদক অসমীয়া ৰমন্যাসিক কবিতাৰ প্ৰথম হোতা চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম তেজপুৰৰ কলংপুৰ মৌজাৰ ব্ৰহ্মজানত। প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰথম প্ৰকাশক হৰিবিলাস আগৰৱালাৰ দ্বিতীয় পুত্ৰ চন্দ্ৰকুমাৰে কলিকতাত বি.এ. শ্ৰেণীৰ তৃতীয় বাৰ্ষিকলৈকে অধ্যয়ন কৰি চাহ আৰু ছপাখানাৰ ব্যৱসায়ত ধৰে। লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীৰ সৈতে তেওঁ ১৮৮৯ চনত কলিকতাৰ পৰা *জোনাকী* কাকত উলিয়ায় আৰু ১৯১৮ চনত সাদিনীয়া কাকত *অসমীয়া* প্ৰকাশ কৰে।

আসাম বন্ধুত চকা-মকাকৈ ফুটি উঠা ৰোমাণ্টিকতাৰ সুৰটো *জোনাকীৰ* প্ৰথম সংখ্যাতে প্ৰকাশ পোৱা চন্দ্ৰকুমাৰৰ 'বনকুঁৱৰী' কবিতাৰ জৰিয়তে পূৰ্ণ বিকশিত ৰূপ পালে। অসমীয়া ৰোমাণ্টিক কবিতাৰ 'বিস্ময়কৰ আৰু প্ৰকাশসাৰ্থক উন্মেষ' এই কবিতাতে হ'ল। লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ *জীৱন সোঁৱৰণত* লিখিছে, "যিসকলে আগেয়ে ভাবিছিল যে অসমীয়া ভাষাত বৰ্তমান কাল উপযোগী শুৱলা কবিতা লিখিব নোৱাৰি,এই কবিতা পঢ়ি সেইসকলৰ ভ্ৰান্তি গ'ল। মনত আছে,এদিন ৰায়বাহাদুৰ জগন্নাথ বৰুৱা বি.এ. আৰু মাণিকচন্দ্ৰ বৰুৱাই মোৰ হতুৱাই 'বনকুঁৱৰী' কবিতাটো পঢ়াই শুনি বিস্ময়বিমিশ্ৰিত আনন্দ লভিছিল। মই স্পষ্ট বুজিব পাৰিছিলো যে তেওঁলোকে আগেয়ে ভাবিবকে নোৱাৰিছিল যে ৰৰ্ডছৱৰ্থৰ কবিতাৰ নিচিনা এনে মনোৰম কবিতা এটা কলেজত পঢ়া অসমীয়া ছাতৰ এজনে অসমীয়া ভাষাত ৰচনা কৰিব পাৰে।" *জোনাকীত* ওলোৱা তেওঁৰ কবিতাসমূহ আছিল 'জোনাকী', 'বনকুঁৱৰী', 'কিয় ভাই নিবিলাবা হিয়া', 'নীয়ৰ',

'অকিঞ্চন', 'উদ্‌গতি', 'জলকুঁৱৰী', 'সন্ধিয়া', 'তেজীমলা', 'সুন্দৰ', 'জোনাকী', (চতুর্থ বছৰ, ১ম সংখ্যা), 'অকলশৰীয়া', 'মৌমাখি', 'সপোন'। *জোনাকীত* ওলোৱা আৰু তাৰ পিছত *বাঁহীত* প্রকাশ পোৱা তেওঁৰ দুকুৰি পাঁচটা কবিতাৰ সংগ্রহ *প্রতিমা*(১৯১৪)। বেজবৰুৱাই *প্রতিমাৰ* বিষয়ে উল্লেখ কৰিছে 'প্রতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ'। *বাঁহীত* প্রকাশ পোৱা কবিতাৰ দ্বিতীয়টি সংগ্রহ *বীণ বৰাগী* (১৯২৩)। *বীণ-বৰাগীত* বাৰটা কবিতা সন্নিৰিষ্ট হৈছে।

জোনাকীৰ পাততে আত্মপ্রকাশ কৰিয়েই চন্দ্রকুমাৰৰ কবিতাই দৰাচলতে অসমীয়া কবিতাক পূৰ্ণ কৰি তুলিলে। গভীৰ সৌন্দর্যবোধ, মানৱীয়তাবোধ আৰু অন্তর্মুখী বৈশিষ্ট্য চন্দ্রকুমাৰৰ কবিতাই অসমীয়া কবিতাক এক নতুন মাত্রা প্রদান কৰিলে। আধুনিক সময়ৰ এগৰাকী পুৰোধা সাহিত্য সমালোচক, কবি আৰু কথাশিল্পী নগেন শইকীয়াই *জোনাকীৰে* ভূমিকাত উল্লেখ কৰিছে— "তেওঁৰ কবিতাৰ শব্দচয়ন, চিত্রকল্প, উপমা আদিয়ে জড়তা ভাঙি কবিতাৰ এটি নতুন ৰূপ প্রতিষ্ঠা কৰিলে। গভীৰ আন্তৰিক ব্যক্তিনিষ্ঠ ৰূপৰ লগত অসমীয়া কবিতাৰ পাঠকৰ নতুন পৰিচয়ৰ বাট মোকলাই দিলে চন্দ্রকুমাৰৰ কবিতাই।" সত্যেন্দ্রনাথ শর্মাই কৈ গৈছে— "এনে নতুনত্ব স্থাপন কৰিলেও চন্দ্রকুমাৰৰ কবিতাত লোক-সংস্কৃতি, লোক-জীৱন আৰু ঐতিহ্যৰ সহজ প্রকাশ দেখা যায়। অসমত প্রচলিত 'তেজীমলা' সাধুৰ আজলী তেজীমলাজনীয়েই চন্দ্রকুমাৰৰ 'তেজীমলা' কবিতাটিৰ সৃষ্টিৰ আঁৰত লুকাই আছে যদিও তেজীমলা সাধুটোৰ মর্মবাণীক প্রখৰ মানৱীয় চেতনাৰ শিল্পবস্তুলৈ ৰূপান্তৰ ঘটাইছে। *প্রতিমাত* কবিয়ে জগতৰ বর্ণ-বৈভৱৰ ৰামধেনুছটাত আপ্লুত হৈছে; যৌৱনৰ স্বাভাৱিক সৌন্দর্যস্পৃহাৰ ই প্রকাশ।" চন্দ্রকুমাৰৰ কবিসত্তাৰ মৌলিক বৈশিষ্ট্যখিনিৰ পৰিচয় *প্রতিমাৰ* কবিতাৰাজিত পোৱা যায়।

ফুলনিত কোনে নিশা নাচিছিল
ছিগি ৰৈ গ'ল মণি
ৰঙিলীৰ ভাব হাঁহি নাচোনৰ
চিন ৰ'ল এইকণি। (নীয়ৰ)

ফুলত লাগি থকা নীয়ৰ টোপাল, ফুলি থকা সৰিয়হডৰা, পখিলা, ফুলৰ চৌপাশে গুণ্‌গুণাই থকা ভোমোৰা— এনেকৈ বহিঃসৌন্দর্যৰ প্রতি কবিৰ আকর্ষণ প্রতিমাৰ কবিতাৱলীত পোৱা যায়। *বীণ-বৰাগীত* কবিৰ মন অন্তর্মুখী। এই কবিতাখিনিত অন্তৰ সৌন্দর্যৰ স্ফুৰণ ঘটিছে, মানুহৰ দানৱ ৰূপৰ অন্তৰালত প্রকৃত দেৱত্বৰ সন্ধান পাইছে। চন্দ্রকুমাৰৰ দৃষ্টিত—

মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ
কৰাঁ কৰাঁ পূজা পাদ্য অর্ঘ্য লৈ
জয় জয় মানৱদেৱ। (মানৱ বন্দনা)

এনেবোৰ কবিতাত উদাৰমানৱিকতাবাদী দৰ্শনৰ ধাৰা প্ৰকাশিত হৈছে। ‘জলকুঁৱৰী’, ‘বনকুঁৱৰী’, ‘তেজীমলা’ আদি কবিতাত অতিভৌতিক পৰিৱেশৰ (Supernatural) প্ৰয়োগ ঘটা পৰিলক্ষিত হয়। ইয়াৰ জৰিয়তে চন্দ্ৰকুমাৰে প্ৰাচ্য আৰু পাশ্চাত্য ভাবদৰ্শ তথা কাব্যৰীতিৰ অপূৰ্ব সন্মিলন ঘটাইছে।

ৰমন্যাসিক অসমীয়া কবিতাৰ বাবে চন্দ্ৰকুমাৰৰ কবিতাই প্ৰতিষ্ঠা কৰা আৰ্হি এতিয়া অম্লান ৰূপতে আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যকৃতি সম্পৰ্কে এটি আলোচনা যুগুত কৰক। (১০০টা শব্দৰ ভিতৰত)

৬.৩.৩ হেমচন্দ্ৰ গোস্বামী

গোলাঘাটৰ ঢেকীয়াল মৌজাৰ গৌৰাংসত্ৰত জন্মলাভ কৰা হেমচন্দ্ৰ গোস্বামীৰ পিতৃৰ নাম ডম্বৰুধৰ গোস্বামী। নগাঁৰত স্কুলীয়া শিক্ষা লাভ কৰাৰ সময়তে তেওঁ গুণাভিৰাম বৰুৱা, ৰত্নেশ্বৰ মহন্ত, পদ্মহাস গোস্বামী আদি সাহিত্যিকৰ সংস্পৰ্শ লাভ কৰি সাহিত্যৰ প্ৰতি আগ্ৰহ ওপজে। ১৮৮৮ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাৰ প্ৰেচিডেন্সী কলেজৰ পৰা ১৮৯০ চনত এফ.এ. পৰীক্ষাত উত্তীৰ্ণ হয়। কলিকতাত চন্দ্ৰকুমাৰ আগৰৱালা আৰু লক্ষ্মীনাথ বেজবৰুৱাক লগ পাই সাহিত্য-চৰ্চাৰ বাবে নতুন উৎসাহ লাভ কৰে আৰু *জোনাকী* কাকতৰ দ্বিতীয় বছৰৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। বি.এ. ডিগ্ৰী নোলোৱাকৈ চাৰি বছৰৰ মূৰত ঘৰলৈ ঘূৰি আহি ১৮৯৭ চনত ছাব-ডেপুটি কালেক্টৰৰ পদ পায় আৰু পিছত এক্সট্ৰা এছিষ্টেণ্ট কমিছনাৰ হিচাপে ১৯২৫ চনত অৱসৰ গ্ৰহণ কৰে। কামৰূপ অনুসন্ধান সমিতিৰ জৰিয়তে তেওঁ *পুৰণি অসম বুৰঞ্জী* আৰু ভট্টদেৱৰ *কথাগীতা* সম্পাদনা কৰি প্ৰকাশ কৰে। ছাৰ আশুতোষ মুখাৰ্জীৰ অনুপ্ৰেৰণাত হেমচন্দ্ৰ গোস্বামীয়ে আদি যুগৰ পৰা বৰ্তমানলৈকে অসমীয়া কবি-সাহিত্যিকসকলৰ ৰচনা সম্বলিত, সাতোটা খণ্ডত *অসমীয়া সাহিত্যৰ চানেকি* সংগ্ৰহ আৰু সম্পাদনা কৰি প্ৰকাশ কৰে। ১৯৩০ চনত কলিকতা বিশ্ববিদ্যালয়ে তেওঁৰ ‘Descriptive Catalogue of Assamese Manuscript’ নামৰ গ্ৰন্থ প্ৰকাশ কৰে।

ডেকা বয়সত ৰচনা কৰা হেমচন্দ্ৰ গোস্বামীৰ কবিতাসমূহে তেওঁৰ কাব্য প্ৰতিভাৰ পৰিচয় বহন কৰে। তেওঁৰ ‘পুৱা’ শীৰ্ষক কবিতাৰ শেষৰ চাৰিশাৰী *জোনাকী*ৰ উদ্দেশ্যে লিখা—

ৰৰমা অনন্তকাল জ্ঞানৰ পোহৰ,
জ্যোতিৰ্ময়ী জোনাকী সৰিতা।

বজোৱা অনন্তকাল সঞ্জীৱনী বীণা
বীণাপাণি কোমল কবিতা।।

তেওঁৰ কবিতাসমূহ *ফুলৰ চাকি*(১৯০৭) শীৰ্ষক কবিতাপুথিত সন্নিৱিষ্ট হৈছে। পুথিখনত চৈধ্য-পোন্ধৰ বছৰমানত ৰচনা কৰা আঠ-নটামান কবিতাৰ লগতে ওঠৰ-বিশ বছৰমান বয়সত ৰচনা কৰা বাকীখিনি কবিতাত তেওঁৰ নৈসৰ্গিক কাব্য-প্রতিভাৰ প্রকাশ দেখা যায়। অপৈণত বয়সত ৰচনা কৰা কবিতাকেইটিত স্বাভাৱিকতেই কল্পনাৰ ভাৰসাম্যবিহীনতা আৰু প্রকাশ ভঙ্গীৰ দুর্বলতা লক্ষ্য কৰা যায়। অৱশ্যে পিছত ৰচনা কৰা কবিতাখিনিত অনুভূতি, কল্পনা আৰু প্রকাশভঙ্গীৰ সৌষ্ঠৱৰ ক্ষেত্রত পৰিপক্কতা দেখা পোৱা যায়। কবিতাখিনিৰ মূল সুৰ তিনিটি— স্বদেশপ্রীতি, হাস্যৰস আৰু প্রেম।

হেমচন্দ্র গোস্বামীয়ে পোন প্রথম অসমীয়াত ইটালীয় আৰ্হিৰ চতুর্দশপদী কবিতা (চনেট) ৰচনা কৰে। *জোনাকী* কাকতত প্রকাশ পোৱা তেওঁৰ 'প্রিয়তমাৰ চিঠি' নামৰ কবিতাটোৱেই প্রথম অসমীয়া চতুর্দশপদী কবিতা। তেওঁৰ 'কাকো আৰু হিয়া নিবিলাওঁ', 'কাকতি', 'প্রিয়তমাৰ চিঠি', 'ধৰা-পৰা' অসমীয়া ৰমন্যাসিক প্রণয় কবিতাৰ আৰম্ভণি 'পুৱা' শীৰ্ষক কবিতাত কল্পনাৰ সংযম, গাম্ভীর্য আৰু গভীৰ আশাবাদৰ প্রকাশ ঘটিছে। নৈসৰ্গিক চিত্রৰ জৰিয়তে প্রেয়সীৰ কুকুৰাঠেঙীয়া আখৰকেইটাৰ মোহিনীশক্তি কবিয়ে আবেদনময় কৰি প্রকাশ কৰিছে—

ফুল ফুলে, সৰি যায়, শুকাই বননি,
বসন্তৰ কুঁহিপাত ৰ'দত লেৰেলে।
তোমাৰ চিঠিয়ে প্রিয়ে জানে কি মোহিনী
নিতৌ নোহোৱা বাহি ন ন ফুল মেলে। (প্রিয়তমাৰ চিঠি)

হেমচন্দ্র গোস্বামীয়ে তেওঁৰ ছনেট কবিতাকেইটিত ইটালীয় ছনেটৰ ভাৱৰ স্তৰ বিভাগ তথা অন্ত্যানুপ্রাসৰ মিলৰ ৰীতি (Rhyme Scheme) অনুসৰণ কৰিছে।

হেমচন্দ্র গোস্বামীৰ 'অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী' শীৰ্ষক প্রবন্ধ *জোনাকী* আলোচনীত ধাৰাবাহিকভাৱে ওলাইছিল। তেওঁৰ 'শৰাইঘাটৰ যুদ্ধ' শীৰ্ষক প্রবন্ধই অসমীয়া পাঠকসমাজৰ দৃষ্টি আকর্ষণ কৰিছিল আৰু তেতিয়াৰ পৰাই লাচিত বৰফুকনৰ বীৰত্বৰ কাহিনীয়ে অসমীয়া জাতিক অনুপ্রাণিত কৰিবলৈ ধৰে। বেণুধৰ ৰাজখোৱাৰ ভাষাত,"তেওঁ অতীত আৰু বর্তমান সাহিত্যৰশিলৰ সাঁকো স্বৰূপ আছিল।" প্রথম অসমীয়া চতুর্দশপদী কবিতা লিখোঁতা আৰু ৰমন্যাসিক প্রণয় কবিতাৰ অন্যতম প্রৱর্তক হিচাপে অসমীয়া কাব্য-সাহিত্যত হেমচন্দ্র গোস্বামীৰ নাম জিলিকি থাকিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ হেমচন্দ্র গোস্বামীৰ সাহিত্য-কৃতিৰ পৰিচয় দি এটি টোকা যুগুত কৰক। (১০০টা শব্দৰ ভিতৰত)

৬.৩.৪ পদ্মনাথ গোহাঞিবৰুৱা

লখিমপুৰৰ নকাৰীত জন্মগ্রহণ কৰা পদ্মনাথ গোহাঞিবৰুৱাই লখিমপুৰ, শিৱসাগৰ আৰু কহিমাত স্কুলীয়া শিক্ষা গ্রহণ কৰি কলিকতাত এফ.এ. পঢ়ে যদিও উত্তীর্ণ হ'ব নোৱাৰি ঘূৰি আহে আৰু কেইবছৰমান কহিমা আৰু যোৰহাটৰ ইংৰাজী বিদ্যালয়ত শিক্ষকতা কৰে। তাৰ পাছত অসম শিক্ষাসেৱাৰ চাকৰিত যোগদান কৰি তেজপুৰত নিগাজীকৈ বসবাস কৰে।

তেওঁ কলিকতাৰ পৰা ওলোৱা *বিজুলী*কাকতৰ দ্বিতীয় বছৰৰ সম্পাদক আছিল। এই *বিজুলী*কাকততে তেওঁৰ *ভানুমতী*আৰু *লাহৰী* উপন্যাস ধাৰাবাহিকভাৱে ওলায়। প্রথমা পত্নীৰ মৃত্যুৰ পিছত ব্যক্তিগত দাম্পত্য জীৱনৰ উপজীব্যৰে গোহাঞিবৰুৱাই ১৮৯৯ চনত *লীলা*কাব্য ৰচনা কৰে। ১৯০০ চনত তেওঁৰ অমিত্রাক্ষৰ ছন্দৰ খণ্ড কবিতাৰ পুথি *জুৰণি* ওলায়। ১৯০১ চনত *ফুলৰ চানেকি* নামৰ কবিতাপুথি প্রকাশ হয়।

১৯০০ চনত তেওঁৰ *জয়মতী* নামৰ নাটক প্রকাশিত হয় আৰু তাৰ পিছত ক্রমে *গদাধৰ সিংহ*(১৯০৭), *সাধনী*(১৯১১), *লাচিত বৰফুকন*(১৯১৫) এইকেইখন ঐতিহাসিক নাটক প্রকাশ পায়। গোহাঞিবৰুৱাই তিনিখন প্রহসন ৰচনা কৰিছিল— *গাঁওবুঢ়া* (১৮৯৭), *টেটোন তামুলী* (১৯০৯) আৰু *ভূত নে ভ্রম* (১৯২৪)। তেওঁৰ একমাত্র পৌৰাণিক নাটক *বাণৰজা*(১৯৩২)। তেওঁৰ *শ্রীকৃষ্ণ*আৰু *গীতাসাৰ*(১৯৩৫) দুখন দার্শনিক তত্ত্বপূর্ণ গ্রন্থ। পদ্মনাথ গোহাঞিবৰুৱাই *নীতিশিক্ষা, ভূগোল দর্পণ, জীৱনী সংগ্রহ, বুৰঞ্জী বোধ, অসম বুৰঞ্জী*আদি পঢ়াশলীয়া পুথি লিখি সেই সময়ৰ ছাত্রসকলৰ অভাৱ পূৰণ কৰিছিল।

১৯০৭ চনত পদ্মনাথ গোহাঞিবৰুৱাই *ঊষা* নামৰ আলোচনী উলিয়ায়। কেইবাবছৰো *ঊষা*ৰ সম্পাদনাৰ দায়িত্বত থাকি এদল ন-লেখকৰ সৃষ্টি কৰে।

পদ্মনাথ গোহাঞিবৰুৱাৰ কবিতাৰ ভাষা শুৱলা, ছন্দৰ গতি নিমজ আৰু ভাববস্তু গহীন। *লীলা* কাব্যক প্রকৃততে 'ইলিজি' বা শোক-কবিতা আখ্যা দিব পাৰি। প্রথমা পত্নী লীলাৱতীৰ মৃত্যু দুখত দুয়োৰে সম্পর্কৰ কাহিনী বর্ণনা কৰা হৈছে। কাব্যখনৰ মাজে মাজে থকা নৈসর্গিক বর্ণনা ৰসাল। তেওঁৰ 'ওৰণী', 'মেঘাই', 'লুকোৱা হাঁহি' ইত্যাদি কবিতা ৰমন্যাসিক ভাবপ্রধান। দুই-এটা কবিতাৰ ভাববস্তু দার্শনিক তত্ত্বমূলক। ৰবীন্দ্রনাথৰ *কণিকা* আৰু *ক্ষণিক* কবিতাৱলীৰ আদর্শত তেওঁ *অকণি*ৰ ক্ষুদ্র ক্ষুদ্র কবিতামালা ৰচনা কৰিছে। *অকণি*ৰ সৰহভাগ কবিতাতে তত্ত্ব আৰু নীতি-আদর্শ পৰিস্ফুট হৈছে। পদ্মনাথ গোহাঞিবৰুৱাৰ কাব্য-প্রতিভাৰ বিষয়ে সত্যেন্দ্রনাথ শর্মাৰ মন্তব্য প্রণিধানযোগ্য— "কবি হিচাপে গোহাঞিবৰুৱা উন্মেষশালিনী প্রতিভাৰ গৰাকী নাছিল সঁচা, তথাপি অন্তৰক পৰশি মৃদু দোলন দি যোৱা ভাব আৰু অনুভূতিক মনোময় ৰূপ আৰু সুৰ দিব পৰা ন্যূনতম প্রতিভাৰ পৰা তেওঁ বঞ্চিত নাছিল।"

অসমীয়া উপন্যাসৰ উকমুকনিৰ কালছোৱাত গোহাঞিবৰুৱাৰ উপন্যাস দুখনৰ পটভূমি, সৃষ্টিধর্মিতা আৰু বাস্তৱধর্মী ঐতিহাসিক পটভূমিত ৰূপায়নৰ প্রচেষ্টা উল্লেখযোগ্য। *ভানুমতী* উপন্যাসৰ বিষয়বস্তু ইতিহাসৰ বাস্তৱ ঘটনা-আধাৰিত যদিও লেখকৰ যৌৱন কালৰ ৰঙীন কল্পনাই কাহিনীটোক মাজে মাজে টোৱাই গৈছে। ইতিহাসৰ পটভূমিত ৰচনা কৰিলেও ইয়াৰ কাহিনী আৰু চৰিত্রবোৰ কাল্পনিক হোৱাৰ বাবে উপন্যাসখনত সামাজিক প্রভাৱহে অধিক হোৱা দেখা যায়।

তেওঁৰ দ্বিতীয় আৰু অন্তিম উপন্যাস *লাহৰীৰ* বিষয়বস্তুক মানৰ আক্রমণৰ সৈতে জুৰি দিয়া হৈছে যদিও উপন্যাসখনৰ কাহিনী বিন্যাসত এই ঐতিহাসিক ঘটনাই গুৰুত্ব লাভ কৰা নাই। সেয়েহে *লাহৰী* উপন্যাসখনক সামাজিক উপন্যাস বুলিহে ক'ব পাৰি। তেওঁৰ দুয়োখন উপন্যাসেই নায়িকাপ্রধান। কম বয়সতে উপন্যাস ৰচনা কৰিছিল যদিও কাহিনী-পৰিকল্পনা, চৰিত্রাঙ্কন, সংলাপ প্রয়োগ, পৰিৱেশ আৰু উৎকণ্ঠা সৃষ্টি, সংযত প্রণয়ৰ প্রকাশ, সামগ্রিক উপস্থাপন-ৰীতি তথা যথার্থ ভাষাৰ ব্যৱহাৰত গোহাঞিবৰুৱাই দক্ষতা প্রদর্শন কৰিছে। নাট্যকাৰ হিচাপেও গোহাঞিবৰুৱাই কৃতিত্ব প্রদর্শন কৰিছে। *গাঁওবুঢ়া* ধেমেলীয়া পৰিৱেশত ৰচনা কৰা এখন দৃশ্যবহুল কৰুণ ৰসসিক্ত সামাজিক নাটক।

টেটোন তামুলি নাটকখনৰ নাট্যকাৰে 'ধেমেলীয়া' নাটক আখ্যা দিছে। অসমত প্রচলিত এটা সাধুকথাৰ ভেটিত নাটকখন ৰচনা কৰা হৈছে। নাটকখনৰ সংলাপৰ মাজে মাজে ফকৰা-যোজনা, সাঁথৰৰ সঘন প্রয়োগ তথা নিভাঁজ অসমীয়া ভাষাই নাট্যকাৰৰ ৰচনা-চাতুর্যৰ নিদর্শন দাঙি ধৰিছে। ভূত *নে ভ্রম* হাস্যৰস-মিশ্রিত সংস্কাৰমূলক সামাজিক নাটক। বুৰঞ্জীমূলক *জয়মতী* নাটকত পদ্মনাথ গোহাঞিবৰুৱাই পোন প্রথমবাৰৰ বাবে অসমীয়া নাটকত অমিত্রাক্ষৰ ছন্দৰ প্রয়োগৰ নিদর্শন দেখুৱালে। গোহাঞিবৰুৱাৰ নাটকসমূহৰ সাধাৰণ লক্ষণ হিচাপে এইকেইটা দিশলৈ আঙুলিয়াব পাৰি—

১) আদর্শ চৰিত্র সৃষ্টি, আর্য সভ্যতা আৰু ভাবধাৰাৰ প্রতি আনুগত্য।
২) সৰল, নিমজ গদ্যৰ উপৰিও বিভিন্ন প্রকাৰৰ অমিত্রাক্ষৰ ছন্দৰ প্রয়োগ। চতুর্দশমাত্রিকৰ প্রয়োগ অধিক।
৩) লৌকিক গীত-মাতৰ সঘন প্রয়োগ।
৪) প্রস্তাৱনা গীতৰ নায়িকাসকল অপেশ্বৰী, কিন্নৰী আদি।
৫) দীঘলীয়া স্বগতোক্তি।
৬) প্রেমিক-প্রেমিকাৰ জৰিয়তে শৃঙ্গাৰ ৰসৰ সৃষ্টি কৰিবলৈ সখী আৰু সঙ্গী চৰিত্রৰ অৱতাৰণা।
৭) নাটকৰ আৰম্ভণি আৰু শেষত গীতৰ সমাৱেশ।
৮) বুৰঞ্জীমূলক কাহিনীৰ মাজত কাল্পনিক প্রেমপট অৱতাৰণা কৰি নাট্যপৰিৱেশ সৌন্দর্যৰঞ্জিত কৰি তোলা।
৯) *জয়মতী* নাটকতে তেওঁ পোন প্রথমবাৰৰ বাবে জনজাতীয় চৰিত্র অৱতাৰণা কৰে।

মুঠতে একাধাৰে কবি, ঔপন্যাসিক, নাট্যকাৰ, প্ৰহসন ৰচক, দাৰ্শনিক তত্ত্ব লেখক, বুৰঞ্জী প্ৰণেতা, জীৱনীকাৰ, আত্মজীৱনী লেখক, পাঠ্যপুথি প্ৰণেতা আৰু নিষ্ঠাৱান সাংবাদিক পদ্মনাথ গোহাঞিবৰুৱাই অসমীয়া সাহিত্যৰ সকলো বিভাগকে পৰিপুষ্ট কৰি গৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ পদ্মনাথ গোহাঞিবৰুৱাৰ নাট্যকৃতিৰ পৰিচয় দি তেওঁৰ নাটকৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

(১০০টা শব্দৰ ভিতৰত)



চিন্তা-চৰ্চা কৰক - ৬.১

জোনাকী যুগৰ গল্পকাৰসকলৰ এখন তালিকা প্ৰস্তুত কৰি তেওঁবিলাকৰ গল্পপুথিসমূহৰ বিষয়ে প্ৰকাশৰ চনসহ উল্লেখ কৰক। তেওঁবিলাকে ৰচনা কৰা গল্পসমূহৰো এখন তালিকা প্ৰস্তুত কৰক।

৬.৩.৫ আনন্দচন্দ্ৰ আগৰৱালা

তেজপুৰৰ কলংপুৰ মৌজাৰ বিখ্যাত আগৰৱালা পৰিয়ালত ১৮৭৪ চনত আনন্দচন্দ্ৰ আগৰৱালাৰ জন্ম হয়। তেজপুৰত স্কুলীয়া শিক্ষা সমাপ্ত কৰি কলিকতালৈ গৈ এফ.এ. পঢ়ে। কলিকতাত অ. ভা. উ. সা. সভা আৰু *জোনাকী*ৰ কামত সৰহখিনি সময় দিয়াৰ বাবে বিশ্ববিদ্যালয়ৰ উপাধি নোলোৱাকৈয়ে ঘূৰি আহে আৰু আৰক্ষী বিভাগত সোমায় আৰু আৰক্ষী অধীক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে।

আনন্দচন্দ্ৰই ছাত্ৰ অৱস্থাতে দুজনমান ছাত্ৰৰ লগ লাগি *ধৰ্ম সঙ্গীত* নামেৰে গীতৰ পুথি এখন উলিয়াইছিল। তেওঁ 'শ্ৰীহৰ্ষ' নাম লৈ *জোনাকী*ত কবিতা লিখিছিল। প্ৰকাশিত একমাত্ৰ কবিতাৰ পুথি *জিলিকনি* (১৯২০)। আন দুখন শিশুপাঠ্য *কোমল পাঠ* আৰু *শিশুপাঠ* তেওঁৰ সৰ্বমুঠ প্ৰায় ডেৰকুৰি কবিতাৰ ভিতৰত একাংশ বিদেশী কবিতাৰ অনুবাদ। 'বিদেশী কবিতা'ৰ অনুবাদত মূলৰ সৌন্দৰ্য অব্যাহত ৰখাৰ ক্ষমতাই আনন্দচন্দ্ৰক অসমীয়া কাব্যত এখনি আদৰৰ আসন দিয়ে; 'জীৱন-সঙ্গীত', 'চহা আৰু পণ্ডিত', 'সুখৰ ঠাই' আদি এনে কবিতা অসমীয়া কাব্যৰ মৌলিক সম্পদৰ লেখীয়া বুলি সত্যেন্দ্ৰনাথ শৰ্মাই মন্তব্য দিছে। আনন্দচন্দ্ৰ আগৰৱালাৰ কবিতাত প্ৰকৃত কাব্যগুণ, মনোৰম অনুভূতি আৰু সাৱলীল প্ৰকাশভঙ্গীৰ পৰিচয় পোৱা যায়। সংখ্যাত কম হ'লেও আধুনিক কবিতাৰ পৰম্পৰা সৃষ্টিত আনন্দচন্দ্ৰৰ অৱদান অনস্বীকাৰ্য।

৬.৩.৬ মফিজুদ্দিন আহমদ হাজৰিকা

জোনাকী যুগৰ লেখকসকলৰ সমসাময়িক হ'লেও এওঁ *জোনাকী* কাকতৰ সৈতে জড়িত নাছিল। তেওঁৰ একমাত্ৰ প্ৰকাশিত কবিতাপুথি *জ্ঞানমালিনী* (১৮৯৬)। কবিতাখিনি আধ্যাত্মিক ভাবৰ। কবিতা-সমূহত তেওঁ সহজ-সৰল ঘৰুৱা ভাষা,জতুৱা ঠাঁচৰ প্ৰয়োগৰ জৰিয়তে আধ্যাত্মিক তত্ত্ব আৰু কাব্যানুভূতি প্ৰকাশ কৰা হৈছে। তেওঁৰ অন্য এখন কবিতাপুথি *তত্ত্ব পাৰিজাত*।

৬.৩.৭ সত্যনাথ বৰা

বেকনৰ আৰ্হিৰে চুটি চুটি গদ্যৰে অসমীয়া সাহিত্যলৈ বিশিষ্ট অৱদান আগবঢ়োৱা সত্যনাথ বৰাই গুৱাহাটীত জন্মগ্ৰহণ কৰে। ১৮৮১ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ১৮৮৬ চনত কলিকতাৰ পৰা বি.এ. আৰু ১৮৮৯ চনত আইনৰ পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীত ওকালতি আৰম্ভ কৰে। কলিকতাত তেওঁ *জোনাকী*ৰ সৈতে জড়িত হৈ পৰে। তেওঁৰ ২৮টি গীতৰ সঙ্কলন *গীতাৱলী* (১৯০৮), *সাৰথি* (১৯১৫), *কেন্দ্ৰসভা* (১৯২৬) আৰু *চিন্তাকলি* (১৯৩৫) এইকেইখন গ্ৰন্থ তেওঁৰ অসমীয়া সাহিত্যলৈ অতুলনীয় অৱদান। সত্যনাথ বৰাৰ গদ্য, বিশেষকৈ *সাৰথি*ৰ কিছুমান শাৰী প্ৰবাদ-বাক্য স্বৰূপ হৈ পৰিছে। নিভাঁজ অসমীয়া গদ্য লিখাত সত্যনাথ বৰা সিদ্ধহস্ত।

৬.৩.৮ কনকলাল বৰুৱা

গহীন প্ৰবন্ধ লেখক কনকলাল বৰুৱাই জোনাকী যুগৰ পৰাই গম্ভীৰ চিন্তামূলক ৰচনা আগবঢ়ায়। বেজবৰুৱাৰ *শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ* গ্ৰন্থত সন্নিৱিষ্ট 'মহাপুৰুষীয়া ধৰ্মমত তথা অসম সাহিত্য সভাৰ বুৰঞ্জী শাখা'ৰ সভাপতিৰ অভিভাষণত তেওঁৰ গহীন চিন্তাৰ পৰিচয় পোৱা যায়। তেওঁ কামৰূপ অনুসন্ধান সমিতিৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আছিল। *Early History of Kamrup* নামৰ এখন সুবৃহৎ বুৰঞ্জী তেওঁ লিখি গৈছে। বুৰঞ্জীখনত প্ৰাক্-আহোম যুগৰ সবিশেষ পোৱা যায়।

৬.৩.৯ ৰঘুনাথ চৌধাৰী (১৮৭৯-১৯৬৭)

কামৰূপৰ লাওপাৰা গাঁৱত জন্মগ্ৰহণ কৰি ৰঘুনাথ চৌধাৰীয়ে গুৱাহাটীত সামান্য স্কুলীয়া শিক্ষা লাভ কৰে। নিচেই সৰুতে পিৰালিৰ পৰা পৰি তেওঁৰ ভৰি নিশকতীয়া হয়। *জোনাকী*কাকতত তেওঁৰ প্ৰথম কবিতা প্ৰকাশ পায়। 'বিহগী কবি'ৰূপে খ্যাত ৰঘুনাথ চৌধাৰী গুৱাহাটীৰ পৰা প্ৰকাশিত হোৱা *জোনাকী* (১৯০১)১ সময়ত কিছুদিন সহকাৰী সম্পাদক আছিল। তেওঁ শিশু আলোচনী *মইনা* (১৯২৩), *জয়ন্তী*

(১৯৩৬-৩৮) আৰু *সুৰভিৰ*(১৯৪০, ৪২-৪৪)সম্পাদক আছিল। প্ৰকাশিত পুথি *সাদৰী* (১৯১০), *কেতেকী* (১৯১৮), *কাৰবালা* (১৯২৩), *দহিকতৰা* (১৯৩১) আৰু *নৱমল্লিকা* (১৯৫৮)। মৰণোত্তৰ কালত প্ৰকাশিত পুথি *পচতিয়া* (গল্প) আৰু *মনাই বৰাগী* (কবিতা)। *সাদৰীৰ* কবিতাসমূহ জীৱনৰ আগভাগত ৰচনা কৰা। এই পুথিত সন্নিৱিষ্ট কবিতাবোৰে বন-বিহগৰ অময়া জীৱনৰ প্ৰতি কবিৰ আকৰ্ষণৰ বিষয়ে সদৰী কৰে। এইখন পুথিত সন্নিৱিষ্ট কবিতাসমূহৰ সৰহভাগতে মানুহৰ সংস্পৰ্শবিহীন প্ৰকৃতিৰ আনন্দ-উৎসৱৰ বৰ্ণনা কবিৰ শব্দ-সৌন্দৰ্য-মাধুৰ্যৰ সম্মোহিনী শক্তিৰ বাবে ৰসময় হৈ ধৰা দিছে। *নৱমল্লিকা* গদ্য-কবিতাৰ পুথি।

ৰঘুনাথ চৌধাৰীৰ কবিতাবোৰৰ প্ৰধান বিষয় প্ৰকৃতি-ফুল আৰু চৰাই সৰহভাগ কবিতাৰে উপজীব্য। কবিতাবোৰত প্ৰকৃতি জগতৰ আনন্দোৎসৱৰ চিত্ৰণ কৰাৰ পিছত প্ৰায়ভাগ কবিতাৰে শেষফালে নিজৰ দুখময় জীৱনৰ কাৰুণ্য প্ৰকাশ কৰিছে। প্ৰায়বোৰ কবিতাৰে অন্তিম স্তৱকত দুখৰ সুৰ এটা অনুৰণিত হোৱা দেখা যায়। চৌধাৰীৰ কবিতাৰ দুটা ধাৰা স্পষ্ট— (১) ইন্দ্ৰিয়মুখী আৰু (২) ইন্দ্ৰিয়বিমুখী। ইন্দ্ৰিয়মুখী ধাৰাটোত প্ৰকৃতিৰ সকলোতে সৌন্দৰ্যৰ স্ফুলিঙ্গ প্ৰকাশ পাইছে, প্ৰেমৰ বাংময় ৰূপ প্ৰকাশিত হৈছে। ফুল আৰু চৰাই বিষয়ক কবিতাবোৰত এই সুৱৰেই অনুৰণন ঘটিছে। ইন্দ্ৰিয়বিমুখী ধাৰাটোত সাংসাৰিক ভোগ-লালসাৰ প্ৰতি ভাৰতীয় চিত্তবৃত্তিৰ চিৰচিনাকি বৈৰাগ্য অৱলম্বনেৰে তেওঁৰ সংসাৰৰিক্ত জীৱন চৰাইৰ সুৰ আৰু বসন্ত শোভাৰে পৰিপূৰ্ণ কৰাৰ কৰুণ আকৃতি প্ৰতিভাত হৈছে। 'কেতেকী' কবিতা সম্পৰ্কে মহেশ্বৰ নেওগৰ অভিমত, "অতীত আৰু বৰ্তমানৰ সকলো কাব্যময়ে সৌন্দৰ্য কেতেকী চৰাইজনীৰ এটি মাত্ৰ সুহৃৰিত অভিব্যঞ্জিত হৈ উঠিছে; ভূত-ভৱিষ্যৎ ঊৰ্ধ্ব-অধঃ ছানি জীৱন-স্ৰোত খৰকৈ প্ৰৱাহিত হৈছে।"

জোনাকী যুগৰ প্ৰথম ভাগৰ কবিসকলৰ কবিতাত ৰমন্যাসৰ নৱ উচ্ছ্বাস আছিল যদিও ছন্দৰ সাৱলীলতা আৰু ভাষাৰ কাব্যসুলভ মসৃণতাই ৰঘুনাথ চৌধাৰীৰ কবিতাতহে পৰিপূৰ্ণ ৰূপ পালে বুলিব পৰা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ ৰঘুনাথ চৌধাৰীৰ কবিতা পুথিকেইখনৰ নাম উল্লেখ কৰি তেওঁৰ কবিতাৰ বিষয়ে এটি আলোচনা কৰক।

(১০০টা শব্দৰ ভিতৰত)

৬.৩.১০ দুৰ্গেশ্বৰ শৰ্মা

জোনাকী যুগতে কবিতা লিখিবলৈ আৰম্ভ কৰা কবি দুৰ্গেশ্বৰ শৰ্মাৰ জন্ম যোৰহাটত। ১৯০৩ চনত বি.এ. পৰীক্ষাত উত্তীৰ্ণ হৈওকালতি পৰীক্ষা দি আইন-ব্যৱসায়

আৰম্ভ কৰে। পিছত আবকাৰী বিভাগৰ 'কমিছনাৰ'ৰ পদৰ পৰা অৱসৰ লয়। তেওঁৰ 'ল'ৰাকাল' নামৰ প্ৰথমটো কবিতা *জোনাকীত* প্ৰকাশ হয়। দুৰ্গেশ্বৰ শৰ্মা কবি আৰু নাট্যকাৰ। *অঞ্জলি* (১৯১০) আৰু *নিবেদন* (১৯২০) তেওঁৰ কবিতাপুথি দুখনে কবিত্ব শক্তি আৰু দাৰ্শনিকতাৰ পৰিচয় বহন কৰে। *পাৰ্থ-পৰাজয়* (১৯১৯), *চন্দ্ৰাৱলী* (১৯১০), *বালীবধ* (১৯১২), *পদ্মাৱতী* তেওঁৰ ৰচিত নাটক। শৰ্মাৰ কবিতাত ৰাহস্যিক ভাবৰ স্ফূৰণ ঘটা দেখা যায়। দাৰ্শনিকতা থাকিলেও জাগতিক সৌন্দৰ্যৰ প্ৰতি কবি উদাসীন নহয়, জগতৰ সৌন্দৰ্যৰ পৰা নিজকে বঞ্চিত কৰিব বিচৰা নাই। সেয়েহে, আধ্যাত্মিক ভাবৰ সংযত জীৱনবোধ, জগতমুখী দৃষ্টি তেওঁ কবিতাৰ দুই বিশেষত্ব।

অনুবাদক হিচাপেও দুৰ্গেশ্বৰ শৰ্মাই দক্ষতাৰ পৰিচয় দিছে। ৰৰ্ডছ্ৱৰ্থৰ লুচি কবিতাকেইটাৰ ভাববস্তুক অসমীয়া ভাষাৰ ৰং-ৰূপ, গোন্ধেৰে প্ৰাঞ্জল ভাষাৰে অসমীয়া ভাষালৈ ভাঙনি কৰিছে। তেওঁ শ্যেলীৰ কবিতাও অসমীয়ালৈ ভাঙনি কৰিছে। মহেশ্বৰ নেওগৰ ভাষাত— "ভাৰতীয় চিন্তাৰ পৰিচিত আত্মাৰ অবিনশ্বৰতা আদি ভাবো তেওঁৰ সৰলতা সনা কবিতাত গ্ৰথিত হৈছে, য'ত প্ৰাচ্য বা পাশ্চাত্য ৰহস্যবাদৰ মায়াজালে পাঠকৰ বুদ্ধিক আৱৰি নধৰে।"

দুৰ্গেশ্বৰ শৰ্মাৰ *পাৰ্থ-পৰাজয়* আৰু *বালীবধ* নাটক দুখন এসময়ত অসমৰ গাঁও, নগৰ সকলোতে অভিনয় হৈছিল আৰু জনপ্ৰিয়তাও লাভ কৰিছিল। দুয়োখনৰে বিষয়বস্তু পৌৰাণিক, গৈৰিশ ছন্দত ৰচিত। *চন্দ্ৰাৱলী* আৰু *পদ্মাৱতী* দুয়োখনেই শ্বেইক্সপীয়েৰৰ নাটকৰ অনুবাদ। *চন্দ্ৰাৱলী* 'As you like it'ৰ আৰু *পদ্মাৱতী* 'Cymbeline' নাটকৰ অনুবাদ। অনূদিত নাট দুখনৰ বিষয়বস্তু শ্বেইক্সপীয়েৰৰ হ'লেও ভাৰতীয় সাঁচত গঢ় দিয়া হৈছে।



চিন্তা-চৰ্চা কৰক - ৬.২

জোনাকী যুগৰ কবিসকলৰ এখন তালিকা প্ৰস্তুত কৰি তেওঁবিলাকৰ কবিতা পুথিসমূহৰ নাম আৰু প্ৰকাশৰ চন উল্লেখ কৰক।

৬.৩.১১ ৰজনীকান্ত বৰদলৈ

গুৱাহাটীত জন্মলাভ কৰা ৰজনীকান্ত বৰদলৈয়ে ১৮৮৫ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ১৮৮৭ চনত কলিকতাৰ চিটি কলেজৰ পৰা প্ৰথম বিভাগত এফ.এ. পৰীক্ষা পাছ কৰে। তাৰ পিছত তেওঁ ১৮৮৯ চনত বি.এ. পৰীক্ষাত উত্তীৰ্ণ হৈ প্ৰথমে ডেপুটি কমিছনাৰৰ অফিচৰ কেৰাণী আৰু পিছত এছ.ডি.চি., ই.এ.চি. পদত কাৰ্যনিৰ্বাহ কৰে। ৰজনীকান্ত বৰদলৈ কলিকতাত পঢ়ি থকা অৱস্থাত অ.ভা.উ.মা. সভাৰ সদস্য হোৱাৰ লগতে *জোনাকী* কাকতৰ উদ্দেশ্য সাধনতো ব্ৰতী হৈছিল। আজীৱন উপন্যাস

ৰচনাত ব্ৰতী হৈ ৰজনীকান্ত বৰদলৈয়ে অসমীয়া উপন্যাস আৰু বুৰঞ্জীমূলক উপন্যাসক প্ৰতিষ্ঠা কৰিলে। তেওঁৰ উপন্যাসৰাজি— *মিৰিজীয়ৰী* (১৮৯৫), *মনোমতী* (১৯০০), *দন্দুৰা দ্ৰোহ* (১৯০৯), *ৰাধা-ৰুক্মিণীৰ ৰণ* (১৯২৫), *ৰঙ্গিলী* (১৯২৫), *নিৰ্মল ভকত* (১৯২৬), *ৰহদৈ লিগিৰী* (১৯৩০), *তাম্ৰেশ্বৰীৰ মন্দিৰ* (১৯৩৬), *খাম্বা আৰু থোইবী* (১৯৩০-৩১), ৰজনীকান্ত বৰদলৈৰ এই উপন্যাসলানিৰ লগে লগেই অসমীয়া সাহিত্যৰ এক শাখা হিচাপে উপন্যাসেও এক বিশিষ্ট স্থান অধিকাৰ কৰিসুস্পষ্ট হৈ পৰিল। বৃত্তিগত চৰকাৰী কামৰ মাজতে উপন্যাস ৰচনাৰ বাবে পুথি-পাঁজি, নথি-পত্ৰৰ উপৰি ক্ষেত্ৰ অধ্যয়নো কৰিছিল।

ৰজনীকান্ত বৰদলৈৰ *মিৰিজীয়ৰী* তেওঁৰ প্ৰথম উপন্যাস। কেইবাটাও কথাত তেওঁৰ প্ৰথম উপন্যাসখন গুৰুত্বপূৰ্ণ ঃ

১) *মিৰিজীয়ৰী* উপন্যাসখন জনজাতীয় সমাজৰ পটভূমিত ৰচিত প্ৰথম অসমীয়া উপন্যাস।

২) ই সাধাৰণ, হোজা, গাঁৱলীয়া কৃষিজীৱী গ্ৰাম্য চৰিত্ৰক লৈ ৰচিত প্ৰথম অসমীয়া উপন্যাস।

৩) সম্পূৰ্ণৰূপে সমসাময়িক সমাজআশ্ৰিত নিভাঁজ সামাজিক উপন্যাস।

তেতিয়াৰ অসমত মিৰি নামে অভিহিত মিচিং সমাজৰ প্ৰেমিক-প্ৰেমিকা এযোৰৰ কৰুণ প্ৰেম কাহিনী *মিৰিজীয়ৰী* উপন্যাসত চিত্ৰিত হৈছে। সমাজ আৰু মাক-দেউতাক আৰু প্ৰতিদ্বন্দ্বী প্ৰণয়ীৰ বাধালৈ আওকাণ কৰি মিৰি ডেকা-গাভৰু জঙ্কি আৰু পানেইৰ প্ৰেমে মৃত্যুৰ মাজেৰে সফলতা লাভ কৰাৰ কৰুণ কাহিনী উপন্যাসখনত বৰ্ণিত হৈছে। এই কৰুণ প্ৰেম কাহিনীটোৰ লগতে পৰম্পৰাগত মিচিং সমাজৰ ৰীতি-নীতি, আদৰ্শৰ প্ৰকাশ ঘটোৱাৰ লগতে তেনে পৰম্পৰাগত সমাজ একোখনতো মানুহৰ ব্যক্তিবাদী ভাব চিত্ৰিত কৰিছে। সত্যেন্দ্ৰনাথ শৰ্মাৰ ভাষাত *মিৰিজীয়ৰী* সোৱণশিৰীৰ বালিৰ পৰা বুটলি অনা এচপৰা 'কেঁচা সোণ'। বৰদলৈৰ প্ৰথমখন ঐতিহাসিক উপন্যাস *মনোমতী*। মানৰ শেষৰবাৰৰ অসম আক্ৰমণৰ সময়ছোৱা এই উপন্যাসৰ পটভূমি। গোৰিন্দ প্ৰসাদ শৰ্মাই *অসমীয়া উপন্যাসৰ ইতিহাসত* উল্লেখ কৰিছে— "এই উপন্যাসৰ প্লট-নিৰ্মাণ, চৰিত্ৰ-সৃষ্টি, ইয়াৰ কাহিনীৰ চণ্ডী বৰুৱা-হলকান্ত বৰুৱাৰ পাৰিবাৰিক কলহ, ইয়াৰ কাহিনীত ৰাজনৈতিক পৰিস্থিতিয়ে পাৰিবাৰিক ক্ষেত্ৰত সৃষ্টি কৰা কৰুণ ৰস আৰু ইয়াৰ কাহিনীৰ সামৰণিৰ অসৎ আচৰণৰ হলকান্ত বৰুৱাৰ আত্মশুদ্ধি আৰু তাৰ মাজেদি অহা সামাজিক শান্তিয়ে ইয়াক এক উপভোগ্য উপন্যাসৰ শাৰীলৈ তুলিছে।" *মনোমতী* উপন্যাসত শ্ৱেইক্সপীয়েৰৰ *ৰোমিঅ' এণ্ড জুলিয়েট* উপন্যাসৰ প্ৰভাৱ পৰিলক্ষিত হয়।

দন্দুৰা দ্ৰোহ উপন্যাসত নামনি অসমৰ প্ৰজাসাধাৰণৰ উজনি অসমৰ শাসকৰ বিৰুদ্ধে বিদ্ৰোহ আৰু অসন্তুষ্টিৰ চিত্ৰণ কৰা হৈছে।এনে চিত্ৰণৰ জৰিয়তে উজনি-নামনিৰ ঐক্য-সংহতিৰে সবল অসমীয়া জাতি গঠন প্ৰক্ৰিয়া দেখুওৱা হৈছে।

টেনিছনৰ 'এনক আর্ডেন' কবিতাৰ ভাববস্তু বৰদলৈৰ *নির্মল* ভকত উপন্যাসৰ মূল উপজীব্য।মানৰ দ্বিতীয় আক্রমণৰ বুৰঞ্জীভিত্তিক কাহিনী আৰু অসমৰ ধর্মীয় তথা সমাজ-জীৱনক কেন্দ্র কৰি *নির্মল* ভকতৰ কথাবস্তু আগবাঢ়িছে। *ৰঙ্গিলী*উপন্যাসৰ পটভূমি মানৰ প্রথম আক্রমণৰ সময়। উপন্যাসখনত তিনিটা প্রেম-কাহিনী সমান্তৰালভাৱে আগুৱাইছে। *ৰহদৈ-লিগিৰী* উপন্যাসত ল'ৰালি কালৰ নির্দোষ মৰম-চেনেহ প্রণয়লৈ ৰূপান্তৰিত হৈছে। এই উপন্যাসত কাল্পনিক চৰিত্রৰ সমানে বুৰঞ্জীৰ চৰিত্রও সক্রিয় হৈ পৰিছে।

শদিয়াৰ কেঁচাইখাইতী গোসাঁনীৰ মন্দিৰক কেন্দ্র কৰি ধর্মৰ নামত চলা নৰবলি প্রথাৰ বিপৰীতে বৈষ্ণৱ ধর্মৰ প্রেম আৰু অহিংসাৰ বাণী প্রকাশিত হৈছে *তাম্রেশ্বৰী মন্দিৰ* উপন্যাসত। *দন্দুৱা দ্রোহ* উপন্যাসত হৰদত্ত-বীৰদত্তৰ বীৰত্বৰ লগতে হৰদত্তৰ জীয়ৰী পদ্মকুমাৰীৰ বেদনাবিধুৰ কাহিনীৰ চিত্রণ কৰা হৈছে।

ৰজনীকান্ত বৰদলৈক 'উপন্যাস-সম্রাট' আখ্যাৰে বিভূষিত কৰা হয়। স্কটৰ আদর্শত উপন্যাস ৰচনা কৰাৰ বাবে তেওঁক 'অসমীয়া স্কট' বুলিও কোৱা হয়। অসমীয়া সমাজৰ পংগু আৰু স্থিতিশীল অৱস্থাত উপন্যাস ৰচনা কৰা ৰজনীকান্ত বৰদলৈয়ে উপন্যাসৰ পটভূমি হিচাপে ইতিহাসলৈ চকু দিয়াৰ কাৰণবোৰ এনে ধৰণৰ—

১) বৈচিত্র্যপূর্ণ ঘটনাৰ সমাৱেশ
২) অতীত অসমৰ শৌর্য-বীর্যৰ আদর্শৰ ৰূপায়ণ কৰা
৩) অসমীয়া জাতিয়ে স্বাধীনতা হেৰুৱাই পেলোৱাৰ কাৰণ দাঙি ধৰা
৪) ইংৰাজ ৰাজত্ব পূর্বৰ অসমীয়া সমাজখনৰ ৰীতি-নীতি, ধর্ম-সংস্কাৰ, বিশ্বাস আদিৰ চিত্রণ কৰা।
৫) ঐতিহাসিক ধুমুহাৰ অন্তৰালত প্রবাহিত হৈ থকা জীৱনৰ চিৰন্তন আৰু আদিম প্রবৃত্তিবোৰৰ ক্রিয়া-প্রতিক্রিয়া বর্ণনা কৰা।

ৰজনীকান্ত বৰদলৈৰ উপন্যাসসমূহৰ সাধাৰণ বৈশিষ্ট্য হিচাপে এইখিনি কথা আঙুলিয়াব পাৰি—

১) তেওঁৰ আটাইকেইখন উপন্যাসতেই নাৰী চৰিত্রই প্রাধান্য লাভ কৰিছে।
২) উপন্যাসবোৰৰ কাহিনীৰ মূল সূত্র হৈছে প্রেম। যুৱক-যুৱতীৰ দৈহিক প্রেমক মিলনৰ সুখাবহ পৰিণতি দিব নোৱাৰা পৰিস্থিতিত ঔপন্যাসিকে প্রেমক আধ্যাত্মিক স্তৰলৈ উত্তৰণ ঘটাইছে।
৩) উপন্যাসকেইখনত সমান্তৰাল প্রেম-কাহিনীৰ বিন্যাস ঘটোৱা পৰিলক্ষিত হয়।
৪) ঐতিহাসিক উপন্যাসবোৰত ইতিহাসে উপ-কাহিনীত বাধাৰ সৃষ্টি কৰা নাই।
৫) উপন্যাসসমূহত মাজে মাজে নাটকীয় পৰিস্থিতি সৃষ্টি কৰাত ঔপন্যাসিকে সফলতা প্রদর্শন কৰিছে।

৬) উপন্যাসৰ ঘটনাৰ বিকাশত স্থিৰ গতি পৰিলক্ষিত হ'লেও আভ্যন্তৰীণ সংঘর্ষই সদায়েই প্ৰকাশ লাভ কৰা দেখা নাযায়।

৭) তেওঁৰ উপন্যাসৰ চৰিত্ৰসমূহ ঋজু গতিৰ।

৮) স্বদেশ-প্ৰেম ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ এটি প্ৰধান প্ৰেৰণা।

৯) তেওঁৰ উপন্যাসৰাজিত এটি ধৰ্মীয় অন্তঃস্ৰোত পৰিলক্ষিত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ বিষয়ে এটি আলোচনামূলক প্ৰবন্ধ যুগুত কৰক। তেওঁৰ উপন্যাসৰ সাধাৰণ লক্ষ্যণসমূহ উল্লেখ কৰিব। (১০০টা শব্দৰ ভিতৰত)

৬.৩.১২ হিতেশ্বৰ বৰবৰুৱা

যোৰহাটত জন্মগ্ৰহণ কৰা হিতেশ্বৰ বৰবৰুৱাই আৰ্থিক অৱস্থাৰ বাবে দশম শ্ৰেণীতে পঢ়া এৰি চাহবাগিচাৰ চাকৰিত সোমায়। স্কুলীয়া ছাত্ৰাৱস্থাতে *তলসৰা ফুলৰ আঁজলি* আৰু *অসম কুসুম* নামৰ দুখন কবিতা পুথি যুগুত কৰি উলিয়াইছিল যদিও প্ৰকাশ হৈ নোলাল। ১৯০২ চনত *ঢোপাকলি* নামৰ কবিতা পুথিৰ প্ৰথম খণ্ড প্ৰকাশ হয়। ১৯১০ চনত *কমতাপুৰ ধ্বংস* আৰু *বিৰহিনীৰ বিলাপ* নামৰ কবিতাপুথি দুখন প্ৰকাশ হোৱাৰ পিছৰে পৰা তেওঁ সাহিত্য জগতত প্ৰতিষ্ঠা লাভ কৰে। ১৯১৩ চনত প্ৰকাশ হয় *তিৰোতাৰ আত্মদান কাব্য*। *আভাস* (১৯১৪), *যুদ্ধক্ষেত্ৰত আহোম ৰমণী* (১৯১৪), *ডেচডিমোনা, অঙ্গিলা* (দুয়োখন ১৯১৭ চনত প্ৰকাশ হয়), *মালচ* (১৯১৮), *চকুলো* (১৯২২), তেওঁৰ অন্যান্য কবিতা পুথি। জীৱনৰ ভাটী বয়সত তেওঁ *আহোমৰ দিন* নামৰ বুৰঞ্জী ৰচনা কৰে।

আৰ্থিক অভাৱ-অনাটন, পত্নী বিয়োগ, তাৰ পিছতে ভ্ৰাতৃ, ভগ্নী আৰু দুজন পুত্ৰৰ বিয়োগ— এটাৰ পিছত আনটো মৃত্যু শোকে কবিৰ মনক কাৰুণ্যময় কৰি তুলিছিল আৰু সেই শোকৰ প্ৰশমনৰ উপায় হিচাপে কাব্য-চৰ্চাত নিজকে নিয়োগ কৰিছিল।

কমতাপুৰ ধ্বংস বৰ্ণনাত্মক কাব্য। ৰমাকান্ত চৌধুৰী আৰু ভোলানাথ দাসৰ পিছত হিতেশ্বৰ বৰবৰুৱাৰ এইখন পুথি আধুনিক অসমীয়া সাহিত্যৰ তৃতীয়খন কথা-কাব্য (Narrative Poem)। আধুনিক ভাষাক তেৱেঁই পোন প্ৰথম মহাকাব্যিক গাম্ভীৰ্যৰ প্ৰকাশ প্ৰদান কৰে। বাধাহীন ছন্দৰ প্ৰৱাহ আৰু মনোময় ধ্বনিবিন্যাসে *কমতাপুৰ ধ্বংস* কাব্যখন অতুলনীয় কৰি তুলিছে। কাব্যখন পোন্ধৰটা সৰ্গত বিভক্ত। নীলাম্বৰৰ কমতাপুৰ ৰাজ্যৰ ধ্বংসৰ বৰ্ণনা কৰাৰ মাজতে নাটকীয় পৰিৱেশ সৃষ্টি কৰাত কবিয়ে নৈপুণ্য প্ৰদৰ্শন কৰিছে। *বিৰহিনী বিলাপ* কাব্যত প্ৰোষিতভৰ্তৃকা ৰমণীৰ কৰুণ বিলাপৰ বৰ্ণনা

পোৱা যায়। সংস্কৃত সাহিত্যৰ *অন্যাপদেশ*কাব্যৰ প্ৰকাশভঙ্গীৰ সৈতে কাব্যখনৰ প্ৰকাশ ৰীতিৰ তুলনা কৰিব পৰা যায়। কাব্যখনত মাইকেল মধুসূদন দত্তৰ *ব্ৰজাঙ্গনা* কাব্যৰ আৰ্হি দেখা পোৱা যায়। *তিৰোতাৰ আত্মদান* কাব্যখনৰ মূল উপজীব্য জয়মতী কুঁৱৰীৰ আত্মবলিদানৰ কৰুণ কাহিনী। কাব্যখনৰ ছন্দ সকলো ঠাইতে সাৱলীল নহ'লেও গীতিধৰ্মী আভাস এটাও পোৱা যায়। *যুদ্ধক্ষেত্ৰত আহোম ৰমণী* দীঘলীয়া বৰ্ণনাত্মক কথা-কাব্য। নিখুঁত অমিত্ৰাক্ষৰ ছন্দৰ বৈশিষ্ট্যৰে পুথিখনি মনোৰম। আহোম ৰমণী মূলাগাভৰুৱে তেওঁৰ স্বামী ফ্ৰাচেংমুং বৰগোহাঞিক অন্যায়ভাৱে কৰা হত্যাৰ প্ৰতিশোধ লোৱাৰ উদ্দেশ্যে মোগলৰ বিৰুদ্ধে যুঁজ কৰি মোগলৰ পালি সেনাপতি দুজনক বধ কৰি যুদ্ধক্ষেত্ৰত প্ৰাণ ত্যাগ কৰাৰ সজীৱ বৰ্ণনা কাব্যখনত পোৱা যায়। কাব্যখনৰ কাহিনীৰ উত্থান-পতন অত্যন্ত আকৰ্ষণীয়।

ডেচডিমোনা কাব্যৰ বিষয়বস্তু শ্বেইক্সপীয়েৰৰ *অ'থেল*নাটকৰ পৰা চয়ন কৰা হৈছে। *অঙ্গিলাৰ* বিষয়বস্তু গোল্ডস্মিথৰ *ভাইকাৰ অৱ ৱেকফিল্ড*নামৰ গ্ৰন্থৰ পৰা লোৱা হৈছে। দুয়োখনৰ প্ৰণয় কাহিনী দুটা ভাৰতীয় পৰিৱেশত ৰচনা কৰা হৈছে।

হিতেশ্বৰ ৰৰবৰুৱাৰ *মালচ* প্ৰথম অসমীয়া চনেটৰ পুথি। পুথিখনত ১২৮টা চতুৰ্দশপদী কবিতা অন্তৰ্ভুক্ত হৈছে, অৱশ্যে পুথিখনৰ কিছু কবিতা *চোপাকলিত* সন্নিৱিষ্ট হৈছিল। পুথিখনৰ কবিতাবোৰত ভাবৰ ঘনত্ব, সুৰৰ ঐক্য আৰু অনুভূতিৰ সংযমৰ পৰিচয় পোৱা যায়। কবিৰ চৈধ্য বছৰীয়া পুত্ৰ বিপিনৰ মৃত্যু শোকত *চকুলো* ৰচনা কৰে। *মালচ* আৰু *চকুলো* সম্পৰ্কে সত্যেন্দ্ৰনাথ শৰ্মাৰ মন্তব্য, "*মালচ*ৰ কবিতাবোৰ যেনেকৈ জীৱনৰ বিচিত্ৰ উপলব্ধি, সংবেদন আৰু সৌন্দৰ্যানুভূতিৰ সংযত-গম্ভীৰ প্ৰকাশ, তেনেকৈ *চকুলো*ৰ ছনেটখিনি শোকাতুৰ হৃদয়ক চেপি ৰখা বেদনাৰ বিগলিত অশ্ৰু। কবিৰ দুখবোধ আছে, কিন্তু নিৰাশাবাদী নহয়।"

মুঠতে, কৰুণ ৰস আৰু জাতীয় ভাব-সমৃদ্ধ বৰ্ণনামূলক কাব্য আৰু ৰসঘন চনেট ৰচনা, নিটোল, শুদ্ধ অমিত্ৰাক্ষৰ ছন্দৰ নিৰ্মাতাৰূপে হিতেশ্বৰ ৰৰবৰুৱাৰ নাম অসমীয়া কাব্য-সাহিত্যত অম্লান হৈ ৰ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ হিতেশ্বৰ ৰৰবৰুৱাৰ কাব্যকৃতিৰ পৰিচয় দি তেওঁৰ চনেট কবিতাৰ বিষয়ে এটি আলোচনা যুগুত কৰক।

(১০০টা শব্দৰ ভিতৰত)

যথাৰ্থতে *জোনাকী*আলোচনী আৰু তাৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত কবি-সাহিত্যিকসকলৰ যত্ন আৰু অবিহণাৰ জোৰতে এই আলোচনীখনে পাশ্চাত্যৰ পৰা বৈ অহা নবতাহজাকক আদৰি লৈ নআলহীক অসমীয়া সাজ পিন্ধাই যি উদ্দীপনাময়

সাহিত্য আন্দোলনৰ আৰম্ভণি ঘটালে সিয়ে অসমীয়া জাতীয় সত্তাটোকো জাগ্রত কৰিছিল। এই চমু আলোচনাটিত সন্নিৱিষ্ট হোৱা কবি-সাহিত্যিকসকলৰ বাহিৰেও অন্য কেইবাগৰাকী কবি-সাহিত্যিকে *জোনাকী*ৰ পোহৰ অধিক উজ্জ্বল কৰিছিল।



৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নে আমাক *জোনাকী* আলোচনীখনৰ তৎপৰতা আৰু আশাসুধীয়া চেষ্টাৰ ফলত নতুনকৈ গা কৰি উঠা সাহিত্য আন্দোলনটোৰ লগত পৰিচয় কৰাই দিলে। পাশ্চাত্যৰ ভাব-আদর্শৰ অনুৰণন ঘটা এই আলোচনীখনে যথার্থতে অসমীয়া সাহিত্যলৈ আধুনিক বা-বতাহ কঢ়িয়াই আনিছিল।
- লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্র কুমাৰ আগৰৱালা আৰু হেমচন্দ্র গোস্বামীক পুৰোধা ব্যক্তি হিচাপে ধৰি এই সময়ছোৱাৰ এখন মনোৰম প্রাথমিক দস্তাবেজ নির্মাণ কৰি উলিয়াইছিল। অধ্যায়টোত তেওঁলোকৰ কৃতিসমূহৰ কথা উল্লেখ কৰা হৈছে।
- ব্যঙ্গ ৰচনা আৰু প্রহসনৰ যোগেদি বেজবৰুৱাই জাতীয় জীৱনৰ দুর্বলতা আৰু কেৰোণবোৰ উদঙাই দেখুৱাইছিল যদিও জাতিক উদ্বুদ্ধ কৰিবলৈ আৰু অনুপ্রেৰণা যোগাবলৈ লঘু হাস্যৰস উপযোগী নহয় কাৰণে মহিমামণ্ডিত, গৌৰৱময়, ঘটনাবহুল ঐতিহাসিক কাহিনীৰ অৱলম্বনত ঐতিহাসিক নাটক লিখাত মনোনিৱেশ কৰিছিল।
- *জোনাকী*ৰ পাতত আত্মপ্রকাশ কৰা চন্দ্র কুমাৰ আগৰৱালাৰ কবিতাই অসমীয়া কবিতাক পুৰঠ কৰি তুলিছিল। গভীৰ সৌন্দর্যবোধ, মানৱীয়তাবোধ আৰু অন্তর্মুখী বৈশিষ্ট্যই অসমীয়া কবিতাক এটা বিশেষ মাত্রা প্রদান কৰিছিল।
- পদ্মনাথ গোহাঞিবৰুৱাই তেওঁৰ বুৰঞ্জীমূলক নাটক *জয়মতী*ত অমিত্রাক্ষৰ ছন্দৰ প্রয়োগ কৰি পোন প্রথমবাৰৰ বাবেঅসমীয়া নাটকত অমিত্রাক্ষৰ ছন্দৰ প্রয়োগ নিদর্শন দেখুৱালে। তেওঁৰ নাটকৰ অন্যতম বৈশিষ্ট্যৰ ভিতৰত জৰিয়তে শৃঙ্গাৰ ৰসৰ সৃষ্টি কৰিবলৈ সখী আৰু সঙ্গী চৰিত্রৰ অৱতাৰণা ইত্যাদি।
- ভাঙনি কোঁৱৰ ৰূপে প্রখ্যাত আনন্দ চন্দ্র আগৰৱালাৰ বিদেশী কবিতাৰ অনুবাদত মূলৰ সৌন্দর্য অব্যাহত ৰখাৰ ক্ষমতাই তেওঁক অসমীয়া কাব্যৰ ইতিহাসত এখন নিগাজী আসন প্রদান কৰিলে। তেওঁৰ অনূদিত কবিতা ‘জীৱন-সঙ্গীত’, ‘চহা আৰু পণ্ডিত’, ‘সুখৰ ঠাই’ আদি অসমীয়া কাব্য কাননৰ মৌলিক সম্পদৰ লেখীয়া।



৬.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, যতীন্দ্ৰ নাথ (১৯৯৪) ঃ *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী*; গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

২) গগৈ, লীলা (সম্পা.) (১৯৯৪) ঃ *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*; ডিব্ৰুগড় ঃ ষ্টুডেণ্টছ এম্প'ৰিয়াম।

৩) ঠাকুৰ, নগেন (২০১২) ঃ *এশ বছৰৰ অসমীয়া উপন্যাস*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) তালুকদাৰ, নন্দ (২০০৬) ঃ *কবি আৰু কবিতা*; গুৱাহাটী ঃ বনলতা।

৫) নেওগ, মহেশ্বৰ (১৯৫২)ঃ *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*; গুৱাহাটী ঃ শুৱনি প্ৰকাশ।

৬) নেওগ, মহেশ্বৰ (২০১০) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) বৰগোহাঞি, হোমেন (সম্পা.) (২০০২) ঃ *বিংশ শতিকাৰ অসমীয়া সাহিত্য*; যোৱহাট ঃ অসম সাহিত্য সভা।

৮) বৰদলৈ, নিৰ্মলপ্ৰভা (১৯৮১) ঃ *কবিতাৰ কথা*; গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোম্পানী।

৯) বৰমুদৈ, আনন্দ (১৯৯৫) ঃ *সমাজ, সাহিত্য, সমালোচনা*; কলিকতা।

১০) বৰা, মহেন্দ্ৰ (১৯৭৬) ঃ *ৰমন্যাসবাদ*; গুৱাহাটী ঃ বাণী প্ৰকাশ।

১১) বৰুৱা, প্ৰহ্লাদ কুমাৰ (২০১২) ঃ *অসমীয়া চুটিগল্পৰ অধ্যয়ন*; গুৱাহাটী ঃ বনলতা।

১২) বৰ্মন, শিৱনাথ (সম্পা.) (১৯৯৭) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, (দ্বিতীয় খণ্ড); গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি কেন্দ্ৰ।

১৩) ভট্টাচাৰ্য, হৰিচন্দ্ৰ (২০১১) ঃ *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্ট'ল।

১৪) ভৰালী, শৈলেন (১৯৯৬) ঃ *অসমীয়া ঐতিহাসিক উপন্যাস*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১৫) ভৰালী, শৈলেন (২০০৪) ঃ *নাটক আৰু অসমীয়া নাটক*; গুৱাহাটী ঃ বাণী প্ৰকাশ।

১৬) শইকীয়া, নগেন (সম্পা.) (১৯৭৭) ঃ *আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ*; যোৱহাট ঃ অসম সাহিত্য সভা।

১৭) শৰ্মা, গোৱিন্দ প্ৰসাদ (১৯৯৫) ঃ *উপন্যাস আৰু অসমীয়া উপন্যাস*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ।

১৮) শৰ্মা, গোৱিন্দ প্ৰসাদ (২০১৪) ঃ *অসমীয়া উপন্যাসৰ ইতিহাস*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

১৯) শর্মা, সত্যেন্দ্রনাথ (১৯৯১) ঃ *অসমীয়া নাট্য সাহিত্য*; গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

২০) শর্মা, সত্যেন্দ্রনাথ (১৯৯৭) ঃ *অসমীয়া উপন্যাসৰ ভূমিকা*; গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

২১) শর্মা, সত্যেন্দ্রনাথ (২০০৪) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী।

২২) শর্মা, হেমন্তকুমাৰ (২০০৭) ঃ *অসমীয়া সাহিত্যত দৃষ্টিপাত*; গুৱাহাটী ঃ বীণা লাইব্রেৰী।

ইংৰাজী গ্রন্থ ঃ

1) Baruah, Birinchi Kumar (1978) : *History of Assamese Literature*; New Delhi: Sahitya Academi.

2) Baruah, Hem (1965) : *Assamese Literature*; New Delhi: NBT.

3) Bhuyan, Surya Kumar (1956) : *Studies in the Literature of Assam*; Guwahati: Lawyers Books Stall.

৬.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ প্রহসন...ঐতিহাসিক নাটক...প্রহসনবোৰৰ বৈশিষ্ট্য আৰু ঐতিহাসিক নাটকবোৰৰ বৈশিষ্ট্য সম্পর্কে আলোচনা কৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ চন্দ্রকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' কবিতাটো প্রথম বছৰ প্রথম সংখ্যা *জোনাকীত* প্রকাশ হৈছিল আৰু ইয়েই অসমীয়া কাব্য-সাহিত্যলৈ ৰমন্যাসিক কবিতাৰ শুভাৰম্ভ ঘটালে...চন্দ্রকুমাৰ আগৰৱালাৰ কবিতাপুথিসমূহৰ নাম উল্লেখ কৰি তেওঁৰ কবিতাৰ বৈশিষ্ট্য সম্পর্কে আলোচনা কৰিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ হেমচন্দ্র গোস্বামীৰ কবিতা আৰু প্রবন্ধৰাজিৰ বিষয়ে আলোচনা কৰিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ পদ্মনাথ গোহাঞিবৰুৱাৰ ধেমেলীয়া আৰু ঐতিহাসিক নাটককেইখনৰ নাম উল্লেখ কৰি তেওঁৰ দুয়োবিধ নাটকৰ আলোচনা কৰাৰ পিছত তেওঁৰ নাটকৰ সাধাৰণ বৈশিষ্ট্য উল্লেখ কৰিব লাগিব।

৫নং প্রশ্নৰ উত্তৰ ঃ ৰঘুনাথ চৌধাৰীৰ কবিতাপুথিকেইখনৰ নাম উল্লেখ কৰিব...চৌধাৰীৰ কবিতাৰ ইন্দ্রিয়মুখী আৰু ইন্দ্রিয়বিমুখী —এই দুটা ধাৰাৰ বিষয়ে আলোচনা কৰিব লাগিব... প্রতিখন কবিতাপুথিৰে সাধাৰণ আলোচনা আগবঢ়াব লাগিব।

৬নং প্রশ্নৰ উত্তৰ ঃ ৰজনীকান্ত বৰদলৈৰ উপন্যাসসমূহৰ নাম উল্লেখ কৰি প্রতিখন উপন্যাসৰ চমু আলোচনা কৰিব লাগিব...শেষত তেওঁৰ উপন্যাসকেইখনৰ সাধাৰণ বৈশিষ্ট্য সম্পর্কে উল্লেখ কৰিব লাগিব।

৭নং প্রশ্নৰ উত্তৰ ঃ হিতেশ্বৰ বৰবৰুৱাৰ কাব্যপুথিসমূহৰ নাম উল্লেখ কৰি কবিতাপুথিসমূহৰ আলোচনা আগবঢ়াব লাগিব।



৬.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ চমুটোকা লিখক—

ক) লক্ষ্মীনাথ বেজবৰুৱাৰ নাটক

খ) চন্দ্ৰকুমাৰ আগৰৱালা

গ) ৰজনীকান্ত বৰদলৈৰ উপন্যাস

ঘ) হিতেশ্বৰ বৰবৰুৱাৰ চনেট কবিতা

ঙ) সত্যনাথ বৰা

প্ৰশ্ন ২ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা সম্পৰ্কে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ বেজবৰুৱাৰ প্ৰহসনকেইখনৰ নাম উল্লেখ কৰি সেইবোৰৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ বেজবৰুৱাৰ ঐতিহাসিক নাটককেইখনৰ নাম উল্লেখ কৰি সেইবোৰৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ *জোনাকী*ৰ পাতত আত্মপ্ৰকাশ কৰিয়েই চন্দ্ৰকুমাৰৰ কবিতাই দৰাচলতে অসমীয়া কবিতাক পূৰ্ঠ কৰি তুলিলে— এই উক্তিৰ আধাৰত চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে এটি চমু আলোচনা যুগুত কৰক।

প্ৰশ্ন ৬ ঃ পদ্মনাথ গোহাঞিবৰুৱাৰ নাটকৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰি অসমীয়া নাট্যসাহিত্যত তেওঁৰ স্থান নিৰূপণ কৰক।

প্ৰশ্ন ৭ ঃ ৰঘুনাথ চৌধাৰীৰ কাব্যকৃতি সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰি অসমীয়া উপন্যাস সাহিত্যত তেওঁৰ স্থান নিৰ্ণয় কৰক।

প্ৰশ্ন ৯ ঃ হিতেশ্বৰ বৰবৰুৱাৰ কাব্যৰ বৈশিষ্ট্য সম্পৰ্কে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰক।

*** ***** ***

অধ্যায় ৭ ঃ *আৰাহন* ৰ সাহিত্য

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ *আৰাহনৰ* পটভূমি
৭.৪ আৰাহন আৰু অসমীয়া সাহিত্য
৭.৫ আৰাহন যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য তথা বিবিধ ধাৰা
৭.৬ আৰাহন যুগৰ সাহিত্যিকসকল
৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৮ অধিক জানিবলৈ
৭.৯ অগ্রগতিৰ খতিয়ান (কেৰল ৰূপৰেখা)
৭.১০ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আৰাহন যুগৰ পটভূমি সম্পর্কে জানিব পাৰিব
- আৰাহন যুগ আৰু ইয়াৰ বিকাশৰ ধাৰা সম্পর্কে সম্যক আভাস পাব
- অসমীয়া সাহিত্যত *আৰাহন* আলোচনীৰ ভূমিকাৰ বিষয়ে সাধাৰণ জ্ঞান লাভ কৰিব পাৰিব
- আৰাহন যুগৰ সাহিত্যৰ বিষয়বস্তু আৰু বৈশিষ্ট্য আলোচনা কৰিব পাৰিব
- আৰাহন যুগৰ সাহিত্যিকসকলৰ লেখনি আৰু বৈশিষ্ট্যৰ লগত পৰিচিত হ'ব পাৰিব
- আৰাহন যুগৰ সাহিত্যিকসকলৰ জীৱন আৰু সাহিত্যকৃতিৰ সম্যক ধাৰণা লাভ কৰিব পাৰিব।

৭.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া প্রথম ষাণ্মাসিকৰ দ্বিতীয় পাঠ্যবিষয় 'অসমীয়া সাহিত্যৰ বুৰঞ্জী (অৰুনোদই যুগৰ পৰা যুদ্ধোত্তৰ যুগলৈ)' অন্তর্গত এইটো সপ্তম অধ্যায়। আলোচ্য বিষয়টোত অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ ইতিহাসত বিশেষ স্থান অধিকাৰ কৰা আৰাহন যুগৰ পটভূমি, সাহিত্যৰাজি, উদ্ভৱ আৰু বিকাশৰ ধাৰা তথা বৈশিষ্ট্য সম্পর্কে বহলাই আলোকপাত কৰা হ'ব।

১৯২৯ চনত লক্ষীপুৰৰ জমিদাৰ নগেন্দ্র নাৰায়ণ চৌধুৰী আৰু তেওঁৰ বন্ধু ডাঃ দীননাথ শর্মাৰ যুটীয়া প্রচেষ্টাত *আৰাহনৰ* জন্ম হয় আৰু সেই বছৰতে শর্মাৰ সম্পাদনাত কলিকতাৰ পৰা

আৰাহন আলোচনী প্ৰকাশ পায়। *আৰাহনৰ* অবিৰ্ভাৱে এটা নতুন যুগৰ সূচনা কৰিলেও একেবাৰে নিকট অতীতৰ লগত সংযোগ পূৰামাত্ৰাই বিদ্যমান আছিল। পুৰণি আৰু নতুন উভয় গোষ্ঠীৰ লেখকসকলে *আৰাহনক* নিজৰ জ্ঞান কৰিলে। *আৰাহন* প্ৰকাশ পোৱা সময়ছোৱাৰ পৰাই অসমীয়া ভাষা-সাহিত্যৰ সৰ্বত্ৰ প্ৰকাৰে বাস্তৱতাৰ দিশলৈ আগবাঢ়ে।

৭.৩ *আৰাহনৰ* পটভূমি

আধুনিক অসমীয়া সাহিত্যত আৰাহন যুগৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। ভাৰতবৰ্ষত অসহযোগ আন্দোলন আৰম্ভ হোৱাৰ লগে লগে তাৰ প্ৰভাৱ অসমৰ জাতীয় জীৱনত বাৰুকৈ পৰিল। এই প্ৰভাৱে অসমৰ জনগণক অতি ব্যাপক আৰু গভীৰভাৱে ৰেখাপাত কৰিছিল। অসহযোগ আন্দোলনৰ কেইবছৰমান পাছত; মহাত্মা গান্ধীৰ দাণ্ডি যাত্ৰাৰ প্ৰাক্-মুহূৰ্তত লক্ষীপুৰৰ জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰী আৰু ডাঃ দীননাথ শৰ্মাৰ যুটীয়া প্ৰচেষ্টাত কলিকতাত ১৯২৯ চনত *আৰাহন* আলোচনীৰ জন্ম হয় আৰু সেই বছৰতে ডাঃ দীননাথ শৰ্মাৰ সম্পাদনাত কলিকতাৰ পৰা *আৰাহন* আলোচনীৰ প্ৰথম সংখ্যা প্ৰকাশ পায়। *আৰাহন* আলোচনী প্ৰকাশ পোৱাৰ পটভূমি এক দীঘলীয়া ইতিহাস। এই আন্দোলনৰ প্ৰভাৱৰ স্বৰূপ সম্পৰ্কে ডাঃ দীননাথ শৰ্মাই লিখিছে, "১৯২১ চনত ভাৰত জুৰি ব্ৰিটিছ সাম্ৰাজ্যবাদবিৰোধী জাতীয় আন্দোলনৰ সোঁত বৈ গৈছিল। তাৰ ঢৌৱে পূব প্ৰান্তৰ অসমকো প্লাৱিত কৰিছিল। ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰামত অসমীয়াৰ জাতীয় চেতনা বহুগুণে বাঢ়ি যায়। এই নৱচেতনাই আমাৰ সাহিত্যত নতুন তেজৰ সঞ্চাৰ কৰে। আৰাহন এই মহৎ চেতনাৰ আৱশ্যম্ভাৰী সৃষ্টি।" এই আন্দোলনৰ দৰ্শন অনুযায়ী গান্ধীয়ে সামাজিক সংগঠন, অৰ্থনৈতিক স্বাৱলম্বিতা, শিক্ষাৰ সম্প্ৰসাৰণ আৰু নাৰী মুক্তি সাধন কৰিবলৈ যত্ন কৰিছিল। এই দৰ্শনৰ পৃষ্ঠভূমিতে আৰাহন যুগৰ অসমীয়া সাহিত্যই পূৰ্ব পৰম্পৰাৰ পৰা আঁতৰি আহি বিষয়বস্তু আৰু ভাববস্তুৰ সম্প্ৰসাৰণ ঘটালে। এই সময়ছোৱাত আসমৰ তৰুণ প্ৰজন্মই সকলো অভিজ্ঞতাৰ ফালে উন্মুখ হৈ আছিল। লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰ নাথৰ সমসাময়িক চেকভ আৰু মোপাঁছাৰ দৰে ফ্ৰ'য়ড আৰু ল'ৰেন্সেও তৰুণ লেখকসকলৰ মনোজগতত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিবলৈ ধৰিলে। স্বাধীনতা আন্দোলন আৰু নাৰী মুক্তি আন্দোলনৰ নেত্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ উদাত্ত আহ্বান আৰু লক্ষ্মীধৰ শৰ্মাৰ সমাজ বিশ্লেষণসমূহ অধ্যয়ন কৰিলে এই কথা প্ৰতীয়মান হ'ব পাৰি।

১৯২৫ চনৰ পৰা *আৰাহন* আলোচনী উলিওৱা সময়লৈ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ নেতৃত্ব আৰু অন্যান্য সাহিত্যিকসকলৰ আপ্ৰাণ চেষ্টাত অসমীয়া সাহিত্যালোচনাৰ প্ৰস্তাৱিত আলোচনীখনৰ প্ৰস্তুতিপৰ্ব চলিছিল। আলোচনীখনে তেতিয়াৰ ন-পুৰণি সাহিত্যিকসকলৰ চিন্তা আৰু অনুভূতিৰ জগতখনক আৱৰি ৰাখিব পাৰিছিল। আৰাহনৰ শক্তিশালী পৃষ্ঠভূমি তিনিটা দিশত পোৱা যায়—

ক) প্ৰথম দিশটো গান্ধীৰ স্বাধীনতা আন্দোলনৰ যোগেদি ৰাজনৈতিক চেতনা।

খ) দ্বিতীয়টো সমকালীন অসমৰ ক্ৰমবৰ্ধমান শিক্ষা ব্যৱস্থা।

গ) তৃতীয় দিশটো পশ্চিমৰ বিভিন্ন সাহিত্যিক তথা সাহিত্যৰ মতাদর্শ।

এই তিনিটা দিশৰ পৰা আৰাহনৰ যুগটোত অসমীয়া সাহিত্য অধিক শক্তিশালী হৈ উঠিব পৰা বলিষ্ঠ পটভূমি এটা গঢ় লৈ উঠিছিল। এনে পটভূমিতেই আৰাহন যুগৰ অসমীয়া সাহিত্য শক্তিশালী হৈ উঠিছিল। অসমীয়া ভাষা-সাহিত্য, সংস্কৃতিৰ জগতত *আৰাহনৰ* স্থান অতুলনীয়, সেয়া প্রতীয়মান।



অগ্রগতি নিৰীক্ষণ

প্রশ্নং ১ঃ *আৰাহনৰ* পটভূমি সম্পর্কে এটি টোকা যুগুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

৭.৪ *আৰাহন*আৰু অসমীয়া সাহিত্য

১৯২৯ চনত প্রকাশ পোৱা *আৰাহন* আলোচনীয়ে আধুনিক অসমীয়া সাহিত্যৰ দুৱাৰ মুকলি কৰিলে। গান্ধীৰ আন্দোলনৰ প্রভাৱৰফলত অসমীয়াৰ জাতীয় চেতনাৰ প্রখৰতাই অসমীয়া সাহিত্যত নতুন যুগৰ সূচনা কৰিলে। কলিকতাত আৰম্ভ হোৱা অসমীয়া সাহিত্যৰ জোনাকী যুগ ক্রমে ক্ষীণ অথবা মোলান হৈ আহিছিল যদিও তাৰ আঁত একেবাৰে হেৰাই যোৱা নাছিল। তেতিয়াৰ পুৰণিচাম প্রথিতযশা সাহিত্যিকৰ লগতে উঠি অহা তৰুণ প্রবাসী সাহিত্যসেৱীসকল, চিন্তাবিদসকলে অসমীয়া সাহিত্যৰ উন্নতিৰ কাৰণে উদ্বুদ্ধ হৈ পৰিছিল। ১৯২৯ চনত *আৰাহন* আলোচনী প্রকাশ হোৱাৰ লগে লগে সময়ৰ লগত খাপ খোৱাকৈ অসমীয়া সাহিত্য জগতৰ ন-পুৰণি উভয়চাম লেখকে নিজৰ নিজৰ মনোজগতৰচিন্তা-ভাৱনাৰে অসমীয়া ভাষা, সাহিত্য বিষয়ক বিবিধ প্রবন্ধ, চুটিগল্প, কবিতা, নাটক, উপন্যাস আদি আৰাহনত লিখিবলৈ ধৰিলে। প্রায় ডেৰ দশক (১৯২৯-১৯৪৫) ধৰি আলোচনীখনে অসমৰ জাতীয় জীৱনত তীব্র আলোড়নৰ সৃষ্টি কৰিছিল। *আৰাহন* আলোচনীয়ে অসমীয়া সাহিত্য আৰু চিন্তা-জগতত এটা নতুন যুগৰ সূচনা কৰিলে। *আৰাহনে* সেই সময়ছোৱাৰ ন-পুৰণি উভয় গোষ্ঠীৰ অসমীয়া সাহিত্যিকসকলৰ মনোজগতৰ চিন্তা-চেতনাৰ পথাৰখনক আৱৰি ৰাখিছিল। সেয়ে এই যুগটোক আধুনিক 'অসমীয়া সাহিত্যৰ স্বর্ণ যুগ' (Golden Period of Assamese Literature) বুলি অভিহিত কৰিব পাৰি। অসমীয়া ভাষা-সাহিত্য, সংস্কৃতিৰ জগতত পুৰোধা আৰাহনে ৰোমাণ্টিক ভাৱধাৰা, সূক্ষ্মতৰ পৰিসীমিত ৰূপত প্রতিষ্ঠা কৰি আধুনিক অসমীয়া সাহিত্যক দ্বিতীয় মহাযুদ্ধৰ সময়লৈ ইয়াৰ গতিপথ আগু�ৱাই দিলে।

আৰাহন যুগত অসমত শিক্ষাৰ ক্ষেত্রত ঘটা প্রসাৰতাই অসমত নাৰীমুক্তি আন্দোলনক অধিক শক্তিশালী কৰাত সহায় কৰিছিল। শিক্ষাৰ প্রসাৰৰ লগে লগে পাশ্চাত্য সাহিত্যিকসকলৰ মতাদর্শৰ সৈতে অসমীয়া সাহিত্যিকসকলৰ পৰিচয় ঘটাৰ সুযোগ হৈছিল। ইয়াৰ ফলত আৰাহন যুগৰ সাহিত্যিকসকলৰ সাহিত্য বিষয়ক, বিশেষকৈ অসমীয়া চুটিগল্পত মুক্তি প্রিয়াসী নাৰী চৰিত্রৰ

সৃষ্টি হৈছিল। অসমৰ শিক্ষিত শ্রেণীটোৱে বিশ্বৰ বৰেণ্য গল্পকাৰসকলৰ গল্পৰ প্রতি আকৃষ্ট হৈ সেইসকলৰ অনুকৰণত অসমীয়া ভাষা-সাহিত্যত গল্প লিখিবলৈ আৰম্ভ কৰিছিল। পাশ্চাত্য গল্পকাৰসকলৰ গল্পৰ সমানে অসমীয়া গল্পকাৰসকলৰ গল্প উন্নত মানবিশিষ্ট নহ'লেও যে মানদণ্ড ৰক্ষা কৰি গল্প ৰচিত হৈছিল তাত সন্দেহ নাই।

আৱাহন যুগত আমেৰিকাৰ গল্পকাৰ এড্‌গাৰ এলেন পো, ফৰাচী কথাশিল্পী মোপাঁছা আৰু চেখভৰ চুটিগল্পৰ প্রভাৱ আৱাহন যুগতেই অসমীয়া চুটিগল্পত শক্তিশালী হৈছিল। এলেন পো আৰু মোপাঁছাৰ গল্পৰঅনুকৰণত আৱাহন যুগত বহুতো গল্পকাৰে ফেণ্টাচীধর্মী, প্রচ্ছন্ন ব্যঙ্গধর্মী আৰু হাস্যৰসাত্মক চুটিগল্পৰ ৰচনা কৰিবলৈ লৈছিল।ইয়াৰ উপৰিও চেখভৰ গল্পৰ মনোবৈজ্ঞানিক দৃষ্টিভঙ্গীৰ অনুকৰণত অসমীয়া চুটিগল্পৰ অনেক মনঃসমীক্ষাত্মক গল্প ৰচনা হয়। ফ্রয়েডৰ যৌন মনস্তত্ত্বৰ দৃষ্টিৰে জীৱন বিশ্লেষণ,মার্ক্সৰ দ্বন্দ্বাত্মক বস্তুবাদ অনুসৰিও সমাজৰ শ্রেণী চৰিত্রৰ বিশ্লেষণ আৱাহন যুগৰ চুটিগল্পত কৰিবলৈ লোৱা হৈছিল। আৱাহন যুগৰ চুটিগল্পত ঘাইকৈ সমকালৰ মধ্যবিত্ত সমাজ আৰু নগৰকেন্দ্রিক জীৱন প্রতিচ্ছবিৰ প্রতিভূ বাস্তৰিক ৰূপত প্রকাশিত হৈছে। শিক্ষা-দীক্ষাৰ প্রসাৰ বাঢ়ি অহাৰ লগে লগে নৰ-নাৰীৰ সম্পর্ক জটিল আৰু বর্ণ-বৈচিত্র্যময় হৈ পৰে। এই সময়ছোৱাত অসমীয়া সাহিত্যত ৰজনীকান্ত বৰদলৈ, নগেন্দ্র নাৰায়ণ চৌধুৰী, লক্ষ্মীধৰ শর্মা, ৰমা দাশ, ত্রৈলোক্য নাথ গোস্বামীয়ে সমকালীন মধ্যবিত্ত শ্রেণীৰ নৰ-নাৰীৰ নিগূঢ় সম্পর্কৰ অন্তৰালত আত্মগোপন কৰা মানসিক প্রতিক্রিয়াসমূহৰ স্বৰূপ নির্ণয় কৰিবলৈ আগবাঢ়ি আহে। এই যুগৰ গল্পকাৰসকলৰ অনিবার্যভাৱে আদর্শবাদী আৰু সংস্কাৰধর্মী হোৱাৰ উপৰিও নাৰী মুক্তিৰ চেতনাও অনেক গল্পকাৰৰ গল্পৰ প্রধান উপজীব্য হৈ পৰে। *আৱাহন* আলোচনীৰ প্রথম বছৰতে ৰজনীকান্ত বৰদলৈৰ বিখ্যাত গল্প 'গা-ধন' প্রকাশ পায়। গল্পটোত সাম্প্রতিক কালৰ ঘৃণিত যৌতুক প্রথাৰ প্রতিৰূপ 'গা-ধন' প্রথাৰ বিভীষিকাৰ পটভূমিত এটা ৰোমাণ্টিক কাহিনী ৰূপায়িত হৈছে। *আৱাহন* আলোচনীৰ জন্মদাতা আৰু এই আৱাহন যুগৰ পৃথিকৃৎ লেখক নগেন্দ্র নাৰায়ণ চৌধুৰী এগৰাকী সমাজ সচেতন দায়বদ্ধ লেখক, তাৰ স্বৰূপ 'ধন ভঁৰাল' গল্প।

আৱাহন যুগত অসমীয়া কবিতাৰ পথাৰখন দুখোজ আগুৱাই যাবলৈ সক্ষম হয়। ৰোমাণ্টিক যুগৰ কবি ৰঘুনাথ চৌধাৰীৰ 'গিৰিমল্লিকা' আৰু যতীন্দ্রনাথ দুৱৰাৰ 'অতীতক নাযাবা পাহৰি' কবিতা দুটিও *আৱাহনৰ* প্রথম বছৰতে প্রকাশিত হৈছে। ৰঘুনাথ চৌধাৰীৰ 'গিৰিমল্লিকা' কবিতাৰ অনির্বচনীয় ছান্দসিক হিল্লোলে দেৱকান্ত বৰুৱা আদি পিছৰ চাম কবিৰ ওপৰত গভীৰ প্রভাৱ পেলাইছিল—

ৰঞ্জি মণিকর্ণিকাৰ হৰিৎ মেখা
আছা শোভি শুভ্রবেশে কৰি সুৰভিত
লৌহিত্যৰ তীৰভূমি শ্যাম বননি ('গিৰিমল্লিকা')

নীলিম সলিল ৰাশি বাধাহীন উর্মিমালা
আছে দূৰ দিগন্ত বিয়াপি ('সাগৰ দেখিছা')

ৰোমাণ্টিক আৰু আৱাহন যুগৰ বিশিষ্ট গল্পকাৰ লক্ষ্মীনাথ ফুকনে *আৱাহনৰ* পাততে ৰোমাণ্টিক কবিৰূপে সুপ্ৰতিষ্ঠিত হয়। তেওঁৰ 'সাক্ষী' কবিতাত 'প্ৰি-ৰাফেলাইট' সুৰটো সুন্দৰভাৱে আন্দোলিত হৈছে। *আৱাহনৰ* প্ৰাৰম্ভিক কালতে আনন্দ চন্দ্ৰ বৰুৱাৰ 'আৱাহন' কবিতাটো প্ৰথম সংখ্যাৰ পাতত প্ৰকাশ পায়। গণেশ গগৈ, দেৱকান্ত বৰুৱা, অম্বিকাগিৰী ৰায়চৌধুৰী, যতীন্দ্ৰনাথ দুৱৰা, ৰত্নকান্ত বৰকাকতী আদি আৱাহন যুগৰ কবিসকলে অসমীয়া সাহিত্য জগতৰ কবিতাৰ পথাৰখনলৈ অনবদ্য অৱদান আগবঢ়ালে।

আৱাহনৰ স্বাধীনচিতীয়া আদৰ্শবাদে নবীনচন্দ্ৰ বৰদলৈ, দেশভক্ত তৰুণৰাম ফুকন, গোপীনাথ বৰদলৈ আদি স্বাধীনতা সংগ্ৰামীসকলক আকৰ্ষণ কৰিছিল। আৱাহন যুগৰ আৰম্ভণিতেই নবীনচন্দ্ৰ বৰদলৈয়ে এগৰাকী বিখ্যাত নাট্যকাৰ ৰূপে প্ৰতিষ্ঠিত হয়। *আৱাহনৰ* প্ৰথম বছৰতে তেওঁ শ্বেইক্সপীয়েৰৰ 'সৰ্বাধুনিক' নাটক 'ট্ৰয়লাচ এণ্ড ক্ৰেচিডা'ক 'তৰুণ-কাঞ্চন' নাম দি অসমীয়ালৈ ৰূপান্তৰিত কৰি প্ৰকাশ কৰে। বৰদলৈয়ে মূলৰ পৰা আঁতৰি নহাকৈ এখন সুখপাঠ্য আৰু অভিনয়ৰ উপযোগী অসমীয়া নাটকৰ সৃষ্টি কৰে। মূলৰ পৰা আঁতৰি নাহিলেও তেওঁ চৰিত্ৰসমূহক ভাৰতীয় সাজপাৰ পিন্ধাই ভাৰতীয় নামেৰে বিভূষিত কৰি মঞ্চত তুলিছিল। পাৰ্বতিপ্ৰসাদ বৰুৱাৰ নৃত্য-নাটিকা 'সোণৰ সোলেং' ধাৰাবাহিকভাৱে *আৱাহনত* প্ৰকাশ পাইছিল। আৱাহন যুগত বৃন্দাবন গোস্বামী, জ্যোতিপ্ৰসাদ আগৰৱালা, অতুল চন্দ্ৰ হাজৰিকা, কমলানন্দ ভট্টাচাৰ্য, নকুলচন্দ্ৰ ভূঞা, দৈৱচন্দ্ৰ তালুকদাৰ, মিত্ৰদেৱ মহন্ত আদি নাট্যকাৰসকলে অনেক নাটক ৰচনা কৰি অসমীয়া নাট্যজগতখনৰ এক নতুন নাট্য-পথাৰৰ ইতিহাস গঢ়িলে।

উপন্যাস আধুনিক শিল্পীমনৰ সৃষ্টি। আৱাহন যুগত উপন্যাস ৰচনাৰ গতি আৰু বিকাশ বৃদ্ধি পায়। এই যুগৰ উপন্যাসত সংস্কাৰকামী মনোভাৱ বা ব্যঙ্গাত্মক দৃষ্টিৰে সমাজৰ প্ৰতি দৃষ্টিপাত নকৰি দৰদী অন্তৰেৰে সমাজৰ নৰ-নাৰীৰ বৈচিত্ৰ্যপূৰ্ণ অভিব্যক্তি, আচাৰ-নীতি, জীৱনধাৰা আৰু অনেক সমস্যা বিশ্লেষণ কৰি উপন্যাস কলাক সৌন্দৰ্যৰ নতুন পৰিপ্ৰেক্ষাত স্থাপন কৰাত দীননাথ শৰ্মা, ৰজনীকান্ত বৰদলৈ, দৈৱচন্দ্ৰ তালুকদাৰ, দণ্ডিনাথ কলিতা, চন্দ্ৰপ্ৰভা শইকীয়ানী, হৰেশ্বৰ শৰ্মা আদি ঔপন্যাসিকসকলে আৱাহন যুগত উপন্যাস ৰচনা কৰি এই যুগটোক অধিক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিলে। *আৱাহনত* দীননাথ শৰ্মাৰ 'উষা' আৰু 'সংগ্ৰাম' বিভিন্ন সংখ্যাত ধাৰাবাহিকভাৱে প্ৰকাশ হয়। আৱাহনৰ প্ৰথম সংখ্যাতে বাণীকান্ত কাকতিয়ে 'কবিৰ অহৈতুকী প্ৰীতি' নামৰ গুৰুত্বপূৰ্ণ প্ৰবন্ধৰ জৰিয়তে তত্ত্বগধুৰ সাহিত্য আলোচনাৰ পাতনি মেলে। কাকতিৰ 'পণ্ডিতৰ ভূমাস্পৃহা', বেজবৰুৱা; কৃষ্ণকান্ত সন্দিকৈ, সূর্য্য কুমাৰ ভূঞা, বেণুধৰ শৰ্মা, সোণাৰাম চৌধুৰী, জ্ঞাননাথ বৰা, নগেন্দ্ৰ নাৰায়ণ চৌধুৰী আদি প্ৰথিতযশা সাহিত্যিকসকলে আৱাহন যুগত অনেক বাস্তৱিক প্ৰবন্ধ লিখি এই যুগৰ প্ৰধান দিশটোৰ সামগ্ৰিক মহত্ত্ব নিৰ্ণয় কৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ অসমীয়া সাহিত্যত আৱাহনৰ ভূমিকা সম্পৰ্কে বৰ্ণনা কৰক। (২৫০টা শব্দৰ ভিতৰত)

৭.৫ আৱাহন যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য তথা বিবিধ ধাৰা

আধুনিক অসমীয়া সাহিত্যৰ আৱাহন যুগটোক ইতিমধ্যে অসমীয়া সাহিত্যৰ 'স্বৰ্ণ যুগ' বুলি অভিহিত কৰা হৈছে। এই যুগটোত অসমীয়া সাহিত্যৰ বিবিধ বিষয়, যেনে— চুটিগল্প, কবিতা, নাটক, উপন্যাস, প্ৰবন্ধ আদিয়ে ব্যাপকভাৱে আৰু শক্তিশালী ৰূপত প্ৰসাৰতা লাভ কৰে। আৱাহন যুগৰ অসমীয়া সাহিত্যৰ পৃষ্ঠভূমিৰ পথাৰখনৰ দিশক তিনিটা বহুল দিশত বিভাজন কৰিব পাৰি—

ক) প্ৰথমটো গান্ধীৰ স্বাধীনতা আন্দোলনৰ যোগেদি ৰাজনৈতিক চেতনা।

খ) দ্বিতীয়টো সমকালীন অসমৰ ক্ৰমবৰ্ধমান শিক্ষাব্যৱস্থা।

গ) তৃতীয়টো পশ্চিমৰ বিভিন্ন সাহিত্যৰ মতাদৰ্শ। এই তিনিটা দিশৰ পৰা আৱাহন যুগটো শক্তিশালী হৈ উঠে।

আৱাহন যুগৰ প্ৰথিতযশা সাহিত্যিকসকলৰ ৰচনাৰাজি অধ্যয়ন কৰিলে বিশেষ কিছুমান বৈশিষ্ট্য আৰু ধাৰা পৰিলক্ষিত হয়।

- ভাৰত তথা অসমৰ স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচনা হোৱা চুটিগল্প বা অন্যান্য ৰচনাৰ মাজেৰে অসমৰ জনগণৰ মনত জাতীয় চেতনাৰ ভাব জাগ্ৰত কৰা।
- জাতীয় মুক্তিৰ বাবে জনগণক উদ্বুদ্ধ কৰিবলৈ সমাজ তথা জাতিৰ বাস্তৱ সমস্যাবোৰ ৰচনাৰাজিৰ মাজেৰে আঙুলিয়াই দিয়া।
- আৱাহন যুগৰ বেছিভাগ ৰচনাত ব্যক্তি স্বাৰ্থৰ পৰিবৰ্তে দেশ বা জাতিৰ স্বাৰ্থক প্ৰাধান্য দিয়া আৰু উদাৰনৈতিক মানৱতাবাদৰ মূল্যবোধক আশ্ৰয় দিয়া।
- পূৰ্বৰপৰম্পৰাগত বিষয়ৰপৰা আঁতৰি আহি বিষয়বস্তু আৰু ভাববস্তুৰসম্প্ৰসাৰণ ঘটোৱা।
- আৱাহন যুগত অসমত নাৰী মুক্তিৰ প্ৰতিধ্বনি আৰম্ভ হৈছিল। যুগ যুগ ধৰি পৰাধীন হৈ থকা অসমীয়া নাৰীক মুক্ত কৰাৰ মানসেৰেএই যুগৰ চুটিগল্পত সমাজ বিপ্লৱ গঢ়ি তুলিবলৈ যত্ন কৰা হৈছিল।
- আৱাহন যুগত অসমৰ শিক্ষাৰ ক্ষেত্ৰত ঘটা প্ৰসাৰতাই অসমৰ নাৰী মুক্তি আন্দোলনক শক্তিশালী কৰাত যথেষ্ট সহায় কৰিছিল।
- পাশ্চাত্য গল্পৰ মনোবৈজ্ঞানিক দৃষ্টিভঙ্গীৰ অনুকৰণত অসমীয়া চুটিগল্পত যথেষ্ট সংখ্যক মনঃসমীক্ষাত্মক গল্প ৰচনা হৈছিল।
- আৱাহন যুগত ফ্ৰয়েডৰ যৌন মনঃস্তত্ত্বৰ দৃষ্টিৰে অসমীয়া চুটিগল্পত মানৱ জীৱন বিশ্লেষণ কৰিবলৈ লোৱা হ'ল।
- অসমৰ জনগণৰ জাতীয় ঐক্যৰ প্ৰতি গুৰুত্ব আৰোপ কৰা দেখা যায়।
- সমাজৰ ঠগ-প্ৰবঞ্চনা, কু-প্ৰথা আদিৰ সামাজিক সংস্কাৰ সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰা।
- আৱাহন যুগত শিক্ষাৰ প্ৰসাৰৰ লগে লগে পাশ্চাত্য সাহিত্যৰ বিভিন্ন মতাদৰ্শৰ সৈতে

অসমীয়া লেখক আৰু পাঠক উভয়ে পৰিচয় হোৱাৰ সুযোগ লাভ কৰিলে।

- আৱাহন যুগত অর্থনৈতিক স্বাৱলম্বিতাৰ আদর্শৰ প্রতি অসমৰ জনগণক আকৃষ্ট কৰিবলৈ অনেক গল্প ৰচনা কৰা হ'ল।
- সমাজত বর্ণ-বৈষম্য শ্রেণীৰ পৰিবর্তে সাম্যবাদ আৰু মার্ক্সৰ দ্বন্দ্বাত্মক বস্তুবাদ অনুসৰি সমাজৰ শ্রেণীচৰিত্র বিশ্লেষণ কৰাৰ প্রৱণতা গঢ় লৈ উঠিল।
- সমকালৰ মধ্যবিত্ত আৰু নগৰকেন্দ্রিক সমাজ ব্যৱস্থাৰ বাস্তৱিক চিত্র প্রকাশ কৰাৰ যত্ন কৰা হ'ল।
- সমকালীন মধ্যবিত্ত আৰু নগৰকেন্দ্রিক শ্রেণীৰ নৰ-নাৰীৰ নিগূঢ় সম্পর্কৰ অন্তৰালত আত্মগোপন কৰা মানসিক প্রতিক্রিয়াসমূহৰ স্বৰূপ নির্ণয় কৰাৰ প্রয়াস কৰিছে।
- আৱাহন যুগৰ অধিক সংখ্যক লেখক-লেখিকাৰ ৰচনাৱলী আদর্শবাদী আৰু সংস্কাৰধর্মী তথা প্রগতিশীল চিন্তাৰ প্রতিভূ।
- মধ্যবিত্ত সমাজ জীৱনৰ সংঘাত, অৱক্ষয়ৰ ছবি, দৰিদ্র আৰু নিষ্পেষিত নৰ-নাৰীৰ প্রতি অনুকম্পাৰ ছবি বাস্তৱভাৱে ৰূপায়িত হৈছে।
- আৱাহন যুগত ব্যঙ্গাত্মক আৰু হাস্যৰসেৰে সমাজক তীব্র সমালোচনা কৰাৰ পথ মুকলি কৰা হ'ল।

এই ষাণ্মাসিকৰে চতুর্থ পাঠ্যবিষয়ৰ অন্তর্গত দ্বিতীয় অধ্যায় 'আৱাহন যুগৰ চুটিগল্পৰ ধাৰা'ত আৱাহন যুগৰ বিশিষ্ট ধাৰাসমূহৰ বিস্তৃত আলোচনা পঢ়িবলৈ পাব। এই বিশেষ শাখাটোৰ অধ্যয়নৰ প্রসঙ্গত শিক্ষার্থীয়ে উক্ত অধ্যায়টোত চকু ফুৰাব পাৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ আৱাহন যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰক। (১০০টা শব্দৰ ভিতৰত)

৭.৬ আৱাহন যুগৰ সাহিত্যিকসকল

- **কমলাকান্ত ভট্টাচার্য্য ঃ** অগ্নিকবি কমলাকান্ত ভট্টাচার্যই *অৰুনোদই*ত সাহিত্যিক জীৱন আৰম্ভ কৰি আৱাহন যুগৰ কিছু বছৰলৈ তিনি কুৰি বছৰকাল সাহিত্য চর্চা কৰি অসমীয়া সাহিত্য জগতলৈ বৰঙণি যোগায়। *অৰুনোদই*ৰ পৰা *আৱাহন*লৈ তেওঁৰ বহু প্রবন্ধ সিঁচৰতি হৈ আছে। তেওঁ সংস্কাৰমুক্ত আৰু স্বাধীনতাপ্রয়াসী মনৰ গৰাকী। পৰম্পৰাগত বিশ্বাসত তেওঁৰ আস্থা নাছিল, যুক্তিৰ ভেটিত বিশ্বাস গ্রহণ আৰু বর্জন কৰিছিল।

কমলাকান্ত ভট্টাচার্য্যৰ *চিন্তানল* আৰু *চিন্তা-তৰঙ্গ* কবিতা পুথিৰ কবিতাবোৰ সমাজ সংস্কাৰক আৰু স্বদেশ প্রীতিৰ অগ্নিস্ফুলিঙ্গ। বিশেষভাৱে আৱাহন যুগত প্রকাশ পোৱা *চিন্তা-তৰঙ্গ* কবিতা পুথিৰ কবিতাবোৰত অসমীয়াৰ অতীত গৌৰৱ সুঁৰৰি আৰু বর্তমানৰ অধঃপতন আৰু পৰাধীনতালৈ দৃষ্টি দি আক্ষেপ কৰা তথা দেশবাসীক উদাত্ত স্বৰে

উন্নতিৰ পথত আগবাঢ়িবলৈ আহ্বান জনাইছে। এই গৰাকী কবিৰ কবিতাত ৰোমাণ্টিক চেতনা প্ৰকাশ হৈছিল যদিও মূল ভাবধাৰা বা চেতনা আছিল জাতীয়তাবাদ। ভট্টাচাৰ্য্যই কবিতাৰ মাজেৰে জগাই তুলিব খুজিছিল জাতিৰ স্বাভিমান। আত্মবিস্মৃত এই জাতিক স্মৃতিবিভ্ৰমৰ পৰা মুক্ত কৰাৰ প্ৰচেষ্টা 'পাহৰণি' আৰু 'জাতীয় গৌৰৱ' কবিতাত প্ৰকাশ পোৱা দেখা যায়। অতীতৰ সোঁৱৰণিৰে ভাৰতীয় সন্তানৰ প্ৰাণত জাতীয় চেতনা জগাই তোলাই কবিৰ প্ৰকৃত উদ্দেশ্য। তেওঁৰ কবিতাৰ স্বদেশানুৰাগ আছিল হৃদয়ৰ গভীৰত থকা জাতীয় চেতনা সম্পৃক্ত গভীৰ অনুভূতিৰ প্ৰেৰণা। ভট্টাচাৰ্য্যৰ কবিতাৰ ছন্দ সাৱলীল নহয়, বৰ শ্ৰুতিমধুৰো নহয়; কিন্তু অনুভৱৰ তীব্ৰতা আৰু মৌলিক কল্পনাৰ অভাৱ নাই। *ক-পন্থা* আৰু *অষ্টাবক্ৰৰ আত্মজীৱনী* পুথিৰ উপৰিও মৌলিক চিন্তা আৰু গৱেষণামূলক প্ৰবন্ধও লিখিছিল।

- **নবীন চন্দ্ৰ বৰদলৈ ঃ** *আৰাহনৰ* স্বাধীনচিতীয়া আদৰ্শবাদে স্বাধীনতা সংগ্ৰামী বৰদলৈক আকৰ্ষণ কৰিছিল। তেওঁ এগৰাকী নাট্যকাৰ ৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল। *আৰাহনৰ* প্ৰথম বছৰতে শ্বেইক্সপীয়েৰৰ সৰ্বাধুনিক নাটক *ট্ৰয়লাচ এণ্ড ক্ৰেচিডাক তৰুণ-কাঞ্চন* নাম দি অসমীয়ালৈ অনুবাদ কৰে। বৰদলৈয়ে নাটকখন গদ্যত অনুবাদ কৰে। তেওঁ মূলৰ পৰা আঁতৰি নহাকৈ এখন সুখপাঠ্য আৰু অভিনয়ৰ উপযোগী অসমীয়া নাটকৰ সৃষ্টি কৰে। চৰিত্ৰসমূহক ভাৰতীয় সাজপাৰ পিন্ধাই ভাৰতীয় নামেৰে বিভূষিত কৰি মঞ্চত তুলিছিল। সাম্প্ৰতিক কালত নাটকখনৰ ওপৰত মাৰ্ক্সবাদী আৰু অস্তিত্ববাদী দৃষ্টিভঙ্গীৰ পোহৰ পেলাবলৈ যত্ন কৰা হৈছে। বৰদলৈয়ে নাটকখন এলিজাবেথান নাটক হিচাপে যথাযথভাৱে নিবন্ধ কৰিছিল। *গৃহলক্ষ্মী* গহীন সামাজিক নাটক। মদাহী আৰু অত্যাচাৰী স্বামীৰ ঘৰখন ৰক্ষা কৰিবলৈ যাওঁতে গৃহলক্ষ্মীয়ে কেনেকৈ পদে পদে লাঞ্ছিত হ'ব লগাত পৰে তাৰে কৰুণ চিত্ৰ নাটখনত অঙ্কন কৰিছে। *কৃষ্ণলীলা* কাব্যৰস প্ৰধান নাটক। শ্বেইক্সপীয়েৰৰ *King Lear*, *Taming of the Shrew* আদি অসমীয়ালৈ গদ্যত অনুবাদ কৰিছে। অনুবাদ কৰোঁতে চৰিত্ৰ আৰু পৰিৱেশ দেশীয় ৰূপত সজাইছে।
- **কমলানন্দ ভট্টাচাৰ্য্য ঃ** আৰাহন যুগৰ এগৰাকী বিশিষ্ট নাট্যকাৰ। *নগাকোঁৱৰ* আৰু *মৰাণ-জীয়াৰী* ঐতিহাসিক নাটক। *নগা-কোঁৱৰ* কনচেং বৰপাত্ৰ গোহাঞিৰ কাহিনীক লৈ ৰচিত ঐতিহাসিক নাটক। ঐতিহাসিক ঘটনা অবিকৃত ৰাখিও স্বকল্পিত কেইবাটাও উপবিষয় ঐতিহাসিক চৰিত্ৰৰ লগত সংলগ্ন কৰি নাটকীয় আখ্যান বৈচিত্ৰ্যময় কৰিছে। নাটকখনত আত্মহত্যা, প্ৰতিশোধমূলক হত্যা আৰু ষড়যন্ত্ৰৰ চাঞ্চল্যকাৰী দৃশ্য চিত্ৰিত কৰি ভয়ানক পৰিৱেশ সৃষ্টি কৰা দেখা যায়। নাট্যকাৰে বেজবৰুৱাৰ ডালিমীৰ আদৰ্শত ৰচনা কৰা লুকৰ চৰিত্ৰকে আদি কৰি কেইবাটাও বিভিন্ন ধৰণৰ স্বকীয় বৈচিত্ৰ্যপূৰ্ণ চৰিত্ৰ অঙ্কন কৰিছে।

  কমলানন্দ ভট্টাচাৰ্য্যৰ *মৰাণ-জীয়ৰী* কাল্পনিক নাটক। বুৰঞ্জীৰ চক্ৰধ্বজ সিংহ আৰু কছাৰী জয়ন্তীয়া ৰজাক নাটকখনত দেখুওৱা হৈছে যদিও তেওঁলোকৰ ঘটনা ইতিহাস-ভিত্তিক নহয়। নাটকখন চাঞ্চল্যকৰ ঘটনা, ছদ্মবেশ, গুপ্তহত্যা আদিৰ ঘটনাৰে পৰিপূৰ্ণ।

নাট্যকাৰে মৰাণ বিদ্রোহৰ লগত কোনো সম্পর্ক দেখুওৱা নাই। *অৱসান* যদুবংশৰ ধ্বংস আৰু শ্রীকৃষ্ণৰ বৈকুণ্ঠ প্রয়াণ ছন্দোৱদ্ধ ৰূপ নাটকীয় ৰূপ দিয়া এখন পৌৰাণিক নাটক। নাটকখনত ঘটনাৰ সংঘাত বা চৰিত্র সৃষ্টিতকৈ ৰস সৃষ্টিৰ ফালে বেছি দৃষ্টি দিছে। *চিত্রাঙ্গদা* এখন উল্লেখযোগ্য নাটক। কবিত্বময় উক্তি আৰু নাট্যশ্লেষে নাটকখনৰ সৌন্দর্য বেছি আকর্ষণীয় কৰি তুলিছে। ইয়াৰ উপৰিও তেওঁ আৱাহন যুগৰ এগৰাকী বিশিষ্ট গীত ৰচক। তেওঁৰ *বাউলী* গীতৰ পুথিত সন্নিৱিষ্ট গীতসমূহত কবিৰ বিভিন্ন মানসিক গঠনৰ চানেকী পোৱা যায়।

- **নলিনীবালা দেৱী ঃ** অতিন্দ্রীয়বাদী ভাবধাৰাৰে পৰিপুষ্ট কবিয়ে আৱাহন যুগৰ প্রাক্ক্ষণতেই কবিতাৰ জগতখনত প্রৱেশ কৰে। জীৱনৰ কম বয়সতে নিয়তিৰ নিষ্ঠুৰ পৰিহাসত স্বামী, পুত্রক হেৰুৱাই গভীৰ শোকত ম্রিয়মান হৈ ঘৰতেই ভাৰতীয় দর্শনৰ মূল আধাৰ *গীতা, উপনিষদৰ* অধ্যয়ন, ৰবীন্দ্রনাথৰ কবিতা, *কীর্ত্তন, নামঘোষা* আৰু বৰগীতৰ ধর্মীয় কথাই নলিনীবালা দেৱীৰ ভাৱ-চিন্তা আৰু বিশ্বাসক গঢ় দিয়ে। পুত্র শোক আৰু বৈধব্য যন্ত্রণাত অধৈর্য নহৈ ভগৱানৰ ওচৰত আত্মসমর্পণ কৰি জগতৰ শোক-তাপ সকলো তেওঁৰেই আশিস নির্মালি বুলি সান্ত্বনা ল'বলৈ চেষ্টা কৰে। কবিৰ ব্যক্তিগত দুখ-বিচ্ছেদ আধ্যাত্মিক বিচ্ছেদৰ ৰূপ লয়। ভগৱদ্ভক্তিৰ বীজ নিহিত হৈ থকা কবিৰ অন্তৰখন সাংসাৰিক শোক-তাপে ঈশ্বৰাভিমুখী কৰি তোলে।

  আৱাহন যুগৰ প্রাক্ক্ষণৰ পৰাই কবিগৰাকীয়ে অতীন্দ্রিয়বাদী ভাৱধাৰাৰে পুষ্ট কবিতা লিখিবলৈ ল'লে। *সন্ধিয়াৰ সুৰ, সপোনৰ সুৰ, পৰশমণি, যুগদেৱতা, জাগৃতি, অলকানন্দা* আদি তেওঁৰ কবিতাপুথি। *স্মৃতি-তীর্থ, বিশ্বদীপা, সর্দাৰ পেটেল* জীৱনচৰিত। *এৰি অহা দিনবোৰ* আত্মজীৱনীমূলক পুথি আৰু প্রবন্ধ গ্রন্থ *শান্তি পুথি* উল্লেখযোগ্য। তেওঁ *অলকানন্দা* কবিতা পুথিৰ বাবে সাহিত্য অকাদেমি বঁটা পাইছিল।

  কবি নলিনীবালা দেৱীৰ কবিতাত আধ্যাত্মিকতাৰ সুৰ, অতীন্দ্রিয় ভাব, তন্ময়তাৰ সুৰ প্রকাশ পাইছে। নৈসর্গিক প্রকৃতিৰ বিশাল প্রাঙ্গনত প্রতিবিম্বিত হোৱা সনাতন সৌন্দর্যৰ কবিয়ে সকলোতে উপলব্ধি কৰিছে। জাগতিক বর্ণ বৈচিত্র্যৰ অন্তৰালত আত্মগোপন কৰি থকা সত্য শিৱ সুন্দৰৰ লগত মিলনেই কবিৰ চৰম আকাংক্ষা। জীৱনৰ বিৰহ বেলা ভূমিত প্রিয়তমৰ লগত মিলনেই তেওঁৰ ইপ্সিত লক্ষ্য। আধ্যাত্মিক বেদনাৰ কাৰুণ্যই তেওঁৰ কবিতাক নিয়ৰত সিক্ত ফুলৰ দৰে স্নিগ্ধ আৰু ৰমণীয় কৰি তুলিছে। ভাৰতীয় দর্শনে, বিশেষকৈ, বেদান্তৰ জন্মান্তৰবাদ, কর্মফলবাদ আৰু ভক্তিবাদে নলিনীবালা দেৱীৰ কবিতাক পুষ্ট কৰি তুলিছে। ৰবীন্দ্রনাথৰ কবিতাৰ কাব্যিক ৰূপ-সৌন্দর্য আৰু ৰহস্যবাদৰ সুৰে তেওঁৰ কবিতাৰ ভাৱব্যঞ্জক, ৰহস্যঘন আৰু মধুৰ কোমল কৰাত সহায় কৰিছে। চিৰসুন্দৰৰ অস্তিত্বৰ মৃদু শিহৰণ তেওঁ সকলো জাগতিক ব্যাপাৰতে অনুভৰ কৰিছে আৰু তেওঁৰ অন্বেষণেই বেছি ভাগ কবিতাৰ মূল বিষয় ৰূপে অনুৰণিত হৈছে। এহাতে ৰহস্যবাদমূলক কবিতাত অসীম তথা চিৰসুন্দৰৰ আহ্বান, আনহাতে স্বদেশ আৰু

জনমভূমিৰপ্রতি ধূলিকণাৰ লগত জন্ম জন্মান্তৰে জড়িত হৈ থকাৰ অদম্য বাসনা। স্বদেশ প্রীতি, প্রাচীন ভাৰতীয় সংস্কৃতি আৰু আদর্শৰ প্রতি গভীৰ শ্রদ্ধা তেওঁৰ কবিতাৰ লক্ষণ। ছন্দ প্রয়োগ, শব্দ চয়ন, ভাৱ-ব্যঞ্জনা চিত্র ৰচনাৰ মাধুর্যৰে তেওঁৰ কবিতা সমৃদ্ধ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ নলিনীবালা দেৱীৰ কাব্যপুথিকেইখন উল্লেখ কৰি তেওঁৰ কবিতাৰ বিষয়বস্তুৰ বিষয়ে লিখক।

(২৫০টা শব্দৰ ভিতৰত)

- **নগেন্দ্র নাৰায়ণ চৌধুৰী ঃ** নগেন্দ্র নাৰায়ণ চৌধুৰীৰ প্রচেষ্টাত ১৯২৯ চনত কলিকতাত আৱাহন আলোচনীৰ জন্ম হয়। চৌধুৰী *আৱাহন* আলোচনীৰ এগৰাকী উল্লেখযোগ্য সাহিত্যিক তথা গল্প লেখক। অবিভক্ত গোৱালপাৰা জিলাৰ লক্ষীপুৰত প্রাথমিক শিক্ষা আৰু গোৱালপাৰাত হাইস্কুলীয়া শিক্ষা গ্রহণ কৰে। *আৱাহন* আলোচনীৰ প্রথম বছৰৰ প্রথম সংখ্যাতেই 'পোহৰী' গল্প লিখি দৰাচলতে চৌধুৰীয়ে আৱাহন যুগৰ গল্পৰ বাট মুকলি কৰি দিয়ে। চৌধুৰীৰ গল্পসমূহ *আৱাহন* আৰু *ৰৰদৈচিলা* আলোচনীত প্রকাশ পায়। *নগেন্দ্র নাৰায়ণ চৌধুৰীৰ গল্প, বীণাৰ ঝঙ্কাৰ, নগেন্দ্র নাৰায়ণ চৌধুৰীৰ গল্প*। এই সঙ্কলন তিনিটাৰ অন্তর্গত গল্পসমূহ হৈছে—'পোহৰী', 'ভাগ-বাটোৱাৰা','ধন-ভঁৰাল', 'ৰসায়ন', 'টুনী','মুক্তি', 'মধুমালতী', 'লাভ', 'প্রতিশোধনে প্রতিদান', 'তামৰ তাবিজ', 'সোপধৰা', 'বগীতৰা', 'অসবর্ণ আইন' আদি। এইবোৰৰ উপৰিও চৌধুৰীয়ে *আৱাহনৰ* পাতত বিজ্ঞান, নৃত্য-সঙ্গীত, খেল-ধেমালি বিষয়, সংস্কৃতি বিষয়ক প্রবন্ধ ৰচনা কৰিছিল।

নগেন্দ্র নাৰায়ণ চৌধুৰীৰ'পোহৰী'গল্পত ৰাভা জনজাতীয় গাভৰু এগৰাকীৰ মর্মন্তুদ দুখ-কষ্টৰ কাহিনী বর্ণিত কৰিছে। পোহৰীৰ ভালপোৱা কৃতজ্ঞতাৰ নামান্তৰ, সেইবাবে আকোৱগোঁজ। সহৃদয় ডাঃ দীনবন্ধুৰে সিহঁতৰ ভাল কৰিবলৈ গৈ দুখৰহে কাৰণ হৈ পৰে। সামাজিক অবিচাৰৰ কাহিনী এটা ৰোমাণ্টিক প্রেমানুভূতিৰ লগত দৃঢ়ভাৱে গ্রথিত হৈছে। তেওঁৰ গল্পত মাথোন ডেকা-গাভৰুৰ প্রেমৰ বিষয়বস্তুকেই আশ্রয় নকৰি জীৱনৰ বিচিত্র ৰূপ আৰু সংঘাতবোৰৰ প্রতিহে বেছি দৃষ্টি দিয়া দেখা যায়। 'ৰসায়ন' গল্পত তেওঁ বৃদ্ধ এজনে ডেকা হোৱা ঔষধ প্রয়োগ কৰি বেছি জোখত সেৱন কৰা বাবে কেনেকৈ ক্রমাৎ সৰু হৈ গৈ এটা বান্দৰত পৰিণত হ'ল তাৰ উদ্ভট বর্ণনা দাঙি ধৰিছে। গল্পটোৰ অন্তৰালত এক ধৰণৰ মনোবৈজ্ঞানিক বৃত্তিয়ে ক্রিয়া কৰিছে। 'বীণাৰ ঝঙ্কাৰ' চৌধুৰীৰ এটা মনোৰম প্রেমৰ গল্প। তেওঁ এগৰাকী সমাজ সচেতন গল্পকাৰ। তেওঁ প্রেমৰ গল্পবোৰতো পৰিস্থিতি সাপেক্ষে সমাজৰ কু-প্রথাৰ বিৰুদ্ধে তীর্যক শ্লেষ হানে। ৰমেনে বন্ধুসকলৰ লগত বীণাক চাবলৈ যোৱা বীণাক গীত গাবলৈ দিয়া কার্যৰ প্রতি বীণাই মন নিদিয়া আদি মধ্যবিত্ত জীৱনৰ বৈষম্যবিলাকৰ প্রতি লেখকে তীর্যক দৃষ্টিপাত কৰিছে।

'ধন-ভঁৰাল' গল্পৰ বিষয়বস্তু গল্পকাৰগৰাকীৰ সমকালৰ বাস্তৱ সমাজৰ পটভূমিতে ৰচিত হৈছে। সমাজত গঢ় লৈ উঠা ৰঘুমলা ৰূপী শোষক বিনোদ বিহাৰী সাহা নামৰ ব্যৱসায়ীজনৰ ছল-চাতুৰী, শোষণ-উৎপীড়ন আৰু ৰাংটাং ওৰফে ৰত্নেশ্বৰ বসুমতাৰী নামৰ ডেকাজনৰ নগৰমুখী মনোভাৱৰ ফলত জীৱনৰ দুর্যোগ গল্পটোৰ বিষয়বস্তু। চৰিত্ৰৰ সজীৱতা আৰু গতিশীলতাই ধন-ভঁৰাল গল্পক বহু পৰিমাণে কলাসন্মত কৰি তোলা দেখা যায়। 'ভাগ-বাটোৱাৰা' গল্পটোৰ বিষয়বস্তু জীৱনত ধনৰ প্ৰয়োজনীয়তা, ধনৰ প্ৰয়োগ আৰু অপপ্ৰয়োগৰ ওপৰতে জীৱনৰ সুখ-দুখ নির্ভৰ কৰে আৰু মানুহক ধনেই কেতিয়াবা পশুত্বলৈ আৰু কেতিয়াবা দেৱত্বলৈ কিদৰে অৱতৰণ আৰু উত্তৰণ ঘটায়— এইবোৰ মনঃস্তাত্ত্বিক কথাৰ বিশ্লেষণ গল্পটোৰ তাৎপর্য। দুই ভাই-ককাই শৰৎ আৰু হেমন্তৰ মাজত সহোদৰ সুলভ চেনেহ আছিল বাবেই ভায়েক হেমন্তই সামান্য অভিমান কৰি ঘৰ এৰি আফ্ৰিকালৈ যায়। আফ্ৰিকাত চাকৰি কৰি চাকৰিৰ ধনেৰে ধনী হোৱাৰ পিছত হেমন্ত পুনৰ ঘৰলৈ ঘূৰি আহিছে।

নগেন্দ্ৰ নাৰায়ণ চৌধুৰী সময় উপযোগী এগৰাকী সমাজ সচেতন লেখক। চৌধুৰীয়ে সমকালীন সময়ৰ গোৱালপাৰা জিলাৰ জমিদাৰী সমাজ ব্যৱস্থা, সেই সময়ছোৱাৰ জনজাতীয় সহজ-সৰল জীৱন, সমাজ ব্যৱস্থাৰ গলিত ৰূপ, অন্ধবিশ্বাস, কুসংস্কাৰ, নৰ-নাৰীৰ প্ৰেম, যৌথ পৰিয়াল ব্যৱস্থাৰ নাৰীৰ জীৱনলীলা, ধন ঘটাৰ মাজত শোষণ-পীড়ন ব্যৱস্থা আদি বিভিন্ন বিষয়ক চিত্ৰৰ প্ৰতিৰূপ গল্পসমূহৰ জৰিয়তে মূর্তমান কৰি তুলিবলৈ সক্ষম হৈছে। চৌধুৰীয়ে 'পোহৰী', 'টুনী', 'লাভ', 'ধন ভঁৰাল' আদি গল্পৰ মাজেৰে সমকালীন সময়ৰ অসমৰ জনজাতীয় জনগোষ্ঠীৰ জীৱনৰ নানা সমস্যা সহজ-সৰলভাবে প্ৰতিফলিত কৰিছে। জনজাতীয় সমাজৰ ৰীতি-নীতি, উৎসৱ-পার্বণ, আচাৰ-ব্যৱহাৰ আদি ভাবাদর্শৰ সুন্দৰ ৰূপায়ণ ঘটিছে। 'লাভ', 'তামৰ তাবিজ', 'প্ৰতিশোধ নে প্ৰতিদান', 'বগীতৰা' আদিত সেই সময়ৰ অসমীয়া সমাজত থকা অন্ধবিশ্বাস, কুসংস্কাৰৰ দিশ প্ৰতিফলিত কৰি সেইবোৰ জনসমাজৰ পৰা দূৰীকৰণৰ প্ৰচেষ্টাত উপযুক্তভাবে কৰিছে। 'বগীতৰা' গল্পত ধর্মীয় ৰীতি-নীতিৰ বিশ্বাস নৈতিকতা, অদৃষ্টৰ প্ৰভাৱ প্ৰকাশ পোৱা দেখা যায়। ধর্মৰ প্ৰতি প্ৰগাঢ় আস্থা আৰু নৈতিকতাৰ দৃষ্টিৰে অসমীয়া সমাজৰ জনসমষ্টিৰ অন্ধবিশ্বাসী লোকসকলক নতুন বাটেৰে আগুৱাই নি ঈশ্বৰৰ প্ৰতি গভীৰ বিশ্বাসৰ ৰূপ প্ৰতিফলিত কৰিছে। 'পৰিৱর্তন', 'পুনর্জন্মৰ দক্ষিণা' আদি গল্পৰ মাজেৰে সেই সময়ৰ মহাজন আৰু দৰিদ্ৰগ্ৰস্ত লোকৰ সামাজিক চিত্ৰ নিখুঁতভাৱে অঙ্কন কৰিছে। 'মোৰ পৰিচয় কাহিনী', 'প্ৰতিভা' আদিৰ মাজেৰে সামাজিক বিয়া ব্যৱস্থা, যৌতুক প্ৰথা, বৃদ্ধ লোকৰ বিবাহৰ কু পৰিণতি আদি প্ৰকাশ পাইছে। আনহাতে বিয়া ব্যৱস্থাৰ আওপুৱণি ৰীতি-নীতি পৰিহাৰ কৰা উচিত সেই কথাও কেইবাটাও গল্পৰ উপজীব্য হৈ উঠিছে। চৌধুৰীৰ ভ্ৰমণ কাহিনী দুটাও মনোৰম। প্ৰথমটোত আছে কুম্ভমেলা দর্শনৰ মনোৰম বর্ণনা। দ্বিতীয়টোত আগ্ৰা ভ্ৰমণৰ হুবহু বর্ণনা সংস্থাপিত হৈছে।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ *আৱাহন* আলোচনীৰ জন্মৰ প্ৰধান হোতা নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ সাহিত্যকৃতিৰ বিষয়ে লিখক।

(১০০টা শব্দৰ ভিতৰত)

- **বেণুধৰ ৰাজখোৱা ঃ** আৱাহন যুগৰ অন্যতম নাট্যকাৰ। তেওঁৰ *সেউতি কিৰণ* কাল্পনিক নাটক। এই নাটকত ঈৰ্ষা আৰু শঠতাই প্ৰেমৰ ক্ষেত্ৰত কেনে শোকাৱহ পৰিণতি ঘটাব পাৰে তাৰ চিত্ৰ প্ৰকাশ কৰা হৈছে। *দুৰ্যোধনৰ উৰুভঙ্গ, দক্ষ যজ্ঞ* পৌৰাণিক নাটক। *তিনি ঘৈণী, অশিক্ষিতা ঘৈণী, কুৰি শতিকাৰ সভ্যতা* আদি প্ৰহসন জাতীয় নাটকত শ্ৰীশিক্ষাৰ অভাৱ আৰু বহু বিবাহৰ কুফল আৰু নতুন সভ্যতাৰ সমাজৰ ওপৰত বিৰূপ প্ৰতিক্ৰিয়াৰ হাস্যস্পদ চিত্ৰ দাঙি ধৰিছে। ৰাজখোৱাৰ *আৱাহনৰ* উল্লেখযোগ্য নাটক *চোৰৰ সৃষ্টি, যমপুৰী, টোপনিৰ পৰিণাম*— প্ৰহসনধৰ্মী নাটত আৰু সমাজ সংস্কাৰী মনোভাৱ প্ৰকট নহয়; তাৰ বিপৰীতে গাঁৱলীয়া সমাজক লৈ একোটি আমোদদায়ক পৰিৱেশৰ সৃষ্টি কৰিছে। *দশ গীত, বাঁহী* গীতি-কবিতাৰ পুথি। *নামঘোষা, গুণমালা, কাণখোৱা* আৰু *কীৰ্ত্তনৰ বিপ্ৰ দামোদৰ আখ্যান* ইংৰাজীলৈ অনুবাদ কৰিছিল।
- **দুৰ্গেশ্বৰ শৰ্মা ঃ** দুৰ্গেশ্বৰ শৰ্মাই আইন পাছ কৰি ওকালতি কৰে আৰু শেষত আৱকাৰী বিভাগৰ কমিছনাৰ পদৰ পৰা অৱসৰ লৈ সাহিত্য জগতত প্ৰৱেশ কৰে। তেওঁ আৱাহন যুগৰ এগৰাকী কবি আৰু নাট্যকাৰ। *পাৰ্থ-পৰাজয়, চন্দ্ৰাৱলী, বালী বধ, পদ্মাৱতী* নাটক আৰু *অঞ্জলি, নিবেদন* গীতি-কবিতাৰ পুথি। *বালীবধ* আৰু *পাৰ্থপৰাজয়* নাটক দুখনৰ বিষয়বস্তু বিকাশত পৌৰাণিক কাহিনীৰ পৰা কিছু বিষয়ত আঁতৰি গৈ স্বকীয় কল্পনাপ্ৰসূত কথা সুমুৱাই দি নাটক দুখনৰ আখ্যানক আকৰ্ষণীয় কৰিবলৈ চেষ্টা কৰিছে। নাটক দুখন ট্ৰেজেদি নহয়, কমেডি ৰূপেহে পৰিণতি লাভ কৰিছে। নাটকৰ দৃশ্যবোৰৰ সংলাপৰ মাধ্যম ছন্দ; কিন্তু লঘু আমোদজনক দৃশ্যকেইটা কথিত গদ্যত প্ৰকাশ কৰিছে। *চন্দ্ৰাৱলী* আৰু *পদ্মাৱতী* ছেক্সপীয়েৰৰ *As you like it* নাটক আৰু চিম্বেলিন নাটকৰ মূলানুগ, সৰস ছান্দিক অনুবাদ।

  শৰ্মাৰ কবিতাত মিষ্টিক ভাৱৰ ছিটিকনি দেখা যায়। ভাৱতীয় দৰ্শনৰ প্ৰভাৱ তেওঁৰ কবিতাৰ মূল। আত্মাৰ অবিনশ্বৰতা আৰু জন্মান্তৰবাদ বিশ্বাস, ব্ৰহ্মাণ্ডৰ সহিষ্ণু নৈতিক শক্তিৰ অখণ্ড প্ৰবাহত নিষ্ঠা, এটি সংযত জীৱনোপভোগৰ আকাংক্ষা আৰু জাগতিক সৌন্দৰ্যৰ প্ৰতি মোহ তেওঁৰ কবিতাৰ প্ৰধান বিশেষত্ব। কবিৰ দাৰ্শনিকতাই দূৰণিৰ পেঁপাৰ মাত, অকলশৰীয়া ৰূপহী দাৱনী, যখিনী আৰু জলকুঁৱৰী আদিৰ সৌন্দৰ্য উপলব্ধিত বাধা জন্মোৱা নাই। কবি মনৰ এটা গতি হ'ল আধ্যাত্মিক পথৰ সন্ধানত আৰু আনটো গতি হ'ল মৰতমুখী। আৱাহন যুগত সিঁচৰতি হৈ থকা কবিতাবোৰ *উপাসনা* নাম দি প্ৰকাশ

কৰা হৈছে। ইয়াৰ অন্তর্ভুক্ত কবিতাবোৰত আত্মনিবেদনৰ ভাব প্রকট আৰু কবিয়ে Sense of Resignationক নিৰাভৰণ অথচ গভীৰ প্রত্যয়শীল ৰূপত আত্মপ্রকাশ কৰিছে।

- **মহীচন্দ্র বৰা ঃ** আৱাহন যুগৰ এগৰাকী উল্লেখযোগ্য গল্পকাৰ। মহীচন্দ্র বৰাৰ গল্পবোৰ হাস্য আৰু ব্যঙ্গ ভাব সিক্ত। আমোদজনক পৰিস্থিতি আৰু বাক্-চাতুর্যৰ দ্বাৰা ব্যঙ্গ বেছি প্রোজ্জ্বল। *উকীলৰ জন্মৰহস্য* তেওঁৰ উল্লেখযোগ্য গল্পপুথি। গল্পবোৰত সামাজিক ব্যঙ্গ আৰু হাস্যৰসতকৈ ব্যক্তিকেন্দ্রিক হাস্যৰস তথা অধিক ব্যঙ্গ প্রস্ফুটিত হৈছে। মহীচন্দ্র বৰাৰ 'কেৰাণীৰ কপাল' এটা ব্যঙ্গ গল্প। কেৰাণীৰ কপাল গল্পৰ বিষয়বস্তু চাকৰিজীৱী মধ্যবিত্ত আৰু গাঁৱৰবহু বর্ণময় স্বভাৱৰ মানুহৰ চাৰিত্রিক বৈশিষ্ট্যৰ ভিত্তিত ৰচিত। গল্পটোত চাকৰিজীৱী মধ্যবিত্ত শ্রেণী আৰু গাঁৱৰ বিচিত্র মানসিকতাৰ মানুহৰ সম্পর্ক চিত্রিত কৰিবলৈ যত্ন কৰিছে। কেৰাণী কিনাৰাম আৰু চিৰস্তাদাৰৰ চাৰিত্রিক বৈশিষ্ট্য তথা কেৰাণী জীৱনৰ অৱস্থা আৰু কেৰাণী কিনাৰামৰ দেউতাকৰ মৃত্যুৰ পিছত জ্ঞাতি-কুটুম্ব, বংশ-পৰিয়াল, ব্রাহ্মণ পুৰোহিতসকলে শ্রাদ্ধৰ যোগেদি কিনাৰামক শুহি শুহি খোৱাৰ প্রকৃতিগত অৱস্থাৰ চিত্রণ দেখুওৱা হৈছে। 'চর্দাৰ বিল' গল্পটোত সমাজৰ বিভিন্ন শ্রেণীৰ চৰিত্রৰ কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু ভণ্ডামি প্রকাশ পাইছে। পৰম্পৰাগতভাৱে যুগ যুগ ধৰি চলি অহা বাল্যবিবাহ বিৰুদ্ধ আইনৰ যোগেদি সমাজ সংস্কাৰকামী এক শ্রেণী আৰু পৰম্পৰাগত ৰীতি-নীতিকে খামুচি ধৰি থকা সুবিধাবাদী ৰক্ষণশীল শ্রেণীটোৰ মাজৰ দ্বন্দ্বই 'চর্দাৰ বিল' গল্পটোৰ বিষয়বস্তু। গল্পটোত বহুত চৰিত্রৰ অন্তঃসাৰশূন্য মানসিকতাক প্রকাশ কৰা হৈছে যদিও ৰায়বাহাদুৰ আৰু বিজুলী বৰুৱানীৰ জৰিয়তেহে দ্বন্দ্বৰ সৃষ্টি কৰা হৈছে। ৰায়বাহাদুৰৰ দৰে মানুহে পোষণ কৰি থকা স্থিতিশীল মূল্যবোধে নতুন গতিশীল মূল্যবোধৰ সৈতে কিদৰে সংঘর্ষৰ মুখামুখি হ'ব লগা হ'ল আৰু এই সংঘর্ষত ৰক্ষণশীল শ্রেণীৰ প্রতিভূ ৰায়বাহাদুৰৰ মানসিক প্রতিক্রিয়া কেনে অসহনীয় হৈ উঠিছিল তাৰ বর্ণনা আকর্ষণীয় হৈ পৰিছে। 'অব্যয়' গল্পটো শিল্পচাতুর্যৰে পৰিপূর্ণ যদিও আৱাহন যুগৰ গল্পৰ বিষয়বস্তুৰ পৰা কিছু পৰিমাণে আঁতৰি অহা দেখা যায়। গল্পটোত ধনীৰাম নামৰ দৰিদ্রপীড়িত মানুহজনৰ পৰা উত্তৰাধিকাৰীসূত্রে পোৱা দাৰিদ্র্যৰে জীৱন নিঃশেষ কৰা পুত্র মাটিৰাম আৰু হৃদয়হীন ঘুণে ধৰা সমাজৰ বাস্তৱ চৰিত্র 'অব্যয়' গল্পৰ বিষয়বস্তু। মহীচন্দ্র বৰাৰ গল্পৰ ব্যঙ্গ দৃষ্টিভঙ্গীৰ লগত জড়িত হৈ আছে সংস্কাৰকামী মনোভাৱ আৰু গভীৰ উদাৰনৈতিক মানৱতাবাদ।
- **অম্বিকাগিৰী ৰায়চৌধুৰী ঃ** তেওঁ ৰোমাণ্টিক যুগৰ কবি যদিও আৱাহন কালতো তেওঁ অনেক কবিতা, গীত আৰু গ্রন্থ ৰচনা কৰিছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দি কাৰাবাসত থাকোতে বহুতো জাতীয়তাবাদী গীত ৰচনা কৰিছিল। *বীণা, তুমি, অনুভূতি, স্থাপন কৰ, স্থাপন কৰ, বেদনাৰ উল্কা, আজি বন্দো কি ছন্দেৰে* আদি কবিতা পুথি। *আহুতি, ডেকা-ডেকেৰীৰ বেদ* গদ্য পুথি। *কল্যাণময়ী, ভক্ত গৌৰৱ, জয়দ্রথ বধ* নাটক।

অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবি ব্যক্তিত্বৰ বিকাশত দুটা বিপৰীতধৰ্মী বৈশিষ্ট্যৰ অভিব্যক্তি পোৱা যায়— 'এটা প্ৰেমৰ গুণগুণনি আৰু প্ৰিয়তমাৰ বাতায়ন সকাষত বীণৰ মৃদু ঝঙ্কাৰ;আনটো বিপ্লৱীৰ পৌৰুষব্যঞ্জক ৰণহুঙ্কাৰ। ইয়াৰে প্ৰথম সুৱটো যৌৱনৰ, দ্বিতীয়টো যৌৱন আৰু প্ৰৌঢ়ত্বৰ সন্ধিক্ষণৰ যদিও সেইটোৱেই তেওঁৰ কাব্য ব্যক্তিত্ব প্ৰকাশক স্থায়ীসুৰ যাৰ প্ৰতিধ্বনি বাৰ্ধক্য কাল পৰ্যন্ত অনুৰণিত হোৱা দেখা যায়। এহাতে জাতীয়তাবাদৰ দুন্দুভি ধ্বনি, আনহাতে ৰহস্যবাদৰ কোমল সুৰ। প্লেটোৰ মতে 'মানৱীয় প্ৰেমেই স্বৰ্গীয় প্ৰেমলাভৰ সোপান স্বৰূপ। ৰায়চৌধুৰীৰ কবিতা তাৰেই সাৰ্থক ৰূপ। তেওঁৰ জাতীয়তাবাদী কবিতাত নিষ্পেষণ আৰু অত্যাচাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ, 'দুৰ্গম গিৰিকান্তাৰ মৰু',অতিক্ৰম কৰিজীৱন যুদ্ধত বীৰদৰ্পে আগবাঢ়িবলৈ উদাত্ত আহ্বান পোৱা যায়। ৰায়চৌধুৰীয়ে এনে এটা জীৱন কামনা কৰে য'ত ব্যক্তিয়ে সংগ্ৰাম আৰু ঘোৰ সংঘৰ্ষৰ মাজেদি সকলো গ্লানি, ভণ্ডামি, দীনতা, নীচতা অতিক্ৰম কৰি মানৱতাৰ বিকাশ ঘটাব পাৰে। তেওঁৰ শক্তিকামী, জাতীয়তাবাদী কবিতাত শব্দ গঠন আৰু তান বা শ্বাসঘাত প্ৰধান বলিষ্ঠ গতিৰ ছন্দও অসমীয়া কবিতাৰ বিশেষ সম্পদ। তেওঁৰ সামগ্ৰিক ৰচনাত গভীৰ অসমীয়া প্ৰীতি,জাতিৰ কল্যাণ কামনা,সাময়িক সমস্যা সমাধানৰ স্বকীয় ইঙ্গিত আৰু নিজস্ব দৃষ্টিভঙ্গীৰ পৰিচয় আছে। তেওঁৰ গদ্য আবেগধৰ্মী কিন্তু সুকোমল নহয়; ৰৰং তাণ্ডৱ নৃত্যৰ পৌৰুষ, অমসৃণতা আৰু আন্তৰিকতাই তেওঁৰ গদ্যক মৌলিক সৌন্দৰ্য দান কৰিছে। ৰচনাৰীতি আত্মব্যক্তিত্বৰ পূৰ্ণ পৰিচায়ক। যুক্তি আৰু আবেগৰ সংযোগত তেওঁৰ গদ্যই স্বতন্ত্ৰ বৈশিষ্ট্য লাভ কৰিছে। 'অসম সংৰক্ষিণী সভা' আৰু 'অসম জাতীয় মহাসভা'ৰ যোগেদি অসমীয়া জাতিক সুপ্ৰতিষ্ঠিত কৰিবলৈ চেষ্টা কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন আৰু সৃষ্টিশীল কৰ্মৰাজিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

(১৫০টা শব্দৰ ভিতৰত)

- **শৰৎ চন্দ্ৰ গোস্বামী ঃ** শৰৎ চন্দ্ৰ গোস্বামীক 'অসম সাহিত্য সভা'ৰ অন্যতম প্ৰতিস্থাপক বুলি ক'ব পাৰি। গোস্বামী গল্পকাৰ, ঔপন্যাসিক, নাট্যকাৰ আৰু প্ৰবন্ধকাৰ। *ময়না, গল্পাঞ্জলি, বাজীকৰ* তেওঁৰ গল্পপুথি। *পানীপথ* উপন্যাস, বাপচন্দ্ৰ ভাগৱতী ছদ্মনামত *পৰীক্ষা* নামৰ নাটক ৰচনা কৰে। ইয়াৰ উপৰিও শিক্ষা বিষয়ক পুথি *মহাসমৰ* আৰু বাগীশৰ *নীতি লতাঙ্কুৰ*, নীলকণ্ঠ দাসৰ *দামোদৰ চৰিত* সম্পাদনা কৰে।

শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পত তীব্ৰ ব্যঙ্গ নাইবা চতুৰ হাস্যৰস নাই। ব্যক্তিৰ সুখ-দুখ, ভাগ্যৰ হাতত অসহায়তা, দুৰ্বলতা আৰু মানৱীয় ভাব-অনুভূতিৰ চিত্ৰণে তেওঁৰ গল্পত প্ৰাধান্য লাভ কৰা দেখা যায়। পীড়িতৰ প্ৰতি, অসহায় প্ৰতি, সহানুভূতিসূচক মনোবৃত্তি

তেওঁৰ সৱহভাগ গল্পৰ বিষয়বস্তু ৰূপে প্ৰকাশ পাইছে। দুই-এটা গল্পত অসামাজিক যৌন অভিব্যক্তি দেখা যায়; কিন্তু ৰুচি বিগর্হিত প্ৰয়াস নাই। তেওঁৰ অধিক সংখ্যক গল্পই গ্ৰাম্য জীৱনৰ পটভূমিত ৰচিত। 'নদৰাম' গল্পটো প্ৰেম সম্পৰ্কিত অথচ নদৰাম চৰিত্ৰটোৰ চাৰিত্ৰিক বৈশিষ্ট্য আকৰ্ষণীয় ৰূপত প্ৰকাশ পাইছে। নদৰামৰ ঘৈণীয়েক ভাটিৰামৰ তালৈ গুচি যোৱাৰ পিছতো পুনৰ নদৰামে ঘৈণীয়েকক আনিব খুজি ব্যৰ্থ হৈছে। নদৰামৰ এনে মানসিক পৰিৱৰ্তন আকস্মিক। গল্পকাৰে নৰ-নাৰীৰ প্ৰেমৰ ক্ষেত্ৰত বাহ্যিক বান্ধোনৰ আন্তঃসাৰশূন্যতা প্ৰদৰ্শন কৰিছে আৰু তাৰ বিপৰীতে হৃদয়ৰ আকৰ্ষণক স্বীকৃতি দিছে। 'পিয়াহৰ পানী' গল্পটোত টাইফয়েড জ্বৰত মৃত্যু হোৱা এটি শিশুৰ মাতৃৰ বেদনাকাতৰ মানসিক অৱস্থা আৰু মানসিক ভাৰসাম্য হেৰুৱাই উন্মাদ হোৱা ঘটনাটো যিদৰে হৃদয়বিদাৰক, আনফালে তীব্ৰ বিদ্ৰূপাত্মক।

শৰৎ চন্দ্ৰ গোস্বামীৰ *পানীপথ* উপন্যাসখন ঐতিহাসিক ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত। বাবৰ আৰু ইব্ৰাহিম লোডীৰ মাজত হোৱাৰ প্ৰথম পানীপথৰ যুদ্ধৰ ভিত্তিত *পানীপথ* উপন্যাস ৰচিত। উপন্যাসখনৰ প্ৰধান কাহিনী আৰু উপকাহিনী কাল্পনিক, পটভূমিহে ঐতিহাসিক।

- **শৈলধৰ ৰাজখোৱা ঃ** আৱাহন যুগৰ এগৰাকী কবি আৰু অন্যতম নাট্যকাৰ। তেওঁৰ *নিজৰা* কবিতা সঙ্কলন ৰাজখোৱাৰ নিমজ ৰচনাৰীতি, সাৱলীল ছন্দগতি, কবিতাত লক্ষ্য কৰা যায়। প্ৰেমানুভূতি আৰু জাতীয়তাবোধ তেওঁৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য। *বিদ্যাৱতী, অসম গৌৰৱ* আৰু শ্বেক্সপীয়েৰৰ *অ'থেলো* নাটকৰ অনুবাদ *ৰণজিৎ* নামৰ নাটকৰ যোগেদি নাট্যজগতখন পুষ্ট কৰিছে। *বিদ্যাৱতী* নাটকত বিক্ৰমাদিত্যৰ ৰাজকবি কালিদাসৰ মূৰ্খতাৰ পিছত পাণ্ডিত্য আৰু কবিত্ব লাভ কৰাৰ জনশ্ৰুতি মূলক কাহিনীক নাটকীয় ৰূপ দিছে। তেওঁৰ আৱাহন যুগৰ উৎকৃষ্ট নাটক *অসম গৌৰৱত* স্বৰ্গদেউ প্ৰতাপ সিংহৰ পৰাক্ৰম আৰু তেওঁৰ মুছলমান সৈন্যৰ লগত সংঘৰ্ষক কেন্দ্ৰ কৰি ৰচিত। ছন্দোৱদ্ধ সংলাপৰ প্ৰাধান্য আৰু ঐতিহাসিক পৰিৱেশৰ অভাৱ নাটক দুখনত দেখা যায়। 'অসম গৌৰৱ'ৰ দৃশ্যবহুল আৰু চৰিত্ৰবহুল পৰিৱেশৰ মাজত আখেক গোহাঁই, লাঙি বৰফুকন আৰু ৰূপহী চৰিত্ৰই সজীৱ আৰু আকৰ্ষণীয় ৰূপত আত্মপ্ৰকাশ কৰিছে।
- **ধৰ্মেশ্বৰী দেৱী বৰুৱানী ঃ** আৱাহন যুগৰ এগৰাকী মহিলা কবি সাহিত্যিক। কবিগৰাকীৰ জীৱন কাৰুণ্যৰে ভৰা। যৌৱনাৱস্থাতে দু�ৰাৰোগ্য বেমাৰৰ দ্বাৰা আক্ৰান্ত হৈ ৰুগ্ন শয্যাৰ পৰাই কাব্য লক্ষ্মীৰ বেদীত *ফুলৰ শৰাই* আগবঢ়াইছে। কবিগৰাকীৰ 'ফুলৰ শৰাই' *আৱাহনৰ* প্ৰথম বছৰতে প্ৰকাশ পায়। *ফুলৰ শৰাই* আৰু *প্ৰাণৰ পৰশ* খণ্ড কবিতাৰ পুথিত কবিৰ জাগতিক সৌন্দৰ্যৰ প্ৰতি মোহ আৰু আধ্যাত্মিক দৃষ্টিৰ অভিব্যক্তি লক্ষ্য কৰা যায়। তেওঁ সাংসাৰিক দুখ-কষ্টক ভগৱানৰ দান বুলি ভাবি তাক গ্ৰহণ আৰু ভগৱানৰ ওচৰত নিজকে অৰ্পণ কৰিছে। কবিগৰাকীয়ে ভাৰতীয় চিন্তাধাৰাৰ সৃষ্টিৰ সকলো পদাৰ্থতে স্ৰষ্টাৰ সত্তা আৰু মহিমা দেখা পাইছে। জগতত যি এটি সুৰে সকলোকে মোহিত কৰিছে সেই সুৰৰ

উৎস বিচাৰি কবিয়ে আধ্যাত্মিক যাত্রাত মিলনৰ আশাত সুখৰ অন্বেষণত আগবাঢ়িছে। কবিৰ প্রকৃতি বিষয়ক কবিতাসমূহতো ব্যক্তিগত জীৱনৰ প্রতিবিম্ব পৰি আবেদনক্ষম হৈছে।

- **বাণীকান্ত কাকতি ঃ** এগৰাকী ভাষাবিদ, সাহিত্যিক, চিন্তাবিদ। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্রী লাভ কৰে। কটন মহাবিদ্যালয়ত অধ্যাপনা কৰি পাছলৈ অধ্যক্ষ হয়। শেষলৈ গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক হয়। তেওঁ একাধাৰে ভাষাবিদ, গৱেষক, শিক্ষাবিদ, সমালোচক আৰু প্রবন্ধকাৰ। প্রাচ্য আৰু পাশ্চাত্য উভয় সাহিত্য অধ্যয়ন কৰি অসমীয়া গদ্যক সুসংহত ৰূপ প্রদান কৰিছে। *পুৰণি অসমীয়া সাহিত্য, সাহিত্য আৰু প্রেম, কলিতা জাতিৰ ইতিবৃত্ত, পুৰণি কামৰূপৰ ধর্মৰ ধাৰা, পখিলা, নতুন অসমীয়া সাহিত্য, The Mother Goddess Kamakhya*, *Vaishnavite Myths and Legends* আদি গ্রন্থ ৰচনা কৰে। 'নামঘোষা', 'অংকীয়া ভাওনা', 'কবিৰ অহৈতুকী প্রীতি' আদি অনেক সমালোচনামূলক প্রবন্ধ লিখি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। তেওঁৰ *Assamese, Its Formation and Development* নামৰ গৱেষণামূলক গ্রন্থই অসমীয়া ভাষাক এক প্রণালীৱদ্ধ ৰূপ দান কৰি গৈছে।

  *আৰাহন*ৰ প্রথম সংখ্যাতে বাণীকান্ত কাকতিয়ে 'কবিৰ অহৈতুকী প্রীতি' নামৰ গুৰুত্বপূর্ণ প্রবন্ধটোৰ জৰিয়তে তত্ত্বগধুৰ সাহিত্য আলোচনাৰ পাতনি মেলে। প্রবন্ধটোত ডান্টেধর্মী 'ৰাজসভাৰ প্রেম'ৰ (Courtly love) স্বৰূপ নির্ণয় কৰা হৈছে। কাকতিয়ে 'ভিটা নুওভা'ৰ (Vita Nuova) অন্তর্লীন অনুভূতি বিশদভাৱে আলোচনা কৰিছে। কোনো কোনো পণ্ডিতৰ মতে উচ্চবর্গৰ ভালপোৱাৰ সংগঠনত মধ্যযুগৰ ইউৰোপত ঘটা আৰৱীয় সভ্যতা বিস্তাৰৰ ভূমিকা থকাটোও সম্ভৱ। এই আপাহতে চণ্ডীদাসৰ কাব্য আৰু অভিজ্ঞতাক আলোচনাৰ ভিতৰুৱা কৰাত তুলনামূলক সাহিত্য বিচাৰৰ বাট মুকলি হৈছে। *আৰাহনত* 'পণ্ডিতৰ ভূমাস্পৃহা' নামৰ প্রবন্ধটিত আমিয়েলৰ দীনপঞ্জী-সমূহৰ বিশদ বিশ্লেষণ সন্নিবিষ্ট কৰিছে। আমিয়েলে সমগ্র ব্রাহ্মাণ্ডৰ সত্তাত নিজৰ ৰূপ দেখিছিল। এই সন্দর্ভত কাকতিয়ে দেৱীসূক্তৰ প্রসিদ্ধা মহিলা কবি বাক্‌দেৱীৰ শ্লোকসমূহ অনুবাদ কৰি বিশ্লেষণ কৰাত তুলনামূলক সাহিত্যৰ আন এটি দিশ উন্মোচিত হৈছে। 'বেজবৰুৱা' নামৰ প্রবন্ধটোত অসমীয়া গদ্য-সাহিত্যৰ ক্ষেত্রত বেজবৰুৱাৰ কেন্দ্রীয়তা (Centrality) সুন্দৰভাৱে নিৰূপণ কৰা হৈছে। জনছনে এডিচনৰ বিষয়ে কৰা উক্তি এটাক ভেঁজা দি কাকতিয়ে দৃঢ় মত পোষণ কৰিছে— "বেজবৰুৱাৰ ৰচনা পদ্ধতিৰ ওপৰত বিশেষ মন নিদিয়াকৈ অসমীয়া লিখিবলৈ যোৱাটো ভাষাৰ প্রতি অবিচাৰ কৰা।" জাগ্রত স্বদেশানুৰাগ, অপূর্ব ৰচনা পদ্ধতি আৰু প্রকৃত হাস্যৰস এই তিনিটা প্রধান দিশ বিশ্লেষণ কৰি প্রবন্ধটোত বেজবৰুৱাৰ সামগ্রিক মহত্ত্ব নির্ণয় কৰা হৈছে।

- **সূর্য্য কুমাৰ ভূঞা ঃ** কটন কলেজৰ অধ্যাপক, পিছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচার্য আৰু অসমৰ শিক্ষাধিকাৰ পদৰ পৰা অৱসৰ লয়। তেওঁৰ প্রচেষ্টাত অসম বুৰঞ্জী আৰু

পূৰাতত্ত্ব বিভাগ প্ৰতিষ্ঠা হয়। অধ্যয়নশীল ভূঞাৰ অসমীয়া, ইংৰাজী ভাষাত ৰচনা কৰা আৰু সম্পাদনা কৰা গ্ৰন্থ অধিক। *গোপাল কৃষ্ণ গোখলে, ৰবীন্দ্ৰনাথ ঠাকুৰ, আনন্দৰাম বৰুৱা, চানেকী, অসম জীয়ৰী* আদি জীৱন চৰিতমূলক। *কোঁৱৰ বিদ্ৰোহ, বুৰঞ্জীৰ বাণী, ৰমণী গাভৰু, বুৰঞ্জীমূলক প্ৰবন্ধাৱলীৰ তালিকা, মীৰজুমলাৰ অসম আক্ৰমণ, ৰাজেশ্বৰ সিংহ, লাচিত বৰফুকন* আদি ঐতিহাসিক গ্ৰন্থ। *নিৰ্মালি* কবিতা পুথিৰ কবিতাসমূহত প্ৰেম আৰু স্বদেশ প্ৰীতিৰ দুটা বিভিন্ন সুৰ ধ্বনিত হৈছে। 'আপোন সুৰ' নামৰ কবিতাটি গাম্ভীৰ্য, মহত্ত্ব আৰু সন্ধানী দৃষ্টিৰ মনোৰম প্ৰকাশ। *পঞ্চমী* পাঁচোটা চুটিগল্পৰ সমষ্টি। গল্পসমূহত বিভিন্ন ব্যক্তিৰ বিভিন্ন মানসিকতাৰ মাজত দ্বন্দ্ব সফলতাৰেপ্ৰকাশ কৰিছে। নৰ-নাৰীৰ প্ৰেমৰ গভীৰতাও তেওঁৰ গল্পৰ মূল উপজীব্য। বুৰঞ্জী আৰু পূৰাতত্ত্ব বিভাগৰ পৰা প্ৰকাশ পোৱা সকলোবোৰ বুৰঞ্জীয়েই তেওঁ সম্পাদনা কৰে। তেওঁৰ ইংৰাজী গ্ৰন্থৰ ভিতৰত *Anglo Assamese Relation*, *Aton Buragohain and His Times*, *Lachit Barphukan and His Times*, *An Assamese Nur-Jahan*, *Studies in the Literatures of Assam* উল্লেখযোগ্য। এই গ্ৰন্থসমূহত অসমৰ ইতিহাস আৰু সমাজৰ বৰ্ণনা কৰা হৈছে। কবিতা আৰু জীৱনীসমূহতকৈ বুৰঞ্জীমূলক ৰচনাসমূহে ঐতিহাসিক নিৰপেক্ষতা, বৰ্ণনাপ্ৰিয়তা, মননশীলতা আৰু নিৰ্বাচনী শক্তিৰ পৰিচয় পোৱা যায়। মধ্যযুগীয়া কাৰ্যকলাপ, ধৰ্ম, সমাজ আৰু সংস্কৃতিৰ পৰিচয় ৰচনাৱলীসমূহৰ মাজত পোৱা যায়।

- **বেণুধৰ শৰ্মা ঃ** আৱাহন যুগৰ এগৰাকী শিশু সাহিত্যিক, জীৱনী সাহিত্যিক আৰু প্ৰবন্ধকাৰ। শিশু উপযোগী গ্ৰন্থ *ৰবিনচন ক্ৰুচ আৰু ৰাংপতা*; তেওঁৰ জীৱনীমূলক গ্ৰন্থ *জৱাহৰলালৰ জীৱনী, গঙ্গাগোবিন্দ ফুকন, মণিৰাম দেৱান, গোবিন্দ বেজবৰুৱা*; ঐতিহাসিক প্ৰবন্ধ *দূৰবীণ, সাতাৱনছাল, কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত, অৰ্ঘ্যাৱলী* আদি উল্লেখযোগ্য প্ৰবন্ধাৱলী। *মণিৰাম দেৱান* আৰু *কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত* স্বাধীনতা আন্দোলনৰ কাৰ্যত অংশ লোৱা মণিৰাম আৰু মনাই, ধনাইৰ ব্যক্তিত্ব আৰু কাৰ্য, চৰিত্ৰ অতি সুন্দৰ ৰূপত প্ৰকাশ পাইছে। *দক্ষিণপাট সত্ৰৰ বুৰঞ্জী* প্ৰাচীন ঐতিহ্যপূৰ্ণ সত্ৰৰ ইতিহাসেই নহয়; ইয়াত অসমৰ সাংস্কৃতিক ইতিহাসৰ সমল পোৱা যায়। শৰ্মাৰ প্ৰবন্ধাৱলীত জয়মতী আখ্যানৰ সত্যাসত্য, বদন বৰফুকনৰ দেশদ্ৰোহিতাৰ প্ৰকৃত স্বৰূপ, দায়িত্ব নিৰ্ধাৰণ, অসমীয়া কটকীৰ বুদ্ধিমত্তা আৰু কৌশল আদি তথ্যবহুল ঐতিহাসিক প্ৰবন্ধবোৰে ইতিহাসৰ ঘটনাসমূহৰ পুনৰীক্ষণ কৰিবলৈ সমল যোগাইছে। এই প্ৰবন্ধবোৰ ঐতিহাসিক তথ্যানুসন্ধিৎসা আৰু ভাবাদৰ্শৰ সমন্বয় বুলিব পাৰি। শৰ্মাৰ বলিষ্ঠ ৰচনাভঙ্গী, জতুৱা ঠাঁচ আৰু ওজঃগুণবিশিষ্ট গদ্যৰ যোগেদি ঐতিহাসিক বিৱৰণেও সাহিত্যৰ মৰ্যাদা লাভ কৰিছে। বুৰঞ্জীৰ শুকান হাড়-ছালত মৃতসঞ্জীৱনী ছটিয়াই সজীৱ আৰু স্পন্দনপূৰ্ণ কৰিব পৰা শক্তি গদ্যভঙ্গীৰ বৈশিষ্ট্য।
- **নকুল চন্দ্ৰ ভূঞা ঃ** অসমীয়া সাহিত্যৰ এগৰাকী আদৰ্শবাদী গল্পকাৰ আৰু নাট্যকাৰ ৰূপে পৰিচিত। প্ৰাচীন ঘৰচাৰিঙত। *বাৰভূঞাৰ বুৰঞ্জী, জোনাৱলী, গল্পৰ শৰাই, ৰাধাকান্ত*

সন্দিকৈ ডাঙৰীয়া, চোৰাংচোৰাৰ চ'ৰা আদি তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ। চাহ বাগিচাৰ সাংস্কৃতিক পৰিৱেশহীন কঠোৰ জীৱনৰ মাজতো সুৰুঙা উলিয়াই সাহিত্য সেৱা কৰাই আছিল তেওঁৰ জীৱনৰ প্ৰধান আদৰ্শ। তেওঁৰ গল্পবোৰ গাঁৱলীয়া জীৱন আৰু চৰিত্ৰৰ ভেটিত ৰচনা কৰা কাহিনী প্ৰধান গল্প। অসমীয়া সমাজৰ পুৰণি, জীপাল ৰূপটোৰ মোহাবিষ্টতাৰ ছাপ আছে যদিও তেওঁ পৰিৱৰ্তিত সমাজৰ সমস্যাসমূহৰ প্ৰতিও সচেতন। 'গাভৰুৰ বাছনি' ভূঞাৰ এটা দিক্‌নিৰ্ণয়কাৰী গল্প। তাত মুকলিমূৰীয়া গাভৰু এগৰাকীৰ সাহসিকতাৰ পৰিচয় পোৱা যায়। তেওঁৰ বিহুগীতৰ সংগ্ৰহ *বহাগী* লোকসাহিত্যৰ ভঁৰাললৈ এটি উল্লেখযোগ্য অৱদান। ভূঞা নাট্যকাৰ ৰূপেহে সৰ্বজনবিদিত। *বদন বৰফুকন, চন্দ্ৰকান্ত সিংহ* নাটক দুখনত মানৰ আক্ৰমণ আৰু বেলিমাৰৰ কৰুণ ঘটনা, *বিদ্ৰোহী মৰাণত* মোৱামৰীয়া বিদ্ৰোহৰ বুৰঞ্জী সহানুভূতি আৰু *নুমলী কুঁৱৰী* বুৰঞ্জীৰ এটি নাৰী চৰিত্ৰক কেন্দ্ৰ কৰি ৰচিত হৈছে যদিও যথেষ্ট স্বকীয় সৃষ্টি হোৱা দেখা যায়। মুঠতে আহোম ৰাজত্বৰ শেষছোৱা কালৰ ৰাজনৈতিক ধুমুহাৰ চিত্ৰ তেওঁ নাটককেইখনত অঙ্কন কৰিছে। ভূঞাৰ নাটককেইখনৰ প্ৰধান বিষয়বস্তু ইতিহাসৰ পৰা আঁতৰি যোৱা নাই। চৰিত্ৰসমূহ উজ্জ্বল কৰিবৰ কাৰণে পৰিৱেশ আৰু পৰিস্থিতি ৰচনাতহে স্বকীয় কল্পনা প্ৰয়োগ কৰিছে। ঐতিহাসিক ঘটনাৰ ভয়াৱহতাৰ অন্তৰালত প্ৰেমৰ লীলা খেলাৰ চিত্ৰ আঁকি কোমল ভাবৰ সঞ্চাৰ কৰিছে। তেওঁৰ নাটককেইখন দুখাত্মক, কিন্তু ট্ৰেজেডিৰ বৈশিষ্ট্য আৰু গাম্ভীৰ্য গভীৰভাৱে পৰিস্ফুট হোৱা নাই।

- **লক্ষ্মীনাথ ফুকন ঃ** লক্ষ্মীনাথ ফুকন আৰাহন যুগৰ এগৰাকী বিশিষ্ট গল্পলেখক ৰূপে পৰিচিত। *মালা, ওফাইদাং, মৰমৰ মাধুৰী, আনন্দে নধৰে হিয়া* গল্পপুথি। *মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ, পুৱতী নিশাৰ সপোন* উপন্যাস। *সোণালী সপোন* একমাত্ৰ কবিতা পুথি।

ফুকনৰ মধ্যবিত্ত শ্ৰেণীৰ জীৱনৰ সুখ-দুখৰ চিত্ৰ, ব্যঙ্গ আৰু কৰুণ ৰসসিক্ত হাস্যৰসৰ যোগেদি চিত্ৰিত কৰিছে। *ওফাইদাংৰ* গল্পসমূহত ব্যঙ্গাত্মক চৰিত্ৰ চিত্ৰণ, উৎকেন্দ্ৰিক আচৰণ আৰু সামাজিক ভণ্ডামিৰ লগত অনেক ঠাইত কাৰুণ্যৰ ভাবনাই ঘটোৱা এক মিশ্ৰিত হাস্যকৰুণ ৰসৰ সৃষ্টি কৰিছে। 'মেধি' ফুকনৰ এটি সুখপাঠ্য গল্প। সত্ৰৰ মেধিৰ বাব খোৱা সৰলচিতীয়া মানুহৰ হৃদয়ৰ কোমলতা, স্বভাৱৰ সৰলতা আৰু আপোনভোলা চৰিত্ৰই গল্পটোৰ বিষয়বস্তু। 'টাইপিষ্টৰ জীৱন' গল্পটোত মাণিক শইকীয়া নামৰ এজন বয়সীয়া টাইপিষ্টৰ কৰ্মনিষ্ঠা আৰু সততা, তাৰ বিপৰীতে কামত ফাকি দিয়া সততাহীন কেৰেণীৰ শ্ৰেণী চৰিত্ৰ আৰু মানৱীয় হৃদয়হীন ব্যক্তিকেন্দ্ৰিক মেনেজাৰৰ দৰে চৰিত্ৰই নিৰ্মাণ কৰা এখন কলুষিত সমাজৰ চিত্ৰই এই গল্পটোৰ বিষয়বস্তু। গল্পটোত সমাজ ব্যৱস্থাৰ তীব্ৰ ব্যঙ্গ আৰু বৰ্তমান সমাজৰ আন্তঃসাৰশূন্য বিত্তৱান শ্ৰেণীটোৰ ভণ্ডামিক তীব্ৰ ভাষাৰে ব্যঙ্গ কৰা হৈছে। তেওঁৰ উপন্যাস *মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ* আৰু *পুৱতী নিশাৰ সপোনত* সমাজৰ এক বাস্তৱিক চিত্ৰ ফুটাই তুলিছে। *সোণালী সপোন* কবিতা পুথিৰ কবিতাসমূহৰ মাজেদি ৰোমাণ্টিক ভাবাদৰ্শ আৰু অনুভূতিৰ তীব্ৰতা প্ৰকাশ পাইছে।

সমাজৰ বাস্তৱ সমস্যা আৰু ব্যক্তি জীৱনৰ দুখ-যন্ত্ৰণা, হতাশা, নিৰাশা আদিক বাস্তৱ ৰূপত ভাষাৰ সাৱলীলতা আৰু বৰ্ণনাৰ চাতুৰ্যৰ বাবে ৰচনাসমূহ সংবেদনশীল হৈ উঠিছে।

- **কৃষ্ণকান্ত সন্দিকৈ ঃ** আৱাহন যুগৰ খ্যাতনাম সাহিত্যিক আৰু বহুমুখী প্ৰতিভাৰ গৰাকী কৃষ্ণকান্ত সন্দিকৈ। কটন কলেজৰ শিক্ষা গ্ৰহণ কৰি ক্ৰমে কলিকতা সংস্কৃত কলেজ আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰে। পিছলৈ তেওঁ ওৱেণ্টিৱেল বিশ্ববিদ্যালয়, পেৰিছ বিশ্ববিদ্যালয়, বাৰ্লিন বিশ্ববিদ্যালয়ত ইউৰোপৰ ভাষাসমূহৰ বিষয়ে অধ্যয়ন কৰি খ্যাতি অৰ্জন কৰে। ইউৰোপৰ ভাষাসমূহৰ ভিতৰত আঠটা ভাষা আৰু পাঁচটা ভাৰতীয় ভাষাত পাণ্ডিত্য অৰ্জন কৰিছিল। ১৯৩৭ চনত অসম সাহিত্য সভাৰ সভাপতি পদ লাভ কৰে। ১৯৪৮ চনত স্থাপিত হোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী উপাচাৰ্য পদত অধিষ্ঠিত হয়। ১৯৫৫ চনত ভাৰত চৰকাৰৰ পৰা 'পদ্মশ্ৰী বঁটা' আৰু ১৯৬৭ চনত 'পদ্মভূষণ বঁটা' লাভ কৰে। তেওঁ সংস্কৃত ভাষা-সাহিত্য তথা অসমীয়াত অনেক তত্ত্বগধুৰ প্ৰবন্ধৰ প্ৰবন্ধকাৰো।

  কৃষ্ণকান্ত সন্দিকৈয়ে আৱাহন যুগতে এক গঠনমূলক ভূমিকাৰে সমালোচক হিচাপে সাহিত্য জগততে অৱতীৰ্ণ হয়।অসমীয়া সাহিত্যৰ পয়ালগা অৱস্থাৰ বাবে অনুবাদ সাহিত্যৰ অভাৱেই জগৰীয়া, এই মত দৃঢ়ভাৱে পোষণ কৰিছিল। সন্দিকৈয়ে অসমীয়া সাহিত্যৰ নৱজাগৰণৰ সপোন দেখিছিল। *আৱাহনত* সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত তেওঁ অনুবাদ সাহিত্যৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰিছিল। তেওঁ ইউৰোপীয় ক্লাছিকসমূহ বিশ্লেষণ কৰিছিল আৰু তাৰ পোহৰত অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি হ'ব বুলি মত পোষণ কৰিছিল। তেওঁ স্পেনিছ ভাষাৰ *ৰোমিও-জুলিয়েট* হিচাপে জনাজাত হুৱান হাৰ্টজচেন বুশ্বৰ *Los Amantes de Teruiel* নামৰ নাটকখনৰ লগত *ৰোমিঅ' এণ্ড জুলিয়েট* নাটকখনৰ তুলনা কৰি গভীৰ বিশ্লেষণ দাঙি ধৰিছে। তেওঁ অসমীয়া ধ্ৰুপদী গদ্যৰ এগৰাকী শ্ৰেষ্ঠ ৰীতিকাৰ। সন্দিকৈৰ পাঠ সমীক্ষা অধ্যয়নৰ উল্লেখযোগ্য বৰঙণি হ'ল— 'নৈষধ চৰিত, সেতুবন্ধৰ টীকাসমূহ আৰু সেইবোৰৰ শ্ৰেণী বিভাজন'। ভাৰতীয় পাঠ সমীক্ষা অধ্যয়নৰ ক্ষেত্ৰত তেওঁৰ পাঠ সমীক্ষা অতিশয় উপযোগী হিচাপে বিবেচিত হৈ আছে।

- **ডিম্বেশ্বৰ নেওগ ঃ** আৱাহন যুগৰ লেখক ডিম্বেশ্বৰ নেওগ কলেজীয়া অৱস্থাৰ পৰাই কবিতা, প্ৰবন্ধ আদি লিখিবলৈ লয়। ছাত্ৰ সন্মিলনৰ মুখপত্ৰ *মিলন*আৰু *সাহিত্য পত্ৰিকা*ৰ সম্পাদক হয়। তেওঁ একাধাৰে কবি, নিৰ্ভীক সমালোচক আৰু গৱেষক। *আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী, অসমীয়া সাহিত্যৰ বুৰঞ্জীত এভূমুকি, অসমীয়া সাহিত্যৰ সংক্ষিপ্ত বুৰঞ্জী, অসমীয়া সাহিত্যৰ বুৰঞ্জী*আদিত অসমীয়া ভাষা আৰু সাহিত্যৰ বিকাশৰ বিষয়ে আলোচনা কৰিছে। *বৈষ্ণৱ ধৰ্মৰ আঁতিগুৰি, বৈষ্ণৱ ধৰ্মৰ ক্ৰমবিস্তাৰ, প্ৰাক্-ঐতিহাসিক অসমত* প্ৰাচীন অসমৰ সংস্কৃতি সম্পৰ্কে আলোচনা কৰা হৈছে। *মালিকা, থুপিতৰা, মালিতা, ইন্দ্ৰধনু, মুকুতা, শ্বহীদ কাৰবালা, অসমা, থাপনা*আদি কবিতা পুথি।

আকুল পথিক, *ভোগজৰা* লোকগীত সংগ্রহ পুথি আৰু *কাব্য প্রতিভা* আধুনিক কবিতাৰ সঞ্চয়ন। নেওগৰ কবিতাৰ মাজেৰে উচ্চ কল্পনা, ভাবৰ গাম্ভীর্য আৰু প্রকাশভঙ্গীৰ সৌষ্ঠৱ অবিস্মৰণীয়। 'শাপমুক্তা', 'স্বর্গপুৰী', 'মোৰ গাঁও' আদি কবিতাৰ শব্দচয়ন, বর্ণনাৰ ঔচিত্য, উপমাদিৰ সার্থকতা, ভাবাৱেগৰ আন্তৰিকতা আৰু ছন্দৰ সৰল সাৱলীলতাৰ দ্বাৰা মহিমামণ্ডিত হৈছে। তেওঁৰ কবিতাত স্বদেশ প্রেমৰ উদ্দাম গতি আৰু সবল আশাবাদ আছে।

- **চন্দ্রপ্রভা শইকীয়ানী ঃ** চন্দ্রপ্রভা শইকীয়ানী আৰাহন যুগৰ লেখিকাসকলৰ ভিতৰত সর্বাধিক উল্লেখযোগ্য। কামৰূপৰ দৈছিংগাৰিত জন্ম হৈছিল। শইকীয়ানী এগৰাকী সমাজ সংস্কাৰক, লেখিকা আৰু স্বাধীনতা সংগ্রামী নেত্রী আছিল। তেওঁ নগাঁও প্রাইমাৰী বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰে আৰু পিছলৈ তেজপুৰ ছোৱালী বিদ্যালয়ত প্রধান শিক্ষয়িত্রী পদত অধিস্থিত হৈছিল। তেওঁ সদৌ অসম প্রদেশ মহিলা সমিতিৰ সভানেত্রী আছিল। ১৯৭২ চনত ভাৰত চৰকাৰৰ পৰা পদ্মশ্রী উপাধি লাভ কৰে। শিক্ষা গ্রহণ কালতে *বাঁহী* আলোচনীত গল্প লিখিবলৈ আৰম্ভ কৰে যদিও আৰাহন যুগতহে লেখিকা ৰূপে প্রতিষ্ঠিত হয়। তেওঁৰ উল্লেখযোগ্য উপন্যাস *পিতৃ ভিঠা*, অন্যান্য ৰচনা *চিপাহী বিদ্রোহত*, *দিল্লীৰ সিংহাসন* আদি।

  চন্দ্রপ্রভা শইকীয়ানীৰ জীৱনত মেৰি উল্ষ্টন ক্রাফ্ট আৰু জর্জ বেণ্ডৰ দৰে মহীয়সী নাৰীৰ সম্ভাৱনা লুকাই আছিল যদিও তেওঁৰ সমাজত অনগ্রসৰতা আৰু সামগ্রিক পৰিৱেশ এনে পৰিণতিৰ অনুকূল নাছিল। চিন্তাশীল গদ্যৰ ৰচনাৰে তেওঁ নাৰীমুক্তি আন্দোলনৰ অগদূত আছিল। *আৰাহনৰ* প্রথম বছৰত প্রকাশ পোৱা কছাৰী মহিলা সভাৰ সভাপতিৰ আসনৰ পৰা দিয়া অভিভাষণ অসমৰ জনজাতিভিত্তিক সমাজৰ বিশ্লেষণেৰে ভৰা এক প্রামাণ্য দলিল। জনজাতীয়সকলৰ উন্নতিৰ বাবে তেওঁ ভাবি উলিওৱা আঁচনি আজিও প্রাসঙ্গিক হৈ আছে। তেওঁৰ বিশ্লেষণাত্মক গদ্য স্বচ্ছন্দ প্রবাহী। কোনো কোনো প্রবন্ধত তেওঁ ধর্মীয় গ্রন্থৰ পাঠ উদ্ধৃত কৰি নাৰী নির্যাতনৰ বিৰুদ্ধে যুক্তি-তর্কৰ অৱতাৰণা কৰিছিল। আৰাহনত তেওঁ সময়োপযোগী গল্পও লিখে। তেওঁৰ 'দৈৱজ্ঞ দুহিতা' গল্পটো শিথিলবন্ধী হ'লেও তীব্র সমাজ চেতনাৰ পোহৰত উজ্জ্বল। তাত আপাতদৃষ্টিত 'পতিতা' আৰু 'বিদ্রোহিনী নাৰী'য়ে সমাজৰ অবিচাৰৰ বিৰুদ্ধে কৰা সংগ্রামৰ মর্মন্তুদ ছবি অঙ্কিত হৈছে। গল্পটোত উপলব্ধিত গাঢ়তাৰ চাপ পৰিলক্ষিত হৈছে। পুৰুষকেন্দ্রীক সমাজ ব্যৱস্থাত শিক্ষিতা সমাজ সচেতন নাৰীৰ আবির্ভাৱে সৃষ্টি কৰা সংঘাতক ভিত্তি কৰি তেওঁ *আকুল পথিক* নামৰ এখন চুটি উপন্যাসিকা ৰচনা কৰে। তেওঁ *পিতৃ ভিঠা* উপন্যাস নাৰী মুক্তি বিষয়ক অন্য এক দলিল।
- **হলীৰাম ডেকা ঃ** তেওঁ উচ্চ ন্যায়ালয় মুখ্য ন্যায়ধীশ পদ লাভ কৰা প্রথমজন অসমীয়া। তেওঁ আৰাহন যুগৰ এগৰাকী বিশিষ্ট সাহিত্যিক। তেওঁৰ গল্পপুথি *অলকালৈ চিঠি*, *যতকিঞ্চিৎ*। এইগৰাকী গল্পকাৰে কেইবাটাও ছদ্মনাম লৈছিল— 'বোলাই শর্মা', 'কেৰপাই

শর্মা', 'জ্ঞানানন্দ জগতী', 'হয়বৰ অভয়পুৰীয়া', 'শূলপাণি ফুকন'। সমকালীন সমাজৰ ছবি আৰু সমকালীন সমাজৰ ব্যঙ্গ চিত্র ডেকাৰ গল্পত আছে যদিও তেওঁৰ গল্পৰ আকর্ষণীয় দিশটো হ'ল জীৱনবোধৰ গভীৰতা। মননশীলতা আৰু ব্যক্তিনিষ্ঠতাৰসম্ভেদ তথা নৰ-নাৰীৰ মাজত ঘটা বিচিত্র সম্পর্ক তেওঁৰ গল্পৰ কেন্দ্রীয় সমল।

হলীৰাম ডেকাৰ 'ৰে বড়ে ভাই' গল্পটো ডেকাৰ জীৱনবোধ প্রকাশক এটা শ্রেষ্ঠ গল্প। 'ৰে বড়ে ভাই' গল্পটোৰ বিষয়বস্তু অতি সাধাৰণ। চুলতান নামৰ এজন কণা মানুহৰ এদিনৰ মাত্র কেইঘণ্টামান সময়ৰ দুখলগা অৱস্থাৰ সহৃদয় উপলব্ধিজনিত বর্ণনাই গল্পটোৰ মূল বিষয়বস্তু। 'ৰে বড়ে ভাই' গল্পই সনাতন মানৰীয় অনুভূতি প্রকাশ আৰু তুচ্ছ জীৱনৰ মাজত অনুপম সৌন্দর্য প্রকাশ কৰিছে। আটিল গাঁথনি, সীমিত পৰিসৰত চৰিত্রৰ উজ্জ্বল দিশ প্রকাশ আৰু কৰুণ ৰসানুভূতিৰে পৰিণতিক ৰসপূর্ণ কৰি তুলিব পৰা বাবেই ডেকাৰ গল্পটো আৱাহন যুগৰ গল্পৰ ইতিহাসত শ্রেষ্ঠ গল্প বুলি বিবেচিত হৈছে। 'বিয়াবিভ্রাট' গল্পটোত এটা তীব্র অথচ সংযত হাস্যৰসৰ খলকনি উঠিছে। গল্পটোত দুটিৰাম আৰু অপর্ণাৰ মনৰ ভাব বুজি লৈ দেউতাকে বিয়াৰ সন্মতি প্রদান কৰিছে। 'পর্বতৰ টিঙৰ বঙলাঘৰ' গল্পত স্বামীৰ অনুপস্থিতিত স্খলিত হোৱা নাৰী এগৰাকীৰ কাহিনী বর্ণনা কৰা হৈছে। তেওঁৰ গল্পৰীতিত অগতানুগতিকতা আৰু নতুনত্ব আছে। হাস্যৰসৰ পাতল আৱৰণ এটাও গল্পত দেখা যায়। মনঃসমীক্ষাত্মক বিশ্লেষণ মনিব নোৱাৰাকৈ তেওঁৰ গল্পত লুকাই আছে, আনকি চেতনাস্রোতৰ ভাৱাদর্শৰ দ্বাৰা জীৱনক বিশ্লেষণ কৰাৰ পদ্ধতিও অভিনৱ। হলীৰাম ডেকাই *আৱাহনত* 'চিত্রসেন যখৰীয়া' ছদ্মনামত কেবাটাও ব্যঙ্গ আক্রমণাত্মক প্রবন্ধ লিখিছিল।

- **দৈৱচন্দ্র তালুকদাৰ ঃ** আৱাহন যুগৰ এগৰাকী অন্যতম লেখক। তেওঁৰ কবিতা, নাটক আৰু আলোচনামূলক ৰচনাই অসমীয়া সাহিত্য জগতত তেওঁক স্মৰণীয় কৰি ৰাখিছে। তেওঁৰ *প্রম-পট, কুঁহিমালা, সৌন্দর্য* খণ্ড কবিতাপুথি সৰল কবিত্বৰ পৰিচয়। তেওঁৰ *বামুণী কোঁৱৰ, অসম প্রতিভা, ভাস্কৰ বর্মা, ৰাধা-ৰুক্মিণী* বুৰঞ্জীমূলক নাটক। *বিপ্লৱী, চন্দ্রকলা, লহঙা* সামাজিক নাটক। *ধুঁৱলী-কুঁৱলী, অপূর্ণ, আগ্নেয়গিৰি, বিদ্রোহী, আদর্শপীঠ* দুনীয়া আদি উপন্যাস।

দৈৱচন্দ্র তালুকদাৰৰ 'প্রম-পট' আৰু 'কুঁহিমালা' কবিতাসমূহ বেলাডৰ ঠাঁচত ৰচিত। গাঁৱলীয়া জীৱনৰ প্রেমৰ কৰুণ চিত্র প্রকাশ কৰা হৈছে। 'সৌন্দর্য'ত পুৱাৰ পৰা দুপৰীয়ালৈকে দিনটোৰ পৰিৱর্তনশীল বৈচিত্রময় সৌন্দর্যৰ ৰূপ বর্ণনা কৰিছে। ভাবৰ গাম্ভীর্য নাই যদিও বর্ণনাভঙ্গী আৰু বিষয়বস্তুৰ সৰলতাই তেওঁৰ কবিতাৰ বিশেষত্ব। *বামুণী কোঁৱৰ*নাটক বামুণী কোঁৱৰৰ জন্মবৃত্তান্ত লৈ ৰচিত। সপত্নী বিদ্বেষ আৰু প্রতিশোধ প্রবৃত্তি চৰিতার্থ নাটকখনৰ প্রধান উপজীব্য। ঐতিহাসিক নৃশংস প্রতিশোধমূলক ঘটনাৰ লগত চহা জীৱনৰ সৰল প্রেমৰ একনিষ্ঠতা বর্ণনা কৰিছে। *ভাস্কৰ বর্মা* নাটকত সপ্তম শতিকাত কামৰূপৰ ৰজা ভাস্কৰ বর্মাৰ লগত হর্ষবর্ধনৰ সম্পর্ক আৰু কর্ণসুবর্ণৰ ৰজা

শশাঙ্কৰ লগত সংঘর্ষৰ কাহিনী পোৱা যায়। *অসম প্রতিভা* নাটকত ৰজা নৰনাৰায়ণ আৰু মহাপুৰুষ শঙ্কৰ-মাধৱৰ কার্যকলাপ আৰু প্রতিভা ৰূপায়ণ কৰিবলৈ চেষ্টা কৰিছে। *বিপ্লৱীত* জমিদাৰ খেতিয়কৰ সংঘর্ষৰ মাজেদি আদর্শবাদী প্রেমিক-প্রেমিকাৰ মিলন আৰু *লহঙাত* ব্রাহ্মণ যুৱক আৰু ধুবুনী ছোৱালীৰ প্রেমৰ যোগেদি বর্ণভেদ আৰু অস্পৃশ্যতাৰ ফলাফল দেখুৱাই সমাজ সংস্কাৰৰ মনোভাৱ দাঙি ধৰিছে।

আৰাহন যুগৰ লেখক তালুকদাৰৰ উপন্যাসসমূহত আদর্শবাদৰ প্রচাৰ আৰু সমাজ সংস্কাৰৰ মনোভাৱ অতি প্রবলভাৱে প্রকাশ পাইছে। উপন্যাসত প্রধান চৰিত্রসমূহক আদর্শৰ প্রতীক ৰূপে চিত্রিত কৰিছে। লেখকৰ আদর্শবাদৰ প্রতিভূ স্বৰূপ স্ত্রীশিক্ষাৰ প্রৱর্তন, বিধৱাৰ সমস্যা, কুটিৰ শিল্পৰ প্রচলন, শাৰীৰিক পৰিশ্রমৰ মর্যাদা, পাশ্চাত্য বিজ্ঞান আৰু প্রাচ্য আধ্যাত্মিকতাৰ লগত সমন্বয় সাধন, সামাজিক সংস্কাৰ সাধন আদি সমস্যাই উপন্যাসসমূহত জুমুৰি দি ধৰিছে।

- **অতুল চন্দ্র হাজৰিকা ঃ** অতুল চন্দ্র হাজৰিকাই কলেজিয়েট বিদ্যালয়, কটন কলেজ, আর্ল কলেজত শিক্ষা গ্রহণ কৰি কটন কলেজৰ পৰা অৱসৰ গ্রহণ কৰে। তেওঁ 'চিত্র দাস' নাম লৈ কবিতা ৰচনা কৰিছিল। হাজৰিকা কবি, নাট্যকাৰ, বুৰঞ্জী লেখক আৰু শিশু গল্প লেখক। *দীপালী, তপোবন, মুকুতামালা, মণিমালা, পাঞ্চজন্য, মাণিকী মাধুৰী* আৰু *ৰণুক-জনুক* খণ্ড কবিতাৰ পুথি। আৰাহন যুগৰ উল্লেখযোগ্য নাট্যকাৰ হাজৰিকাৰ নাটকসমূহ চাৰিটা শ্রেণীত ভাগ কৰি আলোচনা কৰিব পাৰি— (ক) পৌৰাণিক (খ) বুৰঞ্জীমূলক (গ) বিবিধ বিষয়ক আৰু (ঘ) অনুবাদমূলক। *নৰকাসুৰ, নন্দ-দুলাল, কুৰুক্ষেত্র, ৰুক্মিণী হৰণ, শ্রীৰামচন্দ্র, সাৱিত্রী, চম্পাৱতী, বেউলা, নির্যাতিতা, সীতা, দময়ন্তী* আদি পৌৰাণিক নাটক। এই শ্রেণীৰ নাটকৰ প্রকাশৰ মাধ্যম অমিত্রাক্ষৰ ছন্দ। পৌৰাণিক কাহিনী বন্ধন আৰু চৰিত্রগত বৈশিষ্ট্যৰ পৰা আঁতৰি নগৈ য'ত সুবিধা পাইছে স্বকীয়তা আৰোপ কৰি অসমীয়া পৰিৱেশ দিবলৈ যত্ন কৰিছে। *কনৌজ কুঁৱৰী, ছত্রপতি শিৱাজী, টিকেন্দ্রজিৎ, পানীপথ, আহুতি* আদি বুৰঞ্জীমূলক। এই নাটককেইখনৰ সংলাপৰ মাধ্যম গদ্য। শ্বেক্সপীয়েৰৰ *Merchant of Venice* আৰু *King Lear* *বণিজ কোঁৱৰ* আৰু *অশ্রুতীর্থ* নাম দি অনুবাদ কৰে। *শকুন্তলা* নাটক কালিদাসৰ *অভিজ্ঞান-শকুন্তলম*ৰ অসমীয়া ভাঙনি। *মর্জিয়ানা, মানস প্রতিমা* আৰু *ৰংমহল* বিবিধ বিষয়মূলক নাটক। হাজৰিকাৰ বুৰঞ্জীমূলক নাটকসমূহৰ ঠায়েঠায়ে অসঙ্গতভাৱে আধুনিকতাই প্রৱেশ লাভ কৰিছে। নাটকসমূহ বহির্সংঘাত প্রধান, নাটকৰ গভীৰ অন্তর্মুখিতা নাই। গীতৰ বাহুল্য আৰু স্বদেশ প্রীতিৰ উচ্ছ্বাস নাটকবোৰৰ উল্লেখযোগ্য বৈশিষ্ট্য।

হাজৰিকাৰ কবিতাৰ জগতখনলৈ অৱদান যথেষ্ট। *মণিমালা* চতুর্দশপদী কবিতাৰ আৰু *মুকুতামালা* অষ্টপদী কবিতাৰ সমষ্টি। শেহতীয়া কবিতাৰ সংগ্রহ *সন্ধ্যাৰ আৰতি* আঠুৰ কুৰি কবিতাৰ সমষ্টি। কবি হিচাপে তেওঁ সূক্ষ্ম, অন্তর্স্পর্শী কল্পনাৰ অধিকাৰী নহয়, তেওঁৰ বর্ণনা প্রতিভা আছে কিন্তু গভীৰ জীৱন-জিজ্ঞাসা, অন্তৰসঞ্চাৰী কল্পচিত্র

আৰু অভিনয় আলোকসম্পাতী দৃষ্টিৰ বিশেষ পৰিচয় পোৱা নাযায়। কিন্তু জীৱনৰ সৰু ঘটনা, প্ৰাকৃতিক শোভা আৰু পৰিস্থিতিক বহুতো কবিতাত সৰল বৰ্ণনাৰে আকৰ্ষণীয় কৰি তুলিছে।স্বদেশ প্ৰেম, মাতৃভূমি আৰু মাতৃভাষাৰ প্ৰতি একনিষ্ঠ ভক্তি তেওঁৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য। তেওঁৰ কবিতাৰ বিষয়বস্তুৰ বৈবিধ্য আছে, কিন্তু সকলো কবিতাই সমান সংবেদনশীল বা অন্তস্পৰ্শী হোৱা নাই। সৰহ সংখ্যক কবিতাত ভাবাৱেগৰ আন্তৰিকতা আৰু কল্পনাৰ মহত্ত্ব পোৱা নাযায়। ইয়াৰ বিপৰীতে 'দেৱদাসী', 'সোণৰ হৰিণা', 'বালিচৰ' আদি কবিতা প্ৰকৃত কাব্যিক সৌন্দৰ্যৰে ভৰপূৰ। *কথা দশম, কথা-কীৰ্ত্তন, দিগ্বিজয়ী, ল'ৰাৰ জাতক, ইছপৰ সাধু, গ্ৰীচৰ সাধু* আদি শিশু সাহিত্য। ভাষা জননীৰ প্ৰতি সেৱা-ভক্তিয়েই তেওঁৰ সাহিত্য ৰচনাৰ মূল প্ৰেৰণা।

- **পাৰ্বতিপ্ৰসাদ বৰুৱা ঃ** আৱাহন যুগৰ ভগা টোকাৰীত লুইপৰীয়া সুৰৰ গুঞ্জন তোলা পাৰ্বতিপ্ৰসাদ বৰুৱা প্ৰধানকৈ গীতিকাৰ। গীতৰ উপৰিও তেওঁ কবিতা আৰু নৃত্যনাটিকাও ৰচনা কৰিছিল। গীতৰ ঝঙ্কাৰ তোলা এইগৰাকী গীতিকাৰৰ অনুপ্ৰেৰণাৰ স্থল ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু ইংৰাজ ৰোমাণ্টিক কবি। *সোণৰ সোলেং, ভঙা টোকাৰিৰ সুৰ, গুণ-গুণনি, লুইতী, শুকুলা ডাৰৰ আৰু কঁহুৱা ফুল* আদি নৃত্যনাটিকা, গীত আৰু কবিতাৰ সঙ্কলন।

  আৱাহনৰ প্ৰথম বছৰতে পাৰ্বতিপ্ৰসাদ বৰুৱাৰ নৃত্যনাটিকা 'সোণৰ সোলেং' ধাৰাবাহিকভাৱে প্ৰকাশ পাইছিল। *সোণৰ সোলেং* নাটত মানৱৰ সুখ আৰু আনন্দৰ অন্বেষণক ৰূপকৰসহায়ত ব্যক্ত কৰিছে।সুখ অন্তৰৰ বস্তু,বাহিৰত বিচাৰিলে তাক পোৱা নাযায়। মৰিছমেটাৰলিঙ্কৰ 'ব্লু-বার্ড'ৰ দৰে অথবা ৰবীন্দ্ৰনাথৰ ক্ষেপাই পৰশ পাথৰ বিচাৰৰ দৰে 'সোণৰ সোলেং' বিচৰা বৰাগীয়ে অন্তৰতে সোণৰ সোলেঙৰ উপস্থিতি উপলব্ধি কৰিছে। বৰুৱাৰ গীত আৰু কবিতাবোৰত জগতৰ ৰূপ-ৰস, গন্ধ-স্পৰ্শ শব্দৰ ইন্দ্ৰিয়ানুগ্ৰাহ্য সৌন্দৰ্য এটি তৰল লাস্যময় ৰূপত ধৰা দিছে। জাগতিক সৌন্দৰ্য পোহাৰৰ অন্তৰালত এজন অদৃশ্য যাদুকৰৰ ৰূপকাঠীৰ পৰশ কবিয়ে অনুভৱ কৰিছে। সেইবাবে কেতিয়াবা কেতিয়াবা এটি ক্ষীণ মিষ্টিক সুৰে বৰুৱাৰ গীতি-কবিতাত মৃদু শিহৰণ তুলি যায়। এইগৰাকী গীতিকাৰ, কবিৰ ক্ষীণ মিষ্টিক সুৰৰ সমান্তৰাল গতিত এটি কৰুণ সুৰ কোনোবা কাহিনী ল'ৰালি কালৰ সুখ সোঁৱৰণীৰ কৰুণ উন্মনাভাৱ অনুভৱ কৰা যায়। শৰতৰ উৰণীয়া শুকুলা ডাৰৰ, শুভ্ৰ শেৱালি আৰু লুইতপৰীয়া চোঁৱৰধাৰী কঁহুৱাই বৰুৱাক উন্মনা কৰি তুলিছিল।শৰতৰ শুভ্ৰতা আৰু কোমলতা তেওঁৰ ৰচনাৰাজিৰ প্ৰধান আকৰ্ষণ। শৰতৰ সংযত সৌন্দৰ্যই বৰুৱাৰ ব্যক্তিত্বৰ প্ৰতীক। লুইতৰ প্ৰতি মোহ, লুইতৰ পাৰৰ চিত্ৰৰ সৌন্দৰ্য, নাও বাই যোৱা নাৱৰীয়া,জিৰ্‌জিৰ্‌ বতাহ বলাই দিয়া বুঢ়া আঁহত, উদাসী বীণবৰাগী, লুইতৰ বালিচাপৰি আদিয়ে বৰুৱাৰ গীত আৰু কবিতাত আবেদনশীল হৈ উঠিছে। তেওঁৰ কবিতাত বেদনা আছে, কিন্তু সেই বেদনা সহজভাৱে গ্ৰহণ কৰিব পৰা শক্তিও প্ৰকাশ পাইছে। পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীত আৰু কবিতাসমূহত লোকগীতৰ ঠাঁচ মন কৰিবলগীয়া বৈশিষ্ট্য। যুক্তধ্বনি ব্যৱহাৰ নকৰাকৈ কোমল, স্নিগ্ধ আৰু সাৱলীল,

শব্দাৱলীৰ প্ৰয়োগৰ দ্বাৰা ৰচনাৰীতি শ্ৰুতিমধুৰ হৈছে। গীত-কবিতাৰ ভাব, ভাষা, শব্দ চয়ন আৰু লয়ৰ এনে এটি সৌকুমার্য আছে, যাক পাঠক সমাজে সহজেই বৰুৱাক বুজিব পাৰে।

- **বিষ্ণুপ্ৰসাদ ৰাভা ঃ** বিষ্ণুপ্ৰসাদ ৰাভা সঙ্গীতজ্ঞ, নৃত্যবিশাৰদ, চিত্ৰকৰ, কবি-নাট্যকাৰ, অভিনেতা আৰু বিপ্লৱী,অসাধাৰণ নৈসৰ্গিক প্ৰতিভাৰ অধিকাৰী আছিল। ৰাভাৰ গীতৰ মাজেৰে অনুৰণিত হয় আধ্যাত্মিকতা আৰু জাতীয়তাবাদী সাম্য ভাবৰ সুৰ। নৃত্যশিল্পী ৰূপে পাৰ্গত আৰু নৃত্যৰ তালে তালে নৃত্য-গীত গোৱা তেৱেঁই একমাত্ৰ ব্যক্তি বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। বিষ্ণুপ্ৰসাদ ৰাভাৰ ভালেমান জনজাতীয় ভাষাৰ লগত পৰিচয় থকাৰ কাৰণে অসমৰ জনকৃষ্টি-অসমীয়া কৃষ্টিৰ এগৰাকী পণ্ডিত ৰূপে ৰাভা পৰিচিত। তেওঁৰ গীতিকবিতাত বিশ্বৰ ৰূপ-মাধুৰ্যৰ আকৰ্ষণত কবি হৃদয়ৰ আলোড়নৰ ধ্বনি শুনা যায়, কিন্তু শিল্পী কবিগৰাকীৰ শেষৰ ৰচনাত জনজীৱনৰ প্ৰতি দৰদ, নিষ্পেষণৰ প্ৰতি ঘৃণা আৰু বিপ্লৱৰ আহ্বান শুনা যায়। *সোণপাহি* গল্পপুথিত জনজীৱনেই প্ৰাধান্য লাভ কৰিছে।
- **ৰমা দাশ ঃ** আৱাহন যুগৰ লেখকসকলৰ ভিতৰত ৰমা দাশ এগৰাকী উল্লেখযোগ্য গল্পকাৰ।'বৰ্ষা যেতিয়া নামে' গল্পটোৰ বিষয়বস্তু নৰ-নাৰী প্ৰেম।নৰ-নাৰীৰ প্ৰেমৰ পাৰ ভঙা উচ্ছ্বাস থাকিলেও গল্পটোৰ গাঁথনি শিথিল আৰু বিক্ষিপ্ত হোৱাৰ বাবে 'বৰ্ষা যেতিয়া নামে' গল্প নহৈ ৰোমাণ্টিক ভাবোচ্ছ্বাসৰ সমষ্টি স্বৰূপ হৈ পৰিল। 'অচল টকা' গল্পত মোহনীয় গাভৰু এগৰাকীৰ অচল টকা এটাই নৱবিবাহিতা দম্পতীৰ যুগ্মজীৱনক বিপর্যস্ত কৰিব খোজে। কিন্তু গল্পটোত প্ৰকৃত নায়ক অভাৱ। অচল টকা চৰিত্ৰকেইটাৰ মাজেৰে নৰ-নাৰীৰ প্ৰেম, প্ৰেমৰ তীব্ৰ জ্বালা আৰু প্ৰেমানুভূতিৰ গভীৰতা প্ৰকাশ কৰিবলৈ যত্ন কৰা হৈছে। 'অবুজ মায়া' গল্পটোত সমাজৰ দ্বাৰা পৰিত্যক্তা সেউতী বাই নামৰ চৰিত্ৰটোৰ মানসিক দ্বন্দ্ব আৰু চৰিত্ৰটোৰ জীৱনৰ কৰুণ পৰিণতিয়েই গল্পটোৰ বিষয়বস্তু। সমাজৰ পৰা পৰিত্যক্তা হৈ নিঃসঙ্গ জীৱন-যাপন কৰা সেউতীৰ মাতৃসুলভ অন্তৰৰ মৰম-চেনেহৰ আকৰ্ষণত বহু ল'ৰাই সেউতীৰ ঘৰত দৈনিক গোট খায়। অতীত স্মৃতিৰ কথা গল্পটোত কোৱা হৈছে। 'জীৱনৰ এৰাতি' গল্পত নায়কৰ বন্ধু-পত্নী পৰপুৰুষৰ ওচৰত আত্মসমর্পণ কৰিবলৈ আগবাঢ়িছে। দুটা দেহৰ মাজত পিছলি পৰা কম্বল এখনে ষ্টিষ্টান মিথন টিষ্টান আৰু ইচিউল্টিৰ মাজৰ তৰোৱালৰ দৰে থাকি পৰিস্থিতি ৰক্ষা কৰিছে। 'দুর্যোগৰ ৰাতি' নামৰ গল্পৰ নায়কে এগৰাকী বিলাসিনী গাভৰুৰ পিছত ঘূৰি ক্লান্ত আৰু অৱস হৈ পৰিছে। সৰল গছ উভালি পৰা বর্ষণমুখৰ ৰাতিৰ দুর্যোগেহে তাক বাসন্তী নামৰ শ্ৰেয়ৰ ফালে আকর্ষণ কৰে। আৱাহন যুগৰ গল্পলেখক ৰমা দাশৰ গল্প গতানুগতিক ধাৰাৰ গণ্ডীভুক্ত। দাশৰ সৰহভাগ গল্পৰ বিষয় নৰ-নাৰীৰ প্ৰেম।নৰ-নাৰীৰ প্ৰেম জৈৱিক বাসনা স্বৰূপে স্বীকৃত হৈছে আৰু প্ৰেমৰ গভীৰতালৈ সোমাব নোৱাৰা বাবেই দাশৰ গল্পৰ নৰ-নাৰীৰ প্ৰেম, আৱেগসর্বস্ব হৈ ৰ'ল।

- **দীননাথ শর্মা ঃ** ড° দীননাথ শর্মাৰ সম্পাদনাত কলিকতাৰ পৰা ১৯২৯ চনত *আৱাহন* আলোচনী প্ৰকাশ পালে। আলোচনীখনে অসমৰ জাতীয় জীৱনত প্ৰায় ডেৰ দশক কাল (১৯২৯-১৯৪৫) ধৰি তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছে। ইয়াতেই আত্মপ্ৰকাশ কৰা কথাশিল্পী আৰু নিবন্ধকাৰ দীননাথ শর্মাই *আৱাহনৰ* জৰিয়তে আধুনিক অসমীয়া সাহিত্যক দ্বিতীয় মহাযুদ্ধৰসময়লৈকে তাৰ স্বাভাৱিক গতিপথত আগুৱাই দিলে। উভয় উপন্যাস সৃষ্টি আৰু গল্প ৰচনাৰ মাজেদি নিজৰ মৌলিক প্ৰতিভাৰ পৰিচয় দিয়া এইগৰাকী লেখকৰ গল্পপুথি *দুলাল, কোৱাভাতুৰীয়া ওঁঠৰ তলত, কল্পনা আৰু বাস্তৱ, অকলশৰীয়া, পোহৰ*আদি। তেওঁৰ গল্পসমূহত মধ্যবিত্ত আৰু গ্ৰাম্য জীৱনৰ বিভিন্ন চিত্ৰ আৰু চৰিত্ৰৰ অভিব্যক্তি ফুটাই তুলিছে। শর্মাৰ গল্পত মানৱ চৰিত্ৰৰ শঠতা, কপটতা, বিশ্বাসঘাতকতা, কামুকতা বিশেষকৈ নাৰী প্ৰবঞ্চনা আৰু স্বাৰ্থপৰতাই প্ৰধান স্থান অধিকাৰ কৰিছে।

দীননাথ শর্মাই চতুৰ্থ দশকৰ শেষৰ ফালে পোনপ্ৰথমে ঔপন্যাসিক ৰূপে *আৱাহনত* আত্মপ্ৰকাশ কৰে। শর্মাৰ প্ৰথম উপন্যাস *ঊষা আৱাহনত* প্ৰকাশ পায়। *সংগ্ৰাম, মাটি আৰু মানুহ, নদাই, শান্তি নবাৰুণ* আদি উল্লেখযোগ্য উপন্যাস। *সংগ্ৰাম* আৰু *মাটি আৰু মানুহ* এই দুয়োখন উপন্যাসত মধ্যবিত্ত শিক্ষিত যুৱকৰ আদৰ্শ আৰু ব্যৰ্থতাৰ চিত্ৰ ঘৰুৱা পৰিৱেশত অঙ্কন কৰিছে। নুথামচনৰ বিখ্যাত উপন্যাস *Growth of the Soil*ৰ আদৰ্শত শর্মাই *মাটি আৰু মানুহ* উপন্যাসখন ৰচিত কৰিছে। উপন্যাসখনত নুথামচনৰ বিখ্যাত উপন্যাসখনৰ প্ৰভাৱত সৃষ্টি কৰা এজন অশিক্ষিত সৰল খেতিয়কৰ মাটিৰ লগত ঘনিষ্ঠ সম্পৰ্ক আৰু জীৱন-যুদ্ধৰ সুস্থ চিত্ৰ চিত্ৰিত কৰিছে। *নৱাৰুণ* নামৰ উপন্যাসখনত কৃত্ৰিমভাৱে কাহিনীক পৰিণতি দান কৰা হৈছে।



জানি থোৱা ভাল

আৱাহনৰ সম্পাদক ড° দীননাথ শর্মা আৰু ঔপন্যাসিক-গল্পকাৰ দীননাথ শর্মা দুজন বেলেগ ব্যক্তি । দুয়ো পৃথক ব্যক্তিত্বৰ প্ৰতিভাশালী ব্যক্তি। বহুসময়ত ভুলতে তেওঁলোকক একেজনেই বুলি আলোচনা কৰা পৰিলক্ষিত হয়।

- **হিতেশ ডেকা ঃ** কুৰি শতিকাৰ পঞ্চাশৰ দশকত ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰা হিতেশ ডেকাৰ জন্ম হয় অবিভক্ত কামৰূপ জিলাৰ সৰ্থেবাৰীত ১৯২৪ চনৰ ১৮ ফেব্ৰুৱাৰিত। বিংশ শতিকাৰ মাজভাগৰ পৰাই গল্প, প্ৰবন্ধ, নাটক আদিৰে অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰা এইগৰাকী লেখকে এলানি উপন্যাস ৰচনা হৈছে ক্ৰমে— *আজিৰ মানুহ, নতুন পথ, মাটি কাৰ, ভাড়াঘৰ, আচল মানুহ, এয়েতো জীৱন, সীমাৰ কাজিয়া, বৈৰী মানুহ, জীৱন সংঘাত, ইতিহাসে সঁকীয়ায়, সুখৰ সংসাৰ, নিৰ্যাতিত সতী, কাম পত্নী, গাঁৱৰ মানুহ, বাৰীৰ কোঁৱৰ, সাহসী ল'ৰা, ত্যাগ* আদি।

আজিৰ মানুহ উপন্যাস ৰচনাৰে ঔপন্যাসিক জীৱন আৰম্ভ কৰা হিতেশ ডেকাৰ উপন্যাসত গাঁৱৰ সহজ-সৰল মানুহৰ চিত্ৰ অতি মনোৰমভাৱে অঙ্কন কৰাৰ লগতে পাৰিবাৰিক মিলাপ্ৰীতিৰে ভৰা অসমীয়া সমাজৰ নিভাঁজ চিত্ৰ কেইবাখনো উপন্যাসত নিটোল ৰূপত দাঙি ধৰিছে। তেওঁৰ উপন্যাস কেৱল গ্ৰাম্য সমাজৰ সৰলতা প্ৰকাশতে সীমাবদ্ধ নহয়; বৰং ইয়াত গ্ৰাম্য জীৱনৰ অজ্ঞতা, কুসংস্কাৰৰ কথাও প্ৰকাশ কৰিছে। গ্ৰামাঞ্চলত বাস কৰা দুখীয়া শ্ৰেণীৰ বিশ্বাসপ্ৰৱল, ত্যাগ, সহিষ্ণুতাৰ লগতে মহাজন তথা ধনী পৰিয়ালৰ ধন-গৰ্বৰ চিত্ৰও অতি বাস্তৱ ৰূপত অঙ্কন কৰিছে। ইয়াৰ উপৰি যৌনক্ষুধা আৰু দুৰ্নীতিপৰায়ণতাৰ সহজ ৰূপায়ণ সৰহভাগ উপন্যাসৰে অন্যতম প্ৰধান বিষয় ৰূপে দেখা দিছে।

হিতেশ ডেকাৰ উপন্যাসে নগৰকেন্দ্ৰিক সভ্যতাৰ ধামখুমীয়াত লাহে লাহে হেৰাই যাবলৈ ধৰা অসমৰ গ্ৰাম্য সমাজ তথা প্ৰকৃতিৰ নিৰাভৰণ ছবিখনৰ সৈতে পৰিচয় কৰাই দিছে। উপন্যাস পটভূমি, চৰিত্ৰ আদি জাতীয় চেতনাৰ পৰশ সুস্পষ্ট। সেয়ে হয়তো চীন-ভাৰতৰ যুদ্ধ, ভাৰত-পাকিস্তানৰ যুদ্ধ আদিৰ প্ৰভাৱ তেওঁ উপন্যাসত দেখা গৈছে। তেওঁৰ উপন্যাসে অসমৰ সমাজ জীৱনত সাঁজ বহুৱা প্ৰায় সকলোবোৰ সমস্যাকে চুই গৈছে। সেয়া মাটি নোহোৱা কৃষকৰ সমস্যা, মধ্যবিত্তৰ ঘৰ-সংসাৰ, দৈনন্দিন সমস্যা তথা যৌন জীৱনৰ নাৰী-পুৰুষৰ কলুষিত সমস্যাই নহওক কিয়! মহানগৰীৰ গাতে লাগি থকা অঞ্চলত বসবাস কৰাৰ হেতুকে মহানাগৰিক জীৱনক অতি ওচৰৰ পৰা পৰ্যবেক্ষণ কৰাৰ ঔপন্যাসিক কলমত গ্ৰাম্য তথা নগৰৰ জীৱনে এক সজীৱ ৰূপত সাৰ পাইছে। বিংশ শতিকাৰ আশিৰ দশকমানলৈ মূলতঃ সামাজিক উপন্যাসৰ প্ৰয়োভৰ সৰহ। তাতেই কিছু সংখ্যক ঔপন্যাসিকে মনোবিশ্লেষণ নতুবা ব্যক্তিবাদী ধ্যান-ধাৰণাও কম-বেছি পৰিমাণে আৰোপিত কৰিছে।

স্বৰাজোত্তৰ যুগৰ এইগৰাকী ঔপন্যাসিক মহম্মদ পিয়াৰ, প্ৰেমনাৰায়ণ দত্ত, প্ৰফুল্ল দত্ত গোস্বামী, ৰাধিকা মোহন গোস্বামী আদিসকলৰ পৰৱৰ্তী সময়ৰ। ১৯৯৫ চনত অসম সাহিত্য সভাৰ সৰ্থেবাৰীত বহা বাৰ্ষিক অধিৱেশৰ সভাপতি আছিল। ২০০০ চনত তেওঁৰ মৃত্যু হয়।

- **দেৱকান্ত বৰুৱা ঃ** আৱাহন যুগৰ শ্ৰেষ্ঠ কবি। তেওঁ একমাত্ৰ কবিতা পুথি *সাগৰ দেখিছা*। অধিকাংশ কবিতাই আৱাহন যুগত ৰচিত। তেওঁৰ কবিতাৰ ভাব আৰু প্ৰকাশভঙ্গী সম্পূৰ্ণ স্বতন্ত্ৰ, কবিতাত মানুহৰ বীৰ্য আৰু নিয়তিৰ জয় ধ্বনিত হৈছে। জীৱনৰ নশ্বৰতা, অসহায়তা আৰু সঘন সংগ্ৰামৰ ক'লা ডাৱৰ ভেদ কৰি প্ৰেমৰ যি ক্ষণিক প্ৰভাৱ উজলাই তোলে তাকেই স্থায়ী কৰাৰ প্ৰয়াস তেওঁৰ কবিতাত দেখা যায়। বৰুৱাই তেজ-মঙহৰ মানুহৰ জীৱনৰ গীত গাইছে। কেৱল প্ৰেমৰ কবি নহয়। তেওঁ সামগ্ৰিক জীৱৰ কবি, যিয়ে 'ছন্দৰ তুলিৰে আঁকে অশ্ৰুক্লান্ত জীৱনৰ সোণোৱালী ছবি।'

মানৱীয় প্ৰেমৰ মাজতো বিদ্ৰোহৰ সুৰ শুনা যায়। মানৱীয় প্ৰেমৰ গৌৰৱ ঘোষণা তেওঁৰ কবিতাৰ প্ৰধান সুৰ। বৰুৱাৰ কবিতাত এক বিস্তৃত কাব্যিক পৰম্পৰাৰ সম্ভেদ

পোৱা যায়। কবি হিচাপে দেৱকান্ত বৰুৱাৰ শ্ৰেষ্ঠত্বৰ অন্তৰালত আছে ভাব আৰু ভাষাৰ সুসংহত আত্মীয়তা। কবিৰ প্ৰাণৱন্ত ভাষা, চিত্ত প্ৰণামী অনুভূতি আৰু সাংগীতিক আলোড়নে এক অপূৰ্ব ৰসৰ সৃষ্টি কৰে। *সাগৰ দেখিছা* কবিতা লিখিবৰ সময়ত কবিয়ে সাগৰ দেখা নাছিল। কিন্তু আনুপ্ৰাসিক শব্দ চয়নৰ সহায়ত তেওঁ সাগৰৰ উপস্থিতিৰ অনুভৱক চিৰন্তন কৰিব পাৰিছিল—

"সাগৰ দেখিছা? দেখা নাই কেতিয়াও? ময়ো দেখা নাই;
শুনিছোঁ তথাপি,
নীলিম সলিল ৰাশি, বাধাহীন উৰ্মিমালা
আছে দূৰ দিগন্ত বিয়াপি" (*সাগৰ দেখিছা*)

এই ছবি অকল যথাৰ্থই নহয় ঔদাৰ্য গুণযুক্তও। কেৱল মাত্ৰ ঘৰুৱা শব্দেৰে এই বিশালতাৰ ৰূপ অঙ্কন কৰা অসম্ভৱ। দেৱকান্ত বৰুৱাৰ কবিতাৰ গাঁথনিত ব্ৰাউনিঙৰ প্ৰভাৱ অনস্বীকাৰ্য। তেওঁ ব্ৰাউনিঙৰ 'ড্ৰামাটিক' মন'লগ' (Dramatic Monologue) অসমীয়া কবিতাত প্ৰবৰ্তন কৰে। অৱশ্যে ব্ৰাউনিঙৰ কবিতাৰ নৈৰ্ব্যক্তিক সুৰটো তেওঁৰ আয়ত্তাধীন নাছিল। তেওঁ 'টু ইন দ্যা কেম্পানা' আৰু 'লাভ এমং দ্যা ৰুইন্‌জ' আদি কবিতাৰ ব্যক্তিসাপেক্ষে লিৰিকধৰ্মী সুৰটোৰ প্ৰতিহে বেছিকৈ আকৃষ্ট হৈছিল। বৰুৱাৰ কবিতাত শ্ৰেলীয় বা দুৰৱাধৰ্মী বিষাদানুভূতি আৰু আকাংক্ষাত মূৰ্ত হৈ উঠিছে—

"প্ৰীতিৰ বতাহে মোৰ আকাশী তৰাৰ হায় হিয়া নকঁপায়।"
"The desire of the moth for the star." (Shelley)

সেয়া হ'লে বৰুৱাৰ কবিতাত ঘাইকৈ যৌৱনৰ উদাত্ত জয়গানহে বাজি উঠিছে। তেওঁ বলিষ্ঠ প্ৰেমৰ আৰু নাৰী সৌন্দৰ্যৰ উপাসক কবি। তেওঁ ৰোমাণ্টিক যুগ আৰু আধুনিক যুগৰ সংযোগ সেতু ৰক্ষা কৰা বাবে যুগসন্ধিক্ষণৰ কবি বুলি কোৱা হয়। সেয়ে আধুনিক কবিতাৰ দুৱাৰ মুকলি কৰোতাসকলৰ অন্যতম বুলি ক'ব পাৰি।

আৱাহন যুগৰ সাহিত্যত অৰিহণা যোগোৱা অন্যান্য লেখকসকলৰ ভিতৰত উমেশ চন্দ্ৰ চৌধুৰী, সোণাৰাম চৌধুৰী, লক্ষেশ্বৰ শৰ্মা, ৰোহিণীকান্ত বৰুৱা, প্ৰফুল্ল দত্ত গোস্বামী, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, সৰ্বেশ্বৰ শৰ্মা কটকী, সুৰেন্দ্ৰ মোহন দাস উল্লেখযোগ্য। উমেশ চন্দ্ৰ চৌধুৰী কবি আৰু গীতিকাৰ। তেওঁৰ কবিতাপুথি হ'ল— *অমৃত মন্থন* আৰু *ত্ৰিবেণী, দেৱধ্বনি, মন্দাকিনী, প্ৰতিধ্বনি* আদি গীতৰ পুথি। তেওঁৰ কবিতা আৰু গীতত সৌন্দৰ্য আৰু স্বদেশ প্ৰেমৰ সুৰ শুনা যায়। দেশৰ স্বাধীনতা আন্দোলনৰ সময়ত গীত ৰচনাৰে সকলোকে বিশেষভাৱে সহায় কৰিছিল। ইয়াৰ উপৰিও প্ৰকৃতি প্ৰেমমূলক আৰু ভক্তি ভাবৰ গীত আৰু কবিতাৰেও ভাষা জননীক সেৱা কৰি গৈছে। সোণাৰাম চৌধুৰীয়ে ঐতিহাসিক, ধৰ্ম আৰু প্ৰত্নতাত্ত্বিক বিষয়ৰ অনেক প্ৰবন্ধ লিখি অসমৰ অতীত ইতিহাসত পোহৰ পেলাই অসমীয়া ভাষা সাহিতৰ প্ৰত্নতাত্ত্বিক দিশটো অধিক শক্তিশালী কৰিছে। লক্ষেশ্বৰ শৰ্মাই অসমীয়া সাহিত্যলৈ যথেষ্ট বৰঙণি

আগবঢ়াইছে। বিশেষকৈ অনুবাদ উপন্যাসৰ ক্ষেত্ৰত অন্যতম লিটনৰ *Last days of Pomeii* আৰু গ্ৰেজিয়া ডালেডাৰ *মাদাৰ* উপন্যাস দুখন *পম্পিয়াৰ প্ৰলয় কাহিনী* আৰু *মাতৃ* নাম দি অনুবাদ কৰি প্ৰকাশ কৰে। সৰ্বেশ্বৰ শৰ্মা কটকীয়ে আৰাহনৰ যুগত অসমীয়া সাহিত্যলৈ কেইবা দিশত অৰিহণা যোগায়। *তত্ত্ব আৰু তথ্য, মুৰুলি* আদি যুক্তিপূৰ্ণ গ্ৰন্থ। *হেমচন্দ্ৰ বৰুৱাৰ জীৱন চৰিত, সত্যনাথ বৰাৰ জীৱন চৰিত* আদি ৰচনা কৰিছে। অসমীয়া ভাষাৰ লিপি চৰ্চাৰ ক্ষেত্ৰত *প্ৰাচীন অসমীয়া লিপি* নামৰ পুথিখনে অসমীয়া লিপিৰ বিকাশৰ স্তৰৰ পৰাআধুনিক লিপিৰচানেকী দাঙি ধৰিছে। ইয়াৰ উপৰিও প্ৰত্নতাত্ত্বিক বিষয়ৰ যুক্তিপুৰ্ণ অনেক প্ৰবন্ধও ৰচনা কৰিছে। হৰিনাথ শৰ্মা দলৈয়ে শঙ্কৰদেৱৰ পৰা আৰম্ভ কৰি আধুনিক অসমীয়া সাহিত্য বিষয়ক অনেক পুথি ৰচনা কৰিছে। *শঙ্কৰদেৱৰ সাহিত্য প্ৰতিভা, অসমীয়া গদ্য সাহিত্যৰ গতিপথ, সাহিত্য প্ৰৱেশ, অসমীয়া সাহিত্য পূৰ্ণ ইতিহাস* আদি বিশ্লেষণাত্মক সাহিত্য বিষয়ক পুথি। প্ৰফুল্ল দত্ত গোস্বামী অসমীয়া লোকসাহিত্যৰ সাধক, গৱেষক আৰু অসমীয়া সাহিত্যৰ বিশ্লেষক। *Folk Literature of Assam*, *অসমীয়া জনসাহিত্য* আদি লোকসাহিত্য বিষয় পুথি। *সাহিত্যৰ জীৱন* সাহিত্য আলোচনা বিষয়ক গ্ৰন্থ। তেওঁৰ শিশু সাহিত্য *বিলাতি হোজা*। ইয়াৰ উপৰি আৰাহন যুগত কবিতা আদিও ৰচনা কৰিছিল। উপেন্দ্ৰ চন্দ্ৰ লেখাৰু আৰাহন যুগৰ এগৰাকী দাৰ্শনিক,ঐতিহাসিক, ধাৰ্মিক আৰু অন্যান্য তথ্যপূৰ্ণ প্ৰবন্ধ ৰচক। তেওঁৰ প্ৰবন্ধসমূহৰ বেছিভাগেই মৌলিক চিন্তাশীল ভাবৰ। আৰাহন যুগৰ ন-পুৰণি লেখকসকলৰ সাহিত্যৰাজিয়ে অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল যে সমৃদ্ধি কৰিলে তাত সন্দেহ নাই।



৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *আৰাহন* আলোচনী আৰু ইয়াৰ জন্মৰ ইতিহাস, পটভূমি সম্পৰ্কে জানিব পাৰিলোঁ।
- আৰাহন যুগৰ সাহিত্যৰ বৈশিষ্ট্য আৰু বিবিধ ধাৰাৰ লগত আমি পৰিচিত হ'ব পাৰিলোঁ।
- আৰাহন যুগৰ সাহিত্যৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে ধাৰণা লাভ কৰিলোঁ।
- *আৰাহন* আলোচনীৰ যোগেদি যে আধুনিক অসমীয়া সাহিত্যই যি বিশালতা আৰু গভীৰতা লাভ কৰিলে তাৰ বিষয়ে জানিব পাৰিলোঁ।
- আৰাহন যুগৰ লেখকসকলে কি দৰে অসমীয়া সাহিত্যৰ যোগেদি সমাজ সংস্কাৰকামী আৰু প্ৰগতিশীল চিন্তাৰ উন্মোষ ঘটালে সেই বিষয়ে জানিব পাৰিলোঁ।
- নাৰী মুক্তি চেতনা আৰু জাতীয় দায়বদ্ধতাৰ লগত পৰিচিত হ'লোঁ।
- আৰাহন যুগৰ সাহিত্যিক তথা সাহিত্যসমূহৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিলোঁ।
- আৰাহন যুগৰ কবিতা, নাটক, উপন্যাস, চুটিগল্প, প্ৰবন্ধ, আত্মজীৱনীচৰিত আদিৰ বিষয়বস্তু আৰু তাৰ তাৎপৰ্য সম্বন্ধে ধাৰণা লাভ কৰিলোঁ।



৭.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কটকী, চন্দ্ৰ (২০০৩) ঃ *আধুনিক অসমীয়া কবিতা*; গুৱাহাটী।

২) গোস্বামী, যতীন্দ্ৰনাথ (১৯৯৪)ঃ *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী*; গুৱাহাটী ঃ মণি-মাণিক।

৩) গোস্বামী, হেমচন্দ্ৰ (১৯২৪) ঃ *অসমীয়া সাহিত্যৰ চানেকি*; কলিকতা ঃ কলিকতা বিশ্ববিদ্যালয়।

৪) তালুকদাৰ, নন্দ (২০০৬) ঃ *কবি আৰু কবিতা*; গুৱাহাটী ঃ বনলতা।

৫) নেওগ, ডিম্বেশ্বৰ (১৯৬৪) ঃ *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*; গুৱাহাটী

৬) নেওগ, মহেশ্বৰ (২০০০) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) ডেকা হাজৰিকা, কৰবী (১৯৯২) ঃ *অসমীয়া কবিতা*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

৮) বৰগোহাঞি, হোমেন (সম্পা.) (২০০২) ঃ *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য*; যোৰহাট ঃ অসম সাহিত্য সভা।

৯) বৰুৱা, প্ৰহ্লাদ কুমাৰ (২০০৫) ঃ *অসমীয়া চুটি গল্পৰ অধ্যয়ন*; গুৱাহাটী ঃ বনলতা।

১০) বৰ্মন, শিৱনাথ (সম্পা.) (১৯৯৭) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী*; (দ্বিতীয় খণ্ড), গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

১১) ভৰালী, শৈলেন (১৯৯০) ঃ *নাটক আৰু অসমীয়া নাটক*; গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

১২) ভৰালী, শৈলেন (১৯৯৩) ঃ *উপন্যাস বিচাৰ আৰু বিশ্লেষণ*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১৩) শইকীয়া, চন্দ্ৰপ্ৰসাদ (১৯৯৮) ঃ *অসমৰ বাতৰি কাকত আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস*; অসমৰ বাতৰি কাকতৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতি।

১৪) শর্মা, উপেন্দ্ৰনাথ ঃ *আৱাহনৰ অৱদান প্ৰবন্ধ*; অসমৰ বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস।

১৫) শর্মা, সত্যেন্দ্ৰনাথ (২০০৬) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৬) শর্মা, সত্যেন্দ্ৰনাথ (২০০২) ঃ *অসমীয়া নাট্য সাহিত্য*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৭) শর্মা, হেমন্ত কুমাৰ (২০০৭) ঃ *অসমীয়া সাহিত্যত দৃষ্টিপাত*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

ইংৰাজী গ্ৰন্থ ঃ

1) Baruah, Birinchi Kumar (1978) : *History of Assamese Literature*; New Delhi: Sahitya Akademi.

2) Deka. Umesh : *Post war Assamese Novel*.



৭.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ আৱাহনৰ পটভূমিৰ লগতে ইয়াৰ পৃষ্ঠভূমিৰ দিশকেইটাৰ আলোচনা কৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ আৱাহনৰ জন্মৰ ইতিহাস... ...অসমীয়া সাহিত্যইয়াৰ ভূমিকা সম্পর্কে বর্ণনা কৰিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ আৱাহন যুগৰ সাহিত্যৰ বৈশিষ্ট্যৰ বিতং আলোচনা কৰিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ নলিনীবালা দেৱীৰ কাব্যপুথিকেইখনৰ উল্লেখ... ...তেওঁৰ কবিতাত সুৰ, অতীন্দ্রিয় ভাব, তন্ময়তাৰ সুৰ... ...নৈসর্গিক প্রকৃতিৰ বিশাল প্রাঙ্গনত প্রতিবিম্বিত হোৱা সনাতন সৌন্দর্য... ...আধ্যাত্মিক বেদনাৰ কাৰুণ্যই নিয়ৰত সিক্ত ফুলৰ দৰে স্নিগ্ধ আৰু ৰমণীয় কৰি তোলা... ...আদি উল্লেখ কৰিব।

৫নং প্রশ্নৰ উত্তৰ ঃ *আৱাহন* আলোচনীৰ জন্মৰ প্রধান হোতা কোন কোন?... ...তেওঁলোকৰ জীৱন আৰু সাহিত্যাকৃতিৰ আলোচনা কৰিব লাগিব।

৬নং প্রশ্নৰ উত্তৰ ঃ অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন দর্শন... ...সাহিত্যৰাজিৰ আলোচনা কৰিব লাগিব।



৭.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ আৱাহনৰ পটভূমিৰ স্বৰূপ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ২ ঃ আৱাহন যুগটো 'অসমীয়া সাহিত্যৰ স্বর্ণ যুগ' (Golden Period of Assamese Literature) বুলি কোৱা হয়— এই শীর্ষক এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৩ ঃ আৱাহন যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্যসমূহ বর্ণনা কৰক।

প্রশ্ন ৪ ঃ *আৱাহন* আলোচনী কাৰ কাৰ প্রচেষ্টাত জন্ম হৈছিল তাৰ এটা প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৫ ঃ আৱাহন যুগত চন্দ্রপ্রভা শইকীয়ানীয়ে আগবঢ়োৱা অৱদানৰ বিষয়ে লিখক।

প্রশ্ন ৬ ঃ টোকা লিখক—

ধর্মেশ্বৰী দেৱী বৰুৱানী, আৱাহন, বাণীকান্ত কাকতি, কৃষ্ণকান্ত সন্দিকৈ, অতুল চন্দ্র হাজৰিকা, দেৱকান্ত বৰুৱা, হলীৰাম ডেকা, ৰজনীকান্ত বৰদলৈ।

*** ***** ***

অধ্যায় ৮ ঃ জয়ন্তী যুগৰ অসমীয়া সাহিত্য

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ জয়ন্তী যুগৰ সাহিত্যৰ পটভূমি
৮.৪ জয়ন্তী আৰু অসমীয়া সাহিত্য
৮.৫ জয়ন্তী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য তথা বিবিধ ধাৰা
৮.৬ জয়ন্তী যুগৰ প্ৰধান সাহিত্যিকসকল
৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৮.১০ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সংবাদ-পত্ৰৰ ইতিহাসত *জয়ন্তী*আলোচনীখনৰ অৱদান তথা গুৰুত্বৰ বিষয়ে জানিব পাৰিব
- সংবাদ-পত্ৰ হৈছে সময়ৰ স্মাৰক। সেয়ে *জয়ন্তী*আলোচনীখনৰ জৰিয়তে সেই সময়ৰ তথা যুগৰ প্ৰেক্ষাপট অনুধাৱন কৰিব পাৰিব
- যুগৰ প্ৰভাৱ সাহিত্যৰ অন্তৰ্নিহিত চালিকা শক্তি। সেয়ে জয়ন্তী যুগৰ সাহিত্য সৃষ্টিৰ পটভূমিত সম্পৃক্ত হৈ থকা সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি প্ৰভাৱ সম্পৰ্কে জানিব পাৰিব
- জয়ন্তী যুগৰ লেখকসকল তথা সাহিত্যৰাজিৰ বিষয়বস্তু, প্ৰকাশভঙ্গী আদি স্বকীয় বিশেষত্বপূৰ্ণ বৈশিষ্ট্য সম্পৰ্কে প্ৰয়োজনীয় ব্যাখ্যা আগবঢ়াব পাৰিব।
- জয়ন্তী যুগৰ সাহিত্যই পৰৱৰ্তী আধুনিক অসমীয়া সাহিত্যৰ ‘পছোৱা’ আৰু বিশেষকৈ ‘ৰামধেনু’ যুগৰ সাহিত্যক বিশেষ আয়তন প্ৰদানত আগবঢ়োৱা অৰিহণা সম্পৰ্কেও অধ্যয়ন কৰিব পাৰিব।

৮.২ পৰিচয়

এই অধ্যায়টো স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ প্ৰথম যাণ্মাসিকৰ দ্বিতীয় বুনিয়াদী পাঠ্যবিষয় ‘অসমীয়া সাহিত্যৰ বুৰঞ্জী’ (অৰুণোদই যুগৰ পৰা ৰামধেনু-পৰৱৰ্তী কাললৈ)ৰ অষ্টম

অধ্যায়। আলোচ্য অধ্যায়টোত অসমীয়া সাহিত্যৰ ইতিহাসত জাতীয়তাবাদী তথা প্ৰগতিশীল এক দৃষ্টিভঙ্গী, এক নতুন ভাবধাৰাৰ জাগৰণ সূচনা কৰা যুগান্তকাৰী জয়ন্তী যুগৰ বিষয়ে বহলাই আলোচনা কৰা হ'ব। ইয়াৰ আগৰ অধ্যায়কেইটাত আপুনি আধুনিক অসমীয়া সাহিত্যৰ 'অৰুনোদই', 'জোনাকী' আৰু 'আৱাহন' যুগৰ সাহিত্য সম্পৰ্কে অধ্যয়ন কৰিলে। সেই অধ্যায়কেইটাত প্ৰতিটো যুগৰে সাহিত্যৰ পটভূমি, বৈশিষ্ট্য তথা সেই যুগকেইটাৰ সাহিত্যিকসকলৰ সাহিত্য কৃতি সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিলে। সেই অধ্যয়নৰ পৰা আপুনি জানিব পাৰিলে যে প্ৰতিটো যুগেই অসমীয়া ভাষা-সাহিত্যক ব্যাপ্তি তথা মাত্ৰা প্ৰদান কৰাৰ লগতে চহকী কৰি তোলাত সৰ্বাত্মক ভূমিকা গ্ৰহণ কৰি আছে। প্ৰতিটো যুগৰে আছে এক স্বকীয় সত্তা তথা অস্তিত্ব। এনে প্ৰাসঙ্গিকতাতে প্ৰধানতঃ জাতীয়তাবাদ, সাম্যবাদ, প্ৰগতিশীল এই স্বকীয় সত্তাৰে অসমীয়া সংবাদ-পত্ৰৰ ইতিহাসত এক স্মৰণীয় অধ্যায়ৰে প্ৰকাশ লাভ কৰে *জয়ন্তী* আলোচনী।

১৯৩৮ চনত গুৱাহাটীৰ 'জয়ন্তী আৰ্ট প্ৰেছ'ৰ পৰা পযেকীয়া সচিত্ৰ প্ৰগতিশীল জাতীয়তাবাদী আলোচনী আৰু সংবাদ-পত্ৰ *জয়ন্তী*প্ৰকাশ পায়। ইয়াৰ সম্পাদক আছিল বিহগী কবি ৰঘুনাথ চৌধাৰী আৰু প্ৰতিষ্ঠাপক আছিল কেশৱকান্ত বৰুৱা। কিন্তু তাৰ এবছৰৰ পিছত পযেকীয়া কাকতখন মাহেকীয়া ৰূপতহে প্ৰকাশিত হ'ব ধৰে। *জয়ন্তী*ৰ এই পাঁচ বছৰীয়া জীৱনৰ মাজতে প্ৰায় ডেৰ বছৰ কাল বাদ দি বাকী চাৰে তিনি বছৰ কালৰ সম্পাদক আছিল ৰঘুনাথ চৌধাৰী। ৰঘুনাথ চৌধাৰীৰ সম্পাদিত *জয়ন্তী*ৰ অন্তিম সংখ্যাটো প্ৰকাশ পায় ১৯৪২ চনৰ অক্টোবৰত। ইয়াৰ পাছত এবছৰ কাল *জয়ন্তী*ৰ প্ৰকাশ বন্ধ হৈ থাকে। ১৯৪৩ চনৰ নৱেম্বৰৰ পৰা ৰঘুনাথ চৌধাৰী সম্পাদিত *জয়ন্তী* আলোচনীখন নতুন ৰূপত আত্মপ্ৰকাশ কৰে। ৰোমাণ্টিক আৱেশৰ পৰা অসমীয়া সাহিত্যক মুক্ত কৰি আধুনিক ৰূপলৈ উত্তৰণ কৰাৰ আত্মপ্ৰত্যয় বুকুত বান্ধি এই নতুন ৰূপৰ *জয়ন্তী*ৰ সম্পাদনাৰ দায়িত্ব বহন কৰে কমল নাৰায়ণদেৱ আৰু অন্যতম সম্পাদক প্ৰকাশক চক্ৰেশ্বৰ ভট্টাচার্য্যই।

চল্লিশৰ দশকটোত অসম, ভাৰত তথা বিশ্বৰ বিভিন্ন প্ৰান্তত সংঘটিত কেতবোৰ ইতিহাস প্ৰসিদ্ধ ঘটনাই অসমৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনৰ লগতে সাহিত্য জগতকো প্ৰভাৱান্বিত কৰিছিল। যাৰ ফলশ্ৰুতিত *জয়ন্তী* আলোচনী হৈ পৰিছিল এক প্ৰকাৰৰ চিন্তাৰ মঞ্চ স্বৰূপ। সেয়ে সমসাময়িক এই সমস্যাসমূহৰ স্ফূৰণ ঘটিছিল *জয়ন্তী*ত প্ৰকাশ পোৱা বিভিন্ন সাহিত্যিকৰ ৰচনাৰাজিৰ মাজত। পৰম্পৰাগত ভাব, ভাষা, ছন্দ, অলঙ্কাৰ বিষয়বস্তুৰ পৰিৱৰ্তে সময় আৰু সমাজৰ প্ৰাসঙ্গিক বিষয়বস্তু প্ৰকাশভঙ্গী আদিৰ নতুনত্বৰে জয়ন্তী যুগৰ সাহিত্যই আধুনিক অসমীয়া সাহিত্যৰ লগতে সমসাময়িক সমাজ জীৱনত এক নতুনত্বৰ আলোড়নৰ সূচনা কৰে। ইয়াত আছিল এক নৈৰাশ্যৰ পৰা প্ৰত্যাশালৈ উত্তৰণ, এক সময়ৰ আহ্বান। ইয়াৰ তীব্ৰ স্ফূলিঙ্গ ঘটিছিল প্ৰধানতঃ কবিতাত। ইয়াৰ উপৰিও গল্প, প্ৰবন্ধ, সমালোচনা সাহিত্যতো তেনে স্ফূলিঙ্গৰ প্ৰভাৱ দেখা যায়। এই অধ্যায়টোৰ অধ্যয়নে আপোনাক এই দিশবোৰৰ লগত পৰিচয় কৰাই দিব।

৮.৩ জয়ন্তী যুগৰ সাহিত্যৰ পটভূমি

সংবাদ-পত্ৰ হৈছে সময়ৰ স্মাৰক। সংবাদ-পত্ৰৰ মাজেৰে আমি সময়ৰ প্ৰেক্ষাপট অনুধাৱন কৰিব পাৰো। সেয়ে ক'ব পাৰি সমাজ ইতিহাস অধ্যয়নত সংবাদ-পত্ৰই প্ৰভূত সমলৰে আমাক ঐশ্বৰ্যশালী কৰি তোলে। অসমৰ সংবাদ-পত্ৰৰ ইতিহাস আৰম্ভ হয় ঊনবিংশ শতিকাৰ মাজভাগত ১৮৪৬ চনত আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলে প্ৰকাশ কৰা *অৰুণোদই*ৰ যোগেদি। *অৰুণোদই*ৰ যোগেদি সূচনা হোৱা অসমৰ সংবাদ-পত্ৰৰ ইতিহাসে পৰৱৰ্তী সময়ছোৱাত প্ৰকাশিত বিভিন্নখন কাকত-আলোচনীৰ যোগেদি চহকী স্বৰূপ লাভ কৰে।প্ৰতিখন কাকত-আলোচনীৰেআছে এক স্বকীয় সত্তা তথা অস্তিত্ব। একো একোখন কাকত-আলোচনীৰ যোগেদি অসমীয়া সাহিত্যৰ একোটা যুগৰ নামকৰণ কৰালৈ লক্ষ্য কৰিলেই অসমীয়া ভাষা-সাহিত্যৰ বিকাশ তথা সমৃদ্ধিত যে কাকত-আলোচনীৰ ভূমিকা সৰ্বাত্মক সেই কথা সহজে অনুমেয় হয়। এক স্বকীয় সত্তাৰে আত্মপ্ৰকাশ কৰা আলোচনীসমূহৰ ভিতৰত অন্যতম হ'ল *জয়ন্তী* আলোচনী। 'জয়ন্তী' শব্দটোৰ আভিধানিক অৰ্থ হৈছে— দুৰ্গা, পাৰ্বতী (শক্তি স্বৰূপা, শক্তি প্ৰদায়িনী, দুৰ্গতি নাশিনী, অসুৰ সংহাৰিনী)। নামটোৰ দৰেই ইয়াৰ জন্মৰো আছে এক তাৎপৰ্যপূৰ্ণ প্ৰেক্ষাপট। ১৯৩৮ চনত *জয়ন্তী* প্ৰকাশৰ আগলৈ অসম, ভাৰত তথা বিশ্বৰ পৰিস্থিতি অভূতপূৰ্ব সলনি হৈছিল। তাৰে ভিতৰত উল্লেখযোগ্য কেইটামান ঘটনা হ'ল— ১৯১৭ চনৰ ৰুছ বিপ্লৱ আৰু তাৰ পৰিণতিত সাম্যবাদী ছোভিয়েট দেশেপ্ৰতিষ্ঠা, ১৯২০ চনত ভাৰতীয় কমিউনিষ্ট পার্টিৰ প্ৰতিষ্ঠা, ১৯৩২ চনৰ পৰা মেক্সিম গৰ্কীৰ নেতৃত্বত সমাজতান্ত্ৰিক বাস্তৱতাৰভিত্তিত গঢ়ি উঠা সাংস্কৃতিক বিপ্লৱৰপ্ৰভাৱ আৰু ১৯৩৬ চনত প্ৰেমচান্দৰ নেতৃত্বত গঠন হোৱা ভাৰতীয় প্ৰগতি আন্দোলনে ভাৰতৰ বুকুত সাম্যবাদী চিন্তা-চৰ্চাৰ জোৱাৰ তুলিছিল। বিশ্বজুৰি সৃষ্টি হোৱা অৰ্থনৈতিক সঙ্কট, দ্বিতীয় মহাযুদ্ধৰ সৰ্বগ্ৰাসী উন্মাদনা আৰু স্বাধীনতা সংগ্ৰামৰ ক্ৰমবৰ্ধমান জোৱাৰে অসমৰ শিক্ষিত শ্ৰেণীটোৰ চিন্তন-মননত খলকনি তুলিছিল। বৃটিছ সাম্ৰাজ্যবাদৰ কুটিল ৰাজনীতিৰ ফলস্বৰূপে সৃষ্টি হৈছিল সাম্প্ৰদায়িক সংঘাত।

আনহাতে, কেতবোৰ জাতীয় সমস্যাই অসমবাসীক জুৰুলা কৰিছিল। ঘাইকৈ পমুৱা প্ৰব্ৰজনক কেন্দ্ৰ কৰি নানা সংঘাতৰ মুখামুখি হৈছিল অসমীয়া ৰাইজ। জনজাতিসকলৰ মাজত স্বাধিকাৰ আন্দোলনেওক্ৰমাগত ব্যাপ্তি লাভ কৰিছিল।ইতিমধ্যে বিশ্বৰ পৰিস্থিতিয়েও এক নতুন ৰূপ পৰিগ্ৰহ কৰিছিল। আন্তৰ্জাতিক আৰু জাতীয় পৰিস্থিতিৰ হেঁচাত অসমৰ ৰাজনৈতিক আৰু সামাজিক পৰিৱেশ চঞ্চল তথা অস্থিৰ হৈ পৰিছিল। *জয়ন্তী* আলোচনীত এই সমগ্ৰ ঘটনা-পৰিঘটনাৰে প্ৰতিফলন ঘটিছিল। এই সন্দৰ্ভত যোগেন্দ্ৰ নাৰায়ণ ভূঞাই লিখিছে যে "অসমৰ ভাষিক সমস্যা তথা অসমীয়া লিপিক লৈ মতানৈক্য, বহিৰাগত আৰু বিদেশীৰ অবাধ প্ৰব্ৰজনেও সেই সময়ছোৱাত অসমীয়া শিক্ষিত শ্ৰেণীক উদ্বিগ্ন কৰি ৰাখিছিল।" ভূঞাৰ মতে একুৰি এটা সমস্যাৰে জুৰুলা অসমত সংঘৱদ্ধ প্ৰচেষ্টাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিয়েই কেইগৰাকীমান লোকে আলোচনী প্ৰকাশৰ উদ্যোগ লৈছিল। ওপৰোক্ত সমগ্ৰ ঘটনাৰফলশ্ৰুতিয়ে অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ সমূহীয়া চেতনাত যি প্ৰতিক্ৰিয়া সৃষ্টি কৰিলে তাৰ প্ৰথম অভিব্যক্তি ঘটিল *জয়ন্তী*ৰ জৰিয়তে।

কেশৱকান্ত বৰুৱাৰ পৃষ্ঠপোষকতাত গুৱাহাটীৰ 'জয়ন্তী আৰ্ট প্ৰেছ'ৰ পৰা ৰঘুনাথ চৌধাৰীৰ সম্পাদনাত ১৯৩৮ চনৰ ২ জানুৱাৰীত প্ৰকাশ পায় 'সচিত্ৰ প্ৰগতিশীল জাতীয়তাবাদী' পযেকীয়া আলোচনী আৰু সংবাদ-পত্ৰ *জয়ন্তী*। কিন্তু তাৰ এবছৰ পিছত আৰম্ভ হোৱা দ্বিতীয় মহাসমৰৰ বাবে দেশত কাগজৰ নাটনি হোৱাত আৰু পটুৱৈৰ পৰা উচিত সঁহাৰি নোপোৱাৰ কাৰণে পঞ্চম বছৰৰ (১৯৪২) পৰা এই পযেকীয়া কাকতখন মাহেকীয়া ৰূপতহে প্ৰকাশিত হ'বলৈ ধৰে। এই নতুন ৰূপেও কাকতখন ৰক্ষা কৰিব নোৱাৰিলে। কিয়নো স্বত্বাধিকাৰী কেশৱকান্ত বৰুৱাৰ এই আলোচনী ব্যৱসায়ত লোকচানৰ পৰিমাণ বাঢ়ি গৈছিল।

অৱশেষত, পঞ্চম বছৰ সপ্তম সংখ্যা প্ৰকাশ পোৱাৰ পাছত (অক্টোবৰ, ১৯৪২) *জয়ন্তী* বন্ধ হৈ যায়। *জয়ন্তী*ৰ এই পাঁচ বছৰীয়া জীৱনৰ মাজতে প্ৰায় ডেৰ বছৰ কাল (১৮ আগষ্ট, ১৯৩৯ৰ পৰা ৩১ ডিচেম্বৰ, ১৯৪০ লৈকে) পঞ্চদশ সংখ্যাৰ পৰা *জয়ন্তী*ৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰিছিল গিৰীশ চন্দ্ৰ বৰুৱাই। বাকী চাৰে তিনি বছৰ কালৰ সম্পাদক আছিল ৰঘুনাথ চৌধাৰী। ৰঘুনাথ চৌধাৰী সম্পাদিত *জয়ন্তী*ৰ অন্তিম সংখ্যাটো প্ৰকাশ পায় ১৯৪২ চনৰ অক্টোবৰত (কাতি, ১৮৬৪ শক)। ইয়াৰ পাছত এবছৰ কাল *জয়ন্তী*ৰ প্ৰকাশ বন্ধ হৈ থাকে। কমলনাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য্যৰ যুটীয়া সম্পাদনাত *জয়ন্তী*ৰ ষষ্ঠ বছৰৰ (প্ৰগতিশীল জয়ন্তী প্ৰথম বছৰৰ) প্ৰকাশ আৰম্ভ হয় ১৯৪৩ চনৰ নৱেম্বৰৰ (আঘোণ, ১৮৬৫ শক) পৰা। ৰঘুনাথ চৌধাৰী সম্পাদিত *জয়ন্তী* প্ৰথমতে আছিল 'সচিত্ৰ পযেকীয়া আলোচনী', পঞ্চম বছৰৰ প্ৰথম-দ্বিতীয় যুক্ত সংখ্যাৰ পৰা হ'ল 'মাহেকীয়া আলোচনী' আৰু ষষ্ঠ বছৰ প্ৰথম সংখ্যাৰ পৰা নতুন সম্পাদকৰ তত্ত্বাৱধানত ই হৈ পৰিল 'চৰৈৱেতি চৰৈৱেতি' মূলমন্ত্ৰ লৈ প্ৰকাশ পোৱা 'সাহিত্য-সংস্কৃতিমূলক' মাহেকীয়া আলোচনী।

পযেকীয়া *জয়ন্তী*ৰ ২৩×১৭.৫ বৰ্গ ছেঃমিঃ জোখৰ বেটুপাতৰ ওপৰৰ পিনে ৮ ছেঃমিঃ ঠাইত জে. বৰুৱাই অঙ্কন কৰা চিত্ৰ ঃ উমানন্দ টিলাৰ সৈতে ব্ৰহ্মপুত্ৰ, দূৰৈত সূৰ্য্যোদয়, ইপাৰত ম'হৰ শিঙা বজোৱা কিশোৰ আৰু গোটেই দৃশ্যৰ ওপৰত ডাঙৰ হৰফত আলোচনীখনৰ নাম 'জয়ন্তী' অঙ্কিত। তলৰ পিনে, বেটুপাতৰ বাকী অংশত ছপোৱা হৈছে— 'কাকতৰ জান জাননী', অৰ্থাৎ বিজ্ঞাপন। 'জাননী' নাথাকিলে সেই ঠাই দখল কৰে মহৎ গ্ৰন্থ (যেনে— *নামঘোষা*) বা মহৎ লোকৰ বাণীয়ে। কেতিয়াবা তাত মহৎ লোকৰ ছবিও ছপোৱা হয় (যেনে— ৫ম বছৰৰ ৭ম সংখ্যাত— কাতি, ১৮৬৪, মহাত্মা গান্ধীৰ ছবি ছপোৱা হৈছে।) প্ৰগতিশীল *জয়ন্তী*ৰো প্ৰথম ছটা সংখ্যাৰ (৬ষ্ঠ বছৰ, ৬ষ্ঠ সংখ্যালৈ) বেটুপাতত সামান্য পৰিৱৰ্তন কৰি উক্ত ছবি অৰ্থাৎ পযেকীয়া *জয়ন্তী*ৰ বেটুপাতৰ চিত্ৰটিকে ছপোৱা হৈছিল। বেটুপাতত বিজ্ঞাপনো ছপোৱা হৈছিল। কিন্তু সপ্তম-অষ্টম যুক্ত সংখ্যাটোৰ পৰা বেটুপাতত দেখা যায় ৩/২/৪৪ তাৰিখে শিল্পী 'ইন্দ্ৰ'ই আঁকা পূৰ্ণ পৃষ্ঠাজোৰা মন আকৰ্ষণ কৰা চিত্ৰ ঃ হাতত প্ৰজ্বলিত বন্তি আৰু ত্ৰিৰঙ্গ পতাকা লৈ এহাল দম্পতী আগুৱাই গৈছে ঘাঁহ-শিলেৰে ভৰা পথেৰে। দ্বি-বস্ত্ৰা নাৰীৰ প্ৰসাৰিত বাঁও হাতত প্ৰজ্বলিত বন্তি, সোঁহাত গিৰীয়েকৰ কঁকালত।পুৰুষজনৰ হাতত আছে ভাৰতৰ যঁতৰ অঙ্কিত জাতীয় পতাকা। ওপৰৰ পিনে সোঁ চুকত কাকতখনৰ নামাঙ্কিত হৈছে।

বেটুপাতৰ এই প্ৰতীকী চিত্ৰই জ্ঞানৰ আলোকেৰে উদ্ভাসিত হৈ দেশবাসীয়ে প্ৰগতি পথত খোজ দিয়াৰ সপোনকে প্ৰকাশ কৰিছে। যঁতৰৰ অঙ্কিত পতাকাই ইতিমধ্যে চলি থকা দেশৰ স্বাধীনতা সংগ্ৰামৰ প্ৰতি জয়ন্তীৰ সমৰ্থনৰ কথাকে সুঁৱৰিছে। উল্লেখযোগ্য যে *জয়ন্তী*ৰ পৰৱৰ্তী সকলোবোৰ সংখ্যাৰ বেটুপাতত এই চিত্ৰ ছপোৱা হৈছিল।

"সময়ৰ লেখেৰে প্ৰগতিশীল *জয়ন্তী* নৱেম্বৰ, ১৯৪৩ৰ পৰা এপ্ৰিল, ১৯৪৬লৈ এই দুই বছৰ পাঁচ মাহ কাল জীয়াই আছিল। সংখ্যাৰ হিচাপত মুঠ ২৯টা সংখ্যা ওলাব লাগিছিল, কিন্তু ওলাইছিল মাত্ৰ ১৬টা সংখ্যাহে। ষষ্ঠ বছৰ (১৯৪৩-৪৪) অৰ্থাৎ প্ৰগতিশীল ৰূপৰ প্ৰথম বছৰত প্ৰকাশ পাইছিল মুঠ ১০টা সংখ্যা এই বছৰত দুটা যুক্ত সংখ্যা ওলায় ঃ ৭ম + ৮ম আৰু ১০ম +১১শ। কিন্তু, প্ৰধানতঃ মহাযুদ্ধই সৃষ্টি কৰা কাগজৰ অনাটনৰ বাবে ৭ম বছৰত (প্ৰগতিশীল ৰূপত দ্বিতীয় বছৰত) *জয়ন্তী*প্ৰকাশ তেনেই অনিয়মীয়া হৈ পৰে। ১৯৪৫ চনটোত প্ৰকাশ পায় মাত্ৰ তিনিটা সংখ্যা। সেইদৰে ১৯৪৬ চনতো (এপ্ৰিললৈকে) মুঠ তিনিটা সংখ্যা প্ৰকাশ পোৱাৰ পাছত হঠাতে সম্পাদক কমলনাৰায়ণ দেৱৰ মৃত্যু হোৱাত ইয়াৰ প্ৰকাশ একেবাৰে বন্ধ হৈ যায়। কমলনাৰায়ণ দেৱৰ মৃত্যুৰ পাছত চক্ৰেশ্বৰ ভট্টাচাৰ্য্যই আলোচনীখন বৰ্তাই ৰাখিবলৈ চেষ্টা চলায় যদিও তেওঁ সফল নহ'ল।"[৪] ৰঘুনাথ চৌধাৰী সম্পাদিত পযেকীয়া জয়ন্তীৰ নিময়ীয়া লেখক শুক্লেশ্বৰ বৰাৰ সম্পাদনাত স্বাধীনোত্তৰ কালত, ১৯৫২ চনৰ অক্টোবৰৰ (কাতি, ১৮৭৪ শক) পৰা মাহেকীয়া জয়ন্তী পুনৰ প্ৰকাশ আৰম্ভ হয়। কিন্তু ই আগৰ গৰিমা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম নহ'ল।

জয়ন্তীৰ সংঘাতপূৰ্ণ জীৱন কালত পাঁচজন সম্পাদকৰ দ্বাৰা আলোচনীখন সম্পাদিত হয়। কিন্তু অসমীয়া সাহিত্যত 'যুগ' সৃষ্টিৰ কৃতিত্ব কেৱল দুগৰাকী সম্পাদকৰ— কমলনাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য্যৰ। কিয়নো, সময়ৰ আহ্বানৰ প্ৰতি লক্ষ্য ৰাখি এই দুগৰাকী সম্পাদকে অলীক কল্পনাৰ মায়াজাল গুঁঠা ৰোমাণ্টিকতাৰ বিৰোধিতা কৰি অসমীয়া সাহিত্য ক্ষেত্ৰলৈ প্ৰথমবাৰৰ বাবে প্ৰগতিশীল আৰু বাস্তৱতাৰ ঢল আনে। ফলত অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগৰ অন্ত পৰে, আৰম্ভ হয় প্ৰগতিশীল সাম্যবাদী সাহিত্যৰ যুগ। লগতে *জয়ন্তী*য়ে এক শক্তিশালী প্ৰগতিশীল সাম্যবাদী সাহিত্যিক গোষ্ঠীৰো সৃষ্টি কৰে। *জয়ন্তী*ৰ পদাঙ্ক অনুসৰণ কৰি হেম বৰুৱাই ১৯৪৮-৪৯ *পছোৱা* 'জয়ন্তী'ৰ ভূমিকা আছিল ব্যতিক্ৰম। *জয়ন্তী*ৰ প্ৰথম সম্পাদক ৰঘুনাথ চৌধাৰীয়ে সম্পাদনাৰ উপৰিও সমান্তৰালভাৱে নিজৰ ঘৰত বৈঠকী কৰি ন-পুৰণি লেখকসকলক সাহিত্য সৃষ্টিৰ বাবে প্ৰদান কৰা অনুপ্ৰেৰণাৰ ফলশ্ৰুতিত সৃষ্টি হৈছিল 'প্ৰগতি সমিতি' নামৰ এটি সংস্থা। প্ৰফুল্ল দত্ত গোস্বামীয়ে সেই বৈঠকীৰ স্মৰণত উল্লেখ কৰি গৈছে। ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি সম্পাদক চৌধাৰীৰ অসমৰ ভাষা-সাহিত্য-সমাজৰ প্ৰতি থকা সচেতনশীলতা আৰু গভীৰ দায়িত্ব তথা কৰ্তব্যবোধ। জয়ন্তীলৈ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই আগবঢ়োৱা আশীৰ্বাদ এই প্ৰসঙ্গত প্ৰণিধানযোগ্য— "ইশ্বৰে জয়ন্তীৰ কুশল কৰক। সুযোগ্য কবি সাহিত্যিক চৌধাৰীৰ হাতত সি দীৰ্ঘায়ু হৈ, তাৰ যহ অসমৰ চৌপাশে বিয়পি পৰক। আৰু যেন তাৰ গ্ৰাহক-পাঠকসকলকো তাৰ বৰঙণি ফেৰা সোনকালে কাকতৰ গৰাকীলৈ পঠিয়াই দিবলৈ সুমতি দিয়ক।"

জয়ন্তী আলোচনীৰ দীর্ঘস্থায়িত্বৰ লগতে অসমত প্রসাৰতা লাভ কৰি এক জাগৰণ আনিব পাৰে সেয়া যেন বেজবৰুৱাৰ লগতে সমগ্র অসমবাসীৰ কাম্য আছিল। অসমীয়া ভাষা-সাহিত্যৰ জগতলৈ নতুন চিন্তা আৰু সম্পৰীক্ষাৰ ঢল বোৱাই অনাটো *জয়ন্তী*ৰ অন্যতম লক্ষ্য আছিল। *জয়ন্তী*য়ে আবেগিক ভাবোচ্ছ্বাসক প্রশ্রয় দিয়া নাছিল, বৰং নির্মোহভাৱেই সমসাময়িক জাতীয় তথা আন্তর্জাতিক ঘটনা প্রবাহৰ মূল্যায়ন কৰিবলৈ যত্ন কৰিছিল। ১৯৩৮ চনৰ ২ জানুৱাৰীত প্রকাশিত *জয়ন্তী*ৰ প্রথমটো সংখ্যাতে সম্পাদকে কাকতখনৰ দৃষ্টিভঙ্গী পৰিষ্কাৰ কৰি দি সম্পাদকীয় শৰাইত এনেদৰে কৈছিল— "*জয়ন্তী*য়ে কোনো দল-সম্প্রদায়ৰ বা ব্যক্তি-বিশেষৰ আলধৰী হ'ব নোখোজে, খোজে ন্যায়, সত্যৰ আদর্শ লৈ প্রগতিৰ বার্তাবাহিকা হ'বলৈ; অসমৰ এই সন্ধিক্ষণত ক্ষুদ্রস্বার্থ বা আত্মম্ভৰিতাৰ উপসর্গ লৈ, কিম্বা সামান্য অবিবেচনা বা উতনুৱা স্বভাৱৰ প্রশ্রয় লৈ আমাৰ মাজত যথেষ্ট ভেদনীতিৰ বৰবিহ প্রয়োগ কৰা হৈছে, এই বিহ জাৰি সমাজক ৰোগমুক্ত কৰাহে একান্ত আৱশ্যক।"

অসমৰ প্রতিটো জটিল ৰাজনৈতিক সমস্যা সমাধানৰ অর্থে অনুকূল জনমত সৃষ্টি কৰাটো *জয়ন্তী*ৰ ঘোষিত লক্ষ্য আছিল। কোৱা বাহুল্য যে, *জয়ন্তী*য়ে অসমীয়া সমাজৰ বৈষয়িক উন্নয়নৰ দিশটোৰ প্রতি আৱম্ভণিৰে পৰা গুৰুত্ব দিছিল। কোনো এক জাতিৰ সাংস্কৃতিক বিকাশৰ লগতে যে বৈষয়িক শ্রীবৃদ্ধি অর্থাৎ অর্থনৈতিক স্বনির্ভৰশীলতাৰ প্রশ্নটো নিবিড়ভাৱে জড়িত সেই কথা *জয়ন্তী*য়ে সততে মনত ৰাখিছিল। অসমৰ কৃষি সমস্যা, বেহা-বেপাৰ তথা পুঁজিৰ সমস্যা লৈ *জয়ন্তী*ত নিয়মিতআলোচনা হৈছিল। স্থানীয় সমস্যাৰ প্রতি এনে মনোযোগৰ বাবেই *জয়ন্তী*য়ে ৰাজনীতিক একেবাৰে এলাগী বুলি ভাবিব পৰা নাছিল। এনে সচেতনতাই *জয়ন্তী*ৰ সাহিত্য ৰচনাকো ধীৰে ধীৰে এক স্বতন্ত্র পৰিচয় দান কৰিবলৈ ধৰিছিল। অসমৰ পমুৱা প্রব্রজনক কেন্দ্র কৰি তেতিয়া উত্তেজনাপূর্ণ পৰিস্থিতিৰ সৃষ্টি হৈছিল। সম্পাদকীয় স্তম্ভত তাৰ ইঙ্গিত আছে—

"বহুতে চেঞ্চাছ ৰিপর্ট চাই আৰু অসমলৈ বিদেশীৰ সমাগমৰ সোঁত দেখি বিস্ময় মানিছে আৰু আতঙ্কিত হৈছে।... এনে নহয় বৰং আমাৰ পমুৱাসকলকো আমাৰ নিজৰ কৰি লৈ এটা বিৰাট জাতি ৰূপে মূৰ দাঙি উঠিব পাৰিম... ভাৰতৰ এক প্রান্তত পর্ব্বত-অৰণ্যানিৰে আগুৰি থকা জনবিৰল অসমলৈ বাহিৰৰ পৰা প্রবল জনস্রোত ইতিপূর্ব্বৰ পৰা এইদৰে বৈ আছে, ই আজিৰ কথা নহয়; 'চেঞ্চাছ' লোৱা প্রথা থকাহেঁতেন বুৰঞ্জীয়ে এই সত্য প্রমাণ কৰি দেখুৱালেহেঁতেন।"

সম্পাদকে সকীয়াই দিছিল এইবুলি যে বর্তমানৰ তীব্র পৰিৱর্তনৰ যুগত অসমীয়া জাতিৰো সন্ধিক্ষণ উপস্থিত হৈছে আৰু এই সন্ধিক্ষণত কোনো অসমীয়াই তেওঁৰ দেশ আৰু জাতিৰ প্রতি কর্তব্য পাহৰা উচিত নহয়। *জয়ন্তী*য়ে পমুৱাৰ পৰা ৰক্ষা কৰচ হিচাপে লাইন প্রথা অব্যাহত ৰখাৰ পক্ষেই থিয় দিছিল। কিন্তু সম্পাদকীয় স্তম্ভত কোৱা হৈছিল যে "লাইন প্রথা অব্যাহত ৰাখিবলৈ কংগ্রেছৰ তৰফৰ পৰা আৱশ্যকীয় প্রমাণাদি দর্শোৱা উচিত হ'ব— এনেই টেঁটু ফালি চিঞৰিলে বা কাকতত তীব্র উত্তেজনামূলক প্রবন্ধ লিখিলেই লাইন ৰক্ষা নহ'ব।"

বৃটিছাধীন অসমত যেতিয়া ছাদুল্লাৰ ঠাইত বৰদলৈৰ নেতৃত্বত মন্ত্রীসভা গঠিত হ'ল, সেই মন্ত্রীসভাৰ প্রতিও সম্পাদকে সময়োচিত সকীয়নি দিবলৈ দ্বিধাবোধ কৰা নাই—

"ক্ষমতা নোপোৱালৈকে কংগ্রেছৰ কাম অপেক্ষাকৃতভাৱে উজু আছিল— কাৰণ কংগ্রেছৰ মূৰত তেতিয়া শাসকৰ দায়িত্ব পৰা নাছিল। বৰ্জন, অসহযোগ আদি ধ্বংসমূলক কামত কংগ্রেছে পীড়িত আৰু বিৰক্ত জনসাধাৰণৰ মন সহজে আকর্ষণ কৰিব পাৰিছিল; কিন্তু শাসক আৰু সংগঠনত কংগ্রেছ প্রবৃত্ত হোৱা মাত্রকে তাৰ দায়িত্ব ভালেমান গুণে বাঢ়ি গ'ল। সেই দায়িত্ব শুৱলাকৈ ল'ব নোৱাৰিলে বিৰক্ত জনসাধাৰণে কংগ্রেছক কেতিয়াও শ্রদ্ধা কৰিব নোৱাৰে; প্রজাৰ বিৰক্ত বাঢ়িহে যাব আৰু বৃটিছৰ দায়িত্ববিহীন শাসন পদ্ধতি ধ্বংস কৰিবলৈ কংগ্রেছে ৰাইজৰ মাজত যি জুই জ্বলাইছিল সেই জুইৰে ৰাইজে কংগ্রেছকেই ধ্বংস কৰিব। 'বালীলৈ যি পাট শৰ সুগ্রীবলৈয়ো সেই পাট শৰ' বুলি কথাতেই কয়।"

জয়ন্তী কোনো সম্প্রদায়ৰ মুখপাত্র হ'ব খোজা নাছিল। সেয়ে *জয়ন্তী*য়ে মুছলিম লীগৰ ভেদবাদী ৰাজনীতিৰ প্রতিবাদ কৰিছিল মুকলিভাৱে। মুছলিম লীগৰ নাছিল কোনো অর্থনৈতিক কার্যসূচী। সেয়েহে তেওঁলোকৰ সাধাৰণ মুছলমানক আগবঢ়াই নিয়াৰ পৰিকল্পনাও নাছিল। সম্পাদকীয় স্তম্ভত বৰ সুন্দৰকৈ সেই বিষয়ে বিশ্লেষণ কৰা হৈছে।

মুছলিম লীগৰ ভেদবাদী নীতি আৰু বৃটিছৰ কুটিল ৰাজনীতিৰ সঙ্গমস্থলীৰ সন্ধেদ *জয়ন্তী*য়ে যিদৰে আৰিষ্কাৰ কৰিছে, তেনেদৰে আন্তর্জাতিক ক্ষেত্রত ফেচীবাদী শক্তিৰ উত্থান আৰু পৰিণতিৰ ৰূপৰেখাও *জয়ন্তী*য়ে সঠিকভাৱেই অঙ্কন কৰিব পাৰিছিল। *জয়ন্তী*ত এনে বহু ৰচনা প্রকাশ পাইছে, যি কেৱল *জয়ন্তী*ৰ ঐতিহ্য মাথোঁ নহয়, অসমৰ বৌদ্ধিক ইতিহাসৰো গৌৰৱোজ্জ্বল অধ্যায় বুলি অভিহিত কৰিব পাৰি। *জয়ন্তী* প্রকাশৰ আগডোখৰত সমগ্র বিশ্বতে অভূতপূর্ব পৰিস্থিতিৰ উদ্ভৱ হৈছিল। জার্মানীৰ শাসনভাৰ হিটলাৰৰ হাতলৈ যোৱাৰ পিছত, হিটলাৰে তেওঁৰ আগ্রাসী শক্তি সমগ্র বিশ্বতে খটুৱাবলৈ যত্ন কৰিছিল। আনহাতে, ইটালীতো মুছোলিনীয়ে একেই ক্ষমতা প্রয়োগ কৰি লিখিছে যে ধনী ৰাষ্ট্রসমূহৰ প্রধান শত্রু হৈছে সাম্যবাদ, সেয়ে ফেচীবাদী কায়দাৰে এই দেশসমূহে পৃথিৱীলৈ অশান্তি নমাই আনিব খোজে যাতে, সাম্যবাদৰ প্রভাৱ বিস্তাৰ লাভ কৰিব নোৱাৰে। ইন্দিবৰ গগৈয়ে প্রবন্ধৰ যোগেদি সেই বিষয়টো দাঙি ধৰিছে। হিটলাৰৰ ফেচীবাদী ভূমিকাৰ লগত বৃটিছৰ সম্পর্কৰ আঁতডাল বৰ সুন্দৰভাৱে গগৈয়ে একোটা প্রবন্ধৰ মাজেৰে অৱলোকন কৰিছে। এনে প্রসঙ্গতে জিতেন্দ্রনাথ দাসৰ 'ফেচীজিমৰ স্বৰূপ' প্রবন্ধটো উল্লেখযোগ্য। যোগেন্দ্র নাৰায়ণ চৌধুৰী ৰচিত 'জার্মানীত য়িহুদীৰ উৎপীড়ন'। 'হিটলাৰ আৰু ভৱিষ্যৎ জার্মানী', 'জার্মানী আর্য্যত্ব', 'ব্রিটেইন ইটালী'ৰ সন্ধি শীর্ষক প্রবন্ধ উল্লেখযোগ্য। এনে প্রবন্ধৰ মাজেৰে সমসাময়িক বিশ্বৰ ৰাজনৈতিক সমস্যাই *জয়ন্তী*ৰ পাতত প্রকাশ লাভ কৰিছে।

*জয়ন্তী*ৰ সাম্রাজ্যবাদ, ফেচীবাদবিৰোধী স্থিতিয়ে যিদৰে আমাক আকর্ষণ কৰে সেইদৰে ধর্ম, বিজ্ঞান, সাম্প্রদায়িকতা, কুসংস্কাৰ কুপ্রথা আদিৰ বিষয়েও প্রকাশ কৰা সময়োচিত যুক্তিনিষ্ঠ ৰচনা আৰু মতামতেও আমাক আকর্ষণ কৰে। নৰেন্দ্র নাথ শর্মাৰ 'চভীয়েট ৰুছীয়া' প্রবন্ধত সাম্যবাদৰ গুণ-গৰিমা প্রকাশ কৰাৰ লগতে ধর্মৰ নামত প্রচলিত নানা ব্যাভিচাৰ আৰু অপকর্মই কেনেদৰে উন্নতিৰ পথত প্রতিবন্ধকতাৰ সৃষ্টি কৰে সেই বিষয়ে উল্লেখ কৰিছে। ৰবীন্দ্রনাথ নবীচে এই বিষয়টো ভাৰতীয় পটভূমিত বিচাৰ কৰি যুক্তিযুক্ততাৰে আলোচনা আগবঢ়াইছে। জমিৰুদ্দিন

আহমেদ ৰচিত 'ভাৰতৰ স্বাধীনতা সংগ্রাম আৰু সাম্প্রদায়িক সমস্যা' প্রবন্ধত অতি সূক্ষ্ম বিচাৰ-বিশ্লেষণেৰে ভাৰতৰ সাম্প্রদায়িক সমস্যাৰ উদ্ভৱ আৰু বৃটিছসকলৰ কূটনীতিৰ বিষয়ে ফঁহিয়াই চোৱাৰ যত্ন কৰা হৈছে। লেখকে মুছলমান শাসনৰ যুগলৈও উভতি গৈ বিষয়টো জুকিয়াই চাইছে। স্বাধীনতা আন্দোলনৰ প্রেক্ষাপটত লেখকৰ মতামত নিঃসন্দেহে গুৰুত্বপূর্ণ বিবেচিত হ'ব। লেখকে নিশ্চিত আছিল যে হিন্দু মুছলমানৰ যৌথ শক্তিৰে বিদেশী শক্তিক পৰাভূত কৰি আঁতৰ কৰিব নোৱাৰিলে সাম্প্রদায়িকতাকো বিসর্জন দিয়া সম্ভৱ নহয়। 'অসাম্প্রদায়িক অসম' প্রবন্ধত তেওঁ অসমলৈ মুছলমানসকলৰ আগমন আৰু হিন্দু-মুছলমানৰ সম্প্রীতিৰ ঐতিহ্যৰ বিষয়ে উল্লেখ কৰিছে। তেওঁ আন আন লেখকসকললৈও আহ্বান জনাইছে— "যি সাহিত্যই আমাৰ জাতি গঠনত সহায় কৰিব পাৰে, ক্ষুদ্র স্বার্থযুক্ত সাম্প্রদায়িকতাৰ গণ্ডি ভাঙি সমুদায় জাতিটোক উন্নতি পথত আগুৱাই নিব পাৰে, পু�ৰণি অসমৰ দৰে একতাবদ্ধ কৰিব পাৰে, তেনে সাহিত্যহে যেন তেওঁলোকৰ লিখনিৰ পৰা জিলিকি উঠে।"

সাম্প্রদায়িকতাৰ বিৰুদ্ধে স্বচ্ছ ভূমিকা লোৱা *জয়ন্তী*য়ে স্বাভাৰিকতে বিজ্ঞানৰ অগ্রগতিক আদৰণি জনাইছিল। বৈজ্ঞানিক আৱিষ্কাৰসমূহে কিদৰে আমাৰ সভ্যতাক ত্বৰান্বিত কৰিছে *জয়ন্তী*য়ে তাৰ লেখ দিছে। কিন্তু বিজ্ঞানৰ ফল সাধাৰণ মানুহে ভোগ কৰিব পাৰিছেনে? বিজ্ঞানক কুক্ষিগত কৰি ৰাখিছে পুঁজিপতি শ্রেণীটোৱে যাৰ পৰিণতিত বিজ্ঞান নিয়োজিত হৈছে এই শ্রেণীটোৰ বিষময় স্বার্থত। *জয়ন্তী*ত সদানন্দ দাসে তাৰ এক বিশ্লেষণ তুলি ধৰিছে 'আধুনিক সমাজ আৰু ব্যক্তি' প্রবন্ধত। তেওঁ 'বিপ্লৱ' নামৰ আন এক প্রবন্ধত 'পুঁজিতন্ত্র' বা 'Capitalism'ৰ বিষাত্মক দিশবোৰৰ বিষয়ে আলোচনা কৰিছে। কার্ল মার্ক্সৰ চিন্তাধাৰাই সূক্ষ্ম সমাজতন্ত্রৰ আদর্শৰে মানৱৰ সামাজিক জীৱনলৈ এক অভিনৱ বিপ্লৱ আনিছে। গোবিন্দৰাম দাসে প্রাচীন ৰীতি-নীতি তথা কু-প্রথা আদিৰ গ্রহণ আৰু বর্জনৰ দিশটো বৰ সুন্দৰকৈ ফহিয়াই চাইছে তেওঁৰ 'নৈতিক বলৰ প্রগতি' প্রবন্ধত। তেওঁ প্রবন্ধটোত উল্লেখ কৰিছে—

"মানুহক মানুহ হিচাপে গণ্য কৰিলেই অনেক কু-প্রথা ৰহিত হোৱাটো সম্ভৱ। তেনে কৰিব গ'লেই সমাজগত, জাতিগত, বংশগত, শ্রেণীগত, শ্রেষ্ঠত্ব বিসর্জন দিব লাগিব।চন্দ্র বৰুৱাৰ প্রবন্ধটোত তাৰ উল্লেখ পোৱা যায়।"

জয়ন্তী সমসাময়িক অসমীয়া সাহিত্যৰ ধাৰা, অসমীয়া সাহিত্যৰ প্রসঙ্গ, ভাষা আৰু সংস্কৃতিৰ আলোচনাৰ উপৰিও কবিতা, গল্পৰ লগতে বুৰঞ্জী, সাহিত্যও আছিল *জয়ন্তী*ৰ এক সমৃদ্ধ বৈশিষ্ট্য। *জয়ন্তী*ৰ সম্পাদকীয়ত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু চন্দ্রকুমাৰ আগৱৱালাৰ প্রতি শ্রদ্ধা নিবেদন কৰা হৈছে— "লক্ষ্মীনাথ আছিল অসমীয়া সাহিত্যৰ অপ্রতিদ্বন্দ্বী অধিনায়ক আৰু চন্দ্রকুমাৰৰ কবিতা আছিল ভাবে গঢ়া অসমীয়া।""সাহিত্য সমস্যা' শীর্ষক প্রবন্ধত সুৰেন্দ্র মোহন দাসে সাহিত্যৰ লগত বাস্তৱৰ অনিবার্য সম্পর্ক অৱলোকন কৰি লিখিছে— "মানৱ সমাজত আজি বহুতো সমস্যাৰ উদ্ভৱ হৈছে।ৰাষ্ট্র সমস্যা, বনুৱা সমস্যা,অর্থ সমস্যা, নাৰী সমস্যা, সমাজ সমস্যা, বিবাহ সমস্যা ইত্যাদি।এই সমস্যাবোৰেআমাক চঞ্চল কৰিছে।এই সকলো সমস্যাই সাহিত্যত বস্তুতন্ত্রতা নামে অভিহিত হৈছে। সমস্যাৰ সাহিত্য বস্তুতন্ত্রতাৰে অঙ্গ, কাৰণ আমাৰ

সমস্যাবোৰ বাস্তৱ আৰু জীৱন্ত। আজিৰ বাস্তৱতাৰ সাহিত্য অর্থে বিশেষকৈ সমস্যাৰ সাহিত্য বুলিয়ে বুজিব লাগিব। কাৰণ বস্তুতন্ত্ৰ-সাহিত্যত আর্থিক, নৈতিক, সামাজিক, ৰাজনৈতিক আদি সমস্যাৰ আলোচনা হয়।" তেওঁ বাস্তৱমুখী আধুনিক সাহিত্যৰ পৃষ্ঠপোষকতা কৰিছে। ৰায়হান শ্বাহ নামৰ লেখক গৰাকীয়ে আধুনিকতাৰ নামত অপসংস্কৃতিৰ আমদানিক লৈ নিজৰ মত এনেদৰে ব্যক্ত কৰিছে— "প্ৰতিভাৰ নামত, ব্যক্তিত্বৰ নামত, বাস্তৱবাদৰ নামত, আধুনিক সাহিত্যত যি অপৰূপ বস্তুৰ আমদানি চলিব লাগিছে সি হৈছে ৰুচিৰ লগত ব্যাভিচাৰ মাথোন।এই ৰুচিৰ বিকাৰেই হৈছে বর্তমানৰ সাহিত্য সৌষ্ঠৱপূর্ণ কৰাত সকলোতকৈ ডাঙৰ অন্তৰায়। অৱশ্যে অসমীয়া সাহিত্যত বাস্তৱবাদে এতিয়াও তেনে দুৰন্ত ৰূপে দেখা দিয়াহি নাই... বাস্তৱবাদ প্ৰকৃততে কোনো ঘৃণ্য বস্তু নহয় কিন্তু তাৰ অপব্যৱহাৰে চিৰকাল সাহিত্যৰ স্বাস্থ্য নষ্ট কৰি আহিছে। মাখন প্ৰসাদ দুৱৰাই সাহিত্যৰ ভূমিকা বিৱৰি লিখিছে, "সাহিত্য জাতীয় সম্পদ। জাতীয় উন্নতি অধোগতিৰ লগত সাহিত্যৰ উন্নতি অধোগতি জড়িত।" হৰেন্দ্ৰনাথ বৰুৱাই সাহিত্যিকৰ দায়িত্ববোধৰ কথাকে সোঁৱৰাই দিছে, "অহিতকৰ নহ'লেও সমাজৰ বিশেষ হিতকৰ নোহোৱা দুটা নতুন মনস্তাত্ত্বিক মতবাদ প্ৰকাশ কৰাতকৈ যেন আমাৰ লিখকসকলৰ লিখনিত ৰূপায়িত হৈ উঠে—"আমাৰ অগণিত নৰ-নাৰীৰ দৈন্য-দুর্ভিক্ষ, অত্যাচাৰ, অবিচাৰ, সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক বৈষম্য কলঙ্ক, গ্লানি আৰু আৱর্জনা আৰু সেইবিলাকৰ পৰা যেন আমি আন্ধাৰত আলোক পোৱাৰ দৰে লাভৱান হওঁ।" লীলা দেৱী আৰু সত্যপ্ৰসাদ বৰুৱাই যুগ্ম ৰচনাত সমালোচনা সাহিত্যৰ লক্ষ্য স্থিৰ কৰিছে যে, "কোনো বিশেষ সাহিত্যিকৰ সাহিত্য সমালোচনা কৰোঁতে সমালোচকৰ প্ৰধান লক্ষ্য থাকিব লাগে সেই যুগৰ ওপৰত, যি যুগত সেই সাহিত্যিকে দেখা দিয়ে আৰু সেই সাহিত্যিক-সমালোচনা কৰিবলৈ যাওঁতে আমাৰ প্ৰধান আলম হ'ব লাগিব সেই যুগৰ মূল গতি তাৰ নীতি-নিয়ম।" কবিতাৰ ভাব-ভাষা, প্ৰকাশশৈলী সম্পর্কেও *জয়ন্তীত* সুন্দৰ ৰচনাৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। তাৰে ভিতৰত গণেশ গগৈৰ কবিতাৰ সম্পর্কত প্ৰমীয়ে আগবঢ়োৱা মূল্যায়ন প্ৰণিধানযোগ্য—

"প্ৰকাশভঙ্গীৰ ঐশ্বর্য নাথাকিলে কোনো লিখিত কবিতাই পৰিপূর্ণতা লাভ কৰিব নোৱাৰে। আকৌ ভাব আৰু ছন্দৰ মিল নহ'লেও কবিৰ আবেগে ভালকৈ ৰূপ নাপায় আৰু ৰস সঞ্চাৰ কৰিব নোৱাৰে। সৌন্দর্যৰ পূর্ণ ছবি আঁকাটো বৰ টান কাম। গগৈদেৱৰ কবিতাবোৰ পঢ়ি এইটো ক'ব পাৰি যে তেওঁ এই বিষয়ত সিদ্ধহস্ত হৈছিল। বিশেষকৈ তেওঁৰ শ্ৰেষ্ঠ কবিতাকেইটাত ভাব আৰু ছন্দৰ এনে অপূর্ব সমন্বয় ঘটিছে যে তাৰ অর্থ আৰু সৌন্দর্য অনুভৱ কৰিবলৈ অধ্যাৱসায় নিচেই কমহে লাগে। তেওঁৰ কবিতাৰ ভাষা নিমজ, সৰল আৰু গতি মৃদু, তৰল।"

*জয়ন্তী*ৰ প্ৰথমবর্ষৰ পৰা ধাৰাবাহিকভাৱে নিজস্ব মনোৰম গদ্যশৈলীৰে জনপ্ৰিয়তা অর্জন কৰা প্ৰসিদ্ধ সাহিত্যিক মহেশ্বৰ নেওগ অন্যতম। লক্ষ্মীনাথ বেৰুৱাৰ জীৱন বৃত্তান্ত শীর্ষক তেওঁৰ ৰচনাৱলীয়ে হয়তো বেজবৰুৱাৰ জীৱন সম্পর্কীয় প্ৰথম প্ৰণালীবদ্ধ ৰচনা। অসমীয়া সাহিত্যৰ বুৰঞ্জী সম্পর্কীয় তেওঁৰ আন এক উল্লেখযোগ্য ৰচনা হ'ল— "অসমীয়া সাহিত্য আৰু অসমীয়া সাহিত্যসেৱা।"এই ৰচনাখনে অসমীয়া সাহিত্যৰ গতিধাৰাৰো এক ৰেঙনি তুলি ধৰিছে— "স্বৰূপ কথাত ক'বলৈ গ'লে, বৈষ্ণৱ ভাৱেই অসমীয়া সাহিত্যৰ ঘাই প্ৰাণস্বৰূপ।... হেমচন্দ্ৰ বৰুৱাই

কৰা সংস্কৃত আৰু অসমীয়া শব্দৰ 'দুগ্ধ মধু' সংমিশ্রণ এটি অনুকৰণীয় বস্তু। ফুকনৰ ভাষাই গুণাভিৰামৰ বিবিধ লিখাৰ ভিতৰেদি সময়ৰ সোঁততে আগবাঢ়ি হেমচন্দ্রৰ ৰচনাত এটি আদর্শ গঢ় লয়হি। হেমচন্দ্রৰ ৰচনা-ৰীতিয়েই আজিৰ সাহিত্যৰ যুগপ্রৱর্তক লক্ষ্মীনাথ বেজবৰুৱাৰ আদর্শ আছিল।... শঙ্কৰী যুগৰ পিছত লক্ষ্মীনাথৰ এই যুগটোৱেই অসমীয়া সাহিত্যৰ দ্বিতীয় সোণালী যুগ।... বেজবৰুৱাই শঙ্কৰদেৱৰ সাহিত্য সাগৰত জাঁপ দি তাক এনেভাৱে উদ্‌ঘাটন কৰাত লাগিছে যে, তেওঁ পাৰলৈ দলিয়াই দিয়া অমূল্য ৰত্নবিলাক পাইছে অসমীয়াই নিজৰ ঐশ্বর্য-শক্তি ভালকৈ অনুভৱ কৰিব পাৰিছে।"

ইয়াৰ উপৰি সাহিত্য-সংস্কৃতিমূলক আৰু অনেক লেখাই *জয়ন্তী*ৰ সমৃদ্ধিত অৰিহণা যোগাইছিল। সেইবোৰৰ ভিতৰত ত্রৈলোক্যনাথ গোস্বামীৰ 'জীৱনৰ ওপৰত কবিতাৰ প্রভাৱ', ধর্মদত্ত শর্মাৰ 'গল্প লিখকৰ কৃতকার্যতা', মাখন প্রসাদ দুৱৰাৰ 'সাহিত্য সম্বন্ধে দুটিমান টোকা', হৰেন্দ্র নাথ বৰুৱাৰ 'ক'লা আৰু সাহিত্য কলা', সদানন্দ দাসৰ 'সাহিত্য সমালোচনা' আৰু সমাজ আৰু সাহিত্য', দেৱেশ্বৰ চলিহাৰ 'লেখা প্রণালী', 'ৰায়হান শ্বাহৰ 'অসমত ছায়াচিত্রৰ ব্যৱসায়', ৰাজমোহন নাথৰ 'বিহু উৎসৱ', সত্য প্রসাদ বৰুৱাৰ 'মহাপুৰুষ মাধৱদেৱ', লৱনাথ শর্মা খাউণ্ডৰ 'ব্যাকৰণত পাণিনি'— আদি উল্লেখযোগ্য।

*জয়ন্তী*ৰ পাতত বুৰঞ্জীৰ আলোচনাই সম্ভ্রম বঢ়াইছিল। বিশেষকৈ অসম বুৰঞ্জীৰ কেইবাটাও দিশত আলোকপাত কৰি ৰাজমোহন নাথ, নকুল চন্দ্র ভূঞা, ভুবন চন্দ্র সন্দিকৈ, বেণুধৰ শর্মা, আনন্দ চন্দ্র আগৰৱালা আদি লেখকসকলে বুৰঞ্জী সাহিত্যৰ সমৃদ্ধিত অৰিহণা আগবঢ়াইছিল।

*জয়ন্তী*ৰ প্রথম বর্ষত প্রকাশিত কবিতা আৰু গল্পইও *জয়ন্তী* আলোচনীক এক বিশেষ আয়তন প্রদান কৰে। জোনাকী যুগত অসমীয়া কাব্য সাহিত্যই লাভ কৰা চহকী পৰম্পৰা *জয়ন্তী* আলোচনীয়েও অব্যাহত ৰাখে। ভাব-ভাষা, ছন্দ আদি দিশত *জয়ন্তী*ৰ কবিতাই জোনাকী যুগৰ ৰোমাণ্টিক কবিতাৰ ভাবাৱেগৰ তথা আবেদনৰ পৰা আঁতৰি আহে যদিও ৰোমাণ্টিকতাৰ অৱশেষ *জয়ন্তী*ৰ পাততো অনুভূত হয়। সমসাময়িক সামাজিক, ৰাজনৈতিক, অর্থনৈতিক পৰিস্থিতিয়ে সৃষ্টি কৰা জাতীয়তাবোধ, মানৱতাবোধ, বিদ্রোহী চেতনা কবিতাৰ বিষয় হৈ পৰিছিল। অৱশ্যে কবিতাৰ আঙ্গিকত যুগৰ প্রভাৱ তেতিয়াও স্পষ্ট হৈ আছিল। *জয়ন্তী*ৰ পাতত আধুনিক কবিতাই স্থিতি লাভ কৰিছিল ১৯৪৩ৰ পিছৰ পর্যায়ৰ *জয়ন্তী*তহে। প্রথম বর্ষত জয়ন্তীৰ পাতত কেইবাগৰাকীও ন-পুৰণি কবিয়ে আত্মপ্রকাশ কৰিছিল। সেইসকলৰ ভিতৰত— নলিনীবালা দেৱী, হিতেশ্বৰ বৰবৰুৱা, ৰত্নকান্ত বৰকাকতী, পদ্মনাথ গোহাঞিবৰুৱা, নীলমণি ফুকন, অতুল চন্দ্র হাজৰিকা, বিনন্দ চন্দ্র বৰুৱা, ভবানন্দ ৰাজখোৱা, উমেশ চন্দ্র চৌধুৰী, প্রসন্নলাল চৌধুৰী, আনন্দিৰাম দাস, ধনচন্দ্র দাস, কীর্তিনাথ শর্মা বৰদলৈ, হৰেন্দ্র নাথ বৰুৱা, মহেশ্বৰ নেওগ, মোহনলাল চৌধুৰী, শৈলেন্দ্র নাথ ফুকন, সদানন্দ দাস, অনিৰুদ্ধ চৌধুৰী, শশীকান্ত গগৈ, প্রভাত চন্দ্র বৰুৱা, কৃপাল চন্দ্র শর্মা, আনন্দৰাম হাজৰিকা, চৈয়দ আব্দুল মালিক, বদন চন্দ্র বৰুৱা, বসন্ত কুমাৰ বৰুৱা, আফতাব হুছেইন, কৃষ্ণ ভূঞা, লাৱণ্যপ্রভা দেৱী, দুলাল চন্দ্র বৰপূজাৰী, নেত্রধৰ

শইকীয়া, লক্ষ্মীনাৰায়ণ চাহু, ইন্দিবৰ গগৈ, অম্বেশ্বৰ চেতিয়া ফুকন, মহম্মদ ৰায়হান শ্বাহ আদি। ইয়াৰে কেইগৰাকীমানে গীতহে প্ৰকাশ কৰে। গল্পকাৰসকলৰ ভিতৰত— চক্ৰেশ্বৰ ভট্টাচার্য্য, চৈয়দ আব্দুল মালিক, দীননাথ শর্মা, ইন্দিবৰ গগৈ, কৃষ্ণ ভূঞা, প্ৰতিমা দেৱী, মনুষ্যত্ব বৰুৱা আদি।

কবিসকলৰ বাক্যধাৰাত যদিও *জোনাকী*ৰপ্ৰভাৱ সুস্পষ্ট কিন্তু কবিতাৰ ভাব আৰু ছন্দত পৰিৱৰ্তনৰ ৰূপটি লক্ষ্য কৰা যায়। ৰোমাণ্টিক যুগৰ কবিতাৰ ছন্দৰীতিয়ে কবিয়ে বিচাৰি উলিয়াইছে যুগৰ আহ্বান। সেয়ে কবিতাত বাস্তৱতাই প্ৰকাশ লাভ কৰিছে।

জয়ন্তী যুগৰ গল্পত যিদৰে ৰোমাণ্টিক ভাবধাৰাৰ পৰশ পৰিছে তেনেদৰে সমাজ চেতনাৰো উন্মেষ হৈছে। *জোনাকী*য়ে অসমীয়া চুটিগল্পৰ জন্ম দিলে। *আৱাহনে* অসমীয়া চুটিগল্পক গঢ়ি-পিটি প্ৰতিষ্ঠা কৰিচিল। *জয়ন্তী*আলোচনীতো কেইবাগৰাকী লেখকে সার্থক গল্প ৰচনাৰে *জয়ন্তী*ৰ গল্প সাহিত্যৰ সমৃদ্ধিত অৰিহণা আগবঢ়ায়। তাৰে ভিতৰতে— চৈয়দ আব্দুল মালিকৰ 'জীৱন আৰু জগত', দীননাথ শর্মাৰ 'নিয়তিৰ বিচাৰ, জিলি, চিত্ৰভানু চৌধুৰীৰ 'বাস্তৱ অভিনয়', চক্ৰেশ্বৰ ভট্টাচার্য্যৰ 'ৰণভূমিৰ একোণত', কৃষ্ণ ভূঞাৰ 'লেডী ডাক্তৰ' আদি গল্পই একোজন সার্থক গল্পকাৰৰ প্ৰতিশ্ৰুতি কঢ়িয়াই আনিছিল। চক্ৰেশ্বৰ ভট্টাচার্য্যৰ গল্প মহাচীনৰ জাগৰণৰ পটভূমিত ৰচিত। জয়ন্তীৰ প্ৰকাশিত গল্পত সমাজ সংস্কাৰ তথা প্ৰগতিশীলতাই কিদৰে প্ৰৱেশ কৰিছে তাৰ দুটা উৎকৃষ্ট নিদর্শন হ'ল মনুষ্যত্ব বৰুৱাই লিখা 'প্ৰগতি' গল্পটো। গল্পটিৰ অন্যতম চৰিত্ৰ 'উমেশে' বন্ধু ভৱেনক কৈছে— "ভাই ভবেন। আমি কেইজনমানে এটা প্ৰগতি লিখক সংঘ অর্থাৎ Progressive Writer's Association স্থাপন কৰোঁ বুলিছোঁ। তুমি তাত সহযোগিতা কৰিবা নে।"

আন এগৰাকী নাৰী চৰিত্ৰৰ মুখত এনেদৰে সংলাপ দিয়া হৈছে— "কি কৰিবা বুলু' পুৰুষৰ ৰুচি, পুৰুষৰ ইচ্ছা-পৰিচালনামতে চলিও আকৌ পিছ মুহূর্ততে আমাৰ সৰহভাগৰ ভাগ্যত এনে দুৰৱস্থা। পুৰুষে আমাক তিৰোতাৰ বিশ্বাস নাই বুলি ইতিকিং কৰে; কিন্তু পুৰুষবিলাকৰ এইবোৰ ভণ্ডামি নহয়নে?... যদি তিৰোতাই দুজন মুনিহৰ আগত ওলাই নিঃসঙ্কোচে মুকলিভাৱে দুষাৰ কথা কোৱাটোও তেওঁলোকৰ সহ্য নহয়; তেন্তে তেওঁলোকে প্ৰগতিবাদীৰ... নাৰী প্ৰগতিৰ সমর্থকৰ ভাও দিবলৈ যায় কিয়?"

*জয়ন্তী*ত খণ্ড খণ্ডকৈ প্ৰকাশ পাইছিল আনন্দ চন্দ্ৰ আগৰৱালাৰ *অৰুন্ধতীৰ উপাখ্যান*। ইয়াৰ উপৰি নিয়মীয়া শিতানত আছিল— 'ৰংঘৰ' শিতানত খেল-ধেমালি আৰু চিত্ৰজগতৰ বতৰা, 'ছাত্ৰ মহল'ত দেশ-বিদেশৰ জ্ঞানৰ সঁফুৰা তুলি ধৰা হৈছে। নানা বা-বাতৰিও পৰিৱেশন কৰিছিল এই শিতানত। তদুপৰি 'পুথি-ঠগা' শিতানতো মাজে-সময়ে গ্ৰন্থৰ সমালোচনা আগবঢ়োৱা হৈছিল। অন্যান্য জাতীয় সঙ্কটৰ প্ৰসঙ্গও সম্পাদকীয় স্তম্ভত তুলি ধৰা হৈছিল। এনেদৰে *জয়ন্তী* আলোচনীখনৰ বিভিন্ন শিতানত বিভিন্ন বিষয় প্ৰকাশ কৰি পাঠক সমাজৰ হাতত তুলি দিয়া হৈছিল। নিঃসন্দেহে জয়ন্তীয়ে অসমীয়া পাঠকক নতুনভাৱে চিন্তা কৰিবলৈ প্ৰেৰণা যোগাইছিল।

পাঠকক বাস্তৱৰ মুখামুখি কৰি দিবলৈ প্ৰয়াস কৰিছিল। *জয়ন্তী*ক'বলৈ গ'লে হৈ পৰিছিল এখন 'চিন্তা মঞ্চ'। এই চিন্তা মঞ্চখনেই পিছৱটো দশকত বিস্তাৰ লাভ কৰিছিল অসমৰ সমাজ জীৱনত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ জয়ন্তী যুগ সৃষ্টি তথা সাহিত্যৰাজিৰ ঐতিহাসিক প্ৰেক্ষাপট সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

(১০০টা শব্দৰ ভিতৰত)



চিন্তা-চৰ্চা কৰক-৮.১

জয়ন্তী আলোচনীখনত সন্নিৱিষ্ট শিতানসমূহ কি কি আৰু ইয়াত প্ৰকাশিত বিষয়বস্তুসমূহৰ এখন তালিকা প্ৰস্তুত কৰক। ইয়াৰ বাবে আপুনি হোমেন বৰগোহাঞিৰ আৰু পৰমানন্দ মজুমদাৰে সঙ্কলন-সম্পাদনা কৰা *জয়ন্তী*আৰু হোমেন বৰগোহাঞি সম্পাদিত *অসমীয়া সাহিত্যৰ বুৰঞ্জী* ষষ্ঠ খণ্ড আধাৰ গ্ৰন্থ হিচাপে গ্ৰহণ কৰিব।

৮.৪ জয়ন্তী আৰু অসমীয়া সাহিত্য

*আৱাহন*ৰ পিছতে অসমীয়া সাহিত্যত স্বমহিমাৰে আত্মপ্ৰকাশ কৰা এখন আলোচনী হ'ল *জয়ন্তী*(১৯৩৮ চনৰ ২ জানুৱাৰী)। *আৱাহন*ৰ মহিমা সময়ৰ আহ্বানত ক্ৰমে ক্ৰমে স্তিমিত হোৱাৰ আগৰে পৰা 'সচিত্ৰ পযেকীয়া আলোচনী' *জয়ন্তী*য়ে অসমীয়া পাঠক-সমাজত প্ৰসাৰতা লাভ কৰে। কেশৱকান্ত বৰুৱাৰ দ্বাৰা প্ৰতিষ্ঠাপিত আৰু ৰঘুনাথ চৌধাৰীৰ দ্বাৰা সম্পাদিত এই "সচিত্ৰ প্ৰগতিশীল জাতীয়তাবাদী পযেকীয়া আলোচনী আৰু সংবাদ-পত্ৰ"খনে চল্লিশৰ দশকটো আৰম্ভ হোৱাৰ পূৰ্বে দুটা বছৰ সম্পূৰ্ণ কৰিছিল। *জয়ন্তী*ৰ তৃতীয় বছৰৰ প্ৰথম সংখ্যাটোৰেই(১৯৪০ চনৰ ১৫ জানুৱাৰী) চল্লিশৰ দশকৰ অসমীয়া ভাষা-সাহিত্যৰ পথাৰখনত নতুন আঁচ এটা জুৰিব পাৰিলেহেঁতেন; কিন্তু সেয়া হৈ উঠা নাছিল একাধিক কাৰণত। সম্পাদক ৰঘুনাথ চৌধাৰীয়ে আলোচনীখনৰ দ্বিতীয় বছৰৰ চতুৰ্দশ (১৯৩৯ চনৰ ১৮ আগষ্ট) সংখ্যাৰ পৰা সম্পাদনাৰ দায়িত্ব এৰি দিয়ে— সম্পাদক চৌধাৰীয়ে নিজে কোৱা মতে "তেওঁৰ আৰু *জয়ন্তী*ৰ অধ্যক্ষৰ মাজত কিছুমান বিষয়ত মতানৈক্য ঘটাত।" দ্বিতীয় বছৰৰ পঞ্চদশ সংখ্যাৰ পৰা *জয়ন্তী*ৰ সম্পাদক হ'ল গিৰীশ চন্দ্ৰ বৰুৱা আৰু সহকাৰী সম্পাদক হ'ল কৰুণাকান্ত গগৈ। কবি চৌধাৰীৰ বিচ্ছেদজনিত কাৰণটোৱে আলোচনীখনৰ স্বাভাৱিকতে সাময়িক আৰু আংশিকভাৱে হ'লেও নিশকতীয়া কৰিছিল। আৰ্থিক দিশতো *জয়ন্তী*ৰ অৱস্থা টনকিয়াল নাছিল। গ্ৰাহকসকলৰ পৰা প্ৰাপ্যৰ বৰঙণি নোপোৱাটোৱে আছিল সেই অৱস্থাৰ মুখ্য কাৰণ। অৱশ্যে *জয়ন্তী*ৰ পঞ্চম বছৰত (১৯৪২)ৰ পৰা গ্ৰাহকৰ সংখ্যা যথেষ্ট বৃদ্ধি পায়। এই বৃদ্ধিৰ মূলতঃসম্পাদক হিচাপে ৰঘুনাথ চৌধাৰীৰপ্ৰত্যাৱৰ্তনো হ'ব পাৰে। ১৯৪১

চনৰ ১৪ জানুৱাৰী (৪র্থ বছৰ ১ম সংখ্যাৰ পৰা ৰঘুনাথ চৌধাৰী *জয়ন্তীৰ* পুনৰ সম্পাদক হয়। দশকটোৰ আৰম্ভণিতে *জয়ন্তী* নিশকতীয়া হোৱাৰ অন্যান্য কাৰণ এটা হ'ল— "যুদ্ধৰ কাৰণে কাগজৰ মূল্য বৃদ্ধি হোৱাত আৰু লগে লগে আনুষঙ্গিক আন আন বস্তুবিলাকৰ দামো অসম্ভৱ ৰূপে বঢ়াত *জয়ন্তীৰ* অস্তিত্বই সঙ্কটত পৰে। সহকাৰী সম্পাদক কৰুণাকান্ত গগৈও তৃতীয়টো বছৰতে *জয়ন্তীৰ* পৰা আঁতৰি যায়। মৌলিক লেখকৰ অভাৱেও *জয়ন্তীক* দুর্বল কৰি তুলিছিল। *জয়ন্তীয়ে* প্রধানকৈ বিচাৰিছিল (১) অসমীয়া সাহিত্যত হাস্যৰস প্রকাশ কৰিব পৰা ৰচনা, (২) অসমত শিল্প প্রতিষ্ঠান সম্পর্কীয় চিন্তা উদ্রেককাৰী প্রবন্ধ আৰু (৩) অসমত কাপোৰৰ কলৰ সম্ভাৱনা সম্পর্কীয় লেখা। অসমত কুঁহিয়াৰ খেতি, চেনি শিল্প আৰু কেঁচামালৰ যোগান সম্পর্কীয় প্রবন্ধৰ বাবে আলোচনীখনৰ প্রায় প্রতিটো সংখ্যাতে সম্পাদকে জনোৱা আহ্বানৰ পৰা অসমৰ আর্থিক উন্নয়নৰ প্রতি *জয়ন্তীয়ে* যে গুৰুত্ব আৰোপ কৰিছিল সেই কথা জানিবপাৰি। কিন্তু এনে প্রত্যাশাৰ বিপৰীতে 'অপঁইতা বয়সৰ অপৈণত চিন্তাত বোলছবি আৰু বটতলা নভেলৰ অশ্লীল প্রভাৱ' পৰা কাহিনী আৰু কবিতাহে *জয়ন্তীয়ে* পাইছিল প্রচুৰ। অসমীয়া পণ্ডিত তথা বিদ্বৎ সমাজৰ মানসিক জঠৰতা দশকটোত বাৰুকৈয়ে প্রকাশ পাইছিল। 'অসম অনুসন্ধান সমিতি'ৰ কনকলাল বৰুৱা সম্পাদিত গৱেষণামূলক আলোচনী *Journal of the Assam Research Society*খনেও প্রবন্ধৰ অভাৱ অনুভৱ কৰিছিল দুখ লগাকৈ। সেই বিষয়টোলৈকো *জয়ন্তীৰ* দৃষ্টি আছিল প্রখৰ— "আমাৰ দেশত শিক্ষিত, বিশ্ববিদ্যালয়ত উপাধিধাৰী কীর্তিমন্তৰ সংখ্যা কম নহয়। অথচ ত্রিশ-চল্লিশ পিঠিৰ এখন তিনিমহীয়া পত্রিকা পূৰাবলৈ গৱেষণামূলক প্রবন্ধৰ নিমিত্তে আমি এতিয়াও বিদেশীৰ মুখাপেক্ষী।"

গৱেষণামূলক প্রবন্ধ *জয়ন্তীৰ* যথেষ্ট পৰিমাণে প্রকাশ পাইছিল। প্রত্নতাত্ত্বিক ৰাজমোহন নাথৰ গৱেষণামূলক লেখাসমূহ আছিল *জয়ন্তীৰ* এবিধ অমূল্য সম্পদ। উপেন্দ্রচন্দ্র লেখাৰুৰ ৰামায়ণ সাহিত্য সম্পর্কীয় অধ্যয়নেও *জয়ন্তীক* গাম্ভীর্য প্রদান কৰিছিল। সোণাৰাম চৌধুৰী, সর্বেশ্বৰ কটকী, ডিম্বেশ্বৰ নেওগ, ভাৰত চন্দ্র দাস, কালিৰাম মেধি, জ্ঞানানন্দ জগতী, যতীন্দ্র নাথ গোস্বামী, সদানন্দ চলিহা, মোহনচন্দ্র মহন্ত, গকুল চন্দ্র গোস্বামী আদিৰ বিভিন্ন বিষয়ক চিন্তা উদ্রেককাৰী প্রবন্ধৰ প্রকাশনে প্রতিটো সংখ্যাতে জয়ন্তীৰ আকর্ষণ অটুট ৰাখিছিল। প্রবন্ধ সম্ভাৱেৰে *জয়ন্তী* যিমান গধু�ৰ আছিল, উপাদেয় গল্পৰ যথেষ্ট অভাৱ আছিল। *জয়ন্তীত* গল্প ৰচনা কৰি যিকেইগৰাকীয়ে সফল গল্পকাৰ হিচাপে অসমীয়া সাহিত্যিক প্রসিদ্ধি লাভ কৰিছিল তাৰ ভিতৰত হ'ল— ত্রৈলোক্য নাথ গোস্বামী, ৰাধিকামোহন গোস্বামী আৰু চৈয়দ আব্দুল মালিকৰ নাম স্মৰণীয়। গল্পৰ ক্ষেত্রত এনে এক সঙ্কটৰ পৰিস্থিতি সৃষ্টি হৈছিল যে আলোচনীখনৰ পঞ্চমটো বছৰত 'মেনেজাৰে' এনেদৰে ঘোষণা কৰিছিল— "অসমীয়া সাহিত্যত গল্পই যাতে বিশিষ্ট স্থান অধিকাৰ কৰিব পাৰে, তাৰ বাবে *জয়ন্তীত* বেছিভাগ গল্প প্রকাশ কৰিবলৈ স্থিৰ কৰা হৈছে। এই গল্পসমূহত প্রেমিক-প্রেমিকাৰ হা-হতাশাতে আবদ্ধ নাথাকি সামাজিক, আধ্যাত্মিক, ৰাজনৈতিক, পৌৰাণিক, ঐতিহাসিক আদি জাতিৰ আৱশ্যকীয় বিষয় হোৱা বাঞ্ছনীয়।" লগতে অকল যুৱক-যুৱতীৰ প্রেমালাপ লৈয়ো গল্প নহয়' বুলিও স্পষ্টভাৱে সোঁৱৰাই দিয়া হৈছিল। প্রতিটো সংখ্যাৰ শ্রেষ্ঠ গল্প আৰু শ্রেষ্ঠ প্রবন্ধ লেখক দুজনক পাঁচ টকাকৈ পাৰিতোষিক দিয়াৰ ব্যৱস্থা কৰাটোও

চল্লিশৰ দশকৰ আলোচনী এখনৰ বাবে অতি গুৰুত্বপূর্ণ। প্রসঙ্গক্রমে উল্লেখযোগ্য যে ত্রিশৰ দশকতো (দ্বিতীয়টো বছৰতে) *জয়ন্তীয়ে* 'ভাল হাঁহিৰ গল্প' আৰু 'ভৌতিক গল্প'ৰ বাবেও "৩ টকা বা সেই মূল্যৰ উপহাৰ আগবঢ়োৱাৰ কথা ঘোষণা কৰিছিল; ঘোষণা কৰিছিল 'আটাইতকৈ ভাল ফটো' পঠোৱাজনক নগদ ৩ টকা বা সেই মূলৰ উপহাৰ আৰু 'আনসকলৰ ফটো' প্রকাশ হ'লে খনে ১ টকাকৈ" দিয়াৰ কথাও।"

জয়ন্তীৰ কবিতা শিতানটো সমৃদ্ধ হৈছিল নীলমণি ফুকন, অতুল চন্দ্র হাজৰিকা, উমেশচন্দ্র চৌধাৰী, বীৰেন্দ্রনাথ বৰকটকী, আব্দুছ ছাত্তাৰ, নাৰায়ণ বেজবৰুৱা, জমিৰুদ্দিন আহমদ, মেঘৰাম পাঠক আদিৰ ৰচনাৰে। কিন্তু এইসকল কবিৰ গতানুগতিক চিন্তা আৰু কল্পনাৰ বিৰুদ্ধে *জয়ন্তীত* পোন প্রথমবাৰৰ বাবে বিৰক্তি প্রকাশ কৰিলে উমা শর্মাই তেওঁৰ 'কবিৰ প্রতি' নামৰ কবিতাত। যুগৰ পৰিৱর্তন ঘটাৰ লগে লগে কবিতাৰ অৱলম্বন-উপাদানো যে প্রথানুগত হৈ থকা অনুচিত, সেই কথাকে তেওঁ প্রকাশ কৰিলে কবিতাটোত—

কবি, মহান ভুলত পৰিছা তুমি।
তাহানিৰ দৰে সুনীল আকাশে
আছেনে আজিও আকাশ চুমি?
আজিও দেখোন উষাৰ গালত
প্রণয় চুমাৰ হেঙুলি ৰেখা?
আজিও জাগেনে পদুম পাহিৰ
সূৰুযক দেখি মিলন-তৃষা?
... ...
নাই জগতত মৰম চেনেহ
নাই জগতত মাধুৰীৰ লেখ
আছে জগতত শোষণ অত্যাচাৰ
আৰু দৰিদ্রৰ মাথো হাহাকাৰ।

শর্মাৰ বিৰক্তিৰ প্রতিক্রিয়া *জয়ন্তীৰ* পাততআশানুৰূপভাৱে প্রকাশ নাপালে; কিন্তু কবিতা ৰচনাৰ দিশত নতুনৰ দাবীটো এইখন আলোচনীৰ পাততে প্রথমবাৰৰ বাবে উত্থাপিত হ'ল বুলিব লাগিব। কেৱল সেয়ে নহয়, আলোচনীখনৰ চতুর্থ বছৰৰ অষ্টম সংখ্যাত প্রকাশিত সুৰেন্দ্র মোহন চৌধুৰীৰ 'বা-মাৰলী' শীর্ষক কবিতাটোৰ জৰিয়তে অসমীয়া কবিতাৰ ক্ষেত্রখনত *জয়ন্তীয়ে* নতুন ৰচনা-ৰীতি বা অঙ্গীকৰো আভাস দিব পাৰিলে। সুৰেন্দ্র মোহন চৌধুৰীৰ কবিতাটোৰ আংশিক উদ্ধৃতি তলত উদ্ধৃত কৰা হ'ল—

কোনোবা কাল ফাগুনৰ শেষ নিশা
মহাসাগৰৰ বুকুত
চাইক্লোনত থৰকি উঠা জাহাজৰ দৰেই
শিহৰি যায়, কঁপি উঠে, উদ্বেলিত হয়

ফুলনিৰ কুমলীয়া ফুল
বা-মাৰলিৰ প্ৰেমৰ বিলাসিতাত।

একেটা সংখ্যাতে পোন প্ৰথমবাৰৰ বাবে প্ৰকাশ পোৱা চক্ৰেশ্বৰ ভট্টাচাৰ্য্যৰ কবিতা এটাতো (ফুল) নতুনত্বৰ আভাস আছে—

ফুলনিৰ আলসুৱা ফুল কলি
বা-মাৰলিৰ প্ৰণয়ৰ ঘূৰণি পাকত
সৰি পৰে। দৰদী কবি হিয়া
সোঁৱৰণৰ দৰ্শন বিচাৰি
ব্যাকুল হয়, ফুল জানো বিস্মৃত?

কবিতাৰ ক্ষেত্ৰতে মাথোঁ নহয়, সামগ্ৰিকভাৱে অসমীয়া সাহিত্যৰ সকলো দিশতে পৰিৱৰ্তনকামী ধ্যান-ধাৰণাও প্ৰকাশ পাইছিল *জয়ন্তী*ৰ চতুৰ্থটো বছৰতে। "মুঠতে আজি প্ৰগতি সাহিত্য লাগে; দেশে এটা বিদ্ৰোহৰ কাৰণে প্ৰস্তুত হ'বলৈ বিচাৰিছে। তাকে কৰিবলৈ হ'লে কি গল্প, কি প্ৰবন্ধ, কি কবিতা, সকলোতে এটা নতুন ভাব, নতুন চিন্তা, নতুন আদৰ্শৰ আৱশ্যক হৈছে; অসমীয়া জাতিৰ অন্তৰতএটা নতুন প্ৰেৰণাৰ সোঁত বোৱাব লাগিব।"এই কথাখিনি প্ৰকাশ পাইছে প্ৰভাত চন্দ্ৰ বৰুৱাৰ 'প্ৰগতি সাহিত্যৰ ধাৰা' শীৰ্ষক প্ৰবন্ধটোত। *জয়ন্তী*ৰ বুকুত নহ'লেও দশকটোৰ শেষৰ বছৰকেইটাত প্ৰকাশিত অন্যান্য আলোচনীত এনে অনুভৱৰ অভিব্যক্তিৰ মূলত যে *জয়ন্তী*ৰ অৰিহণা আছিল, সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। 'সমালোচনা' শিতানত গ্ৰন্থ পৰিচয়তো *জয়ন্তী*য়ে গুৰুত্ব দিছিল আৰু অভিনৱত্ব প্ৰকাশৰ প্ৰয়াস কৰিছিল। সহকাৰী শুক্লেশ্বৰ বৰাৰ 'চিকা চোৰাংচোৱাৰ গুপ্ত কথা' শিতানটো আছিল আলোচনীখনৰ প্ৰতিটো সংখ্যাৰে এটা বিশেষ আকৰ্ষণ।

অসমৰ জাতীয় জীৱনত দেখা দিয়া বিভিন্ন সমস্যাৰ ক্ষেত্ৰতো *জয়ন্তী*য়ে স্পষ্ট ভাষাত মাত মাতি আহিছে। ভাৰতৰ অন্যান্য প্ৰান্তৰ লোকসকলৰ প্ৰতি বিদ্ৰূপ মনোভাৱ *জয়ন্তী*ৰ নাছিল; আনহাতে হিন্দু মহাসভাৰ আলমত অসমত সাম্প্ৰদায়িক বিষবাষ্প বিয়পোৱা প্ৰচেষ্টাৰ বিৰোধী আছিল। অসম জাতীয় মহাসভাই বিচৰা ভাষা-বৰ্ণ বিয়পোৱা প্ৰচেষ্টা বিৰোধী আছিল। অসম জাতীয় মহাসভাই বিচৰা ভাষা-বৰ্ণ-সম্প্ৰদায় নিৰ্বিশেষে অসমত বসবাস কৰা সকলো লোকৰ সমন্বয়ত অসমীয়া জাতি এটা অসমৰ ভিতৰতে গঢ়ি উঠাটো বিচাৰিছিল *জয়ন্তী*য়ে। তেতিয়াৰ হাইস্কুলবোৰত চলি থকা অসমীয়া শিক্ষাৰ অব্যৱস্থাতো *জয়ন্তী*য়ে মাত মাতিছিল। কানীয়াবোৰৰ চিকিৎসাৰ যথোচিত প্ৰতিবিধান ল'ব লাগে; অসমৰ বিশ্ববিদ্যালয় শ্বিলঙত হ'ব নোৱাৰে, গুৱাহাটীতহে হ'ব লাগিব; ১৯৪১ চনৰ লোকপিয়ল কেৱল ৰাজনৈতিক উদ্দেশ্য লৈ হৈছে; অসম সাহিত্য সভাত ফাট মেলিছে।" এনে ধৰণৰ সকলো সমস্যাৰ বেলিকা *জয়ন্তী* আছিল উৎকৰ্ণ, উৎকণ্ঠ আৰু উত্তপ্ত।

কিন্তু যুদ্ধৰ বাবে কাগজ দুৰ্লভ হৈ পৰাত *জয়ন্তী*ৰ প্ৰকাশ চতুৰ্থ বছৰৰ শেষৰ তিনিটামান সংখ্যা অনিয়মীয়া হৈ পৰে। আলোচনীখনৰ বৰঙণিও বৃদ্ধি কৰিবলগীয়া হয়। পূৰ্বৰ বছৰেকীয়া

বৰঙণি চাৰি টকাৰ পৰিৱর্তে পাঁচ টকা আৰু ছমহীয়া বৰঙণি দুটকা চাৰি অনাৰ পৰিৱর্তে দুটকা বাৰ অনালৈ। পঞ্চমটো বছৰত *জয়ন্তী*য়ে পযেকীয়া ৰূপ এৰি মাহেকীয়া ৰূপ ল'বলগীয়া হয়। তাৰ মূলত, ৫ম বছৰৰ ১ম-২য় সংখ্যাত সম্পাদকে নিবেদন কৰা মতে "অসমীয়া জাতিৰ উদাসীনতা আৰু অৱজ্ঞা।" *জয়ন্তী*য়েই তেতিয়া একমাত্র অসমীয়া সচিত্র পযেকীয়া আলোচনী। প্রতিষ্ঠাতা কেশৱকান্ত বৰুৱাই "বছৰে বছৰে কেইবা হাজাৰো টকা ক্ষতিগ্রস্ত হৈ" চতুর্থ বছৰতে *জয়ন্তী*ৰ সাম্ভাব্য 'শেষ বিদায়'ৰ কথা ঘোষণা কৰিবলগীয়া হৈছিল। পাঠক সমাজো আছিল বৌদ্ধিক দিশত অনগ্রসৰ। অধিকাংশ পাঠকে গৱেষণামূলক উচ্চ সাহিত্যতকৈ গল্প আদি লঘু পাঠ্য পঢ়িহে তৃপ্তি পায়। "যুদ্ধৰ বিভীষিকাৰ বাবে তেতিয়া গুৱাহাটী নগৰো প্রায় জনশূন্য।" এনেবোৰ অৱস্থাই পঞ্চমটো বছৰত *জয়ন্তী*ক তেনেই নিশকতীয়া কৰি পেলাইছিল। কিন্তু ১৯৪৩ চনৰ নৱেম্বৰৰ পৰা *জয়ন্তী*ৰ সম্পাদনাৰ দায়িত্ব বহন কৰে কমলনাৰায়ণ দেৱ আৰু চক্রেশ্বৰ ভট্টাচার্য্যই। নতুন সম্পাদকৰ সম্পাদনাত জয়ন্তীয়ে পুনৰজন্ম লাভ কৰে। পূর্বৰ 'জাতীয়তাবাদী' ছাপটোও গাৰ পৰা গুচিল আৰু *জয়ন্তী* 'সাহিত্য-সংস্কৃতিমূলক মাহেকীয়া আলোচনী' হ'ল। বাণীকান্ত কাকতি, ভবানন্দ দত্ত, অমূল্য বৰুৱা, উগ্র কটকী, সত্যকাম, দেৱনাংপ্রিয়, হেম বৰুৱা, তৰুণীকান্ত শর্মা, চক্রেশ্বৰ ভট্টাচার্য্য আদি লেখাৰে আলোচনীখনে পঢ়ুৱৈৰ মনত নতুন আলোড়ন এটাৰ সৃষ্টি কৰিলে। বিশেষকৈ কবিতাৰ পথাৰখন নতুনকৈ চহাবলৈ শিকালে এই *জয়ন্তী*য়ে। "যুগ বিৰোধী, পৰম্পৰাগত, সঙ্কুচিত, গতানুগতিক কাব্যিক কুসংস্কাৰবোৰৰ প্রতি জলাঞ্জলি অর্পিত কৰি কাব্য ক্ষেত্রত চিৰকাল উপেক্ষিত অকিঞ্চিৎকৰ, নগণ্য,নতুন প্রতীকবোৰক লৈ নতুন প্রয়োগমালা স্থাপিত কৰিব লাগিব। এই নতুন নতুন প্রতীকবোৰৰ মাজেদি ফুটাই তুলিব লাগিব নির্যাতিত,উপেক্ষিত, লাঞ্ছিত, শোষিত, সর্বহাৰা, দুর্ভগীয়া জনগণৰ বাস্তৱিক ৰূপ, অসন্তুষ্ট আশা আৰু নিষ্পেষিত আকাংক্ষা।"

ষষ্ঠটো বছৰত *জয়ন্তী*য়ে কেৱল অসমীয়া পঢ়ুৱৈৰে নহয়, ভাৰতৰ অন্য প্রান্তৰ অনা-অসমীয়া পঢ়ুৱৈৰো সমাদৰ লাভ কৰিছিল। *জয়ন্তী*ত প্রকাশিত অসমীয়া প্রবন্ধৰ অনুবাদ হিন্দী ভাষাৰ *বিজুলী*, *তৰুণ*আদি কাকততো প্রকাশ পাইছিল। লাহোৰৰ *ৰূপম*কাকতত *জয়ন্তী*ৰ সমালোচনাও ওলাইছিল। আলোচনীখনৰ বাবে সেয়া এক বিশেষ কৃতিত্ব, কিন্তু অসমীয়া ভাষা-সাহিত্যৰ বাবে এই আলোচনীখনৰ ডাঙৰ সাফল্যটো হ'ল ৰোমাণ্টিক কল্পনাবিলাসৰ পৰা মুক্ত কৰি অসমীয়া কবিসকলক বাস্তৱতাৰ ওচৰ চপাই দিয়াটো। হোমেন বৰগোহাঞিৰ ১৯৫২ চনত প্রকাশ পোৱা এযাৰ কথাৰে ক'বলৈ গ'লে, "অপৰিণতভাৱে হ'লেও আধুনিক অসমীয়া কবিতাত *জয়ন্তী*য়ে এটা 'স্কুল'ৰ জন্ম দিয়ে আৰু সাম্প্রতিক অসমীয়া কাব্য আন্দোলন সেই স্কুলৰে দুই-এজনৰ সচেতন প্রচেষ্টাৰে ফল বুলিলেও অত্যুক্তি নহয়।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ জয়ন্তী যুগৰ সাহিত্যৰাজিৰ বিষয়বস্তু সম্পর্কে বহলাই আলোচনা কৰক। (১০০টা শব্দৰ ভিতৰত)



জানি থোৱা ভাল

জয়ন্তী যুগৰ সাহিত্যৰ পৰিপুষ্টিত অৰিহণা যোগোৱা সাহিত্যিকসকল আৰু তেওঁলোকৰ ৰচনাৰাজিৰ এখন তালিকা প্ৰস্তুত কৰক।ইয়াৰ বাবে আপুনি মহেশ্বৰ কলিতাৰ *চল্লিশৰ দশকৰ অসমীয়া কবিতা ঃ এটি সমীক্ষা* আৰু *অসমীয়া বাতৰিকাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস* গ্ৰন্থখনৰ সহায় ল'ব পাৰে।

৮.৫ জয়ন্তী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য তথা বিবিধ ধাৰা

অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত *জয়ন্তী*আলোচনীখনৰ ভূমিকা অতি তাৎপৰ্যপূৰ্ণ। আলোচনীখনৰ নামটোৰ দৰেই, তাৰ জন্মৰ প্ৰেক্ষাপট, লক্ষ্য-উদ্দেশ্য সকলোৰে আছে এক স্বকীয় ঐতিহ্য, বৈশিষ্ট্য তথা সুকীয়া সত্তা। তদুপৰি *জয়ন্তী*আলোচনীৰ নিয়মীয়া শিতানসমূহৰো এক স্বকীয় বৈশিষ্ট্য পৰিলক্ষিত হয়। সম্পাদকীয় শৰাই, ৰংঘৰ, ছাত্ৰমহল, সাহিত্য সমালোচনা, পুথি সমালোচনা, পযেকৰ বাতৰি আদি প্ৰতিটো শিতানত প্ৰকাশিত ৰচনাৰাজি তথা বাতৰিয়ে দেশ-বিদেশৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাহিত্য, খেলা-ধূলা আদি সামগ্ৰিক দিশকে সামৰি লৈছে। *জয়ন্তী* আলোচনীখনৰ এয়া এক একক তথা অনন্য ভূমিকা। ৰঘুনাথ চৌধাৰী সম্পাদিত *জয়ন্তীত* প্ৰকাশিত ৰচনাৰাজিৰ মাজত জাতীয়তাবাদী, Realism বা বাস্তৱবাদী দৃষ্টিভঙ্গীৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। প্ৰণিধানযোগ্য যে, *জয়ন্তীৰ* প্ৰথম সংখ্যাতে প্ৰসন্নলাল চৌধুৰীৰ 'নাঙলৰ গীত' নামৰ শ্ৰমজীৱী লোকৰ ঘাম আৰু ব্যথাৰ সংবাদ থকা বাস্তৱবাদী দৃষ্টিভঙ্গীৰ প্ৰকাশ সাৰ্থক কবিতাটি প্ৰকাশ হৈছিল। তৎকালীন ৰোমাণ্টিক বিস্তাৰ পৰ্বৰ ই আছিল এক ব্যতিক্ৰমী প্ৰয়াস। কিন্তু ৰঘুনাথ চৌধুৰীৰ সম্পাদিত *জয়ন্তীৰ* ৰচনাৰাজিৰ মাজত ফুটি উঠা বাস্তৱতা এটা সাহিত্য আন্দোলন স্বৰূপে চিহ্নিত নহ'ল কিয়নো আলোচনীখনৰ সৰহভাগ ৰচনাত পূৰ্বসূৰী আৰু সমসাময়িক ৰোমাণ্টিক সাহিত্যিকসকলৰ উচ্ছ্বাস আৰু ভাবাৱেগৰ দ্বাৰা প্ৰভাৱান্বিত আছিল। সমসাময়িক অসমীয়া কাকতৰ আদৰ্শহীনতা আৰু ব্যক্তিস্বাৰ্থ পূ�ৰণৰ বাবে তৎপৰ হোৱা প্ৰত্যক্ষ কৰি দুজন আদৰ্শবাদী তৰুণ লেখকে তাৰ বিৰুদ্ধে সংগ্ৰাম চলোৱাৰ মানেসেৰে *জয়ন্তী* আলোচনী নতুন ৰূপত প্ৰকাশ কৰে। 'নতুন ৰূপ' মানে হ'ল ৰঘুনাথ চৌধাৰীৰ *জয়ন্তীৰ* 'জাতীয়তাবাদী' ৰূপৰ পৰিৱৰ্তে সাম্যবাদী আদৰ্শৰ সমৰ্থক হিচাপে জয়ন্তীক সজাই তোলা হয়। এইদৰে জাতীয়তাবাদী *জয়ন্তী*প্ৰগতিশীল অৰ্থাৎ সাম্যবাদী হৈ পৰে।

প্ৰগতিশীল সাহিত্যৰ বিষয়বস্তু আৰু শৈলী কেনে হ'ব লাগে, তাক সম্পাদক কমলনাৰায়ণ দেৱে প্ৰগতিশীল *জয়ন্তীৰ* তৃতীয় সংখ্যাতে তৰুণ লেখকসকলক আৰ্হি সহিতে বুজাই দিবলৈ চেষ্টা চলাইছিল।উক্ত সংখ্যাটোত প্ৰকাশিত 'প্ৰগতিশীল কবিতাৰ টেক্‌নিক' নামৰ প্ৰবন্ধটিত তেওঁ লিখিছিল যে সাহিত্য যুগৰ উপযোগী হোৱা উচিত। তৰুণ লেখকসকলে পৰম্পৰাগত ভাব-ভাষা-ছন্দ-অলঙ্কাৰৰ মাজতআবদ্ধ হৈ নাথাকি সময় আৰু সমাজৰ প্ৰতি লক্ষ্য

ৰাখি নতুনৰ সন্ধান কৰা উচিত যাতে তেওঁলোকৰ ৰচনাত ফুটি উঠে নির্যাতিত আৰু শোষিত জনতাৰ জীৱনৰ স্বৰূপ।

সাহিত্যৰ পুৰণি 'প্রয়োগশালা'ত দীক্ষা লৈ সাহিত্য সৃষ্টি কৰাতকৈ যুগৰ ডাঙৰ অপমান বোধ হয় আৰু হ'ব নোৱাৰে। সংক্রান্তি কালৰ কবি-সাহিত্যিকসকলৰ অনুকৰণত অকল লুইত, নাৰৰীয়া, কেঁচা সোণ, ডালিমী, ফুলনি, চৰাই, নীৰৱ বীণা, কেতেকী, মানসী জলকুঁৱৰী, ফুলকোঁৱৰ, ৰূপকোঁৱৰ, সপোন সুন্দৰী, বিৰহী, বিহ্বান, নিৰাশা, অচিন পখী, অজান বাতৰি, অভিসাৰ, যৌন নিবেদন আদিক লৈ ব্যস্ত থকাটো নতুন সৃষ্টিধর্মী প্রতিভাৰ বাবে আত্মপ্রবঞ্চনা। এই যুগবিৰোধী পৰম্পৰাগত, সঙ্কুচিত, গতানুগতিক, কাব্যিক কুসংস্কাৰবোৰৰ প্রতি জলাঞ্জলি অর্পণ কৰি কাব্য ক্ষেত্রত চিৰকাল উপেক্ষিত অকিঞ্চিৎকাৰ, নগণ্য, নতুন প্রতীকবোৰক লৈ নতুন প্রয়োগশালা স্থাপিত কৰিব লাগিব। এই নতুন নতুন প্রতীকবোৰৰ মাজেদি ফুটাই তুলিব লাগিব নির্যাতিত, উপেক্ষিত, লাঞ্ছিত, শোষিত, সর্বহাৰা, দুর্ভগীয়া জনগণৰ বাস্তৱিক ৰূপ অসন্তুষ্ট আশা আৰু নিষ্পেষিত আকাংক্ষা।

এনেদৰে *জয়ন্তী* আলোচনীয়ে অসমীয়া সাহিত্যত এক নতুন চৰিত্র পৰিগ্রহ কৰে। অসমীয়া সাহিত্যক ৰোমাণ্টিক ভাবাৱেগৰ পৰা মুক্ত কৰি বিষয়বস্তু, প্রকাশভঙ্গী, ভাব-ভঙ্গী, ছন্দ আদি দিশত এক নতুনত্বৰ সূচনা কৰি সাহিত্যত এক জাগৰণ আনে। অসমীয়া সাহিত্যলৈ *জয়ন্তী*ৰ এই অভিনৱ অৱদান হ'লপ্রগতিশীল দৃষ্টিভঙ্গী তথা ভাবধাৰা। যিয়ে পৰৱর্তী সময়ছোৱাৰ পছোৱা আৰু ৰামধেনু যুগৰ সাহিত্য সৃষ্টিত ইন্ধন যোগায়। জয়ন্তী যুগৰ মূল বৈশিষ্ট্য হ'ল প্রগতিশীল ভাবধাৰা।

জয়ন্তী আলোচনীত প্রকাশিত ৰচনাৰাজিক ধাৰা হিচাপে প্রধানতঃ কবিতা, গল্প আৰু প্রবন্ধ, সাহিত্য সমালোচনা এনেদৰে বিচাৰ কৰিব পাৰি।

- **কবিতা ঃ** *জয়ন্তী*ৰ পাতত প্রকাশ পোৱা কবিতাবোৰত প্রথম পর্যায়ত দুটা ধাৰা দেখা যায়। প্রথম সংখ্যাত প্রকাশ হৈছিল অতুল চন্দ্র হাজৰিকাৰ 'গন্ধ মালতী' আৰু প্রসন্নলাল চৌধুৰীৰ 'নাঙল গীত'। 'গন্ধ মালতী' ৰোমাণ্টিক পৰম্পৰাৰ কবিতা আৰু 'নাঙলৰ গীত' বাস্তৱৰ তথা পীড়িত সমাজৰ ওচৰ চপা। প্রসন্নলাল চৌধুৰীয়ে 'নাঙল গীত'ত কৈছিল—

  দেশে দেশে একে কথা
  ঘাম উলিয়াই যেয়ে ভাত খায়
  সেয়ে প্রকাশিছে ব্যথা।
  কৃষাণে ইবাৰ বিষাণ বজায়
  নিচান উৰায়
  ৰাজ্য চলায়
  ভেদিছে মর্ম কথা
  বাই কাল চিত্ত মথা।

*জয়ন্তী*ৰ প্রথম সংখ্যাকেইটাত যিসকলৰ কবিতা প্রকাশ পাইছিল সেইসকলৰ

অন্যতম হ'ল— মহেশ্বৰ নেওগ, অতুলচন্দ্ৰ হাজৰিকা, নীলমণি ফুকন, বীণা বৰুৱা, প্ৰসন্নলাল চৌধুৰী, শশীকান্ত গগৈ, নলিনীবালা দেৱী, ভৱপ্ৰসাদ ৰাজখোৱা, যতি নাৰায়ণ শৰ্মা, চৈয়দ আব্দুল মালিক, নাৰায়ণ বেজবৰুৱা, জীৱকান্ত বৰুৱা, মহেশ দেৱগোস্বামী, নৰেন্দ্ৰ নাথ শৰ্মা, তাৰাপ্ৰসাদ বৰুৱা, এম আকবৰ হুছেইন, সোণাৰাম চুতিয়া, উমেশ নেওগ, জমিৰ ৰাজেন্দ্ৰনাথ হাজৰিকা, মাখন দুৱৰা আদি। *জয়ন্তীৰ* প্ৰথম সংখ্যাতে প্ৰসন্নলাল চৌধুৰীৰ 'নাঙলৰ গীত' প্ৰকাশ পালেও সেই ধাৰাৰ কবিতা ৰচিত হোৱা দেখা পোৱা নাযায় অন্ততঃ ষষ্ঠ বছৰলৈকে। এই সময়ছোৱাৰ কবিতাবোৰ আছিল ৰোমাণ্টিক প্ৰকৃতিৰ। যেনে— ৰীণা বৰুৱাৰ 'অনন্ত সুন্দৰ', শশীকান্ত গগৈৰ 'বিহুৰ সুৰ', চৈয়দ আব্দুল মালিকৰ 'শেষ উপহাৰ', আফতাব হুছেনৰ 'শেষ অনুৰোধ', বসন্ত কুমাৰ বৰুৱাৰ 'তুমি থাকা ইপাৰে আঁতৰি', কৃষ্ণ ভূঞাৰ 'প্ৰথম চাৱনিত প্ৰেম, ফুল শইকীয়াৰ 'স্মৃতি', নলিনীবালা দেৱীৰ 'নাটঘৰ', শশীকান্ত গগৈৰ 'ব্যৰ্থতা', হিতেশ্বৰ বৰবৰুৱাৰ 'ৰোগশয্যাত', হৰগোবিন্দ শৰ্মাৰ 'মন মোৰ কল্পনাৰে ভৰা', দুলালচন্দ্ৰ বৰপূজাৰীৰ 'সপোনত কাষলৈ আহিবা লাহৰী', হৰিনাথৰ 'সপোনত কাষলৈ নাহিবা লাহৰী', মহম্মদ ৰায়হান শাহৰ 'বিমোৰত', ইন্দিবৰ গগৈৰ 'পূজা' আদি বিশেষভাৱে উল্লেখযোগ্য। সপ্তম বছৰৰ পৰা যেন *জয়ন্তীৰ* কবিতাই এটা স্পষ্ট নতুন সুৰ গ্ৰহণ কৰিছিল। এই বছৰৰ প্ৰথম সংখ্যাতে প্ৰকাশ পোৱা কেশৰ মহন্তৰ 'চোৰৰ কৈফিয়ৎ' কবিতাটোৱে অসমীয়া কাব্য-সাহিত্যত এক নতুন সুৰৰ আদৰণি জনায়—

মই চোৰ
আজি হাৱাই মোক চুৰ কৰাইছে।
ইণ্ডিয়ান পেনেল ক'ডত মোৰ নাম চোৰ।
আৰ্থিক নাম মোৰ ভোকাতুৰ
...
চুৰ কৰা মহাপাপ
...
বয়সৰ অভিজ্ঞতাই
কথাযাৰ মিছা বুলি কয়
...
আজিৰ দিনত
তুমি মই হোৱা হ'লে—
মোৰ বাটেৰেই গ'লাহেঁতেন
কোনে জানে
তুমিয়েই যে মোৰ
এই বিষয়ত

নেতা নহ'লাহেঁতেন।

নতুন ৰূপৰ প্ৰগতিশীল *জয়ন্তী*ৰ প্ৰথম সংখ্যাত 'নচিকেতা' ছদ্মনামত কবিতা লিখা মাৰ্ক্সবাদী বুদ্ধিজীৱী লেখক ভবানন্দ দত্তৰ 'ৰাজপথ' কবিতাটিয়ে অসমীয়া কাব্য সাহিত্যৰ প্ৰগতিশীল দৃষ্টিভঙ্গীৰ ক্ষেত্ৰত এক মাইলৰ খুঁটি স্থাপন কৰে। কমলনাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য্যৰ লগতে অসমীয়া সাহিত্যত প্ৰগতিশীল ভাবধাৰাক প্ৰৱাহিত কৰি সমসাময়িক সাহিত্যিক গোষ্ঠীক বাট প্ৰদৰ্শন কৰা ভবানন্দ দত্ত অন্যতম। তেওঁৰ দ্বাৰা প্ৰভাৱিত হৈ গণেশ গগৈ, ৰত্নকান্ত বৰকাকতি, দেৱকান্ত বৰুৱা আদি অনুকৰণ কৰি ৰোমাণ্টিক কবিতাৰ আখৰা চলোৱা ছাত্ৰ কবি অমূল্য বৰুৱাই প্ৰগতিশীল পথ লোৱাৰ কথা ভবানন্দ দত্তই নিজে সেই কথা উল্লেখ কৰিছে— "*জয়ন্তী*ৰ প্ৰথম সংখ্যাতেই প্ৰকাশিত 'নচিকেতা'ৰ ৰাজপথ কবিতাৰ অনুভূতিয়ে অমূল্য বৰুৱাৰ অন্তৰত উমাই থকা বিপ্লৱী অনুভূতিক সঙ্গ দান কৰিছিল আৰু সেই কবিতাৰ প্ৰতিধ্বনি হিচাপে উক্ত কবিতাটো (আন্ধাৰৰ হাহাকাৰ) এখন সুদীৰ্ঘ চিঠিৰে সৈতে সম্পাদকলৈ পঠাইছিল আৰু ই *জয়ন্তী*ৰ দ্বিতীয় সংখ্যাত প্ৰকাশিত হয়।" অমূল্য বৰুৱাই নিজে লিখিছিল— "মোৰ কবিতাৰ ধাৰাটো সম্পূৰ্ণ সলনি কৰি দিছোঁ। ৰিয়েলিজমৰ সংস্পৰ্শত আহি নিজ মানুহটোক বহুতখিনি সামাজিক দৃষ্টিভঙ্গীৰে চাবলৈ ধৰিছোঁ। এইগৰাকী কবিৰ 'বিপ্লৱী' কবিতাটি প্ৰকাশ পায় *জয়ন্তী*ৰ সপ্তম বছৰৰ দ্বিতীয় সংখ্যাত। এই একে সংখ্যাতে প্ৰকাশ পায় হেম বৰুৱাৰ 'গুৱাহাটী-১৯৪৪' দুয়োটা সপ্তম বছৰে তৃতীয় সংখ্যাত আকৌ হেম বৰুৱাৰ আন এটা বলিষ্ঠ কণ্ঠৰ কবিতা 'মই' প্ৰকাশ পায়।" 'বিপ্লৱী' কবিতাত অমূল্য বৰুৱাই দৃঢ় কণ্ঠেৰে ক'লে—

আমি মানুহ
জাগতিক পঞ্চভূত জাত আমাৰ
দীপ্তিমান শৰীৰক লাগে
নতুন মুকলি নীলা আকাশত হোৱা অৰুনোদয়ৰ
আল্ট্ৰা ভায়'লেট ৰশ্মি
...
আমি যুগ পৰিস্থিতিৰ প্ৰতীক
বস্তু আৰু আদৰ্শৰ
দ্বন্দ্বাত্মক গতি
সংগ্ৰামলিপ্ত বিপ্লৱী।

হেম বৰুৱাই 'গুৱাহাটী-১৯৪৪'ত ছবি এইদৰে দাঙি ধৰিছে—

১৯৪৪ উৰে তুফান বেগেৰে
সহচৰ
ব্লেক আউট, ব্লেক মাৰ্কেট আৰু

বহুত আন্দোলন

...

প্রগতি সাহিত্য

প্রগতি বিৰোধী কাহিনীৰ গণতান্ত্রিক আক্রোশ

আৰু

হিন্দু-মুছলমানৰ ঐক্যতান

...

আজি দেশজুৰি কামনা বাসনা

সপ্তম বছৰৰ চতুর্থ সংখ্যাত (১৯৪৬) প্রকাশ পালে অমূল্য বৰুৱাৰ অসমীয়া সাহিত্যত খলকনি লগোৱা কবিতা 'বেশ্যা'। "তুমি যে ধনিক সম্প্রদায়ৰ বিৰুদ্ধে বনুৱা শ্রেণীৰ সংগ্রামৰ এটা সঙ্কটপূর্ণ ষ্ট্রেটেজিক পইণ্ট" বুলি বলিষ্ঠ ভাষাৰে অমূল্য বৰুৱাৰ এই ৰচনাৰে অসমীয়া কবিতাত নতুন চেতনাৰ সঞ্চাৰ কৰিলে।সপ্তম বছৰৰ চতুর্থ সংখ্যাত প্রকাশ পায় অসমীয়া সাহিত্যৰ আন এটা উল্লেখযোগ্য কবিতা সীমা দত্তৰ 'প্রার্থনা'। এই কবিতাতো এক নতুন চিন্তা-চর্চাৰ আভাস পোৱা যায়। অসম তথা অসমীয়াৰ প্রাণৰো প্রাণত কোটিকালৰৈ পৰা অনুৰণন তুলি অহা বিহুক বিষয়বস্তু ৰূপে লৈ লেখা কবিতা *জয়ন্তী* প্রকাশৰ আগৰ পৰাই অন্যান্য কাকতে পত্রই প্রকাশ পাইছিল। *জয়ন্তী*ৰ সপ্তম বছৰৰ ষষ্ঠ সংখ্যাত অমূল্য বৰুৱাই অন্য দৃষ্টিভঙ্গীৰে লেখিলে— 'আজি আমাৰ বিহু'। *জয়ন্তী* আলোচনী ১৯৩৮ চনৰ জানুৱাৰীৰ পৰা প্রকাশ পালেও প্রকৃতার্থত 'জয়ন্তী যুগ' বুলি ইতিমধ্যে গ্রাহ্য হোৱা যুগটো সপ্তম বছৰতহে গঢ় লৈ উঠে বুলি ক'ব পাৰি। তাৰ আগলৈকে জয়ন্তীৰ পাতত প্রকাশিত গল্প-কবিতা-প্রবন্ধ আদিত 'জয়ন্তী যুগ'ৰ প্রগতিশীলতাৰ কঠীয়াহে পৰা হৈছিল। সপ্তম বছৰৰ দ্বিতীয় সংখ্যাত 'প্রগতিশীল সাহিত্যৰ ভূমিকা' শীর্ষক 'সত্যকাম' কমলনাৰায়ণ দেৱ লিখিত প্রবন্ধ এটা এই ক্ষেত্রত প্রণিধানযোগ্য— "সাহিত্য ক্ষেত্রত প্রগতিৰ নতুন আন্দোলনে আজি এটা নতুন চাঞ্চল্য সৃষ্টি কৰিছে। এতেকে দেখা গ'ল যে প্রগতিমূলক সাহিত্যই যি এটা ব্যাপক জীৱন দর্শন আৰু আদর্শ লৈ আগবাঢ়িছে আচলতে সি ভাবপ্রৱণ ডেকা দলৰ কোনো কল্পনাবিলাস নহয়। সাহিত্য ক্ষেত্রত সি এটা অসাধাৰণ দায়িত্বলৈহে আৱির্ভাৱ হৈছে। সেই দায়িত্ব হৈছে সমাজ বিৱর্তনৰ ঐতিহাসিক পৰিপ্রেক্ষিতত সাহিত্যৰ পুনৰ আলোচনা আৰু তাৰ মূল্যায়ন।" সপ্তম বছৰৰে প্রথম সংখ্যাত প্রকাশিত জেউতি বৰুৱাৰ 'প্রগতিমূলক অসমীয়া কবিতা' শীর্ষক প্রবন্ধটো সেই যুগত অসমীয়া কবিতাৰ নতুন ধাৰাৰ বিষয়ে কিছু আলোচনা পাওঁ।

"আগৰ সাহিত্য আৰু এতিয়াৰ সাহিত্যৰ (Progressive Literature) পার্থক্য এয়ে যে আগৰ সাহিত্য আছিল আদর্শৰওপৰত প্রতিষ্ঠিত আৰু এতিয়াৰ সাহিত্য বাস্তৱৰ ওপৰত প্রতিষ্ঠিত। আগৰ কবিয়ে কল্পনাৰ মাজেদিহে বাস্তৱলৈ আহিছিল আৰু এতিয়াৰ

কবিয়ে 'বাস্তৱত' সোমাই লৈহে সময় পালে কল্পলোকলৈ উধাও হয়।"

এই প্ৰবন্ধতে প্ৰবন্ধকাৰে সকীয়াই দিছিল— "অসমীয়া ভাষাত প্ৰকৃত প্ৰগতি কবিতা হ'ব যদি আমাৰ কবিসকলে খেতিয়কৰ প্ৰাণৰ বাতৰি, অন্নহাৰা, বস্ত্ৰহাৰা, নিৰাশ্ৰয়সকলৰ অন্তৰৰ বেদনা আৰু বৰ্তমান অসমৰ অৰ্থনৈতিক আদি সমস্যাৰ কবিতা লিখে।"

এই প্ৰসঙ্গতে *জয়ন্তী* কাকতৰ প্ৰথম পৰ্যায়ত প্ৰকাশ পোৱা কেইবাগৰাকী প্ৰখ্যাত কবিৰ কবিতা উল্লেখ কৰিলে নতুন ধাৰাৰ লগত থকা পাৰ্থক্যখিনি স্পষ্টভাৱে ধৰা পৰে। নলিনীবালা দেৱীৰ 'নাটঘৰ' কবিতাটো প্ৰকাশ পাইছিল প্ৰথম বছৰৰ পঞ্চদশ সংখ্যাত। সেই সময়ৰে আন এগৰাকী কবি শশীকান্ত গগৈৰ 'ব্যৰ্থতা' কবিতাটি উল্লেখযোগ্য। একে সময়ছোৱাত *জয়ন্তীত* প্ৰসন্নলাল চৌধুৰীৰ অন্য এক ভিন্ন সুৰৰ কবিতা প্ৰকাশ পায়— 'ইনক্যুলাব জিন্দাবাদ'। প্ৰসন্নলাল চৌধুৰীৰ এই কবিতা প্ৰকাশ পাইছিল *জয়ন্তীৰ* প্ৰথম বছৰ অষ্টাদশ সংখ্যাত— ১৯৩৮ চনত অমূল্য বৰুৱাৰ 'বেশ্যা', 'বিপ্লৱী'; হেম বৰুৱাৰ 'গুৱাহাটী-১৯৪৪' প্ৰকাশ পায় ১৯৪৫-৪৬ চনত। সেইফালৰ পৰা চাবলৈ গ'লে প্ৰায় এক দশকৰ নিৰলস চেষ্টা, প্ৰস্তুতি, আহ্বান-প্ৰত্যাহ্বানৰ ফলশ্ৰুতি হিচাপে *জয়ন্তীয়ে* কবিতাৰ যোগেদি অসমীয়া সাহিত্যত বাস্তৱধৰ্মী তথা প্ৰগতিশীল সাহিত্যৰ শুভাৰম্ভ ঘটাবলৈ সমৰ্থ হয়।

- **গল্প ঃ** *জয়ন্তীত* প্ৰকাশ পোৱা কবিতাবোৰত প্ৰগতিশীল ভাবধাৰাৰ যি ক্ৰমবিকাশ দেখা যায় বা প্ৰবন্ধবোৰত প্ৰগতিশীল সাহিত্যৰ সপক্ষে যি আহ্বান শুনা যায় তাৰ তুলনাত গল্পবোৰত প্ৰকাশ পোৱা প্ৰগতিশীলতাৰ সুৰ কিছু দুৰ্বল বুলিব পাৰি।

  প্ৰথম বছৰৰ প্ৰথম সংখ্যা *জয়ন্তীত* প্ৰকাশ পোৱা গল্পটো আছিল দীননাথ শৰ্মাৰ 'যুদ্ধৰ বিভীষিকা'। দ্বিতীয় সংখ্যাত প্ৰকাশ পাইছিল চিত্ৰভানু চৌধুৰীৰ 'বাস্তৱ অভিনয়'। *জয়ন্তীত* গল্প লেখা গল্পকাৰসকল আছিল— চৈয়দ আব্দুল মালিক, নগেন্দ্ৰনাৰায়ণ চৌধুৰী, ত্ৰৈলোক্য নাথ গোস্বামী, গোবিন্দ চন্দ্ৰ পৈৰা, ইন্দিবৰ গগৈ, কৃষ্ণ ভূঞা, অনিৰুদ্ধ কটকী, মাখন দুৱৰা, জগদীশ চন্দ্ৰ মেধি, শুক্লেশ্বৰ বৰা, নাৰায়ণ বেজবৰুৱা, দাক্ষেদৰ দত্ত, দৈৱচন্দ্ৰ তালুকদাৰ, কিশোৰী মোহন শৰ্মা, গণেশ চন্দ্ৰ ফুকন, নিৰ্মলেশ্বৰ শৰ্মা, মনুষ্যত্ব বৰুৱা, মোছলেহউদ্দিন আহমেদ, যদুনাথ শইকীয়া, ৰাধিকামোহন গোস্বামী, ৰাধিকামোহন ভাগৱতী ইত্যাদি।

  উল্লেখযোগ্য যে, *জয়ন্তী* কাকতত কেইবাগৰাকী মহিলা গল্পকাৰৰ ৰচনা প্ৰকাশ পাইছিল। প্ৰথম বছৰত ষষ্ঠ সংখ্যাত প্ৰকাশ পাৰ্ছিল লতিকা শইকীয়াৰ 'যৌৱনৰ অভিমান', নৱম সংখ্যাত প্ৰকাশ পাইছিল প্ৰতিমা দেৱীৰ 'অচিন বন্ধু'। সেই সময়ৰ অন্যান্য গল্প লেখিকাসকল আছিল— লাৱণ্যপ্ৰভা দেৱী, ৰাসেশ্বৰী খাটনিয়াৰ, লীলা দেৱী, পুতুল ভূঞা, চন্দ্ৰপ্ৰভা দাস ইত্যাদি। শুচিব্ৰতা ৰায়চৌধুৰীৰ 'বা-মাৰলী' নামৰ উপন্যাসো *জয়ন্তীত* প্ৰকাশ পাইছিল।

জয়ন্তী আলোচনীত আৰম্ভণি কালৰে পৰা শেষ সময়লৈকে সর্বাধিক গল্প লেখা লেখকগৰাকী হ'ল— চৈয়দ আব্দুল মালিক। গল্প প্রতিযোগিতাত প্রথম পুৰস্কাৰ পোৱা 'যুক্তি আৰু যৌৱন', 'জীৱন আৰু জগত', 'অচিনাকিৰ অর্ঘ্য', 'ৰহস্য', 'সঙ্গী', 'ৰ'দৰ ছাঁত', 'তুলসী তলৰ তীর্থ', 'পৰিচয়' আদি মালিকৰ ভালেমান গল্প *জয়ন্তীত* প্রকাশ পায়। *জয়ন্তীতে* প্রকাশ পাইছিল কৃষ্ণ ভূঞাৰ গল্প 'মানুহ আৰু নিয়ম', 'লেডি ডাক্তৰ', 'ব্যথিতৰ বিননি', 'পৰিৱর্তন'; গোবিন্দ চন্দ্র পৈৰাৰ 'মূক ব্যাথা'ৰ দৰে গল্পও প্রকাশ হৈছিল *জয়ন্তীতে*। সেই সময়ৰ অন্যতম গল্পকাৰ দীননাথ শর্মাই যুদ্ধৰ বিভীষিকাকে ধৰি 'নিয়তিৰ বিচাৰ', 'ধৰুৱা'; নগেন্দ্রনাৰায়ণ চৌধুৰীৰ 'নল খাগৰি'; ত্রৈলোক্য নাথ গোস্বামীৰ 'পূজাৰ আয়োজন' আদিও প্রকাশ পাইছিল *জয়ন্তীৰ* পাততে। প্রফুল্ল দত্ত গোস্বামীৰ গল্পও প্রথমতে *জয়ন্তীতে* প্রকাশ পায়।

জয়ন্তী কাকতত শেষৰ ফালে সপ্তম বছৰত প্রকাশ পাইছিল বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ গল্প 'বাস্তৰৰ দুপিঠি'। সূচনা পর্বৰে বাস্তৰ ভিত্তিক সাহিত্য ৰচনাৰ যি আহ্বান *জয়ন্তীৰ* পাতত শুনা গৈছিল তাৰ প্রতিফলন বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ এই গল্পত দেখা যায়— "মেচৰ চাকৰ? কলেজৰ ল'ৰাৰ লগত থাকে। কাহী-বাটি ধোৱে, বজাৰ কৰে, মাহেকৰ মূৰত এটা কম টকাৰ দর্মহা লয়।"

উল্লেখযোগ্য যে, *জয়ন্তীৰ* পাতত গল্পকাৰ হিচাপে আত্মপ্রকাশ কৰা অধিকাংশ লেখকক পৰৱর্তী পর্যায়ত গল্প-সাহিত্যত বর্তী থকা পৰিলক্ষিত নহয়। ধাৰাবাহিকভাৱে নিৰৱচ্ছিন্নভাৱে নিজ গল্প প্রতিভাৰ যশস্যাক ব্যাপ্তি প্রদান কৰাসকলৰ ভিতৰত চৈয়দ আব্দুল মালিক, বীৰেন্দ্র কুমাৰ ভট্টাচার্য্য আৰু কৃষ্ণ ভূঞা। প্রথম অৱস্থাত গল্প ৰচনা কৰি পৰৱর্তী সময়ত নীৰৱ ভূমিকা গ্রহণ কৰা সকলৰ ভিতৰত নগেন্দ্রনাৰায়ণ চৌধুৰী, দীননাথ শর্মা, ত্রৈলোক্য নাথ গোস্বামী, ইন্দিবৰ গগৈ, গোবিন্দ চন্দ্র পৈৰা অসমীয়া সাহিত্যত স্মৰণীয় হৈ আছে।

- **প্রবন্ধ আৰু সমালোচনা ঃ** চিন্তামূলক প্রবন্ধৰ ক্ষেত্রতো *জয়ন্তীৰ* অৰিহণা উল্লেখনীয়। সম্পাদক কমলনাৰায়ণ দেৱে 'প্রগতিশীল সাহিত্যৰ ভূমিকা' শীর্ষক প্রবন্ধটোত প্রগতিশীল সাহিত্যাদর্শৰ এক ৰূপৰেখা দাঙি ধৰি মার্ক্সীয় দর্শন আৰু ফ্রয়েডীয় মনোবিজ্ঞানৰ আধাৰত আধুনিক জীৱন-জগতৰ জটিলতাত আলোকপাত কৰা সাহিত্যকে বাস্তৱবাদী সাহিত্য বুলি অভিহিত কৰিছিল। *জয়ন্তীৰ* পাতত গুৰুগম্ভীৰ প্রবন্ধ লিখাসকলৰ ভিতৰত অন্যতম দুগৰাকী লেখক। বাণীকান্ত কাকতি আৰু ভবানন্দ দত্ত কাকতিয়ে *জয়ন্তীত* প্রাচীন অসমৰ ধর্মৰ বিষয়ে বিজ্ঞানসম্মত আলোচনাৰ পাতনি মেলিছিল। আনহাতে, চল্লিশৰ দশকৰ শেহৰ পৰা *জয়ন্তীত* একাধিক সাহিত্য সমাজ বিষয়ক চিন্তামূলক গধুৰ প্রবন্ধৰে ভবানন্দ দত্তই প্রগতিশীল চিন্তাধাৰাৰ বিকাশত অৰিহণা যোগায়। *জয়ন্তীৰ* দশম আৰু একাদশ বছৰৰ বিভিন্ন সংখ্যাত প্রকাশ পোৱা দত্তৰ উৎকৃষ্ট

ৰচনাৰাজি হ'ল 'অসমীয়াৰ দার্শনিকতা', 'অসমৰ জাতীয় সমস্যা', 'বৌদ্ধ মতবাদৰ সামাজিক তাৎপর্য', 'ভাৰতীয় সংস্কৃতিত পাশ্চাত্যৰ প্ৰভাৱ', 'জীৱনৰ চৰম লক্ষ্য' আৰু 'ৰবীন্দ্ৰ প্ৰসঙ্গ'।

এনে ধৰণৰ প্ৰগতিশীল চিন্তাধাৰাৰ প্ৰবন্ধ-পাতিৰ লগে লগে অসমৰ থলুৱা সমাজ-সংস্কৃতি বিষয়ক প্ৰবন্ধ *জয়ন্তীত* নিয়মীয়াকৈ প্ৰকাশ পাইছিল। বাণীকান্ত কাকতি, পদ্মেশ্বৰ গগৈ, মহেশ্বৰ নেওগ, দেৱানন্দ ভৰালী, ত্ৰৈলোক্য নাথ গোস্বামী জিতেন্দ্ৰ নাথ দাস, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, সর্বানন্দ ৰাজকুমাৰ প্ৰমুখ্যে ভালেকেইগৰাকী সাহিত্যিকৰ সাহিত্য-সংস্কৃতিমূলক প্ৰবন্ধ নিয়মীয়াকৈ *জয়ন্তীত* প্ৰকাশ হৈছিল। ভুবন চন্দ্ৰ সন্দিকৈ, নকুল চন্দ্ৰ ভূঞা, ৰাজমোহন নাথ আদি বুৰঞ্জী আৰু পূৰাতত্ত্ব চর্চা কৰা পণ্ডিতসকলৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিষয়ৰ প্ৰবন্ধ-পাতিয়ে বুৰঞ্জী চর্চাৰ নতুন দিশ উন্মোচন কৰিছিল। তদুপৰি শিল্প উদ্যোগ সম্পর্কীয় প্ৰবন্ধবোৰৰ পৰা বুজা যায় যে প্ৰকৃতার্থত এখন সমৃদ্ধশালী অসম আৰু সবল-সুস্থ অসমীয়া জাতি গঠনৰ বাবে কাকতখনে এক আন্তৰিক প্ৰচেষ্টা চলাইছিল। তাৰ লগতে প্ৰগতিশীল চিন্তাধাৰা বিকাশৰ বাবেও কাকতখনে সততে যত্ন কৰিছিল। *জয়ন্তীৰ* পাতত সূচনা হোৱা প্ৰগতিশীল সাহিত্যত সুস্পষ্ট বিকশিত ৰূপ আমি পৰৱর্তী কালত দেখিবলৈ পাওঁ। অসমীয়া সাহিত্যত আজি যি প্ৰগতিশীল সাহিত্য ৰচিত তথা চর্চিত হৈছে তাৰ বাবে *জয়ন্তী* কাকতে সূচনাকাৰীৰ মর্যাদা নিশ্চয় পাব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ জয়ন্তী যুগৰ সাহিত্যৰ বৈশিষ্ট্য তথা ধাৰা সম্পর্কে এটি আলোচনা যুগুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ৪ ঃ জয়ন্তী যুগৰ কাব্য সাহিত্য সম্পর্কে এটি প্ৰবন্ধ যুগুত কৰক। (১০০টা শব্দৰ ভিতৰত)



চিন্তা-চর্চা কৰক-৮.২

জয়ন্তী যুগৰ সাহিত্যত প্ৰধানতঃ কি কি ধাৰাত ভাগ কৰিব পাৰি তাৰ শ্ৰেণী বিভাজন কৰি প্ৰতিটো ধাৰাৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰক। ইয়াৰ বাবে আপুনি হোমেন বৰগোহাঞিৰ *অসমীয়া সাহিত্যৰ ষষ্ঠ খণ্ড* আৰু *অসমীয়া বাতৰিকাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস* গ্ৰন্থৰ সহায় ল'ব পাৰে।

৮.৬ জয়ন্তী যুগৰ প্ৰধান সাহিত্যিকসকল

- **ৰঘুনাথ চৌধাৰী ঃ** বিহগী তথা প্ৰকৃতি কবি হিচাপে খ্যাত ৰঘুনাথ চৌধাৰী অসমীয়া ৰোমাণ্টিক কাব্যাকাশৰ এক উজ্জ্বল নক্ষত্ৰ স্বৰূপ। জোনাকী যুগৰ পৰা মৃত্যুৰ

আগমুহূর্তলৈকে অসমীয়া সাহিত্যৰ অণু-পৰমাণুৰ সৈতে চৌধাৰীৰ আছিল এক নিবিড় সম্বন্ধ। ১৮৭৮ চনত হাজোৰ ওচৰৰ লাওপাৰা গাঁৱত ক্ষণজন্মা চৌধাৰীয়ে শিক্ষকতাৰে কর্ম জীৱনৰ পাতনি মেলিছিল। চৌধাৰীয়ে গুৱাহাটীৰ বালিকা প্ৰাথমিক বিদ্যালয় আৰু ৰোমান কেথলিক বালিকা বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে কার্যনির্বাহ কৰিছিল। শিক্ষকতা এৰি তেওঁ মাজতে কৃষি কর্মতো আত্মনিয়োগ কৰে। তেওঁ সাহিত্য সৃষ্টিৰে অসমীয়া সাহিত্য ভঁৰাললৈ অনবদ্য অৱদান আগবঢ়াই থৈ যায়। দেশৰ স্বাধীনতা আন্দোলনত যোগ দি তেওঁ পোন্ধৰ মাহ কাৰাবাস খাটিছিল।সাহিত্য জগতত ৰঘুনাথ চৌধাৰীৰ ভূমিকা সাংবাদিক আৰু কবি। *জোনাকী*ত সহকাৰী সম্পাদক হিচাপে আৰম্ভ হোৱা সাংবাদিক জীৱন *জয়ন্তী*ৰ মাজেৰে অগ্রসৰ হৈ সুৰভিত শেষ হয়। চৌধাৰী সম্পাদিত শিশু আলোচনী *মইনা*। তিনি কুৰি বছৰে কাব্যচর্চা কৰা কবিৰ স্বৰচিত কবিতাৰ পুথি *সাদৰী*(১৯১০), *দহিকতৰা*(১৯৩১), *কেতেকী*(১৯১৮), *কাৰবালা*(১৯২৩) আৰু *নৱমল্লিকা*(১৯৫৮)। *সাদৰী* আৰু *দহিকতৰা* পূর্ব প্রকাশিত কবিতাৰ সঙ্কলন। *কেতেকী* আৰু *কাৰবালা* কাব্য, *নৱমল্লিকা* কথা-কবিতাৰ পুথি। *পচতীয়া* তেওঁৰ একমাত্র গল্পৰ পুথি। ১৯৩৬ চনত তেজপুৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ ষোড়শ অধিৱেশনত তেওঁ সভাপতিত্ব কৰিছিল। বিশ্ব শান্তি পৰিষদৰ অসম শাখাৰ আৰু সর্বভাৰতীয় শান্তি পৰিষদৰ কলিকতা অধিৱেশনৰ কৃষ্টি শাখাৰ তেওঁ সভাপতি আছিল। ১৯৬৭ চনত ৰঘুনাথ চৌধাৰীৰ মৃত্যু হয়।

- **চৈয়দ আব্দুল মালিক ঃ** অসমীয়া সাহিত্যৰ এক বৰেণ্য লিখক চৈয়দ আব্দুল মালিক (১৯১৯-২০০০)ৰ জন্ম হয় গোলাঘাট জিলাৰ নাহৰণি গাঁৱত। বহুমুখী প্রতিভাৰ গৰাকী মালিক একাধাৰে ঔপন্যাসিক, গল্পকাৰ, নাট্যকাৰ, কবি, ব্যঙ্গ লেখক, গৱেষক, গীতিকাৰ, শিশু সাহিত্যিক আৰু ৰাজনীতিক। তেওঁ বিয়াল্লিশখনতকৈও অধিক উপন্যাস ৰচনাৰে অসমীয়া উপন্যাস সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। সেইবোৰৰ ভিতৰত *ৰথৰ চকৰি ঘূৰে, সূৰুযমুখীৰ স্বপ্ন, পহুমৰা হাবিৰ বাট, জেতুকা পাতৰ দৰে, ৰূপতীর্থৰ যাত্রী, ধন্য নৰ তনু ভাল, অঘৰী আত্মাৰ কাহিনী, ৰূপাবৰিৰ পলস* আদি প্রধান। *অঘৰী আত্মাৰ কাহিনী* উপন্যাসখনৰ বাবে তেওঁ ১৯৭২ চনত 'সাহিত্য অকাদেমি বঁটা' লাভ কৰে। *পৰশমণি* তেওঁৰ প্রথম প্রকাশিত চুটিগল্প সঙ্কলন। *এজনী নতুন ছোৱালী, ৰঙাগড়া, প্রাণাধিকা, মৰম মৰম লাগে* আদি চুটিগল্প সঙ্কলন প্রকাশ পায়। *মাজত মাথোঁ হিমালয়* তেওঁৰ দ্বাৰা ৰচিত ভ্রমণ কাহিনী। এই গ্রন্থখনৰ বাবে ১৯৬৫ চনত 'ছোভিয়েট দেশ নেহৰু বঁটা' লাভ কৰে। এইবোৰৰ উপৰি *অসমীয়া জিকিৰ আৰু জাৰি, আজান ফকীৰ আৰু সুৰীয়া জিকিৰ, চুফী আৰু চুফীবাদী* আদি তেওঁৰ গৱেষণামূলক গ্রন্থ। চৈয়দ আব্দুল মালিকৰ উপন্যাস, গল্প আদিৰ মাজেৰে অসমীয়া সমাজ-সংস্কৃতিৰ প্রতিফলন ঘটাৰ উপৰি মানৱতাবোধ উজ্জ্বল ৰূপত পৰিস্ফুট হৈছে। আনহাতে, গৱেষণামূলক ৰচনাৰাজিৰ মাজত চিন্তাশীলতা, অনুসন্ধিৎসু আদিৰ প্রকাশ

দেখা যায়।

- **ত্রৈলোক্যনাথ গোস্বামী ঃ** ত্রৈলোক্যনাথ গোস্বামী অসমীয়া সাহিত্য জগত আৰু অসমৰ শিক্ষা জগতৰ এক উজ্জ্বল নক্ষত্ৰ স্বৰূপ। ১৯০৬ চনত নলবাৰী সত্ৰত তেওঁৰ জন্ম হয়। তেওঁ নলবাৰী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল। *আৱাহন* আলোচনীৰ যোগেদি তেওঁৰ গল্প প্ৰতিভাই বিকাশ লাভ কৰে। গোস্বামীয়ে *অৰুণা, মৰীচিকা, শিল্পীৰ জন্ম* আৰু *জীৱনৰ জীয়া জুই* নামৰ গল্প সঙ্কলনৰাজি উল্লেখযোগ্য। *সাহিত্য আলোচনা* তেওঁৰ সমালোচনামূলক গ্ৰন্থ। *আধুনিক গল্প সাহিত্য* তেওঁৰ আন এক গল্প সাহিত্যৰ পুথি। *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য, সমুদ্ৰ মন্থন* আদি তেওঁৰ উল্লেখযোগ্য সাহিত্য সমালোচনামূলক গ্ৰন্থ। এইজনা সাহিত্যিকে অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলঙ্কৃত কৰাৰ উপৰি 'সাহিত্য অকাদেমি বঁটা' আৰু 'অসম প্ৰকাশন পৰিষদ বঁটা' লাভ কৰি অসমৰ সাহিত্য জগতলৈ বিশেষ খ্যাতি অৰ্জন কৰে। ১৯৮৮ চনত তেওঁৰ মৃত্যু হয়।
- **বাণীকান্ত কাকতি ঃ** বেজবৰুৱাৰ পিছত সমালোচক হিচাপে শ্ৰেষ্ঠতাৰ দাবী কৰিব পাৰে বাণীকান্ত কাকতিয়ে (১৮৯৪-১৯৫২)। দৰাচলতে ক'বলৈ গ'লে আধুনিক যুগৰ এৰেঁই এক অন্যতম শ্ৰেষ্ঠ সমালোচক। তেওঁৰ *পুৰণি অসমীয়া সাহিত্য* (১৯৪০), *সাহিত্য আৰু প্ৰেম* (১৯৪৮) গ্ৰন্থত সন্নিৱিষ্ট সমালোচনামূলক প্ৰবন্ধসমূহত কাকতিৰ পাণ্ডিত্য, মননশীলতা আৰু বিষয়বস্তুৰ গভীৰতাৰ প্ৰকাশ দেখা যায়। *বাণী প্ৰতিভা* আধুনিক অসমীয়া সাহিত্য সম্পৰ্কীয় এক প্ৰবন্ধ সঙ্কলন।
- **মহেশ্বৰ নেওগ ঃ** শিৱসাগৰৰ কমাৰফদীয়া গাঁৱত ১৯১৮ খ্ৰীঃত কবি-সাহিত্যিক মহেশ্বৰ নেওগৰ জন্ম।মহেশ্বৰ নেওগৰ কৰ্ম-জীৱন শিক্ষা-দান, সাহিত্য-চৰ্চা, সৃষ্টি, উদ্ধাৰ আৰু প্ৰসাৰণৰ সৈতে নিবিড়ভাৱে জড়িত আছিল। তেওঁ সমালোচক, গৱেষক, পুৰণি পুথিৰ সম্পাদক, সাহিত্যৰ বুৰঞ্জী লেখক আৰু কবি ৰূপে ভাস্বৰ। সমালোচক হিচাপে আৱাহন আৰু কবি হিচাপে *জয়ন্তী*ৰ যোগেদি আত্মপ্ৰকাশ কৰে। *শ্ৰীশ্ৰীশঙ্কৰদেৱ* নেওগৰ অন্যতম প্ৰধান গ্ৰন্থ। নেওগৰ অনুসন্ধান আৰু আলোচনামূলক গ্ৰন্থৰ ভিতৰত *পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, পৱিত্ৰ অসম, সীমান্ত আৰু সংস্কৃতি* আদি বিশেষ ৰূপে উল্লেখযোগ্য। *অসমীয়া সাহিত্যৰ ৰূপৰেখা* তেওঁৰ অসমীয়া সাহিত্যৰ ইতিহাস। *দুৰ্গাবৰী ৰামায়ণ, প্ৰাচ্য-শাসনাৱলী, শ্ৰীহস্তমুক্তাৱলী* আদি তেওঁৰ সম্পাদিত গ্ৰন্থ। *জীৱনৰ দীঘ-বাণি* (১৯৮৮) নেওগৰ আত্মজীৱনীমূলক গ্ৰন্থ। এই গ্ৰন্থখন তেওঁৰ কৰ্মবহুল জীৱনৰ লগত সংশ্লিষ্ট শিক্ষা-সংস্কৃতি বিষয়ক নানা তথ্যৰ আধাৰ স্বৰূপ।
- **ৰঘুনাথ দেৱচৌধুৰী ঃ** ৰৱপেটা জিলাৰ অন্তৰ্গত পাটাছাৰকুছিৰ ৰঘুনাথ দেৱচৌধুৰী আছিল এগৰাকী শিক্ষক। আৱাহন যুগৰে পৰা সাহিত্য কৰ্মত মনোনিৱেশ কৰি থকা চৌধুৰীয়ে *প্ৰকৃতি-দৰ্পণ,* আৰু *মানৱ-সভ্যতা* এই দুখন মানৱ সভ্যতাৰ উন্মেষ সম্বন্ধীয় গ্ৰন্থৰ উপৰিও আৰু কেইবাখনো পুথি তেওঁ ৰচনা কৰে। চৌধুৰীৰ সাহিত্যিক জীৱনৰ বিশেষ কৃতি হ'ল— অনুবাদমূলক গ্ৰন্থ— *অসম বুৰঞ্জী* (এডৱার্ড গেইটৰ *History of Assam*ৰ অনুবাদ)

আৰু আনখন *প্ৰাচীন কামৰূপৰ বুৰঞ্জী*(কনকলাল বৰুৱাৰ *Early History of Kamrup*।

- **আনন্দচন্দ্ৰ আগৰৱালা ঃ** 'ভাঙনি কোঁৱৰ', প্ৰত্নতত্ত্ববিদ আনন্দচন্দ্ৰ আগৰৱালাৰ জন্ম শোণিতপুৰ জিলাৰ কলংপুৰ মৌজাৰ বৰঙাবাৰীত ১৮৭৪ চনত। তেওঁ আৱক্ষী অধীক্ষক হিচাপে চৰকাৰী চাকৰিৰ পৰা অৱসৰ লয় ১৯২৯। আনন্দচন্দ্ৰ আগৰৱালা অঃ ভাঃ উঃ সাঃ সভাৰ এগৰাকী সক্ৰিয় সদস্য হোৱাৰ উপৰিও *জোনাকী*ৰো পৃষ্ঠপোষক আৰু লেখক আছিল। *কোমল পাঠ* আৰু *শিশু পাঠ* তেওঁৰ শিশু উপযোগী কবিতা পুথি। *জিলিঙনি* তেওঁৰ ৰোমাণ্টিক ভাৱাপন্ন কবিতা সঙ্কলন আৰু *পদুমণি* তেওঁৰ কবিতা সংগ্ৰহ। 'জীৱন-সঙ্গীত', 'চহা আৰু পণ্ডিত', 'সুখৰ ঠাই', 'যোগী' আদি তেওঁৰ অনুবাদ কবিতা।
- **নীলমণি ফুকন ঃ** সাংবাদিক-সাহিত্যিক, সুবক্তা নীলমণি ফুকন কবি হিচাপে অতি জনপ্ৰিয়। *দৈনিক বাতৰি, ন জোন, সাদিনীয়া বাতৰি* কাকত সম্পাদনা কৰি অসমৰ সাংবাদিক-সাহিত্যৰ প্ৰসাৰণত অৰিহণা আগবঢ়াইছে। তেওঁৰ সাহিত্য প্ৰতিভাৰ এক উজ্জ্বলতম দিশ হৈছে কাব্য-সাহিত্য। 'জ্যোতিকণা', (১৯৩৮), 'মানসী' (১৯৪৩), 'গুটিমালী' (১৯৫০), 'জিঞ্জিৰি' (১৯৫১), 'অমিত্ৰা' (১৯৫২), 'সন্ধানী' (১৯৭১), 'আহুতি' (১৯৬১), 'শতধাৰা' (১৯৬২) আৰু 'মানস প্ৰতিমা' (১৯৭১) আদি কবিতা সম্ভাৰে তেওঁক কবি ৰূপে প্ৰতিষ্ঠিত কৰিছে। তেওঁৰ গদ্য ৰচনা চাৰিখন— *সাহিত্য-কলা* (১৯৪০), *জয়াতীৰ্থ* (১৯৪১), *চিন্তামণি* (১৯৪২) আৰু *মহাপুৰুষীয়া ধৰ্ম* (১৯৫২)। জাগতিক বৈচিত্ৰ্য আৰু সৌন্দৰ্যৰাশিৰ মাজত নিভৃত ৰহস্য ভেদ কৰাৰ যি চিৰশাশ্বত আকাংক্ষা, সিয়েই কবি ফুকনৰ কাব্য সৃষ্টিৰ অন্যতম প্ৰেৰণা। বাগ্মীবৰ ফুকনৰ বক্তৃতাৰ নিচিনা তেওঁৰ ৰচনাৰ গদ্যৰীতিও অলঙ্কাৰযুক্ত, ঝঞ্চাৰপূৰ্ণ, শক্তিশালী আৰু আৱেগিক।
- **ড° দীননাথ শৰ্মা ঃ** বজালী অঞ্চলৰ বামুণকুছিত জন্মগ্ৰহণ কৰা ড° দীননাথ শৰ্মা আমাৰ সাংবাদিকতাৰ ইতিহাসৰ এগৰাকী অগ্ৰগণ্য ব্যক্তি। খ্যাতিমান গল্পকাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ পৃষ্ঠপোষকতাত ১৯২৯ খ্ৰীঃত কলিকতাৰ পৰা ওলোৱা মাহেকীয়া আলোচনী *আৱাহন*ৰ সম্পাদকৰ দায়িত্ব বহন কৰিছিল শৰ্মাই। এই আলোচনীখনে আমাৰ সাহিত্যৰ ইতিহাসত উচ্চভাগ গৰিষ্ঠ এটা যুগৰ সৃষ্টি কৰি গৈছে। শৰ্মাৰ বিশেষ কোনো গ্ৰন্থ পোৱা নাযায় যদিও নিপুণ সাংবাদিক ৰূপে তেওঁৰ নাম স্মৰণীয়। *পাৰিজাত* তেওঁৰ সম্পাদিত শিশু আলোচনী।
- **অতুল চন্দ্ৰ হাজৰিকা ঃ** অতুল চন্দ্ৰ হাজৰিকা অসমীয়া সাহিত্যৰ অক্লান্ত আৰু নিষ্ঠাৱান লেখক। কবি আৰু নাট্যকাৰ ৰূপে তেওঁ সৰ্বজনবিদিত। তাৰ উপৰিও তেওঁ সাংবাদিক, শিশু সাহিত্যিক, অসমৰ মঞ্চ জগতৰ ইতিহাস প্ৰণেতা আৰু গ্ৰন্থ সম্পাদক। *দীপালী, মুকুতামালা, মণিমালা, পাঞ্চজন্য, তপোবন, মাণিকি মাধুৰী, ৰুণুক-জুনুক* আদি তেওঁৰ উল্লেখযোগ্য কবিতা পুথি। *দাতাকৰ্ণ, নৰকাসুৰ, বেউলা, নন্দদুলাল, চম্পাৱতী, কুৰুক্ষেত্ৰ, শ্ৰীৰামচন্দ্ৰ, সীতা, দময়ন্তী, ৰুক্মিণী হৰণ, সতী* আদি পৌৰাণিক নাটক।

কনৌজ কুঁৱৰী, ছত্রপতি শিৰাজী, টিকেন্দ্রজিৎ, বীৰাঙ্গনা, পাণিপথ, আহুতি তেওঁৰ ৰচিত বুৰঞ্জীমূলক নাট। কালিদাসৰ *অভিজ্ঞান-শকুন্তলম*ৰ তেওঁ অসমীয়া অনুবাদ কৰিছে *শকুন্তলা* আৰু শ্বেক্সপীয়েৰৰ *Merchant of Venice* আৰু *King Lear*ৰ অনুবাদ কৰিছে *বণিজ কোঁৱৰ* আৰু *অশ্রুতীর্থ* নাম দি। *মার্জিয়ানা, মানস প্রতিমা, বংমহল, কল্যাণী* আদি বিবিধ বিষয়ৰনাটক। *কথা-দশম, কথা-কীর্ত্তন, জাতকৰ সাধু* আদি শিশু উপযোগী সাহিত্য। *মঞ্চলেখা* তেওঁৰ সাহিত্যিক জীৱনৰ শ্রেষ্ঠ কৃতি। এই গ্রন্থ হাজৰিকাৰ বহু পৰিশ্রম, অনুসন্ধান আৰু নাট্যজগতৰ প্রতি থকা একান্ত অনুৰাগৰ ফলশ্রুতি। বেজবৰুৱাৰ গ্রন্থাৱলীকে ধৰি তেওঁ কেইবাখনো মহৎ গ্রন্থ সম্পাদনা কৰি থৈ গৈছে। ১৯৬৯ চনত তেওঁ 'সাহিত্য অকাদেমি বঁটা' লাভ কৰে। আজীৱন সাহিত্য সেৱাৰ বাবে ভাৰত চৰকাৰে তেওঁক 'পদ্মশ্রী' (১৯৭১) উপাধি বিভূষিত কৰে। অসম সাহিত্য সভাই 'সাহিত্যাচার্য্য' (১৯৮২) উপাধি প্রদান কৰে।

- **প্রসন্নলাল চৌধুৰী ঃ** অসমীয়া সাহিত্যত প্রসন্নলাল চৌধুৰী আছিল একাধাৰে কবি, নাট্যকাৰ, অভিনেতা, শৰীৰ চর্চাকাৰী আৰু সুদক্ষ চিকাৰী। *অগ্নিমন্ত্র* (১৯৫০) *চানেকি* (১৯৬৫) আৰু *কণ্টক উপহাৰ*—এই তিনিখন তেওঁৰ প্রকাশিত কবিতা সংগ্রহ। বিদ্রোহী সুৰৰ প্রাধান্যই তেওঁৰ কবিতাসমূহ অধিক শক্তিশালী কৰি তুলিছে। সেয়ে তেওঁ 'বিদ্রোহী কবি'নামেৰে পৰিচিত। স্বদেশ প্রেমৰ উদ্দাম প্রকাশ,নতুনক প্রতিষ্ঠাকৰাৰ দুর্বাৰ আকাংক্ষা তেওঁৰ কাব্যত এনেদৰে প্রতিফলিত হৈছে, সেইদৰে সত্য আৰু মানৱতাৰে পৰিপূর্ণ সমাজ গঢ়াৰ সপোনেও তিৰ্বিৰাই উঠিছে। তেওঁৰ কাব্যৰ ভাষা বলিষ্ঠ, উপযুক্ত শব্দচয়ন আৰু ছন্দৰ সাৱলীল গতিৰে কবিতাসমূহ বীৰত্ব-ব্যঞ্জক। *নীলাম্বৰ* (১৯৩৩) আৰু *অপেশ্বৰী* (১৯৫১) তেওঁৰ ৰচিত নাটক। *চিকাৰ-নিকাৰ*আৰু *স্মৃতিৰ সঁফুৰা* (১৯৯৭) তেওঁৰ ৰচিত শিশু সাহিত্য। তেওঁ মাধৱ কন্দলীৰ *ৰামায়ণ* (১৯৪১) সম্পাদনা কৰি প্রকাশ কৰে।
- **নগেন্দ্রনাৰায়ণ চৌধুৰী ঃ** *আৱাহন* আলোচনীৰ প্রতিষ্ঠাপক নগেন্দ্রনাৰায়ণ চৌধুৰী এগৰাকী প্রথিতযশা গল্পকাৰ।তেওঁৰ প্রকাশিত *নগেন্দ্রনাৰায়ণ চৌধুৰীৰ গল্প* (১৯৬৩)ত দহটা গল্প প্রকাশ পাইছে। সমাজ সংস্কাৰৰ প্রবৃত্তি থাকিলেও সমস্যা সমাধানৰ প্রয়াস দেখা নাযায়। বিষয়বস্তু প্রকাশৰ কৌশল আৰু গঠনৰীতিৰ ফালৰ পৰা স্থান বিশেষে এটি দুর্বলতা থাকিলেও নগেন্দ্রনাৰায়ণ চৌধুৰীয়ে আৱাহন যুগত বিশেষ স্থান লাভ কৰিছিল। ১৯৩১ খ্রীঃত শিৱসাগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ সভাপতিৰ আসনত তেওঁ অধিষ্ঠিত হৈছিল।
- **বেণুধৰ শর্মা ঃ** অসমৰ ঐতিহাসিক তথ্যৰ অনুসন্ধান, আৱিষ্কাৰ আৰু তাৰ প্রকাশকার্যত সূর্য্য কুমাৰ ভূঞাৰ নিচিনা বেণুধৰ শর্মাৰ আছিল জীৱনজোৰা সাধনা। ইতিহাসৰ নীৰস তথ্যক সাহিত্যৰ মাজেদি প্রকাশ কৰাতেই নহয়, শিশু সাহিত্য আৰু জীৱনী সাহিত্যৰ লেখক হিচাপেও শর্মাৰ নাম উল্লেখনীয়। *ৰবিনচন ক্রুচ'* (১৯১৮) আৰু *ৰাংপতা* (১৯৪৩) তেওঁৰ এই দুখন পুথি শিশু সাহিত্যৰ অন্তর্গত। *জৱাহৰলাল জীৱনী* (১৯৩৫), *আব্দুল*

গফুৰ খানৰ জীৱন (১৯৪৩) *গঙ্গাগোবিন্দ ফুকন* (১৯৫১), *মণিৰাম দেৱান* (১৯৫১) আৰু *গোবিন্দ বেজবৰুৱা* —এইবোৰ তেওঁৰ জীৱনীবিষয়ক ৰচনা। *দূৰবীণ* (১৯৫১), *কংগ্ৰেছৰ কাচিয়লি ৰ'দ* (১৯৫৯), *আৰ্য্যাৱলী* (১৯৬৭), *সাতাৱন ছাল* (১৯২৭) এইকেইখন গদ্য গ্ৰন্থ বুৰঞ্জীৰ বিষয়বস্তুৰ ওপৰত আধাৰিত। এইবোৰৰ উপৰিও *দক্ষিণ পাট সত্ৰৰ ইতিহাস* আৰু *হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলী* উল্লেখযোগ্য। ১৯৫৬ চনত বেণুধৰ শৰ্মাই অসম সাহিত্য সভাৰ ধুবুৰী অধিৱেশনত সভাপতিত্ব কৰিছিল। জীৱনী গ্ৰন্থকেইখনৰ ভিতৰত *মণিৰাম দেৱান* তেওঁৰ বিশেষ সৃষ্টি। তেওঁ *কংগ্ৰেছৰ কাচিয়লি ৰ'দ* গ্ৰন্থৰ বাবে ১৯৬০ চনৰ 'সাহিত্য অকাডেমী বঁটা' লাভ কৰে।

- **ৰাজমোহন নাথ ঃ** ৰাজমোহন নাথ পুৰণি সাহিত্য-সংস্কৃতি আৰু পুৰাতত্ত্বৰ এগৰাকী সাধক আৰু গৱেষক আছিল। অসমৰ ঐতিহ্য আৰু পুৰাতত্ত্ববিষয়ক বহুত তথ্য উদ্ধাৰ কৰি তেওঁ একাধিক পুথি লিখিছে। প্ৰসঙ্গিক বহুত নতুন কথা সংযোগ কৰি সুদীৰ্ঘ ভূমিকাৰ সৈতে শঙ্কৰদেৱৰ *কালীয় দমন নাট* সম্পাদনা কৰি উলিয়াই পুৰণি সাহিত্যৰ প্ৰতি থকা তেওঁৰ অনুৰাগ আৰু পাণ্ডিত্যৰ পৰিচয় দিছে। *গৌৰৱময় অসম* (১৯৪৯) আৰু *Background of Assamese Culture* (১৯৪৮) নামৰ গ্ৰন্থ দুখন নাথৰ অনুসন্ধান কাৰ্যবিশেষৰ ফলশ্ৰুতি। নলবাৰীৰ প্ৰাচীন আৰু প্ৰসিদ্ধ সাংস্কৃতিক অনুষ্ঠান কামৰূপ সংস্কৃত সঞ্জীৱনী সভাই নাথক ১৯৪৫ চনত 'তত্ত্বভূষণ' উপাধি প্ৰদান কৰে।
- **সদানন্দ দাস ঃ** বৰপেটাত জন্মগ্ৰহণ কৰা সদানন্দ দাসে *আৱাহন* আলোচনীৰ পাততে গল্পকাৰ ৰূপে সাহিত্য জগতত দেখা দিছিল তেওঁ কবিতা আৰু উপন্যাসো ৰচনা কৰিছে। *ইলা* তেওঁৰ প্ৰকাশিত কবিতা পুথি। তেওঁ বহুত গল্প আৰু আন আন গদ্য ৰচনা বিভিন্ন আলোচনীৰ পাতত প্ৰকাশ লাভ কৰিছে।
- **বিৰিঞ্চি কুমাৰ বৰুৱা ঃ** অসমীয়া সাহিত্যৰ এগৰাকী প্ৰসিদ্ধ কথাশিল্পী হ'ল বিৰিঞ্চি কুমাৰ বৰুৱা। *আৱাহন* আলোচনীৰ যোগেদি বিংশ শতিকাৰ চতুৰ্থ দশকতে বৰুৱা গল্পশিল্পী ৰূপে খ্যাতি লাভ কৰে। বিৰিঞ্চি কুমাৰ বৰুৱাই সৃষ্টিধৰ্মী ৰচনাসমূহ সৃষ্টি কৰিছে—'বীণা বৰুৱা' আৰু 'ৰাস্না বৰুৱা' ছদ্মনামত *পট পৰিৱৰ্তন* আৰু *আঘোণী ৰাই* তেওঁৰ দুখন গল্পপুথি। গল্প ৰচনাৰ মাজেদি চতুৰ্থ দশকতে খ্যাতিমান হোৱা বিৰিঞ্চি কুমাৰ বৰুৱাই আধুনিক যুগৰ শ্ৰেষ্ঠ ঔপন্যাসিক ৰূপে কলামোদীৰ সমাদৃত হয়। পঞ্চম দশকত ৰচিত মাত্ৰ দুখন উপন্যাসৰ যোগেদি। এখন *জীৱনৰ ৰাটত* (১৯৪৫) 'বীণা বৰুৱা' ছদ্মনামত ৰচিত আৰু আনখন *সেউজী পাতৰ কাহিনী* (১৯৫৮) 'ৰাস্না বৰুৱা' ছদ্মনামত ৰচিত। সাহিত্য-সংস্কৃতিৰ আলোচনা, ভাষা-তত্ত্বৰ বিচাৰ, লোক-সংস্কৃতিৰ অধ্যয়ন আদিৰ দিশতো তেওঁ প্ৰভুত অৱিহণা আগবঢ়াই থৈ গৈছে। তেওঁৰ *কাব্য আৰু অভিব্যঞ্জনা* অসমীয়া সাহিত্যৰ নন্দন তাত্ত্বিক আলোচনাৰ দিশত প্ৰথম পৰ্যায়ৰ উল্লেখনীয় গ্ৰন্থ। ভাষা আৰু সংস্কৃতিৰ আলোচনা গ্ৰন্থ *অসমীয়া ভাষা আৰু সংস্কৃতি, অসমীয়া ভাষা;* লোক-সংস্কৃতিৰ আলোচনামূলক গ্ৰন্থ *অসমৰ লোক-সংস্কৃতি* পুৰণি সাহিত্যৰ আলোচনাত্মক

পুথি, অসমীয়া কথা-সাহিত্য বৌদ্ধ ধর্ম আৰু সাহিত্য সম্পাদিত গ্ৰন্থ *অঙ্কীয়া নাট, ৰামানন্দৰ গীত, অৰুণোদইৰ ধলফাট* আৰু অন্যান্যৰ ভিতৰত *চুইজাৰলেণ্ডৰ ভ্ৰমণ* আৰু *দেশ-বিদেশৰ সাধু*। ইংৰাজীত লিখা তেওঁৰ গ্ৰন্থ হ'ল— *Cultural History of Assam*, *Assamese Literature* আৰু *Modern Assamese Literature* উল্লেখনীয়।


- **সোণাৰাম চৌধুৰী ঃ** সোণাৰাম চৌধুৰী আছিল অনুসন্ধিৎসু আৰু প্ৰত্নতাত্ত্বিক পণ্ডিত। ইতিহাস-প্ৰত্নতত্ত্বৰ অনুসন্ধান আৰু গৱেষণা কৰ্মত তেওঁ গোটেই জীৱন কটাইছে। *জোনাকী*ৰ পৰা আৰম্ভ কৰি *আৱাহন* পৰ্যন্ত প্ৰায় গোটেইকেইখন আলোচনীতে তেওঁ বহুত প্ৰবন্ধ লিখিছে, তাৰ বহু সংখ্যক প্ৰবন্ধই প্ৰত্নতত্ত্ব সম্বন্ধীয় আৰু সাংস্কৃতিক দিশৰ ৰহস্য তত্ত্বমূলক। 'কানাই বৰশী বোৱা শিল আৰু ওচৰৰ ঠাই অনুসন্ধান', 'গুৱাহাটীৰ তামৰ ফলি প্ৰাগজ্যোতিষপুৰৰ যৎকিঞ্চিৎ', 'বৈদ্যদেৱৰ তাম্ৰৰ ফলি', 'অসমীয়া ভাষা আৰু বৰ্ণমালা' সম্বন্ধে যৎকিঞ্চিৎ অসমীয়া আৰু বঙলা ভাষা, এই ধৰণৰ বহুত গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত বহু সংখ্যক আলোচনা সোণাৰাম চৌধুৰীয়ে আগবঢ়াই গৈছে। উল্লেখনীয় যে কিছুমান ৰচনা তেওঁ *হেমদাস ৰথী* এই গুপ্ত নামত ৰচনা কৰিছে।
- **নকুল চন্দ্ৰ ভূঞা ঃ** নকুল চন্দ্ৰ ভূঞাৰ সাহিত্য প্ৰতিভা বহু বিস্তৃত। তেওঁ একাধাৰে বুৰঞ্জী লেখক, গল্পকাৰ, জীৱন বৃত্ত ৰচক, লোকগীতৰ সংগ্ৰাহক আৰু নাট্যকাৰ। *বাৰ ভূঞাৰ বুৰঞ্জী* (১৯১৬) তেওঁৰ ঐতিহাসিক তথ্য প্ৰকাশ ৰচনা আৰু *চোৰাংচোৰাৰ চ'ৰা* (১৯১৮), *জোনোৱালী* (১৯৩৩) আৰু *গল্পৰ শৰাই* (১৯৬২) গল্প সম্ভাৰ। *ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া* (১৯৬১) তেওঁৰ জীৱনীগ্ৰন্থ আৰু *ব'হাগী* (১৯২৩) বিহুগীত সংগ্ৰহ। নকুল চন্দ্ৰ ভূঞাৰ প্ৰকাশিত নাটৰোৰ হ'ল— *জেৰেঙাৰ সতী* (১৯২৪), *বিদ্রোহী মৰাণ* (১৯৩৮), *নুমলী কুঁৱৰী* (১৯৬৩) আৰু *নলদময়ন্তী*। ১৯৬৬-৬৭ চনৰ অসম সাহিত্য সভাৰ তেওঁ সভাপতি আছিল।
- **ডিম্বেশ্বৰ নেওগ ঃ** আলোচনীৰ সম্পাদনা, অনুসন্ধান, গৱেষণা, সমালোচনা, ধর্মতত্ত্বৰ আলোচনা সাহিত্যৰ বুৰঞ্জী ৰচনা আৰু কবিতাৰ সৃষ্টি এই সকলোবোৰতে তেওঁৰ কৃতিত্ব উল্লেখনীয়। এটা সময়ত তেওঁ *জন্মভূমি* আৰু *মিলন* সম্পাদনা কৰাৰ উপৰিও কেইবাবছৰো অসম সাহিত্য সভা পত্ৰিকাৰো সম্পাদনা কৰিছিল। অসমীয়া সাহিত্যৰ বুৰঞ্জী লেখক হিচাপে ডিম্বেশ্বৰ নেওগৰ নাম বিশেষভাৱে উল্লেখযোগ্য। সেইবোৰৰ ভিতৰত *আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী* (১৯৩৭), *অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি, অসমীয়া সাহিত্যৰ সংক্ষিপ্ত বুৰঞ্জী* (১৯৫০), *অসমীয়া সাহিত্যৰ জেউতি* (১৯৫১) আৰু *অসমীয়া সাহিত্যৰ বুৰজী* (১৯৫৭) উল্লেখযোগ্য। নেওগৰ অসমৰ সভ্যতা-সংস্কৃতিৰ প্ৰাচীন দিশো নিৰীক্ষণ কৰিছে। তাৰ ফলশ্ৰুতিত সৃষ্টি *বৈষ্ণৱ ধর্মৰ আঁতিগুৰি, বৈষ্ণৱ ধর্মৰ ক্ৰমবিস্তাৰ* আৰু *প্ৰাক্-ঐতিহাসিক অসম*। লোক-সাহিত্যৰ সাধক নেওগ এগৰাকী কবি আছিল— *মালিকা* (১৯২১), *থূপিতৰা, মালিতা, ইন্দ্ৰধনু, মুকুতা, শ্বহীদে কাৰবালা, অসমা, বিচিত্ৰা* আৰু *থাপনা* এই কাব্য পুথিৰ মাজেৰে তেওঁৰ

কাব্য প্ৰতিভাৰ নিদৰ্শন পোৱা যায়।

- **সত্যপ্ৰসাদ বৰুৱা ঃ** গ্ৰন্থ প্ৰকাশনৰ যোগেদি কৰ্ম-জীৱনৰ আৰম্ভ কৰি পাছলৈ তেওঁ আকাশবাণীৰ যুটীয়াসঞ্চালকৰ দায়িত্ব বহন কৰে। তেওঁ অসম চৰকাৰৰ তথ্য জনসংযোগ আৰু সাংস্কৃতিক বিভাগৰ সঞ্চালকৰ পদ লাভ কৰে। চাকৈচকোৱাৰ লেখক ৰূপে সত্যপ্ৰসাদ বৰুৱাৰ নাম অৱশ্যে আগতো উল্লেখ কৰা হৈছে। *চছমা* (১৯৫৭), *জ্যোতিৰেখা* (১৯৫৮), *আনাৰকলি* (১৯৫৭), *ৰাণাদিল, কল্পনাৰ মৃত্যু* আদি সামাজিক আৰু বুৰঞ্জীমূলক নাট ৰচনা কৰে। তেওঁৰ দুখন অনুবাদ গ্ৰন্থ— *বনহংসী* (১৯৬১), *ৰজা ইডিপাছ* (১৯৬৪), *বৰুৱাৰ নাটক আৰু অভিনয় প্ৰসাৰ* (১৯৬১) নাট্যকলা আৰু অভিনয় সম্বন্ধীয় অনুসন্ধানমূলক আৰু আলোচনাত্মক মূল্যবান গ্ৰন্থ।
- **চক্ৰেশ্বৰ ভট্টাচাৰ্য্য ঃ** চক্ৰেশ্বৰ ভট্টাচাৰ্য্য অসমীয়া সাহিত্যত প্ৰগতিবাদী আন্দোলনৰ অন্যতম বিকাশ সাধন কৰোঁতা। প্ৰগতিবাদী কবি হিচাপে তেওঁৰ খ্যাতি যথেষ্ট। ৰঘুনাথ চৌধাৰী সম্পাদিত *জয়ন্তীক* ১৯৪৩ চনত নতুন ৰূপত সম্পাদনা কৰি উলিয়াই কমলনাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য্যই ৰামধেনু যুগত তেওঁ গল্পকাৰ ৰূপেও পৰিগণিত হয়। চক্ৰেশ্বৰ ভট্টাচাৰ্য্যই 'দেবানাংপ্ৰিয়' ছদ্মনামত 'মাথোন এখন নোট' কবিতাটো প্ৰগতিশীল *জয়ন্তীৰ* ষষ্ঠ খণ্ডত প্ৰকাশ পায়।
- **ভবানন্দ দত্ত ঃ** জয়ন্তী যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম ভবানন্দ দত্ত আছিল অসমীয়া সাহিত্যিক মাৰ্ক্সবাদী ভাবধাৰাৰে আকুণ্ঠ স্নান কৰোৱাই আধুনিক ৰূপলৈ উত্তৰণ ঘটাবলৈ বিচাৰে। 'বুদ্ধিজীৱী', 'লেখিকা', 'ৰাজপথ', 'পাউদাৰ', 'পূৰেৰুণ' আদি তেওঁৰ উল্লেখনীয় কবিতা। 'Philosophy and India', 'ৰবীন্দ্ৰ প্ৰতিভা', 'দৃষ্টি আৰু দৰ্শন', 'অসমীয়া কবিতাৰ কাহিনী', 'অসমৰ জাতীয় সমস্যাৰ বিৱৰ্তন' আদি তেওঁৰ উল্লেখযোগ্য ৰচনা।
- **অমূল্য বৰুৱা ঃ** প্ৰাক্-স্বাধীনতা যুগৰ অব্যৱহিত পূৰ্বকালীন কবি অমূল্য বৰুৱা আধুনিক কাব্য প্ৰৱাহৰ এগৰাকী অন্যতম কবি। স্বল্পকালীন জীৱনটোৰ ভিতৰতে তেওঁ— 'বেশ্যা', 'কয়লা', 'কুকুৰ', 'বিপ্লৱী' আদি শ্ৰেষ্ঠ কবিতা ৰচনা কৰি কাব্যিক জগতত আধুনিকতাৰ বাট স্পষ্ট কৰি তোলাত সহায় কৰে। তেওঁৰ কবিতা পুথি *অচিন* ১৯৬৬ চনত মৰণোত্তৰভাৱে প্ৰকাশ পায়। অমূল্য বৰুৱাৰ দুখন উপন্যাসো পোৱা যায়— *এই পদুমণি* আৰু *উ খুন জঙা*।
- **হেম বৰুৱা ঃ** হেম বৰুৱা আছিল সুবক্তা আৰু কৃতি সাংসদ। তেওঁ *পছোৱা* আৰু *আসাম এক্সপ্ৰেছ* নামৰ দৈনিক ইংৰাজী কাকতৰ সম্পাদক আছিল। *আৱাহন, জয়ন্তী, ৰামধেনু* আদি কাকত-আলোচনীৰ জৰিয়তে তেওঁৰ সাহিত্য চৰ্চাই বিকাশ লাভ কৰে। তেওঁৰ *বালিচন্দা* (১৯৬২) আৰু *মনময়ূৰী* (১৯৬৭) প্ৰখ্যাত কাব্য সঙ্কলন। *আধুনিক সাহিত্য* (১৯৫০), *সাগৰ দেখিছা* (১৯৫৪), *সানমিহলি* (১৯৫৭), *ৰঙা কৰবীৰ ফুল* (১৯৫৮), *কিউপিড আৰু চাইকী* (১৯৫৭), *কন্যকী* (১৯৬০), *এই গাঁও এই গীত* (১৯৬২) আদি পুথিৰ ৰচক ৰূপে অসমীয়া গদ্য সাহিত্যত তেওঁৰ বিশিষ্ট স্থান অধিকাৰ কৰি আছে। তেওঁ *জনতা* (১৯৪৬) আৰু *পছোৱা* (১৯৪৮-৮৯) কাকত সম্পাদনা কৰি

সাংবাদিকতাৰ ক্ষেত্ৰতো স্থান লাভ কৰিছে।

- **নৱকান্ত বৰুৱা ঃ** যুগজয়ী উপন্যাস, হৃদয় পৰশা গীতি-সাহিত্য, বহুমূলীয়া শিশু সাহিত্য, সাহিত্য-সংস্কৃতি বিষয়ৰ মননশীল প্ৰবন্ধ সম্ভাৰ, বিশ্বৰ বিভিন্ন ভাষাৰ মহৎ কবি-সাহিত্যিকৰ বাছকবনীয়া গ্ৰন্থৰ সাৱলীল অনুবাদ, সম্পাদিত গ্ৰন্থ-আলোচনী আদি কালজয়ী সৃষ্টিৰে অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াই থৈ যোৱা সাহিত্যিক গৰাকীয়ে হ'ল নৱকান্ত বৰুৱা। তেওঁৰ কাব্য প্ৰতিভাৰ সোণালী স্বাক্ষৰ হ'ল— *হে অৰণ্য হে মহানগৰ* (১৯৫২), *এটি দুটি এঘাৰটি তৰা* (১৯৫৭), *যতি আৰু কেইটামান স্কেচ্ছ* (১৯৬০), *বাৱণ* (১৯৬৩), *মনৰ খবৰ* (গীত, ১৯৬৩), *ৰত্নাকৰ* (কবিতা, ১৯৮৬), *সম্ৰাট* (১৯৬২), *মোৰ আৰু পৃথিৱী* (১৯৭৩) আদি কবিতা তথা কবিতা সঙ্কলন। *অপদাৰ্থ* (১৯৮১), *ককাদেউতাৰ হাড়* (১৯৮০), *কপিলীপৰীয়া সাধু* (১৯৫৩), *মানুহ আটাইবোৰ দ্বীপ* (১৯৭৩) আৰু *গৰমা কুঁৱৰী* (১৯৮০) আদি উপন্যাস ৰচনাৰে ঔপন্যাসিক হিচাপে খ্যাতি অৰ্জন কৰে। শিশু আৰু চেমনীয়াৰ উপযোগীকৈ লিখা *আখৰৰ জখলা* (১৯৫৮), *ভ-উকাৰে ভূ* (১৯৮৯), *কিশোৰ ৰামায়ণ* (১৯৮৮), *কিশোৰ উপনিষদ* (১৯৮৯), *মনত পৰাৰ শব্দ* (১৯৮৩), *শিয়ালি পালেগৈ ৰতনপুৰ* (১৯৫৫) অনন্য সৃষ্টি। উল্লেখযোগ্য যে তেওঁ *ককাদেউতাৰ হাড়* উপন্যাসৰ বাবে 'সাহিত্য অকাদেমি বঁটা' লাভ কৰে।
- **কেশৱ মহন্ত ঃ** ভৌতিকবাদত বিশ্বাসী আধুনিক কবি গোষ্ঠীৰ অন্তৰ্গত অন্যতম খ্যাতিমান কবি কেশৱ মহন্ত। তেওঁ *জয়ন্তী*আলোচনী যোগেদি কবি হিচাপে আত্মপ্ৰকাশ কৰে। ১৯৪৬ চনত প্ৰকাশ পায় তেওঁৰ প্ৰথম কবিতা সঙ্কলন *আমাৰ পৃথিৱী*। 'আঘোনৰ কুঁৱলী', 'মৰনৈৰ কাল', 'চিত্ৰলেখা', 'চৰাই হৈ পৰিমগৈ', 'প্ৰেক্ষাগৃহলৈ', 'এটা নতুন গান' আদি তেওঁৰ উল্লেখযোগ্য কবিতা। অসমীয়া লোক জীৱনৰ আদৰ্শ তেওঁৰ কবিতাৰ প্ৰধান অৱলম্বন। গীতিকাৰ ৰূপে কেশৱ মহন্তৰ পৰিচয় অধিক প্ৰশস্ত দেখা যায়। ইতিমধ্যে তেওঁৰ কেইবাখনো গীতি গুচ্ছই প্ৰকাশ লাভ কৰিছে। *ৰ'দ জিকিমিকি* (১৯৬০), *কুঁৱলী আঁতৰি যা* (১৯৬৪), *দিশ ধৱলী ৰৱণ* (১৯৭০) আদি তেওঁৰ গীতি কবিতাৰ সঙ্কলন। ইয়াত অসমীয়া গাঁৱলীয়া জীৱনৰ বাহ্যিক আৰু আভ্যন্তৰিণ চিত্ৰৰ সাঙ্গীতিক ৰূপায়ণ বিশেষ আকৰ্ষণীয়। *ওমৰা ঘৰ, মা আমি শদিয়ালৈ যামেই* তেওঁৰ ৰচিত শিশু উপযোগী পুথি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ জয়ন্তী যুগৰ কাব্য সাহিত্যৰ সমৃদ্ধিত অৰিহণা যোগোৱাদুগৰাকী প্ৰগতিশীলদৃষ্টিভঙ্গী কবিৰ বিষয়ে আলোচনা কৰক। (১০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ৬ ঃ জয়ন্তী যুগৰ যিকোনো এগৰাকী গল্পকাৰৰ গল্প প্ৰতিভা সম্পৰ্কে আলোচনা কৰক। (১০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ৭ ঃ জয়ন্তী যুগৰ প্ৰবন্ধ সাহিত্যত অৰিহণা আগবঢ়োৱা সাহিত্যিকসকলৰ ৰচনাৰ আলমত সমসাময়িক পৰিস্থিতি সম্পৰ্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯৩৮ চনৰ পৰা ১৯৪৬ চনলৈ অসমীয়া সাহিত্যৰ এই সময়খিনিক জয়ন্তী যুগ বুলি অভিহিত কৰা হয়। সম্পাদক ৰঘুনাথ চৌধাৰী আৰু কমলনাৰায়ণ দেৱ আৰু চক্রেশ্বৰ ভট্টাচার্য্যৰ যুটীয়া সম্পাদনাত সম্পাদিত *জয়ন্তী* আলোচনীখনৰ নামেৰে অসমীয়া সাহিত্যৰ সেই সময়খিনিক নামকৰণ কৰা হৈছে। ভাষা-সাহিত্যৰবিকাশত সংবাদ-পত্রৰ ভূমিকাৰ বিষয়ে জানিব পাৰিলোঁ।
- অধ্যায়টিত জয়ন্তী যুগৰ ঐতিহাসিক প্রেক্ষাপট সম্পর্কে বিস্তৃতভাৱে আলোচনা দাঙি ধৰা হ'ল। সেই সময়ছোৱাৰ সমগ্র বিশ্বৰ লগতে অসমৰ সমাজ জীৱনত ঘটা কেতবোৰ ঘটনাৰাজিয়ে সমাজ জীৱনত সাধন কৰা পৰিৱর্তনৰ বিষয়েও বহলাই আলোচনা কৰা হৈছে।
- জয়ন্তী যুগৰ স্বকীয় বৈশিষ্ট্যমণ্ডিত সাহিত্য তথা সাহিত্যৰ ধাৰা সম্পর্কে আলোচনা কৰা হ'ল।
- জয়ন্তী যুগৰ সাহিত্যিকসকলৰ চমু পৰিচয় তুলি ধৰা হ'ল। তেওঁলোকৰ সাহিত্য কৃতিৰো আভাস দিয়া হ'ল।
- *জয়ন্তী*আলোচনীখনৰ লক্ষ্য, উদ্দেশ্য আৰু মনৰ শৃঙ্খলাৰলগতে তাত থকা শিতানসমূহৰ বিষয়েও ধাৰণা লাভ কৰিলোঁ।



৮.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) অধিকাৰী, গগনচন্দ্র (সম্পা.) (১৯৮৬) ঃ *বীৰেন বৰকটকী, ব্যক্তিত্ব আৰু প্রতিভা*; গুৱাহাটী।

২) কটকী, চন্দ্র (১৯৮০) ঃ *সাহিত্য আৰু চেতনা*; গুৱাহাটী ঃ এল. বি. এছ.।

৩) কলিতা, মহেশ্বৰ (২০০২) ঃ *চল্লিশৰ দশকৰ অসমীয়া কবিতা ঃ এটি সমীক্ষা*; পাণবজাৰ, গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৪) গোহাঁই, হীৰেন (১৯৯১) ঃ *সাহিত্য আৰু চেতনা*; গুৱাহাটী ঃ এল. বি. এছ.।

৫) চক্রৱর্তী, অৰনী (সম্পা.) (১৯৯০) ঃ *অমূল্য বৰুৱা ঃ জীৱন আৰু কবিতা*; সদৌ অসম কবি সম্মিলন।

৬) তালুকদাৰ, নন্দ (১৯৭৫) ঃ *সম্পাদ-পত্রৰ ৰ'দ কাঁচলিত অসমীয়া সাহিত্য*; গুৱাহাটী ঃ বৰুৱা এজেন্সি।

৭) দত্ত, ধীৰেন্দ্ৰ চন্দ্ৰ (১৯৯২) ঃ *অভিযান আৰু অন্যান্য কবিতা*; গোলাঘাট ঃ ভাৰতী বুক ষ্টল।

৮) দত্ত, ভবানন্দ (১৯৮৮) ঃ *অসমীয়া কবিতাৰ কাহিনী*; গুৱাহাটী ঃ এল. বি. এছ.।

৯) নেওগ, ডিম্বেশ্বৰ (১৯৬৪) ঃ *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*; গুৱাহাটী।

১০) নেওগ, মহেশ্বৰ (১৯৮৪) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; ডিব্ৰুগড় ঃ বাণী মন্দিৰ।

১১) নেওগ, মহেশ্বৰ (১৯৯৩) ঃ *বাণীকান্ত চয়নিকা*; নতুন দিল্লী ঃ সাহিত্য অকাডেমী।

১২) বৰ্মন, শিৱনাথ (সম্পা.) (১৯৯৭) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী*; দ্বিতীয় খণ্ড, গুৱাহাটী ঃ আবিলেক।

১৩) বৰগোহাঞি, হোমেন (সম্পা.) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী*; ষষ্ঠ খণ্ড, গুৱাহাটী ঃ আবিলেক।

১৪) বৰগোহাঞি, হোমেন (১৯৭৬) ঃ *অসমীয়া গল্প সঙ্কলন*; দ্বিতীয় খণ্ড, গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

১৫) বৰগোহাঞি, হোমেন (১৯৮৭) ঃ *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য*; যোৱহাট ঃ অসম সাহিত্য সভা।

১৬) বৰগোহাঞি, হোমেন আৰু মজুমদাৰ, পৰমানন্দ (সম্পা.) (২০১১) ঃ *জয়ন্তী*; গোলাঘাট ঃ ভাৰতী বুক ষ্টল।

১৭) বৰা, মহেন্দ্ৰ (সম্পা.) (১৯৮৭) ঃ *নতুন কবিতা*; ডিব্ৰুগড় ঃ বনলতা।

১৮) বৰা, মহেন্দ্ৰ (১৯৯০) ঃ *অসমীয়া কবিতাৰ ছন্দ*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

১৯) বৰুৱা, অণু (১৯৮৪) ঃ *হেম বৰুৱা ঃ মোৰ চিনাকি মানুহজন*; গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

২০) বৰুৱা, দিলীপ (১৯৯১) ঃ *কবিতাৰ ভৱিষ্যৎ ঃ পঞ্চদশকৰ সাহিত্য পৰম্পৰা*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

২১) বৰুৱা, বীৰেশ্বৰ (১৯৮৭) ঃ *ৰামধেনু আৰু পৰৱৰ্তী কাল*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

২২) মহন্ত, প্ৰফুল্ল (১৯৯১)ঃ *অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস*; গুৱাহাটী ঃ পূৰ্বাঞ্চল প্ৰকাশ।

২৩) শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পা.) (১৯৯৮) ঃ *অসমৰ বাতৰিকাকত, আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস*; অসমৰ বাতৰি কাকতৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতি।

২৪) শৰ্মা, যতিনাৰায়ণ (১৯৬৪) ঃ *আধুনিক অসমীয়া কবিতা*; যোৱহাট ঃ ফ্ৰেণ্ডছ পাব্লিচার্ছ।

২৫) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৮৬) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ প্ৰতিমা দেৱী।

২৬) শৰ্মা, হৰিনাথ (২০১২) ঃ *অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাস*; নলবাৰী ঃ অঞ্জনা দেৱী।

ইংৰাজী গ্ৰন্থ ঃ

1) Baruah, Birinchi Kumar (1978): *History of Assamese Literature*; New Delhi: Sahitya Akademi.

2) Baruah, Hem (1965): *Assamese Literature*; New Delhi: NBT.
3) Bhuyan, Surjya Kumar (1956): *Studies is the Literature of Assam*; Guwahati: Lawyers Book sStall.
4) Kakati, BaniKanta (1962): *Assamese: Its Formation and Development*; Guwahati: Lawyers Books Stall.

৮.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ সংবাদ-পত্ৰ হৈছে সময়ৰ স্মাৰক। সংবাদ-পত্ৰৰ মাজেৰে আমি সময়ৰ প্ৰেক্ষাপট অনুধাৱন কৰিব পাৰোঁ।সমাজ অধ্যয়নৰ এক অন্যতমআহিলা হৈছে সংবাদ-পত্ৰ। *জয়ন্তী* আলোচনীখনৰ জন্মৰ এক তাৎপৰ্যপূৰ্ণ প্ৰেক্ষাপট আছে। ১৯৩৮ চনত *জয়ন্তী*প্ৰকাশৰ আগলৈ অসম, ভাৰত তথা বিশ্বৰ পৰিস্থিতি অভূতপূৰ্ব সলনি হৈছিল। বিশ্বৰ কি কি ঘটনা পৰিঘটনাই *জয়ন্তী* আলোচনী আৰু তাত প্ৰকাশিত সাহিত্যৱাজিৰ মাজত প্ৰতিফলিত হৈছে সেই বিষয়ে লিখিব লাগিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৩৮চনত প্ৰকাশ পোৱা *জয়ন্তী*আলোচনীখনিত সমসাময়িক সমগ্ৰ বিশ্বৰ লগতে ভাৰত থকা অসমৰ সাহিত্য-সংস্কৃতি, ৰাজনীতি-অৰ্থনীতি, সামাজিক সমস্যাই সচেতনশীল লেখকসকলক প্ৰভাৱান্বিত কৰিছিল। যাৰ ফলশ্ৰুতিত পূৰ্বৰে পৰা প্ৰচলিত হৈ অহা ৰোমাণ্টিক ভাৱাৱেগৰ পৰা মুক্ত হৈ বিষয়বস্তু, প্ৰকাশভঙ্গী আদি এক নতুন, জাতীয়তাবাদী তথা প্ৰগতিশীল দৃষ্টিভঙ্গী প্ৰকাশ ঘটিছে সেই সম্পৰ্কে লিখিব লাগিব।

৩নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতিটো যুগৰে সাহিত্যৰ এক স্বকীয়া সত্তা তথা বৈশিষ্ট্য থকা দেখা যায়। জয়ন্তী যুগৰ সাহিত্যৰ প্ৰধান সুৰ তথা ভাব হৈছে এটা জাতীয়তাবাদী ভাবধাৰা আৰু আনটো সাম্যবাদী প্ৰগতিশীল দৃষ্টি। জয়ন্তী যুগৰ সাহিত্যৰ প্ৰধান ধাৰা বুলিব লাগিলে আমি নাটক, গল্প আৰু প্ৰবন্ধ সমালোচনা সাহিত্যৰ কথাকে ক'ব লাগিব। উক্ত বৈশিষ্ট্য এই তিনিটা ধাৰাৰ সাহিত্যৱাজিত কেনেদৰে প্ৰতিফলিত হৈছে আলোচনা কৰিব লাগিব।

৪নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া সাহিত্যলৈ *জয়ন্তী*আলোচনীৰ এক বিশেষ অৰিহণা হৈছেপ্ৰগতিশীল ভাবধাৰা। উল্লেখনীয় যে *জয়ন্তী*ৰ প্ৰথম বৰ্ষৰ সংখ্যাবোৰত জোনাকী যুগৰ কাব্যৰ ৰোমাণ্টিক কোমল অনুভূতিৰ প্ৰভাৱ দেখা যায় যদিও সাহিত্যৰ অন্যান্য ধাৰাবোৰৰ ভিতৰত কবিতাৰ ক্ষেত্ৰখনত যথেষ্ট পৰিৱৰ্তন সাধিত হৈছে। কমলনাৰায়ণ দেৱৰ 'প্ৰগতিশীল কবিতাৰ টেক্‌নিক' শীৰ্ষক প্ৰবন্ধত তাৰ সুন্দৰ অভিব্যক্তি ঘটিছে। যুগটোৰ কাব্য-সাহিত্যত অৰিহণা যোগোৱা কবিসকলৰ কাব্য প্ৰতিভা সম্পৰ্কে আলোচনা কৰিব লাগিব।

৫নং প্ৰশ্নৰ উত্তৰ ঃ জয়ন্তী যুগৰ সমৃদ্ধিত অৰিহণা যোগাৱা সাহিত্যিকসকলৰ ভিতৰত কবি ভবানন্দ দত্ত আৰু অমূল্য বৰুৱা অন্যতম। দুয়োগৰাকী কবিৰ কাব্য কৃতিৰ মাজেৰে তেওঁলোকৰ কাব্য প্ৰতিভা সম্পৰ্কে আলোচনা কৰিব লাগিব।

৬নং প্ৰশ্নৰ উত্তৰ ঃ কাব্য-সাহিত্যৰ তুলনাত গল্প-সাহিত্যত প্ৰগতিশীল দৃষ্টিভঙ্গী কিছু দুৰ্বল। *জয়ন্তী*ৰ পাতত আত্মপ্ৰকাশ কৰা বহুসংখ্যক গল্প লিখকে পৰৱৰ্তী পৰ্যায়ত গল্প লিখিবলৈ এৰি দিয়ে। এই ক্ষেত্ৰত এগৰাকী গল্পকাৰ হ'ল চৈয়দ আব্দুল মালিক। যিয়ে নিৰৱচ্ছিন্নভাৱে গল্প ৰচনা কৰিছিল। তেওঁৰ ৰচিত গল্পৰ মাজেৰে প্ৰতিফলিত বৈশিষ্ট্যৰাজিৰ আলোচনা কৰিব লাগিব।

৭নং প্ৰশ্নৰ উত্তৰ ঃ চিন্তাশীল গহীন প্ৰবন্ধ *জয়ন্তী*ৰ অন্যতম বিশেষত্ব। সেয়ে বিভিন্নজন সাহিত্যিক-সমালোচকৰ ৰচনাৰাজিৰ মাজেৰে প্ৰকাশ পোৱা সমসাময়িক সমাজৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি দিশৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰিব লাগিব।



৮.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ চমুটোকা লিখক—

ক) জয়ন্তী খ) ৰঘুনাথ চৌধাৰী

গ) চক্ৰেশ্বৰ ভট্টাচাৰ্য ঘ) ভবানন্দ দত্ত

প্ৰশ্ন ২ ঃ "জয়ন্তী যুগ প্ৰধানতঃ প্ৰগতিশীল সাহিত্যৰ যুগ" —কথাযাৰ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ১৯৩৮ চনৰ পৰা ১৯৪৬ চনলৈকে অসমীয়া সাহিত্যৰ আদৰ্শগত বৈশিষ্ট্যবোৰ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ জয়ন্তী যুগৰ কাব্য-সাহিত্য সম্পৰ্কে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগত কৰক।

প্ৰশ্ন ৫ ঃ জয়ন্তী যুগৰ প্ৰবন্ধ সাহিত্য বিষয়ে এটি আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ অসমীয়া সাহিত্যলৈ জয়ন্তী যুগৰ অৱদান সম্পৰ্কে এটি বিশ্লেষণ আগবঢ়াওক।

প্ৰশ্ন ৭ ঃ জয়ন্তী যুগৰ গল্প-সাহিত্য সম্পৰ্কে আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৮ ঃ প্ৰগতিশীল জয়ন্তী যুগ সৃষ্টিত কমলনাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য্যৰ ভূমিকা সম্পৰ্কে এটি বিশ্লেষণ আগবঢ়াওক।

প্ৰশ্ন ৯ ঃ জয়ন্তী যুগৰ সাহিত্য সৃষ্টিৰ ঐতিহাসিক প্ৰেক্ষাপট সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ১০ ঃ জয়ন্তী যুগৰ সাহিত্যৰ বৈশিষ্ট্য আৰু ধাৰা সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ৯ ঃ ৰামধেনু যুগৰ অসমীয়া সাহিত্য-১

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ ৰামধেনু যুগৰ পটভূমি
৯.৪ ৰামধেনু যুগৰ অসমীয়া সাহিত্য
৯.৫ ৰামধেনু যুগৰ অসমীয়া সাহিত্যৰ বিবিধ ধাৰা
৯.৫.১ প্ৰগতিবাদী বা সমাজবাদী ধাৰা
৯.৫.২ হাস্য-ব্যঙ্গৰ ধাৰা
৯.৫.৩ আধুনিকতা আৰু বাস্তৱবাদী ধাৰা
৯.৫.৪ মনস্তাত্ত্বিক ধাৰা
৯.৫.৫ ৰাজনৈতিক আৰু অৰ্থনৈতিক ধাৰা
৯.৫.৬ অস্তিত্ববাদী ধাৰা আৰু চেতনাস্ৰোত পদ্ধতি
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৭ অধিক জানিবলৈ
৯.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৯.৯ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সাহিত্যৰ দিক্ নিৰ্ণয়ত আলোচনীৰ ভূমিকা সম্পৰ্কে জানিব পাৰিব
- ৰামধেনু আলোচনীৰ যোগেদি সৃষ্টি হোৱা সাহিত্যিক আন্দোলন সম্পৰ্কে আলোচনা কৰিব পাৰিব
- ৰামধেনু যুগৰ পটভূমি সম্পৰ্কে জানিব পাৰিব
- ৰামধেনু যুগৰ সাহিত্য সম্পৰ্কে আলোচনা কৰিব পাৰিব
- সমাজ জীৱনৰ সৈতে ৰামধেনু যুগৰ সম্পৰ্কৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- এই যুগৰ আধাৰ, লক্ষণ, স্বৰূপ সম্পৰ্কে জানিব পাৰিব
- ৰামধেনু যুগৰ গৌৰৱোজ্জ্বল দিশবোৰৰ সম্পৰ্কে অৱগত হ'ব
- ইয়াৰ বিবিধ ধাৰাৰ সৈতে পৰিচিত হ'ব।

৯.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়কেইটাত আপুনি অসমীয়া সাহিত্যৰ বিভিন্ন যুগৰ কথা অধ্যয়ন কৰিলে। *অৰুনোদই*ৰ পৰা আৰম্ভ কৰি *জোনাকী, আৰাহন, বাঁহী, পছোৱা, জয়ন্তী* আদি বিভিন্ন যুগৰ সাহিত্য অধ্যয়ন কৰিলে। এই অধ্যায়ত আপুনি 'ৰামধেনু' যুগৰ সাহিত্য সম্পৰ্কে জানিব পাৰিব। এই যুগৰ সাহিত্যই আনি দিয়া পৰিৱৰ্তনৰ সৈতে পৰিচিত হ'ব।

প্ৰত্যেক ভাষাৰ সাহিত্যৰ বিকাশ, প্ৰচাৰ আৰু প্ৰসাৰত আলোচনীয়ে এক বিশেষ ভূমিকা পালন কৰে। আধুনিক অসমীয়া ভাষা-সাহিত্যও আলোচনীৰ পাততে গঢ় লৈ উঠিছিল। ওপৰত উল্লেখ কৰা আলোচনীসমূহেও অসমীয়া সাহিত্যৰ একো একোটা যুগৰ সৃষ্টি কৰি গৈছে। বিশেষ বিশেষ আলোচনীয়ে সাহিত্যৰ বুৰঞ্জীত বিশেষ অৰিহণা আগবঢ়াইছে। আধুনিক সাহিত্যৰ বুৰঞ্জী প্ৰণেতাসকলেও সেই আলোচনীবোৰক কেন্দ্ৰ কৰি সাহিত্যৰ ক্ৰমবিকাশৰ যুগ একোটা নিৰূপণ কৰি গৈছে। আধুনিক অসমীয়া সাহিত্য আলোচনীক ভিত্তি কৰিয়েই গঢ় লৈ উঠিছে।

এই অধ্যায়ত *ৰামধেনু* আলোচনীখনে আধুনিক অসমীয়া সাহিত্যৰ পথাৰখন কিদৰে চহকী কৰি থৈ গৈছে সেই বিষয়ৰ পৰিচয় দাঙি ধৰা হ'ব।

অসমীয়া সাহিত্যৰ বুৰঞ্জী মৌখিক সাহিত্যৰ পৰাই সমৃদ্ধ। তাৰ পৰৱৰ্তী প্ৰাক্-শঙ্কৰী যুগৰ পৰা বৰ্তমানলৈকে বিভিন্ন পৰিক্ৰমাৰ মাজেৰে আজিৰ অৱস্থাত উপনীত হৈছে। এই অধ্যায়ত আন আলোচনালৈ নগৈ ৰামধেনু যুগৰ সাহিত্যতে সীমাবদ্ধ থকা হ'ব। *জয়ন্তী, পছোৱা* আদি আলোচনীয়ে আনি দিয়া টোটোতে *ৰামধেনু* আলোচনী গঢ় লৈ উঠিছিল। সাহিত্য-শিল্প সমাজৰ আধাৰতে সৃষ্টি হয়। সমাজৰ ৰূঢ় বাস্তৱেই সাহিত্য শিল্পৰো আধাৰ। *ৰামধেনু* আলোচনীখনতো সমাজৰ বাস্তৱ ছবিখন শিল্পসন্মতভাৱে ৰূপায়িত কৰিব বিচাৰিছিল।

এই অধ্যায়ত ৰামধেনু যুগৰ অসমীয়া সাহিত্যৰ এটি আভাস দিবলৈ যত্ন কৰা হ'ব। সমাজ-সচেতনতাৰ ভাব প্ৰতিফলিত হোৱা *ৰামধেনু* আলোচনীত ফুটি উঠা পশ্চিমীয়া সাহিত্যৰ বিভিন্ন দৰ্শনৰ বিষয়েও জনাবলৈ চেষ্টা কৰা হ'ব।

৯.৩ ৰামধেনু যুগৰ পটভূমি

আধুনিক যুগৰ বিকাশ সাধনত আলোচনীৰ গুৰুত্ব অপৰিসীম। আধুনিক অসমীয়া ভাষা-সাহিত্যৰ বিকাশ হৈছিল অৰুণোদই যুগৰ সাহিত্যতে। তাৰ পাছতো *বাঁহী, জোনাকী, উষা, আৰাহন, মিলন, জয়ন্তী, পছোৱা* আদি আলোচনীয়েও অসমীয়া ভাষা-সাহিত্যৰ বিকাশ, প্ৰচাৰ, প্ৰসাৰত একো একোটা বিশেষ ভূমিকা অৱলম্বন কৰিছে। সেইবাবেই সাহিত্যৰ বুৰঞ্জী বিচাৰত আলোচনীক কেন্দ্ৰ কৰি একোটা যুগ নিৰ্দ্ধাৰণ কৰি লোৱা হয়।

ৰামধেনু আলোচনীখন প্ৰকাশ হোৱাৰ আগতে ওপৰত উল্লিখিত কেবাখনো আলোচনীয়ে অসমীয়া ভাষা-সাহিত্যৰ গুৰি ব'ঠা ধৰিছিল। গতিকে *ৰামধেনু* প্ৰকাশ হোৱাৰ আগতেই শক্তিশালী ভেঁটি এটা আছিলেই। *পছোৱা*আৰু *জয়ন্তী*নামৰ আলোচনী দুখনত আধুনিক

ভাবৰ প্ৰকাশ ঘটিছিল। এই দুয়োখন আলোচনীত উদ্ভাসিত হোৱা আধুনিক সাহিত্যৰ ঢৌ 'ৰামধেনু' যুগত পৰিপক্ক ৰূপত উজলি উঠিল।

ৰামধেনু আলোচনীখন প্ৰকাশ হোৱাৰ পূৰ্বে ১৯৪৮ চনত বিৰিঞ্চি কুমাৰ বৰুৱাৰ সম্পাদনাত *ৰংঘৰ* নামেৰে এখন শিশু আলোচনী প্ৰকাশ হৈছিল। সেই সময়ত *ৰংঘৰ* এখন জনপ্ৰিয় আৰু উল্লেখযোগ্য আলোচনী হিচাপে পৰিগণিত হৈছিল। অসমৰ কেবাগৰাকী স্বনামধন্য ন-পুৰণি কবি-সাহিত্যিকে *ৰংঘৰ* আলোচনীত লিখিছিল। তেওঁলোক আছিল জ্যোতিপ্ৰসাদ আগৰৱালা, কমলানন্দ ভট্টাচাৰ্য্য, ৰত্নকান্ত বৰকাকতি, মহেশ্বৰ নেওগ আদি। দেৱকান্ত বৰুৱাৰ 'আমি দুৰাৰ মুকলি কৰো' নামৰ ক্ৰান্তিকাৰী কবিতাটো *ৰংঘৰ* আলোচনীতে প্ৰকাশ হৈছিল। *ৰংঘৰ* শিশু আলোচনী হ'লেও তাত প্ৰকাশ পোৱা সকলো লেখা শিশুৰ বাবে নাছিল। অৱশ্যে জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ 'ভূত পোৱালি' আদিৰ দৰে লেখাৰ সংখ্যা সৰহ আছিল। কেবাগৰাকী মহিলা লেখকেও *ৰংঘৰ* যোগেদি আত্মপ্ৰকাশ কৰিছিল। তেওঁলোক আছিল প্ৰণীতা দেৱী, গীতা চক্ৰৱৰ্তী, চন্দ্ৰপ্ৰভা দত্ত আদি।

দুবছৰ কাল এই আলোচনীখন প্ৰকাশ হোৱাৰ পাছত *ৰংঘৰ* শিশু আলোচনীখন কলেবৰ ডাঙৰকৈ প্ৰকাশ কৰাৰ পৰিকল্পনা কৰা হয়। অকল কলেবৰ ডাঙৰ কৰাই নহয়, ইয়াৰ উদ্দেশ্য আছিল ৰংঘৰৰ ঠাইত পূৰ্ণাংগ আলোচনী এখন প্ৰকাশ কৰাৰ। তেনেকৈয়ে ৩য় বছৰৰ পৰা এখন ওখ খাপৰ মাহেকীয়া আলোচনী প্ৰকাশ কৰাৰ সিদ্ধান্ত লোৱা হয়।



জানি থোৱা ভাল

ৰামনেধু আলোচনী ১৯৫০ চনৰ পৰা ১৯৬৭ চনলৈ একেৰাহে প্ৰকাশ পাইছিল। তাৰ পাছত কেইবছৰমান বন্ধ হৈ ১৯৭১ চনত পুনৰ প্ৰকাশ পাইছিল। ১৯৮০ চনত এই আলোচনীখন সম্পূৰ্ণ ৰূপে বন্ধ হৈ যায়।

এইদৰে ১৯৫০-৫১ চনৰ পৰা তৃতীয় বছৰ ১ম সংখ্যা হিচাপে *ৰামধেনু* আলোচনীখন প্ৰকাশ পাবলৈ ধৰে। *ৰামধেনুৰ* তৃতীয় বছৰ ১ম সংখ্যাৰ পৰা ৫ম সংখ্যালৈকে সম্পাদনাৰ দায়িত্বত আছিল ইন্দ্ৰকমল বেজবৰুৱা। তৃতীয় বছৰ ৬ষ্ঠ সংখ্যাৰ পৰা ৪র্থ বছৰ দ্বাদশ সংখ্যালৈ সম্পাদনা কৰিছিল মহেশ্বৰ নেওগ। ইয়াৰ পাছত ৫ম বছৰ ১ম সংখ্যাৰ পৰা ষষ্ঠদশ বৰ্ষ ১ম সংখ্যালৈ এক দীৰ্ঘ সময় ধৰি *ৰামধেনুৰ* সম্পাদনাৰ দায়িত্ব বহন কৰিছিল বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই। ষষ্ঠদশ বৰ্ষৰ পৰা অষ্টাদশ বৰ্ষ দ্বাদশ সংখ্যালৈ নিয়মীয়াকৈ *ৰামধেনু* প্ৰকাশ হৈছিল ৰাধিকামোহন ভাগৱতীৰ সম্পাদনাত। তাৰ পাছতো ১৯৮০ চনলৈকে ৰাধিকামোহন ভাগৱতীৰ সম্পাদনাতেই আৰু এঘাৰটা সংখ্যা *ৰামধেনু* প্ৰকাশ হয়। কিন্তু পাছৰ সংখ্যাবোৰ বৰ নিয়মীয়াকৈ প্ৰকাশ পোৱা নাছিল।

এইদৰে চাৰি গৰাকী সম্পাদকৰ সম্পাদনাত প্ৰকাশ পোৱা *ৰামধেনু* আলোচনীত সম্পাদকসকলৰ চিন্তা-চৰ্চা ধ্যান-ধাৰণাৰে পুষ্ট এখন উন্নতমানৰ আলোচনী হিচাপে গঢ় লৈ

উঠিছিল। অসমীয়া সাহিত্যৰ বিকাশত *ৰামধেনুৱে* মহত্ত্বপূৰ্ণ বৰঙণি আগবঢ়াই থৈ গৈছে। *পছোৱা* আৰু *জয়ন্তীৰ* পাতত আধুনিক সাহিত্যৰ যি উক্‌মুকনি দেখা গৈছিল, *ৰামধেনুৱে* তাক পৰিণত প্ৰজ্ঞ কৰি তুলিছিল। *ৰামধেনুত* প্ৰকাশিত ৰচনাবোৰে আধুনিকতাৰ নতুন চিন্তা-ভাৱনা, জীৱন-চৰ্চা, সমাজ-সংস্কৃতি আৰু সাহিত্যৰ ন-ন দিশ উন্মোচিত কৰিছিল। ১৯৫০-৫১ চনত মহেশ্বৰ নেওগ *ৰামধেনুৰ* সম্পাদক হৈ থকা সময়ত হেম বৰুৱাৰ আধুনিক সাহিত্য নামৰ গ্ৰন্থখনি প্ৰকাশ হৈছিল। এই গ্ৰন্থখনিত হেম বৰুৱাই ঊনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আদিভাগৰ পাশ্চাত্য সাহিত্যৰ আদৰ্শ আৰু প্ৰকৃতি দাঙি ধৰিছিল। দেখা যায় হেম বৰুৱাই আঙুলিয়াই দিয়া এই আদৰ্শ ৰামধেনু যুগৰ লেখকসকলৰো আদৰ্শ হৈ পৰিছিল।

ৰামধেনু যুগত অসমীয়া সাহিত্যও বিশ্বমুখী হৈ পৰিছিল। বিশ্ব সাহিত্যৰ ন-ন চিন্তাৰ দিশবোৰ অসমীয়া সাহিত্যতো প্ৰতিফলিত হ'বলৈ ধৰিলে। সাহিত্যৰ বিষয়বস্তুৱে ৰাজনৈতিক, অৰ্থনৈতিক সামাজিক দিশবোৰ বিশ্লেষণ কৰিবলৈ সুবিধা বিচাৰি ফুৰিলে। সাহিত্যৰ বিষয়-বস্তুলৈ পৰিৱৰ্তন অহাৰ দৰে আঙ্গিক, ভাষা, প্ৰকাশভঙ্গী উপস্থাপন পদ্ধতিলৈও ভালেখিনি পৰিৱৰ্তন আহিল। এনেদৰে ৰামধেনুৱে অসমীয়া সাহিত্যৰ এটি নতুন যুগৰ সূচনা কৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰামধেনু যুগৰ পটভূমি সম্পৰ্কে আলোচনা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

৯.৪ ৰামধেনু যুগৰ অসমীয়া সাহিত্য

এটা ভাষাৰ সাহিত্যৰ বিকাশত আলোচনীৰ ভূমিকা অস্বীকাৰ কৰিব নোৱাৰি। আধুনিক অসমীয়া সাহিত্যৰ বিকাশতো বিভিন্ন আলোচনীৰ বৰঙণি আছে। বিশেষকৈ আধুনিক অসমীয়া ভাষা সাহিত্যৰ বিকাশত ৰামধেনুৰ ভূমিকা তাৎপৰ্যপূৰ্ণ।

সাহিত্যৰ প্ৰতিটো যুগেই ইটোৰ পৰা সিটো একেবাৰে আঁতৰি আহিব নোৱাৰে। ইন্দ্ৰকমল হাজৰিকাৰ সম্পাদনাত *ৰামধেনুৰ* মাত্ৰ পাঁচটা সংখ্যাহে প্ৰকাশ পাইছিল। ইয়াৰ পাছতে মহেশ্বৰ নেওগে প্ৰায় এবছৰ কালতকৈ অধিক সময় *ৰামধেনু* আলোচনীখন সম্পাদনা কৰিছিল। ইয়াৰ পাছত ক্ৰমে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য আৰু ৰাধিকামোহন ভাগৱতীয়ে এই আলোচনীখন সম্পাদনাৰ দায়িত্ব পালন কৰিছিল। গতিকে ৰামধেনু যুগৰ সাহিত্য সম্ভাৰ বুলিলে এই চাৰিওগৰাকী সম্পাদকৰ সম্পাদনাত প্ৰকাশ পোৱা সাহিত্য সম্ভাৰক বুজিব লাগিব।

অসমীয়া সাহিত্যৰ ইতিহাস বহু পুৰণি যদিও আধুনিক অসমীয়া সাহিত্যৰ বিকাশ ঘটিছিল পাশ্চাত্য সাহিত্যৰ আদৰ্শত। কিন্তু পশ্চিমত গঢ়ি উঠা আধুনিক সাহিত্যৰ আন্দোলনে অসমক সহজতে ঢুকি পোৱা নাছিল। আধুনিক সাহিত্যৰ আন্দোলনৰ তৰঙ্গ বঙ্গদেশৰ মাজেদি আহি অসম পাওঁতে বহু বছৰ লাগিছিল। সাহিত্যৰ সকলো পৰিৱৰ্তনৰ ধাৰা প্ৰথমে প্ৰকাশ হয় গীত

আৰু কবিতাৰ মাজেৰে। অসমীয়া সাহিত্যতো এই পৰিৱৰ্তনৰ বা আহিছিল কবিতাৰ মাজেৰে। যি সময়ত পশ্চিমত টি. এছ. এলিয়টে তেওঁৰ অমৰ সৃষ্টি *ৱেষ্টলেণ্ড*ৰ বাবে নোবেল বঁটা লাভ কৰিছিল, তেতিয়া অসমৰ কাব্য জগতত ৰোমাণ্টিক কবিতাৰ ভেঁটি স্থাপিত হৈছিলহে। সেই সময়ত গণেশ গগৈ, যতীন্দ্র নাথ দুৱৰা আদি কবিসকলৰ ৰমন্যাসবাদী কবিতাৰ জনপ্রিয়তা বাঢ়িছিল। কিন্তু তেতিয়ালৈকে পশ্চিমত গঢ়ি উঠা বাস্তৱবাদী কবিতাৰ কোনো ছাঁ অসমত পৰায়ে নাছিল। ১৯৪৭ চনত ভাৰতে লাভ কৰা স্বাধীনতাৰ পাছৰ পৰাহে অসমত এটা নতুন সামাজিক আৰু বৌদ্ধিক পটভূমি গঢ়ি উঠিছিল। তাৰ পাছতে প্রকাশ পোৱা *পছোৱা*আৰু *জয়ন্তী*আলোচনীৰ যোগেদি এই নতুন ভাৱধাৰা অসমীয়া সাহিত্যত প্রৱেশ কৰিছিল।

মহেশ্বৰ নেওগৰ সম্পাদনাত প্রকাশ পোৱা *ৰামধেনু* আলোচনীখন আছিল পৰিৱৰ্তনৰ স্বাক্ষৰ বহনকাৰী আলোচনী। এই সময়ত প্রকাশ পোৱা সাহিত্য সম্ভাৰত *বাঁহী* আৰু *আৱাহন* যুগৰ দৰে সাহিত্যৰ লগতে আধুনিক সাহিত্যৰো সমান পয়োভৰ দেখা যায়। মহেশ্বৰ নেওগ সম্পাদিত *ৰামধেনু* একেটা সংখ্যাতে বিনন্দ চন্দ্র বৰুৱাৰ এটা কবিতা প্রকাশ পাইছিল যাৰ আৰ্হি পুৰণি কবিতা। কবিতাটিৰ নাম 'ৰামধেনু'। একেটা সংখ্যাতে প্রকাশ পাইছে এটা আধুনিক কবিতা 'এতিয়া কিমান ৰাতি' —কবি নৱকান্ত বৰুৱা। আনহাতে, প্রায় দুয়োটা শ্রেণীৰে সমিলমিলত নির্মলপ্রভা বৰদলৈয়ে লিখিছিল 'বার্ণার্ড শ্ব' নামত এটি কবিতা। তেনেকৈ আন এটা সংখ্যাতো পুৰণি ৰীতি-আদর্শৰ প্রকৃতি বিষয়ক এটা কবিতা প্রকাশ পাইছিল। কবি আছিল মহেশ্বৰ নেওগ। আনহাতে সেই সংখ্যাতেই হেম বৰুৱাই 'পোহৰতকৈ আন্ধাৰ ভাল' কবিতাটি লিখি একপ্রকাৰ চমকৰ সৃষ্টি কৰিছিল।

নেওগ সম্পাদিত *ৰামধেনুৰ* এটি সংখ্যাত কবিতাৰ দৰে চুটিগল্পৰ ক্ষেত্রতো ন-পুৰণি গল্পৰ সমাবেশ ঘটিছিল। ৰমন্যাসিক ভাষাৰে ৰচিত আধুনিক ভাবৰ চুটিগল্পৰো প্রকাশ হৈছিল।

সেইদৰে প্রবন্ধৰ ক্ষেত্রতো একে কথাকেই ক'ব পাৰি। সেই সময়ৰ *ৰামধেনুত* গম্ভীৰ বিষয়ৰ প্রবন্ধ বেছিকৈ প্রকাশিত হৈছিল। প্রবন্ধবোৰ ৰচিত হৈছিল ধর্ম, দর্শন, বুৰঞ্জী আৰু সাহিত্য সম্বন্ধীয় বিষয়ক লৈ। বেণুধৰ শর্মাৰ মণিৰাম দেৱানৰ আলম লৈ হেম বৰুৱাই কৰা সমীক্ষাত্মক আলোচনা এটিও প্রকাশিত হৈছিল। তদুপৰি বাণীকান্ত কাকতিৰ 'ৰাধা চৰিত্রৰ অভ্যুদ্বয়', 'ৰাসক্রীড়াৰ গুৰি কথা' বিশ্ব নাৰায়ণ শাস্ত্রীৰ 'শ্রীপঞ্চমী' আদিৰ দৰে গহীন প্রবন্ধ *ৰামধেনুত* প্রকাশ পাইছিল। নেওগ সম্পাদিত *ৰামধেনু* আলোচনীত আধুনিক ভাৱধাৰাৰ প্রবন্ধও প্রকাশ পাইছিল। বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যই হেম বৰুৱাৰ *আধুনিক সাহিত্য*নামৰ গ্রন্থখনৰ এটি সমীক্ষাত্মক আলোচনা আগবঢ়াইছিল মহেশ্বৰ নেওগ সম্পাদিত *ৰামধেনুৰ* এটি সংখ্যাত। গতিকে কবিতা, চুটিগল্প, প্রবন্ধ সকলোতে পুৰণি প্রীতি আৰু নতুনক আদৰাৰ উছাহ এটি দেখা গৈছিল মহেশ্বৰ নেওগ সম্পাদিত *ৰামধেনুত*।

ৰামধেনু আলোচনীৰ সর্বাধিক সময়ৰ সম্পাদক আছিল বীৰেন্দ্র কুমাৰ ভট্টাচার্য্য। গতিকে ৰামধেনু যুগ বুলিলেই বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ নামটি পোনে পোনে মনলৈ আহে। বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ সম্পাদনাত *ৰামধেনু* আলোচনীখন ফুলে-ফলে জাতিষ্কাৰ হৈ উঠে।

পূৰ্বৰ আলোচনীবিলাকৰ সাহিত্যৰ কেন্দ্রস্থল আছিল কলকাতা। কলকাতাত থকা প্রবাসী অসমীয়া ছাত্রসকলে সেই আলোচনীবিলাকত ঘাইকৈ লেখা-মেলা কৰিছিল। কিন্তু ৰামধেনু যুগৰ সাহিত্যৰ কেন্দ্রস্থল আছিল গুৱাহাটী। কটন কলেজৰ এচাম ছাত্রই বিশেষকৈ ৰামধেনু যুগত নতুন দৃষ্টিভঙ্গীৰে সাহিত্য সৃষ্টিত অৰিহণা যোগাইছিল।

এই নতুন দৃষ্টিভঙ্গী বা নতুনত্ববোৰ *ৰামধেনুৰ* গল্প, কবিতা, প্রবন্ধত ফুটি ওলাইছিল। হেম বৰুৱা, নৱকান্ত বৰুৱা, বীৰেন্দ্র কুমাৰ ভট্টাচার্য্য, হৰি বৰকাকতি, মহেন্দ্র বৰা, কেশৰ মহন্ত, হোমেন বৰগোহাঞি, অমলেন্দু গুহ, নীলমণি ফুকন, বীৰেশ্বৰ বৰুৱা, দিনেশ গোস্বামী, প্রফুল্ল ভূঞা, ৰাম গগৈ, প্রবীণা শইকীয়া, নির্মলপ্রভা বৰদলৈ আদি কবিসকলে *ৰামধেনুৰ* পাতত কবিতা লিখি কবিতাৰ এটি আন্দোলন গঢ়ি তুলিলে। কবিতাত অন্ত্য মিল পৰিহাৰ কৰি মুক্তক ছন্দত আৰু স্পন্দিত গদ্যত এই কবিসকলে কবিতা লিখিবলৈ ধৰিলে। অৱশ্যে এই নতুন পৰীক্ষাত সকলো কবিয়েই যে সফল হৈছিল সেই কথা ন দি ক'ব নোৱাৰি।নৱকান্ত বৰুৱাৰ 'এটি প্রেমৰ পদ্য' নামৰ কবিতাটো সেই সময়ৰ মুক্তক ছন্দৰ এটি সফল কবিতা বুলি দাবী কৰিব পাৰে। আধুনিক যুগৰ এগৰাকী প্রতিনিধিত্বমূলক কবি হিচাপেও নৱকান্ত বৰুৱাই কৃতিত্ব দাবী কৰিব পাৰে।অৱশ্যে ৰামধেনু যুগৰ আৰু ভালে সংখ্যক কবিয়ে এনে ধৰণে নতুন ছন্দেৰে অনেক কবিতা লিখিছিল।

অকল ছন্দৰ ক্ষেত্রতেই নহয় কবিতাৰ বিষয়বস্তুৰ ক্ষেত্রতো এই যুগত অনেক পৰিৱর্তন আহিল। সেই সময়ৰ বেছিভাগ কবিয়েই নিজৰ ভাব-বিলাসিতা পৰিহাৰ কৰি সমাজত গা কৰি উঠা বিভিন্ন বিষয়ক লৈ কবিতা ৰচনাত মনোনিবেশ কৰিলে। হেম বৰুৱা, বীৰেন্দ্র কুমাৰ ভট্টাচার্য্য, কেশৰ মহন্ত, নলিনীধৰ ভট্টাচার্য্য, মহেন্দ্র বৰা, হোমেন বৰগোহাঞি আদি কবিসকলে তেওঁলোকৰ কবিতাত অর্থনৈতিক দৈন্য পীড়িত সমাজৰ ছবি আঁকিছে। সমাজবাদী চিন্তা-চেতনাৰে উদ্বুদ্ধ হেম বৰুৱাৰ কবিতাত এখন সাম্যবাদী সমাজ গঢ়াৰ পৃষ্ঠপোষকতা দেখা যায়। তেনেদৰে চৈয়দ আব্দুল মালিকৰ 'ফুলশয্যাৰ ৰাতি' আৰু মহেন্দ্র বৰাৰ 'কেৰেণী শ্যেলীৰ চিঠি' কবিতা দুটিতো অর্থনৈতিক দুৰৱস্থাৰ চিত্র অঙ্কিত হৈছে। প্রেমৰ কবিতা যেন লাগিলেও কবিতা দুটিৰ অন্তর্নিহিত ভাব অর্থনৈতিক দৰিদ্রতা। 'কেৰেণী শ্যেলীৰ চিঠি' শীর্ষক কবিতাৰ মাজেৰে অযুত আশাৰ সঞ্চাৰ হ'ব বুলি অপেক্ষাৰত লোকৰ কৰুণ জীৱনগাথাৰ প্রকাশ ঘটিছে। হোমেন বৰগোহাঞি নীলমণি ফুকন আদি কবিসকলে প্রতীক আৰু মোহনীয় চিত্রকল্পৰে নতুন কবিতাক নতুন ৰূপত তুলি ধৰিছে। হোমেন বৰগোহাঞি আধুনিক কবিতাৰ এক শক্তিশালী কবি। তেওঁৰ এটি বহুচর্চিত কবিতা হ'ল 'সাপ'। সাপ এক ভয়ঙ্কৰ প্রতীক। 'সাপ'ৰ আঁৰত লুকাই থকা মনৰ পৰস্পৰবিৰোধী শক্তি কবিতাটিৰ ব্যঞ্জনাৰ স্পষ্ট হৈ আছে। ৰামধেনুৰ শেষৰ ফালে আত্মপ্রকাশ কৰা হৰেকৃষ্ণ ডেকাৰ 'স্বৰবোৰ' নামৰ কবিতাটোতো প্রতীকবাদী শৈলী লক্ষ্য কৰা যায়। শব্দৰ দ্বাৰা সৃষ্ট স্বৰবোৰে জীৱন অশান্ত টোৰোৱক শান্ত কৰিবলৈ শক্তি যোগাইছে।

এনেদৰে আৰু অনেক কবিয়ে ৰামধেনুৰ পাতত কবিতা লিখিছিল। কবিতাৰ এই আন্দোলনত কিছু বিসঙ্গতি আছিল যদিও এক নতুন কাব্য-ঐতিহ্য প্রতিষ্ঠাত *ৰামধেনুৰ* কবিতাসমূহৰ বৰঙণি অসীম।

ৰামধেনু আলোচনীয়ে অসমীয়া চুটিগল্পৰ বিকাশ আৰু সমৃদ্ধি সাধনতো বিশেষ অৰিহণা যোগাইছে। অসমীয়া চুটিগল্পৰ সৃষ্টি হৈছিল *জোনাকী* আলোচনীৰ যোগেদি। *জোনাকী*ৰ যোগেদি সৃষ্টি হোৱা অসমীয়া চুটিগল্পৰ দ্বিতীয় স্তৰ আৰম্ভ হয় *আৱাহন* আলোচনীৰ যোগেদি। *ৰামধেনুই* অসমীয়া চুটিগল্পৰ বিকাশ আৰু সমৃদ্ধিত বিশেষ অৰিহণা আগবঢ়ালে। দ্বিতীয় বিশ্বযুদ্ধ আৰু স্বাধীনতা আন্দোলনে ৰামধেনু যুগৰ সাহিত্যক বিশেষভাৱে প্ৰভাৱিত কৰিছিল। ব্যক্তিগত আৰু সামাজিক সম্পৰ্কৰ অৱনতি, সমাজৰ ভাঙোনমুখী বাতাবৰণ, সাম্প্ৰদায়িক সংঘৰ্ষ, অৰ্থনৈতিক সংকট আদিয়ে অসমীয়া চুটিগল্পলৈও ভালেখিনি পৰিৱৰ্তন আনিলে। এই সময়ছোৱাৰ গল্প লেখকসকল ৰোমাণ্টিক ভাব-বিলাসিতাৰ পৰা আঁতৰি অধিক বাস্তৱমুখী হৈ পৰিল। সমাজত চলি থকা দুৰ্নীতি-অন্যায়-অবিচাৰৰ প্ৰতি লেখকসকল বিশেষভাৱে সচেতন হৈ পৰিল।



জানি থোৱা ভাল

অসমীয়া আধুনিক কবিতাৰ তিনিটা গতি চকুত পৰে। প্ৰথমটো ঐশী চিন্তাৰপৰা মানৱকেন্দ্ৰিক চিন্তা। দ্বিতীয়টো প্ৰগতিশীল চিন্তা। তৃতীয়টো আধুনিকতাবাদী চিন্তা।

ৰামধেনু আলোচনীকেন্দ্ৰিক এচাম লেখকে অসমীয়া চুটিগল্পক নতুন ভাৱবস্তু আৰু আঙ্গিকেৰে সজাই-পৰাই সমৃদ্ধিশালী কৰি তুলিলে। পাশ্চাত্য সাহিত্যৰ প্ৰভাৱৰ ফলস্বৰূপে সমাজবাদ, বাস্তৱবাদ, মনঃস্তত্ত্ব, চেতনাস্ৰোত আদি জটিল ভাববস্তুৰ সমাৱেশ ঘটিল। ভালে সংখ্যক গল্পকাৰৰ গল্পত নগৰীয়া জীৱনে বিশেষ প্ৰাধান্য লাভ কৰা দেখা গ'ল। ফ্ৰয়েড, য়ুং আদিৰ মনোবৈজ্ঞানিক চিন্তাধাৰাৰ প্ৰভাৱেৰে প্ৰভাৱিত গল্পৰ লগতে মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱো কিছু সংখ্যক গল্পত দেখা গ'ল।

আৱাহন যুগত প্ৰতিষ্ঠা লাভ কৰা কেইবাজনো চুটিগল্প লেখকে *ৰামধেনুৰ* পাততো চুটিগল্প লিখি অসমীয়া চুটিগল্পক সমৃদ্ধিশালী কৰি ৰাখিছিল। তেওঁলোক আছিল ৰমা দাশ, দীননাথ শৰ্মা, লক্ষ্মীনাথ ফুকন, কৃষ্ণ ভূঞা, ছৈয়দ আব্দুল মালিক আদি।

ৰমা দাশে জীৱনৰ শেষ বয়সলৈ ৰসোদ্দীপক গল্প লিখিছিল। *ৰামধেনুৰ* পাতত লিখা তেনে এটি গল্প আছিল 'ৰোডোডেণ্ড্ৰণৰ বিলাস'। উচ্চ মধ্যবিত্ত পৰিয়ালৰ এগৰাকী মহিলা আৰু তেওঁৰ গাভৰু জীয়েকে বিলাসী জীৱন-যাপন কৰি স্বামী বা পিতৃক অৱজ্ঞা কৰি সমাজত প্ৰতিষ্ঠা লাভ কৰিবলৈ স্বপ্ন দেখি কেনেকৈ প্ৰবঞ্চিত হৈ হাঁহিয়াতৰ পাত্ৰ হৈ পৰিছিল তাৰ এক বাস্তৱসন্মত ৰূপ দিছিল গল্পটিত। কৃষ্ণ ভূঞাৰ গল্পতো সমাজৰ ছবি এখন জিলিকি উঠিছে 'ছিলঙৰ কেৰেণী' নামৰ গল্পটিত। চৈয়দ আব্দুল মালিকৰ গল্পতো সমাজ-সচেতনতা লক্ষ্য কৰা যায়। তেওঁৰ 'দুখন ভৰি', বীভৎস বেদনা, 'লাইফটো আই মীন' আদি গল্প *ৰামধেনু* আলোচনীৰে নহয় অসমীয়া সাহিত্যলৈকো উল্লেখযোগ্য দান। মালিকৰ গল্প *ৰামধেনুৰ* প্ৰতিটো সংখ্যাতে জিলিকি আছে। 'দুখন ভৰি' গল্পত দুখন ভৰিৰ বৈষম্যই নাৰীৰ জীৱনলৈ মাতি অনা বিপৰ্যয়ৰ কথা বৰ্ণিত হৈছে।

তেওঁৰ 'লাইফটো আই মীন' গল্পটোত শেষলৈকে পাঠকৰ মনত উৎকণ্ঠা বজাই ৰাখে। লক্ষ্মীনাথ ফুকন, দীননাথ শর্মা আদিয়েও *ৰামধেনুত* গল্পৰ শিতানত নিজৰ নাম ৰাখি গৈছে। 'টাইপিষ্টৰ জীৱন' আৰু 'মেধি' ফুকনৰ দুটি উল্লেখযোগ্য গল্প। 'টাইপিষ্টৰ জীৱন' গল্পত প্রচলিত সমাজ ব্যৱস্থাৰ প্রতি তীব্র ব্যঙ্গ নিহিত আছে। 'মেধি' গল্পত মেধি চৰিত্রৰ স্নেহ আৰু উদাৰতা প্রকাশ কৰাৰ উপৰিও সন্তানহীনতাৰ বাবে মেধিয়নীয়ে মেধিক এৰি যোৱাৰ কৰুণ কাহিনী আছে। গল্পটি মনস্তাত্ত্বিক।

ৰামধেনু যুগৰ বিশিষ্ট গল্পলেখকসকল হ'ল— বীৰেন্দ্র কুমাৰ ভট্টাচার্য্য, মহিম বৰা, ভবেন্দ্র নাথ শইকীয়া, লক্ষ্মীনন্দন বৰা, মেদিনী চৌধুৰী, যোগেশ দাস, লুম্বেৰ দাই আদি। বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ গল্পত সমাজবাদী চিন্তাধাৰা আৰু বঞ্চিত, নিষ্পেষিতজনৰ প্রতি থকা দৰদ থকা দেখা যায়। তেওঁৰ 'কলং আজিও বয়', 'সি জম জম আৰু জুইকুৰা', 'এজনী জাপানী ছোৱালী', 'মাকণৰ গোসাঁই', 'মিঞা মনচুৰ' আদি উল্লেখযোগ্য গল্প। যোগেশ দাসৰ গল্পত জীৱন আৰু সমাজৰ প্রতি থকা দৃষ্টিভঙ্গী আৰু অনুভূতি স্পষ্টভাৰে দেখা যায়। তেওঁৰ 'কলপটুৰাৰ মৃত্যু' এটা উল্লেখযোগ্য গল্প।

মহিম বৰাও এই সময়ৰ এজন উল্লেখযোগ্য গল্পকাৰ। হাস্য-ব্যঙ্গ আৰু কাৰুণ্যই তেওঁৰ গল্পত সমানে ঠাই পাইছে। 'কাঠনিবাৰীৰ ঘাট', 'তিনিৰ তিনি গ'ল' আদি তেওঁৰ বহুপঠিত গল্প। ভবেন্দ্র নাথ শইকীয়া, লক্ষ্মীনন্দন বৰা, হোমেন বৰগোহাঞি, সৌৰভ কুমাৰ চলিহা আদি ৰামধেনু যুগৰ একোগৰাকী শক্তিশালী গল্পকাৰ। তেওঁলোকৰ গল্পৰ বিষয়বস্তু, চৰিত্র চিত্রণৰ দক্ষতা, উপস্থাপন কৌশল আদিয়ে সকলো সময়তে পাঠকক আকৃষ্ট কৰি ৰাখে। ভবেন্দ্র নাথ শইকীয়াৰ গল্পত সমাজৰ সৰু সৰু কথাবোৰে ডাঙৰ হৈ ধৰা দিয়ে। তেওঁৰ 'বৃন্দাবন', 'ৰাজমিস্ত্রী', 'ঢোৰা সাপ', 'বন্দীশাল' আদি ৰামধেনুত প্রকাশিত উল্লেখযোগ্য গল্প। লক্ষ্মীনন্দন বৰাৰ গল্পই পাঠকক গাঁৱৰ পৰিবেশৰ সৈতে অতি সহজে পৰিচয় কৰাই দিয়ে। 'সখা দামোদৰ' 'এৰাবাৰীৰ লেছেৰী', 'দলনিৰ পোনা', 'হোদোৰ পণ্ডিত' আদি গল্পৰ শিৰোনামবোৰেই পাঠকক গাঁৱৰ সৈতে নিবিড় হৈ পৰিবলৈ সুযোগ দিয়ে। আনহাতে, চন্দ্রপ্রসাদ শইকীয়াৰ গল্পত দেখা যায় নগৰীয়া জীৱনৰ ছবি। তেওঁৰ তেনে এটা গল্প 'মায়ামৃগ'।

সৌৰভ কুমাৰ চলিহাৰ 'অশান্ত ইলেক্ট্রন' চেতনাস্রোত ৰীতিৰ প্রভাৱ আছে। তেওঁৰ আন এটা গল্প 'জ্যোমিতি'ত যুক্তিবাদী ধাৰণাৰে অস্তিত্ববাদী চিন্তাধাৰা প্রকাশ কৰিছে। 'দুপৰীয়া', 'আচ্ছন্ন' আদি গল্পত সৌৰভ কুমাৰ চলিহাৰ নতুন চিন্তাধাৰা প্রকাশ পাইছে। মেদিনী চৌধুৰীৰ *ৰামধেনুত* প্রকাশিত গল্পসমূহত বিভিন্ন জনগোষ্ঠীৰ অভাৱ-অনাটন, বঞ্চনাৰ চিত্র ফুটি উঠিছে। সেইসময়ৰ আন কেবাগৰাকী গল্প লেখকৰ গল্পই ৰামধেনুৰ শোভা বর্ধন কৰিছিল। নগেন শইকীয়াৰ, অতুলানন্দ গোস্বামী, লুম্বেৰ দাই, ৰোহিণী কুমাৰ কাকতি আদি অনেকজনৰ গল্পই ৰামধেনুত ঠাই পাইছিল।

ৰামধেনুৰ পাতত কেইবাগৰাকী মহিলা লেখকৰ গল্প প্রকাশ পাইছে। তেওঁলোকৰ সৰহ সংখ্যকেই *ৰামধেনুৰ* যোগেদিয়েই আত্মপ্রকাশ কৰিছিল। তেওঁলোক হ'ল স্নেহ দেৰী, নিৰুপমা

বৰগোহাঞি (তামুলী), প্ৰবীণা শইকীয়া, অণিমা দত্ত, নীলিমা শৰ্মা, মামণি ৰয়ছম গোস্বামী, আলিমুন্নিছা পিয়াৰ, ৰুণু বৰুৱা, বাসন্তী বৰুৱা, ৰেণু দেৱী আদি। এইসকলৰ উপৰি আৰু বহুজনে নিজ নিজ সৃষ্টিৰে *ৰামধেনু*আলোচনীৰ ভঁৰাল চহকী কৰি গৈছে। স্নেহ দেৱীৰ গল্পত সূক্ষ্ম অনুভূতি, প্ৰেম, ঈৰ্ষা আদিৰ ছবি আছে। সমাজ-সচেতন নিৰুপমা বৰগোহাঞিয়ে গল্পৰ মাজেৰে নাৰীৰ বিভিন্ন সমস্যা দাঙি ধৰিবলৈ সক্ষম হৈছে। 'ঢেকীৰ সৰগ', 'মিডাছৰ ট্ৰেজেদি', 'দ্বিতীয় মৃত্যু' আদি তেওঁৰ উল্লেখনীয় গল্প। মামণি ৰয়ছম গোস্বামীয়ে *ৰামধেনুৰ* শেষৰফালে গল্প লিখিবলৈ লয়। তেওঁৰ গল্পত বাস্তৱৰ জীয়া ছবি দেখিবলৈ পোৱা যায়। এইদৰে *ৰামধেনু* আলোচনীখনত গল্পৰ অপূৰ্ব সমাহাৰ দেখিবলৈ পোৱা যায়।

কিন্তু এটা মন কৰিবলগীয়া বিষয় যে *ৰামধেনুৰ* পাতত কবিতা আৰু গল্পৰ যি পয়োভৰ দেখিবলৈ পোৱা গৈছিল, সেই অনুপাতে নাটক আৰু উপন্যাসৰ বিকাশৰ ক্ষেত্ৰত *ৰামধেনুৰ* বৰঙণি তেনেই কম। অৱশ্যে বৰিচ পেষ্টাৰনেকৰ 'ড° ঝিভাগো'ৰ অসমীয়া অনুবাদ *ৰামধেনুত* ছোৱা ছোৱাকৈ প্ৰকাশ হৈছিল। এইখন অনুবাদ কৰিছিল প্ৰতিথযশা কবি-সাহিত্যিক নলিনীধৰ ভট্টাচাৰ্যই। চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'জন্মান্তৰ'খনো *ৰামধেনুৰ* পাততেই ধাৰাবাহিকভাৱে প্ৰকাশ হৈছিল। ৰম্য ৰচনা দুই-এখন দেখিবলৈ পোৱা গৈছিল। সাহিত্যৰ এটি বিশিষ্ট দিশ হ'ল প্ৰবন্ধ বা গদ্য ৰচনা। ইতিমধ্যে মহেশ্বৰ নেওগ সম্পাদিত *ৰামধেনুৰ* প্ৰবন্ধৰ কথা আগতেই কিছু কোৱা হৈছে। *ৰামধেনুৰ* পাছৰ ফালে চিন্তামূলক বা সমালোচনামূলক প্ৰবন্ধও প্ৰকাশিত হৈছিল। কবিতা বা গল্পৰ মাজেৰে *ৰামধেনুৱে* আধুনিকতাৰ যি ধাৰা বোৱাই আনিছিল, তেনে চিন্তাধাৰা প্ৰবন্ধবোৰৰ মাজেৰেও প্ৰকাশিত হৈছিল। হেম বৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, মহেন্দ্ৰ বৰা, দিলীপ বৰুৱা, হোমেন বৰগোহাঞি আদিৰ দৰে বিশিষ্ট লেখকসকলে প্ৰবন্ধৰ মাজেৰে সমাজলৈ অহা নতুন বাৰ্তাবোৰৰ ব্যাখ্যা আগবঢ়াইছিল। *ৰামধেনুত* প্ৰকাশিত কবিতা বা গল্পবোৰে পূৰ্বৰ পৰম্পৰা ভঙ্গ কৰি যি নতুন পথেৰে বাট বুলিবলৈ লৈছিল, সাধাৰণ পাঠকৰ বাবে তেনে ভাবৰ কবিতা বা গল্পবোৰ বুজাব নো�ৱাৰ সাঁথৰৰ দৰে আছিল। ভাষা-আঙ্গিক-ভাব, ছন্দ এই আটাইবোৰতে এক পৰিৱৰ্তন আহি পৰিছিল। উল্লিখিত কেবাজনো সমালোচকে বিশেষকৈ কবিতাৰ দুৰ্বোধ্যতা সম্পৰ্কে ৰামধেনুত ইয়াৰ সপক্ষে বা বিপক্ষে সমালোচকৰ ভূমিকা লৈ সৰব হৈ উঠিছিল।

অসমীয়া সাহিত্যলৈ সেই সময়ত যিবোৰ পাশ্চাত্য ভাৱধাৰা আহিছিল, সেইবোৰৰ ভাব-বস্তুৰ সৈতে অসমীয়া পাঠক পৰিচিত নাছিল। জার্মান, ইংৰাজ আদি কবিসকলৰ মতবাদ বা ধাৰাবিলাকৰ সৈতে অসমীয়া পাঠকক চিনাকি কৰি দিবলৈ কেইগৰাকীমান আলোচক ওলাই আহিছিল। তদুপৰি ছিগমাণ্ড ফ্ৰয়েড, য়ুং আদি মনস্তত্ত্ববিদ লেখকৰ মতবাদ, কার্ল মার্ক্সৰ সাম্যবাদী চিন্তাধাৰা আৰু অর্থনৈতিক তত্ত্ব সম্পৰ্কেও কিছুসংখ্যক প্ৰবন্ধ প্ৰকাশ হৈছিল। ফ্ৰয়েডৰ মনঃস্তাত্ত্বিক বিষয়ক লৈ কেবাটাও প্ৰবন্ধ *ৰামধেনুত* প্ৰকাশ পাইছিল। ইয়াৰ মাজতে কিছুমান বিতর্কিত আৰু চিন্তা উদ্ৰেককাৰী প্ৰবন্ধও প্ৰকাশ হৈছিল। সাহিত্যৰ বিচাৰ ধাৰা, বিশ্লেষণ আৰু তাৰ মূল্যায়ন সম্পৰ্কেও কিছু সংখ্যক প্ৰবন্ধ প্ৰকাশ হৈছিল। মুঠতে এই প্ৰবন্ধবোৰত ৰাজনৈতিক, অর্থনৈতিক, সামাজিক, সাহিত্যিক কোনো এটা দিশেই আলোচনা নোহোৱাকৈ থকা নাছিল। সর্বোপৰি

সাহিত্যক বিশ্বমুখী কৰাৰ প্ৰৱণতা এই প্ৰবন্ধবোৰৰ মাজেদি দেখা যায়। পূৰ্বৰ পুথি সমালোচনাৰ দিশটো অব্যাহত থাকিল যদিও তাতো নতুনত্বই দেখা দিলে। *ৰামধেনুৰ* যোগেদি নতুন গ্ৰন্থৰ সমালোচনা হ'বলৈ ধৰিলে।

'লেছেৰি বোটলা', 'সাময়িক প্ৰসঙ্গ' আৰু 'সম্পাদকৰ ডাকটোপোলা' আদি শিতানো বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য সম্পাদিত *ৰামধেনুত* দেখিবলৈ পোৱা গ'ল। 'লেছেৰি বোটলা'ত বিভিন্ন খবৰৰ যোগান ধৰা হৈছিল। 'সাময়িক প্ৰসংগ'ত ৰাজনৈতিক বিষয় সম্পৰ্কে আলোচনা হৈছিল। 'সম্পাদকৰ ডাক-টোপোলা'ত সাহিত্যৰ বিভিন্ন দিশ সম্পৰ্কে পাঠকৰ মতামত প্ৰকাশ হৈছিল। এই মতামতবোৰৰ পৰা *ৰামধেনুৰ* বিষয়ে পাঠকে কেনে ধাৰণা পোষণ কৰিছিল সেই বিষয়ে জানিব পৰা গৈছিল। পাছৰ ফালে গতানুগতিক আৰু কিছু স্তিমিতভাৱে ৰাধিকামোহন ভাগৱতীৰ সম্পাদনাত *ৰামধেনু* আৰু কিছুবছৰ চলি থাকিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ ৰামধেনু যুগৰ সাহিত্যত আধুনিকতা সম্পৰ্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

৯.৫ ৰামধেনু যুগৰ অসমীয়া সাহিত্যৰ বিবিধ ধাৰা

প্ৰায় কুৰি বছৰকাল চাৰি গৰাকী সম্পাদকৰ সম্পাদনাত প্ৰকাশ পোৱা *ৰামধেনু* আলোচনীখনে অসমীয়া সাহিত্যৰ বিকাশত মহত্ত্বপূৰ্ণ বৰঙণি আগবঢ়াই থৈ গৈছে। *ৰামধেনুৱে* অসমীয়া সাহিত্যত এক নতুন যুগৰ সূচনা কৰিলে। ইয়াৰ লেখকসকলৰ লেখাত এক নতুন ভাবাদৰ্শ প্ৰকাশ পালে। ৰামধেনু যুগৰ সাহিত্যত বাস্তৱবাদী চিন্তা-চৰ্চাই পৰিপূৰ্ণতা লাভ কৰিলে। যুগান্তকাৰী আলোচনী *ৰামধেনুৱে* অসমীয়া সাহিত্যলৈ আধুনিকতাৰ ধ্বজা বহন কৰি আনিলে।

আধুনিক অসমীয়া সাহিত্যৰ বাহক *ৰামধেনুক* কেন্দ্ৰ কৰি যি আধুনিক সাহিত্য গঢ় লৈ উঠিছিল সেই সাহিত্য সম্ভাৰৰ প্ৰকৃতিলৈ লক্ষ্য কৰি ইয়াক কেবাটাও ধাৰা বা শ্ৰেণীত ভাগ কৰিব পাৰি।

- প্ৰগতিবাদী বা সমাজবাদী ধাৰা
- হাস্য-ব্যঙ্গৰ ধাৰা
- আধুনিকতাবাদী ধাৰা
- মনস্তাত্ত্বিক ধাৰা
- ৰাজনৈতিক ধাৰা আৰু অৰ্থনৈতিক ধাৰা
- অস্তিত্ববাদী ধাৰা আৰু চেতনাস্ৰোত পদ্ধতি
- মানৱতাবাদী ধাৰা

৯.৫.১ প্ৰগতিবাদী বা সমাজবাদী ধাৰা

ৰামধেনু পৰৱৰ্তী যুগৰ সমালোচকসকলে ৰামধেনু যুগৰ সাহিত্যৰাজিক বিচাৰ কৰি আৰু ইয়াৰ বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰি ইয়াৰ এটা ধাৰাক প্ৰগতিবাদী বা সমাজবাদী সাহিত্যৰ অন্তৰ্ভুক্ত কৰিছিল। পূৰ্বৱৰ্তী *পছোৱা* আৰু *জয়ন্তী* আলোচনীতে এই ধাৰাটোৰ পূৰ্বাভাস দেখা গৈছিল। হেম বৰুৱাই তেওঁৰ *আধুনিক সাহিত্য* নামৰ গ্ৰন্থত উনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আদিভাগৰ পাশ্চাত্য সাহিত্যৰ যি আদৰ্শ দাঙি ধৰিছিল ৰামধেনু যুগৰ লেখকসকলে সেই আদৰ্শ অনুসৰণ কৰিছিল। আধুনিক অসমীয়া সাহিত্যতো পাশ্চাত্য সাহিত্যৰ দৰে লেখকসকলৰ ব্যক্তিগত প্ৰতিভাৰ সাঁচ জিলিকি উঠিছিল। প্ৰগতিবাদী লেখকসকল সমাজৰ সুবিচাৰ আৰু সুচিন্তাৰ পক্ষপাতী। সামাজিক মূল্যবোধ সলনি হোৱাৰ দৰে মানুহেও সমাজখনক নতুন দৃষ্টিৰে চাবলৈ শিকিলে। পুৰণি সংস্কাৰ আদিৰ বিৰুদ্ধে মানুহ থিয় হ'ল আৰু সাহিত্যৰ মাজেৰে এই নতুন ভাব-চিন্তা প্ৰকাশ কৰিবলৈ ধৰিলে। এইদৰে সমাজবাদী সাহিত্যৰ ধাৰা এটি ৰামধেনুৰ যোগেদি প্ৰবাহিত হৈছিল।



জানি থোৱা ভাল

ৰামধেনু যুগৰ গল্প অভূতপূৰ্বভাৱে ঐশ্বৰ্যশালী হৈ উঠিল সেই যুগৰ গল্পকাৰসকলৰ বিচিত্ৰ উদ্ভাৱনী শক্তি, গভীৰ বিশ্লেষণ দক্ষতা, তীব্ৰ যুগ-সচেতনতা আৰু প্ৰচুৰ সামাজিক দায়িত্ববোধৰ পৰশত।

৯.৫.২ হাস্য-ব্যঙ্গৰ ধাৰা

অসমীয়া সাহিত্যত এই ধাৰাৰ জন্ম হৈছিল লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত। তেতিয়াৰ পৰাই বৰ্তমানলৈ এই ধাৰাটো অব্যাহত ৰূপত চলি আহিছে। কিন্তু যুগে যুগে হাস্য-ব্যঙ্গৰ ধাৰাটোৰ প্ৰকৃতি সলনি হৈ আহিছে। জোনাকী যুগৰ হাস্য-ব্যঙ্গৰ ধাৰাটো আৱাহন যুগত অধিক শক্তিশালী হৈ উঠে। পৰৱৰ্তী ৰামধেনু যুগলৈকে এই ধাৰাটো চলি আহি আজিও বৰ্তমান। *ৰামধেনুৰ* আটাইবোৰ লেখাতেই যে এই ধাৰাৰ লেখা পোৱা যায়, তেনে নহয়। ইয়াৰ তীব্ৰতাও তেনে ধৰণে উপলব্ধি নহয়। আধুনিক যুগৰ মানুহৰ নৈতিক অৱনতি, অন্তঃসাৰশূন্যতা, স্বাৰ্থপৰতা এইবোৰক লৈ ৰামধেনু যুগৰ কেবাজনো লেখকে গল্প, কবিতা সৃষ্টি কৰিছে। অৱশ্যে কেতিয়াবা কাৰণ নথকা যিকোনো বিষয়ক লৈও হাস্য-ৰসাত্মক ৰচনা *ৰামধেনুৰ* পাততে লিখা হৈছে। মহিম বৰা, নৰেন শৰ্মা, ত্ৰৈলোক্য নাথ গোস্বামীৰ কেবাটাও গল্পত হাস্যৰসৰ অৱতাৰণা কৰা হৈছে।

৯.৫.৩ আধুনিকতাবাদী ধাৰা

আধুনিক শব্দটো বৰ জটিল। এই শব্দটিক লৈ বহুতৰ মাজত মতভেদ আছে। Eric Newtonএ এই শব্দটিৰ ব্যাখ্যা আগবঢ়াইছিল এইদৰে— Today the word conveys the same specialised sense of old traditions broken and new paths opened up. অসমীয়া সাহিত্যৰ ৰামধেনু যুগৰ লেখকসকলেও এইদৰে পৰম্পৰাগত সাহিত্যৰ পৰা আঁতৰি থাকি নতুন ভাব-চিন্তা, আদর্শেৰে বাট বুলিবলৈ আৰম্ভ কৰিছিল। এই সময়ৰ কবি, গল্পকাৰ, প্ৰবন্ধ লেখক সকলোৱে পৰম্পৰাগত সাহিত্যৰ আদর্শ পৰিহাৰ কৰি পাশ্চাত্য সাহিত্যৰ নতুন আদর্শৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল। 'জয়ন্তী' যুগৰ প্ৰগতিশীল কবিতাৰ ধাৰাটো এই যুগত প্ৰবল হৈ নাথাকিল। *ৰামধেনু* আলোচনী প্ৰকাশ হোৱাৰ লগে লগে কবিতাৰ জগতখনলৈ বহুতো পৰিৱর্তন আহিল। এই সময়ত কবিতাৰ ভাষা আৰু আঙ্গিক আদিত নতুনত্ব আহিল। আধুনিক জীৱন-জগত সম্বন্ধে প্ৰতিক্ৰিয়া আৰু সঁহাৰি প্ৰকাশ কৰা এবিধ নতুন কবিতা অসমীয়া সাহিত্যলৈ আহিল। গল্প, প্ৰবন্ধ আদিতো নতুন সম্পৰীক্ষা চলোৱা হ'ল। এইদৰে এটা আধুনিকতাবাদী ধাৰাৰ সৃষ্টি হ'ল।

৯.৫.৪ মনস্তাত্ত্বিক ধাৰা

আধুনিক সময়ত মানুহৰ মনটোক সবাতোকৈ গুৰুত্ব দিয়া হয়। মানুহৰ অৱচেতন মনত অনবৰতে বিভিন্ন ভাবৰ প্ৰবাহ চলি থাকে। অৱশ্যে মনঃসমীক্ষাত্মক অসমীয়া সাহিত্যৰ লক্ষণ লক্ষ্মীনাথ বেজবৰুৱাৰ সময়ৰ পৰাই চলি আহিছে। অসমীয়া সাহিত্যৰ চুটিগল্পৰ শাখাটোত এই দিশটো বিশেষভাৱে লক্ষ্য কৰা যায়। অসমীয়া চুটিগল্প পাশ্চাত্য চুটিগল্পৰ আৰ্হিত গঢ় লৈ উঠা সাহিত্য। পাশ্চাত্য সাহিত্যৰ বিভিন্ন ধাৰা বা দর্শনৰ প্ৰভাৱ অসমীয়া সাহিত্যত পৰিছে। মনস্তাত্ত্বিক ধাৰাৰ কথা আহিলে ফ্ৰয়েড, য়ুং আদি মনস্তত্ত্ববিদসকলৰ কথা মনলৈ আহে। ৰামধেনু যুগৰ কেইবা গৰাকী গল্পকাৰৰ গল্পত ফ্ৰয়েডীয় দর্শনৰ প্ৰভাৱ পৰা দেখা গৈছে। নাৰী-পুৰুষৰ জৈৱিক আকর্ষণৰ চিত্ৰ ৰামধেনুৰ কেইবাটাও গল্পৰ মাজেদি প্ৰকাশিত হৈছে। কিছুমান গল্পত নাৰী-পুৰুষৰ মনৰ ভিতৰত গোপনে লুকাই থকা কিছুমান অশুভ দিশকো মনস্তাত্ত্বিক দৃষ্টিভঙ্গীৰে বিশ্লেষণ কৰিবলৈ যত্ন কৰা হৈছে। পুৰুষ-নাৰী, শিশু-বৃদ্ধ সকলোৰে মনৰ খবৰ লৈ ৰচনা কৰা গল্পও *ৰামধেনু* আলোচনীত প্ৰকাশ হৈছে। এনেদৰে ৰামধেনু যুগত মনস্তাত্ত্বিক ধাৰাটো শক্তিশালী ৰূপত প্ৰকাশিত হৈছে।

৯.৫.৫ ৰাজনৈতিক আৰু অর্থনৈতিক ধাৰা

ৰামধেনু যুগৰ লেখকসকল দেশৰ ৰাজনৈতিক আৰু অর্থনৈতিক দিশৰ প্ৰতি সচেতন আছিল। ৰৰং ক'ব পাৰি আধুনিক সাহিত্য ৰাজনৈতিক আৰু অর্থনৈতিক ভেঁটিৰ ওপৰত প্ৰতিষ্ঠিত। এই সময়ৰ লেখকসকলৰ এখন নতুন পৃথিৰী গঢ়াৰ আদর্শ আছিল। সেইবাবে সেই যুগৰ কবিতা, গল্প, উপন্যাস, গদ্য ৰচনা আদি সকলোতে তেওঁলোকে সামাজিক, ৰাজনৈতিক-অর্থনৈতিক দিশৰ বাতাবৰণ দিব বিচাৰিছিল। ব্যক্তিগত প্ৰতিভাৰে তেওঁলোকে সেই বাতাবৰণ সমন্বিত সাহিত্যৰ ৰূপ দিছিল। ৰাজনীতি আৰু অর্থনীতিৰ লগত সাহিত্যৰ সম্বন্ধ ওচৰা-উচৰি। সেই সময়ৰ লেখকসকলৰ ৰচনাত সমাজকেন্দ্ৰিক গণ-সাহিত্যৰ ৰূপ দেখা যায়। সত্তৰৰ দশকৰ পৰা কুৰি শতিকাৰ শেষলৈকে সময়ছোৱা ৰাজনৈতিকভাৱে অত্যন্ত ঘটনাবহুল। ৰাজনৈতিক বাতাবৰণে সমাজখন বিধৌত কৰি গৈছিল। তাৰ পৰিপ্ৰেক্ষিততে অসমীয়া অনেক গল্প কবিতাৰ সৃষ্টি হৈছিল যে ইও সেই সময়ৰ এটা ধাৰা ৰূপে পৰিগণিত হৈছিল। ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ অর্থনীতিতো পৰিব্যপ্ত হৈ পৰিছিল আৰু সাহিত্যত তাৰ প্ৰভাৱ পৰিছিল।

৯.৫.৬ অস্তিত্ববাদ আৰু চেতনাস্ৰোত ধাৰা

অস্তিত্ববাদ মূলতঃ এটা দার্শনিক মতবাদ। সৃষ্টিধর্মী সাহিত্যৰ ই এটা বিশেষ ধাৰা। অস্তিত্ববাদৰ প্ৰধান লক্ষণ হ'ল মানুহৰ নিৰঙ্কুশ স্বাধীনতা। অস্তিত্ববাদী দর্শন হ'ল মানুহে নিজৰ অস্তিত্বক স্বাধীনতা দিয়া প্ৰয়োজন। প্ৰত্যেক ব্যক্তিয়েই অদ্বিতীয়, মৌলিক আৰু স্বতন্ত্ৰ। গতিকে নিজৰ বিচাৰ-বুদ্ধিৰেই নিজে পৰিচালিত হোৱাটোৱেই অস্তিত্ববাদৰ মূল কথা। *ৰামধেনুত* প্ৰকাশ পোৱা কেইটিমান গল্পৰ মাজেৰে অস্তিত্ববাদী ধাৰা এটি গঢ় লৈ উঠিছিল। মানুহৰ নিজৰ অস্তিত্বটোহে প্ৰকৃত সত্য। মানুহ সদায় নিজ ইচ্ছাৰেহে পৰিচালিত হোৱা উচিত। হোমেন বৰগোহাঞি, সৌৰভ কুমাৰ চলিহা, নগেন শইকীয়া আদি গল্পকাৰৰ গল্পই তেনে এক ধাৰাৰ সৃষ্টি কৰিছিল ৰামধেনু যুগত।

চেতনাস্ৰোতৰ ধাৰণা আহিছে আধুনিকতাবাদী আন্দোলনৰ পৰাই। সময় আৰু চেতনা সম্পর্কে জন্ম দিয়া ধাৰণাৰ পৰাই ই এক ধাৰা হিচাপে নহ'লেও এটি পদ্ধতি হিচাপে পৰিগণিত হৈছে। মানুহৰ মন বিভিন্ন ভাব-চেতনাৰে পৰিপূর্ণ। ই বহু তৰপীয়া। এজন ব্যক্তিৰ চেতনাৰ বিভিন্ন ভাবৰ ক্ৰিয়া-প্ৰক্ৰিয়া একে সময়তে চলি থাকে। চেতনাস্ৰোত পদ্ধতিত বাহ্যিক জগতৰ সলনি ব্যক্তিৰ মনোজগতৰ কথাইহে অধিক গুৰুত্ব লাভ কৰে। চেতনাস্ৰোত পদ্ধতি সেয়ে এক অসংলগ্ন আৰু অপৰিকল্পিত পদ্ধতি। মনলৈ একে সময়তে বিভিন্ন ভাবৰ অগা-ডেৰা কৰে। এটা ভাব মাৰ নাযাওঁতেই আন এটা ভাবে খুন্দা মাৰে। মনৰ এই ভাব প্ৰতিফলিত কৰা সৃষ্ট সাহিত্যও তেনে ধৰণেই প্ৰকাশ পায়। এই শ্ৰেণীৰ সাহিত্যত মনৰ ভাব অনুভূতিক পৰিকল্পিতভাৱে সজোৱা

নহয়। 'অশান্ত ইলেক্ট্রন', 'দুপৰীয়া' 'আচ্ছন্ন' আদি গল্পত সৌৰভ কুমাৰ চলিহাই এই পদ্ধতি অৱলোকন কৰা দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ৰামধেনু যুগৰ সাহিত্যৰ ধাৰা সম্পর্কে আলোচনা কৰক। (২০০ শব্দৰ ভিতৰত)



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়ন কৰি আমি সাহিত্যৰ বুৰঞ্জীত আলোচনীৰ ভূমিকা সম্পর্কে জানিব পাৰিলোঁ। *অৰুণোদই*ৰ পৰা *ৰামধেনু*— এই আলোচনীসমূহে সাহিত্যৰ বুৰঞ্জীলৈ যোগোৱা অৰিহণাৰ বিষয়ে জানিব পাৰিলোঁ।
- *ৰামধেনু* আলোচনীখন প্রকাশ কৰাৰ উদ্দেশ্য, আলোচনীখনৰ চমু পৰিচয় আৰু ইয়াৰ পটভূমি সম্পর্কে জানিব পাৰিলোঁ।
- আজিৰ যুগ ব্যস্ততাৰ যুগ। মানুহৰ সময় কম। সেয়ে দীঘলীয়া সাহিত্যৰ সোৱাদ গ্রহণ কৰিবলৈ মানুহৰ আহৰি নাথাকে। কম সময়ৰ ভিতৰতে সাহিত্যৰ ৰস আস্বাদন কৰিবলৈ *ৰামধেনু* আলোচনীয়ে সুবিধা কৰি দিছিল।
- *ৰামধেনু* আলোচনীয়ে অসমীয়া সাহিত্যৰ দিক্-নির্ণায়কৰ ভূমিকা পালন কৰে। *ৰামধেনু*ৱে অসমীয়া সাহিত্যক নতুন দিনৰ নতুন দর্শন দিলে।
- *ৰামধেনু*ৱে অসমীয়া ভাষা-সাহিত্যলৈ আধুনিক ভাৱধাৰা, নতুন আঙ্গিক, নতুন সমাজ-চিন্তনৰ আহিলাৰ যোগান ধৰিলে। পূর্বৰ পৰম্পৰাগত ভাৱধাৰাৰ সলনি আধুনিকতাৰ ধ্বজা বহন কৰি আনিলে।
- *ৰামধেনু*ৱে পাশ্চাত্য জগতত আলোড়ন সৃষ্টি কৰা বিভিন্ন দর্শন, চিন্তা-চর্চা অসমীয়া সাহিত্য জগতলৈ বোৱাই আনিলে। এই যুগতে অসমীয়া সাহিত্যত কেবাটিও নতুন ধাৰাৰ সৃষ্টি হ'ল।
- *ৰামধেনু* আলোচনীয়ে কেবাগৰাকী নতুন লেখকৰ আত্মপ্রতিষ্ঠাৰ বাট মুকলি কৰিছিল। ভালেসংখ্যক মহিলা লেখকেও এই সময়ত আত্মপ্রকাশ কৰিছিল।



৯.৭ অধিক জানিবলৈ

১) গগৈ, হৃদয়ানন্দ (১৯৯৭) ঃ *ৰামধেনুৰ শ্রেষ্ঠ গল্প*, (১ম প্রকাশ); গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২) চেতিয়া, তোষেশ্বৰ (সম্পা.) (১৯৮৮) ঃ *প্ৰগতিশীল সাহিত্য-সমীক্ষা* (১ম প্ৰকাশ); নতুন সাহিত্য পৰিষদ।

৩) নেওগ, ডিম্বেশ্বৰ ঃ *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*।

৪) নেওগ, মহেশ্বৰ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা* (৩য় সংস্কৰণ) (১৯৭০); গুৱাহাটী।

৫) বৰুৱা, হেম (১৯৬১) ঃ *আধুনিক সাহিত্য* (২য় সংস্কৰণ); গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৬) বৰগোহাঞি, হোমেন (সঙ্কলন আৰু সম্পা.) (২০০৯) ঃ *ৰামধেনু* (চাৰিটা খণ্ড); পাণবজাৰ, গুৱাহাটী ঃ বনলতা।

৭) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৯৩) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড); আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৮) শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পা.) (১৯৯৮) ঃ *অসমৰ বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস*, গুৱাহাটী ঃ জয়ন্তী উদ্‌যাপন সমিতি।

৯) শৰ্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* (নৱম সংখ্যা); ৰিহাবাৰী, গুৱাহাটী।

৯.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ ৰামধেনু যুগৰ পটভূমি সম্পৰ্কে আলোচনা আগবঢ়াওক... ...এই প্ৰশ্নৰ উত্তৰত অসমীয়া সাহিত্যত আলোচনীৰ ভূমিকা... ...*অৰুণোদই*ৰ পৰা *ৰামধেনু* আলোচনী... ...*ৰংঘৰ* আলোচনীৰ পৰা *ৰামধেনুৰ* সৃষ্টি— সাহিত্যৰ বৈশিষ্ট্য চমুকৈ লিখক।

২নং প্ৰশ্নৰ উত্তৰ ঃ *ৰামধেনুৰ* আধুনিকতা... ...আধুনিক শব্দৰ অৰ্থ... ...পৰম্পৰাগত সাহিত্যৰ পৰা নিৰ্বাসন... ...হেম বৰুৱাৰ আধুনিক সাহিত্যৰ লক্ষণ... ...*ৰামধেনুৰ* সাহিত্যত তাৰ প্ৰতিফলনৰ বিষয়ে আলোচনা কৰক।

৩নং প্ৰশ্নৰ উত্তৰ ঃ *ৰামধেনুৰ* বিবিধ ধাৰা... ...পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ... ...পাশ্চাত্য লেখকৰ দৰ্শন... ...মতবাদ বিবিধ ধাৰা... ...বাস্তৱবাদী... ...সমাজবাদী-মনস্তাত্ত্বিক আদি ধাৰাৰ বিষয়ে লিখক।

৯.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জীত* আলোচনীৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া ভাষা-সাহিত্যৰ বিকাশ আৰু সমৃদ্ধিত *ৰামধেনু* আলোচনীৰ বৰঙণি সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ৰামধেনু যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য বিচাৰ কৰক।

প্ৰশ্ন ৪ ঃ "ৰামধেনু যুগে অসমীয়া সাহিত্যত কেবাটাও নতুন ধাৰাৰ সৃষ্টি কৰিলে" —এই সম্পৰ্কে ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ ৰামধেনু যুগৰ আধুনিক সাহিত্যৰ বিষয়ে বহলাই আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ "ৰামধেনু যুগৰ কবিতাত আধুনিক জীৱন-জগত সম্বন্ধে প্ৰতিক্ৰিয়া আৰু সঁহাৰি প্ৰকাশ কৰা এবিধ নতুন কবিতা অসমীয়া সাহিত্যলৈ আহিল।" —আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ ৰামধেনু যুগৰ চুটিগল্পত সমাজ-সচেতনতাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ ৰামধেনু যুগৰ অসমীয়া সাহিত্য-২

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ৰামধেনু যুগৰ নির্বাচিত সাহিত্যিকৰ পৰিচয়
১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৫ অধিক জানিবলৈ
১০.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১০.৭ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *ৰামধেনুৰ* সম্পাদকসকলৰ পৰিচয় লাভ কৰিব
- ৰামধেনু যুগৰ লেখকসকলৰ পৰিচয় লাভ কৰিবলৈ সক্ষম হ'ব
- লেখকসকলৰ সাহিত্য কৃতি আৰু ৰচনাৰীতিৰ বৈশিষ্ট্য সম্পর্কে জানিব পাৰিব
- এক নতুন দৃষ্টিভঙ্গী আৰু আদর্শ আগত লৈ লেখকসকলে সমাজখন কি দৰে প্রত্যক্ষ কৰিছিল সেই সম্পর্কে জানিবলৈ পাব
- সমাজত চলি থকা অন্যায়, অবিচাৰ, শোষণৰ প্রতি লেখকসকল কিদৰে সচেতন হৈছিল সেই বিষয়ে আলোচনা কৰিব পাৰিব
- লেখকসকলৰ বিচিত্র উদ্ভাৱন শক্তি, গভীৰ বিশ্লেষণ ক্ষমতা, যুগ সচেতনতা, সামাজিক দায়িত্ববোধ সম্পর্কে ব্যাখ্যা আগবঢ়াব পাৰিব
- ৰামধেনু যুগৰ লেখকসকলৰ সাহিত্য কর্মৰ বিভিন্ন বৈশিষ্ট্য আৰু তেওঁলোকৰ ৰচনাত পাশ্চাত্য ভাবধাৰা কিদৰে প্রতিফলিত হৈছে সেই সম্পর্কে জানিবলৈ পাব।

১০.২ পৰিচয়

এইটো স্নাতকোত্তৰ অসমীয়া প্রথম ষাণ্মাসিকৰ অন্তর্গত দ্বিতীয় পাঠ্যবিষয়ৰ দশম অধ্যায়। এই অধ্যায়ত ৰামধেনু যুগৰ লেখকসকলৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ব। দেখা যায়, ৰামধেনু যুগৰ কেবাগৰাকী লেখকে *আৰাহন, জয়ন্তী*আদি আলোচনীৰ পৰাই লিখিবলৈ আৰম্ভ কৰিছিল। তেওঁলোকৰ অধিক সংখ্যকেই প্রতিষ্ঠিত হৈছিল তেতিয়াই। ৰামধেনু যুগতো তেওঁলোকে নিজৰ স্থিতি সবল কৰি ৰাখিব পাৰিছিল। বৰং ক'ব পাৰি এই লেখকসকলৰ অনেক উৎকৃষ্ট সৃষ্টি *ৰামধেনুৰ* পাতত সন্নিবিষ্ট হৈ থাকিল। ৰামধেনুৰ পৰৱর্তী কালৰ সাহিত্য সৃষ্টিত বিশেষ অনুপ্রেৰণা আৰু আৰ্হি যোগাইছিল।ৰামধেনু যুগৰ সাহিত্যিকসকল সাহিত্যৰ নির্দিষ্ট কোনো এটা শ্রেণীত সীমাবদ্ধ

নহয় ।অধিক সংখ্যকেই একাধাৰে কবি, গল্পকাৰ, প্ৰবন্ধ লেখক, সমালোচক। গতিকে এই অধ্যায়ৰ আলোচনাত সেইসকল সাহিত্যিকক সামগ্ৰিকভাৱে আলোচনা কৰা হ'ব। তেওঁলোকৰ বিশেষ লেখাৰহে ইয়াত উল্লেখ কৰা হ'ব আৰু তেওঁলোকৰ ৰচনাৰ আদৰ্শ আৰু ৰীতিক বিশ্লেষণ কৰি চোৱা হ'ব। লেখকসকলৰ সাহিত্য কৰ্মৰ এটি পৰিচয় এই অধ্যায়টিত চমুকৈ দাঙি ধৰা হ'ব। তেওঁলোকে সাহিত্যৰ ভঁৰাললৈ আগবঢ়োৱা গ্ৰন্থসমূহৰ উল্লেখ থাকিব।

১০.৩ ৰামধেনু যুগৰ নিৰ্বাচিত সাহিত্যিকৰ পৰিচয়

- **হেম বৰুৱা ঃ** ৰামধেনু যুগৰ সাহিত্যিকসকলৰ মাজৰ পৰা পোনচাটেই মনলৈ অহা নামটি হ'ল হেম বৰুৱা। হেম বৰুৱা একাধাৰে কবি, সমালোচক, কথা-সাহিত্যিক, অনুবাদক আৰু সাংবাদিক। অসমীয়া সাহিত্যৰ আধুনিকতাৰ অগ্ৰদূত কবি হেম বৰুৱা আছিল এক ব্যতিক্ৰমী ব্যক্তিত্বৰ অধিকাৰী। মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনত জড়িত হৈ পৰি তেওঁ এবছৰ কাৰাবাস খাটিবলগীয়া হৈছিল। কাৰাবাসত থকা বাবে তেওঁ যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ চাকৰিটো হেৰুৱাই নিবনুৱা হৈ পৰিছিল। নিবনুৱা হৈ থকা কালতে তেওঁৰ সাহিত্য প্ৰতিভা উন্মুক্ত হৈ পৰিল। হেম বৰুৱাই একে সময়তে দুখন পৃথিৱীৰ লগত যোগসূত্ৰ ৰক্ষা কৰি চলিছিল। এখন ৰাজনীতিৰ পৃথিৱী, আনখন সাহিত্যৰ পৃথিৱী।

  হেম বৰুৱাৰ সাহিত্য-কৰ্মৰ সুঁতি বিভিন্ন। তেওঁৰ *আধুনিক সাহিত্য* নামৰ পুথিখনক আধুনিক অসমীয়াসাহিত্যৰ ইস্তাহাৰ বুলিব পাৰি। কবিতা, ভ্ৰমণসাহিত্য, ইংৰাজী সাহিত্য, বিবাহ বিষয়ক গ্ৰন্থ, সমালোচনামূলক গ্ৰন্থৰ ৰচক এইগৰাকী ব্যক্তিৰ প্ৰতিভাৰ স্ফুৰণ ঘটিছে কবিতাৰ মাজেদি। আধুনিক কবি সমাজৰ তেওঁ এগৰাকী পুৰোধা ব্যক্তি। গদ্য-ছন্দক মৰ্যাদাপূৰ্ণ স্থান দিছিল হেম বৰুৱাই। *আৱাহন* কাকতত প্ৰকাশিত তেওঁৰ 'বান্দৰ' নামৰ কবিতাটোতে তেওঁ ডি. এইছ. লৰেঞ্চৰ গদ্য-ছন্দৰ আৰ্হিত কবিতা লিখিছিল। তেওঁৰ কবিতাৰ সংখ্যা বেছি নহয়। কিন্তু কবিতাবোৰ ঐতিহাসিক আৰু কলাত্মক দিশত বিশেষভাৱে সমৃদ্ধ। *ৰামধেনুত* প্ৰকাশিত তেওঁৰ 'যাত্ৰাৰ শেষ নাই'; 'বালিচন্দা', 'জাৰৰ দিনৰ সপোন', 'বিহুৰ দিনৰ গান', 'ছাইমুম' আদি কবিতাত গণজীৱনৰ লগত সম্পৰ্কিত কবিগৰাকীৰ অন্তৰৰ মৰ্মবাণী শুনিবলৈ পোৱা যায়। তেওঁৰ কবিতাবোৰৰ মাজেদি এক সুতীব্ৰ আশাবাদ প্ৰকাশিত হৈছে। কবিতাবোৰৰ মাজেৰে প্ৰকাশ হৈছে পুঁজিবাদৰ পৰা সমাজবাদলৈ উত্তৰণৰ এক প্ৰক্ৰিয়া। কবিতাবোৰৰ মাজেৰে বঞ্চিত, শোষিত, লাঞ্ছিতসকলৰ বাবে আশাৰ বতৰা কঢ়িয়াই আনে। এনেকৈয়ে কবিতাৰ মাজেৰে এক পৰিৱৰ্তনৰ ধাৰা বোৱাই আনি হেম বৰুৱাই আধুনিকতাৰ বাৰ্তা বহন কৰিব পাৰিছিল।

  কুৰি শতিকাৰ নিৰাশাৰ মুখামুখি হোৱা কবিসকলৰ মাজত হেম বৰুৱাও এজন। জনজীৱনৰ সৈতে আত্মিক সম্পৰ্ক আছিল বাবে তেওঁৰ কবিতাত ৰিক্ত হৃদয়ৰ স্পন্দন শুনিবলৈ পোৱা যায়। কিন্তু পাছলৈ হেম বৰুৱা কিছু পৰিমাণে সমাজবিচ্ছিন্ন হৈ পৰাত তেওঁৰ সৃষ্টিৰ বিকাশো ব্যাহত হৈ পৰিছিল।

অসুস্থ ৰাজনৈতিক বাতাৰৰণ, সামাজিক সমস্যা আদিৰ প্ৰতি অতি সচেতন ব্যক্তি আছিল হেম বৰুৱা। মাতৃভাষাৰ প্ৰতিও আছিল গভীৰ শ্ৰদ্ধা। ভাষা সৰল আৰু পোনপটীয়া হোৱাটো তেওঁ বিচাৰিছিল। *ৰামধেনুত* প্ৰকাশিত তেওঁৰ প্ৰবন্ধ কেইটিমান হ'ল— 'অসমীয়া কাব্য-সাহিত্য; ৰোমাণ্টিক কাল', 'বৰ্তমান সমাজ আৰু সাহিত্য', 'মানৱ সমাজ আৰু যৌন জীৱন', 'জৰ্জ বাৰ্ণাৰ্ড শ্ব' আদি। প্ৰবন্ধবোৰত তেওঁ ঘৰুৱা শব্দ ব্যৱহাৰত গুৰুত্ব দিছিল। ইংৰাজী সাহিত্যৰ প্ৰতি থকা তেওঁৰ শ্ৰদ্ধাৰ কথা জনা যায় 'জৰ্জ বাৰ্ণাৰ্ড শ্ব' নামৰ প্ৰবন্ধটিৰ যোগেদি। যৌনজীৱনক সমাজ বুৰঞ্জীৰ দৃষ্টিকোণৰ পৰা বিচাৰ কৰি লিখা তেওঁৰ প্ৰবন্ধসমূহো অতি মূল্যৱান। 'মানৱ সমাজ আৰু যৌনজীৱন' নামৰ প্ৰবন্ধটিত ইয়াৰ সাৰ্থকতা দেখা যায়।

প্ৰতীকবাদ সম্পৰ্কেও তেওঁ *ৰামধেনুৰ* পাতত এটা দীঘল প্ৰবন্ধ লিখিছিল।



জানি থোৱা ভাল

জনপ্ৰিয় স্বভাৱৰ গুণতে হেম বৰুৱাই ১৯৫৭ চনত প্ৰথমবাৰৰ বাবে লোকসভাৰ সদস্য নিৰ্বাচিত হয়। কৰ্তব্যনিষ্ঠা আৰু দক্ষতাৰ বলত ১৯৬২ চনত দ্বিতীয়বাৰ আৰু ১৯৬৭ চনত তৃতীয়বাৰৰ বাবে তেওঁ একেটা পদলৈকে নিৰ্বাচিত হয়।

প্ৰকাশৰ কাল অনুযায়ী তেওঁৰ সাহিত্যৰাজি এনেদৰে সজাব পাৰি। *৫জন নেতা* (১৯৪৭), *'৪২ৰ গণ-বিপ্লৱত অসম* (১৯৪৭), *আধুনিক সাহিত্য* (১৯৫০), *সাগৰ দেখিছা* (১৯৫৪), *সানমিহলি* (১৯৫৭), *ৰঙা কৰবীৰ ফুল* (১৯৫৯), *বালিচন্দা* (১৯৫৯), *কিউপিড আৰু ছাইকী* (১৯৫৯), *কন্নকী* (১৯৬০), *এই গাঁও এই গীত* (১৯৬১), *সাহিত্য আৰু সাহিত্য* (১৯৬২), *আঁচুফুল* (১৯৬৪), *মন-ময়ূৰী* (১৯৬৫), *ইজৰাইল* (১৯৬৫), *মেকং নৈ দেখিলোঁ* (১৯৬৭), *ডাক-পখিলী* (১৯৬৮), *ব'হাগতে পাতি যাওঁ বিয়া* (১৯৬৯), *পছোৱাৰ ৰেঙনি* (১৯৬৯), *স্মৃতিৰ পাপৰি* (১৯৭০), *সত্য আৰু অহিংসা ঃ গান্ধীজী* (১৯৭১), *ছিন্নমূল* (১৯৭৩), *তলসৰা* (১৯৭৬), *সাহিত্য আৰু সমস্যা* (১৯৭৮)। অসমীয়া ভাষাৰ দৰে তেওঁ ইংৰাজীতো অনেক পুথি ৰচনা কৰিছিল। সেইবোৰ হ'ল, *The August Revolution in Assam*, *The Red River and Blue Hills*, *Fairs & Festivals of Assam*, *Modern Assamese Poetry*, *Idle Hours*, *Assamese Literature*, *Folk Songs of India*, *Lakshminath Bezbarua* আদি।

তেওঁৰ *Assamese Literature* নামৰ পুথিখন তেওঁ *অসমীয়া সাহিত্য* নামেৰে অসমীয়ালৈ অনুবাদ কৰিছিল। সত্যেন বৰকটকীৰ *Tribes of Assam* নামৰ পুথিখনো *অসমৰ জনজাতি* নামেৰে তেওঁ অনুবাদ কৰিছিল। তদুপৰি *চৰ্দাৰ বল্লভ ভাই পেটেল*

আৰু ভাৰত ঃ বৰ্তমান আৰু ভৱিষ্যৎ আদি তেওঁৰ অনূদিত পুথি। তেওঁ অসমীয়া পত্র-সাহিত্যৰো বাটকটীয়া। *ডাক-পখিলী* তাৰ উৎকৃষ্ট উদাহৰণ। মুঠতে হেম বৰুৱা অকল ৰামধেনু যুগৰেই নহয়, অসমীয়া সাহিত্যৰো এগৰাকী নমস্য ব্যক্তি।

- **বীৰেন্দ্র কুমাৰ ভট্টাচার্য্য ঃ** *ৰামধেনু* আলোচনীখন দীর্ঘদিন ধৰি সম্পাদনা কৰি অসমীয়া সাহিত্য জগতক বিকশিত কৰা ব্যক্তিগৰাকীয়েই আছিল বীৰেন্দ্র কুমাৰ ভট্টাচার্য্য। আধুনিক অসমীয়া কবিতাৰ বিকাশত *ৰামধেনুৰ* বৰঙণি অনস্বীকার্য। তেনেদৰে বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ বৰঙণিও অনস্বীকার্য।

১৯৫২ চনৰ পৰা ১৯৬৩ চনলৈকে *ৰামধেনু* আলোচনীখন বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ সম্পাদনাত ন-ৰূপেৰে জিলিকি উঠিছিল। প্রায় এঘাৰ বছৰৰো অধিক কালজোৰা এই সময়ছোৱাত *ৰামধেনু* অসমৰ এখন আগশাৰীৰ বার্তাবাহক আলোচনী হিচাপে পৰিগণিত হৈছিল। এইগৰাকী ব্যক্তি আছিল একাধাৰে ঔপন্যাসিক, গদ্য লেখক, কবি, নাট্যকাৰ, সমালোচক আৰু সম্পাদক। তেওঁ প্রণয়ন কৰা গ্রন্থৰ তালিকাই তেওঁৰ সাহিত্য-প্রতিভাৰ চানেকি দাঙি ধৰে। তেওঁৰ একমাত্র কাব্যপুথি হ'ল *সান্ধ্যস্বৰ* (১৯৯০)।



জানি থোৱা ভাল

১৯৬১ চনত *ইয়াৰুইঙ্গম* উপন্যাসৰ বাবে বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যই সাহিত্য অকাদেমি বঁটা লাভ কৰে আৰু ১৯৭৯ চনত *মৃত্যুঞ্জয়* উপন্যাসৰ বাবে বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যলৈ ভাৰতীয় সাহিত্যৰ সর্বোচ্চ সন্মান জ্ঞানপীঠ বঁটা আগবঢ়োৱা হয়।

কবিতা ৰচনাৰে বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যই সাহিত্যিক জীৱনৰ পাতনি মেলিছিল। তেওঁ আধুনিক অসমীয়া কবিতাৰ অন্যতম সৃষ্টিকর্তা। যোৰহাট চৰকাৰী হাইস্কুলত পঢ়ি থাকোঁতেই বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ কবিসত্তা প্রকাশ পাইছিল। *ৰামধেনুৰ* পাতত তেওঁৰ কবি প্রতিভা বিকশিত হৈছিল। 'নামহীন', 'অর্ঘ্য', 'শ্বিলঙত ৰাতিপুৱা', 'আফ্রিকা' আদি কবিতা অসমীয়া কাব্যমোদী পাঠকে কেতিয়াও পাহৰিব নোৱাৰে। অসমৰ ৰাজধানীৰ বাস্তৱ ৰূপ কবিৰ কল্পনাত ভাহি অহাৰ দৰে সুদূৰ আফ্রিকাৰ পৰিস্থিতিয়েও মানৱতাবাদী বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যক বিব্রত কৰি তুলিছিল।তেওঁৰ কবিতাত এক উচ্চ আদর্শবাদ, জনতাৰ প্রতি শ্রদ্ধা আৰু সাম্যবাদী সমাজ গঢ়াৰ সপোন প্রতিফলিত হৈছে। 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি', 'শঙ্কৰদেৱ', 'নাগিনীৰ চিঠি' আদি কবিতাত তেওঁৰ মানৱতাবাদ ন্যায় আৰু সমতাৰ প্রতি থকা আদর্শ আৰু বিশ্বাস ধ্বনিত হৈছে। ছন্দৰ সাৱলীল গতি, দৃষ্টিভঙ্গীৰ স্বচ্ছতা তেওঁৰ কবিতাৰ আন কেতবোৰ উল্লেখনীয় বৈশিষ্ট্য।

কবিতাৰ দৰে তেওঁৰ গল্পৰো আদর্শ হ'ল সমাজতান্ত্রিক বাস্তৱবাদ। সামাজিক আৰু ৰাজনৈতিক সচেতনতা, মানৱতাবাদ বাস্তৱমুখী প্রকাশভঙ্গীৰে তেওঁ 'কলং আজিও

বয়', 'ঈদৰ জোন', 'মিঞা মনচুৰ', 'ৰার্ড নং দুই', 'মাকনৰ গোসাঁই', 'এজনী জাপানী ছোৱালী' আদি গল্পৰ মাজেৰে এই ভাববোৰ প্ৰকাশিত হৈছে। অসমীয়া চুটিগল্পত বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ গল্পতো মনোবৈজ্ঞানিক সত্যৰ ৰূপায়ণ ঘটা দেখিবলৈ পোৱা যায়।

গল্প, কবিতাৰ দৰে তেওঁৰ উপন্যাসসমূহতো জাতীয় জীৱনত গভীৰভাৱে জোৱাৰ তোলা ঘটনাসমূহৰ চিত্ৰ ৰূপায়ণ কৰা দেখা যায়। ভ্ৰমণ কাহিনী, সংবাদ জগততো বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ অৱদান অপৰিসীম। নিজৰ সৃষ্টিকৰ্মৰ জৰিয়তে বিশ্বৰ শ্ৰেষ্ঠ সাহিত্যৰ সৈতে অসমীয়া পাঠকক তেওঁ চিনাকি কৰাই দিবলৈ চেষ্টা কৰিছিল।

তেওঁৰ উল্লেখযোগ্য উপন্যাস হ'ল— *বল্লৰী, চিনাকি সুঁতি, চতুৰঙ্গ, ডাইনী, বাবৰ আৰু ফুল, কালৰ হুমুনিয়াহ, মুনিচুনিৰ পোহৰ, নষ্টচন্দ্ৰ, আই, শতঘ্নী, শৰত কোঁৱৰ, ফুল কোঁৱৰৰ পখী ঘোঁৰা, ৰাজপথে ৰিঙিয়ায়, পোহৰ, প্ৰতিপদ, মৃত্যুঞ্জয়, ইয়াৰুইঙ্গম* আদি।

তেওঁৰ গল্পপুথিসমূহ হ'ল— *কলং আজিও বয়, সাতসৰী, খিৰিকী কাষৰ আসন* ইত্যাদি। বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্য আছিল কেবাখনো অসমীয়া নাটকৰ ৰচক। *অহল্যা, উৰুলি, জোনাকী, ভাৰতী, সোণৰ ভোগজৰা* আদি কেইবাখনো অনাতাঁৰ নাটক তেওঁ ৰচনা কৰিছিল।তদুপৰি জীৱনী সাহিত্য, ভ্ৰমণ সাহিত্য, সংবাদ-সাহিত্য, সাহিত্য-সংস্কৃতি সম্পৰ্কীয় গ্ৰন্থৰো লেখক আছিল বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্য। ইয়াৰ উপৰি তেওঁ আছিল এজন সার্থক অনুবাদক। *দেৱ দুন্দুভি বাজে কাৰ বাবে, ভাৰতৰ ইতিহাস* আদি তেওঁৰ উল্লেখযোগ্য অনূদিত গ্ৰন্থ।

- **মহেশ্বৰ নেওগ ঃ** অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি, বৈষ্ণৱ দর্শন আৰু চিন্তা, গৱেষণামূলক গ্ৰন্থ-ৰচনা, প্ৰকাশ, সম্পাদনা, সংগঠন, বিভিন্ন বিষয়ৰ কাম-কাজ, অসম সাহিত্য সভাৰ কর্মৰাজি আদি বিভিন্ন কামত নিয়োজিত ব্যক্তিগৰাকীয়েই আছিল মহেশ্বৰ নেওগ। ভাষা-সাহিত্য, লিপি, ধর্ম, বুৰঞ্জী, চিত্ৰকলা, নৃত্য-গীত, প্ৰত্নতত্ত্ব, নৃতত্ত্ব আদি সমাজ-সংস্কৃতিৰ প্ৰায় সকলো দিশতে আছিল তেওঁৰ অনবদ্য বৰঙণি। তেওঁ আছিল *ৰামধেনু* আলোচনীৰ প্ৰথম পর্যায়ৰ সম্পাদক। পাঠকৰ অনিসন্ধিৎসু জগাই তুলিব পৰা লেখক মহেশ্বৰ নেওগৰ সাহিত্য কর্ম বহুধা বিভক্ত।ভাষা-সাহিত্য বিষয়ত নেওগৰ আছিল সুদৃঢ় দখল। নেওগৰ বিভিন্ন বিষয়ৰ কিছু সংখ্যক গ্ৰন্থ হ'ল— *নিজৰা লগৰী, শ্ৰীশ্ৰীশঙ্কৰৰদেৱ, ডাৰৰৰ সিপাৰে ধুনীয়া দেশ, পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, অসমীয়া গীতিসাহিত্য, স্বৰৰেখাত বৰগীত, অসমীয়া প্ৰেমা গাথা, অসমীয়া সাহিত্যৰ ৰূপৰেখা, আধুনিক অসমীয়া সাহিত্য প্ৰাচ্য শাসনাৱলী, সত্ৰীয়া নৃত্য, সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল, গুৰু-চৰিত ইতিকথা, লক্ষ্মীনাথ, পাঠ-সমীক্ষা, নিকা অসমীয়া ভাষা, জীৱনৰ দীঘ আৰু বাণি* আদি। নেওগ এজন কবিও আছিল। নেওগৰ হাততেই অসমীয়া কবিতাত মুক্তক ছন্দৰ প্ৰথম ব্যৱহাৰ হৈছিল।তেওঁৰ কবিতা পুথিকেইখন হ'ল— *ৰক্ত-কমল, মুছাফিৰখানা, সঞ্চাৰিণী, দীপশিখা, লাজৱন্তী* আৰু একমাত্ৰ ইংৰাজী কাব্যপুথি *Under One Sky*. নেওগে

অনাতাঁৰ নাটকো লিখিছিল।*প্ৰণামি গান্ধীজী*আৰু *জয়গুৰু শঙ্কৰৰ* নেওগ ৰচিত অনাতাঁৰ নাটক। নেওগ ৰচিত ইংৰাজী গ্ৰন্থকেইখনমান হ'ল— *Sankaradeva and his Predecessors*, *The Art of Painting in Assam*, *Sankaradeva and His Times*, *The Vaisnava Faith and Movement in Assam*, *The Religions of North East* ইত্যাদি।

শঙ্কৰী সাহিত্যৰ অন্যতম পণ্ডিত নেওগে অনেক পুথিও সম্পাদনা কৰিছিল। সেইবোৰ হ'ল— শঙ্কৰদেৱৰ *ভক্তি-প্ৰদীপ*, পীতাম্বৰ কবিৰ *উষা-পৰিণয়*, হৰিবৰ বিপ্ৰৰ *লৱ-কুশৰ যুদ্ধ*, শুভঙ্কৰৰ *শ্ৰীহস্তমুক্তাৱলী* আদি।

যুদ্ধোত্তৰ আৰু ৰামধেনু যুগত অসমীয়া কবিতাক সমৃদ্ধিশালী কৰি তোলা কবিসকলৰ ভিতৰত মহেশ্বৰ নেওগো অন্যতম। তেওঁৰ কবিতাৰ ভাষা নিমজ আৰু সংবেদনশীল। তেওঁৰ প্ৰথম স্তৱৰ কবিতাসমূহ ৰোমাণ্টিক শ্ৰেণীৰ হ'লেও পাছলৈ তেওঁ আধুনিক কবিতা ৰচনাত মনোনিবেশ কৰিছিল।

বাতৰিকাকত, সাময়িকী প্ৰভৃতি সম্পাদনাৰ ক্ষেত্ৰতো নেওগে যোগ্যতাৰ নিদৰ্শন দাঙি ধৰিছিল। আধুনিক যুগৰ এগৰাকী মননশীল গদ্যকাৰ ৰূপে মহেশ্বৰ নেওগৰ সাহিত্যত চিন্তাশীল ভাবোদ্দীপক অধ্যয়নমুখী জ্ঞান অন্বেষণৰ এক স্পষ্ট প্ৰকাশ দেখা যায়। তেওঁৰ সাহিত্য-সৃষ্টিৰ মাজেৰে সমকালীন সমাজখনক নেওগে বহুতো ন-ন কথাৰ সন্ধেদ দিবলৈ চেষ্টা কৰিছিল। সাহিত্য ৰচনাৰ দীৰ্ঘকালজোৰা সময়ছোৱাত মহেশ্বৰ নেওগে বিশেষভাৱে প্ৰাচ্য-পাশ্চাত্য জগতৰ সাহিত্য-সমালোচনাৰ পথাৰখনতে বিচৰণ কৰিছিল। মনৰ ভাব-চিন্তাক স্পষ্ট ৰূপ প্ৰদান কৰি বৰ্ণনীয় বিষয়ক তেওঁ বাস্তৱসম্মত কৰি তুলিবলৈ যথেষ্ট চেষ্টা কৰিছিল। কাব্যিক সংবেদনশীলতা, নিমজ ভাষাশৈলী, জীৱনৰ প্ৰতি মোহ নেওগৰ কবিতাৰ বিশেষত্ব। ৰবাৰ্ট ব্ৰাউনিঙৰ কবিতাৰ ৰচনাশৈলী নেওগৰ কোনো কোনো কবিতাত দেখিবলৈ পোৱা যায়। তেওঁৰ ৰচনাৰ বিশেষত্ব হ'ল সংক্ষিপ্ততা আৰু শিষ্টতা। অলাগতিয়াল শব্দ নেওগৰ ৰচনাত পাবলৈ নাই। অৱশ্যে অলঙ্কৃত আৰু তৎসম শব্দৰ প্ৰয়োগ মহেশ্বৰ নেওগৰ ৰচনাত কিছু বেছি।

ৰামধেনু সম্পাদনাৰ ক্ষেত্ৰত মহেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ পৰিৱৰ্তনৰ সূচনা কৰি থৈ গৈছে। তেওঁৰ সম্পাদিত *ৰামধেনু* আলোচনী *বাঁহী* আৰু *আৱাহন* কালৰ সাহিত্যৰ লগতে আধুনিক যুগৰ সাহিত্যৰ সমান পয়োভৰ দেখিবলৈ পোৱা গৈছিল। একেটা সংখ্যাতে পুৰণি আৰ্হিৰ সাহিত্যৰ লগে লগে আধুনিক গঢ়ৰ সাহিত্যৰো প্ৰকাশ ঘটিছিল।প্ৰবন্ধৰ ক্ষেত্ৰতো ধৰ্ম, কলা,সাহিত্য, বুৰঞ্জী বিষয়ক গুৰু-গম্ভীৰ প্ৰবন্ধক তেওঁ প্ৰাধান্য দিয়া দেখা যায়। তাৰ লগতে অৱশ্যে আধুনিক যুগৰ আধুনিক ভাব-চিন্তাৰ প্ৰবন্ধকো তেওঁ *ৰামধেনুত* প্ৰকাশ কৰিছিল।এইদৰে পুৰণি আৰু নতুনৰ সমাহাৰত মহেশ্বৰ নেওগ সম্পাদিত *ৰামধেনু* আলোচনীখন অনন্য সুন্দৰ হৈ উঠিছিল।

- **চৈয়দ আব্দুল মালিক ঃ** আৰাহন যুগতে গল্পকাৰ বা লেখক হিচাপে প্ৰতিষ্ঠা লাভ কৰা চৈয়দ আব্দুল মালিক ৰামধেনু যুগৰো লেখক। ৰামধেনুৰ পৰৱৰ্তী সময়লৈ নিজ সৃষ্টি অব্যাহত ৰখা আব্দুল মালিক জীৱনৰ অন্তিম সময়লৈ নিজৰ কাপ এৰা নাছিল। অসমীয়া সাহিত্যৰ সবাতোকৈ অধিক সংখ্যক গল্পৰ লেখক আছিল আব্দুল মালিক। তেওঁৰ গল্পবোৰ আছিল ঐশ্বৰ্যময়। বিষয়বস্তু, চৰিত্ৰ, আঙ্গিক, কাব্যিক ভাষা শৈলীৰে মালিকৰ গল্পবোৰ সমৃদ্ধ। তেওঁৰ গল্পই সমাজৰ বিভিন্ন স্তৰৰ নৰ-নাৰী, গাঁও-নগৰ, চহৰ আৰু জীৱনৰ বিভিন্ন অভিজ্ঞতাক সামৰি লৈছে। মালিকৰ গল্পৰ বিষয়বস্তু মূলতঃ প্ৰেম। কিন্তু দৰিদ্ৰতাৰ ছবিও তেওঁৰ গল্পৰ অন্যতম বৈশিষ্ট্য।গল্প লেখক হিচাপে তেওঁ বহুবঙ্কী লেখক। কিন্তু ৰামধেনুত প্ৰকাশিত গল্পবোৰত তেওঁ যথেষ্ট সংযমৰ পৰিচয় দিছে। ৰোমাণ্টিক প্ৰেম, ৰাজনীতি, সমাজজীৱন অৰ্থনৈতিক জীৱনৰ ছবিৰে তেওঁৰ কেবাটাও গল্প ৰামধেনু আলোচনীত প্ৰকাশিত হৈছে। লাইফটো আই মীন, বীভৎস বেদনা, ৰঙা তেজ, ক'লা চিয়াঁহী আৰু কেইটামান পৰুৱা, সোণৰ আঙঠি, পান্থশালা আদিত এই লক্ষণবোৰ স্পষ্ট ৰূপত ধৰা দিছে। তেওঁৰ কিছু সংখ্যক উল্লেখযোগ্য গল্প সঙ্কলন হ'ল— *পৰশমণি, ৰঙাগৰা, মৰহা পাপৰি, এজনী নতুন ছোৱালী, শিখৰে শিখৰে, মৰম মৰম লাগে, হাঁহি আৰু চকুলো, বীভৎস বেদনা* আদি।গল্পকাৰৰ দৰেঔপন্যাসিক হিচাপেও মালিক অনন্য। তেওঁৰ কেইখনমান উল্লেখযোগ্য উপন্যাস হ'ল— *অঘৰী আত্মাৰ কাহিনী, অমৰ মায়া, আধাৰশিলা, ওমলা ঘৰৰ ধূলি, জীয়া জুৰিৰ ঘাট, বনজুই, বিহ মেটেকাৰ ফুল, প্ৰাচীৰ আৰু প্ৰান্তৰ, ৰজনীগন্ধাৰ চকুলো* আদি।

তেওঁৰ ৰচনাৰীতি অপূৰ্ব। কাব্যিক ভাষা-শৈলী, বিষয়বস্তুৰ অভিনৱত্ব, চৰিত্ৰৰ বিভিন্নতা, আঙ্গিকৰ নতুনত্বই তেওঁৰ গল্প-উপন্যাসক অসমীয়া সাহিত্যত অমৰ কৰি ৰাখিছে।



জানি থোৱা ভাল

অঘৰী আত্মাৰ কাহিনী উপন্যাসখনৰ বাবে চৈয়দ আব্দুল মালিকে ১৯৭২ চনত সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল। তেওঁ অসম সাহিত্য সভাৰ ১৯৭৭ চনত অভয়াপুৰী অধিৱেশনৰ সভাপতি আছিল। তেওঁ 'পদ্মশ্ৰী' আৰু 'পদ্মবিভূষণ' উপাধিৰেও সন্মানিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ চৈয়দ আব্দুল মালিকৰ ৰচনাৰীতিৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰক। তেওঁৰ ৰচনাত সমাজৰ কোনবোৰ মানুহৰ চৰিত্ৰ দেখিবলৈ পোৱা যায়। (১৫০টা শব্দৰ ভিতৰত)

- **নলিনীধৰ ভট্টাচার্য্য ঃ** *বাঁহী* কাকতত আত্মপ্রকাশ কৰি *জয়ন্তী, পছোৱা* আৰু *ৰামধেনু* যুগৰ উপৰি সাম্প্রতিক কাললৈকে নিৰন্তৰ কাব্য সাধনা কৰি যোৱা ব্যক্তিগৰাকীয়েই হ'ল কবি নলিনীধৰ ভট্টাচার্য্য। তেওঁৰ প্রকাশিত কাব্য সঙ্কলনকেইখন হ'ল— *এই কুঁৱলীতে, চেৰাশালিৰ মালিতা, আহত সপোন, ননী আছনে ঘৰত* আৰু *দিনবোৰ সলনি নহ'ল* (স্ব নির্বাচিত)।

নলিনীধৰ ভট্টাচার্য্যৰ কবিতাত মানৱতাবাদৰ সুৰ স্পষ্ট। শ্রেণী চেতনা আৰু প্রগতিশীল চিন্তা তেওঁৰ কাব্যৰ বৈশিষ্ট্য। পুঁজিবাদী সমাজ ব্যৱস্থাৰ প্রতি আছিল তেওঁৰ সুতীব্র ক্ষোভ আৰু কবিতাৰ মাজেৰেই তেওঁ এই ব্যৱস্থাৰ প্রতি প্রতিবাদ সাব্যস্ত কৰিছিল। স্বাধীনতাৰ পৰৱর্তী কালত নিৰাশাৰ মুখামুখি নোহোৱা ব্যক্তি খুব কমেইহে আছে। তাৰ মাজতো কবি নলিনীধৰ ভট্টাচার্য্যই কবিতাৰ মাজেৰেই বোৱাই আনিছিল আশাবাদৰ বতৰা।

তেওঁৰ কবিতাত ফুটি উঠিছিল অসমীয়া মানুহৰ ছবি। শ্রেণী সংগ্রামৰ ছবি আঁকিও তেওঁ আশাবাদক কেতিয়াও মৰহি যাবলৈ দিয়া নাছিল। 'চেনিমৰা বাগিছাৰ চিঠি' আৰু 'দিনবোৰ সলনি নহ'ল' কবিতা দুটিত এই ভাবধাৰা সুন্দৰকৈ ফুটি উঠিছে। তেওঁৰ কোনো কবিতাত প্রকাশ পাইছে শ্রমজীৱী মানুহৰ সাংসাৰিক কাৰুণ্যভৰা ছবি। গভীৰ মানৱীয় আবেদন ভৰা কোনো কোনো কবিতাত প্রকাশ পাইছে কবিৰ প্রেমৰ আকুলতা আৰু এই আকুলতাৰ মাজেৰেই জিলিকি উঠিছে আশাৰ বতৰা। তেওঁৰ মতে স্বাধীনতা লাভৰ ইমান বছৰৰ পিছতো মানুহৰ মনৰ পৰিৱর্তন হোৱা নাই। ক্ষোভ-বেজাৰত ভাৰাক্রান্ত কবিগৰাকী তথাপিও আশাবাদী। জীৱনৰ উত্থান-পতন, পৰাধীনতা আৰু স্বাধীনতাৰ সোৱাদ পোৱা কবিগৰাকীয়ে তথাপিও আশা কৰিছিল সুন্দৰতাৰ বাবে। নলিনীধৰ ভট্টাচার্য্যৰ কবিতাত সততে কেইটিমান বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। গভীৰ জীৱনবোধ, প্রবল আশাবাদ, জাতীয়তাবাদী ভাৱধাৰা, প্রগতিবাদী ভাব, মার্ক্সবাদৰ প্রভাৱ, ভাৰতীয় মহাকাব্যৰ প্রভাৱ তেওঁৰ কবিতাৰ বৈশিষ্ট্য।

কবিতাৰ মাজতে থাকিও তেওঁ সাহিত্যৰ আন আন দিশতো সমানে দক্ষতাৰ পৰিচয় দিছিল। কবিতাৰ কথা, কবিতা আৰু নেপথ্য, মহৎ ঐতিহ্য, বেজবৰুৱা আৰু আধুনিকতাৰ ধাৰণা আদি তেওঁৰ উৎকৃষ্ট শ্রেণীৰ সমালোচনামূলক গ্রন্থ। তেওঁৰ সমালোচনাৰ ৰীতিত চিন্তাৰ গভীৰতা, ভাবৰ উচ্চতা আৰু অধ্যয়নৰ গৰিমা উপলব্ধি কৰা যায়। তেওঁ উপন্যাস ৰচনাতো কৃতিত্ব দাবী কৰিছে। *দুই পুৰুষ* নামৰ অনুবাদ উপন্যাসৰ বাবে ছোভিয়েট দেশ নেহৰু বঁটা লাভ কৰিছিল। এজন সফল অনুবাদক হিচাপে নলিনীধৰ ভট্টাচার্য্য এই পুথিৰ জৰিয়তে পৰিচিত হৈছিল। তদুপৰি বাংলা উপন্যাস *ঈশ্বৰীতলা*, ৰবীন্দ্রনাথৰ *শ্যামা* নামৰ নাটকৰ অনুবাদ কৰি তেওঁ অনুবাদকৰ সফলতা লাভ কৰিছিল। *ৰামধেনুৰ* পাতত ৰাছিয়াৰ ঔপন্যাসিক বৰিচ পেস্তাৰনেকৰ উপন্যাস এখন *ডাঃ ঝিভাগো* শিৰোনামেৰে তেওঁ ছোৱা-ছোৱাকৈ প্রকাশ কৰিছিল। পুথি সম্পাদনাৰ কামো তেওঁ

কৰিছিল। *বিষ্ণু ৰাভা জীৱন আৰু কৃতি* আৰু মুনীন বৰকটকীৰ *প্ৰসঙ্গ সমালোচনা* নামৰ পুথিখনো তেওঁ সম্পাদনা কৰিছিল। এনেদৰে তেওঁ শেষ বয়সলৈ নীৰৱ সাধক ৰূপে সাহিত্যৰ পথাৰখন কৰ্ষণ কৰি গৈছিল।

- **মহিম বৰা ঃ** ৰামধেনু যুগৰ এগৰাকী প্ৰধান কথাশিল্পী মহিম বৰা। একাধাৰে তেওঁ কবি, গল্পকাৰ, ঔপন্যাসিক, প্ৰবন্ধকাৰ, নাট্যকাৰ, জীৱনীকাৰ আৰু অনুবাদক। শৈশৱতে কবিতা ৰচনাত হাত দিয়া মহিম বৰাৰ কবিতা সংখ্যাত তাকৰ হ'লেও অসমীয়া কাব্য জগতত ই এক সুকীয়া স্থান গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। মহিম বৰাৰ কবিতা জীৱনৰ কবিতা। তেওঁৰ কবিতাৰ ভাষা অনাড়ম্বৰ কিন্তু চিত্ৰধৰ্মী। দ্বিতীয় মহাযুদ্ধ, ভাৰতৰ স্বাধীনতা প্ৰাপ্তি, স্বাধীনতাৰ পাছৰ ভাৰতৰ দুখজনক ছবি, ভগনীয়া সমস্যা, বানপানী আদি বিভিন্ন বিষয়ে তেওঁৰ কবিতাত স্থান পাইছে। তেওঁৰ কবিতা বুজিবলৈ কঠিন নহয়। *ৰামধেনু* আলোচনীত প্ৰকাশিত 'ৰঙা জিঁয়া' কবিতাটিৰ আৱেগৰ বাবেই তেওঁ 'ৰঙা জিঁয়া'ৰ কবি নামেৰে পৰিচিত হৈ পৰিছিল। নাৰী চৰিত্ৰই তেওঁৰ কবিতাত বিশেষ স্থান লাভ কৰা দেখা যায়। তেওঁৰ কবিতাত গ্ৰাম্য জীৱনো সততে উপলব্ধি কৰিব পাৰি। দুখ-বেদনাৰ মাজতো কবিতাবোৰৰ মাজত প্ৰবল আশাবাদৰ জোৱাৰ আছে। তেওঁৰ কবিতা সঙ্কলনকেইখন হ'ল *ৰঙা জিঁয়া* আৰু শিশু কবিতাৰ সঙ্কলন *হঠাৎ মুখৰা হোৱা কলঙৰ পাৰ*। তেওঁৰ অপ্ৰকাশিত কবিতাখিনিও *বাটৰ একোঁচ বগৰী* নামেৰে *সাহিত্যাচার্য মহিম বৰাৰ কবিতা সমগ্ৰ* প্ৰকাশ হৈছে।

মহিম বৰা ৰামধেনু যুগৰ এগৰাকী সার্থক গল্প লেখকো। তেওঁৰ গল্পত হাস্যৰসৰ সুন্দৰ প্ৰতিফলন দেখা যায়। নৈসৰ্গিক পৰিবেশ, ইঙ্গিতধৰ্মিতা, চিত্ৰকল্প, প্ৰতীক আদিৰ সুপ্ৰয়োগেৰে কাহিনী একোটাক নিটোল ৰূপত প্ৰকাশ কৰাৰ ক্ষমতা তেওঁৰ ৰচনাত দেখা যায়। নিভাঁজ গদ্যৰীতি, সূক্ষ্ম মনস্তাত্ত্বিক পর্যবেক্ষণ, সহানুভূতি আৰু মানৱতাবোধে তেওঁক গল্পবোৰক এটি নিটোল ৰূপ দিয়ে। ৰামধেনুত প্ৰকাশিত 'কাঠনিবাৰীৰ ঘাট' গল্পটিক তেওঁৰ সবাতোকৈ শ্ৰেষ্ঠ গল্প আখ্যা দিব পাৰি। তেওঁৰ পাছৰ জীৱনৰ গল্পবোৰত মানুহৰ জীৱনবোধ আৰু ৰূঢ় বাস্তৱৰ ছবি দেখা যায়। তেওঁৰ কেইখনমান গল্পসঙ্কলন হৈছে— *কাঠনিবাৰী ঘাট, দেহা গৰকা প্ৰেম, মই, পিপ্‌লি আৰু পূজা, বহুভুজী ত্ৰিভুজ, এখন নদীৰ মৃত্যু* আদি। মহিম বৰা এগৰাকী প্ৰবন্ধ লেখক আৰু সম্পাদকো। *শঙ্কৰদেৱৰ নাট* তেওঁৰ বিশেষভাৱে সমাদৃত সঙ্কলিত আৰু সম্পাদিত গ্ৰন্থ। *এধানি মাহীৰ হাঁহি* উপন্যাসৰ বাবে মহিম বৰাই ২০০১ চনত 'সাহিত্য অকাদেমি বঁটা' লাভ কৰিছিল। ২০০০ চনত তেওঁলৈ মেগৰ সাহিত্য পুৰস্কাৰো আগবঢ়োৱা হৈছিল। ইয়াৰ উপৰি তেওঁ অনেক স্বীকৃতি লাভ কৰিছিল। তেওঁৰ সাহিত্যিক স্বীকৃতি হিচাপে লাভ কৰিছিল— 'অসম প্ৰকাশন পৰিষদ বঁটা', 'অসম সাহিত্য সভাৰ ছগনলাল জৈন বঁটা', 'গণেশ গগৈ বঁটা', 'সাহিত্যাচার্য' আৰু 'পদ্মশ্ৰী'ৰ দৰে সন্মান।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ মহিম বৰাৰ গল্পত চিত্রকল্পৰ প্রয়োগ সম্পর্কে উদাহৰণসহ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

- **হেমাঙ্গ বিশ্বাস ঃ** মাতৃভাষা অসমীয়া নহ'লেও অসমতে থাকি, অসমৰে মাটি-পানী গচকি-খচকি অসমীয়া হৈ পৰা হেমাঙ্গ বিশ্বাস ৰামধেনু যুগৰ এজন বিশিষ্ট কবি। তেওঁৰ কালজয়ী কবিতাসমূহে সেই সময়তে নহয় বর্তমান সময়তো মানুহৰ হিয়া চুই যায়। ৰামধেনু যুগৰ ভালে সংখ্যক কবিৰ দৰে হেমাঙ্গ বিশ্বাসো আছিল মার্ক্সীয় দর্শনৰ প্রতি আকর্ষিত। দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰ পৰা অসমীয়া কবিতাই পূর্বৰ ৰোমাণ্টিক পৰম্পৰাৰ পৰা আঁতৰি নব্য চিন্তাৰে প্রগতিবাদী ধাৰাৰে বাট বুলিবলৈ আৰম্ভ কৰা কবিসকলৰ ভিতৰত হেমাঙ্গ বিশ্বাসো অন্যতম। তেওঁৰ 'কুল খুৰাৰ চোতাল', 'নাম তাৰ কমৰেড ৰত্নেশ্বৰ ৰাভা', 'ডিব্রুগড়', 'ওভতনি' আদি কবিতাত তাৰ প্রতিচ্ছবি স্পষ্ট হৈ জিলিকি আছে। হেমাঙ্গ বিশ্বাসৰ কবিতাত মার্ক্সীয় ভাৱধাৰাৰ শিল্পসন্মত প্রভাৱৰ উপৰিও গ্রাম্য জীৱন, শোষণ-নিষ্পেষণ আদিৰ চিত্র আছে। এনেবোৰ আদর্শক ৰূপ দিবলৈ যাওঁতে তেওঁৰ কবিতা কেতিয়াবা গদ্যধর্মীও হৈ পৰা দেখা যায়। উপমা, প্রতীক, চিত্রকল্প আদিৰ সহায়ত তেওঁ অসমীয়া কবিতাৰ আন্দোলনত সক্রিয়ভাৱে জঁপিয়াই পৰিছিল। শিল্পী-সংগ্রামী হেমাঙ্গ বিশ্বাস অসমীয়া সংস্কৃতিৰ এক গৌৰৱোজ্জ্বল অধ্যায়ৰ সূত্রধাৰ। তেওঁৰ কবিতা পুথি দুখন। এখন অসমীয়া *কুল খুৰাৰ চোতাল* আনখন বাংলা *সীমান্ত প্রহৰী* ভাষাত লিখা। *কুল খুৰাৰ চোতাল*ৰ অধিক সংখ্যক কবিতাই পূর্বে প্রকাশিত আলোচনীত প্রকাশ পাইছিল।

  হেমাঙ্গ বিশ্বাস এগৰাকী লোকসঙ্গীতৰ সাধকো। তদুপৰি তেৱেঁই ভাৰতীয় গণ নাট্যৰ শাখা এটি অসমতো স্থাপন কৰি ভাৰতৰ অন্যান্য সংস্কৃতিৰ সৈতে অসমকো চিনাকি কৰি দিয়া এগৰাকী ব্যতিক্রমী ব্যক্তি।

- **হোমেন বৰগোহাঞি ঃ** ৰামধেনু যুগৰ এজন অনন্য সাধাৰণ লেখক হোমেন বৰগোহাঞি। এজন সফল কবি, গল্পকাৰ, ঔপন্যাসিক হোৱাৰ উপৰিও তেওঁ এজন সার্থক প্রবন্ধকাৰ আৰু সাংবাদিক। লগতে এজন সুদক্ষ জীৱনীকাৰ। এইজনা লেখকৰ কর্মজীৱন বৰ মসৃণ বুলি ক'ব নোৱাৰি। তাৰ প্রমাণ তেওঁৰ *আত্মানুসন্ধান* নামৰ জীৱনীখনৰ মাজতে পোৱা যায়।মাত্র সাত বছৰ বয়সতে তেওঁ তেওঁৰ জীৱনৰ প্রথমটো কবিতা ৰচনা কৰিছিল। তেৰ বছৰ বয়সত ৰচনা কৰিছিল এটি দেশপ্রেমমূলক কবিতা। তেওঁৰ একমাত্র কবিতা পুথি হৈছে— *হৈমন্তী*। *হৈমন্তী* তেওঁৰ জীৱনবোধ, সংবেদনশীলতা আৰু মৃত্যু চেতনাৰ অপূর্ব সমাহাৰ। একমাত্র পুথিখনৰ মাজেৰে তেওঁ অসমীয়া আধুনিক কবিতাৰ এক শক্তিশালী কণ্ঠস্বৰ বুলি নিজকে প্রতিপন্ন কৰিব পাৰিছে। *ৰামধেনুত* প্রকাশিত তেওঁৰ 'সাপ' নামৰ কবিতাটিত প্রতীকৰ সুন্দৰ ব্যৱহাৰ হৈছে। ফ্রয়েডীয় মনস্তত্ত্বৰ প্রতি গভীৰ

অনুৰাগ প্রদর্শন কৰি কবি হোমেন বৰগোহাঞিয়ে কবিতাটিক প্রাণৱন্ত কৰি তুলিছে। হোমেন বৰগোহাঞিৰ কবিতাত কেবাইগৰাকী পাশ্চাত্য কবিৰ কাব্যৰ অনুৰণন দেখা যায়। তেওঁৰ কবিতাবোৰৰ মাজত সাম্যবাদৰ ধাৰণা দেখিবলৈ পোৱা যায়।

কবিতাৰ দৰে হোমেন বৰগোহাঞি এই যুগৰ এক ব্যতিক্রমী গল্প লেখক। তেওঁৰ কিছুমান গল্পত এজন মানুহৰেই মনটোত একাধিক মনস্তাত্ত্বিক দিশ প্রতিফলিত হোৱা দেখা যায়। কাহিনীপ্রধান, বর্ণনাৰ বাহুল্য থকা পৰম্পৰাগত গল্প ৰচনাৰ পৰা আঁতৰি আহি হোমেন বৰগোহাঞিয়ে এক বিশিষ্ট ধাৰাৰ গল্প লেখক হিচাপে নিজক প্রতিষ্ঠা কৰিছে। তেওঁৰ গল্পত পশ্চিমৰ বিভিন্ন দর্শনৰ প্রভাৱ দেখা যায়। অন্ধকাৰ গলি, পতিতা, নিষিদ্ধ চৰিত্র, যৌনতা, ৰুগ্ন মানসিকতাক ভিত্তি কৰি তেওঁ কেবাটৌও গল্প লিখিছে। ৰামধেনু যুগত তেওঁৰ কেবাটাও গল্পই এক আলোড়নৰ সৃষ্টি কৰিছিল। 'অসুখ', 'হাতী', 'শিল্প', 'যৌৱন' আদি তেওঁ মনোবৈজ্ঞানিক দৃষ্টিভঙ্গীৰে ৰচনা কৰা আলোড়ন সৃষ্টিকাৰী গল্প। *বিভিন্ন কোৰাছ, গল্প আৰু নক্সা, বিভিন্ন নৰক, প্রেম আৰু মৃত্যুৰ কাৰণে, স্বপ্ন স্মৃতি বিষাদ, অস্তিত্বৰ জ্যোতির্ময় চেতনা* এইবোৰ তেওঁৰ উল্লেখযোগ্য গল্প সঙ্কলন।

হোমেন বৰগোহাঞি কবি, সাহিত্যিক, গল্পকাৰ, ঔপন্যাসিকৰ লগতে এগৰাকী সার্থক প্রবন্ধকাৰ। তেওঁৰ কেইখনমান উল্লেখযোগ্য প্রবন্ধ সঙ্কলন হৈছে— *বিশ্বাস আৰু সংশয়, জিজ্ঞাসা, আনন্দ আৰু বেদনাৰ সন্ধানত, কলগার্ল, ধূসৰ দিগন্ত, সপ্তম দশক, কিতাপ পঢ়াৰ আনন্দ, জীৱনৰ সাধনা* আদি। প্রবন্ধবোৰৰ গদ্যশৈলীয়ে অসমীয়া গদ্য সাহিত্যক বহুদূৰ আগুৱাই লৈ গৈছে। স্পষ্টতা, সংক্ষিপ্ততা, বিশিষ্টতা, শিষ্টতা আদি সকলো গুণেই তেওঁৰ প্রবন্ধবোৰৰ গদ্যত আছে। পোনপটীয়াভাৱে আৰু সহজ-সৰলকৈ নিজৰ বক্তব্য বিষয় দাঙি ধৰিব পৰা গুণ তেওঁৰ আছে।

কিন্তু তেওঁ সাহিত্য-কৃতিৰ উচ্চতম সফলতা লাভ কৰিছে উপন্যাসৰ যোগেদি। *মৎস্যগন্ধা, সুবালা, তান্ত্রিক, কুশীলৱ, পিতা-পুত্র, অস্তৰাগ, সাউদৰ পুতেকে নাও মেলি যায়, নিঃসঙ্গতা* আদি কৰি কেইবাখনো সার্থক উপন্যাসৰ স্রষ্টা তেওঁ। ইয়াৰ উপৰি *বেঞ্জামিন ফ্রেঙ্কলিন* আৰু *প্রতিভাৰ সংজ্ঞা দিয়া মানুহজন* নামৰ দুখন জীৱনী গ্রন্থও তেওঁ লিখি উলিয়াইছে।পুথি সম্পাদনা আৰু সাংবাদিকতাতো তেওঁ সমানে দক্ষ ব্যক্তি।

মুঠতে ৰামধেনু যুগৰ এজন সফল লেখক হিচাপে হোমেন বৰগোহাঞি সকলোৰে মাজত পৰিচিত। এজন সফল লেখক হোৱাৰ উপৰিও জীৱনটো সুন্দৰভাৱে উদ্‌যাপন কৰিব পৰা তেওঁ এজন ব্যতিক্রমী ব্যক্তি।



জানি থোৱা ভাল

হোমেন বৰগোহাঞি 'অসম সাহিত্য সভা'ৰ ২০০১-০২ চনৰ সভাপতি আছিল। ১৯৭৮ চনত তেওঁ 'সাহিত্য অকাদেমি বঁটা' লাভ কৰিছিল। তদুপৰি তেওঁ লাভ কৰা অন্যান্য বঁটাসমূহ আছিল 'অসম প্রকাশন পৰিষদৰ সাহিত্য বঁটা', 'অসম সাহিত্য সভা বঁটা', 'মেগৰ শৈক্ষিক ন্যাস বঁটা' আদি।

- **নৱকান্ত বৰুৱা ঃ** আধুনিক অসমীয়া কবিতাৰ বাটকটীয়া নৱকান্ত বৰুৱাৰ প্ৰতিভা কবিতাৰ ক্ষেত্ৰতেই সীমাৱদ্ধ নাছিল। তেওঁ আছিল একাধাৰে গীতিকাৰ, ঔপন্যাসিক, শিশু সাহিত্যিক, অনুবাদক, নাট্যকাৰ আৰু ৰম্য ৰচক। ৰঘুনাথ চৌধাৰীৰ সম্পাদনাত প্ৰকাশ পোৱা *জয়ন্তী* আলোচনীখন এসময়ত বন্ধ হৈ যোৱাত এই আলোচনীখন কমল নাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচার্য্যৰ সম্পাদনা কৰি পুনৰ প্ৰকাশ কৰিবলৈ ধৰে। *জয়ন্তী* আলোচনীখনে আধুনিক অসমীয়া কবিতাৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰে আৰু এই সময়ৰ কবিসকলৰ কবিতাৰ আন্দোলনত জড়িত হৈ পৰিছিল নৱকান্ত বৰুৱাৰ নাম। জয়ন্তীয়ে অসমীয়া কবিতালৈ কঢ়িয়াই আনিলে নতুন আলোড়ন। ৰোমাণ্টিক চেতনাৰ ঠাইত কবিতাত প্ৰৱেশ কৰিলে বাস্তৱ সময়ৰ অনুভূতিয়ে। কবিতাৰ কেন্দ্ৰীয় বিষয় হৈ পৰিল আধুনিক জীৱন। এই সময়ৰে কবি আছিল নৱকান্ত বৰুৱা। কুৰি শতিকাৰ চতুৰ্থ দশকৰপৰা কবি হিচাপে আত্মপ্ৰকাশ কৰি অসমীয়া আধুনিক কবিতাক তেওঁ পূৰ্ণ ৰূপত প্ৰতিষ্ঠা কৰিছিল। সাহিত্যৰ প্ৰায় প্ৰতিটো বিভাগতে সফলতা লাভ কৰিছিল যদিও নৱকান্ত বৰুৱা আছিল প্ৰকৃততে এজন কবিহে। পাঠশালা স্কুলত পঢ়ি থাকোতেই তেওঁ কবিতা লিখিছিল। সাম্প্ৰতিক কাললৈকে তেওঁ কবিতা লিখিয়েই গৈছিল। মহেশ্বৰ নেওগ সম্পাদিত *ৰামধেনুত* প্ৰকাশিত নৱকান্ত বৰুৱাৰ 'এতিয়া কিমান ৰাতি' নামৰ কবিতাটোও আছিল এটা আধুনিকতাবাদী কবিতা।ৰামধেনু যুগতনৱকান্ত বৰুৱাৰ কবিতা তুঙ্গত উঠে। তেওঁৰ কবিতাতে প্ৰথমে মহানগৰ (কলকাতা)ৰ শিহৰণে স্পষ্ট আৰু সাৱলীল কাব্য ৰূপ লয়। ১৯৫১ চনত *হে অৰণ্য হে মহানগৰ* কাব্য পুথিখন প্ৰকাশ হোৱাৰ পাছত এগৰাকী কবি হিচাপে তেওঁ সুপ্ৰতিষ্ঠিত হয়। তাৰ পাছত ক্ৰমে তেওঁৰ আন কেইবাখনো কাব্য সঙ্কলন প্ৰকাশিত হয়। তেওঁৰ উল্লেখযোগ্য কাব্য পুথিকেইখনমান হ'ল *এটি দুটি এঘাৰটি তৰা, যতি আৰু কেইটামান স্কেচ, সম্ৰাট, ৰাৱণ, মোৰ আৰু পৃথিৱীৰ, ৰত্নাকৰ, এখন স্বচ্ছ মুখাৰে সূৰ্য্যমুখীৰ অঙ্গীকাৰ* আদি। তেওঁৰ কাব্যৰ পথাৰখন আছিল বিচিত্ৰ। এফালে পাশ্চাত্যৰ ধ্যান-ধাৰণা, আনফালে ওপজা মাটিৰ পৰশ। তদুপৰি তদানীন্তন সমাজখনৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু মানৱীয় মূল্যবোধৰ অৱক্ষয়ে কবিগৰাকীক অস্থিৰ কৰি তুলিছিল বৌদ্ধ দৰ্শনেও কবিৰ অন্তৰাত্মাত বাৰুকৈয়ে ক্ৰিয়া কৰিছিল তদুপৰি ভাৰতীয় মহাকাব্য দুখনৰ চৰিত্ৰক লৈও কবিয়ে কবিতা ৰচনা কৰিছিল।

কবিতাৰ উপৰিও পদ্য ৰচনাৰ মাজে�ৰেও কবিগৰাকীয়ে মনৰ ভাব ব্যক্ত কৰিব বিচাৰিছিল। তেওঁৰ *কপিলী পৰীয়া সাধু, ককাদেউতাৰ হাড়, গড়মা কুঁৱৰী, মানুহ আটাইবোৰ দ্বীপ* আদি উপন্যাসৰ মাজেৰে তেওঁ গদ্য ৰচনাতো পাৰদৰ্শিতা দেখুৱাব পাৰিছিল। শিশু সাহিত্যৰ দৰে জটিল কৰ্মতো নৱকান্ত বৰুৱাই সাৰ্থকতা লাভ কৰিছিল। 'এখুদ ককাইদেউ', 'নতুন ককাইদেউ', 'সপোন ককা' আদি নামেৰে *শিয়ালী পালেগৈ ৰতনপুৰ, আখৰৰ জখলা* আদি অতি সুন্দৰ শিশু উপযোগী সাহিত্য ৰচনা কৰিছিল। তদুপৰি নাটক, গীত, ৰম্য ৰচনা আৰু অনুবাদ সাহিত্যতো তেওঁৰ আছিল অবাধ দখল।

এনেদৰে এক বিপুল সংখ্যক সাহিত্য ৰচনা কৰি তেওঁ অসমীয়া সাহিত্যৰ অকল ৰামধেনু যুগৰে নহয়, সৰ্বকালৰ এজন বিশিষ্ট অসমীয়া ৰূপে পৰিচিত হৈ পৰিছিল। ১৯৯০ চনত তেওঁ 'অসম সাহিত্য সভা'ৰ বিশ্বনাথ চাৰিআলিৰ অধিৱেশনৰ সভাপতি নিৰ্বাচিত হৈছিল। যুগে যুগে উত্তৰ পুৰুষক আগুৱাই লৈ যোৱা তেওঁৰ সাহিত্যৰাজিৰ বাবে নৱকান্ত বৰুৱা অমৰ হৈ থাকিব।

- **স্নেহ দেৱী ঃ** ৰামধেনু যুগৰ এগৰাকী জনপ্রিয় লেখিকা স্নেহ দেৱীয়ে *ৰামধেনু* পাত শুৱনি কৰিছিল 'সূচনা', 'প্রেৰণাৰ সমাধি', 'বৰমা', 'বন্ধু তুমি মোৰ, তুমি শত্রু', 'পাতনি উপলব্ধি', 'অনুসন্ধান', 'কৰুণ উলাহ', 'জোৱাৰৰ পিছত' 'পৰিপূৰক', 'জাননী' আদি গল্পৰে। স্নেহ দেৱীৰ গল্পৰ বিষয়বস্তু অতি সৰল। সাধাৰণ ঘৰুৱা আৰু পাৰিবাৰিক ঘটনাৰেয়েই সাধাৰণতে তেওঁ গল্পবোৰ ৰচনা কৰিছিল। তেওঁৰ গল্পত ৰামধেনু যুগৰ গল্পৰ আধুনিকতা আদি দেখা নাযায়। সাধাৰণতে নাৰী জীৱনক লৈয়ে তেওঁৰ গল্পই প্রাণ পাই উঠিছে। মানৱতা তেওঁৰ গল্পৰ ঘাই আকর্ষণ। স্নেহ দেৱীৰ চাৰিখন উল্লেখযোগ্য গল্প সঙ্কলন হ'ল— *কৃষ্ণা দ্বিতীয়াৰ জোনাক, স্নেহ দেৱীৰ গল্প, স্নেহ দেৱীৰ শ্রেষ্ঠ গল্প* আৰু *স্নেহ দেৱীৰ একুঁকি গল্প*।

  মাত্র পঞ্চম শ্রেণীলৈকে পঢ়া স্নেহ দেৱীৰ সাহিত্যিক জীৱনৰ আৰম্ভণি হৈছিল প্রেমধৰ ৰাজখোৱাৰ সম্পাদনাত প্রকাশ পোৱা *সৌমাৰজ্যোতি*ৰ জৰিয়তে। এটি কবিতাৰে তেওঁ সাহিত্যিক জীৱন আৰম্ভ কৰিছিল। তেওঁৰ গল্পৰ বিষয় নাৰী আৰু নাৰীৰ মানসিকতা, সেয়ে গল্পৰ শিৰোনামবোৰো চকুত লগা। দুর্ভগীয়া, স্বামী পৰিত্যক্তা নাৰীৰ কৰুণ কাহিনীয়ে এই গৰাকী লেখিকাৰ ভালেমান গল্পত স্থান পাইছে। অৱশ্যে এই নাৰীসকলে দুর্ভাগ্যক সাবটি জীৱন কটোৱা নাই। তেওঁলোকৰ কিছুমানে জীৱনৰ দুর্ভাগ্যৰ উত্তৰণ ঘটাই জীৱনত জয়ী হোৱা পৰিলক্ষিত হৈছে। 'কৰুণ উলাহ' আৰু 'জোৱাৰৰ পিছত' গল্প দুটিৰ নাৰী চৰিত্র দুগৰাকীৰ মাজেৰে সেই ছবি দাঙি ধৰা হৈছে। এগৰাকী কম বয়সতে বিবাহিতা নাৰী হৈও এগৰাকী লেখিকা হিচাপে নিজকে প্রতিষ্ঠা কৰিব পৰাটোতে তেওঁৰ কৃতিত্ব বহুখিনি নির্ভৰ কৰিছে।
- **নির্মলপ্রভা বৰদলৈ ঃ** ৰামধেনু যুগৰ প্রগতিবাদী আৰু আধুনিক ধাৰাৰ কবিসকলৰ বিপৰীতে আন এচাম কবিয়ে স্বকীয় বৈশিষ্ট্যৰে কবিতা লিখি ৰামধেনুৰ পাতত ধৰা দিছিল। তেনে এগৰাকী কবি আছিল নির্মলপ্রভা বৰদলৈ। নির্মলপ্রভা বৰদলৈয়ে অসমীয়া কাব্যজগতলৈ নতুনত্বৰ ঢল বোৱাই আনিলে। আধুনিক কাব্যজগতত এইগৰাকী কবি অনন্যা সাধাৰণ হৈ জিলিকি থাকিব। মানুহৰ মনৰ জগত, প্রকৃতি জগত, সংস্কৃতিৰ জগত আদিত সততে বিচৰণ কৰি ফুৰা কবিগৰাকী নির্মলপ্রভা বৰদলৈ। নাৰীমন এক বুজাব নোৱাৰা সাঁথৰ। বৰদলৈৰ বহু কবিতাত পৌৰাণিক নাৰী মনক আধুনিক দৃষ্টিভঙ্গীৰে চাবলৈ বিচৰা হৈছে। 'দ্রৌপদী', 'গান্ধাৰী', 'কমলা কুঁৱৰী' আদি বহু কবিতাত কবি বৰদলৈ চিন্তাৰ জগতখনে অন্তৰলৈ গতি কৰিছে। পঞ্চাশৰ দশকত আত্মপ্রকাশ কৰা

এইগৰাকী কবিয়ে ষাঠিৰ দশকতহে কবি ৰূপে প্ৰতিষ্ঠা লাভ কৰে। অসমীয়া সাহিত্য-সংস্কৃতিৰ পথাৰখনত বিচৰণ কৰা বৰদলৈ এগৰাকী শক্তিশালী লেখিকা। প্ৰেম, প্ৰকৃতি, জীৱন-জিজ্ঞাসা, ঐতিহ্য-চেতনা, আধুনিক ধ্যান-ধাৰণা তেওঁৰ চিন্তাৰ জগত। তেওঁৰ মনৰ প্ৰক্ষেপ আধুনিক জীৱনৰ ওপৰত পৰিছিল। তেওঁৰ জীৱনৰ শেষৰ ফালৰ কিছুমান কবিতাত দাৰ্শনিক অনুসন্ধানো দেখা গৈছিল। নিৰ্মলপ্ৰভা বৰদলৈ ৰচিত উল্লেখযোগ্য গ্ৰন্থ কেইখনমান হ'ল— *জীৱন জীৱন বৰ অনুপম* (আত্মজীৱনী), *দেৱী, শিৱ* (শাক্ত, শৈৱ বিষয়ক পুথি) *সূৰ্য্য* (প্ৰাচ্যতত্ত্ব সম্বন্ধীয়) আদি। তেওঁৰ কেইখনমান কাব্য সঙ্কলন হৈছে— *বন ফৰিঙৰ ৰং, সমীপেষু, অন্তৰঙ্গ, দিনৰ পাছত দিন, সুদীৰ্ঘ দিন আৰু ঋতু, শব্দৰ ইপাৰে সিপাৰে, অস্মিতাভ শব্দ, নিৰ্বাচিত কবিতা* আদি। সাহিত্য-সংস্কৃতি সম্বন্ধীয় পুথি— *অসমৰ লোকসংস্কৃতি, সাহিত্য আৰু সংস্কৃতি, কবিতাৰ কথা, অসমৰ লোক-কবিতা, কবিতা দেশী-বিদেশী, অসমীয়া চুটিগল্প* আদি। নাটক-অপেৰা, কাব্য-নাটক আদিতো এইগৰাকী শক্তিশালী লেখিকাই অনেক বৰঙণি আগবঢ়াই থৈ গৈছে। শিশুৰ কাৰণে তেওঁ লিখি উলিয়াইছিল— *অসমীয়া ওমলা গীত, জিকি-মিকিৰ কথা, শালিকীৰ টোঁ টোঁ চিল চিল চিলা, বাগি চিল মিলা* আদি অনেক পুথি। গীতৰ ক্ষেত্ৰত নিৰ্মলপ্ৰভা বৰদলৈৰ এখন সুকীয়া আসন আছে। তেওঁৰ গীতৰ সঙ্কলনকেইখনমান হ'ল— *সোণ বৰণী আই, ফুলৰ এই মেলাতে* আদি অনেক। 'চেৰী ফুলৰ দেশ জাপান' আৰু 'বিস্ময়কৰ চীন দেশ' লিখা ভ্ৰমণ কাহিনীটো আছেই।

- **নিৰুপমা বৰগোহাঞি ঃ** *ৰামধেনু* আলোচনীত গল্প লিখি অতিকৈ জনপ্ৰিয় হৈ পৰা এগৰাকী লেখিকা নিৰুপমা বৰগোহাঞিৰ গল্পত সমাজ-সচেতনতা, মানৱতাবাদ আৰু নাৰীকেন্দ্ৰিক জীৱনৰ ছবি দেখিবলৈ পোৱা যায়। *ৰামধেনু* আলোচনীত প্ৰকাশিত তেওঁৰ কেইটিমান গল্প আছিল—'অপমৃত্যু', 'ঢেঁকীৰ সৰগ', 'পেহীদেউ', 'দ্বিতীয় মৃত্যু', 'অযোগ্যতা', 'জীৱন জীয়াই থাকে' আদি। তেওঁৰ গল্পত জীৱনৰ সৰু সৰু ঘটনাবোৰৰ মাজত বিচিত্ৰতাৰ সন্ধান কৰা দেখা যায়। সাহিত্য সৃষ্টিকে জীৱনৰ ব্ৰত হিচাপে সাংবাদিক জীৱনৰ অভিজ্ঞতাৰ আধাৰত তেওঁ তেওঁৰ লেখাৰ সমল বিচাৰি পাইছিল। তেওঁৰ কেইখনমান উল্লেখনীয় গল্প সঙ্কলন হ'ল— *অনেক আকাশ, জলছবি, শূন্যতাৰ কাব্য, জননীৰ সন্ধানত এজন ডেকা মানুহ, ইপাৰ সিপাৰ, খিৰিকী কাষৰ গছ* ইত্যাদি। গল্প সঙ্কলনৰ উপৰি উপন্যাস ৰচনাতো বৰগোহাঞি অতুলনীয় আছিল। *সেই নদী নিৰৱধি, এজন বুঢ়া মানুহ, কেক্‌টাছৰ ফুল, ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ* আদিকে ধৰি কেবাখনো উপন্যাস তেওঁ ৰচনা কৰিছে। *অভিযাত্ৰী* উপন্যাসখন তেওঁৰ এখন জীৱনীভিত্তিক উপন্যাস। এই উপন্যাসৰ বাবে ১৯৯৬ চনত তেওঁলৈ সাহিত্য অকাদেমি বঁটা আগবঢ়োৱা হৈছে। তেওঁৰ আত্মজীৱনীখন হ'ল— *বিশ্বাস আৰু সংশয়ৰ মাজেদি*।

জনপ্ৰিয় গল্প লেখিকা নিৰুপমা বৰগোহাঞিক নাৰীবাদী লেখিকা হিচাপে জনা গ'লেও নাৰী মুক্তিৰ জৰিয়তে তেওঁ মানৱতাবাদৰ জয়ধ্বনি দিব বিচাৰিছিল। তেওঁৰ কেবাটাও

গল্পত চিঠিৰ যোগেদি চৰিত্রই আত্মপ্রকাশ কৰা দেখা গৈছে। চুটিগল্পত থাকিবলগীয়া বিষয়বস্তুৰ একময়তা আৰু লক্ষ্যৰ একমুখিতাই তেওঁৰ গল্পক প্রাণৱন্ত কৰি ৰাখিছে।

- **মামণি ৰয়ছম গোস্বামী, নীলিমা শর্মা, প্রবীণা শইকীয়া, অনিমা দত্ত, ৰুণু বৰুৱা, বাসন্তী বৰুৱা, আলিমুন্নিছা পিয়াৰ ঃ** জ্ঞানপীঠ বঁটা বিজয়িনী মামণি ৰয়ছম গোস্বামী এগৰাকী শক্তিশালী লেখিকা হ'লেও *ৰামধেনু* আলোচনীত প্রকাশিত তেওঁৰ গল্প মাথোন এটা। ৰামধেনুৰ শেষৰ ফালেহে তেওঁ গল্পকাৰ হিচাপে আত্মপ্রকাশ কৰে। পঞ্চদশ বছৰ, দশম সংখ্যা *ৰামধেনুত* প্রকাশিত তেওঁৰ গল্পটি হ'ল 'বীজাণু'। গল্পটিত লেখিকাৰ বর্ণনাৰ মিতব্যয়িতা লক্ষ্য কৰা যায়।তদুপৰি গল্পটিৰ কেন্দ্রীয় ভাৰ এটাই গল্পটিৰ কেন্দ্রীয় চৰিত্রও এটা। গতিকে লক্ষ্য এক আৰু সামৰণিও নাটকীয়। এই গল্পটিৰ মাজতেই লেখিকাৰ যথেষ্ট সম্ভাৱনা দেখা গৈছিল। পাছলৈ তেওঁ বহু সংখ্যক গল্প ৰচনা কৰিছিল। তেওঁৰ গল্প সঙ্কলনসমূহৰ ভিতৰত আছে—*চিনাকি মৰম, কইনা, হৃদয় এক নদীৰ নাম, মামণি ৰয়ছম গোস্বামীৰ প্রিয় গল্প,* ইত্যাদি। গল্পৰ উপৰি পাছলৈ তেওঁ উপন্যাস ৰচনাতহে অধিক মনোযোগ দিছিল। তেওঁৰ উপন্যাসসমূহ হ'ল— *চেনাবৰ সোঁত, নীলকণ্ঠী ব্রজ, অহিৰণ, মামৰে ধৰা তৰোৱাল, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, আধালেখা দস্তাবেজ* আদি। *আধালেখা দস্তাবেজক* তেওঁৰ আত্মজীৱনীমূলক উপন্যাস বুলি কোৱা হয়। বলিষ্ঠ ৰচনাভঙ্গী, গভীৰ মানৱতাবোধ, দুর্বল আৰু পীড়িতজনৰ প্রতি অন্তৰভৰা সহানুভূতিৰে তেওঁৰ গল্পবোৰ বিশেষত্বপূর্ণ। উপস্থাপন কৌশলৰ মনোগ্রাহিতা, জীৱনবোধ, সংবেদনশীলতা আদি গুণেৰে তেওঁৰ লেখাবোৰ সমুজ্জ্বল।

নীলিমা শর্মা ৰামধেনু যুগৰ এগৰাকী বিশিষ্ট গল্প লেখিকা। তেওঁৰ গল্পত আকস্মিকতা, উৎকণ্ঠা, কৌতূহল আৰু নাটকীয়তা লক্ষ্য কৰা যায়। লগতে আছে চৰিত্রৰ মনস্তাত্ত্বিক বিশ্লেষণ, মানৱীয় অনুভূতিক হৃদয়স্পর্শী প্রকাশেৰে উপস্থাপন কৰিব পৰা এইগৰাকী লেখিকাৰ গল্প সঙ্কলনকেইখনমান হৈছে— *অন্য সুঁতি যেন ডালিমৰ গুটি, তৰঙ্গৰ ৰং, মানস সৰোবৰ ক'ত, প্রাণ আৰু প্রাচুর্য* আদি। *অন্য সুঁতি* গল্প সঙ্কলনখনৰে অন্যতম গল্প 'অন্য সুঁতি' *ৰামধেনুত* প্রকাশিত এটি গল্প। ইয়াৰ উপৰি 'ওৰণি নালাগে গুচাব', 'আৱৰণ', 'কৃষ্ণা, 'সময়ৰ সংলাপ', 'গোসাঁনী', 'সেতু বন্ধন' আদি গল্পৰ মাজেৰে নীলিমা শর্মাৰ ভাষাৰ ব্যঞ্জনা সুন্দৰভাৱে প্রকাশিত হৈছে। নাৰী মনস্তত্ত্বৰ লগত শিশু মনস্তত্ত্বৰ ওপৰতো তেওঁ দৃষ্টিপাত কৰিছে 'সেতু বন্ধন' আদি গল্পৰ যোগেদি।

ৰামধেনু আলোচনীৰ যোগেদি আত্মপ্রকাশ কৰা **প্রবীণা শইকীয়া** আৰু **অণিমা দত্তৰ** গল্পৰ কাৰিকৰী কৌশল চমকপ্রদ। প্রবীণা শইকীয়াই গল্পৰ উপৰি সাহিত্যৰ অন্যান্য দিশতো প্রতিভাৰ স্বাক্ষৰ দাঙি ধৰিছে। তেওঁ একাধাৰে কবি, শিশু সাহিত্যিক, ঔপন্যাসিক আৰু অনুবাদকো। তেওঁৰ গল্প সঙ্কলন কেইখনমান হৈছে *প্রিয়তম, চিত্র তুৰঙ্গ, অবিনাশী স্বপ্ন* আদি। *উত্তৰায়ণ* আৰু *সিংহ দুৱাৰ* তেওঁৰ দুখন প্রকাশিত উপন্যাস। শিশুৰ বাবে তেওঁ লিখি উলিয়াইছিল— *অজান দেশত এলিচ* আৰু *দাপোণ দেশত এলিচ*। প্রবীণা শইকীয়াৰ গল্পত লেখিকাই কাহিনী কথনৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া পৰিলক্ষিত হয়।

অণিমা দত্তৰ গল্পৰ মাজতো কথন-ভঙ্গীৰ গুৰুত্ব উপলব্ধি কৰা যায়। একেটা কেন্দ্ৰীয় ভাৱকে গল্পকাৰ দত্তই আগবঢ়াই নিয়া দেখা যায়। অনিমা দত্তৰ গল্পৰ মাজেৰে প্ৰেমৰ ছবি দেখা যায়। কিন্তু গল্পকাৰ গৰাকীয়ে তাক কেৱল ৰোমাণ্টিক প্ৰেমৰ আৱেশেৰে চিত্ৰিত নকৰি মহত্ত্ব আৰোপ কৰাৰ চেষ্টা দেখা যায়। *ৰামধেনুৰ* পাতত আন কেবাগৰাকী লেখিকাৰ গল্প দুই-এটি দেখিবলৈ পোৱা যায়। **কমলিনী বৰবৰাৰ** 'পূজাৰ চোলা', **ৰেণু দেৱীৰ** 'প্ৰতিভা', **প্ৰীতি ভট্টাচাৰ্য্যৰ** 'অভিশপ্ত' এই গল্পবিলাকে লেখিকাসকলৰ মনৰ ভাৱধাৰা প্ৰকাশ কৰিবলৈ সুবিধা পাইছে *ৰামধেনু* আলোচনীৰ যোগেদি। ইয়াৰ উপৰি **ৰুণু বৰুৱা, বাসন্তী বৰুৱা, আলিমুন্নিছা পিয়াৰ** আদি লেখিকাসকলেও *ৰামধেনু* পৃষ্ঠা শুৱনি কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ মহিম বৰাৰ গল্পত চিত্ৰকল্পৰ প্ৰয়োগ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

- **চন্দ্ৰপ্ৰসাদ শইকীয়াঃ** 'মায়ামৃগ', 'উত্তৰাৰ উত্তৰ', 'অপৰাজিতা', 'মদাৰ ফুল', 'অন্তৰালত', 'অথিৰ এহু সংসাৰ' আদি *ৰামধেনুত* প্ৰকাশিত গল্পৰ ৰচক চন্দ্ৰপ্ৰসাদ শইকীয়া অকল গল্পকাৰেই নহয়, এজন সাংবাদিক আৰু ঔপন্যাসিকো। চুটি বাক্য আৰু বলিষ্ঠ গদ্যৰীতিৰে আদৰ্শবাদৰ প্ৰাধান্য থকা গল্পৰ তেওঁ সৃষ্টি কৰি আহিছে। তেওঁৰ গল্পত চৰিত্ৰৰ বিচিত্ৰতা দেখিবলৈ পোৱা নগ'লেও কোনো এটা বিশেষ চৰিত্ৰই বিভিন্ন ৰূপত আত্মপ্ৰকাশ কৰে। খুব সচেতন আৰু সংযতভাৱে তেওঁ গল্পৰ বিষয়বস্তুৰ মাজেৰে প্ৰেমৰ চিত্ৰ আঁকে। জটিল আঙ্গিকৰ প্ৰতি চন্দ্ৰপ্ৰসাদ শইকীয়াৰ আকৰ্ষণ নাই যেন বোধ হয়। কিন্তু তেওঁৰ গল্পবোৰত নাটকীয়তা আছে আৰু এই নাটকীয় আবেদনেই তেওঁৰ গল্পবোৰক শেষলৈকে পাঠকক মোহাচ্ছন্ন কৰি ৰাখে। তেওঁৰ কেইখনমান গল্প সঙ্কলন হ'ল— *মায়ামৃগ, নাচপতি ফুল, অঙ্গীকাৰ, চক্ৰৱৎ, চন্দ্ৰপ্ৰসাদ শইকীয়াৰ নিৰ্বাচিত গল্প* ইত্যাদি। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চন্দ্ৰপ্ৰসাদ শইকীয়া ৰামধেনু যুগৰে নহয় অসমীয়া সাহিত্যৰ এগৰাকী বিশিষ্ট কথা-সাহিত্যিক। একাধাৰে গল্পকাৰ, ঔপন্যাসিক, সাংবাদিক আৰু এজন সম্পাদক। ঔপন্যাসিক হিচাপেও তেওঁ অতিকৈ পৰিচিত। *মেঘমল্লাৰ, উত্তৰকাল, জন্মান্তৰ, তোৰে মোৰে আলোকৰে যাত্ৰা, মহাৰথী* আদি উপন্যাসৰ বাবে তেওঁ অসমীয়া সাহিত্যত সদায় নমস্য হৈ থাকিব। তেওঁৰ *জন্মান্তৰ* নামৰ উপন্যাসখন *ৰামধেনুৰ* পাতত ছোৱা-ছোৱাকৈ প্ৰকাশিত হৈছিল। *মহাভাৰতৰ* ব্যতিক্ৰমী চৰিত্ৰ 'কৰ্ণ'ক লৈ ৰচিত *মহাৰথী* উপন্যাসৰ বাবে ১৯৯৫ চনত তেওঁলৈ সাহিত্য অকাদেমি বঁটা আগবঢ়োৱা হৈছিল। এগৰাকী সাংবাদিক হিচাপে তেওঁ জীৱনৰ সুদীৰ্ঘ সময় পাৰ কৰিছিল। সম্পাদক হিচাপে *গৰীয়সী*ৰ সম্পাদনা তেওঁৰ বিশেষ কৃতি।

চন্দ্রপ্রসাদ শইকীয়াৰ সকলো ৰচনাতে স্পষ্ট হৈ উঠিছে মানৱতাবাদৰ আদর্শ। বৌদ্ধিকতাৰ চাপ তেওঁ আন এটা লক্ষণীয় বৈশিষ্ট্য। মানুহৰ সততা আৰু মহত্ত্বৰ ওপৰত থকা আস্থা তেওঁৰ গল্প আৰু উপন্যাসৰ চৰিত্রৰ মাজত সততে দেখা পোৱা যায়। চন্দ্রপ্রসাদ শইকীয়া ৰচিত গল্পৰ চৰিত্রবোৰলৈ লেখক গৰাকী নিজেই সোমাই যায়। সেইবাবে চৰিত্রবোৰ অত্যন্ত জীৱন্ত আৰু গতিশীল ৰূপত প্রকাশিত হয়।

- **সৌৰভ কুমাৰ চলিহা ঃ** ৰামধেনু যুগৰ সাহিত্যিক বিশেষকৈ গল্পসাহিত্যিক বিশিষ্টতা প্রদান কৰা এজন গল্পলেখক হ'ল সৌৰভ কুমাৰ চলিহা। এক বিশেষ বাক্‌ৰীতি আৰু প্রকাশভঙ্গীৰে সৌৰভ কুমাৰ চলিহাই অসমীয়া গল্প সাহিত্যলৈ নতুনত্বৰ জোৱাৰ আনিবলৈ সক্ষম হৈছিল। নগৰীয়া জীৱনৰ নিঃসঙ্গতা, অন্তঃসাৰশূন্যতা, বিচ্ছিন্নতা আদি গল্পৰ মাজেৰে ৰূপায়িত কৰি ৰামধেনু যুগতেই সৌৰভ কুমাৰ চলিহাই অসমীয়া গল্পলৈ আনি দিছিল একনতুন মাত্রা। তেওঁৰ গল্পবোৰ অন্য গল্প লেখকৰ গল্পতকৈ বহু ব্যতিক্রমী। কিছুমান সঙ্গতিবিহীন চিন্তা, বিভিন্ন চৰিত্রৰ বিভিন্ন মানসিক ক্রিয়া-প্রতিক্রিয়া বিৱৰণ তেওঁৰ গল্পৰ বৈশিষ্ট্য প্রকৃত নামৰ মানুহজন অপৰিচিত হৈৰে ছদ্মনামেৰেই নিজৰ পৰিচয় হৈ পৰা সৌৰভ কুমাৰ চলিহাৰ গল্পত তেওঁ নিজে নজনাকৈ চেতনাস্রোত ভাৱৰ সমাবেশ ঘটিছে। তেওঁৰ গল্পৰ শিৰোনামবোৰো মন কৰিবলগীয়া। তেওঁৰ 'অশান্ত ইলেক্ট্রন' নামৰ গল্পটোৱে *ৰামধেনু*ৰ গল্প প্রতিযোগিতাত প্রথম পুৰস্কাৰ লাভ কৰিছিল। তেওঁৰ কেইখনমান গল্প সঙ্কলন হ'ল— *অশান্ত ইলেক্ট্রন, গোলাম, দুপৰীয়া, এহাত ডবা, সৌৰভ কুমাৰ চলিহাৰ স্ব নির্বাচিত গল্প* ইত্যাদি। *গোলাম* গল্প সঙ্কলনখনৰ বাবে তেওঁ সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল। গল্পৰ উপৰি তেওঁৰ অন্যান্য গ্রন্থও আছে। কিন্তু সৌৰভ কুমাৰ চলিহাৰ গল্প সর্বসাধাৰণ পাঠকৰ বাবে নিশ্চয় নহয়। কাৰণ তেওঁৰ গল্পবোৰ সর্বসাধাৰণ পাঠকে বুজিব পৰা নহয়। সেইবাবে গল্পবোৰৰ জনপ্রিয়তা কম।
- **ভবেন্দ্র নাথ শইকীয়া ঃ** ভবেন্দ্র নাথ শইকীয়া ৰামধেনু যুগৰ লেখক হ'লেও *ৰামধেনুত* প্রকাশিত গল্প তেওঁৰ সৰহ নহয়। কিন্তু অসমীয়া পাঠকৰ মাজত তেওঁ এজন জনপ্রিয় লেখক। কবিতাৰ বাহিৰে সাহিত্যৰ প্রায় আটাইকেইটি দিশতে তেওঁ হাত দিছে আৰু সফলো হৈছে। তেওঁৰ কিছু সংখ্যক গল্প সঙ্কলন হৈছে— *প্রহৰী, বৃন্দাবন, গহ্বৰ, সেন্দূৰ, শৃঙ্খল, ভবেন্দ্র নাথ শইকীয়াৰ শ্রেষ্ঠ গল্প, এই বন্দৰৰ আবেলি, আকাশ, উপকণ্ঠ, সান্ধ্য ভ্রমণ* আদি। উপন্যাসকেইখন হৈছে— *অন্তৰীপ* আৰু *ৰম্যভূমি*। ভবেন্দ্র নাথ শইকীয়াৰ গল্পবোৰ কাহিনীপ্রধান। সূক্ষ্ম পর্যবেক্ষণ, ঘটনাৰ পুঙ্খানুপুঙ্খ বিৱৰণ, চমকপ্রদ উপস্থাপন, ইঙ্গিতধর্মিতা আদি বৈশিষ্ট্যৰে তেওঁৰ গল্পবোৰ মহীয়ান। তেওঁৰ ৰচনাৰ বর্ণনাকৌশল ইমান মনোগ্রাহী যে ইয়ে তেওঁৰ গল্পবোৰক জনপ্রিয়তাৰ উচ্চ শিখৰলৈ তুলি লৈ গৈছে। বর্ণনাৰ কৌশলে গল্পবোৰক পাঠকৰ দৃষ্টিত এক ছবিৰ দৰে তুলি ধৰে। তেওঁৰ গল্পত পাশ্চাত্য লেখক মোঁপাছা আৰু চেকভৰ গল্পৰ অনুৰণন দেখিবলৈ পোৱা যায়। *ৰামধেনুত* প্রকাশিত তেওঁৰ প্রথম গল্পটি আছিল 'ৰণভঙ্গ'। পঞ্চম বছৰ দশম সংখ্যা *ৰামধেনুত* এই

গল্পটি প্ৰকাশ হৈছিল। এই আলোচনীতে প্ৰকাশ পোৱা তেওঁৰ অন্যান্য গল্পবোৰ আছিল 'যাত্ৰাবধ', 'বৃন্দাবন', 'ৰাজমিস্ত্ৰী', 'ঢোৱাসাপ', 'বন্দীশাল' আদি। গল্পবোৰৰ সাধাৰণ যেন লগা বাক্যবোৰতে গভীৰ অৰ্থ লুকাই আছে। তেওঁৰ গল্পৰ বিষয়বস্তুবোৰ দৈনন্দিন জীৱনৰ সৰু সৰু ঘটনা। এই সৰু সৰু ঘটনাবোৰকে তেওঁ পাঠকৰ অন্তৰ চুই যাব পৰাকৈ ব্যক্ত কৰে। তেওঁ আছিল এজন খ্যাতনামা নাট্যকাৰ, নাট পৰিচালক আৰু চলচ্চিত্ৰ নিৰ্মাতা। সেইবাবে সৰু সৰু ঘটনাবোৰকে নাটকীয় ৰূপত তুলি ধৰিব পৰা দক্ষতা তেওঁৰ আছে। গল্পবোৰৰ মাজেৰে কোনো আদৰ্শবাদ প্ৰচাৰ কৰাৰ মানসিকতা তেওঁৰ নাই। জীৱনৰ সূক্ষ্মাতিসূক্ষ্ম কথাবোৰৰ মাজেৰেই তেওঁ চৰিত্ৰৰ মনোজগতৰ ব্যাখ্যা দাঙি ধৰে। 'বৃন্দাবন' নামৰ গল্পটিৰ মাজেৰে তেওঁ শিশুৰ মনৰ জগতখনো উদঙাই দেখু�ৱাইছে।

- **লক্ষ্মীনন্দন বৰা ঃ** গ্ৰাম্য জীৱনৰ বাস্তৱ চিত্ৰ অঙ্কনত সফলতা লাভ কৰা ৰামধেনু যুগৰ এগৰাকী বিশিষ্ট লেখক হ'ল লক্ষ্মীনন্দন বৰা। গ্ৰাম্য জীৱনৰ লগতে অৱশ্যে পাছলৈ আধুনিক নগৰকেন্দ্ৰিক জীৱনে সৃষ্টি কৰা বিষয়ক লৈও গল্প লিখিছে। *অচিন কইনা, আৱেশ ইন্দ্ৰজাল, কঠিন মায়া, দৃষ্টিৰূপা গৌৰীৰূপক, কাঁচিয়লীৰ কুঁৱলী, মন মাটি মেঘ, সেই সুৰে উতলা এই গধূলি, দেৱতাৰ ব্যাধি*ইত্যাদি তেওঁৰ কেবাখনো গল্প সঙ্কলন আছে। তদুপৰি *গঙা চিলনীৰ পাখি, পাতাল ভৈৰৱী, যাকেৰি নাহিকে উপাম, উত্তৰ পুৰুষ, নিশাৰ পূৰৱী, ছাঁ-জুইৰ পোহৰত আকৌ শৰাইঘাট, কায়কল্প* আদি কৰি তেওঁৰ একুৰিৰো অধিক উপন্যাস প্ৰকাশিত হৈছে। তেওঁৰ বেছিভাগ ৰচনাৰে সমল অসমৰ গ্ৰাম্য সমাজ। ভবেন্দ্ৰ নাথ শইকীয়াৰ দৰে এওঁৰ গল্পতো বৰ্ণনাৰ বাহুল্য আছে। কিন্তু অতি পৰিশীলিতভাৱে তেওঁ তাক আগবঢ়াই নিব পাৰে। অসমৰ বৈষ্ণৱ পৰিবেশৰ প্ৰতি আকুলতা গল্পৰ দৰে তেওঁৰ উপন্যাসতো আছে। তেওঁৰ গল্প-উপন্যাসত ঘোষা-পদৰ উদ্ধৃতি, সত্ৰৰ নিয়ম-কানুন, ফকৰা-যোজনাৰ বহুল প্ৰয়োগ আছে। ৰামধেনু আলোচনীত প্ৰকাশিত তেওঁৰ কিছু সংখ্যক গল্প হ'ল— 'আশামতীৰ দশা', 'ঈশ্বৰৰ পৃথিৱীত', 'হেমন্তৰ হিমে ধোৱা', 'সখা দামোদৰ', 'ভাওনা', 'গুৰুপৰ্ব', 'এৰাবাৰীৰ লেছেৰি' আদি। তেওঁৰ বহুতো ৰচনাত অসমীয়া গাঁৱলীয়া সমাজৰ ৰীতি-নীতিৰ পয়োভৰ দেখা যায়। সমাজৰ সৈতে যে লক্ষ্মীনন্দন বৰাৰ নিবিড় সম্পৰ্ক আছিল সেই ৰীতি-নীতিবোৰে তাৰেই প্ৰমাণ সূচায়। এইবোৰৰ লগতে গাঁৱলীয়া সমাজত চলি থকা অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ ভয়াৱহ ৰূপো তেওঁ গল্পৰ মাজেৰে প্ৰকাশ কৰিছে। এইবোৰৰ মাজেৰে গাঁৱলীয়া জীৱনৰ সহজ-সৰল ৰূপ তেওঁৰ গল্পত সযত্নে প্ৰকাশ পাইছে।

  কেইবাটাও বঁটাৰে পুৰস্কৃত লক্ষ্মীনন্দন বৰাই অসম সাহিত্য সভা অলংকৃত কৰিছিল। লেখক হিচাপে লক্ষ্মীনন্দন বৰা এতিয়াও সজীৱ হৈ আছে।

- **বিৰিঞ্চি কুমাৰ বৰুৱা ঃ** *অসম বুৰঞ্জী পুনৰ ৰচনাৰ সমস্যা, বৌদ্ধ শিষ্য আনন্দ, আধুনিক কবিতা প্ৰসঙ্গত* আদি প্ৰবন্ধেৰে *ৰামধেনুৰ* পাতত স্বাক্ষৰ ৰাখি যোৱা এগৰাকী শক্তিশালী লেখক বিৰিঞ্চি কুমাৰ বৰুৱা। তেওঁৰ প্ৰবন্ধসমূহৰ ভাষা আৰু গদ্যশৈলী উপন্যাসৰ দৰে

মনোগ্রাহী আৰু ব্যাখ্যাত্মক। বৰ্ণনাত জটিলতা নথকা, সৰ্বসাধাৰণে বুজিব পৰাকৈ সাৱলীল ভাষাত তেওঁ বক্তব্য বিষয় আগু�ৰাই লৈ যায়। ৰচনাত কোনো কঠিন শব্দ ব্যৱহাৰ নকৰাকৈ তেওঁ বৰ্ণনীয় বিষয়ক প্ৰাঞ্জলভাৱে আগবঢ়াই নিব পাৰে। অনাৱশ্যক দীঘলীয়া বাক্য প্ৰয়োগ তেওঁ সাধাৰণতে নকৰে। বিৰিঞ্চি কুমাৰ বৰুৱাৰ অসমীয়া ভাষা-সাহিত্য, সংস্কৃতি জগতৰ এগৰাকী প্ৰাতঃস্মৰণীয় ব্যক্তি। বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰমুখ্যে সেই সময়ৰ কলকাতাত থকা প্ৰবাসী অসমীয়া ছাত্ৰসকলৰ প্ৰচেষ্টাত কলিকতা বিশ্ববিদ্যালয়ৰ বি.এ. আৰু আই.এ. শ্ৰেণীত অসমীয়া বিষয় অন্তৰ্ভুক্ত হৈছিল। অসমীয়া স্নাতকোত্তৰ শ্ৰেণীটোও ১৯৩৮ চনত খোলা হৈছিল আৰু বিৰিঞ্চি কুমাৰ বৰুৱাই তাত অধ্যাপনা কৰিছিল। তেওঁ কেবাখনো গ্ৰন্থ প্ৰণয়ন কৰিছিল। বীণা বৰুৱা ছদ্মনামত তেওঁ লিখিছিল *জীৱনৰ বাটত* নামৰ উপন্যাসখন আৰু ৰাস্না বৰুৱাৰ নামত লিখিছিল *সেউজী পাতৰ কাহিনী*। *ৰংঘৰ* আলোচনীখনেই বিস্তাৰিত ৰূপত *ৰামধেনু* আলোচনী ৰূপত প্ৰকাশ হৈ এটা যুগৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। বিৰিঞ্চি কুমাৰ বৰুৱাৰ প্ৰকাশিত অন্যান্য গ্ৰন্থৰাজি আছিল— *অসমীয়া ভাষা, অসমীয়া ভাষা আৰু সংস্কৃতি, বৌদ্ধ ধৰ্ম আৰু সাহিত্য, অসমীয়া কথা-সাহিত্য, কাব্য আৰু অভিব্যঞ্জনা, ভাৰত বুৰঞ্জী, বুৰঞ্জীৰ কথা* আদি। অসমীয়াৰ উপৰি ইংৰাজী ভাষাতো তেওঁৰ অগাধ ব্যুৎপত্তি আছিল। তেওঁৰ ইংৰাজী ভাষাৰ গ্ৰন্থসমূহ হ'ল— *A Cultural History of Assam*, *Assamese Literature*, *Studies in Early Assamese Literature*, *Modern Assamese Literature*, *History of Assamese Literature* ইত্যাদি। ভ্ৰমণৰ অভিজ্ঞতাৰে লিখা তেওঁৰ এখন গ্ৰন্থ হ'ল— ছুইজাৰলেণ্ড ভ্ৰমণ আৰু আমেৰিকা ভ্ৰমণ কালত লিখা চিঠিৰ ৰূপ *প্ৰফেছাৰ বৰুৱাৰ চিঠি*। তেওঁ সম্পাদিত গ্ৰন্থ *অঙ্কীয়া নাট* এখন সৰ্বোৎকৃষ্ট সম্পাদিত গ্ৰন্থ। ইয়াৰ উপৰি *অৰুণোদইৰ ধলফাট, বভ্ৰুবাহন আৰু তাম্ৰধ্বজৰ যুদ্ধ, মনসাকাব্য, শত্ৰুজয়, মধুমালতী* আদি কেবাখনো গ্ৰন্থ তেওঁ সম্পাদনা কৰিছিল। এখন নাটক আৰু চুটিগল্পৰ পুথি দুখনো তেওঁ বীণা বৰুৱাৰ নামত লিখিছিল। নাটকখন আছিল— *একেলাৰ নাট*, চুটিগল্পৰ পুথি দুখন হ'ল— *আঘোণী বাই* আৰু *পট পৰিৱৰ্তন*। তদুপৰি ৰবীন্দ্ৰ নাথ ঠাকুৰৰ *চিত্ৰাঙ্গদা* খনো বিৰিঞ্চি কুমাৰ বৰুৱাই একে নামেৰেই অসমীয়ালৈ অনুবাদ কৰিছিল। অসমীয়া সাহিত্য সংস্কৃতিক বিভিন্ন আৰু বিচিত্ৰ দিশত সমৃদ্ধি কৰা বিৰিঞ্চি কুমাৰ বৰুৱাই ৰামধেনুৰ পৰৱৰ্তী যুগৰ লেখকসকললৈ অনুপ্ৰেৰণা যোগাই থৈ গৈছে।

- **সূর্য্য কুমাৰ ভূঞা ঃ** বুৰঞ্জী বিষয় লৈ প্ৰবন্ধ লিখা এগৰাকী স্বনামধন্য লেখক হ'ল সূর্য্য কুমাৰ ভূঞা। আজীৱন সাধনা আৰু একাগ্ৰতাৰে বুৰঞ্জী আৰু সাঁচিপতীয়া পুথিসমূহ বিজ্ঞানসন্মতভাৱে সম্পাদনা কৰি অসমীয়া সাহিত্যক টনকিয়াল কৰা কৰ্মযোগী পুৰুষ আছিল সূর্য্য কুমাৰ ভূঞা। তেওঁ আছিল একাধাৰে আগশাৰীৰ কবি, জীৱনীকাৰ, প্ৰবন্ধকাৰ, গৱেষক আৰু বুৰঞ্জী বিশাৰদ। তেওঁৰ বুৰঞ্জী বিষয়ক পুথিসমূহ হ'ল—

আহোমৰ দিন, শৰাইঘাটৰ সুবচনী, বুৰঞ্জীৰ বাণী, কোঁৱৰ বিদ্রোহ, ৰমণী গাভৰু, অসম জীয়ৰী আদি। কেবাখনো বুৰঞ্জীৰ সম্পাদনাও তেওঁৰ অন্যতম কীর্তি। সেইবোৰৰ ভিতৰত উল্লেখ্য বুৰঞ্জীকেইখন হ'ল— *কামৰূপ বুৰঞ্জী, পুৰণি অসম বুৰঞ্জী, অসম বুৰঞ্জী, তুংখুঙীয়া বুৰঞ্জী, ত্রিপুৰা বুৰঞ্জী, পাদশ্যাহ বুৰঞ্জী, কছাৰী বুৰঞ্জী, জয়ন্তীয়া বুৰঞ্জী* আদি। স্বর্গদেউ শিৱসিংহৰ ৰাণী ফুলেশ্বৰীৰ জীৱন আৰু লাচিত বৰফুকনৰ জীৱনী দুখন— *An Assamese NurJahan* আৰু *Lachit Barphukan and his Times* নামেৰে তেওঁ ইংৰাজীত প্রকাশ কৰে। ত্রিপদী তেওঁৰ তিনিটা বিবিধ বিষয়ৰ প্রবন্ধ সঙ্কলন। ভূঞাৰ একমাত্র কবিতা পুথি *নির্মালি* আৰু *পঞ্চমী* তেওঁৰ একমাত্র গল্প সঙ্কলন। সূর্য্য কুমাৰ ভূঞাৰ ভাষা সহজ-সৰল নহয়, কিছু পৰিমাণে ওজস্বী আৰু গম্ভীৰ। বক্তব্য বিষয় আঁৰ-বেৰ নোহোৱাকৈ প্রকাশ কৰিব পৰাটো তেওঁৰ লেখাৰ এটা বৈশিষ্ট্য। তেওঁৰ প্রবন্ধৰ বিষয় যিদৰে গম্ভীৰ তেনেদৰে ভাষাৰ ক্ষেত্রতো বর্ণনাৰ জোৰ আৰু বেগ পৰিলক্ষিত হয়। প্রকৃততে তেওঁৰ লেখাৰ বিষয়ৰ ভাষা বিষয় অনুগত। *ৰামধেনুত* প্রকাশিত তেওঁৰ দুটিমান প্রবন্ধ হ'ল— 'বাৰম্বাৰ কন্যা খোজে', 'শৰাইঘাট আছে', 'শৰাইঘাট নাই'। এই প্রবন্ধবোৰৰ মাজতো সূর্য্য কুমাৰ ভূঞাৰ ভাষাত এই বৈশিষ্ট্যবোৰ লক্ষ্য কৰা যায়।

- **হীৰেন গোহাঁই ঃ** ৰামধেনু যুগৰ শেষৰ ফালে কবি হিচাপে আত্মপ্রকাশ কৰা হীৰেন গোহাঁই জীৱনৰ বাবে কলাত বিশ্বাসী। তেওঁৰ কবিতাবোৰ সমাজ পৰিৱর্তনৰ হাতিয়াৰ স্বৰূপ। তেওঁৰ আদিভাগৰ কবিতাবোৰত আধুনিকতা আৰু নগৰীয়া জীৱনৰ ছবি দেখা যায়। কিন্তু তাৰ লগে লগে অসমীয়া কাব্য ক্ষেত্রত এটি নতুন কাব্যক চেতনাই আত্মপ্রকাশ কৰিছিল। বিষয়বস্তু আৰু প্রকাশভঙ্গীৰ মাজত এটা সুসংৱদ্ধ সমন্বয় ৰাখিবলৈ তেওঁ সততে যত্নপৰ আছিল। তেওঁৰ কবিতাত সমাজ-সচেতনতা, মননশীলতা, শঠতা-ভণ্ডামি আদিৰ বিৰোধিতা কৰা এগৰাকী ব্যক্তিৰ সবল মানসিকতা ফুটি উঠা দেখা যায়। হীৰেন গোহাঁইৰ পৰিচয় কবিতা বা সাহিত্যৰ অন্যান্য দিশতেই নহয়, তেওঁ এজন মৌলিক চিন্তাৰ অধিকাৰী বিশিষ্ট চিন্তাশীল লেখক। সাহিত্য-সমালোচনাৰ দিশতো হীৰেন গোহাঁয়ে এক বলিষ্ঠ পদক্ষেপ ল'ব পাৰিছিল। অসমীয়া সমালোচনা সাহিত্যক এক সুকীয়া ধাৰাৰে আগুৱাই নি সমালোচনা-সাহিত্যক নিটোল ৰূপ দিছিল এইগৰাকী চিন্তাবিদে। সাহিত্য-সমালোচনামূলক তেওঁৰ কিছু সংখ্যক গ্রন্থ হ'ল— *সাহিত্যৰ সত্য, বাস্তৱৰ স্বপ্ন, সৃষ্টি আৰু যুক্তি, সমাজ আৰু সমালোচনা, সাহিত্য আৰু চেতনা, কীর্ত্তন পুথিৰ ৰস বিচাৰ, বিশ্বায়তন, কবিতাৰ বিচাৰ আৰু নতুন সমালোচনা, উপন্যাসৰ আধুনিক সমালোচনা বন্দৰৰ কাল, সন্ধিক্ষণ, নৈৰাজ্য আৰু নির্মাণ, সাহিত্য, সত্তা আৰু সাধনা, অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা* আদি। তেওঁৰ সমালোচনামূলক পুথিসমূহ গভীৰ বিষয়ৰ হ'লেও সাধাৰণ পাঠকে বুজিব পৰা বিধৰ। কাব্যিব ভাষাৰ ব্যৱহাৰ, ৰূপক আৰু উপমা আদিৰ অর্থঘন প্রয়োগ আদিৰে তেওঁৰ গদ্যশৈলী সাৱলীল।

এক গণতন্ত্ৰপ্ৰেমী, সমাজ-হিতৈষী, মানৱ-দৰদী সত্তাৰে সুবিশাল ব্যক্তিত্বৰ অধিকাৰী এইগৰাকী ব্যক্তিয়ে ৰাজহুৱা কামত সদায় অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। ৰাজহুৱা উন্নয়নৰ প্ৰতি থকা আগ্ৰহৰ কথা তেওঁৰ অন্যান্য গ্ৰন্থসমূহত ফুটি উঠিছে। *ৰং শিঙা, খং শিঙা, তেজৰ আখৰে লিখা, শব্দভেদী বাণ, স্বাধীনতা* আদিত তেওঁৰ সেই মনোভাৱ স্পষ্ট হৈ ধৰা দিছে। ইংৰাজী ভাষাতো তেওঁ কেইবাখনো গ্ৰন্থ প্ৰণয়ন কৰিছে। সেই গ্ৰন্থসমূহৰ ভিতৰত— *On the Present Movement in Assam*, *Assam: A Burning Question*, *Aspects of Early 19th Century Bengalee Culture* আদি উল্লেখযোগ্য।

সাংবাদিক হিচাপেও হীৰেন গোহাঁইৰ এক সুকীয়া পৰিচয় আছে। সাংবাদিক হিচাপে নিষ্ঠাৱান, সত্যসন্ধানী কিন্তু জনগণৰ পক্ষত। সাংবাদিক হিচাপে সকলো দিশ নৈৰ্ব্যক্তিকভাৱে পৰ্যালোচনা কৰি তেওঁ সত্য উদ্ধাৰৰ চেষ্টা কৰি। তেওঁ সম্পাদনা কৰা পত্ৰিকাসমূহ হ'ল— *নতুন পৃথিৱী, পদাতিক, কলাখাৰ*আৰু *নতুন পদাতিক*। এগৰাকী মৌলিকতাসম্পন্ন, চিন্তাগধুৰ আৰু ভাৱোদ্দীপক প্ৰবন্ধ লেখক হিচাপে হীৰেন গোহাঁয়ে বৰ্তমান কলমৰ লগত সম্পৰ্ক ৰক্ষা কৰি আছে। অসমৰ জনগণ, মাটি আৰু পানীৰ লগত তেওঁৰ অবিচ্ছিন্ন সম্পৰ্ক সেই কথা সকলোৱে একেমুখে স্বীকাৰ কৰিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ৰামধেনু যুগৰ কেইগৰাকীমান প্ৰবন্ধ লেখকৰ প্ৰবন্ধবিলাকৰ সামাজিক গুৰুত্ব সম্পৰ্কে আলোচনা কৰক।

(১৫০টা শব্দৰ ভিতৰত)

এইসকলৰ উপৰি মহেন্দ্ৰ বৰা, সৰ্বেশ্বৰ ৰাজগুৰু, নন্দ তালুকদাৰ, সৰ্বানন্দ ৰায়, লীলা গগৈ, অমলেন্দু গুহ, নৰেশ ৰাজখোৱা, দুৰ্গেশ্বৰ শৰ্মা আদি অনেক খ্যাতিমান লেখকে ৰামধেনু আলোচনীত কেবাটাও গুৰুত্বপূৰ্ণ প্ৰবন্ধ প্ৰকাশ কৰিছিল। মহেন্দ্ৰ বৰা এজন সফল কবি আৰু সমালোচক। বিশেষকৈ পৰম্পৰাৰ শিকলি ছিঘি যেতিয়া নতুন কবিতাই বাট বুলিছিল, সেই সময়ত আধুনিক কবিতাক লৈ কিছু দুৰ্বোধ্যতা, বিতৰ্ক আদি চলিছিল। ঠিক সময়তে পাশ্চাত্য সাহিত্যৰ ভাৱ-আদৰ্শৰ লগত অসমীয়া কবিতা আৰু সাহিত্যৰ পৰিচয় কৰাবলৈ বৰাৰ দৰে সমালোচকসকলে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। মহেন্দ্ৰ বৰাৰ কবিতাৰ দৰে প্ৰবন্ধৰ ভাৱ-ভাষাও সাৱলীল। অসমীয়া সাহিত্যত 'জাতিস্মৰ' কবি ৰূপে খ্যাত মহেন্দ্ৰ বৰাই সমাজৰ বিভিন্ন দিশক লৈ কবিতা ৰচনা কৰিছিল। তেওঁৰ কবিতাত আছে আশাৰ বতৰা, প্ৰেম, মৃত্যু, প্ৰকৃতি সকলোকে তেওঁ কবিতাৰ যোগেদি চমকপ্ৰদভাৱে তুলি ধৰিছে। আঙ্গিকৰ ফালৰ পৰাও মহেন্দ্ৰ বৰাৰ কবিতাৰ এটা সুকীয়া মাদকতা আছে। কবিতাৰ দৰে গদ্য ৰচনাৰ যোগেদিও তেওঁ সফলতা লাভ কৰিছে।

পুৰণি সাহিত্যৰ প্ৰতি প্ৰীতি লক্ষ্য কৰা যায় বেণুধৰ ৰাজখোৱাৰ প্ৰবন্ধত। তেওঁৰ ৰচনাৰীতি সহজ-সৰল, কিন্তু ওজস্বী গুণেৰে ভৰা। *ৰামধেনুত* প্ৰকাশিত তেওঁৰ দুটিমান প্ৰবন্ধ হ'ল— 'পুৰণিত এভুমুকি', 'অসমীয়া ভাষা-সাহিত্যৰ গোটাচেৰেক কথা' আদি। তেওঁৰ ৰচনা অসমকেন্দ্ৰিক। ভাষাৰ শক্তিশালী ৰূপ তেওঁৰ ৰচনাত দেখিবলৈ পোৱা যায়।

ৰামধেনু আলোচনীখন চাৰিজন সম্পাদকৰ পৰিচালনাত কেৱাবছৰ ধৰি চলিছিল। এই সম্পাদকসকলৰ তত্ত্বাৱধানত আলোচনীখনে অসমীয়া সাহিত্যক আগবাঢ়ি যোৱাত ভালেখিনি সহায় কৰিছিল। *ৰামধেনুৱে* অসমীয়া সাহিত্যৰ বাতাবৰণত আৰু আধুনিক সাহিত্যক এই বাতাবৰণৰ সৈতে পৰীক্ষামূলকভাৱে আগবাঢ়ি যোৱাত ভালেখিনি সহায় কৰি যোৱাৰ মূলতে আছিল ইয়াৰ লেখক-লেখিকাসকল। সীমাবদ্ধ পাঠ্যক্ৰমৰ প্ৰয়োজনত আটাইবোৰ লেখক-লেখিকাৰ ৰচনাক সমমূল্য দিব পৰা হোৱা নাই। সেইবাবে সেইসকল লেখক-লেখিকাৰ নামহে মাত্ৰ উল্লেখ কৰা হ'ল। *ৰামধেনুক* বিকাশ, বিস্তাৰ আৰু আগুৱাই যোৱাত সহায় কৰা এইসকল লেখক-লেখিকা হ'ল— যদু বৰপূজাৰী, বিনোদ শৰ্মা, গোবিন্দ প্ৰসাদ শৰ্মা, নগেন শইকীয়া, মেদিনী চৌধুৰী, অতুলানন্দ গোস্বামী, বীৰেশ্বৰ বৰুৱা, ৰোহিণী কুমাৰ কাকতি, লুম্মেৰ দাই, নিৰোদ চৌধুৰী, ইমৰান শ্বাহ, ছাইদুল ইছলাম, অপূর্ব শৰ্মা, ভুৱন মোহন দাস, বন্দনা দুৱৰা, প্ৰেমধৰ ৰাজখোৱা, মিহিৰকান্ত বৰুৱা, প্ৰবীণ ফুকন, ৰত্ন ওজা, বিশ্বেশ্বৰ হাজৰিকা, কমলা দাস, জোনালী বৰুৱা, ৰাজীৱ ৰাজখোৱা, ত্ৰৈলোক্য নাথ গোস্বামী, ৰাধিকামোহন ভাগৱতী, দীপালী বৰা, প্ৰবোধ চন্দ্ৰ গোস্বামী, প্ৰভাত গোস্বামী, কুমুদ গোস্বামী আদি।এই লেখকসকলে স্বকীয় প্ৰতিভাৰে নিজ নিজ ৰচনাৰে *ৰামধেনুৰ* সৌষ্ঠৱ বঢ়াই তুলিছিল। স্থানাভাৱত সেইসকল লেখকক সুকীয়া সুকীয়াকৈ আলোচনা কৰিব পৰা নগ'ল। পূৰ্বৱৰতী সাহিত্যই পৰৱৰতী সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়ায়। এই কথা সকলোৰে স্বীকাৰ্য যে পূৰ্বৱৰ্তী আলোচনীৰ প্ৰতিষ্ঠিত কেইবাজনো লেখকে *ৰামধেনু* আলোচনীতো তেওঁলোকৰ সৃষ্টিকৰ্ম অব্যাহত ৰখাৰ দৰে ৰামধেনু যুগৰো কেইবাগৰাকী স্বনামধন্য লেখকে পৰৱৰতী যুগতো তেওঁলোকৰ ৰচনাৰ ধাৰা অব্যাহত ৰাখিছে। ৰামধেনু যুগৰ লেখকসকলৰ ৰচনাত এইদৰে সেই যুগৰ সাহিত্য বাঙ্ময় ৰূপত ধৰা দিছে।



১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টিৰ পৰা ৰামধেনু যুগৰ লেখকসকলৰ বিষয়ে জনা গ'ল।
- ৰামধেনু যুগৰ সাহিত্যিকসকলৰ শ্ৰেণী বিভাজন কৰি তেওঁলোকক কবি, চুটিগল্প লেখক, প্ৰবন্ধ লেখক, অনুবাদক, পত্ৰলেখক আদি পৰ্যায়ত চিনাক্ত কৰা হ'ল।
- আধুনিক কবি, কবিতা আৰু কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা হ'ল। আধুনিক কবিসকলৰ কবিতাত প্ৰতীক, যুগোপযোগী চিত্ৰকল্প, ভাষা, আঙ্গিক আদিৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰা হ'ল।

- গল্পকাৰসকলৰ চুটিগল্পৰ বিষয়বস্তু, চৰিত্ৰ, ৰচনাৰীতি সম্পৰ্কে আলোচনা। আলোচনী আশ্ৰয়ী চুটিগল্পৰ ক্ষেত্ৰখনত *ৰামধেনুৰ* গল্পকাৰসকলৰ সমাজ-সচেতনতা, হাস্যৰস, অস্তিত্ববাদী ধাৰণা আদিৰ সুকীয়া আলোচনা আগবঢ়োৱা হ'ল।
- লেখকসকলৰ ৰচনাৰ বাহুল্য, সংক্ষিপ্ততা, স্পষ্টতা, শিষ্টতা, বিশিষ্টতাৰ আলোচনা ৰামধেনু যুগৰ লেখকসকলৰ অধিকাংশই পৰৱৰ্তী কালৰ পৰিস্থিতিৰ সৈতে খাপ খুৱাই নিজৰ অস্তিত্ব কিদৰে বজাই ৰাখিছে সেই বিষয়ৰ আলোচনা কৰা হ'ল।
- ৰামধেনু যুগৰ লেখকসকলে নতুন শৈলীৰে বাস্তৱ চিত্ৰ ৰূপায়ণত মনোনিৱেশ কৰিছিল; আধুনিক জীৱন আৰু জগত সম্পৰ্কে চিন্তা-চৰ্চা কৰি আধুনিক সাহিত্য চৰ্চাত মনোনিৱেশ কৰিছিল, সেই বিষয়ৰ আলোচনা কৰা হ'ল।
- ৰামধেনু যুগৰ কেইবাগৰাকী মহিলা লেখকৰ ৰচনাৰ বিষয়ে জনাৰ সুবিধাৰ লগতে তেওঁলোকৰ ৰচনাৰ বিষয়, চৰিত্ৰ, মনস্তাত্ত্বিক দিশ, নাৰীৰ মৰ্মবেদনা, কাৰিকৰী কৌশল আদিৰ আলোচনা কৰা হ'ল।
- পূৰ্বৰ আলোচনী আদিত ইতিমধ্যে লিখি প্ৰতিষ্ঠিত হোৱা কেবা গৰাকী লেখকে ৰামধেনু যুগকো সমৃদ্ধ কৰি পৰৱৰ্তী যুগলৈকে সাহিত্য ৰচনাৰ ধাৰা অব্যাহত ৰাখিলে। প্ৰতিটো যুগতে তেওঁলোকে নিজৰ সাহিত্য-চৰ্চাৰ সমল উলিয়াই লৈ নিজৰ সৃষ্টিকৰ্ম সুগম কৰি ল'ব পাৰিছিল।
- ৰামধেনু যুগৰ লেখক-লেখিকাসকল সামাজিকভাৱে দায়বদ্ধ আছিল। যুদ্ধোত্তৰ যুগৰ সমাজখনক লৈ তেওঁলোক অতি সচেতন আছিল আৰু নিজ নিজ ৰচনাত সমাজৰ অশুভ শক্তিৰ বিৰুদ্ধে তেওঁলোক সৰৱ হৈ উঠিছিল।



১০.৫ অধিক জানিবলৈ

১) চেতিয়া, তোষেশ্বৰ (সম্পা.) (১৯৮৮) ঃ *প্ৰগতিশীল সাহিত্য-সমীক্ষা* (১ম প্ৰকাশ); নতুন সাহিত্য পৰিষদ।

২) ঠাকুৰ, প্ৰাপ্তি (২০০৮) ঃ *ৰামধেনুৰ চুটিগল্প ঃ বিচাৰ আৰু বিশ্লেষণ*; ভৱানী বুকছ, ভৱানী অফছেট প্ৰাইভেট লিমিটেড, প্ৰকাশন গোট।

৩) দাস, বিনীতা (২০১৫) ঃ *আৱাহন আৰু ৰামধেনুৰ চুটিগল্প*; পূৰ্বায়ন প্ৰকাশন।

৪) নাথ, ভনিতা (সম্পা.) (২০১৭) ঃ *আধুনিক অসমীয়া কবি আৰু কবিতা ঃ ৰামধেনুৰ পৰা সাম্প্ৰতিকলৈ*; পূৰ্বায়ন প্ৰকাশন।

৫) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৯৩) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড); আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৬) বৰুৱা, বীৰেশ্বৰ (১৯৮৭) ঃ *ৰামধেনু আৰু পৰৱৰ্তী কাল*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৭) শইকীয়া, চন্দ্রপ্রসাদ (সম্পা.) (১৯৯৮) ঃ *অসমৰ বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস*; গুৱাহাটী ঃ জয়ন্তী উদ্‌যাপন সমিতি।

৮) শইকীয়া, নগেন (সম্পা.) (২০০৭) ঃ *বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ ৰামধেনুৰ সম্পাদকীয়*; ডিব্রুগড় ঃ বনলতা।

৯) শর্মা গোস্বামী, প্রণতি; শর্মা, অনিল (সম্পা.) (প্রথম খণ্ড, ২০০৩) (দ্বিতীয় খণ্ড, ২০০৫) ঃ *কুৰি শতিকাৰ কুৰিজন বিশিষ্ট অসমীয়া*; নলবাৰী ঃ জার্ণাল এম্পাঁৰিয়াম।

১০.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ চৈয়দ আব্দুল মালিক... ...ৰামধেনু যুগৰ বিশিষ্ট লেখক... ...*আৰাহন* আলোচনীতে প্রতিষ্ঠা লাভ কৰিছিল তেওঁৰ গল্প, উপন্যাসৰ চমু আভাস... ...*আৰাহন* আৰু *ৰামধেনুৰ* সেতু স্বৰূপ... ...ৰচনাৰীতি... ...কাব্যিক ভাষা শৈলী... ...চৰিত্রৰ বিচিত্রতা... ...আঙ্গিকৰ অভিনৱত্ব... ...সমাজ সচেতনতা... ...দৰিদ্র আৰু পীড়িত লোকৰ ছবি।

২নং প্রশ্নৰ উত্তৰ ঃ গল্পকাৰ হিচাপে মহিম বৰা... ...তেওঁৰ কেইটিমান গল্পৰ চমু আভাস — বিষয়বস্তু... ...আঙ্গিকৰ উপস্থাপন... ...চিত্রগল্পৰ আভাস আৰু গল্পবোৰত তাৰ প্রয়োগ সম্পর্কে আলোচনা।

৩নং প্রশ্নৰ উত্তৰ ঃ ৰামধেনু যুগৰ উল্লেখযোগ্য মহিলা লেখিকা... ...স্নেহ দেৱী, নিৰুপমা ৰৱগোহাঞি, মামণি ৰয়ছম গোস্বামী, প্রবীণা শইকীয়া, অণিমা দত্ত আদিৰ গল্প... ...উপন্যাস, অনুবাদ আদিৰ আলোচনা... ...বৈশিষ্ট্য... ...বিষয়বস্তু নির্বাচন... ... সমাজকেন্দ্রক... ...নাৰীকেন্দ্রিক ... ...মনস্তত্ত্ব... ...মানৱীয় আবেদন আদিৰ আলোচনা ৰচনাৰ আলমত।

৪নং প্রশ্নৰ উত্তৰ ঃ ৰামধেনু যুগৰ কেবাগৰাকী প্রবন্ধ লেখক নির্বাচন কৰি তেওঁলোকৰ প্রবন্ধ... ...প্রবন্ধৰ বিষয় আদি উল্লেখ কৰিব। লঘু... ...গুৰু... ...হাস্যৰসাত্মক... ...ব্যঙ্গ... ...ৰাজনৈতিক মতাদর্শ, গদ্যৰীতি ভাষা আদি আলোচনা কৰিব। প্রবন্ধবোৰৰ সামাজিক প্রভাৱ সম্পর্কে মতামত আগবঢ়াব।

১০.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ৰামধেনু যুগক গৰিমামণ্ডিত কৰা সাহিত্যিকসকলৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ ৰামধেনু যুগৰ সাহিত্যিকসকলৰ নতুন দৃষ্টিভঙ্গী আৰু সাহিত্যিক বিচাৰধাৰা সম্পর্কে বিশ্লেষণ আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ "ৰামধেনু যুগৰ কবিসকলে আধুনিক অসমীয়া কবিতাৰ এক নতুন ৰূপ নিৰ্মাণ কৰিলে।" —ইয়াৰ এটি সমীক্ষাত্মক আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ ৰামধেনু যুগৰ কেইগৰাকীমান গল্পকাৰৰ গল্প নিৰ্মিতি সম্পৰ্কে বহলাই ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ ৰামধেনু যুগৰ প্ৰবন্ধ লেখকসকলৰ প্ৰবন্ধৰ ভাৱ-ভাষা আৰু চিন্তাৰ বিষয়ে বহলাই বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া সাহিত্য

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ ৰামধেনু -পৰৱৰ্তী কাল (১৯৭০-১৯৯০)ৰ অসমীয়া সাহিত্যৰ পটভূমি
১১.৪ বিবিধ ধাৰা
১১.৫ বৈশিষ্ট্যসমূহ
১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৭ অধিক জানিবলৈ
১১.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১১.৯ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যৰ পটভূমি সম্পৰ্কে ধাৰণা লাভ কৰিব
- অসমীয়া সাহিত্যৰ ৰামধেনু - পৰৱৰ্তী কালছোৱাৰ সাহিত্যৰ গতি-বিধি সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব পাৰিব
- অসমীয়া সাহিত্যৰ বিভিন্ন প্ৰকাৰসমূহৰ (Genre) সম্পৰ্কে জানিব পাৰিব
- অসমীয়া সাহিত্যৰ ৰামধেনু - পৰৱৰ্তী কালটোৰ সম্পৰ্কে আলোচনা কৰিব পাৰিব
- আধুনিক অসমীয়া সাহিত্যই ৰামধেনুৰ পৰৱৰ্তী কালত বিষয়বস্তুৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তনৰ বিষয়ে অৱগত হ'ব
- আধুনিক সাহিত্যৰ আঙ্গিক দিশত সাম্প্ৰতিক কালত হোৱা পৰিৱৰ্তন সম্পৰ্কে আভাস পাব
- প্ৰাচ্য-পাশ্চাত্য বিবিধ সাহিত্যৰ প্ৰভাৱ, অনুকৰণ, অনুসৰণ সম্পৰ্কে তথ্য আহৰণ কৰিব
- ভাৰতীয় সাহিত্যৰ পৰিপুষ্টি আৰু বিকাশত অসমীয়া সাহিত্যৰ অৰিহণা সম্পৰ্কে আলোচনা কৰিব পাৰিব
- ৰামধেনু - পৰৱৰ্তী কালৰ সাহিত্যৰ বিবিধ ধাৰাৰ বিষয়ে জানিব পাৰিব
- ৰামধেনু - পৰৱৰ্তী কালৰ বৈশিষ্ট্যৰাজিৰ লগত পৰিচিত হ'ব
- ৰামধেনু - পৰৱৰ্তী কালৰ সাহিত্যৰ বৌদ্ধিক পটভূমি সম্পৰ্কে জানিব পাৰিব
- ৰামধেনু - পৰৱৰ্তী কালৰ সাহিত্যৰ স্বৰূপ আৰু প্ৰকৃতি সম্পৰ্কে জ্ঞান আহৰণ কৰিব।

১১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া প্ৰথম ষাণ্মাসিকৰ অন্তৰ্গত দ্বিতীয় পাঠ্যবিষয়ৰ এইটো একাদশ অধ্যায়। ইয়াৰ শিৰোনাম 'ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া সাহিত্য'। ইয়াত সেই সময়ছোৱাৰ অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতিৰ ধাৰণা লাভ কৰিব।

এই সময়ছোৱাত কবিতা, নাটক, চুটিগল্প, উপন্যাসকে ধৰি সাহিত্যৰ বিভিন্ন বিভাগসমূহে বিকশিত ৰূপ লাভ কৰিছে। আনহাতে শিশু সাহিত্য, সমালোচনা সাহিত্য, অনুবাদ সাহিত্য, প্ৰবন্ধ, জীৱনী ইত্যাদি বিভিন্ন দিশতযথেষ্ট প্ৰসাৰ লাভ কৰিছে। কিন্তু, এইসমূহ এটা নিৰ্দিষ্ট সময় সীমাৰ মাজত সামৰি আলোচনা কৰাটোত যথেষ্ট অসুবিধা আছে। তথাপিও, বিভিন্ন তথ্যসূত্ৰৰ আধাৰত ১৯৭০-১৯৯০ লৈ নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত সামৰি আলোচনা দাঙি ধৰিবৰ প্ৰয়াস কৰা হ'ল।

১১.৩ ৰামধেনু-পৰৱৰ্তী কাল (১৯৭০-১৯৯০)ৰ অসমীয়া সাহিত্যৰ পটভূমি

ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া সাহিত্য প্ৰাচ্য আৰু পাশ্চাত্য উভয় সাহিত্যৰ প্ৰভাৰ লক্ষ্য কৰা যায়। মূলতঃ এই কালছোৱাৰ শিল্প-সাহিত্যৰ ভাব-দৰ্শন আৰু ৰূপসজ্জা বিদেশী আৰ্হিৰ আৰু ক্ৰমান্বয়ে ই অসমৰ মাটি-পানীক আপোন কৰি লৈ জীন যোৱাৰ প্ৰয়াস কৰিছে যদিও কেতবোৰ সাহিত্যিক প্ৰসঙ্গ এতিয়াও সম্পূৰ্ণ ৰূপে জীন নিয়াব পৰা নাই। আধুনিকতাবাদ, উত্তৰ আধুনিকতাবাদ, নাৰীবাদ, নিৰ্গঠনবাদ প্ৰভৃতি ভাবদৰ্শনে বিবিধ প্ৰাদেশিক ভাৰতীয় ভাষা-সাহিত্যক সমৃদ্ধ কৰাৰ সমান্তৰালভাৱে অসমীয়া সাহিত্যতো এইসমূহ ধাৰাক ভিত্তি কৰি সাহিত্য ৰচিত হৈছে। পাঠকৰ অন্তৰত বিশ্বাস আৰু আস্থাৰ ভাব জাগ্ৰত কৰিব পৰাকৈ এই সময়ছোৱাৰ সাহিত্যই বিশেষ সাৰ্থকতা লাভ কৰিছে বুলি ক'ব নোৱাৰি।

ৰোমাণ্টিক সাহিত্য আছিল মূলতঃ কল্পনানিৰ্ভৰ আৰু পৰৱৰ্তী কালত সাহিত্যত বাস্তৱতাই বিশেষ প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰে। ৰামধেনু - পৰৱৰ্তী কালৰ সাহিত্যত আধুনিক চিন্তাধাৰাৰ সমান্তৰালভাৱে ঐতিহ্য-সচেতনতাই প্ৰধানভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে। এই যুগৰ সাহিত্যত সৃজনশীল কল্পনাৰ সমান্তৰালভাৱে সমাজমুখী বাস্তৱবোধৰ সংযোজনে আধুনিক লেখকসকলৰ মানসিকতাত গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়।

সাহিত্যত ৰামধেনু - পৰৱৰ্তী কাল বুলিলে যদিও বিগত শতিকাৰ শেষভাগৰ পৰা বৰ্তমানলৈকে ৰচিত সমগ্ৰ সাহিত্যৰাজিৰ অৰ্থ প্ৰকাশ কৰে, তথাপি আলোচনাৰ সুবিধাৰ কাৰণে আমি এই সমগ্ৰ সময়ছোৱাক তিনিটা অধ্যায়ত ১৯৭০-১৯৯০ আৰু ১৯৯০-২০০০ এই দুটা ভাগত ভগাই আলোচনাৰ প্ৰয়াস কৰিছোঁ। অৱশ্যে এই বিভাজন একেবাৰে পানী নসৰকা বিভাজন নহয়। এটা ভাগৰ বৈশিষ্ট্যসমূহ আন এটা ভাগত প্ৰকাশ পাব পাৰে আৰু পোৱাটো স্বাভাৱিক, কিয়নো একোগৰাকী সাহিত্যিকেই এই সুদীৰ্ঘ কালছোৱাৰ ভিতৰত সৃজনশীল কৰ্মত মনন হ'ব পাৰে। তেনে পৰিস্থিতিত এই দিশত বিশেষ পাৰ্থক্য দৃষ্টিগোচৰ নোহোৱাটোহে স্বাভাৱিক।

তথাপিও, বিদ্যায়তনিক দিশটোৰ প্ৰতি লক্ষ্য ৰাখি এই বিভাজনৰ এটি সীমাৰেখা প্ৰস্তুত কৰা হৈছে, যাতে বিশেষ বেমেজালিৰ সৃষ্টি নহয়।

পাশ্চাত্য সাহিত্যত আধুনিকতাৰ যিবোৰ লক্ষণ আৰু বৈশিষ্ট্য, সেইসমূহ মূলতঃ ভাৰতীয় সাহিত্যৰ সাম্প্ৰতিক কালছোৱাতহে অধিক পৰিলক্ষিত হয়। অসমীয়া সাহিত্যও তাৰ ব্যতিক্ৰম নহয়। এনেবোৰ কাৰণতেই সাম্প্ৰতিক ভাৰতীয় তথা অসমীয়া সাহিত্যত নিৰ্গঠনবাদ, আধুনিকতাবাদ, উত্তৰ আধুনিকতাবাদ, নাৰীবাদ প্ৰভৃতি বিভিন্ন দৃষ্টিভঙ্গীৰ প্ৰসাৰ লক্ষ্য কৰা নহয়। সাম্প্ৰতিক সাহিত্যৰ সৈতে ইতিহাস চেতনা আৰু বাস্তৱধৰ্মী দৃষ্টিভঙ্গী গভীৰভাৱে সংযুক্ত হৈ আছে। মানুহৰ মনৰ আৱৰণ ভেদ কৰি হৃদয়ৰ অভ্যন্তৰত থকা মৰ্মকথা পোহৰাব পৰা চিন্তাশক্তিয়ে সাম্প্ৰতিক সাহিত্যৰ উপলব্ধিক বিশেষভাৱে সমৃদ্ধ কৰিছে। ফলস্বৰূপে কবিতা, চুটিগল্প, উপন্যাস প্ৰভৃতিৰ ক্ষেত্ৰত নতুন আঙ্গিক আৰু বিষয়বস্তুয়ে প্ৰকাশ আৰু বিকাশ লাভ কৰিছে। আধুনিক অসমীয়া কবিতাৰপ্ৰকৃতি সম্পৰ্কত মন্তব্য কৰি কবীন ফুকন ডাঙৰীয়াই লিখিছে—"প্ৰবল আবেগৰ সৈতে তীক্ষ্ণ কিন্তু সংযমী মনন বা বোধিৰ সংশ্লেষণে, সাদৃশ্যৰ মাজত বৈসাদৃশ্য আৰু বৈসাদৃশ্যৰ মাজত অপ্ৰত্যাশিত সাদৃশ্য বিচৰাৰ বিজ্ঞানসম্মত উদ্দীপনাই, ঐহিক আৰু ঐশিকৰ বিস্ফোৰিত বিবোধ আৰু সংস্থাপনে, মনৰ ৰহস্যৰ ভিতৰলৈ অনুসন্ধানী আৰু বন্ধনমুক্ত অভিযানে, সাধাৰণ কথিত ভাষাৰ সুপ্ত অসাধাৰণ কাব্যদৃষ্টিৰ উন্মেষে কাব্যকথা আৰু কাব্যৰূপক আধুনিকতা দিব পাৰে। সাধাৰণভাৱে বোধি-প্ৰাধান্যক আধুনিক কবিতাৰ লক্ষণ বুলি প্ৰায়েই কোৱা হয়।"

কেৱল কবিতাই নহয়, চুটিগল্প আৰু উপন্যাস তথা নাটকতো নবীন দৃষ্টিভঙ্গীয়ে প্ৰসাৰ লাভ কৰিছে। মানুহৰ অনুভূতিক চিন্তাৰ সৈতে সংযুক্ত কৰি আধুনিক সাহিত্যই মানুহৰ মনৰ গভীৰতাত প্ৰৱেশৰ প্ৰয়াস কৰিছে।

ৰোমাণ্টিক কাব্য-আন্দোলনৰ সময়ছোৱাত অসমীয়া তথা ভাৰতীয় কাব্য সাহিত্যই বাস্তৱবোধৰ পৰা সম্পূৰ্ণ আঁতৰি আছিল। এই ৰোমাণ্টিক উচ্ছাসৰ মাজতেই বাস্তৱ আৰু কল্পনাৰ মনোহৰ সংযোগৰ মাজেদি সাহিত্যই আধুনিকতাৰ পথত পদাৰ্পণ কৰেহি। অৱশ্যে কেতিয়াবা আধুনিকতাই আপেক্ষিকতা চেৰাই কালজয়ী ৰূপ পৰিগ্ৰহ কৰিব পাৰে। গতিকে আধুনিকতাৰ লক্ষণবোৰ সাম্প্ৰতিক সাহিত্যতো উ পলব্ধ হোৱাটো কোনো অস্বাভাৱিকতা নাই। সেইবাবেই ভাৰতীয় সাহিত্যৰ বেলিকা সাম্প্ৰতিক কবিতাতহে আধুনিকতা বিচাৰি পোৱাটো সম্ভৱ। জ্ঞান-বিজ্ঞানৰ বিকাশৰ পৰিণতি স্বৰূপে আমাৰ শিক্ষিত চামৰ মাজত ঐহিক জীৱনবোধৰ বহুতো অচিন সোৱাদ সাহিত্যৰ আঙ্গিক আৰু বিষয়বস্তুত সোমাই পৰিল আৰু সেয়ে পশ্চিমীয়া জীৱনদৰ্শন সম্ভূত আধুনিকতাই ভাৰতীয় কাব্য-উপলব্ধিৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিলেহি। পৰিণতি স্বৰূপে পৰম্পৰাগত ধ্যান-ধাৰণাত যুগান্তকাৰী পৰিৱৰ্তন সাধিত হ'ল। মূলতঃ পশ্চিমীয়া মূল্যবোধ আৰু জীৱনদৰ্শনৰ যুগান্তৰকাৰী আবিৰ্ভাবে আমাৰ সাহিত্যক নতুন গতি প্ৰদান কৰাৰ ফলত আমাৰ জীৱন-চেতনাত আৰু কাব্য কৌশলত দেশীয় সাহিত্যিক-সাংস্কৃতিক ঐতিহ্যৰ অনুপস্থিতিহে লক্ষ্য কৰা যায়।ফলত পূৰ্বৰ সাহিত্যিক পৰম্পৰাৰ পৰা ই ক্ৰমান্বয়ে ফালৰি কাটি অহাত দেশীয় সাহিত্য পৰম্পৰাৰ ঐতিহ্যৰ সৈতে ইয়াৰ সম্পৰ্ক ক্ৰমান্বয়ে কমি আহিবলৈ ধৰে।

অসমীয়া কবিতাত প্রকাশিত হোৱা দার্শনিক চিন্তাৰ ভেটিটো সুদৃঢ় নোহোৱাৰ কাৰণেই সাম্প্রতিক কবিতাই পৰম্পৰাগত ঐতিহ্যৰ সৈতে সংযোগ স্থাপনত ব্যর্থ হৈছে। গতিকে পশ্চিমীয়া বোধি-অনুভূতিৰ অন্ধ অনুকৰণ নকৰি অতীতৰ কাব্য পৰম্পৰাৰ সৈতে সংযোগ স্থাপন কৰিব পাৰিলেহে সাম্প্রতিক আধুনিক কবিতাই জনসাধাৰণৰ কাষ চাপিবলৈ সক্ষম হ'ব।

দেশীয় ঐতিহ্যৰ সৈতে গভীৰ সম্পর্ক ৰক্ষা কৰিব নোৱাৰিলে কেৱল সমকাল চেতনাৰ যোগেদি সুন্দৰ, সমাহিত আৰু অর্থপূর্ণ আধুনিকতাৰ ভেটি প্রতিষ্ঠা কৰাটো সম্ভৱ নহয়। পশ্চিমীয়া শিক্ষা আৰু সংস্কৃতিৰ সৈতে পৰিচিত হোৱাৰ পৰিণতি স্বৰূপে আমাৰ মানসিক জীৱনৰ গতি লাহে লাহে পশ্চিমীয়া আর্হিৰ হৈ পৰিল যদিও তাৰ মাজতেই আমাৰ পৰম্পৰাগত ভাষিক-সাংস্কৃতিক স্বকীয়তা পৰিৱর্তনৰ মাজতো সজীৱ আৰু সক্রিয় হৈ থকাত আমাৰ সাহিত্যৰ মাজেদি পশ্চিমীয়া আর্হিৰ কিছুমান কৃত্রিমতাই প্রকাশ লাভ কৰিবলৈ ধৰিলে। আধুনিক সাহিত্যত সুন্দৰৰ ধ্যান-ধাৰণাৰ সমান্তৰালভাৱে অসুন্দৰ আৰু অমঙ্গলৰ ঐহ্যিক ধ্যানে বিশেষভাৱে প্রকাশ লাভ কৰা দেখা যায়। নতুন আৰু পুৰণি দৃষ্টিভঙ্গীৰ সংঘাতে কুৰি শতিকাৰ অসমীয়া সাহিত্য-সংস্কৃতিৰ ইতিহাসত বিশেষ স্থান লাভ কৰিছে। আমি পশ্চিমীয়া সাহিত্যৰ আর্হি অনুসৰণ কৰিলেও আমাৰ শিক্ষা-ব্যৱস্থা আৰু সমাজ-ব্যৱস্থা আধুনিক যুগৰ লগত খাপ খোৱাকৈ বিকশিত হোৱা নাই। এনে পৰিস্থিতিত বাস্তৱবিমুখী আৰু উদ্দেশ্যহীন চিন্তা-ভাৱনাই সর্বসাধাৰণৰ হৃদয়ত অনুভূতিৰ সঞ্চাৰ কৰিবলৈ সক্ষম হোৱা বুলিব নোৱাৰি। আমাৰ অনুন্নত আৰু উদ্যোগ বিমুখ জাগতিক জীৱন আধুনিক যুগৰ লগত খাপ খোৱাকৈ শিক্ষা-সংস্কৃতিৰ ক্ষেত্রত বিকশিত নোহোৱাকৈ বাস্তৱতাৰ সৈতে সম্পর্ক স্থাপন কৰিবলৈ সম্পূর্ণৰূপে সক্ষম হ'ব বুলি আশা কৰিব নোৱাৰি।

সাহিত্যৰ সৈতে মানুহৰ জীৱনৰ গভীৰ সম্পর্ক ৰক্ষা কৰিব নোৱাৰিলে ই পঢ়ুৱৈ সমাজৰ ওপৰত গভীৰ প্রভাৱ বিস্তাৰ কৰিব নোৱাৰে।মানুহৰ চিন্তা আৰু মননক আধুনিক যুগৰ উপযোগীকৈ গঢ়ি তুলিব নোৱাৰিলে সাহিত্যৰ পাঠৰ সৈতে পঢ়ুৱৈ তথা পাঠকৰ মানসিক সংযোগ সম্ভৱ হৈ নুঠে।

ৰামধেনু - পৰৱর্তী কালৰ আধুনিক কাব্য ধাৰাত প্রতীকবাদে বিশেষ প্রভাৱ বিস্তাৰ কৰা দেখা যায়। হেম বৰুৱা, অজিৎ বৰুৱা, ভবেন বৰুৱা প্রভৃতি কবিসকলে ইউৰোপীয় কাব্য সাহিত্যৰ আলমত অসমীয়া কবিতাক বিকশাই তোলে। প্রতীকবাদী কবিসকলে সকলোৱে বুজি পোৱা প্রতীকৰ পৰিৱর্তে গোপনীয় আৰু ব্যক্তিগত প্রতীকৰ ব্যৱস্থা কৰাৰ বাবে কবিতাত দুর্বোধ্যতাই ঠাই পোৱা বুলি অভিযোগ পোৱা যায়।

তেওঁলোকে স্বপ্ন আৰু বাস্তৱক অভিন্ন ৰূপত অঙ্কন কৰাৰ লগে লগে ইন্দ্রিয়জ শিহৰণবোৰকো ওলট-পালট কৰি দেখুওৱাৰ প্রয়াস কৰে। তেওঁলোকে জীৱনৰ প্রাত্যহিকতাৰ পৰা আঁতৰি কবিতাত সপোন মধুৰ সঙ্গীতৰ মুর্চ্চনাৰ আমদানি কৰাৰ লগে লগে যাদুৰ মায়াজালৰ সৃষ্টিত মনোনিবেশ কৰিছিল।

ইংৰাজী আৰু মার্কিন সাহিত্যত কুৰি শতিকাৰ দ্বিতীয় দশকত প্রকাশ লাভ কৰা কল্পচিত্রবাদী কাব্যধাৰাই প্রকাশ লাভ কৰে। তেওঁলোকে কাব্যছন্দক বন্ধনৰ পৰা মুক্ত কৰি

কাব্যভাষাৰ মাধ্যমত নিত্যান্তই অকাব্যিক বিষয়কো কাব্যৰূপ দিয়াৰ পোষকতা কৰিছিল। প্ৰতীকবাদ আৰু কল্পচিত্ৰবাদ উভয়েই শব্দৰ মাধ্যমেদি অভূতপূৰ্ব শক্তিৰ সঞ্চাৰণ কৰি সযতনে নিৰ্বাচিত দুটি অসংলগ্ন বস্তুৰ মাজত বিদ্যুৎময় সংযোগ স্থাপন কৰিব বিচাৰে। প্ৰতীকবাদী চিন্তাৰ প্ৰসাৰে কবিতাক অতিপাত অন্তৰ্মুখী কৰাৰ বিপৰীতে চিত্ৰকল্পবাদে কবিকল্পনাক মনৰ মণিকোঠাৰ পৰা কিছু পৰিমাণে মুক্ত হোৱাৰ সহায় কৰিছিল। এই সময়তে গল্প-উপন্যাস প্ৰভৃতিৰ মাজেদি অধিবাস্তৱবাদ, যাদুকৰী বাস্তৱতা, আধুনিকতাবাদ, উত্তৰ-আধুনিকতাবাদ প্ৰভৃতি চিন্তাৰো উন্মেষ ঘটে। ফলত পাশ্চাত্যৰ বিবিধ ভাব-আদৰ্শ-চিন্তা-দৰ্শন আদিৰ দ্বাৰা অসমীয়া সাহিত্য সমৃদ্ধ হ'বলৈ ধৰে।

১১.৪ বিবিধ ধাৰা

ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যত দেশী-বিদেশী বিভিন্ন সাহিত্যৰ বিবিধ ধাৰাসমূহে বিকাশ লাভ কৰা দেখা যায়। চুটিগল্প, উপন্যাস, কবিতা, নাটক, সাহিত্য সমালোচনা প্ৰভৃতি বিভিন্ন দিশত এই ধাৰাসমূহে আত্মপ্ৰকাশ কৰিছে। কবিতাৰ ক্ষেত্ৰত প্ৰতীকবাদ, চিত্ৰকল্পবাদ আদিয়ে প্ৰাধান্য লাভ কৰাৰ দৰেই গল্প আৰু উপন্যাসৰ ক্ষেত্ৰত বাস্তৱবাদ, প্ৰকৃতিবাদ, আধুনিকতাবাদ, উত্তৰ আধুনিকতবাদ, নাৰীবাদ, অধিবাস্তৱবাদ আৰু নাটকৰ ক্ষেত্ৰত এবছাৰ্ডবাদ আৰু অস্তিত্ববাদৰ প্ৰাধান্য লক্ষ্য কৰা যায়। সমালোচনা সাহিত্যতো তেনেদৰে আধুনিকতাবাদ আৰু উত্তৰ আধুনিকতাবাদ, নিৰ্গঠনবাদ প্ৰভৃতি ধাৰাই প্ৰবেশ লাভ কৰিছে।

ভাববিলাস আৰু কল্পনাবিলাস পৰিহাৰ কৰি জীৱনক বাস্তৱ ৰূপত চোৱাৰ বাবে সমকালীন সামাজিক আৰু বৌদ্ধিক পটভূমিতেই বাস্তৱবাদৰ উদ্ভৱ হৈছে। "ঊনবিংশ শতিকাত ফ্ৰান্সত গঢ় লৈ উঠা বাস্তৱবাদী সাহিত্য আন্দোলনে পিছত ইউৰোপৰ লগতে সমগ্ৰ বিশ্বতে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হয়।"

গদ্য আৰু নাট্য সাহিত্যক আধাৰ হিচাপে লৈ ফ্ৰান্সত প্ৰকৃতিবাদৰ জন্ম হয়। এমিল জোলা, মোপাছাঁ আদি লেখকসকলে প্ৰকৃতিবাদী চিন্তাক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰে। মানৰ জীৱন যে স্বাভাৱিক নিয়মৰ দ্বাৰা নিয়ন্ত্ৰিত সেই কথা জীৱনৰ প্ৰকৃতি প্ৰতিৰূপৰ মাজত ফুটাই তোলাত প্ৰকৃতিবাদীসকলে প্ৰাধান্য দিছিল। হোমেন বৰগোহাঞিৰ *অস্তৰাগ* এনে দৰ্শনৰ আধাৰত ৰচিত উল্লেখযোগ্য উপন্যাস।

আনহাতে, আধুনিকতাবাদ হ'ল এক বিশিষ্ট ৰাজনৈতিক অৰ্থনৈতিক-সামাজিক আৰু বৌদ্ধিক পৰিমণ্ডলত গঢ় লৈ উঠা এটা জীৱনবোধৰ দ্বাৰা নিয়ন্ত্ৰিত শিল্প-সাহিত্যত ঘটা আন্দোলন বুলি সাহিত্য সমালোচক নগেন শইকীয়াই মন্তব্য কৰি গৈছে।

হৰেকৃষ্ণ ডেকা, অৰূপা পটঙ্গীয়া কলিতা, মনোৰমা মেধি আদিৰ ৰচনাত আধুনিকতাবাদৰ পৰিচয় পোৱা যায়। আধুনিকতাবাদী আন্দোলন বস্তুজগতৰ পৰিৱৰ্তে মনোজগত আৰু ঐতিহ্যৰ পৰিৱৰ্তে ঐতিহ্যৰ পুনৰ্নিৰ্মাণৰ সৈতে জড়িত।

'প্ৰতীকবাদ' হ'ল ঊনবিংশ শতিকাৰ শেষাৰ্দ্ধৰ ফ্ৰান্সত গঢ় লৈ উঠা সাহিত্য আন্দোলন।

ফ্ৰান্সৰ মালার্মে, ভার্লেইন আদি কবিসকলে বাস্তৱবাদ আৰু প্ৰকৃতিবাদৰ বিৰুদ্ধে গঢ়ি তোলা এটা সাহিত্য আন্দোলন হৈছে প্ৰতীকবাদ। প্ৰতীকবাদীসকলে পোনপটীয়া ভাষাৰে বুজাব নোৱাৰা বিষয়সমূহ প্ৰতীকী শব্দ বা ভাষাৰে বুজোৱাৰ প্ৰয়াস কৰিছিল। তেওঁলোকে একোটা ভাবক কাব্যৰ আধাৰ কৰি লৈছিল। প্ৰতীকবাদীসকলে বুদ্ধিতকৈ আবেগ, কল্পনা, ৰহস্যবোধ ইত্যাদি অনুভূতিসমূহৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। মূলতঃ ৰহস্যবাদৰ মাজতে প্ৰতীকবাদৰ বীজ নিহিত হৈ আছিল। অজিৎ বৰুৱা, ভবেন বৰুৱা, হীৰেণ ভট্টাচার্য্য, নীলমণি ফুকন, নির্মলপ্রভা বৰদলৈ প্ৰভৃতিৰ কবিতাত প্ৰতীকৰ সার্থক প্ৰয়োগ লক্ষ্য কৰা যায়। হোমেন বৰগোহাঞিৰ সাপ, পবীন্দ্ৰ বৰাৰ 'যাদুঘৰ' আদি সার্থক প্ৰতীকবাদী কবিতা।

নাট্য সাহিত্যত আয়'নেস্ক, জাঁ জেনে, হেৰল্ড পিণ্টাৰ, ছেমুৱেল বেকেট আদিৰ মাধ্যমেদি জীৱনৰ যুক্তিহীনতা আৰু সংলগ্নহীনতাৰে নাটক ৰচনাৰ প্ৰয়াসৰ মাজেদি সাহিত্যত এবচার্ডবাদৰ অভিব্যক্তি প্ৰকাশিত হয়। তেওঁলোকে নাটকৰ যোগেদি কোনো আদর্শ প্ৰচাৰ কৰাৰ পৰিৱর্তে ব্যক্তিগত জীৱনৰ উপলব্ধিৰ মাজেৰে জীৱনৰ অসহায় স্বৰূপ আৰু সংকট দাঙি ধৰিব খোজে। অসমীয়া সাহিত্যত অৰুণ শর্মাৰ *আহাৰ, শ্ৰীনিবাৰণ ভট্টাচার্য্য* আদি নাটকত এবচার্ড চিন্তাৰ প্ৰতিফলন ঘটিছে।

এবচার্ডবাদৰ দৰেই অস্তিত্ববাদী চিন্তাই মানুহৰ জীৱনক প্ৰথাগত পদ্ধতিৰে বিশ্লেষণ নকৰি প্ৰত্যেক মানুহৰে অস্তিত্বক জগতৰ পটভূমিত বিচ্ছিন্নভাৱে চোৱাৰ প্ৰয়াস কৰে। ছোৰেণ কিয়েকগার্ড, কার্ল জেস্পার্ছ আৰু গ্ৰোবিয়েৰ মার্শেল প্ৰভৃতিয়ে এই মতবাদ প্ৰতিষ্ঠা কৰি গৈছে। জাঁ পল ছার্ত্রেই অস্তিত্ববাদক এক মানৱীয় দর্শন স্বৰূপে প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছিল। বিশ্ব সাহিত্যত ডষ্টয়েভস্কিৰ 'ক্ৰাইম এণ্ড পানিছমেণ্ট'ত এনে চিন্তাৰ সার্থক প্ৰতিফলন ঘটিছে। ফ্ৰানৎজ্ কাফ্ৰকা, আলবেয়াৰ কেমু আৰু জাঁ পল ছার্ত্রে প্ৰভৃতিয়ে অস্তিত্ববাদী দৃষ্টিভঙ্গীক আধাৰ হিচাপে লৈ সাহিত্য সৃষ্টি কৰিছিল।

পাশ্চাত্য সাহিত্যত চিত্ৰকল্পবাদী আন্দোলনৰ গুৰি ধৰিছিল প্ৰধানকৈ টি.ই.হিউম. এজৰা পাউণ্ড, এমী লৱেল, হেল্ডা ডুলিটল, হেৰিয়েট মানৰ, ৰিছার্ড এলডিংটন প্ৰভৃতি কবিসকলে। টি.এছ. এলিয়টো এই আন্দোলনৰ দ্বাৰা কিছু পৰিমাণে প্ৰভাৱান্বিত হৈছিল। চিত্ৰকল্পৰ আধাৰত একো একোটা বক্তব্য দাঙি ধৰাই আছিল তেওঁলোকৰ চিন্তাৰ মূল আধাৰ। এজৰা পাউণ্ডে চিত্ৰকল্পবাদী আন্দোলনৰ গুৰি ধৰি কবিতাৰ নতুন আঙ্গিক ৰচনাৰ বাট মুকলি কৰি দিয়ে। হেম বৰুৱা, নৱকান্ত বৰুৱা, বীৰেশ্বৰ বৰুৱা, হৰি বৰ কাকতি, নীলমণি ফুকন, প্ৰভৃতি কবিৰ কবিতাত চিত্ৰকল্পবাদী কাব্য আন্দোলনৰ প্ৰভাৱ লক্ষ্য কৰা যায়।

বিংশ শতিকাৰ সত্তৰৰ দশকত গঢ় লৈ উঠা উত্তৰ আধুনিকতাবাদে যিকোনো তত্ত্ব বা দর্শনৰ কর্তৃত্বশীল সূত্ৰ বা দর্শনৰ বিৰুদ্ধে থিয় দিছে। উত্তৰ আধুনিকতাবাদী দৃষ্টিভঙ্গী বিনির্মাণৰ (Disconstruction)ৰ দৃষ্টিভঙ্গী। এই মতবাদ অনুসৰি কোনো এটা বিষয়ৰে এটা Master Discourse বা কর্তৃত্বশীল বক্তব্য থকাৰ প্ৰশ্ন নুঠে। প্ৰতিটো বিষয় বিভিন্ন প্ৰকাৰে ব্যাখ্যা কৰাৰ আৰু তাৰ বেলেগ বেলেগ অর্থ বিচৰাৰ সম্ভাৱনা আছে যাক কোনো এটা কর্তৃত্বশীল সূত্ৰৰ দ্বাৰা

দমন কৰিব নোৱাৰি। হৰেকৃষ্ণ ডেকা, মনোজকুমাৰ গোস্বামী, দেৱব্রত দাস, দিলীপ চন্দন প্রশান্ত কুমাৰ দাস আদিৰ ৰচনাত আধুনিকতাবাদী চিন্তাৰ পৰিচয় পোৱা যায়।

উত্তৰ আধুনিকতাবাদে সামগ্রিকতাৰ ধাৰণা অস্বীকাৰ কৰে আৰু সামাজিক সম্পর্কসমূহৰ পৰস্পৰৰ মাজত কোনোধৰণৰ অন্তসংযোগ নাই বুলি বিবেচনা কৰে। মানুহে নিজৰ সুবিধাৰ বাবেহে সংযোগবিহীন ঘটনা, বিষয় আদিৰ মাজত সংযোগ স্থাপন কৰে।

উত্তৰ আধুনিকতাবাদৰ মতে সকলো কার্য বা বিষয়েই খণ্ডিত আৰু একে সময়তে প্রবহমান; এতেকে বাহিৰৰ পৰা জাপি দিয়া সকলো ৰীতি-নীতি, কাৰণ, সংযুক্তি আদিৰ লগত কোনো বিষয়ৰ সম্পর্ক নাই। যিটো বাস্তৱ বুলি কোৱা হয় তাক ভাষা আৰু ভাষাৰ যোগেদি প্রকাশ কৰা বক্তব্যৰ আধাৰত নির্মাণ কৰি লোৱা হয়।

অসমীয়া সাহিত্যত দেবব্রত দাস, দিলীপ চন্দন, প্রশান্ত কুমাৰ দাস প্রভৃতিৰ গল্প-উপন্যাসৰ মাজেদি উত্তৰ আধুনিকতাবাদী চিন্তাই প্রসাৰ লাভ কৰিছে।

গতিকে দেখা যায় যে সাম্প্রতিক যুগৰ অসমীয়া সাহিত্যত বাস্তৱবাদ, অধিবাস্তৱবাদ, এবছার্ডবাদ, অস্তিত্ববাদ, প্রতীকবাদ, চিত্রকল্পবাদ, আধুনিকতাবাদ, উত্তৰ আধুনিকতাবাদ প্রভৃতি বিবিধ দৃষ্টিভঙ্গীয়ে প্রকাশ লাভ কৰিছে।

১১.৫ বৈশিষ্ট্যসমূহ

সাম্প্রতিক যুগৰ অসমীয়া সাহিত্যই যুদ্ধৰ পৰৱৰ্তী কালৰ সাহিত্যৰ আঙ্গিক আৰু বিষয়বস্তুৰ পৰা সম্পূর্ণ ফালৰি কাটি আহি নতুন আঙ্গিক আৰু বিষয়বস্তুৰে সাহিত্য সৃষ্টিত মনোনিৱেশ কৰিছে। পছোৱা আৰু ৰামধেনুৱে বাট মুকলি কৰি দিয়া অভিনৱ চিন্তাৰ বিকাশে এই সময়ছোৱাৰ সাহিত্যক বিশেষভাৱে সমৃদ্ধ কৰিছে।

কবিতা, গল্প, নাটক, উপন্যাস, প্রবন্ধ, জীৱনী সমালোচনা প্রভৃতি সাহিত্যৰ বিভিন্ন শাখাসমূহত পাশ্চাত্য সাহিত্যৰ নতুন নতুন চিন্তাসমূহে প্রসাৰ লাভ কৰাত সাহিত্যৰ পৰিসৰ বৃদ্ধি পাইছে।

- **কবিতা ঃ** কবিতাৰ ক্ষেত্রত প্রতীকবাদ, চিত্রকল্পবাদ আদিৰ সার্থক প্রয়োগৰ মাধ্যমেদি সাম্প্রতিক কবিতাই প্রসাৰ লাভ কৰিছে। ভবেন বৰুৱা, নির্মলপ্রভা বৰদলৈ, হীৰেণ ভট্টাচার্য্য, ভবেন বৰুৱা, হৰেকৃষ্ণ ডেকা, অজিত বৰুৱা, নলিনীধৰ ভট্টাচার্য্য, বীৰেশ্বৰ বৰুৱা, হীৰেন্দ্রনাথ দত্ত প্রভৃতি কবিসকলে নতুন আঙ্গিক আৰু বিষয়বস্তুৰ আধাৰত কাব্য সৃষ্টিত মনোনিবেশ কৰাত অসমীয়া কবিতাৰ বৌদ্ধিক আৰু শৈল্পিক উভয় দিশতে বিকাশ সম্ভৱ হৈ উঠে। এলিয়ট, অডেন, স্পেণ্ডাৰ, হুইটমেন, পাবলো নেৰুদা প্রভৃতি কবিসকলক যথেষ্ট পৰিমাণে সৃষ্টিকর্মত ইন্ধন যোগাইছে। নৱকান্ত বৰুৱাৰ আর্হি অনুসৰণ কৰি পৰৱৰ্তী কবিসকলৰ বহুতেই এলিয়টী আর্হিত কাব্য ৰচনাত মনোনিৱেশ কৰিবলৈ ধৰে। আনহাতে হীৰেন ভট্টাচার্য্য আৰু নির্মলপ্রভা বৰদলৈৰ কবিতাত গীতিধর্মী সুৰটোৱে

প্রকাশ লাভ কৰে। সঙ্গীত আৰু ছবিৰ সম্মিলিত ৰূপে হীৰেণ ভট্টাচার্য্যৰ কবিতাক নতুন আবেদন প্রদান কৰে।

হৰেকৃষ্ণ ডেকাৰ লগতে অজিৎ বৰুৱা, ভবেন বৰুৱা আদিৰ কবিতাৰ মাধ্যমেদি সাম্প্রতিক অসমীয়া কবিতাই নতুন ৰূপ লাভ কৰে। হোমেন বৰগোহাঞিৰ কবিতাত দেহ-মনৰ ৰহস্য সন্ধানৰ অভিনৱ প্রয়াস চকুত পৰে। সাম্প্রতিক কবিতাৰ ধর্ম হৈছে জগতৰ উন্মুক্ত বায়ু লগাকৈ মনৰ সকলো দুৱাৰ খিৰিকী খুলি ৰখা। মহেশ্বৰ নেওগৰ মতে "সাম্প্রতিক কবিতা কোনো এখন সত্রৰ শিষ্য নহয় বা কোনো একে বর্গৰ চিহ্নৰ দ্বাৰাও চিহ্নিত নহয়।"

সমাজ সচেতনত আৰু জীৱনমুখী সুৰৰ প্রবাহ এই সময়ছোৱাৰ কবিতাৰ লক্ষ্যণীয় বৈশিষ্ট্য। হৰেকৃষ্ণ ডেকাৰ কবিতাত অনুভূতি আৰু উপলব্ধিৰ তীব্রতা বেছি আৰু অধিক মনোগ্রাহী। আধুনিক অসমীয়াৰ কবিতাৰ ভাষাৰ প্রজ্ঞা বিচাৰি পোৱা যায় বিপুলজ্যোতি শইকীয়াৰ কবিতাত। ভবেন বৰুৱা, অজিৎ বৰুৱা, নলিনীধৰ ভট্টাচার্য্য, নীলমনি ফুকন আদিয়ে এই কালছোৱাৰ কবিতাৰ কাৰণে প্রয়োজনীয় পৃষ্ঠভূমি গঢ়ি তুলিছিল। ৭০ৰ দশকতে আৰম্ভ হোৱা আৰু ৮০ৰ দশকৰ মাজভাগলৈকে চলা গণ-আন্দোলনে অসমীয়া জাতীয় জীৱনক যেনেদৰে প্রভাৱিত কৰিছিল, তাৰ সমান্তৰালভাৱে অসমীয়া সাহিত্যৰ সার্থক সৃষ্টিৰ নিদর্শন বিশেষ দেখা নাযায়।এই সময়ছোৱাত জ্ঞান পূজাৰী, ৰবীন্দ্র সৰকাৰ, সমীৰ তাঁতী, সনন্ত তাঁতী, পূর্ণ ভট্টাচার্য্য, বিপুলজ্যোতি শইকীয়া, মাখন কলিতা, কৰবী ডেকা হাজৰিকা, আনিছ উজ জামান, উদয় কুমাৰ শর্মা, মীৰা ঠাকুৰ আদিয়ে কবিতা ৰচনাৰ ক্ষেত্রত বিশেষ পাৰদর্শিতা প্রদর্শন কৰে।

প্রকাশ (১৯৭৫), *আমাৰ প্রতিনিধি* (১৯৫৯), *নৱযুগ, সমকালীন, নতুন পৃথিৰী* (১৯৭২), *সংলাপ, অঙ্গীকাৰ* (১৯৭২-৭৬), *চিৰন্তন* (১৯৭২-৭৫), *প্রান্তিক, সূত্রধাৰ* আদি আলোচনীয়েএই যুগৰসাহিত্যৰ পটভূমি নির্মাণ আৰু বিস্তৃতিত ৰঙণি যোগাইছিল।

- **চুটিগল্প ঃ** সত্তৰৰ দশকত গল্পকাৰ হিচাপে আত্মপ্রকাশ কৰা শীলভদ্রৰ গল্পত বাস্তৱবোধৰ পৰিচয় পোৱা যায়। তেওঁৰ গল্পৰ ভাষা আৰু কথনভঙ্গীত স্বকীয়তা বিদ্যমান। জীৱনৰ বৈচিত্রময় ৰূপৰ সমাৱেশে তেওঁৰ গল্পক বর্ণ-বৈভেৱেৰে বৈচিত্রময় কৰি তুলিছে।

অতুলানন্দ গোস্বামীৰ গল্পৰবিষয়বস্তু সহজ আৰু সৰল জীৱনৰ পৰা সচৰাচৰ চকুত নপৰা অভিজ্ঞতাক সামৰি মানৱীয় আবেদনেৰে পৰিপূর্ণ কৰি তোলাৰ প্রয়াস দেখা যায়। নগেন শইকীয়াৰ গল্পৰ কথনভঙ্গী সাৱলীল। তেওঁৰ সাম্প্রতিক কালৰ গল্পত পৰিপক্ক অভিজ্ঞতাৰ ছাপ স্পষ্ট। বলিষ্ঠসমাজ-চেতনাৰে গল্প ৰচনাত প্রবৃত্ত হোৱা অৰুণ গোস্বামীৰ গল্পৰ ভঙ্গী বক্তৃতাধর্মী। কুমুদ গোস্বামীৰ গল্পত সংবেদনশীলতা আৰু সূক্ষ্ম পর্যবেক্ষণ ক্ষমতাৰ পৰিচয় ফুটি উঠিছে। সত্তৰৰ দশকৰ এগৰাকী প্রভাৱশালী গল্পকাৰ প্রণৱজ্যোতি ডেকাৰ প্রকাশৰীতি বলিষ্ঠ আৰু বাস্তৱধর্মী। তেওঁৰ 'বেৰাৰিচ লাচ' এটি গুৰুত্বপূর্ণ গল্প। অপূর্ব শর্মা এই কালছোৱাৰ এগৰাকী অতি সম্ভাৱনাপূর্ণ গল্পকাৰ।

প্রকাশভঙ্গীৰ বলিষ্ঠতাই জনপ্রিয়তাৰ অন্যতম কাৰণ।

বাস্তৱবোধক আধাৰ হিচাপে লৈ গল্প ৰচনাত মনোনিৱেশ কৰা হৰেকৃষ্ণ ডেকা এই কালছোৱাৰ এগৰাকী প্রভাৱশালী গল্পকাৰ। তেওঁৰ ভাষা বলিষ্ঠ আৰু বর্ণনা যথোপযুক্ত আৰু ভাৱ প্রৱণতাৰ পৰা মুক্ত। এই সময়ছোৱাৰ আন কেইগৰাকীমান উল্লেখযোগ্য গল্পকাৰ হ'ল মহেন্দ্র ৰৱঠাকুৰ, কেশৰ শইকীয়া, অণিমা দত্ত, মামণি ৰয়ছম গোস্বামী ইত্যাদি।

সত্তৰৰ দশকৰ লেখকসকলৰ ৰচনাত ৰাজনৈতিক চেতনা তীব্র ৰূপত প্রকাশিত হৈছে। ৰাজনৈতিক চিন্তা-ভাৱনাক সাহিত্যকর্মৰ সৈতে ওতঃপ্রোতভাৱে জড়িত কৰাৰ প্রৱণতা এই কালছোৱাৰ ভালেমান তৰুণ কবিৰ সৃষ্টিৰাজিৰ মাজত দেখিবলৈ পোৱা যায়। পৰম্পৰাগত চিন্তা-ভাৱনাক লৈও ভালেমান গল্প ৰচিত হৈছে। ৰিজু হাজৰিকা, ভূৱন মোহন মহন্ত, বিৰিঞ্চি কুমাৰ মেধি, উদয়াদিত্য ভৰালী, বিপুল খাটনিয়াৰ, মদন শর্মা আদিয়ে এই কালছোৱাৰ গল্প সাহিত্যলৈ ভালেখিনি বৰঙণি আগবঢ়াইছে।

বিপুল খাটনিয়াৰৰ গল্পত অন্যায়, অবিচাৰ আৰু শোষণৰ বিৰুদ্ধে প্রতিৰোধৰ ভাব প্রকাশিত হৈছে। মদন শর্মাৰ গল্পত সমাজ পৰিৱর্তনৰ প্রতি দায়বদ্ধতাৰ ভাব প্রকাশিত হৈছে। উদয়াদিত্য ভৰালীৰ গল্পত বৌদ্ধিকতাৰ ছাপ স্পষ্ট আৰু তেওঁৰ প্রকাশৰীতি বলিষ্ঠ।

এই সময়ছোৱাৰ অন্যান্য গল্পকাৰসকল হ'ল ভূপেন্দ্রনাৰায়ণ ভট্টাচার্য্য, ৰবীন্দ্র বৰা, জ্ঞান পূজাৰী, দেৱব্রত দাস ইত্যাদি। মহিলা গল্পকাৰসকলৰ ভিতৰত ফুল বৰা, নীলিমা শর্মা, প্রবীণা শইকীয়া, দীপালী দত্ত, প্রীতি বৰুৱা, নিৰুপমা বৰগোহাঞি, পূৰবী বৰমুদৈ, মামণি ৰয়ছম গোস্বামী, মনোৰমা দাস মেধি, অৰূপা পটঙ্গীয়া কলিতা, মনালিছা শইকীয়া, মল্লিকা কন্দলী আদিৰ কথা উল্লেখ কৰিব পাৰি। নাৰী মনৰ জটিলতা আৰু বৈচিত্র, সামাজিক অন্যায়-অবিচাৰৰ প্রতি প্রতিৰোধৰ মনোভঙ্গী, আত্মত্যাগ আৰু সেৱাৰ মনোভাৱ এইসকল গল্পকাৰৰ গল্পৰ মাজেদি পৰিস্ফুট হৈছে।

- **নাট্য-সাহিত্য ঃ** নাট্য-সাহিত্যৰ ফালে দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে সত্তৰৰ দশকত সামাজিক সমস্যামূলক বাস্তৱধর্মী নাটক ৰচনাৰ প্রতি নাট্যকাৰসকলৰ দৃষ্টি আকর্ষিত হয়। আনহাতে, একাঙ্কিকা নাটকেও জনসাধাৰণৰ মাজত বিশেষ প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হয়। বিশেষকৈ সত্যপ্রসাদ বৰুৱা, দুর্গেশ্বৰ বৰঠাকুৰ, প্রবীণ ফুকন, ভবেন্দ্র নাথ শইকীয়া, তফজ্জুল আলি, জয়ন্ত বৰুৱা, ভূপেন হাজৰিকা আদিয়ে ভালে সংখ্যক একাঙ্কিকা নাট ৰচনা কৰি উলিয়াইছিল।

পাশ্চাত্যৰ এবচার্ড নাট্যৰীতি অনুসৰণ কৰি নাট্যকাৰ অৰুণ শর্মাই *শ্রীনিবাৰণ ভট্টাচার্য্য*(১৯৬৭)নাটকৰ যোগেদি অসমতেই এই ধাৰাৰ প্রভাৱ কঢ়িয়াই আনে। তেওঁৰ *আহাৰ* নাটকতো এবচার্ড নাটকৰ আর্হি গ্রহণৰ প্রয়াস লক্ষ্য কৰা যায়। সত্তৰৰ দশকৰ

কেইবাখনো নাটকত নতুন আঙ্গিক আৰু নাট্যশৈলীৰ প্ৰয়োগ ঘটিছে। এই সময়ছোৱাত এখনি উল্লেখযোগ্য নাটক হ'ল হিমেন্দ্ৰ কুমাৰ বৰঠাকুৰৰ *বাঘ* (১৯৭১), ব্যঞ্জনাময় সংলাপ আৰু বলিষ্ঠ চৰিত্ৰদৃষ্টি, প্ৰকাশভঙ্গীৰ সৰলতা এই নাটখনৰ মনকৰিবলগীয়া গুণ। এই সময়ছোৱাত ৰচিত আন কেইখনমান নাটকত সামাজিক চেতনা, যুক্তিবাদ আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ পৰিচয় পোৱা যায়। এনে নাটকৰ ভিতৰত আলি হাইদৰৰ *এটি চোলাৰ কাহিনী* অৰুণ শৰ্মাৰ *চিঞৰ* মহেন্দ্ৰ বৰঠাকুৰৰ *জন্ম* অখিল চক্ৰৱৰ্তীৰ *উত্তৰ পুৰুষ* সতীশ ভট্টাচাৰ্য্যৰ *মহাৰাজা* (১৯৮৩) অৰুণ শৰ্মাৰ *বুৰঞ্জী পাঠ* (১৯৭৮) আদিৰ কথা উল্লেখ কৰিব পাৰি।

এই সময়ছোৱাৰ আন এগৰাকী প্ৰসিদ্ধ নাট্যকাৰ সত্যপ্ৰসাদ বৰুৱাৰ নাটকত চৰিত্ৰৰ মনস্তাত্ত্বিক বিশ্লেষণ এটি বৈশিষ্ট্য। এই সময়ছোৱাত ৰচিত বৰুৱাৰ উল্লেখযোগ্য নাটককেইখন হ'ল *নায়িকা নাট্যকাৰ* (১৯৭৬) আৰু *মৃণাল মাহী* (১৯৭৭)

বিগত সময়ছোৱাত লোকনাট্যৰ উপাদানৰ সংযোগ ঘটাই আধুনিক নাটক ৰচনা কৰা পদ্ধতিয়ে নাট্যকাৰখনৰ দৃষ্টি আকৰ্ষণ কৰিছে। এনে নাটকৰ ভিতৰত যুগল দাসৰ *বায়নৰ খোল* (১৯৮২)ৰ নাম বিশেষভাৱে উল্লেখযোগ্য। নাটখনত ফলপ্ৰসূভাৱে আধুনিক সামাজিক নাটকৰ বুকুত অঙ্কীয়া ভাওনা সংযোগ কৰি দিয়া দেখা যায়। এই ধাৰাৰ অন্যান্য নাটকসমূহৰ ভিতৰত সতীশ ভট্টাচাৰ্য্যৰ *মহাৰাজা* আনন্দ মোহন ভাগৱতীৰ *জতুগৃহ*, মুনীন ভূঞাৰ *হাতী আৰু ফান্দী* আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। অখিল চক্ৰৱৰ্তী, ৰফিকুল হুচেইন, আলি হাইদৰ আদিয়েও এনে ধৰণৰ পৰীক্ষা-নিৰীক্ষাৰ আধাৰত কেইবাখনো নাটক ৰচনা কৰিছে।

- **উপন্যাস ঃ** সত্তৰৰ পৰা নব্বৈৰ দশকৰ ভিতৰত পূৰ্বৰে পৰা উপন্যাস ৰচনা কৰি প্ৰতিষ্ঠা লাভ কৰা ঔপন্যাসিকসকলৰ ভালেমান উল্লেখযোগ্য উপন্যাস প্ৰকাশিত হৈছে। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ *মৃত্যুঞ্জয়* (১৯৭০), *প্ৰতিপদ* (১৯৭০), *ৰঙামেঘ* (১৯৭৬), *মুণিচুনিৰ পোহৰ* (১৯৭৯), *কালৰ হুমনিয়াহ* (১৯৮২) আদি এই ক্ষেত্ৰত উল্লেখযোগ্য। নৰকান্ত বৰুৱাৰ *ককাদেউতাৰ হাড়* (১৯৭৩)। *গড়মা কুঁৱৰী* (১৯৭৯), *মানুহ আটাইবোৰ দ্বীপ* (১৯৮১); যোগেশ দাসৰ *উৎকণ্ঠ উপকণ্ঠ* (১৯৭০); হোমেন বৰগোঁহাইৰ *অস্তৰাগ* (১৯৮৬), *কুশীলৱ* (১৯৭০), *তিমিৰ তীৰ্থ* (১৯৭৫), *হালধীয়া চৰায়ে বাওধান খায়* (১৯৭৩), *পিতাপুত্ৰ* (১৯৭৫), *মৎস্যগন্ধা* (১৯৮৭), *সাউদৰ পুতেকে নাও মেলি যায়* (১৯৮৭); নিৰুপমা বৰগোহাঞিৰ *হৃদয় এটা নিৰ্জন দ্বীপ* (১৯৭০), *ছায়া আৰু ছবি* (১৯৭১), *সামান্য অসামান্য* (১৯৭১), *কেক্‌টাচৰ ফুল* (১৯৭৬), *ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ* (১৯৭৯), *সেই নদী নিৰবধি* (১৯৭৯), *অন্য জীৱন* (১৯৮৬), *চম্পাৱতী* (১৯৯০) আদিৰ কথা বিশেষভাৱে উল্লেখযোগ্য।

হোমেন বৰগোহাঞিৰ *অস্তৰাগ* উপন্যাসত পাশ্চাত্যৰ প্ৰকৃতিবাদী দৰ্শনৰ প্ৰভাৱ স্পষ্ট। তেওঁৰ *কুশীলৱ*, *তিমিৰ তীৰ্থ* প্ৰভৃতি উপন্যাসত ৰাজনৈতিক চিন্তাধাৰাই প্ৰাধান্য

লাভ কৰিছে। নিৰোদ চৌধুৰীৰ আকর্ষণীয় ভাষা আৰু কাহিনী কথনৰ পাৰদর্শিতাৰে কেইবাখনো উপন্যাস ৰচনা কৰি এই সময়ছোৱাৰ অসমীয়া উপন্যাসৰ ইতিহাসক সমৃদ্ধ কৰিছে। *কালহীৰা* (১৯৭০), *পানী* (১৯৭০), *নাম ৰাখিলোঁ বাসবী* (১৯৯১), *নকল ৰাঘ* (১৯৭৩) আদি তেওঁৰ এই কালছোৱাত ৰচিত জনপ্রিয় উপন্যাস। কনকসেন ডেকাৰ *সোণৰ পালেঙত নুশুৱায়* (১৯৭১); ৰাধিকা মোহন ভাগৱতীৰ *ৰক্তজৱা* (১৯৭০); নবীন বৰুৱাৰ *কটন কলেজ* (১৯৭৩), *অমোঘ নিবিড় অন্ধকাৰ* (১৯৭২), *ফিনিক্স পখীৰ গান* (১৯৭৩); ৰাজেন্দ্রনাথ হাজৰিকাৰ *নেপথ্য* (১৯৭১); ভুৱনমোহন মহন্তৰ *হৃদয়* (১৯৭৩), *নৈ বৈ যায়* (১৯৭৬), *অনিৰুদ্ধ গতি* (১৯৭৬), *জননী* (১৯৭৯), *শুভবিবাহ* (১৯৮০), *ৰৱষা গৱজে ঘন* (১৯৮০), *ৰাঢ়নি নৈৰ সোঁত* (১৯৮২); পোলেন ৰৱকটকীৰ *এজন দধীচিৰ সন্ধানত* (১৯৭৪) প্রভৃতি এই কালছোৱাৰ ভিতৰত ৰচিত উল্লেখযোগ্য উপন্যাস। এই কালছোৱাৰ প্রায়বোৰ উপন্যাসৰেই কেতবোৰ সাধাৰণ লক্ষণ চকুত পৰে। তেওঁলোকৰ ৰচনাৰ মাজেদি সামাজিক প্রতিবাদৰ ধাৰা, প্রগতিবাদ, ৰোমাণ্টিক অনুভূতি প্রৱণতাৰ ধাৰা আৰু তথ্যভিত্তিক সামাজিক উপন্যাসৰ ধাৰা এইকেইটা দিশে প্রধানভাৱে প্রকাশ লাভ কৰে।

বসন্ত দাস আৰু ভূপেন শর্মাৰ উপন্যাসৰ মাজেদি এই সময়ছোৱাৰ ৰোমাণ্টিক অনুভূতিপ্রৱণতাৰ ধাৰাটিয়ে ভুমুকি মাৰিছেহি। বসন্ত দাসৰ *জংচন* (১৯৭৪) আৰু ভূপেন শর্মাৰ *উড্ডীন উত্তৰীয়ত* তীব্র কল্পনাৰ লগতে অনুভূতিসিক্ত ভাষাৰ প্রয়োগ চকুত লগা।

এই কালছোৱাৰ প্রগতিবাদী ধাৰাটো সঞ্জীৱিত কৰিছে মূলতঃ তোষেশ্বৰ চেতিয়া, অচ্যুৎ শর্মা, ফুলেন বর্মন, দিনেশ শর্মা আদিয়ে। তোষেশ্বৰ চেতিয়াৰ *লৌহপিঞ্জৰ* (১৯৭৭); অচ্যুৎ শর্মাৰ *সূর্য্য শিখা* (১৯৭৭), *ছিন্নমূল* (১৯৭৭); ফুলেন বর্মনৰ *হাতী ৰজা হোৱাৰ কথা* (১৯৮৪); দিনেশ শর্মাৰ *আপোনজন* (১৯৮৩); ধ্রুৱজ্যোতি বৰাৰ *লোহা* (১৯৮৫) প্রভৃতি উপন্যাসৰ প্রসঙ্গ এই ক্ষেত্রত উল্লেখনীয়।

এই কালছোৱাত দেশৰ সামাজিক-সাংস্কৃতিক দিশৰআলোকনেৰে সমৃদ্ধ কেইবাখনো আঞ্চলিক উপন্যাসে প্রকাশ লাভ কৰে। জয়ন্ত ৰংপিৰ *পুৱাতে এজাক ধনেশ* (১৯৭০) উপন্যাসত কার্বি আংলঙৰ নৈসর্গিক প্রকৃতিৰ লগতে জিলাখনৰ আর্থ-সামাজিক দিশটোৱে প্রাধান্য লাভ কৰিছে। স্বর্ণ বৰাৰ *ডিমুং নদীৰ গীতত* ডিমাচাসকলৰ জীৱন আৰু সংস্কৃতিয়ে প্রাধান্য লাভ কৰিছে।

এই কালছোৱাৰ ভিতৰত পৰাগকুমাৰ ভট্টাচার্য্য, সন্তোষ কুমাৰ শর্মা, ভুবন কলিতা, শৈলেন ভট্টাচার্য্য, প্রবীন শালৈ, নীলিমা শর্মা, ইন্দ্রেশ্বৰ গোস্বামী, ধীৰেণ বৰঠাকুৰ, অৰবিন্দ শর্মা, চিদানান্দ শইকীয়া আৰু কুমুদ গোস্বামীয়ে কেইবাখনো উপন্যাস ৰচনা কৰে। এইসকলৰ ভিতৰত পৰাগ কুমাৰ ভট্টাচার্য্য, ইন্দ্রেশ্বৰ গোস্বামী আৰু কুমুদ গোস্বামী পাঠকৰ অধিক পৰিচিত।

এই সময়ছোৱাত তুলনামূলকভাৱে জ্যেষ্ঠ আৰু আগবে পৰাই প্রতিষ্ঠা লাভ কৰা

কেইবাগৰাকীও প্ৰবীণ লেখকে উপন্যাস ৰচনাৰে সমকালীন সাহিত্যৰ ভেটি টনকিয়াল কৰিছে। অৰুণ শৰ্মাৰ *উভলা শিপা* (১৯৭৯); বীৰেণ বৰকটকীৰ *ভৰলীৰ পাৰে পাৰে* (১৯৮১), *মৃত্যু গচকি আনা জয় জিনি* (১৯৮৮); প্ৰদীপ শইকীয়াৰ *ওমৰ খায়াম* (১৯৮৭); সুশীল শৰ্মাৰ *মৰীচিকা* (১৯৮৭); গোবিন্দ চন্দ্ৰ পৈৰাৰ *প্ৰেম আৰু পৃথিৱীৰ* (১৯৮৮); ইমৰাণ শ্বাহৰ *জবান বন্দী* (১৯৮৮); অতুলানন্দ গোস্বামীৰ *নামঘৰীয়া* (১৯৯০) আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এনেদৰে নবীন আৰু প্ৰৱীণ লেখকৰ সৃষ্টিয়ে আলোচ্য কালছোৱাৰ অসমীয়া উপন্যাস সাহিত্যক সমৃদ্ধ কৰিছে।

নিৰুপমা বৰগোহাঞিৰ আৰু মামণি ৰয়ছম গোস্বামীয়ে এই সময়ছোৱাত কেইবাখনো সার্থক উপন্যাস ৰচনা কৰি অসমীয়া উপন্যাসক সমৃদ্ধ কৰিছে। মূলতঃ মানৱতাবাদ আৰু নাৰীবাদী চিন্তাৰ সম্প্ৰসাৰণত এওঁলোকৰ অৱদান যথেষ্ট। বিশেষকৈ নিৰুপমা বৰগোহাঞিৰ *অন্যজীৱন* (১৯৮৭) আৰু *চম্পাৱতী* (১৯৯০) উপন্যাসত নাৰীবাদী চিন্তাই প্ৰাধান্য লাভ কৰিছে। এই সময়ছোৱাত আত্মপ্ৰকাশ কৰা আন এগৰাকী জনপ্ৰিয় ঔপন্যাসিক হ'ল অৰূপা পটংগীয়া কলিতা। তেওঁৰ *মৃগনাভি* (১৯৮৭) উপন্যাসত উচ্চ হিন্দু সমাজৰ বিধৱা সমস্যাই প্ৰাধান্য লাভ কৰিছে।

- **জীৱনী সাহিত্য ঃ** সত্তৰৰ দশকত জীৱনী সাহিত্যলৈ উল্লেখনীয় বৰঙণি আগবঢ়াওতা সকলৰ ভিতৰত নন্দ তালুকদাৰৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁ *কনকলাল বৰুৱা* (১৯৭২), *কালিৰাম মেধি* (১৯৭৮), *হেম বৰুৱা* (১৯৭৮), *সূর্য্য কুমাৰ ভূঞা* (১৯৮৪) প্ৰভৃতি কেইবাখনো জীৱনী ৰচনা কৰে। আন এগৰাকী জীৱনীকাৰ শশী শৰ্মাৰ *সাহিত্যৰথী পদ্মনাথ গোহাঞিবৰুৱাত* লেখকে বিষয়ৰ প্ৰতি এক সমালোচনামূলক দৃষ্টিভঙ্গী গ্ৰহণ কৰিছে। বেণুধৰ শৰ্মাৰ *পণ্ডিত হেমচন্দ্ৰ গোস্বামী* (১৯৭২)ত গোস্বামীৰ জীৱনৰ সমলবোৰ ঘটনা কালানুক্ৰমিক ৰূপত বিশ্বাসযোগ্যভাৱে উপস্থাপন কৰা হৈছে। ভৱপ্ৰসাদ চলিহাৰ *মহেশ্বৰ নেওগ ঃ মানুহ আৰু কাম* (১৯৭৪) গ্ৰন্থখনিত নেওগৰ সাহিত্য-সংস্কৃতিমূলক কার্যাৱলীৰ চমু বিৱৰণ দাঙি ধৰা হৈছে। আব্দুছ ছাত্তাৰৰ *কৃষ্ণকান্ত সন্দিকৈ* (১৯৭৫)ত লেখকে সন্দিকৈৰ জীৱনৰ প্ৰায় সকলোবোৰ কথা সামৰি লোৱাৰ প্ৰয়াস কৰিছে। প্ৰফুল্ল বৰাৰ *চৈয়দ আব্দুল মালিক* (১৯৭৬) আন এখনি সুখপাঠ্য জীৱনীমূলক গ্ৰন্থ।

তিলক দাসৰ *বিষ্ণুৰাভা এতিয়া কিমান ৰাতি* (১৯৭৭) গ্ৰন্থখনিত উপন্যাসৰ কথনভঙ্গীৰ যোগেদি যাযাবৰী শিল্পীগৰাকীৰ জীৱন কাহিনী চিত্ৰিত কৰিছে। যুগৰ দাসৰ *মহেন্দ্ৰনাথ ডেকাফুকন* (১৯৮৩); অতুল চন্দ্ৰ হাজৰিকাৰ *ৰাগ্মীবৰ ফুকনৰ আখ্যান* (১৯৮০) আৰু *সূর্য্যচৰিত* (১৯৮১) আদিত সমালোচনাত্মক দৃষ্টিভঙ্গীৰে জীৱনীকাৰে নির্দিষ্ট ব্যক্তিকেইগৰাকীৰ জীৱনৰ দোষ-গুণসমূহ ফঁহিয়াই দেখুৱাইছে। তীর্থনাথ শৰ্মাৰ *বেণুধৰ শৰ্মা* (১৯৮৩); যোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ *দুর্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা* (১৯৮৮); ভৃগুমোহন গোস্বামীৰ *জনকৃষ্টিৰ সাধক ডক্টৰ প্ৰফুল্লদত্ত গোস্বামী* (১৯৯০); ভুৱনমোহন

দাসৰ *নিজৰা কবি শৈলধৰ ৰাজখোৱা*(১৯৯০); অতুল চন্দ্ৰ বৰুৱাৰ 'শৰৎচন্দ্ৰ গোস্বামী' (১৯৮৭), নমিতা ডেকাৰ *যতীন্দ্ৰনাথ দুৱৰা* (১৯৯১); পৰাগ কুমাৰ ভট্টাচাৰ্য্যৰ *নিৰ্মলপ্ৰভাৰ অনুপম আভা*(১৯৯১); প্ৰফুল্ল দত্ত গোস্বামীৰ *মাণিকচন্দ্ৰ বৰুৱা*(১৯৭৭); সত্যেন্দ্ৰ বৰকটকীৰ *নাপলেয় বোনাপার্ট*(১৯৭৩), *আডল্ফ হিট্লাৰ*(১৯৮২); নিৰোদ চৌধুৰীৰ *ইন্দিৰা গান্ধী*(১৯৮৪); নিৰোদ চৌধুৰীৰ *ৰাধাগোবিন্দ বৰুৱা*(১৯৭৮) আদিৰ নাম এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য।

এই সময়ছোৱাত সাহিত্যিক ইতিহাসবিদ আৰু সাংস্কৃতিক কৰ্মীৰ জীৱনীৰ লগে লগে ৰাজনৈতিক ব্যক্তিৰ জীৱনীত যথেষ্ট সংখ্যক প্ৰকাশিত হৈছে। ইয়াৰ কিছু সংখ্যক জীৱনী গতানুগতিক আৰু কিছু সংখ্যক জীৱনীও তথ্যনিষ্ঠতাৰ দিশত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। সুখপাঠ্যতাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি ৰচিত হোৱাৰ বাবে প্ৰায়বোৰ জীৱনী ৰচনাত গতানুগতিকতা পৰিহাৰৰ প্ৰয়াস দেখা যায়।

- **আত্মজীৱনী ঃ** জীৱনীৰ সমান্তৰালভাৱে আত্মজীৱনীয়েও এই সময়ছোৱাত বিশেষ প্ৰাধান্য লাভ কৰে। সত্তৰৰ পৰা নব্বৈৰ দশকৰ ভিতৰত প্ৰকাশিত উল্লেখযোগ্য আত্মজীৱনীসমূহ হ'ল— পদ্মনাথ গোহাঞিবৰুৱাৰ *মোৰ সোঁৱৰণী*(১৯৭১)ত লেখকৰ ব্যক্তিগত আৰু ৰাজহুৱা জীৱনৰ সামগ্ৰিক দিশৰ প্ৰতিফলন ঘটিছে। ঊনবিংশ শতিকাৰ অসমৰ শিক্ষা, সাহিত্য আৰু ৰাজনীতিৰ বহুতো নিৰ্ভৰযোগ্য তথা গ্ৰন্থখনিত সন্নিৱিষ্ট হৈ আছে। ৰাজাবালা দাসৰ *তিনিকুৰি দহ বছৰৰ স্মৃতি*(১৯৭১) গ্ৰন্থখনিৰো ঐতিহাসিক মূল্য অস্বীকাৰ কৰিব নোৱাৰি। গ্ৰন্থখনিত অসমৰ স্ত্ৰীশিক্ষাৰ সম্প্ৰসাৰণ, সমাজত নাৰীৰ স্থান ইত্যাদি বিভিন্ন দিশত আলোকপাত কৰা হৈছে।

নিত্যনান্দ বৰদলৈৰ *পুৰণি দিনৰ ৰেঙণি* (১৯৭৪); নলিনীবালী দেৱীৰ *এৰি অহা দিনবোৰ*(১৯৭৭); অতুলচন্দ্ৰ হাজৰিকাৰ *স্মৃতিলেখা*(১৯৮১); ৰাজেন্দ্ৰলাল উজীৰৰ *জীৱন সোঁৱৰণ*(১৯৭৯); দেৱেশ্বৰ শৰ্মাৰ *হেৰাই যোৱা দিনবোৰ*(১৯৮০); ধনাই বৰাৰ *মোৰ জীৱন যাত্ৰাৰ ব্যথা*(১৯৮০); জ্ঞানদাভিৰাম বৰুৱাৰ *মোৰ ব্যথা*(১৯৮১), হিৰণ্য কুমাৰ ভট্টাচাৰ্য্যৰ *কাৰাৰুদ্ধ জীৱনৰ বাকৰুদ্ধ কাহিনী*(১৯৮৪); বেণুধৰ শৰ্মাৰ *মজিয়াৰ পৰা মেজলৈ*(১৯৮৫); অম্বিকাগিৰি ৰায়চৌধুৰীৰ *মোৰ জীৱন ধুমুহাৰ এছাটি*(১৯৮৬); মহেশ্বৰ নেওগৰ *জীৱনৰ দীঘ আৰু বাণী*(১৯৮৮); হোমেন বৰগোহাঞিৰ *আত্মানুসন্ধান* (১৯৮৮); মামণি ৰয়ছম গোস্বামীৰ *আধা লেখা দস্তাবেজ* (১৯৮৮); ত্ৰৈলোক্যনাথ গোস্বামীৰ *অতীতৰ কথা* (১৯৮৯); চৈয়দ আব্দুল মালিকৰ *মোৰ জীৱনৰ নহ'লবোৰ* (১৯৯০); মহেন্দ্ৰ বৰাৰ *উপলা নদীৰ দৰে*(১৯৯০) আদিৰ কথা উল্লেখ কৰিব পাৰি।

উল্লিখিত আত্মজীৱনীসমূহৰ ভিতৰত নলিনীবালা দেৱীৰ *এৰি অহা দিনবোৰ* (১৯৭৭)গ্ৰন্থখনিত পাৰিবাৰিক আৰু ৰাজহুৱা জীৱনৰ ঘটনাৰাজি সুখপাঠ্য ৰূপত প্ৰকাশ কৰা হৈছে। অতুলচন্দ্ৰ হাজৰিকাৰ *স্মৃতিলেখা* (১৯৮১) সম্পূৰ্ণ ৰূপেই আত্মজীৱনী, দেৱেশ্বৰ শৰ্মাৰ *হেৰাই যোৱা দিনবোৰত* (১৯৮০) অসমৰ ৰাজনৈতিক ঘটনাৱলীয়ে

প্রকাশ লাভ কৰিছে। অমিয় কুমাৰ দাসৰ *জীৱনস্মৃতি*তো ৰাজনৈতিক জীৱনৰ ঘটনাৱলীয়ে প্রধানভাৱে স্থান লাভ কৰিছে।

হিৰণ্য কুমাৰ ভট্টাচার্য্যৰ *কাৰাৰুদ্ধ জীৱনৰ বাকৰুদ্ধ কাহিনী*তো ৰাজনৈতিক ভাব-চিন্তাৰ প্রতিফলন ঘটিছে। বেণুধৰ শর্মাৰ *মাজিয়াৰ পৰা মেজলৈ* অসমীয়া আত্মজীৱনী-মূলক সাহিত্যলৈ উল্লেখযোগ্য অৱদান। অম্বিকাগিৰি ৰায়চৌধুৰীৰ *মোৰ জীৱন ধুমুহাৰ এছাটি* (১৯৮৬) সাহিত্যিক দিশৰ পৰা অতি গুৰুত্বপূর্ণ আত্মজীৱনী। অসমীয়া সাহিত্য-সংস্কৃতি আৰু ৰাজনীতিৰ বহুতো গুৰুত্বপূর্ণ কথা ইয়াত সন্নিৱিষ্ট হৈ আছে। এখনি সৰস আৰু বিৱৰণাত্মক আত্মজীৱনী হিচাপে মহেশ্বৰ নেওগৰ *জীৱনৰ দীঘ আৰু বাণী* (১৯৮৮) এখনি উচ্চ সাহিত্যিক গুণসম্পন্ন আত্মজীৱনী।

হোমেন বৰগোহাঞিৰ *আত্মানুসন্ধান* (১৯৮৮) অসমীয়া সাহিত্যত এখনি সম্পূর্ণ ব্যতিক্রমধর্মী আত্মজীৱনী। মামণি ৰয়ছম গোস্বামীয়ে আৱেগ সিক্ত ভাষাৰে মনোহাৰী ৰূপত *আধালেখা দস্তাবেজ* গ্রন্থখনি ৰচনা কৰিছে।

মহেন্দ্র বৰাৰ *উপলা নদীৰ দৰে* এখনি অতি মনোগ্রাহী আৰু ঐতিহাসিক দিশৰ পৰা অতি গুৰুত্বপূর্ণ আত্মজীৱনী। সামগ্রিকভাৱে দেখা যায় যে এই কালছোৱাত ৰচিত আত্মজীৱনীসমূহত ব্যক্তিগত জীৱনৰ লগে লগে সামাজিক, অর্থনৈতিক, ৰাজনৈতিক আৰু সাহিত্যিক দিশসমূহেও কম-বেছি পৰিমাণে প্রকাশ লাভ কৰিছে।

এই কালছোৱাত প্রকাশিত প্রধান সাহিত্যালোচনীসমূহৰ ভিতৰত *প্রকাশ* (১৯৭৫), *নতুন পৃথিৱী* (১৯৭২), *সংলাপ* (১৯৭১), *অঙ্গীকাৰ* (১৯৭২-৭৬), *চিৰন্তন* (১৯৭২-৭৫), *মনোৰঞ্জন* (১৯৭৩-৭৫), *প্রান্তিক, সূত্রধাৰ* আদিৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি।

এই সময়ছোৱাৰ সাহিত্য সমালোচনাৰ ক্ষেত্রত প্রবীণসকলৰ ভূমিকা অতি গুৰুত্বপূর্ণ। ত্রৈলোক্যনাথ গোস্বামীৰ 'নন্দনতত্ত্ব— প্রাচ্য আৰু পাশ্চাত্য' (১৯৮০), 'ইংৰাজী সমালোচনাৰ ধাৰা আৰু অসমীয়া সাহিত্যত তাৰ প্রভাৱ' (১৯৭০); সত্যেন্দ্র নাথ শর্মাৰ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' (১৯৮১), 'অসমীয়া উপন্যাসৰ গতিধাৰা' (১৯৭৬), 'হীৰেণ গোঁহাইৰ 'সাহিত্যৰ সত্য' (১৯৭০) আদিৰ কথা এই ক্ষেত্রত উল্লেখযোগ্য। মহেন্দ্র বৰা, নগেন শইকীয়া, গোবিন্দ প্রসাদ শর্মা, উপেন্দ্রনাথ শর্মা, আনন্দ বৰমুদৈ, ভবেন বৰুৱা, প্রহলাদ কুমাৰ বৰুৱা, বসন্ত কুমাৰ শর্মা, হেম বৰা আদিয়ে সমালোচনা সাহিত্যলৈ যথেষ্ট বৰঙণি আগবঢ়াইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ৰামধেনু - পৰৱর্তী কালৰ অসমীয়া সাহিত্যৰ পটভূমি কি? (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ২ ঃ ১৯৭০-১৯৯০ চনলৈ যি কেইগৰাকী কবিয়ে অসমীয়া কবিতাক সমৃদ্ধ কৰিলে তেওঁলোকৰ চমু পৰিচয় আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ৩ঃ ১৯৭০-১৯৯০ চনলৈ অসমীয়া সাহিত্যক প্ৰভাৱিত কৰা ধাৰাসমূহৰ বিষয়ে চমুকৈ লিখক। (২৫০টা শব্দৰ ভিতৰত)



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়নে আমাক সাম্প্ৰতিক অসমীয়া সাহিত্যই পাশ্চাত্য সাহিত্যৰ বিবিধ ধাৰাৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি যে অসমীয়া সাহিত্যৰ সমৃদ্ধিত সহায় কৰিছে তাৰ ধাৰণা দিলে।
- এই কালছোৱাৰ ভিতৰত গল্প-উপন্যাসত বাস্তৱবাদ, অধিবাস্তৱবাদ, আধুনিকতাবাদ আৰু উত্তৰ আধুনিকতাবাদী চিন্তাৰ প্ৰসাৰ ঘটাৰ দৰেই কবিতাত প্ৰতীকবাদ, চিত্ৰকল্পবাদ, আধুনিকতাবাদ, উত্তৰ আধুনিকতাবাদ আদি দৃষ্টিভঙ্গীৰ প্ৰতিফলন ঘটিছে। তেনেদৰে নাটকত অস্তিত্ববাদ, এবচার্ডবাদ আদিৰ প্ৰতিফলন লক্ষ্য কৰা যায়।
- ৰামধেনু - পৰৱৰ্তী কালছোৱাত অসমীয়া সাহিত্যৰ বিভিন্ন ধাৰাসমূহৰ বিষয়ে জ্ঞান লাভ কৰিলোঁ।
- ৰামধেনু - পৰৱৰ্তী কালছোৱাৰ সাহিত্যৰ বিভিন্ন প্ৰকাৰসমূহ, যেনে— চুটিগল্প, কবিতা, নাটক, উপন্যাস, জীৱনী, আত্মজীৱনী, সমালোচনা প্ৰভৃতিৰ বিষয়ে ধাৰণা লাভ কৰিলোঁ।
- ৰামধেনুৰ পৰৱৰ্তী কালছোৱাত *প্ৰান্তিক, প্ৰকাশ, সংলাপ, নতুন পৃথিৱী* প্ৰভৃতি আলোচনী আৰু অন্যান্য প্ৰচাৰ মাধ্যমৰ যোগেদি প্ৰকাশিত গ্ৰন্থৰাজিৰ বিষয়ে এটি সম্যক ধাৰণা লাভ কৰিলোঁ।
- প্ৰাচ্য পাশ্চাত্য সাহিত্যৰ বিভিন্ন ধাৰাসমূহ অনুকৰণ, অনুসৰণৰ যোগেদি অসমীয়া সাহিত্যৰ বিভিন্ন প্ৰকাৰসমূহ কেনেদৰে সম্পৃক্ত হৈছে, সেই বিষয়ে বহুত কথা জানিব পাৰিলোঁ।
- ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্যসমূহ উপলব্ধি কৰা হ'ল। গল্প, কবিতা, নাটক, উপন্যাস প্ৰভৃতিৰ মাজেৰে প্ৰকাশিত বিভিন্ন দিশসমূহৰ বিষয়ে সম্যক আভাস পালোঁ।
- ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যৰ বৌদ্ধিক, পটভূমি সম্পৰ্কে জ্ঞান আহৰণ কৰিলোঁ।
- দেশৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক দিশৰ সৈতে সাহিত্যৰ সম্পৰ্ক নিৰূপণ কৰাৰ প্ৰয়াস কৰা হ'ল।
- ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যৰ স্বৰূপ উপলব্ধি কৰাৰ লগতে সাহিত্যৰ সৈতে সমাজৰ সম্পৰ্ক নিৰূপণ কৰিলোঁ।
- দেশৰ ৰাজনৈতিক বাতাৱৰণ, আন্দোলন, বিপ্লৱ আদিৰ সৈতে সাহিত্যৰ সম্পৰ্ক নিৰূপণৰ

প্ৰয়াস কৰাৰ লগতে ভাৰতৰ স্বাধীনতা আন্দোলনৰ পৰৱৰ্তী কালত সংঘটিত হোৱা ভাষা আন্দোলন, মাধ্যম আন্দোলন, ছবছৰীয়া অসম আন্দোলন আদিৰ ফলস্বৰূপে অসমৰ সমাজ জীৱনলৈ অহা পৰিৱৰ্তন আদিৰ আভাস সাহিত্যৰ মাধ্যমেৰে কেনেদৰে অগ্ৰসৰ হৈছে, তাৰ আভাস দাঙি ধৰিবৰ প্ৰয়াস কৰা হ'ল।

- শিল্প-সাহিত্যলৈ অহা পৰিৱৰ্তনসমূহত আধুনিকতাবাদ আৰু উত্তৰ আধুনিকতাবাদী চিন্তাই কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰিছে, তাৰ আভাস দাঙি ধৰিবৰ প্ৰয়াস কৰা হ'ল।



১১.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) উল্লাহ, ইমদাদ (১৯৭৭) ঃ *সৃজন আৰু মনন*; গুৱাহাটী ঃ গুৱাহাটী বুক ষ্টল।

২) কটকী, চন্দ্ৰ (১৯৮৯) ঃ *আধুনিক অসমীয়া কবিতা* (২য় সংস্কৰণ); যোৱহাট ঃ অসম সাহিত্য সভা।

৩) গগৈ, লীলা (২০০০) ঃ *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*; ডিব্ৰুগড় ঃ বনলতা।

৪) দেৱগোস্বামী, ৰঞ্জিৎ কুমাৰ (সম্পা.) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (৫ম খণ্ড); অবিলেক।

৫) নেওগ, মহেশ্বৰ (১৯৮৭) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা* (৭ম সংস্কৰণ); গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬) নেওগ, ডিম্বেশ্বৰ (১৯৯৩) ঃ *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ প্ৰকাশ); গুৱাহাটী ঃ শুৱনি প্ৰকাশ।

৭) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৯৩) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড); আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি পৰিষদ।

৮) বৰদলৈ, নিৰ্মলপ্ৰভা (১৯৮৯) ঃ *কবিতাৰ কথা* (২য় সংস্কৰণ); গুৱাহাটী ঃ অসম বুক ডিপো।

৯) বৰা, মহেন্দ্ৰ (সম্পা.) (১৯৮৭) ঃ *নতুন কবিতা*; ডিব্ৰুগড় ঃ বনলতা।

১০) *বিংশ শতিকাৰ অসমীয়া সাহিত্য*; অসম সাহিত্য সভা।

১১) বৰুৱা, লোপা (১৯৯৯) ঃ *আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প* (প্ৰথম প্ৰকাশ); গুৱাহাটী ঃ পূৰ্বাঞ্চল প্ৰকাশ।

১২) ভৱালী, শৈলেন (১৯৮৯) ঃ *আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১৩) শইকীয়া, নগেন (২০০৭) ঃ *সাহিত্য বাদবৈচিত্ৰ্য* (২য় সংস্কৰণ); ডিব্ৰুগড় ঃ কৌস্তুভ প্ৰকাশন।

১৪) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৯১) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* (৫ম সংস্কৰণ); গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

ইংৰাজী গ্ৰন্থ ঃ

1) Mahanta, Pona (1992): *Eliot in Assamese Literature*; Guwahati: Purbanchal Prakash.
2) Saikia, Nagen (1988): *Background of Modern Assamese Literture*; New Delhi: Omsons Publication.

বাংলা গ্ৰন্থ ঃ

১) ত্রিপাঠী,দীপ্তি (১৯৮৮)ঃ *আধুনিক বাংলা কাব্য পৰিচয়,* কলকাতা ঃ দে'জ পাব্লিকেশ্যন।

১১.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ৰামধেনু - পৰৱৰ্তী কাল শব্দটোৰ অৰ্থ ব্যাখ্যা কৰি অসমীয়া সাহিত্যৰ পটভূমিৰ বিষয়ে লিখক (১৯৭০-১৯৯০ চনৰ ভিতৰত)।

২নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭০-১৯৯০ চনলৈ কোন কেইগৰাকী কবিয়ে কবিতা ৰচনা কৰিছিল, তাৰ লেখ দিয়াৰ লগতে প্ৰত্যেক গৰাকী কবিয়ে ৰচনা কৰা কাব্য কৃতিৰ বিষয়ে চমুকৈ লিখক।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭০-১৯৯০ চনলৈ অসমীয়া সাহিত্যক প্ৰভাৱিত কৰা ধাৰাসমূহৰ চমু উল্লেখ কৰক।

১১.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যৰ পটভূমি বিচাৰ কৰক।

প্ৰশ্ন ২ ঃ ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্যসমূহ কেনে ধৰণৰ? অসমীয়া কবিতাৰ আধাৰত বিচাৰ কৰক।

প্ৰশ্ন ৩ ঃ ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া চুটিগল্প আৰু উপন্যাসৰ আঙ্গিক আৰু বিষয়বস্তুৰ ক্ষেত্ৰত কেনেধৰণৰ পৰিৱৰ্তন সূচিত হৈছে, বিচাৰ কৰক।

প্ৰশ্ন ৪ ঃ ৰামধেনু - পৰৱৰ্তী কালৰ জীৱনী আৰু আত্মজীৱনী সাহিত্যৰ বিকাশৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ৫ ঃ ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া নাট্য সাহিত্যৰ বিভিন্ন ধাৰাসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া চুটিগল্প আৰু উপন্যাসৰ বিভিন্ন ধাৰাসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ ৰামধেনু-পৰৱৰ্তী কালৰ নিৰ্বাচিত সাহিত্যিকসকল

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ ৰামধেনু-পৰৱৰ্তী কালৰ (১৯৭০-১৯৯০) সাহিত্যিকসকল
১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৫ অধিক জানিবলৈ
১২.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১২.৭ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যৰ ৰামধেনু-পৰৱৰ্তী কালৰ ৰচিত হোৱা সাহিত্যৰ বিভিন্ন দিশত অহা পৰিৱৰ্তনসমূহ আৰু সাহিত্যৰ বিভিন্ন ধাৰাসমূহৰ স্পষ্ট ধাৰণা লাভ কৰিব পাৰিব
- প্ৰাচ্য-পাশ্চাত্য সাহিত্যৰ বিবিধ ধাৰাসমূহে অসমীয়া সাহিত্যৰ সৃষ্টিত কেনে ধৰণৰ অনুপ্ৰেৰণা যোগাইছে, তাৰ লগে লগে সাহিত্যৰ ভাব-বিষয়বস্তু আদিৰ ক্ষেত্ৰত কেনে ধৰণৰ আদান-প্ৰদান আৰু বিনিময় হৈছে, সেই সম্পৰ্কে আলোচনা কৰিব পাৰিব
- ভাৰতীয় সাহিত্যৰ পৰিপুষ্টি আৰু বিকাশত অসমীয়া সাহিত্যৰ অৰিহণা সম্পৰ্কে জানিব পাৰিব
- ৰামধেনু-পৰৱৰ্তী কালৰ সাহিত্যৰ সামাজিক, ৰাজনৈতিক আৰু বৌদ্ধিক পটভূমি বিচাৰ কৰা আৰু সাহিত্যৰ নিৰ্মাণত এনে পটভূমিৰ গুৰুত্ব সম্পৰ্কে ধাৰণা লাভ কৰিব
- সাম্প্ৰতিক দেশৰ আৰ্থ-সামাজিক, সাংস্কৃতিক বিকাশৰ লগে লগে সাহিত্যই কেনেদৰে দেশৰ ইতিহাস সমাজ আৰু সংস্কৃতিৰ প্ৰতি স্বকীয় দায়বদ্ধতা বজাই ৰাখি সমাজ পৰিৱৰ্তনত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে সেই সম্পৰ্কে ব্যাখ্যা আগবঢ়াব পাৰিব।

১২.২ পৰিচয়

এই অধ্যায়টোত আপুনি ৰামধেনু-পৰৱৰ্তী কালৰ নিৰ্বাচিত সাহিত্যিকসকলৰ কৃতিসমূহৰ পৰিচয় লাভ কৰিব।

মন কৰিবলগীয়া যে সাহিত্যৰ ইতিহাস কেৱল গ্ৰন্থ আৰু গ্ৰন্থকাৰৰ ইতিহাস নহয়। গ্ৰন্থৰ আঁৰত থকা গ্ৰন্থকাৰ আৰু গ্ৰন্থকাৰৰ আঁৰত থকা সমাজখনৰ সামাজিক, ধৰ্মীয়, ৰাজনৈতিক, অৰ্থনৈতিক ইত্যাদি বিভিন্ন দিশৰ বিষয়ে তথ্যপূৰ্ণ আলোচনাৰ যোগেদিহে কোনো এটা যুগৰ

সাহিত্যৰ পটভূমি নিৰ্মাণ কৰাটো সম্ভৱ। সাহিত্যৰ বিভিন্ন ধাৰাসমূহ স্পষ্ট কৰিবৰ কাৰণে সমসাময়িক সমাজৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশৰ জ্ঞান অপৰিহাৰ্য। মাধ্যম আন্দোলন, ছবছৰীয়া অসম আন্দোলন, বড়ো আন্দোলন প্ৰভৃতিয়ে অসমৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক দিশলৈ কেনে ধৰণৰ পৰিৱৰ্তন কঢ়িয়াই আনিলে, তাৰ প্ৰতিফলন অসমীয়া সাহিত্যত কেনেদৰে ঘটিছে, সেইবোৰ বিস্তৃতভাৱে আলোচনা কৰাৰো প্ৰয়োজন আছে। এই কালছোৱাত কবিতা, চুটিগল্প, নাটক, উপন্যাস, সমালোচনা প্ৰভৃতি বিভিন্ন দিশত অসমীয়া সাহিত্যই যথেষ্ট পৰিমাণে বিকাশ লাভ কৰিছে। পৰ্যাপ্ত তথ্যৰ অভাৱত এই সময়ছোৱাৰ সাহিত্যৰ গতি-প্ৰকৃতি সম্পৰ্কে আলোচনা কৰাৰ বাবে কিছু অসুবিধা নোহোৱাও নহয়। পৰ্যাপ্ত আৰু নিৰ্ভৰযোগ্য তথ্যৰ অভাৱত বহুতো কথা চৰ্বিতচৰ্বণ হোৱাৰ সম্ভাৱনা থাকে। সেয়ে সীমিত পৰিসৰৰ ভিতৰত আলোচনা দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

১২.৩ ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যৰ সাহিত্যিকসকল

ৰামধেনু - পৰৱৰ্তী কালত অসমীয়া সাহিত্যই বিভিন্ন শাখা-প্ৰশাখাত বিভক্ত হৈ পত্ৰ-পুষ্পেৰে সুশোভিত ৰূপত অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। আলোচনাৰ সুবিধাৰ কাৰণে সেয়ে আমি কবিতা, চুটিগল্প, উপন্যাস, নাটক, সমালোচনা ইত্যাদি বিভিন্ন ভাগত বিভক্ত কৰি সাহিত্যিক সকলৰ চমু পৰিচিত দাঙি ধৰিবৰ প্ৰয়াস কৰিলোঁ। বাহুল্যৰ ভয়ত 'হাতী মাৰি ভুৰুকাত ভৰোৱাৰ' নীতি অনুসৰণ কৰা হৈছে। সেয়ে নিৰ্বাচিত আৰু প্ৰতিনিধিত্বমূলক লোকসকলৰ কৃতিৰ বিষয়েহে ইয়াত প্ৰধানকৈ ঠাই পাব বুলি স্পষ্ট কৰি দিয়া হৈছে। ইয়াৰ অৰ্থ এইটো নহয়, যে আলোচনাৰ অন্তৰ্গত নোহোৱা সাহিত্যিকসকল সাহিত্যৰ ইতিহাসৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ নহয়; প্ৰণালীবদ্ধ আলোচনা আৰু সীমিত পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখিছে তেনে কৰা হৈছে। দ্বিতীয় কথা, একেজন লেখকেই কেতিয়াবা কবি, গল্পকাৰ, নাট্যকাৰ বা ঔপন্যাসিক ৰূপে প্ৰতিষ্ঠা লাভ কৰিব পাৰে। কিন্তু, তেওঁলোকৰ সামগ্ৰিক কৃতিৰ কথালৈ গ'লে খেলিমেলি হ'ব পাৰে বুলিয়েই প্ৰণালীবদ্ধ আলোচনাৰ স্বাৰ্থত একো একোটা সাহিত্যৰ বিধা (Genere)ৰ আধাৰত আলোচনাৰ প্ৰয়াস কৰা হ'ল।

- **ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া কবিসকল ঃ** সত্তৰ আৰু আশীৰ দশকত আত্মপ্ৰকাশ কৰা কবিসকলৰ মাজত নতুন সমাজ এখন গঠন কৰাৰ প্ৰৱণতা দেখা যায়। সেই কাৰণেই তেওঁলোকে শোষণৰ বিৰুদ্ধে সংগ্ৰাম অব্যাহত ৰাখিব খোজে। মননশীলতা অথবা ইন্দ্ৰিয়গ্ৰাহ্য অভিজ্ঞতাক অনুভূতিময় ভাষাত দাঙি ধৰিবলৈ প্ৰয়াস কৰা কৰা কবিৰ সংখ্যা তুলনামূলকভাৱে সীমিত। সমীৰ তাঁতী, সনন্ত তাঁতী, জ্ঞান পূজাৰী, আব্দুল হালিম, চিৰঞ্জীৱ জৈন, নৱেন তালুকদাৰ, কৌস্তুভমণি শইকীয়া, ৰাজীৱ বৰুৱা, ৰাজীৱ ফুকন, বিপুলজ্যোতি শইকীয়া, নীলিম কুমাৰ, অনুপমা বসুমতাৰী, কৰবী ডেকা হাজৰিকা, লীনা ডেকা, অৰ্চনা পূজাৰী, অনুপম কুমাৰ, সৌৰভ শইকীয়া আদিৰ নাম এই ক্ষেত্ৰত

উল্লেখযোগ্য।

- **সমীৰ তাঁতী ঃ** ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া কবিসকলৰ ভিতৰত স্বকীয় শৈলী আৰু প্ৰকাশভঙ্গীৰ জৰিয়তে কবিতা ৰচনা কৰি জনপ্ৰিয়তা অৰ্জন কৰা এগৰাকী জনপ্ৰিয় কবি হৈছে সমীৰ তাঁতী। ইতিমধ্যে তেওঁ কেইবাখনো কাব্যগ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যত এখনি নিগাজী স্থান লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁৰ কাব্যসমূহৰ ভিতৰত *যুদ্ধভূমিৰ কবিতা, কাফ্ৰি কবিতা* (নিগ্ৰো লোক কবিতা অনুবাদ), *শোকাকুল উপত্যকা, সেউজীয়া উৎসৱ, অত্যাচাৰৰ টোকাবহী, বিষয় দুৰ্ভিক্ষ, শুনিছানে সেই মাত, কদম ফুলা ৰাতি, বিষাদ সঙ্গীত* আদি অন্যতম। নীলমণি ফুকনৰ দৰে মননশীল আধুনিকতাৰ দিশটোৱে তেওঁৰ কবিতাত প্ৰকাশ লাভ কৰিছে। সৰ্বহাৰাৰ দুখ-যন্ত্ৰণাই তেওঁৰ কবি হৃদয়ত সৃষ্টি কৰা অন্তহীন দুখৰ চকুলোৱে সিক্ত হৈ নিয়ৰসিক্ত শেৱালীৰ দৰে তেওঁৰ কবিতাই সৌৰভ বিলাবলৈ সক্ষম হৈছে। আনকি দুপৰীয়া বাঁহী বজোৱা গৰখীয়া ল'ৰা আৰু ঘাটৰ সিপাৰৰ সম্বলহীন মাউৰা ছোৱালীজনীৰ কথাও কবিয়ে পাহৰা নাই, আধুনিক কবিতাৰ বিশিষ্ট লক্ষণ নিঃসঙ্গ-চেতনাই তেওঁৰ ভালেমান কবিতাত ভূমুকি মাৰিছে।
- **ৰবীন্দ্ৰ বৰা ঃ** সত্তৰৰ দশকত কবি ৰূপে প্ৰতিষ্ঠা লাভ কৰা ৰবীন্দ্ৰ বৰাই ১৯৮৮ চনত অসম কবি সমাজৰ সভাপতি পদ গ্ৰহণ কৰে। ১৯৯৬ চনত 'অসম সাহিত্য সভা'ৰ বোকাখাত অধিৱেশনৰ কবি সন্মিলনতো তেওঁ সভাপতিত্ব কৰিছিল। তেওঁৰ প্ৰকাশিত কাব্য সঙ্কলনসমূহ হ'ল— *দীৰ্ঘদিনৰ প্ৰস্তুতিৰে* (১৯৮০), *নিৰ্বাসিত সময়* (১৯৮৫), *শইচৰ মানুহ* (১৯৯০), *উত্তৰ প্ৰজন্ম* (১৯৯৩), *ৰাতি ভাঙি আহে* (১৯৯৬) আৰু *সাহচৰ্য্য* (২০০০)। তেওঁৰ কবিতাৰ বুদ্ধিনিষ্ঠতাৰ পৰিচয় স্পষ্ট।
- **ৰবীন্দ্ৰ সৰকাৰ ঃ** প্ৰগতিশিল কবি, নিবন্ধকাৰ আৰু সমালোচক ৰবীন্দ্ৰ সৰকাৰে কেইবাখনো কাব্যগ্ৰন্থ ৰচনাৰে অসমীয়া সাহিত্যৰ সমৃদ্ধি সাধন কৰিছে। তেওঁৰ কাব্যগ্ৰন্থসমূহ হ'ল— *শান্তি কল্যাণ কবিতা* (১৯৮৮), *নিজানত ৰাতিৰ শব্দ* (১৯৯০), *কালান্তৰৰ কবিতা* (১৯৮২), *সত্তৰৰ পদাতিক* (১৯৯০), *তুমি মোক স্পৰ্শ কৰা* (১৯৮৭)। তেওঁ *ধূলিয়ৰি ভৰিব খোজৰ* বাবে 'সাহিত্য অকাডেমি বঁটা' লাভ কৰে।
- **সনন্ত তাঁতী ঃ** এই কালছোৱাৰ আন এগৰাকী জনপ্ৰিয় আৰু প্ৰতিষ্ঠিত কবি হ'ল সনন্ত তাঁতী। তেওঁ স্বকীয় কথনশৈলীৰ যোগেদি কাব্য ৰচনা কৰি পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। তেওঁৰ প্ৰকাশিত কাব্যগ্ৰন্থখমূহ হ'ল— *উজ্বল নক্ষত্ৰৰ সন্ধানত, মই মানুহৰ অমল উৎসৱ, নিজৰ বিৰুদ্ধে শেষ প্ৰস্তাৱ, শব্দত আৰু শব্দহীনতাত, মৃত্যুৰ আগৰ ষ্টপেজত, টোপনিতো কেতিয়াবা বাৰিষা আহে, ধোঁৱা ছাই সপোন, জীৰ্ণ বসন্তৰ সৌৰভ* ইত্যাদি। সমকালীন সাহিত্যত পৰিৱৰ্তিত সমাজ জীৱনৰ স্বৰূপ চিত্ৰিত হৈছে সনন্ত তাঁতীৰ কবিতাত। নগৰীয়া জীৱনৰ

কলুষ কালিমা আৰু তাৰ বিপৰীতে গ্ৰাম্য জীৱনৰ সৰলতাৰ প্ৰতি কবিসকলে সমকালীনভাৱে আকৃষ্ট হ'লেও জোনাকী সভ্যতাই বৰ্তমান গ্ৰাম্য জীৱনতো কালিমা নসনাকৈ থকা নাই। তাঁতীৰ কবিতাত সামাজিক বৈষম্যৰ বিৰুদ্ধে প্ৰতিবাদী সুৰ স্পষ্ট। তেওঁৰ কবিতাত স্বপ্ন, বিক্ষোভ, আৰু প্ৰতিবাদী লক্ষণ বিদ্যমান। সনন্ত তাঁতী সমাজ সচেতন কবি। সমাজ জীৱনত দেখা দিয়া মানৱীয় প্ৰমূল্যৰ অপমৃত্যু আৰু সামাজিক ব্যভিচাৰ সহ্য কৰিব নোৱাৰি তেওঁৰ কবিমন বিদ্ৰোহী হৈ উঠে।

- **চিৰঞ্জীৱ জৈন ঃ** আধুনিক অসমীয়া কবিতালৈ বিশিষ্ট বৰঙণি যোগাওঁতাসকলৰ ভিতৰত চিৰঞ্জীৱ জৈন অন্যতম। *কুৱঁলী বৰফৰ নদীত* তেওঁৰ কেইবাটাও কবিতা সঙ্কলিত হৈছে। প্ৰতীক আৰু চিত্ৰকল্পৰ কৌশলী প্ৰয়োগত কবি সিদ্ধহস্ত। জাপানী কবিতাৰ আৰ্হি অনুসৰণ কৰি তেওঁ ভালেমান মনোৰম কবিতাৰ সৃষ্টি কৰিছে। আত্মিক বিষাদ আৰু নিঃসঙ্গ চেতনা তেওঁৰ কবিতাৰ মনকৰিবলগীয়া বৈশিষ্ট্য।
- **জ্ঞান পূজাৰী ঃ** নীলমণি ফুকন আৰু হীৰেণ ভট্টাচাৰ্য্যই কাটি থৈ যোৱা বাটেদি অগ্ৰসৰ নহৈ জ্ঞান পূজাৰীয়ে সাম্প্ৰতিক অসমীয়া কবিতাত সম্পূৰ্ণ এটি নতুন অধ্যায়ৰ সূচনা কৰে। ৰুক্ষ, অসহনীয়, বাস্তৱতাৰ প্ৰকাশেই জ্ঞান পূজাৰীৰ প্ৰায় ভাগ কবিতাৰ কেন্দ্ৰিয় মটিফ। সত্তৰৰ দশকৰ আৰম্ভণিতে কবি হিচাপে আত্মপ্ৰকাশ কৰা পূজাৰীৰ কবিতাত সমকালীন চেতনাৰ প্ৰভাৱ অতি স্পষ্ট। তেওঁৰ কবিতাত বাস্তৱতাৰ প্ৰতিফলন অতি স্বতঃস্ফূৰ্ত। তেওঁৰ কবিতাত সচৰাচৰ দেখা নোপোৱা কেতবোৰ চিত্ৰকল্পই প্ৰকাশ লাভ কৰিছে। তেওঁৰ কবিতাৰ উৎসাহজনক দিশটো হৈছে কবিৰ ভাৱনাই আমাক এখন ক্ষয়িষ্ণু পৃথিৱীত জীয়াই থাকিবলৈ আশ্বস্ত কৰে। *মেঘামালাৰ ভ্ৰমণত* কবিৰ কণ্ঠস্বৰে এটা সুকীয়া মাত্ৰা লাভ কৰিছে। এই গ্ৰন্থৰ অন্তৰ্গত কবিতাবোৰত কাহিনীৰ দৰে বিৱৰণ সন্নিৱিষ্ট হৈছে। *কথামালিতাৰ গন্ধত* কবিয়ে অসমৰ লোকজীৱন আৰু লোক-সংস্কৃতিৰ অনুসৰণত কেইবাটাও আকৰ্ষণীয় কবিতা ৰচনা কৰিছে। *মেঘমালাৰ ভ্ৰমণ* নিঃসন্দেহে পূজাৰীৰ এটি সৰ্বোৎকৃষ্ট কাব্য সঙ্কলন। সামাজিক সত্য উন্মোচনৰ বিনম্ৰ প্ৰয়াসৰ লগতে জীৱনৰ বাঙ্ময় ৰূপটিয়ে কবিতাৰ মাজেদি আত্মপ্ৰকাশ কৰিছে। গভীৰ জীৱনবোধ আৰু যথার্থ শব্দচয়নে তেওঁৰ কবিতাক ৰসপূৰ্ণ কৰি তোলাত সহায় কৰিছে। ইউৰোপীয় সাহিত্যৰ বিবিধ অনুসঙ্গই *মেঘমালাৰ ভ্ৰমণত* ভূমুকি মৰাত তেওঁৰ কাব্য সাধনাই বিস্তৃত অধ্যয়নৰ আভাস দাঙি ধৰিছে। সামাজিক চেতনাৰ তীব্ৰতাৰ বাবে মাজে মাজে ব্যঙ্গ আৰু শ্লেষৰ প্ৰয়োগ লক্ষ্যণীয়। তেওঁৰ অন্যান্য কাব্য সঙ্কলনবোৰ হ'ল *দুঃসময় সময়, পুৱা গধূলিৰ বেলি* আৰু *কথামালিকাৰ গন্ধ*। ফ্ৰেডেৰিকো লৰকা প্ৰভৃতি ইউৰোপীয় কাব্যৰ বিস্তৃত অধ্যয়নে তেওঁৰ কবিতাৰ পৰিসৰ বিস্তৃত আৰু সমৃদ্ধ কৰাত সহায় কৰিছে।
- **হৰেকৃষ্ণ ডেকা ঃ** অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া আৰু বিশিষ্ট কবি হৰেকৃষ্ণ ডেকাই

১৯৮৭ চনত *আন এজন* কাব্য গ্ৰন্থৰ বাবে 'সাহিত্য অকাডেমি বঁটা' লাভ কৰে। তেঁওৰ কাব্যত আধুনিকতাবাদী চিন্তাৰ পৰিচয় পোৱা যায়। তেওঁৰ উল্লেখযোগ্য কাব্যগ্ৰন্থসমূহ হ'ল— *স্ৱৰোৱ*(১৯৭৩), *ৰাতিৰ শোভাযাত্ৰা*(১৯৮১), *আন এজন* (১৯৮৭) আৰু *প্ৰতিসৰিত ৰশ্মি*(১৯৯১)।

- **আনিছ উজ জামান** ঃসত্তৰৰ দশকতে কাব্যচৰ্চাত আত্মনিয়োগ কৰা জামানে নীলমণি ফুকন আৰু নৱকান্ত বৰুৱাৰ পদাঙ্ক অনুসৰণ কৰি সম্পূৰ্ণ নিজা পৰিচয়েৰে অসমীয়া কবিতাত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। *অজ্ঞাতে, গধূলি, সেউজীয়া জোন, দোকমোকালি* আদি তেওঁৰ উল্লেখযোগ্য কাব্য সঙ্কলন। তেওঁৰ কবিতা বাংলা, হিন্দী, উৰিয়া, তামিল আদি ভাষালৈয়ো অনূদিত হৈছে। জামানৰ কবিতাত লোক জীৱনৰ সুৰ স্পষ্ট। সংক্ষিপ্ততা আৰু সৰলতা তেওঁৰ কাব্যৰ মন কৰিবলগীয়া বৈশিষ্ট্য। তেওঁৰ কিছুমান কবিতাত প্ৰেমৰ বিভিন্ন স্থিতিয়েও প্ৰকাশ লাভ কৰিছে। প্ৰেম-যৌনতা, মিলন আদিক তেওঁ একেডাল ডোলেৰে বান্ধি ৰাখিবলৈ সক্ষম হৈছে। সমকাল চেতনা আৰু মানৱতাবোধৰ গভীৰতাই তেওঁৰ প্ৰায়বোৰ কবিতাক অনন্য ৰূপ প্ৰদান কৰিছে। ইউৰোপীয় কবিতাক অধ্যয়নৰ পৰিণতি স্ৱৰূপে তেওঁৰ কবিতাত প্ৰতীক আৰু চিত্ৰকল্পই বিশেষ প্ৰাধান্য লাভ কৰিছে।
- **স্নিগ্ধাৰাণী গগৈ** ঃ কৃতী শিক্ষয়িত্ৰী বঁটাৰে সন্মানিত স্নিগ্ধাৰাণী গগৈয়ে *সুললিত লগ্ন* (১৯৮৭), *শব্দৰ ঘৰ* (১৯৯৯), *কেকটাছৰ ফুল* (১৯৯০), *ধূলিয়ৰি সুৰ* (২০০৩), *দিখৌ*(২০০৯) আদি কাব্য ৰচনাৰে অসমীয়া কবিতাক সমৃদ্ধ কৰিছে।
- **ৰফিকুল হুছেইন** ঃ ৰফিকুল হুছেইনৰ কবিতাত সমকালীন সমাজৰ অস্থিৰ আৰু বিপন্ন মানুহৰ আৰ্তনাদ শুনিবলৈ পোৱা যায়। তেওঁৰ *শৰবিন্দু আকাশ* কাব্যগ্ৰন্থত কবিৰ সাংস্কৃতিক আৰু ঐতিহাসিক চেতনাৰ স্ৱৰূপ প্ৰকাশিত হৈছে। জাগতিকতা আৰু সামাজিকতাৰ ঊৰ্দ্ধলৈ গতি কৰাৰ হেঁপাহ তেওঁৰ সমাজ-চেতনাপ্ৰসূত কবিতাসমূহত লক্ষ্য কৰা যায়। শৰবিন্দু আকাশৰ কবিতাবোৰত দেখা পোৱা দ্বিধা, দ্বন্দ্ব, সংশয় আৰু সন্ত্ৰাসৰ পৃথিৱীখনৰ মাজত জীৱনৰ প্ৰাচুৰ্যৰ সন্ধান কৰা কবি ৰফিকুল হুছেইনৰ কবিতাৰ পৰৱৰ্তী পৰ্যায়টোৱে এটা নতুন ৰূপ গ্ৰহণ কৰিছিল। লোকজীৱনৰ প্ৰতি থকা গভীৰ প্ৰীতিৰ বাবে তেওঁ প্ৰায়েই লোকসাহিত্যৰ তথা লোককাহিনীৰ বুকুৰ পৰা সমল আহৰণ কৰি কবিতাৰ কথাবস্তু নিৰ্মাণ কৰিছিল।
- **বিপুলজ্যোতি শইকীয়া** ঃ আধুনিক কবিতাৰ ভাষাৰ প্ৰজ্ঞাৰ পৰিচয় পোৱা যায় বিপুল জ্যোতি শইকীয়াৰ কবিতাত। *মহাকাব্যৰ প্ৰথম পাতত* কবিৰ শব্দৰ ওপৰত থকা বুৎপত্তিৰ পৰিচয় পোৱা যায়। শব্দৰ মাধ্যমেৰেই তেওঁ হৃদয়ৰ ভাবানুভূতি প্ৰকাশ কৰিব বিচাৰে। অনুপ্ৰাস আদি অলঙ্কাৰ আৰু কল্পচিত্ৰৰ সাৰ্থক প্ৰয়োগে তেওঁৰ কবিতাত সাৰ্থকতা লাভ কৰিছে। তেঁওৰ আন এখনি কবিতা পুথি *পাহৰণিৰ নৈত* এক বিশেষ বাণীভঙ্গী লক্ষ্য কৰা যায়।

- **মেঘালী ফুকন ঃ** সত্তৰৰ দশকৰ পৰাই কাব্য ৰচনাত আত্মনিয়োগ কৰা আন এগৰাকী বিশিষ্ট কবি হৈছে মেঘালী ফুকন। মেঘালী ফুকনৰ কাব্য নির্মাণৰ এক স্বকীয় শৈলী বিদ্যমান। তেওঁৰ কবিতাৰ প্রিয় বিষয় হৈছে মানুহ। মানুহ আৰু জীৱনক ভালপোৱাৰতাড়নাই কবিক কাব্যৰচনাৰ কাৰণে প্রেৰিত কৰে। মানুহক ভালপোৱাৰ বাবেই মানুহৰ সুখ অথবা দুখক তেওঁ উপলব্ধি কৰিব পাৰিছে। সেয়েহে হয়তো তেওঁ অনুভৱ কৰিছে "প্রত্যেকৰ বুকুৰ মাজত এখন সেউজ উপত্যকা আছে দুখ হৈছে কবিৰ আজন্ম জীৱনৰ লগৰীয়া।" তেওঁৰ *হৃদয়ৰ পৰা হৃদয়লৈ* কাব্য গ্রন্থত মানুহৰ প্রতি উথলি উঠা প্রেমময় হৃদয়ৰ স্বৰূপ প্রকাশিত হৈছে। সমাজত মানৱতাৰ অপমৃত্যু দেখি কবিৰ মন ভাৰাক্রান্ত হৈছে আৰু সুখৰ বতাহ-ধুমুহাই কবিৰ মন বিধ্বস্ত কৰি তুলিছে। প্রতিকুল পৰিস্থিতিয়ে তেওঁৰ হৃদয়ত নানা ধৰণৰ চিন্তাৰ উন্মেষ ঘটিছে আৰু সেইবোৰে তেওঁৰ ভাবনাক দ্বিধাগ্রস্ত কৰি তুলিছে। মেঘালী ফুকনৰ কবিতাত যুগৰ বতাহত ক্রমশঃ ক্ষয়িষ্ণু হৈ পৰা সমাজলৈ পুনৰ পৰিৱর্তন আহিব বুলি কৰা প্রত্যাশা মন কৰিবলগীয়া। মুঠতে দুর্দিনৰ মাজত সুদিনৰ কামনাৰে তেওঁ মানুহৰ মাজত প্রেমৰ বাণী প্রচাৰ কৰিব বিচাৰিছে। কিয়নো প্রেমৰ অবিহনে সমাজত এটা মঙ্গলময় পৰিৱেশৰ সৃষ্টি কৰাটো অসম্ভৱ।
- **কৌস্তভমণি শইকীয়া ঃ** নিষ্ঠাৱান কবি কৌস্তভমণি শইকীয়াই ইতিমধ্যে কেইবাখনো কাব্যগ্রন্থেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। তেওঁৰ প্রকাশিত কাব্য গ্রন্থসমূহ হ'ল— *অন্তৰঙ্গ স্তৱক* (১৯৮৬), *বদনামী চহৰত এভূমুকি* (১৯৯৫), *মৈদিয়া পথাৰত* (২০০০), *কুঁহিপাতৰ ইচ্ছপত্র* (২০০৮) ইত্যাদি। তেওঁৰ কবিতাত সংবেদনশীল মনৰ পৰিচয় স্পষ্ট।
- **কৰবী ডেকা হাজৰিকা ঃ** আশীৰ দশকত কাব্য চর্চাৰে অসমীয়া কাব্য-সাহিত্যত পৰিচিতি লাভ কৰা আন এগৰাকী কবি হ'ল কৰবী ডেকা হাজৰিকা। তেওঁৰ দ্বাৰা ৰচিত কাব্য গ্রন্থকেইখন হ'ল— *সুবাসিত যি যন্ত্রণা, মাটিৰ পৰা মেঘলৈ, চুলি নাবান্ধিবা যাজ্ঞসেনী* আৰু *পৰীৰ বাঁহী*। দুখবোধ কৰবী ডেকাৰ কবিতাৰ অন্তর্নিহিত প্রধান সুৰ। তেওঁ জীৱন অভিজ্ঞতাৰ বিচিত্রতাৰ মাজেৰে পাঠকক এখন বিচিত্র জগতত বিচৰণ কৰায়, য'ত কবিয়ে অনাড়ম্বৰ কথনভঙ্গীৰ যোগেদি বিষাদৰ বিচিত্র কথাবোৰ কৈ যায়। নাৰী জীৱনৰ সহজাত দুখ-যন্ত্রণা আৰু অবদমন তেওঁ স্বচক্ষে প্রত্যক্ষ কৰিছে আৰু সেয়ে তেওঁৰ কণ্ঠ প্রতিবাদী হৈ উঠিছে। এই প্রতিবাদ নাৰীক নাৰীময় দুর্বলতাৰ ঊর্দ্ধত মানুহ হিচাপে প্রতিষ্ঠা কৰাৰ যোগেদি স্বাধিকাৰ প্রতিষ্ঠা কৰাৰ প্রতিবাদ। *মহাভাৰতৰ* মহিয়সী নাৰী 'যাজ্ঞসেনী' আৰু *ৰামায়ণৰ* আদর্শ ভাৰতীয় নাৰী চৰিত্রক কবিয়ে আধুনিক যুগৰ সমাজ-বাস্তৱতাৰ ভেটিত প্রতিষ্ঠা কৰিব বিচাৰিছে। অতি সচেতনভাৱে আজিৰ সীতা *ৰামায়ণৰ* সীতাৰ দৰে সোণৰ হৰিণৰ সৌন্দর্য প্রয়াসী নহয়, তেওঁ যুক্তিবাদী প্রগতিশালী ভাৰতীয় নাৰী। তেওঁৰ

কবিতাত বিষয়ৰ বৈচিত্র্যতকৈ আভ্যন্তৰীণ সুৰৰ সামঞ্জস্যহে অধিক।

- **নীলিম কুমাৰ ঃ** আশীৰ দশকৰে পৰা কাব্যচর্চা কৰি জনপ্রিয়তা অর্জন কৰা এগৰাকী কবি হ'ল নীলিম কুমাৰ। তেওঁৰ দ্বাৰা প্রকাশিত কাব্য সঙ্কলনসমূহ হ'ল— *অচিনাৰ অসুখ, বাৰী কোঁৱৰ, পানীত টো—টোৰোৰ মাছ, স্বপ্নৰ ৰেলগাড়ী, শেলুৱৈ গধূলি, টোপনিৰ বাগিছা, ধুনীয়া তিৰোতাবোৰ আৰু অন্যান্য কবিতা* ইত্যাদি। সুন্দৰ ব্যঞ্জনা আৰু কম কথাৰে অধিক ভাব প্রকাশৰ ক্ষমতাৰ বাবে তেওঁ পাঠকৰ মাজত বিশেষ জনপ্রিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। সুন্দৰ ব্যঞ্জনা, অর্থৰ গভীৰতা, অভিনৱ কথনকৌশল, আবেগময় আৰু নিৰলঙ্কাৰ গ্রাম্যভাষাই তেওঁৰ কবিতাক বিশেষ আয়তন প্রদান কৰিছে। লোকজীৱনৰ পৰা বুটলি অনা সমলক আধাৰ হিচাপে লৈ কবিয়ে কাব্যৰচনাত মনোনিৱেশ কৰিছে। আধুনিক জীৱনৰ শূন্যতাবোধ, গভীৰ অন্তর্দৃষ্টি আৰু লোক জীৱনৰ সুৰে তেওঁৰ কবিতাক বিশেষভাৱে সমৃদ্ধ কৰিছে।
- **অবনী চক্রৱর্তী ঃ** সত্তৰৰ দশকত কবি হিচাপে পৰিচিতি লাভ কৰা অবনী চক্রৱর্তীয়ে ষাঠীৰ দশকতে কাব্যচর্চা আৰম্ভ কৰিছিল যদিও পিছৰ দশকতহে প্রতিষ্ঠা লাভ কৰে। তেওঁৰ কবিতাৰ পুথি *দেহা ৰমেৰমাই মোৰ, শ্লোগান, কবিকণ্ঠ, অবনি চক্রৱর্তীৰ নির্বাচিত কবিতা* আদি প্রধান। তেওঁ দেশী-বিদেশী কবিতা অধ্যয়ন কৰি প্রগতিশীল ভাবধাৰাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। তেওঁ ভালেমান বিদেশী কবিৰ কবিতাও অসমীয়ালৈ অনুবাদ কৰিছিল। তেওঁৰ প্রায়বিলাক কবিতাতে কবিৰ হৃদয়ত তাড়ণা আৰু জীৱন-যন্ত্রণাৰ ছবি প্রতিফলিত হৈছে। তেওঁ কৃষক, শ্রমিক আৰু আর্তজনৰ শোষণ-নিপীড়নৰ ছবি অতি সার্থক ৰূপত তুলি ধৰিছে।
- **প্রয়াগ শইকীয়া ঃ** আশীৰ দশকত অসমীয়া কাব্য জগতত প্রবেশ কৰা প্রয়াগ শইকীয়াই বিগত চাৰিটা দশক জুৰি নিৰলসভাৱে কাব্য চর্চা কৰি আহিছে। দেশী-বিদেশী কবিতাৰ অধ্যয়নে তেওঁৰ কাব্যিক চিন্তাৰ পৰিমণ্ডল বৃদ্ধি কৰিছে। ১৯৮৭ চনত তেওঁৰ প্রথম কাব্যগ্রন্থ *পৃথিৱী প্রেয়সী* (১৯৮৭)ৰ যোগেদি সমকালীন সমাজখনক কবিয়ে নিজস্ব দৃষ্টিভঙ্গীৰে পর্যবেক্ষণ কৰি নিজৰ কবি প্রতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। তেওঁৰ কবিতাত প্রেম-বিষাদ, সমাজ চেতনা আৰু আধুনিকতাই গৰকি যোৱা মানসিক চিন্তাৰ প্রতিফলন ঘটিছে। আধুনিকতাই মন-মগজু, হৃদয় ছানি ধৰা সময়ৰ এই জটিল সন্ধিক্ষণত মানুহে ন্যায়, সততা প্রভৃতি মানৱীয় মূল্যবোধসমূহ পাহৰি পেলাইছে। সামাজিক দায়বদ্ধতা প্রয়াগ শইকীয়াৰ কবিতাৰ এটি মন কৰিবলগীয়া বৈশিষ্ট্য। তেওঁৰ দ্বিতীয়খন কাব্য সঙ্কলন *বাউসীত দুখন ডেউকা* (১৯৯০)ত মুঠ ৩২টা কবিতা সন্নিৱিষ্ট হৈছে। মানৱীয় মূল্যবোধৰ লগে লগে ইতিহাস চেতনাই তেওঁৰ কাব্যত ভূমুকি মাৰিছে। ২৮টি কবিতাৰে সমৃদ্ধ তেওঁৰ তৃতীয় কাব্য সঙ্কলন *অমিতাভ ফুলে* (১৯৯৩) হতাশাৰ পৰিৱর্তে প্রৱল আশাবাদে তেওঁৰ কবিতাত প্রাধান্য লাভ কৰিছে। তেওঁৰ অন্যান্য কাব্য সঙ্কলনসমূহ

হ'ল— *ইজেলৰ ইলিজী* (২০০৩), *নীলাভ বিস্তৃতি* (২০০৭), *প্ৰতিমাপ্ৰেমীৰ পদ্য* (২০১১), *বটাহচৰা বাটত* (২০১৪) ইত্যাদি। তেওঁৰ কবিতা বাংলা আৰু ইংৰাজী ভাষালৈয়ো অনূদিত হৈছে।

- **অনুপমা বসুমতাৰী ঃ** আশীৰ দশকত অসমীয়া কাব্য জগতত প্ৰৱেশ কৰি কেইবাখনো কাব্যগ্ৰন্থ ৰচনাৰে ইতিমধ্যে অনুপমা বসুমতাৰীয়ে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁৰ প্ৰথম কাব্যগ্ৰন্থ হ'ল *ৰূপালী ৰাতিৰ ঘাট*। কবিতা তেওঁৰ বাবে এক জীৱনব্যাপী সাধনা, আত্ম-অন্বেষণৰ আহিলা আৰু প্ৰকৃতিৰ অনাবিল সৌন্দৰ্য উপলব্ধিৰ প্ৰধান সমল। জীৱন আৰু জগতৰ ৰহস্যৰ সন্ধানত কবিয়ে শৈল্পিক দৃষ্টিভঙ্গীৰে কাব্য ৰচনাত প্ৰবৃত্ত হৈছে আৰু ব্যক্তিগত আৰু সামাজিক অভিজ্ঞতাৰ বিভিন্ন দিশ কবিতাৰ মাধ্যমেদি প্ৰকাশৰ প্ৰয়াস কৰিছে। আশী-নব্বৈৰ দশকত অসমীয়া কাব্য জগতত প্ৰৱেশ কৰা কবিসকলৰ ভিতৰত অনুপমাৰ স্থান সুকীয়া, কিয়নো তেওঁ জীৱনৰ অভিজ্ঞতাক শিল্পীত ৰূপত কাব্যৰ মাজেদি প্ৰকাশৰ যত্ন কৰিছে।

- **ৰামধেনু-পৰৱৰ্তী কালৰ (১৯৭০-৯০) অসমীয়া সাহিত্যৰ চুটিগল্পকাৰসকল ঃ** এই সময়ছোৱাত ভালেকেইগৰাকী গল্পকাৰে অসমীয়া চুটিগল্পৰ ভঁৰাল টনকীয়াল কৰিছিল।
  - **শীলভদ্ৰ ঃ** *নৱযুগ*নামৰ সত্তৰৰ দশকত প্ৰকাশিত সাহিত্যলোচনীৰ যোগেদি গল্পকাৰ স্বৰূপে আত্মপ্ৰকাশ কৰা শীলভদ্ৰই বাস্তৱবোধৰ ধাৰণাৰে ৰচনা কৰা প্ৰথম গল্প সঙ্কলনটোৰ নাম হ'ল *বাস্তৱ*। তেওঁৰ গল্পৰ ভাষা আৰু কাহিনী কথনত স্বকীয়তা বিদ্যমান। গোৱালপৰীয়া অঞ্চলৰ স্থানীয় ভাষাৰ জতুৱা ৰূপটোৰ সাৰ্থক প্ৰয়োগে তেওঁৰ গল্পৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। জীৱনৰ বিভিন্ন কৰ্মক্ষেত্ৰৰ পৰা আহৰণ কৰা অভিজ্ঞতাই তেওঁৰ গল্পবোৰ বৈচিত্ৰতাৰ পৰিপূৰ্ণ কৰি তুলিছে। তেওঁৰ গল্পৰীতি হৈছে সমালোচনাত্মক বাস্তৱতাৰ ৰীতি আৰুসামাজিক বাস্তৱতাৰ আলমত গল্পকাৰে বিভিন্ন পৰিস্থিতিসমূহ পৰ্যবেক্ষণ কৰি গল্পৰ পৃষ্ঠভূমি নিৰ্মাণ কৰিছে। চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰতো শীলভদ্ৰই দক্ষতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে, কম কথাৰ মাজে�ৰেই তেওঁ একো একোটা চৰিত্ৰপাঠকৰ সন্মুখতস্পষ্ট ৰূপত দাঙি ধৰিবলৈ সক্ষম হৈছে।
  - **নীৰোদ চৌধুৰী ঃ** বৰ্ণবৈচিত্ৰ্যময় গল্পৰে ৰোমাণ্টিক বাস্তৱতাৰ ধাৰাটোক প্ৰতিনিধিত্ব কৰা নিৰোদ চৌধুৰী এই কালছোৱাৰ এগৰাকী প্ৰতিষ্ঠিত লেখক। তেওঁৰ গল্পৰ কথনভঙ্গী সুকীয়া। কৌতুহল-উদ্দীপক আৰু ৰসপূৰ্ণ বৰ্ণনাৰ কথনভঙ্গী সুকীয়া। কৌতুহল-উদ্দীপক আৰু ৰসপূৰ্ণ বৰ্ণনাৰ মাধ্যমেদি তেওঁ পাঠকক আকৰ্ষিত কৰে। জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ পৰা সংগ্ৰহ কৰা বিভিন্ন নৰ-নাৰীৰ চৰিত্ৰই তেওঁৰ গল্পৰাজি সমৃদ্ধ কৰিছে। *অঙ্গে অঙ্গে শোভা, নিশিগন্ধা, হংসমিথুন, চামেলি মেমচাহাব* আদি নিৰোদ চৌধুৰীৰ উল্লেখযোগ্য গল্প সঙ্কলন। তেওঁ বহুকেইখন উপন্যাস ৰচনা কৰি অসমীয়া কথা সাহিত্যিক সমৃদ্ধ কৰিছে। তেওঁৰ ভালেমান কাহিনীক বোলছবিৰ ৰূপ দিয়া হৈছে। নিৰোদ চৌধুৰীয়ে তেওঁৰ গল্পৰ মাধ্যমেদি

মধ্যবিত্ত সমাজখনৰ বহুতো অনাৱিস্কৃত দিশত পোহৰ পেলাবলৈ সক্ষম হৈছে। সৰল আৰু প্ৰাঞ্জল ভাষাৰ মাধ্যমেদি জীৱনৰ সৰুবৰ বিচিত্ৰ অভিজ্ঞতাক কাহিনী ৰূপ প্ৰদান কৰাত তেওঁৰ পাৰদৰ্শিতা শলাগিবলগীয়া।

- **অতুলানন্দ গোস্বামী ঃ** সহজ সৰল বিষয়বস্তুৰে কোনো ধৰণৰ উৎসুকতাৰ সৃষ্টি নকৰাকৈ গোস্বামীয়ে পাঠকৰ লগত সহজ-আবেদনৰ সৃষ্টি কৰিব পাৰে। দৈনন্দিন জীৱনৰ প্ৰাত্যহিক অভিজ্ঞতাৰ পৰা আৰম্ভ কৰি সৰ্বসাধাৰণৰ চকুত নপৰা প্ৰায়বোৰ দিশ সামৰি তেওঁ গল্প ৰচনা কৰিছে। তেওঁৰ গল্পত বৰ্ণনাৰ প্ৰাধান্য কম। তেওঁৰ গল্প সঙ্কলনসমূহ হৈছে— *হামদৈ পুলৰ জোন* (১৯৬৬), *গল্প* (১৯৬৭), *ৰাজপথ* (১৯৭৬), *পলাতক* (১৯৮৩), *আশ্ৰয়* (১৯৯৩), *চেনেহ জৰীৰ গাঁথি* (২০০৩), *ৱৈভৱ বিলাপ* (২০০৪) ইত্যাদি। *চেনেহ জৰীৰ গাঁথি* গ্ৰন্থৰবাবে 'সাহিত্য অকাডেমিৰ বঁটা' লাভ কৰে। গোস্বামীৰ *নামঘৰীয়া* এখনি জনপ্ৰিয় উপন্যাস।
- **নগেন শইকীয়া ঃ** নগেন শইকীয়াৰ গল্পকথনৰ ভঙ্গী সাৱলীল। তেওঁৰ সাম্প্ৰতিক কালৰ গল্পত পৰিণত অভিজ্ঞতা আৰু পূৰ্ঠ গল্পৰীতিৰ পৰিচয় স্পষ্ট। 'আন্ধাৰত নিজৰ মুখ' তেওঁৰ এটি উৎকৃষ্ট চুটিগল্প। তেওঁৰ চুটিগল্পৰ সঙ্কলনসমূহ হ'ল *কুবেৰ হাতীবৰুৱা* (১৯৬৭), *ছবি আৰু ফ্ৰেম* (১৯৬৯), *বন্ধ কোঠাত ধুমুহা* (১৯৭১), *মাটিৰ চাকিৰ জুই* (১৯৭৬) *অস্তিত্বৰ শিকলি* (১৯৭৬), *আন্ধাৰত নিজৰ মুখ* (১৯৯৫) ইত্যাদি।
- **প্ৰণৱজ্যোতি ডেকা ঃ** প্ৰণৱজ্যোতি ডেকাই সাম্প্ৰতিক কালছোৱাত গল্প সাহিত্যলৈ উল্লেখযোগ্য ৱৰঙণি আগবঢ়াইছে। তেওঁৰ প্ৰকাশৰীতি বলিষ্ঠ আৰু বাস্তৱধৰ্মী চিন্তাৰে পৰিপুষ্ট। 'ৰেৱাৰিছ লাশ' গল্পত তেওঁ ৰোমাণ্টিক আৰু বাস্তৱধৰ্মী চেতনাৰ মাজতে দোদুল্যমান যুগ এটাৰ ছবি অঙ্কন কৰিছে। তেওঁৰ অন্যান্য গ্ৰন্থৰ ভিতৰত *একুৰি বছৰৰ গল্প, এটি অমীমাংসিত হত্যা, ৰাজসাক্ষী, বতাহত পতাকা কঁপে, মৃত্যুৰ আমন্ত্ৰণ* আদি উল্লেখযোগ্য।
- **অপূর্ব শর্মা ঃ** প্ৰকাশভঙ্গীৰ সৰলতা আৰু পৰ্যবেক্ষণ শক্তিৰ সূক্ষতাৰ যোগেদি অপূর্ব শর্মাই এই সময়ছোৱাত ভালেমান উল্লেখযোগ্য গল্প সৃষ্টি কৰিবলৈ সক্ষম হৈছে। সামাজিক শোষণ আৰু অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিৰোধৰ ভাব তেওঁৰ গল্পত বিদ্যমান। তেওঁৰ প্ৰকাশিত, গল্প সঙ্কলনসমূহ হ'ল— *বন্ধুৰ পথত কেইজনমান ডেকা মানুহ* (১৯৭৭), *শুভবার্তা* (১৯৮৫), *বাঘে টাপুৰ ৰাতি* আৰু *অন্যান্য কাহিনী* (১৯৯৬)। *বাঘে টাপুৰ ৰাতিৰ* বাবে তেওঁ ২০০০ চনত 'সাহিত্য অকাডেমি বঁটা' লাভ কৰে।
- **হৰেকৃষ্ণ ডেকা ঃ** সাম্প্ৰতিক কালৰ এগৰাকী অতি প্ৰভাৱশালী আৰু লেখত ল'বলগীয়া গল্পকাৰ হ'ল হৰেকৃষ্ণ ডেকা। তেওঁৰ গল্পৰ কেন্দ্ৰীয় সুৰ হৈছে বাস্তৱবোধ। আধুনিক সমাজখন অতি ওচৰৰ পৰা নিৰীক্ষণ কৰি তেওঁ বাস্তৱক স্বকীয় ৰূপত উপস্থাপন কৰিছে। তেওঁৰ গল্পৰ বৰ্ণনা সংযত আৰু ভাষা বলিষ্ঠ।

তেওঁৰ গল্পপুথিসমূহ হ'ল— *প্ৰাকৃতিক আৰু অন্যান্য* (১৯৮৫), *মধুসুদনৰ দলং* (১৯৯২)।

- **ভূপেন শৰ্মা ঃ** ৰামধেনু - পৰৱৰ্তী কালৰ এগৰাকী গল্পকাৰ আৰু ঔপন্যাসিক। তেওঁৰ সঙ্কলনসমূহ হ'ল— *ভোগ আৰু শ* (১৯৯৭), *শ্ৰেয় প্ৰাতিভাসিক* (১৯৮৮)। তেওঁ ইতিমধ্যে কেইবাখনো উপন্যাস ৰচনা কৰি অসমীয়া সাহিত্য সমৃদ্ধ কৰিছে। শৰ্মাৰ গল্পত বাস্তৱবাদী চিন্তাৰ পৰিচয় পোৱা যায়।
- **কমলা বৰগোঁহাই ঃ** কমলা বৰগোহাঞিৰ উল্লেখযোগ্য গল্পসঙ্কলনসমূহ হ'ল— *মই এটা সাপ* (১৯৭৮), *ইপাৰ সিপাৰ* (২০০০), *অন্ধকাৰত আমাৰ অস্তিত্ব* (২০০২), *সৃষ্টি আৰু দৃষ্টি* ইত্যাদি। তেওঁৰ গল্পত মানৱীয় আশা আকাঙ্খাৰ লগে লগে সমাজ-বাস্তৱতাৰ দিশটোৱে প্ৰকাশ লাভ কৰিছে। তেওঁৰ গল্পত সৰ্বসাধাৰণৰ প্ৰতি সহানুভূতিৰ পৰিচয় পোৱা যায়।
- **দেৱব্ৰত দাস ঃ** ৰামধেনু - পৰৱৰ্তী কালৰ বিশিষ্ট গল্পকাৰ দেৱব্ৰত দাসে সমাজৰ দুৰ্নীতি ভণ্ডামি আদিত নিমজ্জিত ব্যক্তিসকলৰ স্বৰূপ উদঙাই দিবলৈ চেষ্টা কৰিছে। তেওঁৰ 'পঙ্কিলতাৰ এদিন' এনে বিষয়বস্তু আধাৰিত এটা সার্থক। তেওঁৰ 'অৰ্পিতাৰ এৰাতি' আৰু 'হয়তোবা ভেশচন' সাম্প্ৰতিক কালৰ চুটিগল্পৰ ক্ষেত্ৰত লেখত ল'বলগীয়া সংযোজন। বৰ্তমান সমাজৰ দুৰ্নীতি, ভণ্ডামি আৰু অনিয়মৰ স্বৰূপ তেওঁৰ গল্পত অতি সার্থক ৰূপত চিত্ৰিত হৈছে। তেওঁ সমাজৰ ভণ্ডামিৰ স্বৰূপ চিত্ৰৰ যোগেদি বিবেকৰ জাগৰণৰ প্ৰয়াস কৰিছে। একো একোটা বিশেষ পৰিস্থিতিক লৈ তেওঁ একোটা সুন্দৰ গল্প ৰচনা কৰিছে। তেওঁৰ কথনভঙ্গী মনোগ্ৰাহী আৰু চিনেমাৰ দৰে আচাম্বিতে পট পৰিৱৰ্তন কৰি আধুনিক কলা আৰু চিনেমাৰ কৌশল অৱলম্বন কৰি দৰ্শকক আমোদ দিয়ে।
- **ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী ঃ** এই সময়ছোৱাৰ এগৰাকী জনপ্ৰিয় লেখক ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী 'সময় অথবা ইলেক্ট্ৰনিক ঘড়ী'ত নতুন পুৰুষৰ ধ্যান-ধাৰণাৰ যুক্তি যুক্ততাৰে পুৰাতন ধ্যান-ধাৰণাক নতুন ৰূপত বিচাৰ কৰিবৰ বাবে কৰা প্ৰয়াস লক্ষ্য কৰা যায়। তেওঁৰ গল্প-উপন্যাসত যৌৱনসুলভ প্ৰেম, আবেগ, উত্তেজনা আদিয়ে প্ৰাধান্য লাভ কৰিছে। তেওঁৰ উল্লেখযোগ্য গল্প সঙ্কলনসমূহ হ'ল— *গল্প লিখাৰ গল্প* (১৯৮৮), *মৃত্যুৰ লেখা-প্ৰেমৰ লেখা* (১৯৯৬), *গৰখীয়া দেশ* (২০০৫) ইত্যাদি। তেওঁ ইতিমধ্যে কেইবাখনো উপন্যাস ৰচনা কৰি নিয়তি নিয়াতি লাভ কৰিছে।
- **মদন শৰ্মা ঃ** মদন শৰ্মাই মননশীল দৃষ্টিভঙ্গীৰে জীৱনৰ সমস্যাক বিশ্লেষণ কৰাৰ প্ৰয়াস কৰিছে তেওঁৰ গল্পৰ মাজেদি। সমাজ পৰিৱৰ্তনৰ প্ৰতি দায়বদ্ধতা তেওঁৰ গল্পত ফুটি উঠিছে। তেওঁৰ দুই-এটি গল্পত ব্যঙ্গভাৱেও প্ৰাধান্য লাভ কৰিছে। তেওঁৰ প্ৰকাশিত গল্প গ্ৰন্থসমূহ হৈছে— *জীৱনৰ মুখামুখি এদিন* (১৯৯৬), *তোমাৰ মাত*

(১৯৯৮) ইত্যাদি। তেওঁ ইতিমধ্যে কেইবাখনো উপন্যাস ৰচনা কৰিছে। শৰ্মা এগৰাকী বিশিষ্ট শিক্ষাবিদ আৰু প্ৰবন্ধকাৰ।

- **শিবানন্দ কাকতি ঃ** অসমৰ সাতাম পুৰুষীয়া লোকজীৱন আৰু সংস্কৃতিক পটভূমি স্বৰূপে লৈ গল্প ৰচনাত সাৰ্থকতা লাভ কৰিছে শিৱানন্দ কাকতিয়ে। তেওঁৰ 'বৰণীয়া আলিবাট বোকাময়' গল্পত অসমীয়া লোককলাৰ অন্তৰ্গত ভটাগুটি খেলৰ বৰ্ণনাই বহু ঠাই আগুৰিছে।
- **দীনেশ চন্দ্ৰ গোস্বামী ঃ** কল্পবিজ্ঞান আৰু বিজ্ঞানভিত্তিক গল্প ৰচনাৰে অসমীয়া সাহিত্যিক সমৃদ্ধ কৰিছে দীনেশ চন্দ্ৰ গোস্বামীয়ে। তেওঁ ভালে সংখ্যক বিজ্ঞানভিত্তিক গল্প ৰচনাৰে অসমীয়া সাহিত্যিক সমৃদ্ধ কৰিছে। তেওঁৰ গল্প সঙ্কলনসমূহ হ'ল— *ভদ্ৰতামাপক যন্ত্ৰ* (১৯৮৫), *পৰ্টেবল খেল এবৰ্চাৰ* (১৯৮৬), *টাইটনৰ অভিমান* (১৯৯১), *এজাক জোনাকীৰ* (১৯৯২), *শব্দ শব্দ নিৰন্তৰ* (১৯৯২), *উষ্ম প্ৰবাহ* (১৯৯৩) আৰু *এক তৰঙ্গৰ দৰে* (১৯৫)। তেওঁ কেইবাখনো বিজ্ঞানভিত্তিক গ্ৰন্থ ৰচনা কৰে।
- **কুল শইকীয়া ঃ** কুল শইকীয়াই বিগত তিনিটা দশক ধৰি গল্প ৰচনা কৰি আহিছে। তেওঁৰ গল্প সঙ্কলনসমূহ হ'ল— *তীৰ্থডেকাৰ নিৰুদ্দেশৰ পিছৰছোৱা* (১৯৯৬), *আখৰাত মই আৰু অন্যান্য* (১৯৯৭), *গল্পৰ আঁৰৰ মানুহ* (১৯৯৯) আৰু *আড্ডা* (২০০৫)।
- **ৰবীন শৰ্মা ঃ** এগৰাকী নিষ্ঠাৱান কথা-সাহিত্যিক হিচাপে ৰবীন শৰ্মাই অসমীয়া কথা সাহিত্যলৈ বিশেষ বিশেষ বৰঙণি আগবঢ়াবলৈ সক্ষম হৈছে। কুৰি শতিকাৰ নব্বৈৰ দশকত গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰি অসমীয়া গাঁৱলীয়া জীৱনৰ শোকাবহ চেতনাৰ মাজতেই বিশ্বজনীন উপাদানৰ সন্ধান কৰা ৰবীন শৰ্মাই ইতিমধ্যে কেইবাখনো গল্প সঙ্কলন প্ৰকাশ কৰি উলিয়াইছে। সেইবোৰ হ'ল— *পাঞ্চাৰ পাঞ্চালী* (১৯৯৬), *চং* (১৯৯৭), *ব্যথা ভাগৰথ* (২০০১) ইত্যাদি।
- **মনোৰমা দাস মেধি ঃ** মনোৰমা দাস মেধি ৰামধেনু - পৰৱৰ্তী কালৰ এগৰাকী অতি প্ৰভাৱশালী গল্পকাৰ। নব্বৈৰ দশকৰ পৰা গল্প ৰচনা কৰি প্ৰতিষ্ঠা লাভ কৰা মনোৰমা দাস মেধিয়ে ইতিমধ্যে কেইবাখনো গল্প সঙ্কলন প্ৰকাশ কৰি উলিয়াইছে। তাৰ ভিতৰত *কাঠগড়াত ঈশ্বৰ* (১৯৯৫), *প্ৰেমগাঁথা* (২০০৩) আৰু *সপোনৰ সোণাৰু* (২০০৩) বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ গল্পত নাৰীমনৰ গভীৰ-গোপন কথাবোৰ অতি সুন্দৰ ৰূপত প্ৰকাশ পাইছে।
- **অৰূপা পটঙ্গীয়া কলিতা ঃ** বিশিষ্ট লেখিকা অৰূপা পটঙ্গীয়া কলিতাই গল্প আৰু উপন্যাস ৰচনাত নিৰলভাৱে ব্ৰতী হৈ আহিছে। আশীৰ দশকৰ পৰা নিৰলসভাৱে গল্প আৰু উপন্যাস ৰচনাৰে অসমীয়া কথা সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢ়োৱা কলিতাৰ প্ৰধান গল্প সঙ্কলনসমূহ হ'ল— *মৰুযাত্ৰা আৰু অন্যান্য* (১৯৯২),

মৰুভূমিত মেনক আৰু অন্যান্য (১৯৯৫), *দেওপাহাৰৰ ভগ্নস্তূপত* (১৯৯৯), *পাছ চোতালত বকথকতা* (২০০০), *মিলেনিয়ামৰ সপোন* (২০০২), *কুৰোশ্বাৰাৰ সপোন, মোৰ সপোন সিহঁতৰ সপোন* (২০০৭) আৰু *আলোকজান বানুৰ জান* (২০০৫) ইত্যাদি। ১৯৮৯ চনত 'দৈৰকীৰ দিন' গল্পৰ বাবে 'কথা বঁটা' লাভ কৰা কলিতাই ইতিমধ্যে কেইবাটাও বঁটাৰে সন্মানিত হৈছে।

- **উদয়াদিত্য ভৰালী ঃ** ভৰালীৰ প্ৰকাশৰীতি বলিষ্ঠ আৰু বৌদ্ধিকতাৰ চাপেৰে পৰিপুষ্ট। সমাজ সমালোচনাৰ হাতিয়াৰ স্বৰূপে তেওঁ গল্পত ব্যঙ্গ আৰু বিদ্রূপৰ সহায় লৈছে।
- **বিৰিঞ্চি কুমাৰ মেধি ঃ** এই সময়ছোৱাত পৰম্পৰাগত চিন্তা-ভাৱনাক লৈ সার্থক গল্প ৰচনা কৰিছে বিৰিঞ্চি কুমাৰ মেধিয়ে। তেওঁৰ কথনভঙ্গী আৰু চৰিত্ৰ সৃষ্টি কৰিব পৰা ক্ষমতা প্ৰশংসনীয়। গাঁৱলীয়া মধ্যবিত্ত জীৱনৰ সংঘাত আৰু সংঘর্ষই তেওঁৰ গল্পত প্ৰাধান্য লাভ কৰিছে। তেওঁৰ প্ৰকাশিত গল্প গন্থসমূহ হ'ল— *অন্তৰীপ, আগচোতালৰ মেল, অসমৰ প্ৰতিবেশী পতঙ্গ* ইত্যাদি। *অভিনন্দিত অৱসাদ* হ'ল তেওঁৰ একমাত্ৰ উপন্যাস।
- **ৰিজু হাজৰিকা ঃ** ৰিজু হাজৰিকাই পৰম্পৰাবাদী দৃষ্টিভঙ্গীৰে মধ্যবিত্ত জীৱনৰ ওপৰত তীব্ৰ দৃষ্টি নিক্ষেপ কৰিছে তেওঁৰ গল্পৰ মাধ্যমেদি। তেওঁৰ গল্পৰ শ্লেষ সংবেদনশীল। ঔপন্যাসিক, গল্পকাৰ আৰু প্ৰবন্ধকাৰ ৰিজু হাজৰিকাৰ প্ৰকাশিত গ্ৰন্থৰাজি হ'ল— *লাজ, সণ্ঢালনি, কম কম বুলি, মোৰ বাবে তুমি, দুৰ্বাৰ দুঃসঙ্গ, কি স'তে লিখিবা বন্ধু, ডাঙৰ মামী, বালিৰ কুন্তী, মন নিজৰাৰ ৰূপালী পানী, পুষ্পবৃষ্টি* ইত্যাদি।
- **ৰীতা চৌধুৰী ঃ** অসমীয়া উপন্যাসত সাহিত্যৰ প্ৰথিতযশা ঔপন্যাসিক ৰীতা চৌধুৰীয়ে আশীৰ দশকত গল্প আৰু উপন্যাস ৰচনাত হাত দি *অবিৰত যাত্ৰা* উপন্যাস ৰচনাৰে এগৰাকী ঔপন্যাসিক হিচাপে প্ৰতিষ্ঠা লাভ কৰে। তেওঁৰ উল্লেখযোগ্য উপন্যাসসমূহ হ'ল— *অবিৰত যাত্ৰা* (১৯৮১), *মহাজীৱন আধাৰশিলা* (২০০৩), *পপীয়া তৰাৰ সাধু* (১৯৯৮), *হৃদয় নিৰুপায়* (২০০৩), *জলপদ্ম* (২০০৫), *নয়না তৰালী সুজাতা* (২০০৪), *কথামালকোষ* (২০০৫), *দেওলাংখুই* (২০০৫), *ডাক্তৰী* (২০০৬), *এই সময় সেই সময়* (২০০৭), *ৰাজীৰ ঈশ্বৰ* (২০০৭), *মাকন* (২০১০) ইত্যাদি। *দেওলাংখুই* উপন্যাসৰ কাৰণে তেওঁ ২০০৮ চনত 'সাহিত্য অকাডেমি বঁটা' লাভ কৰে।
- **ৰতন কুমাৰ কটকী ঃ** চিকিৎসা বৃত্তিত নিয়োজিত কটকীয়ে কবিতা, গল্প আৰু উপন্যাস সকলোতে বুৎপত্তি লাভ কৰিছে। তেওঁৰ দ্বাৰা ৰচিত উপন্যাসমূহ হ'ল— *মাডাৰ মেৰী* (১৯৮৬), *দীঘাত এনিশা* (১৯৯১), *সময়ৰ ৰং* (২০০৯) ইত্যাদি।
- **সান্ত্বনাময়ী মজুমদাৰ ঃ** কবি, ঔপন্যাসিক আৰু প্ৰৱন্ধকাৰ মজুমদাৰৰ প্ৰকাশিত উপন্যাস হ'ল *যাজ্ঞসেনী* (১৯৯৯) আৰু *মনে মোৰ কথা কয়* (২০০১)।
- **বিপুল খাটনিয়াৰ ঃ** অন্যায়-অবিচাৰ আৰু শোষণৰ বিৰুদ্ধে প্ৰতিৰোধৰ সুৰ শুনিবলৈ

পোৱা যায় বিপুল খাটনিয়াৰ গল্পত। তেওঁৰ পৰ্যবেক্ষণ শক্তি প্ৰবল আৰু চৰিত্ৰ উপস্থাপনৰ ক্ষমতাও যথেষ্ট পৰিমাণে শক্তিশালী। বনুৱা জীৱনৰ সমস্যাৰ চিত্ৰণত গল্পকাৰ সিদ্ধহস্ত। সৰ্বসাধৰণ মানুহৰ কথিত ভাষাক তেওঁ গল্পৰ মাজেদি প্ৰকাশ কৰাত পাৰদৰ্শিতা লাভ কৰিছে। খাটনিয়াৰৰ গল্পত সমাজতান্ত্ৰিক বাস্তৱতাই প্ৰাধান্য লাভ কৰিছে। তেওঁৰ প্ৰকাশিত গল্প সঙ্কলনসমূহ হ'ল— *খোজৰ শব্দ* (১৯৮০), *দখাৰ* (১৯৯০), *চিনাকি মুখৰ ছবি* (১৯৯৫) আৰু *তাই কাপোৰ নিপিন্ধে* (২০০২) ইত্যাদি।

- **কুমুদ গোস্বামী ঃ** অসমীয়া গল্প সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢ়াইছে কুমুদ গোস্বামীয়ে। তেওঁৰ গল্প সঙ্কলনসমূহ হ'ল— *দুৱাৰ, ঘনচিৰিকাৰ বাঁহ, প্ৰাৰ্থনা* আৰু *ৰাতিৰ চৰাই*। তেওঁৰ গল্পৰ কথনশৈলী অতি মনোৰম আৰু আকৰ্ষণীয়।
- **অনুৰাধা শৰ্মা পূজাৰী ঃ** অসমীয়া গল্প আৰু উপন্যাস সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢ়াইছে অনুৰোধা শৰ্মা পূজাৰীয়ে। তেওঁৰ গল্পপুথিসমূহ হ'ল— *বসন্তৰ গান* (১৯৯৯), *এজন অসামাজিক কবিৰ ৰায়গ্ৰাফী* (২০০১), *কেথৰিনাৰ সৈতে এটি নিৰ্জন দুপৰীয়া* (২০০৫), *ন' মেন্‌ছ লেণ্ড* (২০০৮) ইত্যাদি। তেওঁৰ গল্পকথন ৰীতিৰ অতি আকৰ্ষণীয়। অসমীয়া উপন্যাস সাহিত্যৰ লগতে সাংবাদিকতাৰ জগতলৈয়ো তেওঁ বিশেষ বৰঙণি আগবঢ়াইছে। বাস্তৱধৰ্মিতাৰ লগে লগে মানৱীয় প্ৰেম-বিৰহ আদিৰ চিত্ৰণত তেওঁ সিদ্ধহস্ত।
- **জয়ন্ত কুমাৰ চক্ৰৱৰ্তী ঃ** গল্পকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰা জয়ন্ত কুমাৰ চক্ৰৱৰ্তীয়ে ইতিমধ্যে কেইবাখনো গল্প সঙ্কলন প্ৰকাশ কৰি উলিয়াইছে। তাৰ ভিতৰত *সংগ্ৰামত এসাঁতোৰ* (১৯৯৯), *সূৰ্যাস্তৰ ৰং* (২০০১) ইত্যাদি। গৰীয়সীত প্ৰকাশিত *সংগ্ৰমত এসাঁতোৰ* গল্প সঙ্কলনৰ কাৰণে তেওঁ 'কথা বঁটা'ৰে সন্মানিত হৈছে।
- **মামণি ৰয়ছম গোস্বামী ঃ** অসমীয়া গল্প সাহিত্যলৈ বিশিষ্ট বৰঙণি মানৱতাবাদী দৃষ্টিভঙ্গীৰে সাধাৰণ মানুহৰ জীৱনৰ সমস্যাৰাজিক তেওঁ আকৰ্ষণীয় ৰূপত বৰ্ণনা কৰিছে। তেওঁৰ গল্প পুথিসমূহ হ'ল— *চিনাকি মৰম* (১৯৬২), *কইনা* (১৯৬৬), *হৃদয় এক নদীৰ নাম* (১৯৯০), *নিৰ্বাচিত গল্প* (১৯৯৮) আৰু *মামণি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প* (১৯৯৮)।
- **পূৰবী বৰমুদৈ ঃ** নিম্ন-মধ্যবিত্ত জীৱনৰ বিবিধ অভিজ্ঞতাৰ চিত্ৰণ আৰু তাৰ মাজেদি মানৱীয় ভাবানুভূতিৰ সঞ্চাৰ কৰাত পূৰবী বৰমূদৈয়ে পাৰদৰ্শিতাৰ পৰিচয় দিছে। সাম্প্ৰদায়িক সংঘৰ্ষই অসমৰ সমাজ জীৱনৰ সম্প্ৰীতি বিঘ্নিত কৰা পৰিস্থিতিৰ অন্তৰালত থকা কাৰকবোৰ চিত্ৰণৰ প্ৰয়াসো তেওঁৰ দুই-এটি গল্পত চকুত পৰে।
- **পৰাগ কুমাৰ ভট্টাচাৰ্য্য ঃ** গল্পকাৰ, ঔপন্যাসিক, সমালোচক, কবি আৰু গীতিকাৰ হিচাপে পৰিচিত পৰাগ কুমাৰ ভট্টাচাৰ্যই ইতিমধ্যে কেইবাখনো গল্প সঙ্কলন প্ৰকাশ কৰি উলিয়াইছে। তাৰ ভিতৰত *দূষিত দেহৰ সুবাস* (১৯৭২), *যুগ পতন* (১৯৭৬),

ভগ্নছিৰি(১৯৭২), *দ্বিতীয় আগত*(১৯৯০), *স্ৰোতস্বিনী*(২০০২), *আনন্দ আশ্ৰম* (১৯৯৯), *নৈশব্দ*(১৯৯৯), *হৃদয়ৰ সন্ধান*(১৯৭৭) আৰু *ছায়াসঙ্গিনী*(২০০৯)।

- **প্ৰবীণা শইকীয়া ঃ** প্ৰবীণা শইকীয়াই বি. বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা হিচাপে অৱসৰ গ্ৰহণ কৰাৰ লগতে গল্প, কবিতা আদি ৰচনাৰ লগতে অনুবাদ সাহিত্যতো মনোনিবেশ কৰে। তেওঁৰ প্ৰকাশিত গল্প সঙ্কলনসমূহ হ'ল— *চিত্ৰতুৰগ*(১৯৭৯), *অবিনাশী স্বপ্ন*(১৯৯০) ইত্যাদি। তেওঁ *ৰামধেনু, মণিদ্বীপ, প্ৰকাশ* আদি আলোচনীত ভালেমান কবিতা প্ৰকাশ পায়।
- **ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য্য ঃ** ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া কথা সাহিত্যলৈ ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য্যই বিশেষ বৰঙণি আগবঢ়াবলৈ সক্ষম হৈছে। তেওঁৰ প্ৰকাশিত গল্প পুথিসমূহ হ'ল— *দালাল*(১৯৯৭), *কোৰাছ*(১৯৮০), *ঘৰাপাক* (১৯৯২), *গৰম বতাহ*(১৯৯৭), *ব্ৰহ্মপুত্ৰৰ বুকুত সূৰ্যাস্ত*(২০০৩), *আঠাইশটা চুটিগল্প*(২০০৭), *পাণবজাৰত এটা বাঘ*(২০০৮) ইত্যাদি। তেওঁৰ গল্প-উপন্যাসত নানা ধৰণৰ পৰীক্ষা-নিৰীক্ষাৰ যোগেদি নতুনত্বৰ সন্ধান কৰা দেখা যায়। তেওঁ 'কাউৰী, কাউৰী, কাউৰী আৰু' গল্পৰ বাবে ১৯৯১ চনত 'কথা' পুৰষ্কাৰ লাভ কৰে। তেওঁ ইতিমধ্যে কেইবাখনো উপন্যাস ৰচনা কৰি উলিয়াইছে।
- **বন্তি শেনচোৱা ঃ** বন্তি শেনচোৱা বৰ্তমান সময়ৰ এগৰাকী প্ৰতিভাশালী গল্পকাৰ। তেওঁৰ গল্প সঙ্কলনসমূহ হ'ল— *নিষাদ গান্ধাৰ* (২০০৩), *সৰল আৰু সুন্দৰ* (২০০৬), *দুপাৰৰ পাৰ চৰাই*(২০০৯)।
- **যমুনা শৰ্মা চৌধুৰী ঃ** কটন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা যমুনা শৰ্মা চৌধুৰীৰ গল্প সঙ্কলনসমূহ হ'ল— *কাদম্বৰী*(১৯৮১), *সূৰ্য্যমুখী*(২০০১), *সময়-অসময়*(২০১০)। তেওঁ এগৰাকী প্ৰতিষ্ঠিত গল্পকাৰ, ঔপন্যাসিক আৰু প্ৰবন্ধকাৰ।
- **ৰবীন মজুমদাৰ ঃ** একেধাৰে গল্পকাৰ, ঔপন্যাসিক আৰু ব্যঙ্গ লেখক ৰবীন মজুমদাৰে কেইবাখনো গল্প সঙ্কলনেৰে অসমীয়া গল্পৰ জগতখন সমৃদ্ধ কৰিছে। তেওঁৰ উল্লেখযোগ্য গল্প সঙ্কলনসমূহ হ'ল— *তেজ লগা চোলা*(১৯৯৬), *দিল্লীৰ ৰাজপথ এদিন গধূলি*(২০০৩) ইত্যাদি।
- **অপূৰ্ব শৰ্মা ঃ** অপূৰ্ব শৰ্মাই অসমীয়া গল্প সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢ়াইছে। তেওঁৰ প্ৰকাশিত গল্প সঙ্কলন কেইটা হ'ল— *বন্ধুৰ পথত কেইজনমান ডেকা মানুহ* (১৯৭৭), *শুভবাৰ্তা*(১৯৮৫), *বাঘে টাপুৰ ৰাতি* আৰু *অন্যান্য কাহিনী*(১৯৯৬)। *বাঘে টাপুৰ ৰাতি* গল্প সঙ্কলনৰ বাবে তেওঁ ২০০০ চনত 'সাহিত্য অকাডেমি বঁটা' লাভ কৰে।

- **সাম্প্ৰতিক যুগৰ (১৯৭০-১৯৯০) অসমীয়া ঔপন্যাসিকসকল ঃ** এই সময়ছোৱাত ৰচিত হোৱা উপন্যাসসমূহত নতুন ভাব-চিন্তাই ভুমুকি মাৰিছিল।
  - **ধ্ৰুৱজ্যোতি বৰা ঃ** ধ্ৰুৱজ্যোতি বৰাৰ উপন্যাসমূহ হ'ল— *লোহা*(১৯৮৫), *ভোক্ত*

(১৯৮৭), *অৰ্থ* (২০০২), *কথা ৰত্নাকৰ*। *কথা ৰত্নাকৰৰ* বাবে তেওঁ ২০০৯ চনত 'সাহিত্য অকাডেমি বঁটা' লাভ কৰে।

- **মামণি ৰয়ছম গোস্বামী ঃ** অসমীয়া সাহিত্যৰ গল্প আৰু উপন্যাস ৰচনাৰে বিশেষ খিয়াতি লাভ কৰা বিশিষ্ট কথাশিল্পী মামণি ৰয়ছম গোস্বামীয়ে *মামৰে ধৰা তৰোৱাল* গ্ৰন্থৰ বাবে ১৯৮৩ চনত 'সাহিত্য অকাডেমি বঁটা' লাভ কৰে। গোস্বামীৰ দ্বাৰা ৰচিত উপন্যাসমূহ হ'ল— *চেনাবৰ সোঁত* (১৯৭২), *নীলকণ্ঠী ব্ৰজ* (১৯৭৬), *অহিৰণ* (১৯৮০), *মামৰে ধৰা তৰোৱাল* (১৯৮০), *দতাঁল হাতীৰ উয়েঁ খোৱা হাওদা* (১৯৮৮), *সংস্কাৰ, উদয় ভানুৰ চৰিত্ৰ ইত্যাদি* (১৯৮৯), *জখমী যাত্ৰী* (১৯৯০), *তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা* (১৯৯৪), *দশৰথীৰ খোজ* (১৯৯৯) আৰু *ছিন্নমস্তা* (২০০১)। তেওঁ অনুবাদ সাহিত্যৰ লগতে ৰামায়ণী সাহিত্যৰ গৱেষণালৈয়ো বিশেষ অৰিহণা আগবঢ়াইছে।
- **স্বৰ্ণ বৰা ঃ** স্বৰ্ণ বৰাৰ প্ৰকাশিত উপন্যাসসমূহ হ'ল— *ডিয়ুং নদীৰ গীত* (১৯৮৫), *চিমচাং নদীৰ হাঁহি* (১৯৮৭), *লুইত পাৰৰ কণ্ঠ* (১৯৮৯), *সোৱণশিৰিত ৰে'লৰ উকি* (১৯৯০), *দুধনৈৰ বেদনা* (১৯৯৭), *মেঘনা যমুনা থেমচ্* (১৯৯৮), *আইনদীৰ উচুপনি* (১৯৯৯) ইত্যাদি।
- **পৰমানন্দ ৰাজবংশী ঃ** গল্পকাৰ আৰু ঔপন্যাসিক ৰাজবংশীৰ প্ৰকাশিত উপন্যাসসমূহ হ'ল— *এজন ৰজাৰ মৃত্যু* (১৯৮৫), *উন্মিলীৰ পৃথিৰী* (১৯৯২), *কাষ্ঠেৰ দোতৰা কৰে বাও* (১৯৯৪) আৰু *ঈশ্বৰ আল্লা তেৰে নাম* (১৯৯৪)।
- **অনুৰাধা শৰ্মা পূজাৰী ঃ** অনুৰাধা শৰ্মা পূজাৰীৰ উল্লেখযোগ্য উপন্যাসমূহ হ'ল— *হৃদয় এক বিজ্ঞাপন* (১৯৯৮), *এজন ঈশ্বৰৰ সন্ধানত* (১৯৯৮), *কাঞ্চন* (২০০১), *চাহেবপুৰাৰ বৰষুণ* (২০০৩), *ব'ৰাগী নদীৰ ঘাট* (২০০৪), *নাহৰৰ নিৰিবিলি ছাঁ* (২০০৫), *মেৰেং* (২০১০) ইত্যাদি। সংবেদনশীলতা আৰু মানৱীয় দৃষ্টিভঙ্গীৰ প্ৰসাৰ তেওঁৰ ৰচনাত লক্ষ্য কৰা যায়।
- **হেম বৰা ঃ** গল্পকাৰ, ঔপন্যাসিক আৰু প্ৰবন্ধকাৰ ৰূপে প্ৰসিদ্ধ হেম বৰাই কেইবাখনো উপন্যাস ৰচনা কৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। তেওঁৰ প্ৰসিদ্ধ উপন্যাসৰাজি হ'ল— *মন পিপাসী মন* (১৯৬৮), *নিশাৰ কুঁৱলী* (১৯৭৪), *জীৱন লুইতৰ গতি* (১৯৭৬), *ৰজনী বিদূৰ দিশ* (১৯৭৬), *ক্ৰান্তিকালৰ আখৰা* (১৯৮৩), *সুদিন হামাৰি* (২০০৪), *দেৱদাসী* (২০১০) আৰু *হৃদয় দুন্দুভি* (১৯৯২)।
- **অতুল শৰ্মা ঃ** বিশিষ্ট প্ৰবন্ধ লেখক অতুল শৰ্মাৰ একমাত্ৰ উপন্যাস হ'ল— *উৰণীয়া মেঘ* (২০০৩)।
- **ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য্য ঃ** গল্পকাৰ আৰু ঔপন্যাসিক ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য্যৰ উল্লেখযোগ্য উপন্যাসসমূহ হ'ল— *দুৰ্জন* (১৯৮০), *ঘৰুৱা পৰিৱেশত নাছিৰুদ্দিন শ্বাহ* (১৯৮৭), *মৰুদ্যান* (১৯৯১), *সাগৰ তীৰত আমি* (১৯৯৪), *নৰককুণ্ডত*

কেইজনমান অতিথি (১৯৮৭), *প্ৰেম ছবি কবিতা* (১৯৯৯), *বালিঘৰ* (২০০০) ইত্যাদি। তেওঁৰ উপন্যাসৰ মনকৰিবলগীয়া বৈশিষ্ট্য হৈছে চেতনাস্ৰোতৰ প্ৰকাশ।

- **মদন শৰ্মা ঃ** গল্পকাৰ আৰু ঔপন্যাসিক মদন শৰ্মাৰ প্ৰকাশিত উপন্যাস হ'ল— *তেজাল স্বপ্ন* (১৯৯৪), *এখন প্ৰেমৰ পৃথিৱী* (২০০৩)। তেওঁ বৰ্তমান তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক।
- **প্ৰভাত গোস্বামী ঃ** গোস্বামীয়ে কেইবাখনো উপন্যাস ৰচনা কৰিছে। তাৰ ভিতৰত— *হে স্বৰ্গ বিদায়* (১৯৮০), *নিবেদিতা গালৰ্ছ হোষ্টেল* (২০০৫), *অভিনেত্ৰীৰ দিনলিপি* (২০০৫), *নিষিদ্ধ স্পৰ্শ* (২০০৬) আদি উল্লেখযোগ্য।
- **অৰূপা পটঙ্গীয়া কলিতা ঃ** বিশিষ্ট লেখিকা অৰূপা পটঙ্গীয়া কলিতাই নিৰলসভাৱে গল্প আৰু উপন্যাস ৰচনাত মনোনিবেশ কৰি আহিছে। তেওঁৰ প্ৰকাশিত উপন্যাসমূহ হ'ল— *মৃগনাভি* (১৯৮৭), *অয়নান্ত* (১৯৯২), *ফেলানী* (২০০৩) ইত্যাদি। *অয়নান্ত* উপন্যাসৰ বাবে তেওঁ 'ভাৰতীয় ভাষা পৰিষদৰ সাহিত্য' পুৰষ্কাৰ আৰু ১৯৯৮ চনত 'দৈৰকীৰ দিন' গল্পৰ বাবে 'কথা বঁটা' লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁৰ উপন্যাসত নাৰীবাদী চিন্তাৰ প্ৰতিফলন লক্ষ্য কৰা যায়।
- **নীলিমা দেৱী ভাগৱতী ঃ** ভাগৱতীৰ একমাত্ৰ প্ৰকাশিত উপন্যাস হ'ল— *মন-মন্দিৰ* (২০০৯)। তেওঁ গল্প, সাহিত্য, কবিতা আৰু উপন্যাস ৰচনাতো মনোনিবেশ কৰিছে।
- **ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী ঃ** বিশিষ্ট গল্পকাৰ আৰু ঔপন্যাসিক ফণীন্দ্ৰ দেৱচৌধুৰীয়ে মানৱতাবাদী দৃষ্টিভঙ্গীৰে উপন্যাস ৰচনা কৰি অসমীয়া সাহিত্যত এখনি বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। যৌৱনৰ প্ৰেম, আবেগ আৰু উত্তেজনা আদিয়ে তেওঁৰ ৰচনাত প্ৰাধান্য লাভ কৰিছে। তেওঁৰ ৰচিত উপন্যাসসমূহ হ'ল— *অনুৰাধাৰ দেশ* (১৯৮৯), *ঈদিপাছ ঈদিপাছ* (১৯৯৩), *সত্যানুসন্ধান* (১৯৯৪) আৰু *প্ৰেমৰ ঘৰ* (১৯৯৪)। অনুৰাধাৰ দেশ উপন্যাসৰ কাৰণে তেওঁ ১৯৮৯ চনত 'অসম সাহিত্য সভা'ৰ 'বিষ্ণুৰাভা বঁটা'ৰ সন্মানিত হৈছে।
- **ৰীতা চৌধুৰী ঃ** প্ৰথিতযশা ঔপন্যাসিক ৰীতা চৌধুৰীয়ে ১৯৮১ চনত *অবিৰত যাত্ৰা*ৰে উপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰে আৰু ইতিমধ্যে কেইবাখনো উপন্যাসেৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। তেওঁৰ উল্লেখযোগ্য উপন্যাসসমূহ হৈছে— *অবিৰত যাত্ৰা*, (১৯৮১), *মহাজীৱনৰ আধাৰশিলা* (১৯৯৩), *পপীয়া তৰাৰ সাধু* (১৯৯৮), *হৃদয় নিৰুপায়* (২০০৩), *জলপদ্ম* (২০০৪), *নয়না তৰালী সুজাতা* (২০০৫), *ৰাগ মালকোষ* (২০০৫), *দেওলাংখুই* (২০০৫), *জাহ্নবী* (২০০৬), *এই সময় সেই সময়* (২০০৭), *ৰাজীৱ ঈশ্বৰ* (২০০৭), *মাকাম* (২০১০), ইত্যাদি। *দেওলাংখুই* উপন্যাসৰ বাবে চৌধুৰীয়ে 'সাহিত্য অকাডেমি বঁটা'ৰে সন্মালিত হৈছে।
- **খৰ্গেশ্বৰ ভূঞা ঃ** বিশিষ্ট শিক্ষাবিদ আৰু প্ৰতিষ্ঠিত লেখক খৰ্গেশ্বৰ ভূঞাই ইতিমধ্যে

কেইবাখনো উপন্যাস ৰচনা কৰি অসমীয়া সাহিত্যত প্ৰতিষ্ঠা লাভ কৰিছে। তেওঁৰ ইতিমধ্যে প্ৰকাশিত উপন্যাসসমূহ হ'ল— *যুৱৰাজ* (১৯৯৮), *স্যমন্তক মণি* (২০০১), *যথা দৈৱ তথা জয়* (২০০৩), *কৃষ্ণ-বিষ্ণু বাসুদেৱ* (২০০৭) ইত্যাদি। মহাকাব্যিক ঐতিহ্যক আধাৰ হিচাপে লৈ তেওঁ উপন্যাসসমূহ ৰচনা কৰিছে। তেওঁ এগৰাকী প্ৰতিষ্ঠিত প্ৰবন্ধকাৰো।

- **যতীন মিপুণ ঃ** ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া যতীন মিপুণে ইতিমধ্যে গল্প আৰু উপন্যাস ৰচনাৰে প্ৰতিষ্ঠা লাভ কৰিছে। তেঁওৰ উপন্যাসখন হ'ল— *মিক্‌চিজিলি*। তেওঁ এগৰাকী প্ৰতিষ্ঠিত প্ৰবন্ধকাৰো।
- **দীপক কুমাৰ বৰকাকতি ঃ** বৰকাকতিয়ে ইতিমধ্যে কেইবাখনো উপন্যাস ৰচনা কৰিছে। তেওঁৰ উপন্যাসসমূহ হ'ল— *ডিকটেন* (১৯৯৮), *উপত্যকাৰ পৰা উপত্যকালৈ* (২০১২), *কলংপাৰৰ ইতিকথা* (২০০২) আৰু *উদ্ভাষিত উপকূল* (২০০৫)।
- **দীনেশ শৰ্মা ঃ** দীনেশ শৰ্মাৰ উপন্যাসসমূহ হ'ল— *কাণে কাণে কৈ যাওঁ* (১৯৬৭), *পলৰীয়া মেঘ* (১৯৭৩), *আপোনজন* (১৯৮২), *কালগ্ৰস্ত* (২০০৩) আৰু কদমপি (২০০৫)। তেওঁ একেধাৰে গল্পকাৰ, ঔপন্যাসিক আৰু শিশু সাহিত্যিক।
- **তোষেশ্বৰ চেতিয়া ঃ** বিশিষ্ট সমালোচক চেতিয়াই গল্প, কবিতা, উপন্যাস আৰু প্ৰবন্ধ সাহিত্যিলৈ যথেষ্ট বৰঙণি আগবঢ়াইছে। তেওঁৰ দ্বাৰা ৰচিত উপন্যাসসমূহ হ'ল— *জীৱনে জীৱনে জুই*, *তেজৰ আখৰে লিখা* আৰু *লৌহ-পিঞ্জৰ*।
- **কুমুদ গোস্বামী ঃ** বিশিষ্ট গল্পকাৰ কুমুদ গোস্বামীয়ে উপন্যাস সাহিত্যলৈয়ো বিশিষ্ট বৰঙণি আগবঢ়াইছে। তেওঁৰ দ্বাৰা ৰচিত উপন্যাসকেইখন হ'ল— *পান্থশাল* আৰু *উল্কাৰ পোহৰ*। বিশিষ্ট কবি আৰু জাতীয়তাবাদী লেখক অম্বিকাগিৰি ৰায়চৌধুৰীৰ জীৱন আধাৰিত উপন্যাস হ'ল *উল্কাৰ পোহৰ*।
- **পৰাগ কুমাৰ ভট্টাচার্য্য ঃ** কবি, গীতিকাৰ, প্ৰবন্ধকাৰ, সমালোচক, গল্পকাৰ আৰু ঔপন্যাসিক পৰাগ কুমাৰ ভট্টাচার্য্যই কেইবাখনো উপন্যাস ৰচনা কৰি উপন্যাস সাহিত্যক সমৃদ্ধ কৰে। তেওঁৰ দ্বাৰা ৰচিত উপন্যাসসমূহ হ'ল— *ধূপ সুৰভি আৰু ছাঁই* (১৯৭২), *মন দিগন্তৰ মায়া* (১৯৭০), *তামস মায়া* (১৯৭৯), *অন্ধকূপৰ পৰা* (১৯৭৫), *পত্নী আৰু প্ৰেমিকা* (১৯৯৩), *কালৰাত্ৰি* (১৯৭৮), *বোধিদ্ৰমৰ ছাঁ* (১৯৮৩), *জীৱন দেৱতা* (২০০৩) আৰু *সাগৰ শঙ্খ* (২০০৯)। পৰাগ ভট্টাচার্য্যৰ কাহিনী কথন আকৰ্ষণীয় আৰু ভাষা সাৱলীল।
- **মহেন্দ্ৰনাথ হাজৰিকা ঃ** গল্প আৰু শিশু সাহিত্য ৰচনাৰে বিশেষ পৰিচিতি লাভ কৰা মহেন্দ্ৰনাথ হাজৰিকাই *চিনাকি নদীৰ ঘাট* (২০০৫), *অপৰূপা* (২০০৯) আদি উপন্যাস ৰচনা কৰি উলিয়াইছে। আলোচ্য উপন্যাসিকসকলৰ বাহিৰেও কেইবাগৰাকীও প্ৰতিষ্ঠিত গল্পকাৰে উপন্যাস ৰচনা কৰি এই সময়ছোৱাত সাহিত্যক সমৃদ্ধ কৰিছে। তেওঁলোকৰ ভিতৰত য়েছে দৰজে ঠংচি অন্যতম। তেওঁৰ *মৌন ওঁঠ মুখৰ হৃদয়*

(২০০৫), *চনম'* (১৯৮২), *লিংঝিক* (১৯৮২) আৰু *শৰ কটা মানুহ* (২০০৪) উল্লেখযোগ্য উপন্যাস। *মৌন ওঁঠ মুখৰ হৃদয়* উপন্যাসৰ বাবে তেওঁ ২০০৫ চনত 'সাহিত্য অকাডেমিৰ বঁটা' লাভ কৰে।

- **ৰামধেনু - পৰৱৰ্তী কালৰ (১৯৭০-১৯৯০) অসমীয়া নাট্যকাৰসকল ঃ** এই কালছোৱাত বহু কেইজন নাট্যকাৰে নাটক ৰচনাৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰে। তেওঁলোকৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা হ'ল।
  - **অনিল শইকীয়া ঃ** কবি, গীতিকাৰ আৰু শিশু সাহিত্যিক অনিল শইকীয়াই কেইবাখনো নাটক ৰচনা কৰে। তাৰ ভিতৰত *ঈশ্বৰৰ সন্ধানত হামিদ, গ্ৰিয়েল* ইত্যাদি (পাঁচখন নাটকৰ সঙ্কলন), *বন্দীত্ব* আদি উল্লেখযোগ্য।
  - **আলি হাইদৰ ঃ** হাইদৰ একেধাৰে নাট্যকাৰ অভিনেতা আৰু পৰিচালক। তেওঁ ভালেমান একাঙ্কিকা নাটকৰ উপৰিও পূৰ্ণাঙ্গ নাটক, ৰেডিঅ' নাটক আদি ৰচনা কৰি উলিয়াইছে। তেওঁৰ প্ৰকাশিত নাটকসমূহ হৈছে— *এটা চোলাৰ কাহিনী* (১৯৭৫), *অহৈতুকী স্বদেশপ্ৰীতি, ধুমুহা পখীৰ নীড়* (১৯৭৭), *নৈশ যুদ্ধ* (১৯৯৯) আৰু *একাঙ্গীগ্ৰস্ত ক্লান্তি* (২০০৩) ইত্যাদি। সমাজ জীৱনক গভীৰভাৱে নিৰীক্ষণ কৰি তেওঁ নাটকীয় চৰিত্ৰসমূহ নিৰ্মাণ কৰি উলিয়াইছে।
  - **তৰুণ তালুকদাৰ ঃ** নাট্যকাৰ হিচাপে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় স্তৰত খিয়াতি লাভ কৰা তৰুণ তালুকদাৰে ইতিমধ্যে কেইবাখনিও পূৰ্ণাঙ্গ নাটক ৰচনা কৰিছে। সেয়া হ'ল— *বন্ধন, নেপথ্য, উপসংহাৰ, ভোটাই, অন্য এক শ্বহীদ*। তেওঁৰ দ্বাৰা ৰচিত একাঙ্কিকাসমূহ হ'ল— 'সিহঁতেও বিপ্লৱ কৰে' (১৯৭৫), 'মায়াজাল' (১৯৮৫), 'মাঘৰ বিহু ভোগালী' (১৯৮৭), 'আকস্মিক' (১৯৯৩), 'কেন্দ্ৰীয় মন্ত্ৰী আহিব' (১৯৮৯), 'ইনক্লাব' (১৯৯০), 'আসন' (১৯৯২), 'দুঃসময়' (১৯৯৮), 'দুঃচিন্তা' (১৯৯৫), 'আহত সময়' (১৯৯৬), 'প্ৰতিঘাত' (১৯৮৮), 'বন্দে মাতৰম্' (১৯৯৮), 'একলব্য' (১৯৯৯) ইত্যাদি। তেওঁ ভালেকেইখন চিত্ৰনাট্যও ৰচনা কৰিছে।
  - **পৰমানন্দ ৰাজবংশী ঃ** ৰাজবংশী একেধাৰে গল্পকাৰ, ঔপন্যাসিক আৰু নাট্যকাৰ। তেওঁৰ দ্বাৰা প্ৰকাশিত নাটকসমূহ হ'ল— *কমলা কুঁৱৰীৰ সাধু* (১৯৯৭), *তেজীমলা* (১৯৯২), *নাঙল, মাটি আৰু মানুহ* (১৯৮৯), *তিনিটা বান্দৰৰ সাধু* (১৯৮৭), *নিৰ্বাচিত নাট সমগ্ৰ* (২০০৪), *ফৰ্মুদ গৰীয়াৰ প্ৰেমগাঁথা* আৰু *জনকনন্দিনী*। তেওঁৰ কেইবাখনো নাটকত লোক নাটকৰ আঙ্গিকৰ প্ৰয়োগ লক্ষ্য কৰা যায়।
  - **প্ৰহাস কুমাৰ ভট্টাচাৰ্য্য ঃ** গীতিকাৰ আৰু নাট্যকাৰ ৰূপে পৰিচিত ভট্টাচাৰ্য্যৰ নাট্যগ্ৰন্থসমূহ হ'ল— *ৰামৰাজ্যৰ হনুমান* (নাটক ১৯৯১), *ঈশ্বৰৰ মৃত্যুত শোকসভা,* (একাংক নাটকৰ সঙ্কলন), *চিত্ৰধাৰ* (একাঙ্ক নাট সঙ্কলন), *স্দ্ধ প্ৰহৰ* (একাঙ্ক নাট, ১৯৯২) ইত্যাদি। তেওঁৰ নাটক আকাশবাণী গুৱাহাটী আৰু ডিব্ৰুগড় কেন্দ্ৰৰ যোগেদি প্ৰচাৰিত হৈছে।

- **বলীন বৰগোহাঞি ঃ** বৰগোহাঞিয়ে ১৪খন একাঙ্কিকা আৰু দুখন পূৰ্ণাঙ্গ নাটক ৰচনা কৰে। পূৰ্ণাঙ্গ নাটক— *এনেকৈয়ে অৱসৰ আৰু ছত্ৰভঙ্গ*। একাঙ্কিকা— 'আজোককাৰ চৰ', 'মহাকাল', 'কাৰখানাৰ ধোঁৱা', 'জীৱাশ্মৰ জয়যাত্ৰা', 'ডাঙৰ মানুহ', 'আই ধলেশ্বৰীৰ আশীৰ্বাদ', 'ভূত', 'মিঃ দনছন এণ্ডহিজ কোম্পানি', 'চিন্তানায়ক', 'সভ্যতাৰ দৌৰ', 'গতিপথ', 'কবৰ', 'শ্ৰীকৃষ্ণৰ মতিভ্ৰম', 'হেঁপাহ মোৰ পলোৱা নাই' ইত্যাদি।
- **বিপ্লৱ চৌধাৰী ঃ** চৌধাৰীয়ে ইতিমধ্যে কেইবাখনো অনাতাঁৰ নাট, একাঙ্কিকা আৰু পূৰ্ণাঙ্গ নাট ৰচনা কৰি নাট্য সাহিত্যৰ ভঁৰাল চহকী কৰিছে।
- **যতীন বৰুৱা ঃ** যতীন বৰুৱাৰ একমাত্ৰ প্ৰকাশিত একাঙ্কিকা নাটক হ'ল— 'সন্ধান' (১৯৭৪)।
- **ৰফিকুল হোছেইন ঃ** কাব্যৰ সমান্তৰালভাৱে নাট ৰচনাত মনোনিৱেশ কৰা তৰুণ প্ৰজন্মৰ অন্যতম কবি ৰফিকুল হোছেইন নাট্যশিল্পৰ লগতো গভীৰভাৱে জড়িত। কাব্যৰ দৰেই তেওঁৰ নাটকতো চিত্ৰধৰ্মিতাৰ পৰিচয় পোৱা যায়। তেওঁৰ প্ৰকাশিত নাট্য সঙ্কলন হ'ল— *ধোঁৱা দৈৰকী জলাশয়* (১৯৯৫)। তেওঁ ইতিমধ্যে নাটকৰ আঙ্গিকৰ দিশত নানা ধৰণৰ পৰীক্ষা-নিৰীক্ষা চলাইছে।
- **নৱেন পাটগিৰি ঃ** নৱেন পাটগিৰি ইতিমধ্যে কেইবাখনো নাটক ৰচনা কৰি উলিয়াইছে। তেওঁ একেধাৰে নাট্যকাৰ, প্ৰবন্ধকাৰ আৰু নাট পৰিচালক।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ১ ঃ ৰামধেনু - পৰৱৰ্তী কালৰ (১৯৭০-১৯৯০) কথাশিল্পীসকলৰ ৰচনাত ফুটি উঠা বৈচিত্ৰ্যপূৰ্ণ দিশৰ বিষয়ে আলোচনা কৰক। (২০০টা শব্দৰ ভিতৰত)



১২.৪ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টোৰ যোগেদি ৰামধেনু - পৰৱৰ্তী কালৰ প্ৰধান গল্পকাৰসকল, ঔপন্যাসিক, কবি আৰু নাট্যকাৰসকলৰ বিষয়ে এটি ধাৰণা লাভ কৰিলোঁ।
- ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যই গল্প, কবিতা, নাটক, উপন্যাস প্ৰভৃতি বিভিন্ন শাখাত যথেষ্ট বিকাশ লাভ কৰিছে। পাশ্চাত্য সাহিত্যৰ মাজেদি সম্প্ৰসাৰিত হোৱা বাস্তৱবাদ, অধিবাস্তৱবাদ, আধুনিকতাবাদ, প্ৰতীকবাদ, চিত্ৰকল্পবাদ প্ৰভৃতি বিবিধ ভাবধাৰাই এই কালছোৱাৰ সাহিত্যৰ মাজেদি প্ৰকাশ লাভ কৰিছে। এনে ধৰণৰ বিবিধ ভাব-চিন্তাৰ প্ৰকাশ আৰু সম্প্ৰসাৰণে অসমীয়া সাহিত্যৰ সমৃদ্ধি আৰু বিকাশত যথেষ্ট

অৱিহণা যোগাইছে।

- প্ৰাচ্য-পাশ্চাত্য সাহিত্যৰ বিবিধ ধাৰাসমূহ অনুসৰণ কৰি অসমীয়া সাহিত্যৰ কেনেদৰে বিকাশ হৈছে, সেই সম্পৰ্কে এটি ধাৰণা জন্মোগত এই আলোচনাই সহায় কৰিলে।
- ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া কবিতাৰ আঙ্গিক আৰু বিষয়বস্তুৰ লগতে গল্প আৰু উপন্যাসৰ আঙ্গিক আৰু কলাকৌশল সম্পৰ্কে জ্ঞান আহৰণ কৰিলোঁ।
- দেশৰ আৰ্থসামাজিক আৰু ৰাজনৈতিক পৰিৱৰ্তনে সাহিত্য সৃষ্টি আৰু প্ৰচাৰত কেনে ধৰণে সহায় কৰে সেই সম্পৰ্কে জানিব পৰা গ'ল।
- ৰামধেনু - পৰৱৰ্তী কালৰ সাহিত্যৰ স্বৰূপ উপলব্ধিৰ লগতে দেশৰ ৰাজনৈতিক বাতাবৰণ আৰু সাহিত্যৰ সৈতে তাৰ সম্পৰ্ক, শিল্প সাহিত্যত দেশৰ আৰ্থসামাজিক পৰিস্থিতিৰ প্ৰভাৱ ইত্যাদি সম্পৰ্কে কিছু ধাৰণা লাভ কৰিলোঁ।



১২.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) উল্লাহ, ইমদাদ (১৯৭৭) ঃ *সৃজন আৰু মনন*; গুৱাহাটী ঃ গুৱাহাটী বুক ষ্টল।

২) কটকী, চন্দ্ৰ (১৯৮৯) ঃ *আধুনিক অসমীয়া কবিতা* (২য় সংস্কৰণ); যোৰহাট ঃ অসম সাহিত্য সভা।

৩) নেওগ, মহেশ্বৰ (১৯৮৭) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা* (৭ম সংস্কৰণ); গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৪) নেওগ, ডিম্বেশ্বৰ (১৯৯৩) ঃ *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ প্ৰকাশ); গুৱাহাটী ঃ শুৱনি প্ৰকাশ।

৫) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৯৩) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড); উত্তৰ গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি পৰিষদ।

৬) বৰদলৈ, নিৰ্মলপ্ৰভা (১৯৮৯) ঃ *কবিতাৰ কথা* (২য় সংস্কৰণ); গুৱাহাটী ঃ অসম বুক ডিপো।

৭) বৰা, মহেন্দ্ৰ (সম্পা.) (১৯৮৭) ঃ *নতুন কবিতা*; ডিব্ৰুগড় ঃ বনলতা।

৮) বৰুৱা, লোপা (১৯৯৯) ঃ *আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প* (প্ৰথম প্ৰকাশ); গুৱাহাটী ঃ পূৰ্বাঞ্চল প্ৰকাশ।

৯) *বিংশ শতিকাৰ অসমীয়া সাহিত্য*; অসম সাহিত্য সভা।

১০) ভৰালী, শৈলেন (১৯৯০) ঃ *আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১১) শইকীয়া, নগেন (২০০০) ঃ *সাহিত্য বাদবৈচিত্ৰ্য*; ডিব্ৰুগড় ঃ কৌস্তুভ প্ৰকাশন।

১২) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৯১) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* (৫ম সংস্কৰণ);

গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

ইংৰাজী গ্ৰন্থ ঃ

1) Saikia, Nagen (1988): *Background of Modern Assamese Literture*; New Delhi: Omsons Publication.

বাংলা গ্ৰন্থ ঃ

১) ত্ৰিপাঠী,দীপ্তি (১৯৮৮)ঃ *আধুনিক বাংলা কাব্য পৰিচয়*; কলকাতা ঃ দে'জ পাব্লিকেশ্যন।



১২.৬ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ পাঠ্যত অন্তৰ্ভুক্ত হোৱা আলোচনাটিৰ আঁত ধৰি কথাশিল্পীসকলক বাচি উলিয়াই তেওঁলোকৰ ৰচনাৰাজিৰ বিষয়ে থূলমূলকৈ লিখক।



১২.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ সাম্প্ৰতিক যুগৰ অসমীয়া কবিতাৰ বিষয়ে এটি চমু আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া কবিতাৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ৰামধেনু-পৰৱৰ্তী কালছোৱাৰ কেইজনমান কবিৰ কাব্য প্ৰতিভাৰ চমু আভাস দিয়ক।

প্ৰশ্ন ৪ ঃ ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া গল্প-সাহিত্য সম্পৰ্ক এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৫ ঃ ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া উপন্যাস সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৬ ঃ ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া নাটকৰ এটি সমীক্ষা প্ৰস্তুত কৰক।

প্ৰশ্ন ৭ ঃ ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যৰ ক্ৰমবিকাশৰ এটি বিৱৰণ দিয়ক।

*** ***** ***

অধ্যায় ১৩ ঃ ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া সাহিত্য ঃ দ্বিতীয় পর্ব (১৯৯০-২০০০)

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া সাহিত্য (১৯৯০-২০০০)ৰ পটভূমি
১৩.৪ গল্পৰ বিভিন্ন ধাৰা তথা বৈশিষ্ট্যসমূহ
১৩.৫ কবিতাৰ বিভিন্ন ধাৰা তথা বৈশিষ্ট্যসমূহ
১৩.৬ উপন্যাসৰ বিভিন্ন ধাৰা তথা বৈশিষ্ট্যসমূহ
১৩.৭ নাটকৰ বিভিন্ন ধাৰা তথা বৈশিষ্ট্যসমূহ
১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৯ অধিক জানিবলৈ
১৩.১০ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১৩.১১ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিগত শতিকাৰ শেষ দশকটোৰ সাহিত্যৰ গতিবিধি সম্পর্কে সম্যক জ্ঞান লাভ কৰিব
- ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যৰ দ্বিতীয় পর্বত ১৯৯০-২০০০ লৈ ৰচিত সাহিত্যৰাজিৰ পৰিচয় লাভ কৰিব
- এই কালছোৱাত অসমীয়া সাহিত্যই আধুনিকতাবাদ, নাৰীবাদ ইত্যাদি বিভিন্ন ধাৰাৰে বিকশিত হৈ কি দৰে বর্তমান স্তৰত উপনীত হয়হি তাৰ ধাৰণা লাভ কৰিব
- সাহিত্যৰ বিভিন্ন শাখাসমূহত লাভ কৰা প্রগতি সম্পর্কে আলোচনা কৰিব পাৰিব
- সাহিত্যৰ নতুন নতুন ধাৰাসমূহৰ বিষয়ে পৰিচয় প্রদানৰ লগতে ধাৰাসমূহৰ পৰিচয় লাভ কৰিব।

১৩.২ পৰিচয়

'অসমীয়া সাহিত্যৰ বুৰঞ্জী' শীর্ষক পাঠ্যবিষয়ৰ এইটো ত্রয়োদশ অধ্যায়। এই অধ্যায়ত ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া সাহিত্য (১৯৯০-২০০০)ৰ সম্যক আলোচনা আগবঢ়োৱা হৈছে।

এই সময়ছোৱা অসমীয়া সাহিত্যৰ বাবে অতি গুৰুত্বপূর্ণ সময়। সুদীর্ঘ অসম আন্দোলনৰ শাম কটাৰ পাছত অসমৰ সমাজ জীৱনলৈ শান্তি নামি আহে আৰু এই কালছোৱাত ভালেমান

নতুন লেখকে আত্মপ্রকাশ কৰে। পুৰণি লেখকসকলৰ ৰচনাৰ পৰম্পৰাও অব্যাহত থাকে।

গল্প, কবিতা, প্রবন্ধ, নাটক, উপন্যাস প্রভৃতি সাহিত্যৰ বিভিন্ন শাখাসমূহে এই কালছোৱাত প্রকাশ আৰু বিকাশ লাভ কৰে। কুৰি শতিকাৰ শেষৰ দশকটো বিভিন্ন দিশৰ পৰা অতি গুৰুত্বপূর্ণ। বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ সম্প্রসাৰণে মানুহৰ জীৱনলৈ কঢ়িয়াই অনা প্রচুৰ সম্ভাৱনাৰ মাজতে মূল্য বৃদ্ধি, নিবনুৱা সমস্যা, বানপানী, প্রাকৃতিক দুর্যোগ প্রভৃতি বিভিন্ন কাৰণৰ পৰিণতি স্বৰূপে অসমৰ সমাজ জীৱনলৈ নানা ধৰণৰ পৰিৱর্তন আহে। ৰাজনৈতিক আৰু অর্থনৈতিক পৰিৱর্তনেও সাহিত্যৰ নতুন গতিধাৰা সম্প্রাসাৰিত হোৱাত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।

১৯৯০-২০০০ চনৰ ভিতৰত সাহিত্যৰ বিভিন্ন শাখাবোৰত হোৱা পৰিৱর্তন, সাহিত্যলৈ অহা নতুন আঙ্গিক আৰু বিষয়বস্তু ইত্যাদি বিভিন্ন দিশ অধ্যয়ন কৰি এটা সিদ্ধান্তত উপনীত হ'ব পাৰি যে অসমীয়া সাহিত্যৰ সামগ্রিক বিকাশ আৰু প্রগতিত কুৰি শতিকাৰ শেষ দশকটোৰ অৱদান কোনো গুণেই কম নহয়। সাহিত্যৰ শিল্পীত দিশৰ লগে লগে তাৰ প্রায়োগিক দিশটোৰ প্রতিও লক্ষ্য ৰাখি ভালেমান গুৰুত্বপূর্ণ সাহিত্য এই কালছোৱাত ৰচিত হোৱালৈ চাই দশকটোৰ গুৰুত্ব অত্যধিক।

১৩.৩ ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া সাহিত্য (১৯৯০-২০০০)ৰ পটভূমি

ছৱছৱীয়া অসম আন্দোলন, অসমত আঞ্চলিকতাবাদী চৰকাৰ গঠন প্রভৃতি ৰাজনৈতিক ঘটনা পৰিক্রমাই কুৰিশতিকাৰ শেষ দশকটোৰ সাহিত্যৰপটভূমি ৰচনাত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে।

ভাৰতীয় সাহিত্যত ইতিমধ্যে নতুনকৈ প্রৱেশ লাভ কৰা ভালেমান ইতিবাচক চিন্তা-চেতনায়ো অসমীয়া সাহিত্যত এই কালছোৱাতেই প্রৱেশ লাভ কৰে। নাটকৰ ক্ষেত্রত হোৱা নতুন পৰীক্ষা-নিৰীক্ষা, গল্প আৰু উপন্যাসৰ ক্ষেত্রত ক্ষেত্র-অধ্যয়নৰ যোগেদি লাভ কৰা সমলৰ আধাৰত সাহিত্যৰ কথাবস্তু নির্মাণৰ প্রচেষ্টা প্রভৃতিয়ে এই কালছোৱাৰ সাহিত্যৰ পটভূমি নির্মাণত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। অৰুণ শর্মা, ভবেন্দ্রনাথ শইকীয়া, ৰাম গোস্বামী, মহেন্দ্র বৰঠাকুৰ, মুনীন ভূঞা, আলি হাইদৰ, ৰফিকুল হুছেইন, অখিল চক্রৱর্তী, গুণাকৰ দেৱগোস্বামী আদি প্রবীণ নাট্যকাৰসকলেও এই সময়ছোৱাত নাটকৰ বিভিন্ন পৰীক্ষা-নিৰীক্ষাত মনোনিৱেশ কৰে।

পৰৱর্তী প্রজন্মৰ ভালেমান নাট্যকাৰেও নাট্যসাহিত্যৰ বিকাশত যথেষ্ট বৰঙণি আগবঢ়ায়। আধুনিক জীৱনৰ কৃত্রিমতা আৰু যান্ত্রিকতাৰ স্বৰূপ চিত্রিত হৈছে গল্প আৰু উপন্যাসৰ মাজেদি। এই কালছোৱাত নবীন-প্রবীণ সকলো লেখকেই বিষয়ৰ বৈবিধ্য আৰু বৈচিত্র্যত গুৰুত্ব আৰোপ কৰে। দেৱব্রত দাস, মনোজ কুমাৰ গোস্বামী, বিপুল খাটনিয়াৰ, কুল শইকীয়া, ভূপেন শইকীয়া, ইমৰাণ হুছেইন প্রভৃতি লেখকসকলে এই কালছোৱাত ভালেমান বৈশিষ্ট্যপূর্ণ গল্প ৰচনা কৰি অসমীয়া সাহিত্যৰ পৰিপুষ্টিত সহায় কৰে। ৰবীন্দ্র সৰকাৰ, আনিছ উজ জামান, ৰবীন্দ্র বৰা, দীনেশ গোস্বামী, হৰেকৃষ্ণ ডেকা প্রভৃতি প্রবীণ কবিসকলে এই সময়তো কাব্যচর্চা অব্যাহত

ৰাখে। অনুৰূপভাৱে সমীৰ তাঁতী, সনন্ত তাঁতী, অনুভৱ তুলসী, নীলিম কুমাৰ, অনুপম কুমাৰ প্রভৃতি কবিৰ যোগেদি নতুন আঙ্গিক, কলা-কৌশল আদিয়ে অসমীয়া সাহিত্যত প্রৱেশ লাভ কৰে। নাটকৰ ক্ষেত্রতো অৰুণ শর্মা, মুনীন ভূঞা, জগদীশ পাটগিৰি, নৱেন পাটগিৰি, কৰুণা ডেকা, মুনীন ভূঞা, গুণাকৰ দেৱগোস্বামী, অখিল চক্রৱর্তী, মহেন্দ্র বৰঠাকুৰ আদিয়ে নানা ধৰণৰ পৰীক্ষা-নিৰীক্ষা কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সাম্প্রতিক অসমীয়া সাহিত্য (১৯৯০-২০০০)ৰ পটভূমি বিচাৰ কৰক। (১৫০টা শব্দৰ ভিতৰত)

১৩.৪ গল্পৰ বিভিন্ন ধাৰা তথা বৈশিষ্ট্যসমূহ

ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যত দেশী-বিদেশী বিভিন্ন সহিত্যৰ আঙ্গিক আৰু বিষয়বস্তুয়ে প্রাধান্য লাভ কৰাত সাহিত্যৰ মাজেদি কিছুমান বিশেষ ধাৰাই আত্মপ্রকাশ কৰাটো লক্ষ্যণীয় হৈ পৰিছে। প্রথমে গল্পৰ কথাই আলোচনা কৰা হ'ল।

- **পৰম্পৰাগত চুটিগল্পৰ ধাৰা ঃ** প্রবীণ গল্পকাৰ লক্ষীনন্দন বৰা, অতুলানন্দ গোস্বামী আদিয়ে পৰম্পৰাগত গল্পশৈলীৰ আধাৰত গল্প ৰচনাত মনোনিৱেশ কৰি আহিছে।
- **উত্তৰ-আধুনিকতাবাদী চুটিগল্পৰ ধাৰা ঃ** গোবিন্দ প্রসাদ শর্মাৰ গল্পত উত্তৰ-আধুনিকতাবাদী আত্ম-চেতনাৰ লগে লগে বাস্তৱতাৰ দিশটোও প্রতিফলিত হৈছে। অনুৰূপভাৱে হৰেকৃষ্ণ ডেকাৰ জীৱন আৰু কলা, ভোক ইত্যাদি গল্পত উত্তৰ-আধুনিকতাবাদী দৃষ্টিভঙ্গীৰ পৰিচয় পোৱা যায়। দিলীপ চন্দন, প্রশান্ত কুমাৰ দাস, দেৱব্রত দাস আদিৰ ৰচনাতো উত্তৰ-আধুনিকতাবাদী চিন্তাৰ পৰিচয় পোৱা যায়।
- **আধুনিকতাবাদী ধাৰা ঃ** নগেন শইকীয়াৰ গল্পত আধুনিকতাবাদী চিন্তাৰ পৰিচয় স্পষ্ট। তেওঁৰ গল্পত আধুনিক উপাদান হিচাপে অহা আত্মসচেতনতা, প্রশ্ন আৰু উত্তৰ, প্রভৃতি টেকনিকৰ প্রয়োগ কৰা হৈছে।

  স্বৰাজোত্তৰ কালৰ আন এগৰাকী প্রভাৱশালী গল্পকাৰ দেৱব্রত দাসৰ গল্পতো আধুনিকতাবাদী দৃষ্টিভঙ্গীৰ পৰিচয় পোৱা যায়। নবনীতা গগৈয়ে আধুনিকতাবাদী দৃষ্টিভঙ্গীৰে বিচ্ছিন্নতা, নিঃসঙ্গতা আৰু নৈৰাশ্যৰ ৰূপায়ণ কৰিছে। এই ধাৰাটোত ৰত্না ভৰালী তালুকদাৰ আৰু অন্যান্য দুই-এজনৰ কথা উল্লেখ কৰিব পাৰি।
- **চেতনাস্রোত গল্পৰ ধাৰা ঃ** কুল শইকীয়াৰ গল্পত মানুহৰ অন্তর্জীৱন চেতনাস্রোতৰ জৰিয়তে অপূর্ব দক্ষতাৰে ফুটাই তোলাৰ প্রয়াস কৰিছে। আধুনিক মানুহৰ মনত গঢ় লৈ উঠা বিচ্ছিন্নতাবোধ তেওঁ গল্পৰ যোগেদি আকর্ষণীয় কৰি তুলিছে।

  কমলা বৰগোহাঞিৰ গল্পতো অন্তর্জীৱনৰ মর্মস্পর্শী ছবি অঙ্কিত হৈছে। ৰত্না ভৰালী

তালুকদাৰৰ গল্পতো চেতনাস্রোত ৰীতিৰ পৰিচয় পোৱা যায়।

- **নাৰীবাদী চেতনাৰ ধাৰা ঃ** অৰূপা পটঙ্গীয়া কলিতা, মৌচুমী কন্দলী আদিৰ গল্পত নাৰীবাদী চেতনাৰ পৰিচয় পোৱা যায়। অনুৰূপভাৱে অনুৰাধা শর্মা পূজাৰী, মনোৰমা দাস মেধি, মনালিছা শইকীয়া, জুৰি বৰগোহাঞি আদিয়ে নাৰীবাদী দৃষ্টিভঙ্গীৰে সাহিত্য চর্চাত মনোনিৱেশ কৰিছে।
- **সশস্ত্র আন্দোলন, হিংসা আদিৰ পটভূমিত ৰচিত গল্পৰ ধাৰা ঃ** ১৯৭৯-১৯৮৫ লৈ গঢ় লৈ উঠা অসম আন্দোলনে অসমৰ জনজীৱনত গভীৰভাৱে প্রভাৱ বিস্তাৰ কৰিছিল। তাৰে সমান্তৰালকৈ এদল যুৱকে আৰম্ভ কৰা সশাস্ত্র সংগ্রামে অসমত অস্বাভাৱিক পৰিস্থিতিৰ সৃষ্টি কৰিছিল। সাম্প্রতিক কালৰ বহুতো গল্পকাৰে এনে সমস্যাৰ পটভূমিত গল্প ৰচনা কৰিছে। তেনে গল্পৰ ভিতৰত হৰেকৃষ্ণ ডেকাৰ 'বন্দীয়াৰ', মনোজ গোস্বামীৰ 'সমীৰণ বৰুৱা আহি আছে', ভূৰনেশ্বৰ শর্মাৰ 'এদিন এনেকৈয়ে', ফুল গোস্বামীৰ 'মৃত্যু ৰূপ আৰু ৰং', বন্দিতা ফুকনৰ 'ছাই আৰু বাৰুদৰ মাজত', কাব্যশ্রী মহন্তৰ 'পৰিসৰ', অৰূপা পটঙ্গীয়া কবিতাৰ 'কার্তিকৰ কাহিনী', আৰতি দাসৰ 'অপহৰণ' ইত্যাদি গল্পৰ নাম উল্লেখ কৰিব পাৰি।

  নৱ্বৈৰ দশকটো মূলতঃ হিংসা হত্যা আৰু যন্ত্রণাৰে পৰিপূর্ণ দশক য'ত এফালে ভাৰতৰ পৰা অসম স্বাধীন কৰাৰ কাৰণে সংগ্রাম আৰু তাৰ সমান্তৰালভাৱে বড়োসকলৰ সুকীয়া ৰাজ্য দাবীত চলা ব্যাপক হিংসাত্মক আন্দোলন, এনে ধৰণৰ বিচ্ছিন্নতাবাদী চিন্তাৰ পৰিণতি স্বৰূপে সমাজ জীৱনলৈ নামি অহা শংকা, সন্দেহ আৰু বিচ্ছিন্নতাবোধৰ আধাৰত ভালেকেইটা গল্প ৰচিত হৈছে।
- **সমাজ-ৰাজনৈতিক দৃষ্টিভঙ্গী প্রসূত ধাৰা ঃ** অসম আন্দোলন আৰু তাৰ পৰিণতিস্বৰূপে অসমৰ ৰাজনৈতিক, সামাজিক আৰু শিক্ষাৰ ক্ষেত্রত ঘটা পৰিৱর্তনসমূহৰ প্রভাৱ অসমৰ জনজীৱনত কেনে গভীৰভাৱে পৰিছিল, তাৰ স্বৰূপ প্রকাশিত হৈছে সেই সময়ৰ সাহিত্যত। নৱ্বৈৰ দশকত দেৱব্রত দাস, মনোজ কুমাৰ গোস্বামী প্রভৃতি গল্পকাৰৰ গল্পত পৰিৱর্তিত সমাজ জীৱনৰ স্বৰূপ চিত্রিত হৈছে। বিৰিঞ্চি কুমাৰ মেধি, দেৱব্রত দাস, ভূপেন শর্মা, উদয়াদিত্য ভৰালী আদিৰ গল্পত সমাজৰ দুর্নীতি, ভণ্ডামি আদিত নিমজ্জিত ব্যক্তিসকলৰ স্বৰূপ উদঙাই দিবলৈ প্রয়াস কৰা দেখা যায়। দেৱব্রত দাস 'পঙ্কিলতাৰ এদিন' এনে বিষয়বস্তু আধাৰিত এটি সার্থক চুটিগল্প। মনোজ কুমাৰ গোস্বামীৰ গল্পত সাম্প্রতিক কালৰ নৈৰাজ্য আৰু আতঙ্কময় পৰিস্থিতিৰ প্রেক্ষাপট সততে অনুভৱ হয়। তেওঁৰ প্রায়বোৰ গল্প সাম্প্রতিক কালৰ দিন লেখাৰ দৰে।
- **মননশীল গল্পৰ ধাৰা ঃ** মননশীল দৃষ্টিভঙ্গীৰে জীৱনৰ সমস্যাৰাজি বিশ্লেষণৰ কাৰণে কৰা প্রয়াসো ভালেমান গল্পকাৰৰ গল্পৰ মাজেদি ফুটি উঠা দেখা যায়। মদন শর্মা, শিবানন্দ কাকতি আদিৰ গল্পত মননশীল দৃষ্টিভঙ্গীৰে মানৰ জীৱনৰ সমস্যাৰাজি বিশ্লেষণৰ প্রয়াস কৰা হৈছে।

- **লোক-সংস্কৃতিৰ পটভূমিত ৰচিত গল্পৰ ধাৰাঃ** লোক-সংস্কৃতিৰউপাদানক পটভূমি ৰূপে লৈ ভালেমান গল্পকাৰে গল্প ৰচনা কৰিছে। মনোৰমা দাস মেধিৰ 'প্রেমগাঁথা' গল্পত ফকৰা যোজনা আৰু বিয়াগীতৰ প্রয়োগ কৰিছে। অৰূপা পটঙ্গীয়া কলিতাৰ 'দৈৱকীৰ দিন', বগামাটি থানৰ ভোগী' আদি গল্পতো লোক-সাংস্কৃতিক উপাদানক পটভূমি হিচাপে গ্রহণ কৰা দেখা যায়। পৰমানন্দ ৰাজবংশীৰ 'গদাধৰৰ পাৰে পাৰে', শিবানন্দ কাকতিৰ 'বৰণীয়া আলিবাট', 'বোকাময়' প্রভৃতি গল্পৰ ভটাগুটি খেলৰ উল্লেখ পোৱা যায়। ইমৰাণ হুছেইনৰ 'হুদুমদেও আৰু অন্যান্য গল্প'ত অসমৰ লোকবিশ্বাস আৰু মৌচুমী কন্দলীৰ 'লামবাদা নাচৰ শেষত' অসমৰ কার্বি জনগোষ্ঠীৰ সাংস্কৃতিক সমলৰ সংযোজন মনকৰিবলগীয়া। অৰূপ কুমাৰ নাথ, সঞ্জীৱ পল ডেকা আদিৰ ৰচনাতো লোক-সংস্কৃতিৰ প্রচুৰ প্রয়োগ মন কৰিবলগীয়া।
- **কল্পবিজ্ঞানভিত্তিক চুটিগল্পৰ ধাৰা ঃ** বর্তমান বিজ্ঞান বিষয়ক অবলম্বন কৰি গল্প ৰচনা কৰা লেখকৰ সংখ্যা বৃদ্ধি পাইছে। দীনেশ চন্দ্র গোস্বামী, বিজয়কৃষ্ণ দেৱশর্মা, সান্তনু তামুলী, চাকিল জামাল, বন্দিতা ফুকন প্রভৃতি লোকসকলে কল্পবিজ্ঞানক আধাৰ হিচাপে লৈ গল্প ৰচনাত মনোনিবেশ কৰিছে।

  আশীৰ দশকৰে পৰা অসমীয়া চুটিগল্পৰ আঙ্গিকৰ ক্ষেত্রত নতুন নতুন পৰীক্ষা-নিৰীক্ষা আৰম্ভ হয়। ৰবীন শর্মা, দেৱব্রত দাস, ফণীন্দ্র কুমাৰ দেৱচৌধুৰী, মনোৰমা দাস মেধি, নবনীতা বৰুৱা, প্রশান্ত কুমাৰ দাস, মৃণাল কলিতা আদিয়ে গল্পৰ আঙ্গিকত নতুন নতুন পৰীক্ষা কৰিবলৈ ধৰে।

  মনোৰমা দাস মেধি, নবনীতা বৰুৱা আদিয়েও গল্পত নতুন ধৰণৰ পৰীক্ষা কৰিবলৈ ধৰে। পূৰবী বৰমুদৈ, মনালিছা শইকীয়া আদিয়ে গল্পত মহিম বৰাৰ নিছিনাকৈ নৈসর্গিক বর্ণনাত অধিক গুৰুত্ব আৰোপ কৰিছে।
- **নতুন টেক্‌নিক সম্বলিত প্রায়োগিক ধাৰা ঃ** দেৱব্রত দাসে আধুনিক কলা আৰু চিনেমাৰ দৰে মণ্টাজ বা কলাজ পদ্ধতি অৱলম্বন কৰি গল্প সাহিত্যলৈ নতুন টেক্‌নিকৰ আমদানি ঘটাইছে। তেওঁৰ গল্পৰ বিষয়ে নগেন শইকীয়াই মন্তব্য কৰিছে এনেদৰে — 'ক'ৰবাত যেন ফর্ম ভঙাৰ উত্তৰ আধুনিকতাবাদী সুৰ আৰু মিলান কুন্দেৰাৰ ৰচনাশৈলীৰ পৰিচিত পদধ্বনি শুনো'।

  বন্তি শেনছোৱাৰ গল্পত মানৱীয় সম্পর্কৰ বিচাৰ বিশ্লেষণ, মীনাক্ষী গোস্বামী বৰঠাকুৰৰ গল্পত নাৰী জীৱনৰ কাৰুণ্য আৰু বেদনা, হৰেকৃষ্ণ ডেকাৰ গল্পত গভীৰ বাস্তৱবোধ, কাব্যশ্রী মহন্তৰ গল্পত মানৱতাবাদী আদর্শ আৰু অনুৰাধা শর্মা পূজাৰীৰ গল্পত সমকালীন সমস্যাৰাজিৰ সংবেদনশীল চিত্র অঙ্কিত হৈছে। এই কালছোৱাৰ অন্যান্য গল্পকাৰসকলৰ ভিতৰত অপু ভৰদ্বাজ, সঞ্জীৱ পল ডেকা, অৰূপ কুমাৰ নাথ, গীতালি বৰা, প্রশান্ত কুমাৰ দাস, মণিকুন্তলা ভট্টাচার্য আদি অন্যতম।

মুঠতে ৰামধেনু - পৰৱৰ্তী কালছোৱাৰ চুটিগল্পত আঙ্গিক আৰু বিষয়বস্তুৰ ক্ষেত্রত যথেষ্ট পৰিৱৰ্তন সূচিত হৈছে। গল্পকাৰসকলে নতুন নতুন কলাকৌশলৰ প্রয়োগৰ মাধ্যমেদি অসমীয়া চুটিগল্পক অধিক জনপ্রিয় কৰি তোলাৰ প্রয়াস কৰিছে।

ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্যসমূহ ঃ

- ৰামধেনু - পৰৱৰ্তী কালৰ যুগৰ অসমীয়া সাহিত্যত বাস্তৱতাৰ হুবহু প্রতিফলন লক্ষ্য কৰা যায়। জীৱন আৰু জগত সম্পর্কীয় বাস্তৱ দৃষ্টিভঙ্গীৰ লগতে সাহিত্য জগতলৈ অহা নতুন নতুন পৰিৱৰ্তনসমূহে এই কালছোৱাৰ সাহিত্যত প্রৱেশ লাভ কৰিছে।
- এই কালছোৱাৰ সাহিত্যত নাগৰিক সভ্যতা আৰু নগৰীয়া জীৱনে অধিক প্রাধান্য লাভ কৰিছে।
- সন্ত্রাসজর্জৰ অসমৰ পৰিৱেশ-পৰিস্থিতিয়েও এই কালছোৱাৰ সাহিত্যত প্রকাশ লাভ কৰিছে।
- মননশীলতা এই কালছোৱাৰ সাহিত্যৰ এটি অন্যতম বৈশিষ্ট্য।
- নিঃসঙ্গতা, বিচ্ছিন্নতাবোধ আদিৰ সম্যক চিত্রণে এই কালছোৱাৰ গল্প আৰু উপন্যাসক সমৃদ্ধ কৰিছে।
- কিছুমান গল্পত সন্ত্রাসজর্জৰ অসমৰ পৰিৱেশ-পৰিস্থিতিয়েও সমানেই প্রাধান্য লাভ কৰিছে।
- বিষণ্ণতাবোধেও প্রায়বোৰ গল্প-উপন্যাসত কেন্দ্রীয় বিষয় হিচাপে স্থান লাভ কৰিছে।
- আধুনিক সভ্যতাই গ্রাম্য সমাজ জীৱনলৈ কঢ়িয়াই অনা পৰিৱৰ্তনৰ বিষয়েও ভালেমান গল্পত প্রকাশ লাভ কৰিছে।
- সামাজিক মূল্যবোধৰ অৱক্ষয় আৰু তেনে অৱক্ষয়ে সামাজিক জীৱনলৈ কঢ়িয়াই অনা অনিশ্চয়তাৰ ছবি স্পষ্ট হৈছে দুই এটি গল্পত।

১৩.৫ কবিতাৰ বিভিন্ন ধাৰা তথা বৈশিষ্ট্যসমূহ

- **কবিতা ঃ** সাম্প্রতিক অসমীয়া কবিতাই বিষয়বস্তু আৰু আঙ্গিকৰ ক্ষেত্রত যথেষ্ট পৰিৱৰ্তনৰ মাজেদি আগবাঢ়িছে। সেয়েহে ইয়াক কোনো বিশেষ বাদ বা ধাৰাৰ মাজত সামৰি লোৱাটো সম্ভৱ নহয়।

  নিঃসঙ্গতাবোধ, আত্মিক সচেনতা, বিষাদগ্রস্ততা আদিৰ লগতে ভাষাৰ নান্দনিক দিশটোৰ প্রতি গুৰুত্ব দি বর্তমান সময়ত কবিতাই এক নতুন দিশত গতি কৰিছে। বিভিন্ন ধৰণৰ চিন্তা আৰু বৈচিত্র্যৰ মাজেৰে অসমীয়া কবিতাই বিশ্ব সাহিত্যৰ দিশে গতি কৰিছে। কেইবাগৰাকীও প্রতিষ্ঠিত কবিয়ে অসমৰ লোকজীৱন আৰু সংস্কৃতিৰ বুকুৰ পৰা সমল আহৰণ কৰি অসমীয়া কবিতাক সমৃদ্ধ কৰিছে।

  আলোচ্য সময়ছোৱাৰ কবিতাৰ মাজত অন্তমুর্খী আৰু বহির্মুখী—এই দুয়োটা ধাৰাৰ প্রভাৱ পৰিলক্ষিত হয়।

- **সাম্যবাদী চিন্তাৰ ধাৰাঃ**জ্ঞান পূজাৰীৰ ভালেমান কবিতাত শ্রেণীদ্বন্দ্ব আৰু সাম্যবাদী চিন্তাৰ প্রকাশ লক্ষ্য কৰা যায়। তেনেদৰে সমীৰ তাঁতীৰ কবিতাতো শ্রেণী বৈষম্য আৰু সাম্যবাদৰ বাণী মূর্ত হৈ উঠিছে। ইছমাইল হুছেইনৰ কবিতাতো সাম্যবাদ আৰু সমাজ বাস্তৱতাৰ ছবি অঙ্কিত হৈছে। সমীৰ তাঁতী, সনন্ত তাঁতী, অবনী চক্রৱর্তী, সুভাষ সাহা, ৰবীন্দ্র সৰকাৰ আদি এই ধাৰাৰ প্রমুখ্য কবি।
- **অন্তর্মুখী কবিতাৰ ধাৰা ঃ** এই কালছোৱাৰ ভালেমান কবিৰ কবিতাত অন্তমুর্খী ভাব-চিন্তাৰ প্রকাশ লক্ষ্য কৰা যায়। অনুভৱ তুলসী, নীলিম কুমাৰ, জীৱন নৱহ, হেমাঙ্গ কুমাৰ দত্ত, বিপুলজ্যোতি শইকীয়া, অতনু ভট্টাচার্য্য, সৌৰভ শইকীয়া, কুশল দত্ত আদিৰ নাম এইক্ষেত্রত উল্লেখযোগ্য। সমসাময়িক ঘটনা প্রবাহৰ পৰিৱর্তে নিজৰ মনৰ মনিকোঠাত মনোনিৱেশ কৰি অতীত স্মৃতিৰ যোগেদি কাব্যৰ কথাবস্তু নির্মাণত গুৰুত্ব দিয়াটো এইসকল কবিৰ জীৱনৰ অতি গুৰুত্বপূর্ণ বৈশিষ্ট্য। গ্রাম্য জীৱনৰ সৰলতা আৰু কথ্য ভাষাৰ প্রয়োগে এইসমূহ কবিতাক পাঠকৰ অতি কাষ চপাই নিবলৈ সক্ষম হৈছে। সমীৰ তাঁতী, বিপুলজ্যোতি শইকীয়া আৰু হেমাংগ কুমাৰ দত্তৰ কবিতাত কথ্যভাষাৰ প্রয়োগ অধিক সুস্পষ্ট।
- **লোকজীৱন সমৃদ্ধ ধাৰা ঃ** লোকজীৱন আৰু প্রকৃতিৰ বিনন্দীয়া ৰং-ৰূপে জীৱন নৱহৰ কবিতাক নতুন স্বাদ প্রদান কৰিছে। তেওঁৰ *তুমি পকা ধানৰ দৰে গোন্ধাইছা* (১৯৯৬), *টাৰিৰি*(১৯৯৯) আদিৰ অন্তর্গত কবিতাৰাজিয়ে মাটি আৰু মানুহৰ সৈতে থকা গভীৰ সম্পর্কৰ কথা সোঁৱৰাই দিয়ে। বিজয় শঙ্কৰ বর্মন আৰু সৌৰভ শইকীয়াই লোকজীৱন আৰু সংস্কৃতিক নতুন সৃষ্টিৰ পর্যবেক্ষণ কৰাৰ প্রয়াস কৰিছিল।

  আন এগৰাকী কবি লুটফা হানুম ছেলিমা বেগমৰ কবিতাতো সহজ কথনভঙ্গী আৰু লোকভাষাৰ সার্থক প্রয়োগ লক্ষ্য কৰা যায়। তেওঁৰ *সেউজীয়া বাট এটা বিচাৰিছে সৰাপাতবোৰে* অন্তর্গত কবিতাসমূহ এইক্ষেত্রত উল্লেখযোগ্য। উদয় কুমাৰ শর্মা, অর্চনা শর্মা, অনুপম কুমাৰ, অনুভৰ তুলসী, আনিছ উজ জামান, জ্যোতিৰেখা হাজৰিকা আদি এই ধাৰাৰ কবি।
- **ৰোমাণ্টিক ভাববিলাসৰ ধাৰা ঃ** ৰোমাণ্টিক ভাববিলাসৰ মাজত আত্মবিভোৰ হৈ কবিতা ৰচনা কৰা কবিসকলৰ প্রকাশভঙ্গীৰ মাজেদি অন্তৰৰ অনুভূতি প্রেম আৰু বিদ্রোহৰ ভাবধাৰাৰ প্রতিফলন ঘটিছে। প্রণৱ কুমাৰ বর্মন, কমল কুমাৰ মেধি, নৱজ্যোতি পাঠক, হিমাংশু প্রসাদ দাস, ৰণজিৎ গগৈ আদিৰ কবিতাত এনে বৈশিষ্ট্য প্রকাশিত হৈছে।

  অৱশ্যে এইসমূহ কবিতা শিল্প-সৌন্দর্যৰে সমৃদ্ধ নহ'লেও এচাম পাঠকৰ মাজত জনপ্রিয়তা কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। তেওঁলোকে কবিতাৰ কর্ষণ আৰু শৈল্পিক দিশটোৰ প্রতি গুৰুত্ব দিয়াৰ পৰিৱর্তে আবেগ-অনুৰাগ আদিৰ ওপৰতহে অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হয়।

➢ **প্রাসঙ্গিক আলোচনা ঃ** মহেশ্বৰ নেওগে সাম্প্রতিক কবিতা সম্পর্কত মন্তব্য আগবঢ়াইছিল যে "জগতৰউন্মুক্ত বায়ু লগাকৈ সকলো দুৱাৰ-খিৰিকী মুকলি কৰি থোৱাটোৱেই সাম্প্রতিক কবিতাৰ ধর্ম।"

বর্তমান সময়ত কোনো এটা নির্দিষ্ট চিন্তাদর্শক লৈ কাব্য ৰচনাৰ পৰিৱর্তে সময়ে সৃষ্টি কৰা প্রতিটো পৰিস্থিতিৰ আধাৰত পল-অনুপল জীৱনৰ, সমস্যাক জিভাত চাকি চায় আৰু নির্মোহভাৱে অনুভৱী সত্যক কাব্যৰূপ প্রদান কৰে।

ক) আশীৰ দশকৰে পৰা এক বুজন সংখ্যক কবিয়ে কাব্যচর্চাৰ যোগেদি আধুনিক অসমীয়া কবিতাক নতুন মাত্রা প্রদান কৰিছে। বিগত প্রায় তিনিটামান দশক ধৰি অসমীয়া কাব্যজগতত চর্চা আৰু সাধনাৰে জনসাধাৰণৰ দৃষ্টি আকর্ষণ কৰিবলৈ সক্ষম হোৱা কবিসকলৰ ভিতৰত সনন্ত তাঁতী, মীৰা ঠাকুৰ, সমীৰ তাঁতী, নীলিম কুমাৰ, অনুভৱ তুলসী, কৰবী ডেকা হাজৰিকা, লুৎফা হানুম ছেলিমা বেগম, প্রেম গগৈ, অনুপমা বসুমতাৰী, কৌস্তুভমণি শইকীয়া, অর্চনা পূজাৰী, উদয় কুমাৰ শর্মা, ইছমাইল হোছেইন, ৰফিকুল হোছেইন, মনজিৎ সিং, অমৃত বসুমতাৰী, চেনীৰাম গগৈ, অনুপম কুমাৰ, নীলিমা ঠাকুৰীয়া হক, ৰাজীৱ বৰুৱা, সমীন্দ্র হজুৰি, পৰাগ শইকীয়া, শঙ্কৰ শইকীয়া, দেৱপ্রসাদ তালুকদাৰ, সাৱিত্রী শইকীয়া, প্রাণজিৎ মহন্ত আদিৰ কথা উল্লেখ কৰিব পাৰি।

খ) এই দশকৰ আৰম্ভণি কালৰ কবিতাত আশীৰ দশকৰ কবিতাৰ বৈপ্লৱিক পৰিৱর্তন চকুত নপৰে। অৱশ্যে দুই-চাৰিজন কবিৰ কবিতাত কবিতাৰ বিষয় আৰু আঙ্গিকৰ পৰিৱর্তনৰ কিছু আভাস চকুত পৰে। নৱ্বৈৰ দশক আৰু তাৰ পৰৱর্তী দশকত অসমীয়া কবিতাৰ সৈতে জড়িত হোৱা প্রধান কবিসকল হ'ল— অজিৎ গগৈ, সৌৰভ শইকীয়া, নন্দ সিং, অতনু ভট্টাচার্য্য, গঙ্গামোহন মিলি, জীৱন নৰহ, হৰেণ গগৈ, হেমাঙ্গ কুমাৰ দত্ত, মৃণাল কুমাৰ গগৈ, বিজয় ৰবি দাস, কুশল দত্ত, প্রাণজিৎ বৰা, প্রণৱ কুমাৰ বর্মন, বিজয় শঙ্কৰ বর্মন, ভূষণ কলিতা, পঙ্কজ গোবিন্দ মেধি, কমল কুমাৰ মেধি, বিৰিঞ্চি ৰাভা, জুবিলি গগৈ, মিহিৰ মৌচম ৰয়, অংকুৰ ৰঞ্জন চাংমাই, কমল কুমাৰ তাঁতী আদি উল্লেখযোগ্য। তেওঁলোকে অগ্রজ কবিসকলৰ বিষয় আৰু আঙ্গিক গ্রহণ কৰিলেও তাৰ মাজতেই নতুনত্ব সৃষ্টিৰ প্রয়াস কৰিছে। তেওঁলোকৰ মাজৰে দুই এগৰাকী কবিৰ কবিতাত জাতীয় জীৱনৰ সৈতে আত্মিক সম্পর্কৰ স্বৰূপ উপলব্ধি কৰিব পাৰি। প্রণৱ কুমাৰ বর্মনৰ কবিতাৰ কথনভঙ্গীত সুকীয়া বৈশিষ্ট্য প্রকাশিত হৈছে। এই সময়ছোৱাত সাম্প্রতিক অসমীয়া কবিতাই সময়ৰ প্রবাহক গতি প্রদান কৰিছে এনেদৰে—

তুমি পকা ধানৰ দৰে গোন্ধাইছা
বতাহত সৰিব গোন্ধ

নৈত নামি যোৱা
পূবত বেলি পশ্চিমত মানুহ
নৈত বুৰ মাৰা
তুমি তিতিলা
মই তাকেই বিচাৰিছিলোঁ।
('তুমি পকা ধানৰ দৰে গোন্ধাইছা' ঃ জীৱন নৰহ)

কোনো বাট এটাৰ শেষ যদি হয় অবাট
বাটটো যদি ছিগি থাকে আশাহীন মানুহৰ কৰুণ স্খলনত
সেই বাটৰ দাঁতিত দিন দুপৰতে যদি হোৱা দিয়ে দুর্বিপাকে
চৌখিনতা হেৰুৱাই সকলো বাটৰুৱা হয় নামহীন ৰূপ গন্ধ
বাট বুলিবলৈ গৈ পথভ্রষ্ট হোৱা সেই বাটৰুৱাক লৈ যি খেল হ'ব
খেলা
সেই খেলা খেলিবলৈ আমি ওলাই আহিলো বাটলৈ।
('বাট' ঃ পঙ্কজ গোবিন্দ মেধি)

গ) নব্বৈৰ দশকত আত্মপ্রকাশ কৰি প্রতিষ্ঠা লাভ কৰা কবিসকলৰ সৰহভাগেই আধুনিক কবিতাক মর্যাদাপূর্ণ আসনত প্রতিষ্ঠা কৰিবৰ কাৰণে প্রধানকৈ আলোচনীৰ ওপৰত নির্ভৰশীল হোৱা দেখা যায়। সাম্প্রতিক কালৰ কবিতাৰ গতিপ্রবাহ অতিক্রমি নব্বৈৰ দশকটোত কবিতাই যি ৰূপ, ৰস আৰু আঙ্গিকৰ মাধ্যমেৰে পাঠকৰ হৃদয়ত অনুভূতিৰ সঞ্চাৰ কৰিবলৈ প্রয়াস কৰিছে, তাৰ মূল্যায়ন সময়েহে কৰিব।

১৩.৬ উপন্যাসৰ বিভিন্ন ধাৰা তথা বৈশিষ্ট্যসমূহ

➢ **আধুনিকতাবাদী ধাৰা ঃ** হোমেন বৰগোহাঞিৰ *এদিনৰ ডায়েৰী* (২০০৩) উপন্যাসত নিঃসঙ্গতা, বিষণ্ণতা আদিৰ মাজেদি আধুনিকতাবাদী চিন্তাৰ প্রতিফলন ঘটিছে। সাম্প্রতিক কালছোৱাৰ প্রায়বোৰ ঔপন্যাসিকে আধুনিক জীৱনৰ নিঃসঙ্গতা, অন্তঃসাৰশূন্যতা, মানৰীয় মূল্যবোধৰ অৱক্ষয় ইত্যাদি বিষয়ক আধাৰ হিচাপে লৈ উপন্যাস ৰচনাত মনোনিৱেশ কৰিছে। আধুনিক জীৱনৰ অর্থহীনতা, সংশয়, নৈৰাশ্য, উদ্দেশ্যহীনতা প্রভৃতি বিভিন্ন দিশৰ প্রতিফলনৰ লগে লগে আধুনিকতাবাদী চিন্তাই হৰেকৃষ্ণ ডেকা, অৰূপা পটঙ্গীয়া কলিতা, মনোৰমা দাস মেধি, কুল শইকীয়া আদিৰ ৰচনাৰ মাজেদি প্রকাশ লাভ কৰিছে।

➢ **ৰাজনৈতিক বাস্তৱতাৰ ধাৰাঃ** পোলেন বৰকটকীৰ *দুঃসময়ৰ গান* উপন্যাসত কুৰি শতিকাৰ শেষৰ দুটা দশকৰ বাস্তৱতাৰ ৰূপায়ণ ঘটিছে। *ত্রিশঙ্কুত* অসম আন্দোলনৰ

নিখুঁত চিত্র অঙ্কিত হৈছে। বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ *মৃত্যুঞ্জয়* (১৯৭০), *চিনাকি সুঁতি* (১৯৭১), *কবৰ আৰু ফুল* (১৯৭২), *বল্লৰী* (১৯৭৩), *ৰঙামেঘ* (১৯৭৬), *মণি চুলিৰ পোহৰ* (১৯৭৯) আদি এই ক্ষেত্রত উল্লেখযোগ্য। হোমেন বৰগোহাঞিৰ *কুশীলৱ* (১৯৭০) আৰু *তিমিৰ তীর্থ* (১৯৭৫) এই শ্রেণীৰ উপন্যাস।

- **মানৱতাবাদী উপন্যাসৰ ধাৰা ঃ** ফণীন্দ্র কুমাৰ দেৱচৌধুৰীৰ *অনুৰাধাৰ দেশ* উপন্যাসত মানৱতাবাদী দৃষ্টিভঙ্গীয়ে প্রসাৰ লাভ কৰিছে।
- **ঐতিহাসিক উপন্যাসৰ ধাৰা ঃ** নৱকান্ত বৰুৱাৰ *ককাদেউতাৰ হাড়* (১৯৭৩) আৰু *গড়মা কুঁৱৰী* দুয়োখন উপন্যাসেই বুৰঞ্জীৰ পটভূমিত ৰচিত। দেৱেন্দ্রনাথ আচার্য্যৰ বুৰঞ্জীৰ পটভূমিত ৰচিত উপন্যাসকেইখন হ'ল— *অন্যযুগ অন্যপুৰুষ* (১৯৭০), *কালপুৰুষ* (১৯৭৬), আৰু *জঙ্গম* (১৯৮২); নৱকান্ত বৰুৱাৰ *ককাদেউতাৰ হাড়* (১৯৭৩); মেদিনী চৌধুৰীৰ *অনন্য প্রান্তৰ* (১৯৭১) এই ধাৰাৰ উল্লেখযোগ্য উপন্যাস। চন্দনা গোস্বামীৰ *পাটকাইৰ সিপাৰে মোৰ দেশ*; ৰীতা চৌধুৰীৰ *দেওলাংখুই, মাকাম* ইত্যাদি এই ক্ষেত্রত উল্লেখযোগ্য।
- **জনগোষ্ঠীয় জীৱনভিত্তিক উপন্যাসৰ ধাৰা ঃ** উমাকান্ত শর্মাৰ বড়োসকলৰ জীৱনৰ পটভূমিত ৰচনা কৰা এখন উল্লেখযোগ্য উপন্যাস হ'ল *ভাৰগু পখীৰ জাক* (১৯৯৪)। তেওঁৰ আন এখন উপন্যাস হ'ল— *এজাক মানুহ এখন অৰণ্য* (১৯৮৭); যিখন অসমৰ চাহবাগিছাৰ বনুৱাসকলৰ জীৱন, সমাজ আৰু সংস্কৃতিক বিষয়বস্তু হিচাপে লৈ ৰচনা কৰা হৈছে।

  জয়ন্ত ৰাংপিৰ *পুৱাতে এজাক ধনেশ* (১৯৭৭); ৰং বং তেৰাঙৰ *ৰংমিলিৰ হাঁহি* (১৯৮৩), যতীন মিপুনৰ *মিক্‌চিজিল* (১৯৯৩); স্বর্ণ বৰাৰ *ডিয়াং নদীৰ গীত*, ধ্রুৱজ্যোতি বৰাৰ *সীমান্তৰ সুৰ* (১৯৯৬); য়েছে দৰজে ঠংচিৰ *চনম'* (১৯৮১) আদি এই শ্রেণীৰ উপন্যাস।
- **প্রকৃতিবাদী উপন্যাসৰ ধাৰা ঃ** হোমেন বৰগোহাঞিয়ে প্রকৃতিবাদক বিষয়বস্তু হিচাপে লৈ ৰচনা কৰা এখনি উল্লেখযোগ্য উপন্যাস হ'ল *অস্তৰাগ* (১৯৮৬); *অস্তৰাগত* দিলীপ নামৰ এগৰাকী মহাবিদ্যালয়ৰ অধ্যাপকৰ জীৱনত তেওঁৰ পিতৃৰ ব্যক্তিত্ব আৰু মৃত্যু সম্পর্কীয় বিবিধ ঘটনাই কেনেধৰণৰ প্রতিক্রিয়া সৃষ্টি কৰিছিল, তাৰ জীৱন্ত বর্ণনা দাঙি ধৰা হৈছে।
- **জীৱনভিত্তিক উপন্যাসৰ ধাৰা ঃ** লক্ষীনন্দন বৰাৰ *সেহি গুণনিধি* (১৯৯৭), *যাকেৰি নাহিকে উপাম* (১৯৯৩) আদি উপন্যাস এই শ্রেণীত পৰে। চন্দ্রপ্রসাদ শইকীয়াৰ *মহাৰথী* (১৯৯৫) আৰু *তোৰে মোৰে আলোকৰে যাত্রা* এই শ্রেণীৰ উ পন্যাস। ড° মালিনীৰ *যাজ্ঞসেনী* (২০০৮), *বিদেহ নন্দিনী* (২০০৯), *কাশীকন্যা অম্বা* (২০১০) আদি এই শ্রেণীৰ উপন্যাস।
- **বিজ্ঞানভিত্তিক উপন্যাসৰ ধাৰা ঃ** লক্ষ্মীনন্দন বৰাৰ *কায়কল্প* বিজ্ঞানভিত্তিক বিষয়ৰ

আলমত ৰচনা কৰা হৈছে। ইয়াত বিজ্ঞানৰ যুক্তিনিষ্ঠতা আৰু কলাত্মক কল্পনাৰ সমন্বয় সাধিত হৈছে। বিষয়বস্তুৰ অভিনৱত্বই উপন্যাসখনক নতুন আয়তন প্রদান কৰিছে। দীনেশ চন্দ্র গোস্বামীৰ *শব্দ নিৰন্তৰ শব্দ* (১৯৯২), *জোনাকীৰ জিলিকনি* (১৯৯২), *উষ্মপ্রবাহ* (১৯৯৩) আদি এই ধাৰাৰ উল্লেখযোগ্য উপন্যাস।

- **চেতনাস্রোত উপন্যাসৰ ধাৰা ঃ** ভূপেন্দ্র নাৰায়ণ ভট্টাচার্য্যৰ *মৰুদ্যান* (১৯৯১) উপন্যাসত চেতনাস্রোত পদ্ধতিৰে চৰিত্রৰ মনোবিশ্লেষণৰ প্রয়াস কৰা হৈছে। আধুনিক যুগৰ জীৱন যুদ্ধত পৰাজিত হৈ লাভ কৰা বিষাদময় জীৱনৰ প্রতিচ্ছবি ইয়াত অঙ্কিত হৈছে।
- **অতি-বাস্তববাদী উপন্যাসৰ ধাৰা ঃ** দেৱব্রত দাসৰ *বৰষাৰ প্রথম সুবাস* (১৯৯৬) আৰু *ফুল আৰু চৰাইৰ ঠিকনাত* অতি বাস্তৱ পদ্ধতিৰে বাস্তৱ আৰু স্বপ্নৰ সংমিশ্রণ ঘটাই সাম্প্রতিক যুগৰ নিষ্ঠুৰ পৰিস্থিতিৰ চিত্র অঙ্কন কৰা হৈছে। দেবেন্দ্র নাথ আচর্য্যৰ *অন্যযুগ অন্য পুৰুষ* এখনি অতি-বাস্তৱবাদী উপন্যাস।
- **কল্পবিজ্ঞানভিত্তিক উপন্যাসৰ ধাৰা ঃ** নৱকান্ত বৰুৱাৰ একমাত্র কল্পবিজ্ঞান ভিত্তিক উপন্যাস *অপদার্থ* (১৯৮২)ত ডাক্তৰ চলিহা আৰু অঞ্জন চৌধুৰীৰ চিকিৎসা বিজ্ঞানৰ এক নতুন পদ্ধতিৰ অর্থাৎ অস্ত্রোপচাৰৰ এক নতুন কৌশলৰ অবতাৰণা কৰা হৈছে। ৰক্তপাতহীন অস্ত্রোপচাৰৰ নতুন কৌশল হিচাপে চিকিৎসাবিজ্ঞানী দুগৰাকীয়ে এণ্টিমেটাৰ বা *অপদার্থ*আৱিষ্কাৰ কৰি আত্মজাহ যোৱাৰ বর্ণনা এই উপন্যাসখনত দাঙি ধৰা হৈছে।
- **যুদ্ধ, আন্দোলন, বিপ্লৱ আধাৰিত উপন্যাসৰ ধাৰা ঃ** অসমৰ বিদেশী বহিষ্কৰণ আন্দোলনৰ (১৯৭৯-১৯৮৫ খ্রীঃ) আৰু তাৰ পৰৱর্তী কালছোৱাৰ অসমৰ সামাজিক আৰু ৰাজনৈতিক জীৱনৰ প্রতিফলন ঘটিছে ৰীতা চৌধুৰীৰ *এই সময় সেই সময়* উপন্যাসত। ঔপন্যাসিকে অসম আন্দোলনৰ কালছোৱাক বাস্তৱধর্মী ৰূপত চিত্রিত কৰি উপন্যাসখন ৰসোত্তীর্ণ কৰি তুলিছে।

  যুদ্ধ বাস্তৱতাৰ অনুসঙ্গ হিচাপে সৃষ্টি হোৱা নৈৰাজ্যৰ চিত্রই ৰীতা চৌধুৰীৰ *মাকাম* (২০১০) উপন্যাসখনত যথার্থ ৰূপ পৰিগ্রহ কৰিছে। *মাকাম*ত অসমত বসবাস কৰা চীনা লোকসকলৰ অলিখিত ইতিহাসক উপন্যাসখনৰ যোগেদি জীৱন্ত ৰূপ প্রদানৰ প্রয়াস কৰা হৈছে।

  অৰূপা পটঙ্গীয়া কলিতাৰ *ফেলানী* (২০০৩) উপন্যাসত বিংশ শতিকাৰ শেষৰ প্রায় কুৰি বছৰৰ সন্ত্রাসজর্জৰ ঘটনাৰ পটভূমিত উপন্যাসখন ৰচনা কৰা হৈছে।
- **নাৰীবাদী চিন্তা আধাৰিত উপন্যাসৰ ধাৰা ঃ** এগৰাকী সংবেদনশীল নাৰীৰ সপোন, আকাংক্ষা আৰু নির্মম বাস্তৱতা তথা স্বপ্নভঙ্গৰ কাহিনীৰ আধাৰত অৰূপা পটঙ্গীয়া কলিতাৰ *মৃগনাভি* (১৯৮৭) উপন্যাসখন ৰচনা কৰা হৈছে। নাৰীবাদী দৃষ্টিকোণৰ পৰা ৰচিত এই উপন্যাসখনত নায়িকাৰ যৌৱনৰ স্বপ্নভঙ্গ আৰু বৈধব্য জীৱনৰ

দ্বন্দ্বই প্রাধান্য লাভ কৰিছে। তেওঁৰ *অয়নান্ত*(১৯৯৪) উপন্যাসত ঊনবিংশ শতিকাৰ বিশাল প্রেক্ষাপটক সামৰি লোৱা হৈছে। নাৰীবাদী দৃষ্টিভঙ্গীৰে ৰচিত এইখনি উপন্যাসত মূলতঃ নাৰীৰ অৱস্থান,মর্যাদা আৰু আত্মপ্রতিষ্ঠাৰ সাৱলীল বর্ণনা দাঙি ধৰা হৈছে।

অনুৰাধা শর্মা পূজাৰীৰ *চাহোপুৰাৰ ৰৱষুণ* উপন্যাসৰ প্রধান নাৰীচৰিত্র বর্ষাৰ জৰিয়তে অসমীয়া উপন্যাসত এগৰাকী নতুন নাৰীৰ উপস্থিতিৰ সম্ভাৱনাক জীৱন্ত কৰি তোলা হৈছে। এই উপন্যাসৰ বর্ষা চৰিত্রটোৰ যোগেদি প্রকাশিত হোৱা নাৰী ভাবনা তেওঁৰ আনবোৰ উপন্যাসতকৈ সুকীয়া।

উপন্যাসখনৰ মূল বিষয় হ'ল নাৰীবাদী চিন্তা। বর্ষাই নিজৰ ইচ্ছাৰ বিৰুদ্ধে প্রান্তিকৰ পত্নী হৈ বন্দী জীৱন-যাপন কৰিব নিবিচাৰে। সমাজৰ প্রত্যেক নাৰীৰে সুকীয়া চিন্তাধাৰা আছে, স্বাধীন সত্ত্বা আছে।

নিৰুপমা ৰৱহোহাঞিৰ *অন্য জীৱন* (১৯৮৬) দৰাচলতে নাৰাবাদী চেতনাৰ সজ্ঞান প্রকাশ পোৱা প্রথম উপন্যাস। তেওঁৰ আন এখন উপন্যাস *চম্পাৱতী*তো (১৯৯০) নাৰীবাদী দৃষ্টিভঙ্গীয়ে প্রাধান্য লাভ কৰিছে।

প্রাসঙ্গিক আলোচনা ঃ সাম্প্রতিক অসমীয়া উপন্যাসত জীৱনভিত্তিক, মহাকাব্যিক ঐতিহ্যভিত্তিক আৰু অনুসন্ধানমূলক উপন্যাসে বিশেষ প্রাধান্য লাভ কৰিছে। ৰীতা চৌধুৰী, অনুৰাধা শর্মা পূজাৰী, অৰুপা পটঙ্গীয়া কলিতা, মণিকুন্তলা ভট্টাচার্য্য, দেৱব্রত দাস, ধ্রুৱজ্যোতি বৰা, ভূপেন্দ্র নাৰায়ণ ভট্টাচার্য্য প্রভৃতি ভালেমান ঔপন্যাসিকে নতুন নতুন বিষয় লৈ উপন্যাস ৰচনাত মনোনিৱেশ কৰিছে। চন্দনা গোস্বামী, জয়শ্রী গোস্বামী মহন্ত, হৰেকৃষ্ণ ডেকা, ভূপেন শর্মা আদিয়েও বর্তমান সময়ছোৱাত উপন্যাস সাহিত্যৰ বিকাশত ভালেখিনি অৰিহণা আগবঢ়াইছে। প্রবীণসকলৰ ভিতৰত পৰাগ কুমাৰ ভট্টাচার্য্য, জয়ন্ত মাধৱ বৰা, হেম বৰা আৰু অন্যান্য ভালেমান লেখকে উপন্যাস ৰচনাৰ ধাৰাটো অব্যাহত ৰাখিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অসমীয়া উপন্যাসক (১৯৯০-২০০০) প্রভাৱিত কৰা ধাৰাসমূহ কি কি? (২৫০টা শব্দৰ ভিতৰত)

১৩.৭ নাটকৰ বিভিন্ন ধাৰা তথা বৈশিষ্ট্যসমূহ

নাটক ঃ সাম্প্রতিক অসমীয়া নাটকত সত্তৰৰ দশকৰ পৰাই ভালেমান দিশত পৰিৱর্তনৰ সূচনা হয়। এই সময়ছোৱাত প্রকাশ লাভ কৰা বিভিন্ন নাটকৰ ধাৰাসমূহ হ'ল এনে ধৰণৰ—

- **এবছার্ডধর্মী নাটকৰ ধাৰা**ঃএই সময়ছোৱাত কেইবাখনো এবচার্ডধর্মী নাটকে প্রকাশ লাভ কৰে। তেনে নাটকৰ ভিতৰত অৰুণ শর্মাৰ *আহাৰ* (১৯৭১), বসন্ত শইকীয়াৰ *মৃগতৃষ্ণা* (১৯৭৩), *মানুহ* (১৯৭৭) আদি বিশেষভাৱে উল্লেখযোগ্য।
- **মনস্তাত্ত্বিক নাটকৰ ধাৰা** ঃ আধুনিক জীৱনৰ জটিলতাই মানৱ মনত সৃষ্টি কৰা প্রতিক্রিয়া দাঙি ধৰাৰ চেষ্টাৰে মনস্তাত্ত্বিক দিশত আলোকপাত কৰি সত্যপ্রসাদ বৰুৱাই *মৃণালমাহী* (১৯৭৭) আৰু *নায়িকা নাট্যকাৰ* (১৯৭৬) প্রভৃতি নাটক ৰচনা কৰে।
- **সমাজ-চেতনাপ্রসূত নাটকৰ ধাৰা** ঃ হিমেন্দ্র বৰঠাকুৰৰ *বাঘ* (১৯৭২), মহেন্দ্র বৰঠাকুৰৰ *জন্ম* প্রভৃতি নাটকত সামাজিক চেতনাৰ দিশটোৱে অধিক গুৰুত্ব লাভ কৰিছে। প্রখৰ সমাজ-চেতনা এইসমূহ নাটকৰ মূল বৈশিষ্ট্য। দীপক ভূঞা, প্রদীপ ভূঞা, কৰুণা ডেকা, অনুকূল শর্মা, মৃণাল কুমাৰ গোস্বামী, নৰেন পাটগিৰি আদিয়ে সমাজ চেতনা প্রসূত ভালেমান নাটক ৰচনা কৰিছে।
- **বাটৰ নাটকৰ ধাৰা** ঃ অসমীয়া নাট্য প্রবাহৰ এক গুৰুত্বপূর্ণ ঠাল হ'ল বাটৰ নাটকৰ ধাৰা। এই নাটকসমূহত সমাজৰ বিভিন্ন দিশ মুকলিভাৱে দাঙি ধৰাৰ প্রয়াস কৰা হয়। সাম্প্রতিক সময়ৰ নানাধৰণৰ সমস্যাক কেন্দ্র কৰি নাটক ৰচনা কৰা হৈছে, যাৰ যোগেদি নতুন প্রজন্মক নাটকৰ প্রতি আকর্ষিত কৰাটো সম্ভৱ হৈ উঠিছে।
- **ভ্রাম্যমান নাটকৰ ধাৰা** ঃ ভ্রাম্যমান নাট্যদলবোৰে জন্মলগ্নৰে পৰা বর্তমানলৈকে ভালেমান নবীন-প্রবীণ নাট্যকাৰৰ নাটক মঞ্চস্থ কৰি নাটকক এক শিল্প-উদ্যোগলৈ ৰূপান্তৰিত কৰিছে। সত্তৰৰ দশকৰ পৰৱর্তী কালছোৱাত জন্ম আৰু বিকাশ লাভ কৰা ভ্রাম্যমান নাট্যদল হ'ল— 'মুকুন্দ থিয়েটাৰ' (১৯৭২), 'কহিনুৰ থিয়েটাৰ' (১৯৭৬), 'হেঙুল থিয়েটাৰ' (১৯৮৫), 'আৰাহন থিয়েটাৰ', 'শঙ্কৰদেৱ থিয়েটাৰ', 'ভাগ্যদেৱী থিয়েটাৰ' ইত্যাদি। ভৱেন্দ্রনাথ শইকীয়া, মহেশ কলিতা, হেম ভট্টাচার্য্য, ভবেন বৰুৱা, মহেন্দ্র বৰঠাকুৰ, বিপ্লৱ চৌধাৰী, প্রদীপ ভূঞা, প্রফুল্ল বৰা, সীতানাথ লহকৰ,উগ্র মেনা,অভিজিত ভট্টাচার্য্য,জগদীশ পাটগিৰি,প্রভৃতিয়ে এই কালছোৱাত ভ্রাম্যমানৰ বাবে অসংখ্য নাটক ৰচনা কৰি নাট্য সাহিত্যৰ ভৰাল চহকী কৰে।
- **লোককলাৰ আর্হিত ৰচিত নাটকৰ ধাৰা** ঃ বিংশ শতিকাৰ আশীৰ দশকৰ পৰা অসমীয়া নাটকৰ গতি নিৰূপণত দেশীয় বা থলুৱা লোককলাৰ আর্হিৰ প্রয়োগে বিশেষ প্রাধান্য লাভ কৰা দেখা যায়। পশ্চিমীয়া ৰীতিৰ পৰিৱর্তে স্বদেশৰ ঐতিহ্য আৰু লোক পৰম্পৰাক সচেতন ভাৱে নাটকৰ মাজেদি ৰূপায়ণ কৰাৰ প্রৱণতাৰ পৰিণতি স্বৰূপে কেইবাখনো সার্থক নাটকৰ সৃষ্টি হৈছে। এনে নাটকৰ ভিতৰত যুগল দাসৰ *বায়নৰ খোল* (১৯৮২); অখিল চক্রৱর্তীৰ *উত্তৰ পুৰুষ* (১৯৮০); সতীশ ভট্টাচার্যৰ *মহাৰাজা* (১৯৮৩); ফণী তালুকদাৰৰ *মৰাহাতী*; প্রমোদ দাসৰ

হনুমান সাগৰ বান্ধা চাউ আদি নাটকৰ উল্লেখ কৰিব পাৰি। এইবোৰ নাটকত ওজাপালি, অঙ্কীয়া নাট, বৰপেটাৰ নাওখেল আৰু বৰপেটাৰ থিয় নামৰ ৰীতি গ্ৰহণ কৰা হৈছে।

- **বিজ্ঞানভিত্তিক নাটকৰ ধাৰা ঃ** বৈজ্ঞানিক বিষয়ক সহজ সৰলভাৱে নাটকীয় ৰূপত উপস্থাপন কৰি শ্যামাপ্রসাদ শর্মা, দীনেশ চন্দ্র গোস্বামী আদিয়ে কেইবাখনো নাটক ৰচনা কৰিছে। এনে নাটকৰ ভিতৰত *অন্যৰূপ, মমতাৰ মহাকাব্য, মথাউৰি, বিশ্বাস* আদিৰ নাম উল্লেখ কৰিব পাৰি।

প্রাসঙ্গিক আলোচনা ঃ এইবোৰ নাটকৰ বাহিৰেও অসমৰ বিভিন্ন অঞ্চলত ভালেমান নাট্যকাৰ নাটক ৰচনাৰ যোগেদি নাট্য সাহিত্যৰ ভৰাল চহকী কৰিছে। মহেশ কলিতা, উগ্র মেনা, অভিজিৎ ভট্টাচার্য্য, ভবেন বৰুৱা, ভবেন্দ্র নাথ শইকীয়া, বিপ্লৱ চৌধাৰী আদি নাট্যকাৰসকলে অসমীয়া নাট্য সাহিত্যলৈ যোগোৱা বৰঙণিৰ বিষয়ে বিস্তৃত আলোচনাৰ প্রয়োজন। বিপ্লৱ চৌধাৰীৰ *বিস্ফোৰণ, বেয়া মানুহ, অবাক পৃথিৱী, শক্তিমান, ব'হাগতে পাতি যাওঁ বিয়া* ইত্যাদি পূর্ণ দৈর্ঘ্যৰ নাটকৰ বাহিৰেও তেওঁ কেইবাখনো একাঙ্কিকা আৰু শিশু উপযোগী নাটকো ৰচনা কৰি অসমীয়া সাহিত্য সমৃদ্ধ কৰিছে।

অসমীয়া নাটকত বর্তমান ভালেমান পৰীক্ষা-নিৰীক্ষা চলিছে। অখিল চক্রৱর্তী, আলি হাইদৰ, মুনীন ভূঞা, সত্যপ্রসাদ বৰুৱা, অৰুণ শর্মা প্রভৃতি ভালেমান প্রবীণক অনুসৰণ কৰি নতুন বহুতো নাট্যকাৰে নাট্য সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

যুগৰ পৰিৱর্তনৰ লগে লগে সমাজৰ পৰিৱর্তন ঘটে আৰু পৰিৱর্তিত সমাজৰ লগত খাপখোৱাকৈ লেখকসকলে সাহিত্যচর্চাত মনোনিবেশ কৰে। কোনো কোনো লেখকৰ মাধ্যমেদি বর্তমানৰ সন্ত্রাসজর্জৰ পৰিৱেশ-পৰিস্থিতিয়েও সাহিত্যত প্রৱেশ লাভ কৰে। আধুনিকতাবাদী ধাৰা, চেতনাস্রোতৰ ধাৰা, নাৰীবাদী চেতনাৰ ধাৰা, কল্পবিজ্ঞান ভিত্তিক ৰচনাৰ ধাৰা প্রভৃতি বিবিধ ধাৰাই অসমীয়া চুটিগল্প আৰু উপন্যাসৰ বিকাশত সহায় কৰে। অনুৰূপভাৱে কবিতাৰ ক্ষেত্রত নব্য-ৰমন্যাসিক ধাৰাৰ পৰা আৰম্ভ কৰি প্রতীকবাদী, চিত্রকল্পবাদী প্রভৃতি বিবিধ ধাৰণাই এই কালছোৱাৰ কবিতাক সমৃদ্ধ কৰে। নাটকৰ ক্ষেত্রত অস্তিত্ববাদ, বাটৰ নাটক, বাস্তৱবাদী নাটক, অনাতাঁৰ নাটক, মনস্তাত্ত্বিক নাটক, লোক-আঙ্গিকৰ প্রয়োগ সমৃদ্ধ নাটক প্রভৃতি বিবিধ নাটকে এই কালছোৱাত প্রসাৰ লাভ কৰে।

এই কালছোৱাত প্রবীণ লেখকসকলৰ লেখা ক্রমান্বয়ে সীমিত হৈ আহে আৰু ভালেমান নতুন প্রভাৱশালী কবি, গল্পকাৰ, ঔপন্যাসিক নাট্যকাৰ, প্ররন্ধকাৰ আদিৰ আবির্ভাৱ হয়। এইসকলৰ সৃষ্টিত দেশ-বিদেশৰ নতুন নতুন সাহিত্যৰ ধাৰাসমূহে অসমীয়া সাহিত্যত প্রৱেশ লাভ কৰে। অধ্যয়নৰ পৰিসীমা বৃদ্ধিৰ লগে লগে বিশ্বৰ বিভিন্ন সাহিত্যৰ আঙ্গিক আৰু কলা-কৌশল আয়ত্ব কৰি ভাৰতীয় অন্যান্য ভাষা-সাহিত্যৰ দৰেই অসমীয়া সাহিত্যতো আধুনিকতাবাদ,

উত্তৰ আধুনিকতাবাদ, নাৰীবাদ, অধিবাস্তৱবাদ, প্রকৃতিবাদ প্রভৃতি বিবিধ ভাব-দর্শনে ভূমুকি মাৰে আৰু সন্দর্ভ বিষয় সমৃদ্ধ ভালেমান উল্লেখযোগ্য সাহিত্যৰ সৃষ্টি হয়। এই অধ্যায়ত সীমিত পৰিসৰৰ ভিতৰত তেনে সাহিত্যৰ ধাৰাৰ লগতে প্রতিনিধিত্বমূলক দুই এগৰাকী লেখক আৰু তেওঁলোকৰ দ্বাৰা সৃষ্ট সাহিত্যৰ বিষয়ে আলোচনা কৰা হৈছে। সংক্ষিপ্ত পৰিসৰৰ ভিতৰত আমাৰ অধ্যয়ন সীমাবদ্ধ কৰিবলগীয়া হোৱাত বিষয়ৰ গভীৰতাত প্রৱেশ কৰিব পৰা নাই। শিক্ষার্থীসকলৰ সুবিধাৰ অর্থে অধ্যয়ন-অনুধাৱনৰ বাবে প্রাসঙ্গিক তথ্যৰ ইঙ্গিত দি যোৱা হৈছে।



১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰামধেনু - পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যৰ দ্বিতীয় পর্ব (১৯৯০-২০০০)ত এই কালছোৱাত ৰচিত গল্প, কবিতা, উপন্যাস আৰু নাটকৰ বিষয়ে চমু আলোচনা দাঙি ধৰা হ'ল। দেশী-বিদেশী বিভিন্ন সাহিত্যৰ ধাৰাসমূহৰ দ্বাৰা প্রভাৱিত হোৱাৰ কাৰণে এই যুগৰ সাহিত্যত আধুনিকতাবাদ, উত্তৰ-আধুনিকতাবাদ, নাৰীবাদ, বাস্তৱবাদ, অতিবাস্তবাদ আদি বিবিধ ভাব-দর্শনৰ প্রভাৱ লক্ষ্যণীয়।
- এই অধ্যায়ত বিগত কালছোৱাৰ সাহিত্যৰ গতিবিধি আৰু সাহিত্য জগতলৈ অহা নতুন নতুন ধাৰাসমূহৰ বিষয়ে ধাৰণা লাভ কৰিলোঁ।
- বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ সম্প্রসাৰণ, নতুন তথ্য-প্রযুক্তিৰ আগমন আৰু তাৰ লগে লগে ৰাজ্যনৈতিক পৰিৱর্তনে দেশৰ ভাষা-সাহিত্য সংস্কৃতিলৈ নতুন উদ্যম কঢ়িয়াই অনাৰ লগে লগে ভালেমান ইতিবাচক চিন্তা-চেতনাই অসমীয়া সাহিত্যত প্রৱেশ লাভ কৰিবলৈ ধৰে। সাহিত্যৰ আঙ্গিক আৰু বিষয়বস্তুলৈ অহা নতুনত্বই ভাৰতীয় সাহিত্যৰ সমান্তৰালভাৱে অসমীয়া সাহিত্যকো সমৃদ্ধ কৰিবলৈ ধৰে।
- এই কালছোৱাত প্রবীণসকলৰ লগে লগে তুলনামূলকভাৱে নতুন এচাম লেখক-লেখিকাৰ আৱির্ভাৱ হয় আৰু তেওঁলোক অসমীয়া সাহিত্যলৈ নতুনত্ব কঢ়িয়াই আনিবলৈ সচেষ্ট হ'ল।
- নাগৰিক জীৱনৰ লগে লগে গ্রাম্য জীৱন আৰু পৰম্পৰাগত ঐতিহ্যৰ পুনৰ নির্মাণৰ প্রয়াস সাহিত্যৰ মাজেদি প্রকাশিত হোৱাটো আশীৰ দশকৰ পৰা আৰম্ভ হয় আৰু নব্বৈ দশকৰ গল্প, কবিতা, নাটক উপন্যাস আদিত ই বিকশিত ৰূপ লাভ কৰে।



১৩.৯ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কটকী, চন্দ্র (১৯৮৯) ঃ *আধুনিক অসমীয়া কবিতা* (২য় সংস্কৰণ); যোৰহাট ঃ অসম

সাহিত্য সভা।

২) গগৈ, লীলা (১৯৮৬) ঃ *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*; গুৱাহাটী ঃ ষ্টুডেণ্টছ এম্পৰিয়াম, (২০১৪, নতুন সংস্কৰণ, গুৱাহাটী ঃ বনলতা।

৩) গোস্বামী, ত্রৈলোক্য নাথ (১৯৭৬) ঃ *আধুনিক অসমীয়া চুটিগল্প*; গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৪) দেৱগোস্বামী, ৰঞ্জিৎ কুমাৰ (২০১৬) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (৫ম খণ্ড); উত্তৰ গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি পৰিষদ।

৫) ঠাকুৰ, নগেন (সম্পা.) ঃ *এশ বছৰৰ অসমীয়া উপন্যাস*; অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

৬) নাথ, প্রফুল্ল কুমাৰ (২০১৪) ঃ *অসমীয়া কবিতাৰ চমু ইতিহাস*; গুৱাহাটী ঃ এন এল পাব্লিকেশ্যন।

৭) নেওগ, মহেশ্বৰ (১৯৮৭) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা* (৭ম সংস্কৰণ); গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৮) নেওগ, মহেশ্বৰ (১৯৮৬) ঃ *আধুনিক অসমীয়া সাহিত্য*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৯) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৮৬)ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড); উত্তৰ গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি পৰিষদ।

১০) বৰদলৈ, নির্মলপ্রভা (১৯৮৯) ঃ *কবিতাৰ কথা* (২য় সংস্কৰণ); গুৱাহাটী ঃ অসম বুক ডিপো।

১১) বৰা, মহেন্দ্র (সম্পা.) (১৯৮৭) ঃ *নতুন কবিতা*; ডিব্রুগড় ঃ বনলতা।

১২) বৰুৱা, প্রহ্লাদ কুমাৰ (১৯৮০) ঃ *অসমীয়া চুটিগল্পৰ অধ্যয়ন*; ডিব্রুগড় ঃ বনলতা।

১৩) বৰুৱা, লোপা (১৯৯৯) ঃ *আধুনিক অসমীয়া কবিতাত প্রতীক আৰু চিত্রকল্প*; গুৱাহাটী ঃ বৰুৱা প্রকাশন

১৪) *বিংশ শতিকাৰ অসমীয়া সাহিত্য*; (১৯৮৯) যোৰহাট ঃ অসম সাহিত্য সভা।

১৫) ভট্টাচার্য্য, হৰিচন্দ্র (১৯৮৬) ঃ *অসমীয়া নাট্য-সাহিত্যৰ জিলিঙণি*।

১৬) শর্মা, সত্যেন্দ্রনাথ (১৯৭৬)ঃ *অসমীয়া উপন্যাসৰ গতিধাৰা*;গুৱাহাটী ঃ সৌমাৰ প্রকাশ।


১৭) শর্মা, সত্যেন্দ্রনাথ (১৯৭৬) ঃ *অসমীয়া নাট্য-সাহিত্য*; গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১৮) শর্মা, সত্যেন্দ্রনাথ (১৯৮১) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* (৫ম সংস্কৰণ); গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

ইংৰাজী গ্রন্থ ঃ

1) Baruah, Hem (1965) : *Assamese Literature*; New Delhi: NBT.

2) Saikia, Nagen (1988): *Background of Modern Assamese Literture*; New Delhi: Omsons Publication.



১৩.১০ অগ্রতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ১৯৯০-২০০০ চনৰ ভিতৰত সংঘটিত হোৱা বিভিন্ন ঘটনা-পৰিঘটনাই কিবা প্রকাৰে সমসাময়িক যুগৰ সাহিত্য ৰচনাক প্রভাৱিত কৰিছিল নেকি— তাৰ চমু লেখ আগবঢ়াই সেই সময়ৰ সাহিত্যৰ পটভূমিৰ বিষয়ে লিখিব।

২নং প্রশ্নৰ উত্তৰ ঃ বিশিষ্ট ধাৰাসমূহৰ আধাৰত উপন্যাস বিশেষৰ চমু আলোচনাৰ মাজেদি উত্তৰটো লিখিব।



১৩.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যৰ পটভূমি বিচাৰ কৰক।

প্রশ্ন ২ ঃ ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যৰ প্রধান বৈশিষ্ট্যসমূহ বিচাৰ কৰক।

প্রশ্ন ৩ ঃ কুৰি শতিকাৰ শেষ দশকটোৰ অসমীয়া সাহিত্যৰ প্রধান ধাৰাসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ ঃ কুৰি শতিকাৰ শেষ দশকৰ অসমীয়া নাটকৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৫ ঃ ৰামধেনু-পৰৱৰ্তী কালৰ অমসীয়া কবিতাৰ আঙ্গিক সম্পর্কে চমুকৈ লিখক।

প্রশ্ন ৬ ঃ ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া চুটিগল্পত ব্যৱহৃত কলা-কৌশল সম্পর্কে চমুকৈ লিখক।

প্রশ্ন ৭ ঃ ৰামধেনু-পৰৱৰ্তী কালৰ অসমীয়া উপন্যাসৰ বিভিন্ন ধাৰাসমূহৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৮ ঃ চমুটোকা লিখক ঃ

ক) নাৰীবাদ খ) আধুনিকতাবাদ গ) উত্তৰ আধুনিকতাবাদ
ঘ) চেতনাস্রোত ঙ) বাটৰ নাটক চ) একাঙ্কিকা
ছ) কল্পবিজ্ঞানভিত্তিক চুটিগল্প জ) মননশীল চুটিগল্পৰ ধাৰা
ঞ) ৰাজনৈতিক বাস্তৱতা আৰু অসমীয়া উপন্যাস

*** ***** ***

অধ্যায় ১৪ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহ আৰু অসমীয়া সাহিত্যৰ যুগবিভাজন

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহৰ চমু পৰিচয়
১৪.৪ অসমীয়া সাহিত্যৰ যুগ বিভাজন
১৪.৫ অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতাসকল
১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৭ অধিক জানিবলৈ
১৪.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১৪.৯ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকলে ৰচনা কৰা বুৰঞ্জী বিষয়ক গ্ৰন্থসমূহৰ একোটি পৰিচয় লাভ কৰিব পাৰিব
- লগতে বুৰঞ্জীকাৰসকলৰ মাজত পৰিলক্ষিত হোৱা ভিন্ ভিন্ দৃষ্টিভঙ্গীৰো পৰিচয় লাভ কৰিবলৈ সক্ষম হ'ব।
- বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতবাদৰ ভিত্তিত অসমীয়া সাহিত্যৰ যুগ বিভাজন সম্পৰ্কে জ্ঞাত হ'ব পাৰিব
- অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকলৰ সাহিত্যিক জীৱনৰ পৰিচয় লাভ কৰিব পাৰিব

১৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া দ্বিতীয় ষাণ্মাসিকৰ প্ৰথম পাঠ্যবিষয়ৰঅন্তৰ্গতএইটো চতুৰ্দশ তথা শেষ অধ্যায়। ইয়াৰ শিৰোনাম 'অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকল'। যিকোনো বিষয়ৰে ইতিহাস সমৃদ্ধ লিখনিৰ মূল্য অপৰিসীম। কিয়নো ইতিহাসবিদ তথা বুৰঞ্জীকাৰসকলে যিদৰে তথ্য প্ৰমাণ আৰু নিৰ্ভৰযোগ্য অনুমানৰ ছাঁয়া-প্ৰছাঁয়াৰ আশ্ৰয়ত পাঠকৰ সন্মুখত কোনো এটা বিষয়ৰ স্পষ্ট ধাৰণা দিবলৈ চেষ্টা কৰে, সেইদৰে পাঠক সমাজেও বুৰঞ্জীকাৰজনৰ তথ্যক সাৰ্বজনীনতাৰ দৃষ্টিভঙ্গীৰে তেনেবোৰ বিষয়ৰ বৰ্ণনা বা ধাৰণাক শ্ৰদ্ধা আৰু আন্তৰিকতাৰে গ্ৰহণ কৰে। সেয়েহে ইতিহাস সমৃদ্ধ লিখনিৰ প্ৰমূল্য সন্দেহাতীতভাৱে অপৰিসীম। অসমীয়া সাহিত্যৰ ধাৰাবাহিক

বিৱৰণ তথা ইতিহাস বহনকাৰী গ্ৰন্থসমূহৰ মূল্যও একেটা কাৰণতে যথেষ্ট বেছি। যিহেতু সাহিত্যৰ বুৰঞ্জী হৈছে সেই জাতিটোৰ বৌদ্ধিক দিশৰ উত্তৰণৰ এক ধাৰাবাহিক দলিল। সেয়ে অসমীয়া সাহিত্যৰ বিশিষ্ট বুৰঞ্জীকাৰ সত্যেন্দ্রনাথ শর্মাই তেওঁৰ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* কৈছে— "সাহিত্যৰ বুৰঞ্জী জাতিবেশৰ ভাব, চিন্তা, কল্পনা, আদর্শ আৰু জীৱন ধাৰাৰ অভিব্যক্তি। সাহিত্যৰ যোগেদি প্রকাশ পোৱা বিভিন্ন যুগৰ ভাব, চিন্তা, প্রকাশভঙ্গী, অভিজ্ঞতা আৰু আঙ্গিকক পৰস্পর্য সূত্রত গাঁথি কার্যকাৰণ সম্পর্ক নির্ণয় কৰি জাতিৰ মানসিক বিকাশৰ ধাৰাটোৰ লগত পাঠকৰ পৰিচয় কৰি দিয়া সাহিত্যৰ বুৰঞ্জীৰ উদ্দেশ্য।" এই উদ্দেশ্য সিদ্ধিৰ লক্ষ্যৰেই অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকলেও অসমীয়া সাহিত্যৰ বুৰঞ্জী লিখন কর্মত আত্মনিয়োগ কৰি জাতিটোৰ মানসিক আৰু বৌদ্ধিক দিশত উত্তৰণত বিশেষ অৰিহণা যোগাই আহিছে বুলি ক'ব পাৰি।

অধ্যায়ৰ বিষয়বস্তু অনুযায়ী এই অধ্যায়ত যদিও সাহিত্যৰাজিৰ ওপৰত বিশেষ গুৰুত্ব প্রদান কৰা হ'ব, তথাপি এটা কথা সন্দেহাতীতভাৱে স্পষ্ট যে সাহিত্য ভাষাৰ গাত আঁউজিহে বাট বুলে। অর্থাৎ ভাষাইহে সাহিত্যক জাউতি-যুগীয়া কৰি জীয়াই ৰাখে। অন্যহাতে, সেই ভাষাৰ মর্যাদা দুগুণে চৰে তেতিয়া যেতিয়া সেই ভাষাৰ সাহিত্যই বিকাশমান হৈ উঠে। গতিকে ক'বই লাগিব যে ভাষা আৰু সাহিত্য পৰস্পৰে পৰস্পৰৰ সৈতে সম্পর্কযুক্ত। এটাৰ অবিহনে আনটো শ্রীবৃদ্ধি সম্ভৱ নহয়। সেয়েহে হয়তো আমাৰ সাহিত্যৰ বুৰঞ্জীকাৰসকলৰ প্রায় প্রতিগৰাকীয়ে সাহিত্যৰ বুৰঞ্জী দিবলৈ যাওঁতে ভাষাৰ দিশটোকো স্বাভাৱিকভাৱে টানি আনিছে বা টানি আনিবলগীয়া হৈছে। অসমীয়া সাহিত্যৰ বুৰঞ্জী লিখাৰ পৰম্পৰাও দৰাচলতে অসমীয়া ভাষা বিষয়ক আলোচনাৰ পৰাই আৰম্ভ হোৱা বুলি নগেন শইকীয়াৰ দৰে পণ্ডিতসকলে মত ব্যক্ত কৰিব বিচাৰে। সাহিত্য সমালোচক শইকীয়াৰ মতে *জোনাকী*কাকতৰ তৃতীয় বছৰ প্রথম সংখ্যাৰ পৰা একাদশ-দ্বাদশ সংখ্যালৈকে হেমচন্দ্র গোস্বামীৰ 'অসমীয়া ভাষা' নামৰ সুদীর্ঘ প্রবন্ধ আৰু 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা'ত পৰিৱেশিত লক্ষ্মীনাথ বেজবৰুৱাৰ 'অসমীয়া ভাষা' শীর্ষক বক্তৃতালানিয়েই (যিলানি *জোনাকী*ৰ পঞ্চম বছৰৰ পৰা সপ্তম বছৰলৈকে আঠটা সংখ্যাত প্রকাশিত হৈছিল) অসমীয়া ভাষাৰ লগতে সাহিত্যৰ বুৰঞ্জী ৰচনাৰ ইতিহাসো আৰম্ভ হয়। গতিকে পণ্ডিত হেমচন্দ্র গোস্বামী আৰু লক্ষ্মীনাথ বেজবৰুৱাক অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী লিখাৰ বাট কাটি দিয়ে বুলি ক'ব পাৰি। তদুপৰি ১৮৯৫ চনত অ.ভা.উ.সা. সভাই অসমীয়া সাহিত্যৰ প্রায় সাতশমান পুথিৰ (মুদ্রিত আৰু সাঁচিপতীয়া) তালিকাৰে প্রকাশিত পুস্তিকাইও পৰৱর্তী কালত বুৰঞ্জী লিখাৰ অন্যতম সমল হিচাপে কাম কৰিছিল বুলি দেবেন্দ্রনাথ বেজবৰুৱাৰ *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী*ৰ 'ভূমিকা'ত নগেন শইকীয়াই উল্লেখ কৰিছে।

এনেকৈয়ে অসমীয়া ভাষা তথা সাহিত্যৰ বুৰঞ্জী লিখাৰ পর্ব আৰম্ভ হোৱাৰ পিছত অসমীয়া সাহিত্যৰ বুৰঞ্জী বিষয়ক পূর্ণাঙ্গ গ্রন্থ বর্তমানলৈ একাধিক প্রকাশ হৈ ওলাইছে। কলিকতা বিশ্ববিদ্যালয়ৰ বাবে হেমচন্দ্র গোস্বামীৰ সম্পাদনেৰে অসমীয়া সাহিত্যৰাজিক খণ্ড খণ্ডকৈ সাতোটাকৈ খণ্ডত তেওঁৰ *অসমীয়া সাহিত্যৰ চানেকিত* ধাৰাবাহিকভাৱে অন্তর্ভুক্ত কৰি অসমীয়া

সাহিত্যৰ বুৰঞ্জীৰ বহল ক্ষেত্রখনত এক অনন্য ধাৰাৰ সৃষ্টি কৰিলেও লিখন কালৰ ফালৰ পৰা চালে ১৯১২ চনত প্রকাশিত দেবেন্দ্রনাথ বেজবৰুৱাৰ *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী* নামৰ গ্রন্থখনকহে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ প্রথম পূর্ণাঙ্গ গ্রন্থ বুলিব লাগিব।

ইতিমধ্যে আমি ওপৰত উল্লেখ কৰাৰ দৰে দেবেন্দ্রনাথ বেজবৰুৱাই *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী* গ্রন্থৰ জৰিয়তে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ ইতিহাসত প্রথমটো মাইলৰ খুঁটি স্থাপন কৰাৰ পিছত কুৰিৰো অধিক এই বিষয়ক গ্রন্থই প্রকাশৰ মুখ দেখাই নহয়, অসমীয়া জাতিৰ ঐতিহ্য বহনকাৰী এনে গ্রন্থই অসমীয়া সাহিত্যৰ ভঁৰালত বিশেষ মর্যাদা প্রদান কৰিলে। অসমীয়া সাহিত্যৰ বুৰঞ্জী বিষয়ক আন কেইখনমান গ্রন্থ হ'ল— ডিম্বেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি* (১৯৪০), *New Light on History of Asamiya Literature* অথবা *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*; বিৰিঞ্চি কুমাৰ বৰুৱাৰ *The History of Assamese Literature* (১৯৪৬); সত্যেন্দ্রনাথ শর্মাৰ *অসমীয়া সাহিত্যৰ ইতিবৃত্ত* (পিছলৈ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*); মহেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; তদুপৰি বিশিষ্ট এক শ্রেণী ব্যক্তিৰ দ্বাৰা সম্পাদিত আৰু 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি' নামৰ সংস্থাটোৰ দ্বাৰা প্রকাশিত কেইবাটাও খণ্ডত প্রকাশিত *অসমীয়া সাহিত্যৰ বুৰঞ্জী*খিনিও এই ক্ষেত্রত বিশেষভাৱে উল্লেখযোগ্য। অৱশ্যে এইবোৰ গ্রন্থৰ বাহিৰেও বিশেষ এক শ্রেণীৰ সাহিত্যিক লৈও অনেকে সেই শ্রেণীৰ সাহিত্যখিনিৰ ইতিহাস একোটা দিবলৈ কৰা চেষ্টাৰেও অনেক সৰু-বৰ গ্রন্থ ৰচনা কৰিছে যদিও এই অধ্যায়ত বিশেষ এক শ্রেণীৰ লেখকৰ সাহিত্যৰ বুৰঞ্জীখিনিকহে আলোচনাৰ মাজলৈ অনা হ'ব।

অসমীয়া সাহিত্যৰ বুৰঞ্জীৰাজিৰ আলোচনীৰ ক্ষেত্রত আন এটা উল্লেখযোগ্য কথালৈ মন কৰিবলগীয়া।সেয়া হ'ল গ্রন্থকাৰসকলৰ দৃষ্টিভঙ্গী।সমালোচনামূলক দৃষ্টিভঙ্গী প্রায় প্রতিগৰাকী বুৰঞ্জীকাৰৰ মাজত পার্থক্য দেখা যায়।গ্রন্থকাৰৰ এনে সুকীয়া দৃষ্টিভঙ্গীৰ বাবে বহু সময়ত পাঠক বিবুধিত পৰিলেও সেয়া গ্রন্থ লেখকৰ ন ন চিন্তাৰে কৰা বিশ্লেষণাত্মক দৃষ্টিভঙ্গীৰ ফল বুলিব পাৰি।এনেবোৰ কথাও স্বাভাৱিকভাৱেইআলোচনাৰ মাজলৈ আহিব।এনেবোৰ দিশৰ আলোচনাৰ সমাহাৰতেই অধ্যায়টি প্রস্তুত কৰিবলৈ প্রয়াস কৰা হৈছে।

১৪.৩ অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহৰ চমু পৰিচয়

দেবেন্দ্রনাথ বেজবৰুৱাৰ অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ ইতিহাসত দেবেন্দ্রনাথ বেজবৰুৱা প্রণিত *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী* নামৰ গ্রন্থখনেই গ্রন্থ আকাৰৰ প্রথম বুৰঞ্জী। ইয়াৰ আগেয়ে দুই-এখন কাকত-আলোচনীৰ পাতত অসমীয়া ভাষা বা সাহিত্যৰ ইতিহাস বহনকাৰী দুই-এক প্রবন্ধ প্রকাশ হৈছিল যদিও সি কাকত বা আলোচনীৰ মাজত প্রবন্ধৰ আকাৰতে সীমাৱদ্ধ আছিল। সেই ফালৰ পৰা চালে *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী* শীর্ষক গ্রন্থখন অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ ইতিহাসত মাইলৰ খুঁটি বুলিব পাৰি।

সৰু-বৰ বাৰটা অধ্যায়ত নিৰ্মিত গ্ৰন্থখনৰ আৰম্ভণিৰ অধ্যায় তিনিটাত অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কত মতামত আগবঢ়াই পৰৱৰ্তী দুটা অধ্যায়ত অৰ্থাৎ চতুৰ্থ আৰু পঞ্চম অধ্যায়ত যথাক্ৰমে অসমীয়া আখৰৰ উৎপত্তি আৰু আখৰ-জোঁটনি সম্পৰ্কত কেতবোৰ উদাহৰণসহ আলোচনা কৰাৰ পিছতহে অসমীয়া সাহিত্যৰ যুগ বিভাজনৰ সময় নিৰূপণেৰে অধ্যায় ভিত্তিক আলোচনা আগবঢ়াইছে। ভাষা বিষয়ক অধ্যায়তেই তেওঁ বঙালীসকলে দাবী কৰা 'অসমীয়া ভাষা বাংলাৰ উপভাষা' বোলা কথাষাৰ তীক্ষ্ণতাৰে বিৰোধিতা কৰি অসমীয়া ভাষাৰ সৈতে সংস্কৃতৰ পোনপটীয়া যোগসূত্ৰ টানি অসমীয়া ভাষাটোক বাংলাতকৈ পুৰণি ভাষা বুলিছে। তদুপৰি পুৰুষোত্তম গজপতিৰ বুলি ঠাঁৰৰ কৰা পৌৰাণিক পুথি (লক্ষ্মীনাথ বেজবৰুৱাৰ মতে ষষ্ঠ শতিকাৰ) 'দীপিকাছন্দ'ৰ ভাষাৰ সৈতে অসমীয়া ভাষাৰ ভাষাগত সাদৃশ্যলৈ লক্ষ্য ৰাখি অসমীয়া ভাষাৰ অস্তিত্ব বাংলাতকৈ পূৰ্বৰ বুলি যুক্তিসন্মত দাবী আগবঢ়াইছে।

ষষ্ঠ অধ্যায়ৰপৰাসাহিত্যৰ যুগভিত্তিক আলোচনা আগবঢ়াইছে যদিও 'অসমীয়া সাহিত্যৰ যুগ' নুবুলি 'অসমীয়া ভাষাৰ যুগ' বুলিহে উল্লেখ কৰিছে।কিন্তু 'ভাষা' শব্দটোৰে যে সাহিত্যখিনিকে মূলতঃ সামৰি লৈছিল আলোচনাৰ পৰাই বুজিব পাৰি। তেওঁ 'আদি যুগ' (ষষ্ঠ অধ্যায়) আৰু 'বৰ্তমান যুগ' (একাদশ অধ্যায়) দুটাক একোটিকৈ অধ্যায়ত সামৰি মাজৰ যুগটোক 'উন্নতিৰ যুগ' নাম দি 'শঙ্কৰদেৱ-মাধৱদেৱ-ৰাম সৰস্বতী-অনন্ত কন্দলি'কে প্ৰমুখ্যে কৰি এইসকল সাহিত্যিকৰ ছাঁয়া-প্ৰছাঁয়াৰ কবিসকলৰ সাহিত্য কৰ্মক চাৰিটা অধ্যায়ত (সপ্তম, অষ্টম, নৱম আৰু দশম অধ্যায়) বৰ্ণনা কৰিছে।

আদি যুগত 'ডাকৰ বচন'কে আদি কৰি 'দীপিকাছন্দ' তথা হৰিহৰ বিপ্ৰ (হৰিবৰ), হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, দুৰ্গাবৰ, নাৰায়ণ দেৱ, মাধৱ কন্দলি পৰ্যন্ত সামৰিছে যদিও ৰুদ্ৰ কন্দলি, মনকৰৰ দৰে কবিৰ উল্লেখ নাই। কেৱল সেয়ে নহয়, শেষৰ ফালে 'বিয়াগীত', 'বিহুনাম' শিৰোনামৰো যৎকিঞ্চিৎ পৰিচয় দিব বিচাৰিলেও পৰৱৰ্তী সময়ৰ বুৰঞ্জীকাৰসকলে বিস্তৃতভাৱে আলোচনা কৰা 'লোক-সাহিত্য'ৰ অন্তৰ্গত কোনো এটি বিষয়ৰে (যেনে— লোকগীত, সাঁথৰ, যোজনা-পটন্তৰ ইত্যাদি) আলোচনা গ্ৰন্থখনত নাই। তদুপৰি 'চৰ্য্যাপদ'ৰ আৱিষ্কাৰো তেতিয়া পৰ্যন্ত পোহৰলৈ নহাত তাৰো আলোচনা গ্ৰন্থখনত পাবলৈ নাই।

বাকী দুটা যুগতকৈ 'উন্নতিৰ যুগ'টোৰ আলোচনা কিছু বিস্তৃত। এই যুগে সামৰি লোৱা উল্লেখযোগ্য কবি-সাহিত্যিকসকল হ'ল— শঙ্কৰদেৱ, মাধৱদেৱ, ৰাম সৰস্বতী, অনন্ত কন্দলি, দামোদৰদেৱ, ভট্টদেৱ, দৈতাৰি ঠাকুৰ, গোৰিন্দ মিশ্ৰ, গোপালদেৱ, শিষ্ট ভট্টাচাৰ্য্য, কবিৰত্ন, বকুল কায়স্থ, সূৰ্য্যখৰি দৈৱজ্ঞ বা সাগৰ খৰি, গোপাল আতা, গোপাল মিশ্ৰ, ৰাম মিশ্ৰ, কবিৰাজ চক্ৰৱৰ্তী ইত্যাদি। তেওঁ এই যুগটোৰ নামকৰণৰ ব্যাখ্যা দিছে এনেদৰে— "উন্নতি যুগ বোলা এই ৩৭১ বছৰীয়া যুগৰ আদি ভাগক আসামৰ সাহিত্যৰ পুনৰ্জ্জীৱন (Renaissance) আৰু শিক্ষাৰ পুনৰালোচনাৰ কাল

(Revival of Learning) বোলা যায়। এই যুগৰ আদিতেই অসমীয়া ভাষাৰ গুৰিয়াল, অসমীয়া সাহিত্যৰ বাট দেখুৱাওঁতা, অসমত দার্শনিক তথ্যেৰে মিলোৱা বৈষ্ণৱ ধর্ম প্রচাৰক শঙ্কৰদেৱে পুৰণি তান্ত্রিক হিন্দুৰ কঠোৰ বান্ধ কাটি ডাঙৰ-সৰু সকলোকে একে জোপা বৈষ্ণৱ ধর্মৰ গছৰ ছাঁত জিৰণি দি একমাত্র নির্গুণ ঈশ্বৰক আৰাধনা কৰিবলৈ শিকাই, দর্শন শাস্ত্রৰ নতুন চিন্তা, ধর্মৰ নতুন ধাৰণা, সাহিত্য বিজ্ঞানৰ উদাৰ ভাব, মনুষ্যত্বৰ ওখ আর্হি আৰু জীৱনৰ ওখ বাট দেখুৱাই, উন্নতিৰ নতুন যুগ সুমুৱাই, অসমৰ নাম গোটেই সভ্য জগতত জিলিকাই নিজৰ অসাধাৰণ প্রতিভা দেখুৱাই, জগতক মুগ্ধ কৰি, অসমীয়াৰ গাত নতুন জীৱন দি গ'ল।"

এইদৰে শঙ্কৰদেৱৰ আবির্ভাৰ কালৰ পৰা বৃটিছসকল অসম পদার্পণ কৰাৰ আগছোৱা সময় (১৮২৬)লৈকে বৈষ্ণৱ বা নৱবৈষ্ণৱ ভাৱাদর্শেৰে নতুন জীৱন প্রদান কৰা এই যুগটোক উন্নতিৰ যুগ বুলিছে। 'বর্তমান যুগ'টোকো সণ্ঢালনি ৰূপত আলোচনা কৰা নাই। 'জীৱিতসকলৰ সাহিত্যৰ বিষয়ে শেষ মন্তব্য দিব নোৱাৰি' (আগকথা, দ্বিতীয় সংস্কৰণ)ৰ অজুহাতত জীৱিত লোকৰ ভিতৰত একমাত্র হেমচন্দ্র গোস্বামীক আলোচনাৰ মাজলৈ আনি বাকীসকল জীৱিত লেখকক আনকি লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্র কুমাৰ আগৰৱালাকো আলোচনাৰ বাহিৰতহে ৰাখিছে। কেৱল *অৰুণোদই*ৰ দুই-এক লেখনি আৰু আনন্দৰাম ঢেকিয়াল ফুকন, কাশীনাথ তামূলী ফুকন, হেমচন্দ্র বৰুৱা, গুণাভিৰাম বৰুৱা, দীননাথ বেজবৰুৱা, হেমচন্দ্র গোস্বামীকে প্রমুখ্যে কৰি কালিৰাম বৰুৱা, লম্বোদৰ বৰা, ৰত্নেশ্বৰ মহন্ত, সত্যনাথ বৰা ইত্যাদি লেখকৰ বিষয়ে আলোচনা কৰি এই যুগটো সামৰিছে। একেবাৰে শেষৰ অধ্যায়টোত (দ্বাদশ অধ্যায়) পুৰণি অসমীয়া ভাষা আৰু নতুন বা আধুনিক অসমীয়া ভাষাৰ একোটা পার্থক্য দেখুৱাই আলোচনা তথা গ্রন্থখনৰ সামৰণি মাৰিছে। এইদৰে আলোচনা পদ্ধতি বা বিষয়বস্তু অন্তর্ভুক্তিৰ ক্ষেত্রত কিছু হীনদেৰী থাকিলেও দেবেন্দ্রনাথ বেজবৰুৱাৰ *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী* এখন ঐতিহাসিকভাৱে মূল্যৱান গ্রন্থ।



চিন্তা-চর্চা কৰক-১৪.১

"দেবেন্দ্রনাথ বেজবৰুৱাৰ *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী* অসমীয়া সাহিত্যৰ বুৰঞ্জীত মাইলৰ খুঁটি" —আলোচনা কৰক।

হেমচন্দ্র গোস্বামী সম্পাদিত অসমীয়া সাহিত্যৰ চানেকি ঃ অসমীয়া ভাষা আৰু সাহিত্যৰ একনিষ্ঠ কর্মী হেমচন্দ্র গোস্বামীৰ একান্ত প্রচেষ্টা আৰু কলিকতা বিশ্ববিদ্যালয়ৰ সেই সময়ৰ (১৯১৮) উপাচার্য্য ছাৰ আশুতোষ মুখার্জীৰ পৰামর্শ তথা সহযোগত ১৯২৩-১৯২৯ চনলৈ প্রকাশ পোৱা *অসমীয়া সাহিত্যৰ চানেকি* সঁচা অর্থত অসম আৰু অসমীয়াৰ বাবে সাফল্যৰ ইতিহাস বুলিব পাৰি। সেই সময়ত কলিকতা

বিশ্ববিদ্যালয়ত ভাৰতৰ আন আন প্ৰাদেশিক ভাষাসমূহৰ দৰে অসমীয়া ভাষা আৰু সাহিত্যকো স্নাতকোত্তৰ পাঠ্যক্ৰমত চলোৱাৰ সিদ্ধান্ত মৰ্মে সেই পাঠ্যক্ৰম বা প্ৰস্তাৱিত পাঠ্যক্ৰমৰ বাবে প্ৰয়োজনীয় গ্ৰন্থৰ জোৰা মৰাৰ উদ্দেশ্যে এক দূৰদৰ্শী প্ৰকল্প পৰিকল্পনা কৰি বাস্তৱ ৰূপ দিবলৈ গুৰুদায়িত্ব অৰ্পণ কৰা হয় ই.এ.চি. পদবীধাৰী হেমচন্দ্ৰ গোস্বামীৰ হাতত। ১৯১৮ চনৰ সেই পৰিকল্পনাই নানা বাধা-বিঘিনিৰ মাজেৰে ১৯২৩-১৯২৯ চনলৈ খণ্ডসমূহে গ্ৰন্থৰ আকাৰ লাভ কৰে।

হেমচন্দ্ৰ গোস্বামীৰ গ্ৰন্থ প্ৰণয়ন আৰু মুদ্ৰণৰ প্ৰথম পৰিকল্পনা মতে সৰ্বমুঠ সাতোটা খণ্ডক তিনিটা বৃহৎ খণ্ডৰ বুকুত সংস্থাপন কৰাৰ পৰিকল্পনা কৰা হয়। সেই খণ্ডসমূহৰ আঁচনি এনে ধৰণৰ আছিল—

খণ্ড-১

১) গীতি যুগ, মন্ত্ৰ আৰু ভণিতা যুগ, প্ৰাক্-বৈষ্ণৱ যুগ।

খণ্ড- ২

২) বৈষ্ণৱ যুগ (প্ৰথম খণ্ড)

৩) বৈষ্ণৱ যুগ (দ্বিতীয় খণ্ড)

৪) বিস্তাৰ যুগ (তৃতীয় খণ্ড)

৫) বিস্তাৰ যুগ (চতুৰ্থ খণ্ড)

খণ্ড- ৩

৬) বৰ্তমান যুগ (প্ৰথম খণ্ড)

৭) বৰ্তমান যুগ (দ্বিতীয় খণ্ড)

এই সাতটা বৃহৎ খণ্ডত সম্পূৰ্ণ পাঠভিত্তিক বুৰঞ্জীখন হেমচন্দ্ৰ গোস্বামীয়ে প্ৰস্তুত কৰে। দৰাচলতে এইখনেই অসমীয়া সাহিত্যৰ একমাত্ৰ পুথি য'ত কেৱল সাহিত্যিকসকলৰ পাঠৰ সমাবেশ ঘটিছে।

সন্দেহ নাই *অসমীয়া সাহিত্যৰ চানেকি* এখন যে ঐতিহাসিক গ্ৰন্থ। তথাপি এটা কথা ক'বই লাগিব যে গ্ৰন্থখনত বহু পাঠ সন্নিৱিষ্ট হোৱা নাই। তেনে দুই-এটা উদাহৰণ তলত দিয়া হ'ল—

গ্ৰন্থখনত চৰ্য্যাপদ, পৰৱৰ্তী বুৰঞ্জীকাৰসকলৰ বিচাৰত বাংলা-অসমীয়াৰ উমৈহতীয়া সাহিত্যখিনি (যেনে— *শ্ৰীকৃষ্ণ কীৰ্ত্তন*, *শূন্য পুৰাণ* আদি), *হৰিবৰ বিপ্ৰ আৰু তেওঁৰ সাহিত্য*, হেম সৰস্বতীৰ *হৰ-গৌৰী সম্বাদ*, দুৰ্গাবৰৰ *গীতি ৰামায়ণ*ৰ বাহিৰে আন মনসা কবিসকলকে আদি বহু সাহিত্যিকৰ সম্পূৰ্ণ সাহিত্যৰ পাঠ সন্নিৱিষ্ট হোৱা নাই। অৱশ্যে তেওঁ এক বিশেষ কৰ্ম আঁচনি আৰু পৰিকল্পনাৰে গ্ৰন্থৰ ৰূপ দিয়া বাবে বহু বিষয় অথবা বহু বিষয়ৰ কেতবোৰ অংশ অন্তৰ্ভুক্তৰ পৰা বিৰত হয়তো আছিল। অৱশ্যে গোস্বামীৰ গ্ৰন্থখনক *Asomiya Sahityar Chaneki or Typical Collection from*

Assamese Literature বুলিহে 'নতুন সংস্কৰণৰ বিষয়ে দুআষাৰ'ত প্ৰকাশকে উল্লেখ কৰিছে। গতিকে নিৰ্বাচিত লেখনিৰহে ইয়াত প্ৰকাশ হৈছে। কিন্তু যিখিনি বিষয়ৰ পাঠ স্থানভুক্ত হৈছে সি যি কোনো অসমীয়া সাহিত্যৰ পঢ়ুৱৈ এজনৰ বাবে সহজলভ্য হৈ পৰিছে। ইয়ে গ্ৰন্থখনৰ সাৰ্থকতাতো অৰিহণা যোগাইছে।

তলত আঁচনি মতে ভাগ কৰা খণ্ড আৰু উপ-বিভাগসমূহৰএটি সামগ্ৰিক পৰিচয় দিয়া হ'ল—

সাতটা খণ্ডৰ বুৰঞ্জীখনৰ 'প্ৰথমছোৱা সময়' বা 'গীত যুগ'ত মানুহ মুখে মুখে প্ৰচলিত হৈ অহা মৌখিক সাহিত্যৰ ভিত্তিত এই খণ্ডটি সঙ্কলিত হৈছে। 'দ্বিতীয়ছোৱা সময়' অৰ্থাৎ 'মন্ত্ৰ আৰু ভণিতা যুগ'ৰ বিষয়বস্তু হ'ল প্ৰথম লিখিত সাহিত্যৰ অন্যধৰ্মী সাহিত্য ৰূপে বিবেচিত মন্ত্ৰ আৰু ডাক-প্ৰবচনখিনি। 'তৃতীয়ছোৱা সময়' অৰ্থাৎ 'প্ৰাক্-বৈষ্ণৱ যুগ'ত শঙ্কৰদেৱৰ আগছোৱা সময়ত ৰচিত সাহিত্যৰাজিক সন্নিৱিষ্ট কৰা হৈছে। এই তিনিওছোৱা প্ৰথম খণ্ডত সংস্থাপিত হৈছে। 'চতুৰ্থছোৱা সময়' অৰ্থাৎ 'বৈষ্ণৱ যুগ'ত শঙ্কৰদেৱ-মাধৱদেৱৰ অপূৰ্ব সাহিত্যৰাজিৰ কৃতিত্বৰ ভিত্তিত 'বৈষ্ণৱ যুগ' হিচাপে নামকৰণ কৰা হৈছে। দ্বিতীয় আৰু তৃতীয় খণ্ডত সংস্থাপিত হৈছে এই 'বিস্তাৰ যুগ'। দ্বিতীয় খণ্ডত শঙ্কৰদেৱ-মাধৱদেৱ-ৰাম সৰস্বতী-অনন্ত কন্দলি আৰু তৃতীয় খণ্ডত আন বৈষ্ণৱ কবিসকল। 'বৈষ্ণৱ যুগ'ৰ দৰে 'বিস্তাৰ যুগ'ৰ সংখ্যাও দুটা— চতুৰ্থ আৰু পঞ্চম খণ্ড। এই দুটা খণ্ডৰ বিষয় আহোম শাসনৰ সময়ৰ পৰা অসম ইংৰাজ শাসনৰ প্ৰাক্-মুহূৰ্তলৈ। 'ষষ্ঠছোৱা সময়' অৰ্থাৎ 'বৰ্তমান যুগ' আন দুটা খণ্ডত (ষষ্ঠ আৰু সপ্তম) বিভক্ত। 'বৰ্তমান যুগ' সূৰ্য্যখড়ি দৈৱজ্ঞৰ *দৰঙ্গৰাজ বংশাৱলী*ৰ পৰা পদ্মনাথ গোহাঞিবৰুৱাৰ *ভানুমতী, লীলা*আৰু একেবাৰে শেষত দুৰ্গাপ্ৰসাদ দত্তৰ *বৃষকেতুলৈকে* পৰিব্যপ্ত হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ হেমচন্দ্ৰ গোস্বামী সম্পাদিত অসমীয়া সাহিত্যৰ বুৰঞ্জী বিষয়ক গ্ৰন্থখনৰ নাম কি?

ডিম্বেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ বুৰঞ্জী সম্ভাৰ ঃ* ডিম্বেশ্বৰ নেওগৰ অসমীয়া সাহিত্যৰ বুৰঞ্জী বিষয়ক গ্ৰন্থৰ ক্ষেত্ৰত উল্লেখনীয় কথাটো হ'ল তেওঁ এখন বা দুখন নহয় পাঁচোখনতকৈয়ো অধিক অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনা কৰিছে। তেওঁৰ এই বিষয়ক গ্ৰন্থসমূহ হ'ল— *আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী* (১৯৩৬), *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী*(১৯৫০), *অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি*(১৯৪০), *অসমীয়া সাহিত্যৰ বুৰঞ্জী*(১৯৫৭), *New Light on History of Assamese Literature* (১৯৬২) আৰু *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী* (১৯৬৪)। দেবেন্দ্ৰনাথ বেজবৰুৱাৰ *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী*খনৰ পিছত ৰচিত আৰু প্ৰকাশিত

ডিম্বেস্বৰ নেওগৰ *আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী*খনক অসমীয়া সাহিত্যৰ দ্বিতীয়খন বুৰঞ্জী হিচাপে অভিহিত কৰা হয়। এইখন বুৰঞ্জীত মিছনেৰীৰ আগমনৰ পৰা (১৯৩৬) বুৰঞ্জী লিখাৰ প্ৰায় আগমূহূর্তলৈকে সামৰিছে। অৱশ্যে বুৰঞ্জীখনত কালভিত্তিক ধাৰাবাহিক বিৱৰণৰ পৰিৱর্তে বিষয়ভিত্তিক বিৱৰণহে দিবলৈ চেষ্টা কৰিছে। দ্বিতীয়তে অসম, অসমীয়া আৰু সমসাময়িক সময়ৰ প্ৰতিচ্ছবি আৰু নানাবিধ সমস্যাৱলীকো অধ্যায়ৰ মাজে মাজে চেগ বুজি দাঙি ধৰিছে। ই গ্ৰন্থনকৰ একৰমৰ বৈশিষ্ট্য বুলিব পাৰি। আন এটা বৈশিষ্ট্য হৈছে অধ্যায়ৰ মাজৰ বিভিন্ন সৰু সৰু বিষয় (অথচ গুৰুত্বপূর্ণ) যেন লগা কথাবোৰতো নিজস্ব মতামত প্ৰদান কৰিছে। অৱশ্যে আলোচনাৰ মাধ্যম যথেষ্ট চুটি।

অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি লেখকৰ আন এখন বুৰঞ্জী বিষয়ক গ্ৰন্থ। গ্ৰন্থখনৰ প্ৰধান বৈশিষ্ট্যটোৱেই হ'ল যুগ বিভাজনগত আলোচনা। তেওঁ নিজেও গ্ৰন্থখনিৰ 'আগকথা'ত লিখিছে— "সাহিত্যৰ ভাবধাৰা অনুসাৰে যুগ বিভাগ কৰি প্ৰতিটি যুগৰ প্ৰতিকৃতি পৰিষ্কাৰকৈ দাঙি ধৰিবলৈ চোৱাই এই পুথিৰ বর্তমান ঘাই লক্ষ্য।" এই লক্ষ্যৰে তেওঁ 'আদি যুগ', 'প্ৰাক্-বৈষ্ণৱ যুগ', 'বৈষ্ণৱ যুগ', 'বিস্তাৰ যুগ' আৰু বর্তমান যুগ' নামেৰে অসমীয়া সাহিত্যৰ বুৰঞ্জীক বিভাজন কৰি পদ্ধতিগতভাৱে আলোচনা কৰিছে। অৱশ্যে 'পাতনি' অংশত অসমীয়া ভাষাৰ উদ্ভৱৰ পৰা আৰম্ভ কৰি অসমীয়া ভাষাত বিভিন্ন উৎসৰ প্ৰভাৱ সম্পর্কে এটি চমু বিৱৰণো দিছে। গ্ৰন্থখনৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল অসমীয়া সাহিত্যৰ সময়-তালিকা এখন শেষৰ ফালে সংযোগ কৰি দিছে খ্ৰীঃপূঃ দুহেজাৰৰ (২০০০) পৰা খ্ৰীষ্টাব্দ ১৯৪০ চনলৈকে। এই সময়-তালিকাখন পঢ়িলে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ সামগ্ৰিক প্ৰতিচ্ছবি এখন সহজতে লাভ কৰিব পাৰি।

নেওগৰ দ্বাৰা ৰচিত বুৰঞ্জীলানিৰ ভিতৰত ১৯৫৭ চনত প্ৰকাশিত *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, ১৯৬২ চনত প্ৰকাশিত *New Light on History of Asamiya Literature* আৰু *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী* (১৯৬৪) এই তিনিখন বিশেষভাৱে উল্লেখযোগ্য। মন কৰিবলগীয়া কথাটো হ'ল এই তিনিওখন গ্ৰন্থ একেখন গ্ৰন্থৰে প্ৰতিৰূপ বুলিব পাৰি। দুই-এটি দিশৰসংযোগ-বিযোগৰ বাহিৰে তেনে উল্লেখযোগ্য বৈসাদৃশ্য গ্ৰন্থ তিনিখনত নাই। ১৯৫৭ চনত প্ৰকাশিত *অসমীয়া সাহিত্যৰ বুৰঞ্জী*খনত খ্ৰীঃ ৬০০-১৯৫৬ খ্ৰীষ্টাব্দলৈ সামৰি প্ৰধান বিষয়বস্তুক পাঁচটা ভাগ কৰি প্ৰথম ভাগক 'আদি যুগ' নাম দি সময় খ্ৰীঃ ৬০০-১১০০ খ্ৰীঃলৈ ধৰিছে। বিষয়বস্তু সামৰিছে লোক-সাহিত্যৰ পৰা চর্য্যাপদলৈকে। দ্বিতীয় ভাগক 'পূর্ব বৈষ্ণৱ যুগ' নামকৰণেৰে (সময় ১১০০ খ্ৰীঃৰ পৰা ১৪৫০ খ্ৰীঃলৈ) প্ৰাক্-শঙ্কৰকালীন সাহিত্যিকসকলৰ সাহিত্যৰাজিক অন্তর্ভুক্ত কৰিছে। ১৪৫০-১৬৫০লৈকে ধৰা 'বৈষ্ণৱ যুগ' নামৰ তৃতীয় ভাগত শঙ্কৰ-মাধৱকে প্ৰমুখ্য কৰি পাঁচালী কবিসকলে ঠাই পাইছে। 'উত্তৰ বৈষ্ণৱ যুগ' নামৰ চতুর্থটি ভাগক সময় নিৰূপণ কৰিছে ১৬৫০-১৮২৬লৈকে। এই ভাগত প্ৰধান বিষয়বস্তু চৰিত পুথি, বৈষয়িক গদ্য-পদ্য, বুৰঞ্জী সাহিত্যই প্ৰধান। শেষ তথা পঞ্চম ভাগক 'বর্তমান

যুগ' নামকৰণ কৰি ১৮২৬ বুৰঞ্জীখন লিখাৰ আগৰ অর্থাৎ ১৯৫৬ খ্ৰীঃলৈকে ধৰা হৈছে। বর্তমান ভাগত মিছনেৰী আগমনৰ পৰা আধুনিক অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতি সবিশতাৰে আলোচনাৰ মাজলৈ আনিছে। মাথোন কেইটিমান বছৰ ব্যৱধানত প্ৰকাশিত তেওঁৰ *New Light on History of Asamiya Literature* নামৰ গ্ৰন্থখন অসমীয়া বুৰঞ্জীখনৰ সৈতে মাথোন দুটা দিশত পৃথক। প্ৰথম, ইয়াৰ মাধ্যম ইংৰাজী, দ্বিতীয়, সংযোজিত কেইটিমান পৰিশিষ্ট। তাৰ বাহিৰে আন দিশত বৈসাদৃশ্য প্ৰায় নাই বুলিলেও হয়। ঠিক তেনেকৈ ১৯৬৪ চনত *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী* নাম দি আন এখন বুৰঞ্জী নেওগে প্ৰণয়ন আৰু প্ৰকাশ কৰে। এইখনো পূৰ্বৰখনৰ সৈতে *(অসমীয়া সাহিত্যৰ বুৰঞ্জী)* বিষয়গত দিশত কোনো পার্থক্য নাই। কেৱল আগৰখনত সংযোজিত 'পাতনি' অংশ এইখনত নাই। তদুপৰি আগৰখনত যুগ হিচাপে বিভাজিত ভাগবোৰক পিছৰখনত যথাক্ৰমে আদি 'মধ্যযুগৰ অসমীয়া সাহিত্য', 'শেষ মধ্যযুগৰ অসমীয়া সাহিত্য', 'নৱ-প্ৰজন্মৰ ফুলি উঠা অসমীয়া সাহিত্য', 'উত্তৰ নৱ-প্ৰজন্ম যুগৰ অসমীয়া সাহিত্য', 'বর্তমান যুগৰ আৱিষ্কাৰৰ অসমীয়া সাহিত্য'— নামেৰে পাঁচটা অধ্যায়ত ভাগ কৰি প্ৰতিটো অধ্যায়ক অধ্যায় নুবুলি পুথি এক, পুথি দুই —এই ধৰণে সজাইছে। আন দুটামান সালসলনি হ'ল— 'অসমীয়া কবিতাৰ ছন্দৰ ক্ৰমবিকাশ' শিতানটো স্বতন্ত্ৰ শিতান হিচাপে আলোচনা; 'অসমীয়া সাহিত্যৰ অতি আধুনিক সুঁতি', 'অসমীয়া সাহিত্যৰ বর্তমান আৰু ভৱিষ্যৎ', 'নতুন কবিতা', 'নতুন চুটিগল্প', 'নতুন উপন্যাস', 'নতুন নাটক', 'নতুন গীত', 'নতুন সমালোচনা', 'সাহেই সাহিত্য', 'অস্থিৰ সমতা', 'প্ৰতিভাৰ উচ্চতা', 'সমালোচনাৰ দায়িত্ব' শিতানত 'অসমীয়া বৈষ্ণৱ সাহিত্য বিচাৰ', 'অসমীয়া নীচাত্মিকা আৰু জাতিৰ ভৱিষ্যৎ' নামৰ দুই-এটি অংশ সংযোগ কৰিছে। মুঠতে শেষৰ প্ৰায় পোন্ধৰ পৃষ্ঠা (অর্থাৎ ৩৬২ৰ পৰা ৩৭৭লৈ)ৰ বাহিৰে বিষয়বস্তুৰ দিশত বা অধ্যায় বিভাজনৰ দিশত তেনে কোনো চকুত লগা পার্থক্য নাই। গ্ৰন্থ দুখনৰ আন সাদৃশ্যগত বৈশিষ্ট্য হ'ল প্ৰতিটো অধ্যায়ৰ আৰম্ভণিত সংযোজিত 'আগকথা' তথা 'আগকথা'ৰ অন্তর্গত 'ৰাজনৈতিক পৰিস্থিতি', 'সামাজিক সাৰাংশ' আৰু 'সাহিত্যিক লক্ষণ'ৰ পর্যালোচনা। লেখকৰ সমালোচনামূলক দৃষ্টিভঙ্গী নির্ভীক আৰু স্পষ্ট। বৈষ্ণৱ যুগ আৰু বৈষ্ণৱ যুগৰ কবিসকলৰ প্ৰতি লেখক অশেষ শ্ৰদ্ধাশীল আছিল যেন লাগে। বৈষ্ণৱ সাহিত্যৰ প্ৰতি শ্ৰদ্ধাৰ মনোভাব সম্পর্কে জানিবলৈ তলৰ বাক্যটোৱে নিশ্চয় যথেষ্ট হ'ব। তেওঁ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* গ্ৰন্থখনৰ শেষ শিতান 'সামৰণি অসমীয়া সাহিত্যৰ ভৱিষ্যৎ' অংশত কৈছে— "*অসমীয়া সাহিত্যৰ বুৰঞ্জী*ৰ একেটি লেখৰ কাহিনী বৈষ্ণৱ সাহিত্য; ই জনগণৰ সেৱাৰ উদ্দেশ্যে মাটিৰ ভেটিত থিয় হৈ উচ্চ আকাশ চুই স্বর্গ-মর্ত্যৰ শুভ পৰিণয় ঘটাইছিল।" তাৰ বিপৰীতে আধুনিক লেখকৰ সাহিত্যৰ প্ৰতি সেই মনোভাব একেবাৰে দেখা নাযায় বুলিলেও হয়। আনকি

আধুনিক যুগৰ সমালোচনাৰ প্ৰতিও তেওঁ সন্তুষ্ট নহয়। *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*ৰ এঠাইত তেওঁ নতুন সমালোচনা বাস্তৱিকতে প্ৰৱঞ্চনা তথা ভুৱা দিয়া পাণ্ডিত্যৰ আড়ম্বৰ থকা বুলি মুকলি আক্ষেপ প্ৰকাশ কৰি তেনে সমালোচনাৰ পৰা কবি-সাহিত্যিকৰ প্ৰকৃত ৰং উদ্‌ঘাটন সম্ভৱ নহয় বুলি ক্ষোভ প্ৰকাশ কৰিছে। এনে নিৰ্ভীকতা খুব কম পণ্ডিতৰ সমাজতহে দেখা যায়। অসমীয়া ভাষা উৎপত্তিৰ সম্পৰ্কত কৰা অভিমতো আন বহুতৰে সৈতে পাৰ্থক্য আছে। তেওঁ মাগধী অপভ্ৰংশৰ পৰা অসমীয়া ভাষাৰ জন্ম হোৱা বুলি কোৱাৰ বিপৰীতে কামৰূপী প্ৰাকৃতৰ পৰাহে অসমীয়া ভাষাৰ উদ্ভৱ সম্ভৱ বুলি নিজৰ যুক্তি দাঙি ধৰিছে। এইদৰে তেওঁৰ বুৰঞ্জীত আনৰ সৈতে মতদ্বৈধতা দেখা যায়। অৱশ্যে তেওঁৰ এনে মতদ্বৈধতা নিজেও স্বীকাৰ কৰিছে।



চিন্তা-চৰ্চা কৰক-১৪.২

ডিম্বেশ্বৰ নেওগৰ দ্বাৰা ৰচিত বুৰঞ্জীসমূহৰ এটি বিশ্লেষণ দাঙি ধৰক।

মহেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখা* ঃ অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ এজন নিৰলস সাধক তথা পুৰোধা ব্যক্তি মহেশ্বৰ নেওগ কেৱল অসমৰ প্ৰেক্ষাপটতেই নহয় সৰ্বভাৰতীয় প্ৰেক্ষাপটতো তেওঁ এজন অগ্ৰণী সাহিত্য সেৱক। তেওঁৰ গ্ৰন্থৰাজিয়ে অসমীয়া সাহিত্য ভঁৰালৰ এক বুজন অংশ আৱৰি আছে। *অসমীয়া সাহিত্যৰ ৰূপৰেখা* তেওঁৰ অসমীয়া সাহিত্যৰ বুৰঞ্জী বিষয়ক এখন উল্লেখযোগ্য গ্ৰন্থ। ইতিমধ্যে বহুকেইটা তাঙৰণৰ মুখ দেখা উক্ত গ্ৰন্থখনৰ প্ৰথম তাঙৰণৰ প্ৰকাশিত চন হ'ল ১৯৬২। 'সংযোজন' অংশক বাদ দি গ্ৰন্থখনৰ মূল অধ্যায়ৰ সংখ্যা ষোল্লটা। লেখকে ষোল্লটা বিষয়ক অধ্যায়ৰ নামেৰে নামকৰণ কৰা নাই। কিন্তু বিষয়সমূহৰ ধাৰাবাহিক বিৱৰণলৈ চাই বিষয়সমূহক অধ্যায়ৰ আধাৰতে আলোচনা কৰিব পাৰি।

নেওগৰ *অসমীয়া সাহিত্যৰ বুৰঞ্জী*বিষয়ক উক্তগ্ৰন্থখন কেৱল ছাত্ৰ-ছাত্ৰীসকলৰ বাবেই এখন উপযুক্ত গ্ৰন্থ নহয়; বৰং অসমীয়া ভাষা-সাহিত্যৰ অনুসন্ধিৎসু ব্যক্তি আৰু গৱেষকৰ বাবেও ই এখন উচ্চমানৰ গ্ৰন্থ। কেতবোৰ বিষয়ৰ ক্ষেত্ৰত আন বুৰঞ্জীকাৰৰ সৈতে দৃষ্টিভঙ্গীৰ পাৰ্থক্য দেখা গ'লেও সেয়া তথ্য নিৰ্ভৰ আৰু যুক্তিসঙ্গত। প্ৰকৃত সমালোচনাৰ ধৰ্ম ৰক্ষা কৰি প্ৰয়োজন সাপেক্ষে নমনীয়, কঠোৰ হোৱাৰ উপৰিও দেশ আৰু কালৰ প্ৰতিও সততে দৃষ্টি দিয়া দেখিবলৈ পোৱা যায়। এই ক্ষেত্ৰত প্ৰথম তাঙৰণৰ 'নিবেদন'ত কোৱা কথা এষাৰ মন কৰিবলগীয়া, "কিছুমান কিতাপৰ নাম গোট খালেই সাহিত্যৰ বুৰঞ্জী নহয়। কিতাপৰ পাছফালে লুকাই থকা মানুহজন, মানুহজনৰ পিছফালে লুকাই থকা তেওঁৰ দেশ আৰু কালক অস্বীকাৰ কৰিলে কিতাপখনৰ ঠাই সাহিত্যৰ

বুৰঞ্জীত নোহোৱা হয়। এই কথালৈ দৃষ্টি ৰাখিছোঁ আৰু পৰাপক্ষত লেখক আৰু লেখাৰ মূল্য নির্দ্ধাৰণৰ যত্ন সততে ৰাখিছোঁ। ...তদুপৰি নিজৰ অভিৰুচি সংযত কৰিবলৈ আৰু 'আমি অসমীয়া নহওঁ দুখীয়া' ভাবকো আঁতৰাই বিচাৰক নিৰপেক্ষ কৰিবলৈ যত্ন কৰা হৈছে।" ইয়াতেই নেওগ যে এজন কেৱল কিতাপৰ টোপোলা মেলি বুৰঞ্জী প্ৰণয়ন কৰা ব্যক্তি নাছিল তাৰ স্পষ্ট উমান পোৱা যায়। তদুপৰি সমালোচনামূলক দৃষ্টিভঙ্গী তথা এজন নিৰপেক্ষ সমালোচকৰ দায়িত্ব উপলব্ধি কৰি যে সমালোচনা কৰ্মত হাত দিছিল সেই কথাও জানিব পাৰি।

যি কি নহওক নেওগৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখা* নামৰ অসমীয়া সাহিত্যৰ বুৰঞ্জী বিষয়ক গ্ৰন্থসমূহৰ ভিতৰতে এখন লেখত ল'বলগীয়া গ্ৰন্থ। গ্ৰন্থখনত স্বয়ং সম্পূৰ্ণ ষোল্লটা বিষয় অন্তৰ্ভুক্ত কৰিছে যদিও বিষয়সমূহক অধ্যায় বোলা নাই। এই কথা আমি ওপৰত উল্লেখ কৰি আহিছোঁ। কেৱল বিষয়সমূহত অন্তৰ্ভুক্তি লাভ কৰা কবি-সাহিত্যিকসকলৰ কৰ্মৰাজিক যিমান পাৰি নিৰপেক্ষতাৰে বৰ্ণনা কৰাৰ চেষ্টা কৰিছে। গ্ৰন্থখনত অন্তৰ্ভুক্ত বিষয়সমূহ হ'ল— 'ভাষাৰ ক্ৰমবিকাশ' —ইয়াত ইণ্ডো-ইউৰোপীয়ৰ পৰা ক্ৰমবিৱৰ্তন ঘটি কেনেকৈ আধুনিক অসমীয়া ভাষাই স্বমহিমাৰে গঢ় ল'লে তাৰ এটি বিৱৰণ দাঙি ধৰিছে। লগতে অসমীয়া ভাষাত আৰবী-পাৰ্চীৰ শব্দৰ প্ৰভাৱ, টাই-অষ্টিকৰ প্ৰভাৱকে আদি কৰি অসমীয়া ভাষাৰ এক দীঘলীয়া ইতিহাসৰ বৰ্ণনা দিছে। 'লোক-গীতি আৰু লোক-কথা'নামৰ দ্বিতীয়টি বিষয়ত অসমীয়া লোক-সাহিত্যই ঠাই পাইছে। 'প্ৰত্ন-অসমীয়া আৰু মিশ্ৰ-অসমীয়া ৰচনা' নামৰ তৃতীয়টি বিষয়ত চৰ্য্যাপদকে আদি কৰি অসমীয়া-বাংলাৰ উমৈহতীয়া সাহিত্যখিনিয়ে ঠাই পাইছে। সেইদৰে 'প্ৰাক্-শঙ্কৰ যুগ'ত প্ৰাক্-শঙ্কৰকালীন কবি আৰু কবিসকলৰ সাহিত্য কৰ্মৰ বিৱৰণ দাঙি ধৰিছে। শঙ্কৰদেৱৰ পৰা উত্তৰ শঙ্কৰ কালৰ সময়লৈকে সমগ্ৰ সাহিত্যৰ বিৱৰণ দিছে মূলতঃ চাৰিটা বিষয়ৰ মাজেৰে। সেই বিষয় চাৰিটা হ'ল— 'নৱ-বৈষ্ণৱ সাহিত্য ঃ শঙ্কৰদেৱ আৰু মাধৱদেৱ', 'শঙ্কৰদেৱৰ সমসাময়িক পাঁচালী কবিসকল', 'নৱ-বৈষ্ণৱ সাহিত্য ঃ শঙ্কৰদেৱৰ প্ৰচ্ছায়া-উপচ্ছায়াৰ কবি-সাহিত্যিকসকল' আৰু 'নৱ-বৈষ্ণৱ সাহিত্যৰ বিস্তাৰ ঃ সত্ৰীয়া সমাজৰ সাহিত্য'। তদুপৰি মধ্যযুগৰ অসমীয়া সাহিত্যৰ গুৰুত্বপূৰ্ণ বিষয় 'চৰিত আৰু বুৰঞ্জী সাহিত্য'ক অগ্ৰাধিকাৰ প্ৰদানেৰে 'আহোম ৰাজত্বৰ সাহিত্য' নামেৰে আন এটা বিষয় সজাইছে। একেদৰে 'কোচ আৰু কছাৰী আদি ৰজাসকলৰ ৰাজত্বৰ সাহিত্য' শীৰ্ষক বিষয়টিত কোচ আৰু কছাৰী ৰজাৰ সান্নিধ্যত উজ্জীৱিত সাহিত্যৰ এটি বিৱৰণ দিবলৈ চেষ্টা কৰিছে।'শঙ্কৰোত্তৰ অন্যান্য সাহিত্যঃ অজ্ঞাতবাসৰ লেখকসকল' নামেৰেও আন এটা বিষয় সজাইছে। অসমলৈ বৃটিছ মিছনেৰী আগমনক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অসমীয়া সাহিত্যৰ বিৱৰণ তেওঁ তিনিটা বিষয়ৰ মাজেৰে উপস্থাপন কৰিছে— 'আদি-ব্ৰিটিঃশ যুগৰ অন্ধকাৰ ঃ ঐতিহ্যসেৱীসকল ঃ অসমীয়া ভাষাৰ অপসাৰণ', 'আদি ব্ৰিটিঃশ যুগৰ পোহৰ ঃ অৰুণোদই ঃ অসমীয়া ভাষাৰ পুনঃপ্ৰতিষ্ঠা' আৰু 'আধুনিক অসমীয়া

ভাষাৰ সাহিত্যিক প্রতিষ্ঠা'। *জোনাকী*(১৮৮৯)ৰ জৰিয়তে অসমীয়া সাহিত্যত ৰোমাণ্টিক প্রবাহৰ কালছোৱাক নেওগে 'ৰোমাণ্টিক বিস্তাৰ ঃ বেজবৰুৱাৰ যুগ' হিচাপে নামকৰণ কৰিছে। একেবাৰে শেষৰ অর্থাৎ দ্বিতীয় মহাসমৰ পিছৰ পৰা (১৯৩৯-) গ্রন্থ প্রণয়ন আগমুহূর্তলৈ 'বর্তমান সাহিত্য' নামকৰণ কৰি 'সংযোজন' অংশও সংযোগ কৰিছে। 'সংযোজন' অংশত বিশেষকৈ লিপিৰ বুৰঞ্জী,সাহিত্যৰ যুগ বিভাজন আদিয়ে ঠাই পাইছে।

এইদৰে বিভিন্ন বিষয় *অসমীয়া সাহিত্যৰ ৰূপৰেখা*ৰ মাজেৰে অসমীয়া সাহিত্যৰ ৰূপৰেখা এটি অঙ্কন কৰিব বিচাৰিছে।তেওঁৰ সমালোচনা স্পষ্ট, নির্ভীক আৰু যুক্তিনির্ভৰ। উদাহৰণ স্বৰূপে, যিদৰে মাধৱ কন্দলিক 'দেৱজিৎ'ৰ স্রষ্টা নহয় বুলি স্পষ্টকৈ কৈছে, সেইদৰে আধুনিক কালৰ বিশিষ্ট সমালোচক হীৰেন গোহাঁইক বামপন্থী সমালোচনাৰ বাহক আৰু প্রতিষ্ঠাতা বুলি স্পষ্টকৈ কৈছে। একেদৰে মিছনেৰী আগমনে অসমলৈ পোহৰ বিলোৱাৰ বিপৰীতে বৃটিছৰ আগমনে কেনেকৈ আন্ধাৰ যুগৰ সূচনা কৰিলে তাকো স্পষ্টভাৱে উল্লেখ কৰিছে।

এইদৰে স্পষ্ট আৰু যুক্তিসঙ্গতভাৱে যিকোনো বিষয় চালি-জাৰি চাই নিজৰ মন্তব্য প্রদানেৰে আৰু যিমান পাৰি সৌহাদ্যপূর্ণভাৱে সমালোচনা গ্রন্থখনত আগবঢ়াবলৈ চেষ্টা কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ মহেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখা* গ্রন্থৰ মূল বিষয়ৰ সংখ্যা কেইটা? (১৫০টা শব্দৰ ভিতৰত)

সত্যেন্দ্রনাথ শর্মাৰ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্তঃ বিংশ শতিকাৰ ষাঠিৰ দশকৰ একেবাৰে শেষৰ পিনে সত্যেন্দ্রনাথ শর্মাই 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' বিষয়ক গ্রন্থ এখন *অসমীয়া সাহিত্যৰ ইতিবৃত্ত* নামেৰে প্রকাশ কৰে। গ্রন্থখনে সগৌৰৱে সাতোটিকৈ সংস্কৰণ প্রকাশ হোৱাৰ পিছত ১৯৮১ চনত এই একেখন গ্রন্থকে নামৰ শিৰোনামটো কিছু সলনি কৰি *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*নামেৰে প্রথমটি সংস্কৰণে ভূমুকি মাৰে। লেখকে প্রায় প্রতিটো সংস্কৰণতে কিছু যোগ-বিয়োগ কৰিছে যদিও অধ্যায়ৰ সংখ্যা অথবা যুগ বিভাজনৰ পিনৰ পৰা চালে দুয়োখন গ্রন্থৰ মাজত তেনে কোনো বৃহৎ পার্থক্য ৰখা নাই। অৱশ্যে অধ্যায়ৰ নামকৰণ আৰু বিষয়বস্তুৰ অন্তর্ভুক্তিৰ ক্ষেত্রত কিছু পার্থক্য চকুত নপৰা নহয়। উদাহৰণ স্বৰূপে, প্রথম গ্রন্থখনত অন্তর্ভুক্ত কৰা 'ফকৰা-যোজনা' অংশটো 'আদি যুগ' (তৃতীয় অধ্যায়)ৰ পৰা আঁতৰাই আনি পিছৰ গ্রন্থখনত 'মৌখিক লোক-সাহিত্য' নামৰ দ্বিতীয় অধ্যায়ত সংস্থাপন কৰিছে। দ্বিতীয়তে, পাঁচালী সাহিত্যৰ অধ্যয়নৰ বেলিকা '...ইতিবৃত্ত'ত 'বৈষ্ণৱ যুগৰ অবৈষ্ণৱ কবি আৰু সাহিত্য'ৰ পৰিৱর্তে '...সমীক্ষাত্মক ইতিবৃত্ত'ত 'বৈষ্ণৱ আন্দোলনৰ প্রভাৱমুক্ত

কবি আৰু সাহিত্য' নামেৰে অধ্যায়টি নামকৰণ কৰিছে। তৃতীয়তে প্ৰথমখন গ্ৰন্থৰ চতুৰ্দশ তথা শেষ অধ্যায়ত দ্বিতীয় মহাসমৰৰ পিছৰ পৰা সময় নিৰূপণ কৰি 'সাম্প্ৰতিক সাহিত্য' হিচাপে নামকৰণ কৰিছে। কিন্তু পিছৰখনত সময় কিছু তাৰতম্য ঘটাই প্ৰায় একেখিনি বিষয়বস্তু অন্তৰ্ভুক্ত কৰিছে, কেৱল নামকৰণ 'উত্তৰ স্বাধীনতা কালৰ সাহিত্য' নামেৰে অধ্যায়টো সজাইছে। চতুৰ্থতে, 'পৰিশিষ্ট'ত প্ৰথমখনত নথকা 'গীতি-সাহিত্য'ৰ অংশটো পিছৰখনত সন্নিৰিষ্ট কৰিছে। পঞ্চমতে, বিষয়বস্তুৰ তেনে কোনো হীনদেড়ী হোৱা নাই যদিও সংখ্যাগত পিনৰ পৰা চালে দুয়োখন গ্ৰন্থৰ অধ্যায়ৰ সংখ্যা কিছু অমিল। প্ৰথমখনৰ মুঠ অধ্যায় চৈধ্যটা। তাৰ পৰিৱৰ্তে দ্বিতীয়খনত অধ্যায়ৰ পৰিমাণ সোতৰটা। প্ৰথমখনৰ 'ত্ৰয়োদশ অধ্যায়'টিক দ্বিতীয়খনত চাৰিটালৈ বৃদ্ধি কৰাৰ ফলত অধ্যায়ৰসংখ্যা প্ৰথমখনৰ তুলনাত বাঢ়িছে। কেৱল এনেবোৰ বিভিন্ন মতামতৰ ক্ষেত্ৰতো স্থান বিশেষে দুয়োখনৰ মাজত কিছু অমিল দেখা যায়। পুৰণি নামটো সলনি কৰিব লগা কাৰণ হিচাপে 'গ্ৰন্থকাৰৰ নিবেদন'ত গ্ৰন্থাকাৰে নিজেই কৈছে— "ইয়াৰ কাৰণ প্ৰধানকৈ দুটা। প্ৰথম কথা হ'ল যে 'সাহিত্যৰ ইতিবৃত্তৰ কঙ্কালটোহে ইয়াত আছে, বহুতো কথাই তাৰ ৰূপ বদলাই দিছে। নতুন অধ্যায় কেবাটাও সংযোগ আৰু আগৰ মন্তব্যও স্থান বিশেষে অলপ ইফাল সিফাল কৰা হৈছে। দ্বিতীয় কথা হ'ল এই গ্ৰন্থৰ প্ৰথম সংস্কৰণৰ পৰা সপ্তম সংস্কৰণলৈ বাণী প্ৰকাশে প্ৰকাশ কৰিছিল, কিন্তু এই পৰিবৰ্দ্ধিত নবীকৃত সংস্কৰণ 'সৌমাৰ প্ৰিণ্টিং পাব্লিছিং প্ৰাইভেট লিমিটেড' কোম্পানীয়ে প্ৰকাশ কৰিবলৈ লোৱাত কিতাপখনৰ নামটো অলপ সলনি কৰি দিব লগা হ'ল।" বক্তব্য ফাঁকিয়ে ইয়াকে সকীয়াই দিয়ে '...ইতিবৃত্ত'খনৰ সৈতে '...সমীক্ষাত্মক ইতিবৃত্ত'খনৰ পাৰ্থক্য কিমান! কিন্তু এটা কথা হ'লে ঠিক যে বিষয়বস্তু উপস্থাপন আৰু অধ্যায়ৰ পৰিকল্পনাত তেনে কোনো বিশেষ পাৰ্থক্য গ্ৰন্থ দুখনত নাই।

অসমীয়া সাহিত্যৰ বুৰঞ্জীত *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*এটি অতিকে পৰিচিত নাম। অসমীয়া সাহিত্যক ভাল পোৱা অথবা সাহিত্যৰ ইতিহাস জানিব খোজা প্ৰতিগৰাকী শুভাকাঙ্খী-পঢ়ুৱৈৰ হাতত গ্ৰন্থখন উপলব্ধ। আগৰ আৰু পিছৰ দুয়োখন গ্ৰন্থই প্ৰকাশৰ সংখ্যা কুৰিৰ ঘৰ স্পৰ্শ কৰাতেই গ্ৰন্থখন জনপ্ৰিয়তাৰ কথা অনুমান কৰিব পাৰি। *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*নামৰ গ্ৰন্থখনলৈ মন কৰিলে কেইটামান বৈশিষ্ট্য সততে চকুত পৰে। প্ৰথম, গ্ৰন্থখনৰ যিকোনো বিষয়ৰ বৰ্ণনা সৰল তথা অনাড়ম্বৰ আৰু পোনপটীয়া। দ্বিতীয়তে, সাহিত্যিকসকলৰ গ্ৰন্থ আৰু সাহিত্যিকসকলৰ কৰ্মৰ বস্তুনিষ্ঠ মূল্যায়ন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে। তৃতীয়তে, অধ্যায়সমূহৰ প্ৰণালীবদ্ধ গঠন পদ্ধতি। চতুৰ্থ, বিষয়বস্তুৰ বিৱৰণ তথ্যভিত্তিক আৰু যুক্তিসঙ্গত। পঞ্চমতে, বিষয়বস্তুৰ বিৱৰণৰ লগে লগে সমসাময়িক সমাজৰ চিত্ৰণকে আদি কৰি সমসাময়িক ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদিৰ বিৱৰণ দিবলৈ চেষ্টা কৰিছে। ষষ্ঠতে, সাহিত্য বিচাৰ

প্ৰক্ৰিয়াৰ প্ৰতি মনোনিৱেশ ইত্যাদি বিভিন্ন বৈশিষ্ট্যৰে বৈশিষ্ট্যপূৰ্ণ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* মূল্যবান অসমীয়া গ্ৰন্থৰ ভিতৰত এখন উৎকৃষ্ট গ্ৰন্থ।

এইখিনিতে আমি গ্ৰন্থখনৰ অধ্যায় সম্পৰ্কত এটি সামগ্ৰিক পৰিচয় চমুকৈ দিব বিচাৰিছোঁ। ইতিমধ্যে ওপৰত উল্লেখ কৰি আহিছোঁ যে 'পৰিশিষ্ট' অংশক বাদ দি মূল অধ্যায়ৰ সংখ্যা গ্ৰন্থখনত সোতৰটা। ইয়াৰে প্ৰথম অধ্যায় 'প্ৰস্তাৱনা'ত অসমীয়া ভাষাৰ উৎপত্তি আৰু সাহিত্যৰযুগ বিভাজন সম্পৰ্কে আলোচনা কৰিছে। দ্বিতীয় অধ্যায়ত 'লোক-সাহিত্য'খিনিক ঠাই দিয়া হৈছে অৰ্থাৎ অসমীয়া লোক-সাহিত্যখিনিক কোনো যুগৰ পৰিধিত সংস্থাপন কৰা নাই। 'চৰ্য্যাপদ', 'ডাকৰ বচন' আৰু মন্ত্ৰ সাহিত্য'ৰে সজাইছে তৃতীয় অধ্যায়ত। নাম দিয়া হৈছে 'আদি যুগ'। তাৰ পিছৰ সাতোটিকৈ অধ্যায় অৰ্থাৎ চতুৰ্থ অধ্যায়ৰ পৰা দশম অধ্যায়লৈ 'মধ্য যুগ' নামেৰে বিভিন্ন বিষয়বস্তু আলোচনা কৰিছে। যুগ বিভাজনৰ ভিত্তিত এই যুগটোৰ মূল বৈষ্ণৱ সাহিত্যক কেন্দ্ৰ কৰি প্ৰাক্-শঙ্কৰী, শঙ্কৰী আৰু উত্তৰ শঙ্কৰীয়ে মূল অধ্যায় অধিগ্ৰহণ কৰিলেও এই সময়ছোৱাৰ মাজৰ সৃষ্টি বঙলা আৰু অসমীয়া সাহিত্যৰ উমৈহতীয়া সাহিত্যখিনি আৰু পাঁচালী সাহিত্যখিনিকো এই যুগতে আলোচনা কৰিছে। তদুপৰি আহোম ৰাজ অনুপ্ৰেৰণাত সৃষ্টি সাহিত্যসমূহকো এই যুগতে আলোচনা কৰিছে। পিছৰ সাতটা অধ্যায় 'বৰ্তমান যুগ'ৰ সাহিত্যৰ বিচাৰ কৰা হৈছে। এইছোৱা সময়ৰ মূল বিষয় *অৰুণোদই, জোনাকী*কে আদি কৰি বিভিন্ন আলোচনী, হেমচন্দ্ৰ-গুণাভিৰামৰ অভ্যুদয়, তথা দ্বিতীয় মহাসমৰৰ পিছৰ অথবা উত্তৰ স্বাধীনতা কালৰ সাহিত্যই ঠাই পাইছে। 'পৰিশিষ্ট'ত 'গীতি-সাহিত্য', 'শিশু-সাহিত্য', 'অসমীয়া লিপি'ৰ ইতিহাস ইত্যাদি কেইবাটাও বিষয় অন্তৰ্ভুক্ত কৰি 'শব্দসূচী'ৰে গ্ৰন্থখন সামৰণি মৰা হৈছে।



চিন্তা-চৰ্চা কৰক-১৪.৩

সত্যেন্দ্ৰনাথ শৰ্মাৰ অসমীয়া সাহিত্যৰ ইতিবৃত্ত আৰু *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* নামৰ গ্ৰন্থ দুখনৰ এটি তুলনামূলক আলোচনা কৰক।

বিৰিঞ্চি কুমাৰ বৰুৱাৰ *History of Assamese Literature* ঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ অসমীয়া সাহিত্যৰ বুৰঞ্জী বিষয়ক একমাত্ৰ আৰু উল্লেখযোগ্য গ্ৰন্থ হ'ল *History of Assamese Literature*। গ্ৰন্থখন প্ৰথমে ১৯৬৪ চনত 'সাহিত্য অকাদেমি'য়ে প্ৰকাশ কৰি উলিয়ায়। 'পৰিশিষ্ট'ক বাদ দি গ্ৰন্থখনৰ অধ্যায়ৰ সংখ্যা দহটা। প্ৰথম অধ্যায়ত 'অসম আৰু অসমীয়া ভাষা'ৰ জন্ম কথা সন্নিৱিষ্ট হৈছে। আৰম্ভণিতে অসমৰ পুৰণি নাম কামৰূপ আৰু কামাখ্যাৰ ইতিহাস বৰ্ণনা কৰিছে। তাৰ পিছতহে আন বহু পণ্ডিতৰ দৰে অসমীয়া ভাষাটো মাগধী অপভ্ৰংশৰ পৰাই যে ওলাইছে তাক স্পষ্টকৈ উল্লেখ কৰিছে। ইয়াতেই তেওঁ বাণীকান্ত কাকতিৰ উদ্ধৃতি দি 'চৰ্য্যাপদ' অসমীয়া সাহিত্যৰ

সম্পদৰ সপক্ষত নিজৰ স্থিতি স্পষ্ট কৰিছে। শেষৰ পিনে অতি চমু কথাৰে অসমীয়া ভাষাৰ শব্দসম্ভাৰকে আদি কৰি অসমীয়া ব্যাকৰণৰ গাঁথনিক দিশত সংস্কৃতকে আদি কৰি আন ভাষাৰ অৱদানৰ কথা উনুকিয়াইছে।

সাহিত্যৰ মূল বুৰঞ্জী আৰম্ভ হৈছে দ্বিতীয় অধ্যায়ৰ পৰা। 'The Early Period' অর্থাৎ 'আদি যুগ' বা 'আদি কাল' নামৰ দ্বিতীয় অধ্যায়ৰ বিষয়বস্তু হ'ল মূলতঃ 'প্ৰাক্-শঙ্কৰী যুগ'ৰ সাহিত্য আৰু মনসা সাহিত্যখিনি। তৃতীয় অধ্যায়ৰ বিষয় 'বৈষ্ণৱ যুগ'। ইয়াত শঙ্কৰদেৱ-মাধৱদেৱৰ পৰা ভট্টাদেৱলৈকে সামৰা হৈছে। তদুপৰি *চৰিত পুথি* সন্দর্ভতো আলোচনা আগবঢ়োৱা হৈছে। চতুর্থ আৰু পঞ্চম অধ্যায়ত আহোম ৰাজত্বৰ ইতিহাস আৰু আহোমৰ আমোলত অসমীয়া সাহিত্যৰ বিকাশ সম্পর্কে আলোচিত হৈছে। ইয়াত বুৰঞ্জী সাহিত্য আৰু সাহিত্যিক হিচাপে কবিৰাজ চক্ৰৱর্তীয়ে বিশেষভাৱে ঠাই পাইছে। ষষ্ঠ অধ্যায়ত মিছনেৰীৰ আগমনে অসমীয়া সাহিত্যলৈ আধুনিক যুগৰ সূচনা সন্দর্ভত বিৱৰণ দাঙি ধৰাৰ লগতে হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰামৰ নাট্যান্দোলনে অসমীয়া নাট্য সাহিত্যলৈ লৈ অহা নব্যপ্ৰবাহ সম্পর্কে আলোচনা কৰিছে। পিছৰ চাৰিটা অধ্যায়ত আধুনিক অসমীয়া 'কবিতা', 'নাটক', 'উপন্যাস', 'চুটিগল্প' আৰু 'আধুনিক গদ্য-সাহিত্য'ৰ বিষয়ে আলোচনা কৰিছে। এই প্ৰসঙ্গতে অসমীয়া ভাষা সাহিত্যলৈ আগবঢ়াই অহা আলোচনী *জোনাকী, আৱাহন, নতুন অসমীয়া, ৰামধেনু, অসম বাণী* ইত্যাদি কাকত-আলোচনীৰ বিষয়েও চমু আলোচনা আগবঢ়াইছে।

এই দহটা অধ্যায়ত বিভক্ত বিৰিঞ্চি কুমাৰ বৰুৱাৰ সাহিত্যৰ বুৰঞ্জীখন সঁচা অর্থত এখন সংক্ষিপ্ত আকাৰৰ গ্ৰন্থ। অতি কম পৰিমাণৰ আলোচনাতে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ এক ৰূপৰেখা দাঙি ধৰাত তেওঁ সফল হোৱা বুলি ক'ব লাগিব। অৱশ্যে পৰম্পৰাগতভাৱে বুৰঞ্জীসমূহত ঠাই পাই অহা লোক-সাহিত্য বা লোক-সাহিত্যই সামৰা কোনো বিষয়ৰ আলোচনা গ্ৰন্থখনত পাবলৈ নাই। তদুপৰি *চর্য্যাপদ* সম্পর্কে আলোচনা আগবঢ়ালেও বঙলা আৰু অসমীয়া উমৈহতীয়া সাহিত্যৰ আলোচনাও গ্ৰন্থখনিত নাই। যুগ বিভাজন সম্পর্কত গ্ৰন্থকাৰ বৰ সচেতন নাছিল যেন লাগে। কাৰণ অধ্যায়বোৰ যুগৰ পৰিৱর্তে বিষয়বস্তুৰ ওপৰত ভিত্তি কৰিহে সজোৱা পৰিলক্ষিত হৈছে। উদাহৰণ স্বৰূপে, 'The Early Period'ত প্ৰাক্-শঙ্কৰী কবিসকলৰ উপৰিও এই একেটা অধ্যায়ত শঙ্কৰদেৱৰ প্ৰায় সমসাময়িক মনসা কবিসকলৰ সাহিত্যৰ বিষয়েও আলোচনা কৰিছে। 'বৈষ্ণৱ যুগ'টোক কোনো উপবিভাগত ভাগ কৰা নাই। এইদৰে দুই-এটা দিশত বিসঙ্গতি যেন লাগিলেও অসমীয়া সাহিত্যৰ ইতিহাস জানিবলৈ এনে এখন সংক্ষিপ্ত আকাৰৰ বুৰঞ্জীয়ে যে যথেষ্ট তাত সন্দেহ নাই।

'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা'ৰ দ্বাৰা প্ৰকাশিত *অসমীয়া সাহিত্যৰ বুৰঞ্জী* ঃ

- ***অসমীয়া সাহিত্যৰ বুৰঞ্জী* (প্ৰথম খণ্ড) ঃ** 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম'ৰ দ্বাৰা প্ৰকাশিত *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (প্ৰথম খণ্ড)ৰ সম্পাদক বিশ্বেশ্বৰ হাজৰিকা। প্ৰথম প্ৰকাশ ২০০৩। অধ্যায়ৰ সংখ্যা আঠটা। ইয়াৰে প্ৰথমৰ পাঁচটা অধ্যায়ত অসম আৰু অসমীয়াৰ সৈতে জড়িত পাঁচটা প্ৰধান বিষয়ক লৈ প্ৰত্যেকৰে একোটা বুৰঞ্জী দিবলৈ যত্ন কৰিছে। এই পাঁচোটা অধ্যায়ৰে গঠন পদ্ধতি বা অধ্যায় গাঁথনি একে। 'ক' আৰু 'খ' এই দুটা স্বয়ং সম্পূৰ্ণ খণ্ডৰে প্ৰতিটো অধ্যায় সজোৱা হৈছে। তদুপৰি খণ্ডবোৰৰ ('ক' আৰু 'খ') কাল নিৰূপণ পদ্ধতিও একে। প্ৰতিটো অধ্যায়ৰ 'ক' খণ্ডৰ সময় আৰম্ভণিৰ পৰা ১২২৮লৈ আৰু 'খ' খণ্ডৰ সময় ১২২৮ৰ পৰা ১৪৭০লৈ ধৰা হৈছে। পাঁচোটা অধ্যায়ৰ বিষয় পাঁচটা হ'ল 'অসমৰ ৰাজনৈতিক বুৰঞ্জী', 'অসমৰ অৰ্থনৈতিক বুৰঞ্জী', 'অসমৰ সাংস্কৃতিক বুৰঞ্জী', 'অসমীয়া ভাষাৰ বুৰঞ্জী' আৰু 'অসমীয়া লিপিৰ বুৰঞ্জী'। প্ৰতিটো বিষয়কে ওপৰত উল্লেখ কৰাৰ দৰে 'ক' আৰু 'খ'নামেৰে দুটা খণ্ডত ভাগ কৰি সময় নিৰূপণ কৰিছে। খণ্ডবোৰ সম্পাদককে আদি কৰি আন সাতজন লেখকে সজাইছে। লেখকসকল হ'ল বিশ্বেশ্বৰ হাজৰিকা, আই. এছ. মমতাজা, প্ৰভাত চন্দ্ৰ গোস্বামী, তাৰক চন্দ্ৰ গোস্বামী, ভূবনেশ্বৰী বৈশ্য, হৰিনাথ শৰ্মা দলৈ, উপেন্দ্ৰ নাথ গোস্বামী আৰু দীপ্তি ফুকন পাটগিৰি।

  দৰাচলতে এই পাঁচটা অধ্যায়ৰ পাছতহে প্ৰকৃত সাহিত্যৰ বুৰঞ্জী আৰম্ভ হয়। সেই অনুসৰি ষষ্ঠ অধ্যায়টিক 'যুগ নিৰপেক্ষ সাহিত্য' নামেৰে নামকৰণ কৰি মৌখিক সাহিত্যৰ অন্তৰ্গত প্ৰতিটো বিষয়কে সামৰিছে। সপ্তম অধ্যায়ক নামকৰণ কৰা হৈছে 'আদি যুগৰ কবিসকল' হিচাপে। ইয়াত 'চৰ্য্যাপদ গোপীচন্দৰ গান'কে আদি কৰি 'শূন্য পুৰাণ' আৰু 'শ্ৰীকৃষ্ণ কীৰ্ত্তন'লৈকে সামৰা হৈছে। অষ্টম অৰ্থাৎ শেষ অধ্যায়ৰ বিষয়বস্তু হ'ল 'প্ৰাক্-শঙ্কৰী যুগ'ৰ সাহিত্যখিনি। নামকৰণো সেই অনুসৰি 'প্ৰাক্-শঙ্কৰী যুগৰ কবিসকল'। ইয়াতেই আচলতে *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (প্ৰথম খণ্ড)ৰ সামৰণি মৰা হৈছে।এই তিনিটা অধ্যায়ৰ বিষয়বস্তুসমূহো নানাজন প্ৰবন্ধকাৰে লিখিছে। তাৰ ভিতৰত নবীন চন্দ্ৰ শৰ্মা, কেশদা মহন্ত, লীলাৱতী শইকীয়া বৰা, সদা বেজবৰুৱা আদিয়ে প্ৰধান।

- ***অসমীয়া সাহিত্যৰ বুৰঞ্জী* (দ্বিতীয় খণ্ড) ঃ** সম্পাদক শিৱনাথ বৰ্মন। প্ৰথম প্ৰকাশিত ১৯৯৭ চন। নটাকৈ অধ্যায়ত বিভক্ত এই খণ্ডটোত সম্পাদকসহ একত্ৰিশ গৰাকীকৈ

লেখক-লেখিকাই বিভিন্ন বিষয় লিখাত অৰিহণা যোগাইছে। এই একত্রিশ গৰাকী লেখক-লেখিকাৰ কেইগৰাকীমান উল্লেখযোগ্য হ'ল— অনিমা দত্ত, কৰবী ডেকা হাজৰিকা, কেশদা মহন্ত, দীপ্তি ফুকন পাটগিৰি, নবীন চন্দ্র শর্মা, পৰীক্ষিত হাজৰিকা, প্রদীপজ্যোতি মহন্ত, বাপচন্দ্র মহন্ত, মালিনী গোস্বামী, শিৱনাথ বর্মন, হৰিশ্চন্দ্র ভট্টাচার্য্য ইত্যাদি।

নটা অধ্যায়ৰ প্রথমটো অধ্যায় 'পশ্চাদ্‌পট'ত অসমত নৱ-বৈষ্ণৱ ধর্মৰ সামগ্রিক ইতিহাসৰ বিৱৰণ দাঙি ধৰা হৈছে; 'সাহিত্যিক তথা ভাষিক বৈশিষ্ট্যাৱলী' নামৰ দ্বিতীয় অধ্যায়ত সমকালীন সাহিত্যৰ ভাষিক বৈশিষ্ট্যবোৰ দেখুওৱা হৈছে; তৃতীয় অধ্যায়ৰ বিষয়বস্তু 'শঙ্কৰদেৱ'; সেইদৰে চতুর্থ অধ্যায়ৰ বিষয়বস্তু 'মাধৱদেৱ'ত তেওঁৰ সাহিত্যিক কর্মৰাজিৰ বিৱৰণ দাঙি ধৰা হৈছে। পঞ্চম আৰু ষষ্ঠ অধ্যায়ত যথাক্রমে শঙ্কৰ-মাধৱৰ সমসাময়িক সাহিত্যিকসকলৰ সাহিত্য আৰু পাঁচালী সাহিত্যখিনি সামৰি লোৱা হৈছে। পৰৱর্তী অধ্যায় দুটাত (সপ্তম আৰু অষ্টম অধ্যায়) শঙ্কৰোত্তৰ সাহিত্যখিনিক সন্নিৱিষ্ট কৰি নৱম অধ্যায়ত ব্যৱহাৰিক সাহিত্য আৰু 'সংস্কৃত সাহিত্য'ক সামৰি লৈছে। অৱশ্যে শেষৰফালে প্রায় ৮০ পৃষ্ঠাজোৰা 'পৰিশিষ্ট' এটিও সাঙুৰি দিয়া হৈছে। য'ত লেখক-লেখিকাৰ পৰিচয়ৰ লগতে গ্রন্থপঞ্জীৰ দৰে বিষয়সমূহ অন্তর্ভুক্ত হৈছে।

- ***অসমীয়া সাহিত্যৰ বুৰঞ্জী* (পঞ্চম খণ্ড) ঃ** ৮৩২ পৃষ্ঠাজোৰা *অসমীয়া সাহিত্যৰ বুৰঞ্জী*ৰ পঞ্চমটি খণ্ডৰ সম্পাদক দুজন। এজন সাধাৰণ সম্পাদক আৰু আনজন সম্পাদক। অশোক কুমাৰ গোস্বামীৰ হাতত দায়িত্ব ন্যস্ত কৰা হৈছে সাধাৰণ সম্পাদকৰ ভাৰ আৰু সম্পাদকৰ গুৰুভাৰ ন্যস্ত কৰা হৈছে ৰঞ্জিৎ কুমাৰ দেৱগোস্বামীৰ হাতত। এই খণ্ডটোৰ আটাইতকৈ মন কৰিবলগীয়া কথাটো হ'ল আন দুটা খণ্ডৰ দৰে অধ্যায়ৰ বিভাজন ইয়াত নাই। ১৮৮৯ চনৰ পৰা ১৯৩৯ চনৰ দ্বিতীয় মহাসমৰৰ সময়ৰ ভিতৰত বিভিন্ন সাহিত্যিক উপাদানেৰে খণ্ডটি সজোৱা হৈছে। বহুকেইটা প্রবন্ধ ১৮৮৯-১৯৩৯লৈ সময় নিৰূপণেৰে বিষয় বিশেষৰ (যেনে— সংবাদ সাহিত্য, চুটিগল্প, উপন্যাস, শিশু সাহিত্য ইত্যাদি) একোটা সামগ্রিক বুৰঞ্জী দিবলৈ যত্ন কৰিছে যদিও আন বহুকেইটা প্রবন্ধ আকৌ সাহিত্যিকসকলৰ এটি মাথোন সাহিত্য কর্মৰ ওপৰত ভিত্তি কৰি লিখিত। যেনে— ভবেন বৰুৱাৰ প্রবন্ধ চন্দ্র কুমাৰ আগৰৱালাৰ 'প্রকৃতি' অথবা পোনা মহন্তৰ প্রবন্ধ গোহাঞি বৰুৱাৰ 'গাঁওবুঢ়া'লৈ আঙুলিয়াব পাৰি। কিন্তু এটা কথা ঠিক যেএনে দুই-এটা প্রবন্ধ সন্নিৱিষ্ট হ'লেও ১৮৮৯-১৯৩৯ চনৰ ভিতৰত ৰচিত অসমীয়া সাহিত্যৰ প্রতিটো বিষয়কে বিভিন্ন প্রবন্ধৰ মাজেৰে আলোচনাৰ মাজলৈ অনা হৈছে। সেই বিষয়সমূহ হ'ল ক্রমে— সংবাদ সাহিত্য, বুৰঞ্জী সাহিত্য, আধুনিক অসমীয়া কবিতা, নাটক, মঞ্চ ব্যৱস্থা, চুটিগল্প, উপন্যাস, শিশু সাহিত্য, জীৱনী সাহিত্য ইত্যাদি। আন আনুষঙ্গিক

বিষয়সমূহৰ কেতবোৰ এনে ধৰণৰ— অসম অঞ্চলত লোক-সংস্কৃতিৰ চর্চা, ক্রমবিকাশত অসমীয়া গদ্য, অভিধান, ব্যাকৰণ, ভাষাবিজ্ঞান আৰু লিপিবিজ্ঞান চর্চা, ভাষা চর্চা ইত্যাদি।

- ***অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড)ঃ** 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম' তথা 'আবিলেক'ৰ দ্বাৰা প্রকাশিত *অসমীয়া সাহিত্যৰ বুৰঞ্জী*ৰ ষষ্ঠ তথা অন্তিমখণ্ডটিৰ সম্পাদক হোমেন বৰগোহাঞি।ইতিমধ্যে তিনিটাকৈ সংস্কৰণ প্রকাশ হৈ ওলোৱা উক্ত খণ্ডটিৰ প্রথম প্রকাশৰ চন হ'ল ১৯৯৩। উল্লেখযোগ্য যে এই খণ্ডটি অন্তিম হ'লেও প্রকাশিত হয় কিন্তু এই খণ্ডটিয়ে প্রথম। সেই ফালৰ পৰা 'আবিলেক' (ABILAC)ৰ দ্বাৰা প্রথম প্রকাশিত খণ্ড হিচাপে আঙুলিয়াবলৈ হ'লে ষষ্ঠ খণ্ডটিকহে আঙুলিয়াব লাগিব। তাৰ কেইবাবছৰমান পিছৰ পৰাহে আনবোৰ খণ্ডই প্রকাশৰ মুখ দেখে।

  পঞ্চম খণ্ডটিৰ দৰে এইটোখণ্ডও অধ্যায়ৰ দ্বাৰা সংবিভাজিত নহয়। এই খণ্ডটিৰ সময় বান্ধি লোৱা হৈছে ১৯৩৯ চনৰ পৰা বর্তমানলৈ। অৱশ্যে প্রথম প্রকাশিত বছৰত বর্তমান সময়টো ১৯৮৯ চন আছিল যদিও পিছৰ অর্থাৎ দ্বিতীয় (২০১২) আৰু তৃতীয় (২০১৫) প্রকাশত বর্তমানৰ সময়সীমা ২০১০লৈকে সামৰি লোৱা হৈছে। প্রবন্ধৰ সংখ্যা একত্রিশটা। আৰম্ভণিৰ বহুকেইটা প্রবন্ধ চল্লিছৰ দশকৰ সময়ছোৱাৰ পটভূমিক কেন্দ্র কৰি যুগুত কৰিছে। প্রায়কেইগৰাকী লেখক-লেখিকাই একোটা কালগত পৰিসীমাৰ মাজত যিকোনো সাহিত্যৰ উপাদানৰ বিষয়ে বিৱৰণাত্মক অথচ বিশ্লেষণাত্মকভাৱে বর্ণনা দাঙি ধৰিবলৈ চেষ্টা কৰিছে। শেষৰ পাঁচটা প্রবন্ধ লিখোৱা হৈছে কবি-সমালোচক এম. কামালুদ্দিন আহমেদৰ দ্বাৰা। এই পাঁচটা প্রবন্ধৰে সময় ১৯৯৩-২০১০। অর্থাৎ দ্বিতীয় আৰু তৃতীয় সংস্কৰণৰ আগছোৱা সময়লৈকে। দৰাচলতে এম. কামালুদ্দিন আহমেদৰ জৰিয়তে অসমীয়া সাহিত্যৰ উপাদান, যেনে— নাটক, গল্প, সমালোচনা, উপন্যাস আৰু কবিতা এইবোৰ বিষয়ৰ শেহতীয়া কাহিনী সন্নিৱিষ্ট কৰি বর্তমানৰ সময়খিনি বঢ়োৱা হৈছে। এই খণ্ডটিলৈ অৰিহণা আগবঢ়োৱা আন কেইগৰাকীমান প্রবন্ধকাৰ হ'ল— কবীন ফুকন, যোগেন্দ্র নাৰায়ণ ভূঞা, গোবিন্দ প্রসাদ শর্মা, উদয় দত্ত, শৈলেন ভৰালী, কৰবী ডেকা হাজৰিকা, হীৰেন্দ্র নাথ দত্ত, পোনা মহন্ত, প্রদীপ আচার্য্য, বিশ্বেশ্বৰ হাজৰিকা আদিয়ে প্রধান।

আলোচ্য বুৰঞ্জীখনৰ খণ্ডসমূহলৈ মন কৰিলে অথবা সামগ্রিকভাৱে দৃষ্টি দিলে ইতিপূর্বে ৰচিত বা প্রণিত বুৰঞ্জীসমূহৰ সৈতে এইখন বুৰঞ্জী বহু দিশত বৈশিষ্ট্যপূর্ণ। প্রথমেই মন কৰিবলগীয়া কথাটো হ'ল এইখন বুৰঞ্জী সম্পাদিত। সম্পাদিত ৰূপত বুৰঞ্জী লিখাৰ পৰম্পৰা ইয়াৰ আগেয়ে নাছিল। এইফালৰ পৰা পূর্বৰ পৰম্পৰা ইয়াত ভঙ্গ কৰা হৈছে বুলিব পাৰি। এই ক্ষেত্রত ষষ্ঠ খণ্ডত সম্পাদক হোমেন বৰগোহাঞিয়ে কৰা এটা মন্তব্য প্রণিধানযোগ্য। তেওঁ কৈছে— "...বুৰঞ্জী ৰচনাৰ দুটা পদ্ধতি আছে।

বেছিভাগ ক্ষেত্ৰত দেখা যায় যে মাত্ৰ এজন লেখকেই গোটেই বুৰঞ্জীখন লিখে।...বিভিন্ন বিষয়ৰ ওপৰত বিশেষজ্ঞ বুলি স্বীকৃত হোৱা পণ্ডিতসকলে লগ লাগিও একোখন বুৰঞ্জী ৰচনা কৰা দেখা যায়। অসমীয়া সাহিত্যৰ যিকেইখন বুৰঞ্জী ইতিমধ্যে প্ৰকাশ হৈ গৈছে, সেই আটাইকেইখনেই একোজন মাত্ৰ পণ্ডিতৰ পৰিশ্ৰম আৰু সাধনাৰ ফল। কিন্তু 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা'ৰ দ্বাৰা পৰিকল্পিত ছটা খণ্ডৰ *অসমীয়া সাহিত্যৰ বুৰঞ্জী*খন বিভিন্ন বিষয়ৰ ওপৰত বিভিন্ন পণ্ডিতে লেখা ৰচনাৰ সংগ্ৰহ।"

দ্বিতীয়তে, মন কৰিবলগীয়া কথাটো হ'ল ইয়াৰ পৰিসৰ। পূৰ্বৰ বুৰঞ্জীসমূহৰ তুলনাত এইখন বুৰঞ্জীৰ পৰিসৰ যথেষ্ট ব্যাপক। গতানুগতিক বিৱৰণৰ পৰিৱৰ্তে বিশ্লেষণাত্মক আৰু গৱেষণামূলক পৰ্যালোচনাৰ বাবে নানা বিষয়ৰ কলেবৰ বহু ক্ষেত্ৰত একোখন পূৰ্ণাঙ্গ গ্ৰন্থৰ আকাৰ চুইছেগৈ।

তৃতীয়তে, পূৰ্বৰ বুৰঞ্জীকাৰসকলে প্ৰায়ে এৰাই চলা কেতবোৰ বিষয় এইখন বুৰঞ্জীত অন্তৰ্ভুক্ত কৰা দেখা গৈছে। পূৰ্বৰ বুৰঞ্জীবোৰত প্ৰাসঙ্গিক ব্যাকৰণ আৰু ভাষা বা ভাষাবিজ্ঞানৰ কথা উনুকিওয়াৰ বাহিৰে এনেবোৰ বিষয়ৰ ওপৰত স্বয়ংসম্পূৰ্ণ আলোচনা কৰা দেখা নগৈছিল। এইখন বুৰঞ্জী সেইসমূহ বিষয়কো আলোচনাৰ মাজলৈ আনি সিহঁতৰো একোটা বুৰঞ্জী দাঙি ধৰাৰ যত্ন কৰিছে। তদুপৰি অসমীয়া অভিধানৰ ইতিহাসেও ইয়াত ঠাই পোৱাত এই বুৰঞ্জীখন অধিক বিচিত্ৰ হৈ পৰিছে।

চতুৰ্থতে, ইয়াৰ আগৰ বুৰঞ্জীবোৰত সাহিত্যিকসকলৰ সাহিত্য কৰ্মৰ এটি সামগ্ৰিক আলোচনাহে কৰা হৈছিল। কিন্তু এইখন বুৰঞ্জীত কেতিয়া কোনোবা কবিৰ এটি মাথোন কবিতা অথবা কোনোবা নাট্যকাৰৰ এখন মাথোন নাটকৰো বিস্তৃত বিৱৰণেৰে নাতিদীৰ্ঘ একোটি প্ৰবন্ধ যুগুত কৰা হৈছে। ইয়ে এফালে গৱেষণাধৰ্মী বিৱৰণ লাভ কৰাৰ লগে লগে বহু সময়ত ছাত্ৰ-ছাত্ৰীৰো উপযোগী হৈ পৰিছে।

এনে বহু বৈশিষ্ট্যপূৰ্ণ দীঘ আৰু বাণীৰে পৰিকল্পিত আৰু প্ৰকাশিত ছটা খণ্ডৰ বুৰঞ্জীখনে কম সময়ৰ ভিতৰতে বৌদ্ধিক তথা বিদ্যায়তনিক পৰিসীমাত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে বুলি ক'ব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা'ৰ দ্বাৰা প্ৰকাশিত *অসমীয়া সাহিত্যৰ বুৰঞ্জী*ৰ কোন খণ্ড প্ৰথম প্ৰকাশ হৈছিল?

প্ৰশ্ন নং ৪ঃ বিশ্বেশ্বৰ হাজৰিকাৰ দ্বাৰা সম্পাদিত খণ্ডটোৰ নাম কি?

এই অধ্যায়ত প্ৰায় আঠ-দহগৰাকী লেখক-সম্পাদকৰ 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' বিষয়ক বিভিন্ন গ্ৰন্থক আলোচনাৰ মাজলৈ অনাৰ চেষ্টা কৰা হৈছে যদিও এই বিষয়ক আন বহু গ্ৰন্থক

আলোচনাৰ মাজলৈ আনিব পৰা নগ'ল। যিখিনি আলোচিত হ'ল সেইখিনিৰো মাথোন একোটি সাধাৰণ পৰিচয়তে সীমাবদ্ধ থকা যেন আমাৰ ধাৰণা। সেয়েহে অধ্যায়টিৰ 'অধিক জানিবলৈ' শিতানত দিয়া গ্ৰন্থবোৰ পঢ়ুৱৈসকলে চকু ফুৰালে নিশ্চয় সফল বুলি আশা কৰিব পাৰি।

ইতিমধ্যে আমি ওপৰত উল্লেখ কৰি আহিছোঁ যে অধ্যায়টিত আঠ-দহ গৰাকী লেখক-সম্পাদকৰ বুৰঞ্জী অধ্যয়নৰ কথা। কিন্তু অসমীয়া সাহিত্যৰ বুৰঞ্জীত আন বহুতৰে এই বিষয়ক গ্ৰন্থ প্ৰকাশ হৈ ওলাইছে। তাৰে কিছুমান পূৰ্ণাঙ্গ আন কিছুমান আকৌ এটি মাথোন বিষয়ৰ বুৰঞ্জী দিবলৈ যত্ন কৰা হৈছে। এই মুহূৰ্তত দুজনমান লেখকৰ দুখনমান বুৰঞ্জী বিষয়ক গ্ৰন্থৰ কথা মনলৈ আহিছে। তাৰে ভিতৰত যতীন্দ্ৰনাথ গোস্বামীৰ *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী* (১৯৫৭), দেবেশ্বৰ চলিহাৰ *Origin and Growth of the Assamese Language and its Literature* (১৯৪৯), প্ৰফুল্ল চন্দ্ৰ বৰাৰ ১৯৯৫ চনত প্ৰকাশিত *অসমীয়া সাহিত্যৰ আধুনিক যুগ*, হৰিনাথ শৰ্মা দলৈৰ *অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাস* (২০০০)। এই গ্ৰন্থকেইখনেও 'অসমীয়া সাহিত্যৰ বুৰঞ্জী'ত নিজৰ অস্তিত্ব বজাই ৰাখিবলৈ সক্ষম হৈছে। আন এটি কথা উল্লেখ কৰিব খুজিছোঁ যে হেমচন্দ্ৰ গোস্বামীৰ সম্পাদনাত *অসমীয়া সাহিত্যৰ চানেকি*য়ে সাহিত্যৰ বুৰঞ্জী ৰচনাৰ বাট শক্তিশালী আধাৰ সূচনা কৰা বাবেই সংগ্ৰহ আৰু সঙ্কলন গ্ৰন্থ হ'লেও 'অসমীয়া সাহিত্যৰ বুৰঞ্জী'ৰ পৰিসীমাতে আলোচনা কৰা হৈছে। পৰিশেষত বুৰঞ্জীকাৰসকলৰ প্ৰতি শ্ৰদ্ধাশীল হৈয়ো এটা কথা ক'ব খুজিছোঁ যে সাহিত্যৰ বিচাৰ পদ্ধতিৰ গণ্ডীত ন ন দৃষ্টিভঙ্গীৰে সাহিত্য বুৰঞ্জী প্ৰণয়নৰ পথ বৰ্তমানেও প্ৰশস্ত আছে বুলি ক'ব পাৰি।

১৪.৪ অসমীয়া সাহিত্যৰ যুগ বিভাজন

অসমীয়া সাহিত্যৰ যুগ বিভাজন অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকলেই সময়ে সময়ে দি থৈ গৈছে। তেনে কেইগৰাকী বুৰঞ্জীকাৰৰ ভিতৰত ডিম্বেশ্বৰ নেওগ, মহেশ্বৰ নেওগ, সত্যেন্দ্ৰনাথ শৰ্মা আদিয়ে প্ৰধান। অৱশ্যে পোন প্ৰথমে অসমীয়া সাহিত্যৰ ওপৰত ভিত্তি কৰিয়ে ভাষাবিদ বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ যুগ বিভাজন কৰি গৈছে। তেওঁৰ যুগ বিভাজন আছিল এনেকুৱা—

১) প্ৰাক্ বা প্ৰাচীন অসমীয়া (চতুৰ্দশ শতিকাৰ পৰা ষোড়শ শতিকাৰ শেষলৈকে)। তেওঁ প্ৰাক্ বা প্ৰাচীন অসমীয়াক পুনৰ দুটা উপভাগত ভাগ কৰিছে— ক) প্ৰাক্-বৈষ্ণৱ যুগ আৰু খ) বৈষ্ণৱ যুগ।

২) মধ্য অসমীয়া (সপ্তদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ আৰম্ভণিলৈকে)।

৩) আধুনিক অসমীয়া (ঊনবিংশ শতিকাৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈকে)।

ডিম্বেশ্বৰ নেওগৰ অসমীয়া সাহিত্যৰ যুগ বিভাজন আছিল আকৌ এনে ধৰণৰ—

১) প্ৰাৰম্ভৰ পৰা দ্বাদশ শতিকাৰ শেষলৈকে— 'আদি যুগ' (৮০০-১২০০)।

২) ত্ৰয়োদশৰ পৰা পঞ্চদশ শতিকাৰ মাজভাগলৈকে— 'প্ৰাক্‌বৈষ্ণৱ যুগ' (১২০০-১৪৫০)।

৩) পঞ্চদশৰ মাজভাগৰ পৰা সপ্তদশ শতিকাৰ মাজভাগলৈ— 'বৈষ্ণৱ যুগ' (১৪৫০-১৬৫০)।

৪) সপ্তদশৰ মাজভাগৰ পৰা ঊনবিংশৰ আগছোৱালৈ— 'বিস্তাৰ যুগ' (১৬৫০-১৮৩০)।

৫) ঊনবিংশ শতিকাৰ আগভাগৰ পৰা এতিয়ালৈকে— 'বৰ্তমান যুগ' (১৮৩০-১৯৪০)।

ডিম্বেশ্বৰ নেওগৰ এই বিভাজনেৰে আলোচনা কৰা পুথি *অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি* যিহেতু ১৯৪০ চনত প্ৰকাশ হয়। গতিকে তেওঁ বৰ্তমান যুগটোক এই চনলৈকে টানিছে।

মহেশ্বৰ নেওগৰ যুগ বিভাজন হ'ল— ১) বৌদ্ধ যুগ, ২) প্ৰাক্-শঙ্কৰ যুগ, ৩) শঙ্কৰী যুগ, ৪) শঙ্কৰোত্তৰ যুগ আৰু ৫) আধুনিক যুগ।

আধুনিক যুগক তেওঁ আকৌ আন চাৰিটা উপভাগত ভাগ কৰিছে— ক) আদি বৃটিছ যুগ, খ) হেমচন্দ্ৰ বৰুৱাৰ কাল, গ) ৰোমাণ্টিক যুগ বা বেজবৰুৱাৰ যুগ আৰু ঘ) বৰ্তমান সাহিত্য।

উল্লেখযোগ্য যে লোক-সাহিত্যখিনি নেওগে সময়ৰ পৰিসীমাৰ বাহিৰত আলোচনা কৰিছে।

সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া সাহিত্যৰ যুগ বিভাজন এইদৰে আগবঢ়াইছে—

১) আদি যুগ ঃ উদ্ভৱ কালৰ সাহিত্য (খ্ৰীঃ ৯৫০-১৩০০), *চৰ্য্যাপদ*, মন্ত্ৰ সাহিত্য।

২) মধ্য যুগ ঃ ১) প্ৰথম পৰ্যায় ঃ প্ৰাক্-শঙ্কৰী যুগৰ সাহিত্য (খ্ৰীঃ ১৩০০-১৪৯০)
২) দ্বিতীয় পৰ্যায় ঃ শঙ্কৰী যুগৰ সাহিত্য (খ্ৰীঃ ১৮৯১-১৭০০)
৩) তৃতীয় পৰ্যায় ঃ উত্তৰ-শঙ্কৰী যুগৰ সাহিত্য (খ্ৰীঃ ১৭০০-১৮৩০)

৩) বৰ্তমান যুগ ঃ ১) প্ৰথম পৰ্যায় ঃ মিছনেৰী সাহিত্য ১৮২৬(৩৬)-১৮৬৯)
২) দ্বিতীয় পৰ্যায় ঃ হেমচন্দ্ৰ-গুণাভিৰামৰ কাল (১৮৭০-১৮৯০)
৩) তৃতীয় পৰ্যায় ঃ ৰোমাণ্টিক যুগ বা বেজবৰুৱাৰ যুগ (১৮৯১-১৯৪০)
৪) চতুৰ্থ পৰ্যায় ঃ সাম্প্ৰতিক কাল (১৯৪০-)

প্ৰত্যেকেই তেওঁলোকৰ মত বা অভিমতৰ ভিত্তিত অসমীয়া সাহিত্যৰ একোটা যুগ বিভাগ কৰিব খুজিছে। প্ৰত্যেকৰে যুগ বিভাজনৰ ক্ষেত্ৰত সময় নিৰূপণে মতদ্বৈধতা সৃষ্টি কৰিছে। তথাপি সামগ্ৰিকভাৱে বিচাৰ কৰি আদি, মধ্য আৰু বৰ্তমান যুগ হিচাপে বিভাজন কৰি আদি যুগৰ সময় আদিৰ পৰা চতুৰ্দশ শতিকালৈ, মধ্য যুগক প্ৰাক্-শঙ্কৰীৰ পৰা মিছনাৰীৰ আগমনলৈকে টানি নি তাৰ পিছৰ পৰা বৰ্তমানলৈ আধুনিক বা বৰ্তমান যুগত থাপিব পাৰি।



চিন্তা-চৰ্চা কৰক-১৪.৪

অসমীয়া সাহিত্যৰ যুগ বিভাজন সম্পৰ্কে এটি টোকা লিখক।

১৪.৫ অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতাসকল

অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণয়নৰ ইতিহাস যিদৰে এটি দীৰ্ঘ ইতিহাস, সেইদৰে বুৰঞ্জী প্ৰণেতাসকলৰ ক্ষেত্ৰতো এটি দীঘলীয়া পৰিক্ৰমা চকুত পৰে। ১৯১২ চনত দেবেন্দ্ৰনাথ বেজবৰুৱাৰ দ্বাৰা লিখিত *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী*ৰ পৰা আৰম্ভ কৰি 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম'ৰ দ্বাৰা সম্পাদিত ৰূপত প্ৰকাশিত খণ্ডাকাৰৰ বুৰঞ্জীসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণয়নৰ ইতিহাসে ইতিমধ্যে এশটা বছৰ পাৰ কৰিছে। এই এশ বছৰীয়া কালছোৱা সাহিত্যৰ অন্যান্য দিশৰ লগতে বুৰঞ্জী প্ৰণয়নৰ ক্ষেত্ৰতো উল্লেখযোগ্য সময়। এইছোৱা সময়ত বহুকেইখন সাহিত্যৰ বুৰঞ্জী পুথি প্ৰকাশিত হৈ ওলাইছে। ইতিমধ্যে ওপৰত আমি কেইগৰাকীমান বুৰঞ্জীকাৰৰ নাম উল্লেখ কৰি আহিছোঁ। তলত আমি সেইসকলৰ বুৰঞ্জীকাৰৰ সাহিত্যিক জীৱনৰ একোটি চমু পৰিচয় দিবলৈ যত্ন কৰা হ'ল।

দেবেন্দ্ৰনাথ বেজবৰুৱা ঃ *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী* শীৰ্ষক গ্ৰন্থৰ ৰচক দেবেন্দ্ৰনাথ বেজবৰুৱা হৈছে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ককাইদেৰেক গোবিন্দ চন্দ্ৰ বেজবৰুৱাৰ পুত্ৰ। দেবেন্দ্ৰনাথ বেজবৰুৱা বৃত্তিত এজন অধিবক্তা। কিন্তু এই পৰিচয়তকৈ সাহিত্যিক পৰিচয়েৰেহে অসমীয়া সমাজ তথা সাহিত্যানুৰাগী সমাজখনত তেওঁ বিশেষভাৱে পৰিচিত। শ্ৰীশ্ৰীশঙ্কৰদেৱ-শ্ৰীশ্ৰীমাধৱদেৱ কৃত চৌধ্য প্ৰসঙ্গৰ উপযোগী 'ৰৰগীত'ক 'Holy Song' আখ্যাৰে আখ্যায়িত কৰা এইজনা বেজবৰুৱা সাহিত্যানুৰাগী তথা শিক্ষানুৰাগী প্ৰতিজন অসমীয়াৰ বাবে এটি চিৰপৰিচিত নাম। অধিবক্তাৰ দৰে সদা ব্যস্ত ব্যক্তি এজনৰ বাবে ওকালতিৰ সমানে সাহিত্য চৰ্চা কৰা বা সাহিত্য চৰ্চাক আগবঢ়াই নিয়াতো কম কথা নহয়। তাতে অসমীয়া ভাষা আৰু সাহিত্যৰ দৰে বিশাল পৰিসৰ বিষয় এটিৰ বুৰঞ্জী দাঙি ধৰাতো নিশ্চয় থকাটোকৈ ডাঙৰ কথা। তাতোকৈয়ো ডাঙৰ কথা যি সময়ত তেওঁৰ বুৰঞ্জী লিখাৰ কামত হাত দিছিল সেই সময়ত তেনে গ্ৰন্থৰ আৰ্হিও অসমীয়াত নাছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে এজন সাহিত্য সাধকৰ ভতিজাক অথবা শিক্ষানুৰাগী পিতৃৰ সন্তান হোৱাৰ সুবাদতে যে এনে এটি অসাধ্য সাধনৰ প্ৰেৰণা লাভ কৰিছিল তাক নিশ্চয় নক'লেও হয়। তদুপৰি নিজৰ ভাষা-সাহিত্যৰ প্ৰতি থকা শ্ৰদ্ধা আৰু আন্তৰিকতাইও নিশ্চয় এই ক্ষেত্ৰত সহায় কৰিছিল। সি যি নহওক অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীপ্ৰণয়নত ইতিহাস গঢ়া দেবেন্দ্ৰনাথ বেজবৰুৱাক আনে নাৰাখিলেও অন্ততঃ অসমীয়া সাহিত্য-সমাজে সদায় মনত ৰাখিব।

হেমচন্দ্ৰ গোস্বামী ঃ ১৮৭২ চনত গোলাঘাট মৌজাৰ অন্তৰ্গত গৌৰাঙ্গ সত্ৰত অসমীয়া ভাষা-সাহিত্যৰ অক্লান্ত সাধক হেমচন্দ্ৰ গোস্বামীৰ জন্ম হয়। পিতৃ ডম্বৰুধৰ গোস্বামী আৰু মাক ঘনকান্তি দেৱী। ঢেকিয়াল প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ পাতনি মেলা

এইগৰাকী পণ্ডিতে ১৮১০ চনত প্ৰেচিডেন্সী কলেজৰ পৰা এফ.এ. ডিগ্ৰী লাভ কৰে। বৃত্তিত তেওঁ পোনতে মাটিৰ হাকিম হৈ আগলৈ ই.এ.চি. পদলৈ উন্নীত হয়। তেওঁ বৃত্তিগতভাৱে এজন হাকিম বা ই.এ.চি. যদিও একে সময়তে অসমীয়া সাহিত্যৰ এজন একনিষ্ঠ সেৱকো আছিল। তেওঁ চন্দ্ৰ কুমাৰ আগৰৱালা অথবা লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে অ.ভা.উ.সা. সভা আৰু *জোনাকী* আলোচনীৰো এজন সক্ৰিয় কৰ্মী আছিল, যি তিনিগৰাকীক একেলগে অসমীয়া সাহিত্য জগতত *জোনাকীৰ* ত্ৰিমূৰ্তি বুলি অভিহিত কৰা হয়।

অসমীয়া সাহিত্যৰ অন্যতম কৃতিৰ ভিতৰত চতুৰ্দশপদী কবিতাৰ জন্মদাতা, ১৯০০ চনত *হেমকোষ* ছপা কামত আগবঢ়োৱা ভূমিকা, সম্পাদনা ৰূপত প্ৰকাশিত ভট্টদেৱৰ *কথা-গীতা, কথা-ভাগৱত,* সূৰ্য্যখড়ি দৈৱজ্ঞৰ *দৰং ৰাজবংশাৱলী, পুৱণি অসম বুৰঞ্জী, কামৰত্ন তন্ত্ৰ* বিশেষভাৱে অন্যতম যদিও সাতোটাকৈ খণ্ডত সম্পাদিত আৰু প্ৰকাশিত *অসমীয়া সাহিত্যৰ চানেকি* (১৯২৯) হেমচন্দ্ৰ গোস্বামীৰ অসমীয়া সাহিত্যলৈ তেওঁৰ সাহিত্য কৰ্মৰ বিৰল অৱদান। তেওঁ ১৯২০ চনৰ 'অসম সাহিত্য সভা'ৰ চতুৰ্থ অধিৱেশনৰ সভাপতি পদ গ্ৰহণ কৰা পূৰ্বে ১৯১২ চনত 'কামৰূপ অনুসন্ধান সমিতি'ৰ সভাপতিৰ দায়িত্বও গ্ৰহণ কৰিছিল। ১৯২৮ চনত এইজনা সাহিত্য সাধকে ইহলীলা সম্ভৰণ কৰে।


ডিম্বেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰএজন সব্যসাচী পণ্ডিত ৰূপেখ্যাত ডিম্বেশ্বৰ নেওগৰ জন্ম শিৱসাগৰ জিলাৰ কমাৰফদীয়া গাঁৱত (১৮৯৯ চনত)। পিতৃ মাণিক চন্দ্ৰ নেওগ আৰু মাতৃ চন্দ্ৰপ্ৰভা। মাণিক চন্দ্ৰ-চন্দ্ৰপ্ৰভাৰ তিনি পুত্ৰৰ (ডিম্বেশ্বৰ, মহেশ্বৰ, মোক্ষেশ্বৰ) প্ৰথম পুত্ৰই হ'ল ডিম্বেশ্বৰ নেওগ। পিতৃ মাণিক চন্দ্ৰ নেওগৰ প্ৰযত্নত স্থাপিত ১১৩নং কমাৰফদীয়া স্কুলত পণ্ডিতগৰাকীয়ে নিম্ন প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱনৰ পাতনি মেলে আৰু ১৯৪০ চনত এম.এ. ডিগ্ৰী গ্ৰহণ কৰি শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰি ১৯৫১ চনলৈকে শিক্ষকতা বৃত্তিতে নিয়োজিত হৈ থাকে।

তেওঁ সৰু কালৰে পৰা অৰ্থাৎ স্কুলীয়া জীৱনৰ পৰাই সাহিত্য কৰ্মত নিমগ্ন হৈ পৰে। সৰু কালৰে পৰা একান্তভাৱে সাহিত্য কৰ্মত নিমগ্ন হৈ পৰা ডিম্বেশ্বৰ নেওগে কবিতা পুথিৰ পৰা আৰম্ভ কৰি নাটক, সমালোচনামূলক অনেক গ্ৰন্থ ৰচনা কৰি গৈছে। তেওঁ নিজেই এঠাইত 'এতিয়া মই সৰুৱে-বৰে এশখনমান কিতাপৰ লেখক' বুলি কৈছে। তদুপৰি বিভিন্ন কাকতে-পত্ৰই বা আলোচনীয়ে লিখা বিভিন্ন প্ৰবন্ধবোৰতো আছেই। তেওঁৰ কাব্যগ্ৰন্থ কেইখন হ'ল— *মালিকা, সঁফুৰা, থুপিতৰা, মালতী, ইন্দ্ৰধনু, অসমা, বিচিত্ৰা* আৰু *থাপনা*।নাটক বা দৃশ্যকাব্য কেইখন হ'ল— *অকাল বসন্ত, কামৰূপ, মদন ভস্ম, কুণ্ডিল কুঁৱৰী* আৰু *কৃষ্ণলীলা*। উল্লেখযোগ্য যে এই আটাইকেইখন নাটক

অমিত্রাক্ষৰ ছন্দত লিখা।

এইসমূহ গ্ৰন্থৰ বিপৰীতে এলানি তেওঁ অসমীয়া সাহিত্যৰ বুৰঞ্জী বিজৰিত গ্ৰন্থ প্ৰকাশ কৰি উলিয়ায়। তাৰে ভিতৰত *আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী* (১৯৩৬), *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী* (১৯৫০), *অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি* (১৯৪০), *New Light on History of Assamese Literature* (1962), *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (১৯৫৭) অথবা *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী* (১৯৫৭) ইত্যাদি কেইখনমান অতিকে উল্লেখযোগ্য অসমীয়া সাহিত্যৰ বুৰঞ্জী বিষয়ক পুথি। এইসমূহ গ্ৰন্থৰ উপৰিও *বৈষ্ণৱ ধৰ্মৰ আতিগুৰি, প্ৰাগ্-ঐতিহাসিক অসম, অসমীয়া সাহিত্যৰ জিলিঙনি, The Origin and Growth of the Assamiya Language* আন দুখনমান সমালোচনা গধূৰ গ্ৰন্থ।

গ্ৰন্থ ৰচনাৰ উপৰিও অসম ছাত্ৰ সন্মিলনৰ সম্পাদককে ধৰি ১৯৪৪-৪৭ চনলৈ অসম সাহিত্য সভাৰ সম্পাদক হিচাপেও কাম কৰিছিল। তদুপৰি ১৯২৩-১৯২৬ চন পৰ্যন্ত *মিলন* আলোচনীৰো সম্পাদক আছিল।পেছাত এজন হাইস্কুল আৰু নৰ্মাল স্কুলৰ শিক্ষক হৈয়ো অসমীয়া ভাষা সাহিত্যৰ সাধনাৰে অসমীয়া সাহিত্যৰ ভঁৰালত যিমানখিনি দি গ'ল সেয়া সঁচাকৈ আশ্চৰ্যকৰ। ১৯৬৬ চনৰ ১২ নৱেম্বৰ তাৰিখে এইজনা পণ্ডিতৰ দেহাৱসান ঘটে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ অসমীয়া সাহিত্যৰ প্ৰথম বুৰঞ্জীকাৰ হিচাপে কাক আখ্যা দিয়া হয়?

প্ৰশ্ন নং ৬ ঃ অসমীয়া সাহিত্যৰ সব্যসাচী পণ্ডিত বুলি কাক কোৱা হয়?

মহেশ্বৰ নেওগ ঃ ডিম্বেশ্বৰ নেওগৰ ভাতৃ মহেশ্বৰ নেওগৰ জন্ম হয় ১৯১৫ চনৰ ৭ ছেপ্টেম্বৰ তাৰিখে শিৱসাগৰৰ কমাৰফদীয়া গাঁৱত। অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰখনত যিসকল ব্যক্তিৰ স্থান সদায় আগত সেইসকলৰ অন্যতম পুৰোধা ব্যক্তি হ'ল মহেশ্বৰ নেওগ।তেওঁৰ শিক্ষা আৰু কৰ্মজীৱন কৃতিত্বৰে সমুজ্জ্বল।১৯৩৪ চনত প্ৰৱেশিকা পাছ কৰাৰ পিছত ১৯৩৬ চনত আই.এ.এছ. আৰু ইংৰাজী বিষয়ত অনাৰ্চসহ ১৯৩৯ চনত স্নাতক সন্মান লাভ কৰে। অৱশ্যে তাৰ কেইবছৰমান বিৰতিৰ পিছত অর্থাৎ ১৯৪৭ চনত দেশে স্বাধীনতা লাভ কৰা বৰ্ষতে এইগৰাকী পণ্ডিতে প্ৰাইভেট পদ্ধতিৰে অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তাৰ পিছৰ বছৰতে অর্থাৎ ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালৰ অসমীয়া বিভাগত প্ৰবক্তা হিচাপে যোগদান কৰে আৰু ১৯৬৫ চনত জৱাহৰলাল নেহেৰু অধ্যাপকৰ দৰে সন্মানীয় পদত অধিষ্ঠিত

হৈ ১৯৭৮ চনত এই পদৰ পৰাই অৱসৰ গ্ৰহণ কৰে।

আন বহুতৰে দৰেমহেশ্বৰ নেওগো অসম সাহিত্য সভাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আছিল। অসম সাহিত্য সভাৰ পৰা সদস্য মহীয়ান উপাধিৰে সন্মানিত হোৱাৰ উপৰিও ১৯৭৪ চনৰ 'অসম সাহিত্য সভা'ৰ মঙলদৈ অধিৱেশনৰ সভাপতিও আছিল।

মহেশ্বৰ নেওগৰ সাহিত্যিক জীৱনৰ অন্যতম কৃতিৰ ভিতৰত *পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি*, *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, *প্ৰাচ্য শাসনাৱলী*, *পৱিত্ৰ অসম* (সম্পা.), *গুৰু-চৰিত কথা*(সম্পা.) তদুপৰি *শ্ৰীহস্তমুক্তাৱলী*, *Aesthetic Contuum Essays on Assamese Music*, *Drama Drance and Paintings*, *Cultural Haritage of Assam*, *Essays on Assamese Literature*, *Sankardeva and His Times* বিশেষভাৱে উল্লেখযোগ্য। নেওগৰ *ঋতুসুৰ* নামৰ কবিতা পুথি এখনো পোৱা যায়। সত্ৰীয়া সংস্কৃতিৰ অন্যতম কাণ্ডাৰী মহেশ্বৰ নেওগৰ গ্ৰন্থৰ সংখ্যা তিনিকুৰিৰো অধিক। এনে এজন মহান পণ্ডিতৰ মৃত্যু হয় ১৯৯৫ চনৰ ১৩ ছেপ্টেম্বৰ তাৰিখে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ মহেশ্বৰ নেওগৰ একমাত্ৰ কবিতা পুথিখনৰ নাম কি?

সত্যেন্দ্ৰনাথ শৰ্মা ঃ সত্যেন্দ্ৰনাথ শৰ্মাৰ জন্ম ১৯১৭ চনৰ ১০ ছেপ্টেম্বৰত শিৱসাগৰৰ জাঁজীৰ জৰাবাৰী ব্ৰাহ্মণ গাঁৱতআৰু মৃত্যু ১৯৯৯ চনৰ ১১ আগষ্টত। অসমীয়া সাহিত্যৰ গৱেষক আৰু সমালোচক পিতৃ গোলাপ চন্দ্ৰ শৰ্মা আৰু মাতৃ চেনেহী দেৱীৰ সন্তান সত্যেন্দ্ৰনাথ শৰ্মাৰ শিক্ষাব্ৰতী জীৱনৰ কীয়দাংশ হ'ল তেওঁৰ জন্ম স্থানৰ জাঁজী হাইস্কুলৰ পৰা ১৯৩৪ চনত প্ৰৱেশিকা, ১৯৩৬ আৰু ১৯৩৯ চনত কটন কলেজৰ পৰা ক্ৰমে আই.এ. আৰু ডিষ্টিংশ্যনসহ স্নাতক (বি.এ.) আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯৪১ চনত প্ৰথম শ্ৰেণীৰ এম.এ. আৰু পিছলৈ ইয়াৰ পৰাই বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ ডিগ্ৰী ডক্টৰেট (পি.এইছ.ডি.) উপাধি লাভ কৰে। কৰ্মজীৱন হিচাপে কটন কলেজত প্ৰথমে ১৯৪২ চনত প্ৰবক্তা হিচাপে যোগদান কৰে যদিও ১৯৪৯ চনত প্ৰবক্তা ৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ত স্থায়ীভাৱে (অসমীয়া বিভাগত) যোগদান কৰি ১৯৮০ চনত অৱসৰ লোৱালৈকে গুৱাহাটী বিশ্ববিদ্যালয়তে থাকে। তাৰ মাজতে গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৬৭ চনত তেওঁক আধুনিক ভাৰতীয় ভাষা বিভাগৰ 'ৰবীন্দ্ৰনাথ ঠাকুৰ' আসনৰ প্ৰাধ্যাপকৰ সন্মানো প্ৰদান কৰে। প্ৰাধ্যাপক হিচাপে থকাৰ মাজতে অসম সাহিত্য সভাৰ ১৯৭৫ চনৰ তিতাবৰ অধিৱেশনৰ সভাপতিও আছিল। ১৯৮৯ চনত অৰ্থাৎ

অৱসৰ গ্ৰহণৰ ৯ বছৰ পাছত তেওঁক অসম সাহিত্য সভাই 'সাহিত্যাচার্য্য' উপাধি প্ৰদান কৰে।

সত্যেন্দ্ৰনাথ শর্মাৰ সাহিত্যিক জীৱনৰ কৃতিসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল— *অসমীয়া সাহিত্যৰ ইতিবৃত্ত*(পিছলৈ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*), *অসমীয়া উপন্যাসৰ ভূমিকা, অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ, সাহিত্যৰ আভাস, অসমীয়া উপন্যাসৰ গতিধাৰা, অসমীয়া নাট্য সাহিত্য* অথবা *A Socio-Economic and Cultural History of Mediaval Assam, 1200 A.D.–1800 A.D.*, *The New-Vaisnavite Movement and the Satra Institution of Assam*, *A History of Indian Literature* ইত্যাদি। এনেবোৰ মূল্যবান গ্ৰন্থৰ উপৰিও শিশুৰ উপযোগী *শিশু জ্ঞানকোষ*নামেৰে দুটা খণ্ডত সম্পাদিত ৰূপত প্ৰকাশিত গ্ৰন্থখন অসমীয়া সাহিত্যৰ আন এক উল্লেখযোগ্য গ্ৰন্থ।ইয়াৰ উপৰিও *ৰামায়ণৰ ইতিবৃত্ত* নামৰ গ্ৰন্থখনৰ বাবে সত্যেন্দ্ৰনাথ শর্মাই 'অসম প্ৰকাশন পৰিষদৰ বঁটা'ও লাভ কৰে।এইজনা শিক্ষাবিদ তথা বুৰঞ্জীবিদৰ ১৯৯৯ চনৰ ১১ ছেপ্টেম্বৰ তাৰিখে ইহলীলা সম্বৰণ কৰে।

বিৰিঞ্চি কুমাৰ বৰুৱা ঃ অসমীয়া সাহিত্য জগতত বিৰিঞ্চি কুমাৰ বৰুৱা এটা পৰিচিত নাম। তেওঁ মূলতঃ লোক-সংস্কৃতি বিষয়ক গৱেষক-পণ্ডিত যদিও একে সময়তে তেওঁ এজন ঔপন্যাসিক, বুৰঞ্জীবিদ, ভাষাবিদ, শিক্ষাবিদ আৰু নাট্যকাৰো। এইজনা মহান সাহিত্যিকৰ জন্ম হৈছিল ১৯০৮ চনৰ ১০ নৱেম্বৰ তাৰিখে নগাঁও জিলাৰ পুৱণিগুদামত। নগাঁও চৰকাৰী হাইস্কুলৰ পৰা ১৯২৮ চনত প্ৰৱেশিকা পাছ কৰাৰ পিছত উচ্চ শিক্ষাৰ বাবে কলিকতাৰ প্ৰেচিডেন্সি কলেজত নামভর্তি কৰে। তাৰ পৰা তেওঁ ১৯৩২ চনত অনার্চসহ বি.এ. পাছ কৰাৰ পাছত ১৯৩৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পালি ভাষাত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৩৫ চনত কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া ভাষাক আধুনিক ভাৰতীয় ভাষা কৰাত অসমীয়া ভাষাৰ অধ্যাপক হিচাপে নিযুক্তি লাভ কৰে। কিন্তু ১৯৩৮ চনত কলিকতা এৰি কটন কলেজত অসমীয়া বিষয়ৰ অধ্যাপকৰ পদত অধিস্থিত হয়। উল্লেখযোগ্য যে তেওঁ 'A Cultural History of Assam' বিষয়ত ১৯৪৮ চনত লণ্ডনৰ পৰা পি.এইছ.ডি. ডিগ্ৰী লাভ কৰে।

তেওঁৰ আন সাহিত্য কর্মৰ ভিতৰত *জীৱনৰ বাটত*(উপন্যাস), *সেউজী পাতৰ কাহিনী*(উপন্যাস), ১৯৬৪ চনৰ বাবে 'সাহিত্য অকাদেমি বঁটা' প্ৰাপ্ত অসমীয়া সংস্কৃতি বিষয়ক গ্ৰন্থ *অসমৰ লোক-সংস্কৃতি*, *History of Assamese Literature* বিশেষভাৱে উল্লেখযোগ্য। ১৯৬৪ চনৰ ৩০ মার্চ তাৰিখে এইজন মহান সাহিত্যিক অসমীয়া সাহিত্য জগতৰ বাবে চিৰদিনৰ বাবে মেলানি মাগে।

আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ দ্বাৰা প্ৰকাশিত 'অসমীয়া সাহিত্যৰ

বুৰঞ্জী'ৰ সম্পাদকসকল ঃ

অসম আৰু ইয়াৰ চুবুৰীয়া অঞ্চলৰ থলুৱা ভাষা, সাহিত্য, কলা আৰু সংস্কৃতিৰ বিকাশ সাধনৰ উদ্দেশ্যে, অসম চৰকাৰৰ দ্বাৰা স্থাপিত 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা' হৈছে এটি গৱেষণামূলক প্ৰতিষ্ঠান। এই প্ৰতিষ্ঠানটোৱে হাতত লোৱা কৰ্ম আঁচনিৰ ভিতৰত *অসমীয়া সাহিত্যৰ বুৰঞ্জী*প্ৰণয়ন অন্যতম। এই আঁচনিয়ে সাকাৰ ৰূপ লাভ কৰে কথাশিল্পী তথা বিশিষ্ট সাংবাদিক হোমেন বৰগোহাঞিৰ সম্পাদনাত *অসমীয়া সাহিত্যৰ বুৰঞ্জী*ৰ ষষ্ঠ খণ্ডটি প্ৰকাশ হোৱাৰ লগে লগে। আঁচনি মতে এইখন পূৰ্ণাঙ্গ বুৰঞ্জীৰ বাবে ৬টা খণ্ডৰ পৰিকল্পনা কৰা হয়। অৱশ্যে হোমেন বৰগোহাঞিৰ দ্বাৰা সম্পাদিত একেবাৰে শেষৰ খণ্ডটোৱেহে পোন প্ৰথমে প্ৰকাশ লাভ কৰে (১৯৯৩)। তাৰ পিছত ১৯৯৭ চনত প্ৰকাশ পায় শিৱনাথ বৰ্মনৰ সম্পাদনাত বুৰঞ্জীখনৰ দ্বিতীয় খণ্ডটোৱে। বিশ্বেশ্বৰ হাজৰিকাৰ সম্পাদনাত প্ৰকাশ পোৱা খণ্ডটো প্ৰথম খণ্ড। প্ৰথম খণ্ড হ'লেও প্ৰকাশ হৈ ওলায় ২০০৩ চনতহে। সাধাৰণ সম্পাদক অশোক কুমাৰ গোস্বামী আৰু সম্পাদক ৰঞ্জিৎ কুমাৰ দেৱগোস্বামীৰ সম্পাদনাত ২০১৫ চনত বুৰঞ্জীখনৰ পঞ্চম খণ্ডটোৱে প্ৰকাশৰ মুখ দেখে। বুৰঞ্জীখনৰ তৃতীয় আৰু চতুৰ্থ খণ্ড দুটা প্ৰকাশ হৈ ওলাবলৈ এতিয়াও বাকী। অসমৰ সুধী সমাজে খণ্ড দুটাৰ প্ৰকাশলৈ বাট চাই আছে। সি যিয়েই নহওক ইতিমধ্যে প্ৰকাশ হৈ ওলোৱা খণ্ডকেইটাৰ দায়িত্বত থকা সম্পাদকসকলৰ একোটি চমু পৰিচয় তলত দাঙি ধৰা হ'ল।

- **বিশ্বেশ্বৰ হাজৰিকা ঃ** গোলাঘাট জিলাৰ বৰপথাৰ নিবাসী স্বৰ্গীয় খৰ্গেশ্বৰ হাজৰিকা আৰু স্বৰ্গীয়া সোণেশ্বৰী হাজৰিকাৰ সুযোগ্য সন্তান বিশ্বেশ্বৰ হাজৰিকাৰ জন্ম ১৯৩৩ চনৰ ৩১ জুলাইত। বৰপথাৰ বৰমুখীয়া নিম্ন প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ পাতনি মেলা এইগৰাকী বিশ্বেশ্বৰ হাজৰিকাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.এ. ডিগ্ৰী লাভ কৰে। প্ৰবক্তা হিচাপে কটন কলেজ আৰু তেওঁ কলেজীয়া শিক্ষা গ্ৰহণ কৰা দেৱৰাজ ৰয় মহাবিদ্যালয়ত শিক্ষকতা কৰে যদিও ১৯৬৮ চনৰ পৰা অৱসৰ লোৱালৈকে অৰ্থাৎ ১৯৯৫ চনলৈকে গুৱাহাটী ভোলানাথ বৰুৱা মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

  তেওঁৰ সাহিত্য কৰ্ম হিচাপে লেখত ল'বলগীয়া কেইখনমান গ্ৰন্থ হ'ল— *অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ*, *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ* (বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থ *Assamese its Formation and Development*ৰ অসমীয়া অনুবাদ), *অসমীয়া লিপিৰ বুৰঞ্জীৰ চমু আভাস*, *Assamese Language: Origin and Development* আদিয়ে প্ৰধান। তদুপৰি 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা'ৰ দ্বাৰা প্ৰকাশিত *অসমীয়া সাহিত্যৰ বুৰঞ্জী*ৰ প্ৰথম খণ্ডৰ সম্পাদক।

- **শিৱনাথ বৰ্মন ঃ** ১৯৪২ চনত জন্ম লাভ কৰা শিৱনাথ বৰ্মন প্ৰকৃততে পদাৰ্থবিজ্ঞানৰ ছাত্ৰ যদিও বুৰঞ্জী বিষয়ত পি.এইছ.ডি. লাভ কৰা সূত্ৰে কলা শাখাৰো ছাত্ৰ। তদুপৰি তেওঁ যিবোৰ গ্ৰন্থ ৰচনা কৰিছে ইয়াৰে অধিকাংশই অসমীয়া সাহিত্যৰ সৈতে জড়িত। 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা'ৰ দ্বাৰা প্ৰকাশিত *অসমীয়া সাহিত্যৰ বুৰঞ্জী*ৰ দ্বিতীয় খণ্ডৰ সম্পাদনা কৰাৰ পূৰ্বে অসমীয়া সাহিত্যৰ ভঁৰাললৈ যিবোৰ গ্ৰন্থ উপহাৰ দিছে সেইবোৰৰ ভিতৰত অন্যতম হ'ল— *শ্ৰীমন্ত শঙ্কৰদেৱ ঃ কৃতি আৰু কৃতিত্ব, আইনষ্টাইন আৰু পদাৰ্থজগত, অসমীয়া জীৱনী অভিধান, অসমীয়া আখৰ জোঁটনিৰ কথা, ভৱানন্দ দত্ত ঃ জীৱন আৰু প্ৰতিভা, অসমীয়া ব্যাকৰণ অভিধান, ন মনুষ্যাৎ, টঙ্ক মামাৰ অঙ্কৰ সাধু* ইত্যাদি। উল্লেখযোগ্য যে *ন মনুষ্যাৎ* গ্ৰন্থৰ বাবে 'অসম সাহিত্য সভা'ৰ পৰা ১৯৮৫ চনত 'মোহন চন্দ্ৰ শৰ্মা বঁটা' লাভ কৰে।
- **ৰঞ্জিৎ কুমাৰ দেৱগোস্বামী ঃ** 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা'ৰ দ্বাৰা প্ৰকাশিত *অসমীয়া সাহিত্যৰ বুৰঞ্জী*ৰ পঞ্চম খণ্ডৰ সম্পাদক। জন্ম ১৯৫২ চন, নগাঁৱত। এজন চিন্তাশীল প্ৰবন্ধকাৰ তথা সমালোচক হিচাপে পৰিচিত দেৱগোস্বামী গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক। তেওঁৰ সাহিত্য কৰ্মৰ ভিতৰত যুটীয়াভাৱে সম্পাদনা কৰা *Banikanta Kakati: The Man and His Works* (1988) উল্লেখযোগ্য।
- **হোমেন বৰগোহাঞি ঃ** 'আবিলেক'ৰ দ্বাৰা প্ৰকাশিত *অসমীয়া সাহিত্যৰ বুৰঞ্জী* সম্পাদকসকলৰ ভিতৰত হোমেন বৰগোহাঞিও এজন। তেওঁ এই বুৰঞ্জীখনৰ ষষ্ঠ খণ্ড সম্পাদনা কৰে। তেওঁ একেধাৰে সাংবাদিক, সমালোচক, কবি আৰু ঔপন্যাসিক। এইগৰাকী লেখকৰ জন্ম ১৯৩২ চনৰ ৭ ডিচেম্বৰ তাৰিখে লক্ষীমপুৰ জিলাৰ ঢকুৱাখনাত। তেওঁ জন্মস্থান ঢকুৱাখনাতে প্ৰাথমিক শিক্ষা আৰম্ভ কৰিলেও উচ্চ শিক্ষাৰ বাবে কটন কলেজত নামভৰ্তি কৰে। পিছলৈ সাংবাদিকতাকে জীৱনৰ পেছা হিচাপে গ্ৰহণ কৰিলেও সাহিত্যৰ সাধনাও সমানে আগবঢ়াই যায়। তেওঁৰ দ্বাৰা ৰচিত জীৱনৰ কীৰ্তি স্বৰূপ উপন্যাস কেইখনমান হ'ল— *সাউদৰ পুতেকে নাও মেলি যায়, হালধীয়া চৰায়ে বাওঁধান খায়, পিতা-পুত্ৰ, অস্তৰাগ, সুবালা, নিসঙ্গতা, এদিনৰ ডায়েৰি, মস্যগন্ধা* আদিয়ে অন্যতম। আত্মজীৱনীমূলক গ্ৰন্থৰ ভিতৰত *আত্মানুসন্ধান, ধুমুহা আৰু ৰামধেনু* অন্যতম। তদুপৰি প্ৰবন্ধ গ্ৰন্থ *মানুহ হোৱাৰ গৌৰৱ, প্ৰজ্ঞাৰ সাধনা* উল্লেখযোগ্য। 'সাহিত্য অকাদেমি বঁটা' বিজয়ী (*পিতা-পুত্ৰ*ৰ বাবে, ১৯৭৮) এইজনা সাহিত্যিকে 'অসম সাহিত্য সভা'ৰ পৰা 'নীলমণি ফুকন বঁটা' আৰু 'অসম উপত্যকা বঁটা'ও লাভ কৰে। তদুপৰি পত্নী

নিৰুপমা বৰগোহাঞিৰ সৈতে *পূৰাৰ পূৰবী সন্ধাৰ বিভাস*নামৰ আন এখন উপন্যাসো ৰচনা কৰে। যিখন অসমীয়া সাহিত্যত যুটীয়াভাৱে লিখা প্ৰথম উপন্যাস। উল্লেখযোগ্য যে তেওঁৰ দ্বাৰা ৰচিত প্ৰতিখন গ্ৰন্থই মননশীল আৰু গৱেষণাধৰ্মী, লাগিলে সি উপন্যাসেই হওক অথবা গল্প কিম্বা প্ৰবন্ধই হওক।




অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ *A Socio-Economic and Cultural History of Mediaval Assam* গ্ৰন্থখনৰ ৰচক কোন?

প্ৰশ্ন নং ৯ ঃ কোনখন গ্ৰন্থৰ বাবে হোমেন বৰগোহাঞিয়ে 'সাহিত্য অকাদেমি বঁটা' লাভ কৰে?

চিন্তা-চৰ্চা কৰক-১৪.৫



অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকলৰ সাহিত্যিক জীৱনৰ একোটি পৰিচয় দিয়ক।



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সাহিত্যৰ বুৰঞ্জী কেৱল সাহিত্যৰেই ইতিহাস নহয়, ই সেই সাহিত্যই প্ৰতিনিধিত্ব কৰি থকা জাতিটোৰো ইতিহাস।
- প্ৰথম অসমীয়া লিখিত সাহিত্যৰ নিদৰ্শন যে *চৰ্য্যাপদ* সেই কথা আমি সাহিত্যৰ বুৰঞ্জী অধ্যয়নৰ পৰাই জানিব পাৰোঁ।
- অসমীয়া ভাষাৰ উৎপত্তিৰ সিদ্ধান্তত দুই-একৰ মতদ্বৈধতা দেখিবলৈ পোৱা গ'লেও অধিকাংশ সাহিত্যৰ বুৰঞ্জীকাৰে মাগধী অপভ্রংশৰ পৰাই অসমীয়া ভাষাৰ উৎপত্তিৰ সপক্ষে মত দাঙি ধৰা দেখা যায়।
- 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা'ৰ দ্বাৰা প্ৰকাশিত আটাইকেইখন বুৰঞ্জীয়েই সম্পাদিত ৰূপৰ বুৰঞ্জী।
- বুৰঞ্জীকাৰসকলৰ যুগ বিভাজনৰ ভিত্তিত *অসমীয়া সাহিত্যৰ বুৰঞ্জীক* বহুলভাৱে তিনিটা প্ৰধান যুগত ভাগ কৰিব পাৰি। সেয়া হ'ল—আদি, মধ্য আৰু আধুনিক বা বৰ্তমান যুগ।
- অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকলৰ মাজত কেতবোৰ বিষয়ত মত পাৰ্থক্য দেখা যায়।

- *অসমীয়া সাহিত্যৰ বুৰঞ্জী* মূলতঃ দুই প্ৰকাৰৰ— ব্যক্তিগত লেখকৰ দ্বাৰা সৃষ্ট আৰু সম্পাদনা ৰূপেৰে সৃষ্ট।
- আন দুটা ভাগ হ'ল— পাঠভিত্তিক সাহিত্যৰ বুৰঞ্জী আৰু সমালোচনামূলক বা বিৱৰণাত্মক সাহিত্যৰ বুৰঞ্জী। উদাহৰণ স্বৰূপে, হেমচন্দ্ৰ গোস্বামীৰ দ্বাৰা সম্পাদিত সাতটা খণ্ডৰ *অসমীয়া সাহিত্যৰ চানেকি*পাঠভিত্তিক বুৰঞ্জী। আনহাতে, মহেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখা* সমালোচনাধৰ্মী বুৰঞ্জী।
- ঐতিহাসিক দৃষ্টিকোণৰ পৰা চালে দেবেন্দ্ৰনাথ বেজবৰুৱাৰ *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী*খনেই অসমীয়া সাহিত্যৰ প্ৰথম বুৰঞ্জী।



১৪.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, হেমচন্দ্ৰ ঃ *অসমীয়া সাহিত্যৰ চানেকি*(প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ, পঞ্চম, ষষ্ঠ আৰু সপ্তম খণ্ড); কলিকতা ঃ কলিকতা বিশ্ববিদ্যালয়।

২) দেৱগোস্বামী, ৰঞ্জিৎ কুমাৰ ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (পঞ্চম খণ্ড); 'আবিলেক' প্ৰকাশ।

৩) নেওগ, ডিম্বেশ্বৰ ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি*।

৪) নেওগ, ডিম্বেশ্বৰ (১৯৯৩) ঃ *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ প্ৰকাশ); গুৱাহাটী ঃ শুৱনি প্ৰকাশ।

৫) নেওগ, মহেশ্বৰ (২০০০) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬) বৰগোহাঞি, হোমেন ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড); 'আবিলেক' প্ৰকাশন।

৭) বৰ্মন, শিৱনাথ ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (দ্বিতীয় খণ্ড); 'আবিলেক' প্ৰকাশ।

৮) বেজবৰুৱা, দেবেন্দ্ৰনাথ ঃ *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী*।

৯) শৰ্মা, সত্যেন্দ্ৰনাথ (২০১৩) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১০) হাজৰিকা, বিশ্বেশ্বৰ (সম্পা.) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (প্ৰথম খণ্ড); 'আবিলেক' প্ৰকাশ।

ইংৰাজী গ্ৰন্থ ঃ

1) Baruah, Birinchi Kumar (1978) : *History of Assamese Literature*; New Delhi: Sahitya Academi.



১৪.৮ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ *অসমীয়া সাহিত্যৰ চানেকি*।

২নং প্রশ্নৰ উত্তৰ ঃ ষোল্লটা।

৩নং প্রশ্নৰ উত্তৰ ঃ ষষ্ঠ খণ্ড।

৪নং প্রশ্নৰ উত্তৰ ঃ প্রথম খণ্ড।

৫নং প্রশ্নৰ উত্তৰ ঃ দেবেন্দ্রনাথ বেজবৰুৱা।

৬নং প্রশ্নৰ উত্তৰ ঃ ডিম্বেশ্বৰ নেওগ।

৭নং প্রশ্নৰ উত্তৰ ঃ *ঋতুসুৰ*

৮নং প্রশ্নৰ উত্তৰ ঃ সত্যেন্দ্রনাথ শর্মা।

৯নং প্রশ্নৰ উত্তৰ ঃ *পিতা-পুত্র*।



১৪.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ সাহিত্যৰ বুৰঞ্জীৰ মূল উদ্দেশ্য সম্পর্কে চমুকৈ লিখক।

প্রশ্ন ২ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ উদ্ভৱ আৰু ক্রমবিকাশ সম্পর্কে বহলাই লিখক।

প্রশ্ন ৩ ঃ "দেবেন্দ্রনাথ বেজবৰুৱা অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ প্রথম প্রণেতা।" —ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ 'অসমীয়া সাহিত্যৰ বুৰঞ্জী'ৰ যুগ বিভাজন সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৫ ঃ ডিম্বেশ্বৰ নেওগৰ 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' বিষয়ক গ্রন্থকেইখনৰ বিষয়ে বহলাই লিখক।

প্রশ্ন ৬ ঃ মহেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখাত* অন্তর্ভুক্ত বিষয়সমূহৰ বিষয়ে এটি টোকা লিখক।

প্রশ্ন ৭ ঃ সত্যেন্দ্রনাথ শর্মাৰ *অসমীয়া সাহিত্যৰ ইতিবৃত্ত* আৰু *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* গ্রন্থ দুখনৰ এটি তুলনামূলক আলোচনা যুগুত কৰক।

প্রশ্ন ৮ ঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ *History of Assamese Literature* গ্রন্থখনৰ অধ্যায় বিভাজন অন্তর্ভুক্ত বিষয়সমূহৰ এটি পৰিচয় দিয়ক।

প্রশ্ন ৯ ঃ 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা'ৰ দ্বাৰা প্রকাশিত বুৰঞ্জীখনৰ খণ্ড চাৰিটাৰ এটি সম্যক পৰিচয় দিয়ক।

প্ৰশ্ন ১০ ঃ 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা'ৰ দ্বাৰা প্ৰকাশিত বুৰঞ্জীৰ লগত পূৰ্বৰ বুৰঞ্জীসমূহৰ সাদৃশ্য আৰু বৈসাদৃশ্য দেখুৱাই এটি প্ৰবন্ধ প্ৰস্তুত কৰক।

প্ৰশ্ন ১১ ঃ 'অসমীয়া সাহিত্যৰ বুৰঞ্জী'ৰ বিভিন্ন বিভাগ সামৰি এটি আলোচনা যুগুত কৰক।

প্ৰশ্ন ১২ ঃ অসমীয়া সাহিত্যৰ কোনখন বুৰঞ্জীক পাঠভিত্তিক বুৰঞ্জী বুলি কোৱা হয় চমুকৈ লিখক।

প্ৰশ্ন ১৩ ঃ ডিম্বেশ্বৰ নেওগৰ কোন কেইখন গ্ৰন্থৰ মাজেৰে 'অসমীয়া সাহিত্যৰ বুৰঞ্জী'ৰ বিষয়ে আলোচিত হৈছে চমুকৈ লিখক।

প্ৰশ্ন ১৪ ঃ হেমচন্দ্ৰ বৰুৱাৰ *অসমীয়া সাহিত্যৰ চানেকি*ৰ অন্তৰ্গত প্ৰথম খণ্ডৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ১৫ ঃ যুগ বিভাজনৰ ভিত্তিত *অৰুণোদই* কোন যুগত পৰে লিখক।

*** ***** ***



প্ৰসঙ্গ পুথি

অসমীয়া গ্ৰন্থ ঃ

১) অধিকাৰী, গগনচন্দ্ৰ (সম্পা.) (১৯৮৬) ঃ *বীৰেন বৰকটকী, ব্যক্তিত্ব আৰু প্ৰতিভা*; গুৱাহাটী।

২) উল্লাহ, ইমদাদ (১৯৭৭) ঃ *সৃজন আৰু মনন*; গুৱাহাটী ঃ গুৱাহাটী বুক ষ্টল।

৩) কটকী, চন্দ্ৰ (১৯৮০) ঃ *সাহিত্য আৰু চেতনা*; গুৱাহাটী ঃ এল. বি. এছ.।

৪) কটকী, চন্দ্ৰ (১৯৮৯) ঃ *আধুনিক অসমীয়া কবিতা* (২য় সংস্কৰণ); যোৱহাট ঃ অসম সাহিত্য সভা।

৫) কলিতা, মহেশ্বৰ (২০০২) ঃ *চল্লিশৰ দশকৰ অসমীয়া কবিতা ঃ এটি সমীক্ষা*; পাণবজাৰ, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৬) গগৈ, লীলা (সম্পা.) (১৯৯৪) ঃ *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*; ডিব্ৰুগড় ঃ ষ্টুডেণ্টছ এম্পা'ৰিয়াম।

৭) গগৈ, হৃদয়ানন্দ (১৯৯৭) ঃ *ৰামধেনুৰ শ্ৰেষ্ঠ গল্প*, (১ম প্ৰকাশ); গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৮) গোস্বামী, অশোক কুমাৰ; দেৱগোস্বামী, ৰঞ্জিৎ কুমাৰ (সম্পা.) (২০১৫) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (পঞ্চম খণ্ড); গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৯) গোস্বামী, ত্ৰৈলোক্য নাথ (১৯৭৬) ঃ *আধুনিক অসমীয়া চুটিগল্প*; গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

১০) গোস্বামী, যতীন্দ্ৰনাথ (১৯৮৬) ঃ *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী*; গুৱাহাটী ঃ মণিমাণিক প্ৰকাশ।

১১) গোস্বামী, যতীন্দ্ৰনাথ (সঙ্কলয়িতা) (২০০১)ঃ *বাঁহী* (প্ৰথম খণ্ড); অসম সাহিত্য সভা।

১২) গোস্বামী, ৰঞ্জিত কুমাৰ দেৱ (২০১৫) সম্পাদনা ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (পঞ্চম খণ্ড); গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

১৩) গোস্বামী, যতীন্দ্ৰ নাথ (১৯৯৪) ঃ *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী*; গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

১৪) গোস্বামী, হেমচন্দ্ৰ ঃ *অসমীয়া সাহিত্যৰ চানেকি* (প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ, পঞ্চম, ষষ্ঠ আৰু সপ্তম খণ্ড); কলিকতা ঃ কলিকতা বিশ্ববিদ্যালয়।

১৫) গোহাঁই, হীৰেন (১৯৯১) ঃ *সাহিত্য আৰু চেতনা*; গুৱাহাটী ঃ এল. বি. এছ.।

১৬) চক্ৰৱৰ্তী, অৱনী (সম্পা.) (১৯৯০) ঃ *অমূল্য বৰুৱা ঃ জীৱন আৰু কবিতা*; সদৌ অসম কবি সন্মিলন।

১৭) চেতিয়া, তোষেশ্বৰ (সম্পা.) (১৯৮৮) ঃ *প্রগতিশীল সাহিত্য-সমীক্ষা* (১ম প্রকাশ); নতুন সাহিত্য পৰিষদ।

১৮) চৌধুৰী, সতীশ চন্দ্র (সম্পা.) (১৯৯৩) ঃ *যোৱা দুই দশকৰ অসমীয়া সাহিত্য*; গুৱাহাটী ঃ অসম সাহিত্য সভা।

১৯) তামূলী, লক্ষ্মীনাথ (সম্পা.) (২০০৫) ঃ *ঊষা*; গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

২০) তামূলী, লক্ষ্মীনাথ (সম্পা.) (২০০৮) ঃ *বাঁহী*; গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

২১) তালুকদাৰ, নন্দ (১৯৭৫) ঃ *সম্বাদপত্রৰ ৰ'দ কাঁচলিত অসমীয়া সাহিত্য*; গুৱাহাটী ঃ বৰুৱা এজেঞ্চি।

২২) তালুকদাৰ, নন্দ (২০০৬) ঃ *কবি আৰু কবিতা*; গুৱাহাটী ঃ বনলতা।

২৩) ঠাকুৰ, নগেন (২০১২) ঃ *এশ বছৰৰ অসমীয়া উপন্যাস*; গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২৪) ঠাকুৰ, প্রাপ্তি (২০০৮) ঃ *ৰামধেনুৰ চুটিগল্প ঃ বিচাৰ আৰু বিশ্লেষণ*; ভৱানী বুক্‌ছ, ভৱানী অফছেট প্রাইভেট লিমিটেড, প্রকাশন গোট।

২৫) দত্ত, ধীৰেন্দ্র চন্দ্র (১৯৯২) ঃ *অভিযান আৰু অন্যান্য কবিতা*; গোলাঘাট ঃ ভাৰতী বুক ষ্ট'ল।

২৬) দত্ত, ভবানন্দ (১৯৮৮) ঃ *অসমীয়া কবিতাৰ কাহিনী*; গুৱাহাটী ঃ এল. বি. এছ.।

২৭) দাস, নাৰায়ণ (১৯৯৬) ঃ *অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ*; গুৱাহাটী ঃ প্রকাশন গোট, প্রাগজ্যোতিষ মহাবিদ্যালয়।

২৮) দাস, বিনীতা (২০১৫) ঃ *আৱাহন আৰু ৰামধেনুৰ চুটিগল্প*; পূর্বায়ন প্রকাশন।

২৯) দেৱগোস্বামী, ৰঞ্জিৎ কুমাৰ (সম্পা.) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (৫ম খণ্ড); অবিলেক।

৩০) নাথ, প্রফুল্ল কুমাৰ (২০১৪) ঃ *অসমীয়া কবিতাৰ চমু ইতিহাস*; গুৱাহাটী ঃ এন এল পাব্লিকেশ্যন।

৩১) নাথ, ভনিতা (সম্পা.) (২০১৭) ঃ *আধুনিক অসমীয়া কবি আৰু কবিতা ঃ ৰামধেনুৰ পৰা সাম্প্রতিকলৈ*; পূর্বায়ন প্রকাশন।

৩২) নেওগ, ডিম্বেশ্বৰ (১৯৯৩) ঃ *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ প্রকাশ); গুৱাহাটী ঃ শুৱনি প্রকাশ।

৩৩) নেওগ, ডিম্বেশ্বৰ ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি*।

৩৪) নেওগ, মহেশ্বৰ (১৯৫২)ঃ *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*; গুৱাহাটী ঃ শুৱনি প্রকাশ।

৩৫) নেওগ, মহেশ্বৰ (১৯৮৩) সঙ্কলিত আৰু সম্পাদিত ঃ *অৰুণোদই ১৮৪৬-১৮৫৪*; গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৩৬) নেওগ, মহেশ্বৰ (১৯৯৩) ঃ *বাণীকান্ত চয়নিকা*; নতুন দিল্লী ঃ সাহিত্য অকাডেমী।

৩৭) নেওগ, মহেশ্বৰ (২০০০) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩৮) ডেকা, উমেশ (২০১৬) ঃ *ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্য*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩৯) ডেকা হাজৰিকা, কৰবী (১৯৯২) ঃ *অসমীয়া কবিতা*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্হ।

৪০) বৰকটকী, বীৰেন (১৯৬৯) ঃ *সাহিত্যৰ পটভূমি*; গুৱাহাটী ঃ অসম বুক ডিপো।

৪১) বৰগোহাঞি, হোমেন (১৯৭৬) ঃ *অসমীয়া গল্প সঙ্কলন*; দ্বিতীয় খণ্ড, গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৪২) বৰগোহাঞি, হোমেন (১৯৮৭) ঃ *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য*; গুৱাহাটী ঃ বনলতা।

৪৩) বৰগোহাঞি, হোমেন (১৯৯৩) সম্পাদিত ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী, ষষ্ঠ খণ্ড*; গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৪৪) বৰগোহাঞি, হোমেন (সঙ্কলন আৰু সম্পা.) (২০০৯) ঃ *ৰামধেনু* (চাৰিটা খণ্ড); পাণবজাৰ, গুৱাহাটী ঃ বনলতা।

৪৫) বৰগোহাঞি, হোমেন আৰু মজুমদাৰ, পৰমানন্দ (সম্পা.) (২০১১) ঃ *জয়ন্তী*; গোলাঘাট ঃ ভাৰতী বুক ষ্টল।

৪৬) বৰদলৈ, নির্মলপ্রভা (১৯৮১) ঃ *কবিতাৰ কথা*; গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোম্পানী।

৪৭) বৰমুদৈ, আনন্দ (১৯৯৫) ঃ *সমাজ, সাহিত্য, সমালোচনা*; কলিকতা।

৪৮) বৰুৱা, হেম (১৯৬১) ঃ *আধুনিক সাহিত্য* (২য় সংস্কৰণ); গুৱাহাটী ঃ লয়ার্হ বুক ষ্টল।

৪৯) বৰা, ড° হেম (১৯৯৪)ঃ *অসমীয়া সাহিত্যলৈ মহিলা লেখকৰ দান*; গোলাঘাট ঃ সপ্তাদী প্রকাশন।

৫০) বৰা, মহেন্দ্র (১৯৭৬) ঃ *ৰমন্যাসবাদ*; গুৱাহাটী ঃ বাণী প্রকাশ।

৫১) বৰা, মহেন্দ্র (সম্পা.) (১৯৮৭) ঃ *নতুন কবিতা*; ডিব্রুগড় ঃ বনলতা।

৫২) বৰা, মহেন্দ্র (১৯৯০) ঃ *অসমীয়া কবিতাৰ ছন্দ*; গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৫৩) বৰুৱা, অণু (১৯৮৪) ঃ *হেম বৰুৱা ঃ মোৰ চিনাকি মানুহজন*; গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৫৪) বৰুৱা, দিলীপ (১৯৯১) ঃ *কবিতাৰ ভৰিষ্যৎ ঃ পঞ্চদশকৰ সাহিত্য পৰম্পৰা*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্হ।

৫৫) বৰুৱা, বীৰেশ্বৰ (১৯৮৭) ঃ *ৰামধেনু আৰু পৰৱর্তী কাল*; গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৫৬) বৰুৱা, প্রহ্লাদ কুমাৰ (২০১২) ঃ *অসমীয়া চুটিগল্পৰ অধ্যয়ন*; গুৱাহাটী ঃ বনলতা।

৫৭) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৯১) সম্পাদনা ঃ *অৰুণোদইৰ ধলফাট*; অসম সাহিত্য সভা।

৫৮) বৰুৱা, লোপা (১৯৯৯) ঃ *আধুনিক অসমীয়া কবিতাত প্রতীক আৰু চিত্রকল্প* (প্রথম প্রকাশ); গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

৫৯) বর্মন, শিৱনাথ (১৯৯৭) সম্পাদিত ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী, দ্বিতীয় খণ্ড*; গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৬০) *বিংশ শতিকাৰ অসমীয়া সাহিত্য*; অসম সাহিত্য সভা।

৬১) বেজবৰুৱা, দেবেন্দ্রনাথ ঃ *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী*।

৬২) ভট্টাচার্য্য, বীৰেন্দ্র কুমাৰ (১৯৮৫) ঃ *ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি*; গুৱাহাটী।

৬৩) ভট্টাচার্য, হৰিচন্দ্র (২০১১) ঃ *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্ট'ল।

৬৪) ভৰালী, শৈলেন (১৯৭৮) ঃ *আধুনিক অসমীয়া সাহিত্য (দুটি তৰঙ্গ)*; গুৱাহাটী ঃ নিউ বুক ষ্টল।

৬৫) ভৰালী, শৈলেন (১৯৯০) ঃ *নাটক আৰু অসমীয়া নাটক*; গুৱাহাটী ঃ বাণী প্রকাশ।

৬৬) ভৰালী, শৈলেন (১৯৯২) ঃ *আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৬৭) ভৰালী, শৈলেন (১৯৯৩) ঃ *উপন্যাস বিচাৰ আৰু বিশ্লেষণ*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৬৮) ভৰালী, শৈলেন (১৯৯৬) ঃ *অসমীয়া ঐতিহাসিক উপন্যাস*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৬৯) ভূঞা, সূর্য্য কুমাৰ (১৯৮৮) সম্পাদনা ঃ *অসম বুৰঞ্জী*; গুৱাহাটী ঃ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ।

৭০) মহন্ত, প্রফুল্ল (১৯৯১)ঃ *অসমীয়া মধ্যবিত্ত শ্রেণীৰ ইতিহাস*; গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

৭১) শইকীয়া, চন্দ্রপ্রসাদ (সম্পা.) (১৯৯৮) ঃ *অসমৰ বাতৰিকাকতৰ ডেৰশ বছৰীয়া ইতিহাস*; গুৱাহাটী ঃ অসমৰ বাতৰিকাকতৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতি।

৭২) শইকীয়া, নগেন (সম্পা.) (১৯৭৭) ঃ *আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ*; যোৰহাট ঃ অসম সাহিত্য সভা।

৭৩) শইকীয়া, নগেন (সম্পা.) (১৯৮৪) ঃ *আসাম বন্ধু*, গুৱাহাটী।

৭৪) শইকীয়া, নগেন (সম্পা.) (২০০৭) ঃ *বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ ৰামধেনুৰ সম্পাদকীয়*; ডিব্রুগড় ঃ বনলতা।

৭৫) শইকীয়া, নগেন (২০০৭) ঃ *সাহিত্য বাদবৈচিত্র্য* (২য় সংস্কৰণ); ডিব্রুগড় ঃ কৌস্তুভ প্রকাশন।

৭৬) শর্মা, উপেন্দ্রনাথ ঃ *আৰাহনৰ অৱদান প্রবন্ধ*, অসমৰ বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস।

৭৭) শর্মা, গোবিন্দ প্রসাদ (১৯৯৫) ঃ *উপন্যাস আৰু অসমীয়া উপন্যাস*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোর্ছ।

৭৮) শর্মা, গোৰিন্দ প্রসাদ (২০১৪) ঃ *অসমীয়া উপন্যাসৰ ইতিহাস*; গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৭৯) শর্মা গোস্বামী, প্রণতি; শর্মা, অনিল (সম্পা.) (প্রথম খণ্ড, ২০০৩) (দ্বিতীয় খণ্ড, ২০০৫) ঃ *কুৰি শতিকাৰ কুৰিজন বিশিষ্ট অসমীয়া*; নলবাৰী ঃ জার্ণাল এম্প'ৰিয়াম।

৮০) শর্মা, তীর্থনাথ (১৯৭৫) ঃ *আউনীআটী সত্রৰ বুৰঞ্জী*; আউনীআটী সত্র।

৮১) শর্মা দলৈ, ড° হৰিনাথ (২০০৫) ঃ *অসমীয়া সাহিত্যৰ পূর্ণ ইতিহাস*; নলবাৰী ঃ পদ্মাপ্রিয়া লাইব্রেৰী।

৮২) শর্মা, প্রবীণা (২০১১) ঃ *জয়ন্তী যুগৰ চুটিগল্প ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন*; গুৱাহাটী বিশ্ববিদ্যালয়, অপ্রকাশিত গৱেষণা গ্রন্থ।

৮৩) শৰ্মা, যতিনাৰায়ণ (১৯৬৪) ঃ *আধুনিক অসমীয়া কবিতা*; যোৰহাট ঃ ফ্ৰেণ্ডছ পাব্লিচার্ছ।

৮৪) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৭৬)ঃ *অসমীয়া উপন্যাসৰ গতিধাৰা*;গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৮৫) শৰ্মা, সত্যেন্দ্ৰনাথ (সম্পা.) (১৯৮০) ঃ *মৌ*; গুৱাহাটী।

৮৬) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৯৭) ঃ *অসমীয়া উপন্যাসৰ ভূমিকা*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৮৭) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০২) ঃ *অসমীয়া নাট্য-সাহিত্য*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৮৮) শৰ্মা, সত্যেন্দ্ৰনাথ (২০১৩) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৮৯) শৰ্মা, হেমন্ত কুমাৰ (২০০৭) ঃ *অসমীয়া সাহিত্যত দৃষ্টিপাত*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৯০) হাজৰিকা, অতুলচন্দ্ৰ (সম্পা.) (১৯৬৮) ঃ *বেজবৰুৱা গ্ৰন্থাৱলী*, ১ম খণ্ড (মোৰ জীৱন সোঁৱৰণ); গুৱাহাটী।

৯১) হাজৰিকা, বিশ্বেশ্বৰ (সম্পা.) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (প্ৰথম খণ্ড); 'আবিলেক' প্ৰকাশ।

ইংৰাজী গ্ৰন্থ ঃ

1) Baruah, Birinchi Kumar (1978) : *History of Assamese Literature*; New Delhi: Sahitya Academi.
2) Baruah, Hem (1965) : *Assamese Literature*; New Delhi: NBT.
3) Bhuyan, Surya Kumar (1956) : *Studies in the Literature of Assam*; Guwahati: Lawyers Books Stall.
4) Deka. Umesh : *Post war Assamese Novel*.
5) Kakati, BaniKanta (1962): *Assamese: Its Formation and Development*; Guwahati: Lawyers Books Stall.
6) Mahanta, Pona (1992): *Eliot in Assamese Literature*; Guwahati: Purbanchal Prakash.
7) Saikia, N. (1988) : *Background of Modern Assamese Literature;* New Delhi.

বাংলা গ্ৰন্থ ঃ

১) ত্ৰিপাঠী,দীপ্তি (১৯৮৮)ঃ *আধুনিক বাংলা কাব্য পৰিচয়*; কলকাতা ঃ দে'জ পাব্লিকেশ্যন।